# পবিত্ৰ অসম

GOVT. OF ASSAM * DIRECTORATB OF LIBRARY SERVICES

সংকলয়িতা সম্পাদক

ড° মহেশ্বৰ নেওগ

মুখ্য পৰিবেশক

কিৰণ প্ৰকাশন, ধেমাজি

অসম সাহিত্য সভা

**PAVITRA ASAM**, or The Sacred Assam, being a descriptive account of the holy places of Assam, namely, Hindu temples and shrines, tirthas and devasthanas, neo-Vaishnava sattras or colleges, Sikh gurudvaras, Jain temples, Buddhist viharas, Islamite mosques and dargahs, Christian churches and places of tribal worship, written by various writers, compiled and edited by Dr. Maheswar Neog and published by Naba Kalita, Kiran Prakashan, Dhemaji, on behalf of Dr. Pradip Bhuyan, General Secretary, Assam Sahitya Sabha. Price: 170.00 Only

1st Edition: October 1960, 2nd Edition: January 1969, 3rd Edition April 1991, 4th Edition: 8th March, 2008

954.162
PAV

প্ৰকাশক ঃ
ড° প্ৰদীপ ভূঞা
প্ৰধান সম্পাদক
অসম সাহিত্য সভাৰহৈ
নব কলিতা, কিৰণ প্ৰকাশন, ধেমাজি

প্ৰথম সংস্কৰণ ঃ অক্টোবৰ, ১৯৬০
দ্বিতীয় সংস্কৰণ ঃ জানুৱাৰী, ১৯৬৯
তৃতীয় সংস্কৰণ ঃ এপ্ৰিল, ১৯৯১
চতুৰ্থ সংস্কৰণ ঃ ০৮ মাৰ্চ, ২০০৮

অসম সাহিত্য সভা
কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট - ৭৮৫ ০০১

মূল্য ঃ ১৭০.০০ টকা

বেটুপাত ঃ অৰুণ নাথ

ছপা ঃ
ধেমাজি অফছেট প্ৰিণ্টাৰ্চ
ৰতনপুৰ, ধেমাজি

GOVT. OF ASSAM * DIRECTORATE OF LIBRARY SERVICES

## ।। অসম সাহিত্য সভাৰ নিবেদন ।।

### ।। প্ৰথম সংস্কৰণ ।।

অসম সাহিত্য সভাৰ ষড়্‌বিংশ অধিৱেশনত অসমৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা দেৱালয়, তীৰ্থস্থান, সত্ৰ, দৰগাহ ইত্যাদিৰ উৎপত্তি-বিৱৰণ-সম্বলিত এখন পুথি অসম সাহিত্য সভাৰ পক্ষৰপৰা যুগুত কৰা সম্পৰ্কে এটি প্ৰস্তাৱ গৃহীত হৈছিল। কিন্তু সেই বছৰ এই পুথি প্ৰণয়ন কৰা সম্পৰ্কত বিশেষ আগবাঢ়িব পৰা নহ'ল। পৰৱৰ্তী কাৰ্যনিৰ্বাহক সভাই এই প্ৰস্তাৱটি পুনৰ বিবেচনা কৰে, আৰু ডক্টৰ মহেশ্বৰ নেওগৰ সম্পাদনাত প্ৰস্তাৱিত পুথিখনি উলিয়াবলৈ থিৰাং কৰি পবিত্ৰ অসম প্ৰণয়ন সমিতি নামৰ এখন প্ৰণয়ন সমিতি পাতি দিয়ে। এই সমিতিৰ যোগে ষড়্‌বিংশ অধিৱেশনৰ প্ৰস্তাৱৰ মৰ্ম-অনুসৰি যুগুত কৰা 'পবিত্ৰ অসম' পুথিখন ৰাইজলৈ আগবঢ়োৱা হ'ল। পুথিখন প্ৰণয়ন কৰা পদ্ধতি সম্পৰ্কে সম্পাদক ডক্টৰ নেওগৰ ভূমিকাত পোৱা যাব।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট-১
২৪ আগষ্ট ১৯৬০

শ্ৰী যতীন্দ্ৰনাথ গোস্বামী
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

### ।। দ্বিতীয় সংস্কৰণ ।।

১৯৬০ চনতে প্ৰকাশ পোৱা 'পবিত্ৰ অসম' প্ৰায় প্ৰকাশ হোৱাৰ লগে লগেই শেষ হোৱাত গ্ৰন্থখনি পুনৰ্মুদ্ৰণৰ বাবে নানা ফালৰপৰা বহুজনে আমাক অনুৰোধ জনাই আছিল। তদুপৰি সভাৰ এই মূল্যবান গ্ৰন্থখনিত বহুতো নতুন তথ্য সন্নিবিষ্ট হোৱাটো আৱশ্যক হৈছিল। কিতাপখনিৰ দ্বিতীয় সংস্কৰণ উলিয়াব লগা হোৱাত সম্পাদক ডক্টৰ মহেশ্বৰ নেওগ ডাঙৰীয়াক আৱশ্যকীয় সাল-সলনৰে সৈতে যুগুতাবলৈ ভাৰ দিয়া হয়। কাৰ্য-নিৰ্বাহক সমিতিৰ ৫ মে' ১৯৬৭ তাৰিখৰ অধিৱেশনৰ সিদ্ধান্ত অনুযায়ী এই কাৰ্যত আগবঢ়া হয়।

অসমীয়া সংস্কৃতি শিতানত অসম সাহিত্য সভাৰ সন্মুখত ব্যাপক আঁচনি বৰ্তমান।

প্ৰণালীবদ্ধভাৱে এই আঁচনি কাৰ্যকৰী কৰি তোলাৰ ক্ষেত্ৰত সকলোৰে সাদৰ সহযোগ কামনা কৰা হ'ল।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট-১
২০ জানুৱাৰী ১৯৬৮

**শ্ৰী হৰিপ্ৰসাদ নেওগ**
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

## ।। চতুৰ্থ সংস্কৰণ।।

প্ৰথিতযশা সাহিত্যিক, গৱেষক-পণ্ডিত, অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তি ড° মহেশ্বৰ নেওগৰ দ্বাৰা সংকলিত-সম্পাদিত 'পৱিত্ৰ-অসম' গ্ৰন্থখনি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ এক অনবদ্য অৱদান ৰূপে স্বীকৃত হৈ আহিছে। পূৰ্বতে অসম সাহিত্য সভাই এইগ্ৰন্থখন প্ৰকাশ কৰিছিল যদিও বৰ্তমান গ্ৰন্থখন পাবলৈ নাই। অসম সাহিত্য সভাৰ বৰ্তমান বৰ্ষৰ (২০০৭-০৮) কাৰ্যনিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশনৰ সিদ্ধান্ত অনুসৰি সাহিত্য সভা প্ৰকাশ সমিতিয়ে পুনৰ মুদ্ৰণ কৰিবলৈ লোৱা ছয়খন গ্ৰন্থৰ ভিতৰতে 'পৱিত্ৰ-অসম' গ্ৰন্থখনিও অন্যতম। অসমীয়া ভাষা-সাহিত্যৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সাহিত্যপ্ৰেমীৰ বাবে এই গ্ৰন্থখনি প্ৰয়োজন আজিও খুবেই প্ৰাসংগিক। অসমৰ ভাষা-সাহিত্য, কলা-সংস্কৃতিৰ ঐতিহ্যৰ কথা সন্নিবিষ্ট হোৱা এই মহৎ গ্ৰন্থখনিৰ পুনৰ মুদ্ৰণে নিশ্চিতভাৱে পঢ়ুৱৈ ৰাইজৰ আশা পূৰণ কৰিব বুলি অনুভৱ কৰিছোঁ। গ্ৰন্থখনি পুণৰ মুদ্ৰণৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আগবঢ়াই সহযোগ আগবঢ়োৱা বাবে সভাৰ মাননীয় সভাপতি কনকসেন ডেকা আৰু মাননীয় উপ-সভাপতি সতীশ চন্দ্ৰ চৌধুৰীৰ ওচৰত আমি কৃতজ্ঞ। গ্ৰন্থখনিৰ পুনৰ মুদ্ৰণত সহযোগ আগবঢ়োৱাৰ বাবে ধেমাজিৰ 'কিৰণ প্ৰকাশন'ক অসম সাহিত্য সভাৰ হৈ শলাগ লৈছোঁ। অসম সাহিত্য সভাই বৰ্তমান বৰ্ষত গ্ৰন্থ প্ৰকাশ আৰু বিদ্যায়তনিক দিশৰ কাৰ্যসূচীত অধিক গুৰুত্ব প্ৰদান কৰিছে। লগতে 'অসমীয়া সাহিত্য জগত সভালৈ যাব' প্ৰকল্পৰ অধীনত সাহিত্য সভাই বহু কেইখন অসমীয়া সাহিত্যৰ মূল্যবান গ্ৰন্থ ইংৰাজীলৈ অনুবাদ কৰি প্ৰকাশ কৰাৰ আঁচনি গ্ৰহণ কৰিছে। এই 'পৱিত্ৰ-অসম' গ্ৰন্থখনিও অনুবাদৰ বাবে তেনে আঁচনিত অন্তৰ্ভুক্ত কৰাৰ কথা বিবেচনা কৰা হৈছে। আশা কৰিছোঁ, গ্ৰন্থখনিক সাহিত্যপ্ৰেমী ৰাইজে সমাদৰ কৰিব।

**'চিৰ চেনেহী মোৰ ভাষা জননী'**

**কেন্দ্ৰীয় কাৰ্যালয় : চন্দ্ৰকান্ত সন্দিকৈ ভৱন**
**যোৰহাট - ৭৮৫ ০০১**
**২৪ ফাগুন, ১৪১৪ ভাস্কৰাব্দ**
**০৮ মাৰ্চ, ২০০৮ খ্ৰীষ্টাব্দ**

**ড° প্ৰদীপ ভূঞা**
**প্ৰধান সম্পাদক**
অসম সাহিত্য সভা

## ।। পবিত্র অসমৰ সম্পাদকৰ বকলা ।।

### ।। প্ৰথম সংস্কৰণৰ কৃতজ্ঞতা-স্বীকাৰ ।।

অসম সাহিত্য সভাৰ প্ৰকাশন এই 'পবিত্ৰ অসম'ত দয়া কৰি ব্যৱহাৰ কৰিবলৈ দিয়া হাজোৰ হয়গ্ৰীৱ-মাধৱৰ মন্দিৰ, জয়সাগৰৰ বিষ্ণুদ'ল আৰু শিৱদ'ল, বশিষ্ঠাশ্ৰম আৰু ছয়গাঁৱৰ মন্দিৰৰ চিত্ৰৰ বাবে অসম চৰকাৰৰ প্ৰচাৰ-বিভাগ; কামাখ্যা আৰু জনাৰ্দন মন্দিৰ, স্নান-মন্দিৰ, শিৱসাগৰৰ শিৱদ'ল, দ পৰ্বতীয়াৰ দুৱাৰ আৰু ৰঙামাটিৰ মছজিদৰ চিত্ৰৰ ব্লকৰ বাবে অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ; ডবকাৰ উমালিঙ্গন, বৰপেটাৰ বিষ্ণু আৰু দেওপানীৰ বিষ্ণু-মূৰ্তিৰ চিত্ৰৰ ব্লকৰ বাবে অসম ৰাজ্যিক সংগ্ৰহালয়; বৰ-গঙ্গাৰ বিষ্ণুপদ, বোধ-জনাৰ্দন, গোসাঁইজুৰিৰ বাসুদেৱ, মহিষমৰ্দিনী, ব্ৰহ্মা, শ্ৰীসূৰ্য-মূৰ্তি, গোবিন্দ ঠাকুৰৰ আসন, তাৰা-মন্দিৰ, ৰণচণ্ডীৰ শিল আৰু ইটাৰ মন্দিৰ, যোগীঘোপাৰ ঘোপাৰ ছবিৰ ব্লকৰ বাবে শ্ৰী ৰাজমোহন নাথ; আৰু বৰপেটাৰ মঠ আৰু গুৰু-আসনৰ চিত্ৰৰ ব্লকৰ বাবে লয়াৰ্ছ বুক ষ্টলৰ গৰাকী শ্ৰীবিচিত্ৰনাৰায়ণ দত্ত বৰুৱা ডাঙৰীয়াৰ ওচৰত 'পবিত্ৰ অসম'ৰ সম্পাদক বিশেষভাৱে ঋণী।

'পবিত্ৰ অসম' প্ৰণয়ন সমিতিৰ ভিতৰৰ আৰু বাহিৰৰ যিসকলে বিশেষ অনুৰাগেৰে এই প্ৰকাশনত প্ৰেৰণা দিছে, শলাগেৰে সি সকলৰ নাম ল'লো : ড° সূৰ্যকুমাৰ ভূঞা, অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা, শ্ৰী প্ৰেমধৰ চৌধুৰী, শ্ৰী মুৰাৰিচৰণ দাস, শ্ৰী ৰাজমোহন নাথ, শ্ৰী নকুলচন্দ্ৰ ভূঞা, শ্ৰী এডোৱাৰ্ড সিংহ, শ্ৰী সৰ্বানন্দ ৰাজকুমাৰ, শ্ৰীমতী প্ৰীতি বৰুৱা, অধ্যাপক আব্দুল মালিক, শ্ৰী তিলক দাস, সৰু-সুৰা কামত সহায় কৰা শ্ৰী হেমৰথ বৰ্মণ, শ্ৰীমতী অনিমা বৰুৱা। অতি কম সময়ৰ ভিতৰতে ছপা কাম সমাপন কৰি ট্ৰিবিউন্ প্ৰেছো ধন্যবাদৰ পাত্ৰ।

বৈজয়ন্তী, শৰণীয়া
গুৱাহাটী

## ।। দ্বিতীয় সংস্কৰণৰ কৃতজ্ঞতা-স্বীকাৰ।।

'পবিত্ৰ অসম' ওলোৱাৰ কেইমাহমানৰ ভিতৰতে প্ৰথম তাঙৰণৰ সকলো কিতাপ বেচাগৈ শেষ হ'ল। অনেক আগ্ৰহশীল লোকে কিতাপখন বিচাৰি নাপাই হতাশ হ'বলগীয়া হ'ল। অসম সাহিত্য সভাৰ কোনো প্ৰকাশনেই পাঠক-সমাজৰ এনে উম-লগা অভ্যৰ্থনা পোৱা নাই। এই কথাই আন নহ'লেও পুথিখনৰ আৱশ্যকতাকে দৃঢ়ভাৱে প্ৰতিপন্ন কৰিলে। বিশেষতে পণ্ডিত-সমাজে ইয়াক বিশেষ সমাদৰ কৰা দেখা গৈছে। যোৱা কেইবছৰৰ অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ কেইখনিয়ে কিতাপখন মৰমেৰে উল্লেখ কৰিবলৈ পাহৰা নাই। ডক্টৰ সূৰ্যকুমাৰ ভূঞা ডাঙৰীয়াই যে ইয়াক সদায় বিশেষভাৱে প্ৰশংসা কৰি ওৰ নাপাইছিল আৰু কৈছিল, পৃথিৱীৰ আন কোনো ভাষাত এনে ধৰণৰ সংকলন তেখেতে দেখা পোৱা নাই, মাথোন ছাৰ ৱাল্টাৰ স্কটে নিজৰ দেশক লৈ এনে এখনি সৰু পুথি কৰা যেন তেখেতৰ মনত পৰে। আমি এতিয়াও স্কটৰ কিতাপখনৰ উৱাদিহ উলিয়াব পৰা নাই।

পণ্ডিতসকলৰ এই প্ৰশংসাৰ বিপৰীতে দুই-এজন লোকৰ নিন্দাও 'পবিত্ৰ অসমে' আদিৰ ল'বলগীয়াত পৰিছে নিৰ্মালি বুলিয়ে। আমাৰ দৃষ্টিভংগী ঐতিহাসিক আৰু বৈজ্ঞানিক। সকলো সমল আমি সেই দৃষ্টিৰেহে বিচাৰ কৰি চাইছো। তাত কোনো কষ্ট হোৱাত আমি আচৰিত মানিবলৈ বোধহয় একো নাই। পবিত্ৰ স্থানসমূহৰ লগত দেৱতাৰ নাম জড়িত, হয়; কিন্তু তাত মানুহৰ ভাগ ৰহিলে মানুহৰ উৎপত্তিৰ কথা ক'লে খং উপস্থিত হয়। তথাপি বৰ্তমান সংস্কৰণত ব্যক্তিৰ নহ'লেও যুক্তিৰ আপত্তি আঁতৰাবৰ যত্ন আমি কৰিছো।

এইখন এনে ধৰণৰ প্ৰথম পুথি। গতিকে কোনো কোনো সমালোচকেও তাক 'আশ্চৰ্যবৎ পশ্যাতি কশ্চিদেনং' কৰিছিল। এখন বাতৰি-কাকতৰ সমীক্ষকে আমাৰ এটা দোষ ধৰিছিল — ভূমিকাত বৈষ্ণৱ আদি হিন্দু সম্প্ৰদায়ৰ কথা যেনে বিস্তৃতভাৱে আলোচনা কৰা হ'ল, 'অন্যান্য ধৰ্মমতৰ বিষয়ে ড° নেওগে নামোল্লেখ মাত্ৰ কৰি গৈছে বুলি ক'ব পাৰি, সেইবোৰৰ বিস্তৃত পৰ্যালোচনা কৰা নহ'ল।' প্ৰথম কথা কওঁ, এই দোষ অজ্ঞানকৃত নহয়; অনুপাতজ্ঞান আৰু হাতে ঢুকি পোৱা সমলৰ পৰিমাণে আমাৰ আলোচনাক সীমিত কৰে। দ্বিতীয় কথা, 'ধৰ্মমত' আলোচনা কৰাটোতো আমাৰ উদ্দেশ্যৰ ভিতৰত মুঠেই নাছিল। উদ্দেশ্য কি আছিল 'নতুন অসমীয়া' কাকতে অন্ততঃ লগে লগে

দেখা পাইছিল। ঃ 'ড° নেওগে এইকেইটা ধৰ্মৰ অসম ভূমিত পৰা প্ৰভাৱৰ ইতিহাস পৰ্যালোচনা কৰিছে।' সীমিত উপকৰণ সত্বেও আমাৰ এজন ছাত্ৰই ডি. ফিল্. ডিগ্ৰীৰ বাবে গৱেষণাত ইছলাম জগতৰ লগত অসমৰ আদান-প্ৰদানৰ বিষয়ে সুন্দৰ আলোচনা দাঙি ধৰিছে। কষ্ট কৰিব খোজা পণ্ডিত ওলালে আন আন সংশ্লিষ্ট বিষয়তো আদৰণীয় কাম নিশ্চয় হ'ব পাৰে। তৃতীয়তে, এনে ধৰণৰ এতিয়াও গৱেষণাধীন কথাত আমিয়ে যদি সকলো কথাৰ শেষ কথা কৈ পেলাওঁ, সমীক্ষকজনৰ দৰে তথ্যপিপাসাতুৰ জ্ঞানীসকললৈ কি কাম থাকিব? আৰু এটা আমাৰ দায় ধৰা হৈছে, 'সংগ্ৰাহকসকলৰ নামবোৰ তেওঁলোকৰ বৰ্ণনাৰ শেষত হ্ৰস্ব কৰি নিদি অপেক্ষাকৃত সৰু হৰফেৰে পুৰাকৈ তেওঁৰ প্ৰশ্নৰ উত্তৰ নিজে বিচাৰি পাব যদি তেওঁ আশ্চৰ্যৱৎ পশ্যতি কৰা আমাৰ পুথিখনৰ শাৰীৰ আন বিষয়ৰ আন গ্ৰন্থৰ পাতবোৰ মুকলি কৰি চাবলৈ এলাহ-নিহালি থৈ বীৰ-বেশ গাত লয়। আমাৰ গ্ৰন্থৰ অনেকবোৰ টোকাই বৰ চমু, কোনোটোহঁত এশবীয়া। এই হ্ৰস্ববোৰক দীৰ্ঘ কৰিবলৈ যি বিপুল অৰ্থ আৰু অৱসৰৰ প্ৰয়োজন (মাথোন 'নতুন অসমীয়া'ই এই কথাও উপলব্ধি কৰি লিখিছিল, 'এই কাম যে বিৰাট ব্যয় আৰু বহু সময়-সাপেক্ষ তাক নক'লেও হ'ব।') আমাৰ নিজৰ আৰু মাথোন সত্যানুসন্ধানৰ প্ৰেমত কাম কৰা সংগ্ৰাহকসকলৰ সেয়াৰ নিতান্ত অভাৱ। তাৰ মাজতো যে পবিত্ৰ থানবোৰৰ তালিকা এখন থিয় কৰি দিব পৰা হৈছে, তাতেই কৃতাৰ্থ মানিছো, ধন্য ধন্য মানিছো। আমি বাতৰি-কাকতত বাৰে বাৰে জাননী দিও সংশ্লিষ্ট বা সমালোচকজনৰ দৰে তথ্যানুৰাগীসকলৰ পৰা সৰহ সঁহাৰি পাইছো বুলি ক'ব নোৱাৰোঁ। গতিকে বৰ্তমান সংস্কৰণটোতে আগৰ বাঁহপাতেই ভেটি হৈ থাকিল। বাহটোত শাহটো দিয়াৰ সময় নিশ্চয় উকলি যোৱা নাই এতিয়াও।

প্ৰথম সংস্কৰণৰ বেলিকা দুই নে এক জ্ঞানী লোকে আমাৰ এই সংকলনত সহায় নকৰিবৰ বাবে আমাৰ জ্ঞানী লেখকসকলক জ্ঞান দিবৰ যত্ন কৰাৰ কথা এটা শুনিছিলো। আজকালীয়া জ্ঞানৰ এনে আওবাট এৰায়ো যে 'পবিত্ৰ অসম'ৰ লেখকসকলে পোনপটীয়া জ্ঞানৰ বাটত আমাক জোৰ ধৰি সহায় কৰিলে, সি সি সকলৰ পবিত্ৰ জ্ঞানস্পৃহাৰ প্ৰমাণ হৈ ৰ'ল। ইতিমধ্যে অসমৰ সত্ৰ আদিৰ অনুষ্ঠানৰ বুৰঞ্জী দিয়া কেইবাখনো কিতাপ ওলাইছে। সিবোৰত 'পবিত্ৰ অসম'ৰ প্ৰভাৱ প্ৰকটভাৱে আমি দেখা পাইছো আৰু তাতে 'পবিত্ৰ অসম'ৰ উদ্দেশ্য সফল হোৱা দেখা পাইছো। সি সকলৰ মাজতো আমাৰ লেখকসকলৰ কল্যাণত 'পবিত্ৰ অসম' ৰজা হৈ থাকিল বুলি ভুলকৈ হ'লেও ভাবিবৰ মন যায়।

হেমচন্দ্ৰ বৰুৱাই “হেমকোষ”ত ‘সত্ৰ’ শব্দক “সত্ত্ৰ” শব্দৰ অপভ্ৰংশ; ই অশুদ্ধ” বুলি স্পষ্টকৈ লিখিছে। মূলতে শব্দটো ‘সত্ৰ’হে। ‘শতপথ ব্ৰাহ্মণ’ৰ দিনৰেপৰা তাৰ প্ৰয়োগ। অসমতো সেইৰূপেই সি প্ৰচলন হৈ আহিছিল যেন লাগে।

‘সত্ৰীয়া’ৰ স্বৰভক্তিৰ ফলত হোৱা ৰূপ ‘সত্তৰীয়া’হে দেখা যায়। বৰ্তমান সংস্কৰণত আমি সৰ্বত্ৰ ‘সত্ৰ’ ৰূপ স্থিৰ কৰি দিছিলো। কিন্তু লাইনো টাইপ যন্ত্ৰত কিতাপ ছপা হোৱা বাবে শব্দটো ‘পুনৰ্মূষিকো ভব’ হ’ল। ‘পুত্ৰ’ ব্ৰহ্মপুত্ৰ’তো আমি দুটা ত বাহ্ণা কৰিছিলো; সেই বাহ্ণাও লাইনোটাইপ মেচিনত মষিমূৰ হ’ল।

বৰ্তমান সংস্কৰণত চিত্ৰ কেইখনিমান নতুনকৈ সংযোগ কৰা হ’ল। কিন্তু আগৰ বাৰৰ কেইটিমান ব্লক নোপোৱাত তাৰ চিত্ৰ দিব পৰা নহ’ল। কেঁচা ছপা শুধৰোৱা কামত সহায় কৰা বাবে শ্ৰী ভৱপ্ৰসাদ চলিহা আৰু শ্ৰী হেমৰথ বৰ্মণৰ শলাগ লোৱা হ’ল।

## ।। পৱিত্ৰ অসমৰ লেখক-সূচী ।।

পাঠকসকলে আমনি নাপাবৰ বাবে পুথিৰ মূল অংশত লেখকসকলৰ নাম পূৰাকৈ দিয়া হোৱা নাই, সাঙ্কেতিকভাৱে মাত্ৰ বুজোৱা হৈছে। চমু অংশৰ লেখক বা সমল-যোগাওঁতাসকলৰ নাম সেই অংশৰ তলৰ পাদটীকাত দিয়া আছে। ইয়াত সাঙ্কেতিকভাৱে দিয়া নামবোৰৰ পূৰা ৰূপ আৰু লেখকসকলৰ ৰচনাৰ অংশবোৰ পৃষ্ঠাৰ সংখ্যাৰে দিয়া হ ।

| | |
|---|---|
| দী. শ. | শ্ৰী দীনেশ শৰ্মা, মঙলদৈ, ২৫২-২৫৪, ২৫৮ |
| দু. সা. স. | দুনি সাহিত্য সভা, মঙলদৈ ২৫৪-২৫৭ |
| ধী. ম. | শ্ৰী ধীৰেন্দ্ৰ নাৰায়ণ মজুমদাৰ, গাৰোপাহাৰ ৩৭০-৩৭১ |
| ন. তা. | শ্ৰী নন্দ তালুকদাৰ, কামৰূপ, ২৭৭-২৮০ |
| ন. দ. | শ্ৰী নবকান্ত দাস, কামৰূপ ২৮৬-২৮৮, ৩০১-৩০২ |
| ন. ভু. | শ্ৰী নকুলচন্দ্ৰ ভূঞা, যোৰহাট, ১১৫-১১৮, ১৩৩; গোলাঘাট, ১৩৫-১৪০ |
| না. ম. | শ্ৰী নাৰায়ণচন্দ্ৰ মহন্ত, নগাঁও, ১৬০-২০৮, ২১১-২১২ |
| পু. দা. | শ্ৰী পুৰাৰাম দাস, মঙলদৈ, ২৫৮-২৬২ |
| প্ৰ. ব. | শ্ৰী প্ৰশান্ত কুমাৰ বৰুৱা, তেজপুৰ ২১৪-২৩২ |
| প্ৰ. ভ. | ডক্টৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য, ডিব্ৰুগড় ৮১-৮২; কামৰূপ ২৯১-২৯২, ৩৫০-৩৫২;<br>গোৱালপাৰা, ৩৫১-৩৫২ |
| প্ৰে. চৌ. | শ্ৰী প্ৰেমধৰ চৌধুৰী, কামৰূপ, ২৬৩-২৬৮ |
| ফ. ক. | শ্ৰী ফণীন্দ্ৰনাথ কলিতা, উত্তৰ-পূব সীমান্ত অঞ্চল,৬০-৬১;<br>কামৰূপ, ২৮০-২৮৪, ৩২৮-৩২৯, |
| বা. হা. | শ্ৰী বাপাৰাম হাজৰিকা, নগাঁও ১৫৩-১৫৪, ২০৮ |
| ব্ৰ. ম. | শ্ৰী ব্ৰজপতি মহন্ত, কামৰূপ ২৮৫-২৮৬ |
| ভ. ৰা. | শ্ৰী ভবানন্দ ৰাজখোৱা, মঙলদৈ ২৫১-২৫২ |
| ভা. পা. | শ্ৰী ভাৰত চন্দ্ৰ পাঠক, খাছিয়া-জয়ন্তীয়া পৰ্বত ৩৭২-৩৭৬, ৩৭৭-৩৭৮ |
| ভু. স. | শ্ৰী ভুবনচন্দ্ৰ সন্দিকৈ, কাছাৰ ৩৭৯-৩৮১ |

| | |
|---|---|
| ম. আ. | শ্ৰী মফিজুদ্দিন আহমদ, গোৱালপাৰা, ৩৬২-৩৬৭ |
| ম. নে. | ডক্টৰ মহেশ্বৰ নেওগ, উত্তৰ-পূব সীমান্ত অঞ্চল, ৫৭-৬০; উত্তৰ লখীমপুৰ, ৭০-৭৪; ডিব্ৰুগড় ৭৬-৮১, ৮২-৮৬, ৮৮-৮৯; শিৱসাগৰ, ১০০-১১০, ১১৪; যোৰহাট ১১৮-১৩২, ১৩৩-১৩৪; গোলাঘাট ১৪০-১৪৭; উত্তৰ কাছাৰ আৰু মিকিৰ পৰ্বত ১৪৯-১৫০ ; নগাঁও ১৫৪-১৬০, ২০৮-২১১, ২১২-২১৩; তেজপুৰ ২৩৬-২৪৯; কামৰূপ ২৬৮-২৬৯, ২৭২-২৭৭, ২৭৯-২৮০, ২৯৮-৩০১, ৩০২-৩০৪, ৩২১-৩২৮, ৩২৯-৩৩৩ ; গোৱালপাৰা ৩৫২-৩৬২; গাৰোপাহাৰ ৩৭১; খাছিয়া-জয়ন্তীয়া পৰ্বত ৩৭২, ৩৭৮; অসমৰ বাহিৰে পৱিত্ৰ অসম ৩৮২-৩৮৪ |
| মু. দা. | শ্ৰী মুৰাৰিচৰণ দাস, কামৰূপ ২৬৩-২৬৮, ২৬৯-২৭১; খাছিয়া-জয়ন্তীয়া পৰ্বত ৩৭২ |
| মু. হ. | শ্ৰী মুহিবুল হুছেইন, শিৱসাগৰ, ১১১-১১৪ |
| যো. স. | শ্ৰী যোগেন্দ্ৰচন্দ্ৰ সৰকাৰ, গোৱালপাৰা, ৩৩৪-৩৪৮, ৩৬৪, ৩৬৭-৩৬৯ |
| লী. গ. | শ্ৰী লীলা গগৈ, শিৱসাগৰ ৯০-৯৯, ১১০-১১১ |
| শ্যা. ন. | শ্ৰী শ্যামচৰণ নাথ, গোৱালপাৰা, ৩৪৮-৩৫০ |
| স. ব. | শ্ৰী সৰ্বেশ্বৰ বৰুৱা, উত্তৰ লখীমপুৰ, ৬৭-৭০, ৭০, ৭৪-৭৫; ডিব্ৰুগড ৭৯-৮০; তেজপুৰ, ২৩২-২৩৩ |
| স. ৰা. | শ্ৰী সৰ্বানন্দ ৰাজকুমাৰ, উত্তৰ-পূব সীমান্ত অঞ্চল, ৫৫-৫৭; উত্তৰ লখীপুৰ, ৬৬-৬৭; ডিব্ৰুগড় ৮৬-৮৮; তেজপুৰ,২৩৩-২৩৬ কামৰূপ ২৯২-২৯৮ |
| সূ. ম. | শ্ৰী সূৰ্য মজুমদাৰ, কামৰূপ ২৮৮-২৯১, ৩০৪-৩২১ |
| হে. বু. | শ্ৰী হেম বুঢ়াগোহাঞি, শিৱসাগৰ, ৯৯-১০০ |

## ।। সূচীপত্ৰ ।।

ভূমিকা ২৭-৫৩

**উত্তৰ-পূব সীমান্ত অঞ্চল**

ব্ৰহ্মকুণ্ড — পৰশুৰাম-কুণ্ড — মায়াপুৰ (ইটা বা হিটা) ৫৭-৫৮

বৈষ্ণৱ থান — টিৰাপৰ বৈষ্ণৱ গাঁও — নামচা নলা — পানৈ গোসাঁই — বৌদ্ধ বিহাৰ-বাপুচাং — টাৱাং বিহাৰ — ৰূপাৰ গোম্পা — ছিয়াং সীমান্ত অঞ্চলৰ বৌদ্ধ থান — খামটি বাপুচাং — টিৰাপৰ পশ্চিমৰ বৌদ্ধ বিহাৰ — কেটেটং বৌদ্ধ বিহাৰ — বৰফাকিয়াল বৌদ্ধ বিহাৰ — দিবং বৌদ্ধ বিহাৰ — এথেঙ্গ বৌদ্ধ বিহাৰ ৫৮-৬১

**উত্তৰ লখীমপুৰ**

সাৰ্হি দেৱালয় — ঘুগুৱা দ'ল আৰু মণিপুৰীয়া দেৱীৰ থান — কৰ্ছনবকলৰ কেঁচাইখাঁতী দ'ল আৰু পঞ্চানন দেৱালয় — বঠাৱতী দ'ল — নীল দেৱালয় — মুৰাভগা দ'ল — দেওঘৰ — লোণ-পানী দ'ল — মাঘনোৱা দ'ল — গৰখীয়া থান — লখীমপুৰীয়া থান — কৃষ্ণগোহাঁই থান — ডেকাথান — কেঁচাইখাতী বা পোতা গোসানীৰ থান — দিক্কৰবাসিনী বা ডিক্ৰুং নৈ ৬২-৬৭

থান-সত্ৰ — বাসুদেৱ-থান (নৰোৱা সত্ৰ) — ঘাৰমৰা সত্ৰ আৰু দ'ল — বৰমাহৰা সত্ৰ — মাধৱৰ সত্ৰ — নাহৰণি থান — বদুলা আতাৰ থান — সকৰাহি থান — ফুৰাণি থান — বেলগুৰি থান — শুকুলা দ্বীপ — কাংসপাৰ সত্ৰ — কাঁহীকুছি সত্ৰ — কাথপাৰ (মা-কোবাৰী) সত্ৰী — গোবিন্দ এলেঙ্গি সত্ৰ — খাতপাৰ সত্ৰ — খৌৰা-মোচৰ থান — গজলা সত্ৰ — চাৰিপোতা সত্ৰ — ডেবেৰাপৰা সত্ৰ — দহঘৰ সত্ৰ — ধল সত্ৰ — নাচনীপাৰ সত্ৰ — নাৰায়ণপুৰ সত্ৰ — পোৱাল্লি সত্ৰ — লেংদী সত্ৰ — সাউদকুছি সত্ৰ — হেমাৰবৰি থান — বিষ্ণু-বালিকুছি সত্ৰ — গোপালপুৰ সত্ৰ — গোবিন্দপুৰ সত্ৰ — ৬৭-৭৪

বৌদ্ধ বাপুচাং ৭৪

দৰগাহ-মছজিদ ৭৫

গীৰ্জা ৭৫

### ডিব্ৰুগড়

তাম্ৰেশ্বৰী মন্দিৰ — বুঢ়া-বুঢ়ীৰ মন্দিৰ — পিচাডোমা বা বলিয়া বাবাৰ থান — ঘণ্ডুৱা দ'ল — ৰাইডঙীয়া দ'ল — সীতাকুণ্ড — তাম্ৰেশ্বৰী-মন্দিৰ (আৰু যৎকিঞ্চিত) — মালিনী থান — বৰতীয়া শাল — দেওশাল ৭৬-৮১

কছাৰীসকলৰ থান (বাথৌ শাল, বুঢ়া-বুঢ়ীৰ শাল, কেঁচাইখাঁতী গোসানী শাল, গজাই শাল) ৮১-৮২

সত্ৰ-থান — দিনজয় মায়ামৰা সত্ৰ — মৰাণ টিফুক সত্ৰ — মদাৰখাত মায়ামৰা সত্ৰ — গড়পৰা মায়ামৰা সত্ৰ — ব'ৰাগীমঠ বা ব'ৰাগীৰ থান — দিহিং নমাটি সত্ৰ (দিচাম থান) — জৰাবাৰী সত্ৰ — আন সত্ৰ — দুৰামাৰি সত্ৰ — খাতপাৰ সত্ৰ — শলগুৰি থান — বাৰেঘৰ (চলিহা) সত্ৰ বা বৰবাম সত্ৰ — ঔগুৰি সত্ৰ, বালিমৰা থান, সীতাকুণ্ড — ক'লী আইৰ থান — মোৱামৰা থান — মায়ামৰা গোসাঁইৰ থান (বৰহাপজান, বাৰেকুৰি) ৮২-৮৭

বৌদ্ধ বাপুচাং ৮৭

দৰগাহ-মছজিদ — বগা ফকীৰৰ মাজাৰ — মছজিদ ৮৮

গুৰুদ্বাৰ ৮৮

গীৰ্জা — ছেইণ্ট পল্ গীৰ্জা — ছেইণ্ট্ পেট্ৰিক্ গীৰ্জা — ৰেছাৰেক্শ্যন গীৰ্জা — অল্ ছেইণ্টছ্ গীৰ্জা — অন্যান্য গীৰ্জা ৮৮-৮৯

### শিৱসাগৰ

শিৱসাগৰ (শিৱদ'ল, বিষ্ণুদ'ল, দেৱী-দ'ল) — জয়সাগৰ (শ্ৰীকেশৱৰায় বিষ্ণুদ'ল, শ্ৰীসূৰ্যমন্দিৰ, শ্ৰীগনেশ-মন্দিৰ, বৈদ্যনাথ শিৱদ'ল, দেৱী-দ'ল বা দেৱীঘৰ, ঘনশ্যামৰ দ'ল বা নাতি গোসাঁইৰ দ'ল) — ৰংপুৰ (গোসাঁইঘৰ, ঈশানেশ্বৰ শিৱমন্দিৰ, বুঢ়ীগোসানী দেৱালয়, ৰংনাথ (ৰঙ্গনাথ) দ'ল, ফাকুৱা দ'ল, হৰ-গৌৰী দেৱালয়, গৌৰীবল্লভ দ'ল — চৰাইদেও (দেওশালৰ মন্দিৰ, লাংকুৰি দ'ল বা শিৱদ'ল, বান-টুং দেৱালয়) বৰপাত্ৰ দ'ল (কালুগাঁৱৰ লখিমীসাগৰ, জগদ্ধাত্ৰী দ'ল, শিৱদ'ল, কেন্দুগুৰিৰ বৰপাত্ৰ দ'ল) — গৌৰীসাগৰ (দেৱীদ'ল, শিৱদ'ল, বিষ্ণুদ'ল) — নামতি দ'ল (শিৱদ'ল, বিষ্ণুদ'ল) — থাওৰা দ'ল — নাফুকৰ দ'ল — পিয়লি ফুকনৰ দ'ল (শিৱদ'ল, বিষ্ণুদ'ল) — ৰুদ্ৰসাগৰ দ'ল — বগী দ'ল — কৈৰী ৰাজমাও দ'ল — ৰামখী পীঠ — খঁৰা দ'ল — বেজৰ দ'ল — বৰগাঁও দেওশাল

— ৰঙাগৰা দেওশাল — মাইবেলাৰ দ'ল — অভয়পুৰৰ দ'ল — বশিষ্ঠৰ আশ্ৰম (গোবিন্দ-দেবালয়) — মাই দ'ল (মহেশ্বৰ-ঘৰ) — দেওঘৰ — কালীবাৰী থান — টেঙাপনীয়া দেওশাল — গদাধৰৰ খোজ — মহাখুটি থান — দেউৰিটিং — ৰবাহী চোমনি থান — কালীথান ৯০-১০০

থান-সত্ৰ — উজনিয়াল — ঔগুৰি — উলুতলি — এলেঙি (ফুলবাৰী) — কাংসপাৰ (কঁহাৰপাৰ) — কাটনী নমাটি — কাটনীপাৰ — কথামহন্ত — কাৰৈমাৰি — কোৰেখনা গজলা — কোবামৰা — খাতপাৰ — খটবা — গজলা — গদাপাণি — চলিহা — চুপহা — চেকেৰাতলি — চেঁচা — জকাই — জবাবাৰী — টকৌবাৰী — ঠকৰিয়াল — ঢাপলিয়াল — ডোখৰামুখ — তেলপানী — থুকুবিল — দহঘৰীয়া — দেওপানী — দিহিং (শিলিখাতল) — দুৰামাৰি বা আহোমবাপু — নমাটি — নমাটি কাটনী — নৰাবাৰী — নাহমবাপু — পুথিপঢ়া — পুনিয়া — ফুলবাৰী এলেঙি — বগাজন — বগীআই — বনগএগ — বৰমাহৰা — বাৰেঘৰ (চলিহা) — বিহিমপুৰ — বদুবাৰী — বেঙেনাআটি — ম'ৰামৰা — মাহৰা — মিছাকুৰিয়া — ৰতনপুৰ — লেংদী — শলগুৰি — শালকুছি শিলিখাতল — সৰু বেঙেনাআটি — সাউদকুছি — সোণাৰি চাৰিগাঁও — সৌকাজান — শঙ্কৰ-মন্দিৰ — নিত্যানন্দ গোসাঁইৰ থান ১০০-১১০

বৌদ্ধ বিহাৰ-বাপুচাং ১১০

গীৰ্জা ১১১

দৰগাহ — খোন্দকাৰ পীৰ বা আব্দুল গনী ছাহাবৰ দৰগাহ — শ্বাহ মিলন বা আজান পীৰৰ দৰগাহ — নবী পীৰ বা চালেহ পীৰৰ দৰগাহ — বান্দৰ পীৰ বা চাবাল পীৰৰ দৰগাহ ১১-১১৪

## যোৰহাট

হাতীগড়ত শিবদ'ল — বালিগাঁৱৰ গৰখীয়া দ'ল — বুঢ়ী গোসানী দেবালয় — পশুপতি দেবালয় ১১৫-১১৮

থান-সত্ৰ — আউনীআটি সত্ৰ — আথাৰ — উজনিয়াল — উলুতলীয়া — এলেঙি — ঔৰা — কঠীয়াতলি — কৰ্চগুৰি — কলাকটা — কমলাবাৰী — কমাৰ — কঁহাৰপাৰ (কাংসপাৰ) — কৰতিপাৰ — কাংসপাৰ — কাকৰিকটা বৰ এলেঙি — কাটনীপাৰ

— কাথবাপু — কাম-জনীয়া এলেঙি — কৈচুঙীয়া — কোৰখনা — কৌপটীয়া — খুটিয়াপোতা — খেৰকটীয়া — গজলা — গড়মূৰ — গোসাঁইভেটি — ঘূৰীয়াগএগা — চৰাইবাহী চামগুৰি পুৰণি সত্ৰ আৰু নতুন সত্ৰ — চাৰিঙিয়াল — চিপহা — চুপহা — (চিপহা) — চেঁচা — জাতকৰা — জালকুৰিয়া — জুৰকটা — ঠকৰিয়াল — ডবাখাত — ডাংধৰা — ডিফলু — ডেবেৰাপাৰ — ডৌকা-চাপৰি — ঢাপকটা — ঢেকীয়াখোৱা নামঘৰ — ঢোলনি সত্ৰ — তেলপানী — থুকুবলীয়া — দক্ষিণপাট — দিখৌমুখীয়া এলেঙি — দিহিং থান — দীঘলী — দলৰ — ধোন্দোল — নগৰীয়া — নৰসিংহ — নলতিয়াল — নাচনিপাৰ — নাহৰকটীয়া — নেপালি (নাপালি) — পটিয়ৰি — পলাশৰ-গুৰি শিঙীয়া জানৰ থান — পুনিয়া — পুৰণিমটীয়া থান — পুৰণিমাটি (পুৰণিপাম) মায়ামৰা সত্ৰ — পুৰুষোত্তম — পুৰ্ত্তমীয়া — পোৰাভেটি এলেঙি — পোহাৰদিয়া — ফুলবাৰী (পুনিয়া) — বতাৰগএগা — বৰকটীয়া — বৰঢাপকটা — বৰভেটি — বৰসাঁকোপৰা সত্ৰ — বৰাচুক সৰু এলেঙি — বাংশবাৰী বাঘৰগএগা — বালিচাপৰি — বালিববীয়া — বাঁহজেংগনি — বিহিমপুৰ বেঙেনাআটি — বেলসিধীয়া — ভাগতী — ভোগপুৰ — মজীয়াভেটি মটীয়া-বৰীয়া — মটীয়াববীয়া পুনিয়া — মদাৰগুৰি— মাগুৰমৰা — মাজৰভেটি — মাহৰা — মিছিমি — ৰতনপুৰীয়া — ৰত্নাকৰ — লেটুগ্ৰাম (লেটুগএগা) — শিয়ালমৰা — শিলকুছি — শিলপতীয়া — শ্ৰৱণী — সৰু গড়মূৰ — সৰু ঢাপকটা — সৰু সাঁকোপৰা — সাউদকুছি ১১৯-১৩১

শাক্ত সত্ৰ ১৩২

বৌদ্ধ বিহাৰ ১৩২

গীৰ্জা — চেনিমৰা গীৰ্জা (অল্ ছেইন্টছ্ চাৰ্চ) — এমেৰিকান্ বেপ্টিষ্ট ফৰেইন্ মিছন্ চাৰ্চ ১৩৩-১৩৪

অন্যান্য — দিচৈ নৈ ১৩৪

### গোলাঘাট

নেঘেৰীটিঙৰ শিৱদ'ল — নুমলীগড় শিৱদ'ল — কোটোহাগুৰি দ'ল — বুঢ়ী-গোসানীৰ থান — কাক-গোসানীৰ থান ১৩৫-১৪০

থান-সত্ৰ — আঠখেলীয়া নামঘৰ আথাৰ সত্ৰ — আঁহতগুৰি — উলুতলি — এলেঙি — ঔগুৰি — কঠীয়াতলি — কন্দলি —

কাঘবাপু (কাথৰ) — কুকুৰাবাহী — খৰণ্ডিয়াল — গজলা — গৌৰাঙ্গ — চকটা — চাপৰি — চুপহা — চেঙাপৰীয়া — চেঁচা — জকাই — জতকৰা — ঠকবিয়াল তেলপানী — থুকুবিল — দিচিয়াল — দিহিং — দেৰগাঁও — ন সত্ৰ — নমাটি — নাচনীপাৰ — পহুমৰীয়া — পুখুৰীপাৰ — পুৰণিমাটি — পুৰুষোত্তম — পুৰ্তমীয়া — ফুলবাৰী — বকুলগুৰি — বৰাইপুখুৰী — বালিবাপু গএগ্ৰা — বাঁহজেঙনি এলেঙি সত্ৰ — বিষ্ণুপুৰ — বিহিমপুৰ — বেলগুৰি — বেঙেনাআটি — ভোটমৰিচ — মদাৰগুৰি — মধুমিশ্ৰ — মাহৰা — মিছিমিআটি — ৰূপকলীয়া — লেটুগ্ৰাম — হাটকুছি — হালধিআটি

শাক্ত সত্ৰ — ন গোসাঁই — মুকলিমুৰীয়া গোসাঁই ১৪০-১৪৭

বৌদ্ধ বিহাৰ ১৪৭

দৰগাহ — লস্কৰ শ্বাহৰ দৰগাহ — লাল ফকীৰৰ দৰগাহ — ক'লা ফকীৰৰ দৰগাহ ১৪৭

গীৰ্জা — ক্ৰাইষ্ট্ চাৰ্চ্ — পেৰিঃশ্ চাৰ্চ — এমেৰিকান্ বেপ্টিষ্ট ফৰেইন মিশ্যন চাৰ্চা ১৪৮

**উত্তৰ কাছাৰ মিকিৰ পৰ্বত**

বৰগঙ্গা — দেওপানীৰ দেৱমূৰ্তি — মহামায়া-থান — লাংহিং ১৪৯-১৫০

বৌদ্ধ বিহাৰ — ভিতৰ কলিয়নি ১৫০

গীৰ্জা — টিকা আৰু অন্যান্য গীৰ্জা ১৫১

**নগাঁও**

দুইমুনি শিলা — বাসুদেৱবাৰী দেৱালয় — সৌভাগ্যমাধৱ, গোপালমাধৱৰ দেৱালয়, বামন গোসাঁইৰ থান — শিৱ-দেৱালয়সমূহ — বৰলা শিল — কামাখ্যা দেৱালয় — হাতীমূৰীয়া মন্দিৰ — অম্বিকানাথ দেৱালয় — সদাশিৱৰ মন্দিৰ — যোগীজানৰ শিলামন্দিৰ — যোগীজান ন নাথ থান — চাঁপানলাৰ মন্দিৰ — জীয়াজুৰি মন্দিৰ — বুঢ়া-বুঢ়ীৰ থান — গোসাঁইজুৰি আগাণীগঙ্গা গছতল — মিকিৰআটি — সীতাজখলা — মহাদেওশাল — বসুন্ধৰী পৰ্বত — মঠবৰি — চাচেকি গৰখীয়া থান — কাৱৈমাৰি — আমতল — ডবকা — উৰ্দ্ধগঙ্গা — মহামায়া-মন্দিৰ — বুঢ়াগোসাঁইৰ থান — হোজাইত মন্দিৰৰ অৱশেষ — মৌদঙা —

নভঙাৰ চামুণ্ডা — ভইপৰ্বতৰ মহিষ-মৰ্দিনী দুৰ্গা — গণেশ পৰ্বতৰ গণেশ — তেঁতেলীপুখুৰীৰ মন্দিৰ — তৰাবছা — বাদুলী-কুৰুং — বামুণী গোসাঁই থান — মায়ঙৰ গনেশ — ৰহঢলা থান — বামন গোসাঁই থান — লাঙটা থান — কালিকা-থান — বাইদেউ-থান — মাধৱ গোসাঁই — মাধৱ বাবাৰ থান — ভগৱতী-থান — বৰদেও-থান — ক'লীয়া গোসাঁই ১৫৩-১৬৩

বৈষ্ণৱ থান-সত্ৰ — বৰদোৱা থান ১৬৩-১৬৬

দামোদৰ আতাৰপৰা বঢ়া সত্ৰ — কুঁজী — বালিসত্ৰ— ভেটিয়নি ন সত্ৰ — তলিবল — ইটাখুলি ১৬৬-১৬৭

শলগুৰীয়া সত্ৰ — আইভেটি ন সত্ৰ — শুকদল সত্ৰ (বৰবৰি) — সৰুবৰি (শুকদল) — ইটাকুলি সত্ৰ ১৬৭-১৬৮

পুৰুষোত্তম ঠাকুৰৰ জীয়াৰীৰপৰা বঢ়া সত্ৰ — ভোগবাৰী (দীঘলী) — চামগুৰি — চৰাইখোৰোং — দীঘলী — মঠৰবৰি — কুঢ়িমাৰি — চেপেটিমৰা ১৬৮-১৬৯

কালশিলীয়া সত্ৰ — দলৈচুবা — নাওকটা — তামোলবৰি — তৰাবৰি — হাবি বৰঙাবাৰী ১৬৯-১৭১

মাধৱদেৱৰ আজ্ঞাপৰ সত্ৰ — শ্ৰীহৰি, যদুমণিদেৱ, খোৰা-গোপালৰপৰা বঢ়াঃ লাইআটি, মাহৰা, ডোখৰামুখ, বৰজহা, দিচিয়াল, কুৰুৱাবাহী আৰু ডিফলু, জখলাবন্ধা, জখলাবন্ধা (জামুগুৰি), চেংলাই, শ্ৰৱণী (কলিয়াবৰ), শ্ৰৱণী (দ গাঁও), শ্ৰৱণী (টকৌবাৰী), মুৰাৰি ১৭১-১৭৮

সতানন্দী সত্ৰ — জয়কৃষ্ণৰ ঠাল ঃ পুৰণিঘৰ, বৰভকতি, মাধতাৰি (মাধনাৰায়ণ), ৰূপনাৰায়ণ (পোৰাভেটি), গোনামৰা, চতিয়াল (গোনামৰা), খামুচিয়া, পুৰণিঘৰ, খুন্দামৰা, এলেঙি (বেবেজিয়া) — মহাকৃষ্ণৰ ঠাল ঃ শ্যামকানু — ত্ৰাহিকৃষ্ণৰ ঠাল ঃ মাউৰাগোবিন্দ ১৭৮-১৮২

বৰবাৰজনীয়া সত্ৰ — শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণৰপৰা বঢ়া ঃ লেটুগ্ৰাম, লেটুগ্ৰাম (কলিয়াবৰ), লেটুগ্ৰাম (পুৰণিগুদাম পানীগাঁও), নিকামুল, মদাৰগুৰি, বালিসত্ৰ, বালিসত্ৰ (গধৰীয়া), বালিসত্ৰ (যমুনামুখ), বালিসত্ৰ (নগাঁও), বালিসত্ৰ (কলিয়াবৰ), বৰএলেঙি, বৰএলেঙি (বালিভুঁই), বৰএলেঙি (দ গাঁও) বৰ এলেঙি (মাজপোতনি), বান্ধনি (বৰ এলেঙি) — কৃষ্ণচৰণৰপৰা বঢ়া ঃ চিপহা, চিপহা (নৈনে কুমাৰগাঁও), চিপহা (কলিয়াবৰ সৰুভগীয়া),

চিপহা (কলিয়াবৰ, হাটবৰ), চিপহা (কলিয়াবৰ বৰভগীয়া), চিপহা (মৰিগাঁও) — পৰশুৰামৰপৰা বঢ়া ঃ ফুলবাৰী — চতমাৰ বাসুদেৱৰপৰা বঢ়া ঃ লতাবোৱা, ধবলি, ৰতনপুৰ, তামোলবাৰী, বাকৰিয়াল, ব্ৰহ্মচাৰী, ব্ৰহ্মচাৰী (পছকটা) ১৮২-১৮৯

সৰু বাৰজনীয়া সত্ৰ — কুৰচুং — নাচনীপাৰ — নেপালি — বিহমপুৰ — শালমৰা ১৮৯-১৯১

কাল-সংহতিৰ সত্ৰ — গোপাল আতাৰ নাতি-পৰিনাতিৰ সত্ৰ — কলাকটা — ডৌকাচাপৰি (শেনচোৱা, কঁহুৱাতলি হজগাঁও, পাথৰিধুৰিয়া গাঁও) — হেমাৰবৰি — নাচনীপাৰ — হেমাৰবৰি (বগৰীগুৰি, জাজৰি, ভেলেউগুৰি, হাঁহচৰা, বৰভেটি) — চৰিপোতা

গোপাল আতাৰ আজ্ঞাপৰ সত্ৰ — শ্ৰীৰাম আতাৰপৰা বঢ়া ঃ কৰতিপাৰ (পুৰণি সত্ৰ, ন সত্ৰ), বগাজন, ম'হধৰা, আঁহতগুৰি (কলিয়াবৰ, জাজৰি, হুজগাঁও, কপাহএৰা), ভোলাগুৰি — পুৰুষোত্তম আতাৰপৰা বঢ়া ঃ কাথপাৰ (বৰভাগ, সৰুভাগ) — বুঢ়া শ্ৰীৰামনপৰা বঢ়া ঃ খৌবামোচৰ — নাৰায়ণ আতাৰপৰা বঢ়া ঃ দহঘৰ বা হালধিআটি, হালধিআটি (এফলীয়াবৰি, শেনচোৱা, মৰিকলং, মৰিকলং শিয়ালচুক), দহঘৰ (তেলাহি, হাতীচোং কঠালকুছি, উলুৰবাৰী, ভালুকমাৰি) — সৰু যদুমণিৰ দেৱৰপৰা বঢ়া ঃ গজলা (আমতলা), মৰিকলং গজলা — ভোটাইগাঁও গজলা — সৌকাজান গজলা — বৰ যদুমণিদেৱৰপৰা বঢ়া ঃ বাঁহবাৰী (বাংশবাৰী), কাংসপাৰ (কঁহাৰপাৰ), চেঁচা, মদাৰগুৰি ১৯১-২০১

দামোদৰদেৱ আদিৰপৰা বঢ়া সত্ৰ — চাৰিসত্ৰীয়াৰ খাত — গোবিন্দমিশ্ৰ (হোৰোসা) — হৰিমিশ্ৰ — ফৰিংমিশ্ৰ — কছাৰীপাৰ — কামপুৰ — ভাগৱতী — শিলডুবি — বঘৰা — বৰ্হমপুৰ

অন্যান্য সত্ৰ — ৰামানন্দী বা ৰামআতা সত্ৰ — কান্দুলিমাৰি — বৰ্ণ সত্ৰ — বাঘৰগএগ্ৰা (কঁহুৱাতলি) ২০১-২০৪

চৈতানীয়া সত্ৰ — খোলাগাঁও — দৈপৰা — মিছামাৰি ২০৪-২০৫

সত্ৰীয়া আৰ্হিৰ ৰাজহুৱা কীৰ্তন-ঘৰ — হেঙুলীচুক — ঢলপুৰীয়া গাঁও — গছবাৰী ১ — গছবাৰী ২ — সোণাৰি গাঁও (মৰিগাঁও) ২০৫-২০৬

শঙ্কৰ-মন্দিৰ আদি — শ্ৰীশ্ৰীশঙ্কৰ-মন্দিৰ (নগাঁও, জমথলা, দেওধৰ চাৰিআলি, ৰহা, চতিয়াল, পূবথৰীয়া, হাটবড) — শ্ৰীশ্ৰীগোপাল-মন্দিৰ — শ্ৰীশ্ৰীশঙ্কৰ সংঘ (পলাশনি) — কলিয়াবৰ

হেজাৰ — দেৱৰ সত্ৰ বা নৃসিংহ-স্থান — পাটেকিবৰি থান (শঙ্কৰদেৱৰ জন্মস্থান আলিপুখুৰী?) — নাৰিকলীয়া বা ৰত্নাৱলী থান ২০৭-২১১
আশ্ৰম — গীতা-আশ্ৰম — সন্ত-আশ্ৰম (চৰিত্ৰবৰি) ২১১-২১২
ভাস্কৰ্যত বড়ো পূজা-পদ্ধতি নিদৰ্শন ২১২
মছজিদ-দৰগাহ — গৰুকটা পৰ্বত — কলিয়াবৰ মছজিদ
গীৰ্জা — বেপ্টিষ্ট মিশ্যন গীৰ্জা ২১২-২১৩

তেজপুৰ

তেজপুৰ ঃ শিৱমন্দিৰ, সূৰ্য-মন্দিৰ, বামুণীপাহাৰ — দ পৰ্বতীয়া — মহাভৈৰৱ-মন্দিৰ — ভৈৰৱী-মন্দিৰ — নৰবলি আৰু বান্দৰদোৱা পৰ্বত — কন্যাকাশ্ৰম বা কন্যাশ্ৰম -- ৰুদ্ৰপদ দেৱালয় — গনেশঘাট — ভৈৰৱপদ দেৱালয় — তিঙ্গেশ্বৰ দেৱালয় — ধেনুখনা পৰ্বত — হেঙ্গুলেশ্বৰ — কেতেকীবাৰী — হলেশ্বৰ দেৱালয় — শুক্ৰেশ্বৰ দেৱালয় — চাৰিদুৱাৰ — নন্দিকেশ্বৰ দেৱালয় — সৌভাগ্যমাধৱ মন্দিৰ — শুক্ৰেশ্বৰ — নাগশঙ্কৰ-মন্দিৰ — দুলালমাধৱ দেৱালয় — বিশ্বনাথ-ক্ষেত্ৰ ঃ ১) বিশ্বনাথ শিৱলিঙ্গ, ২) উমাবন বা উমাটুমনি, ৩) বীৰভদ্ৰ বা বৰলাশিল, ৪) কালভৈৰৱ, ৫) ছণ্ডী-মন্দিৰ, ৬) সূৰ্যমাধৱ দেৱালয়, ৭) বাণেশ্বৰ আৰু মুক্তিনাথ, ৮) কমলেশ্বৰ দেৱালয়, ৯) বৰদ'ল — বুঢ়াগোসাঁইৰ থান — বিহালীৰ মন্দিৰ — ফুলবাৰী দেৱালয় (বৰকালিকা-থান) — কল্যাণী দেৱালয় — শিঙৰি পৰ্বত ঃ (গুপ্তেশ্বৰ-গোপেশ্বৰ), বৌদ্ধ মন্দিৰ, বিশ্বকৰ্মাৰ মন্দিৰ) — কিবাং আৰু ওৰাং — সূৰ্য-দেৱালয় — বাসুদেৱ দ'ল — ধৱান্দি বা ধেন্দাই দ'ল — নিজৰৰচলা মন্দিৰ — গৰীয়াপথাৰ — শিয়ালমাৰি কছাৰীগাঁও -- শিলপোতা গাঁও — ভগামন্দিৰ গাঁও — বাণেশ্বৰ দেৱালয় (ৰূপৰ দেৱালয়) — যোগেশ্বৰ দেৱালয় (শিলৰ দেৱালয়) — শুক্ৰেশ্বৰ দেৱালয় (ফৈচকুৰীয়া দেৱালয়) — ৰুদ্ৰপদ দেৱালয় (চামধৰা) — গৰখীয়া বাবাৰ থান — বুঢ়ীগোসানীৰ থান — কঠালগুৰি থান — মাধৱ দেৱালয় (মূঢ়া দ'ল) — কলীয়াজাৰৰ থান — বাসুদেৱ থান (বটিয়ামাৰি, পাঁচিগাঁও, থেকেৰাগুৰি) — বকুলগুৰিৰ থান — চামধৰা দেওৰ থান ২১৪-২৪১

থান-সত্ৰ — অন্ন নোখোৱা আতাৰ থান — আঁহতগুৰি বগাকুঢ়া — এণ্ডাৰপৰা — কৰতিপাৰ — কলাবাৰী — ক'লীয়া গোসাঁই থান — কামদেৱাল — কাৱৈমাৰি — কুণ্ডাৰবাৰী থান — কোৱামৰা সত্ৰ

— খুটাৰগুৰি থান — গটঙা সত্ৰ — গাংমৌ থান — গুৱাহৰা — গোনামৰা সত্ৰ — গোবিন্দ এলেঙি — চাৰিকৃষ্ণৰ থান — চিপহা সত্ৰ — চুপহা — চেউনীবৰদোৱা থান — চৈচা সত্ৰ — টেঙাবৰীয়া — ডিফলু — ঢৌকাচাপাৰ — তৈতেলিগুৰি — দিচিয়াল — ধোপাবৰ — ন-মাটি — নদুবাৰ — নাৰোৱা থান — নাহৰখাত সত্ৰ — নিকামূল — পুথি খাঁতী — বৰএলেঙি — বৰগাঁও — ব'ৰাগীৰ বা মাধৱানন্দৰ থান — বৰালিমৰা সত্ৰ — বাকৰি (পুথিখাঁতী) — বালিপুখুৰী — বালিসত্ৰ — বাঁহবাৰী — মদাৰগুৰি — মাউৰাগোবিন্দ — মাধৱআতা — মুৰাৰি — ৰাঙ্গনি — শলগুৰ — সাউদকুছি — সুন্দৰীদিয়া — সোণাৰিপাৰ ২৪১-২৪৮

গীৰ্জা — চাৰ্চ অৱ এপিফেনি আদি ২৪৮

**মঙ্গলদৈ**

ৰুদ্ৰেশ্বৰ দেৱালয় — তাম্ৰেশ্বৰ দেৱালয় — মঠাঝাৰৰ মঠ — উমানন্দৰ থান — পদ্মাৰ থান — ভৈৰবকুণ্ড (ভ্ৰমৰাকুণ্ড) আৰু নলখামাৰ মন্দিৰ — মুক্তেশ্বৰী মন্দিৰ — পদ্মাঝাৰৰ থান — কুকুৰাকাটা থান — নাৰিকলীৰ ভগা শিলৰ মন্দিৰ — মুৰাদেওৰ মন্দিৰ — দেৱালখণ্ড — মাধগোসাঁইৰ থান — লখীমপুৰৰ কামাখ্যাৰ থান — শিঙিমাৰিৰ থান — পাৰিজাতী মন্দিৰ — শানপাৰা দেৱালয় — দেউবাজ দেৱালয় — বৈশাখী দৌলৰ স্থান — বুঢ়ীনগৰ পুখুৰী ২৫০-২৫৫

শাক্ত সত্ৰ — বিশ্ব সত্ৰ ২৫৫

বৈষ্ণৱ থান-সত্ৰ — খটৰা — শলগুৰি — কপিলী — কেৱলীয়াহাটী — দেবানন্দ সত্ৰ — বামুণদি — বৈৰাগী — হৰিপুৰ — ভৱদেৱ — হাতীমৰা — মাজবাট — খাটিকুছি — দিহিং — চিন্তামণি — চুপহা — কৈনাৰা — ঔতলা — ভাগৱতী — খৈৰাবাৰী — ৰত্নাৱলী — পালাভিঠা — শিয়ালা বৈষ্ণৱৰ থান — বনমাজা সত্ৰ — পথৰুঘাট (পাথৰিঘাট) — কায়কুৰা নামঘৰ — বৰঙাজুলি সত্ৰ — পদুমপুখুৰী ২৫৬-২৬১

মছজিদ — পুৰণি মছজিদ ২৬১

গীৰ্জা — ছেইন্ট্ পল্ গীৰ্জা — হৰিশিঙা গীৰ্জা ২৬১

## কামৰূপ

বশিষ্ঠাশ্ৰম — অৰুন্ধতী শিল — নৱগ্ৰহ দেৱালয় — উগ্ৰতাৰা দেৱালয় — শুক্ৰেশ্বৰ মন্দিৰ — জনাৰ্দন দেৱালয় — বাণেশ্বৰ লিঙ্গ — কামাখ্যা মন্দিৰ, কালী, তাৰা, কামেশ্বৰ আদি মন্দিৰ, কেদাৰ ক্ষেত্ৰ, আম্ৰাতকেশ্বৰ মন্দিৰ — ভুৱনেশ্বৰী মন্দিৰ — উমানন্দ দ'ল — উৰ্বশী-কুণ্ড — ছয়গাঁৱৰ মেৰঘৰ, শিৱমন্দিৰ, চণ্ডিকা-মন্দিৰ — গনেশগুৰি — পাণ্ডুনাথ দেৱালয় — ছত্ৰাকাৰ মন্দিৰ — উমাচল — চন্দ্ৰশেখৰ মন্দিৰ — বেলতলাৰ গনেশ — কৰ্মনাশা — আম্ৰাতকেশ্বৰ থান — বুঢ়াগোসাঁইৰ থান — লক্ষেশ্বৰ থান — বৰমান্নীৰ থান — ৰঙামাটিৰ থান — মণিকৰ্ণেশ্বৰ শিৱলিঙ্গ — দীৰ্ঘেশ্বৰী মন্দিৰ — অশ্বক্ৰান্ত মন্দিৰ — ৰুদ্ৰেশ্বৰ দেৱালয় — হয়গ্ৰীৱমাধৱ দেৱালয় — কেদাৰ মন্দিৰ — কমলেশ্বৰ মন্দিৰ — গনেশৰ দেৱালয় — কামেশ্বৰ দেৱালয় — পিতা-মাতা থান — বৰকএঙা — দুধকুঁৱৰী — লাহেশ্বৰী আৰু ধাৰেশ্বৰীৰ — ফালা-মুৰাৰ থান — জখলা বুঢ়া গোসাঁইৰ থান — নাককাট বা নিজেশ্বৰীৰ থান — বাঘেশ্বৰী বা বাগেশ্বৰী থান — সতীৰ থান বা বলদেৱ গোসাঁইৰ থান — মহাৰুদ্ৰ বুঢ়াগোসাঁই দেৱালয় — ভালুকীৰ গৰখীয়া গোসাঁইৰ ঘৰ — অনুনৰ্ভৱ আৰু স্বৰ্গদ্বাৰ — হাজোৰ আন আন পৱিত্ৰ বস্তু — শ্যামৰায়ৰ মন্দিৰ — জয়দুৰ্গা মন্দিৰ — বিশ্বেশ্বৰ মন্দিৰ — ধাৰেশ্বৰ শিৱৰ স্থান — দীপ্তেশ্বৰী পীঠ কূৰ্মমাধৱৰ দেৱালয় — পিঙ্গলেশ্বৰ মন্দিৰ — দেওবাঁহৰগুৰি দেৱালয় — মদন-কামদেৱ থান — গোপেশ্বৰ দেৱালয় — লক্ষ্মীশিল — ভৃঙ্গেশ্বৰ দেৱালয় — সিদ্ধেশ্বৰ দেৱালয় — অগ্নিবাণেশ্বৰ থান — বাঘেশ্বৰী পীঠ — বৰপেটা মহকুমাৰ থান — ঈশ্বৰ পাটেশ্বৰী — মঠৰগুৰি — দশাশ্বমেধ — আমুনি-এমুনি — গিৰিকাচল — চন্দ্ৰ পৰ্বত — ইন্দ্ৰপৰ্বত — গোদন্ত — ইন্দ্ৰাচল বা আঁৰ-পৰ্বত — বাৰাদি — বুঢ়াগোহাঁই আৰু গোবৰ্ধন আদি ক্ষেত্ৰ পৰ্বত — বাজাটিপ — ৰৰনগৰ গৰখীয়া গোসাঁইৰ থান — তেজনীয়া গোসাঁইৰ থান — জয়পাল থান — বালিলেচাৰ কালী-মন্দিৰ — বৰবৰি থান — বাঘেশ্বৰী থান — ভাওৰা গোসাঁইৰ থান — জয়পাল মন্দিৰ — বুঢ়াগোহাঁইৰ থান — জগন্নাথ দেৱালয় — বাসুদেৱৰ থান — ক্ষেত্ৰিৰ কামাখ্যা মন্দিৰ

— ধোপগুৰিৰ কালীথান — সদাশিৱ থান — গনেশ মন্দিৰ — গঙ্গাপুখুৰী — ভঠেলিৰ কেন্দ্ৰ — দৌল পূজাৰ স্থান — কদমতলিৰ থান — বৰকুৰিহা সৰু বুঢ়া আতা সচং — সৎসঙ্গী আল্‌গা সত্ৰ — ধমধমা থান — বস্ত্ৰকুছি গোপাল গোসাঁইৰ থান — গোপাল থান — খাৰঝাৰাৰ থান — বজালীৰ ভুটীয়া ৰজাদিনীয়া থান — পৰিহৰেশ্বৰ দেবালয় — ভোগেশ্বৰ গোসাঁইৰ মন্দিৰ ২৬৩-২৯১

কছাৰীসকলৰ পূজা-সেৱাৰ থলী ২৯১-২৯২

থান-সত্ৰ — বৰপেটা-বজালী অঞ্চলৰ কেইখনমান — বৰপেটা — গণককুছি — সুন্দৰীদিয়া — ন সত্ৰ (বাসুদেৱৰ থান) — পাটবাউসী — জনিয়া — চুণপোৰা ভিঠি (পালেংদিহাটী) — কুমাৰকুছি — বাৰাদি — গুৱাগাছা — বামুণা — মালচা — কেওটকুছি — আনন্দপুৰ — কনৰাপাৰা — ভৱানীপুৰ — কালজাৰ — কাৰসাম্না — বামাখাতা — অকয়া — কালজিৰাপাৰা — গোবিন্দপুৰ — পাটা হৰিপুৰ, ভালুকীৰ সত্ৰ আৰু নামঘৰ — পলাশৰ তল সত্ৰ — শ্যামৰায় গোসাঁই ঘৰ — কোটালকুছি বৰকীৰ্তন ঘৰ

শাক্ত গোসাঁই — পৰ্বতীয়া গোসাঁই — নাতি-গোসাঁই ২৯২

অন্যান্য সত্ৰ (বৰ্ণনানুক্ৰমিক) — অগ্নিশালা — অনন্ত গোসাঁইৰ — অভয়পুৰীয়া — আউনীআটি — আগতলা — আমৰাঙা — আম্ৰিখোৱা — উজ্বাবৰি — উপৰাপু — উৰপোত — উলাবৰি — এৰা — কচুৱা — কটাৰা — কনৰা — কপলা — কমলা — কলাখাৱা — কহৰা — কহিনা — কান্দুপুৰ — কাপলা — কাৱাকুছি — কাঁহীকুছি — কুঠিমাৰি — কুমাটিবাৰী — কুবোবাহা — কুলবিল — কেন্দুকুছি — কৈমাৰি (কাঁৱৈমাৰি) — কৈবাৰা — কৈহাটী — খকৱা — খাটিয়ামাৰি — খনা — খিদিৰপুখুৰী — খুটাবাৰী — খুদিয়া — খেহেনিপাৰা — গজিয়া — গৰৈমাৰি — গাৰোভিঠি — গুইমাৰা — গুৱালহাটী — গোপালপুৰ — গোমুৰা — ঘিলাজাৰি — চঁপাতলা — চমৰিয়া — চমাৰকুছি বা বটাকুছি — চাপাখুৰি — চাৰাবৰি — চিত্ৰা — চিলা — ছবুৰীয়া — জটিজ জটীয়াজজি — জাপনি — জাগৰা (জাগাৰা) — জামলাই — জাৰবাৰাদি — জাৰাবাৰী —

জোৰাবদি সত্ৰ — ঝাৰাবাৰী — টকৌবাৰী — টঙৰা — ঠাকুৰপাৰা — ত্ৰিলোচন — দধি — দমদমা — দক্ষিণ শিঙৰা — দামোদৰধাম — দামালচোঁচ — দাৰি — দিহিং — দীঘলকুছি — ধূপৰগুৰি (ধোপৰগুৰি) — নসত্ৰ — ননৰা — নপৰা — নপ্তিপাৰা — নবাৰী — নমাটি — নহাটী — নহিৰা — নাৰদৰ থান — নীলপুৰ — পদ্মা সত্ৰ — পলাশগুৰি — পলাশবাৰী — পাইকানকুছিৰ থান — পালোৰা — পুখুৰীপাৰ — পীবলা পোতনি — পোমৰা — পোৰাভঁৰাল — বংশৰ বাটকুছি — বনিয়াকুছি — বৰকাপলা — বৰগোমূৰা — বৰটকৌবাৰী — বৰদধি — বৰফুলগুৰি — বৰবৰি — বৰভিঠা — বৰহেৰেমদ — বলাকুছি — বহৰি — বাদেশিলা — বান্দেৰী — বামুণদি — বাৰাংহাটী — বালিকৰিয়া — বালিলেচা — বালি — বাঁহবাৰী — বিয়াহকুছি — বিহামপুৰ — বুৰকা — বুৰকীয়া সত্ৰ — বেজকুছি — বেতবাৰী — বেলতলা — বেলগুৰি — বৈনাকুছি — ব্যাসকুছি — ভালুকঘাটা মণিয়ৰি — মনোহৰৰ থান — মৰঙটা — মনপুৰ — মালচা — মাৰ্লেৰি — মালীবাৰী — মুইহাটা — মেধিপাৰা — মৌৰা — ৰাজাপুখুৰী — ৰৌমাৰি — লাচিমা — লাচি — বিষ্ণুপুৰ — লোচ — শিকাৰহাটী — শিঙৰা সত্ৰ বা কমলা থান — শিলপোতা সত্ৰ — শিশুৰ — শুভা — শুৱালকুছি — বৰশুৱালকুছি — শ্ৰীহাটী — শ্যামৰায় — শ্ৰীহাটা — সনাতন — সৰুটকৌবাৰী — সৰু ফুলগুৰি — সৰুহেৰেমদ — সিধপুৰ — সীতাৰা — সোণতলি — সোৰ — হৰিদেৱ — হৰিপুৰ — হাতীমূৰা — হাবিলা — হালধিবাৰী — হালিগাঁও — হাঁহদিয়া — হালধা — হেৰেমদ — ক্ষেত্ৰি ৩০৪-৩২৪

চৈতন্যপন্থী সত্ৰ — উলুবাৰী — আম্ৰিবাৰী — মাজদিয়া — ৰামপুৰ — নলবাৰী — আনন্দপুৰ — চামৰাদ্বাৰ — সাহান — সদ্ধেলী — নাৰায়ণপুৰ ৩২৫-৩২৬

সৎসঙ্গী সত্ৰ, মঠ বা সচং — নন্দগাঁও — কাৰাকুছি (কালাকুছি) — খাতাবাৰী গোবিন্দপুৰ — চেঙা — জালিমূৰা — পকোৰা — শুকাই-কুছি — ভদ্ৰা — ৰামকানু — মৰোৰা — মাধাপুৰ — ক্ষুদ্ৰ-মাখিবাহা — বৰমাখিবাহা — লাউপাৰা — নোৱাপাৰা — ৰামদিয়া — ভেবভেৰী — অৰৰা — সৰিহাতলী — বামুণদি — টিয়ামৰা ৩২৬-৩২৯

নতুন সত্ৰ আৰু আশ্ৰম ৩৩০

বৌদ্ধৰ থান — দেৱানগিৰিৰ বৌদ্ধ ভূটীয়া গাঁও ৩৩০

গুৰুদ্বাৰ ৩৩০

দৰগাহ-মছজিদ — পোৱামক্কা — সিজুবাৰী — গাড়ীগাঁও — দুৰ্গাপুৰ — ভেল্লা — ধমধমা — পীৰপাল মছজিদ — পাত্ৰপুৰ মছজিদ — পীৰপাৰা ৩৩১-৩৩২

গীৰ্জা — ক্ৰাইষ্ট্ চাৰ্চ — এমেৰিকান্ বেপ্টিষ্ট মিছন গীৰ্জা ৩৩৩


## গোৱালপাৰা


অভয়াদেৱীৰ দেৱালয় — আইথান — আইশাঁখাতীৰ থান — আলোকঝাৰীৰ থান — কামাখ্যা-থান — কালিকাপাটিৰ কালীৰ থান — কালী গোসানীৰ আন আন থান — গণেশ-মন্দিৰ — গৰমপানী শিৱাশ্ৰম — চক্ৰশিলা — চান্দডিঙা — চেংকোল-মহাকালৰ মন্দিৰ — টুক্ৰেশ্বৰী দেৱালয় — দুধনাথ দেৱালয় — নন্দেশ্বৰ দেৱালয় — নৰসিংহ-বাৰী — নেতাই ধুবুনীৰ ঘাট — পাগলবাবা আৰু বুঢ়া বুঢ়ীৰ থান — বক্কটবাৰী — বাঘেশ্বৰী দেৱালয় — ভূমীশ্বৰৰ শিৱমন্দিৰ — ভৈৰৱ থান —মহাদেৱৰ মঠ — মহামায়া পীঠ — মাধৱ গোসাঁইৰ থান — যোগীঘোপা-পঞ্চৰত্নৰ গুহামন্দিৰ — খাণ্ডা সাৰাং (উগ্ৰভৈৰৱ) — লেংটিয়ানী ঠাকুৰাণীৰ (উগ্ৰভৈৰৱী) থান — ৰঘুনাথ আৰু জগন্নাথ দেৱতাৰ থান — শনি দেৱতাৰ মন্দিৰ — শিৱলিঙ্গ আৰু শিৱ মন্দিৰ — শ্ৰীসূৰ্যপাহাৰ শস্তীশ্বৰ — হৰি-হৰ মন্দিৰ — মামা-ভাগিনা শিল — দুধ কৌৱৰৰ থান — গোৰক্ষ পাহাৰ — শ্ৰীৰামচন্দ্ৰৰ থান — কিল্লা থান — মহাদেৱ পাহাৰ — চিতলমাৰি — ভোজমালা শিৱমন্দিৰ — বগুৰান জগন্নাথ মন্দিৰ — চিলা ঠাকুৰানীৰ মন্দিৰ ৩৩৪-৩৫০

কছাৰীসকলৰ পূজা-সেৱাৰ থলী — মাৰৈ-থান — বুঢ়ী ঠাকুৰাণীৰ থান — কালী-থান — মহাদেৱৰ থান — দাওখা বজাৰ বান্ধ — ফাৰোগুৱা খোৰোং — ন নগৰ ৩৫০-৩৫২

থান-সত্ৰ — ছত্ৰশাল — বিষ্ণুপুৰ — দলগোমা — ৰঙাপানী — নাওকাটা — গোপীনাথৰ থান — ধৰ্মপুৰ সত্ৰ — কঠালগুৰী — সৃজনগাঁৱৰ ৰঘুনাথ প্ৰভুৰ — ঘিলাজাৰি — খেকাপাৰা — চৌতাৰা — জামলাই — টিপলাই — ফুলগুৰি — শ্ৰীৰামপুৰ — বিজাপুৰ — শ্যামৰায়হাটী — শ্যামসুন্দৰহাটী — বালিজানা — বগুৰান — বৈকুণ্ঠপুৰ — নাৰায়ণপুৰ — নললা — বেতমাৰি — ভোলাপাৰা

থান — শঙ্কৰ-ঘোলা -- ত্ৰিৱেণীঘাট থান — ভোটগাঁও মেধিপাৰা থান — যোগীঘোপা থান — বৰঘোলাৰ মদন-মোহন মন্দিৰ — বঙাইগাঁও চৈতন্যধাম ৩৫২-৩৬২

নতুন আশ্ৰম — বৌমাৰি — জয়গুৰু — লীলানন্দ — গোবিন্দভৱন ৩৬৩

জৈন মন্দিৰ ৩৬৩

শিখ গুৰুদ্বাৰ ৩৬৩

মছজিদ-দৰগাহ — পাঞ্জাতনৰ বা ডাকাইদলৰ দৰগাহ — ডেগধোৱা পাহাৰৰ দৰগাহ — পাটপাৰাৰ দৰগাহ — ধুবুৰী পাঁচপীৰৰ দৰগাহ — খোৱাছানী পীৰৰ মাজাৰ — মীৰজুমলাৰ মছজিদ — ৰঙামাটিৰ মছজিদ ৩৬৪-৩৬৭

গীৰ্জা আৰু মিশান — গৌৰাঙ্গ — গ্ৰেহামপুৰ — জয়মা — টুক্ৰাঝাৰ — ডিংডিঙা — দেৱীতোলা — ধুবুৰী ইউনিয়ন — বঙাইগাঁও — বৰপথাৰ — বাঘপাৰা — মৰনৈ — লাডাংগুৰি — শান্তিপাৰা — সেৱাপুৰ — হাড়াফুটা ৩৬৭-৩৬৯

### গাৰোপাহাৰ

জনজাতীয় পৱিত্ৰ থান — বালফাক্ৰাম — চিতমাং বা ৰাইমুং — দোবাক্খোল ৩৭০

বৌদ্ধ বিহাৰ — হলদিবাৰী আৰু শ্যামনগৰ ৩৭১

দৰগাহ — শ্বাহ কামালৰ দৰগাহ ৩৭১

### —ন্তীয়া পৰ্বত

ফালজোৰৰ শক্তিপীঠ — চেলাৰ চণ্ডিকা আৰু জয়ন্তেশ্বৰী — পণাতীৰ্থ — অন্যান্য থান — মহাদেউ খোলা ৩৭২-৩৭৪

দৰগাহ — শ্বাহ সাৰ্পিন ছাহেবৰ মকাম ৩৭৪-৩৭৫

জনজাতীয় পৱিত্ৰ থান — পৱিত্ৰ শ্বিলং পৰ্বত — নংক্ৰেম — মৌলাইৰ ছাদচুক মিন্ছিয়াম — জোৱাইৰ নাৰ্টিয়াং — জোৱাইৰ বেহদিন খ্লাম — উমঙট্ ৩৭৫-৩৭৭

গীৰ্জা — বেলছ কেল্ভিনিষ্টিক্ গীৰ্জা আৰু অন্যান্য গীৰ্জা — অল্ ছেইণ্ট্ছ্ প্ৰোকেথেড্ৰেল্ ৩৭৭-৩৭৮

## কাছাৰ

মাইবং (ৰণচণ্ডী ঠাকুৰাণীৰ মন্দিৰ) — মাইবং নৈৰ শিলত কটা দেৱী-মন্দিৰ — খাচপুৰ নগৰৰ মঠ-মন্দিৰ (স্নান-মন্দিৰ, ৰণচণ্ডী-মন্দিৰ) — ভুবন পাহাৰৰ শিব-ভুবনেশ্বৰী বিগ্ৰহ — মণিহৰণ সুৰঙ্গ আৰু ত্ৰিবেণীগঙ্গা — কুমিগ্ৰামৰ কাঁচাখান্তী পীঠ — মতিনগৰৰ মন্দিৰ — বিহাৰাৰ মন্দিৰ — সোণাপুৰৰ মন্দিৰ — অন্যান্য (বিক্ৰমপুৰ, লক্ষীপুৰ, চন্দ্ৰনাথপুৰ ইত্যাদি) — সিদ্ধেশ্বৰৰ দশভুজা-মন্দিৰ ৩৭৯-৩৮১

দৰগাহ — মিৰাৰ শৃঙ্গাৰ দৰগাহ — পাঁচপীৰৰ দৰগাহ ৩৮১

গীৰ্জা — শিলচৰ গীৰ্জা ৩৮১

## অসমৰ বাহিৰত পবিত্ৰ অসম

কোচবেহাৰ — কাকতকুটা — ভেলা — মধুপুৰ — বৈকুণ্ঠপুৰ — মাধপুৰ বা হৰিপুৰ — জিকাপুলি বা জিঙাপুনি — মৰিচবাৰী বা মৰিচাবাৰী — নাগৰখলা বা নাকৰখনা, ইত্যাদি — বনমালী ঠাকুৰৰ সত্ৰ ৩৮২-৩৮৪

মুৰ্ছিদাবাদ — বনমালীদেৱৰ সত্ৰ — ৰামচন্দ্ৰ আথৰা ৩৮৪

কৰতোয়াৰ পাৰ — কনচেং বৰপাত্ৰৰ দ'ল-পুখুৰী ৩৮৪

চিত্ৰ-ফলক ৩৮৬

# ।। ভূমিকা ।।

বনোপান্তনদীশৈলনির্ঝৰোপান্তভূমিসু ।
ৰমন্তে দেৱতা নিত্যং পুৰেষূদ্যানৱৎসু চ ।।

বৃহৎসংহিতা. ৫৫.৮

প্ৰাকৃতিক সৌন্দৰ্যেৰে মনোৰম পৰিৱেশৰ মাজত সাগৰ, নদী বা হ্ৰদৰ পাৰত তীৰ্থস্থান, আৰু এই স্থানতে লোকে 'তীৰ্থ বুলি কৰে জলত শুদ্ধি'। সেয়ে মানুহৰ কি দেৱতাৰো লীলা-ক্ষেত্ৰ। জল নোহোৱাকৈ তীৰ্থ নহয়। তীৰ্থ-ক্ষেত্ৰত মানুহৰ প্ৰাণৰ আকৃতি লৈ থিয় হ'ল মন্দিৰ, আৰু মন্দিৰৰ ভিতৰত স্থাপিত হ'ল দেৱতাৰ অৰ্চা-মূৰ্তি। নগৰ-প্ৰান্তৰ, দুৰ্গ-শৈলশিখৰ, উদ্যান-অৰণ্য, সকলোৱেই মন্দিৰৰ স্থান হ'ব পাৰে। মন্দিৰ পূজাৰ কাৰণে। গতিকে যজমানৰ হৈ আচাৰ্যই স্থপতিক নিৰ্দেশ দিব লাগিব। মন্দিৰ দেৱতাৰ মূৰ্তি, ই দেৱতাৰ জ্যামিতিক ৰূপ, বাস্তুপুৰুষমণ্ডলৰ ওপৰত প্ৰতিষ্ঠিত। মন্দিৰৰ ভিত্তিচিত্ৰ এই মণ্ডলেৰে ঠিক একে নহ'লেও তাৰ দ্বাৰা স্থিৰীকৃত। কোনো ঠাইত একজন দেৱৰ মন্দিৰ প্ৰতিষ্ঠা কৰাৰ আগতে তাৰপৰা আন দেৱ, ভূত, ৰাক্ষসসকলক অপসৰণ কৰিবলৈ মিনতি জনাই সেই ঠাই সেই একেজন দেৱতাৰ বাসভূমি কৰা হয়। এই ভূমিত হাল বাই তাক সমান কৰি পবিত্ৰ কৰি দেৱৰ মন্দিৰৰ বাবে উপযুক্ত কৰা হয়।

শিল, ইটা, কৰাল, কাঠ — এইবিলাক মন্দিৰৰ উপকৰণ। তাৰে মন্দিৰ নিৰ্মাণ কৰাৰ আগতে গৰ্ভধান হয়, শুভ নক্ষত্ৰৰ ৰাতি পৃথিৱীত অনন্ত নাগৰ চিত্ৰৰ শিৰত গৰ্ভপাত্ৰ আৰোপ কৰা হয়। এই গৰ্ভপাত্ৰ লৈ মন্দিৰৰ গৰ্ভগৃহৰ ওপৰত বিমানৰ নিৰ্মাণ, এই বিমান দেৱৰ বাহ্য শৰীৰ, এয়ে আচল মন্দিৰ। বিমানৰ সমুখৰ মণ্ডপ আদি আনুষঙ্গিক। অনেক নামেৰে মন্দিৰক অভিহিত কৰা হয় — প্ৰাসাদ, প্ৰাসাদ-দেৱালয়, দেবালয়, দেবাগাৰ, দেৱগৃহ, দেৱকুল, দেৱায়তন, মন্দিৰ, ভৱন, স্থান, বেশ্ম, কীৰ্তন, হৰ্ম্য, বিহাৰ, চৈত্য, ক্ষেত্ৰ।

যদিও প্ৰাচীন শাস্ত্ৰত প্ৰাসাদৰ কুৰিটা বেলেগ গঢ়ৰ ব্যৱস্থা আছে আৰু অগ্নিপুৰাণত ৪৫ বিধ মন্দিৰৰ কথা আছে, আজিকালি শিখৰৰ গঢ় অনুসৰি মন্দিৰবিলাকক তিনি

শ্ৰেণীত ভাগ কৰা হয় — নাগৰ, দ্ৰাবিড় আৰু বেসৰ। মুঠভাৱে নাগৰ উত্তৰ ভাৰতৰ আৰু দ্ৰাবিড় দক্ষিণ ভাৰতৰ আৰু বেসৰ বিন্ধ্য পৰ্বতৰপৰা অগস্ত্য (নাসিক)লৈকে দাক্ষিণাত্যৰ এই অংশৰ শৈলী বুলি ক'ব পাৰি।

মন্দিৰ ৰাজহুৱা পূৰ্জা-অৰ্চনাৰ ঠাই নহয়, গতিকে প্ৰায়ে চাৰিকুৰীয়া সৰু গৰ্ভগৃহত পূজাৰি, যজমানৰ বাহিৰে বেছি মানুহৰ ঠাই নাই। আনফালে হস্তীপৃষ্ঠাকৃতি বৌদ্ধ চৈত্য-গৃহত সামূহিক পূজাৰ সুবিধা সম্পূৰ্ণয় আছে। বৈষ্ণৱসকলৰ গীত-কীৰ্তনৰ যোগে সামূহিক পূজা পুৰণি মন্দিৰৰ গৰ্ভগৃহত সম্পন্ন নহয়, তেনে কীৰ্তন আদি হ'বলৈ তাৰ ঠাই হ'ব গৰ্ভগৃহৰ সমুখৰ মণ্ডপ।[১] অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হোৱাত স্থাপিত হোৱা সত্ৰৰ কেন্দ্ৰ গৰ্ভগৃহ (যাৰ নাম এতিয়া হ'ল মণিকূট, ভঁৰালঘৰ বা ভাঁজঘৰ) নহয়, মণ্ডপহে (নামঘৰ বা কীৰ্তনঘৰ)। এই সময়ত আৰু এটি পৰিবৰ্তন হ'ল — মন্দিৰৰ উপকৰণ শিল, ইটা, কৰালৰ ঠাইত কাঠ, বাঁহ, ইকৰা, মাটি মাত্ৰ হ'ল। সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতি আৰু নানা হেতুকে অশান্তিৰ ভয়ো বোধ হয় গৃহ-নিৰ্মাণ-শিল্পৰ এই নিম্ন স্তৰলৈ পৰিবৰ্তনৰ এটা কাৰণ।

অসমৰ মন্দিৰ-নিৰ্মাণৰ বুৰঞ্জীত এটা কথা মন কৰিবলগীয়া যে আজি থিয় হৈ থকা সৰহভাগ মন্দিৰেই আহোম যুগৰ শেষৰ ফালে নিৰ্মিত। কামৰূপ জিলালৈ চালেই এই কথা বুজা যাব। নীলাচলৰ কামাখ্যা মন্দিৰ আৰু হাজোৰ হয়গ্ৰীৱ-মাধৱৰ বৰ্তমান মন্দিৰ কোচ ৰজাসকলৰ ৰাজত্বত ১৫৬৫ আৰু ১৫৮৩ খ্ৰীষ্টাব্দত সজোৱা। কিন্তু, গেজেটিয়াৰত আঙুলিয়াই দিয়ামতে কামৰূপ জিলাৰ আন কোনো মন্দিৰ অষ্টাদশ শতিকাৰ আগৰ নহয়; তাত দিয়া ২৬ টি মন্দিৰৰ ভিতৰত বাৰটিয়েই শিৱসিংহ স্বৰ্গদেৱৰ দিনত (১৭১৪-৪৪) মাত্ৰ নিৰ্মিত। নীলাচল পৰ্বতৰ কিছুমান ধ্বংসাবশেষ সপ্তম-অষ্টম শতিকাৰে হ'ব পাৰে, কিন্তু কামাখ্যা মন্দিৰৰ ওপৰভাগৰ কিছু নৰনাৰায়ণৰো পিছত সজা হৈছিল; এই মন্দিৰৰ গাৰ খোদিত অলঙ্কাৰ আৰু ডাণ্ডৰ ডাণ্ডৰ মূৰ্তিৰ শাৰী একোটি বিশেষত্ব। নীলাচলৰ আনবিলাক মঠ আপেক্ষিকভাৱে নতুন আৰু তাৰে কিছু ১৮৯৭ চনত দাৰভাঙ্গাৰ মহাৰাজে পুনৰ্নিৰ্মাণ কৰোৱা। হাজোৰ হয়গ্ৰীৱ মন্দিৰৰ তল অংশৰ কটা ফুল আদি আৰু বিশেষকৈ বাহিৰলৈ শুঁড় আগ কৰি থকা হাতীৰ শাৰী অতি পুৰণি স্থাপত্যৰ নিদৰ্শন বুলি ধৰা হয়। ওপৰভাগ ৰঘুদেৱনাৰায়ণে নিৰ্মাণ কৰায়। বেছিকৈ পোৰা ধুনীয়া ৰঙা ৰঙৰ ইটাৰে সেইবোৰ নিৰ্মিত; শিলত কটা কামৰূপৰ আন প্ৰায়বিলাক মন্দিৰেই আহোম স্থাপত্যৰ নিদৰ্শন; বহল, পাতল অলঙ্কাৰ আদি তাত লগোৱা থাকে; মূল মন্দিৰৰ আগত সৰু এটি নাট-মন্দিৰ থাকে। অসমৰ প্ৰায় সৰ্বত্ৰ ইয়াৰ আগত টিনৰ নামঘৰ এটিয়ে মন্দিৰৰ মূল আঁচনিকে বেলেগ ৰূপ দিছে। কামৰূপত আৰু অন্যান্য স্থানতো আগৰ মন্দিৰ ভাগি

---

১ Stella Kramrisch, *The Hindu Temple*, Vol I.

যোৱা কাৰণে বা মন্দিৰ-ঘৰ নোহোৱা কাৰণে অনেক ক্ষেত্ৰত কাঠ-বাঁহ-খেৰৰ ঘৰ সাজি পূজা আদি কৰা হয়।

কামৰূপত শিৱৰ পূজা অতি প্ৰাচীন বুলি অনুমান হয়। কালিকা-পুৰাণৰ বৰ্ণনাৰপৰা যি বুজিব পাৰি, শাক্তধৰ্ম-প্ৰচাৰৰো আগতে ইয়াত শৈৱধৰ্মৰ প্ৰভাৱ বিস্তৃতভাৱে আছিল। মিথিলাৰ ৰাজকোঁৱৰ নৰকাসুৰে ইয়াত ৰাজত্ব প্ৰতিষ্ঠা কৰি দেৱীৰ পূজা প্ৰতিষ্ঠা কৰিবলৈ আহোঁতে এই ৰাজ্যত শিৱৰ একাধিপত্য আছিল (স চ দেশঃ স্বৰাজ্যাৰ্থং পূৰ্বং গুপ্তশ্চ শম্ভুনা) আৰু নৰকাসুৰে কিৰাতসকলক এই ৰাজ্যৰপৰা খেদাই দেৱীক প্ৰতিষ্ঠা দিয়াতো শৈৱধৰ্ম গোপন-ৰূপে ইয়াতে ৰৈ গ'ল (অন্তৰ্গুপ্তঃ স মে পুৰে)। শিৱ কেনেকৈ কামৰূপৰ আৰ্যেতৰ লোকসকলৰ মাজত প্ৰিয় হৈ পৰিল, তাৰ ইঙ্গিতো এই পুৰাণখনিয়েই দিছে! গুণাভিৰাম বৰুৱাই পুৰণি ঐতিহ্যৰ ওপৰত নিৰ্ভৰ কৰি থৈছে, আগৰ কামৰূপৰ অন্তৰ্গত জলপাইগুৰিত জল্পেশ্বৰ নামে এজন ৰজাই জল্পেশ্বৰ শিৱৰ মন্দিৰ প্ৰতিষ্ঠা কৰি শিৱপূজা প্ৰচাৰ কৰে।

চতুৰ্থৰপৰা দ্বাদশ শতিকাৰ ভিতৰত পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ হিন্দু ৰজাসকলৰ সকলোৱেই যেন একান্ত শিৱভক্ত আছিল। আন কি, ভাস্কৰবৰ্মাৰ দূত হংসবেগে হৰ্ষবৰ্ধনৰ আগত নিজৰ ৰজাৰ প্ৰতিজ্ঞাৰ কথা এনেকৈহে কৈছিল, "অয়মস্য চ শৈশৱাদাৰভ্য সংকল্পঃ স্থেয়ান্ স্থাণুপাদাৰবিন্দদ্বন্দ্বাদৃতে নাহমন্যং নমস্কুৰ্যামীতি" (হৰ্ষ-চৰিত, সপ্তম উচ্ছ্বাস)। নৱম শতিকাৰ বনমালদেৱে হাটকশূলী শিৱৰ মন্দিৰ পুনৰ্নিৰ্মাণ কৰে। এওঁৰ ফলিত ৰাজধানীৰ ওচৰৰ কামকূট পৰ্বতত শ্ৰীকামেশ্বৰ আৰু মহাগৌৰীৰ উল্লেখ আছে। ইন্দ্ৰপাল ৰজা শিৱ আৰু গিৰিজা দুইৰো ভক্ত। অৱশ্যে দেৱীধৰ্মৰ প্ৰভাৱ এই ৰজাসকলৰ ফলিবোৰত অনুভূত নহয়। সপ্তমৰপৰা ত্ৰয়োদশ শতিকাৰ ভিতৰৰ বুলি পণ্ডিতসকলৰ দ্বাৰা নিৰ্ণীত কেইবাটিও শিৱমন্দিৰৰ ধ্বংসাৱশেষ শিৱসাগৰ, দৰং, কামৰূপ আদি জিলাত পোৱা গৈছে।

অসমত নৱবৈষ্ণৱ ধৰ্মৰ অভ্যুদয়ৰ সময়তো শিৱৰ স্থিতি ভালকৈয়ে অনুভৱ কৰিব পাৰি। স্বয়ং শঙ্কৰদেৱেই হেনো শিঙৰিৰ গোপেশ্বৰ শিৱৰ বৰত উপজি শঙ্কৰৰ নাম পাইছিল। বিশ্বসিংহ ৰজা আকৌ শিৱৰ পুত্ৰ; কোচ ৰজাসকল শিৱবংশী। শিৱৰ সাধাৰণ ধৰ্মৰ উপৰিও কছাৰীসকলৰ মাজত কেনেকৈ "হংস পাৰ মদ ভাত মহিৰ শূকৰ কুকুৰা ছাগল উপহাৰে"ৰে, মাদল বজোৱা নাচোনেৰে শিৱ-পূজাৰ বিধান আছিল, তাৰ সাক্ষ্য কোচ ৰাজ-বংশাৱলীয়ে দিয়ে। বড়ো-কছাৰীসকলৰ বুঢ়া বা বাথৌ বা শিবৰায় পূজাৰ কথা বৰ্তমান পুথিৰ যথাস্থানত পোৱা যাব। মণিৰাম দেৱানৰ বুৰঞ্জীত কছাৰী ৰজাসকলৰ তত্ত্বাৱধানত কেনেকৈ দেৱশালত মদ-মাংসৰ নৈবেদ্যেৰে শিৱ-পূজা চলিছিল, বৰ্ণোৱা

হৈছে। এইদৰে বড়ো-কছাৰীসকলৰ মাজত শিৱধৰ্মৰ এটি বলৱান ঐতিহ্য বৈ আহিছে। আমাৰ মনত পৰিব, শিৱ নিজেই কিৰাত, দেৱী কিৰাতী!

আহোম ৰজাসকলৰ আমোলতো শৈৱধৰ্মই বিশেষ আদৰ পাইছিল। প্ৰতাপসিংহ স্বৰ্গদেৱে (১৬০৩-৪১) দেৰগাঁও নেঘেৰীটিঙত আগৰ ভগা শিৱ-মন্দিৰৰ পৰিৱৰ্তে নতুন শিৱদ'ল নিৰ্মাণ কৰিছিল। গদাধৰসিংহৰ দিনত (১৬৮১ ৯৬) হ'ল উমানন্দৰ বৰ্তমান মন্দিৰ, ৰুদ্ৰসিংহৰ দিনৰ জয়সাগৰৰ পাৰৰ শিৱদ'ল, শিৱসিংহ আৰু তেওঁৰ ৰাণীসকলৰ দিনৰ শিৱসাগৰ-গৌৰীসাগৰৰ পাৰৰ শিৱদ'ল, প্ৰমত্তসিংহৰ দিনৰ উত্তৰ গুৱাহাটীৰ ৰুদ্ৰেশ্বৰ দ'ল আৰু ৰাজেশ্বৰসিংহৰ দিনৰ বশিষ্ঠাশ্ৰম, মণিকৰ্ণেশ্বৰ আদিৰ শিৱমন্দিৰ উল্লেখযোগ্য। প্ৰতাপসিংহৰেপৰা আৰম্ভ কৰি স্বৰ্গদেওসকলৰ মোহৰবোৰত হৰৰ উল্লেখ প্ৰায় অবিচ্ছেদ্যভাৱে চলি আহে।

শিৱমন্দিৰসমূহৰ বাহিৰেও বুঢ়াগোসাঁই বা বুঢ়াগোহাঁইৰ থান অসমৰ সৰ্বত্ৰ বিয়পি আছে। এইবোৰেই যেন কালিকাপুৰাণত ইঙ্গিত দিয়া শিৱৰ অজ্ঞাতবাসৰ ঠাই। কিন্তু য'তেই বুঢ়া আছে, তাতেই বা তাৰ ওচৰতেই বুঢ়ীৰ থান প্ৰায় আছে। এইদৰে শক্তি-পূজাই যদিও শিৱধৰ্মক প্ৰতিৰোধ কৰি পোনতে বিস্তাৰ লাভ কৰিবৰ কাৰণে যত্ন কৰা যেন লাগে, শেষত দুইৰো এক সমন্বয় আপোনা-আপুনি হৈ উঠিল। অসমত আজি এটি শৈৱ সম্প্ৰদায় নাই। ইয়াৰ কাৰণ প্ৰথমতে, দেৱীৰ প্ৰভাৱ আৰু দ্বিতীয়তে, নববৈষ্ণৱ ধৰ্মৰ সৰ্বগ্ৰাসী অথচ মধুৰ বিস্তাৰ।

অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে। সঁচাকৈয়ে জগতৰ আদ্যশক্তিৰূপিণী মহামায়াৰ "দুৰ্গা ভদ্ৰা কালী আদি হৈবেক তোমাৰ নাম, থাকিবা লোকৰ পূজা খাই।" ভাৰত জুৰি বিষ্ণু-চক্ৰচ্ছিন্ন সতীৰ অঙ্গ একাৱন্নখন পীঠত পৰিছিল। কিন্তু কোনো অঙ্গ ছিন্ন-ভিন্ন নোহোৱাকৈয়ে অসম জুৰি দেৱী নানা ৰূপত নানা আড়ম্বৰেৰে বিদ্যমান। ইয়াৰ ভিতৰত কামৰূপৰ কামাখ্যা কেন্দ্ৰস্বৰূপ। একালত উত্তৰ-পূব সীমান্ত অঞ্চলত দিক্কৰবাসিনীৰূপে দেৱীয়ে উজ্জ্বল ৰূপ লৈ বিৰাজ কৰিছিল। কালত তেৱেঁ তাম্ৰেশ্বৰী আই বুলি, কেঁচাইখাতী গোসানী বুলি খ্যাতি লাভ কৰিছিল। কিন্তু দেৱীৰ যে আৰু কত কি নাম — লখীমপুৰত মালিনী, মণিপুৰীয়া দেৱী, কেঁচাইখাতী, নীল গোসানী, বুঢ়ী, শিৱসাগৰত দুৰ্গা, গৌৰী, বুঢ়ীগোসানী বা জয়ন্তেশ্বৰী, নগাঁৱত কামাখ্যা, মহামায়া, চামুণ্ডা, মহিষমৰ্দিনী, কামৰূপত কামাখ্যা, উগ্ৰতাৰা, ভুৱনেশ্বৰী, চণ্ডিকা, জয়দুৰ্গা, নাহেশ্বৰী, কালী, ব্যাঘ্ৰেশ্বৰী, ইত্যাদি, ইত্যাদি। সকলো শাক্তই মানি নল'লেও গোৱালপাৰাৰ টুক্ৰেশ্বৰী পীঠত সতীৰ উৰু, জয়ন্তীয়া পাহাৰৰ ফালজোৰত সতীৰ বাম চৰণ পৰিছিল বুলি প্ৰবাদ আছে।

কামৰূপত দেৱী পূজাৰ চলতি কেতিয়াৰপৰা হ'ল বা শাক্তধৰ্মই কেতিয়া, ক'ত,

কেনেকৈ জন্ম লাভ কৰিলে, সেই সম্পৰ্কে নানা পণ্ডিতৰ নানা মত। বৈদিক আৰ্যধৰ্মৰ ওপৰত আদিবাসীসকলৰ ধৰ্মৰ তন্ত্ৰ-মন্ত্ৰ আদিৰ প্ৰভাৱৰ প্ৰতিক্ৰিয়া স্বৰূপে তান্ত্ৰিক ধৰ্মৰ উদ্ভৱ হৈছিল বুলি ভাবিবৰ কাৰণ আছে। শৈৱ-শাক্ত তান্ত্ৰিকতাৰ ওপৰত বৌদ্ধধৰ্মৰ পিছৰকালৰ বজ্ৰযান, তন্ত্ৰযান, আদিৰ ছাঁও আহি নিশ্চয় পৰিছে। বজ্ৰযানৰ সাধনমালাত ওডিয়ান, পূৰ্ণগিৰি, কামাখ্যা বা কামৰূপ আৰু সিৰিহট্টৰ বিশেষ উল্লেখ পোৱা যায়। দেৱীৰ তন্ত্ৰতো উড্ডীয়ান, পূৰ্ণশৈল, কামৰূপ আৰু জালন্ধৰৰ গুৰুত্ব দেখা পোৱা যায়। এনেবোৰ কথাৰপৰা বৌদ্ধ তন্ত্ৰ আৰু শাক্ত তন্ত্ৰৰ কিছুমান সাধাৰণ লক্ষণ মন কৰিবলগীয়া হৈ পৰে। তন্ত্ৰৰ ওপৰত ভাৰতৰ বাহিৰৰ প্ৰভাৱো অনেক পণ্ডিতে সন্দেহ কৰিবৰ থলী পাইছে। উত্তৰ-পূব ভাৰতেই তন্ত্ৰ আৰু শাক্ত ধৰ্মৰ জন্মস্থান আৰু লীলাভূমি বুলি নানা বিচাৰৰপৰা বিশ্বাস কৰিব পাৰি। এই ফালৰপৰা কামাখ্যা-পীঠৰ গুৰুত্ব যথেষ্ট। কামাখ্যা যেন বেবিলন আদিৰ মাতৃ দেৱী আৰু পৃথিৱীৰ অনেক দেশৰ ভূমি-দেৱীৰ সংমিশ্ৰণ। নীলাচলৰপৰা অনতিদূৰত থকা মাতৃপ্ৰধান খাছিয়া আৰু গাৰো জাতিৰ আদিম বিশ্বাসৰ মাজতো এই শক্তিকেন্দ্ৰৰ কোনো বিশ্বাসৰ সম্বন্ধ থাকিব পাৰে। বিশ্বসিংহ ৰজাই নীলাচলৰ পীঠবোৰ আবিষ্কাৰ কৰাৰ আগতে এই ঠাইত গাৰোসকলে হেনো গাহৰি, কুকুৰা বলি দি পূজা কৰিছিল। কিন্তু ইয়াৰ আগৰ কামাখ্যা মন্দিৰৰ বুৰঞ্জী মোলান পৰি আছে। একাদশ-দ্বাদশ শকিতামানও কালিকাপুৰাণ ৰচনা কৰা সময়ত কামাখ্যা আৰু দেৱীৰ আন ৰূপসমূহৰ প্ৰভাৱ নিশ্চয় শক্তিদৃপ্ত আছিল। কিন্তু হিন্দু ৰজাসকলৰ তাম্ৰ শাসনবোৰত এইফালে কোনো ইঙ্গিতকে পোৱা নাযায় বুলিব পাৰি। এই সময়ত শৈৱধৰ্মৰ প্ৰভাৱ ইমান দিগন্ত বিয়পা আছিল নে যে দেৱীধৰ্মৰ প্ৰতি শাসনবোৰত কোনো আকৰ্ষণেই ধৰা নপৰে?

নববৈষ্ণৱ ধৰ্মৰ আবিৰ্ভাৱৰ সময়ৰ সৰু-বৰ শাসক বাৰভূঞাসকল প্ৰায়েই ঘোৰ শাক্ত আছিল। শঙ্কৰদেৱৰ আজোককাক চণ্ডীবৰ বা দেৱীদাস মহা দেৱী-ভক্ত। বিশ্বসিংহ ৰজাৰ গৰখীয়া কালত গৰখীয়াসকলে শৰত কালত ফৰিং কাটি দেৱীপূজা কৰাৰ উল্লেখ কোচ ৰাজবংশাৱলীত আছে। এই সময়ত নীলাচলৰ পুৰণি মন্দিৰবোৰৰ চিন নোহোৱা হৈছিল। বিশ্বসিংহই পীঠস্থানবোৰো পণ্ডিতৰ সহায় লৈ মাটিৰ তলৰপৰা উলিয়াব লগা হৈছিল। কামাখ্যা মন্দিৰৰ দৰে পুৰণি আন এটি শাক্ত মন্দিৰ সদিয়াৰ ওপৰৰ তাম্ৰেশ্বৰী মন্দিৰ। সম্ভৱতঃ ইয়াৰ অধিষ্ঠাত্ৰী কালিকা-পুৰাণোক্ত দীক্ষকান্তা উগ্ৰতাৰা। কিন্তু এই থানৰ ইতিহাসো ধাৰাবাহিকভাৱে পোৱা নাযায়। যোৱা শতিকাৰ মাজভাগত ইয়াত যি মন্দিৰৰ ভগ্নাৱশেষ পোৱা গৈছিল সি পঞ্চদশ শতিকাত পুনৰ্নিৰ্মিত বুলি অনুমান কৰা হৈছে, কিন্তু থাই মন্দিৰটি বহুত দিনৰ আগৰ হ'ব লাগিব, কাৰণ ইয়াৰ প্ৰত্নতাত্ত্বিক নিদৰ্শনবোৰত আদিমতাৰ সাঁচ দেখা পোৱা যায়। আনকালে আমি জনাৰ ভিতৰত ইয়াৰ পূজাৰিসকল দেউৰী-চুটিয়া লোক; তেওঁলোকৰ মতে গোসানীৰ নাম পিষ্কচি অৰ্থাৎ

কন্যা, জনাজাত কেঁচাইখাঁতী বুলি। দেৱীৰ নাম যেতিয়া কেঁচাইখাঁতী হয়, তেতিয়া তেওঁ নৰবলি গ্ৰহণ কৰে। এসময়ত নৰবলি হোৱা বুলি অসমৰ অনেক ঠাইকে আঙুলিয়াই দেখুওৱা হয়। তাম্ৰেশ্বৰী মন্দিৰত শেষ আহোম যুগত আহোম ৰজাৰ প্ৰতিনিধি সদিয়াখোৱা গোহাঁইৰ অধীনে পূজা-সেৱা বলি আদি হৈছিল।

কামাখ্যা আৰু তাম্ৰেশ্বৰী মন্দিৰৰ বাহিৰে আজিকালিৰ প্ৰায়বিলাক শাক্ত মন্দিৰ পিছৰ আহোম ৰজাসকলৰ দিনৰ। নগাঁৱৰ শিলঘাটৰ কামাখ্যা মন্দিৰো প্ৰমত্তসিংহ স্বৰ্গদেৱৰ কালৰহে (১৭৪৫)। আনফালে উত্তৰ পাৰৰ ফুলবাৰী আদি ঠাইৰ দেৱী-মন্দিৰৰ ঐতিহ্য কিছু প্ৰাচীন যেন অনুভৱ হয়। কাছাৰৰ কছাৰী আৰু জয়ন্তাৰ জয়ন্তীয়া ৰজাসকলেও চণ্ডী, জয়ন্তা বা জয়ন্তেশ্বৰী, কালী আদি নামত দেৱীৰ পূজা কৰিছিল আৰু কৰুৱাইছিল। আন আন সৰু সৰু ৰজায়ো শাক্তধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল। যদিও এইদৰে শাক্তধৰ্ম গোটেই অসমত বিয়পি পৰিছিল, ব্ৰহ্মপুত্ৰ উপত্যকাত নৱবৈষ্ণৱধৰ্ম প্ৰচাৰৰ আৰু বিস্তাৰিতভাৱে সত্ৰ-স্থাপনৰ ফলত শক্তিপূজাৰ প্ৰাধান্য ক্ৰমে কমি আহে। যদিও ভাৰতৰ ভিতৰতে এখনি শ্ৰেষ্ঠ শাক্তপীঠ কামাখ্যা-মন্দিৰ কামৰূপ জিলাত অৱস্থিত, ১৯০১ চনৰ মানুহ পিয়লত দেখা গৈছিল, জিলাখনৰ হিন্দু জনসংখ্যাৰ শতকৰা দুজনেহে নিজকে শাক্ত বুলি ঘোষণা কৰে।

হৰ্ষ-চৰিতত ভাস্কৰবৰ্মাক বৈষ্ণৱবংশ বোলা হৈছে। পুষ্যবৰ্মাৰ বংশই তেওঁলোকৰ তাম্ৰলিপিবোৰত বৰাহ বিষ্ণু আৰু ধৰিত্ৰীৰপৰা নিজৰ উদ্ভৱ দেখুৱাইছে। বৰগঙ্গাত পোৱা লিপিত ভূতিবৰ্মাক পৰমভাগৱত বুলি আখ্যা দিয়া হৈছে। ধৰ্মপাল ৰজাৰ পুষ্পভদ্ৰা ফলিত আগৰ লিপিবোৰৰ দৰে শিৱক বন্দনা নকৰি বৰাহ বিষ্ণুৰহে বন্দনা কৰা হৈছে। সমসাময়িক ভাস্কৰ্য-স্থাপত্যয়ো কামৰূপত বৈষ্ণৱ ধৰ্ম প্ৰচলনৰ ভাল আভাস দিয়ে। দেওপানীৰ 'ভগবতো নাৰায়ণস্য শৈলী প্ৰতিমা' নৱম শতিকাৰ, ডিব্ৰুগড়ৰ ওচৰৰ পুৰণি মন্দিৰ এটিত পোৱা পিতলৰ বিষ্ণুমূৰ্তি একাদশ-দ্বাদশ শতিকাৰ, শিৱসাগৰ নগৰত পোৱা ভাস্কৰ্যৰ নিদৰ্শনবোৰ দশম-একাদশৰ, অশ্বক্ৰান্তৰ অনন্তশায়ী বিষ্ণু দ্বাদশৰ, শুক্ৰেশ্বৰৰ বিষ্ণু-জনাৰ্দন অষ্টম-নৱম শতিকাৰ বুলি পণ্ডিতসকলে কৈছে। কালিকা-পুৰাণত মণিকূটৰ হয়গ্ৰীৱমাধৱৰ আৰু দিক্কৰবাসিনী পীঠৰ বাসুদেৱৰ পূজা-পদ্ধতিৰ বিশদ ব্যৱস্থা আছে। এই পূজা তান্ত্ৰিক পদ্ধতিৰ বা পঞ্চৰাত্ৰ ৰীতিৰ, অৰ্থাৎ তাত মন্ত্ৰ, বীজ, যন্ত্ৰ, ন্যাস, শক্তি-অলঙ্কাৰ আদিৰ পূজা, এইবিলাক প্ৰক্ৰিয়া বৰ্তমান। বাসুদেৱ পূজাত শম্ভু, গৌৰী, ব্ৰহ্মা, ৰাম আৰু কৃষ্ণ থাকিবই লাগিব, বিশেষতে শম্ভু-গৌৰীক বাদ দিব নোৱাৰিব। পূজাৰ মণ্ডলত বাসুদেৱ নায়ক, নায়িকা হ'ল বিমলা। হয়গ্ৰীৱৰ ন্যাসৰ বিধানত পঞ্চৰাত্ৰৰ মূল চতুৰ্ব্যূহক স্থাপন কৰিব লাগে, ঈশান আৰু তেওঁৰ শক্তিসমূহ, গ্ৰহ আৰু দিক্পতিসকলকো পূজা কৰিব লাগে। আন কি, যোগিনী-তন্ত্ৰৰ মতে হৰিণ, ছাগ, শহাৰ মাংস হয়গ্ৰীৱ বিষ্ণুৰ হেনো বিশেষ প্ৰিয়। ১৫৮৩ চনত হয়গ্ৰীৱ-মাধৱৰ মন্দিৰ ৰঘুদেৱনাৰায়ণে পুনৰ্নিৰ্মাণ কৰে

আৰু তাৰ পূজা-অৰ্চাৰ কাৰণে যোগনীয়া-সমলীয়া, পাইক আদিৰ নিৰ্বন্ধ কৰে : কোচ, আহোম, মুছলমান শাসকসকলে এই মন্দিৰৰ নামত অনেক মাটি-বৃত্তি দিয়ে। ১৬৯৬ চনত ৰামচন্দ্ৰ বৰপাত্ৰ গোহাঁয়ে যোগিনী-তন্ত্ৰৰ আলম লৈ এই মন্দিৰৰ নিত্য-নৈমিত্তিক প্ৰসঙ্গৰ যি বৰ্ণনা দিছে, তালৈ চাই ইয়াৰ উৎসব-পদ্ধতিত মহাপুৰুষীয়া পদ্ধতি কোনো সময়ত দৃঢ়ভাৱে সোমোৱা যেন লাগে। কিন্তু মন্দিৰৰ ভিতৰৰ পূজা-পদ্ধতিৰ তান্ত্ৰিক ৰূপৰ সম্ভৱতঃ পৰিবৰ্তন হোৱা নাই। দিক্কৰবাসিনীৰ বাসুদেৱ পূজাৰ ক্ৰমিক ইতিহাস পোৱা নাযায়। কিন্তু শ্ৰীসৰ্বেশ্বৰ বৰুৱাই পাঠ উদ্ধাৰ কৰা ১৩৯২ আৰু ১৪০১ চনৰ সধয়াপুৰীৰ ৰজা সত্যনাৰায়ণ আৰু তেওঁৰ পুতেক ৰজা লক্ষ্মীনাৰায়ণৰ তামৰ ফলিত যি ভূমিদান কৰা হৈছে, সেয়াও এক বাসুদেৱৰ পূজা-অৰ্চাৰ উদ্দেশ্যেই বুলি ভাবিবৰ বোধ হয় কাৰণ আছে। ইয়াৰ পিছত আকৌ আমি শুনো বাসুদেৱ-থানৰ কথা নহোৱা সত্ৰ-স্থাপনৰ ইতিহাসৰ আৰম্ভণিৰপৰা। ইয়াত (উত্তৰ লখীমপুৰৰপৰা ১৮ মাইলমান পূবৰ কঢ়া আৰু চাৰিকৰীয়া নৈৰ মাজত) এতিয়াও সুন্দৰ দক্ষতাৰে নিৰ্মিত ক'লীয়া শিলৰ বিতোপন বাসুদেৱ-মূৰ্তি আছে।

●

শঙ্কৰদেৱে যেতিয়া বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰে তেতিয়া স্থানীয় তান্ত্ৰিক পদ্ধতিৰপৰা বহতো আঁতৰি আহিল। তেওঁৰ ধৰ্ম-পদ্ধতিত বীজ, মন্ত্ৰ, ন্যাস, ব্যূহ, শক্তি আদিৰ কোনো কথা নাই, শম্ভু-গৌৰীৰ নামেই নাই। তদুপৰি বিষ্ণু তেতিয়া মন্দিৰৰ নিৰ্জন অন্ধকাৰৰপৰা নামঘৰৰ জনতাৰ মাজৰ মুকলিলৈ ওলাই আহিল; প্ৰাৰ্থনা হ'ল প্ৰধান ধৰ্মপ্ৰক্ৰিয়া, সংস্কৃতৰ পৰিবৰ্তে জীৱন্ত ভাষা হ'ল ধৰ্মৰ মাধ্যম। মুঠতে এটা বৈপ্লৱিক পৰিবৰ্তন ঘটিল। শঙ্কৰী ধৰ্মই অসম-কামৰূপৰ সামাজিক জীৱনক ব্যাপকভাৱে আলোড়িত আৰু সংগঠিত কৰি তুলিলে। এই আলোড়নৰ প্ৰভাৱে কলাৰ মাজেদি স্থায়ী ৰূপ ল'লে — সাহিত্য, সংগীত, নৃত্যই তাক মোহনীয়া কৰি তুলিলে। সত্ৰ আৰু নামঘৰ মহাপুৰুষৰ দুটি ডাঙৰ দান, অসমীয়া সমাজক নৈতিকভাৱে শুদ্ধ কৰা আৰু এক কৰা দুটি মহামন্ত্ৰ। আজি অসমৰ সত্ৰৰ সংখ্যা যিমান বেছি আৰু অনুষ্ঠান হিচাপে সিবিলাক যিমানভাৱে ভিন্ন-ভিন্ন, তাক শঙ্কৰদেৱে সমৰ্থন কৰিলেহেঁতেন নে নাই নাজানো; কিন্তু সেইদৰে বহুসংখ্যক আৰু খণ্ডিত-পুনঃখণ্ডিত হোৱা কাৰণেও বোধ হয় সমস্ত অসম জুৰি সমাজক প্ৰায় গণতান্ত্ৰিক ভিত্তিত সংগঠন কৰিবৰ সিবোৰেই এটা উপায় হৈ পৰিছে। অকল সেয়ে নহয়, সত্ৰই আমাৰ সংস্কৃতিৰ আৰু সাংস্কৃতিক ঐক্যৰ এটি যেন প্ৰতীক। এই কালৰপৰা চালে, সীমান্ত অঞ্চলৰ বৈষ্ণৱ নষ্টে জনজাতিৰ গাঁৱৰপৰা আৰম্ভ কৰি কোচবেহাৰৰ ভেলা-মধুপুৰ, মাধপুৰ-জিন্তাপুনিলৈকে সকলো সত্ৰ আৰু নামঘৰে 'কৰতোয়াং সমাৰভ্য যাবদ্দিক্কৰবাসিনী' অসমীয়া সংস্কৃতিৰ ধ্বজা উৰাব লাগিছে। কোচবেহাৰ আজি

আমাৰপৰা বেলেগ হ'ল। কিন্তু যিসকলে গোৱালপাৰাকো অসমৰপৰা নিলগাব খোজে তেওঁলোকে আমাৰ এই সংকলনৰ সত্ৰৰ তালিকাত চকু ফুৰাই বুকুত হাত দি কিবা ক'ব পাৰিবনে? ভট্টদেৱৰ ভাষাত সত্ৰৰ সংজ্ঞা ঃ

যত্ৰাচৰন্তি সদ্‌ধৰ্মান্ কেৱলা ভগৱৎপ্ৰিয়াঃ
নৱধা ভগৱদ্‌ভক্তিঃ প্ৰত্যহং যত্ৰ ৱৰ্ততে।
তৎ সত্ৰমুত্তমং ক্ষেত্ৰং বৈষ্ণৱং সুৰৱন্দিতম্
তত্ৰস্থা বৈষ্ণৱাঃ সৰ্ৱে হৰিনামপৰায়ণঃ।।

শঙ্কৰদেৱে পোনতে বৰদোৱাত সত্ৰ-সভা পাতি ভক্তি প্ৰকাশ কৰে; তাৰ পিছত মাজুলীৰ বেলগুৰি বা ধুৱাঁহাটত প্ৰায় চৈধ্য বছৰ, কামৰূপৰ চুণপোৰা বা পালেংদি, গণককুছি, কুমাৰকুছিত কিছু দিনকৈ ৰৈ শেষত পাটবাউসীত সত্ৰ পাতি ৰয়। তেওঁ জীৱৎকালত বৈষ্ণৱ সম্প্ৰদায়ৰ পন্থভেদ হোৱা নাছিল। তেওঁ দামোদৰদেৱক নতুন ব্ৰাহ্মণ শৰণীয়া গ্ৰহণ কৰিবৰ বাবে আজ্ঞা দিছিল; দামোদৰদেৱে মূল সত্ৰৰ গাতে লগাই পাটবাউসী সত্ৰ প্ৰতিষ্ঠা কৰিলে। হৰিদেৱেও এইদৰে সুকীয়াকৈ ধৰ্মপ্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। শঙ্কৰদেৱৰ বৈকুণ্ঠ-প্ৰয়াণৰ পিছৰপৰাই দামোদৰদেৱী আৰু হৰিদেৱী দুটি পন্থ সুকীয়া হয়। মাধৱদেৱে শঙ্কৰদেৱৰপৰা মূল সম্প্ৰদায়টিৰ ভাৰ পাই তাক সংগঠন কৰিবলৈ আৰম্ভ কৰে; নাৰায়ণদাস ঠাকুৰ আতাই সেই কাৰ্যত সহযোগিতা কৰে। মাধৱদেৱে বাৰজন ধৰ্মাচাৰ্য পাতি অসম-কামৰূপত সত্ৰ প্ৰতিষ্ঠা কৰি ভক্তি প্ৰচাৰ কৰিবলৈ দিয়ে ঃ মথুৰাদাস বুঢ়া আতা (বৰপেটা), ভৱানীপুৰীয়া গোপাল আতা, বদুলা পদ্ম আতা (কমলাবাৰী আদি), বংশীগোপালদেৱ (ডেবেৰাপৰা, কাঁহীকুছি, কুৰুৱাবাহী, যদুমণিদেৱ (মাহৰা, ঘাৰমূৰা, পটিয়ৰি, কমলবৰীয়া, ডোখৰামুখীয়া)*, ৰামচৰণ ঠাকুৰ (সুন্দৰীদিয়া), শ্ৰীহৰিদেৱ (লাইআটি), লেচাকণীয়া গোবিন্দ (খটৰা), বৰবিষ্ণু আতা (মালচা, চমৰিয়া), লক্ষ্মীকান্ত (ধোপগুৰি), ভাটৌকুচীয়া কেশৱচৰণ (বৰজহা), পৰিহাপাৰৰ গোপাল ওৰফে পঢ়িয়া আতৈ (হেৰেমদ)।

ভৱানীপুৰীয়া গোপাল আতাই কামৰূপৰ ভিতৰত ভৱানীপুৰ আৰু কালজাৰত থাকি ধৰ্ম দিছিল। কিন্তু এই দুখনি থানৰ এতিয়া অৱস্থা ভাল নহয়। নিজ-ভৱানীপুৰ, কালজাৰ, পোৱাভঁৰাল আৰু জোৱাৰদি, এই কেইখনিকে এওঁৰ ঠালৰ চাৰি সত্ৰ বুলি কোৱা হয়।[১] কালজাৰ সত্ৰৰ অধিকাৰ লৈ গোচৰ আদি হোৱাৰ ফলতে কিছু ভকত গৈ বজালী অঞ্চলত কালজিৰাপাৰ সত্ৰ কৰেগৈ। গোপাল আতাৰ আজ্ঞাপৰ সত্ৰসমূহৰ সংখ্যাধিক্য আৰু অতুল পয়োভৰ উজ্জ্বনিতহে; বহল গণতান্ত্ৰিক শক্তি লৈ এই সত্ৰসমূহৰ

* এটি ভৱা-চিনীয়া নামবিলাক মণিৰাম দেৱানৰ বুৰঞ্জী-বিবেক-ৰত্নৰপৰা লোৱা হৈছে।

১ মণিৰাম দেৱানৰ বুৰঞ্জীত ভাটীৰ কালজাৰ, জোৱাৰদি, কঠমি, ভৱানীপুৰ, এই চাৰিখন গোপালদেৱৰ সত্ৰ ধৰা হৈছে।

ভকত আৰু শিষ্য কালজৰীয়া পন্থ বা কালসংহতি নামে নগাঁৱৰপৰা ডিব্রুগড়লৈকে বিস্তৃত হৈ পৰে। আতাই তেওঁৰ গুৰুৰ আৰ্হিৰে বাৰজন মহন্ত পাতে; তাৰে ছজন ব্ৰাহ্মণ, ছজন অব্ৰাহ্মণ — বৰযদুমণি, সৰুযদুমণি (গজলা), অনিৰুদ্ধ (মায়ামৰা আদি), নাৰায়ণ (দহঘৰ, হালধিআটি, চকলা, কঁঠালকুছি)*, সনাতন (নগৰীয়া); শ্রীৰামদেৱ (আঁহতগুৰি, কৰতিগাঁও)*, মুৰাৰি (চৰাইবাহী), ৰামচন্দ্ৰ (খৌৰামোচৰ), ৰামচন্দ্ৰ (ইকৰাজান), পুৰুষোত্তম (কাথপাৰ)[২] দুজন মহন্তৰ সত্ৰ নাই। গোবিন্দ দাসৰ সন্ত-সম্প্ৰদাত বৰযদুমণিৰ পুত্ৰসকলৰ সত্ৰৰ নাম দিয়া হৈছে — শিলিখাতল (দিহিং), সোণাৰিশৰীয়া, থলৰবীয়া, খাৰপুৰ; তেওঁৰ শিষ্য-প্ৰশিষ্যৰ সত্ৰৰ নাম — মৈমৰা, চৌচামুখ, কাটনীপাৰ, কঁহাৰপৰা, পোৰা-শলগুৰি, সাপেখোৱা, বুদবাৰী, সৰুলেংদিয়া, এৰমাদি; সৰু যদুমণিৰপৰা বঢ়া সত্ৰৰ লেখা — কৰতিগাঁয়া; সৌকাজনীয়া, বালিপৰীয়া, কোৰেশ্বনীয়া, আঁহতগুৰীয়া, কৰ্দৈগুৰীয়া, বৰগলীয়া।[৩]

বিভুনাথৰ "বৰজুনা"ত দিহিং থুলৰ সত্ৰৰ বিস্তৃতিৰ বিবৰণ দিয়া আছে। বৰযদুমণিৰ পুত্ৰ সনাতন শিলিখাতলত, ৰতিকান্ত লেংদীত আৰু শ্ৰীকান্ত নমাটিত; ৰতিকান্তৰ পুত্ৰ উদিতৰামৰ পাঁচ পুত্ৰৰ মুখ্যদ লেংদীত, কামদ বাংশবাৰীত, জগধৰ শৰমৰাত, নৰবৰ তৈলপানীত আৰু গিৰিধৰ ধল সত্ৰত। যদুমণিদেৱৰ আজ্ঞাপৰ শ্ৰীৰামানন্দ, জুৰকটাত শ্ৰীকানাই, মহৰিয়ালত গুৰু বিপ্ৰ আৰু কংসাৰপাৰত অনিৰুদ্ধ। শ্ৰীৰামানন্দৰপৰা বঢ়া ম'ৰামৰাত বৰকৃষ্ণ, ডিবৰুত বিজয়ানন্দ (পাঠান্তৰ, বলমীত দ্বিজ জয়ানন্দ), বলমীত সদানন্দ (ডিবৰুত সদানন্দ), এই চাৰিজন। বৰকৃষ্ণৰ পুত্ৰ জগতমোহন চৈঁচামুখত, ব্ৰহ্মানন্দ উজনীথান চৈঁচাত, চতুৰ্ভুজ মধ্যত, পদ্মনাভ মাজালি চৈঁচাত আৰু জয়দেৱ মূল ম'ৰামৰাত ৰয়। শ্ৰীকৃষ্ণৰ পুত্ৰ সুদৰ্শন বাৰেঘৰত, বিজয়ানন্দ বুদবাৰীত, শ্ৰীসুনন্দ সভানন্দেৰে কাটনীপাৰত; আজ্ঞাপৰ গকুলচান্দ বিপ্ৰ সাপেখোৱাত। শ্ৰীসুনন্দৰ আজ্ঞাপৰ ৰমাকান্ত আৰু ৰামাকানাই কাটনীপাৰ আৰু (কাটনী) নমাটি সত্ৰত ৰ'ল, ৰামকানাইৰপৰা হ'ল হৃদিকণৰ জকাই সত্ৰ। মণিৰাম দেৱানৰ বুৰঞ্জীবিবেক-ৰত্নমতে গোপাল আতাৰ পুত্ৰ-নাতিৰ চাৰিখন সত্ৰ — হামাৰবৈৰি, কলাকটা, ঢোপাবড় আৰু ডকুৰাচাপৰি। তেওঁৰ মতে কমলাবাৰীৰ অধীন জৰাবাৰী প্ৰভৃতি দহখন সত্ৰেৰে মধুপুৰীয়া সম্প্ৰদায় — মুদৈভেটি, বদুলা, হৰিপুখুৰী,

* এটি তথ্য-চিনীয়া নামৰিলাক মণিৰাম দেৱানৰ বুৰঞ্জী-বিবেক-ৰত্নৰপৰা লোৱা হৈছে।

২ কোনোৱে গোপাল [illegible] ভিতৰত গণেশ-পো সনাতনকো ধৰে (শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ, ১ম তাঙৰণ, ৩৭১ পিঠি)

৩ মণিৰাম দেৱানৰ মতে গজলাৰ সৰু যদুমণিদেৱৰ আজ্ঞাপৰ সত্ৰ : সৌকাজান, [illegible] সত্ৰ, [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], [illegible], চৰাইবাহী, [illegible]।

বৰজহা, জৰাবাৰী, পাণবাৰী, দুমদুমিয়া, ভাটৌকুছি, তিপাম, চিনাতলি।[৪]

বংশীগোপালদেৱৰ চৰিতমতে এওঁক মাধৱদেৱ আৰু দামোদৰদেৱ দুইজনে উজনিত ধৰ্মপ্ৰচাৰ কৰিবলৈ পঠিয়ায়। এওঁ উত্তৰ পাৰৰ কাঁহীকুছি, কলাবাৰী, ডেবেৰাপাৰ আৰু পিছত ধনশিৰিমুখৰ লুইতৰ চাপৰিত কুৰুৱাবাহী সত্ৰ পাতে। কুৰুৱাবাহীৰ পাঠক নিৰঞ্জনদেৱ, বংশীগোপাল খুড়া পৰমাইৰ পৰিনাতি লক্ষ্মীনাৰায়ণৰপৰা আউনীআটি আৰু গড়মূৰ সত্ৰ হয়। চাৰিসত্ৰীয়াৰ চতুৰ্থখনি সত্ৰ দক্ষিণপাট প্ৰাণনাৰায়ণ ৰজাৰ কোচবেহাৰৰ ভিতৰৰ দামোদৰদেৱৰ বৈকুণ্ঠপুৰ সত্ৰৰপৰা আহি বনমালীদেৱে স্থাপন কৰে। মণিৰাম দেৱানে বংশীগোপালৰপৰা বঢ়া সত্ৰ কেইখনিমানৰ নাম দিছে — কামদেৱাল, জালকুৰিয়া, ঔৱা, উজনিয়াল (কানু), হৰিমিছিৰ, দিচিয়াল, শ্ৰৱণী, ঢাপকটা, গৌৰাঙ্গ, মুকুন্দবাপু, আহোমবাপু। সন্তসম্প্ৰদায়ত বংশীগোপালে পতা পঞ্চলিছ মেধিৰ কথা আছে, 'এহি মেধিসব ঠাকুৰদেৱৰ আজ্ঞাৰে আসি অসম ৰাজ্যত সত্ৰ কৰিলা'; — বেলসিধীয়া নিত্যানন্দ বাপু, চাৰিঙত ব'ৰাগী বাপু, দেৱৰ-গাঁৱত ভাৰথী বাপু, ঢাপকটাত বৰমুকুন্দ বাপু, জিয়াঁমৰাত লিখক জয়ৰাম আতা, কলিয়াবৰত কৃষ্ণ শ্ৰৱণী, কুকুৰাকটাত নাৰায়ণ আতা, শলগুৰিত বিষ্টু আতা, তিপামত গোবিন্দ আতা, বতাৰগএৱা চতুৰ্ভুজ বাপু, কামদেউ বাপু, দ্বাৰকা আতা, কলাবৰীয়াৰ চিদানন্দ, ঢাপলীয়া ভৱানন্দ, পাতকটাত নিত্যানন্দ, তুলসীজানত মনোহৰ, ৰতনপুৰত পূৰ্ণানন্দ, দিচৈত কমললোচন, ঘুৰীয়াত হৰিমিশ্ৰ, তামোলবাৰীত লক্ষ্মণ, কৌপাটিত কৰুণা আতা, কাঁড়ীগাঁৱত শ্ৰীধৰ ভাগতী, খৰঙিত কৃষ্ণানন্দ, বান্দৰখেলত নিৰঞ্জন, ৰূপক'লীয়াত বৰ আতা, দিহাজাঙত সিংহালমিশ্ৰ, চকলিয়ালত মোহন বাপু, মণিপুৰত দয়াল বাপু, চিনাতলীয়াত হৰিচৰণ, লিজুৱাত হৰি বাপু, ঢকুৱাখনাত সুলভ, অৰ্জুন আতা, কৰাইখোৱাত কল্কি আতা, কাঁহীকুছিত অনন্ত কন্দলি, হৰিমিশ্ৰ, ৰামমিশ্ৰ, গদাধৰ আতা, গোবিন্দ আতা, গোপাল বাপু, কাকৈয়ালত ৰামচৰণ আতা, দিখৌমুখত ৰঘুপতি আতা, কঁকিলা-ধেমাজিত হৰিচৰণ আতা।[৫] গোবিন্দ দাসৰ মতে আধাৰ গোসাঁই চৈধ্যজন মেধিৰপৰা হোৱা সত্ৰ — পাৰিদিয়া, ঢেকিয়াল, পুঠিয়াল, মথুৰাপুৰ, তিপাম (মধুমিশ্ৰ), কপিলীয়াল, ডিমৌ,

---

৪ 'সন্ত-সম্প্ৰদা'ত কোৱা হৈছে, "আৰু মাধৱদেৱৰ আজ্ঞাৰে গুনা মধুপুৰী যাক আজ্ঞা দিলা, তাৰাকে মধুপুৰীয়া বোলে।" পদ্মআতা বদলাত আৰু কেশৱচৰণ আতা ভাটৌকুছিত এই মধুপুৰীয়া ধৰ্ম প্ৰবৰ্তালে। পদ্মআতাৰ আজ্ঞাৰে কৃষ্ণহৰি আতাই উলুতলিত, গোপাল আতাই মৌখোৱাত, তেওঁৰ নাতি সৰ্বানন্দই ডেবেৰাপাৰাত, গোবিন্দ আতাই হাবুঙত, ৰাম আতাই তিপামত সত্ৰ কৰিলে। কেশৱচৰণ আতাৰ আজ্ঞাৰে জটীয়াবলত জয় আতাই, কলাত মনজিয় আতাই, ভোগপুৰত দামোদৰ আতাই সত্ৰ কৰে। চৰিতমতে বদুলা আৰু ভাটৌকুছীয়া আতা অভেদ।

৫ ৰমানন্দ দ্বিজ-ৰচিত শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ সম্পাদকৰ পাতনি, ২০-২১ পিঠি চাওক।

জালগুৰীয়া, গুভিৰ, দাৰিকা, পকৰিয়া আদি।

নৰোৱা, কোবামৰা, দীঘলী, চামগুৰি — এই চাৰিখন শঙ্কৰদেৱৰ নাতিৰ জীয়াৰীৰ প্ৰধান সত্ৰ, অসম-কামৰূপ-বেহাৰ ৰাজ্যত বিশেষ সম্মানিত। 'এতন্মাৰ্গেৰ সাত্ৰেৰ লিখা — গাঙ্গমউ, বেলগুৰি, পালেঙ্গদি, কুমাৰকুছি, পাটবাউসি, পাটবাউসিৰবে অৰ্দ্ধেক দামোদৰি হয়। আৰ গণকুচি, বিষ্ণুপুৰ, বৈকুণ্ঠপুৰ, ঘিলাধাৰি, ৰামপুৰ, ভোগপুৰ, বালীসত্ৰ, আইভেটি, কুজি, বড়সুকদল, সৰু সুকদল, ইটাখুলি, বেহাৰত মধুপুৰ, কাকতকুটা, এবমাদি সত্ৰসকল ঐমত অধিনে থাকে। কালানুগতিতে কেহ কেহ স্বতন্ত্ৰমতো হৈয়াছে। তথাচ মানী হয়' (দেৱান)। পুৰুষোত্তম ঠাকুৰ, চতুৰ্ভুজ ঠাকুৰ আৰু আই কনকলতাৰ আজ্ঞাপৰ সত্ৰসমূহৰ নাম লৈ কিছু মতভেদ থকা দেখা যায়। এই বিষয়ত প্ৰথম উল্লেখ বোধ হয় অনিৰুদ্ধ দাসৰ 'গুৰু-বৰ্ণনা'ত (দুজনা গুৰু আৰু দুজনা ঠাকুৰৰ চৰিত) পোৱা যায়। এইমতে পুৰুষোত্তমে জনিয়াত বাৰ মহন্ত পাতে; কিন্তু (১) এলেঙিত বাপুকৃষ্ণ, (২) কুৰ্চুগুত কেশ, (৩) হাল্ধাআটিত মুকুন্দ, (৪) বেঙেনাআটিত মুৰাৰি, (৫) শালমৰীয়া কৃষ্ণাই, (৬) সাওকুছিত হৰিচৰণ, (৭) চিপহাত কৃষ্ণচৰণ, (৮) ভাগতীত পৰমানন্দ, (৯) গোমোথাত ৰামকৃষ্ণ, (১০) হোলোঙাগুৰিত গোপী গুৰু, (১১) চুঙাপৰাৰ কানাই, (১২) চতমিয়াত বাসুদেৱ, (১৩) কাথৰ পো বণিয়া হৰিচৰণ, (১৪) ফুলবাৰীত পৰশুৰাম, (১৫) ঠকবীয়াল কমললোচন, এই পোন্ধৰটি নাম দিয়া হৈছে (পদ ১৭৫-৭৮)। প্ৰায় সমসাময়িক বৈকুণ্ঠ দ্বিজৰ "সন্তমালা"ত কেশ, মুকুন্দ, গোপী গুৰু আৰু বণিয়া হৰিচৰণ নাই; ইয়াৰ ঠাইত আছে মাত্ৰ বেলশিৰীয়াৰ সনাতন। তদুপৰি বৈকুণ্ঠই এলেঙিৰ বাপুকৃষ্ণৰ ঠাইত 'বৰভক্ত নামে একজন', ঠকবীয়ালৰ কমললোচনৰ ঠাইত পৰমানন্দ, গোমোঠাৰ ৰামকৃষ্ণৰ ঠাইত জয়কানাই বুলিছে। ৰূপৰাম দেৱানে অনুৰুদ্ধৰ তালিকাৰ হালধিআটিৰ মুকুন্দ, শালমৰীয়া কৃষ্ণাই, চুঙাপৰাৰ কানাইৰ নাম দিয়া নাই, আৰু হোলোঙাগুৰিৰ গোপী গুৰু নুবুলি চেকেৰাতলীয়া গোপীনাথ নাম দিছে। এইমতেই বোধ হয় মূল বৰবাৰজনীয়াৰ লেখ হ'ব।[৬] দেৱানে হালধিআটিৰ মুকুন্দ চুঙাপৰাৰ কানাইক চতুৰ্ভুজ ঠাকুৰৰ সৰু বাৰজনীয়াৰ লেখত ধৰিছে; বাকী দহজন — নাচনীপাৰৰ ৰতিকান্ত, উজনিয়ালৰ কানু, ঘৰকটীয়াৰ জয়কৃষ্ণ, বেলসিৰিৰ সনাতন, কনগাঁৱৰ দেৱৰাম ভাবক, গভিৰৰ জয়কানু, বিহিমপুৰৰ গোবিন্দ, কাৱৈমৰীয়া গোপাল, ভাওৰাল বিষ্ণু আৰু শলগুৰিৰ ৰত্নাকৰ। 'সন্ত-সম্প্ৰদা'ত এই তালিকা সামান্য পৃথক —

---

৬ বিষ্ণুনাথৰ বৰজুনাত পুৰুষোত্তম ঠাকুৰৰ আচাৰ্য বাৰজনৰ ভিতৰত কেশৱ, হালধিআটিৰ মুকুন্দ, শালমৰীয়া কৃষ্ণাই, চুঙাপৰাৰ কানাই ধৰা হোৱা নাই, কাথৰ পো বণিয়া হৰিচৰণৰ ঠাইত 'মুকুন্দ কাথৰ পুত্ৰক কৈলা' বুলি কৈ থৈছে, আনফালে নিৰঞ্জন পাণ্ডৱগিৰীৰ পুত্ৰ চক্ৰপাণিৰ চামগুৰি, শাৰঙ্গপাণিৰ দীঘলী আৰু গদাপাণিৰ চকাইখোলা (কোৱোৰা?) সত্ৰ বৰবাৰজনীয়াৰ ভিতৰত ধৰা হৈছে।

কুৰৈচুঙীয়া কেশৱ, বৰ সনাতন, হালধিবৰীয়া বৰমুকুন্দ, বিহিমপুৰীয়া মাধ, চেকেৰাতলীয়া গোপীনাথ, বনগঞা মাধ, ৰঘুপতি, কাৰেমৰীয়া গোবিন্দ, নলতলীয়া ৰাম, ঘৰকটীয়া জয়কৃষ্ণ, চালিকটীয়া জয়কানাই, লাইঅটীয়া শ্ৰীহৰি। বিভুনাথে দেৱানৰ তালিকাৰ নাচনীপাৰৰ ৰতিকান্ত আৰু উজনিয়াল কানুৰ ঠাইত কুঁৱৈচুঙিৰ কেশৱ আৰু মিছিমিৰ হৰিচৰণক ধৰিছে। বাকী সত্ৰৰ দেৱৰাম ভায়ক, জয়কৃষ্ণ, গোপাল আৰু জয়কানু নামৰ ঠাইত হৰিদেৱ, জয়হৰি, জয় গোপীকান্ত, (গুভৰিয়াল) কানাইৰ নাম দিয়া হৈছে। কনকলতা আইৰ আজ্ঞাপৰ সত্ৰ-মহন্ত লৈ নানা মতবিৰোধ বৰ্তমান। আচল কথা এনে হ'ব পাৰে যে এফালে বৰবাৰজনীয়া আৰু সৰুবাৰজনীয়া, আনফালে সৰুবাৰজনীয়া আৰু কনকলতা-বাৰজনীয়াৰ মাজত প্ৰথমৰেপৰা কিছু কথাত ভেদভাব কৰা নহৈছিল; গতিকে নামবিলাক সানমিহলি হৈ পৰিছে। 'সন্তমালা', হৰিদাসৰ 'লক্ষ্মীআইৰ চৰিত্ৰ' আৰু ভদ্ৰচাৰুবিৰচিত 'অনন্ত আতাৰ চৰিত্ৰ'ত চতুৰ্ভুজ আৰু কনকলতাৰ আচাৰ্য চৌবিশজনৰ নাম একেলগে দিয়া হৈছে। ভদ্ৰচাৰুৰ তালিকাত মণিৰাম দেৱান, গোবিন্দ দাস আৰু বিভুনাথে দিয়া বৰ-সৰু বাৰজনীয়াৰ লেখত নথকা এইকেইটি নাম পোৱা যায় — বৰভকতৰ নাতি শঙ্কৰগতি (খাতপাৰ), শ্ৰীৰাম (পাতকিয়া), জয়কৃষ্ণ (খেৰকটীয়া), আধাৰ যদুমণিৰ পুত্ৰ জগতানন্দন, হৰিচৰণ বাপু (নখেতি), ৰতিকান্ত (নেপালি), শ্ৰীৰাম (শলগুৰি), ৰামচৰণ (ধুধুলি), সাধু দ্বিজ (দিগ্‌চোং), হৰিচৰণ (লেতেৰী), নাৰায়ণ (কৌপতীয়া), অনন্ত (কালশিলা), নাৰদ (দৰং)।[৭] ভদ্ৰচাৰুৰ সনাতন কায়স্থ, খাৰগঞা ৰত্নাকৰ, কণ্টৰীৰ ৰঘুপতি, নাচনীপৰীয়া ৰামভদ্ৰ, মিচিমি-নন্দন জয়হৰি ক্ৰমে গোবিন্দ দাসৰ বৰ সনাতন, দেৱানৰ শলগুৰিৰ ৰত্নাকৰ, গোবিন্দ দাসৰ ৰঘুপতি, দেৱানৰ নাচনীপৰীয়া ৰতিকান্তেৰে একে নে ঠিৰাংকৈ ক'ব পৰা নগ'ল। বিভুনাথে কনকাৰ আজ্ঞাপৰ বাৰজনৰ নাম সুকীয়াকৈ দিছে — ৰামচৰণ (কৌপাটি), ৰাম (নাচপাৰ), জয় গোপীকান্ত (নলতিয়াল), ৰতিকান্ত (নেপালি), ৰঘুপতি (লখীমপুৰ), হৰিগতি (কণ্টৰী), পৰমানন্দ (কোঠগ্ৰাম), গোপাল (কমলাবাৰী), ভূঞাৰ-পুত্ৰ (খেদাপাৰ), শ্ৰীৰাম (হাবুং), কৃষ্ণ (শালমাৰি), বাচপতি গুৰু। মণিৰাম দেৱানে বিভুনাথৰ এই তালিকাৰ কণ্টৰী (হৰিগতি), শালমাৰি (কৃষ্ণ) আৰু নাচপাৰৰ (ৰাম) ঠাইত কন্ধলাগঞা (শঙ্কৰগতি), মিচিমি (হৰিনন্দন) আৰু পটিয়ৰি সত্ৰ (হৰিচৰণ) ধৰি মহন্তসকলক দামোদৰ আতাৰপৰা বঢ়া বুলি কৈছে। বৰ্তমান গুৱাহাটী বিশ্ববিদ্যালয়ত সংৰক্ষিত শঙ্কৰ-পত্নী কালিন্দী আইৰ মৰণ-সময়ৰ আজ্ঞামতে লিখা চৰিত্ৰ এখনত (নকল ১৮৩৬ শক) আছে, লক্ষ্মী আয়ে পতা শালমৰীয়া আৰু কালশিলীয়া সত্ৰ আৰু নিজ পুত্ৰসকলৰ দীঘলী, চামগুৰি, ঘৰিয়ালেখোৱা আৰু জাজৰি এই ছখন 'মাজিউ বাৰেজনীয়া সত্ৰ' বোলে। কৌপটীয়া,

৭ ১৩৫-১৩৬ পৃষ্ঠাত চাওক।

লগতিয়া (নলতিয়াল?), মিছিমি, কঁকিলা, মলুবাল, খোটগাঁয়া, কালুগঞা, খেদাপৰীয়া, পাতকটীয়া, অভয়পুৰীয়া, আৰু দুখনে সৈতে নবোবাৰ দামোদৰ আতাই পতা 'বাৰেজনা ব্ৰাহ্মণ, আইসকলে পতা পাঁচজন কায়স্থ। চতুৰ্ভুজ ঠাকুৰৰ অংশে অংশে পতা উনৈছখন সৰু বাৰেজনীয়া সত্ৰ বোলে।'

মণিৰাম দেৱানে লিখিছে, ৰজাঘৰীয়া হিচাপমতে শ্ৰীকৃষ্ণৰপৰা বঢ়া এলেঙিৰ ছাপন্নখন সত্ৰ হয় — বৰএলেঙি, কাকৰিকটা, ভাগতীজনা, বগীআই, বাজিবঙা, ফেদেলাবাপু, সৰুএলেঙি, নিকামুল, বালিসত্ৰ, পোৰাভেটি, মদাৰগুৰি, পুখুৰীপাৰ, বাঁহজেঙনি, ডোখৰামুখ, ৰূপনাৰায়ণ, গোনামৰীয়া, মাধআতাৰি আদি। বিশ্ববিদ্যালয়ত সংৰক্ষিত কথা-চৰিতখনত শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণৰ পুত্ৰ বাপুৰামদেৱৰ এঘাৰজন পুত্ৰৰপৰা এঘাৰখন সত্ৰ হোৱা দেখুওৱা হৈছে — পুৰ্তমচৰণ (বৰএলেঙি), কৃষ্ণানন্দ (লেটুগ্ৰাম), হৰিচৰণ (ৰেপাজিগাঁও?), প্ৰাণহৰি (বাঁহজেঙনি), জীৱনহৰি (মদাৰগুৰি), মাধৱানন্দ (নিকামুল), সহজানন্দ (গোনামৰা), স্বৰূপানন্দ (দক্ষিণপাৰ), ৰমাকান্ত (কদোবাহী), সহদেব (সাৰজান) আৰু নৃসিংহ (নৰসিংহ)। এই তালিকাৰ লগত 'পৱিত্ৰ অসম'ত সন্নিবিষ্ট বিৱৰণৰ সম্পূৰ্ণ মিল নাই।[৮] বাপুৰামদেৱৰ ভায়েক শঙ্কৰগতিৰ পুত্ৰ হৰিৰামৰ সত্ৰ খাতপাৰ, বলোৰামৰ সত্ৰ উলুতলি।[৯]

মথুৰাদাস বুঢ়া আতাক তাঁতীকুছি বৰপেটাৰ সত্ৰীয়া পাতি মাধৱদেৱে বৰনদী আৰু সোণকোষৰ মাজৰ ধৰ্মৰাজ্য গতাই দিয়ে। দেৱানে এই অঞ্চলৰ সত্ৰৰ নাম দিছে — গণকুছি, সুন্দৰীদিয়া, বাৰাদি, জনিয়া, টকৌবাৰী, চৰ্মৰিয়া, হালধা, কৈমাৰি, বগুনা, ন সত্ৰ, পুৰণি সত্ৰ, চাপৰি সত্ৰ, উপৰবাপু, সূৰ্যাবাপু, বাঁহবাৰী, বৌমাৰি, কুঢ়িমাৰি, বৰ আৰু সৰু হাৰামদ, ধুপৰগুৰি, ঢাকুৰাপাৰা, গোমুৰা, মালীবাৰী, বৰফুলগুৰি, চিকাৰহাটি, নবাৰী, দীঘলী, বগনা, বেলগুৰি 'এমবাদি আৰ যেসকল সত্ৰ আছে তাবদীয় বৰপেটাৰ সমূহ সত্ৰীয়াসকলৰ আজ্ঞাতে নিযুক্ত হয়।' দেৱানে একে অঞ্চলৰ দামোদৰী-হৰিদেৱী সত্ৰসমূহৰ নাম দিছে — লোচনবৰীয়া, কাৰৈমৰীয়া, মাধপুৰ, গুৱালকুছি, নোগোৰা, ৰামৰায়কুঠি, শ্ৰীনাথ, ছত্ৰপুৰ, জালিপুৰ, চিকাৰপুৰ, নাৰায়ণপুৰ, ঘগৰা, জিলহাটী, গোমাৰা, মৰাপুৰ, নগদিপুৰ, কুমাৰগোৰা, গৰৈমাৰি, শীলতিয়া, ডিমালপুৰ, শামুর্ণান, শিয়ালপুৰ, ঘাগৰিয়াল, অগ্নিপুৰ, চত্ৰামনাথ, ভেবাগুৰি, ভলুকাগুৰি, গুৱাবাৰী, শিমলীগুৰি, বিৰিণাগুৰি, নাৰাঙ্গপুৰ, সনতপুৰ, কনৰা, পিলপোতা, অগ্নিশাল, শলখগুৰি নোগৰা — 'এইসকল সত্ৰ দুই মাৰ্গেৰি আছে। কিন্তু চৈতন্য পথেৰো কয়েক সত্ৰ আছে, আহাৰ ভেদ কহিতে পাৰি না।'

অসমত আজি মুঠ সত্ৰৰ সংখ্যা কিমান সঠিকভাৱে নিৰ্ণয় কৰিবৰ কোনো প্ৰয়াস

৮ ১২৮-১৩৩ পিঠি চাওক।

৯ ৪৮ পিঠি চাওক।

হোৱা নাই। ১৯০৪ চনৰ শিৱসাগৰ জিলাৰ গেজেটিয়াৰমতে সেই জিলাতে ১৮৮ খনৰ কম সত্ৰ নাছিল।

আজিৰ পশ্চিম বঙ্গই সামৰি লোৱা কোচবেহাৰৰ ভাষা, অৰ্থনৈতিক-সামাজিক জীৱন, ভৌগোলিক-নৈসৰ্গিক লক্ষণ অসমৰ লগত সাঙোৰ খাই আছে, যদিও ওপৰৰপৰা তাৰ ওপৰত দক্ষিণ-পশ্চিম বঙ্গৰ হেঁচাত সেই জীৱন-লক্ষণবোৰ ম্ৰিয়মাণ। অসমৰ সামাজিক জীৱনৰ ধ্বজাস্বৰূপ সত্ৰ অনুষ্ঠান কোচবেহাৰত বুৰিয়ে বুৰিয়ে আছিল; অসমত অনেক সত্ৰ মোলান পৰাৰ দৰে তাৰো সকলো সত্ৰ ম্লান, মুমূৰ্ষ বা মৃত।

অসমত চৈতন্য সম্প্ৰদায়ৰো প্ৰচাৰ হয় আৰু চৈতন্যদেৱৰ পৰমানুৰক্ত নিত্যানন্দৰ বংশৰ লোকসকলেই সেই প্ৰচাৰ আৰম্ভ কৰে। কামৰূপত পোনতেই কেইবাখনিও চৈতন্যীয়া সত্ৰ হয়, দেৰগাঁৱত হয় এখনি; কিন্তু দেৰগাঁৱৰ সত্ৰখনিৰ সম্ভেদ বৰ্তমানে পাব পৰা নগ'ল। আগতে যোৰহাটৰ কৰঙাত থকা আৰু *এতিয়া বৰপথাৰলৈ উঠি* অহা পুৰুষোত্তম বা পুৰ্তমীয়া সত্ৰ চৈতানীয়া বুলি জনা গৈছে। নগাঁৱৰ ভিতৰত বাঘৰগঞা বা কঁহুৱাতলি, খোলাগাঁও, দৈপৰা আৰু বৰঙাবাৰী, এই কেইখন চৈতন্যীয় সত্ৰৰ প্ৰথমখিনি এতিয়া সম্পূৰ্ণ মহাপুৰুষীয়া হৈ পৰিছে। আনসকলেও মহাপুৰুষীয়া আৰ্হিৰে 'সত্ৰ', 'নামঘৰ', 'মণিকূট'হে কৰিছে। গোৱালপাৰাৰ বঙাইগাঁৱৰ চৈতন্যধাম বৰ বেছি পুৰণি নহয়। আগৰ অসমৰ অন্তৰ্গত চিলটৰ লাউড়গ্ৰামত চৈতন্যদেৱৰ অন্যতম সঙ্গী অদ্বৈত মহাপ্ৰভুৰ জন্ম; তেওঁৰ স্মৃতি বিভক্ত অসমৰ খাছিয়া-জয়ন্তীয়া পৰ্বতৰ পণাতীৰ্থই এতিয়াও বহন কৰিছে।

নৱবৈষ্ণৱধৰ্ম-প্ৰচাৰৰ লগে লগে অসম জুৰি গাঁৱে গাঁৱে সত্ৰানুষ্ঠানৰ সমান্তৰালভাৱে নামঘৰ নিৰ্মিত আৰু প্ৰতিপালিত হয়। অনেক এনে নামঘৰৰ দীঘলীয়া ঐতিহ্য আৰু মাহাত্ম্যৰ কথা চাৰিওফালে বিয়পি পৰা দেখা যায়। নগাঁৱৰ সত্ৰীয়া আদৰ্শৰ নামঘৰবোৰৰ বিৱৰণ যথাস্থানত দিয়া হৈছে। যোৰহাট নগৰৰ ন মাইল পূবে লাহদৈগড়ৰ পূবে ট্ৰাঙ্কৰোডৰ উত্তৰে ঢেকীয়াখোৱা গাঁৱৰ নামঘৰ অতি পুৰণি। কথিত আছে, মাধৱদেৱ গড়গাঁৱত নজৰ বন্দী হৈ থাকি ভটীয়াই যোৱা সময়ত এই ঠাইতে বন্তি জ্বলাই কেইদিনমান আছিল। আৰু ৰাইজে বন্তিৰ স্থানতে সিংহাসন পাতি নামঘৰ সাজি সেই বন্তিকে অক্ষয় কৰি ৰাখিছে। নামঘৰটিলৈ সদায় শৰাই আহে; নিতৌ নাম-কীৰ্তন হয়। ইয়াৰ মহিমাৰ কথা অনেক শুনা যায়।

কামৰূপ জিলাত এটি বিশেষত্বপূৰ্ণ বৈষ্ণৱ অনুষ্ঠান শঙ্কৰী ধৰ্মৰ বিস্তাৰৰ ফলতে জন্ম লৈ উঠে; সেইটি হ'ল সৎসঙ্গী সত্ৰ বা মঠ, সৎসঙ্গ বা সচং। শেষ আহোম ৰাজত্বৰ সময়তে এই অনুষ্ঠানৰ উদ্ভৱ আৰু প্ৰতিষ্ঠা হোৱা যেন লাগে। তাৰ অনেকখনিয়েই ধৰ্মোত্তৰৰ যোগে পৃষ্ঠপোষকতা লাভ কৰিছিল শিৱসিংহ স্বৰ্গদেৱৰপৰা। সচংবিলাক চাবলৈ গ'লে সত্ৰতকৈ কম পৰিমাণে ৰাজহুৱা আৰু যাইকৈ পাৰিবাৰিক। সচঙৰ গৰাকী

বহুতে মেধি-মহন্ত উপাধি ল'বলৈ ধৰে আৰু কামৰূপত 'মহন্তীয়া' আখ্যাটিত বিশেষ এটি তাৎপৰ্য আৰোপ কৰে। এওঁলোকৰ মূল ধৰ্মানুষ্ঠানত থাৰজন একেওটিৰ বৈষ্ণৱ বহে আৰু বহুতো চাকি-বন্তি জ্বলাই বিতোপন সভা পাতে। ভকত-সেৱা, পূৰ্ণ-সেৱা, কৰণিসেৱা, গৰখীয়া-সেৱা আদি সচৰাচৰ চলে, বহুত বন্তি আদি লগাই অনুষ্ঠানবোৰ সাধাৰণতঃ ৰাতি হয়।

●

পূৰণি কামৰূপ ৰাজ্যত ভগবান বুদ্ধদেৱৰ আৰ্য অষ্টাঙ্গিক মাৰ্গৰ পঞ্চশীল, অষ্টাঙ্গশীল, দশশীল আদিৰ প্ৰচাৰ হৈছিল নে নাই কোনো ইঙ্গিতেই পোৱা নাযায় বুলিব পাৰি। ৬৪৩ চনমানত ভাস্কৰবৰ্মাৰ কামৰূপলৈ অহা চীনৰ মহাযানী বৌদ্ধ পৰিব্ৰাজক হিৱেন্‌চাঙৰ টোকাৰপৰাও জনা যায়, কামৰূপৰ মানুহে দেৱ-পূজা কৰে, বৌদ্ধধৰ্মত এওঁলোকৰ বিশ্বাস নাছিল। তেতিয়া কামৰূপত দেৱ-মন্দিৰ শই শই, কিন্তু সংঘাৰাম এটিও তেতিয়ালৈকে কোনেও সজোৱা নাই। আনফালে ভাস্কৰবৰ্মাই হিৱেন্‌চাঙক জনোৱা আদৰ-সাদৰ আৰু ৰাজ-তৰঙ্গিণীত অমৃতপ্ৰভাৰ পিতৃ কামৰূপেশ্বৰৰ গুৰু বৌদ্ধ ভিক্ষু স্তৌনপাৰ উল্লেখ মন কৰিবলগীয়া।

বজ্ৰযান আদি তান্ত্ৰিক বৌদ্ধধৰ্মৰ ৰূপবোৰৰ লীলাক্ষেত্ৰ-ৰূপে কামৰূপ বিখ্যাত হৈ পৰিছিল। বজ্ৰযান অদ্বৈত দৰ্শন, ইন্দ্ৰজালবিদ্যা, শূন্যবাতত্ত্বৰ লগত বৌদ্ধ ধৰণ-ধাৰণা সামান্যভাৱে মিহলি কৰি কৰা এক অদ্ভুত মিশ্ৰণ। কামৰূপ এওঁলোকৰ এটি প্ৰধান কেন্দ্ৰ। বজ্ৰাচাৰ্যসকলৰ কেইবাজনকো পণ্ডিতসকলে কামৰূপৰ লগত সম্বন্ধিত থকা দেখা পাইছে। এইসকলৰ ভিতৰত মীননাথ প্ৰধান। ভোট, তিব্বত আৰু দক্ষিণ-পশ্চিম চীনৰ লামা বৌদ্ধধৰ্মই হাজোক বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ স্থান কুশীনগৰ বুলি বিশ্বাস কৰে; লামাসকলে হয়গ্ৰীৱ-মাধৱক মহামুনি বুদ্ধ বুলি ধৰে। এই বিশ্বাসবোৰ কিমান দিনৰ পুৰণি সি বিচাৰ্য। কামৰূপৰ কামাখ্যা-মন্দিৰো মূলতে বৌদ্ধ মন্দিৰ আছিল বুলি কোনো পণ্ডিতে লিখিছে।

শঙ্কৰদেৱৰ ধৰ্মপ্ৰচাৰৰ সময়ত বামাচাৰী তান্ত্ৰিক বৌদ্ধধৰ্মই কামৰূপত ঘোৰ বামাচাৰৰ ৰূপ ধাৰণ কৰি আছিল। সেই গতিকেই স্বয়ং শঙ্কৰদেৱেই ভগৱান বুদ্ধক অপবাদ দি কৈছিল — 'বুদ্ধ-অৱতাৰে বেদ-পথ কৰি ছন্ন। বামানয় শাস্ত্ৰে মুহি আছা সৰ্বজন।।' এই সময়ত যাদু-মন্ত্ৰ কৰি ফুৰা অনেক বৌদ্ধ দেশ জুৰি আছিল। এওঁলোকৰ প্ৰভাৱ বৈষ্ণৱ ধৰ্মই সম্পূৰ্ণৰূপে মষিমূৰ কৰি পেলায়।

অসমত যেতিয়া আকৌ বৌদ্ধধৰ্মই দেখা দিয়ে, তেতিয়া সি পৰিত্ৰ ৰূপত আহে দক্ষিণ-পশ্চিম এচিয়াৰপৰা। বৰ্তমান অসমৰ প্ৰায়বোৰ জিলাতে থকা বৌদ্ধসকল সাধাৰণতে ভুটীয়া, নেপালী আৰু আন আন পমুৱা লোক। কামৰূপত দেৱানন্দিত

ভুটীয়া বৌদ্ধ গাঁও এখনেই আছে। উত্তৰ-পূব সীমান্ত অঞ্চলৰ মন্‌পা, শ্বেৰডুকপেন, মেম্বা, খাম্বা, খামটিসকল বৌদ্ধ। এই অঞ্চলৰ আৰু ডিব্ৰুগড় অঞ্চলৰো বৌদ্ধসকলৰ ভিতৰত বৰখামটি, হুকং উপত্যকা আৰু শ্যান ৰাজ্যবোৰৰপৰা আহি অসমত বসতি কৰা খামটি, চিংফৌ আৰু ফাকিয়াল লোক আছে। ১৯০১ চনৰ মানুহপিয়লত লখীমপুৰ জিলাৰ চিংফৌসকলৰ আধাতকৈ অধিক বৌদ্ধ বুলি নিৰ্ণীত হৈছিল। দোৱনীয়াসকল মাৰ্ঘেৰিটা অঞ্চলৰ এম্ভেম, কেটেটং, মুংগং, ইংটং আদি দহখনমান গাঁৱত থাকে। ব্ৰিটিশ আমোলৰ আৰম্ভতে বৰ্মাৰপৰা এজন ফুঙ্গি আহি এওঁলোকক ধৰ্ম দিয়ে। নাহৰকটীয়া অঞ্চলৰ নাম-ফাকিয়াল আৰু তিপাম-ফাকিয়াল, মাৰ্ঘেৰিটা অঞ্চলৰ বৰফাকিয়াল আদি বৌদ্ধ ফাকিয়াল বা তাই-ফাকে লোক আছে। মানমৌ আৰু লিডু অঞ্চলতো তাই-ফাকে লোক পোৱা যায়।[১] উত্তৰ লখীমপুৰৰ গোসাঁইবাৰী আৰু বৰখামটি গাঁৱৰ খামটি বৌদ্ধসকল যোৱা শতিকাৰ মাজভাগত ব্ৰিটিশ চৰকাৰে নি ৰাজনৈতিক কাৰণত সংস্থাপন কৰেগৈ।[২] যোৱা শতিকাতে খামজতিৰপৰা অহা নৰা বৌদ্ধসকল শিৱসাগৰ মহকুমাৰ চলাপথাৰত আৰু তাৰে এটি ঠাল দিচাংপানীত বিহাৰ আদি সাজি বহিছেগৈ।[৩] অসমত মানৰ আক্ৰমণ আৰু মানৰ দিনৰ পিছত ইয়াত কিছুমান লোক অ'ত-ত'ত ৰৈ যায়, এনে এটি লোকৰ সৰু উপনিৱেশ গাৰোপাহাৰৰ ফুলবাৰীত আছে। এওঁলোক বৌদ্ধ আৰু মানদেশৰ ফুঙ্গি আহি ধৰ্মোপদেশ প্ৰদান কৰে। যোৰহাটৰ তিতাবৰ-খৰিকটীয়া-বৰহোলাত তুৰুং আৰু নৰা গাঁও আছে; গোলাঘাটত আৰু অন্যান্য ঠাইতো শ্যাম লোক পোৱা যায়। এইসকল বৌদ্ধ। যোৰহাটৰ চিনামৰা আদি ঠাইতো চাটগাঁয়া বৌদ্ধ লোক আদি বহিছে। য'তেই এইদৰে স্থানীয় বৌদ্ধসকলৰ গাঁও হৈছে, ত'তেই বৈষ্ণৱ নামঘৰৰ দৰে একোটি সৰু-ডাঙৰ বিহাৰ আছে; কোনো কোনো ঠাইত এই বিহাৰক বাপুচাং বোলা হয়, কাৰণ বিহাৰৰ গৰাকী শ্ৰমণ বা ভিক্ষুণ হ'ল বাপু। কিছু দিনৰ ভিতৰত বাহিৰৰ বৌদ্ধসকল আহি শ্বিলং আদি ঠাইত বিহাৰ পাতিছে

●

---

১ সৰ্বানন্দ ৰাজকুমাৰদেৱৰ চিঠি আৰু টোকাৰপৰা দোৱনীয়া আৰু ফাকিয়ালৰ বিৱৰণ পোৱা গৈছে। 'অসমৰ জনজাতি' পুথি চাওক।

২ ২০ পিঠি চাওক।

৩ ৫৬-৫৭ পিঠি চাওক। অসমৰ চলিত বৌদ্ধ-ধৰ্মৰ বিষয়ে মহেশ্বৰ নেওগ সম্পাদিত *Pragjyotisa* (Souvenir, All India Oriental Conference, Gauhati, 1964) গ্ৰন্থত লেখকৰ 'Living Buddhism in Assam' প্ৰবন্ধত বহল আলোচনা সন্নিবিষ্ট হৈছে। ভুটীয়া, মন্‌পা, শ্বেৰডুকপেন, মেম্বা, খাম্বাসকল লামা বৌদ্ধ; অৰ্থাৎ তেওঁলোকে তিব্বতৰ ধৰ্ম মানে। আনকালে খামটি, নৰা, ফাকিয়াল আদি আনসকলে ব্ৰহ্মদেশৰ মতে হীনযান বা আদি বৌদ্ধ পন্থমতে চলে।

আহোমসকলৰ নিজস্ব সেৱা-পূজাৰ থলীৰ বিষয়ে সৰহ কথা পোৱা নাযায়। এওঁলোকৰ প্ৰায় সকলোৱেই বৈষ্ণৱ আৰু শাক্তধৰ্ম গ্ৰহণ কৰে; ফলত দেওধাই, মহন আৰু বাইলুংসকলৰ কাৰ্য লাহে লাহে বেছি সীমাবদ্ধ হৈ পৰে। চৰাইদেওৰ লাংকুৰি দ'ল আৰু বানটুং দ'লত হিন্দু আৰু আহোম পদ্ধতিৰ কি সমিলমিল ঘটিছিল, বিশেষ জনা নাযায়। আহোম পুৰোহিতসকলে নিজা বিধিমতে পূজা-বলি দিয়া ওমফা দেৱ স্থৰ থলী ৰঙাগৰা দেওশাল বৰ্তমানো জাগ্ৰত বুলি বিশ্বাস আছে।

●

চুতীয়া-দেউৰীসকলৰ পূজা-সেৱাৰ থল ডিব্ৰুগড়ৰ তাম্ৰেশ্বৰী মন্দিৰ অঞ্চলত আৰু শিৱসাগৰৰো ঠায়ে ঠায়ে আঙুলিয়াই দিয়া হৈছে। কামৰূপত বজালী অঞ্চলত ভূটীয়াসকলৰ অধীনে আৰু তেজপুৰৰ কিৰাং-ওৰাঙত অঁকা আৰু ভূটীয়াৰ অধীনে পূজা চলিছিল বুলি বিশ্বাস আছে। দৰং, কামৰূপ আৰু গোৱালপাৰাত অব্ৰাহ্মণ পূজাৰি থকা দ'ল-দেৱালয় অনেক আছে। এই প্ৰসঙ্গত হাজোৰ হয়গ্ৰীৱ-মাধৱৰ মন্দিৰৰ বিশ্বাসীসকলৰ কথাও সুঁৱৰিব লগীয়া। আনফালে, নৰনাৰায়ণ ৰজাই তাহানি নিবন্ধন কৰি দিছিল, গোঁহাইকমল আলিৰ উত্তৰে সকলো মন্দিৰতে কোচে-মেচে পূজা কৰিব আৰু দক্ষিণতহে ব্ৰাহ্মণৰ পূজা থাকিব। বজালী অঞ্চলৰ কুঞ্জীদেওৰ আৰু - পুৰদেওৰ, মণ্ডলদৈৰ মুৰাদেওৰ নামৰ 'দেওৰ' অংশ মন কাৰবলগীয়া; দেৰগাঁৱৰো পুৰণি নাম দেৱৰ-গাঁও। ইয়াত 'দেওৰ' আৰু 'দেৱৰ' শব্দই মন্দিৰ বুজাইছে আৰু সম্ভৱতঃ 'দেৱগৃহ' শব্দৰপৰাই তাৰ উৎপত্তি। 'দেওৰ'ৰপৰাই আকৌ 'দেওৰী' বা 'দেউৰী' হোৱা সম্ভৱপৰ। এই দেওৰৰ গাত অ-হিন্দু স্পৰ্শ আছে বুলি সন্দেহ হয়। ডক্টৰ কাকতিয়ে 'দ'ল' শব্দটোৰো অ-সংস্কৃত উৎপত্তিহে দেখুৱাইছে।

●

অসমত যি জৈন লোকসংখ্যা আছে, তাৰ প্ৰায়খিনিয়েই মাৰোৱাৰৰ লোক। স্থানীয় মানুহৰ মাজত এই ধৰ্মৰ প্ৰচাৰ আদিৰেপৰাই নাই। জৈনসকলৰ মাজত সৰু সৰু এজোটি ঘৰত পূজা-সেৱাৰ ব্যৱস্থা চলি আছে; ধুবুৰী, বঙাইগাঁও আদিত জৈন মন্দিৰ আছে, ধুবুৰীৰ শনি-মন্দিৰো জৈনসকলৰ দ্বাৰায় পৰিচালিত।

●

শিখধৰ্ম-প্ৰবৰ্তক নানক ছাহেব কামৰূপলৈ আহিছিল বুলি শিখসকলৰ মাজত এটি বিশ্বাস আছে। এই সম্পৰ্কে শিখ গ্ৰন্থত নানা উপকথাৰো বৰ্ণনা আছে। অম্বৰাধিপতি ৰামসিংহৰ অসম-আক্ৰমণৰ সময়ত শিখ গুৰু তেগ বাহাদুৰ ১৬৬৬ খ্ৰীষ্টাব্দত ৰামসিংহৰ

লগত মুঙ্গেৰ, ৰাজমহল, মালদহ, ঢাকাইদি আহি ৰঙামাটিলৈ যাত্ৰা কৰে। ধুবুৰী পাই তেওঁ ৰামসিংহ আৰু আন সেনাপতিসকলক কয়, সেই স্থান নানকজীৰ পদধূলাৰে পবিত্ৰ, গতিকে সৈন্যসকলে পাঁচ ঢালকৈ মাটি আনি এটি টিপ তুলিব লাগে। সেইমতেই কাম হ'ল। শিখ বুৰঞ্জীত আছে, টেগ বাহাদুৰৰ অনেক শিষ্য কামৰূপতে ৰৈ গ'ল আৰু তেওঁলোকৰ সতি-সন্ততিসকল এতিয়াও ধুবুৰী আৰু ছাওতলাত (শিখটোলা) আছে। সৈন্যসকলে কৰা টিপটিৰ নাম দমদমা, ধুবুৰীৰ নামো শিখসকলৰ মতে দমদমা। মোগল আক্ৰমণৰ আপাহতে অসমত শিখৰ বসতি হয়। নগাঁও জিলাতো নিৰহ-নিপানী অসমীয়া শিখ লোকসংখ্যা এটি আছে।

●

বঙ্গৰ ৰাজা ৰামমোহন ৰায় প্ৰৱৰ্তিত বেদান্ত-প্ৰতিপাদিত একেশ্বৰবাদী ব্ৰাহ্মধৰ্মৰ প্ৰভাৱ গুৱাহাটী, ধুবুৰী আদি নগৰীত যোৱা শতিকাৰ শেহৰ ফালে, ক্ষীণভাৱে হ'লেও অনুভূত হয়, তেওঁলোকৰ ব্ৰহ্মোপসনাৰ মন্দিৰো এইবোৰ ঠাইত আছে। লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন-সোঁৱৰণ'ত ব্ৰাহ্ম-ধৰ্ম প্ৰচাৰকসকলৰ বক্তৃতাৰ জাউৰি আৰু তাৰপৰা হোৱা আলোড়নৰ কিছু বৰ্ণনা আছে।

●

জনজাতীয় লোকসকলৰ ধৰ্মৰ বিষয়ে আলচ কৰিবৰ স্থান আমাৰ এই ভূমিকা নহয়। সেই সম্পৰ্কে বহল আলোচনাৰ প্ৰয়োজন। তেওঁলোকৰ নিজস্ব প্ৰাচীন ধৰ্মৰ লগত জড়িত পবিত্ৰ স্থান বৰ বেছি নাই। অনেক ক্ষেত্ৰত বুঢ়া-বুঢ়ী, কালী, কেঁচাইখাঁতী, কামাখ্যা আদিৰ থানৰ দৰে আন হিন্দুসকলৰ থানবোৰেই এওঁলোকৰ থান, যদিও বিশ্বাস বা ধৰ্ম-পদ্ধতি অলপ পৃথক হ'ব পাৰে। উত্তৰ কাছাৰ পৰ্বতৰ ডিমাছা কছাৰীসকলৰ মাজত প্ৰচলিত এটি প্ৰাৰ্থনা গীতত আছে, কছাৰী জাতিৰ জন্ম ডিলাও (ব্ৰহ্মপুত্ৰ) আৰু চাগি নৈৰ সঙ্গম-স্থলত হোৱা এজোপা বড়-গছৰ তলত। তাত তেওঁলোকৰ বংশ বাঢ়ি পৰাত পানীয়ে-বামে আহি নীলাচল পায়হি; তাৰপৰা হালালিলৈ যায় আৰু শেষত ডিমাপুৰত বসতি কৰিবলৈ ধৰে। এই কাহিনীটোৱে কছাৰীসকল বিৰাট ইণ্ডো-চীন গোষ্ঠীৰ লোক বোলা মতবাদকে সমৰ্থন কৰে। বড়ো, সোণোৱাল, ঠেঙাল, মেচ আদি বিবিধ নামে অভিহিত "কছাৰীসকলৰ ধৰ্ম-উপাসনা, পূজা-পাতলৰ ঘাইকৈ এই চাৰিটা ধাৰা উল্লেখ কৰিব পাৰি, — আদিম ধৰ্মপন্থী, শৈৱ-শাক্ত, বৈষ্ণৱ, ব্ৰহ্মধৰ্মপন্থী আৰু খ্ৰীষ্টান। আদিম ধৰ্মপন্থীসকলে বাথৌ বা বাথৌব্ৰাই নামে অভিহিত সৰ্বশক্তিমান দেৱদিদেৱৰ অৰ্চনা কৰে। বাথৌৰ প্ৰতীক সিজু গছ; সিজু গছ ৰুই তাৰ চাৰিওফালে পাঁচোটা মেৰ দি বেদী সজা হয়। আদিম ধৰ্মবিশ্বাস মানি চলা বড়ো-কছাৰীসকলৰ চোতালৰ উত্তৰ-পূব কোণত সৃষ্টিৰ

প্ৰথম গছ বুলি বিশ্বাস কৰা পঞ্চভূতৰ প্ৰতীক-স্বৰূপ পাঁচটা শিৰ থকা এই সিজু গছৰ ডাল এটি পুতি বিহিত নিয়মেৰে বেদীত বাথৌব্ৰাই'ৰ (বাথৌৰ অৰ্থ পঞ্চতত্ত্বৰ সমাবেশ; ব্ৰাই মানে বুঢ়া বা পুৰণি পুৰুষৰ অৰ্থাৎ দেৱাদিৱ শিৱ বা মহাদেৱৰ বিৰাট জ্যোতিৰ্ময় মূল শক্তি) পূজা-অৰ্চনা প্ৰতি ঘৰে ঘৰে কৰি থকা দেখা যায়। তেওঁলোকৰ নৌখৰটো দক্ষিণমুৱা, ইয়াত তিনিটা কোঠা থাকে, পূবৰ কোঠাটোত ৰন্ধা-বঢ়া কৰে; সেই কোঠাৰ উত্তৰ-পূব কোণত তিনিটা বেদী সাজি খাম্‌মাইখা (কামাখ্যা), মাইনাও (লক্ষ্মী) আৰু বুলিব্ৰীৰ (ভৰলী বুঢ়ী) পূজা-সেৱা কৰে। ৰন্ধা কোঠা আৰু চোতালৰ বেদীবোৰ একে শাৰীতে থাপন কৰা হয়।

"বড়ো কছাৰীৰ ধৰ্ম সম্পৰ্কে শ্ৰীৰূপনাথ ব্ৰহ্মাই লিখিছে : 'বড়োকছাৰীসকলৰ উপাস্য দেৱতা আৰু উপদেৱতা বহুত থাকিলেও তেওঁলোকৰ বাথৌব্ৰায় বা শিব্ৰায় দেৱাদিদেৱ মহাদেৱ শিৱৰ বাহিৰে অইন কোনো নহয়। ... তেওঁলোকে মাইনাও (লক্ষ্মী), জমন (শস্যক্ষেত্ৰাধিপ), ননি মদায় (গৃহদেৱতা), হাগ্ৰানি মদায় (অৰণ্য দেৱতা), সানজ-সূৰ্য-বাই-বৰন্দ (চন্দ্ৰ, সূৰ্য, বায়ু, বৰুণ দেৱতা), ৰণচণ্ডী (ৰণদেৱী) ইত্যাদি দেৱ-দেৱীক মানি পূজা কৰে।'

"প্ৰায় পঞ্চাশ বছৰৰ আগতে গোৱালপাৰা জিলাৰ বড়ো-কছাৰীসকলৰ মাজত বড়োকুল-তিলক স্বৰ্গীয় কালীচৰণ ব্ৰহ্মাই বৈদিক ধৰ্ম (ব্ৰহ্মধৰ্ম) প্ৰচাৰ কৰে। স্বৰ্গীয় কালীচৰণ ব্ৰহ্মাই কলিকতাত শ্ৰীমৎস্বামী শিৱনাৰায়ণ পৰমহংসদেৱৰ শিষ্যত্ব গ্ৰহণ কৰি উদাৰ বৈদিক ধৰ্মক বড়োসকলৰ মাজত প্ৰচাৰ কৰাৰ ফলত এটি বৃজন ভাগ বড়ো-কছাৰীয়ে এই ধৰ্ম লয় ঃ এওঁলোকক ব্ৰহ্ম-ধৰ্মপন্থী বোলা হৈছে। এই ব্ৰহ্ম-ধৰ্মপন্থীসকলে প্ৰতি বছৰে মহালয়া, মাঘী পূৰ্ণিমা আৰু দৌল পূৰ্ণিমাৰ সময়ত ভগৱানৰ নামত সমূহীয়াভাৱে যজ্ঞাহুতি দিয়ে। ব্ৰহ্ম-গায়ত্ৰী, আৱাহন মন্ত্ৰ আৰু আহুতিৰ আন আন মন্ত্ৰ উচ্চাৰণ কৰি যজ্ঞাহুতি দিয়া হয়। এই ধৰ্মপন্থী সাধকসকলৰ যত্নত কেইখনো আশ্ৰম হৈছে।"[৪]

লালুংসকল মূলত কছাৰী ৰজাৰ তলতীয়া আছিল, পিছত তেওঁলোকৰ নিজৰ ৰজা হয়। এই ৰজাৰ তলে তেওঁলোকে বছৰি আঠটাকৈ নৰবলি দেৱতাৰ নামত দিছিল বুলি গেজেটিয়াৰত (১৯৪০) উল্লেখ আছে। তেওঁলোকৰ বিশেষ পবিত্ৰ স্থানৰ বিষয়ে জানিব পৰা নগৈছে। এওঁলোকে কছাৰীসকলৰ দৰে বুঢ়া-বুঢ়ী, বিশেষকৈ কালীক মানে।

---

৪ কছাৰীসকলৰ বিষয়ে টোকাটি পাইছো ডক্টৰ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যৰ পৰা। যথাস্থানত জনজাতীয় পূজা-থলীৰ বিষয়ে ভট্টাচাৰ্যৰ টোকা সন্নিবিষ্ট হৈছে। গোৱালপাৰা জিলাৰ অন্তৰ্গত ব্ৰহ্মপন্থী বড়োসকলৰ আশ্ৰম কেইখনিৰ বিষয়ে যোগেন্দ্ৰনাথ সৰকাৰৰ টোকা দ্ৰষ্টব্য। প্ৰয়োজন হ'লে 'অসম সাহিত্য সভা পত্ৰিকা'ত শ্ৰীৰূপনাথ ব্ৰহ্মৰ 'বড়ো-কছাৰী জাতিৰ সংস্কৃতি' প্ৰবন্ধও পঢ়িবলগীয়া।

মিকিৰসকল অসমৰ খিলঞ্জীয়া লোক। এওঁলোকৰ মাজত বহুত দেৱ-দেৱীৰ বিশ্বাস আছে, সামূহিক পূজা-সেৱাৰ নিৰ্দিষ্ট থলী নাই।

খাছিয়াসকলৰ পুৰণি ধৰ্মক জড়োপাসনাৰ ভিতৰত ধৰা হয়। নাৰ্টিয়াঙত আৰু উত্তৰ কাছাৰ পৰ্বতৰ ওপৰত নংখ্লিহত তেওঁলোকৰ ধৰ্মৰ বিশিষ্ট লক্ষণে লক্ষিত বৃহদাকাৰ প্ৰস্তৰ স্তম্ভবিলাক (monolith) দেখা পোৱা যায়। এই চটীয়া শিলৰ স্তম্ভবিলাক পতাৰ সাধাৰণ নিয়মো দেখা পোৱা যায়। সাধাৰণতে তিনিটাৰপৰা নটালৈকে খুটাৰ কেইবাটাও শাৰী থাকে। শাৰীৰ মাজৰ খুটাটো আটাইতকৈ ডাঙৰ। প্ৰত্যেক তিনিটা থিয় খুটাৰ লগে লগে মেজৰ নিচিনাকৈ সৰু শিলত পতা এচটা বহল শিল থাকে। এই স্তম্ভবিলাক মৃতক পূৰ্বপুৰুষৰ শ্ৰদ্ধাজ্ঞাপক সোঁৱৰণি-স্বৰূপ। খাছিয়াসকলে তেওঁলোকৰ অনেক দেৱ-দেৱীক বিশ্বাস কৰে। এনে দেৱ-দেৱীৰ লগত জড়িত অনেক পৰ্বত-নদী আদিক তেওঁলোকে সন্মান জনায়। এওঁলোকে এসময়ত হিন্দুসকলৰ দৰে নাৰ্টিয়াং অঞ্চলত দেৱী-পূজা কৰিছিল বুলি শুনা যায়। জয়ন্তীয়াসকলে এসময়ত কপিলী নৈত নৰবলি দিছিল আৰু পিছত এক শ্ৰেণীয়ে হিন্দু ধৰ্ম গ্ৰহণ কৰি কালীভক্ত হৈছিল। আজিও জয়ন্তীয়াসকলে কপিলী নৈক শ্ৰদ্ধাৰ চকুৰে চায়। জয়ন্তীয়াসকলৰ মাজত হোৱা জোৱাইৰ বেহ্‌দিন খ্লামত জগন্নাথদেৱৰ ৰথযাত্ৰাৰ লগত তুলনীয় উৎসৱ মন কৰিবলগীয়া বিষয়।

গাৰোসকলে নানা ধৰণৰ প্ৰেত আদিত বিশ্বাস কৰে। সেইবিলাক থকা বুলি বিশ্বাস কৰা অনেক ঠাই গাৰোপাহাৰত আছে।

●

আদিৰেপৰা অসমত মুছলমানৰ বসতি বিভিন্ন মুছলমান আক্ৰমণৰ ফলস্বৰূপ বুলি ক'লে সৰহাই কোৱা নহয়। অসমৰ মুছলমানসকলে আৰম্ভৰেপৰা স্থানীয় লোকৰ মাজত অতি সমিল-মিলেৰে থাকি আহিছে। ফলত দুই পক্ষৰ মাজত সাংস্কৃতিক আদান-প্ৰদান ঘটিছে। বহুতো মুছলমানে ইয়াতে দাৰ-গ্ৰহণ কৰিছে, অনেকেই ইছলামৰ ৰীতি-নীতি পাহৰি স্থানীয় আচাৰ-ব্যৱহাৰ, সমাজ-ব্যৱস্থা গ্ৰহণ কৰিছে, আন কি, কোনোজনে মাৰৈপূজা আদিতো মুকলিভাৱে যোগদান কৰিছে। মীৰজুমলাৰ লগত অহা ছাহাবুদ্দিন তালিছৰ টোকা আৰু আজান ফকীৰৰ জিকিৰে এইবোৰ কথাৰ প্ৰমাণ দিয়ে। সপ্তদশ শতাব্দীত মোগল শাসকসকলে কামৰূপ দখল কৰি হাজোত (তেওঁলোকে যাক চুজাবাদ বুলি ভাল পাইছিল) থানা কৰি বহাত হাজো, পটিদৰং, মঙলদৈৰ পাথৰিঘাট অঞ্চল আদিত মুছলমানৰ বসতি ঘন হ'বলৈ ধৰে। এইবোৰ ঠাইত পীৰপাল জমি দিয়া হৈছিল আৰু কালক্ৰমত মছজিদ আদি হৈ উঠিছিল। ১৬৫৪ চনত হাজোৰ থানাদাৰ লুটফুল্লা ছিৰাজীয়ে তাত এটি মছজিদ সাজে (১৮৯৭ চনৰ ভূমিকম্পত ই বৰ ক্ষতিগ্ৰস্ত হৈছিল), আৰু তাৰ আশে-পাশে এখনি সৰু মুছলমান উপনিবেশ বহিবলৈ সুবিধা পায়। বঙ্গৰ

নবাব হুছেন শ্বাহে ১৬৮৭ চনত নির্মাণ কৰা ৰঙামাটিৰ মছজিদ অসমত মোগল স্থাপত্যৰ এটি ভাল নিদৰ্শন। ১৬৮১ চনত যদিও কামৰূপ মোগলৰ হাতৰপৰা মুক্ত হ'ল, অনেক মুছলমানে আগৰ দৰেই এই অঞ্চলটোত থাকি গৈ ভাল অসমীয়া হৈ পৰিল। অনেক সময়ত ইসকলে ইছলামৰ নীতিৰপৰা আঁতৰি যোৱাত মুছলমানসকলক কোৰাণ শ্বৰিফৰ বাণীলৈ ঘূৰাই আনিবৰ কাৰণে জলকাদ আলিৰ দৰে মোল্লাসকলে[৫] বিশেষ যত্ন কৰিব লাগিছিল। কিন্তু মাৰৈপূজাত গীত গোৱা মুছলমান ওজা-পালিৰ ঐতিহ্য চলি থাকিল, আৰু মন্ত্ৰাদিত বিশ্বাসো প্ৰায় মুছলমানৰে থাকিল; মন্ত্ৰ-সাহিত্যত সিসকলৰ প্ৰভাৱত 'নবী', 'ৰছুল', 'মহম্মদ' ফাপিয়ে নমঃ আদি কথা সোমাই পৰিল। ইয়াৰ বহুত দিনৰ আগতেই শঙ্কৰদেৱৰ ভক্তৰ শাৰীত চান্দসাই যৱন আৰু মাধৱদেৱৰ ভক্তৰ মাজত যৱন জয়হৰি ভুক্ত হৈছিল। এইদৰে নানা ফালৰপৰা মুছলমানসকল আৰু স্থানীয় লোকৰ মাজত সাংস্কৃতিক সমন্বয় ঘটি উঠিছিল।

গোৱালপাৰা জিলাত কেইবাখনিও দৰগাহ, খানকাহ বা মাজাৰ আছে। ইয়াৰ ভিতৰত পাঁচ পীৰৰ দৰগাহ বিখ্যাত। জিলাৰ গেজেটিয়াৰমতে পীৰ পাঁচজন মীৰজুমলাৰ লগত (১৬৬১) অসমলৈ আহিছিল; কিন্তু ধুবুৰীৰ দমদমা গুৰুদ্বাৰাৰ মহন্তৰ হাতত থকা পুৰণি কাকত-পত্ৰমতে ৰামসিংহইহে শৰাইঘাটৰ যুদ্ধৰ সময়ত অসমলৈ আনিছিল। পীৰকেইজনৰ নাম শ্বাহ আকবৰ, শ্বাহ কামাৰ, শ্বাহ শৰণ, শ্বাহ সূফী আৰু শ্বাহ কামাল। শ্বাহ কামালৰ নামৰ লগত জড়িত খানকাহ এটি গাৰোপাহাৰত আছে। শিৱসাগৰৰ দিখৌমুখৰ সৰাগুৰি চাপৰিত অসমীয়া জিকিৰৰ প্ৰসিদ্ধ ৰচয়িতা আজান ছাহেবৰ মাজাৰ চিনাক্ত কৰা হৈছে। এওঁৰ সময় আমি খাতাংকৈ ক'ব নোৱাৰিলেও সপ্তদশ শতিকাৰ শেষভাগমানেই হ'ব যেন লাগে। আৰু চাৰিজন পীৰৰ শিৱসাগৰত থকা দৰগাহৰ বৰ্ণনা যথাস্থানত দিয়া হৈছে। কামৰূপ, খাছিয়া-জয়ন্তীয়া পাহাৰ জিলাতো পুৰণি 'মকাম'ৰ অৱস্থিতি লক্ষিত হৈছে। এই মকামবোৰত অকল মুছলমানেই নহয়, হিন্দুৱেও নানা কামনাৰে প্ৰণতি জনোৱা দেখা পোৱা যায়। মাজাৰসমূহ নানা জনবিশ্বাসৰ সঙ্গমস্থলীৰ দৰে হৈ পৰে।

●

এমেৰিকা দূৰৰ কথা, ইংলেণ্ড আদি য়ুৰোপীয় দেশ খ্ৰীষ্টিয়ান হোৱাৰ আগতে ভাৰতক যীশুখ্ৰীষ্টৰ প্ৰেমৰ বাণীয়ে পৰশে। ৪৬ খ্ৰীষ্টাব্দত ছেইণ্ট্ তমাছ ভাৰতলৈ আহি মাদ্ৰাজৰ মেলিয়াপুৰত বৈ সাধাৰণ লোকৰ মাজত খ্ৰীষ্টধৰ্ম দিয়ে, তাৰ ফলত তাৰ ৰজাই তেওঁক প্ৰাণে মাৰে। ইয়াৰ পিছত আকৌ ষোড়শ শতিকাত আমাৰ দেশলৈ যীশুৰ বাণী

---

৫ ২০৮ পিঠি চাওক

আনে ছেইন্ট্ ফ্ৰান্সিছ জাভেয়াৰ্ছে। কিন্তু ভাৰতত আধুনিক খ্ৰীষ্টীয় মিছনবোৰৰ নামৰ লগত তিনিজন ত্যাগী পুৰুষৰ নাম জড়িত হৈ থাকিব — উইলিয়াম্ কেৰী, জছুৱা মাৰ্শ্মেন্ আৰু উইলিয়াম ৱাৰ্ড। যি সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ধৰ্মপ্ৰচাৰৰ যত্ন কৰিলে ভাৰতত ব্ৰিটিংশৰ ৰাজ্য হেৰাব বুলি ভয় কৰিছিল, সেই সময়ত এওঁলোকে কলিকতাৰ ওচৰৰ শ্ৰীৰামপুৰত থকা ডেনমাৰ্কৰ অধীনৰ ঠাইত খ্ৰীষ্টধৰ্মৰ বীজ ৰোপণ কৰে। কেৰী ১৭৯৩ চনত আৰু বাকী দুজন ১৭৯৯ চনত ইংলেণ্ডৰপৰা ভাৰত প্ৰৱেশ কৰেহি। কেৰী বঙলা, হিন্দী, মাৰাঠী আৰু সংস্কৃতত সুপণ্ডিত হৈ উঠে; এওঁৰ আটাইতকৈ ডাঙৰ যত্ন আছিল ভাৰতীয় ভাষাবোৰত বাইবেল ছপা কৰি উলিওৱা, আৰু সেইমতে কামো হৈছিল। ১৮০১ চনত সম্পূৰ্ণ বঙলা 'নতুন নিয়ম' ছপা হৈ ওলায়। ১৮১১ চনমানত নগাঁৱৰ কলিয়াবৰৰ আত্মাৰাম শৰ্মাক শ্ৰীৰামপুৰলৈ নিয়াই (এওঁ তাতে বহুদিন ৰৈ গৈছিল) বাইবেলখন অসমীয়া কৰাই ১৮১৩ চনত ছপাই প্ৰকাশ কৰোৱা হয়। এইখনিয়েই প্ৰথম ছপা অসমীয়া কিতাপ আৰু আহোম ৰাজত্ব চলি থকাতে অসমত পচোৱা খ্ৰীষ্টধৰ্মৰ প্ৰথম গুটি। ব্ৰিটিংশে অসম ৰাজ্য লোৱাৰ পিছত কমিছনাৰ জেনেৰেল জেনিকিন্সৰ উপদেশমতে খামটি আদিসকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰিবলৈ ১৮৩৫ চনত সপৰিবাৰে নেথান ব্ৰাউন্ আৰু ওলিভাৰ্ কট্টাৰ্ সদিয়ালৈ আহে। পিছৰ বছৰত মাইল্‌ছ ব্ৰন্সনে তেওঁলোকৰ লগ লয়হি, আৰু জয়পুৰত চিংফৌৰ মাজত প্ৰচাৰ আৰম্ভ কৰে। ১৮৩৯ চনৰ খামটি-বিদ্ৰোহৰ সময়ত ব্ৰাউন কোনোমতে প্ৰাণ লৈ জয়পুৰলৈ পলাই আহে। ১৮৪০ চনত ব্ৰন্সন আদিয়ে নামচঙীয়া নগাৰ মাজত ধৰ্ম দিবলৈ যায় কিন্তু ৰোগৰ হেঁচাত ঘূৰি আহিবলগীয়া হয়। ১৮৪১ চনত এই ধৰ্মপ্ৰচাৰকসকলে নীতি পৰিবৰ্তন কৰি ভৈয়ামীয়া লোকৰ মাজত কাম আৰম্ভ কৰে। সেই চনত বাৰ্কাৰ্ নামে পাদুৰীয়ে শিৱসাগৰত থলী পাতে, ব্ৰাউন্ আৰু কট্টাৰেও যোগ দিয়ে। সেই বছৰে ব্ৰন্সনে নগাঁৱলৈ গৈ তাত স্থায়ীভাৱে কাম হতত লয়। বাৰ্কাৰে ১৮৪৩ত শিৱসাগৰ এৰি তেজপুৰতো ৰৈ, শেষত গুৱাহাটীত মিছন স্থাপন কৰে। এওঁ দেশলৈ ঘূৰি যোৱাত ব্ৰন্সনে তেওঁৰ ঠাই লয়। এইদৰে অসমৰ প্ৰধান চহৰবোৰত এই এমেৰিকান বেপ্টিষ্ট মিছনৰ[৬] কৰ্মীসকলে খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ থলীবোৰ পাতে আৰু লগে লগে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান লিখি এই ভাষাত বাতৰিকাকত, আলোচনী উলিয়াই পঢ়াশালি আদি খুলি অসমক আধুনিক ভাৰতীয় সভ্যতাৰ বাজআলিত তুলি দিয়ে। ইয়াৰ পিছত আন মিছনবিলাকে কাম আৰম্ভ কৰিলেও গুৱাহাটীৰ দৰে কেন্দ্ৰীয় ঠাইত খ্ৰীষ্টিয়ানসকলৰ মাজত বেপ্টিষ্টৰ শিষ্যৰ সংখ্যাই সৰহ। কালক্ৰমত এওঁলোক পুনৰ পৰ্বতলৈ ঘূৰি গৈ ধৰ্ম দিবলৈ ধৰে। ১৮৭৬ চনত মোলুঙত কেন্দ্ৰ খুলি বেপ্টিষ্টসকলে নগাৰ মাজত স্থায়ী কাম হাতত লয়। ১৮৯১

৬ ডিম্বেশ্বৰ নেওগৰ "আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী"ৰ 'বেপটিষ্ট মিশ্যনৰ বস্তু' খণ্ড আৰু ডক্টৰ ডি. এইচ্. স্মৰ্ডৰ *Baptist in Assam* পুথি চাব লগীয়া।

চনত মিকিৰ পৰ্বততো এওঁলোকৰ কাম আৰম্ভ হয়, যদিও ১৯০০ চনতহে টিকাৰ বৰগীৰ্জা হৈ উঠেগৈ। ১৮৬৭ চনতে তুৰাত এওঁলোকে এটি কেন্দ্ৰ খুলি গাৰোসকলক ধৰ্ম আৰু শিক্ষা দিবলৈ ধৰে আৰু গোৱালপাৰাত বেপ্টিষ্টৰ কামৰ শুভাৰম্ভ হয়। বেপ্টিষ্টৰ আন আন কেন্দ্ৰ মুকলি কৰাৰ তাৰিখ : ১৮৭৫ — কামৰূপৰ মেংগাডেগত গাৰোৰ মাজত, ১৮৭৮ — ডিব্ৰুগড়, ১৮৭৯ — কোহিমা, ১৮৮০ — তিতাবৰৰ ওচৰৰ বেবেজিয়া, ১৮৯৪ — উত্তৰ লখীমপুৰ, ১৮৯৬ — গোলাঘাট, নগাপৰ্বতৰ কাংপকপি, পথালিপাম, ১৯০০ — সদিয়া।

১৮৫১ চনত মঁছিয় ক্ৰিক নামৰ এজন ফৰাচী পাদুৰী মিছিমি পৰ্বত বগাই লোহিত-ব্ৰহ্মপুত্ৰৰ আগাৰিৰ ভৈয়াম পাইছিলগৈ। তিনি বছৰৰ মূৰত তেওঁ আকৌ পৰ্বত বগাব খোজোঁতে কাইএছা নামে মিছিমি গাম এজনে তেওঁৰ প্ৰাণ লয়।

বেলছ্ কেলভিনিষ্টিক্ মেথডিষ্ট ফৰেইন্ মিছনে ১৮৪৯ চনত খাছিয়া-জয়ন্তীয়া পৰ্বতত এটি কেন্দ্ৰ খুলি খাছিয়া-জয়ন্তীয়াসকলৰ মনোৰাজ্য জয় কৰিবলৈ ধৰে। চাৰ্চ অব্ ইংলেণ্ডেও ঊনবিংশ আৰু বিংশ শতিকাৰ মাজভাগত লুছাই পাহাৰত খ্ৰীষ্টধৰ্ম প্ৰচাৰ শুৰু কৰে। ১৮৯৪ চনত লৰেইন্ আৰু ছেভিজ্ নামে দুজন পাদুৰীয়ে আইজালত প্ৰথম যীশুৰ বাণী শুনায়গৈ। ইয়াৰ পিছতে বেলছ্ কেলভিনিষ্টিক্ মিছনে সেই জিলাত গভীৰভাৱে কাৰ্যত প্ৰবৃত্ত হয় আৰু এঙ্গলিকান্ কমিউনিয়নো তাত সোমায়গৈ।

এঙ্গলিকান্ চাৰ্চৰ অসমত প্ৰচাৰ-সূচী ব্ৰিটিশ যুগৰ আৰম্ভতে আৰম্ভ হয়। ১৮৪১ চনত অসমত সিঁচৰতি হৈ থকা ইউৰোপীয়সকলৰ মাজত কাম কৰিবলৈ প্ৰথম পাদুৰী আহে এ. গাষ্টিন্। ১৮৪৪ চনত ৰবাৰ্ট্ ব্লাণ্ড্ নামে এজনে গুৱাহাটীত প্ৰবেশ কৰে আৰু ডিব্ৰুগড়, জয়পুৰ, নগাঁও, গোৱালপাৰা আদি ভ্ৰমণ কৰে। ১৮৫০ চনৰ ২৩ আগষ্ট তাৰিখে গুৱাহাটীৰ ক্ৰাইষ্ট চাৰ্চ উছৰ্গা কৰা হয়। পিছৰ বছৰ ডিব্ৰুগড়ত এজন সুকীয়া পাদুৰী দিয়া হ'ল, ব্লাণ্ডক চিলট আৰু চেৰাপুঞ্জীৰ অধ্যক্ষতা দিয়া হ'ল। এওঁ ১৮৬৩ চনলৈকে অসমত কাম কৰিছিল। তেতিয়া অসমৰ সদৰ আছিল চেৰাপুঞ্জীত। সেই সদৰ খিলঙলৈ তুলি অনাৰ পিছতো এঙ্গলিকানসকলৰ তাত স্থায়ী চেপ্লেইন্ বা নামঘৰীয়া নাছিল। ১৮৬৬ চনত এই সম্প্ৰদায়ৰ কলিকতাৰ বিশপ্ কটন্ কাছাৰ আৰু চিলটেদি চেৰাপুঞ্জী আৰু খিলঙলৈ আহে। তেতিয়া খাছিয়াসকলৰ মাজত বেলছ্ প্ৰেছ্বিটেৰিয়ান্ মিছনে সুন্দৰ কাম কৰি আছিল। ১৮৬৯ চনত এঙ্গলিকান্ সম্প্ৰদায়ে খিলঙত এটি গীৰ্জা নিৰ্মাণ কৰিবৰ সংকল্প গ্ৰহণ কৰে; এই গীৰ্জাৰ বুৰঞ্জী 'পবিত্ৰ অসম'ৰ যথাস্থানত দিয়া হৈছে। তেজপুৰৰ এপিফেনি গীৰ্জা, ডিব্ৰুগড়ৰ ছেইণ্ট্ পল গীৰ্জা আদি একে সম্প্ৰদায়ৰে পুৰণি পবিত্ৰ ঘৰ।

বেলছ্ প্ৰেছ্বিটেৰিয়ান্ মিছনে খাছিয়া-জয়ন্তীয়াৰ উপৰিও যোৱা শতিকাৰ মাজ ভাগতে শিলচৰত এটি শাখা খোলে; কাম অৱশ্যে সন্তোষজনক হৈ নুঠেগৈ।

অসমত ৰোমান্ কেথলিক্সকলৰ প্ৰধান কেন্দ্ৰ খিলং আৰু গুৱাহাটী। যোৱা

শতিকাৰ শেষ ভাগত এওঁলোক কামলৈ আহে। কিন্তু ১৯০৫ চনত প্ৰকাশিত জিলা গেজেটিয়াৰত আছে, তেতিয়া ইয়াত এজন তেওঁলোকৰ ধৰ্মযাজক থাকিলেও তেওঁৰ কাম এংলো-ইণ্ডিয়ানসকলৰ মাজতে আবদ্ধ আছিল। এওঁলোকে খাছিয়া-জয়ন্তীয়া পাহাৰত ১৮৯০ চনত কাম আৰম্ভ কৰিছিল।

গোৱালপাৰা জিলাত ধুবুৰীৰ উত্তৰলৈ লুথেৰান্ মিছনে সাঁওতাল উপনিৱেশ এটি যোৱা শতিকাতে স্থাপন কৰে। এই মিছনৰ কাম গোৱালাপাৰাত আৰু বিশেষকৈ গাৰোসকলৰ মাজত ব্যাপকভাৱে হৈছে আৰু শিক্ষা-প্ৰচাৰতো এওঁলোকৰ বৰঙণি যথেষ্ট। ১৮৮০ চনত গুমদুৱাৰত ২৫ বৰ্গমাইল মাটি নৰ্‌ৱেইজিয়ান্ ইণ্ডিয়ান্ হোম্ মিছনে সাঁওতাল উপনিৱেশ পাতিবৰ অৰ্থে সংৰক্ষিত কৰা হৈছিল। এই জিলাত নৰ্‌ৱে, ডেন্‌মাৰ্ক, অষ্ট্ৰেলিয়া আৰু এমেৰিকাৰপৰা অহা খ্ৰীষ্টধৰ্ম-প্ৰচাৰকসকলে ধৰ্মকাৰ্য পৰিচালনা কৰি আছে।

স্বাধীন ভাৰতত ধৰ্মপ্ৰচাৰ কৰা বিভিন্ন বিদেশী মিছনৰ সংগঠনত কিছু পৰিৱৰ্তন ঘটিবলগীয়া হৈছে। ব্ৰিটিঃশৰ আমোলত খ্ৰীষ্টধৰ্মৰ যি এটি মোহ আছিল, সি নতুন ভাৰতত কিছু আঁতৰি যোৱাত নতুন শৰণীয়াৰ সংখ্যা কমি আহিছে। বেলেগ বেলেগ পন্থবোৰৰ নাম আৰু ৰূপ সলনি কৰাও দেখা গৈছে। ৰোমান্ কেথলিক্‌সকলৰ বাহিৰে অসমত বৰ্তমান সক্ৰিয় অনুষ্ঠানবোৰৰ নাম (বন্ধনীৰ ভিতৰত সম্পৰ্কিত সম্প্ৰদায়ৰ নামেৰে) দিয়া হ'ল ঃ Council of Baptist Churches in North-East India (Amerıcal Baptist Foriegn Mission Society), Boro Baptist Union ın Goalpara (Australian Baptist Mission), North Bank Baptıst Association (General Conference Mission, U.S.A.), South Mizo Baptist Church (London Baptist Mission), Church of India, Pakıstan, Burma and Ceylon (Church of England), Khasi-Jaintia Presbyterian Synod (Welsh Presbyterian Mission), North Mizo Presbyterıan Synod (Welsh Presbyterian Mission), Cachar Hill Tribes Presbyterian Synod (Welsh Presbyterian Mission), Gossner Evangelical Lutheran Church, Northern Evangelıcal Lutheran Church, Church of God in Khasi-Jaintia Hills, Assembly of the Church of God in Khasi-Jaintia Hills.

●

**পুৰণি মন্দিৰ আৰু থানবোৰৰ লগত সংশ্লিষ্ট প্ৰবাদবোৰত লোককথাৰ মোটিফ্ বা কথাঙ্গ কেনেকৈ সোমাই আছে, সি অধ্যয়ন-যোগ্য। স্বপ্নাদেশ পাই বা গায়ে আপোনা-আপুনি গৈ ওহাৰৰ গাখীৰ এৰি দিয়া লক্ষ্য কৰি পবিত্ৰ থান আবিষ্কাৰ কৰা কাহিনী অনেক ঠাইতে আছে। উঁয়ে মাটি তুলি হিন্দুৰ গৰখীয়া দ'ল আৰু মুছলমান খোন্দকাৰ পীৰৰ**

দৰগাহ নিৰ্মাণ কৰিবৰ যত্ন কৰে। ক'লা, বগা, ৰঙা বা সোণাবৰণীয়া সাপে অনেক পুণ্যস্থানৰ অধ্যক্ষতা কৰি থাকে, কিন্তু কাকো অপকাৰ নকৰে। বিশ্বসিংহ মহাৰাজ বিশু গৰখীয়া হৈ থাকোঁতে ফৰিং কাটি দেৱীপূজা কৰাৰ দৰে অনেক থানতে বাহ গৰখীয়া ল'ৰা গোট খাই ফৰিং আৰু মাছুৰ বলি দি পূজা কৰাৰ আখ্যান বিস্তৃত হৈ আছে। পবিত্ৰ থানৰপৰা সেৱাৰ বস্তু আঁতৰালে মাৰি-মৰক বা অন্য অপায় হোৱাৰ কাহিনী ঠায়ে ঠায়ে শুনা যায়। আচৰিত এয়েহে, শিলৰ বা ধাতৱ মূৰ্তি নিৰুদ্দেশ হোৱাৰ কাহিনীও সেইদৰেই ঠায়ে ঠায়ে আছে। কাশীধাম ৰচনা কৰিবৰ যত্নৰ কথা বিশ্বনাথ-ক্ষেত্ৰতো আছে, শ্ৰীসূৰ্য পাহাৰতো একে কিম্বদন্তী চলি আছে, দেৰগাঁৱৰ শীতলনেঘেৰীতো আছে। চুবুৰীত বেমাৰ-আজাৰ হ'লে মাননি আগবঢ়োৱা ঠাই অনেক আছে। ১৯৪৭ চনমানত থকা কমতাৰ ৰজাৰ দুৱাৰত থকা পাষাণময় ভৈৰৱত বিয়াৰ আগতে পঠা-হাঁহ-পাৰ আদি নলগালে বিয়া কৰোঁতাক বোলে বাতুল কৰিছিল। যোৰহাট গৰখীয়া দ'লত বিয়াৰ সময়ত মাননি দিলে হেনো বৰযুণ-বতৰ গুচে। ছোৱালী আনিবলৈ যোৱা চোৰে মাননি দিয়া পবিত্ৰ থানো ক'তোবা আছে। হিন্দুৰ থানত মুছলমানে আৰু মুছলমানৰ থানত হিন্দুৱে নানা কামনা জনোৱাৰ দৃষ্টান্তও পোৱা যাব। গোৱালপাৰা জিলাত বিশেষকৈ থানে থানে ব'হাগৰ ছয় বিহুৰ দিনা হোৱা উৎসৱো এটি লক্ষ্য কৰিবলগীয়া বিষয়। যিসকলে ঠাইৰ নাম অধ্যয়ন কৰিব খোজে, সিসকলৰ কাৰণে গছৰ নামত 'গুৰি' যোগ দি আৰু মাছুৰ নামত 'মৰা', 'মাৰি' বা 'জান' যোগ দি কৰা নামৰ অন্ত অসমত নহ'ব। তদুপৰি বিৰিয়া, জিজিয়া, হেণ্ডুলীচুক, বাঙলীবাহৰ আদি লহৰ লগা নামো বৰ্তমান পুথিতে অনেক আছে।

●

নানা প্ৰাকৃতিক কাৰণত মঠ-মন্দিৰবিলাকৰ ক্ষতি, অৱনতি আৰু বিলোপ ঘটিব লাগিছে। অন্তৰ্দ্বন্দ্বী, বিদেশী আক্ৰমণ আৰু ৰাজনৈতিক বিপ্লৱো এই বিষয়ত প্ৰতিক্ৰিয়াশীলভাৱে সক্ৰিয়। কালাপাহাৰ হ'ল সাধুকথাৰ দৈত্য। ১৮৯৭ চনৰ ভূমিকম্প হ'ল থান-মন্দিৰৰ খণ্ডপ্ৰলয়। মঠ-মন্দিৰৰ নামত ৰজা-ৰাজপুৰুষে দিয়া দেৱোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ, ভোগধনি, পীৰপাল, লাখেৰাজ, নিস্পিখেৰাজ ভূ-সম্পত্তি আজিৰ ভাৰতৰ অৰ্থনৈতিক-সামাজিক জীৱনৰ বোলে এটা নেৰা-নেপেৰা মূৰ-কামোৰণি হৈ উঠিছে। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক চৰকাৰ নানা বিচাৰ-অনুসন্ধানত প্ৰবৃত্ত হৈ পৰিছে। এই বিচাৰ আৰু অনুসন্ধানৰ ফলত হয়তো এই সম্পৰ্কত ৰাষ্ট্ৰৰ সামূহিক উপকাৰ-সাধক কোনো সাধাৰণ নীতিত উপনীত হোৱা যাব আৰু লগতে সৰ্বভাৰতীয় তথা স্থানীয় ঐতিহ্যৰ বাহন-স্বৰূপ ধৰ্মানুষ্ঠানসমূহেও পুনৰ স্বাস্থ্যবান ৰূপ ধাৰণ কৰিব পাৰিব।

●

অসম সাহিত্য সভাৰ তিনিচুকীয়াত বহা বড়ৃবিংশ সন্মিলনত 'অসমৰ বিভিন্ন

অঞ্চলত সিঁচৰতি হৈ থকা দেবালয়, তীৰ্থস্থান, সত্ৰ আৰু দৰ্গাহ, ইত্যাদিৰ উৎপত্তি-বিৱৰণ-সম্বলিত এখন পুথি' যুগুত কৰিবলৈ 'প্ৰস্তাৱ কৰা' হয়। এই সংকল্প অনুসৰি সভাৰ কাযনিৰ্বাহক সমিতিয়ে 'অসমৰ বিভিন্ন ঠাইৰ দৌল, দেৱালয় আদিৰ পুস্তিকা প্ৰণয়ন সমিতি' এখন ছজন সভ্যৰে নিয়োগ কৰে ১৯৫৮ চনৰ জুলাইত। কিন্তু এই সমিতিয়ে কামত বিশেষ আগবাঢ়িব নোৱৰাত পিছৰ বছৰৰ নতুন কাৰ্যনিৰ্বাহক সভাৰ ১৯৫৯ চনৰ ১৯-২০ জুলাইৰ অধিৱেশনত "দ'ল, দেৱালয়, তীৰ্থস্থান, মন্দিৰ, সত্ৰ, দৰগাহ ইত্যাদিৰ এখন সচিত্ৰ বিৱৰণমূলক তালিকা যুগুত কৰিবলৈ স্থিৰ কৰা হয়" আৰু পবিত্ৰ অসম প্ৰণয়ন সমিতি গঠন কৰা হয়। সমিতিৰ সম্পাদকৰ ভাৰ আমাৰ ওপৰতে ন্যস্ত হয়। সমিতি-গঠনৰ প্ৰস্তাৱৰ মৰ্ম অনুসৰি আমি এখন আঁচনি কৰি লৈ অসমৰ বিভন্ন ঠাইৰ প্ৰখ্যাত লেখক আৰু এই বিষয়ত অনুৰাগ থকা (এইসকল প্ৰায়েই সমিতিৰ সভ্য) লোকসকলক 'পবিত্ৰ অসম'ৰ বিভিন্ন অংশৰ বাবে বিৱৰণ লিখিবলৈ অনুৰোধ কৰোঁ। ইয়াৰ ভিতৰত দুজনমানে অপাৰগতা স্বীকাৰ কৰে; এজনে 'বানপ্ৰস্থীহে হোৱা হৈছে' বুলি আমাক বতৰা দিয়ে; দুজনমানে নীৰৱতা অৱলম্বন কৰে। কামৰ আঁচনি কৰোঁতে সত্ৰ আৰু দৰগাহৰ সাধাৰণ বিৱৰণৰ ভাৰ সুকীয়াকৈ দি ৰাজ্যৰ বাকী অংশ জিলা হিচাপে ভাগ কৰা হৈছিল। সংকেলনৰ সুবিধাৰ কাৰণে লখীমপুৰ, শিৱসাগৰ আৰু দৰং জিলাৰ বিৱৰণ মহকুমা অনুসৰি লিখিবলৈ দিয়া হয়। যিসকল লেখকৰপৰা বিশেষ বিশেষ অংশৰ বিৱৰণ পোৱা নগ'ল, তেখেতসকলৰ ঠাইত শেষ সময়ত নতুন লেখকক ভাৰ দিয়া হ'ল বা আমি নিজে সেই অঙ্গ পূৰণ কৰিবলগীয়া হ'ল। এইবোৰ কাৰণত, আৱশ্যকীয় সমলৰ তাৰতম্যত বা আন কাৰণতো সকলো থানৰ বিৱৰণৰ ভাৰসাম্য ৰৈছে বুলি আমি দাবী কৰিব নোৱাৰোঁ। সম্পাদনাৰ সময়ত এইবোৰ কথালৈ চকু ৰখা হৈছিল যদিও কোনোজনৰ পাণ্ডিত্যপূৰ্ণ আৰু অশেষ কষ্ট স্বীকাৰ কৰি লিখা বৰ্ণনাক খৰা-মূৰা কৰি নিম্নতম মানলৈ অনাৰ ধৃষ্টতা আমাৰ নহ'ল। তাৰ উপৰি, এটি বিষয়ৰ জ্ঞানকোষৰ নিচিনা এই পুথিৰ বিষয়টি বিপুল, এই পুথি এই বিষয়ত অলপ বহল চেষ্টা-ৰূপে প্ৰথম বুলি ক'ব পাৰি। গতিকে ত্ৰুটি-বিচ্যুতি, প্ৰমাদ-অপকথন-অতিকথন আদি অনেক ঘটনা ইয়াৰ ভিতৰত ঘটাৰ সম্ভাৱনা অস্বীকাৰ কৰিবলৈ যোৱাটোও অপচেষ্টা হ'ব। আশাকৰোঁ নতুন সংস্কৰণৰ বাবে অধিক বৰ্ণনা, অধিক সমল গোট খাব। আমাৰ ত্ৰুটি-বিচ্যুতি আঙুলিয়াই আমাক জনাবলৈ সকলো সদাশয় লোকক অনুৰোধ কৰা হ'ল।

সত্ৰসমূহৰ বুৰঞ্জীৰ ফালৰপৰা ইয়াত সন্নিবিষ্ট নগাঁৱৰ সত্ৰৰ বিৱৰণটি একপ্ৰকাৰ পূৰ্ণাঙ্গ হৈছে। কিন্তু আন আন জিলাসমূহৰ বৰ্ণনা বা তালিকা সম্পূৰ্ণ হৈছে বুলি ক'ব নোৱাৰি, কাৰণ এই বিষয়ত ভাৰপ্ৰাপ্তসকলে শেহলৈকে আমাক তেখেতসকলৰ লেখা নিদিয়াত লৰালৰিকৈ সমল গোটাই লৈ এইবোৰৰ প্ৰায় অংশ আমি নিজে লিখিবলগীয়া হয়। পুৰণি সত্ৰ আৰু সত্ৰৰ বুৰঞ্জী, বেজবৰুৱা ডাঙৰীয়াৰ ৰচনা, শ্ৰীগহনচন্দ্ৰ গোস্বামী, শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত আদি বিজ্ঞসকলৰ আশ্ৰয় লোৱা হৈছিল যদিও এই অংশবোৰত ভুলৰ

সম্ভাৱনা নিশ্চয় আছে। তদুপৰি পুৰণি বৰ্ণনাবোৰত কোনো ক্ষেত্ৰত সত্ৰবোৰৰ অৱস্থিতিৰ বিষয়ে কোনো কথা পোৱা নাযায় আৰু ইটো বিৱৰণ সিটো বিৱৰণৰ মাজত গৰমিলো পৰিলক্ষিত হয়। মুঠতে এই বিষয়ত আমি 'মহন্তৰ ক্ষমাসে ভূষণ' কথাষাৰৰ আশ্বাসত আশ্ৰয় ল'বলগীয়াত পৰিছে। সত্ৰৰ বুৰঞ্জী বহুতৰ কাৰণে হেনো ভয় লগা এটি পদাৰ্থ। 'পবিত্ৰ অসম' প্ৰণয়ন সমিতিৰ এজন সভাই সেই দেখি দূৰৰেপৰা পৰি নমস্কাৰ জনাই তেওঁত অৰ্পিত কামটি হাতত নল'লে। আমাৰ শ্ৰদ্ধেয় বুৰঞ্জীবিদ-নাট্যকাৰ নকুলচন্দ্ৰ ভূঞাদেৱেও এই বিষয়ৰ আহুকাললৈ আঙুলিয়াই পুৰণি বুৰঞ্জী আৰু চৰিতৰ গয়না ল'বলৈ আমালৈ উপদেশ দি পঠাইছে। মণিৰাম দেৱান বৰভাণ্ডাৰবৰুৱাৰ 'বুৰঞ্জী-বিবেক-ৰত্ন', গোবিন্দ দাসৰ 'সন্ত-সম্প্ৰদা', বিষ্ণুনাথৰ 'বৰজুনা', লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ 'শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' আদিত সত্ৰৰ যি বুৰঞ্জী আৰু বিভাগ দিয়া হৈছে আৰু প্ৰামাণ্য চৰিতসমূহত যি পোৱা যায়, তাৰপৰা এটি বুৰঞ্জীৰ আভাস এই ভূমিকাত দিয়া হ'ল। ইয়াৰ ভিতৰত মন কৰিবলগীয়া, এইবিলাক গ্ৰন্থত পোৱা সকলো সত্ৰ চিনাক্ত কৰা হৈ উঠা নাই।

আমি ওপৰৰ অসমৰ ধৰ্ম-ইতিহাসৰ এটি আভাস দিবলৈ যত্ন কৰিছো। এই যত্নত কৃতীসকলৰ গ্ৰন্থসমূহৰ সহায়ৰ উপৰিও ইতিমধ্যে প্ৰকাশিত আমাৰ নিজৰ 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি' পুথিৰ দুই-এক অধ্যায়ৰ একোটি সাৰাংশ মাজে মাজে সুমুৱাই দিবলগীয়াত পৰিছে। পাঠকসকলে এই সৰু পুথিখনৰ উপৰিও পঢ়িবলগীয়া দুখনমান কিতাপৰ নাম ইয়াত দিছে, - কনকলাল বৰুৱাৰ *Early History of Kamarupa*, বাণীকান্ত কাকতিৰ *The Mother Goddess Kamakhya*, "পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা", ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাৰ *A Cultural History of Assam*, শ্ৰী ৰাজমোহন নাথৰ *The Background of Assamese Culture*, ডক্টৰ প্ৰতাপচন্দ্ৰ চৌধুৰীৰ *The History of the Civilisation of the People of Assam*, লক্ষ্মীনাথ বেজবৰুৱাৰ 'শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ', আমাৰ 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' আৰু *Sankaradeva and His Times : Early History of the Neo-Vaisnava Faith and Movement in Assam*, ডক্টৰ সত্যেন্দ্ৰনাথ শৰ্মাৰ *Neo-Vaisnavite Movement*, ডক্টৰ সূৰ্যকুমাৰ ভূঞা সম্পাদিত 'কামৰূপৰ বুৰঞ্জী' (পৰিশিষ্ট), শ্ৰী উপেনচন্দ্ৰ লেখাৰু সম্পাদিত 'কথা-গুৰুচৰিত', হৰিনাৰায়ণ দত্ত বৰুৱাৰ 'কায়স্থ সমাজৰ ইতিবৃত্তি'। বি.চি. এলেনৰ অসমৰ জিলা গেজেটিয়াৰ কেইখন, হেমচন্দ্ৰ গোস্বামী, সোণাৰাম চৌধুৰী, ৰজনীকুমাৰ পদ্মপতি, আনন্দচন্দ্ৰ আগৰৱালা আদিৰ বহুমূল্য লেখাবোৰ আজি দুষ্প্ৰাপ্য।

বৈজয়ন্তী, শৰণীয়া, গুৱাহাটী
২৬ অক্টোবৰ, ১৯৬০ **মহেশ্বৰ নেওগ**
৬, বিশ্ববিদ্যালয় টোল, গুৱাহাটী ১৪
২৬ অক্টোবৰ, ১৯৬৭

# পৱিত্ৰ অসম

## উত্তৰ-পূব সীমান্ত অঞ্চল

**ব্ৰহ্মকুণ্ড**

উত্তৰ-পূব সীমান্ত অঞ্চলৰ অন্তৰ্গত মিচিমি পৰ্বত লখীমপুৰ জিলাৰ উত্তৰ পূব সীমান্তত অৱস্থিত। এই অঞ্চলৰ য'ত ব্ৰহ্মপুত্ৰ নদ ভৈয়ামলৈ নামিছে, তাত হিন্দুৰ পবিত্ৰ তীৰ্থ পুৰাণ-প্ৰসিদ্ধ ব্ৰহ্ম-কুণ্ড আৰু পৰশুৰামকুণ্ড। ব্ৰহ্মকুণ্ডই পৌৰাণিক যুগত অসমৰ উত্তৰ-পূব কোণৰ পৰ্বতত আৰ্য ঋষিয়ে আশ্ৰম পাতি বাস কৰাৰ প্ৰমাণ দিয়ে। ব্ৰহ্মকুণ্ড আৰু পৰশুৰাম কুণ্ডৰ বিষয়ে "কালিকাপুৰাণ"ত তলত লিখা বিৱৰণটি পোৱা যায়: কৈলাসৰ ওচৰৰ মৰ্যাদা পৰ্বতত শান্তনু ঋষিয়ে তেওঁৰ পত্নী অমোঘাৰে সৈতে আশ্ৰম পাতি বাস কৰিছিল। শান্তনু ঋষিৰ অনুপস্থিতিত ব্ৰহ্মা আশ্ৰমত উপস্থিত হৈ অমোঘাৰ ৰূপত মোহিত হ'ল। তেওঁৰ আলিঙ্গন-প্ৰাৰ্থনা অমোঘাই প্ৰত্যাখ্যান কৰাত, ব্ৰহ্মাই অমোঘাক ধৰিবলৈ খেদি গ'ল। অমোঘা লৰি গৈ ঘৰৰ ভিতৰ সোমাই, দুৱাৰত ডাং দি ব্ৰহ্মাক শাপ দিব খোজে। শাপৰ ভয়ত ব্ৰহ্মাই সেই স্থান ত্যাগ কৰিলে, কিন্তু তেওঁ অতি কামোন্মত্ত হোৱাৰ কাৰণে বীৰ্য স্খলিত হৈ পৰি গ'ল। শান্তনু ঘূৰি আহি তেওঁৰ ঘৰৰ সম্মুখত হাঁহৰ খোজ (ব্ৰহ্মাৰ বাহন ৰাজহংস) আৰু ভূতলত তেজোময় বীৰ্য দেখি আচৰিত হৈ তেওঁৰ পত্নীক তাৰ কাৰণ সুধিলে। অমোঘাৰ উত্তৰ শুনি ঋষিয়ে ধ্যান কৰি পালে যে জগতৰ হিতাৰ্থে ব্ৰহ্মা আশ্ৰমত উপস্থিত হৈ তেওঁৰ প্ৰতি কৃপা-দৃষ্টি কৰি, অমোঘাক বলাৎকাৰ নকৰি ব্ৰহ্মবীৰ্য ত্যাগ কৰি গ'ল। ঋষিয়ে পত্নীক ব্ৰহ্মবীৰ্য পান কৰিবলৈ আদেশ দিয়ে। পতিপৰায়ণা সতীয়ে এহাতে পৰবীৰ্য পান কৰিবলৈ আৰু আনহাতে স্বামীৰ আদেশ লংঘন কৰিবলৈ টান পালে। সেই কাৰণে তেওঁ ঋষিক ব্ৰহ্মবীৰ্য পান কৰি, উচ্ছিষ্ট প্ৰসাদ-ৰূপে তেওঁক দিবলৈ প্ৰাৰ্থনা জনালে। সেই অনুৰূপে কাম হোৱাত অমোঘাই কালক্ৰমত এটি পুত্ৰ প্ৰসব কৰে। তেওঁ ব্ৰহ্মাৰ পুতেক হোৱাৰ কাৰণে তেওঁৰ নাম ব্ৰহ্মপুত্ৰ হ'ল। ব্ৰহ্মপুত্ৰই পৰ্বতত এটি কুণ্ড কৰি পানীৰ মাজত সোমাই থাকিল। এয়েই হিন্দুৰ পবিত্ৰ তীৰ্থস্থান ব্ৰহ্মকুণ্ড।

**পৰশুৰাম-কুণ্ড**

হিন্দুৰ ষষ্ঠ অৱতাৰ পৰশুৰামৰ পিতৃ জমদগ্নি ঋষিয়ে তেওঁ স্নান কৰিবৰ অৰ্থে পানী

আনিবলৈ তেওঁৰ পত্নী ৰেণুকাক গঙ্গালৈ পঠালে। ৰেণুকাই গঙ্গাত চিত্ৰৰথক কামিনীসকলেৰে সৈতে জলকেলি কৰা চাই থাকোঁতে পানী নিয়া পলম হ'ল। ঋষিয়ে ধ্যানত ৰেণুকাৰ পলম হোৱাৰ কাৰণ জানিব পাৰি, খণ্ডত পুতেকহঁতক ৰেণুকাক হত্যা কৰিবলৈ আদেশ দিলে। মাতৃহত্যা পাপলৈ ভয় কৰি ঋষিৰ প্ৰথম চাৰি পুত্ৰই মাতৃহত্যা নকৰাত পঞ্চম পুত্ৰ পৰশুৰামে তেওঁৰ হাতৰ পৰশুকুঠাৰেৰে মাকৰ মূৰ কাটি পেলালে। মাতৃহত্যা পাপত লিপ্ত হোৱাত তেওঁৰ হাতত কুঠাৰখন লাগি ৰ'ল। ঋষিয়ে তেওঁৰ কামত সন্তুষ্ট হৈ তেওঁক চিৰঞ্জীৱী অজেয় বীৰ হ'বলৈ আশীৰ্বাদ দি বৰ-প্ৰাৰ্থনা কৰিবলৈ ক'লে। পৰশুৰামে মাকৰ পুনৰ্জীৱন আৰু ককায়েকহঁতৰ শাপমোচনৰ বৰ প্ৰাৰ্থনা কৰি তেওঁ মাতৃহত্যা পাপৰপৰা উদ্ধাৰ পাবলৈ উপায় সুধিলে। ঋষিয়ে তেওঁক তপস্বী বেশেৰে তীৰ্থ ভ্ৰমণ কৰিবলৈ উপদেশ দিলে। পৰশুৰামে তীৰ্থ ভ্ৰমণ কৰি অৱশেষত ব্ৰহ্মাকুণ্ডৰ পাৰ কাটি কুণ্ডৰ পানী বোৱাই দি সেই পানীত স্নান কৰাত হাতৰ কুঠাৰ সৰি পৰিল। যি কুণ্ডত পৰশুৰামে স্নান কৰি মাতৃহত্যা পাপৰপৰা উদ্ধাৰ পাইছিল, সেই কুণ্ডৰ নাম পৰশুৰামকুণ্ড হয়। অতীজৰপৰা এই কুণ্ডত স্নান কৰিবলৈ ভাৰতৰ নানা ঠাইৰ যাত্ৰী আহে। ১৯৫০ খ্ৰীষ্টাব্দৰ প্ৰলয়ঙ্কৰী ভূমিকম্পত ব্ৰহ্মাকুণ্ড আৰু পৰশুৰামকুণ্ড পোত গ'ল। চৰকাৰে পৰশুৰামকুণ্ড পুনৰ উদ্ধাৰ কৰিছে। সদিয়াৰপৰা পৰশুৰামকুণ্ডলৈ জাৰকালি মটৰেৰে যাব পাৰি। ই সদিয়াৰপৰা ৫৪ মাইল উত্তৰ-পূবত।

**ব্ৰহ্মপুত্ৰ**

পৰশুৰামে কুণ্ডত গা ধুই থাকোঁতে ব্ৰহ্মপুত্ৰই তেওঁৰ কুঠাৰখন উটাই লৈ গ'ল। কুঠাৰ নাপাই পৰশুৰামে ব্ৰহ্মপুত্ৰক মলমূত্ৰ-বাহিনী হ'বলৈ শাপ দিলে। ব্ৰহ্মপুত্ৰই নিজ ৰূপ ধৰি প্ৰাৰ্থনা জনোৱাত পৰশুৰামে ব্ৰহ্মপুত্ৰত বসন্তকালত অশোকাষ্টমীত গঙ্গা থিত দিবহি আৰু সেইদিনা ব্ৰহ্মপুত্ৰত যিয়েই স্নান কৰিব তেওঁৰেই পাপমোচন হ'ব বুলি বৰ দিলে। তেতিয়াৰেপৰা ব্ৰহ্মপুত্ৰত অশোকাষ্টমী স্নানৰ প্ৰবৰ্তন হয়। অশোকাষ্টমীত ব্ৰহ্মপুত্ৰত স্নান কৰোঁতে গায়, "ব্ৰহ্মপুত্ৰ মহাবাহো শান্তনোঃ কুলনন্দন। অমোঘাগৰ্ভসম্ভূত পাপং লৌহিত্য মে হৰ।।"

**মায়াপুৰ (ইটা বা হিটা)**

সোৱণশিৰি অঞ্চলৰপৰা পশ্চিমে ভুটানৰ পূব সীমালৈকে উত্তৰ লখীমপুৰ মহকুমা আৰু দৰং জিলাৰ উত্তৰে কামেং সীমান্ত অঞ্চল। উত্তৰ লখীমপুৰ মহকুমা দিক্ৰং নদীৰ পূব পাৰৰ হাৰমিত বাগানৰপৰা দুদিনৰ বাটত ডফলা পৰ্বতৰ ডিক্ৰং নদীৰ বৰাপানীৰ উপত্যকাত এখন নগৰৰ ধ্বংসাৱশেষ আছে বুলি বি. চি. এলেন চাহাবে সম্পাদন কৰা লখীমপুৰৰ ডিষ্ট্ৰিক্ট গেজেটিয়াৰত (১৯০৫) পোৱা যায়। তেওঁ লিখিছে যে তাত ইখনৰপৰা সিখনলৈ প্ৰায় এমাইলমান দূৰত সমান্তৰালভাৱে দুখন ইটাৰ দেৱাল আছে। এই নগৰ বালিপাৰা ফ্ৰন্টিয়াৰ ট্ৰেক্টৰ (আগেয়ে কামেং সীমান্ত অঞ্চল বালিপাৰা ফ্ৰন্টিয়াৰ

ট্ৰেক্টৰ ভিতৰত ভুক্ত আছিল) ভূতপূৰ্ব এছিষ্টেণ্ট পলিটিকেল অফিচাৰ শ্ৰী দ্বাৰিকানাথ দাসে প্ৰাচীন মায়াপুৰী নামে অভিহিত কৰিছে। শ্ৰী ৰজনীকান্ত গগৈয়ে ১৯৪১ খ্ৰীষ্টাব্দত বালিপাৰা ফ্ৰণ্টিয়াৰ ট্ৰেক্টৰ পলিটিকেল জামাদাৰ থাকোঁতে এই নগৰ পৰিভ্ৰমণ কৰিছিল। তেওঁ কয়, ৰৰপানী নৈৰ পূব পাৰে গড় দুটা ভগ্নাৱস্থাত আছে আৰু গড় দুটা সমান্তৰাল নহয় কিন্তু দক্ষিণ-পশ্চিম কোণৰ ফালে চাপ খাই যোৱা আৰু উত্তৰ-পূব ফালে বহল। তেওঁৰ মতে দক্ষিণ ফালৰ গড়টো ডেৰ মাইলতকৈ দীঘল, ১০ ফুট ওখ আৰু ৩ ফুট বহল। উত্তৰ ফালৰ গড়টো আধামাইলমান দীঘল, ৪ ফুট বহল, ৫ ফুট ওখ। দুয়োটা গড়তে দুখন শিলৰ দুৱাৰ আছে। শিলৰ দুৱাৰখনত হাতী, ঘোঁৰা আদি জন্তুৰ ছবি আৰু গণেশৰ মূৰ্তি কটা আছে। গণেশৰ মূৰ্তি থকাৰপৰা অনুমান হয় যে এসময়ত হিন্দু সভ্যতাই পৰ্বতৰ ওপৰত স্থান পাইছিল।[১]

স.বা.

## বৈষ্ণৱ থান

### টিৰাপৰ বৈষ্ণৱ গাঁও

টিৰাপ সীমান্ত অঞ্চলৰ নক্টে জনজাতিৰ লোকসকলৰ বহুত কাল আগৰেপৰা ভৈয়ামৰ লগত সম্পৰ্ক আছে। এওঁলোকে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি কামৰৰ আন জনজাতীয় লোকসকলৰপৰা আহাৰ-বিহাৰত কিছু পৃথক হৈ পৰিছে। নামচাং, বৰদুৰবীয়া, খুনচা আদি গাঁৱত নতুনকৈ নামঘৰ হৈছে। শিৱসাগৰৰ 'বাৰেঘৰ (চলিহা) সত্ৰ' চাওক।

---

১ মায়াপুৰ বা মায়াপুৰী শ্ৰীদ্বাৰিকানাথ দাসৰ কল্পিত নাম। ডফলাসকলৰ অঞ্চলৰ এই শিলিকুৰৰ ওপৰৰ ঠাইডোখৰৰ নাম ইটা বা হিটা (দাসৰ মতে তাত থকা ইটা আৰু ইটাৰ নিচিনাকৈ কটা শিলৰ টুকুৰাৰপৰা এই নাম হৈছে)। ইয়াৰ ইটাবিলাক পুৰণি অসমীয়া ইটাৰ দৰে বহল আৰু চেপেটা — ৮´ x ৬´ x ২১/২। ইহঁতিকৈ কটা শিলবোৰ দুটা গড়ৰ ৮´ x ২´ x ১১/২, ২১/২ x ১১/২ x ১´। উত্তৰ লখীমপুৰৰ হুকমটি বাগিচাৰ ৬১/২ মাইল উত্তৰে ডিক্ৰং আৰু ৰৰপানী নৈৰ সঙ্গমস্থল দুইমুখ (ডফলাসকলে এই দুখন নৈক পাৰ আৰু পাঞ্জি বোলে)। দুইমুখৰ পৰা ৰৰপানী নৈয়ে পশ্চিমলৈ গ'লে একেলাম বাটত পুকুৰুলি নৈৰ মুখ। ৰৰপানীয়ে আৰু কিছু দূৰ গ'লে পপুপানী নৈৰ মুখ পায়। পপুপানীয়ে উজাই গ'লে টাজা আৰু সেঞ্জেৰ নৈৰ সঙ্গম পায়, তাৰপৰা পৰ্বত বগাই গৈ এই ইটা পোৱা যায়। ইটাৰ পৰ্বতক ডফলাসকলে হিটা বোকপো বোলে। ডফলাসকলৰ মাজত আবিমন্ত নামৰ এজাই মাৰৰ হাক নুতনি এই ইটালৈ গৈ আগতে দেখা নোপোৱা নিজ পিতৃক বধ কৰাৰ কাহিনী, আৰু পিতৃহত্যাৰ প্ৰায়শ্চিত্তৰূপে সোণ-ৰূপ, মণি-মুক্তা, সেৱতনি আদি গুৰু-চুণ্টিয়া পৰ্বত (তেওঁলোকৰ মতে নাম পোৰ্‌বোৰ পোটু) থকাৰ ইতিবৃত্ত প্ৰচলিত আছে। দাসৰ 'Ruins of Mayapur' প্ৰবন্ধ (*J A R S., Vol VII, 43-49*) চাবলগীয়া।

ম.বো.

**নামচা নলা**

পূৰ্বতে ৰুদ্ৰসিংহ মহাৰাজে ভাটীৰ পণ্ডিত বাদত ভগোৱাৰ বাবে বাৰেঘৰীয়া গোসাঁইক ৰূপৰ ফুলবছা তামৰ শৰাই, ৰজাই পিন্ধি থকা সোণৰ হাৰ, হাতী-দাঁতৰ (বাকৰুৱা গা-খজুৱা) হাত, সোণৰ গামখাৰু, ৰূপৰ খৰম উপহাৰ দিছিল। সেই বস্তু বৰ্তমানে বাৰেঘৰ সত্ৰত আছে। কিন্তু, এসময়ত পৰ্বতত পানী নোহোৱা হৈছিল, সেই বাতৰি গুৰুত জনোৱাত সিজনা ত'লৈ গৈ, পিন্ধি যোৱা ৰাজদত্ত ৰূপৰ পাদুকা শিলত পেলায়। সেই পাদুকা সেই শিল ফালি সোমাই যায়। কিছু পৰৰ পাছত সেই ঠাইতে কলৰৱে পানী ওলাই আহে কিন্তু পাদুকা আৰু ওপৰলৈ নাহিল। শ্ৰীৰামদেৱ মহাপুৰুষৰ পাদুকাৰ চিহ্ন অদ্য পৰিমিত শিলত আছে, নষ্টে লোকসকলোৰে সৈতে নৰোত্তমে সেই জলেৰে স্নান-পান কৰিছিল। তাৰপৰা পৰ্বতত পানীৰ আকাল ভাগিল। সেই ঠাইক নষ্টৈমতে নামচা নলা বোলে। সত্ৰীয়াসকলৰ মতে সেয়ে নৰোত্তম কুণ্ড। এই নৰোত্তম কুণ্ডত জনজাতীয় নষ্টে লোকসকলে অদ্যাপিও সংকাৰ কৰি থাকে।

**পানৈ গোসাঁই**

সদিয়া অঞ্চলৰ লোক সমস্তক যেতিয়া বাৰেঘৰ (চলিহা) সত্ৰৰ শ্ৰীৰামদেৱ মহাপুৰুষে মহাপুৰুষীয়া ধৰ্মত শৰণ দিয়ে, তেতিয়া তাৰ লোকসকলে ক'লে, সদিয়া গোসানীৰ দেশ, বৈষ্ণৱ ধৰ্ম ল'লে গোসানীয়ে উপদ্ৰৱ কৰিব পাৰে; তেতিয়া শ্ৰীৰামদেৱে আশ্বাস দি ক'লে, 'বিষ্ণু-ভক্ত গোসানীয়ে একো কৰিব নোৱাৰে, বৰং অনেক বিপদ-সঙ্কটত ৰক্ষাহে কৰিব, তথাপি যদি গোসানীৰ নিমিত্তে ভয় হৈছে মোৰ এই পাদুকা (খৰম) দিলো, ইয়াকে থাপনা কৰি সেৱা পূজা কৰি থাকিবা, গোসানীয়ে একো কৰিব নোৱাৰে।' গাঁৱৰ নামঘৰৰ লগতে পানৈ গোসাঁইৰ সেৱা-পূজা অদ্য পৰিমিত চলি আছে। সদিয়া অঞ্চলৰপৰা ৭ মাইলমান দূৰত কুণ্ডিল নদীৰ পূব-উত্তৰ পাৰত বছাগাঁৱতে শ্ৰীৰামদেৱৰ অৰ্পিত পাদুকা থাপি পানৈ গোসাঁই বুলি সেৱা-পূজা কৰা হৈ আহিছে। পৰশুকুণ্ডলৈ যোৱা যাত্ৰীসকলেও তাত শলা-বন্তি নৈবেদ্যাদি দি অৰ্চনা কৰে।[1]

## বৌদ্ধ বিহাৰ-ৰাপুচাং

**টাৱাং বিহাৰ**

যোৱা কিছু বছৰৰ আন্তৰ্জাতিক ঘটনাসমূহে তিব্বত, ভুটান আৰু ভাৰতৰ তিনি-সন্ধিৰ স্থলৰ টাৱাং বিহাৰ প্ৰখ্যাত কৰি তুলিছে। সাগৰ-পৃষ্ঠৰ দহ হেজাৰ ফুট ওখত থকা, কামেং সীমান্ত অঞ্চলৰ পৰ্বতৰ ওপৰৰ মালভূমিত মনপাসকলৰ ধৰ্মৰ কেন্দ্ৰ লামা বৌদ্ধ সম্প্ৰদায়ৰ এই বিহাৰটি অৱস্থিত। ইয়াৰ প্ৰতিষ্ঠা প্ৰায় ছাৰে তিনিশ বছৰৰ আগতে হয়।

১ নামচা নলা আৰু পানৈ গোসাঁইৰ বিষয়ে বাৰেঘৰ (চলিহা) সত্ৰৰ অধিকাৰৰপৰা জনা গৈছে। ম.নে.

ইয়াত বুদ্ধৰ এক প্ৰকাণ্ড মূৰ্তি, সৰু সৰু বহুতো মূৰ্তি আৰু ষষ্ঠ দলাই লামাৰ মাতৃৰ শৰীৰৰ অৱশিষ্ট ৰক্ষিত হৈছে। লামা বৌদ্ধসকলৰ আন বিহাৰৰ দৰে চিত্ৰ-বিচিত্ৰ পতাকা-চিৰলে এই বিহাৰৰ অৱস্থিতি ঘোষণা কৰিছে। মনপাসকলে আৰু ছিয়াং অঞ্চলৰ মেম্বা আৰু খাম্বা বৌদ্ধসকলে ধৰ্মৰ অনুপ্ৰেৰণাৰ কাৰণে আৰু বেহা-বণিজ্যৰ কাৰণেও তিব্বতৰ ওপৰত শ্ৰদ্ধা-সম্মানৰ চকু ৰাখিছিল। এতিয়া তেওঁলোকৰ দুৱাৰ ভাৰতলৈ মেল খাইছে আৰু বৌদ্ধধৰ্মৰ মূলভূমিলৈ এই বৌদ্ধসকলে চকু ঘূৰাইছে। সীমান্তৰ পুলিচ কৰ্মচাৰী এন্. আৰ্. মুখাৰ্জীয়ে জনাইছে, টাৱাং গোম্পাৰ অধিষ্ঠাত্ৰী দেৱী পাল্ডেন ল্হামু (Palden Lhamu)। এই দেৱী তিব্বতৰপৰা কাশ্মীৰেদি সপ্তদশ শতিকাত টাৱাঙলৈ আহে বুলি কোৱা হৈছে। গোম্পাৰ লামাৰ সংখ্যা দুশৰো অধিক। ১৯৫০ চনৰ ভূমিকম্পই গোম্পাটিৰ কিছু ক্ষতিসাধন কৰিছিল।

### ৰূপাৰ গোম্পা

কামেং সীমান্ত অঞ্চলৰ দক্ষিণ অংশত শ্বেৰডুকপেনসকল থাকে। এওঁলোকো বৌদ্ধ। এওঁলোকে জনজাতীয় দেৱতাসকলকো বৌদ্ধ ধৰ্মত সামৰি লৈছে। আনহাতে আকৌ এওঁলোকে আন কি কণীও নাখায়। ৰূপাত তেওঁলোকৰ মন্দিৰ গোম্পা অৱস্থিত।

### ছিয়াং সীমান্ত অঞ্চলৰ বৌদ্ধ থান

তিব্বত আৰু ছিয়াঙৰ সীমাত মেম্বা আৰু খাম্বা নামৰ বৌদ্ধ জনজাতিসকল বাস কৰে। এওঁলোকে মাটিৰে সুন্দৰ বুদ্ধ-মূৰ্তি আদি কৰিব পাৰে টাৱাঙৰ মনপাসকলৰ দৰে এওঁলোক চহকী নহয় কাৰণে এওঁলোকৰ বিহাৰ ভাগি-ছিগি পৰিছে। পবিত্ৰ য়াং ছাং চু উপত্যকাৰ খাম্বাসকলে ভগা মন্দিৰবোৰ পুনৰ সাজি উলিয়াইছে।

### খামটি বাপুচাং

লোহিত সীমান্ত অঞ্চলৰ খামটি গাঁও চৌখাম আদিত বৌদ্ধ খামটিসকলৰ বিহাৰ বা বাপুচাংসমূহ আছে। খামটি বৌদ্ধসকলে ধৰ্ম-সম্পৰ্কীয় আৰু নাচনিৰ মূৰ্তি আদি ধুনীয়াকৈ কাঠত কাটি উলিয়াব পাৰে। এওঁলোকে নানা নৃত্য-অভিনয় আদিৰে বুদ্ধপূৰ্ণিমা অনুষ্ঠান কৰে।[১]

### টিৰাপৰ পশ্চিমৰ বৌদ্ধ বিহাৰ

লখীমপুৰ জিলাৰ গেজেটিয়াৰত এলেন্ চাহাবে ঠিকেই কৈছে, অসমৰ আন জিলাবিলাকত যেনেকৈ বৌদ্ধ জনসংখ্যা বুলিলে নেপালী, ভুটীয়া বা আন পমুৱা

১ Verrier Elwin, *A Philosophy for NEFA*, Shillong, 1959. 'অসমৰ জনজাতি' পুথিৰ অন্তৰ্গত ডক্টৰ মহেশ্বৰ নেওগৰ 'খামতি' প্ৰবন্ধ আৰু Pragjyotisa (Souvenir, All India Oriental Conference, Gauhati) গ্ৰন্থৰ অন্তৰ্গত Living Buddhism in Assam প্ৰবন্ধ চাওক।

লোককহে বুজায়, লখীমপুৰত হ'লে তেনে নহয়। এই জিলাৰ বিশেষকৈ ডিব্ৰুগড় মহকুমাৰ বৌদ্ধসকল হ'ল ৰৰখামটি, হুকং উপত্যকা আৰু শ্বান ৰাজ্যবোৰৰপৰা আহি অসমৰ স্থায়ী বাসিন্দা হোৱা খামটি, চিংফৌ আৰু ফাকিয়াল লোক। অসমৰ আন আন ঠাইত থকা আইটনীয়া, তুৰুং, শ্যাম আদিৰ দৰে খামটি আৰু ফাকিয়ালসকল তাই মানুহ। তেওঁলোকৰ মাজত তাই ভাষা চলে; সি সকলে বৌদ্ধ গ্ৰন্থ পঢ়িবৰ কাৰণে পালী ভাষাও শিকে। য'তে এই বৌদ্ধসকল আছে, ত'তে বৈষ্ণৱসকলৰ নামঘৰৰ দৰে প্ৰায় গাঁৱে গাঁৱে বৌদ্ধ বিহাৰ আছে, সেইবিলাককে বাপুচাং বোলা হয়। উত্তৰ লখীমপুৰৰ গোসাঁইবাৰী আৰু ডিব্ৰুংঘাটৰ উজনিৰ ৰৰখামটি বাপুচাঙৰ কথা যথাস্থানত চাওক।

১৯০৫ চনত প্ৰকাশিত জিলা গেজেটিয়াৰত মাৰ্ঘেৰিটাৰ ওচৰৰ দিহিং নৈৰ পাৰৰ ফাকিয়াল গাঁৱৰ বিহাৰৰ বৰ্ণনা দিয়া হৈছে। বানপানী জলাহৰ পানীয়ে নোপোৱাকৈ ওখ ঠাইত শকত খুটাৰে মঠটি সজা হৈছে। তাৰে এটি খোটালি ডাঙৰ, আৰু লগতে কেইবাটিও সৰু খোটালিও আছে। মঠৰ চালৰ মাজভাগৰপৰা পেগোডাৰ আকৃতিৰ এটা টুপ ওপৰলৈ উঠিছে। ঘাই খোটালিটোৰ ভিতৰত একাষৰে এখন মঞ্চত পাপীসকলৰ নানা যন্ত্ৰণাৰ বিচিত্ৰ চিত্ৰই শোভা পাইছে। মঞ্চৰ পাছফালে এখনি বেদীত বুদ্ধৰ কুৰিখনমান সোণপানী চৰোৱা মূৰ্তি; তাৰে ডাঙৰ মূৰ্তিটি তিনি ফুটমান ওখ। বিহাৰৰ বাপুসকল ব্ৰহ্মদেশৰ লোক। তেওঁলোকে নিজ দেশৰ দৰে ইয়াতো গাঁৱৰ ল'ৰা-ছোৱালীক পঢ়া-শুনা শিকায়।

ম.নে.

### কেটেটং বৌদ্ধ বিহাৰ

মাৰ্ঘেৰিটাৰপৰা ৮ মাইল দূৰত এই বৌদ্ধ বিহাৰ। ইয়াৰ ঘৰটো অতি বিতোপন। বিহাৰত এজন বৌদ্ধ ভিক্ষু আৰু কেইবাজনো ছাত্ৰ আছে। তাত পালী ভাষা আৰু ব্ৰাহ্ম লিপিৰ শিক্ষা দিয়া হয়। এই অঞ্চলৰ প্ৰায় ঠাইতে থকা বৌদ্ধ বিহাৰৰ ভিতৰত কেটেটং বিহাৰ অন্যতম। প্ৰত্যেক বছৰে বুদ্ধ-জয়ন্তী আৰু অন্য অন্য তিথি পালন কৰা হয়। ইয়াত পালী ভাষাৰ বহুতো প্ৰাচীন পুথি আৰু পুৰণি ভাৰৰীয়াৰ মুখা আদি সংৰক্ষিত আছে।

### ৰৰফাকিয়াল বৌদ্ধ বিহাৰ

কেটেটং বিহাৰৰপৰা ডেৰ মাইল দূৰত ৰৰফাকিয়াল বৌদ্ধ বিহাৰ অৱস্থিত। পুৰণি কালৰপৰা এই বিহাৰ চলি আছে। ইয়াত দুজন বৌদ্ধ ভিক্ষু আৰু কেইবাজনো ছাত্ৰ আছে। ইয়াতো ব্ৰাহ্ম আৰু পালী ভাষা শিক্ষা দিয়া হয়। ওচৰতে শিলৰ এটা খুটাত বৌদ্ধ ধৰ্মৰ কিছুমান নিয়ম লিখা আছে। এইটো হেজাৰ বছৰ আগৰ চিহ্ন বুলি কথিত। বিহাৰৰ প্ৰাচীন সাঁচিপতীয়া পুথি আৰু প্ৰায় পোন্ধৰ-বোলটা বুদ্ধ-মূৰ্তি আছে। এই অঞ্চলৰ ভিতৰত এই বিহাৰ প্ৰসিদ্ধ।

**দিবং বৌদ্ধ বিহাৰ**

মাৰ্ঘেৰিটাৰপৰা ৭ মাইল দূৰত দিবং বৌদ্ধ বিহাৰ। ঘৰটো প্ৰাচীন। এজন বৌদ্ধ ভিক্ষু আৰু কেইবাজনো ছাত্ৰ আছে। পুৰণি সাঁচিপতীয়া পুথি আৰু সংস্কৃতিৰ পৰিচায়ক বহুত বস্তু ইয়াত আছে। প্ৰত্যেক বছৰে তিথি-পৰ্ব নিয়মিতভাবে পালন কৰা হয়।

**এম্ফেম বৌদ্ধ বিহাৰ**

এই অঞ্চলৰ ভিতৰত আটাইতকৈ ডাঙৰ বৌদ্ধ বিহাৰ। প্ৰধান ভিক্ষুজন ইয়াতে থাকে। প্ৰত্যেক বছৰে ইয়াত বুদ্ধদেৱৰ তিথি আৰু অন্যান্য উৎসৱ পালন কৰা হয়। ছাত্ৰসকলে ইয়াত বৌদ্ধ সাহিত্য আৰু ধৰ্ম বিষয়ৰ শিক্ষা ল'ব পাৰে। প্ৰাচীন পুথি আৰু নানা প্ৰাচীন বস্তু ইয়াত আছে।

ম.ক.

# উত্তৰ লখীমপুৰ

## সাৰ্হি দেৱালয়

উত্তৰ লখীমপুৰৰ মাছখোৱা আৰু ঢকোৱাখনা মৌজাৰ সীমাত বৈ থকা বিখ্যাত সাৰ্হি নৈৰ পাৰত গোবিন্দপুৰ গাঁৱত এই দেৱালয়। ই অতি প্ৰাচীন দেৱ-মন্দিৰ। ইয়াত বহুত ধুনীয়া আৰু বিৰল মূৰ্তি আছে যেনে — শিৱ, দুৰ্গা, গঙ্গা, মনসা। কেইখনমান মূৰ্তিৰ চকুত সোণৰ পাত চৰোৱা আছে। আহোম ৰজাৰ দিনত দিয়া নিষ্কৰ ভূমি-সম্পত্তি আছে। আগেয়ে দূৰ-দূৰণিৰপৰা যাত্ৰীসকল আহিছিল, সাৰ্হি নৈৰ পাৰত আৰু মুখত আহোম আৰু কোচৰ, আহোম আৰু মুছলমানৰ ডাঙৰ যুদ্ধ লাগিছিল। সাৰ্হি দেৱালয়ক এতিয়া হাৰ্হি দেৱালয় বোলে; তাকে উচ্চাৰণ-ভেদে কোনো 'হাইহি'ও বোলে।[1]

## ঘুণ্ডৱা দ'ল আৰু মণিপুৰীয়া দেৱীৰ থান

ঘিলামৰাৰপৰা বৰদলনিলৈ যোৱা হাঁহখোৱা আলিৰ ওচৰত এটা সৰু ইটাৰ দ'ল আছে; তাক ঘুণ্ডৱা দ'ল বোলে। ইয়াত বাসুদেৱ বিষ্ণুৰ মূৰ্তি আছিল। তাৰ বিগ্ৰহ এতিয়া নাই। তাৰপৰা আৰু উত্তৰলৈ গৈ যি মণিপুৰীয়া গোসানীৰ থান পোৱা যায়, বোধ হয় সেই দেৱীৰ বিগ্ৰহৰে এই মন্দিৰ আছিল। মণিপুৰীয়া দেৱীৰ মূৰ্তি আহোম ৰজাৰ দিনত সদায় আহোম সেনাৰ লগত যুদ্ধলৈ নিয়া হৈছিল বুলি কিংবদন্তী আছে।[2]

ববদলনিৰ এই মণিপুৰীয়া গোসানীৰ থানৰ উপৰিও কড়া নৈৰ পূব পাৰে নতুনকৈ পতা মণিপুৰীয়া গোসানীৰ থান এখন আছে। ববদলনিৰখনেই আচল থান; তাত এতিয়াও পুৰণি পকী নাদ এটাৰ পাৰত শিলৰ ভগা মূৰ্তি এটা আছে।

## কৰ্হনবকলৰ কৈচাইখাতী দ'ল আৰু পঞ্চানন দেৱালয়

উত্তৰ লখীমপুৰ নগৰৰপৰা আঢ়ৈ মাইল দূৰত কৰ্হনবকল গাঁৱত এখন দেৱালয়

---

১ ১৯৬২ চনত দুৰ্গাপূজাত সাৰ্হি দেৱালয়ত বলি দিয়া কথা লৈ দুজন লোকৰ মাজত কাজিয়া হয় আৰু পুলিচে হস্তক্ষেপ কৰি গুলী চলাবলগীয়া হয়। ম.নে.

২ মণিপুৰীয়া থান — এই থানখন ববদলনি মৌজাৰ দেওবৰী গাঁৱত। ছেটেলমেণ্টৰ গ্ৰুপ ৰিপোৰ্টমতে ইয়াৰ মন্দিৰ মায়ামৰীয়া বিদ্ৰোহ দমন কৰাত মণিপুৰীয়া ৰজাই সহায় কৰাৰ কাৰণে স্বৰ্গদেৱ গৌৰীনাথসিংহৰ দিনত (১৭৮০-৯৫) নিৰ্মাণ কৰা হয়। বৰ্তমান ইয়াত পূজাৰি নাই। ম.ব.

আছিল; আগৰ দিনত তাকো কেঁচাইখাতীৰ থান বুলি মানুহে তাত দেবীৰ পূজা কৰিছিল। কি কাৰণে তেনে নাম দিয়া হৈছিল জনা নাযায়। তাৰ বিগ্ৰহ কিন্তু সৌম্যমূৰ্ত্তি ষোড়শী মহাবিদ্যাৰ আকৃতিহে। এই বিগ্ৰহ কৰ্ছন গাঁৱৰপৰা উত্তৰ লখীমপুৰ নগৰলৈ তুলি আনি পঞ্চানন দেবালয় নামে দেবালয়ত স্থাপন কৰি পূজা-সেৱা চলাই থকা আজি সত্তৰ-আশী বছৰ হ'ল। এই দেবালয়ৰ বিগ্ৰহৰ নামত নিষ্পিখেৰাজ মাটি আছে, দেবালয়ৰ দেউলীয়া কেইঘৰমানে ভোগ-দখল কৰি আছে।

### বঠাৰতী দ'ল

উত্তৰ লখীমপুৰ নগৰৰপৰা প্ৰায় ডেৰ মাইল দক্ষিণ-পূবত তিনিকুৰীয়া মৌজাৰ সোণাৰি গাঁৱত বঠাৰতী নামে আৰু এখন দেবালয় আছে। তাত দেবীৰ মূৰ্তি শিলৰ যন্ত্ৰৰ ওপৰত স্থাপিত। এইখনি দেবালয়কো ৰজাৰ দিনত দিয়া নিষ্পিখেৰাজ মাটি আছে; দেবলীয়াই ভোগ-দখল কৰি আছে। মন্দিৰৰ অৱস্থা আৰু পূজা-সেৱাৰ প্ৰবৰ্তন শোচনীয় অৱস্থাত পৰিছেগৈ।

### নীল দেবালয়

ঘাৰমৰা সত্ৰৰ গাতে লাগি এখন দেৱী দেবালয় আছে। তাক নীল গোসানীৰ মন্দিৰ বুলি কয়। এই দেবালয় ৰজাৰ দিনত দিয়া অলপ নিষ্পিখেৰাজ মাটি এতিয়াও আছে।[১]

### মুৰাডঙা দ'ল

ইও এখন দেৱী-দেবালয়; নাওবৈছা মৌজাৰ পেৰাভাৰী গাঁৱত। এতিয়াও পূজা-সেৱা চলি আছে। এই দেবালয় থকা ঠাইৰ নাম পূৰ্বেও মুৰাডঙা আছিল।[২] ডাক্তৰ ব্ৰেডৰ কিতাপত বুঢ়াগোহাঁইৰ বিলাইতৰ অংশৰূপে ইয়াৰ উল্লেখ আছে। সেইদিনত এই দেবালয়লৈ উজনি অসমৰ আৰু পৰ্বতীয়া অঞ্চলৰ বহুত যাত্ৰী আহিছিল বুলি তাত লিখা আছে।

---

১ নীল দেবালয় — এই দেবালয় বেবেজিয়াত আছিল, বৰ্তমান লখীমপুৰ নগৰৰপৰা প্ৰায় আঢ়ৈ মাইল দূৰৰ ঘাৰমৰা গাঁৱত অৱস্থিত। ইয়াৰ গোসানীৰ শিলমূৰ্তি কোনোবাই ভাঙিলে, বৰ্তমান গোসানীৰ চৰণৰ চাবমাত্ৰ আছে। এই দেবালয়ৰ বিষয়ে জনশ্ৰুতি কিম্বদন্তী চলি আছে — বেবেজিয়া গাঁৱৰ এটা মাটিৰ দ'লৰ ওপৰত পৰ্বতীয়া ল'ৰাই খেলিবলৈ মাটি খান্দি দিছিল। এদিন এটা পৰ্বতীয়া ল'ৰাই খেলিবলৈ খোলাৰ কৰিব লগা অপমানত পৰ্বতীয়া কলাটি বিবিলাৰ পাহেৰে বলি দিছিল। পাছত তাতে দেৱীমূৰ্তি আবিৰ্ভাব হ'ল। এই ঘটনা কেতিয়া ঘটিছিল জনা নাযায়। স.বা.

২ এখন বিলৰ পাৰত গছৰ তলত মুঢ়া এটাত এখন গোসানীৰ মূৰ্তি (যন্ত্ৰ) পোৱাৰ বাবে সেই দেৱীৰ নাম মুঢ়াডঙা হয়। স.বা.

বাৰভূঞাসকলে এই মন্দিৰ নিৰ্মাণ কৰিছিল বুলি অনুমান হয়। স.সে.

### দেওঘৰ

দেওঘৰ বুলি মূৰাভগা দ'লৰ ওচৰতে আৰু এখন দেৱীথান আছে। তাৰ্লৈ যোৱা এটা পুৰণি আলিৰ চিন আছে। তাক এতিয়াও মানুহে দেওঘৰৰ আলি বুলি কয়।

### লোণপানী

লালুক মৌজাত গেৰেলুৱা নৈৰ ওচৰত এটি প্ৰাচীন শিলৰ দেৱীমন্দিৰৰ ভগ্নাৱশেষ দেখা যায়। এটা ডাঙৰ পুখুৰীৰ পাৰত ভাগি পৰি থকা শিলৰ কাৰুকাৰ্যময় সিংহ-দুৱাৰৰ চৌকাঠ আৰু যোনিৰ নিচিনা যন্ত্ৰ খোদিত হৈ থকা আঢ়ৈ ফুট ব্যাসৰ এচটা ঘূৰণীয়া শিল। সেই যন্ত্ৰ-বিশিষ্ট শিলচটাত বহু দিনলৈকে স্থানীয় মানুহে হাবিৰ মাজত গৈ পূজা-সেৱা কৰিছিল। এতিয়া সিংহদুৱাৰৰ স্তম্ভ দুটা আৰু সেই ঘূৰণীয়া শিলচটা লালুক ডাকবঙলাত আনি থোৱা হৈছে। ডাক্তৰ বেডৰ অসমৰ বিৱৰণত এই লোণপানী বোলা ঠাইখনৰ উল্লেখ আছে। ইয়াত প্ৰাচীন কালত এখন বিখ্যাত দেৱালয় আছিল, ইয়ালৈ আঁকা, ডফলা, মিৰি, আবৰ আদি পৰ্বতীয়া মানুহে তীৰ্থ কৰিবলৈ আহিছিল বুলি শুনা যায়।[৩]

### মাঘনোৱা দ'ল

পুৰণি অসমত শাক্তধৰ্মৰ প্ৰাদুৰ্ভাৱৰ কালত বৰ্তমান নাৰায়ণপুৰ খেৰাজখাত মৌজাত পিছলা নৈৰ বাঁও পাৰত ফুলবাৰী দেৱালয় এখন বিখ্যাত তীৰ্থস্থান আছিল। সম্ভৱতঃ ইয়াতে বা ইয়াকে কেন্দ্ৰ কৰি বহুতখিনি আইনাম হৈছিল বাবে সেই নামবিলাকত এই নৈ আৰু দেৱালয়ৰ উল্লেখ আছে। আহোম ৰাজত্বৰ কেইবাজনো স্বৰ্গদেৱে ইয়াত আহি বাহৰ পাতি থকা কথা বুৰঞ্জীত উল্লেখ আছে। মানৰ দিনত ইয়াৰ ধনসম্পত্তি লুট কৰি ইয়াতে শিবিৰ পাতি থাকোঁতে মন্দিৰত গোহত্যা কৰা বাবে মন্দিৰ অশুচি হোৱাত মানৰ ভয়ত আগতে দলৈ আৰু দেউৰীবিলাক বিগ্ৰহ লৈ পলাই গৈ কলাবাৰীত মূৰ্তি লুকাই থোৱা ঠাইৰপৰা মন্দিৰলৈ ঘূৰাই নানি কলাবাৰীতে সাধাৰণ ঘৰবাৰী সাজি ৰাখিলে। সেয়ে এতিয়া কলাবাৰীৰ "বৰকালিকা গোসানী" বুলি খ্যাত হৈ আছে।

---

৩ লোণপানী গোসানীৰ দ'ল — এই দ'ল লালুক মৌজাৰ ইচলামপুৰ গাঁৱৰ লোণপানী জানৰ কাৰত থকা এটা পুখুৰীৰ দক্ষিণ পাৰত আছিল। দ'লৰ ভেটিৰ চিন আছে। এই ভেটি খান্দিলে দ'লৰ তল অংশ আৱিষ্কৃত হ'ব পাৰে। পুখুৰীটো পিটনিত পৰিণত হৈছে। তাত বহুত শিলৰ মূৰ্তি আছিল বুলি কয়; কিন্তু বৰ্তমানে এখনো পাবলৈ নাই। তাত মন্দিৰৰ সন্মুখৰ দুৱাৰৰ ওপৰত থকা ফুলকটা ৫'৩½ X ১'৩" X ১'৩" ঘনফুট এচলা। শিল, ৪' ২" X ১' ৭" X ১'৩" ঘনফুটৰ এচটা শিলৰ স্তম্ভৰ তল অংশ ১' পৰিধিৰ মন্দিৰৰ ভিতৰফালে ওপৰত থকা পৰ্য পাই লালুক ইন্সপেক্চন বঙলাৰ কম্পাউণ্ডত আনি থওঁ ১৯৪০ খ্ৰীষ্টাব্দত। শিলৰ স্তম্ভৰ তল অংশত এটা হাতীৰ ওপৰত এটা সিংহ আৰু তাৰ ওপৰত লতা কটা আছে। পৰ্যটোৰ ভিতৰ খালৰ পৰিধি ৫' ১" আৰু দৌমাজত ৩' ব্যাসৰ খালি আছে। কেতে এই দ'লক কামাখ্যা মন্দিৰ বুলিছে। ম.বা.

কালিকা-পুৰাণত এই পিছলা নৈক "গৌতমস্য মহাফলা" তীর্থ বুলি উক্তি পোৱা আছে। ইয়াৰ পাৰত তান্ত্রিক যুগত ৰচিত এখন "পিছলা-তন্ত্র" নামে তন্ত্রও আছে। যোগিনী তন্ত্রৰ বিবৰণতো এই দেৱালয়ৰ নাম বিশেষভাৱে উল্লিখিত হৈছে।

স.ৰ.

ধলপুৰ মৌজাৰ মাঘনোৱা গাঁৱত এই দ'ল অৱস্থিত। ই পিছলা নদীৰ পূব পাৰে আৰু মাঘনোৱা বিলৰ উত্তৰ পাৰে। দ'লটোৰ চাৰিওফালে প্ৰায় ৫ ফুট ওখ ইটাৰ বেৰ। দ'লত লাগি থকা বুলনি-ঘৰৰপৰা প্ৰায় ১২৫ হাত দূৰত ইটাৰ বেৰত লাগি থকা বাটচ'ৰা সহ মন্দিৰ-প্ৰাঙ্গণত সোমাবলৈ এখন মাত্ৰ দুৱাৰ আছে। ইটাৰ গড়ৰ চাৰিওফালে এটি মাটিৰ গড়। মাটিৰ গড়ৰ ভিতৰত কালি ৩৩/১৫ লোচা। গড়ৰ দক্ষিণ-পূব চুকটো মাঘনোৱা বিলত লাগিছে। মাঘনোৱা বিলৰ কালি ৮৯/১৮ লোচা। দ'লটো আঠকুণীয়া আৰু সম্মুখৰ গাত লাগি থকা বুলনিঘৰ। দ'লটো মাটিৰ তললৈ কিমান সোমাই গৈছে কোৱা টান। বৰ্তমান ই ৩০ হাতমান ওখ হ'ব। আঠকুণীয়া দ'লটোৰ প্ৰত্যেক বাহিৰ ফালৰ দীঘ ৯ হাত। দ'লটোৰ বেৰৰ সাত হাতমান ওখত এটা কাৰ্নিচ আৰু এটা কাৰ্নিচৰ এফুটমান ওপৰত আৰু এটা কাৰ্নিচ আছে। দুই কাৰ্নিচৰ মাজত ১০˝ X ১০˝ X ১˝৪˝ ঘনইঞ্চি চটা-চট ইটাৰ ফুললগোৱা আছিল। বৰ্তমান বেৰত এখনো মূৰ্তি নাই আৰু দ'লটোৰ কলচিও নাই। দ'লৰ বেৰবিলাক ৭ ফুটমান ডাঠ হ'ব। বুলনি-ঘৰ দীঘে ১২ হাত, পথালিয়ে ৯ হাত আৰু ওখই ৯ হাতমান হ'ব। ইয়াৰ বেৰ ৩ ফুট ডাঠ। বাটচ'ৰা দীঘে ১২ হাত, পথালিয়ে ৯ হাত আৰু ওখই চাৰে আঠ হাত। ইয়াৰ বেৰ প্ৰায় আঢ়ৈ ফুট ডাঠ। দুইফালৰ বেৰত চাৰিটাকৈ চাকি থোৱা থাকে। বেৰত লগোৱা তিনিখন ভগা আৰু ৮ খন ভাল মূৰ্তি ইয়াত সজাই থোৱা আছে। বেৰৰ বাকীবিলাক মূৰ্তি কোনোবাই লৈ গ'ল। দ'লটি ভগ্ন অৱস্থাত থিয় হৈ আছে। বাহিৰ বেৰৰ তলৰ ভাগৰ ইটা এককোই নিয়া অৱস্থাত আছে। আৰু ভিতৰফালে কিছু ইটা খহি পৰাত মানুহ ভিতৰলৈ সোমাব নোৱৰা অৱস্থাত আছে। দ'লৰ চাৰিওফালে ইটাৰ দেৱাল ঠায়ে ঠায়েহে থিয় হৈ আছে। মাঘনোৱা দ'লক ফুলবাৰীৰ দ'লো বোলে। শ্ৰীপুনাৰাম চেতিয়া চাওকং ফুকনৰ হাতত থকা সাঁচিপতীয়া পুথিত পোৱা যায়, "ফুলবাৰী দেওঘৰৰ দৌল ওখকে ৩২ হাত, বেঢ়ে ৭০ হাত। ডাঠে চাৰে চাৰ হাত, গহ্বৰ চাৰে বাৰ হাত, পোত ৭ হাত। জগমোহনৰ ঘৰটি দীঘে ১০ হাত ১ বেগেত। পথালিশূন্য চাৰে আঠ হাত, ডাঠে ১ হাত, ওখকে ৯ হাত, শূন্য ৭ হাত।"

এই দ'ল কোনে নিৰ্মাণ কৰাইছিল ক'ব নোৱাৰি পোৱা নাযায়। ঘৰ আৰু ইটাৰ ঠাচ চাই এই দ'ল আহোম যুগৰে হ'ব লাগে। দ'লটি অতি মনোমোহা আছিল। আমি অসমৰ অন্য ঠাইত আহোম যুগৰ এনে ধৰণৰ দ'ল দেখা নাই। দৰং জিলাৰ গেজেটিয়াৰত লিখিছে যে ফুলবাৰীৰ দেৱালয় স্বৰ্গদেৱ ৰুদ্ৰসিংহই প্ৰায় ১৭০৫ খ্ৰীষ্টাব্দত নিৰ্মাণ কৰায়। ফুলবাৰী

দেৱালয় দৰং জিলাত নহয়। মূল ফুলবাৰী দেৱালয় লখীমপুৰ মহকুমাতহে পৰিছে। লখীমপুৰ জিলাৰ গেজেটিয়াৰত এই দ'লৰ উল্লেখ নাই। ৰেড্‌ চাহাবৰ বুৰঞ্জীত পোৱা যায় যে স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই (১৭৫১-৬৯ খ্ৰীঃ) পিছলা নৈত স্নান কৰি ফুলবাৰী দেৱালয়ত গোসানী-সেৱা কৰি ১৪,০০০ তিৰুতা আৰু ল'ৰা-ছোৱালীক কাপোৰ, টকা আৰু সোণ দান কৰে। আহোম ৰজাসকলে এই দোৱলয়ত দান দিয়া ৩১৮ বিঘা নিষ্পিখেৰাজ মাটি তেজপুৰ মহকুমাৰ গহপুৰ মৌজাত আছে।

এই দ'লত গুহ্যকালীৰ বিগ্ৰহ আছিল। মানৰ আক্ৰমণৰ সময়ত মানবিলাকে এই দ'ল ধ্বংস কৰে। পূজাৰিসকলে বিগ্ৰহ ৰক্ষা কৰিবৰ কাৰণে বিগ্ৰহ এখন বিলত পেলাই দিয়ে। ব্ৰিটিংশ আমোলত ৰাজ্যত শান্তি বিস্তাৰ হোৱাত পূজাৰিসকলে সেই বিগ্ৰহ বিচাৰি নাপাই, দ'লত থকা অন্য এখন বিগ্ৰহ তেজপুৰ মহকুমাৰ গহপুৰ মৌজাৰ কলাবাৰীত স্থাপন কৰে। কিছু দিনৰ পাছত মাছ মাৰোঁতে প্ৰকৃত গুহ্যকালীৰ বিগ্ৰহ মাছমৰীয়াসকলে লখীমপুৰ মহকুমাৰ, নাৰায়ণপুৰ খেৰাজখাত মৌজাৰ ১ নং বৰপথাৰ গাঁৱৰ গাভৰু বিলত পায়। তেতিয়াৰেপৰা সেই অঞ্চলক দেওতোলা বোলে। মানে গৰু কাটি মাঘনোৱা দ'ল অপবিত্ৰ কৰাৰ কাৰণে পূজাৰিসকলে সেই বিগ্ৰহ কলাবাৰীত স্থাপন কৰে। কলাবাৰীত সেই বিগ্ৰহ এতিয়াও আছে আৰু সেই স্থানক "বৰকালিকা থান" বোলে। তাত সদায় পূজা-সেৱা চলি আছে। মাঘনোৱাৰপৰা বৰকালিকাৰ থান প্ৰায় সাত মাইল দূৰ হ'ব। পূৰ্বে এই দ'লৰ (১) যম, (২) যম, (৩) গৰক আৰু (৪) ফুলবৰীয়া নামে চাৰিঘৰ ঠাকুৰ আৰু কিছুমান পাইক আছিল। তেওঁলোকৰ বংশধৰসকল এতিয়াও আছে।

**গৰখীয়া থান**

গোহাঁইগাঁও মৌজাৰ চেলাজান কছাৰী নন্‌-কেডেষ্ট্ৰেল গাঁৱত গৰখীয়া থানৰ ধ্বংসাৱশেষ আছে। ইয়াত শিলৰ গোসানী-মূৰ্তি আছে; কিন্তু পূজাৰি নাই। ইয়াৰ বুৰঞ্জী অজ্ঞাত।

**লখীমপুৰীয়া থান**

এই থান লখীমপুৰ মৌজাৰ ঘাৰমৰা চমুৱা গাঁৱত। এই পবিত্ৰ থান কিমান পুৰণি জনা নাযায়।

**কৃষ্ণগোহাঁই থান**

এই থান লখীমপুৰ মৌজাৰ চেতিয়া গাঁৱত। ই ব্ৰিটিংশ দিনৰ। হিন্দু আৰু মুছলমান দুয়োৰে মানত এই থান পবিত্ৰ।

**ডেকাথান**

এই থান কমলাবৰীয়া মৌজাৰ ঢকুৱাখনীয়া গাঁৱত অৱস্থিত। ই ব্ৰিটিংশৰ দিনৰ। হিন্দু আৰু মুছলমান দুয়োৰে মানত এই থান পবিত্ৰ।

### কেঁচাইখাঁতী বা পোতা গোসানীৰ থান

কেঁচাইখাঁতী গোসানী মাটিৰ তলত পোত খাই আছিল কাৰণে পোতা গোসানী বুলিও জনাজাত। কেঁচাইখাঁতী গোসানীৰ থান নাওবৈছা মৌজাত।

স.ৰা.

### দিক্কৰবাসিনী[1] বা ডিক্ৰং নৈ

দিক্কৰবাসিনী নৈৰ তীৰ্থকান্ত বোলা ধাৰাটো বৰ্তমান হাৰমতি বাগিচাৰ কাষেদি বৈ আহি লালুক আৰু বিহপুৰীয়া মৌজাৰ মাজে বোৱা ডিক্ৰং নৈয়েই। কালিকা-পুৰাণ আৰু যোগিনী-তন্ত্ৰত এই নৈৰ মাহাত্ম্য বৰ্ণিত হৈছে। ডাক্তৰ বেডৰ বিবৰণত এই নৈত উত্তম সোণ কমোৱা হৈছিল বুলি উল্লেখ আছে। ইয়াৰ পাৰত থকা হাৰমতি বাগিচা প্ৰথমে পাতোঁতে ইটাৰ গড় আৰু শিলৰ মূৰ্তি আদিৰ অৱশেষ ওলাইছিল বুলি কথিত আছে। এই নদীৰ অধিষ্ঠাত্ৰী দেৱী দিক্কৰবাসিনীৰ মন্দিৰ তাতে থকা বুলি অনুমান হয়। ইয়াৰ পূৱণি সুঁতিৰ পাৰত নাৰায়ণপুৰৰ আউনীবাৰী নামে ঠাইত আউনীআটি সত্ৰৰ কেশৱানন্দ গোসাঁইৰ থান আৰু পুৰণি সত্ৰৰ ভেটি আদি আছিল। আহোম ৰাজত্ব কালত এই নৈয়েদি নাৱৰ চলাচল আছিল আৰু বেপাৰ-বাণিজ্য চলিছিল। আহোম স্বৰ্গদেও কেইৰাজনাও এই নৈয়েদি উজাই মাঘনোৱা দ'লৰ ওচৰত বাহৰ পাতি থকাৰ উল্লেখ আছে।[2]

## থান-সত্ৰ

### বাসুদেৱ-থান (নবোৱা সত্ৰ)

গোহাঁই মৌজাত চামপৰা নৈৰ কাষত বাসুদেৱ-বিষ্ণুৰ প্ৰখ্যাত থানখন আছে। ইয়াত বাসুদেৱৰ এখন বিৰাট মূৰ্তি আছে — ১৬ জনৰ কম মানুহে তাক কঢ়িয়াই নিব নোৱাৰে। সুন্দৰ ক'লীয়া শিলত বিতোপন দক্ষভাৱে নিৰ্মিত এখন লেখত ল'বলগীয়া প্ৰতিমূৰ্তি। এই বিগ্ৰহৰ পূজাৰ উল্লেখ ১৩২০ শকত লক্ষ্মীনাৰায়ণ ৰজাই শাণ্ডিল্য-গোত্ৰী বাসুদেৱৰ পূজাত বত ৰবিদেৱ ব্ৰাহ্মণক সোৱণশিৰিৰ পশ্চিমে ব্ৰহ্মোত্তৰ মাটি দিয়া তামৰ ফলিত পোৱা যায়। কালিকা-পুৰাণতো দিক্কৰবাসিনী অঞ্চলত বাসুদেৱৰ পীঠত বাসুদেৱ পূজা চলিছিল বুলি উক্ত আছে। বেড ছাহাবৰ "অসমৰ বিবৰণ" পুথিত চাঁপৰা নৈৰ পাৰত নবোৱা নামে ঠাইত এটা মন্দিৰ বা ঠাকুৰবাড়ী (অৰ্থাৎ থান) আছে বুলি উল্লেখ কৰা হৈছে। ইয়ালৈ বহুবি নেপাল প্ৰমুখ্যে বহু ঠাইৰপৰা যাত্ৰী আহি বাসুদেৱ-মূৰ্তি দৰ্শন কৰেহি। 'ঠাকুৰ-চৰিত্ৰ' নামে সাঁচিপতীয়া পুথি এখনৰপৰা জয়ধ্বজসিংহ ৰজাই কৃতিনাথ

---

১ যোৱা হয় প্ৰকৃততে নৈৰ নাম দিক্কৰ আৰু পীঠৰ অধিষ্ঠাত্ৰী দেৱীৰ নামহে দিক্কৰবাসিনী।

হ.বে.

২ গেইটে এই নৈৰ পাৰত কলিংপুৰ, ডেকেৰগাৰ আদিৰ অৱস্থিতি উল্লেখ কৰিছে।

হ.বে.

(সদিয়াৰ) পৰা আনি নবোৱা থানত, বাসুদেৱ-মূৰ্তি স্থাপন কৰা বুলি জানিব পৰা যায়। "কায়স্থ সমাজৰ ইতিবৃত্ত" কিতাপত হৰিনাৰায়ণ দ্বিজৰ চৰিত্ৰৰপৰা দিয়া আছে, —

তামৰঙ্গা বৰুৱা আলি পূৰ্বত আছয় জানা
পশ্চিমে শুকতি পোতা জান।
উত্তৰত চাওঁপৰা কচা নদী দক্ষিণত
ইসব মধ্যত দিলা-স্থান।।

পাছে জয়ধ্বজ ৰজাই গায়ন-বায়ন নিয়াই "হদ কৰি পাথৰে নিৰ্মিলা" আৰু "ভূমি আদি দিলা।" ইয়াৰপৰা প্ৰকাশ পাইছে যে বাসুদেৱ থানৰ বৃহৎ শিলৰ সুন্দৰ মূৰ্তিখন এসময়ত কুণ্ডিল বা সদিয়াত চুতীয়া ৰজাৰ হাতত আছিল। কালিকা-পুৰাণত দিক্কৰবাসিনী অঞ্চলত বাসুদেৱ বিষ্ণুৰ পূজাৰ প্ৰাদুৰ্ভাৱৰ উল্লেখৰপৰা (ডক্টৰ বাণীকান্ত কাকতিৰ "পুৰণি অসমৰ ধৰ্মৰ ধাৰা", ১২৪ পৃ.) আৰু ১৩২৩ শকত (১৪০১ খ্ৰীঃ) লক্ষ্মীনাৰায়ণ ৰজাই বাসুদেৱৰ পূজাৰিটিক মাটি দান দিয়া তামৰ ফলিৰপৰাও এই কথা পতিয়াবৰ যুক্তি আছে। এই ব্ৰহ্মোত্তৰ মাটিকে পিছৰ কালত সেই ব্ৰাহ্মণৰ পৰিনাতি এজনে মহাপুৰুষ শঙ্কৰদেৱৰ পৰিনাতি ৰমাকান্ত আতাক তিল-কুশ ধৰি উছৰ্গি দিছিল. সেই কিংবদন্তীও ডক্টৰ মহেশ্বৰ নেওগৰ "A Place of Vasudeva worship in Assam" প্ৰবন্ধত উল্লেখ কৰা হৈছে। মানৰ দিনত নবোৱা সত্ৰ ভাগি-ছিগি গৈ অটব্য অৰণ্যত পৰিণত হোৱাত কেনেকৈ বাসুদেৱ অৰণ্যপতি দেৱতালৈ ৰূপান্তৰিত হৈছিল আৰু পিছত কেনেকৈ জলভাৰীৰ ৰঙাই আলধৰাৰ সহায়ত অচ্যুতচন্দ্ৰ গোস্বামীয়ে আকৌ তাত সত্ৰ স্থাপন কৰে তাৰ বৃত্তান্ত উক্ত প্ৰবন্ধত চমুকৈ দিয়া হৈছে।[1]

**ঘাৰমৰা সত্ৰ আৰু দ'ল**

উত্তৰ লখীমপুৰ নগৰৰ ওচৰতে এই প্ৰাচীন সত্ৰ আছে। দেৱ যদু মণিৰ[2] স্থাপিত আদিতে ধেনুখনাৰ ওচৰৰ ঘাৰমৰা নামে ঠাইত আছিল বুলি শুনা যায়। তাত ইয়াৰ প্ৰাচীন চিন স্বৰূপে দুটা ডাঙৰ পুখুৰী আৰু এটাৰ পাৰত পুৰণি ইটাৰ মন্দিৰৰ ভগ্নাৱশেষো আছে। এই সত্ৰত প্ৰায় আধামোন ওজনৰ এটা ডাঙৰ ঘণ্টা আছে; তাৰ গাত যুৰীয়া মাছ

---

১ শ্ৰীসৰ্বেশ্বৰ বৰুৱাৰ "Some ancient relics found in North Lakhimpur" প্ৰবন্ধ (*Journal of Assam Research Society, Vol III*) আৰু মহেশ্বৰ নেওগৰ 'A place of Vasudeve worship in Assam' প্ৰবন্ধ (*Journal of the University of Gauhati*) চাওক। নবীনৰ সত্ৰসমূহ প্ৰসঙ্গত "বৰদোৱা থান" প্ৰবন্ধত নবোৱা সত্ৰ সম্পৰ্কে চাওক।

২ এইজনা বৰ বা সৰু যদুমণিদেৱ নহয়, আথনীয়া (আথাৰ সত্ৰৰ) যদুমণিহে। এওঁ মাধৱদেৱ আৰু দামোদৰদেৱৰ সংযুক্ত আজ্ঞাত বংশীগোপালদেৱেৰে সৈতে পূব অঞ্চলত ধৰ্মপ্ৰচাৰ কৰিবলৈ আহে; এওঁৰপৰা আথাৰ, ডোৰবামুখ, পতিয়ৰি আদি সত্ৰ বাঢ়ে। নবীনৰ সত্ৰসমূহৰ প্ৰসঙ্গত "মাধৱদেৱৰ আজ্ঞাপ্ৰাপ্ত সত্ৰসমূহ" (মাহৰা সত্ৰ) চাওক। ম.নে.

আৰু হৰ-গৌৰীৰ নক্সা কটা কাৰুকাৰ্য আছে আৰু শিখৰত এটি লিপি খোদিত আছে। এই সত্ৰৰ ৰজাৰ দিনীয়া ভূ-সম্পত্তি এতিয়া নাই যদিও ব্ৰিটিছ আমোলত বৰ্তমান সত্ৰ থকা ঠাইখন এখন খেৰাজ খাত কৰি অধিকাৰ গোসাঁইক দিয়া হৈছিল। আজিকালি খাতখনৰ অধিকাৰ চৰকাৰক শোধাই দিয়া হৈছে।[৩]

### বৰমাহৰা সত্ৰ

নীল দেৱালয়ৰ পশ্চিমে উত্তৰ লখীমপুৰ নগৰৰ দুমাইল আঁতৰত ঘাৰমৰাৰ পংক্তিৰে বৰমাহৰা সত্ৰ আছে। পূৰ্বাপৰ ৰীতিমতে এই সত্ৰৰপৰা আউনীআটী সত্ৰলৈ ডেকা দি ডেকা অধিকাৰ পতা হয়। এই সত্ৰৰো ৰজাদিনীয়া ভূ-সম্পত্তি নাই।

### মাধৱৰ সত্ৰ

বিহপুৰীয়াৰপৰা উত্তৰ-পশ্চিমফালে কাচিকটা আৰু ৰঙাজানৰ মাজত মহাপুৰুষ মাধৱদেৱৰ জন্মস্থান আবিষ্কৃত হোৱাৰ আজি কেইবাবছৰো হ'ল। এই ঠাইত এদল ভকতে আৰু উত্তৰ কমলাবাৰী সত্ৰৰ গোসাঁয়ে ওচৰা-উচৰিকৈ দুখন ঠাইত মহাপুৰুষ ভূমিষ্ঠ হোৱা বুলি দাবী কৰি দুখন প্ৰতিযোগী থান পাতিছে। সি যি হওক, এই ঠাইৰ ভিতৰতে হৰশিঙা বৰাৰ আশ্ৰয়ত মহাপুৰুষ মাধৱদেৱৰ জন্ম, বাল্যলীলা আৰু বিদ্যাশিক্ষা হৈছিল বুলি ঠাৱৰকৈ ক'ব পাৰি।

### নাহৰণি থান

বিহপুৰীয়া মৌজাৰ কন্দলি নামে ঠাইত অৱস্থিত এইখন মোৱামৰীয়া (মায়ামৰীয়া)

---

৩ উত্তৰ লখীমপুৰ নগৰৰ ৩ মাইল পূব দক্ষিণৰ এই সত্ৰ আগিতে কুঁহিগুড়িত আছিল বুলি জনা যায়। তাৰপৰা ই ডিব্ৰুগড় মহকুমাৰ চেকজান, তাৰ পিছত উত্তৰ লখীমপুৰৰ ককলগুৰি মৌজাৰ বৰবিহালত, তাৰ পিছত তাৰে মাজখোৱা মৌজাৰ দেনুখনা নৈৰ পাৰৰ ঘনবৰা অঞ্চলত আৰু সৰ্বশেষত ১৭৫১ শকত বৰ্তমান স্থানত পৰে। এই সত্ৰত চাৰে চৌকিৰ সেৱা জয়ধ্বজা চুটীয়া ৰজাই দিয়া বুলি খ্যাত। সম্ভৱতঃ কুঁহিগুড়িত থকা সময়ৰেপৰা এই সত্ৰৰ থেঁকা, ডফলা, ডাল-ঝিঝি, আদি জনজাতি আদিৰ লোক শিষ্য হৈ আছিল। এতিয়াও সোৱণশিৰি সীমান্ত জিলাৰ ওচৰৰ অঞ্চলৰ ডফলাৰ আৰু পানীমিৰিয়া লোক এই সত্ৰৰ শিষ্য। তদুপৰি বৰ্তমানে সোৱণশিৰিৰ পৰ্বতৰ মাজত চিৰাকুলিত আৰু জিৰো সীমান্ত জিলাৰ কাৰেঙৰ নিকটবৰ্তীত নতুন সত্ৰ-শাখা স্থাপন কৰি সীমান্তৰ লোকৰ মাজত বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কাৰ্য চলাই থকা হৈছে। চাহ-বাগিচাৰ বনুৱাসকলৰ মাজতো এই সত্ৰৰ কাম চলিছে। বৰ্তমান শ্ৰীপ্ৰেমকৃষ্ণ দেৱ গোস্বামীয়ে শিষ্য টোকাৰপৰা এইবিলাক কথা জনা গৈছে।

আমাৰ বন্ধুবৰ্গ বা আৰুণীয়া বন্ধুবিলাকৰ "প্ৰথমে জাৰ্মান পুৰী মাধৱৰ আৰু দ্বিতীয় জাৰ্মান পুৰী মাধৱ, আবাল আৰু পাতিবৰ্ণি সত্ৰ স্থাপন কৰে। ... সত্ৰত মদন-মোহন মূৰ্তি আছে আৰু ই সত্ৰ বৈষ্ণৱ-তান্ত্ৰিক, ... মহাপুৰুষীয়া" (শ্ৰীসৰ্বানন্দ ৰাজকুমাৰদেৱৰ টোকা)। ম.দে.

সম্প্ৰদায়ৰ মহাপুৰুষ অনিৰুদ্ধৰ সমাধি-স্থান। সেইগৰাকী মহাপুৰুষৰে ইয়াৰ ওচৰতে মোৱামৰা বিলৰ পাৰত প্ৰথম সত্ৰ স্থাপন কৰি পিছত বৈকুণ্ঠ-প্ৰয়াণৰ সময়ত ইয়াতে আহি সমাধিস্থ হয়। সমাধিস্থান এতিয়াও এটি চৌপাৰ বন্ধ গহ্বৰৰ নিচিনা হৈ আছে। মান-মৰাণৰ উপদ্ৰৱৰ দিনত এই ঠাই জনশূন্য হৈ গভীৰ অৰণ্যত পৰিণত হ'ল। খৰালি দিনত গোটেই অসমৰহে নালাগে চিলট আদি ঠাইৰপৰাও যাত্ৰী আহি মহাপুৰুষৰ সমাধিস্থান দৰ্শন কৰিছিলহি। আজিকালি তাত মায়ামৰীয়াপন্থী বৈষ্ণৱ বহি ঠাইখন মুকলি কৰি থানখনৰ জেউতি বঢ়াইছে; কিন্তু তাৰ পূৰ্বৰ গাম্ভীৰ্য আৰু আধ্যাত্মিকতা বহুত টুটিছে যেন লাগে।[8]

**বদুলা আতাৰ থান**

মহাপুৰুষ মাধৱদেৱৰ আজ্ঞাপৰ আচাৰ্য পদ্ম বা বদুলা আতাৰ স্মৃতি-জড়িত বদুলা থান মহাপুৰুষীয়া পন্থৰ পবিত্ৰ থান। নাৰায়ণপুৰ অঞ্চলৰ এই থান এজন অধিকাৰ গোস্বামীয়ে এতিয়া ৰক্ষা কৰি আছে। থানত ভকতৰ হাটী আৰু হাটীৰ সন্মুখত ইটাৰ পকী ঘাটে সৈতে এটা ডাঙৰ পুখুৰী আছে। ইয়ালৈ মহাপুৰুষীয়া পন্থৰ যাত্ৰীসকলৰ যাতায়ত হয়।

**সৰুবাহি থান**

নাৰায়ণপুৰ অঞ্চলৰ আন এখন মহাপুৰুষীয়া থান। বৰ্তমান বৰ কমলাবাৰী সত্ৰৰ লগত সম্বন্ধিত।

**ফুৰাণি থান**

ওপৰৰ দুখনৰ লগৰে আন এখন ওচৰা-উচৰিকৈ অৱস্থিত মহাপুৰুষীয়া থান।*

**বেলগুৰি থান**

বেলগুৰি সত্ৰৰপৰা উঠি যোৱা ভকতসকলে নাৰায়ণপুৰ খেৰাজখাত মৌজাৰ মাকোবাৰী নামে ঠাইত নতুনকৈ বেলগুৰি সত্ৰ স্থাপন কৰিছে। এগৰাকী বুঢ়াভকতৰ যত্নত ইয়াত শিল আৰু ইটাৰ এটি মন্দিৰ স্থাপিত হৈছে। গোলাঘাটৰ 'বেলগুৰি' চাওক।

স.ৰ.

---

৪ বিষ্ণু-বালিকুছি সত্ৰাধিকাৰ শ্ৰীকমলচন্দ্ৰ দেৱ গোস্বামীয়ে জনাইছে, থানখনিৰ নাম নাহৰণি নহয়, নাহৰজাটিহে হ'ব লাগে। এই থান বৰ্তমান গাঁৱৰপৰা ৩ মাইল আঁতৰত নাহৰণি গাঁৱত। সমাধি-স্থানখনি গহ্বৰৰ নিচিনাও নহয়। তদুপৰি, অনিৰুদ্ধদেৱে মোৱামৰা বিলৰ কাষত সত্ৰ পতা কথা কোনো চৰিতত নাই। গোস্বামীৰ মতে বৰ্তমান নৈৰ কাষৰ আই-থানহে নাহৰণি থান। 'বিষ্ণু বালিকুছি সত্ৰ' চাওক। ম.নে.

• ফুলনি আন নামে এই থানৰে (?) ন মণিকূট-নামঘৰ ১৯[illegible] চনত নিৰ্মাণ কৰা হয়। কথিত হৈছে যে বদুলা আতাই নিজান ভাল পাইছিল বাবে নিজৰ বদুলা সত্ৰত নাথাকি মাজে মাজে ফুলনি থানত হৰি-নাম লৈ থাকিছিলহি। ম.নে.

### শুকুলা দ্বীপ

নাওবৈছা মৌজাত উত্তৰ ট্ৰাঙ্কৰোড আৰু দলৌহাট আলিৰ সংযোগ স্থলৰ ৰা আঢ়ৈ মাইলমান দক্ষিণে ইয়াত মায়ামৰীয়াসকলৰ অতীজৰ নামঘৰৰ ভেটিৰ চিন।

### কাংসপাৰ সত্ৰ

কাংসপাৰ সত্ৰৰ মাজঠাই ভাগৰ এভাগ নাৰায়ণপুৰত অলপতে বহিছেহি। শিৱসাগৰৰ 'কাংসপাৰ সত্ৰ' চাওক।

### কাঁহীকুছি সত্ৰ

মাধৱদেৱে দামোদৰদেৱেৰে আলোচনা কৰি উজনিত মহাপুৰুষীয়া ধৰ্মপ্ৰচাৰৰ অৰ্থে বংশীগোপালদেৱ আৰু আধলীয়া যদুমণিক আহোম ৰাজ্যলৈ পঠায়। বংশীগোপালে পোনতে নানা ঠাইত ঘূৰি কাঁহীকুছি গাঁৱত সত্ৰ পাতি ৰ'ল। বাৰভূঞাসকলে আদৰ-সাদৰ কৰি ধন দি, মাটি কিনি, পুখুৰী খানি, ঘৰবাৰী কৰি দিলে। 'বৌদ্ধ'সকলে শৰণ লবলৈ লোৱা লোকক হকা-বধা কৰাত, তেওঁলোকৰ লগৰীয়া এক কপটীয়া ব্ৰাহ্মণৰ লগ হৈ বিহ খুৱাই আৰু খুচি-কাটি মাৰিবলৈ যত্ন কৰাত বংশীগোপালে ইয়াৰপৰা গৈ কলাবাৰীত সত্ৰ পাতে. কাঁহীকুছি তেতিয়াই এৰা পৰে। এতিয়া এই নামৰ কোনো সত্ৰ নাই।

### কাথপাৰ (মাকোৰাৰী) সত্ৰ

ভবানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ পুৰুষোত্তম আতাই নাৰায়ণপুৰ অঞ্চলৰ (খেৰাজখাত মৌজা) কাথপাৰ সত্ৰ পাতে, সেয়ে মকোৰাৰী বা মাকোৰাৰী নামে জনাজাত হয়। মানৰ উপদ্ৰৱৰ সময়ত এই সত্ৰ এৰা পৰে। নগাঁৱৰ 'কাল সংহতিৰ সত্ৰ' (কাথপাৰ-মকোৰাৰী) চাওক।

### গোবিন্দ এলেঙি সত্ৰ

দৰঙৰ গহপুৰৰ গোবিন্দ এলেঙি সত্ৰৰ শ্ৰীমহানন্দ দেৱ গোস্বামীয়ে উত্তৰ লখীমপুৰ নগৰৰ মৈদমীয়াত ১৯৬৫ চনত এই সত্ৰ নতুনকৈ পাতিছে।

### খাতপাৰ সত্ৰ

বৰবাৰজনীয়া এই সত্ৰ দলৌহাট অঞ্চলত।

### ধৌবামোচন থান

গোপাল আতাৰ আজ্ঞাপৰ সূত্ৰাওক ৰামচন্দ্ৰই বিহপুৰীয়াত ধৌবামোচন সত্ৰ পাতিছিল। মান-ভাগনত সত্ৰ নগাঁৱৰ জাজৰিলৈ উঠি যায়। আগৰ সত্ৰৰ ঠাই পবিত্ৰ থান বুলি পৰিগণিত। থ'বা বা ধৌবা নামে ঠাইত পুৰণি উৰাপাৰ লৈৰ এটা মোচন বা উচ্ছেদ পতা বাবে সত্ৰৰ এই নাম হয়।

**গজলা সত্ৰ**

গোলাঘাটৰপৰা উঠি গৈ গজলা সত্ৰ এতিয়া উত্তৰ লখীমপুৰত বহিছে।

**চৰিপোতা সত্ৰ**

ভৱানীপুৰীয়া গোপাল আতাৰ তৃতীয়া ভাৰ্যা দুখুনীৰ দুখীয়া কেহো আতাই চৰৰিপোতা বিলৰ পাৰত চৰিপোতা সত্ৰ পাতে কিন্তু ডফলাৰ উপদ্ৰৱৰ কাৰণে সি ঠাই এৰে। নগাঁৱৰ 'কাল সংহতিৰ সত্ৰ' (চৰিপোতা) চাওক।

**ডেবেৰাপাৰ সত্ৰ**

বংশীগোপালদেৱে কলাবাৰীত সত্ৰ পাতি ডফলাৰ ভয়ত থাকিব নোৱাৰি ডেবেৰাপাৰত সত্ৰ পাতি ৰয়। এই কাৰ্যত ভঁৰালী গোহাঁই আৰু সোন্দৰ গোহাঁই নামে দুজন আহোম বিষয়াই সহায় কৰে। ইয়াতে অনিৰুদ্ধদেৱ আৰু বৰযদুমণিদেৱ বংশীগোপালৰ সত্ৰত আছিল। ইয়াতে বংশীগোপালে বেলগুৰিৰপৰা শঙ্কৰদেৱৰ মদনগোপাল মূৰ্তি পাই আৰু জগন্নাথৰপৰা গোবিন্দঠাকুৰ মূৰ্তি অনাই (কোনোৰ মতে যদুমণিৰ হতুৱাই) প্ৰতিষ্ঠা কৰিছিল। ৰাজ-নিগ্ৰহ পৰাত দেৱগোপালে এই সত্ৰ এৰি বাৰখন বেলেগ বেলেগ ঠাইত "পলৰীয়া সত্ৰ" কৰি ফুৰি শেষত কুৰুৱাবাহী সত্ৰ পাতে। কাঁহীকুছি, কলাবাৰী, ডেবেৰাপাৰ আৰু কুৰুৱাবাহী — এই কেইখনেই দেৱগোপালৰ নিজা ঘাই সত্ৰ আছিল।

**দহঘৰ সত্ৰ**

ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ নাৰায়ণ আতাই দিকৰাই নৈৰ পাৰত দহঘৰ (হালধিআটি) সত্ৰ পাতিছিল। এতিয়া নগাঁৱত এই দুই নামৰ সত্ৰসমূহ আছে (চাওক)।

**ধল সত্ৰ**

বৰ্তমান যোৰহাটৰ এই সত্ৰ (চাওক) পোনতে ধল নৈৰ পাৰত প্ৰতিষ্ঠিত হৈছিল।

**নাচনীপাৰ সত্ৰ**

নাৰায়ণপুৰৰপৰা কুৰি-পঁচিশ মাইলমান আঁতৰত খুৰাপথাৰত। যোৰহাটৰ 'নাচনীপাৰ' চাওক।

**নাৰায়ণপুৰ সত্ৰ**

হৰিদেৱী পন্থৰ প্ৰৱৰ্তক হৰিদেৱে ইয়াত এখনি সত্ৰ পাতিছিল বুলি জনা যায়।

**পোৱালি সত্ৰ**

সৰু বাৰজনীয়া এই সত্ৰ পছকটাত।

**লেহদী সত্ৰ**

দিহিঙৰ মাজভাগৰ অৰ্থাৎ বৰযদুমণি দেৱৰ মাজু পুত্ৰ ৰতিকান্তৰপৰা হোৱা এই সত্ৰ লখীমপুৰত আছিল।

**সাউদকুছি**

যোৰহাটৰ 'সাউদকুছি' চাওক।

**হেমাৰবৰি থান**

ৰেডৰ টোকা মতে কাচিকটা নৈৰ পাৰৰ হেমাৰবৰি গাঁও বানফাং অঞ্চলত, ভবানীপুৰীয়া গোপাল আতাৰ নাতি ৰামকৃষ্ণই পোনতে ইয়াত সত্ৰ পাতে। নগাঁৱৰ 'কালসংহতি সত্ৰ' চাওক। বৰ্তমানে হামৰা থান বা হামৰা গাঁও নামে জ্ঞাত।
ম.নে.

**বিষ্ণু বালিকুঞ্চি সত্ৰ**

নাৰায়ণপুৰ অঞ্চলৰ বৰ্তমান ধলপুৰ মৌজাৰ বিষ্ণু বালিকুঞ্চি নামে ঠাইত ১৪৭৫ শকৰ পোহ্মৰ বহাগ বৃহস্পতিবাৰে শুক্লা নৱমী তিথিত মহাপুৰুষ অনিৰুদ্ধদেৱে জন্মগ্ৰহণ কৰে। অনিৰুদ্ধদেৱে ভবানীপুৰীয়া আতা গোপালদেৱৰ ওচৰত চাৰি বছৰ থাকি ধৰ্মবস্তু লৈ ১৬০২ চনত বালিকুঞ্চিত সত্ৰৰ চৌচাপ মাৰি নামঘৰ মণিকূট সজাই পুখুৰী খন্দাই সত্ৰৰ হাটী পাতি সত্ৰ স্থাপন কৰি মহাপুৰুষীয়া ধৰ্মৰ প্ৰচাৰত ধৰে। এই সত্ৰত থাকোঁতে নানা জাতিৰ মাজত ধৰ্ম প্ৰচাৰ কৰিছিল আন কি যবনকো মহাপুৰুষীয়া ধৰ্মত দীক্ষিত কৰাৰ প্ৰমাণ আছে; অদ্যাপি সেই বংশৰ লোক আছে। সত্ৰৰ পূব আৰু দক্ষিণে পিছলা লৈ, উত্তৰে ধলপুৰ, বৰ্তমান পশ্চিমে সোৱণশিৰি আলি। ১৬০২ চনত স্থাপিত সত্ৰৰ চাপ আদিৰ ভগ্নাবশেষ আছে। পাঁচ বছৰ কাল এই সত্ৰত থাকি ডফলাৰ উপদ্ৰৱত থাকিব নোৱাৰি বিহপুৰীয়া মৌজাৰ অন্তৰ্গত মৰনৈৰ কাণৰ এডোখৰ ঠাইত চাপ মাৰি নাহৰ গছ আটি পাতি কই নামঘৰ মণিকূট সাজি চাৰি হাটী পাতি পুখুৰী খন্দাই সত্ৰ-সভা পাতিছিল। সেই সত্ৰৰ নাম হ'ল নাহৰআটি সত্ৰ। সত্ৰৰ চাৰিওফালে গড় আৰু খাৰৈয়ে ৩২ বিঘা মাটি আগুৰি ৰাখিছে। তাৰ চাপত শাৰী কৰি আৰু ভিতৰতো শাৰী পাতি আৰু থানৰ ভিতৰলৈ যোৱা আলিৰ দুইকাষে নাহৰ গছৰ শাৰী। এই চাৰি গড়ৰ ভিতৰত পূৰ্বৰ নামঘৰৰ ভেটি গুৰু-গৃহৰ মণিকূটৰ ভেঁটি প্ৰকাশিত। সত্ৰৰ উত্তৰ ফালে এটা আহল-বহল পুখুৰী নিচেই কাষতে এটা সৰু পুখুৰী আৰু পূব ফালে এখন মৰনৈ নামৰ নৈ আছে। সত্ৰৰ উত্তৰ-পূব ফালে ডাঙৰ পুখুৰীটোৰ উত্তৰ পাৰেদিয়েই আলি গৈ মৰনৈ পাইছে। পুখুৰীটোৰ উত্তৰ-পূব ফালে অনিৰুদ্ধদেৱৰ সমাধিথান। সেই থানক ২ বিঘা মাটি আবৰি বৰ ডাঙৰ গড়-খাৰৈ দিয়া আছে। সেই চাপৰ ভিতৰত পুনৰ ১২ লোচা মান মাটি আবৰি এটা সৰু চাপ মৰা আছে। থানৰ কাষত পূবা-পশ্চিমাকৈ এটা টিনৰ ৭০ ফুটৰ নামঘৰ। নামঘৰৰ

কাষৰে বাট, বাটৰ সিপাৰে পুখুৰী, তাতকৈ উজনিত খোলা আৰু এটা পকা কুঁৱা। দেখিবলৈ মনোমোহা কৰিগছ-গছনিবিলাকৰ তলৰ হাবি কাটি পৰিষ্কাৰ কৰি গছবিলাক উলিয়াই দিয়া হৈছে। সেই থানৰ ওচৰতে নিচেই কাষতে বাপৰ থান বুলি আৰু এজনা গুৰুৰ থান আছে। এই নাহৰআটি থানৰ কাৰণে দিয়া ৫৩ বিঘা মাটি ব্ৰহ্মোত্তৰ আছে। এই সত্ৰ-থান বিহপুৰীয়া মৌজাৰ ১ নং নাহৰণি গাঁৱত বিহপুৰীয়াৰপৰা পাঁচ মাইল দক্ষিণ-পূব ফালে অৱস্থিত। থানখন উন্নয়নৰ বাবে এখন স্থায়ী সমিতি আছে। ১৬২৮ চনত অনিৰুদ্ধদেৱ বৈকুণ্ঠী হোৱাৰ পাছত তেৰাৰ জ্যেষ্ঠ পুত্ৰ কৃষ্ণদেৱ অধিকাৰ হয়, পাঁচ বছৰ ধৰ্ম প্ৰচাৰ কৰাৰ কালত এইজনা গুৰুৱে অনিৰুদ্ধদেৱৰ সমাধি-থানৰ উত্তৰ-পশ্চিমে এটা ডাঙৰ কৰি পুখুৰী খনাইছিল, ইতিমধ্যে নানা অসুবিধা হোৱাত ধৰ্মপ্ৰচাৰ কাৰ্যত বাধা জন্মাৰ হেতু পূৰ্বে তেৰাৰ পিতৃদেৱে খুটি পুতি থৈ অহা ঠাইত সত্ৰ-সভা পাতিলৈগৈ। এতিয়া নাহৰআটি থানলৈ যাতায়তৰ কাৰণে বিহপুৰীয়াৰপৰা উন্নত আলি, তাত যাত্ৰী সকলে থাকিবৰ কাৰণে এটা জিৰণি-ঘৰ কৰা হৈছে।

অনিৰুদ্ধদেৱৰ জন্ম-থান আৰু প্ৰথমস্থাপিত বিষ্ণু-বালিকুঞ্চি সত্ৰৰ স্মৃতি চিহ্ন ৰাখিবৰ কাৰণে পুনৰ যোৱা ১৯৩৫ চনত সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰবৰ্তন কৰি থকা হৈছে। বিষ্ণু-বালিকুঞ্চি থান পৰৱৰ্তী তিনিজনা গুৰুৰ সমাধি থান।[1]

ম.নে.

### গোপালপুৰ সত্ৰ

ঘিলামৰাৰ ওচৰত দক্ষিণপাটৰ অধীন গোপালপুৰ সত্ৰত বংশীবাদন মূৰ্তি আছে। ৰজাদিনীয়া নিষ্কৰ মাটিও সত্ৰৰ আছে।

### গোবিন্দপুৰ সত্ৰ

মাছখোৱা মৌজাত হাৰ্হি দেৱালয়ৰ পূবে গোবিন্দপুৰ নামে আউনীআটিৰ অধীন এখনি শাখা সত্ৰ আছে। সত্ৰৰ নিষ্কৰ ভূমিৰ খাতো আছে।

## বৌদ্ধ বাপুচাং

নাৰায়ণপুৰ খেৰাজত মৌজাত গোসাঁইবাৰীত আৰু পুৰণি ডিক্ৰংঘাটৰ উজনিত থকা বৰ খামটি গাঁৱত দুখন বাপুচাং আছে। পুৰণি বৌদ্ধ-বিহাৰ লখীমপুৰত নাই। ব্ৰিটিশ আমোলৰ আৰম্ভতে ১৮৪৩ চনত খামটি-বিদ্ৰোহ দমন কৰি ১৮৪৫ চনতমানত চৰকাৰে খামটিবিলাকৰ শক্তি কমাবৰ উদ্দেশ্যে এজন খামটি কোঁৱৰক কিছুমান খামটি মানুহে সৈতে তুলি আনি সজ আচৰণৰ কাৰণে ওল ৰাখি ডিক্ৰং নৈৰ পাৰত নাৰায়ণপুৰত

১ বিষ্ণু-বালিকুঞ্চি সত্ৰাধিকাৰ শ্ৰীকমলচন্দ্ৰ দেৱ গোস্বামীৰ টোকাৰপৰা।

তেওঁলোকৰ এখন উপনিৱেশ স্থাপন কৰে। তেতিয়াৰপৰাহে ইয়াত খামটি বৌদ্ধৰ বসতি হয়। বৰখামটি গাঁও আৰু গোসাঁইবাৰীৰ বাপুচাঙলৈ ব্ৰহ্মদেশ, সিংহল আদি ঠাইৰপৰাও ভিক্ষুসকল আহে।

## দৰগাহ-মছজিদ

উল্লেখযোগ্য কোনো প্ৰাচীন দৰগাহ বা মছজিদ লখীমপুৰত নাই। জাপিসজীয়া গাঁৱত এজন ফকীৰৰ পুৰণি কবৰ এটা আছে আৰু নগৰৰ ভিতৰত বৰ মছজিদ আৰু পকা মছজিদ নামে দুটা অলপদিনীয়া মছজিদ আছে। তাৰ উপৰি শেনচোৱা, ফুকনৰ হাট, মৈদমীয়া আদি গাঁৱতো কিছু দিনৰ পুৰণি মছজিদ আছে।

স.ৰ.

## গীৰ্জা

উত্তৰ লখীমপুৰত কিছুদিনৰ আগত স্থাপিত এটি বেপ্টিষ্ট আৰু এটি ৰোমান কেথলিক গীৰ্জা আছে।

# ডিব্ৰুগড়

**তাম্ৰেশ্বৰী মন্দিৰ**

সদিয়াৰপৰা ওঠৰ মাইল উত্তৰ-পূবে ঢল নদীৰ পাৰত তাম্ৰেশ্বৰী মন্দিৰ অৱস্থিত। দেউৰীসকলে অতীজৰপৰা এই মন্দিৰত পূজা কৰি আহিছে। দেউৰীসকল চুতীয়াসকলৰ পূজাৰি আছিল। প্ৰায় ১২০৪ খ্ৰীষ্টাব্দৰপৰা আহোমসকলে ১৫২৩ খ্ৰীষ্টাব্দত তেওঁলোকৰ ৰাজ্য চামিল নকৰালৈকে সদিয়া চুতীয় ৰজাৰ ৰাজ্যত আছিল। এই অঞ্চলৰ নদীবিলাকৰ নামৰপৰা অনুমান হয় যে এই অঞ্চলত এসময়ত কছাৰীসকলে ৰাজত্ব কৰিছিল। যিসকল কছাৰী আৰু দেউৰী পূৰ্বৰ নিজ ধৰ্মত আছে, তেওঁবিলাকে কেঁচাইখাঁতীক পূজা কৰে। বুৰঞ্জীত পোৱা যায় যে কছাৰী ৰাজকোঁৱৰ ভীমবলে ১৬০৬ চনত মায়বঙ্গত আহোম সেনাপতি সোন্দৰ গোহাঁইৰ কোঠ আক্ৰমণ কৰাৰ আগতে কেঁচাইখাঁতী পূজা কৰিছিল। তাম্ৰেশ্বৰী মন্দিৰৰ আৰাধ্যা দেৱীক কেঁচাইখাঁতী গোসানী বোলে। এইবিলাক কাৰণত তাম্ৰেশ্বৰী মন্দিৰ কছাৰীসকলে নে চুতীয়াসকলে কৰাইছিল কোৱা টান। কৰ্ণেল হান্নেৰ মতে এই মন্দিৰ ১৫শ শতাব্দীত অৰ্থাৎ বামুণীয়া ধৰ্মৰ পুনৰুত্থানৰ সময়ত পুনৰৰ্নিৰ্মাণ কৰা হৈছিল। যদি সেয়ে হয় তেন্তে চুতীয়া ৰজাসকলেই সেই মন্দিৰ পুনৰ্নিৰ্মাণ কৰে। হান্নেৰ মতে এই মন্দিৰ গ্ৰেণাইট্ শিলেৰে গঠিত; ইয়াৰ দুৱাৰ সুন্দৰ কাৰুকাৰ্যৰে পৰিপূৰ্ণ আৰু দুৱাৰৰ সন্মুখত দুটা ৰূপৰ দাঁত থকা এটা শিলৰ হাতী আছিল।

দেউৰীসকলে তাম্ৰেশ্বৰী মন্দিৰৰ আৰাধ্যা দেৱীক পিচাছি (Peshasi) অৰ্থাৎ জীয়েক আৰু অন্যান্যই কেঁচাইখাঁতী গোসানী বা তাম্ৰেশ্বৰী মাই বোলে। এসময়ত এই মন্দিৰত নৰবলি হৈছিল আৰু নৰবলি লোৱা কাৰণেই এই দেৱীক কেঁচাইখাঁতী গোসানী বোলা হয়। মন্দিৰৰ চালখন তামৰ আছিল বুলি কোৱা হয় কাৰণেই মন্দিৰৰ নাম "তাম্ৰেশ্বৰী মন্দিৰ" আৰু তাত থকা দেৱী "তাম্ৰেশ্বৰী মাই" নামে জনাজাত হয়।

লেফ্টেনাণ্ট ডেল্টনৰ মতে এই মন্দিৰ লোহাৰ শলখা লগাই চাৰিকুণীয়াকৈ কৰা। শিলবোৰত কৰ্‌হাল (চিমেণ্ট) দিয়া নাছিল। ইয়াৰ বেৰ চাৰে চাৰি ফুট ডাঠ আৰু ভিতৰ ফালৰ প্ৰত্যেক বাহু প্ৰায় ৮ ফুট দীঘল আছিল। মন্দিৰৰ ওপৰত তামৰ চাল আছিল, কিন্তু চালখন ভাগি পৰিল। মন্দিৰৰ চাৰিওফালে ১৩০ ফুট আৰু ২০০ ফুট দীঘল ইটাৰ দেৱাল আছিল। পশ্চিম দেৱালৰ সন্মুখত তিনিঠেঙীয়া সক শিল এটা আছে। তাতে আগেয়ে

বছৰি একোটি মানুহ বলি দিয়া হৈছিল।[১] আহোম ৰজাসকলে পাছলৈ ৰাজদণ্ডত দণ্ডিত মানুহকহে বলি দিবলৈ দিছিল। সদায় তেনে মানুহ নোপোৱাত এঘৰ মানুহৰপৰা বছৰি এজন নিঘুণী যুবক বলি দিবলৈ স্থিৰ কৰা হৈছিল। এই মানুহঘৰক 'খাড়ৰ" ঘৰ[২] বোলা হৈছিল আৰু তেওঁলোকক ৰজাঘৰৰপৰা কিছুমান সুবিধা দিয়া হৈছিল। বলি দিবলৈ স্থিৰ কৰা যুৱকজনক কিছুদিন বেলেগ মন্দিৰত ৰাখি ভালকৈ খুৱাই-বুৱাই নোদোকা কৰা হৈছিল। বামুণ আৰু ৰাজবংশৰ মানুহক বলি দিয়া নিয়ম নাছিল আৰু 'নীহ' জাতি, মুছলমান আৰু তিৰোতাক বলিৰ অযোগ্য বুলি ধৰিছিল। নিৰ্ধাৰিত দিনা বলিক সুন্দৰ সাজ-পাৰ আৰু সোণ-ৰূপৰ অলঙ্কাৰ পিন্ধাই ৰাইজক দেখুৱাই, এটা গোপন বাটে পুৰোহিতে কুণ্ডলৈ লৈ যায়। তালৈ অনাক যাবলৈ দিয়া নহৈছিল। তাত বলিৰ গাৰ সাজ-পাৰ আৰু অলঙ্কাৰ খহাই তেওঁক বলি দিছিল। বলিৰ দেহাটো কুণ্ডত পৰে আৰু মূৰটো অন্য মূৰৰ লগত মন্দিৰৰ সম্মুখত ৰখা হৈছিল।[৩] এই নৰবলিৰ প্ৰথা স্বৰ্গদেৱ গৌৰীনাথসিংহই (১৭৮০-৯৪ খ্ৰীঃ) বন্ধ কৰে। দেউৰীসকলৰ মতে নৰবলি বন্ধ কৰাৰ কাৰণেই আহোমসকলে ৰাজ্য হেৰুৱালে। ইয়াৰ পূজাৰিসকল অতীজৰ দেউৰী। পূজাৰি চাৰিজন বৰপূজাৰি, সৰুপূজাৰি, বৰভঁৰালী আৰু সৰুভঁৰালী। তেওঁলোক আহোম ৰজাৰ ৰাজসভালৈ আহিলে ৰজাই থিয় হৈ তেওঁলোকক সম্মান জনাইছিল। ৰজাই থিয় হৈ অন্য কাকো সম্মান নজনাইছিল।[৪]

## বুঢ়া-বুঢ়ীৰ মন্দিৰ

সদিয়াৰপৰা দহ মাইল উত্তৰ-পূবে দিক্ৰং আৰু দেওপানী নদীৰ সঙ্গমস্থলৰ ওচৰত বুঢ়াবুঢ়ীৰ মন্দিৰ। ই অতি পুৰণি মন্দিৰ। হিন্দুসকলৰ মতে এই মন্দিৰ মহাদেৱৰ আৰু কৰ্ণেল হান্নেৰ মতে ই বৌদ্ধ মন্দিৰ; কিন্তু বুৰঞ্জীয়ে ঢুকি পোৱা কালৰপৰা ইয়াৰ উপাসকসকলৰ শুদ্ধ হিন্দুও নহয়, দেউৰীসকলহে। তেওঁবিলাকে বুঢ়া-বুঢ়ীক গিৰাছি-গিৰা বোলে। কৰ্ণেল হান্নেই কয় যে বাহিৰে শি ভিতৰফালে ইটাৰে নিৰ্মিত এখন দেৱালয়ৰ মাজৰ বহল ঠাইত ছয়কুণীয়া এখন বেদী আছিল। ইয়াৰ সম্মুখত শিলৰ ওখ ঠাই আছে

---

১ অসমৰ তেজপুৰৰ ভৈৰৱী, গুৱাহাটীৰ কামাখ্যা আৰু জয়ন্তপুৰৰ জয়ন্তেশ্বৰী মন্দিৰত এসময়ত বছৰি নৰবলি হৈছিল। নগা, খাছিয়া আৰু লালুংসকলেও নৰবলি দিছিল। স.বা

২ কামাখ্যাত এনে বলিক "ভোগী" আৰু জয়ন্তেশ্বৰীত "ভোগে খাওৱা" বোলা হৈছিল। স.বা.

৩ লখীমপুৰ জিলা গেজেটিয়াৰৰ সহায়ত লিখা। স.বা.

৪ স্বৰ্গদেৱ লক্ষ্মীসিংহ (১৭৬৯-৮০ খ্ৰীঃ) অসমৰ ৰজা হৈ তেওঁৰ শিক্ষাগুৰু ৰমানন্দ আচাৰ্যৰপৰা শাক্ত মন্ত্ৰত দীক্ষিত হয়। নতুনকৈ গোসাঁই পতাৰ কাৰণে এওঁ ন গোসাঁই নামে জনাজাত হয়। মাজুলীৰ পশ্চিমবাত স্বৰ্গদেৱে গোসাঁইক সত্ৰ পাতি দিয়াৰ কাৰণে ন গোসাঁইক পশ্চিমীয়া গোসাঁইও বোলে। স্বৰ্গদেৱে ন গোসাঁইক ভুবনেশ্বৰী মন্দিৰৰ অধিকাৰ পাতে। বৰ্তমান ভুবনেশ্বৰী মন্দিৰ ন গোসাঁইৰ দখলত নাই। স.বা.

আৰু তাতে পূজা দিয়া হয়। বেদীৰপৰা ষাঠি খোজমান দূৰত আৰু এখন দেৱাল আছে আৰু দেৱালৰ বাহিৰে দ খাল আছে। ইয়াৰ দুৱাৰৰ কোনো চিন নাই; কিন্তু বেদীৰ পশ্চিম ফালৰপৰা এটা ওখ বাট আছে। দুয়ো বেদীৰ ওপৰত এসময়ত ঘৰ আছিল।

### পিচাডোমা বা বলিয়া বাবাৰ থান

পিচাডোমা বা বলিয়া বাবা নামে এজন দেৱতা দেউৰীসকলে পূজা কৰে। এইজন দেৱতাৰ মন্দিৰো বুঢ়া-বুঢ়ীৰ মন্দিৰ থকা অঞ্চলতে আছিল।

### ঘণ্ডৱা দ'ল

ডিব্ৰুগড় মহকুমাৰ ধেমাজি মৌজাত ঘণ্ডৱা দ'ল অৱস্থিত। ইয়াত গোসানীৰ পূজা হয়। এই দ'ল কোনে নিৰ্মাণ কৰিছিল জনা নাযায়। চেটেলমেণ্ট গ্ৰুপ ৰিপোৰ্টত এই দ'ল সম্ভৱ কোনো এক আহোম ৰাণীয়ে নিৰ্মাণ কৰিছিল বুলি লিখা আছে।

### ৰাইডঙীয়া দ'ল

লৰুৱা মৌজাৰ লেজাই মিৰিপথাৰ গাঁৱত ১৬৩ দাগত ৰাইডঙীয়া দ'ল আৰু ১৬২ দাগত ৰাইডঙীয়া পুখুৰী আছে। দ'ল থকা দাগৰ কালি ১/৭ লোচা আৰু পুখুৰী থকা দাগৰ কালি ৩ বিঘা ১৮ লোচ। দ'লৰ উচ্চতা ৪৫ ফুট আৰু বেৰ প্ৰায় ১৫০ ফুট। দ'লৰ বেৰত ২৪ খন মূৰ্তি লগোৱা আছিল। তাৰে ১০ খন কেনোবাই এৰুৱাই নিলে আৰু ১৪ খন বেৰত লগোৱা অৱস্থাত আছে। দ'লৰ উত্তৰ-পশ্চিম চুকৰপৰা আৰম্ভ কৰি দক্ষিণ-পশ্চিম চুকত শেষ কৰি মূৰ্তিৰ বিতং বিবৰণ তলত দিয়া হ'ল — (১) এৰুৱাই নিলে। (২) ঘোঁৰাৰ ওপৰত দুইহাতে অসি। মানুহে কল্কি বুলি কয়। (৩) বামনৰূপী ভগৱান আৰু বলি ৰজা। (৪) অনন্ত। (৫) নৰসিংহৰূপে হিৰণ্যাক্ষ বধ। (৬) বুদ্ধদেৱ আৰু এজন শিষ্য। (৭) এৰুৱাই নিলে। (৮) হংসৰ ওপৰত ব্ৰহ্মা। (৯) দুহাতে এডাল লাঠি ধৰি থকা এজন বীৰ। (১০) ঘোঁৰাৰ ওপৰত থকা দ্বিভুজা মূৰ্তি — সোঁহাতে চক্ৰ আৰু বাঁওহাতে মালা। (১১) এৰুৱাই নিলে। (১২) হস্তীৰ ওপৰত ভগ্নমূৰ্তি। (১৩), (১৪), (১৫), (১৬), (১৭), (১৮) আৰু (১৯) মূৰ্তি এৰুৱাই নিলে। (২০) কাছৰ ওপৰত চতুৰ্ভুজ মূৰ্তি। (২১) চতুৰ্ভুজ মুতি, বাহন নাই (মৎস্য-ৰূপী)। (২২) চতুৰ্ভুজ মূৰ্তি সোঁহাতত গদা আৰু পদ্ম, বাঁওহাতত শঙ্খ আৰু চক্ৰ, নাকত পৃথিৱী (অনুমান, বৰাহ অৱতাৰ)। (২৩) দ্বিভুজ, অশ্ববাহন, সোঁহাতে অসি আৰু বাওঁহাতে চক্ৰ। (২৪) দ্বিভুজা, হস্তীবাহন, সোঁহাতে গদা আৰু বাঁওহাতে ধেনু। মূৰ্তিবিলাকৰ দীঘ দুফুট আৰু পুতল ৫০ ফুট। দ'লৰ ভিতৰত ইটা খহি থকাৰ কাৰণে ভিতৰত পূজা নহয়, বাহিৰত শিৱলিঙ্গ পূজা কৰা হয়। দ'লৰ ভিতৰত কি বিগ্ৰহ আছিল কোনেও নাজানে। মানুহে কয় যে স্বৰ্গদেৱ প্ৰমত্তসিংহই (১৭৪৪-৫২) ভনীয়েকক ৰাইডঙীয়া বৰুৱালৈ বিয়া দিয়ে আৰু যৌতুক হিচাপে দ'ল নিৰ্মাণ কৰাই আৰু পুখুৰী খনাই দিয়ে; আৰু লগতে ২০০ পুৰা মাটি দান দিয়ে৷ মানৰ আক্ৰমণৰ সময়ত

ৰাইডঙীয়া বৰুৱা ৰাইডঙীয়া আলিয়েদি পলাই উত্তৰ পাৰলৈ গৈ ঘিলামৰাত বাস কৰে। তেওঁৰ বংশৰ লোক ঘিলামৰাতে আছে। ৰাইডঙীয়া বৰুৱা পলাই যাওঁতে দ'লৰ কাষৰ তিনিটা কুঁৱাত তেওঁৰ বয়-বস্তু পুতি থৈ যায় বুলি কয়। সেই কুঁৱাকেইটাৰ চিন পোৱা নাযায়। ১৯৪৫ খ্ৰীষ্টাব্দৰপৰা শিৱলিঙ্গ পূজা কৰি অহা হৈছে। ১৯৩৬ ৰপৰা ১৯৫৪ চনলৈ পুনিয়া সত্ৰৰ নৰোত্তমনন্দগিৰী নামে এজন গোসাঁয়ে সন্ন্যাস-ধৰ্ম গ্ৰহণ কৰি দ'লত থাকি পূজা কৰিছিল। দ'লত থকা বস্তু আৰু মূৰ্তিবিলাক পুখুৰীত আছে বুলি সন্ন্যাসীয়ে সেইবিলাকৰ উদ্ধাৰৰ অৰ্থে পুখুৰীৰ পানীত বুৰ দিছিল; কিন্তু পানীৰপৰা ওলোৱাৰ লগে লগেই তেওঁৰ মৃত্যু হয়। তেওঁৰ মৈদাম পুখুৰীৰ পাৰতে আছে। দ'ল আৰু পুখুৰীৰ মাটিৰ খাজনা মাফ। সন্ন্যাসীৰ নামত থকা ৩১ বিঘা খেৰাজ পট্টাৰ মাটি বৰ্তমানৰ পূজাৰিয়ে খাজনা দি ভোগ-দখল কৰি আছে। ৰজাই দিয়া বস্তু দ'লত নাই। বৰ্তমান পূজাৰিয়ে কোবামতে শিৱসাগৰ জিলাৰ আহোমপথাৰৰ ভাতগাজগাওঁ-নিবাসী এজন লোকৰ হাতত এই দ'লত ৰজাই দিয়া ডেৰ মোন ওজনৰ এটা ডবা, পাঁচ সেৰ ওজনৰ এটা কোবা আৰু দহ সেৰ ওজনৰ অষ্টধাতুৰ এটা ঘণ্টা আছে।[১]

### সীতাকুণ্ড

জয়পুৰৰপৰা উজনিত দিহিং নদীত এই কুণ্ড আছে। এই কুণ্ড এটা শিলাময় টিলাত অৱস্থিত বুলি জনা গৈছে।[২]

### তাম্ৰেশ্বৰী-মন্দিৰ (আৰু যৎকিঞ্চিত)

সদিয়াৰ ওচৰৰ চুণপোৰা নামে ঠাইত থকা বিখ্যাত কেঁচাইখাতী দেৱীৰ মন্দিৰ। চুতীয়া ৰাজত্বত দেউৰী পূজাৰিসকলে বছৰি একোটা একোটা নৰবলি দি তাম্ৰেশ্বৰী মাইৰ পূজা কৰিছিল। ৬০ বৰ্গ ফুট দীঘ পুতলৰ আৰু শিলৰ দেৱালেৰে ঘেৰা, ওপৰত তামৰ পাতেৰে ছাবনি কৰা এটি প্ৰাচীন দেবালয় চাৰিওকাষে ইটাৰ প্ৰাচীৰেৰে গড় মৰা ১৩০ X ২০০ আহল-বহল টোল। কালিকা-পুৰাণত উল্লিখিত পীঠস্থানৰ ভিতৰত পৰে সে

---

১ এই বিৱৰণ ছুপাৰভাইজাৰ কানুনগো শ্ৰীখগেন্দ্ৰনাথ ফুকনৰ যোগেদি সংগৃহীত। স.বা

২ 'জয়পুৰৰপৰা এবেলা বাট উজাই গ'লে সীতাকুণ্ড তীৰ্থ পোৱা যায়। সেই ঠাইৰ প্ৰাকৃতিক দৃশ্য অতি বিতোপন। ডাঙৰ শিলনিৰ মাজত এটা কুণ্ড আছে, তাতে যাত্ৰী গৈ স্নান কৰে, আৰু এডোখৰ বিস্তীৰ্ণ ঠাই আছে — তাতে শিলত ঠায়ে ঠায়ে গাঁত আছে। সেইবিলাক সীতা দেৱীৰ তাঁতৰ খুঁটাৰ গাঁত বুলি কয়। সীতাকুণ্ডৰপৰা আৰু দুই তিনি ঘণ্টা নাৱেৰে উজাই গ'লে কানাই-বৰশী-বোৱা নামে এখন ঠাই পোৱা যায়। সেই ঠাইডুখৰি ওখ দুৰ্নীয়া প্ৰস্তৰময়। তাৰে দাঁতিত কটাৰ নিচিনা এটা চিন আছে। মানুহে কয় সেই শিলত বহি কানায়ে বৰশী বাইছিল আৰু সেই কটা চিনটো হৈছে মাছ টানি আনোতে বৰশীৰ জৰীডালে কটা সাঁচ। দিহিং নৈৰ সিপাৰত এটা পৰ্বত আছে। তাৰ নাম টিপাম পৰ্বত।' (বেণুধৰ ৰাজখোৱা 'মোৰ জীৱন-দাপোণ') 'ঔগুৰি সত্ৰ, বলিমৰা আৰু সীতাকুণ্ড' চাওক।

নাই ক'ব নোবাৰি। কিন্তু তাৰপৰা অলপ দূৰৰে কালিকা-পুৰাণত উল্লেখ কৰা দুধাৰা দিক্কৰবাসিনীৰএকধাৰা (সম্ভৱতঃ ললিতকান্তা) ডিক্ৰুং নামেৰে বৈ আছে বুলি কিম্বদন্তী চলি আছে। আনধাৰা (অৰ্থাৎ তীক্ষ্ণকান্তা দিক্কৰবাসিনী) উত্তৰ লখীমপুৰ মহকুমাৰ হাৰমতি বাগিচাৰ ওচৰেদি ডিক্ৰং নামেৰেই বৈ আছে। এই ললিতকান্তা দিক্কৰবাসিনী নৈয়েই প্ৰাচীন কামৰূপৰ পূব সীমা বুলি "কালিকা-পুৰাণে" ঘোষণা কৰিছে। ইয়াৰ অধিষ্ঠাত্ৰী দেৱী সৌম্যমূৰ্তি ললিতকান্তা; কেঁচাইখাঁতীৰ ঘোৰ মূৰ্তি নৰবলিলোলুপ একজটা বা উগ্ৰতাৰা নহয়।

**মালিনী থান**

ডিব্ৰুগড় মহকুমাৰ চিচি বৰগাঁৱৰপৰা অলপ উত্তৰ-পশ্চিমত এটি প্ৰাচীন মন্দিৰৰ ধ্বংসাৱশেষৰ লগত এটি ডাঙৰ শিৱলিঙ্গ আৰু ওচৰতে মূৰ-নাইকিয়া নাৰীমূৰ্তি থিয় হৈ থকা দেখা যায়। ওচৰত বহুত ভগা-ছিগা অন্যান্য মূৰ্তিও পৰি পৰি আছে। ইয়াক স্থানীয় ৰাইজে মালিনীৰ থান বুলি আখ্যা দিছে আৰু নাৰীমূৰ্তিটি সদাশিৱৰ প্ৰেমাকাঙ্ক্ষিণী এজনী মালিনীয়ে পাৰ্বতীৰ কোপত পৰি মস্তক হেৰুৱাৰ নিদৰ্শন বুলি জনশ্ৰুতি আছে। কিন্তু আমাৰ বোধেৰে এইখন থান কালিকা-পুৰাণত উল্লেখ থকা সতীৰ শিৰ পতিত হোৱা কামৰূপৰ পূব অঞ্চলৰ পীঠস্থানখনেই। তাৰ উত্তৰ-পূৱলৈ আকাশগঙ্গা বুলি এটি জলপ্ৰপাতৰপৰা ভাবলাং নামে এখন সৰু অথচ খৰস্ৰোতা নৈ ওলাইছে; আৰু তালৈকো বহুত যাত্ৰীয়ে স্নান কৰিবলৈ যায়। কালিকা-পুৰাণত (১৮ শ অধ্যায়) তাৰো উল্লেখ আছে। সেইখিনি তলত তুলি দিয়া হ'ল —

জালন্ধৰে স্তনযুগং স্বৰ্ণাহাৰবিভূষিতম্।
অংশগ্ৰীৱং পূৰ্ণগিৰৌ কামৰূপাৎ ততঃ শিৰঃ।। ৪৪
যাৱত্তুৰং গতো ভৰ্গঃ সমাদায় সতীশৱম্।
প্ৰাচ্যেষু যাজ্ঞিকো দেশস্তাৱদেৱ প্ৰকীৰ্তিতঃ।। ৪৫
অন্যে শৰীৰাৱয়ৱা লৱশঃ খণ্ডিতাঃ সুৰৈঃ।
আকাশগঙ্গামগমন্ পৱনেন সমীৰিতাঃ।। ৪৬
যত্ৰৈৱ পতিতং সত্যাঃ শিৰস্তত্ৰ বৃষধ্বজঃ।
উপৱিষ্টঃ শিৰো বীক্ষ্য শ্বসন্ শোকপৰায়ণঃ।। ৫২
গত্বা শিলাত্বং তত্ৰৈৱ লিঙ্গত্বং গতৱান্ হৰঃ।। ৫৫

ভাবলা নামৰ নৈখন দক্ষিণ-পশ্চিমলৈ বৈ আহি গাই নৈত পৰি কাণী বিলত পৰিছে। ভাবলা পৰ্বতৰ মাজৰপৰা ওলাই অহা ঠাইতে ইটাৰ সোতৰ হাতমান ওখ এটা পকী দ'ল আছে; দুৱাৰখন কাণিদুৱৰী হৈ আছে যদিও তাত থকা পাৰ চৰাইৰ আৰু বাদুলীৰ বিষ্ঠাৰ দ'ম অতিক্ৰম কৰি ভিতৰলৈ সোমাব নোৱাৰি বুলি দেখি অহা মানুহে কয়। তাৰপৰা ওপৰলৈ উঠি গ'লে হেনো ৰাই নামে পৰ্বতৰ ওপৰত এখন সমথল পায়।

তাত আম-কঠালৰ গছ আৰু বনৰীয়া ডাঙৰ আলু গছ আছে। আকালৰ সময়ত মানুহে নৈয়েদি উজাই গৈ তাত আহাৰ পাই হেনো ৰক্ষা পৰিব — "গাইত গ'ব (গাই নৈয়ে যাব), ৰাইত ৰ'ব (ৰাই পৰ্বতত ৰক্ষা পাব।)"[১]

**বৰতীয়া শাল**

চাবুৱা ষ্টেশ্যনৰপৰা দুমাইলমান আঁতৰৰ দেওধাই গাঁৱৰ চৰণীয়া পথাৰৰ মাজত এই থান। ইয়াত হেনো আহোম ৰজাৰ দিনত বগা ম'হৰ বলি হৈছিল। শালৰ দেৱে মানুহ আৰু গৰু-ম'হকো আহুকাল কৰাত সকলোৱে তালৈ যাবলৈ এৰিছে। বহুত বছৰ তাত পূজা-সেৱাও হোৱা নাই।[২]

**দেওশাল**

বৰডুবি ষ্টেশ্যনৰ দুমাইল নিলগত। টিন-পাতৰ ঘৰত দেৱী-মূৰ্তি ৰখা হৈছে। মূৰ্তিটি পূৰ্বৰে আহোমসকলে অনা বুলি প্ৰবাদ আছে। পূজাৰি আহোম। ওচৰতে দেওশাল বাগিচা। ইয়াকে আহোমৰ দিনত মহন্ত কেইজনমানক বলি দিয়া হৈছিল বুলিও প্ৰবাদ আছে।[৩]

ম.নে.

## কছাৰীসকলৰ থান

সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত আদিম 'চাৰিহাল গোসানী'ৰ পূজা-সেৱাৰ উল্লেখ তেওঁলোকৰ হুচৰি-গীতত পোৱা যায়। খিৰিং ৰজা বা বাথৌ (বাইথৌ) দেৱতা, থলৰ ডাঙৰীয়া, গজাই ডাঙৰীয়া, মহাদেৱ-পাৰ্বতী আদিৰ উল্লেখো হুচৰি গীতত আছে। সোণোৱাল কছাৰীসকলৰ বেছিভাগ বৈষ্ণৱ হৈ সত্ৰৰ নিয়ম-নীতি মানি চলে। পুৰণি ধৰ্ম-বিশ্বাস ৰখাসকলৰ বিষয়ে কাকপথাৰৰ শ্ৰী গগনচন্দ্ৰ সোণোৱালৰপৰা জানিব পৰা গৈছে তলত নাম দিয়া দেৱ-দেৱীসকলৰ থান আৰু বলিশাল লখীমপুৰ জিলাৰ বিভিন্ন গাঁৱত সিঁচৰতি হৈ আছে।

বাথৌ শাল ঃ বাথৌ বা খিৰিং ৰজা সৃষ্টিৰ মূল শক্তি; তেওঁৰ পূজাৰ থান আৰু বলিশাল ডাঙৰি আদি গাঁৱত আছে।

বুঢ়া-বুঢ়ীৰ শাল ঃ মহাদেৱ আৰু পাৰ্বতীৰ পূজাৰ থান আৰু বলিশাল বিভিন্ন গাঁৱত দেখিবলৈ পোৱা যায়।

---

১ উত্তৰ পাৰৰ নতুন ৰেল লাইনৰ চিলাপথাৰ ষ্টেশ্যনৰপৰা মালিনীৰ থানলৈ অহা যোৱা কৰিব পাৰি। ম.নে.

২ চৰাইদেও বাগিচাৰ শ্ৰীহৰিচন্দ্ৰ গগৈয়ে পঠোৱা টোকাৰপৰা।

৩ শ্ৰী ডিম্বেশ্বৰ কাকতীৰপৰা পোৱা খবৰ।

কেঁচাইখাঁতী গোসানীৰ শাল ঃ দুৰ্গা, কামাখ্যা, কালী আদি দেৱীৰ এক বিশেষ ৰূপ কেঁচাইখাঁতী। এই গোসানীৰ থান আৰু বলিশাল বিস্তৃত অঞ্চলত আছে।

গজাই শাল ঃ বাথৌৰ নিচিনা গজাই ডাঙৰীয়াৰ এজন পুৰুষ দেৱতা; তেওঁ জ্ঞানৰ গৰাকী; কছাৰীসকলক তেওঁ জ্ঞান-উপদেশ দিবলৈ আহে। আদিম ধৰ্মপন্থীসকলে গজাই ডাঙৰীয়াক বাথৌৰ দৰেই থান আৰু বলিশালত পূজা কৰে।[১]

**প্ৰ.ভ.**

## সত্ৰ-থান

### দিনজয় মায়ামৰা সত্ৰ[২]

ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য আৰু আজ্ঞাপৰ আচাৰ্য কায়স্থ অনিৰুদ্ধদেৱ (জন্ম ১৪৭৫ শক) কালজাৰত গোপালদেৱৰপৰা আজ্ঞা লৈ বালিকুছি গাঁৱৰ (বৰ্তমান উত্তৰ লখীমপুৰৰ ধলপুৰ মৌজাৰ ভিতৰত) নিজ ঘৰলৈ আহে। তাতে তেওঁ নামঘৰ কৰি নানাজনৰ লগতে ধেলী বৰা নামে এজন মুছলমানক শৰণ দিয়ে। পিছত মৰনৈৰ কাষত ১৫২৮ শকত লুইতৰ পাৰত নাহৰআটি সত্ৰ (উত্তৰ লখীমপুৰৰ 'নাহৰণি থান' চাওক) পাতি ধৰ্ম প্ৰচাৰ কৰি থকাতে ১৫৪৮ শকত তেওঁৰ মৃত্যু ঘটে। তেওঁৰ পুত্ৰ কৃষ্ণদেৱ সত্ৰাধিকাৰ হৈ ১৫৫১ শকত দিহিঙৰ (দিহিং সুঁতি) দক্ষিণ পাৰে খুটিয়াপোতা (বৰ্তমানৰ যোৰহাটৰ ভিতৰত, ৰেডৰ মতে দিচৈমুখৰ ওচৰত) সত্ৰ নিৰ্মাণ কৰে। মাজুলীৰ বা-ভগা চাপৰিৰ সত্ৰ, দক্ষিণৰ ছৈকটাৰ কাষৰৰ আতাপাম, মাজুলীৰ গুণাকটা থান আদি মায়ামৰা সত্ৰৰপৰাই বাঢ়িছিল। মায়ামৰীয়া পঞ্চম অধিকাৰ জয়ৰামদেৱৰভায়েক মধুৰমূৰ্তিদেৱে পুৰণিপাম মায়ামৰা সত্ৰ প্ৰতিষ্ঠা কৰে। কিন্তু ঘাই সত্ৰ

---

১ ৰেভাৰেণ্ড্ এণ্ডেল ছাহাবে তেওঁৰ *The Kacharis* গ্ৰন্থৰ পৰিশিষ্টত কছাৰীসকলৰ ধৰ্ম-বিশ্বাসৰ লগত দেউৰী-চুতীয়াসকলৰ আদিম ধৰ্মৰ তুলনা কৰি কৰ্ণেল ডেল্টনৰ বিবৰণ অনুসৰি তলত নাম দিয়া তনিবিধ দেউৰী-চুতীয়া প্ৰধান দেৱতাৰ নাম আৰু থানৰ উল্লেখ কৰিছে —

গিৰিছা-গিৰা (বুঢ়া-বুঢ়ী) ঃ কছাৰীসকলে বাথোৱাই আৰু মাইনা ওৰ (বুৰুৱী, কামাখ্যা) লগঃ তুলনীয় এই বুঢ়া-বুঢ়ী দেৱতাদ্বয়ক দেউৰী-চুতীয়াসকলৰ ডিবঙীয়া খেলে ঘাইকৈ পূজা কৰে; শদিয়াৰ পূবে কুণ্ডিল নদীৰ পাৰত এইহাল দেৱ-দেৱীৰ ঘাই মন্দিৰ আছে।

পিছা-ডেমা (ডাঙৰ পুত্ৰ) ঃ দেউৰী-চুতীয়াসকলৰটেঙাপনীয়া খেলে বুঢ়া-বুঢ়ীৰ বৰপুত্ৰ এইজনা দেৱতাক পূজা কৰে। এওঁৰ মন্দিৰ টেঙাপানী নদীৰ পাৰত।

পিছা-ছি (জীয়াৰী) ঃ তাম্ৰেশ্বৰী মাই আৰু কেঁচাইখাঁতী গোসানী এই দুই নামেৰে এইগৰাকী দেৱী জনাজাত; শদিয়াৰ কেইমাইলমান পূবে চুণপোৰাৰ ওচৰত তাম্ৰেশ্বৰীৰ মন্দিৰ, দেউৰী-চুতীয়াসকলৰ বৰগঞা খেলে ই দেৱীৰ পূজা-অৰ্চনা কৰে। প্ৰ.ভ.

২. যোৰহাটৰ অন্তৰ্গত 'পুৰণিমাটি সত্ৰ' (পাদটীকা) চাওক।

খুটিয়াপোতাতে মায়ামৰীয়াৰ ৰাজবিদ্ৰোহৰ সময় পৰ্যন্ত থাকে। নৱম অধিকাৰ অষ্টভুজদেৱৰ দিনত ব্ৰহ্মপুত্ৰৰ গতি দক্ষিণলৈ গৈ সত্ৰ খানিবলৈ ধৰাত পূৰ্বৰ স্থান শিঙিয়া-জানৰ কাষৰপৰা কিছু উজানত শিঙিয়াৰ পাৰতে নসত্ৰ বা নপাম সত্ৰ বহুৱে। এইজনা গোসাঁইৰ দিনতে মালৌ পথাৰত বৰভেটি, মাজুভেটি বন্ধা হয় (যোৰহাটৰ 'বৰভেটি', 'মাজুভেটি' চাওক); আৰু ৰাজদ্ৰোহত মায়ামৰীয়া গোসাঁই ডেকা, ভকত, অগণন শিষ্য, সকলো উতলা হয়. চৰিতত আছে অন্য সকলো সত্ৰৰ শিষ্যৰ সংখ্যা নাৰ লাখ, মায়ামৰাৰ অকলে আঠ লাখ। বিদ্ৰোহৰ ফলস্বৰূপে মায়ামৰীয়া প্ৰজাৰ ক্ষয়ক্ষতি হ'ল। উল্লিখিত আছে জাঁজী গাঁৱৰ একেলগে ছকুৰি ঘৰ ব্ৰাহ্মণ ভকতৰ সংহাৰ হয়। ১৬৯২ শকত অষ্টভুজদেৱ নিৰুদ্দেশ হয়। চৈধ্য বছৰ কাল ধৰ্মাসন শূন্য হৈ থকাৰ পিছত ১৭০৬ শকত গৌৰীনাথসিংহৰ অনুজ্ঞাৰে ডফলা পৰ্বতত পলাই থকা অৱস্থাৰপৰা ডেকা পীতাম্বৰচন্দ্ৰদেৱক অনোৱা হয়। তেওঁ ভগা সত্ৰলৈ নগৈ তাৰ ওচৰতে ন সত্ৰ কৰি বহিল। কিন্তু গোসাঁইৰ কথা নুশুনি মায়ামৰীয়া ভকতৰ দলে পুনৰ তৃতীয় বিদ্ৰোহৰ জুই জ্বলালে আৰু ৰাজধানী ৰংপুৰ অধিকাৰ কৰিলে আৰু ভৰত ডেকা ১৭১৩ শকৰ ৰজা হৈ বহিল। ৰজা আৰু প্ৰধান মন্ত্ৰীয়ে মণিপুৰ আৰু পিছত ইংৰাজ সৈন্য আনি বিদ্ৰোহ ভালকৈ দমন কৰিলে। কমলেশ্বৰসিংহই মায়ামৰা গোসাঁইৰ হৈ আউনীআটি সত্ৰাধিকাৰক জামিন ল'লে। এইবাৰ আৰম্ভ হ'ল মানৰ আক্ৰমণ: ভকতৰে ভক্তানন্দ গোসাঁই (নৱম) পলাই গৈ মাজুলীৰ গড়মূৰত চাৰি বছৰমান ৰ'ল। মানক খেদাই ইংৰাজে পুৰন্দৰসিংহক দেশ দিয়াত তেওঁ মালৌৰ বৰভেটিলৈ আহে। তাৰেপৰা অলপদিন ৰজা হোৱা সৰ্বানন্দৰ পুত্ৰ মাটিবৰ বৰসেনাপতিয়ে ডিবুৰু নৈৰ পাৰৰ ৰঙাগৰালৈ গোসাঁইক নিয়ে আৰু শেষত দিনজানৰ পাৰত ১৭৫৯ শকত দিনজয় মায়ামৰা সত্ৰ পাতি দিয়ে। এই সত্ৰ চাবুৱাৰ ওচৰত। সত্ৰৰ নামত ২,৫০২ বিঘা নিষ্পিখেৰাজ জমি আছিল। এতিয়া তাৰে বহুতোখিনি বাগিচা আৰু আন উদ্দেশ্যত নিলগাই নিয়া হৈছে। বিদ্ৰোহৰ বুৰঞ্জীয়ে এই ঘাই মায়ামৰা সত্ৰক ধনে-জনে দুৰ্বল কৰিলেও শিষ্যৰ সংখ্যা বৰ কম নহয়। ৰঙাগৰা, পোলোঙা, ৰহমৰীয়া, বগডোং আৰু মদাৰখাত মৌজাত মায়ামৰীয়া শিষ্য যথেষ্ট আছে বুলি গেজেটিয়াৰত আছে।

### মৰাণ টিকুক সত্ৰ

খুটিয়াপোতা মায়ামৰা সত্ৰৰ অষ্টভুজদেৱ অধিকাৰ থকাৰ সময়ত (১৬৭০-১৬৯২ শক) মৰাণৰ বাঘ', খোঁৱা আদি শিষ্যসকল গুৰু-দৰ্শনৰ অৰ্থে সত্ৰলৈ আহে। একছৰৰ মূৰত তেওঁলোকে ন চাউল ন শাকৰ টুপলি লৈ পুনৰ সত্ৰলৈ আহিল আৰু গুৰুক নিজ ঠাইলৈ নিবলৈ ধৰিলে। গুৰুৱে দূৰ বাট যাব নোৱাৰোঁ বুলি শিষ্যসকলৰ মাজৰে কাঁচিনলীয়া বা ভৱানন্দ নামে এজনক ন চাউল ন শাক লগাবলৈ উপদেশ দি পঠালে। পিছত চাৰিজন আন প্ৰধান শিষ্যই ভৱানন্দক কৃষ্ণভুজ নাম দি টিপুক (টিকুক) নৈৰ পাৰত

মৰাণ টিপুক সত্ৰ পাতি তাৰ অধিকাৰ কৰে। ভৱানন্দৰ বংশৰ লোকেই ইয়াত অধিকাৰ হৈ আহিছে। এওঁলোক মৰাণ লোক। সত্ৰৰ নামত লাখেৰাজ-নিস্পিখেৰাজ নাই, গোসাঁই আৰু আন ভকতসকলৰ খাজনা ৰেহাই দিয়া হৈছিল। টিপলিং আৰু উজান-নখোলা মৌজাৰ বহুত লোকেই টিফুক সত্ৰৰ শিষ্য।[১]

**মদাৰখাত মায়ামৰা সত্ৰ**

মায়ামৰা সত্ৰৰ এটি শাখা মদাৰখাত।

**গড়পৰা মায়ামৰা সত্ৰ**

খুটিয়াপোতা মায়ামৰা সত্ৰৰ ভজানন্দদেৱ অধিকাৰ থকাৰ সময়ত (১৭২৭-৩০ শক) ১৭২৮-২৯ শকত অনিৰুদ্ধদেৱৰ পঞ্চম পুত্ৰৰপৰা বঢ়া বংশৰ হৰিময়দেৱে বৰ্তমানৰ ৰহমৰীয়াৰ মৌজাৰ গড়পৰাত এখনি পাতে। সত্ৰৰ কম খাজনা দিয়া ৪২৭ বিঘাৰ গ্ৰাণ্ট আছে।

**ব'ৰাগী-মঠ বা ব'ৰাগীৰ থান**

উত্তৰ-পূব সীমান্তলৈ যোৱা সদৰ বাটতে কুণ্ডিলৰ পাৰত। মাজুলীৰ আউনীআটি সত্ৰৰ দ্বিতীয় অধিকাৰ কেশৱদেৱক গদাধৰসিংহই নিৰ্যাতন দিবৰ মনেৰে সদিয়াৰ হাবিত মেলোঁতে তেওঁ ইয়াতে থাকি সোণোৱাল কছাৰীসকলক শৰণ দি ভকত কৰাইছিল। ইয়াতে এখনি থানৰ দৰে হয়। ইয়াৰে এটি শাখা (ভদ্ৰসেন নাজীৰৰ পালনত) মানকটাত হৈছিল; কিন্তু সিখনি চলোৱাত অসুবিধা হোৱাত মূল সত্ৰত ভাৰ শোধাই দিয়া হয়। কুণ্ডিলৰ থানত ত'ৰ মৌজাদাৰে কৰোৱা মণিকূট-সভাঘৰ আছে। জনজাতীয় লোকসকলে সকলো কাম শুভাৰম্ভ ৰূপে ইয়াত মাননি দিয়ে।[২]

---

১ টিপুক সত্ৰৰ গোসাঁইসকলৰ বংশাৱলী সম্পৰ্কে কাকপথাৰৰ সেই গোসাঁইৰ বংশধৰ শ্ৰীলিহিংচন্দ্ৰ আচাৰ্যই আমালৈ পঠোৱা টোকাত লিখিছে —

"মহাপুৰুষ অনিৰুদ্ধদেৱৰ বংশাৱলী আপোনাৰ সকলো জ্ঞাত আছে। বামুণীয়া গোসাঁয়ে ৰজাসকলে মায়ামৰা ধৰ্মৰ প্ৰৱৰ্তক অনিৰুদ্ধদেৱৰ বংশক আৰু শিষ্যসকলৰ সঁচ মাৰিবলৈ, আনকি, পেটৰ কেঁচুৱাকো কাটিবলৈ আদেশ দিছিল। সেই প্ৰলয়ৰ সময়ত যোৰহাটৰ পুৰণিমাটি সত্ৰৰপৰা সকলো মানুহ পলাবলৈ বাধ্য হয়। পলায়ো কোনো কোনো সাৰিব নোৱাৰিলে। প্ৰায় ছকুৰি মানুহে সৈতে ডেকাক আৰু অধিকাৰক বধ কৰা হ'ল। ইয়াত ঠায়ে ঠায়ে মৈদামো আছে। সেই সময়ত সদানন্দদেৱৰ পুত্ৰ প্ৰভুদেৱ আৰু বিভুদেৱো পলাইছিল। এই প্ৰলয় যেতিয়া শাম কাটিলে, তেতিয়া প্ৰভুদেৱ মৰাণ অঞ্চলৰপৰা পুৰণি সত্ৰলৈ উভতি আহিল। বিভুদেৱ মৰাণ অঞ্চলত বসবাস কৰি থাকিল। তাতে তেওঁ মৰাণনী ছোৱালী এটি গৃহিণীৰূপে গ্ৰহণ কৰিলে। সেই বিভুদেৱৰপৰা মৰাণনীৰ গৰ্ভজাত বংশৰে কাচিনলীয়াক অষ্টভুজ গোসাঁয়ে মতাই আনি টিপুক সত্ৰ পাতিবলৈ বাক্য দিয়ে। সেই কাচিনলীয়াই কৃষ্ণভুজ নাম লৈ শিষ্যপ্ৰৱৰ্তন কৰে।

২ শ্ৰীশ্ৰী আউনীআটীয় সত্ৰাধিকাৰ গোস্বামীৰপৰা পোৱা খবৰ।

**দিহিং নমাটি সত্ৰ (দিচাম থানঃ**

নাহৰকটীয়া চাৰ্কেল, চাঁচনি মৌজাত দিহিঙৰ উপনৈ দিচামৰ পাৰত নাহৰকটীয়াৰপৰা আঠ মাইল উত্তৰ-পশ্চিমে শলগুৰি আলি আৰু সৰিয়হতলৰ আলিৰ মাজত এই সত্ৰখনি কিছু দিনৰ আগতে বহিছে। মূল নমাটি এই অঞ্চলত আছিল। প্ৰেমাহাৰদেৱৰ ৰচিত বিনন্দশ্যামদেৱৰ চৰিতত পোৱা যায়, বৰ যদুমণিদেৱৰ কনিষ্ঠ পুত্ৰ শ্ৰীকান্তদেৱৰ পুত্ৰ বিনন্দশ্যামে ৰৰপিতাক ৰতিকান্তদেৱৰ লগতে থাকি এদিন চাৰিঙীয়া ৰজাৰ সভালৈ গৈ বাদ্যত কৌশল দেখুওৱাত ৰজাৰ ইচ্ছা অনুসৰি দিহিঙে উজাই দিহিঙৰ হাঁপানী নামে ঠাইত 'সাগৰ মাজত যেন দ্বাৰকা' কৰি নমাটি দিহিং সত্ৰ নিৰ্মাণ কৰে। চৰিতখনিত আছে বিনন্দশ্যামদেৱৰ এগৰাকী প্ৰধান শিষ্য চৈতন্য নাচিত ৰুদ্ৰসিংহ। গদাধৰসিংহৰ আদেশত নামৰূপত নিৰ্বাসন ভোগ কৰা মহন্তসকলৰ ভিতৰত বিনন্দশ্যামো এজন। এওঁৰ পুত্ৰ প্ৰেমাহাৰদেৱৰ দিনতে মানৰ আক্ৰমণ হয় আৰু সত্ৰ এৰা পৰে। ব্ৰিটিশ অহাত দেশৰ অৱস্থা সুস্থিৰ হোৱাত সত্ৰ নাজিৰাত পতা হয়। ১৯২৭-২৮ চনত প্ৰেমাহাৰদেৱৰ নাতিৰ পুত্ৰসকলৰ যত্নত নাজিৰাৰপৰা পুৰণি থান বিচাৰি বৰ্তমান সত্ৰ স্থাপন কৰা হৈছে। বৰ্তমান গোসাঁইঘৰৰ পাছফালৰ ৰবপুখুৰীত তিনিটা পিতলৰ বিষ্ণু, এটি সাতখলপীয়া গছা, এটা কাঠৰ চৰিয়া আৰু চাৰিটা আথৰ আৰু এটা চিন থকা এখন তামৰ ফলি পোৱা গৈছে। সত্ৰৰ নামত নতুনকৈ দিয়া ২৫ বিঘামান দেৱোত্তৰ মাটি আছে। সত্ৰৰ শিৱসিংহই দিয়া তেওঁৰ নাম থকা চাকলি এধাৰ আছে।[১]

**জৰাবাৰী সত্ৰ**

শিৱসাগৰৰ 'জৰাবাৰী সত্ৰ' চাওক। এই সত্ৰ পোনতে তিপামত গোপী আতৈয়ে পাতিছিল।

**আনি সত্ৰ**

তিপামত বংশীগোপালদেৱৰ পঞ্চলিশ মেধিৰ এজন গোবিন্দ বাপুৱে আৰু খোৱাঙত ডিমৌৰ পাৰত কানু আতাই সত্ৰ পাতিছিল বুলি পোৱা যায়।

**দুৰামাৰি সত্ৰ**

দামোদৰদেৱে পাটবাউসী সত্ৰ পতা সময়ত মধুৰাম মহন্তক ধৰ্মাচাৰ্য পাতি মহাপুৰুষৰ নাটৰ পুথি, বংশীবাদন মূৰ্তি আদি দি উজনিলৈ পঠিয়ায়। মহন্তই ডুমডুমা অঞ্চলত ডিবাক নৈৰ পাৰত দুৰামাৰি সত্ৰ পাতে। নিৰ্বি আদি লোকৰ মাজতে তেওঁ শিষ্য ভজাইছিল।[২] শিৱসাগৰৰ 'দুৰামাৰি সত্ৰ' চাওক।

---

১ নাজিৰা নমাটি সত্ৰৰ শ্ৰীধৰ্মকান্ত গোস্বামীৰপৰা পোৱা "বিনন্দশ্যামদেৱৰ চৰিত" আৰু দিচাম থানৰ শ্ৰীতুলসী মহন্তৰপৰা পোৱা টোকাৰপৰা।

২ চকিমুখৰ দুৰামাৰি সত্ৰৰ শ্ৰীচন্দ্ৰকান্ত মহন্তৰপৰা পোৱা টোকাৰপৰা।

**খাতপাৰ সত্ৰ**

সতানন্দ বৰভকতৰ পুত্ৰ শ্ৰীকৃষ্ণই মুকুন্দ কায়স্থৰ (বুৰঞ্জীৰ মুকুন্দ গোহাঞি, বংশীগোপাল-চৰিতৰ উল্লিখিত গৰাকাখৰৰ গোবিন্দপুৰ থানৰ জয়মুকুন্দ) কন্যাক বিয়া কৰে। তেওঁলোকৰ পুত্ৰ বাপুৰাম আৰু শঙ্কৰগতিৰ ওপৰত শিৱসিংহ ৰজা ৰুষ্ট হয়। কিন্তু শঙ্কৰগতিয়ে ৰজাৰ আগত দেখা দিয়াত ৰজা তুষ্ট হৈ বৰ্তমান ডিব্ৰুগড় বৰবাৰীৰ ওচৰত ৰজাঘৰীয়া পোৰাখাত বা জমিৰাখাতত খাতপাৰ সত্ৰ স্থাপন কৰি দিয়ে। তিনিজন সত্ৰাধিকাৰৰ পিছত মানৰ আক্ৰমণত সত্ৰখনি শিৱসাগৰৰ চাৰিঙলৈ আৰু তাৰ পিছত হাঁহচৰা মৌজাৰ দৰিকা নৈৰ পাৰলৈ তুলি নিয়া হয়। শিৱসাগৰৰ 'খাতপাৰ সত্ৰ' চাওক।

**শলগুৰি থান**

দিহিং নৈৰ পাৰৰ সুৰম্য ঠাইত আছিল বুলি বেণুধৰ ৰাজখোৱাই 'মোৰ জীৱন-দাপোণ'ত উল্লেখ কৰিছে।

**বাৰেঘৰ (চলিহা) সত্ৰ বা বৰবাম সত্ৰ**

শিৱসাগৰৰ অন্তৰ্গত 'বাৰেঘৰ (চলিহা) সত্ৰ' চাওক।

**ঔগুৰি সত্ৰ, বলিমৰা থান, সীতাকুণ্ড**

আহোমৰাজৰ আদেশত নামৰূপত মহন্তসকলক নিধন কৰা ঠাইত আহি ১৬৮৯ শকত খটৰাৰ ৰামদেৱ ঠাকুৰে নাম-কীৰ্তন আৰম্ভ কৰে। লক্ষ্মীসিংহৰ আদেশত তেওঁক বলি কটা দাৰে কাটিব খুজি য'ত চাওডাংসকল বিফলমনোৰথ হৈছিল, সেয়ে বলিমৰা থান। বলিমৰা ৰেল ষ্টেশ্যনৰ দুই ফাৰ্লং উত্তৰে এই থানৰ ঘৰ আছে। জয়পুৰত ৰামদেৱক বলিয়া হাতীৰ হতুৱাই মৰাৰ নোৱাৰি তাতে ৰজাই ১৬৯০ শকত ঔগুৰি সত্ৰ পাতি দিয়ে। ইয়াৰ ওচৰতে পতালং বৰবৰুৱাৰ নগৰ বহে। নামৰ আক্ৰমণত সত্ৰ আৰু নগৰ উভয়ে ধ্বংস হয়। ৰামদেৱ ঠাকুৰৰ পত্নী সীতা আই জয়পুৰতে বৈকুণ্ঠী হয়। দিহিঙৰ বুকুৰ এটি বলুকাত আইৰ শৰীৰ দহন কৰা ঠাইখিনি সীতাকুণ্ড নামে খ্যাত হয়। তাতে এজন ফকীৰে পূজা-সেৱা চলাই থাকে। আক্ৰমণৰ পিছত অসমত থাকি যোৱা মান আৰু অনেক শ্যাম আৰু নৰা লোক ঔগুৰিৰ শিষ্য হয়। মানৰ দিনতে সত্ৰখনি নাজিৰাৰ নিৰ্মলীয়া গাঁৱলৈ উঠি যায়; আগৰ ঠাই এতিয়া এখনি থান।[১]

ম.নে.

**ক'লী আইৰ থান**

ডিব্ৰুগড় নগৰৰ প্ৰায় সাত মাইল পশ্চিমে জামিৰা মৌজাত ব্ৰহ্মপুত্ৰৰ পাৰত এই থান। বুদবাৰী সত্ৰৰ সত্ৰাধিকাৰ সুদৰিশনৰ জীয়েক কৃষ্ণদেৱী বা ক'লী আই। ক'লী আই

১ শ্ৰী ডিম্বেশ্বৰ মহন্তৰ (থুকুবিল সত্ৰ, সোণাৰি) টোকাৰপৰা।

থানত থকা মহন্তৰ মতে ৰাজাবিভ্ৰাটৰ সময়ত দুৰ্দান্তৰ পাহাৰপৰা নিজক ৰক্ষা কৰিবলৈ পিতাকৰ আজ্ঞা লৈ কৃষ্ণাদেৱীয়ে যোগ কৰি প্ৰাণত্যাগ কৰা ঠায়েই ক'লী আইৰ থান। সুদৰিশনৰপৰা বৰ্তমান তেওঁৰ বংশধৰসকলৰ দহ পুৰুষ হৈছে। ইয়াৰপৰা অনুমান হয় কৃষ্ণা দেৱীয়ে প্ৰায় ২০০ কি ২৫০ বছৰৰ আগেয়ে প্ৰাণ ত্যাগ কৰিছিল। জনপ্ৰবাদমতে কৃষ্ণাদেৱী বা ক'লী আইক বিয়া কৰাব খোজা ডেকাজনে তেওঁক ক'লী বুলি ঠাট্টা কৰাৰ কাৰণে তেওঁ ভূগৰ্ভত অন্তৰ্ধান হ'ল। সেইদৰে তেওঁ অন্তৰ্ধান হোৱা ঠাইকে ক'লী আইৰ থান বোলা হ'ল। প্ৰায়েই এই থানলৈ মানুহে গৈ শৰাই দিয়ে আৰু নামকীৰ্তন কৰে। ১৯৫৯-৬০ চনত এই থানৰ উন্নতিৰ অৰ্থে অসম চৰকাৰে ৩,৩০০ টকা দান দিছিল।[২]

### মোৱামৰা থান

লেঙেৰী মৌজাৰ কলৌলুৱা গাঁৱত মোৱামৰা থান। ইয়াত মন্দিৰ থকাৰ চিন আছে আৰু শিলত কটা (প্ৰায় ৩ ফুট X ২½ ফুট) চাৰি-পাঁচখন মূৰ্তি আছে বুলি জনা গৈছে।

### মায়ামৰা গোসাঁইৰ থান (বৰহাপজান, বাৰেকুৰি)

টিংৰাই মৌজাৰ বৰপাহজানত এটি প্ৰাচীন গড় আছে আৰু সেই গড়টো মটক ৰজা গোধাৰ নিৰ্দেশত বিষয়া সৰ্বানন্দই মৰোৱাইছিল। সেই গড় মৰাৰ সময়ত এজন মটকৰ গোসাঁইৰ পৰামৰ্শ লৈছিল। বৰ্তমান বৰহাপজানৰপৰা তিনি মাইলমান আঁতৰত সেই মটকৰ গোসাঁইৰ নাতি আছে। ইয়াৰ উপৰিও বৰহাপজানৰপৰা প্ৰায় ৪½ মাইলমান আঁতৰত আৰু এখন দৰকাৰী ঠাই আছে। নাম মতাপুং বাৰেকুৰি। শুনা যায় তাহানিৰ চতুৰ্ভুজ গোসাঁয়ে বাৰ কুৰিজন ভকত লৈ ইয়াতে কিছু দিনৰ বাবে বাস কৰিছিল। মতাপুঙত বোলে আগেয়ে লোণ ওলাইছিল। বৰ্তমান লোণ নোলায় বাবেই ইয়াৰ নাম মতাপুং হৈছে। সেই মতাপুং বাৰেকুৰি প্ৰসিদ্ধ অঞ্চল। সেই বাবেই বৰহাপজান অঞ্চলত যে মটকৰ কেইবাজনো গোসাঁইৰ বাসস্থান আছিল — সেইটো একেবাৰে সঁচা কথা।[৩]

## বৌদ্ধ বাপুচাং

উত্তৰ-পূব সীমান্তৰ "মাৰ্ঘেৰিটা বৌদ্ধ বিহাৰ" চাওক। ডিব্ৰুগড় মহকুমাৰ বৌদ্ধধৰ্মীসকল খামটি, ফাকিয়াল, দোৱনীয়া আৰু চাটিগাঞা বৰুৱাই। লোক তেওঁলোকৰ গাঁও আৰু চুবুৰীবিলাকত বাপুচাং বা বৌদ্ধ বিহাৰ প্ৰায় নামঘৰৰ অনুপাতেই দেখা পোৱা যায়।

২ নাজিৰাৰ বাৰেঘৰ (চলিহা) সত্ৰৰ অধিকাৰৰ মতে কৃষ্ণাদেৱী ডিব্ৰুক নামৰ সত্ৰৰ জয়ানন্দদেৱৰহে জীয়েক। বৰ্তমান সেই সত্ৰ নাই। শিৱসিংহ ৰজাৰ দিনতে সেই সত্ৰৰ মূৰ্তি, ভাগৱত আৰু ভকত বাৰেঘৰ সত্ৰই ল'লে। ক'লী আইৰ থান পুৰণাৰী সত্ৰৰ হ'ল।

৩ বাতৰি দিওঁতা : বৰহাপজানৰ শ্ৰী ৰাম গোস্বামী

## দৰগাহ্-মছজিদ

### বগা ফকীৰৰ মাজাৰ

যুক্তপ্ৰদেশৰপৰা বগা শ্বাহ নামে এজন ফকীৰ ডিব্ৰুগড় নগৰলৈ আহি ডিব্ৰুগড় ৰেল ষ্টেশ্যনৰ কাষত এটি জুপুৰি ঘৰত বাস কৰে। তেওঁ এটি সৰু চৰুত ৰন্ধা-বঢ়া কৰিছিল। সেই চৰুত ৰন্ধা আহাৰেৰে তেওঁৰ তালৈ অহা সকলো অতিথিকে ভোজন কৰাব পাৰিছিল। সেই কাৰণে জাতি-বৰ্ণ নিৰ্বিশেষে তেওঁৰ ওচৰত বহুত মানুহ গোট খাইছিল। আজি প্ৰায় আঢ়ৈ কুৰি বছৰমানৰ আগতে তেওঁৰ মৃত্যু ঘটে। তেওঁ থকা ঠাইতে তেওঁক কবৰ দিয়া হয়। ৰাইজে তেওঁৰ কবৰৰ ওপৰত মছজিদৰ নমুনাৰে এটি ধুনীয়া ঘৰ আৰু তাৰ কাষতে এটি মছজিদ নিৰ্মাণ কৰে। এয়ে বগা বাবাৰ মাজাৰ। ইয়ালৈ বহুত দূৰ ঠাইৰপৰাও হিন্দু, মুছলমান আদি আহি নিজ অভীষ্ট-সিদ্ধিৰ অৰ্থে মম, তেলৰ চাকি জলায়হি।

### মছজিদ

ডিব্ৰুগড় নগৰত ১৬ টা মছজিদ আছে। এই মছজিদবিলাকৰ ভিতৰত মৌলানা আবদুৰবেগ চাহাবে ডিব্ৰুগড় আমোলাপট্টিত চুলতান শ্বাহজাহানে হাজোত সজোৱা দৰগাহৰ নমুনাত সজোৱা মছজিদটোৱেই সকলোতকৈ ডাঙৰ আৰু প্ৰসিদ্ধ। এই মছজিদ তেওঁৰ নাম অনুসৰি মিৰ্জাবাগ মছজিদ বুলি বিখ্যাত। ১৯৪৬ চনত তেওঁৰ পৰলোক ঘটে। তেওঁৰ কবৰ উক্ত মছজিদৰ কাষতে। প্ৰায় মুছলমানেই তেওঁৰ কবৰ পৰিদৰ্শন কৰে আৰু কবৰত জিয়াৰত কৰে।

## গুৰুদ্বাৰ

ডিব্ৰুগড় চহৰত ১৯১১-১২ চনত শিখসকলৰ দ্বাৰা গুৰুদ্বাৰ প্ৰতিষ্ঠিত হয়।

স.ৰা.

## গীৰ্জা

### ছেইন্ট্ পল্ গীৰ্জা

ডিবুৰুৰ এই পুৰণি গীৰ্জাটি ১৯৫৪ চনত ব্ৰহ্মপুত্ৰৰ গৰা-খহনীয়াই গ্ৰাস কৰে। গীৰ্জা ঘৰটিৰ এটি মডেল কৰি তেজপুৰৰ এপিফেনি গীৰ্জাত ৰখা হৈছে। সেই মডেলৰপৰা চাউলখোৱাত নতুনকৈ এটি গীৰ্জা নিৰ্মাণ কৰা হয় আৰু ১৯৫৬ চনৰ ৯ ডিচেম্বৰত ঘৰটি উছৰ্গা কৰা হয়।

### ছেইন্ট্ পেট্ৰিক্ গীৰ্জা

১৮৪০ চনত যেতিয়া অসমত চাহ-খেতি এটি উদ্যোগৰূপে আৰম্ভ হয় আৰু নাজিৰাত আসাম কোম্পানী প্ৰতিষ্ঠা কৰা হয়, তেতিয়া অসমত তাৰ বাবে বনুৱা নোপোৱাত বিহাৰ প্ৰদেশৰ ৰাঁচীৰপৰা বনুৱা অনা হয়। এই বনুৱাসকলৰ অনেকেই

ইতিমধ্যে খ্ৰীষ্টধৰ্ম গ্ৰহণ কৰিছিল। ডিব্ৰুগড়ৰ জকাই চাহ কোম্পানীত কাম কৰা খ্ৰীষ্টানসকলৰ কাৰণে আঠাবাৰীত এটি গীৰ্জাঘৰ সজা হয়। প্ৰথমৰ পাদ্ৰী এজন আয়াৰ্লেণ্ডৰপৰা অহা হেতুকে গীৰ্জাটিৰ নাম ছেইণ্ট্ পেট্ৰিক্ হ'বলৈ পায়। জকাই কোম্পানীয়ে গীৰ্জাৰ মাটি দিয়াৰ উপৰিও দুটা বঙলা আৰু এটা স্কুল কৰি দিয়ে।

**ৰেছাৰেক্শ্যন গীৰ্জা**

পেট্ৰিক্ গীৰ্জাৰ অঞ্চলত খ্ৰীষ্টানৰ সংখ্যা বাঢ়ি যোৱাত আৰু বহুতো লোক ডিকম-উইল্টন বাগিচাৰ পাছফালৰ হাবিত ঘৰ-বাৰী কৰাত টেঙাখাতৰ ওচৰৰ দীঘলপুহোলাত এটি স্থায়ী গীৰ্জাঘৰ সজা হয়। এয়ে চাৰ্চ অব্ ৰেছাৰেক্শান। এই গীৰ্জা বৰ ডাঙৰ, সাত শ মানুহ বহি উপাসনা কৰিব পাৰে। ওচৰে-কাষৰে সৰু গীৰ্জা বহুত হৈছে যদিও ই খ্ৰীষ্টানসকলৰ ডাঙৰ এটি কেন্দ্ৰ হৈ আছে।

**-াল ছেইণ্ট্ছ্ গীৰ্জা**

চাবুৱাৰ এই গীৰ্জাটিও চাহ-বাগিচাৰ খ্ৰীষ্টানসকলৰ কাৰণে বহুত কালৰ আগতে নিৰ্মাণ কৰা। ইয়াতো পাঁচশ লোক ধৰে। ১৯২৩ চনত ইয়াৰ বিশ্বপজ্ঞনে চিকিৎসাৰ কেন্দ্ৰ এটি খোলে। এয়ে চাবুৱাৰ ছেইণ্ট্ লিউক হাস্পিটাল। তাৰ লগৰ চেপেল নামঘৰত ৰোগীসকলে ঈশ্বৰৰ নাম লয়।

**অন্যান্য গীৰ্জা**

মাৰ্ঘেৰিটাত ছেইণ্ট মাৰ্গেৰেট গীৰ্জা (১৯৩০-৩১ চন), ডিব্ৰুগড়ৰ গাভৰুপথাৰত কেথেড্ৰেল অব্ দি ছেক্ৰেড্ হাৰ্ট অব্ জিছাছ গীৰ্জা (১৯৩৯), ডিগবৈত ছেইণ্ট থেৰেছা অব্ দি চাইল্ড অব জিছাছ (১৯৪৬), নাহৰগটীয়াত ৰোমান কেথলিক ছেইণ্ট ফ্ৰান্সিছ গীৰ্জা (১৯৫৬), ডুমডুমাত ৰোমান কেথলিক ছেইণ্ট জোছেফ গীৰ্জা (১৯৫৬) আদি নতুন গীৰ্জা হৈছে।

ম.নে

# শিৱসাগৰ

**শিৱসাগৰ**

শিৱসাগৰৰ আগৰ নাম কলঙ্গুপাৰ। ১৭৩৪ চনত স্বৰ্গদেৱ শিৱসিংহৰ ৰাণী অম্বিকাই এটা পুখুৰী খনায়, নাম থয় শিৱসাগৰ। এই শিৱসাগৰ পুখুৰীৰ দক্ষিণপাৰে শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱী-দ'ল নামে তিনিটা দ'ল বন্ধায়। কোনো কোনোৱে কয় যে ৰজা শিৱসিংহৰ নামেৰেই পুখুৰীটো নামো শিৱসাগৰ হয়। আচলতে কিন্তু শিৱ দেৱতাৰ নামে উছৰ্গা কৰাৰ কাৰণেহে শিৱসাগৰ হয়। দ'ল তিনিটাৰ ভিতৰত শিৱদ'লটোৱেই আটাইতকৈ ওখ। দলটোৰ বেৰে ১৩০ হাত। পটিএৰেদি ১৮ হাত, বাজু ১৬ হাত। ওখকে খুৰাপাটাৰপৰা ওপৰলৈ মুঠলৈ ১২ হাত আৰু তাৰেপৰা চুলাৰ ওপৰলৈ ৫৭$^{1}/_{2}$ হাত। শিৱদ'লৰ পশ্চিমে দেৱীদ'ল। দেৱীদ'লটো বেৰে ৮০ হাত। ওখকে খুৰাপাটৰপৰা ওপৰ মুঠলৈ ১২ হাত আৰু তাৰেপৰা চুলালৈ ২৮ হাত। শিৱদ'লৰ পূবে বিষ্ণুদ'ল। বিষ্ণুদ'লটো আকাৰত দেৱীদ'লৰ সমানেই। শিৱদ'লত শিৱৰাত্ৰিৰ দিনা ডাঙৰ মেলা হয় আৰু এই দ'লৰ এইটোৱেই ডাঙৰ উৎসৱ। দেৱীদ'লত দুৰ্গাপূজা হয়। ইয়াত ৰজাদিনীয়া প্ৰতিমা নাই। দুৰ্গাপূজাৰ সময়ত প্ৰতিমা সজাই লোৱা হয়। বিষ্ণুদ'লৰ ঘাই উৎসৱ ৰথযাত্ৰা। জগন্নাথক্ষেত্ৰৰ আৰ্হিৰে ৰথযাত্ৰা পতা হয়।

১৭৩৩ চনৰ (১৬৫৫ শক) ১৮ জেঠৰ দিনা পুখুৰী খানিবলৈ আৰম্ভ কৰে আৰু ১৭৩৪ চনৰ (১৬৫৬ শক) বহাগৰ ৬ দিন যাওঁতে প্ৰতিষ্ঠা কৰে। পুখুৰীটোৰ পানীত পুবা-পশ্চিমাকৈ দীঘে ১১৭ বেও আৰু উত্তৰা-দক্ষিণাকৈ প্ৰস্থে ১৮০ বেও। ইয়াৰ মাটিকালি ৯৭ পুৰা। পাৰে-খাৰৈয়ে ধৰিলে ইয়াৰ মাটিকালি ১৯৪ পুৰা।

**জয়সাগৰ**

জেৰেঙা পথাৰত সতী জয়মতীৰ যুগমীয়া সোঁৱৰণী জয়সাগৰ। সতী জয়মতীৰ বৰপুত্ৰ লাই ৰুদ্ৰসিংহ স্বৰ্গদেৱে গড়গাঁৱৰ লগতে ৰংপুৰতো এখন নগৰ পাতিবলৈ মন কৰে। সতী জয়মতীৰ পবিত্ৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যে জেৰেঙা পথাৰত ১৬১৯ শকৰ (১৬৯৭ চন) আঘোণৰ তিনি দিন যাওঁতে জয়সাগৰ পুখুৰী খানিবলৈ আৰম্ভ কৰে আৰু সেই শকৰে ফাগুনৰ ১৭ দিন যাওঁতে পুখুৰী উছৰ্গা কৰে। পুখুৰীৰ মাটিকালি পানীত ১১৭ পুৰা ১ বিঘা ৯ লোচা। পুখুৰীটো পুবা-পশ্চিমাকৈ দীঘে ২৪৭ বেও আৰু উত্তৰ-দক্ষিণাকৈ প্ৰস্থে ১৯৪ বেও। পাৰে সৈতে মাটিকালি ২১০ পুৰা ১০ লোচা।

জয়সাগৰ পুখুৰীৰ পাৰত 'পঞ্চদেৱতা'ৰ পাঁচোটা মন্দিৰ ১৭৯৮ চনত বন্ধোৱা হয়। তাৰে ভিতৰত আটাইতকৈ ডাঙৰ জয়দ'ল। জয়দ'লৰ আন নাম শ্ৰীকেৱশৰায় বিষ্ণুদ'ল। কোনো কোনোৱে ইয়াক জয়সাগৰৰ বৰদ'ল বুলিও কয়। জয়দ'লৰ গড়ৰ ভিতৰতে পূবপিনে দুটা সৰু সৰু দুচলীয়া ইটাৰ পকীঘৰ আছে। ইয়াৰে এটি শ্ৰীসূৰ্য-মন্দিৰ আৰু আনটি শ্ৰীগণেশ-মন্দিৰ। বিগ্ৰহ আৰু পূজা-পাতল নোহোৱাৰ বাবে কোনটি কি মন্দিৰ খাটাংকৈ কোৱা টান। জয়দ'লৰ দক্ষিণে থকা পকীঘৰটো ভোগঘৰ। দেৱতাৰ উদ্দেশ্যে ইয়াতে ভোগ তৈয়াৰ কৰা হৈছিল। এই দ'লৰে জগমোহনৰ সমুখত আন এটা ঘৰ আছিল। ইয়াৰ নাম নাটঘৰ। নাটঘৰটো কোনোবা সময়ত ভাগি পৰে। জয়দ'লৰপৰা একফাৰ্লংমান পশ্চিম পাৰত আন এটি দ'ল আছে। এইটি বৈদ্যনাথ শিৱদ'ল। কোনো কোনোৱে ইয়াক বিশ্বনাথ দ'ল আৰু মাজৰ দ'ল বুলিও কয়। জয়সাগৰ পুখুৰীৰ উত্তৰ-পশ্চিম চুকত ২৮ X ২৪ হাত দীঘল-পুতলৰ এটা ইটাৰ দুচলীয়া পকীঘৰ আছে। ইয়াৰ নাম দেৱীদ'ল বা দেৱীঘৰ। স্বৰ্গদেৱ ৰুদ্ৰসিংহ নিজে বৈষ্ণৱ আছিল আৰু সেই সময়লৈকে দুৰ্গাপূজা ৰজাঘৰত শাক্তধৰ্মৰ ৰূপ লৈ সোমোৱা নাছিল। ৰজাঘৰত উৎসৱ হিচাপে মাত্ৰ বছৰেকত এবাৰ দুৰ্গাপূজা পতা হৈছিল। আৰু এই ঘৰতে সেই পূজা পাতিছিল। জয়সাগৰ পুখুৰীৰ পশ্চিম পাৰৰ খাৰৈৰ বাহিৰৰ এটা দ'ল আছে। মানুহে ইয়াক ঘনশ্যামৰ দ'ল বুলি কয়। আচলতে কিন্তু ইয়াৰ নাম নাতিগোসাঁইৰ দ'ল। পৰ্বতীয়া গোসাঁইৰ জীয়ৰীৰ ফালৰ নাতিয়েক এজনৰ বাবে এই মন্দিৰ সম্ভৱতঃ স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই সজোৱাইছিল। সেই গতিকে ইয়াৰ নাম নাতিগোসাঁইৰ দ'ল। দ'লটিৰ চাৰিওমেৰে গড় আৰু এটা ভোগঘৰ থকাৰো চিন আছে। এই দ'লটিৰ কলাসুলভ কাৰুকাৰ্য আহোম ৰাজত্বত তৈয়াৰ কৰা মঠ-মন্দিৰ আটাইবোৰৰ ভিতৰতে চহকী।

জয়সাগৰত চ'তৰ শুক্লা একাদশীৰ দিনা জয়মতী তিথি-উৎসৱ পালন কৰা হয়।

**ৰংপুৰ**

ৰংপুৰ ৰজাৰ ৰাজধানী হিচাপেই জনাজাত যদিও নগৰৰ ওচৰে-পাজৰে আৰু বাহিৰে-ভিতৰে ভালেমানকেইটা সৰু-সুৰা দ'ল আছে।

নগৰৰ ভিতৰত ৰজাই পূজা-সেৱা কৰা গোসাঁইঘৰটোৰ বাহিৰে এতিয়া আন মঠ-মন্দিৰ নাই। এই গোসাঁইঘৰটো তলাতল ঘৰৰ লগ লগা আৰু ইয়াক স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত তৈয়াৰ কৰা হয়। এই ঘৰতে মহন্তসকলে নগৰৰ গোসাঁইঘৰীয়া বা কমলাবৰীয়া দুৱাৰেদি সোমাই আহি ৰজাক নিৰ্মালি দিছিল। নগৰৰ উত্তৰ-পূব চুকত আগতে দুটা মন্দিৰ আছিল, এটা ঈশানেশ্বৰ শিৱমন্দিৰ আৰু আনটো বুঢ়াগোসানী দেৱালয়। এই দুয়োটা মন্দিৰ দুগৰাকী কুঁৱৰীয়ে সজাইছিল। তাৰে ঈশানেশ্বৰ মন্দিৰ লক্ষ্মীসিংহ স্বৰ্গদেৱৰ মাকে ১৭৭৩ চনত সজাইছিল। ইটো মন্দিৰ আন ৰাজ্যৰপৰা অনা কুঁৱৰী এগৰাকীয়ে সজাইছিল বুলি জনা যায়। দুয়োটা মন্দিৰৰ মাজেদি সাময়া

ভগ্নাৱশেষৰ বাহিৰে একো চিন-চাব নাই।

ৰংপুৰ নগৰ আৰু জয়সাগৰৰ মাজত চাৰিটা মন্দিৰ আছে। ৰংপুৰ নগৰৰপৰা দক্ষিণ বৰদুৱাৰেদি ওলাই আহিলে সোঁহাতে এটা দ'ল পায়। তাৰে নাম ৰংনাথ (ৰঙ্গনাথ) দ'ল। এইটো শিৱদ'ল। ১৭০৩ চনত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত এই দ'ল বন্ধায়। আহোম ৰজাসকল পূৰ্ণহতীয়াকৈ হিন্দু হোৱাৰ আগতেও শিৱ অৰ্থাৎ বুঢ়াগোসাঁইক পূজা কৰিছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহই এই ৰংগনাথ শিৱমন্দিৰতে শিৱ-পূজা কৰিছিল। এই দ'লৰ বেৰ ৬৩ হাত আৰু ওখকে ২০ হাত। ৰংনাথ দ'লৰ দক্ষিণে ফাকুৱা দ'ল। এই দ'লটোও স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনতে সজোৱা হয় ১৭০৩-৪ চনত। এই দ'লটি সম্পৰ্কে কথিত আছে যে স্বৰ্গদেৱ ৰুদ্ৰসিংহ ৰজা হোৱাৰ পিছত তেওঁৰ মাক সতী জয়মতীৰ এটি সোণৰ প্ৰতিমা সাজি দিয়ে আৰু পিছত তাতে ফাকুৱা দ'লৰ আৰ্হিৰে খাপ খাপকৈ মন্দিৰ নিৰ্মাণ কৰে। মন্দিৰৰ ওপৰত এটি ১৪ হাত ওখ দ'ল আছিল আৰু চাৰিওমেৰে দ'লৰ আৰ্হিৰ আঠোটা ইটাৰ পকী স্তম্ভ আছিল। ওপৰৰ মন্দিৰটো আৰু স্তম্ভসমূহৰ ভগ্নাৱশেষ এতিয়াও আছে। ওপৰৰ দ'লটোৰ তলি ফুটুৱাই মৈদাম খনাৰ নিচিনা চিন দেখা পোৱা যায় আৰু তাকে চাই সেইটো মৈদাম বুলি ভাবিবলৈ থল আছে।

ৰংনাথ শিৱদ'লৰ পশ্চিমে আৰু এটা সৰু দ'ল আছে। ইয়াৰ নাম হৰ-গৌৰী দেৱালয়। এই দ'ল স্বৰ্গদেৱ ৰাজেশ্বৰসিংহৰ দিনত সজোৱা হয়। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই ৰহাৰপৰা মণিপুৰীয়া আৰু কছাৰী ৰজাক লৈ উজাই আহোঁতে পৰ্বতত পাই হৰ-গৌৰীৰ মূৰ্তি এখন আনিছিল। সেই মূৰ্তিখনি থাপনা কৰিবলৈকে এই দেৱালয় সজা হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়ত স্বৰ্গদেৱ লক্ষ্মীসিংহই পুনৰ ৰাজপাট উদ্ধাৰ কৰিবৰ সময়ত ইয়াতে ৰজাঘৰীয়া সৈন্যই নাহৰখোৱা মৰাণৰ ঘৈণীয়েক ৰাধাক খুঁচি মাৰিছিল।

ৰংনাথ শিৱদ'লৰ পূবে পথাৰৰ মাজত এটা সৰু দ'ল আছে। ইয়াৰ নাম গৌৰীবল্লভ দ'ল। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ ৰাজত্বৰ আমোলত ৰমানন্দ আচাৰ্য পহুমৰীয়া গোসাঁইৰ বৰপুতেক ডেকাজনা গোসাঁয়ে এই দ'ল সজাইছিল। ৰমানন্দ গোসাঁইক মানুহে ন-গোসাঁই বুলিছিল গতিকে গৌৰীবল্লভ দ'লটোকো বহুতো মানুহে ন-গোসাঁইৰ দ'ল বুলি কয়। দ'লৰ কাষতে এটি পুখুৰীও খনাইছিল।

**চৰাইদেও**

চৰাইদেও আহোমসকলৰ পোন প্ৰথম ৰাজধানী হ'লেও ধৰ্মৰ পিনৰপৰা ই প্ৰাক্-আহোম যুগতো পবিত্ৰ আৰু তীৰ্থস্থান আছিল। চুকাফা অসমলৈ অহাৰ সময়ত বৰাহী ৰজাই "আমাৰ দেওখনি থকা ঠাইতে নগৰ কৰিবলৈ ভাল" বুলি নৱাগত চুকাফাক আহ্বান জনাইছিল। সেই সময়ত ইয়াত কোন দেৱতাৰ মন্দিৰ আছিল খাটাংকৈ জানিব পৰা নগ'লেও হিন্দু ধৰ্মাৱলম্বী বৰাহীসকলৰ শিৱ কিম্বা শক্তি-মন্দিৰ আছিল যেন অনুমান হয়।

চৰাইদেও শব্দটোৰ আহোম ভাষাত দুটা অৰ্থ হয়। এটা অৰ্থমতে 'চে-ৰা-ডেউ', (চে—নগৰ; ৰা—চুতীয়া; ডেউ—দেৱতা) 'চুতীয়া দেৱতাৰ নগৰ'। আহোমসকল অসমলৈ অহাৰ আগতে আৰু বৰাহসকলেও এই অঞ্চলত বাস কৰাৰ আগতে চুতীয়াসকলৰ এটা মন্দিৰ আছিল। আনটো অৰ্থমতে 'চে-ৰাই-ডয়' (চে—নগৰ; ৰাই—জিলিকি থকা; ডয়—পৰ্বত), 'জিলিকি থকা পৰ্বতীয়া নগৰ'। এইটো অৰ্থও শুদ্ধ হ'ব পাৰে। মুঠতে চৰাইদেও শব্দটো এই দুটাৰ এটাৰপৰা অসমীয়া ৰূপ দি 'চৰাইদেও' কৰা হয় আৰু পিছত সংস্কৃত পণ্ডিতে পাই বিহগাদ্রি নাম দিয়ে।

চৰাইদেওত যদিও একালত বহুতো মঠ-মন্দিৰ আছিল এতিয়া মাথোন দুটা মন্দিৰৰহে ভগ্নাৱশেষ দেখা যায়। তাৰে এটা দেওশালৰ মন্দিৰ, আনটো লাংকুৰি দ'ল। দেওশাল মন্দিৰটো আগৰ চুতীয়া কিম্বা বৰাহীসকলৰ দেৱতা থকা পৱিত্ৰ ঠাইতে সজোৱা হৈছিল। ইয়াত আহোম পদ্ধতিৰে পূজা-পাতল আৰু বলি-বাহন হৈছিল। দেৱতাৰ উদ্দেশ্যে উছৰ্গা কৰা জীৱক বলি দিয়াৰ শালখন আছিল বুলিয়েই ইয়াৰ নাম দেওশালৰ মন্দিৰ হৈছিল। এতিয়া পাঁচোটা খুটা আৰু কিছুমান ভগা ইটাৰ টুকুৰা অৱশিষ্ট আছে। দেওশালৰ দক্ষিণে থকা টিলাটোত এটা মন্দিৰ আছিল। ইয়াৰ নাম লাংকুৰি দ'ল অৰ্থাৎ শিৱদ'ল। এই দ'লটো স্বৰ্গদেৱ গদাধৰসিংহই সজাইছিল। অলপতে চৰাইদেও বাগিচাৰ মেনেজাৰৰ বঙলাৰ সম্মুখত এটা ডাঙৰ শিৱলিঙ্গ পোৱা গৈছে আৰু এই শিৱলিঙ্গটো এই দ'লটোৰপৰাই নিয়া হৈছিল বুলি অনুমান কৰা হৈছে।

চৰাইদেও পৰ্বতৰপৰা পশ্চিমে পথাৰৰ মাজত এখন শিলৰ চালপীৰা আছে। প্ৰকৃততে এইখন চালপীৰা নহয়। ইয়াতো এটা সৰু মন্দিৰ আছিল আৰু এই পীৰাখন দেৱতা থোৱা পাট হিচাপে ব্যৱহাৰ কৰা হৈছিল। এই মন্দিৰটোৰ নাম আছিল বান্-টুং দেৱালয়।

**বৰপাত্ৰ দ'ল**

বৰপাত্ৰ দ'ল দুটা। কালুগাঁৱৰ বৰপাত্ৰ দ'ল আৰু কেন্দুগুৰিৰ বৰপাত্ৰ দ'ল। নাচনী ছোৱালী ফুলমতীক স্বৰ্গদেৱ শিৱসিংহই ৰাণী আৰু 'বৰৰজা' পতাৰ পিছত তেওঁ নিজৰ প্ৰভাৱেৰে বহুতো কাম কৰিছিল। সেই সময়তে ৰাণী ফুলেশ্বৰীয়ে ভায়েক হৰিনাথক বৰপাত্ৰ গোহাঁই পাতিলে। তেওঁ চিনাতলিৰপৰা আহি কালুগাঁৱত বাৰী পাতি ঘৰ সাজিলে আৰু বাৰীৰ পশ্চিমে লখিমীসাগৰ নামৰ পুখুৰী খনাই তাৰ পাৰত দ'ল বান্ধিলে। দ'ল দুটা এতিয়াও আছে। এটা জগদ্ধাত্ৰী দ'ল আৰু এটা শিৱদ'ল। কালুগঞা বৰপাত্ৰই দ'লটো বন্ধাইছিল বাবে মানুহে বৰপাত্ৰ দ'ল বুলি কয়।

কেন্দুগুৰীয়া বৰপাত্ৰ গোহাঁইৰ পৰিয়ালটো দিচাঙৰ পাৰত কেন্দুগুৰিত বাস কৰিছিল। এই ফৈদৰ কেইবাজনো বৰপাত্ৰ গোহাঁই ৰাজমন্ত্ৰী হৈছিল। এওঁবিলাকৰ কোনোবা এজন কেন্দুগুৰিত পুখুৰী খনাই তাৰ উত্তৰ পাৰত এটা দ'ল বন্ধায়। এইটো

কোন দেৱতাৰ দ'ল আছিল খাটাংকৈ কোৱা টান।

**গৌৰীসাগৰ**

স্বৰ্গদেৱ শিৱসিংহই ৰাজপাটত উঠাৰ পিছতেই কৃষ্ণৰাম ভট্টাচাৰ্যত শৰণ লৈ সম্পূৰ্ণ শাক্ত হৈ পৰে আৰু তেওঁৰ ৰাণী ফুলেশ্বৰী কুঁৱৰীও সেই পন্থৰে অনুগামিনী হয়। এৱেঁই নামডাং নৈৰ কাষত ১১৩ পুৰা ১ বিঘা ২ কঠা ১৫ লোচা মাটিৰ এটা পুখুৰী ১৭৩৪ চনত খনায়। এই পুখুৰীটো গৌৰী অৰ্থাৎ দুৰ্গাৰ নামে উছৰ্গা কৰা হয় বাবে ইয়াৰ নাম গৌৰীসাগৰ।

গৌৰীসাগৰ পুখুৰীৰ উত্তৰ পাৰত তিনিটা দ'ল আছে। পূবৰটো দেৱীদ'ল, মাজৰটো শিৱদ'ল আৰু পশ্চিমৰটো বিষ্ণুদ'ল। শিৱদ'লটো তিনিওটাৰে ভিতৰত ডাঙৰ আৰু ওখ। ই মেৰে ১২০ হাত, ওখকে খুৰাপাটৰপৰা ওপৰ মুঠলৈ ২০ হাত আৰু তাৰপৰা চালুলৈ ৪৩ হাত। বিষ্ণুদ'ল আৰু দেৱীদ'ল দুয়োটা সমান ওখ। মেৰে ৮০ হাত আৰু ওখকে ৪০ হাতকৈ।

**নামতি দ'ল**

শিৱসাগৰৰপৰা ৮ মাইল দক্ষিণে নামতি। নামতিত দুটা দ'ল আছে। মানুহে ইয়াকে নমাতিদ'ল বোলে। স্বৰ্গদেৱ গৌৰীনাথসিংহৰ দিনত নামতিয়াল ভাগতীক খাৰঘৰীয়া ফুকন পদৰপৰা আনি বৰবৰুৱা পাতে আৰু ৰজাই নিজৰ বায়েক বৰআইদেউক বৰবৰুৱালৈ বিয়া দিয়ে। এইজনা বৰবৰুৱায়ে ১৭৭৫ চনত নামতিত দ'ল বন্ধায়। ঘাই দ'লটো মেৰে ৫৮ হাত আৰু ওখকে ৩১ হাত। ডাঙৰটো শিৱদ'ল আৰু সৰুটো বিষ্ণুদ'ল।

**থাওৰা**

শিৱসাগৰৰপৰা ডিব্ৰুগড়লৈ যাওঁতে বৰবৰুৱা আলিৰ বাঁওহাতে থাওৰা পুখুৰীৰ পাৰতে এই দ'লটো অৱস্থিত। এইটো দ'লৰ পূজাৰি-বিগ্ৰহ একো নাই। ১৬০৫-০৭ শকৰ (১৬৮৩-৮৫ চন) ভিতৰত স্বৰ্গদেৱ গদাধৰসিংহৰ ৰাজত্বকালত আলন বুঢ়া দিহিঙীয়া বৰবৰুৱাই এই দ'ল বন্ধায়।

**নাফুকৰ দ'ল**

শিৱসাগৰপৰা ২৫ মাইলমান পূবৰ নাফুক নৈৰ পাৰত আৰু বৰ্তমানে হাবিৰ মাজত এটা সৰু দ'ল আছিল। দ'লটো ভাগি-ছিগি উৰ্বলি গ'ল। স্বৰ্গদেও গৌৰীনাথসিংহৰ মাহীমাক এগৰাকী নাফুকিয়াল সন্দিকৈৰ জীয়ৰী আছিল। এওঁকে নাফুকী ৰাজমাও বুলিছিল। এই গৰাকী ৰাজমাৱেই নাফুক নৈত এখন শিলসাঁকো বন্ধাই উপৰ্যুক্ত দ'লটি বন্ধাইছিল। দ'লটোত কি বিগ্ৰহ আছিল বা কোনে পূজা কৰিছিল, জনা নেযায়।

**পিয়লি ফুকনৰ দ'ল**

নাজিৰাৰপৰা ৮ মাইলমান দক্ষিণে গেলেকী। ইয়াতে বৰ্ত্তাচিলা পথাৰ নামে এখন

বিখ্যাত পথাৰ আছে। ৰঙাচিলা দুৱৰাৰ বংশধৰসকলৰ ইয়াতেই খাত-পাম আছিল। এই বংশৰ কেইবাজনো লোকে বৰবৰুৱা, বৰফুকন আদি উচ্চ পদ ভোগ কৰিছিল আৰু প্ৰায় দুটামান শতিকা এইডোখৰ ঠায়েই বাসস্থান আছিল। ইয়াত এতিয়া দুটা দ'ল আছে, যদিও ভগ্নাৱশেষ বৰ্তমান। দ'ল দুটাৰ এটা শিৱ আৰু আনটো বিষ্ণুৰ। ৰঙাচিলা দুৱৰা বংশৰ বিখ্যাত পিয়লি ফুকনেই এই দ'ল দুটা বন্ধাইছিল বুলি কোনো কোনোৱে কোৱা-কুই কৰে যদিও তেওঁৰ আগতেই বন্ধোৱা যেন লাগে। এই বংশৰ ক্ষমতাশালী ৰাজপুৰুষ হৰনাথ ভিতৰুৱাল ফুকন বা বদন বৰফুকনৰ দিনতো বন্ধোৱা হ'ব পাৰে।

### ৰুদ্ৰসাগৰ দ'ল

ৰুদ্ৰসাগৰ বা ন পুখুৰীৰ উত্তৰ পাৰত এই দ'ল অৱস্থিত। এইটো শিৱদ'ল। স্বৰ্গদেৱ লক্ষ্মীসিংহই ১৬৯৫ শকত (১৭৭৩ চন) মথন দাৰিকিয়াল হাজৰিকীয়াৰ তত্ত্বাৱধানত আগৰ অঠাইসাগৰ পুখুৰীৰ বিপৰীতে এটা পুখুৰী খনায় আৰু পিতৃ ৰুদ্ৰসিংহৰ নামে উছৰ্গা কৰি নাম থয় ৰুদ্ৰসাগৰ। ইয়াৰ পাৰতে এটা দ'ল বন্ধায় কিন্তু ইতিমধ্যে স্বৰ্গদেৱ লক্ষ্মীসিংহৰ মৃত্যু হোৱাত পুতেক স্বৰ্গদেৱ গৌৰীনাথসিংহই দ'ল-পুখুৰী উছৰ্গা কৰে।

### ৰগী দ'ল

ৰংপুৰ নগৰৰপৰা তিনি মাইলমান পুবে বগীদ'ল। ইয়াত এটা ডাঙৰ পুখুৰী আছে। এই পুখুৰীটোৰ উত্তৰ পাৰত এটা দ'ল আছিল। দ'লটো শিৱদ'ল। ১৬৯৫ শকৰ (১৭৭৪ চন) মাঘৰ ২৭ দিন যাওঁতে পুখুৰী খানিবলৈ আৰম্ভ কৰে। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ মাকে এই পুখুৰী খনাই দ'ল বন্ধাইছিল। এইগৰাকী ৰাজমাওৰ নাম বগী ৰাজমাও আছিল। গতিকে তেওঁৰ নামেই এই দ'লৰ নাম পিছলৈ বগীদ'ল হয়। বৰ্তমান খহি পৰা দ'লটোৰ ইটাবোৰ আৰু অংশবিশেষ মাথোন দ'ম বান্ধি আছে।

### কেঁৰী ৰাজমাও দ'ল

স্বৰ্গদেৱ শিৱসিংহৰ দ্বিতীয়া ভাৰ্যা অম্বিকাৰ মৃত্যুৰ পিছত স্বৰ্গদেৱে সলাল গোহাঁইৰ জীয়ৰী অনাদৰী ওৰফে আঁকৰীক বিয়া কৰায়। এৰেঁই মঠিয়াছিগাত পুখুৰী খনাই দ'ল বন্ধায়। স্বৰ্গদেৱ শিৱসিংহৰ মাক ৰাজমাওৰ চকু এটা কেঁৰা আছিল গতিকে তেওঁক কেঁৰী ৰাজমাও বুলিছিল। ৰাণী সৰ্বেশ্বৰীয়ে এইগৰাকী ৰাজমাওৰ নামেই দ'ল-পুখুৰী কৰোৱা বাবে ইয়াৰ নাম কেঁৰী ৰাজমাও দ'ল নামে জনাজাত হয়। এই দ'ল খহি পৰিল, দ'লৰ অৱস্থিতিৰ সামান্য মাত্ৰ চিন আছে। ভগ্নাৱশেষসমূহৰপৰা ইয়াত দুটা দ'ল আছিল বুলি ঠাৱৰ কৰিব পাৰি।

### ৰামখাঁ পীঠ

ৰামখাঁ পীঠ দিখৌমুখত। এইখন শক্তিপীঠ আৰু ই প্ৰাক্-আহোম যুগতে প্ৰতিষ্ঠিত। এই পীঠ ভূঞাসকলৰ দ্বাৰায় প্ৰতিষ্ঠিত কিন্তু পিছৰ যুগত চুতীয়াসকলেও ইয়াক মানি

লয়। ৰামখাঁ পীঠ প্ৰকৃততে যি ঠাইত আছিল সি এতিয়া নৈৰ বুকুত নতুবা ইপাৰৰ বালি-চাপৰিত। আহোম স্বৰ্গদেৱ দুই-এজনেও এই পীঠৰ মহিমা উপলব্ধি কৰি ৰাজকীয় সহায় আগবঢ়াইছিল। কিন্তু কোনোবা এযুগত এই পীঠৰ মন্দিৰটো দিখৌ নৈয়ে খহাই নিয়ে আৰু তেতিয়াৰেপৰা নৈৰ বুকুত শিৱলিঙ্গ, যোনি-মুদ্ৰা আদি পৰি থাকে। এনেতে, কথিতত আছে, স্বৰ্গদেৱ লক্ষ্মীসিংহ নাৱেৰে উজাই আহোঁতে হঠাতে নাও নচলা হয় আৰু লাগি ধৰে। উপায় নেপাই ৰজাই ৰাতিটো তাতে কটায় আৰু স্বপ্নাদিষ্ট হয় যে ৰামখাঁ পীঠৰ লিঙ্গ, যোনি-মুদ্ৰা তাত পৰি আছে আৰু তাক উদ্ধাৰ কৰি পাৰত প্ৰতিষ্ঠা কৰিব লাগে। ৰজাই তাকে কৰিলে। পুনৰ এই পীঠ জাগ্ৰত হ'ল। এতিয়া মন্দিৰটো নাই, কিন্তু পূজা-সেৱা চলি আছে।

**খঁৰা দ'ল**

স্বৰ্গদেৱ গদাধৰসিংহই বাঁহগড়টো মেচাগড়ৰপৰা আগবঢ়াই পশ্চিমমুৱাকৈ বন্ধাইছিল কিন্তু কালুগাঁৱৰপৰা আৰু কামত আগ নেবাঢ়িল। গড়টো খঁৰা হৈ থাকিল। এই গড়টোৰে মূৰত এটা দ'লো বন্ধাইছিল আৰু সিও খঁৰা হৈ থাকিল। গতিকে এই গড়টোক খঁৰাগঁড় আৰু দ'লটোক খঁৰা দ'ল বুলি কয়। খঁৰা গড়টোৰ মূৰত দ'ম বান্ধি থকা মাটি খহাই বিচাৰিলে হয়তো সেই খঁৰা দ'লৰ ভগ্নাৱশেষ উদ্ধাৰ হ'ব পাৰে।

**বেজৰ দ'ল**

আহোম স্বৰ্গদেওসকলৰ দিনত বিহনীয়া, বিহ-তোলা, বেজ, চাং-বেজ, জৰা-বেজ, বছা বেজ, এই ছখেল বেজ আছিল। এই ছখেল বেজৰ ওপৰত এজন বেজবৰুৱা আছিল। এই বেজসকলৰ কোনো কোনো বেজে চিকিৎসা কাৰ্যত বিশেষ পাৰদৰ্শিতা দেখুৱাই কেতিয়াবা কেতিয়াবা ৰজাৰপৰা বিশেষ অনুগ্ৰহ লাভ কৰিছিল। তেনেকৈ চাং-বেজ খেলখ কোনোবা এজন বেজে কোনো এজন ৰজাৰ দিনত ৰজাৰপৰা বিশেষ অনুগ্ৰহ হিচাপে সৰহীয়া মাটিৰে খাত-পাম লাভ কৰিছিল। সেই ঠাই এতিয়া বেজৰ পথাৰ নামে জনাজাত। এই বেজৰ পথাৰতে চা-বেজৰ ঠালৰ কোনোবা এজন লোকে দ'ল সজাইছিল; ইয়াকে বেজৰ দ'ল বোলে। দ'লটো এতিয়াও অৰক্ষিত অৱস্থাত আছে।

**বৰগাঁও দেওশাল**

এইখন দেউৰীসকলৰ অতি পুৰণি দেওশাল। দিহিংমুখৰ বৰগাঁৱত অৱস্থিত। এইখন প্ৰাক্-আহোম যুগৰে দেওশাল হ'ব পাৰে। চুতীয়াসকলৰ মূল ৰীতি-নীতি আৰু বিশ্বাসৰ পৰম্পৰা ৰক্ষা কৰি পুৰণি ৰীতিমতে ইয়াত বলি-বাহন দিয়া হয়। চুতীয়াসকলৰ পুৰোহিত দেউৰীসকলেই ইয়াৰ কাম চলায়। ইয়াত পুৰণি চিন-মোকাম একো নাই।

**বৰাগৰা দেওশাল**

এইখন দেওশাল লাকুৱাৰ ওচৰত। ইয়াত আহোম বিশ্বাসমতে আৰু আহোম পূজা-

বিধি মানি ওম্-ফা পূজা কৰা হয়। আহোম পুৰোহিতৰ এই দেওশাল স্থাপন কোনো নিৰ্দিষ্ট চন-তাৰিখ পোৱা নেযায় যদিও কেইবাশ বছৰো পুৰণি বুলি জনা যায়। আহোম ৰাজত্বত এই দেওশালত বিশেষ সমাৰোহেৰে পূজা-পাতল বলি-বিধান দিয়া হৈছিল আৰু এতিয়াও এই দেওশাল জাগ্ৰত বুলি ওচৰৰ মানুহে বিশ্বাস কৰে।[১]

## মাইবেলাৰ দ'ল

মাইবেলা ঠাইডোখৰ বৰ্তমান মথুৰাপুৰ বাগিচাৰ ভিতৰত। স্বৰ্গদেও গদাধৰসিংহই এই মাইবেলাত এটা দ'ল সজাইছিল। দ'লটো শিৱদ'ল আছিল। আওহেলাত পৰি দ'লটো

---

১ বকতাৰ শ্ৰী হেম বুঢ়াগোহাঞিয়ে জনাইছে, 'ৰঙাগৰা দেওশাল' নহৈ 'আমলখি ৰঙাগৰা দেওশাল' হে হ'ব লাগে। শ্ৰী বুঢ়াগোহাঞিৰ টোকা : শিলাকুটি মৌজাৰ লাকুৱাৰ ওচৰত দিচাং নদীৰ পাৰত এই দেওশাল অৱস্থিত। স্বৰ্গদেউ চুকাফাই শদিয়াৰ কেঁচাইখাতী গোসানীক নৰবলি দি আৰাধ্যা দেবী হিচাপে আহোমৰ নীতি নিয়মেৰে দেওধাই মহন পুৰোহিতসকলৰ যোগেদি চৰাইদেউত বেদী প্ৰতিষ্ঠা কৰোৱায়। তাতেই ওম্ফাৰ (ওম = উৎসৰ্গা, ফা = আকাশৰ দেৱতা বা ইন্দ্ৰদেৱতা লেংদন) পূজা বহুত বছৰ ধৰি ৰজা ঘৰৰ ফালৰপৰা দেশৰ মঙ্গলৰ কাৰণে পালন কৰা হৈছিল। চৰাইদেউৰ ওচৰত জন-বসতি বৃদ্ধি হোৱাত আৰু অন্যান্য ৰাজকীয় কাৰণত এই দেওশালৰ স্থান পৰিবৰ্তন কৰিব লগা হয়। স্বৰ্গদেউসকলৰ আদেশানুসাৰে মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঞিয়ে দেওশালৰ স্থান পৰিবৰ্তন কৰিবৰ বাবে আলচিবলৈ ৰজা আৰু প্ৰজাৰ মুখিয়ালসকলক আমন্ত্ৰণ কৰে। আলোচনাত সকলোৱে এক মত হৈ আমলখি ৰঙাগৰাত এই দেওশালৰ বেদী প্ৰতিষ্ঠা কৰায়। ৰঙাগৰাত দেওশাল প্ৰতিষ্ঠা কৰাৰ পাছৰপৰাই সৰ্বসাধাৰণ প্ৰজাৰ উমৈহতীয়া পবিত্ৰ স্থান হিচাপে শালখনি পৰিগণিত হয়। চৰাইদেউত দেওশাল থাকোঁতে কেৱল পুৰোহিতসকল আৰু ৰাজবংশৰ লোকৰহে তাত প্ৰৱেশাধিকাৰ আছিল। পুৰন্দৰসিংহৰ দিনৰপৰাই প্ৰতি দহ বছৰৰ মূৰে মূৰে উলাহ-মালহে ওম্ফা পূজা পালন কৰা হৈ আহিছে।

পুৰোহিতসকলক সততে পোৱাৰ অসুবিধা কাৰণে আৰু বিভিন্ন অঞ্চলত জনসংখ্যা বৃদ্ধি হোৱাত এই দেওশালৰ কেইবাটিও শাখা হয়। ওম্ফাৰ বাহিৰে অন্যান্য পূজা এই দেওশাল সমূহত আয়োজন কৰা হয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই শাখাসমূহৰ ভিতৰত হাতীবৰুৱা দেওশাল আৰু বৰগাঁও দেওশাল জাগ্ৰত হৈ আছে।

বাঁহগুৰি দেওশাল — খালৈঘোগোৰা মৌজা বৰচহকী গাঁৱত।
হাতীবৰুৱা দেওশাল — খালৈঘোগোৰা মৌজাৰ আখৈয়া দেওধাই গাঁৱত।
বৰগাঁও দেওশাল — বকতা মৌজাৰ লান বকতা খাতৰ ওচৰত।
বাইলুগাঁও দেওশাল — বকতা মৌজাৰ লান বকতা খাতৰ ওচৰত।
বৰগুৰি দেওশাল — বকতা মৌজাৰ বৈৰাগীবৰত।
ৰঙাগৰা দেওশাল — নিজখালৈঘোগোৰা মৌজাৰ নিজ খালৈঘোগোৰা গাঁৱত অৱস্থিত।

আমলখি ৰঙাগৰা দেওশাল আৰু শখাসমূহৰ তথ্য আহোম পণ্ডিত শ্ৰীডম্বৰুধৰ ফুকন আৰু শ্ৰী ৰুচিনাথ বৰুৱাৰপৰা পোৱা হ'ল।

ধ্বংসপ্ৰাপ্ত হয়। কোনো কোনোৱে কয় যে দ'লটো ভূমিকম্পত ছিগি নিচেই কাষতে থকা পুখুৰীটোত এতিয়াও পৰি আছে।

**অভয়পুৰৰ দ'ল**

পুৰণি তাওকাক নগৰৰে অংশ-বিশেষত আৰু এতিয়া সংৰক্ষিত অভয়পুৰ বনাঞ্চলৰ ভিতৰত এটা দ'ল দেখা পোৱা যায়। এই দ'লটো কোনে, কেতিয়া সজাইছিল সবিশেষ পোৱা নেযায়। দ'লটো শিৱদ'ল বুলি তাৰ গঠন-প্ৰণালী চাই জানিব পৰা গৈছে।

**বশিষ্ঠৰ আশ্ৰম**

দিখৌ নৈৰ আগাৰিত একহাজাৰ শালগ্ৰাম পুতি কুশ, তুলসী, আমলখি, আঁহত ৰুই আশ্ৰম পাতিছিল বুলি বুৰঞ্জীত পোৱা যায়। বৰ্তমান চণ্টক চাহবাগিচাৰ অলপ দক্ষিণে নগাপৰ্বতৰে এটা টিলাৰ নামনিত এটা সৰু জলপ্ৰপাত আছে। তাৰ নাম হুটহুটী। এই হুটহুটী জলপ্ৰপাতৰ প্ৰাকৃতিক পৰিৱেশ বৰ মনোৰম আৰু গাম্ভীৰ্যপূৰ্ণ। গতিকে মানুহে ইয়াকেই বশিষ্ঠৰ আশ্ৰম বুলি অনুমান কৰে। মূল জলপ্ৰপাতটোৰ উপৰিও আৰু দুটা সৰু জলপ্ৰপাত আছে আৰু বহুতো মানুহে ইয়াত পৱিত্ৰতা আৰোপ কৰে আৰু চাবলৈ যায়। বশিষ্ঠই লক্ষ্মীনাৰায়ণ শালগ্ৰাম পোতা ঠাইতে পিছত কোনোবা এজন আহোম ৰজাই এটা মন্দিৰ সজাই দিছিল আৰু ইয়েই গোবিন্দ-দেৱালয়[২] নামে জনাজাত। পিছৰ যুগত হয়তো এই মন্দিৰ ভাগি-ছিগি যায় আৰু নিশ্চিহ্ন হৈ পৰে। এতিয়াও খাটাংকৈ কোন ঠাইত আশ্ৰম আৰু মন্দিৰ আছিল তাক ঠাৱৰ কৰিব নোৱাৰি কিন্তু লোকবিশ্বাস অনুযায়ী হুটহুটী জলপ্ৰপাতৰ ওচৰতেই কোনো এঠাইত আছিল বুলি ভাবিবৰ থল আছে।

**মাই দ'ল**

স্বৰ্গদেও প্ৰতাপসিংহ ৰাজপাটত বহাৰ আগতে শৈব-ধৰ্মী আছিল আৰু এটি শিৱলিঙ্গ পূজা কৰিছিল। ৰজা হোৱাৰ পিছত সেই শিৱলিঙ্গ গাৰপৰা আঁতৰাই গড়গাঁও নগৰৰ বিপৰীতে দিখৌৰ পাৰত এটি মন্দিৰ কৰাই তাতে থ'লে আৰু সময়মতে তাতে পূজা-সেৱা কৰিছিল। এই সৰু মন্দিৰটি এতিয়াও আছে। আহোম ৰাজত্বত হোৱা দ'ল-দেৱালয়ৰ ভিতৰত ইও এটি পুৰণি দ'ল। ইয়াকে বুৰঞ্জীত মহেশ্বৰ-ঘৰ বুলি উল্লেখ কৰিছে। ইয়াকে মাইদ'ল বা পূজাশিল বুলিও কয়। শিৱলিঙ্গৰ শিলচপৰাক পূজা কৰা দেখিয়েই সম্ভৱতঃ পূজাশিল বুলিছিল।

**দেওঘৰ**

শিৱসাগৰ নগৰৰপৰা তিনি মাইলমান উত্তৰে জয়ৰাপাৰত ধাইআলিৰ কাষত শিৱ-

২ ৰেড চাহাবে দিখৌ নৈৰ পাৰত মনোৰমভাৱে অৱস্থিত গোবিন্দ-দেউল গোবিন্দৰ গাঁৱত বুলি লিখিছে।

পাৰ্বতীৰ খুটীয়া শিলৰ মূৰ্তি এটি আছে আৰু ভগা-ছিগা ঘৰ এটাত মূৰ্তিটো থাপনি কৰি ৰাখিছে। ইয়াকে দেওঘৰ বোলে। প্ৰাক্-আহোম যুগত ইয়াৰ দাঁতি-কাষৰত ক'ৰবাত শাক্ত ভূঞা কি চুতীয়াসকলৰ এটি মন্দিৰ আছিল। মূৰ্তিটোৰ ভাস্কৰ্য চালে ১০ম-১১শ শতিকামানৰ যেন লাগে। ইয়াৰ ওচৰতে থকা বিলখনক দেওঘৰৰ বিল বোলে। বুৰঞ্জীত দিহিঙীয়া ৰজাৰ দিনত দেওঘৰৰ বিলৰ কথা উল্লেখ আছে। আহোমসকল অসমলৈ অহাৰ আগে আগেই বোধকৰোঁ মন্দিৰটো ভাগি পৰে। কেইবাশ বছৰো এই মন্দিৰ আৰু মূৰ্তিৰ কোনো চিন-চাব নোহোৱাকৈ থকাৰ পিছত সেই অঞ্চলৰে এজন লোক স্বপ্নাদিষ্ট হৈ মূৰ্তিটো বিলৰ বোকাৰপৰা উদ্ধাৰ কৰে আৰু ওচৰতে এটি ঘৰ সাজি থাপনা কৰে। পুৰণি দেওঘৰটো ক'ত আছিল ঠাৱৰ কৰিব নোৱাৰি। খননকাৰ্য চলালে হয়তো দেওঘৰৰ ভগ্নাৱশেষ উদ্ধাৰ হ'ব পাৰে।

### কালীবাৰী থান

শিৱসাগৰ নগৰৰ পুব অঞ্চলত এটি কালী-মন্দিৰ আছে। মানুহে ইয়াকে কালীবাৰী বোলে। কোনো এজন লোকে স্বপ্নাদিষ্ট হৈ মাটিৰ তলৰপৰা এই পুৰণিকলীয়া কালী-মূৰ্তিটি উদ্ধাৰ কৰে। কালীপূজাৰ সময়ৰ উপৰিও ইয়াত নিয়মীয়াকৈ পূজা-সেৱা চলি থাকে। মনৰ কামনা পূৰণৰ অৰ্থে ইয়াত শৰাই আৰু চাকি-বন্তি দিয়া দেখা যায়।

### টেঙাপনীয়া দেওশাল

দেউৰী চুতীয়াসকলৰ টেঙাপনীয়া নামৰ এটা ঠাল আছে। সদিয়াৰ টেঙাপানী নৈৰ পাৰত মূলতে বাস কৰিছিল বুলি এই ঠালটোক টেঙাপনীয়া দেউৰী বোলে। দিহিংমুখৰ টেঙাপনীয়া দেউৰী গাঁৱত এখন দেওশাল আছে। তাকে টেঙাপনীয়া দেওশাল বোলে। ইয়াত দেউৰী-চুতীয়া পৰম্পৰা আৰু লোক বিশ্বাস অনুযায়ী পূজা-সেৱা চলে।

### গদাধৰৰ খোজ

শিৱসাগৰৰপৰা ১৪ মাইলমান পুবে লখিমীজান বাগিচাৰ কাষত দিখৌ নৈৰ আগাৰিত এটা পৰ্বতীয়া বৰ ডাঙৰ শিল আছে। এই বৰ শিলটোত এটা বেছ শকত-আৱত মানুহৰ এটা খোজৰ সাঁচ আছে। মানুহে ইয়াগে গদাধৰসিংহৰ ভৰিৰ খোজ বুলি কয়। পুৰঞ্জীত আছে — "১৬১৭ শকৰ মাঘত ৰজাদেৱে দিখৌৰ আগাৰিৰ বৰডুবিৰ কাষৰত পছ মাৰিবলৈ গৈ বৰশিলতে উঠি বং চাইছিল।" আৰু তেতিয়াই গদাধৰসিংহৰ খোজ গাৰ ভৰতে শিলত বহিছিল বুলি মানুহে বিশ্বাস কৰে আৰু এতিয়াও বহুতে তাত পৱিত্ৰতা আৰোপ কৰে আৰু সন্মান কৰে।

লী. গ.

### মহখুটি থান

এই থান বকতা মৌজাৰ মহখুটি চাহ-বাগিচাৰ সীমাৰ নঙলামৰা মহখুটি গৰকাপুনী

আলিৰ কাষত। এই থানত চাহ বনুৱাসকলে জেঠ-আহাৰ মাহত মনসা পূজা উলহ-মালহে পালন কৰে। থানখনি ১৮৪০ চনৰ পাছত অসম চাহ কোম্পানীৰ ৰোকাং শাখা বাগিচা খোলাৰ লগে লগে সৰবৰাহ কৰা বনুৱাসকলে প্ৰতিষ্ঠা কৰা হয় বুলি বয়সিয়াল বনুৱা লোকে কয়।

**দেউৰীটিং**

টেঙাপনীয়া দেউৰী বয়োবৃদ্ধ লোকসকলৰ মতে অতীজতে দেউৰীসকলৰ এজন বৈৰাগী আছিল। বৈৰাগীজনে ঐদহে-বৈদহে ঘূৰি ফুৰি শেষত নিগাজিকৈ এটা ওখ হাফলুটিঙৰ এজোপা শিমলুগছৰ তলতে থাকিবলৈ লয়। এনেকৈ থাকোঁতে হঠাৎ এদিন তেওঁৰ লোকান্তৰ ঘটে। তেওঁৰ বংশৰ লোকসকলে শৱ-সৎকাৰ কাৰ্যাদি সেই ঠাইতে কৰে। প্ৰতি বছৰে মৃতকৰ বছৰেকীয়া শৰাধ নিজ নীতি-নিয়মে বৈৰাগীৰ বংশৰ লোকসকলে কৰি আছিল। তাৰপৰাই কালক্ৰমত দেউৰীসকলৰ পবিত্ৰ এই ঠাইৰ নাম দেউৰীটিং হ'ল বুলি ক'বৰ থল আছে। দেউৰীটিং বৰ্তমান ৰজাবাৰী চাহ বাগিচাৰ শাখা আৰু এই বাগিচা বকতা মৌজাৰ অন্তৰ্গত। দিচাঙৰ উপনদী দিঁবৈ এই ঠাইৰ কাষেদি বৈ গৈছে।

**বৰাহী চোমনি থান**

এই থান দেউৰীটিং চাহ বাগিচাৰ কাষত। থানখনি বৰাহী ৰজাৰ দিনত প্ৰতিষ্ঠিত বুলি অনুমান হয়। থানত মুগা-চুঙীয়াসকলে মুগা-সূতাৰ উৎপন্ন বৃদ্ধিৰ বাবে চোমনিৰ থল-দেৱতাক পুজা-সেৱা কৰিছিল। বৰ্তমান এই ঠাইত এজোপা প্ৰকাণ্ড জৰীগছ আৰু তাৰ তলতে এটা পুখুৰীৰ চিন পোৱা যায়। কোনো কোনোৱে কয় কেতিয়াবা ভৰ দুপৰীয়া নিজান পৰত ৰূপৰ টকাৰ জনজননি শুনিবলৈ পোৱা যায়। কেতিয়াবা বহুজন ভকত লগ হৈ হৰি-নাম গোৱা শব্দও তাৰেপৰা অহা শুনা যায়।

**কালীথান**

বকতা মৌজাৰ পতীয়া গাঁৱত। অৱসৰপ্ৰাপ্ত চাহ বনুৱাসকলে এই থানত কালীপূজা পাতে। বৰ্তমান এই নামেৰে ইয়াত এখন প্ৰাইমেৰী স্কুল বহিছে।

**হে. বু.**

## থান-সত্ৰ

**উজনিয়াল সত্ৰ**

সৰু বাৰজনীয়া এই সত্ৰ চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ কানু আতাৰপৰা বঢ়া। সত্ৰখনি বেলিমুখীয়া উজনিয়াল নামে (চাওক) জনাজাত। যোৰহাটৰ 'উজনিয়াল সত্ৰ' চাওক।

'থুকুবিল' চাওক।

**ঔগুৰি**

দিহিং-দিচাঙৰ মাজৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ শামুকজানত। খাতপাৰৰ শাখা বুলি জনা গৈছে।

**উতুললি**

নাজিৰা মৌজাত নিৰ্মলীয়া গাঁৱত। ডিব্ৰুগড়ৰ 'ঔগুৰি সত্ৰ ....' চাওক। খটিৰাৰ ৰামদেৱ ঠাকুৰৰপৰা হোৱা বাবে সত্ৰৰ আন নাম খটৰা।

**এলেঙি (ফুলবাৰী) সত্ৰ**

বকতা মৌজাৰ অভয়পুৰীয়াটিং গাঁৱত। সত্ৰৰ নামঘৰৰ সমুখত এখন ডাঙৰ ফুলনি আছিল বাবে সত্ৰখনক ফুলবাৰী এলেঙি বুলি মতা হয়।

**কাংসপাৰ (কঁহাৰপাৰ) সত্ৰ**

বৰযদুমণিদেৱৰ আজ্ঞাপৰ অনিৰুদ্ধদেৱৰ স্থাপিত কাংসপাৰ বা অৰ্বাচীনমতে কঁহাৰপাৰ সত্ৰ শলগুৰি কঁহাৰগাঁৱত। নগাঁৱৰ ৰহাৰ কাংসপাৰৰ অধিকাৰ মহন্তৰপৰা পোৱা টোকামতে নিধিবৰ ভূঞাৰ বংশৰ অনিৰুদ্ধই ভৱানীপুৰীয়া গোপাল আতাৰ কালজাৰ থানত কিছু দিন আছিল যদিও আতাৰ আজ্ঞাপৰ যদুমণিদেৱৰপৰাহে ধৰ্ম লাভ কৰে আৰু যদুমণিদেৱৰ লগত উজানলৈ যাত্ৰা কৰে। এওঁ শিলিখাতলত থাকি যদুমণিদেৱৰ বৰপুত্ৰ সনাতন ত'ৰ অধিকাৰ হোৱাৰ পিছত বাঞ্ছিতনগৰৰ প্ৰসিদ্ধ খনিকৰ বৰুৱাৰ এৰাবাৰীত কাংসপাৰ সত্ৰ পাতে; সেই ঠাইৰ এটি পুখুৰী লেটেকপুখুৰী নামে জনাজাত। অনিৰুদ্ধ নাতি দেৱধনৰ পিছত তেওঁৰ পুত্ৰ নাৰদধন সত্ৰীয়া হোৱাৰ পিছত তেওঁৰ খুড়াক বন্ধুধন, হৰিধন আৰু শুকধনৰপৰা ক্ৰমে যোৰহাটৰ ৰজাবাৰীত বৰঠাই কাংসপাৰ, ঢেকীয়াজুলিৰ মেলেঙিয়ালত মাজঠাই কাংসপাৰ আৰু শিৱসাগৰৰ গুৱালপাৰৰ গুৱালপাৰভাগ কাংসপাৰ সত্ৰ হয়। নাৰদধনৰ মূল ভাগত উজনিঠাই কাংসপাত্ৰ সত্ৰ বোলা হয়। এই ভাগ এতিয়া ৰহাত আছে। বৰঠাই কাংসপাৰ বৰ্তমান তিতাবৰত। মাজঠাই কাংসপাৰ সত্ৰ বেলেগ বেলেগ ভাগ যোৰহাট তহচিলৰ ঢেকীয়াজুলি মেলেঙিয়ালত, চৰাইবাহী মৌজাত, চাওখাত মৌজাত (অশয়বাৰী), টিয়কৰ দুইনৈমুখত, শিৱসাগৰৰ কাঁহমৰাত আৰু বেলিমুখীয়াত আছে। অলপতে দুভাগ আমগুৰিত আৰু উত্তৰ পাৰৰ নাৰায়ণপুৰত বহিছে। গুৱালপৰীয়াভাগ কাংসপাৰ এতিয়া আৰু নাই। মানৰ আক্ৰমণলৈকে কেয়োভাগ সত্ৰ ওচৰা-উচৰিকৈ আছিল। মান-ভগাত সকলো গোলাঘাটৰ ধনশিৰিৰ পাৰৰ মণ্ডলা চাপৰিত, তাৰ পিছত নগাঁৱৰ বৰজহাত, তাৰ পিছত গুৱাহাটীৰ বেলতলাত কিছু দিন বয়গৈ। পিছত সকলো উজাই ৰহাত কলং নৈৰ দাঁতিত জোঙাবলহ গড়ৰ কাষত বয়। ইয়াৰপৰা বৰঠাই আৰু মাজঠাই ভাগ তিতাবৰ

আৰু ঢেকীয়াজুলিলৈ উজাই যায়। উজনিঠাই ভাগৰ শ্যামকানুদেৱে ৰহাতে সত্ৰ পাতি ৰয়।

**কাটনী নমাটি সত্ৰ**

শিলাকুটি মৌজাত নওলামৰা ভকতগাঁৱত। কাটনীপাৰৰ (চাওক) শ্ৰীকৃষ্ণৰ পুত্ৰ সুনন্দৰ আজ্ঞাপৰ (পুত্ৰ) শ্ৰীকানায়ে এই সত্ৰ পাতে।

**কাটনীপাৰ সত্ৰ**

বেতবাৰী মৌজাৰ নওলামৰা গাঁৱত। এইখনি দিহিং থুলৰ সত্ৰ বৰযদুমণিদেৱৰ শিষ্য ৰামানন্দৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণদেৱে পাতে।

**কাথমহন্ত সত্ৰ**

বকতা মৌজাত। এই সত্ৰ দ গোহাঁই গাঁৱত আছিল; এতিয়া চিন-মোকাম নাই।

**কাৱৈমাৰি সত্ৰ**

বকতা মৌজাৰ দ গোহাঁই গাঁৱত। এইখনি সৰু বাৰজনীয়া সত্ৰ গোপীনাথদেৱৰ পৰা বঢ়া। শিলাকুটি মৌজাতো উন্নততৰ এখনি কাৱৈমাৰি সত্ৰ আছে। তেজপুৰতো এখন কাবৈমাৰি আছে।

**কোৰেখনা গজলা সত্ৰ**

বেতবাৰী মৌজাত। ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ সৰু যদুমণিদেৱৰপৰা বঢ়া এই সত্ৰ মাউত গাঁৱত।

**কোৱামৰা সত্ৰ**

বেতবাৰী মৌজাত দিচাংকোষত। নগাঁৱৰ সত্ৰসমূহৰ প্ৰসঙ্গত 'বৰদোৱা থান' চাওক। অনন্তৰাম আতাই বুঢ়ী দিহিঙৰ কোৱামৰা সুঁতিৰ পাৰত, আকৌ পিছত নামডাং নৈৰ কাষত আৰু দিবাং সুঁতিৰ পাৰত বেলেগ বেলেগ কোৱামৰা নামে সত্ৰ পাতিছিল। গদাধৰসিংহৰ দিনত কোৱামৰাৰ মূৰ্তি আদি লটিঘটি কৰি গোসাঁইঘৰত জুই দিয়া হয়। ভকতকো নানা দুৰ্গতি কৰা হয়। ৰুদ্ৰসিংহ ৰজাইহে অনন্ত আতাক পুনঃসংস্থাপন কৰে।

**খাতপাৰ সত্ৰ**

হাঁহচৰা মৌজাত এইখন শঙ্কৰগতিৰ বৰ বাৰজনীয়া সত্ৰৰ ঘাই ভাগ। কৌঁৱৰপুৰ মৌজাতো এখনি খাতপাৰ সত্ৰ আছে। শঙ্কৰগতিৰ তৃতীয় নাতি উত্তৰৰাম মূল সত্ৰৰ অধিকাৰ হোৱাত ডাঙৰ দুজনৰপৰা বৰখাতপাৰ আৰু টকৌবাৰী আৰু সৰুজনৰপৰা উলুতলি সত্ৰ হয়। ডিব্ৰুগড়ৰ 'খাতপাৰ সত্ৰ' চাওক।

**খটৱা সত্ৰ**

নাজিৰাত এই সত্ৰ। 'ঔগুৰি সত্ৰ' চাওক।

**গজলা সত্ৰ**

গধূলিবজাৰ মৌজাত নাজিৰা চহৰৰ দুমাইলমান দূৰত। জকাইচুক মৌজাত আছে দেওপানী গজলা সত্ৰ। জাঁজী চেউনীত মেঢ়িজান গজলা। 'দেওপানী', 'সৌকাজান' আৰু যোৰহাটৰ 'গজলা সত্ৰ' চাওক।

**গদাপাণি সত্ৰ**

বকতা মৌজা। এই সত্ৰ পতীয়া গাঁৱত আছিল, এতিয়া চিন-মোকামো নাই।

**চলিহা সত্ৰ**

'বাৰেঘৰ সত্ৰ' চাওক।

**চিপহা সত্ৰ**

'চুপহা সত্ৰ' চাওক।

**চুপহা সত্ৰ**

দোপদৰ মৌজাত নামতিদ'লৰ ওচৰত বেলিমুখীয়াত বগা চুপহা। কৌৱৰপুৰত ৰঙা চুপহা। আঠখেলতো এখন চুপহা আছে। দিখৌমুখতো। চুপহা বৰবাৰজনীয়া এইভাগি সত্ৰ কৃষ্ণচৰণদেৱৰপৰা বঢ়া।

**চেকেৰাতলি সত্ৰ**

বকতা মৌজাত কুকুৰাচোৱা গাঁৱত। বাৰজনীয়া ব্ৰাহ্মণ গোপীনাথৰ স্থাপিত সত্ৰ।

**চেঁচা সত্ৰ**

দিহিং থূলৰ এই সত্ৰ ম'ৰামৰাৰ (চাওক) বৰকৃষ্ণদেৱৰ পুত্ৰ জগমোহনদেৱৰ স্থাপিত হৈ চেঁচা নৈৰ পাৰত আছিল। চেঁচাৰ তিনিভাগ হয় — (১) উজনি বা বৰঠাই চেঁচা — জগমোহনৰ বৰপুত্ৰ ব্ৰহ্মানন্দৰপৰা বঢ়া শিৱসাগৰৰ জহাখাত আৰু (বা?) টিয়কত, (২) মাজঠাই চেঁচা — চতুৰ্ভুজৰপৰা হোৱা যোৰহাটৰ কৰঙাৰ চেঁচা সত্ৰ; (৩) মাজালী চেঁচা — পদ্মনাথ-ৰামগোবিন্দৰপৰা বঢ়া নগাঁৱৰ ডিমৰুগুৰি চেঁচা সত্ৰ। গেজেটিয়াৰত শিৱসাগৰৰ কৌৱৰপুৰ মৌজাৰ এখন চেঁচা সত্ৰৰ উল্লেখ আছে।

**জকাই সত্ৰ**

ম'ৰাবজাৰ মৌজাত। দিহিং থূলৰ এই সত্ৰ কাটনী নমাটি সত্ৰৰ শ্ৰীৰাম 'কানাইৰ নিজ শকতি হৃদিপুৰ' প্ৰতিষ্ঠিত।

**জৰাবাৰী সত্ৰ**

গধূলিবজাৰ মৌজাত। কান্যকুব্জৰ সাঠৰিগ্ৰামৰপৰা অহা বাসুদেৱ ভুঞাৰ (গঙ্গাজনীয়া ঠাকুৰৰ ঘৰৰ) পৌত্ৰ গোপীনাথ আতৈয়ে মধুপুৰৰ বুঢ়ীৰ-পো গোবিন্দ আতৈৰপৰা ধৰ্মমালা, মাধৱদেৱৰপৰা পদশিলা বস্তু আদি লৈ নদুলা পদ্ম আতাৰ

আনুমোদনেৰে দিহিঙৰ সমীপৰ টিপলিং নৈৰ পাৰৰ তিপামত জৰাবাৰী সত্ৰ পাতে। শিৱসিংহৰ দিনত বৰ্তমান সত্ৰ হয়।

**টকৌবাৰী সত্ৰ**

ম'ৰাবজাৰ মৌজাত। বাপুকৃষ্ণদেৱৰপৰা বঢ়া এই বৰবাৰজনীয়া সত্ৰ ফুলপানীছিগা গাঁৱত। নকাটনীতো এখনি আছে। 'খাতপাৰ সত্ৰ' চাওক।

**ঠকৰিয়াল সত্ৰ**

শলগুৰি মৌজাৰ কালুগাঁৱত। বৰ বাৰজনীয়া কমললোচনৰপৰা বঢ়া সত্ৰ।

**ঢাপলিয়াল সত্ৰ**

গেজেটিয়াৰত কোঁৱৰপুৰ মৌজাত (?)। বংশীগোপালদেৱৰ আজ্ঞাপৰ ভৱানন্দৰপৰা বঢ়া এই সত্ৰ চামদাৰত।

**ডোখৰামুখ সত্ৰ**

নগাঁৱৰ সত্ৰসমূহৰ প্ৰসঙ্গত মাধৱদেৱৰ আজ্ঞাপৰ সত্ৰসমূহ (ডোখৰামুখ) চাওক। দিখৌমুখ বা ডোখৰামুখ এতিয়াও শিৱসাগৰ মহকুমাত নাই।

**তেলপানী সত্ৰ**

নাজিৰাৰ ওচৰত। বকতা মৌজাৰ কোঁৱৰ গাঁৱত অৱস্থিত।

**থুকুবিল সত্ৰ**

মেটেকা-বনগাঁও মৌজাৰ বগীদ'লত। সৰু বাৰজনীয়া থূলৰ কানু আতাৰপৰা বঢ়া এই সত্ৰ বৰ্তমানে সোণাৰিলৈ স্থানান্তৰ কৰা হৈছে। কানু আতাই পোনতে বৰ্তমান কানুবাৰী চাহ-বাগিচাৰ ঠাইত সত্ৰ পাতিছিল সাপেখাঁতীৰ ওচৰত, পিছত মেটেকালৈ আহে। নৰাবৰী আৰু উজনিয়াল সত্ৰ ইয়াৰপৰা বঢ়া। থুকুবিলকো আগতে উজনিয়াল বুলিহে জনা হৈছিল।

**দহঘৰীয়া সত্ৰ**

নাজিৰাত। ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ নাৰায়ণৰপৰা বঢ়া সত্ৰ।

**দেওপানী সত্ৰ**

কালসংহতি সৰু যদুমণিদেৱৰপৰা বঢ়া এই সত্ৰ খনামুখত।

**দিহিং (শিলিখাতল) সত্ৰ**

দিহিং নৈৰ পাৰত শিলিখাতলত দিহিঙৰ মূল বা বৰভাগ সত্ৰ বৰযদুমণিদেৱৰ বৰপুত্ৰ সনাতনদেৱে পাতে। তেওঁ মূলাতলিতো সত্ৰ পাতিছিল। সনাতনৰ মাজু পুত্ৰ জগবন্দনদেৱৰ পুত্ৰ প্ৰেমভূষণৰ দিনত শিলিখাতলৰ নাম দিহিং সত্ৰ হয়। প্ৰেমভূষণৰ

লগত শিৱসিংহ ৰজাৰ বিশেষ আহলাদ আছিল। এওঁৰ বৰপুত্ৰ কৈৱল্যানন্দ বা চিকণ গোসাঁইৰ দিনত ৰাজেশ্বৰসিংহৰপৰা সত্ৰ ৰাজসূত্ৰ-ৰূপে স্বীকৃতি পায়। এইজনা স্বৰ্গদেৱে বচা, হামদৈ, নোগোৱা (গোলাঘাট), লখীমপুৰ আদি ঠাইত দিহিঙক বহুতো মাটি-বৃত্তি দিয়ে আৰু মেটেকাত (ৰংপুৰ চহৰ) সত্ৰ পাতি দিয়ে। বৰ্তমান দিহিঙৰ মূল সত্ৰৰ সত্ৰাধিকাৰ নোগোৱাত।[১]

**দুৰামাৰি সত্ৰ**

নাজিৰা মৌজাত নিৰ্মলীয়া গাঁৱত দামোদৰীয়া সত্ৰ। ডিব্ৰুগড়ৰ 'দুৰামাৰি সত্ৰ' চাওক।

**নমাটি সত্ৰ**

জোকতলি মৌজাত (নাজিৰাৰ ওচৰত) আৰু দোপদৰ মৌজাত নামতিদ'লত (ৰজাবাৰী নমাটি)। বৰযদুমণিদেৱৰ সৰু পুত্ৰ শ্ৰীকান্তৰপৰা বিনন্দশ্যামদেৱৰ স্থাপিত এই সত্ৰ সৰভাগ বুলি কোৱা হয়। এজনা গোসাঁয়ে ভজো অঞ্চলৰ বাঁহপৰীয়াত সত্ৰ পাতি আছে। মূল সত্ৰখনি দিহিঙৰ উপনৈ দিচামৰ পাৰত আছিল। ডিব্ৰুগড়ৰ 'দিহিং নমাটি সত্ৰ' চাওক।

**নমাটি কাটনী সত্ৰ**

'কাটনী নমাটি সত্ৰ' চাওক।

**নৰাবাৰী সত্ৰ**

জোকতলি মৌজাত জতকীয়াত। সৰু বাৰজনীয়া এই সত্ৰ কানু আতাৰ পৰা বঢ়া।

**নাহৰবাপু সত্ৰ**

শিলাকুটি মৌজাত। দক্ষিণপাটৰ লগত সম্পৰ্ক।

**পুথিপঢ়া সত্ৰ**

দোপদৰ মৌজাত। গজলাৰ আজ্ঞাপৰ এই সত্ৰ নামতিদ'লৰ ওচৰত। সাপেখাঁতীতো নতুনকৈ বহিছে।

**পুনিয়া সত্ৰ**

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ পৰশুৰামদেৱৰপৰা বঢ়া এই সত্ৰ শিলসাঁকোত।

**ফুলবাৰী এলেঙি সত্ৰ**

বকতা মৌজাত বকতা গাঁৱত। পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বাপুকৃষ্ণদেৱৰপৰা বঢ়া।

---

১ বকতাৰপৰা শ্ৰী হেম বুঢ়াগোহাঞিয়ে জনাইছে, বকতা মৌজাতো দিহিং সত্ৰ এখন আছিল। বৰ্তমান ভকত গাঁৱত গোসাঁইবাৰী নামৰ এখন ওখ ঢাপ দিয়া বাৰী আছে। বাৰীৰ কাষত বাস কৰা লোকসকলেই সত্ৰ ভকত আছিল।

**বগাজান সত্ৰ**

শলগুৰি মৌজাত।

**বগীআই সত্ৰ**

পুৰুযোত্তম ঠাকুৰৰ আজ্ঞাপৰ বাপুকৃষ্ণদেৱৰপৰা বঢ়া এই সত্ৰ ৰাঙলী ৰিজাৰ্ভত।

**বনগঞা সত্ৰ**

কোঁৱৰপুৰত বলিয়াঘাটত। সৰু বাৰজনীয়া হৰিদেৱৰপৰা বঢ়া। আউনীআটিৰে সম্পৰ্কিত সত্ৰ, গায়নগাঁৱতো এভাগ আছে।

**বৰবাম সত্ৰ**

বকতাৰ দিহিং সত্ৰৰ এক কিলোমিটাৰ মান আঁতৰত পতীয়া গাঁৱত এইখনি থান আছে। সিখনি দিহিং সত্ৰাধিকাৰসকলে প্ৰতিষ্ঠা কৰোৱা বুলি জনা যায়। বৰ্তমানো থানখনি জাগ্ৰত।

**বৰমাহৰা সত্ৰ**

মাধৱদেৱৰ আজ্ঞাপৰ আধলীয়া যদুমণিৰপৰা বঢ়া ব্ৰহ্মাসংহতিৰ এই সত্ৰ নকাটনীত।

**বাৰেঘৰ (চলিহা) সত্ৰ**

জোকতলি মৌজাত নাজিৰাৰ ওচৰত মেজেঙাত। দিহিং থূলৰ এই সত্ৰৰ এখনি থান নাহৰকটীয়াৰ ৭/৮ মাইল দূৰত মেৰবিলতো আছে। বৰ যদুমণিদেৱৰ শিষ্য ৰামানন্দদেৱৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণদেৱে বৰবাম সত্ৰ পাতে। (বিভুনাথৰ বৰজুনাত শ্ৰীকৃষ্ণদেৱে কাটনীপাৰ সত্ৰ পাতি থকা কথা ভুল।) এই সত্ৰৰে দিহিং নদীৰ পূবপাৰে ম'হমাৰি মেৰবিলৰ মাজত নামঘৰৰ ভেটি আদি আছে। কোনো লোকে অভীষ্ট সিদ্ধিৰ নিমিত্তে নামঘৰৰ ভেটিতে শলা-বন্তি জ্বলাই নাম-কীৰ্তনাদি কৰেগৈ। শ্ৰীকৃষ্ণদেৱৰ পুত্ৰ তিনিজনৰপৰা তিনিখন সত্ৰ হয়। জ্যেষ্ঠ সুদৰিশনদেৱ বাৰেঘৰ (চলিহা) সত্ৰত, মধ্যম শ্ৰীবিজয়ানন্দদেৱ বুদবাৰী সত্ৰত, কনিষ্ঠ (উদাসীন) সুনন্দদেৱ কাটনী সত্ৰত অধিকাৰ হয়। সুনন্দদেৱৰ পাছত ব্ৰহ্মাকানাই, শূদ্ৰকানাইৰ ভিতৰত কোনো এজন আচাৰ্য হয়। শ্ৰীকৃষ্ণদেৱ বৰবাম সত্ৰতে বৈকুণ্ঠগামী হয়। সুদৰিশনদেৱে কেইবাঠাইতো সত্ৰ পাতিব লগা হৈছিল — শ্ৰীৰামদেৱৰ চৰিত্ৰমতে মণিপুৰ সত্ৰ, ডিমৌ সত্ৰ, সুন্দৰিদিয়া সত্ৰ, কিন্তু এইকেইখনি সত্ৰ ক'ত ক'ত পাতিছিল আজিও নিৰ্ণয় হোৱা নাই। পুনৰ নাহৰকটীয়াৰপৰা আধা মাইল দূৰত শলগুৰি আলিৰ কাষত সত্ৰ পাতে। এয়ে বাৰেঘৰ (চলিহা) সত্ৰ। ইয়াত থকা সময়তে গদাধৰসিংহ ৰজাই দেৱীপূজা নকৰাৰ হেতুকে মহন্তসকলক ধৰাই নি নামৰূপত ভাদ্ৰ মাহৰ পূৰ্ণিমা দিনা কটোৱায়। প্ৰতিপদৰ দিনা সুদৰিশনদেৱৰ তিৰোধান হয়। সুদৰিশনদেৱৰ পুত্ৰ শ্ৰীৰামদেৱ ৰাজভয়ত পলাই ফুৰিছিল। ৰুদ্ৰসিংহই বিচাৰ কৰি আনি মহন্তসকলক নিজ নিজ সত্ৰত থাপিলে। শ্ৰীৰামদেৱক পুনৰ বৰবামসত্ৰতে থাপিছিল।

দিহিং নদীয়ে সত্ৰ মেৰাই খহোৱাত পুনৰ চলিহা চক্ৰলৈ গ'ল। তাতেই নগা খুনবাও ৰহা ৰজা নৰোত্তমে শৰণ লয় (শ্ৰীৰামদেৱ আৰু নৰোত্তম দুয়ো ১৫৮৭ শকত জন্মগ্ৰহণ কৰিছিল)। শ্ৰীৰামদেৱে মেৰবিল চেৰাই নতুন সত্ৰ পাতিলে, তাতো ভুমুকীয়া জলে সত্ৰ বুৰাই নিবলৈ ধৰিলে। ইয়াতে নাও-অহা যমুনা আৰু আইটী-আম নামে প্ৰকাণ্ড আমগছ এজুপিৰ স্থান আছে। যেতিয়া শিৱসাগৰৰ দ'লৰ কলচি খহি পৰে একেদিনাই একেসময়তে আইটী আম উঘালি মেৰবিলত পৰে। ভুমুকীয়া পানীয়ে সত্ৰ বুৰোৱাৰ চিন বৰ্তমানো আছে। প্ৰথম ওলোৱা ঠাইকে ভুমুকৰ মুখ বোলে। ইয়াত সত্ৰ থাকোঁতেই ৭। ৮ মাইল দূৰত ভাটীলৈ শলগুৰি আঘোণী বাৰীৰপৰা দুমাইল উজাই কেন্দুগুৰিত বালিসত্ৰ নামে সত্ৰ পাতে। নগাৰ নৰোত্তমে দিহিং নদীৰ সিপাৰে দেওগিৰি পাহাৰৰপৰা সত্ৰ দৰ্শন কৰিবলৈ আৰু কৰ শোধাবলৈ বছৰে বছৰে আহিবৰ নিমিত্তে টিপাম, উষাপুৰ, টেঙাখাত হৈ চয়াঙৰ আলি নামে আলি বন্ধায়। এতিয়া এই আলি ঠায়ে ঠায়ে মুকলি হৈছে, ঠায়ে ঠায়ে কিছু ওলোৱা নাই। এই সত্ৰতে শ্ৰীৰামদেৱে বৈকুণ্ঠ প্ৰয়াণ কৰে। দেওগিৰিত নৰোত্তমে পুত্ৰসকলক ৰাজ্য অৰ্পণ কৰি একে সময়তে দেহা এৰে। দেওগিৰিৰপৰা বালি সত্ৰলৈ ৩। ৪ দিনৰ বাট যদিও গুৰু-শিষ্য উভয়ৰ চিতাৰ ধুম্ৰ একত্ৰ হৈ ওপৰলৈ উঠি যায়। তাৰ হেতুকেই "গোসাঁই শ্ৰীৰাম নগা নৰোত্তম লগে বৈকুণ্ঠলৈ যায়" বোলা প্ৰবাদ বৰ্তমানো আছে। শ্ৰীৰামদেৱৰ থানৰ পশ্চিমে নৰোত্তমৰ অস্থি আনি গুৰুৰ আজ্ঞামতে থাপন কৰে। শ্ৰীৰামদেৱৰ থানত এতিয়াও শলা-বন্দি, সোণ-ৰূপৰ ফুল উছৰ্গা কৰি নাম-কীৰ্তন সেৱা-পূজাদি সকলো যাত্ৰীয়ে কৰি থাকে। ইয়াৰপৰা ১ মাইল পশ্চিমে দিহিং নদীৰ মাজত ৰঘুনাথদেৱৰ মাজালী থান। তাতো সকলো যাত্ৰীয়ে শলা-বন্দি সেৱা-পূজা নাম-কীৰ্তন কৰি থাকে। শ্ৰীৰামদেৱ মহাপুৰুষ বৈকুণ্ঠ প্ৰয়াণ কৰাৰ পাছত পানীৰ উপদ্ৰৱ হোৱাত পুনৰ চলিহা সত্ৰলৈ উঠি যায়। তাত শ্ৰীৰামদেৱৰ পুত্ৰ-নাতি শ্ৰীবিষ্ণুৰামদেৱ, পূৰ্ণকামদেৱ, আত্মাৰাম দেৱৰ থান। মায়ামৰীয়া বিদ্ৰোহৰ সময়ত তেওঁলোক তাৰপৰা ভাগি আহি শিৱসাগৰৰ নাজিৰা মাদুৰি আলিৰ কাষত কোৱামৰা (এঠাবাৰী) বাগানৰ কাষত সত্ৰ পাতে। ইয়াত শ্ৰীকৃষ্ণচন্দ্ৰদেৱৰ থান আছে। ইয়াৰপৰা যোৰহাটৰ বৰ্তমান চেউনীৰপৰা বাবায় ৰোড আলিৰ কাষত কলীয়াপানী নৈৰ সমীপত কলীয়াপানী বাৰেঘৰ সত্ৰ পাতে। তাতো বলোভদ্ৰ নামে ডেকা গোসাঁইৰ থান, নামঘৰ আছে। বৰ্তমানো সেই থান নামঘৰ পৰিচালনা কৰি ভকতো ১০। ১২ ঘৰমান আছে। তাৰপৰা নামটি মিছাজান গাঁৱৰ সমীপত সত্ৰ পাতে। তাতো এখনি থান আছে। তাৰপৰা নাজিৰাৰ মেজেঙাৰ ওচৰত বাৰেঘৰ (চলিহা) সত্ৰ বৰ্তমান আছে। এই সত্ৰ এখনহে। এই সত্ৰত পূৰ্বে আহোম ৰজাই দিয়া খাত-পামৰ তামৰ ফলি আছিল। পুৰন্দৰসিংহ ৰজাৰ দিনত ব্ৰিটিঃশে ৰাজ্য লোৱাত সেই সময়ৰ সত্ৰাধিকাৰ ব্ৰজনাথদেৱে, 'যাৰপৰা খাত-পাম মাটি-বাৰী পালো, সেই ৰজাই যেতিয়া ভাগিল আমাক এইবোৰো নেলাগে' বুলি তামৰ ফলি বিলত পেলাই দিলে। তেতয়াৰপৰা সামান্য দেৱোত্তৰৰ বাদে অন্য প্ৰকাৰে দিয়া মাটি নাই। আজি ত্ৰিশ বছৰমান হৈছে, মোহেশচন্দ্ৰদেৱ সত্ৰাধিকাৰৰ দিনত ৩২০ একৰমান মাটি

সত্ৰৰ নামত গ্ৰাণ্ট স্বৰূপে চাঁচনি মেৰবিলৰ পূৰ্বৰ সত্ৰতে দিছে। তাত ডেকা এজন আৰু ভকত ৩০। ৪০ ঘৰমান থান, সত্ৰ পৰিচালনা কৰি খেতি আদি কৰি আছে।*

**বিহিমপুৰ সত্ৰ**

সৰু বাৰজনীয়া গোবিন্দৰপৰা বঢ়া এই সত্ৰ ৰাঙলী ৰিজাৰ্ভত।

**বুদবাৰী সত্ৰ**

নাজিৰা মৌজাত মেজেঙাত বুদবাৰী গাঁৱত দিহিং থূলৰ এই সত্ৰ কাটনীপাৰৰ শ্ৰীকৃষ্ণৰ পুত্ৰ বিজয়ানন্দৰপৰা বাঢ়ে।

**বেঙেনাআটি সত্ৰ**

বৰবাৰজনীয়া মুৰাৰিদেৱৰপৰা বঢ়া এইখনি সত্ৰৰ এভাগ সৰু বেঙেনাআটি আমগুৰিত আছে।

**ম'ৰামৰা সত্ৰ**

হাঁহচৰা মৌজাত। পুৰণি গড়গাঁও নগৰৰ ওচৰৰ হাৰীপৰা আলিৰ কাষৰৰ নগাগাঁৱৰ মাজত। দিহিং থূলৰ এই সত্ৰ বৰযদুমণিদেৱৰ শিষ্য ৰামানন্দৰ আজ্ঞাপৰ বৰকৃষ্ণই পাতে দিহিং নৈৰ মাজৰ এটা দ্বীপত। পিছত সত্ৰ বৰ্তমান ঠাইলৈ আহে। নগা, মিৰি আদি জনজাতীয় শিষ্য এই সত্ৰৰ এটি বিশেষত্ব।

**মাহৰা সত্ৰ**

কোঁৱৰপুৰ মৌজা আৰু নাজিৰা মৌজাত দুখনি মাহৰা সত্ৰ আছে। নাহৰকটীয়াপৰা বাৰ মাইলমান দূৰত চাঁচনিতো এখনি আছে। নাজিৰাৰ সোন্দৰ পুখুৰীৰ মাহৰা সত্ৰখনি গোমোঠা মাহৰা বোলে; বৰবাৰজনীয়া ৰামকৃষ্ণদেৱৰপৰা বঢ়া।

**মিছাকুৰিয়া সত্ৰ**

বকতা মৌজাত।

**মিছামাৰি সত্ৰ**

বকতা মৌজাৰ ডিমৌগুৰীয়া গাঁৱত অবস্থিত।

**ৰতনপুৰ সত্ৰ**

দোপদৰ মৌজাত। পুৰুষোত্তম আজ্ঞাপৰ পৰমানন্দদেৱে ভাগৱতীয়ে এক ৰতনপুৰ সত্ৰ মাজুলীত পাতে। তাৰ পাছত অভয়পুৰ মানভগনত সেই সত্ৰ আহি শলগুৰি মৌজাৰ শালকাঠনি গাঁও (নামতি-আলিৰ কাষ) পায়।

---

* এই টোকা বাৰেঘৰ (চলিহা) সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীগোপালকৃষ্ণ দেৱ অধিকাৰ গোস্বামীৰ পত্ৰৰপৰা যুগুত কৰা হৈছে।

**লেংদী সত্ৰ**

উত্তৰ লখীমপুৰ চাওক। সাপেখাঁতীৰ ওচৰত আদিতে এই সত্ৰ। বৰযদুমণিদেৱৰ সৰু পুত্ৰ শ্ৰীকান্তই লুইত আৰু টুনি নৈৰ মাজত পোনতে ই সত্ৰ পাতে, তাৰপৰা উঠাই মুলাতলিলৈ আহে। ইয়াত থকাতে ৰাজআদেশত শ্ৰীকান্ত আৰু আন ঠাকুৰীয়া মহন্তসকলক নামৰূপৰ হাবিলৈ নিৰ্বাসন দিয়া হয়।

**শলগুৰি সত্ৰ**

শলগুৰি মৌজাৰ কালুগাঁৱত। কনকলতা আইৰ বংশৰ সত্ৰ। অনন্তৰাম আতাই দিহিঙৰ চাপৰিত সত্ৰ পাতি মধুপুৰ নাম দিছিল; পিছত সেই সত্ৰৰে নাম শলগুৰি হয়।

**শালকুছি সত্ৰ**

বেতবাৰী আৰু কোঁৱৰপুৰ মৌজাত দুখনি এই নামৰ সত্ৰ আছে। বৰবাৰজনীয়া হৰিচৰণদেৱৰপৰা বঢ়া। এঘৰ বঙালীলৈ আৰু বামুণী বিললৈ এঘৰ উঠি গৈছে।

**শিলিখাতল সত্ৰ**

'দিহিং সত্ৰ' চাওক।

**সৰু বেঙেনাআটি সত্ৰ**

দোপদৰ মৌজাত আমগুৰিত (ওপৰ চাওক)। যোৰহাটৰ বেঙেনাআটি চাওক।

**সাউদকুছি সত্ৰ**

পুৰুষ-সংহতিৰ এইখনি সত্ৰ পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ হৰিচৰণদেৱৰপৰা বঢ়া, বাকচকোচকটকী গাঁৱত, আৰু এভাগ কোঁৱৰপুৰত।

**সোণাৰি চাৰিগাঁও সত্ৰ**

বেতবাৰী মৌজাত।

**সৌকাজান সত্ৰ**

জোকতলি মৌজাত মঠিয়াছিগাত গোপালদেৱ ভৱানীপুৰীয়া আতাৰ আজ্ঞাপৰ সৰু যদুমণিৰপৰা বঢ়া এই সত্ৰ। বুৰঞ্জীত 'সকাজান' বুলি উল্লিখিত হৈছে।[1] এতিয়া জনা গৈছে এই সত্ৰৰ নাজিৰাৰপৰা আঢ়ৈ মাইল পশ্চিমলৈ।

---

১ শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ (যোৰহাট), শ্ৰীতোলনচন্দ্ৰ মহন্ত (শিৱসাগৰ), শ্ৰীদেৱকান্ত মহন্ত (মদাৰগুৰি, গোলাঘাট) আদিৰপৰা সাহায্য পোৱা হৈছে। তাৰ উপৰি বি. চি. এলেনৰ *Assam District Gezetters*, Vol. VII : Sibsagar (1950) পুথিৰ সত্ৰৰ তালিকাৰো সহায় গ্ৰহণ কৰা হৈছে। গেজেটিয়াৰত মৌজাবিলাকৰ যি নাম আছে তাকে অনেক ক্ষেত্ৰত দিয়া হৈছে, গতিকে বৰ্তমান সময়ৰ ব্যৱস্থা অনুসৰি সেই সেই সত্ৰৰ মৌজাৰ অৱস্থিতিৰ কিছু পৃথক হ'বও পাৰে। দ্বিতীয় সংস্কৰণত নেমুগুৰি শ্ৰীহেম বুঢ়াগোহাঁইয়ে জনোৱাত ককতা মৌজাৰ সত্ৰ কেইখনিৰ অৱস্থিতি নিৰূপণ কৰা হৈছে।

**শঙ্কৰ-মন্দিৰ**

শিৱসাগৰত যোৱা ডেৰকুৰি বছৰমানৰ উদ্যোগত এতিয়া চহৰত এটি ভাল মন্দিৰ হৈছে নামঘৰ-সভাৰে সৈতে।

ম.নে.

**নিত্যানন্দ গোসাঁইৰ থান**

স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনত খুটিয়াপোতাৰ মোৱামৰীয়া মহন্ত নিত্যানন্দদেৱে ৰাজৰোষত পৰি মৃত্যুদণ্ড ভোগ কৰিবলগীয়া হয়। কিন্তু গোসাঁয়ে ৰজাৰপৰা মৃত্যুদণ্ডৰ আগতে দিখৌত গা ধুই আহিবলৈ আজ্ঞা বিচাৰে। সেইমতে তেওঁ দিখৌত গা ধুবলৈ নামি গৈ আৰু উঠি নাহিল। তেওঁৰ শৱটো কেইজনমান শিষ্যই শিৱসাগৰ নগৰৰ ভাটীত থকা দিখৌৰ মতাইমৰা ডুবিত পাই নি কাথপাৰত লুকুৱাই থ'লেগৈ। ৰাজদণ্ডৰ আদেশ পোৱা নিত্যানন্দ গোসাঁইৰ শটো দেশাচাৰকৈ সৎকাৰ কৰিব নোৱাৰি এটা ভঁৰালত সুমুৱাই "ভঁৰালত জুই লাগিলে" বুলি জুই দি সৎকাৰ কৰে। তেতিয়াৰপৰাই কাথপাৰৰ এই ঠাইডোখৰক নিত্যানন্দ গোসাঁইৰ থান বুলি কয়।[1]

## বৌদ্ধ বিহাৰ-ৰাপুচাং

চলাপথাৰ আৰু দিচাংপানীত দুটি সু-স্থাপিত বৌদ্ধবিহাৰ আছে। সাপেখাঁতীৰ ওচৰত নতুনকৈ ৰহণ-পথাৰ শ্যামগাঁৱতো এটি বৌদ্ধ বিহাৰ স্থাপন কৰা হৈছে। উনৈশ

---

১ মায়ামৰীয়া নিত্যানন্দ গোসাঁইৰ মৃত্যুৰ ঘটনা সম্পৰ্কে অলপ মতভেদ থকা দেখা যায়। 'মায়ামৰা সত্ৰৰ গোসাঁইসকলৰ বংশাৱলী'মতে চুৰম্‌ফা ৰজাই (১৫৭১-৭৪ শক) বেজদলৈৰ ঘৰৰ ভাণ্ডাৰী বৰুৱাৰ লগনীয়া কথাত চতুৰ্থ মায়ামৰীয়া গোসাঁই নিত্যানন্দদেৱক চাওডাং বৰুৱাৰ হতুৱাই কুঁজীবালিত বধ কৰায়। মণিৰাম দেৱানৰ মতে ১৬২৩ শকত গদাধৰসিংহৰ বছৰেকীয়া শ্ৰাদ্ধৰ দিনত ৰুদ্ৰসিংহই সকলো মহন্তক চপাই হৰি-সেৱা কৰা সময়তহে নিত্যানন্দক বধ কৰা হয়। নিত্যানন্দ মায়ামৰা সত্ৰৰ অধিকাৰ আছিল ১৫৬৬-ৰপৰা ১৫৭২ শকলৈকে। গতিকে ভগা ৰজাৰ দিনতে তেওঁক হত্যা কৰোৱাটো সত্য হয়। (আমাৰ "শ্ৰীশঙ্কৰদেৱ" ৩য় তাঙৰণ, ২০৮-০৯ পিঠি।) এই হিচাপেৰে শ্ৰী লীলা গগৈয়ে প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনত ঘটনাটো হোৱা বোলাটো কথা নিমিলে। কি ভাৱে নিত্যানন্দৰ মৃত্যু হ'ল বংশাৱলীত বৰ স্পষ্ট নহয়; কিন্তু চাওডাং বৰুৱাই কুঁজীবালিত গোসাঁইক পোৱাৰ পিছত তেওঁৰ বৈকুণ্ঠ-প্ৰয়াণ হয় বুলি কোৱা হৈছে। তাৰ পিছত কাথপৰাৰ কাথসকলে শটি নি দাহ কৰে। দেৱানৰ বুৰঞ্জীত আছে, ক'লাৰ চাওডাঙে ঘোঁৰা চিপাহী বাৰুৱতী সাত শ লৈ কুঁজীবালিত মহাজনক লগ পাই খাটোলাৰ ওপৰতে অস্ত্ৰাঘাত কৰি ছেদন কৰি খাটোলাই সৈতে দিখৌ পেলালে। খাটনিয়াৰ ৩, আলধৰা ৪, তামুলী ২কো কাটিলে। এক বুঢ়ীয়ে শটি পাই পুতেকেৰে লাগি কাথপাৰত পুতি থয়গৈ, গোসাঁইৰ ভকত-শিষ্যই তিনি দিন বিচাৰি বিচাৰি বুঢ়ীৰপৰা সম্ভেদ পাই শৱটিৰ কাঠসংস্কাৰ কৰে। ম.নে.

শতিকাত খাম্‌জতিৰপৰা অহা বৌদ্ধধৰ্মী নৰাসকল পোনতে খৰিকটীয়াৰ ওচৰত বাস কৰিছিল। তাৰপৰা এটা ঠাল উঠি গৈ লাকুৱাৰ ওচৰৰ চলাপথাৰত বহেগৈ আৰু তাত এটি বৌদ্ধ বিহাৰ স্থাপন কৰেগৈ। চলাপথাৰত লোকসংখ্যা ঘন হ'লত তাৰে এটা ভাল গৈ দিচাংপানীত বহেগৈ। তাতো এটা বৌদ্ধ বিহাৰ স্থাপন কৰে। বিহাৰত এজন অৰ্হতাসম্পন্ন ভিক্ষু আৰু কেইবাজনো শ্ৰমণ থাকে। বুদ্ধৰ মূৰ্তি নিতৌ নিয়মীয়াকৈ পূজা কৰা হয়। বৌদ্ধ বিহাৰৰ ভিতৰত দিচাংপানীৰ বিহাৰটোৱেই চকুত লগা। আজিকালি শিৱসাগৰৰ পুখুৰীৰ পাৰতো পূব পিনে নতুনকৈ এটি বৌদ্ধ বিহাৰ পতা হৈছে।

## গীৰ্জা

১৮৪৩ চনত অসমীয়া ভাষাক দাঙি ধৰোঁতা ডক্টৰ নেথান ব্ৰাউন শিৱসাগৰ পায়হি। তেওঁ শিৱসাগৰ পুখুৰীৰ পাৰতে শিবিৰ পাতি আছিল। তেওঁ আহি পোৱাৰ এবছৰ কি দুবছৰ পিছতেই শিৱসাগৰ পুখুৰীৰ পূব পাৰত আৰু বৰ্তমান বৌদ্ধ বিহাৰৰ ওচৰতে এটা গীৰ্জা সাজিছিল। উক্ত গীৰ্জা প্ৰায় এশ বছৰ সেই ঠাইতে আছিল। এতিয়া কেন্দ্ৰীয় বেপ্টিষ্ট গীৰ্জা নাম দি দক্ষিণ-পূব চুকত পকীকৈ সজা হৈছে।

লী.গ.

## দৰগাহ

সোতৰ শতিকাৰ আগভাগতে চাৰিজনা পীৰ বা আউলীয়া অসমলৈ (শিৱসাগৰলৈ) অহা কথা আগৰ বুঢ়াসকলৰ মুখত শুনিবলৈ পোৱা গৈছিল। হজৰত আজান পীৰৰ জিকিৰতো চাৰিজনা পীৰৰ উল্লেখ আছে। গেইট্‌ চাহেবৰ বুৰঞ্জীয়েও ইয়াৰ অলপ আভালস দিয়ে। এই কেইগৰাকী পীৰৰ নাম ক্ৰমান্বয়ে হজৰত খোন্দকাৰ পীৰ ওৰফে চৈয়দ গনী, হজৰত আজান পীৰ ওৰফে শ্বাহ মিলন, নবী পীৰ বা চালেহ পীৰ আৰু বান্দৰ পীৰ বা চবাল পীৰ।

হজৰত খোন্দকাৰ পীৰ ওৰফে আব্দুল গনী চুণপোৰা হাবিৰপৰা ভটীয়াই আহি শিৱসাগৰ চহৰৰপৰা চাৰি-পাঁচ মাইলমান দূৰৰ দিলিহ নৈৰ পাৰত বাহৰ কৰি থাকিল। বান্দৰ পীৰ চাহাব ওৰফে চবাল পীৰ ক'লৈ গ'ল বা ক'ত বাহৰ পাতি থাকিল, তাৰ কোনো সঠিক খবৰ আমি নেপাওঁ। কোনো কোনোৱে তেখেতৰ মাজাৰ বা সমাধিস্থল চৰাইদেউ পাহাৰৰ সিপাৰে তিৰু পথাৰত আৰু কোনো কোনোৱে দিচাং নৈৰ সিপাৰে দিচাং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ চাপৰি বিশেষত থকা বুলি অনুমান কৰে।

গতিকে হজৰত আজান পীৰ আৰু খোন্দকাৰ পীৰৰ দৰগাহৰ বাহিৰে বাকী দুখন দৰগাহৰ কথা অনুমানৰ ওপৰত ভিত্তি কৰি কোৱাৰ বাহিৰে সঠিক বৰ্ণনা দিব পৰা নেযায় বৰ্তমান ক্ষেত্ৰত।

**খোন্দকাৰ পীৰ বা আব্দুল গনী চাহাবৰ দৰগাহ**

খোন্দকাৰ পীৰৰ দৰগাহ শিৱসাগৰ চহৰৰপৰা চাৰি-পাঁচ মাইল দূৰৈত দিলিহি নৈৰ কাণত থকা বুলি প্ৰমাণ পাই আজি বহুত বছৰৰপৰা শই শই মুছলমান তালৈ গৈ তাত জিয়াৰত কৰি আছে। এই দৰগাহৰ আশে-পাশে প্ৰায় ২০ বিঘামান জমি আজিও দৰগাহৰ খাদিমসকলে নিষ্কৰভাৱে খাই আছে। তিনি বিঘামান মাটিতহে আচল দৰগাহৰ মাজাৰ বা সমাধিস্থল। এই তিনি বিঘা মাটি এটা চাৰি ঢাপ থকা ওখ চাপৰি। চাৰিও ঢাপত বাঁহ, ঔগছ আৰু আন আন গছ আছে। চাপৰিটিৰ মাজতে দক্ষিণ ফাললৈ পীৰৰ মাজাৰ, তাৰ ওচৰত এটি মছজিদ আৰু মছজিদৰপৰা দহ-বাৰ হাতমান দূৰতে এটা পুখুৰী আছে। চাপৰিটোৰ পূব ফাললৈ দুটা ঘৰ আছে। তাৰে এটাত ৰন্ধা-বঢ়া আৰু খোৱা-বোৱা কৰে। আনটো জিৰণি ঘৰ। আগতে এই ঠাইলৈ যাবলৈ কোনো আলি-পদূলি নাছিল। আগৰ দিনত কুৰি-পঁচিশ জন মানুহ গোট খাই হাতত দা-জাঠি লৈ ইকৰাণি হাবিৰ মাজে আৰু লগত খোৱা বস্তু লৈ যোৱাৰ কথা আমি বোপাই-মুখে শুনিছিলো। আজি কিছুমান দিনৰ আগতে ৰাইজে সন্মিলিতভাৱে দিচাং-মুখলৈ যোৱা বাটৰপৰা দৰগাহলৈ এটা গাঁৱলীয়া বাট উলিয়ায় আৰু তাকে ৰাইজৰ অনুৰোধত শিৱসাগৰ লোকেল বোৰ্ডে কিছু টকা সহায় দি আহল-বহল কৰি দলং আদি দি দৰগাহলৈ যান-বাহন যাব পৰা বাট কৰি দিয়ে।

কথিত আছে হজৰত খোন্দকাৰ পীৰ ইকৰা-পাতে কাটি চহিদ হৈ ইন্তকাল হয়। তেখেতে বিয়া-বাৰু কৰোৱা নাছিল। তেওঁৰ এজন পোষ্য পুত্ৰ আছিল। এই পোষ্য পুত্ৰলৈ হজৰত আজান পীৰৰ একেটি ছোৱালী বিয়া কৰায়। তেওঁৰ বংশধৰসকলে নিজকে চৈয়দ বুলি পৰিচয় দিয়ে। সিসকলৰ বংশক কোমলদৈয়া বংশ বুলি কয়। খোন্দকাৰ পীৰ ইন্তকাল হোৱাত তেওঁক কোনেও কবৰ দিয়া নাছিল। তেওঁ বহি থকা অবস্থাতে ইন্তকাল হয় আৰু তাতে উঁয়ে মাটি তুলি এটা ওখ কবৰৰ নিচিনা কৰি থয়। কিছুমান দিনৰ মূৰত কোনো মানুহ তালৈ গৈ দেখে যে পীৰৰ চকু দুটা আৰু মূৰৰ চুলিৰ বাহিৰে গোটেই গাত উঁয়ে মাটি তুলি থৈছে। তাকে দেখি সেই মানুহ কেইজনে মাটি চপাই দি এটা কবৰৰ নিচিনা কৰি দিয়ে। এই দৰগাহত আজিও উঁয়ে মাটি তুলি থাকে। এই দৰগাহৰ মাহাত্ম্য থকা কথা বহুতে বহুত ৰকমে প্ৰমাণ পাইছে আৰু জিয়াৰত কৰি বহুতে বহুত ৰকমে উপকৃত হৈছে।

শিৱসাগৰৰ ধাইআলিৰ কিছুমান মানুহে উক্ত দৰগাহত জিয়াৰত কৰিবলৈ গৈ দেখে যে পুখুৰীত পানী নাই। সকলো মানুহ বৰ বিপাঙত পৰিল। তাৰে এজন মানুহে খোদাৰ নাম লৈ পুখুৰীত নামি পুখুৰীৰ তলিৰ বন-বাত গুচাই তাত অলপ পানী পালে। বাটি এটাৰে পানী তুলি মাটিৰ কলহত ভৰাই লৈ অজু কৰা আৰু খোৱা-বোৱা সকলো কাম সমাধা কৰিলে। পুখুৰী চাফা কৰোঁতে তাত এটা বদানা আৰু এযোৰ খৰম পাই তাক ধাই আলিৰ মানুহে আনি ধাই আলি মছজিদত ৰাখিলে। ইয়াৰ অব্যৱহিত পাছতে গাঁৱত

কলেৰা লাগি বহুত মানুহ হানি হ'ল। সেই গাঁৱৰে পীৰৰ এজন ভক্তই ৰাতি সপোনত দেখিলে যে পীৰে অজু কৰা বদানা আৰু খৰমযোৰ আনি ৰাইজে ৰাইজে ৰাখিছে, খৰমযোৰ আৰু বদানা ঘূৰাই নিদিলে গাঁও উছন হ'ব। ৰাতিপুৱা এই কথা তেওঁ ৰাইজক জনোৱাত ৰাইজৰ দুজনে উক্ত বস্তু দুটা আগৰ ঠাইত নি থোৱাত গাঁৱৰ কলেৰা শাম কাটিলে। এনে বহুত বিস্ময়জনক কাহিনী আৰু উক্ত দৰগাহৰ মাহাত্মাৰ নানা প্ৰমাণৰ কথা আগৰ বুঢ়াসকলৰ মুখে মুখে শুনা যায়। এই দৰগাহ আজিও শিৱসাগৰীয়া ৰাইজৰ অতি আদৰৰ আৰু সন্মানৰ পীঠস্থান। কিন্তু ইয়াৰ অৱস্থা শোকলগা।

**শ্বাহ মিলন বা আজান পীৰৰ দৰগাহ**

শ্বাহ মিলন বা হজৰত আজান পীৰৰ দৰগাহ সৰাগুৰি চাপৰিত। সৰাগুৰি চাপৰিটো শিৱসাগৰ চহৰৰপৰা বাৰ-তেৰ মাইলমান দূৰৈত দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সঙ্গম-থলীৰ ওচৰতে। এই চাপৰিটো উক্ত নৈ দুখনে তিনিফালে বেঢ়ি আছে। মাত্ৰ পূবৰ ফালটো খোলা ময়দান। সেইফালে চাপৰিটোৰপৰা প্ৰায় পোৱা মাইলমান দূৰতে এখন কৈৱৰ্ত গাঁও আৰু কেইঘৰমান কুমাৰ আছে। ৰজাই সজাই দিয়া মঠটোৰ চৌহদত প্ৰায় ত্ৰিশ বিঘামান মাটি আছে। বাহিৰৰ গড়টোৰ ভিতৰত আৰু এটা সৰু গড় আছে যাক আমি ভিতৰ গড় বুলিব পাৰোঁ। ভিতৰ গড়টোত তিনি বিঘামান মাটি আছে আৰু ই বাহিৰ গড়ৰ মাটিতকৈ প্ৰায় ডেৰহাতমান ওখ হ'ব। ভিতৰ গড়টোৰ সোঁমাজতে মছজিদৰ ভেটি এটি আছে; তাৰ আগলৈ এটি কবৰ আৰু পিছলৈ এটি পুখুৰী আছে। মছজিদৰ ভেটিৰপৰা প্ৰায় এশ হাতমান দূৰত এটা কবৰ আছে; এই কবৰটি আগৰ কবৰটিতকৈ আহল-বহল আৰু ওখ। এইটিয়েই হজৰত আজান পীৰৰ কবৰ বুলি ৰাইজৰ ধাৰণা। এই কবৰটিৰপৰা প্ৰায় ৫০ হাতমান দূৰৈত ভিতৰ গড়ৰ বাহিৰে এজোপা ঔগছ আছে। তাৰ তলত এটা ডাঙৰ পুখুৰী আছিল; বৰ্তমান পোত গৈছে। ভিতৰ আৰু বাহিৰ গড়ৰ মাজৰ মাটিখিনি ৰূপিত। ওচৰৰ মানুহে তাত শালিখেতি কৰে। ৰজাই বন্ধাই দিয়া মঠটি মাটিৰ; ই বহলে আঠ হাতমান আৰু ওখই চাৰি হাতমান হ'ব। গড়টোৰ ওপৰত স'ৰাগছ থকা বাবেই বোধকৰোঁ ইয়াৰ নাম সৰাগুৰি চাপৰি। এই দৰগাহলৈ বাৰিষা যোৱা বৰ টান; চাৰিওফালে পানীৰে ভৰি থাকে। গৌৰীসাগৰৰপৰা দিখৌ মুখলৈ যোৱা বাটৰপৰা দৰগাহলৈ প্ৰায় তিনি মাইলমান হ'ব। এই বাটছোৱা কোনো যান-বাহন যোৱা দূৰৰ কথা খোজ কাঢ়ি যাবলৈও কোনো বাট-পথ নাই। খৰালি পুহমহীয়া ধান দোৱাৰ পাছত সৰু গাঁৱলীয়া আৰু পথৰুৱা বাটেদি যাব পৰা যায়। সৰাগুৰি চাপৰিটো ওচৰৰ মানুহৰ পট্টাভুক্ত। আন কি, ভিতৰ গড়ৰ মাটিখিনিও ওচৰৰ মানুহ কেইজনমানৰ পট্টাভুক্ত আছিল। আজি ১০ বছৰানৰ আগতে ইয়াত পীৰৰ দৰগাহ আছে বুলি জানি সেই মানুহকেইজনে মাটিডোখৰ অলপ মূল্যতে মুছলমান ৰাইজক বিক্ৰী কৰি নামজাৰি কৰি ল'বলৈ দিছে। দৰগাহ ৰাইজৰ তত্বাৱধানত চলি আছে।

এই স'ৰাগুৰি চাপৰিয়ে হজৰত আজান পীৰৰ দৰগাহ, খানকাহ বা আশ্ৰম। ৰজাই চকু কঢ়োৱাৰ পাছত হজৰত আজীন পীৰ ছকুৰি ভকতেৰে এই খানকাহতে আছিল। কথিত আছে, হজৰত আজান পীৰে আঠকুৰি জিকিৰ ৰচনা কৰিছিল। তাৰআধামান জিকিৰ লেখকে উদ্ধাৰ কৰি "হজৰত আজান পীৰ" নামৰ কিতাপত তেখেতৰ চমু জীৱনীৰে দুই খণ্ডকৈ ছপা কৰি ৰাইজলৈ আগবঢ়াইছে।[১] হজৰত আজান পীৰৰ তিনিজন ল'ৰা আছিল। এই তিনিওজনৰ বংশ শিৱসাগৰ, লখীমপুৰ আৰু নগাঁও জিলাত আছে। প্ৰথমজনৰ বংশক স'ৰাগুৰীয়া বা জাজৰিয়াল; দ্বিতীয়জনৰ বংশক চাপৰিয়াল বা কপহিয়াল বংশ বোলে। তৃতীয়জনৰ বংশক হেংধৰা বা হোলোঙ্গাপৰীয়া বোলে।

**নবী পীৰ বা চালেহ পীৰ দৰগাহ**

নবী পীৰ চৰাইদেউ পৰ্বতৰ সিপাৰে তিৰু পথাৰত বাহৰ কৰি থকা আগৰ বুঢ়াসকলৰ মুখে শুনিছো। হজৰত নবী পীৰৰ বংশক নবী-ঘৰীয়া বোলে। নাজিৰা আৰু নমাটিত তেখেতৰ বংশধৰসকল এতিয়াও আছে। নাজিৰাৰ ওচৰ-চুবুৰীয়া ৰাইজ আৰু তেখেতৰ বংশধৰসকলে নবী পীৰৰ গড়গাঁও কাৰেঙৰ ওচৰৰ শিমলুগুৰি ষ্টেশ্যনৰ ওচৰতে আছে বুলি ধাৰণা কৰি আজি কিছু দিনৰপৰা তাত কবৰ জিয়ামত কৰি আছে। এই দৰগাহৰ বিষয়ে সাম্প্ৰতিকলৈকে কোনো সঠিক প্ৰমাণ পোৱা হোৱা নাই।

**বান্দৰ পীৰ বা চাৱাল পীৰৰ দৰগাহ**

এইজনা পীৰৰ বিষয়ে কোনো কথা বিতংকৈ জনা নেযায়। তেওঁৰ কোনো বংশধৰ শিৱসাগৰত থকাও আমি নেজানো। মাত্ৰ আগৰ বুঢ়াসকলৰ মুখে ইয়াকে শুনা যায় যে বান্দৰ পীৰে সদায় হাবিয়ে-বননিয়ে মানুহৰ কোলাহলৰপৰা আঁতৰি ফুৰিছিল। তেওঁৰ নিৰ্দিষ্ট কোনো বাহৰ নাছিল। আজি এঠাইত, কাইলৈ আন ঠাইত, তাৰ পাছত আকৌ আন এঠাইত থকা বাবেই ৰাইজে তেওঁক বান্দৰ পীৰ নাম দিয়ে। আজি দুবছৰমানৰ আগৰ এটা কথা মোক ৰিৰিয়া গাঁৱৰ এজন মানুহে কোৱা মনত পৰি ইয়াতে লেখি দিলে। ৰিৰিয়া গাঁও দিচাং নৈৰ দাঁতিত। উক্ত গাঁৱৰ এজন মানুহে এৰাতি সপোনত বান্দৰ পীৰক দেখে; পীৰে তেওঁক কয়, "মই তহঁতৰ ওচৰতে আছো; বিচাৰি গ'লেই পাবি।" এই কথা ৰাইজক জনালত ৰাইজে দুজনমান মানুহ দিচাং পাৰ হৈ হাবিত চাবলৈ পঠিয়ায়। তেওঁলোকে সেই হাবিত এটা পুখুৰী আৰু তাৰ দাঁতিত এটা কবৰৰ নিচিনা ওখ ঠাই পাই ৰাইজক জনায়। সেই দিনৰপৰা আজি দুবছৰে ৰিৰিয়া গাঁৱৰ ৰাইজে তাত জিয়াৰত কৰিছে। ইয়াৰ অনুসন্ধান আৱশ্যকীয়।

**মু. হ.**

---

১ গুৱাহাটী বিশ্ববিদ্যালয়ৰপৰা চৈয়দ আব্দুল মালিক সংগৃহীত-সম্পাদিত "অসমীয়া জিকিৰ আৰু জাৰী" প্ৰকাশিত হৈছে। ম.নে.

# যোৰহাট

## হাতীগড়ৰ শিৱদ'ল

এই দেৱালয়খন যোৰহাট নগৰৰ পূবে প্ৰায় পাঁচ মাইল দূৰৈত ট্ৰাঙ্কৰোডৰ দাঁতিত। ট্ৰাঙ্কৰোডৰপৰা প্ৰায় পোৱা মাইলমান দক্ষিণে সোমাই দেৱালয়খন আছে। গৌৰীনাথ সিংহৰ দিনত, মোৱামৰীয়া বিদ্ৰোহ তলে তলে চলি থাকোঁতেই ঘনশ্যাম বুঢ়াগোহাঁইৰ পৰলোক হয়। তেতিয়া তেওঁৰ পুতেক পূৰ্ণানন্দ বুঢ়াগোহাঁই হয়। ৰজাৰ ইচ্ছামতে পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে হাতীগড়ত শিৱদ'ল এটি প্ৰতিষ্ঠা কৰিবলৈ পকা ভেটিৰ কাম আৰম্ভ কৰে। সেই দেৱালয়ৰ বাবে লেছৰৰ শৰ্মাক ঠাকুৰ আৰু এঘৰ শূদ্ৰ মানুহক পৰিচাৰক নিয়োগ কৰে। তেতিয়াই দেৱালয়ৰ নাম ন পুৰা মাটি বুঢ়াগোহাঁয়ে দান কৰিছিল। সেই মাটি এতিয়াও ঠাকুৰসকলে দেৱালয়ৰ নাম ভোগ কৰি আছে। এই দেৱালয়ৰ ভেটি স্থাপন ১৭৮৬-৮৭ চনত। লগতে এটি পুখুৰীও খন্দা হয়। ভেটিৰ কাম সম্পূৰ্ণ হৈ আহোঁতেই মোৱামৰীয়াসকলে বিষমৰূপে বিদ্ৰোহ কৰি ৰজাৰ সৈন্য-সামন্ত পৰাজয় কৰি ৰাজনগৰ আক্ৰমণ কৰে। বুঢ়াগোহাঁই ডাঙৰীয়াই উপায় নেপাই গৌৰীনাথসিংহক গুৱাহাটীলৈ পঠিয়াই দিয়ে আৰু অলপীয়া সৈন্য-সামন্তেৰে কোনোমতে নগৰ ৰক্ষা কৰি থাকে। এই বিদ্ৰোহত বহুতো মানুহ, লেছৰৰ ঠাকুৰ আদিও ঘৰবাৰী এৰি ভটিয়াই গৈছিল। এই বিদ্ৰোহৰ ফলতেই ভেটি স্থাপন কৰিয়েই দ'ল সজা কাম এৰিব লগা হ'ল। ১৭৯২ চনত স্বৰ্গদেউৰ আহ্বানত, কেপ্টেইন ৱেলেছে ব্ৰিটিশঃ ফৌজ আনি মোৱামৰীয়াক দমাই স্বৰ্গদেউক ১৭৯৩ চনত সিংহাসনত বহুৱালে। বিদ্ৰোহৰ পাছত দেশত মহা আকাল হ'ল। হাতীগড়ত দ'ল সজা কামত আৰু হাত দিয়া নহ'ল। বিদ্ৰোহৰ পাছত লেছৰৰ ঠাকুৰ ঘূৰি আহি পূৰ্বে প্ৰতিষ্ঠা কৰা শিৱলিঙ্গত নিয়মিতৰূপে দৈনিক পূজা কৰিবলৈ ধৰিলে। লেছৰৰৰ সন্ততি এতিয়া কেইবাঘৰো আছে। প্ৰত্যেক ঘৰেই পাল পাতি দেৱালয়ত পূজা-সেৱা কৰে। ৰজাৰ দিনত স্থাপিত হোৱা ভেটিৰ ওপৰতে ঠাকুৰসকলে এটা টিনৰ ঘৰ সাজি ল'লে। এই দেৱালয়লৈ এতিয়াও যাত্ৰী অহা-যোৱা কৰে।

## বালিগাঁৱৰ গৰখীয়া দ'ল

যোৰহাট নগৰৰ উত্তৰে তিনি মাইলমান দূৰৈৰ বালিগাঁৱত জগন্নাথ বৰুৱা আলিৰ পশ্চিমে দুমাইল সোমাই গৰখীয়া দ'ল নামৰ এক দেৱালয় আছে। কোনো বুৰঞ্জীত এই দ'লৰ কথা নাই। অথচ এই দ'ল জাগ্ৰত বুলি সকলোৱেই তাত পূজা-সেৱা দি আছে।

বৰ্তমান এই দ'ল য'ত আছে সেই ঠাইখন তেতিয়া গৰু চৰোৱা আহল-বহল পথাৰ আছিল।[১] প্ৰতিদিনে গৰখীয়াবিলাকে গোট খাই তাত গৰু চৰাইছিল। তাতে এজন মুখিয়াল গৰখীয়াই নিতৌ বলিৰ দ'ল সাজি তাত ফৰিং বলি দিয়াৰ ব্যৱস্থা কৰিছিল। প্ৰতি দিনে এজন গৰখীয়াই ফৰিং ধৰি অনাৰ পাল আছিল। আৰু দ'লৰ আগত বিৰিণাৰ পাতেৰে সেই ফৰিং বলি দি গৰখীয়াৰ নিত্য পূজা সমাপন কৰি ঘূৰি গৈছিল। এদিন এজন গৰখীয়া ল'ৰাৰ পাল পৰিল। তেওঁ ফৰিং ধৰি নানিলে; আৰু বলি দিবৰ সময় হোৱাত তেওঁ ক'লে, তেওঁ ফৰিং আনিব নোৱাৰিলে, গতিকে দ'লৰ আগত তেওঁকেই বলি দিয়ক। এই কথা কৈয়েই তেওঁ দ'লৰ আগত বলিশালত পৰিল। আনদিনাৰ দৰেই বিৰিণা পাতেৰে এজন ল'ৰাই তাৰ ডিঙিত ৰেপ দিলে। আচৰিত কথা যে বিৰিণা পাতৰ ঘঁহনি খাই ল'ৰাজনৰ ডিঙিটো দুটুকুৰা হ'ল। তেতিয়া সকলো গৰখীয়া ল'ৰাই চিঞৰ-বাখৰ কৰি গাঁৱৰ মানুহক জনালেগৈ। গাঁৱৰ মানুহে এনে আচৰিত কাণ্ড দেখি এই ঠাতি দেৱতা আছে বুলি সেই বলিৰ দ'ল আৰু বলি দিয়া ঠাই তেতিয়াই তাঁতি বেৰি পেলালে। পাছদিনা পুৱা দেখে, সেই ঠাতি বলিৰ দ'লৰ ঠাইত উঁইহাফলুৰ দৰে এটা দ'ল হৈ আছে। দিনে দিনে সেই দ'ল বাঢ়ি উঠা দেখি গাঁৱৰ ৰাইজে তাৰ ওপৰত এটা মন্দিৰ সাজি দিলে; লগতে এখন শিৱমূৰ্তি প্ৰতিষ্ঠা কৰি তাৰ সমীপৱৰ্তী এজন গোসাঁইক দৈনিক পূজা চলাবলৈ বাব দি সেই দ'ল চলোৱাৰ ভাৰ গাঁৱৰ ৰাইজে বহন কৰিবলৈ ল'লে। পূজাৰিজনক গোসাঁই বোলাত শ্ৰীমন্ত শঙ্কৰে সত্ৰ স্থাপন কৰাৰ অনেক পাছত এই ব্যৱস্থা হ'ল বুলি অনুমান হয়; কিয়নো সত্ৰবিলাক স্থাপন হোৱাৰ পাছতহে "গোসাঁই" শব্দটো অসমত সণ্চালনীকৈ পোৱা যায়।[২] সেই দ'লত তেতিয়াৰপৰা প্ৰতিদিনে পূজা হয়, আৰু মাননি আহে। দ'লৰ ডবাত কোব মাৰিলেই সেই অঞ্চলৰ সকলো গৰখীয়া ল'ৰা গোট খাই, মাহ-প্ৰসাদ খায়হি। প্ৰতি বছৰে শিৱৰাত্ৰিৰ দিনা অষ্টপ্ৰহৰ শিৱপূজা হয়। উঁই-হাফলুৰ দ'লটো এতিয়া চৈধ্য-পোন্ধৰ ফুটমান ওখ হ'ব। তাত এযোৰ ফেটীসাপ মাজে মাজে ওলোৱা দেখা যায়। এই সাপযোৰ পূজাৰ মাহ-প্ৰসাদৰ মাজে মাজে ঘূৰি আকৌ হাফলুত সোমাই থাকে। পূজা-সেৱা কৰি থকা মানুহক অপকাৰ নকৰে। মানুহে দ'লৰ মাহাত্ম্য বিশ্বাস কৰি বেমাৰে-আজাৰে দুখে-বিপদে দ'ললৈ ঘিউ-শলা আৰু মাননি দিয়ে। শুনা যায়, আন কি, বিয়া-বাৰুত খুব বৰষুণ হ'লে দ'লত ঘিউ-শলা দিলে দৰা অহা সময়ত অন্ততঃ বৰষুণ এৰে। দ'লৰ আগেদি এতিয়াও কোনো মানুহ যান-বাহনত উঠি অহা-যোৱা

১ পথাৰৰ উত্তৰে নিজবালিগাঁও, পূবে দিচৈকোষ, দক্ষিণে ৰাজগুৰুগাঁও আৰু পশ্চিমে কুহমযোগনীয়া গাঁও (শ্ৰীদেবেন্দ্ৰনাথ আচাৰ্যৰপৰা পোৱা টোকা)। ম.নে.

২ শ্ৰীদেবেন্দ্ৰনাথ আচাৰ্যৰপৰা পোৱা টোকামতে গৰখীয়া দ'লৰ এই প্ৰথম বলিৰ ঘটনা শিৱসিংহ ৰজাৰ দিনৰ; গোসাঁইজন হ'ল ঔৱা সত্ৰাধিকাৰ। গৰখীয়া দ'লৰ নামঘৰ আৰু মণিকূট থকাটোও মন কৰিবলগীয়া। ম.নে.

নকৰে; বিয়াৰ দৰাও দ'লৰ আগত নামিহে যায়। আই বুলি এখন নৈ বহুত দিন আগতে দ'লৰ ওচৰেদি বৈ গৈছিল। সেই নৈখন শুকাই গ'ল। ৰাইজে দ'লৰ ওপৰত টিনৰ ঘৰ কৰি পকা বেৰ কৰি দিছে। নামঘৰটো কিন্তু এতিয়াও টিনৰ হোৱা নাই।[১]

**বুঢ়াগোসানী দেৱালয়**

স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত জয়ন্তীয়া ৰজাৰ লগত কেইবাখনো ৰণ লাগে। আগৰখন ৰণত চুক্তিমতে জয়ন্তীয়া ৰাজা আহোম স্বৰ্গদেওৰ অধীনলৈ আহিল। কিন্তু ১৭০৮ চনত জয়ন্তীয়া ৰজা ৰামসিংহই কছাৰী ৰজা তাম্ৰধ্বজক হুৰুৰাই আহোম ৰজাৰ অধীনতা অস্বীকাৰ কৰিলে। তেতিয়া স্বৰ্গদেৱ ৰুদ্ৰসিংহই বৰবৰুৱা আৰু বৰফুকনক কৈ জয়ন্তীয়া ৰাজ্য দুফালৰপৰা আক্ৰমণ কৰি, জয়ন্তীয়া ৰজা ৰামসিংহক বশ কৰি বিশ্বনাথলৈ বন্দী কৰি অনালে। অৱশ্যে স্বৰ্গদেৱে জয়ন্তীয়া আৰু কছাৰী ৰজাক পুত্ৰভাৱে আদৰ কৰি নিজৰ অধীনে থাকিবলৈ কৈ নিজ নিজ ৰাজ্যলৈ পঠিয়াই দিলে। জয়ন্তীয়া ৰাজ্য দমন কৰোঁতে সেই দেশৰ আন আন বস্তুৰ উপঢৌকনৰ লগতে বুঢ়ী গোসানীৰ যোনি আৰু মূৰ্তিকো গড়গাঁও নগৰলৈ অনা হয় বুলি জনা যায়। তেতিয়া জয়ন্তীয়া ৰাজ পৰিয়াল শাক্ত আছিল। জয়ন্তীয়া গোসানী বৰ জাগ্ৰত বুলি সৰ্বসাধাৰণৰ মাজত জনাজাত আছিল। স্বৰ্গদেৱৰ ইচ্ছামতে বৰবৰুৱা আৰু বৰফুকন জয়ন্তীয়াৰ ৰাজপৰিয়ালৰ জয়ন্তেশ্বৰী দেৱীক আনিব খোজাত, আহোম ফৌজৰ মাজত হেনো গ্ৰহণী আদি বেমাৰ হ'বলৈ ধৰিলে, তেতিয়া আহোম সেনাপতিক সপোনত গোসানী জয়ন্তেশ্বৰীয়ে ক'লে, "মই এই দেশ এৰি নাযাওঁ, তোমালোকে নিব খুজিলে অলপ আঁতৰত বুঢ়ী নৈৰ কাতি থকা গোসানীৰ মূৰ্তি আৰু যোনি নিব পাৰা।" এই সপোনৰ পাছত আহোম সেনাপতিয়ে বুঢ়ী নৈৰ কাণৰ মূৰ্তি আৰু যোনি আনি স্বৰ্গদেৱক দিলেহি। বুঢ়ী নৈৰ কাণৰপৰা অনাৰ বাবেই এইজনা মূৰ্তিক বুঢ়ীগোসানী বোলা অনুমান হয়। কিয়নো পূজাৰিসকলে কয় এইজনা গোসানীৰ মূৰ্তি মহিষমৰ্দিনী দুৰ্গাৰ। দেৱীক দৈনিক পূজা কৰা হয়। দেৱীৰ ধ্যান-মন্ত্ৰ "জটা-জুট-সমাযুক্তাং অৰ্দ্ধেন্দুকৃত-শেখৰাং" ইত্যাদি। দেৱীক আবাহন আৰু স্নানৰ সময়ত পূজাৰিজনে পূজাঘৰত কাকো সোমাবলৈ নিদিয়ে। যিহেতু দেৱীৰ পূজাত মূৰ্তিৰ বাহিৰেও, যোনিৰ পূজা কৰা হয়। এই দেৱালয়ত থকা যোনি বোলে দেখিবলৈ বৰ ধুনীয়া। যোনি আৰু মূৰ্তি বোলে অম্বুবাচী কেইদিনত সদায় ঘামি থাকে।

জয়ন্তীয়াৰপৰা গোসানীক আনোতে লগতে পূজাৰি সনাতনক অনা হৈছিল। বৰ্তমান পূজাৰিসকল সনাতনৰেই সতি-সন্ততি। কোনোবা এটা সময়ত স্বৰ্গদেৱে কিবা কাৰণত এইঘৰ পূজাৰিক গুচাই আন ব্ৰাহ্মণক পূজাৰি পাতিছিল। তেতিয়া নগৰত অঘটন ঘটাত আকৌ আগৰ পূজাৰিক পূজাৰি পাতি সেই পূজাৰিক পূজাঘৰীয়া বৰুৱা উপাধি

১ গৰখীয়া দ'লৰ কাহিনীটো শ্ৰীমতী বিৰজা ঠাকুৰৰপৰা পোৱা গৈছে। ন.ছু.

দি সন্মানিত কৰিলে। তেতিয়াৰপৰা পুজাৰিসকলে বৰুৱা উপাদি লিখে। জয়ন্তীয়াৰপৰা বুঢ়ীগোসানীক আনি স্বৰ্গদেৱে গড়গাঁও নগৰতে দ'ল কিম্বা পঁজাঘৰ কৰাই থৈছিল। দৈনিক পূজাৰ শেষত পূজাৰ নিৰ্মালি আৰু হোমৰ ফোঁট স্বৰ্গদেৱক সদায় পূজাৰিয়ে দিব লাগিছিল। নিৰ্মালিৰ লকতে পূজাৰিয়ে ডাঙৰ শৰাই এখনত বলিকটা ছাগলি এটিও দিছিল প্ৰসাদ স্বৰূপে। এইবাবেই স্বৰ্গদেওসকল ৰাজনগৰৰপৰা বাহৰলৈ ওলাই গ'লে লগতে পূজাৰিয়ে বুঢ়ীগোসানীকে লৈ গৈছিল। গড়গাঁৱৰপৰা ৰংপুৰ, ৰংপুৰৰপৰা যোৰহাটলৈ ৰজাৰ ৰাজধানী তুলি আনিলে স্বৰ্গদেৱে বুঢ়ীগোসানীকো যোৰহাটলৈ লৈ আহিল। এই দেৱালয় বৰ্তমান যোৰহাট নগৰৰ গড়আলিৰ পূবে স্থাপিত।

বুঢ়ীগোসানী দেৱালয়ক বৰপূজাঘৰ দ'ল বুলিও স্বৰ্গদেওসকলৰ দিনত জনা গৈছিল। দেৱালয়ত থকা সোণ-ৰূপৰ ছত্ৰ, ফুল, কোষা-অৰ্ঘা, তামি আৰু বলিকটা দা ইত্যাদি সেৱায়তৰপৰা সংগ্ৰহ কৰা সোণ-ৰূপৰ ওজন আৰু কোনে সেই গহনা কৰাই দিছিল ইত্যাদিৰ বিৱৰণেৰে বৰপূজাঘৰ দ'লৰ বাবে চন্দ্ৰকান্তসিংহ মহাৰাজৰ নাম লিখা আছে। পূজাৰিসকলে কয়, বৰপূজাঘৰ দ'ল নাম হোৱাৰ কাৰণ এই দেৱালয়ত বৰবিধিমতে ৰাজসিকভাৱে পূজা চলিছিল আৰু দুৰ্গাপূজাত ৰাজ-আদেশত সাতো সাগৰৰ পানী আৰু দেশত যিমান শস্য সেই সময়ত পোৱা যায় সকলো শস্য আনি পূজাৰ নৈৱেদ্যত দিছিল।

যোৰহাটলৈ ৰাজনগৰ অহাত মৰাণ আৰু মানৰ উপদ্ৰৱত স্বৰ্গদেওসকলে বুঢ়ীগোসানীৰ দ'ল আৰু সজাব নোৱাৰিলে। মানৰ উপদ্ৰৱত দেৱালয়ৰ মাটি-বাৰী আৰু সেৱায়তৰ তালকাৰ তামৰ ফলিখনো হেৰাল। এই বাবেই ব্ৰিটিছৰ দিনত এই দেৱালয়ে একো নেপালে। কেৱল ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াই চৰকাৰলৈ লিখা-লিখি কৰি বৰ্তমান দেৱালয় থকা মাটিখিনি মাথোন দিয়ালে। এই মাটিৰ খাজনা আদি দিব নালাগে। পুৰন্দৰসিংহই বৰ্তমান দেৱালয় থকা ঠাইতে খেৰৰ ঘৰ কৰি পূজা চলাৰ ব্যৱস্থা কৰি দিছিল। আহোম ৰজাৰ ৰাজ্য গ'লত ৰজাঘৰৰপৰা পূজাৰ সামগ্ৰী নোপোৱা হ'লত ৰাইজে দৈনিক পূজাৰ নৈৱেদ্য আদি যোগাইছিল। এতিয়াও যাত্ৰীসকলে নৈৱেদ্য আদি দি থাকে। পিছত ৰাইজে বৰঙণি তুলি পূজা-ঘৰটি টিনৰ কৰি দিছিল। এই ঘৰটোৰ দুৰৱস্থা হ'লত আকৌ ৰাইজৰ বৰঙণিৰে এটি পকীঘৰ সজা হয়। পিছে যোৱা বৰভূমিকম্পত এই ঘৰটোও ফাটি-চিটি যায়। বৰ্তমান ঘৰটি পিছত সজা হয়। বৰ্তমান দেৱালয়খন ৰাইজৰ পূজা-পাতলত চলি আছে। মানৰ দিনত এই দেৱালয়ৰ তামৰ ফলি আদি কৰি প্ৰায় সকলো ধন-সম্পত্তি লোকচান হ'ল।

ন.ভূ.

**পশুপতি দেৱালয়**

যোৰহাট নগৰৰপৰা তিনিমাইল দূৰত, পৰ্বতীয়া মৌজাৰ হেজাৰী গাঁৱত অৱস্থিত

পশুপতিৰ দেৱালয় মূলতঃ যোৰহাটৰ বুঢ়ীগোসানী দেৱালয়ৰপৰা ফাটি অহা। দেৱী কামেশ্বৰী। শিৱ বটুক ভৈৰৱ। বৰ্তমান বটুক ভৈৰৱৰ শিলামূৰ্তি (ডাঙৰ) আৰু দেৱীৰ মূৰ্তি আছে। বহুতৰ বিশ্বাস এই দেৱালয়ৰ দেৱতা জাগ্ৰত। পূজাৰ মন্ত্ৰও অন্য দুৰ্গা-দেৱীৰ পূজা-মন্ত্ৰৰপৰা সামান্য পৃথক। দ্বিতীয় মহাসমৰৰ সময়ত ৰবৈয়া বিমান-কোঠৰ বিস্তৃতিৰ সময়ত এই দেৱালয় উঠি যাব লগা হৈছিল। মহাসমৰৰ পিছত ই পুনঃসংস্থাপিত হয়। দেৱালয়ত নিত্য পূজা, নৈমিত্তিক দুৰ্গা-কালি পূজা হৈ থাকে।[১]

## থান-সত্ৰ

### আউনিআটি সত্ৰ

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত। জয়ধ্বজ ৰজাই গালপোৰা ঘাটত যজ্ঞ কৰোঁতে কুৰুৱাবাহীৰপৰা গোবিন্দ ঠাকুৰ মূৰ্তিয়ে সৈতে মিশ্ৰদেৱ গোসাঁইৰ দিনৰ নিৰঞ্জনদেৱ পাঠকক নিয়ায় আৰু তেওঁতে শৰণ লৈ ১৫৭৫-৭৬ শকত ভূমিস্বজমি, দেউৰী-ভাগতী, যোগনীয়া-সমলীয়া দি মাজুলীত আউনী পাণৰ আটি কাটি গোবিন্দ ঠাকুৰক থাপনা কৰি আউনীআটি সত্ৰ পাতি দিয়ে। প্ৰধান চাৰিসত্ৰীয়াৰ এখনি। এই সত্ৰৰ লাখেৰাজ মাটি ২১,০০০ একৰ আৰু নিস্পিখেৰাজ ৬০০ একৰ আছে বুলি জিলা গেজেটিয়াৰত আছে।

### আধাৰ সত্ৰ

বাহনা, চাওখাত আৰু মাজুলীৰ শালমৰা মৌজাত বেলেগ বেলেগ আধাৰ সত্ৰ আছে। আধলিয়া যদুমণিৰপৰা বঢ়া সত্ৰ। চাওখাতৰখন (বৰ্তমান গাভীগড় মৌজাৰ) লাহদৈগড় বা চেউনীৰপৰা ৰোমেশ্বৰ বৰুৱা আলিয়েদি গ'লে পোৱা যায়।

### উজনিয়াল সত্ৰ

টিয়ক মৌজাত। কানু আতাৰপৰা এইখন সৰু বাৰজনীয়া সত্ৰ বাঢ়ে। উজনিয়াল, নৰাবাৰী (শিৱসাগৰ কালুগাঁও), থুকুবিল (শিৱসাগৰ মেটেকা) গুৰিত একে বুলি কোৱা হয়।

### উতুতলীয়া সত্ৰ

মাজুলীৰ শালমৰা মৌজাত। ফৰকাটিং আৰু শিৱসাগৰ মহকুমাৰ শামুকজানতো শাখা আছে। বৰবাৰজনীয়াৰ ভিতৰৰ শঙ্কৰগতিৰপৰা বঢ়া।

### এলেঙি সত্ৰ

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বৰবাৰজনীয়া সত্ৰৰ ভিতৰত এখনি প্ৰথান আৰু নানা

---

১ যোৰহাটৰ পুলিবৰ শ্ৰীচন্দ্ৰনাথ কটকীৰপৰা পোৱা চিঠিৰপৰা।

শাখাযুক্ত সত্ৰ। মাজুলীৰ শালমৰা মৌজাতে কাকৰিকটা বৰ এলেঙি, আদি বা পোৰাভেটি এলেহি, কামজনীয়া বা বগীআই এলেঙি, দিখৌমুখীয়া এলেঙি, বালিচাপৰি এলেঙি, কমলাবাৰী মৌজাত বৰাচুক সৰু এলেঙি আছে। দক্ষিণপাৰে ভাগতীজনা (কাছজান) এলেঙি বিখ্যাত।

**ঔৱা সত্ৰ**

বালিগাঁও মৌজাত গৰখীয়া দ'লত, আৰু কমলাবাৰী মৌজাৰ কেৰেলা গাঁৱত। বেলসিধীয়া সত্ৰেৰে সম্পৰ্কিত।

**কঠিয়াতলি সত্ৰ**

যোৰহাট নগৰৰ ওচৰৰ পটীয়াগাঁৱত। লেটুগ্ৰামৰ ডাল।

**কৰ্দৈগুৰি সত্ৰ**

লাহিং মৌজাত কালসংহতিৰ সত্ৰ।

**কলাকটা সত্ৰ**

মাজুলীৰ কলাকটা নৈৰ পাৰত ভৱানীপুৰীয়া গোপাল আতাৰ পৌত্ৰ দৈৱকীনন্দনে পতা এই সত্ৰ পিছৰ কালত নগাঁও চহৰৰ ওচৰলৈ উঠি যায়।

**কমলাবাৰী সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত। মাধৱদেৱ কোচবেহাৰত থকা সময়ত বৰনাৰায়ণপুৰৰ সাওকুছিৰ পদ্মই গুৰু-সমুখ হৈ উজানত মহাপুৰুষৰ গাৰ বদলে ধৰ্ম প্ৰকাশ কৰিবলৈ ভাৰ পাই পদ্ম আতা বা বদুলা আতা নাম পাই উজনিলৈ আহি কলানিভেটি, শলখ, পচতিয়াভেটি, হামৰা, বদুলা, মুদৈভেটি আদি ঠাইত সত্ৰ পাতি ধৰ্মপ্ৰচাৰ কৰাৰ পিছত বেজবৰুৱা বংশৰ উপৰিপুৰুষ পুৰুষোত্তম বৰুৱাৰ টুনি নৈৰ পাৰৰ টেঙানিবাৰীত শেষত কমলাবাৰী সত্ৰ প্ৰতিষ্ঠা কৰে। গেজেটিয়াৰমতে কমলাবাৰী সত্ৰৰ লাখেৰাজৰ পৰিমাণ ৫,৯০০ একৰ।

**কমাৰ সত্ৰ**

যোৰহাট তহছিলৰ ভিতৰত।*

**কঁহাৰপাৰ (কাংসপাৰ) সত্ৰ**

যোৰহাট তহছিলৰ ভিতৰত ঢেকীয়াজুলিৰ মেলেঙিয়ালত, চৰাইবাহী মৌজাত, চাওখাত মৌজাত (অশয়বাৰী), টিয়কৰ দুইনৈৰমুখতো মাজঠা কাংসপাৰ সত্ৰৰ একোটি ভাগ আছে। তিতাবৰত বৰঠাই কাংসপাৰ সত্ৰ আছে। শিৱসাগৰৰ 'কাংসপাৰ সত্ৰ' চাওক। চাওখাত মৌজাৰ খনলৈ (বৰ্তমান হাতীগড় মৌজা) লাহদৈগড় বা চেউনীৰপৰা ৰোযেশ্বৰ বৰুৱা আলিয়ে যাব পাৰি।

**কৰতিপাৰ সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া, কমলাবাৰী) মৌজাত আউনীআটি-বেঙেনাআটিৰ পশ্চিমে। বৰযদুমণিদেৱৰ আজ্ঞাপৰ আঁহতগুৰীয়া শ্ৰীৰামৰ পুত্ৰ ৰমানন্দ দ্বিজৰপৰা বঢ়া এই সত্ৰ মলুৱালৰ ওচৰত।

**কাংসপাৰ সত্ৰ**

'কঁহাৰপাৰ সত্ৰ' চাওক।

**কাকৰিকটা বৰএলেঙি সত্ৰ**

'এলেঙি সত্ৰ' চাওক।

**কাটনীপাৰ সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত।* এতিয়া নাই।

**[illegible]বাপু সত্ৰ**

চেনিমৰাৰ ওচৰৰ কৰঙাত। বৰবাৰজনীয়া মুকুন্দদেৱৰ স্থাপিত। গোলাঘাটতো এখনি আছে। মূলতে এই সত্ৰ মাজুলীত ১৫১৯ শকত প্ৰতিষ্ঠিত হৈছিল।

**কামজনীয়া এলেঙি সত্ৰ**

'এলেঙি সত্ৰ' চাওক।

**কৈচুৱীয়া সত্ৰ**

যোৰহাট তহছিলত।*

**কোৰখনা সত্ৰ**

যোৰহাট তহছিলত।*

**কৌপটীয়া সত্ৰ**

মাজুলীত আছিল। কনকলতা-বাৰজনীয়া সত্ৰসমূহৰ অন্তৰ্গত।

**খুটিয়াপোতা সত্ৰ**

ডিব্ৰুগড়ৰ 'দিনজয় মায়ামৰা সত্ৰ' চাওক।

**খেৰকটীয়া সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত খেৰকটীয়া সুঁতিৰ পাৰত এইখিনি সৰু বাৰজনীয়া সত্ৰ।

**গজলা সত্ৰ**

ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ সৰু যদুমণিদেৱে মাজুলীৰ গজলা সুঁতিৰ পাৰত গজলা সত্ৰ পাতিছিল। মানৰ উপদ্ৰৱৰ সময়ত সেই ঠাই এৰা পৰে। আমগুৰি,

শিমলুগুৰি, টিয়ক মৌজা আৰু যোৰহাট তহছিলৰ ভিতৰত কেইবাখনিও গজলা সত্ৰ আছে।* শিৱসাগৰ আৰু গোলাঘাটৰ 'গজলা সত্ৰ' আৰু নগাঁৱৰ 'কাল-সংহতিৰ সত্ৰ' চাওক।

**গড়মূৰ সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া, কমলাবাৰী) মৌজাত। কুৰুৱাহী সত্ৰৰ নিৰঞ্জন পাঠকে গোবিন্দঠাকুৰ মূৰ্তি নি জয়ধ্বজ ৰজাৰ মহানুগ্ৰহ লভি বৰখিতাপেৰে আউনীআটি সত্ৰ পতা দেখি মিশ্ৰ গোসাঁইৰ পুত্ৰ ৰামকৃষ্ণ আৰু বংশীগোপালদেৱৰ খুড়া পৰামাইৰ পৰিনাতি লক্ষ্মীনাৰায়ণৰ মনত অসন্তোষ ওপজে। 'পাছে ৰাজাত কৈয়া লক্ষ্মীনাৰায়ণদেৱে একভাগ মূৰ্তি, ভাগৱত, ভক্ত, আউনীআটিৰ আনিয়া মদনগোপাল সমে একফাল ৰামকৃষ্ণ দিলা। পাছে ভক্ত সমে আলোচনা কৰি ভয় দেখাই লক্ষ্মী গোসাঁইক খেদি তেওঁৰে আপোনাৰ নাতি কেশৱদেৱক সত্ৰ দি দেহ এৰিল। পাছে লক্ষ্মীনাৰায়ণ গোসাঁইৰ শাপক ভয়ে জয়ধ্বজ ৰাজা যাত্ৰী পঠাই জগন্নাথ হন্তে বংশীবদনক আনি গড়মূৰত সত্ৰ কৰি দিলা।' লক্ষ্মীনাৰায়ণে ৰজাই দিব খোজা মাটি-পাইক গ্ৰহণ নকৰিলে। তেওঁৰ মৃত্যুৰ পিছত জয়ৰামদেৱক শিৱসিংহ ৰজাই ৩০,০০০ হেজাৰ পুৰা নিষ্কৰ মাটি আৰু বাৰশ ঘৰ পাইক দি গড়মূৰত থাপনা কৰে। কমছনাৰৰ হতুৱাই অনুসন্ধান কৰাই ব্ৰিটিংশ চৰকাৰে আহোমদিনীয়া ভূমিদান আদিৰ স্বীকৃতি দিবৰ সময়ত গড়মূৰৰ গোসাঁই বৃন্দাবনত থকাত আৰু সেই বিষয়লৈ অনুৰাগ নকৰাত গড়মূৰৰ নিষ্কৰ ভূমি বাজেয়াপ্ত হৈ যায়; পিছত অবশ্যে চৰকাৰে সত্ৰৰ নামে এহেজাৰ বিঘা জমি লিখি দিয়ে।

**গোসাঁইভেটি**

মালৌ পথাৰত বৰভেটি বন্ধোৱা আদি কাম কৰোৱা সময়ত মায়ামৰীয়া মহন্তসকলৰ বসবাসৰ ঠাই আছিল।

**ঘূৰীয়াগঞা সত্ৰ**

চাওখাত মৌজাৰ ৰংদৈত। আধলীয়া যদুমণিৰপৰা বঢ়া এইখনি বামুণ মহন্তৰ সত্ৰ। বংশীগোপালদেৱৰ আজ্ঞাপৰ হৰি মিশ্ৰই ঘূৰীয়া সত্ৰ পাতে বুলি গেবিন্দ দাসৰ 'সন্ত-সম্প্ৰদাত' আছে।

**চৰাইবাহী সত্ৰ**

ভবানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ মুৰাৰি এই সত্ৰ কৰঙা-ঢেকীয়াজুলি অঞ্চলত।

**চামগুৰি পুৰণি সত্ৰ আৰু নতুন সত্ৰ**

মাজুলীৰ শালমৰাৰ বনগাঁৱত। পুৰুষোত্তম ঠাকুৰৰ কন্যা কেশৱপ্ৰিয়াৰ পুত্ৰ

চক্রপাণিদেৱে মাজুলীত ১৫৮৫ শকত প্রথম চামগুৰি সত্র পাতে। পুৰণি চামগুৰি আৰু কলিয়াবৰৰ চামগুৰি, দুইখনিয়েইহে মূল চামগুৰি সত্র। ১৮২৪ শকত ন চামগুৰি স্থাপিত হয়। নগাঁৱৰ 'পুৰুষোত্তম ঠাকুৰৰ জীয়ৰীৰপৰা বঢ়া সত্র' চাওক। পুৰণি চামগুৰি সেৱাইত বস্তুৰ ভিতৰত শংকৰদেৱৰ খৰম, ঘটি, বেলগুৰি আৰু বৰদোৱাৰ পদশিলাৰ অংশ, আই লক্ষ্মীৰ হাতৰ শঙ্খৰ খাৰু, টেমি-কটাৰী, গুৰুজনৰ হাতে লিখা দশমৰ পাত এটি আছে বুলি জনা গৈছে। পুৰুষোত্তম বৰঠাকুৰৰ কন্যা কেৱশপ্রিয়া আৰু নিৰঞ্জন গাভৰুগিৰী বা পেটফলা আতাৰ পুত্র চক্রপাণি আতা কামৰূপৰ জনিয়া থানত থকাতে নিৰঞ্জন আতাৰ আহোম চক্রধ্বজ কোঁৱৰেৰে পৰিচয় হয়। কোঁৱৰে ৰজা হ'লে আতাক গুৰু ল'ম বুলি নিজৰ তৰ্জনী আঙঠি চিন দি তাৰপৰা আহে। তেওঁ ৰজা হৈ আতাৰ বতৰা লোৱাত আতাই দুজন ভকতৰ হাতত সেই চিন পঠিয়ায়। ৰজাদেৱে গজপুৰ বাহৰতে চিন দেখি লৰি চাউডাং বৰুৱা আৰু খঙীয়া হাজৰিকাক নাও দি আতাক আনিবলৈ পঠালে। আতা আহি গজপুৰ বাহৰত থিত হোৱা দিনাই ৰজাৰ সংকল্পমতে এহেজাৰ হাতীও পূৰ হয় আৰু বাহৰৰ সেই নাম হয়। ৰজাই শৰণ ল'বলৈ নৌ পাওঁতেই এবছৰৰ মূৰত নিৰঞ্জন আতা বৈকুণ্ঠী হোৱাত চক্রপাণি আতাক অনাই শৰণ লয় আৰু বাঁহগৰা আদি ঠাইত সাত হেজাৰ পুৰা মাটিৰ খাত-পাম দি মাজুলীৰ চামগুৰি জহাখাতৰ মাজত সত্র পাতি দিয়ে। উদয়াদিত্যসিংহয়ো চক্রপাণিত শৰণ লয় বুলি পোৱা যায়। নিৰঞ্জন আতাৰপৰা পঞ্চম পুৰুষত চামগুৰি সত্র ফাটি গুৰুজনাৰ এপাতি খৰম লৈ কলিয়াবৰত বহে। ১৮২৪ শকত পুৰণি চামগুৰিৰপৰা চাৰে চাৰি মাইল আঁতৰত নতুন চামগুৰি (এতিয়া কমলাবাৰী চামগুৰি) নামে সত্র স্থাপিত হয়।

**চাৰিঙিয়াল সত্র**

চাওখাত মৌজাত। বংশীগোপালদেৱৰ শাখাৰ সত্র।

**চিপহা সত্র**

'চুপহা সত্র' চাওক।

**চুপহা (চিপহা) সত্র**

চাওখাত, টিয়ক, মাজুলীৰ শালমৰা মৌজা আৰু যোৰহাট তহছিলত চুপহাৰ বিভিন্ন শাখা আছে।* তিতাবৰৰ ওচৰত হামদৈ চুপহা। কাকজান (চাওখাত) চুপহাক ক'লা চুপহা বোলে। বগা আৰু ৰঙা চুপহা শিৱসাগৰ মহকুমাত। শিৱসাগৰৰ 'চুপহা সত্র' আৰু নগাঁৱৰ 'পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ সত্র' (চিপহা) চাওক।

**টেঁচা সত্র**

যোৰহাট তহচিল (কৰঙা) আৰু শিমলুগুৰি মৌজাত (টিয়ক)। গড়গাঁৱৰ ওচৰৰ (হাঁহচৰা মৌজা) ম'ৰামৰা সত্রৰ বৰকৃষ্ণদেৱৰ পুত্র জগমোহনৰ (টেঁচা সত্র) মাজু পুত্র

চতুৰ্ভূজৰপৰা কৰঙাৰ মাজঠাই চেঁচা সত্ৰ হয়। টিয়কৰ চেঁচা সত্ৰ উজনি বৰঠাই চেঁচা। শিৱসাগৰৰ 'চেঁচা সত্ৰ' চাওক।

**জতকৰা সত্ৰ**

'দক্ষিণপাট সত্ৰ' চাওক।

**জালকুৰিয়া সত্ৰ**

যোৰহাট তহছিলৰ পকামুৰাত এইখনি আধাৰ যদুমণিৰপৰা বঢ়া ব্ৰাহ্মণ মহন্তৰ সত্ৰ।

**জুৰকটা সত্ৰ**

যোৰহাট তহছিলৰ ভিতৰত ঢেকীয়াজুলিত। দিহিং থূলৰ এই সত্ৰ যদুমণিদেৱৰ আজ্ঞাপৰ শ্ৰীকানাইৰ স্থাপিত।

**ঠকৰিয়াল সত্ৰ**

বৰবাৰজনীয়া ঠকৰিয়াল কমললোচনৰ স্থাপিত এই সত্ৰ তিতাবৰ মৌজাৰ বছাত।

**ডবাখাত সত্ৰ**

অনন্ত ঠাকুৰ বা হৃদয়ানন্দৰ বংৰৰ দৈৱকীনন্দনদেৱে কালশিলা এৰি ইয়াত সত্ৰ পাতে; মোৱামৰীয়া বিদ্ৰোহত সত্ৰ নগাঁৱৰ হাবি বৰঙাবাৰীলৈ উঠি যায়।

**ডাংধৰা সত্ৰ**

লাহিং মৌজাত।* পুৰুষ-সংহতিৰ সত্ৰ।

**ডিফলু সত্ৰ**

চাওখাত মৌজাত হাতীগড়ৰ ওচৰত (বৰ্তমান হাতীগড় মৌজাতে)। লাহদৈগড় বা চেউনীৰপৰা ৰোমেশ্বৰ বৰুৱা আলিয়ে গ'লে পায়। বংশীগোপালদেৱৰ খুড়া কৰ্মাইৰ নাতি জয়হৰিদেৱ বা লৰি গোসাঁইৰ দ্বিতীয় পুত্ৰ ৰামচন্দ্ৰৰপৰা ডিফলু সত্ৰ বাঢ়ে। চাৰিসত্ৰীয়াই এই সত্ৰৰপৰা কেতিয়াবা ডেকা নিয়ে। নগাঁৱৰ 'কুৰুৱাবাহী'-ডিফলু' চাওক।

**ডেবেৰাপাৰ সত্ৰ**

নকছাৰীত এই সত্ৰ আছিল। এই নামৰ মূল সত্ৰ বৰ্তমান উত্তৰ লখীমপুৰ অঞ্চলত বংশীগোপালদেৱে প্ৰধান সত্ৰৰূপে পাতিছিল।

**ঢৌকাচাপৰি সত্ৰ**

মাজুলীত এই সত্ৰ ভবানীপুৰীয়া গোপাল আতাৰ আজ্ঞাৰে পৌত্ৰ যাদৱানন্দদেৱে পাতিছিল। মানৰ দিনত ইয়াৰপৰা সত্ৰ উঠি আন ঠাইলৈ যায়।

**ঢাপকটা সত্ৰ**

পৰ্বতীয়া মৌজাত চাৰিঙীয়াত (ৰবৈয়া) দুখনি সত্ৰ। বংশীগোপালদেৱৰ আজ্ঞাপৰ

বৰমুকুন্দ বাপুৰে এই সত্ৰ পাতে।

**ঢেকীয়াখোৱা নামঘৰ**

যোৰহাট নগৰৰ ন মাইল পুবে লাহদৈগড়ৰ পুবে চেউনী আলিৰ উত্তৰে এই প্ৰাচীন নামঘৰটি। মাধৱদেৱে গড়গাঁও ৰাজধানীত নজৰবন্দী হৈ থাকি বেলগুৰিলৈ ঘূৰি যোৱা সময়ত ইয়াতে শলা-বন্তি জ্বলাই কেইদিনমান আছিল বুলি জনা যায়।

**ঢোলনি সত্ৰ**

যোৰহাট তহছিলৰ ভিতৰত।*

**তেলপানী সত্ৰ**

যোৰহাট তহছিলৰ ভিতৰত কৰঙাত। বৰযদুমণিদেৱৰ পুত্ৰ ৰতিকান্তদেৱৰপৰা বঢ়া এই সত্ৰখনি দিহিঙৰ মাজুভাগৰ অন্তৰ্গত। মূলতে দিহিং আৰু তেলপানী নৈৰ পাৰত এই সত্ৰ আছিল। মৰাণ-বিদ্ৰোহৰ সময়ত সত্ৰ ধ্বংসপ্ৰাপ্ত হোৱাত শিৱসাগৰ, গোলাঘাট আৰু যোৰহাটলৈ স্থানান্তৰিত হয়।

**থুকুবলীয়া সত্ৰ**

লাহিং মৌজাত।*

**দক্ষিণপাট সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত। প্ৰতিষ্ঠাতা বনমালীদেৱ চৰিত আৰু বুৰঞ্জীত ছোট বনমালী নামে বিখ্যাত, কাৰণ সৰুটিৰেপৰা তেওঁ শাস্ত্ৰৰ টীকাপদ আনৰপৰা শুনি আওৰাই সকলোৰে আদৰ পাইছিল। তেতিয়াৰেপৰা তেওঁ বংশীগোপালদেৱৰ লগত থাকে। বংশীগোপালৰ মৃত্যুত তেওঁ সমূহৰ অনুমতিৰে বেহাৰলৈ গৈ দামোদৰদেৱৰ বৈকুণ্ঠপুৰত বলৰাম-পৰমানন্দদেৱৰ লগত থাকে আৰু সি দুজনাৰ পিছত ত'ৰ সত্ৰীয়া হয়। তাতে থাকি তেওঁ জগন্নাথৰপৰা যাদৱৰায় মূৰ্তি কিনাই আনি অসমৰ জয়ধ্বজ ৰজাৰ নিমন্ত্ৰণত প্ৰাণনাৰায়ণৰ বেহাৰ ৰাজ্য ত্যাগ কৰে। পোনতে নগাঁৱৰ জখলাবন্ধাত, পিছত মাজুলীৰ আঁহতগুৰিৰ জতকৰাত (শাকবাৰী?), শেষত ব্ৰহ্মপুত্ৰৰ দক্ষিণে বাঙলীবাহৰত বৈকুণ্ঠপুৰ সত্ৰ পাতে। বৰনৈৰ পাৰত পতা বাবে বৈকুণ্ঠপুৰৰ নাম দক্ষিণপাট হয়, আৰু বৰ্তমান সেই নামহে জনাজাত। গেজেটিয়াৰৰ মতে দক্ষিণপাটৰ লাখেৰাজৰ পৰিমাণ ১০,৪০০ একৰ।

**দিখৌমুখীয়া এলেঙি সত্ৰ**

'এলেঙি সত্ৰ' চাওক।

**দিহিং সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত। এতিয়া নাই।

**দিহিং থান**

টোকোলাইত শিলিখাতলীয়া দিহিং সত্ৰৰ ভকতৰঞ্জনদেৱৰ সত্ৰ আছিল। সিজনাৰ মৃত্যুত তাতে থান হয়।

**দীগলী সত্ৰ**

চাওখাত (মেলেঙৰ ওচৰত) আৰু মাজুলীৰ শালমৰা মৌজাত।* পুৰুষোত্তম ঠাকুৰৰ কন্যা কেশৱপ্ৰিয়াৰ পুত্ৰ শাৰঙ্গপাণিয়ে দীঘলী বিলৰ পাৰত সত্ৰ পাতে। নগাঁৱৰ 'পুৰুষোত্তম ঠাকুৰৰ জীয়ৰীৰপৰা বঢ়া সত্ৰ' চাওক।

**ধলৰ সত্ৰ**

দিহিঙৰ মাজুভাগৰ এই সত্ৰখনি কাকডোঙা অঞ্চলত যোৰহাট-গোলাঘাটৰ মাজৰ চুণ্ডিত। মূলতে এই সত্ৰ উত্তৰ লখীমপুৰৰ ধল নৈৰ পাৰত ৰতিকান্তদেৱৰ বংশধৰ ব্ৰজনাথৰ দ্বাৰা স্থাপিত হৈছিল।

**ধোন্দোল সত্ৰ**

নৰোবাৰ দামোদৰ আতাৰ তলে থকা পাঠকৰপৰা জাঁজীকাষৰৰ কলিতা ধোন্দোল হয়।

**নগৰীয়া সত্ৰ**

যোৰহাট তহছিলৰ ঢেকীয়াজুলি-কৰঙা অঞ্চলত। মূলতে এই সত্ৰ গড়গাঁও নগৰৰ ভিতৰতে ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ সনাতনদেৱে পাতিছিল বাবে এই নাম।

**নৰসিংহ সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত।* বৰবাৰজনীয়া বাপুৰামদেৱৰ বংশৰ সত্ৰ।

**নলতিয়াল সত্ৰ**

যোৰহাট কাকডোঙা অঞ্চলত। ৰামৰ দ্বাৰা স্থাপিত নলতিয়াল সত্ৰ সৰু বৰবাৰজনীয়াৰ ভিতৰতো ধৰা হয়। আন লেখামতে, জয়গোপীকান্তৰ দ্বাৰা স্থাপিত নলতিয়াল সত্ৰ কনকলতা-বাৰজনীয়াৰ অন্তৰ্গত।

**নাচনিপাৰ সত্ৰ**

যোৰহাট তহছিলত* দুখনি, মাজুলীতো এখনি আঁহতগুৰি মৌজাত আছিল। ৰামভদ্ৰৰ দ্বাৰা স্থাপিত সৰুবাৰজনীয়া নাচনিপাৰ তিতাপৰ অঞ্চলত আছিল, এতিয়া লখীমপুৰলৈ গৈছে।

**নাহৰকটীয়া সত্ৰ**

যোৰহাট তহছিলত।*

### নেপালি (নাপালি) সত্ৰ

টিয়কত। চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ ৰতিকান্ত দ্বিজৰ স্থাপিত। আগতে এই সত্ৰ জেঙেৰাইমুখত আছিল। পিছত সহদেৱ গোস্বামীৰ দিনত টিয়কলৈ আহে। ইয়াৰ এটি শাখা নগাঁৱৰ জাজৰিত আছে।

### পটিয়ৰি সত্ৰ

বাহানা আৰু চাওখাত মৌজাত।* আধলীয়া যদুমণিৰ মধ্যম পুত্ৰ পূৰ্ণানন্দৰ দ্বাৰা পটিয়ৰি সত্ৰ মূলতে স্থাপিত হয়।

### পলাশৰ-গুৰি শিঙৰীয়া জানৰ কান

যোৰহাট বালিগাঁও মৌজাৰ মালৌ পথাৰৰ মাজত ইয়াতে মায়ামৰীয়া সত্ৰসমূহৰ আদি অনিৰুদ্ধদেৱৰ প্ৰথম পুত্ৰ কৃষ্ণানন্দদেৱে পুৰণিমাটি মায়ামৰা সত্ৰ স্থাপন কৰিছিল। সত্ৰৰ চিন-চাব এতিয়াও আছে।

### পুনিয়া সত্ৰ

'ফুলবাৰী সত্ৰ' চাওক।

### পুৰণিমটীয়া থান

মায়ামৰীয়া কোনো এজন আতাক ইয়াতে বাঘে খাই মাৰে। থানখনি টিয়ক বাগিচাৰ মাজত। সেই সম্প্ৰদায়ৰ লোকে ৰাজআলিৰপৰাই সেৱা জনাই যায় থানৰ পোনে।

### পুৰণিমাটি মায়ামৰা সত্ৰ

যোৰহাট চহৰৰপৰা ৭-৮ মাইল পশ্চিমে পৰ্বতীয়া মৌজাত টিলিকি আমৰপৰা দুমাইলমান আঁতৰত। মায়ামৰা সত্ৰৰ ছপা বুৰঞ্জীমতে অনিৰুদ্ধদেৱৰ তৃতীয় নাতি আৰু মায়ামৰা সত্ৰৰ পঞ্চম অধিকাৰ জয়ৰামদেৱৰ ৰৰপুত্ৰ যদুনন্দনদেৱক ধৰ্মাসনত বহুৱাওঁতে জয়ৰামদেৱৰ ভায়েক মধুৰমূৰ্তিদেৱ আৰু সদানন্দদেৱ সত্ৰত নাছিল। সিসকল পুৰণি পামৰপৰা আহি সি কথা জানি কিছু ৰোষ কৰে, আৰু মধুৰমূৰ্তিদেৱ পুৰণিপামতে ভালকৈ সত্ৰ পাতি ৰয়।[1]

### পুৰুষোত্তম সত্ৰ

চৈতন্যপন্থী এই সত্ৰ আগতে কৰঙাত আছিল। এতিয়া ৰৰপথাৰলৈ উঠি গৈছে।

---

১ মায়ামৰা পুৰণিমাটি সত্ৰৰ অধিকাৰ শ্ৰীহৰিচৰণানন্দ গোস্বামীয়ে জনাইছে, 'অনিৰুদ্ধদেৱৰ তৃতীয় নাতি জয়ৰামদেৱে ৰৰপুত্ৰ যদুনন্দনক ধৰ্মাসনত বহুৱা নাছিল। তেতিয়া জয়ৰামদেৱৰ পৰৱৰ্তী সত্ৰাধিকাৰৰূপে তেৰাৰ ভ্ৰাতৃ মধুৰমূৰ্তিদেৱ অধিকাৰ হৈ সত্ৰ চলাই আছিল। তেতিয়া সত্ৰৰপৰা আঁতৰি গৈছে যদুনন্দনে খুটিয়াপোতাত নমাটি বা নপাম সত্ৰ পাতে। খুটিয়াপোতাত নকৈ পাম কৰাত নপাম সত্ৰ নাম হয়।তাকে ওলটাই আমাক সেই সত্ৰৰ লোকে পুৰণিমাটি নুবুলি পুৰণিপাম বুলি তাচ্ছিল্য কৰে।'

'পুৰ্তমীয়া' বুলি জনাজাত।

**পুৰ্তমীয়া সত্ৰ**

'পুৰুষোত্তম সত্ৰ' চাওক।

**পোৰাভেটি এলেঙি সত্ৰ**

'এলেঙি' চাওক।

**পোহৰদিয়া সত্ৰ**

টিয়ক মৌজাত। বৰবাৰজনীয়া পোহাৰীজী (ব্ৰাহ্মণ বিধবা জোনাকীৰ পুত্ৰ) হৰিচৰণৰ স্থাপিত সত্ৰ।

**ফুলবাৰী (পুনিয়া) সত্ৰ**

গেজেটিয়াৰত হোলোঙাপাৰ মৌজাত এখন পুনিয়া আৰু শালমৰাত চাৰিখনি (মটীয়াবৰীয়া পুনিয়াৰ সত্ৰ, পুনিয়াৰ বৰ সত্ৰ, পুনিয়াৰ মাজু সত্ৰ, পুনিয়াৰ সৰু সত্ৰ), আৰু চাওখাত মৌজাত (বৰ্তমান হাতীগড় মৌজাত বাঘজানৰ পাৰত) এখন ফুলবাৰীৰ নাম দিয়া হৈছে। চাওখাতৰ হাতীগড়ৰ অগ্নিফুলবাৰী বৰবাৰজনীয়া অৰ্থাৎ পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ পৰশুৰামদেৱৰপৰা বঢ়া। বৰকলীয়া পুনিয়া (মাজুলী আৰু ঢেকীয়াখোৱা) আদি ইসকলৰ শাখা সত্ৰ। নগাঁৱৰ 'পুৰুষোত্তম ঠাকুৰৰ জীয়ৰীৰপৰা বঢ়া সত্ৰ' (ফুলবাৰী) চাওক। টিয়কৰ ফুলবাৰী সত্ৰ দক্ষিণপাটেৰে সম্পৰ্কিত।

**বতাৰগএগ সত্ৰ**

চাওখাত মৌজা আৰু মাজুলীৰ শালমৰা মৌজাত দুখন। পিছৰখনি উঠি গৈছে। বাহনা মৌজাৰ ৰংদৈত বতাৰগএগ সৰুবাৰজনীয়া ব্ৰাহ্মণ মহন্তৰ সত্ৰ। বংশীগোপালৰ আজ্ঞাপৰ চতুৰ্ভুজ বাপুৱে বতাৰগএগ সত্ৰ পতা কথা 'সন্ত-সম্প্ৰদা-কথা'ত আছে।

**বৰকটীয়া সত্ৰ**

বালিগাঁও মৌজাত।*

**বৰঢাপকটা সত্ৰ**

'ঢাপকটা' চাওক।

**বৰভেটি**

যোৰহাট চহৰৰ পশ্চিমলৈ ছয়-সাত মাইলমান আঁতৰত মায়ামৰীয়া গোসাঁইৰ বৰভেটি; আৰু তাৰ কাষতে মাজৰ ভেটি আৰু মজীয়া ভেটি। ১৬৯০ শকত অষ্টভুজদেৱে কোবোকানিৰ উত্তৰৰ মালৌ পথাৰত কীৰ্তনঘৰৰ ভেটি কৰাবলৈ মন কৰে। সদিয়াৰপৰা মানাহলৈ মহন্তৰ আঠ লাখ ভকতে মুৰত কালি মুখত হৰিনাম লৈ লৈ প্ৰত্যেকে একোচপৰাকৈ মাটি দিলে। চৌবিশ হাত দ ঠাইত ষাঠি হাত ওখ বৰভেটি

হ'ল। মাটি কটা ঠাইত দুটা পুখুৰী হ'ল। ১৬৯১ শকত মায়ামৰীয়াসকলে বিদ্ৰোহ কৰি ৰমাকান্তক ৰজা পাতে, সেইবোৰ আগৰ কীৰ্তন-ভেটিৰ দক্ষিণত চৌবিশ হাত জোৰা ত্ৰিশ হাত ওখ এক ভেটি বান্ধে। পিছত ৰাঘ' মৰাণ মন্ত্ৰী হৈ ছবিঘামান জোৰা মাজৰ ভেটি তুলি গাগিনী ডেকা মহন্তক দিয়ে।

**বৰসাঁকোপৰা সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত। কালসংহতিৰ সত্ৰ।

**বৰাচুক সৰু এলেঙি সত্ৰ**

'এলেঙি' সত্ৰ।

**বাংশবাৰী সত্ৰ**

গৰখীয়া দ'ল আৰু জাঁজীত আছিল, এতিয়া সৰ্বাইবন্ধাত ভোগদৈৰ সৌপাৰে আছে। কালসংহতিৰ সত্ৰ, আজি-কালি দিহিং নামে জনাজাত থূলৰ সত্ৰ।

**বাঘৰগএগ্রা সত্ৰ**

চৈতন্যপন্থী পুৰুষোত্তমে মাজুলীত পাতিছিল, পিছত নগাঁৱলৈ উঠি যায়।

**বালিচাপৰি সত্ৰ**

তিতাবৰ অঞ্চলৰ বগাগাঁৱত। 'এলেঙি' চাওক।

**বালিপৰীয়া সত্ৰ**

যোৰহাট তহছিলত। বৰবাৰজনীয়া সত্ৰ।

**বাঁহজেঙনি সত্ৰ**

চাওখাত মৌজা কাকজানত দুখন সত্ৰ এলেঙি থূলৰ।

**বিহিম্রপুৰ সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত নৰসিংহৰ ওচৰত আৰু কমলাবাৰী মৌজাত। গোবিন্দ আতাৰ দ্বাৰা স্থাপিত এইখনি সৰু বাৰজনীয়া সত্ৰ। নগাঁৱৰ 'সৰুবাৰজনীয়া সত্ৰ' (বিহ্মপুৰ) চাওক।

**বেঙেনাআটি সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত বৰবাৰজনীয়া মুৰাৰিদেৱৰ স্থাপিত মাজুলীৰ এইখনি এখন প্ৰধান সত্ৰ। শিৱসাগৰৰ দোপদৰ মৌজাত সৰু বেঙেনাআটি আছে (চাওক)। গেজেটিয়াৰৰ মতে সত্ৰৰ লাখেৰাজৰ পৰিমাণ ২,৫০০ একৰ।

**বেলসিধীয়া সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত। বংশীগোপালদেৱৰ আজ্ঞাপৰ

নিত্যানন্দ বাপুৱে বেলসিধীয়া বা বেলসুধীয়া সত্ৰ পাতে।

**ভাগতী সত্ৰ**

মাজুলীৰ শালমৰা মৌজাত মেৰাগড়ৰ পূবে। বৰবাৰজনীয়া পৰমানন্দ ব্ৰাহ্মণ মহন্তৰ সত্ৰ।

**ভোগপুৰ সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কলাবাৰী) মৌজাত। কমলাবাৰী লগত সম্পৰ্ক।

**মজীয়া ভেটি**

'বৰভেটি' চাওক।

**মটীয়াবৰীয়া সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত। বিহিমপুৰেৰে সম্পৰ্ক।

**মটীয়াবৰীয়া পুনিয়া সত্ৰ**

'পুনিয়া', 'ফুলবাৰী' চাওক।

**মদাৰগুৰি সত্ৰ**

বাহানা মৌজাৰ (কলিয়নি) আৰু যোৰহাট তহছিলত (কৰঙা) দুখন, মাজুলীতো (আঁহতগুৰি) এখন বৰবাৰজনীয়া মদাৰগুৰি। বৰবাৰজনীয়া সত্ৰ বাপুৰামদেৱৰ দ্বিতীয়-তৃতীয় পুত্ৰ সহজানন্দ-ৰমানন্দৰপৰা হৈছে।

**মাগুৰমৰা সত্ৰ**

টিয়ক মৌজাত।

**মাজৰভেটি**

'বৰভেটি' চাওক।

**মাহৰা সত্ৰ**

টিয়ক মৌজাত। নগাঁৱৰ 'মাধৱদেৱৰ আজ্ঞাপৰ সত্ৰসমূহ' চাওক।

**মিছিমি সত্ৰ**

যোৰহাট তহছিলত। সৰু বাৰজনীয়া জয়হৰিৰ স্থাপিত সত্ৰ।

**ৰতনপুৰীয়া সত্ৰ**

যোৰহাট তহছিলত। সৰু বাৰজনীয়া সত্ৰ (?)।

**ৰত্নাকৰ সত্ৰ**

শিমলুগুৰি মৌজাত জাঁজী আৰু গৰখীয়া দ'লত। সৰু বাৰজনীয়া ব্ৰাহ্মণ মহন্ত।

**লেটুগ্ৰাম (লেটুগএগ্ৰা) সত্ৰ**

মাজুলীত বেঙেনাআটি আৰু আউনীআটিৰ মাজৰ কোদোবাহীত পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বাপুৰামদেৱে লেটুগ্ৰাম সত্ৰ পাতে। বহুত দিনলৈকে সিঠাইত 'বাপুৰামৰ দ' বুলি এটুকুৰা স্থান চিনাক্ত আছিল। যোৰহাট তহছিল, বালিগাঁও, বাহানা, পৰ্বতীয়া, হেজাৰী আৰু হোলোঙাপাৰ মৌজাত লেটুগ্ৰাম সত্ৰ আছে।*

**শিয়ালমৰা সত্ৰ**

চাওখাত মৌজাত (বৰ্তমান হাতীগড় মৌজাত বাঘজানৰ কাষত)।* দক্ষিণপাটৰ পুৰোহিত সত্ৰ।

**শিলকুছি সত্ৰ**

টিয়ক মৌজাত।*

**শিলপতীয়া সত্ৰ**

পৰ্বতীয়া মৌজাত* টিলিকিআমত। কমলাবাৰীৰ পৰা বঢ়া সত্ৰ।

**শ্ৰৱণী সত্ৰ**

পৰ্বতীয়া মৌজাত* টিলিকিআমত আৰু নগৰৰ ওচৰৰ নকাঁড়ী গাঁৱত। বংশীগোপালদেৱৰপৰা বঢ়া।

**সৰু গড়মূৰ সত্ৰ**

গড়মূৰৰ সত্ৰাধিকাৰ জয়ৰামদেৱৰ সময়ত (১৬২৬-৪১ শক) বংশীগোপালদেৱৰ বংশ অসমত নাইকিয়া হোৱাত তেওঁৰ পূৰ্বপুৰুষৰ এটি ঠালৰ এজন ডেকা আনি গড়মূৰ সত্ৰৰ ওচৰতে সৰুগড়মূৰ সত্ৰ পাতি দিয়ে। এতিয়া নাই।

**সৰু ঢাপকটা সত্ৰ**

'ঢাপকটা' চাওক।

**সৰু সাঁকোপৰা সত্ৰ**

মাজুলীৰ শালমৰা (এতিয়া কমলাবাৰী) মৌজাত।

**সাউদকুছি সত্ৰ**

বাহানা মৌজাত কেন্দুগুৰিত তিনিখনি আৰু কাকজানত এখনি সাউদকুছি বৰ্তমান আছে। সাউদকুছি সত্ৰ বৰবাৰজনীয়া হৰিচৰণদেৱৰপৰা বঢ়া, মূলতে কামৰূপত, তাৰ পিছত মাজুলীত আছিল।[১]

১ শ্ৰীশ্ৰী মিত্ৰদেৱ মহন্ত অধিকাৰ (লেটুগ্ৰাম সত্ৰ, যোৰহাট), শ্ৰীদেৱকান্ত মহন্ত (মণাগুৰি, গোলাঘাট), শ্ৰীশ্ৰীবংশীধৰ অধিকাৰ (চামগুৰি, মাজুলী), শ্ৰীশ্ৰীআউনীআটীৰ সত্ৰাধিকাৰ আৰু বৈষ্ণৱ দুগৰাকীমান, শ্ৰীডিম্বেশ্বৰ মহন্ত (ধুকুবিল সত্ৰ, সোণাৰি), এইসকলৰপৰা

## শাক্ত সত্ৰ

মুকলিমূৰীয়া গোসাঁই ঃ স্বৰ্গদেৱ গদাধৰসিংহৰ দিনত মুকলিমূৰীয়া গোসাঁইৰ আদি পুৰুষ পদ্মনাথ ভট্টাচাৰ্য ন্যায়বাগীশ প্ৰয়াগৰ বেলতলা গাঁৱৰপৰা আহে বুলি কোৱা হয়। তেওঁ নীলাচল ভুৱনেশ্বৰী মন্দিৰত সাধনা কৰিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱ ঢুকাবৰ তিনি দিনৰ আগতে তেওঁ বোলে সেইটি ভৱিষ্যদ্বাণী কৰিছিল কাৰণে মন্ত্ৰীসকলে তেওঁক ৰখীয়া দি থৈছিল। কথা সঁচা হোৱাত শিৱসিংহ ৰজাই মাহাত্ম্য দেখি তেওঁক চাৰিশ ৰূপ, এশ তোলা সোণ আৰু খাটনিয়াৰ-ৰূপে দহঘৰ মানুহ দিয়ে।[২] স্থানীয় আৰ্হিত মুকলিমূৰীয়া গোসাঁইৰ টৌলক সত্ৰ বোলা হয়।

ন গোসাঁই ঃ একমতে, ন গোসাঁইসকলৰ আদি পুৰুষোত্তম আচাৰ্যই ৰাজেশ্বৰসিংহৰ ৰাজত্বকালত মাজুলীৰ পঞ্চমৰাত সত্ৰ পাতে। এওঁৰ পুত্ৰ ৰমানন্দ আচাৰ্যই লক্ষ্মীসিংহ স্বৰ্গদেৱক দীক্ষা দি গুৰু হয়। এওঁক নকৈ শাক্ত গোসাঁই পতা বাবে ন গোসাঁই নামে জনাজাত হয়। কাশীনাথ তামুলী ফুকনৰ মতে ন গোসাঁই নাতি গোসাঁইৰ শিষ্য আছিল। লক্ষ্মীসিংহৰপৰা আৰম্ভ কৰি স্বৰ্গদেওসকলে ন গোসাঁইক বহুত মাটি-বৃত্তি দিয়াৰ উপৰিও সদিয়াৰ তাম্ৰেশ্বৰী, শিৱসাগৰৰ গৌৰীবল্লভ, কামৰূপৰ উমানন্দ, দীৰ্ঘেশ্বৰী, চন্দ্ৰশেখৰ, জয়দুৰ্গা (কেদাৰপৰ্বত), বাণেশ্বৰ আদি দেৱালয়ৰ অধিকাৰ পাতে। বৰ্তমান ইসকলৰ অধিকাৰ গৌৰীবল্লভ, বাণেশ্বৰ আৰু চন্দ্ৰশেখৰত মাত্ৰ আছে।[৩] মুকলিমূৰীয়া শাক্ত গোসাঁইসকলৰ এটি শাখা গৰখীয়াদ'লত আছে।

## বৌদ্ধ বিহাৰ

যোৰহাটত পুৰণি বৌদ্ধ মন্দিৰ নাই। তিতাবৰ-খৰিকটীয়া-বৰহোলাত কেইখনিমান তুৰুং আৰু নৰা মানুহৰ গাঁও আছে। সিবিলাকৰ গাঁৱে গাঁৱে বৈষ্ণৱ নামঘৰৰ দৰে একোখনি বৌদ্ধবিহাৰ আছে। তিতাবৰৰ বালিজান গাঁৱৰ বিহাৰত (১৯৬৫ মাৰ্চত পুনৰ্নিৰ্মিত) মিঙিমাহা বন্দুলাই দিয়া বুদ্ধ-মূৰ্তি এটি আছে।

**ম.নে.**

আৰু ডক্টৰ মহেশ্বৰ নেওগ-সম্পাদিত "শ্ৰীশ্ৰীবংশীগোপালদেৱৰ চৰিত্ৰ" (পাতনি অংশ), বিভুনাথৰ "বৰজুনা", গোবিন্দ দাসৰ "সন্ত সম্প্ৰদায়-কথা", B.C. Allen চাহাবৰ *Assam District Gazetteers*, VII (1905) আদিৰপৰা সহায় লোৱা হৈছে। গেজেটিয়াৰত থকা মৌজাৰ নাম অনেক ঠাইত সেইদৰে ৰখা গ'ল বৰ্তমান পৰিস্থিতিৰ সম্পৰ্কে স্পষ্টকৈ জানিব নোৱাৰাত। য়াৰ ভিতৰত দুই-এখনি সত্ৰ নতুন বিভাগমতে আন মৌজাত পৰিব পাৰে। গেজেটিয়াৰৰপৰা লোৱা খবৰ বুজাবলৈ ওপৰত তৰা-চিন দিয়া হৈছে।

২ শ্ৰীসৰ্বানন্দ ৰাজকুমাৰৰ টোকাৰপৰা।

৩ শ্ৰীসৰ্বানন্দ ৰাজকুমাৰৰ টোকাৰপৰা।

## গীৰ্জা

### চেনিমৰা গীৰ্জা (অল্ ছেইন্ট্ছ চাৰ্চ্)

এই গীৰ্জাঘৰটো চেনিমৰা বাগিচাৰ উত্তৰ-পশ্চিম চুকত গড়আলিৰ দাঁতিত অৱস্থিত। এই গীৰ্জাটোক All Saints' Church অৰ্থাৎ সকলো সন্তৰ ঘৰ বুলি কয়। ব্ৰিটিংশ চৰকাৰে অসম দেশৰ শাসনভাৰ লোৱাত কলিকতাৰ বিশ্বপৰ (Bishop of Calcutta) তত্ত্বাৱধানত অসমখন দিয়া হ'ল অসমত থকা খ্ৰষ্টিয়ান চাহাবসকলৰ ধৰ্মবিষয়ক কাম চলাবলৈ। ১৮৯৫ খ্ৰীষ্টাব্দত কলিকতাৰ বিশ্বপৰ নিৰ্দেশত যোৰহাটৰ চেনিমৰাত এটা সৰু গীৰ্জাঘৰ সজা হ'ল। এই গীৰ্জাটো সাজিবলৈ যোৰহাটৰ টি কোম্পানীৰ ছুপাৰিণ্টেণ্ডেণ্ট্ মিষ্টাৰ হুট্মেনে বিলাতত থকা বোৰ্ডলৈ লিখি চেনিমৰা বাগিচাৰ এক একৰ মাটি গীৰ্জা সাজিবলৈ হুকুম আনি দিলে। সেই মাটিতে গীৰ্জাটো এতিয়াও আছে। এই মাটিৰ দান-পত্ৰ ১৯০৩ চনত চৰকাৰীভাৱে দিয়া হয়। ১৯১০ চনত এই গীৰ্জাটো জুই লাগি পোৰে। তেতিয়াৰ যোৰহাট টি কোম্পানীৰ ছুপাৰিণ্টেণ্ডেণ্ট্ মিষ্টাৰ মিলাৰে বিলাতৰ বোৰ্ডৰ অনুমতি লৈ ১৯১১ চনৰ ছেপ্টেম্বৰ মাহত এই গীৰ্জাটো নকৈ সাজিলে। এইবাৰ এই গীৰ্জাটো সাজিবলৈ তেতিয়াৰ অসম চৰকাৰে ১,৫৫০ টকা দিয়ে আৰু যোৰহাটৰ টি কোম্পানী ৫০০ টকা দিয়ে। ১৯২৪ চনত যোৰহাট টি কোম্পানীয়ে এই গীৰ্জাটোক এটা ডাঙৰ ঘণ্টা দিয়ে।[১]

ন.ভূ.

### এমেৰিকান্ বেপটিষ্ট্ ফৰেইন্ মিছন্ চাৰ্চ্

টোকোলাইৰ এই গীৰ্জাৰ (American Baptist Foreign Mission Church) বুৰঞ্জী বৰ পুৰণি নহয়। ১৯০৩ চনমানত ৰেভাৰেণ্ড এছ্.এ.ডি-বগ্ছ্ নামে এমেৰিকান বেপ্টিষ্ট পাদুৰী এজনে যোৰহাটক কেন্দ্ৰ কৰি এটি মণ্ডলী কৰি টোকোলাই ৰজাবাৰীত বাইবেল শিক্ষাৰ পঢ়াশালি এখন কৰে। তাৰপৰাই ১৯০৫ চনত উপাসনাৰ কেন্দ্ৰৰূপে এখনি গীৰ্জা হয়। বাইবেল পঢ়াশালিৰ লগতে ক্ৰমে প্ৰাথমিক, মজলীয়া আৰু হাইস্কুল হৈ উঠে আৰু বিশেষকৈ জনজাতীয় ছাত্ৰসকলৰ কাৰণে নানা হাতৰ কামৰ শিক্ষাৰে এটি সুন্দৰ শিক্ষাকেন্দ্ৰ হৈ পৰে। বিশেষকৈ দ্বিতীয় মহাসমৰৰ সময়ৰপৰা অসমৰ চুকে-কোণে স্কুলসমূহ হৈ পৰাত ইয়াৰ ছাত্ৰাবাসযুক্ত হাই স্কুলখন গুচাই পেলোৱা হয় আৰু তাৰ ঠাইত ইষ্টাৰ্ণ থিওলজিকেল্ কলেজ নামে এটি ধৰ্মশিক্ষাৰ উচ্চানুষ্ঠান পতা হয়।[২]

১ এই টোকা যোৰহাট টি কোম্পানীৰ বুৰঞ্জী আৰু তেজপুৰ চেপ্লেইন্ ৰেভাৰেণ্ড এফ্. বাইণ্ডৰ চিঠিৰপৰা যুগুত কৰা।

২ এইটি টোকাৰ সমল যোৰহাটৰ শ্ৰী চি. গোল্ডস্মিথৰপৰা পোৱা।

## অন্যান্য

### দিচৈ নৈ

দিচৈ বা ভোগদৈ নৈকো যে এদিন পবিত্ৰ জ্ঞান কৰি পূজা কৰা হৈছিল এই কথা বেডে উল্লেখ কৰিছে। মায়ামৰীয়া ৰণুৱাই দিচৈ কোঠ পোন্ধৰ দিন অবৰোধ কৰি ৰখাত পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে দিচৈক পূজা দিবলৈ ব্ৰাহ্মণসকলক আদেশ কৰে। সিদিনাই হেনো দিচৈ বাঢ়ি আহি কোঠাত আবদ্ধ থকা লোকসকলক খৰি দ'মাই দিয়েহি।

ম.নে.

# গোলাঘাট

**নেঘেৰীটিঙৰ শিৱদ'ল**

শিৱসাগৰ জিলাৰ যোৰহাটৰ অন্তৰ্গত পশ্চিমে থকা ভালুকমৰাৰ (গটঙা)পৰা গোলাঘাটৰ পশ্চিমৰ মিকিৰ পৰ্বতলৈকে ঠায়ে ঠায়ে একোটা ওখ-চাপৰ টিলা দেখা যায়। দেৰগাঁৱৰ ওচৰত ব্ৰহ্মপুত্ৰ নৈৰ দাঁতিতো, বিশেষকৈ শিৱদ'ল থকা অঞ্চলত এনে টিলা আছে। অৱশ্যে বহুতো টিলা জয়ধ্বজসিংহৰ দিনত, কিবা প্ৰাকৃতিক বিপৰ্যয়ত দিহিং নৈ আৰু লুইত নৈ বৰ্তমান দিহিংমুখত মিল হৈ এক বিশাল লুইত বা ব্ৰহ্মপুত্ৰ হৈ উত্তৰৰপৰা দক্ষিণলৈ আহি দিখৌ নৈখন ছিঙি মাজুলীখন তৈয়াৰ কৰি বৈ যাওঁতে, এনেকুৱা টিলা বহুতো ব্ৰহ্মপুত্ৰই খহাই নিলে। নেঘেৰী নামৰ এবিধ টিপ্ টিপ্‌কৈ শব্দ কৰা চৰাই আছে। এই জাতিৰ চৰাই এই ঠাইত বহুতো থকাত মানুহে নেঘেৰী চৰাইৰ খোৰোং বুলি এই ঠাইৰ নাম নেঘেৰী দিছিল বুলি লোকে কয়। নতুবা,নটীয়ে নাচোঁতে মূৰৰ মাজতে ওখকৈ খোপা বান্ধিছিল। সেই খোপাটোৰ নাম নেঘেৰী খোপা। খোপাৰ ওপৰত ওৰণিৰ দৰে কাপোৰ লৈ নাচোঁতে, এটা ধুনীয়া সৰু টিং যেন দেখি। ব্ৰহ্মপুত্ৰ নৈৰ দাঁতিত কেয়োফালে সমান দ ঠাইৰ মাজত এই টিলাবিলাকো নাচনী তিৰোতাৰ মূৰৰ ওপৰৰ নেঘেৰী খোপাটোৰ দৰে দেখাত মানুহে এই টিলাবিলাক নেঘেৰী খোপাৰ টিং বা নেঘেৰী টিং বুলি নাম দিলে। ওপৰত উল্লেখ কৰা কথা দুটাৰপৰাই, এই ঠাইত টিলাবিলাকৰ নাম নেঘেৰীটিং হ'ল বুলি অনুমান হয়।

বৰ্তমান নেঘেৰিটিং শিৱদ'ললৈ যোৰহাটৰপৰা ১৭ মাইল আৰু গোলাঘাটৰপৰা ১৪ মাইল দূৰ। ট্ৰাঙ্কৰোডৰপৰা এমাইল উত্তৰে ব্ৰহ্মপুত্ৰৰ ওচৰত এই দ'লৰ টিলাত থিয় হ'লে ব্ৰহ্মপুত্ৰ নৈখন দেখা যায়। এই দ'লত থকা শিৱলিঙ্গ প্ৰায় তিনি ফুট ওখ আৰু তিনি ফুট শকত, বাণলিঙ্গ বুলি জনাজাত।

জয়ধ্বজ ৰজাৰ দিনত, বৰ্তমান দিহিংমুখত লুইত আৰু দিহিং লগ লাগি মাজুলী দ্বীপ তৈয়াৰ কৰি বিশাল ব্ৰহ্মপুত্ৰ নৈখনৰ এটা ডাঙৰ সোঁত দক্ষিণলৈকে অহাৰ আগতে লুইত ব্ৰহ্মপুত্ৰ উত্তৰে বৈছিল। লুইতৰ দক্ষিণে, দিখৌৰ উত্তৰে দিহিং নৈখন বৈ গৈ কাজিৰঙাৰ ওচৰত লুইত বা ব্ৰহ্মপুত্ৰত পৰিছিল। তেতিয়া বৰ্তমানৰ নেঘেৰীটিং নামৰ ঠাইখন দিহিং নৈৰ দক্ষিণ পাৰে আছিল। এই দিহিং নৈৰ দক্ষিণ পাৰত এটা শিলৰ শিৱমন্দিৰ আছিল। তেজপুৰত শিলৰ ঘৰ-মন্দিৰ কৰোঁতে বা নুমলীগড়ৰ দেওপৰ্বতত শিলেৰে শিৱমন্দিৰ

*কৰোঁতে তাৰ আগতে বা পাছতে এইটো শিৱ-মন্দিৰ কৰা হৈছিল বুলি অনুমান হয়। তেতিয়া হ'লে এই শিৱ-মন্দিৰটো অষ্ট কি নৱম শতিকাত কৰাইছিল বুলি ধৰিব পাৰি।* আহোম ৰাজত্বৰ অভ্যুদয়ৰ আগতে, কিবা প্ৰাকৃতিক বিপৰ্যয়ত এই মন্দিৰটো ভাগি শিৱ-লিঙ্গ এটা সেই ঠাইৰ গেজেপনিমৰা হাবিৰ মাজত পৰি আছিল। আহোম ৰাজশক্তিয়ে কছাৰীসকলক ধনশিৰি নৈৰ পশ্চিমলৈ খেদি নিয়াৰ পাছত স্বৰ্গদেউ বুদ্ধিস্বৰ্গনাৰায়ণে (চুচেংফা) এই শিৱলিঙ্গৰ সম্ভেদ পাই তাত মন্দিৰ সাজি পূজা-সেৱা কৰাৰ ব্যৱস্থা কৰিলে। ইয়াৰ পাছত ষোড়শ শতিকাৰ মাজভাগত, স্বৰ্গদেউ জয়ধ্বজসিংহৰ দিনত দিহিঙে লুইতে মিলি বিশাল বৰনৈ হৈ এই শিৱমন্দিৰ ভাঙি খহাই পেলালে। তেতিয়া মন্দিৰ ভাগি যোৱাত শিৱলিঙ্গ বৰনৈয়ে খহাই দ কৰা ঠাইত পানীত ডুব গৈ থাকিল। এই ঠাইডোখৰ শীতল-নেঘেৰী নামে জনাজাত। এই শীতল-নেঘেৰী ঠাইখন ব্ৰহ্মপুত্ৰৰ দাঁতিত বহল চাপৰিৰ পথাৰ। এই বাণলিঙ্গৰ বিষয়ে আৰু এটা গল্প শুনা যায়। অতি পুৰণি কালতে ঔৰ্ব নামে এজনা ঋষিয়ে এই ঠাইত দ্বিতীয় কাশী প্ৰতিষ্ঠা কৰিবলৈ অসংখ্য শিৱলিঙ্গ প্ৰতিষ্ঠা কৰি ঘাই বাণ-লিঙ্গক পূজা কৰিছিল। কোনো কাৰণত সেই ঋষিয়ে এই ঠাইত কাশীধাম কৰিব নোৱাৰিলে। এই বাণলিঙ্গৰ মাহাত্ম্য আৰু শীতল নেঘেৰীটিঙৰ পানীৰ তলতে পৰি থকা শুনি অষ্টাদশ শতিকাৰ শেষ ভাগত ৰাজেশ্বৰসিংহই বৰ্তমান ঠাইৰ টিলাৰ ওপৰত অতি সুন্দৰ কাৰুকাৰ্যৰে এটা দ'ল সজায়। এই দ'লটো ইটা আৰু পুৰণি ভগা দ'লৰ শিলেৰে সজোৱা বুলি জনা যায়। পুৰণি দ'লৰ শিল বৰ্তমান দ'লৰ খট্‌খটিত দেখা যায়। এই নেঘেৰিটিঙৰ দ'লটো শিৱসাগৰত থকা দ'লবিলাকতকৈও ধুনীয়া। দ'লৰ বেৰত নানা তৰহৰ মূৰ্তি কটা আছে। ঘাই ডাঙৰ দ'লটোৰ দুই কাষে আৰু সৰু সৰু চাৰিটা দ'ল আছে। মূল দ'লত বাণলিঙ্গ প্ৰতিষ্ঠা কৰা হৈছে। আৰু সৰু দ'লকেইটাত পঞ্চদেৱতা অৰ্থাৎ বিষ্ণু, সূৰ্য, গণেশ আৰু দুৰ্গাৰ মূৰ্তি প্ৰতিষ্ঠা কৰা হৈছে। প্ৰত্যেকটো দ'লৰে এটি এটি আগচ'ৰা আছে।

শুনা যায়, স্বৰ্গদেউ ৰাজেশ্বৰসিংহই দ'লহে কৰালে, শিৱলিঙ্গ প্ৰতিষ্ঠা কৰাৰ আগতে স্বৰ্গী হ'ল। পাছত স্বৰ্গদেউ লক্ষ্মীসিংহইহে এই দ'লতে বাণলিঙ্গ প্ৰতিষ্ঠা কৰে। মন্দিৰৰ ভিতৰত এচটা ডাঙৰ শিলৰ ওপৰত বাণলিঙ্গ প্ৰতিষ্ঠা কৰা আছে আৰু বাণলিঙ্গৰ কেয়োফালে বহুতো শিৱলিঙ্গ আছে বুলি শুনিছো। এই শিৱমন্দিৰৰ আদি পূজাৰিজন ভূধৰ আগমাচাৰ্য। এওঁ কন্দলি গোসাঁই আৰু মধুমিশ্ৰ গোসাঁইৰ আদি পুৰুষেৰে সৈতে একেলগে কান্যকুব্জৰপৰা অসমলৈ অহা বুলি কয়। মন্দিৰৰ বৰ্তমান পূজাৰিসকল আগমাচাৰ্যৰ বংশধৰ। প্ৰথমতে বুদ্ধিস্বৰ্গনাৰায়ণে শীতল-নেঘেৰীত, এই ভগা শিৱমন্দিৰটো নকৈ সাজি তাত বাণলিঙ্গ প্ৰতিষ্ঠা কৰোঁতে ভূধৰ আগমাচাৰ্যক পূজাৰি নিয়োগ কৰিছিল বুলি জনা যায়। এই পূজাৰিজনক বৰঠাকুৰ উপাধি দিয়া হয়। আৰু কেতিয়াবা অশৌচ আদিত বৰঠাকুৰৰ ঘৰে পূজা কৰিব নোৱাৰিলে আৰু এঘৰ সং

ব্ৰাহ্মণক পাত্ৰ-ঠাকুৰ কৰি সেই অশৌচৰ সময়ত পূজা কৰিবলৈ নিয়োগ কৰে। এই বংশতে ৰজাই কেইজনমান লোকক দেৱলীয়া বৰুৱা, মলীয়া বৰুৱা আৰু খঙ্গীয়া বৰুৱা পাতে। স্বৰ্গদেউসকলে নেঘেৰীটিঙৰ শিৱদ'ললৈ বৰঠাকুৰ পাত্ৰ-ঠাকুৰৰ উপৰিও কেইবাখনো অন্য মানুহৰ গাঁও খেতি আদি কৰি বস্তু যোগাবলৈ, আৰু নটৰ গাঁও এখন দিছিল শিৱ-দ'লতে গীত-বাদ্য কৰিবলৈ। আৰু এই দ'লৰ বাবে ভালেমান খাত-পাম দিছিল। এই খাত-পামৰ সীমা নেঘেৰীটিঙৰ দক্ষিণে ঢেকিয়াল'লকে আছিল বুলি কয়। তাত বৰঠাকুৰ পাত্ৰ-ঠাকুৰসকলৰে গাঁও হোৱাত সেই ঠাইডোখৰ দেৱশৰ্মাৰ গাঁও অৰ্থাৎ দেৱৰ গ্ৰাম এতিয়া 'দেৰগাঁও' হয় বুলি কয়। আনমতে সেই ঠাইডোখৰ দেৱতা শিৱক দিয়াৰ বাবে দেৱৰ গাঁও বা বৰ্তমান 'দেৰগাঁও' হ'ল।

স্বৰ্গদেউসকলে এই বাণলিঙ্গক বিশেষ শ্ৰদ্ধা কৰিছিল। ৰজাই খোৱাৰ আগতে নেঘেৰীটিং শিৱদ'লৰ নিৰ্মালি লোৱাৰ ব্যৱস্থা কৰি নেঘেৰীটিঙৰপৰা আগতে শিৱদ'লৰ নিৰ্মালি স্বৰ্গদেৱক দিয়া হৈছিল। এই আলিটোৰ চিন ঠায়ে ঠায়ে এতিয়াও আছে।[১]

### নুমলীগড় শিৱদ'ল

ষোড়শ শতিকাৰ আদিতে ধনশিৰি নৈৰ পশ্চিম পাৰে মকৰঙৰ ওচৰত কছাৰী ৰজা ডেটচুঙে ৰাজত্ব কৰি আছিল। সেই সময়ত মকৰংখন অধিকাৰ কৰা লৈ কছাৰী আৰু আহোমৰ ৰণ লাগে। কছাৰী ৰণত হাৰে। কছাৰীৰ সুন্দৰী তৰুণী নুমলী আহোম ৰজা চুহুংমুং বা স্বৰ্গনাৰায়ণৰ হাতত পৰে। নুমলীৰ লগত ধনশিৰিৰ পশ্চিমপাৰে প্ৰায় ছমাহ থাকি স্বৰ্গদেৱে নুমলী কুঁৱৰীক সেই ঠাইৰ অধিকাৰ পাতি গড়গাঁৱলৈ ঘূৰি আহে। কছাৰী ৰজাই ধনশিৰিৰ পশ্চিম পাৰে ৰাজধানী পাতোঁতে তেওঁবিলাকে দক্ষিণে থকা মিকিৰ পৰ্বতৰপৰা পূবে ধনশিৰি নৈৰ দাঁতিয়ে দাঁতিয়ে আহি বৰ্তমানৰ উত্তৰে থকা ট্ৰাঙ্কৰোডৰ দাঁতিয়ে দাঁতিয়ে গৈ, পশ্চিমৰ লখৌৰেদি এটা ইটাগড় মাৰি আকৌ দক্ষিণৰ মিকিৰ পাহাৰত লগাই দিছিল। এই গড়ৰ ভিতৰতে বৰ্তমান নুমলীগড় বাগান থকা ঠাইডোখৰত কোঠালি কোঠালিকৈ কেইবাটাও মাটিৰ গড় মাৰি নুমলী কুঁৱৰীক থাকিবলৈ দিছিল। নুমলী কুঁৱৰী তাত তকা বাবেই এই ঠাইখনক নুমলীগড় বোলে। অৱশ্যে পাছত নুমলী কুঁৱৰীয়ে ঘোঁৰাত উঠি বিহুৱা বিলত জাপ দি আত্মহত্যা কৰিলে। এই নুমলীগড় ঠাইখন ধনশিৰি নৈৰ পশ্চিম পাৰত আৰু ট্ৰাঙ্কৰোডৰ দক্ষিণত, শিৱসাগৰ জিলাৰ গোলাঘাটৰ অন্তৰ্গত। গোলাঘাট নগৰৰ পৰা ইয়ালৈ ২২ মাইল আৰু যোৰহাটৰপৰা ইয়ালৈ ৩২ মাইল দূৰ।

---

১ নেঘেৰিটিং শিৱ-মন্দিৰ সম্পৰ্কে *Annual Report of the Archaeological Survey of India*, 1924-25; চন্দ্ৰধৰ বৰুৱাৰ প্ৰবন্ধ "The Negritting temple" (*Journal of Assam Research Society*, Vol. VII); আৰু ডক্টৰ মহেশ্বৰ নেওগৰ প্ৰবন্ধ "Saivism in Assam" (*Oriental Thought*, Poona, Vol. 1) চাওক।

ট্ৰাঙ্কৰোডৰ দক্ষিণে, নুমলীগড় বাগানৰ মাজেদি প্ৰায় দুমাইল গৈ, পুৰণি ইটাগড়ৰ ভিতৰত থকা দেও-পৰ্বত নামৰ মিকিৰ পৰ্বতৰে এটা ঠেঙুলিত এটি পুৰণি শিলৰ মন্দিৰ ভাগি পৰি আছে। এই মন্দিৰটি শিৱলিঙ্গ থকা শিৱমন্দিৰ আছিল। তাত দেৱতা শিৱ থকাৰ বাবেই, ইয়াক দেৱ বা দেও-পৰ্বত বোলে। এই মন্দিৰটি ওখ-ডাঙৰ মন্দিৰ আছিল যে তাত সন্দেহ নাই। মন্দিৰৰ ভগা শিলবিলাকেই ভালেমান ঠাই জুৰি আছে। এই মন্দিৰৰপৰা প্ৰায় আধামাইলৰ ভিতৰত ৰাংছালি নৈখন। এই নৈখনৰ দুয়োপাৰে ভালেমান শিলৰ খাজকটা চেপেটা চেপেটা চটা আছে। সেইবিলাক বোধকৰোঁ কোনো দলং, ঘৰ বা মন্দিৰ সাজিবলৈ কটা হৈছিল। বিশেষজ্ঞসকলে এই মন্দিৰৰ গাত কটা মূৰ্তিবিলাক পৰীক্ষা কৰি ভাৰতৰ গুপ্তবংশীয় সংস্কৃতিৰ নিদৰ্শন বুলি কৈছে। মূৰ্তিবিলাকৰ হাত, ভৰি, মূৰ, মুখ, নাক, চকু, চেলাউৰি, কপাল আদি অতি উচ্চ শিল্পৰ কাৰুকায বুলি কয়। মন্দিৰৰ ওপৰত থকা শিলৰ চালখন দেখিবলৈ অতি ধুনীয়া, এতিয়াও শিলচটা কোনোবাই পাৰি থোৱাৰ দৰে আছে। শিলচটা দীঘে পথালিয়ে প্ৰায় ১৩$^{১}/_{২}$ X ১২$^{১}/_{২}$ আৰু ডাঠে $^{৪}/_{৫}$ ফুট। ওপৰৰ ওচৰৰ পৰ্বতত থকা শিলৰ চটাবিলাকত মাজে মাজে আখৰ দেখা যায়। পঢ়িবলৈ টান। এইখিনিতে ক'ব লাগিব, এই শিলৰ মন্দিৰটো কছাৰীয়ে ইয়াত ৰাজত্ব কৰা আৰু আহোমে ৰাজত্ব কৰাৰ কেইবাশতিকাৰো আগতেই সজা হৈছিল।

ভাৰত চৰকাৰৰ আৰ্কিওলজিকেল ডিপাৰ্টমেণ্টৰ আৰ. ডি. বেনাৰ্জীয়ে তেজপুৰত ভাগি পৰি থকা শিলৰ ঘৰ মন্দিৰ আদি অষ্টম-নৱম শতিকাৰ কাৰুকাৰ্যৰ বুলি কয়। নুমলীগড়ৰ দেও-পৰ্বতৰ ভগা মন্দিৰটোও তেজপুৰৰ শিলৰ মন্দিৰৰে কাৰুকাৰ্যৰে একে বুলি বিশেষজ্ঞসকলে কৈছে। গতিকে এই মন্দিৰটোত তেতিয়াই বা তাৰ পাছতে সজা বুলি বিশ্বাস হয়। তেতিয়াহ'লে নৱম শতিকাৰ আদিতে তেজপুৰত ৰাজধানী পাতি ৰাজত্ব কৰা হৰ্জ্জৰবৰ্মা বা তেওঁৰ পাছৰ কোনোবা ৰজাই এই মন্দিৰটো নিৰ্মাণ কৰিছিল আৰু এটা ডাঙৰ ভূমিকম্পত এই মন্দিৰটো ভাগি পৰিল বুলি অনুমান হয়। মন্দিৰটোৰ ভগা শিলৰ তলত কি কি নতুন বস্তু আছে কোনোৱে ক'ব নোৱাৰে। জনা যায় বহুত বছৰ দেও-পৰ্বতৰ ওপৰত শিৱমন্দিৰ ভাগি পৰি থকাৰ পাছত এজন স্থানীয় সৎ ব্ৰাহ্মণে (নাৰায়ণ কন্দলি ঠাকুৰ) ১৭৪৮ শকমানত ভগা মন্দিৰৰপৰা শিৱলিঙ্গ আনি দেওপৰ্বতৰ নামনিত উত্তৰ-পশ্চিম সমভূমিত এটি সৰু খেৰৰ ঘৰ সাজি স্থাপন কৰেহি, আৰু তেওঁ তাত দৈনিক পূজা কৰিবলৈ লয়। তেওঁৰ পাছত, তেওঁৰে পো-নাতিয়ে এইজনা শিৱলিঙ্গক দৈনিক পূজা কৰি আহিছে। ইয়ালৈ সদায় যাত্ৰী আহে। শিৱ-চতুৰ্দশী সমাৰোহেৰে হয়। *শিৱলিঙ্গৰ এই নতুন স্থানক এতিয়া 'বাবাস্থান' নাম দিলে ওচৰৰ নুমলীগড় বিহৰা আৰু বৰচাপৰি বাগানৰ বনুৱাসকলে। এবাৰ নুমলীগড় বাগানৰ বনুৱাসকলৰ মাজত হাইজা* বেমাৰ হৈ বহুত মানুহ মৰে। তেতিয়া আহিন মাহ, দুৰ্গাপূজা হৈছিল। শিৱমন্দিৰ যদিও দুৰ্গাপূজাত গোসানীৰ বিগ্ৰহত পূজা কৰে। অৱশ্যে দুৰ্গা গোসানীৰ মূৰ্তি সাজি নহয়।

তেতিয়া বনুৱাবিলাকৰ অনুৰোধত নুমলীগড় বাগানৰ মেনেজাৰে নৱমীৰ পূজাত বৰ বলি দিয়ে বাগানৰ হৈ। সেই প্ৰথা এতিয়াও চলি আছে। দুৰ্গাপূজাৰ নৱমীৰ দিনা এতিয়াও বাগানৰ বলি আৰু নৈবেদ্য যায় আৰু বাগানৰ মেনেজাৰে ঘৰ সজাত আৰু আন আন প্ৰকাৰেও বাবাস্থানক সহায় কৰি থাকে। বৰ্তমান বাবাস্থানৰ ঘৰটো টিনৰ।[১]

## কোটোহাগুৰি দ'ল

গোলাঘাট নগৰৰ পৰা দক্ষিণে তিনিমাইলমান দূৰৈত আঠগাঁও মৌজাৰ হামদৈ পথাৰত এই দেৱালয় আছে। এই বাবেই অনেকে এই দেৱালয়ক হামদৈ গোসানী থান বোলে। এই দেৱালয়খনি ৰাইজে স্থাপন কৰাহে। এই দেৱালয় থকা ঠাইত পাঁচজোপা কাঁইটীয়া কোঁটোহা বাঁহ আছিল। এতিয়াও ইয়াত কোঁটোহা বাঁহ আছে।

মানে আক্ৰমণ কৰাৰ আগতে ইয়াত এখন বহু-গাঁও আছিল। মানৰ আক্ৰমণত (১৮১৯-২৩ চন) এই গাঁৱৰ মানুহবিলাক যেনি তেনি পলাই গ'ল। মানৰ পাছত ইংৰাজ আহলেও, এই অঞ্চলত কোনো ঠাইত মানুহে খেতি-পথাৰ কৰিবলৈ ল'লেহি। কিন্তু সৰহভাগ মাটি ওচৰৰ গাঁৱৰ মানুহবিলাকে গৰু-ম'হ চৰাবলৈ চৰণীয়া ঠাই কৰি ল'লে। ঠায়ে ঠায়ে তেতিয়া এই ঠাইত ভালেমান কোৰোকানি আছিল। তেতিয়া সেই মুকলি ঠাইত ওচৰৰ গাঁওকেইখনৰ বহুতো গৰখীয়া ল'ৰাই গৰু-ম'হ চৰিবলৈ মেলি দিয়েহি আৰু গৰখীয়া ল'ৰাবোৰে তাত থকা বৰগছৰ তলত আৰু ওচৰত থকা কোঁটোহা বাঁহৰ তলত ধেমালি-ধুমুলা কৰি থাকে। ধেমালিৰ ভিতৰত ফৰিং আৰু মাগুৰ-কাৱৈ-গৰৈ মাছ ধৰি বলি দি পূজা কৰাও এবিধ আছিল। ধেমালৰি পূজাতো মাটিৰ মূৰ্তি সাজি ফুল, বেলপাত আদি দিছিল। ল'ৰাবিলাকৰ পূজা কৰা ঠাই আছিল সেই কোটোহা বাঁহজোপাৰ তল। গৰখীয়া ল'ৰাবিলাকৰমাজত এটা ডাঙৰ আৰু বলী গৰখীয়া ল'ৰা আছিল। তাৰ নাম মধু। মধুৱে নিজে একো কাম নকৰে, ল'ৰাবিলাকৰ হতুৱাই সকলো কাম কৰায় লয়। আন কি ল'ৰাবিলাকে গোটাই অনা ফৰিং আৰু মাছ কাঢ়ি লৈ সিহে সিহঁতৰ পূজাত বলি দিছিল। এইবাবে ল'ৰাবিলাকৰ লগত দন্দ লাগে। এনেদৰে এদিন ল'ৰাবিলাকৰ লগত দন্দ লাগি থাকোঁতেই মধুৱে পূজা কৰা ঠাইত নাচিবলৈ ধৰিলে। দেও-উঠা মানুহৰ দৰে সি ক্ৰমাৎ বেছিকৈ নাচিবলৈ ধৰিলে, সি নাচ বন্ধ নকৰিলে। ল'ৰাবোৰে গৈ গাঁৱত ক'লত গাঁৱৰ ডাঙৰ মানুহবোৰে আহিও নাচ বন্ধ কৰিব নোৱাৰিলে। তেতিয়া গাঁৱৰ বুঢ়াসকলৰ

---

১ *এই টোকাৰ বাবে মন্দিৰৰ বৰ্তমান পূজাৰি শ্ৰী দেৱেন্দ্ৰনাথ কন্দলি ঠাকুৰৰপৰা (নাৰায়ণ কন্দলি ঠাকুৰৰ পৌত্ৰ) সমল পোৱা হৈছিল। কিন্তু প্ৰথম সংস্কৰণৰ 'পবিত্ৰ অসম' ওলাই যোৱাৰ পিছত শ্ৰী ঠাকুৰে ভুএগ্ৰদেৱলৈ চিঠিত লিখে যে বাসস্থানৰ শিৱলিঙ্গটি আন ঠাইৰ পৰা অনা নহয়, বৰ্তমানৰ ঠাইতে স্বপ্ন যোগে পোৱা।*

*ৰাজমোহন নাথৰ প্ৰবন্ধ "Ruins of the Siva temple of Numaligarh" (Journal of Assam Research Society, Vol. II) চাওক।*

পৰামৰ্শ মতে মানুহবিলাকে মধুৰ ওচৰত গায়ন-বায়ন গাবলৈ ধৰিলেহি। মধুৰে তেতিয়া দেও উঠা নাচ বন্ধ কৰিলে। মানুহবিলাকে সোধাত মধুৰে ক'লে, "এই কোটোহা বাঁহজোপাৰ গুৰিত গোসানীৰ মূৰ্তি আছে। সেই মূৰ্তি উলিয়াই পূজা কৰিব লাগে। পূজা নকৰিলে গাঁৱৰ অমঙ্গল হ'ব।" তেতিয়া কোনে গোসানী উলিয়াই পূজা কৰিব বুলি সোধাত, মধুৰে সেই অঞ্চলত থকা এজন গুৱাহাটীয়া ব্ৰাহ্মণৰ কথা কৈ ব্ৰাহ্মণক দেখুৱাই দিলে। নিৰ্দিষ্ট দিন-বাৰ ঠিক কৰি কোটোহা বাঁহৰ তলৰ নিৰ্দিষ্ট ঠাই খান্দি গোসানীৰ মূৰ্তি উলিয়াই সেই গুৱাহাটীয়া ব্ৰাহ্মণজনে কোটোহা বাঁহৰ তলতেই গোসানীৰ প্ৰতিষ্ঠা কৰি বিধিমতে পূজা কৰিবলৈ আৰম্ভ কৰিলে। গাঁৱৰ মানুহে সেই ঠাইত ঘৰ সাজি দিলে আৰু দুটা পুখুৰী খান্দি দিলে। সেই পুখুৰী এতিয়াও আছে। সেই পুখুৰীত দুটা বহুতদিনীয়া বুঢ়া কাছ আছে। মানুহে মোহন নাম ধৰি কাছ দুটাক মাতিলে কাছ দুটা ওলাই আহি যি দিয়ে তাকেই খায়হি। এই গুৱাহাটীয়া ব্ৰাহ্মণজন সেই অঞ্চলত বুঢ়া বামুণ বুলি জনাজাত হৈছিল। এওঁৰ কি নাম আছিল কোনোৱে নেজানিছিল। বুঢ়া বামুণে তেওঁৰ লগত কাম কৰিবলৈ গুৱাহাটীৰপৰা সুধনা নামৰ লগুৱা এটা আনিছিল। সুধনাক ওচৰৰ বৰগছ জোপাৰ তলতে পঁজা এটা সাজি থাকিবলৈ দিছিল। ৰাইজৰ সহায়ত দেৱালয়খন চলাবলৈ ৪০। ৫০ পুৰামান মাটি বুঢ়া বামুণক দিছিল। সুধনাই সেই মাটি-বাৰী চলাই বুঢ়া বামুণক সহায় কৰিছিল। বুঢ়া বামুণে সুধনাক এজনী আহোমনী ছোৱালী বিয়া কৰই দিছিল। এই ছোৱালীজনী অতিপাত ক'লা হোৱাত তাইক গোটেই গোলাঘাট অঞ্চলৰ মানুহে বৰক'লী বুলিছিল। সিহঁতৰ গজ বা গজানন নামৰ এটা ল'ৰা হ'ল। গজ বা গজাননে ডাঙৰ হৈ মাটি-বাৰী চলাওঁতে প্ৰায় ৪০ পুৰা দেৱালয়ৰ মাটি নিজৰ নামলৈ আনি তাৰে ৩০ পুৰামান মাটি বেচি ফৰকাটিওলৈ উঠি যায়। এই মাটিৰ বাবে গজাননৰ লগত মোকৰ্দমাও হৈছিল। বৰ্তমান দেৱালয়ৰ পূজাৰিৰ পাঁচ পুৰামান মাটি আছে।

এই দেৱালয়খনত দশ-ভুজা দুৰ্গা-মূৰ্তি আৰু কালীমূৰ্তি আছে। এই দেৱালয়খনত দৈনিক পূজা হয়। যাত্ৰীও দেৱালয়লৈ আহে।

দুৰ্গা-পূজাত এই দেৱালয়ত সমাৰোহেৰে পূজা হয়; বলিও হয়। যাত্ৰীৰ সমাগমো অসংখ্য হয়। অৱশ্যে ইয়াত দুৰ্গা গোসানীৰ মূৰ্তি সজা হয়।[১]

ন.ভূ.

**বুঢ়ীগোসানীৰ থান**

মিছামৰাত। এই থানত যদিও এতিয়া একো নাই, তথাপি তাক স্থানীয় ৰাইজে সংৰক্ষণ কৰি আহিছে। ইয়াৰ দুৰ্গাদেৱীৰ পিতলৰ মূৰ্তিখনি দেৰগাঞা ভূধৰ আগমাচাৰ্যৰ

---

১ কোটোহাগুৰি দেৱালয়ৰ বিৱৰণ বৰ্তমান পূজাৰিৰ ঘৰৰ শ্ৰীমুক্তিনাথ শৰ্মা চক্ৰৱৰ্তীৰপৰা পোৱা হৈছে। গোলাঘাটৰ শ্ৰী গঙ্গাধৰ বৰঠাকুৰদেৱেও কিছু আভাস দিছিল। ন. ভূ.

বংশৰ বাণেশ্বৰ বৰুৱাৰ নাতি-পুতিসকলৰ দেৰগাঁও নগৰৰ ওচৰৰ কুমাৰ গাঁৱত কার্তিক বৰুৱাৰ ঘৰত সংৰক্ষিত হৈছিল। থানখনিক সাধাৰণতে বুঢ়ী গোসানীৰ থান বুলি কোৱা হয় যদিও, ইয়াত উমা-মহেশ্বৰ পূজাৰ ব্যৱস্থা কৰা হৈছিল। থানৰ তাম্ৰৰ ফলিৰপৰা জনা যায়, ১৬২৬ শকত ৰুদ্ৰসিংহ স্বৰ্গদেৱে আগমাচার্য ব্ৰাহ্মণক 'সদাশিৱৰ গৃহ-প্ৰতিষ্ঠা-কৰ্মৰ দক্ষিণাৰূপে' ফুটুকাতলিত মাটি-বৃত্তি দিয়ে। পুনৰ শিৱসিংহই ১৬৪৬, ১৬৪৭ আৰু ১৬৬০ শকত মাটি-পাইক আদিৰ নিবন্ধ কৰে। পুনৰ সিজনা ৰজায়ে উক্ত ফলি অনুসৰি 'শ্ৰীশিৱসিংহ মহাৰাজা শ্ৰীমদম্বিকা মহিষী সহিতে দেৱগ্ৰামৰ আগমাচার্যৰ প্ৰতিনিধি কৰি তাঞ্জিৰে পুত্ৰ শ্ৰীবাণেশ্বৰ ব্ৰাহ্মণক উমা-মহেশ্বৰ উভয় দেৱতাৰ পূজন কৰ্মত আচাৰ্যৰূপে নিয়োজন কৰি দিলে।"[২]

### কাক-গোসানীৰ থান

বোকাখাত এলেকাত কাজিৰঙাৰ মাজত ৰাষ্ট্ৰীয় ৰাজপথৰ অলপ দক্ষিণত। গদাপাণি কোঁৱৰে পলৰীয়া অৱস্থাত দুৰ্গা-মূৰ্তি এটি কাক-বাঁহৰ চুঙাত লৈ ফুৰিছিল আৰু তেওঁ ৰজা হোৱাৰ পিছত এই ঠাইতে এখনি থান পাতি সোণৰ মূৰ্তি স্থাপন কৰে। মানৰ আক্ৰমণত থানখনি থান্‌বান্‌ হোৱাত ৰাইজে তাক পালি-পাচি আছে। বিশেষক মিৰিসকলৰ বাবে এই স্থান অতি আদৰৰ। শাৰদীয় দুৰ্গা-পূজা আৰু বসন্তৰ বাসন্তী-পূজা ধুমধামেৰে হয়।[৩]

## থান-সত্ৰ

### আঠখেলীয়া নামঘৰ

গোলাঘাট নগৰৰপৰা বাৰমাইল দক্ষিণ-পূবে কাকডোঙা নৈৰ পাৰত আঠবিঘা মাটিৰ চৌহদেৰে এইটি পুৰণি নামঘৰ। মহাপুৰুষ মাধৱদেৱ আৰু পলাতক গদাপাণি কোঁৱৰ এই নামঘৰ প্ৰৱেশ কৰাৰ প্ৰৱাদ চলি আছে। দিনে অনেক যাত্ৰীৰ সমাগম হয়।[৪]

### আধাৰ সত্ৰ

মাজুলীৰ আঁহতগুৰি মানখোৱা আৰু মিছামৰা মৌজাত আধলীয়া যদুমণিদেৱৰপৰা বঢ়া সত্ৰ।

### আঁহতগুৰি সত্ৰ

মাজুলীৰ আঁহতগুৰিত ব্ৰহ্মপুত্ৰৰ পাৰত ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ

---

২ মিছামৰাৰ শ্ৰী আনন্দ গোস্বামীৰ টোকাৰপৰা। ফলিৰ নকল দেৰগাঁৱৰ শ্ৰী পদ্মনাথ বৰুৱাৰ পৰা পোৱা হৈছিল।

৩ গোলাঘাটৰ শ্ৰী প্ৰদীপ চলিহা আৰু কাজিৰঙাৰ শ্ৰী ধনীৰাম গগৈ আৰু অতুল বৰাৰপৰা পোৱা খবৰৰ পৰা।

৪ ওৱাটিঙৰ শ্ৰী লক্ষ্মীচন্দ্ৰ গোস্বামীৰ টোকাৰপৰা।

শ্ৰীৰামদেৱৰ পুত্ৰ ৰামানন্দ দ্বিজে মূল আঁহতগুৰি সত্ৰ পাতে। পিছত এই সত্ৰ নগাঁৱলৈ উঠি যায়। মাজুলীত অংশমাত্ৰ আছে। নগাঁৱৰ 'কাল-সংহতি সত্ৰ' চাওক।

**উলুতলিসত্ৰ**

আঠগাঁও মৌজাত ফৰকাটিং আৰু ওৱাটিং (ঔৱাটিং) ৰেল ষ্টেশ্যনৰ মাজ ঠাইত বৰবাৰজনীয়া থুলৰ সত্ৰ।

**এলেঙি সত্ৰ**

ঘিলাধাৰী (এতিয়া কছাৰীহাট) মৌজাৰ বামুণগাঁৱত। কথাৰামায়ণ আৰু শত্ৰুঞ্জয়ৰ কবি ৰঘুনাথ মহন্ত এই সত্ৰৰ। পুৰণি ৰচনাত দৈয়াং সত্ৰ বুলি চলিত।

**ঔগুৰি (ঔৱাগুৰি) সত্ৰ**

আঠগাঁও মৌজা ফৰকাটিং অঞ্চলত। নাজিৰাত মূল ঔগুৰি।

**কঠীয়াতলি সত্ৰ**

মিছামৰা মৌজা দেৰগাঁৱত। নবোবাৰপৰা আজ্ঞা লৈ বঢ়া সত্ৰ।

**কন্দলি সত্ৰ**

মিছামৰা মৌজাত। সত্ৰীয়াসকলৰ পূৰ্বপুৰুষ মধুমিশ্ৰৰ পূৰ্বপুৰুষৰ লগত নেঘেৰীটিঙৰ শিৱদ'লৰ ভূধৰ আগমাআচাৰ্যৰ আদি পুৰুষেৰে একেলগে ভাটীৰপৰা অহা। সত্ৰীয়াসকলে নিজকে অনন্ত কন্দলিৰ বংশৰ বুলি পৰিচয় দিয়ে। গড়মূৰ সত্ৰৰ লগত ইসকলৰ সম্পৰ্ক।[৫]

**কাথবাপু (কাথৰ) সত্ৰ**

মিছামৰা মৌজা দেৰগাঁৱত এই নামৰ সত্ৰ। ইয়াতে তিনিভাগ আছে — ঘাই মিছামৰাত (মিছামৰীয়া কাথ), বঙালগাঁৱত (বগা কাথ) আৰু মোলাই কুমাৰ গাঁৱত (বাম কাথ)। যোৰহাটৰ 'কাথবাপু' চাওক।

**কুৰুৱাবাহী সত্ৰ**

নামদৈয়াং মৌজাত (বোকাখাত)। বংশীগোপালদেৱে ৰাজৰোষত পৰি পলাই ফুৰাৰ পিছত ধনশিৰি মুখৰ ওচৰত লুইতৰ চাপৰিত কুৰুৱাবাহী নামে ঠাইত সত্ৰ পাতে। প্ৰতাপসিংহ ৰজাৰ দিনত মিশ্ৰ গোসাঁই সত্ৰীয়া থকাত ৰাজ-আজ্ঞাৰে এই সত্ৰ ১৫৬৬ শকত ভাঙি পেলোৱা হয়। সেই সময়তে মিছ্ৰিৰ গোসাঁইৰ মৃত্যু ঘটে। চুৰম্‌ফা ভগা ৰজাই পুনৰ সত্ৰখনি পাতি দিয়ে। তেতিয়া বংশীগোপালৰ খুড়া কৰ্মাইৰ নাতি জয়হৰিদেৱ বা লৰি গোসাঁয়ে সত্ৰৰ তত্ত্বাবধান লয়। মূল সত্ৰ লুইতৰ পাৰৰপৰা ভালেখিনি আঁতৰি বহিছে আৰু এফাল নগাঁও চহৰৰ ওচৰত বহিছেগৈ।

---

৫ মিছামৰাৰ শ্ৰী আনন্দ গোস্বামীৰ টোকাৰপৰা

**খৰণ্ডিয়াল সত্ৰ**

দক্ষিণহেঙেৰা মৌজাৰ বামুণগাঁৱত এইখনি বৰবাৰজনীয়া সত্ৰ।

**গজলা সত্ৰ**

মৰঙিত (ফলঙনি) ফৰকাটিং অঞ্চলৰ ৰূপকলীয়াত আৰু বাৰমুখীয়াত (ডবামৰীয়া) গজলা সত্ৰ। সৰু যদুমণিদেৱৰপৰা বঢ়া এইখনি কালসংহতিৰ সত্ৰ। শিৱসাগৰ আৰু গোলাঘাটৰ 'গজলা' আৰু নগাঁৱৰ 'কালসংহতি সত্ৰ' চাওক।

**গৌৰাঙ্গ সত্ৰ**

ঢেকিয়াল মৌজাত। আউনীআটিৰ লগত সম্পৰ্ক।

**চকটা সত্ৰ**

আঁহতগুৰি মৌজাত।

**চাপৰি সত্ৰ**

আঁহতগুৰি মৌজাত। কালসংহতিৰ সত্ৰ। আঁহতগুৰিৰ লগত সম্পৰ্ক।

**চুপহা সত্ৰ**

বুদবাৰী অঞ্চলত। যোৰহাটৰ 'চুপহা' চাওক।

**চেঙাপৰীয়া সত্ৰ**

মিছামৰা মৌজাত।

**চেঁচা সত্ৰ**

নামদৈয়াং মৌজাত।

**জকাই সত্ৰ**

কছাৰীহাটত। দিহিং থূলৰ এই সত্ৰ কাটনীপাৰ ঠালৰ। শিৱসাগৰৰ 'জকাই' চাওক।

**জতকৰা সত্ৰ**

যোৰহাটৰ 'দক্ষিণপাট' চাওক।

**ঠকৰিয়াল সত্ৰ**

দক্ষিণহেঙেৰা মৌজা কমাৰবন্ধাত। বৰবাৰজনীয়া সত্ৰ।

**তেলপানী সত্ৰ**

দক্ষিণহেঙেৰা মৌজা কছাৰীহাটত। যোৰহাটৰ 'তেলপানী' চাওক।

**থুকুবিল সত্ৰ**

কছাৰীহাটত। বৰবাৰজনীয়াৰপৰা বঢ়া।

**দিচিয়াল সত্ৰ**

হাতীয়েখোৱাত। সৰু বাৰজনীয়া থূলৰ সত্ৰ। নগাঁৱতো এখনি আছে।

**দিহিং সত্ৰ**

জামুগুৰি নোগোৰাত বৰ্তমান দিহিঙৰ সনাতনদেৱৰপৰা হোৱা বৰভাগৰ ঘাই সত্ৰৰ অধিকাৰ ধৰ্ম প্ৰকাশ কৰি আছে। ইয়াতে বৰভাগৰ সৰুজনাৰ অস্থায়ী সত্ৰ আছিল, পিছত ঘাই বৰভাগতে লীন হয়।

**দেৰগাঁও সত্ৰ**

বঙ্গদেশৰ নিত্যানন্দৰ বংশধৰ ৰামদেৱে দেৰগাঁৱত এখনি চৈতন্যীয়া সত্ৰ প্ৰতিষ্ঠা কৰা বুলি ৰঙ্গনাথ আৰু ৰেবানাথৰ গুৰু-বংশাৱলীত পোৱা যায়। বৰ্তমানে এই সত্ৰ ক'তো নাই।

**ন সত্ৰ**

দেৰগাঁৱত ব্ৰাহ্মণ মহন্তৰ সত্ৰ।

**নমাটি সত্ৰ**

মিছামৰা মৌজাত। দিহিং থূলৰ সত্ৰ।

**নাচনীপাৰ সত্ৰ**

মাজুলী আঁহগুৰি মৌজাত।

**পহুমৰীয়া সত্ৰ**

মিছামৰা মৌজাত।

**পুখুৰীপাৰ সত্ৰ**

গুৰযোগনীয়া মৌজাত। বাপুৰামদেৱৰ বংশৰ এলেঙি থূলৰ সত্ৰ।

**পুৰণিমাটি সত্ৰ**

আঁহতগুৰি আৰু মিছামৰা মৌজাত।

**পুৰুষোত্তম সত্ৰ**

বৰপথাৰৰ এইখনি চৈতন্যীয়া সত্ৰ, আগতে যোৰহাটৰ কৰঙাত আছিল।

**পুৰ্ত্তমীয়া সত্ৰ**

আঁহতগুৰি মৌজাত। চেতন্যীয়া সত্ৰ। যোৰহাটৰ 'পুৰুষোত্তম সত্ৰ' চাওক।

**ফুলবাৰী সত্ৰ**

দেৰগাঁৱৰ ব্ৰাহ্মণ মহন্তৰ সত্ৰ। যোৰহাট 'পুনিয়া', 'ফুলবাৰী' চাওক।

**বকুলগুৰি সত্ৰ**

'মদাৰগুৰি' চাওক।

**ববহাইপুখুৰী সত্ৰ**

আঁহতগুৰি মৌজাত।

**বালিৰাপুগএগ্ৰা সত্ৰ**

আঁহতগুৰি মৌজাত।

**বাঁহজেঙনি এলেঙি সত্ৰ**

ঘিলাধাৰী মৌজাৰ এই সত্ৰখনি পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ বাপুৰামদেৱৰ বংশৰ এলেঙি থূলৰ। বাপুৰামদেৱৰ পৰিনাতি বিষ্ণুনাথদেৱে এই সত্ৰ এই স্থানত পাতে।

**বিষ্ণুপুৰ সত্ৰ**

ৰূপকলীয়াত। বংশীগোপালদেৱৰপৰা বঢ়া সত্ৰ।

**বিহিমপুৰ সত্ৰ**

মিছামৰা মৌজাত। এই সত্ৰ অৰ্বাচীনভাৱে 'কেৰ্কেটু' নামে জনাজাত। যোৰহাটৰ 'বিহিমপুৰ' চাওক।

**বেলগুৰি সত্ৰ**

কছাৰীসকলৰ লগত বাৰভূঞা সংঘৰ্ষ হোৱাত শঙ্কৰদেৱে বৰদোৱা অঞ্চল এৰি বিশ্বনাথ অঞ্চলত কিছুদিন থাকি তাৰপৰা উজাই কেইবাঠাইতো বৈ শেষত মাজুলীৰ পশ্চিম অঞ্চলত ধুঁৱাহাট বা বেলগুৰিত বাৰ-চৈধ্য বছৰ সত্ৰ পাতি থাকে। ইয়াতে মাধৱদেৱেৰে তেওঁৰ মিলন ঘটে। সত্ৰৰ সাত্ত্বিক জীৱনত আহোম ৰজাঘৰীয়া ৰাজসিক কল্লোল উঠাত শঙ্কৰ, মাধৱ ভকতসকলেৰে কামৰূপলৈ ভটীয়াই যায়। সত্ৰৰ ঠাইখনি পবিত্ৰ থানৰূপে পৰিগণিত হয় আৰু তাতে আকৌ এখনি সত্ৰ হয়। ১৮৩৭ শকৰ বাৰিষা ব্ৰহ্মপুত্ৰই থান খহাই নিয়ে; সত্ৰ লখীমপুৰলৈ (কাটিকটা) উঠি যায়। বেলগুৰিত শঙ্কৰদেৱে কাবোলা বাঢ়ৈৰ হতুৱাই কৰোৱা মদনগোপাল মূৰ্তি সিসকলে বেল-গছৰ ওপৰত তুলি থৈ গৈছিল। পিছৰ অৰণ্যাকীৰ্ণ সেই স্থানৰপৰা মূৰ্তিটি পাই বংশীগোপালদেৱক দিয়ে। বৰ্তমান সিটি নগাঁৱৰ কুৰুৱাবাহী সত্ৰত আছে।

**বেঙেনাআটি সত্ৰ**

কমাৰগাঁও ৰেল ষ্টেশনৰ ওচৰত মহৰাগাঁৱত বেঙেনাআটিৰ এটি ঠাল।

**ভোটমৰিচ সত্ৰ**

মিছামৰাৰ এইখনি বৰবাৰজনীয়া সত্ৰ কাথৰ পো কমললোচনৰ আজ্ঞাপৰ কাথবাপু সত্ৰৰ অংশ।

**মদাৰগুৰি সত্ৰ**

ঢেকিয়াল মৌজাৰ গণকপুখুৰীত এলেঙি থূলৰ সত্ৰ। তাৰপৰা বকুলগুৰি নামে এটি ঠাল বাঢ়িছে। আঁহতগুৰি মৌজাতো এখনি মদাৰগুৰি আছে। নগাঁও, তেজপুৰ আৰু যোৰহাটৰ 'মদাৰগুৰি' চাওক। বাপুৰামদেৱৰ তৃতীয় পুত্ৰ ৰমানন্দদেৱৰপৰা গোলাঘাটৰ মদাৰগুৰি হয়।[১]

**মধুমিশ্ৰ সত্ৰ**

গুৰযোগনীয়া মৌজাত বংশীগোপালদেৱৰ আজ্ঞাপৰ দেৰগএগ্ৰা কৃষ্ণভাৰতীয়ে পতা। বলোৰাম দ্বিজৰ কৃষ্ণজন্মখণ্ড ব্ৰহ্ম বৈৱৰ্তপুৰাণৰপৰা জনা যায়, হাবুঙৰ এজন কৃষ্ণক বংশীগোপালে হৰিভাৰতী নাম দি সত্ৰ পাতি দিয়ে। বলোৰাম তেওঁৰে বংশধৰ।

**মাহৰা সত্ৰ**

ঢেকিয়াল আৰু ৰঙামাটি মৌজাত। আধলীয়া গোসাইৰ সত্ৰ! ৰঙামাটিৰ সত্ৰখনিক গোমোঠা মাহৰা বোলে, চণ্ডীবৰৰ লগত অহা কৃষ্ণ পণ্ডিতৰ বংশৰ ৰামকৃষ্ণই এই সত্ৰ পাতে।

**মিছিমিআটি সত্ৰ**

কাকডোঙা অঞ্চলৰ মনাইমাজি গাঁৱত বেঙেনাআটি ঠাল। যোৰহাটৰ 'মিছিমি' চাওক।

**ৰূপকলীয়া সত্ৰ**

বংশীগোপালদেৱৰ আজ্ঞাপৰ বৰবাপুৱে ৰূপকলীয়াত সত্ৰ পাতে।

**লেটুগ্ৰাম সত্ৰ**

ঢেকিয়াল মৌজাৰ হাবিয়ালত লেটুৰগাঁও সত্ৰ এটি শাখা আছে।

১ প্ৰথম সংস্কৰণত এই টোকা কৰোঁতে মদাৰগুৰিৰ শ্ৰী দেৱকান্ত মহন্তৰ সহায় লোৱা হৈছিল। এতিয়া মদাৰগুৰিৰ শ্ৰী বিপিনচন্দ্ৰ মহন্তই জনাইছে, 'বকুলগুৰি নামে মদাৰগুৰিৰ কোনো ঠাল বাঢ়ি যোৱা নাই' আৰু পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণৰ এলেঙিৰ ২৫ খন সত্ৰৰ ভিতৰত মদাৰগুৰি সত্ৰ এখন। এই সত্ৰ আদিতে মাজুলীত আছিল। তাৰ পিছত আহোম ৰজাই বেল-বকুল ৰুই শিলৰ খুটা পুতি গোলাঘাট মহকুমাৰ অন্তৰ্গত ঢেকিয়াল মৌজাৰ গণকপুখুৰীৰ কাঠকটীয়া গাঁৱত মদাৰগুৰি সত্ৰ প্ৰতিষ্ঠা কৰে। যোৰহাট, নগাঁও, তেজপুৰ আদিতো মদাৰগুৰি সত্ৰৰ শাখা-প্ৰশাখা আছে। বংশ বৃদ্ধিৰ লগে লগে এই সত্ৰৰ ঠাল-ঠেঙুলি বাঢ়ি গৈছে।

**শালকুছি সত্ৰ**

মিছামৰা অঞ্চলত।

**হাটকুছি সত্ৰ**

মিছামৰা মৌজাত বুলি পুৰণি কাগজত পোৱা যায়। কিন্তু মিছামৰা অঞ্চলত শালকুছি নামৰহে এখনি সত্ৰ আছে, হাটকুছি নাই।

**হালধিআটি সত্ৰ**

মাজুলীৰ আঁহতগুৰি মৌজাত ধনশিৰিমুখৰ পোনে পোনে। এতিয়া নাই।[১]

## শাক্ত সত্ৰ

**ন গোসাঁই**

দক্ষিণহেঙেৰা মৌজাত শাক্তপন্থী ন গোসাঁই বা পহুমৰীয়া গোসাঁইৰ ঘৰ। লক্ষ্মীসিংহ ৰজাই তেওঁৰ শিক্ষাগুৰু ৰমানন্দ আচাৰ্যত শাক্তমন্ত্ৰ লৈ 'গোসাঁই' পাতিছিল।

**মুকলিমূৰীয়া গোসাঁই**

মিছামৰা মৌজাত মুকলিমূৰীয়া গোসাঁইৰ মূল সত্ৰ; যোৰহাটত তাৰে এটি শাখা আছে।

## বৌদ্ধ বিহাৰ

বৰপথাৰ সৰুপথাৰ আইতন বা আইতনীয়া আৰু বৰপথাৰত তুৰুং বৌদ্ধসকলৰ গাঁও আছে আৰু প্ৰায় গাঁৱতে এটি সৰু বাপুচাং আছে।

ম.নে.

## দৰগাহ

**লস্কৰ শ্বাহৰ দৰহাগ**

গোলাঘাট চহৰত। উৰুচ আদি হয়।

**লাল ফকীৰৰ দৰগাহ**

গোলাঘাট চহৰত।

**ক'লা ফকীৰৰ দৰগাহ**

---

১ যোৰহাট সত্ৰৰ বিৱৰণৰ শেহৰ পাদটীকা চাওক।

২ চৈয়দ আব্দুল মালিকৰপৰা পোৱা দৰগাহৰ এই তালিকা।

গোলাঘাটৰ কছাৰীহাটত।[৩]

## গীৰ্জা

**ক্ৰাইষ্ট চাৰ্চ্**

এই গীৰ্জাটো আগতে ইংলেণ্ডৰ গীৰ্জা সমিতিৰ (The Church of England in India) ভিতৰত আছিল। ১৯০৩ চনত ইংলেণ্ডৰ গীৰ্জা সমিতিৰ বেলেগাই আনি এই গীৰ্জাবিলাক ভাৰতীয় গীৰ্জা সমিতিৰ (The Church of India) ভিতৰলৈ আনিলে।

১৯৬০ চনত মহিমা বাগিচাৰ মেনেজাৰ শ্বেল্‌ধাম শ্বই গোলাঘাটৰ আনবিলাক চাহ বাগানৰ মেনেজাৰৰ সৈতে যোগ হৈ এই গীৰ্জাটো (Chirst Church) গোলাঘাটত সাজে। ওই গীৰ্জাত ইংৰাজী ভাষাৰে প্ৰাৰ্থনা কৰা হয়। কেতিয়াবা কেতিয়াবা স্থানীয় ভাষাতো প্ৰাৰ্থনা হয়।

**পেৰিঃশ্ চাৰ্চ্**

গোলাঘাটত লিট্‌ল্ ফ্লাবাৰ পেৰিঃশ্ চাৰ্চ নামে (Little Flower Parish Church) আছে। ইয়াৰ ইতিহাস আমি এতিয়ালৈকে পোৱা নাই।

**এমেৰিকান্ বেপ্‌টিষ্ট ফৰেইন্ মিশ্যন্ চাৰ্চ্**

গোলাঘাটৰ এই গীৰ্জাৰো (Americal Baptist Foreign Mission Church) ইতিহাস পোৱা নগ'ল।

# উত্তৰ কাছাৰ আৰু মিকিৰ পৰ্বত

**বৰগঙ্গা**

নগাঁও জিলাৰ পূবলৈ মহামায়া পৰ্বতৰ দক্ষিণে হাৰকটা নৈ বৈ গৈছে। ইয়াৰ দক্ষিণেদি প্ৰায় সমান্তৰাল হৈ বৰথুগা বা বৰগঙ্গা নৈ গৈছে। মহায়ামা মন্দিৰৰ ডেৰমাজি দক্ষিণ-পশ্চিমলৈ নৈখনৰ এটা কুঁড় পৰিছে। কুঁড়ৰ বাঁওফালে এডোখৰ টিকা মাটিত এটা ডাঙৰ মন্দিৰৰ ভগ্নাৱশেষ বৰ্তমান। মন্দিৰৰ বিভিন্ন অংশৰ চিন ধৰিব পাৰি। অৱশেষবোৰত মাজত অলঙ্কাৰশোভিত দিগম্বৰ-দিগম্বৰী হৰ-পাৰ্বতীৰ মূৰ্তি, বাসুদেৱৰ পাদ-পীঠ, লক্ষ্মী, বিষ্ণু আদি চকুত লগা। ইয়াৰে প্ৰৱেশ-দ্বাৰত দুটা প্ৰকাণ্ড শিল। বাঁও হাতৰ শিলটোৰ ভিতৰ মুখত দুফুট দীঘল দুফুট বহল এটা অংশ দকৈ কাটি তাতে তিনি আৰু এক চতুৰ্থাংশ শাৰীৰ এখনি লিপি খোদিত কৰি ৰখা হৈছে। গুপ্তশৈলীত লিখিত এই লিপি ডক্টৰ নলিনীকান্ত ভট্টশালীৰ পাঠমতে ২৩৪ গুপ্তবাদ অৰ্থাৎ ৫৫৪ খ্ৰীষ্টাব্দৰ আৰু তাৰ মতে এই ঠাইতে মহাৰাজধিৰাজ মহাভূতিবৰ্মাৰ আমাত্য আঠগুণৰ আশ্ৰম আছিল। (*J.A.R.S.*, Vol. VIII, No. 4, pp 138-39) কিন্তু ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰে ফলিখনৰ তাৰিখ থকা তৃতীয় শাৰীটোৰ ভট্টশালীয়ে দিয়া পাঠ ভুল বুলি নতুন পাঠ দিছে — 'আয়ুষ্কামঃ বিষয়ামাত্য-অৱগুণস্য" (*Epigraphia Indica*, Vol. XXX, p. 67)।

**দেওপানীৰ দেৱমূৰ্তি**

গোলাঘাট ডিমাপুৰ আলিৰ ২৭ মাইলত দেওপানী নৈৰ ওচৰত এটি ভগা মন্দিৰৰ চিন পোৱা গ'ল ১৯০০ চনমানত। আৰ্কিওলজিকেল ছাৰ্ভেৰ ডক্টৰ ব্লকে ১৯০৫ চনত ঠাইডোখৰ চাই পাঁচ ফুট দহ ইঞ্চি ওখ ভগ্নমস্তা চতুৰ্ভুজ দুৰ্গা-মূৰ্তি আৰু আঢ়ৈ ফুট ওখ দ্বিভুজ বিষ্ণুমূৰ্তি আৱিষ্কাৰ কৰি বৰ্ণনা কৰে। তাৰ কুৰি বছৰমান পিছত প্ৰত্নতাত্ত্বিক দীক্ষিতে বিষ্ণু-মূৰ্তিৰ গাত কটা কণা কেইশাৰীৰ পাঠ একপ্ৰকাৰ সন্তোষজনকভাৱে উদ্ধাৰ কৰে। ডক্টৰ ব্লকে দ্বাদশ শতিকামানৰ বুলি ক'ব খোজা মূৰ্তি দুটি দীক্ষিতে লেকনতত্ত্বৰ বিচাৰত নৱম শতিকালৈ উজাই নিয়ে। বিষ্ণু-মূৰ্তিখনি অসম ৰাজ্যিক সংগ্ৰহালয়ত সংৰক্ষিত হৈছে। ওচৰচুবুৰীয়া গাঁওসকলে দুৰ্গা-মূৰ্তি পোৱা ভেটিটো খনাত মূৰ্তিৰ আগতে নোপোৱা অংশ পোৱা গ'ল আৰু তাক জোৰা দি ওপৰত চালি কৰি দিয়া গ'ল।

মাটিৰ তলত আন দুখনি চতুৰ্ভুজ মূৰ্তি, এটি শিৱৰ মূৰ্তি; শিৱৰ উৰুত বহি থকা পাৰ্বতীৰ এখনি উমা-মহেশ্বৰ মূৰ্তিও পোৱা গ'ল।[১]

ম. নে.

**মহামায়া-থান**

মহামায়া থান নতুন মিকিৰ পৰ্বত জিলাৰ অন্তৰ্গত দকমকা নামে ঠাইত অৱস্থিত। আগেয়ে এই ঠাইখণ্ড নগাঁও জিলাৰ ভিতৰত আছিল। নগাঁৱৰ ডবকাৰপৰা প্ৰায় ১৫ মাইলমান হ'ব। জনশ্ৰুতিমতে মহামায়াই শিৱক পতি হিচাপে পাবলৈ এই মহামায়া পৰ্বততে তপস্যা কৰিছিল। মন্দিৰটো হেনো বিশ্বকৰ্মাই নিজে সাজিছিল। মন্দিৰৰপৰা প্ৰায় এক ফাৰ্লংমান আঁতৰত এটা শিলৰ মেৰঘৰো আছে। বৰ্তমান আচল মন্দিৰ ভাগি গৈ অ'ত ত'ত শিলৰ মূৰ্তি সিঁচৰতি হৈ পৰি আছে। ইয়াত মহামায়াৰ মূৰ্তিৰ বাদেও শিৱ, ব্ৰহ্মা, বিষ্ণু আদি আন আন দেৱতাৰো মূতি আছে। মহামায়াৰ মূৰ্তিটো ভগ্ন অৱস্থাত আছে। ইয়াৰ উপৰি শিলৰ চটা কিছুমান আছে। তাৰ কোনোটোত পদুম ফুল, কোনোটোত হাতীৰ ছবি, কোনোটোত হাতীৰ ছবি, কোনোটোত ধনু-কাঁড়ৰ ছবি আদি দেখা যায়। পুৰণি মন্দিৰৰ ধ্বংসাৱশেষ হিচাপে মন্দিৰ সজা খুঁটা আদি আছে। এই মহামায়াথানত ওচৰৰ মানুহে পূজা-সেৱা কৰে। মহামায়াৰ উত্তৰত নিচেই ওচৰতে ডেকাচাং পৰ্বত। অতীজত মহামায়াৰ থান নৰবলি দিবলৈ অনা নিখুঁত ডেকাসকলক ৰখা চাংঘৰ এটা এই পৰ্বততে আছিল। এই ডেকাচাং পৰ্বতৰপৰা মহামায়া পাহাৰ সংযুক্ত কৰি এটা আলিৰ চিনো দেখিবলৈ পোৱা যায়।

**লাংহিং**

দিফুৰপৰা ৫৭ মাইলমান দূৰত লাংহিং নামে এখন ঠাইত গণেশ, দুৰ্গা আদিৰ শিলৰ মূৰ্তি আছে। বৰ্তমান তাৰ ওচৰে-পাঁজৰে গোপালপাৰা কছাৰী ৰাইজ আছে। তেওঁলোকে ঠাইডোখৰ পৰিষ্কাৰ কৰি গণেশথান, দুৰ্গাথান আদি নাম দিছে।[২]

## বৌদ্ধ বিহাৰ

**ভিতৰ কলিয়নি**

ইয়াতো এখন বাপুচাং আছে আৰু ওচৰত কেইঘৰমান আইতনীয়া লোক আছে। লোকে ইয়াক কলিয়নি থান বুলি কয় আৰু সকলো সম্প্ৰদায়ৰ লোক নানা মানসেৰে

---

১ T. Bloch, *Report on the Archaelogical Tour in Assam in January and February, 1905*, Shillong, p. 5; K. N. Dikshit : Inspection on a Vishnu image from Deopani, *Ephigraphia Indica*, Volo. XVIII, pp. 329-30; R. M. Nath : The Deopani Ruins, *J.A.R.S.*, Vol. VIII, pp. 130-34.

২ শ্ৰী তিলক কাকতীৰ (দিফু) চিঠিৰপৰা

ইয়ালৈ আছে। মিকিৰ পাহাৰত আন ঠাইতো দুখনমান বৌদ্ধ গাঁও আছে।

## গীৰ্জা

### টিকা আৰু অন্যান্য গীৰ্জা

"কাৰ্বি আ দৰবাৰ" — আখ্যা অসমৰ প্ৰায় সকলোৱেই শুনিছে। "কাৰ্বি" মানে মিকিৰ আৰু "দৰবাৰ" অৰ্থে সম্মিলন। কাৰ্বি আ দৰবাৰৰ দিনা অসমৰ বহুত ঠাইত স্কুল-অফিচ আদি বন্ধ থাকে। মিকিৰসকলে নিজক কাৰ্বি আৰু আৰ্লেং বুলি কয়। তেওঁলোকৰ সৰহভাগেই বহু দেৱ-দেৱীৰ উপাসক। সামূহিক উপাসনাৰ কাৰণে মিকিৰৰ কোনো নামঘৰ বা মঠ-মন্দিৰ নাই। গোটেই পৰ্বতটোৱেই তেওঁলোকৰ পূজাৰ থলী। কিন্তু মিকিৰৰ ভিতৰত সংখ্যা-লঘিষ্ঠ এদলে ভালেমান দিনৰপৰাই খ্ৰীষ্টিয়ান ধৰ্মত পুৰুষানুক্ৰমে দীক্ষিত হৈ আহিছে। মিকিৰ মানুহৰ জনসংখ্যা প্ৰায় আঢ়ৈ লাখেই হ'ব। তেওঁলোকে গোলাঘাটৰপৰা কামৰূপলৈকে খাছিয়া পাহাৰৰপৰা গুৱাহাটীলৈকে, কাছাৰৰ ভৈয়াম অঞ্চলৰপৰা বিশ্বনাথৰ উত্তৰে থকা অৰণ্য-ভূমিলৈকে বিয়পি আছে। তেওঁলোকে এইদৰে ছিন্ন-ভিন্ন হৈ পৰাৰ কাৰণে জি. ডি. ৱাকাৰৰ মতে মিকিৰসকলৰ যুদ্ধ-বিগ্ৰহ-বিমুখ স্বভাৱ। এক শতাব্দীৰ আগৰপৰাই দুই-এজন মিকিৰ লোকে খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। তুক্ৰুং তিমুং আৰু কাৰামাবামন ইংটি নামৰ দুজনে ১৮৫৫ চনত এই খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰি বেপ্টিষ্ট মিছনেৰি চাহাব এজনৰ লগত আমেৰিকা পাইছিলগৈ। কাৰাবামন ইংটি আমেৰিকাৰপৰা অসমলৈ ঘূৰি আহিছিল, কিন্তু তুক্ৰুং তিমুং নাহিল। কাৰাবামান ইংটিৰ বংশধৰ গোলাঘাট নগৰত আছে।

টিকা নামে বাৰশমান ফুট উচ্চতাৰ এই টিলাটোৰ চাৰিওফালে আছে অসংখ্য উঠা-নমা পাহাৰ; নামনিয়েদি বৈ গৈছে বৈঠালাংচু (মূলতে, ৱ-ঠাং-লাং-চু অৰ্থাৎ চৰাই বলি দিয়া সৰু নৈ।) টিকা নগাঁও চহৰৰপৰা ৩৮ মাইল, কামপুৰ ৰেল ষ্টেশ্যনৰপৰা ২০ মাইল দক্ষিণলৈ। বনৰীয়া হাতী আৰু বাঘ-ভালুক আৰু মাজে মাজে চাংঘৰ থকা টিকালৈ ১৮৮৯ চনৰ সম্ভৱতঃ কেইবছৰমান আগতে দুজন আমেৰিকান পাদুৰী আহিছিল — জে. এম. কাৰ্‌বেল্ আৰু পি. ই. মুৰ। তেঁলোকে নিৰ্জন পাহাৰটোত পোন প্ৰথমে তম্বু তৰি দিন কটাইছিল। দুজন অপৰিচিত মানুহ দেখি মিকিৰ মানুহবোৰ দূৰতে বিদুৰ হৈছিল। কিন্তু ধীৰে ধীৰে চাহাব দুজনে খোৱা বস্তু দেখুৱাই আকাৰে-ইঙ্গিতেৰে ভাবপ্ৰকাশ কৰি প্ৰথমে দুই চাৰিজন লোকক আপোন কৰি পেলালে। পাদুৰীদ্বয়ে প্ৰথমে মিকিৰ ভাষা শিকি এবছৰমানৰ ভিতৰতে সেই ভাষাত কথা ক'ব পৰা হ'ল। তেওঁলোকে এখন প্ৰাথমিক স্কুল আৰম্ভ কৰিলে আৰু ১৯০০ চনত এটা গীৰ্জাঘৰ প্ৰতিষ্ঠা কৰিলে। ঘৰটিৰ খুঁটাবোৰ লোহাৰ আৰু ওপৰত টিনপাত দিয়া আছে। এতিয়া টিনবোৰ মামৰে ধৰিছে আৰু আগৰ

বেৰবোৰ খহি যোৱাত এতিয়া বাঁহৰ বেৰ দিয়া হৈছে। মাত্ৰ ৫০ ফুটমান দীঘল ১৮ ফুটমান বহল এই সৰু ঘৰ। টিন আৰু খুটাবোৰ নগাঁৱৰ বৈঠালাংচুলৈ নাৱেৰে আৰু বৈঠালাংচুৰপৰা টিকা পাহাৰলৈ কান্ধত কঢ়িয়াই অনা হৈছিল। গীৰ্জাঘৰ সজা কামত মদেন্দ্ৰ ৰংপী, চাৰবুঢ়া ইংটি আৰু থেংকুৰ চিং ইংটিয়ে চাহাব দুজনক সহায় কৰিছিল।

পাদুৰী দুজনে ধৰ্মপুথি আৰু স্কুলীয়া পাঠ্য ৰচনা কৰি ছপা কৰিলে। টিকা গীৰ্জাৰ কাৰণে এটা সৰু ছপাকল ৰাখিছিল। এই ছপাকলটোৰ ওজন মাত্ৰ দুমোনহে আছিল। এই যন্ত্ৰটো এজন মানুহেই পিঠিত বৈঠালাংচুৰপৰা টিকালৈ আনিব পাৰিছিল। তলত দিয়া পুথিবোৰ টিকাৰ প্ৰেছত ছপোৱা হৈছিল — ফ্লিফ্লি (পথিলা), কালথা (গণিত), প্ৰথম মিকিৰ পাঠ, দ্বিতীয় মিকিৰ পাঠ, তৃতীয় মিকিৰ পাঠ, চতুৰ্থ মিকিৰ পাঠ, নিং আৰজান (হৃদয়-দৰ্পণ), চিনিংপুৰ্থিমি (যাত্ৰীৰ যাত্ৰা), বিৰতা কেমে, থেংতম (বস্তি বা জোৰ)। "থেংতম্"খন মাহেকীয়া বাতৰি কাকত। এই কিতাপবোৰত প্ৰথমে অসমীয়া আখৰ ব্যৱহাৰ কৰা হৈছিল যদিও পিছলৈ ৰোমান্ আখৰৰ ব্যৱহাৰ কৰা হ'ল। টিকা গীৰ্জাকে কেন্দ্ৰ কৰি মিছনেৰি চাহাব দুজনৰ উদ্‌গণিত এখন প্ৰাইমেৰি স্কুল প্ৰতিষ্ঠা হৈছিল। সেই স্কুলৰ প্ৰথম শিক্ষক আছিল শ্ৰীথেংকুৰচিং ইংটি। ইংটিয়ে মধ্য ইংৰাজী পাছ কৰিছিল আৰু চাহাব এজনৰ সহায়ত প্ৰেছৰ কামো শিকিছিল। ওপৰৰ কিতাপ আৰু কাকতবোৰ ইংটিয়ে ছপা কৰিছিল।

টিকা পাহাৰৰ এটা টিঙত তিনিটা কবৰ আজিও আছে। এটা ৰেভাৰেণ্ড জে. এম. কাৰবেলৰ, এটা তেওঁৰ পত্নীৰ আৰু এটা ৰেভাৰেণ্ড পি. ই. মুৰ চাহাবৰ পত্নীৰ। ১৯০০ চনত টিকা গীৰ্জাৰ তলত সভ্যৰ সংখ্যা কুৰি-পঁচিশজনতকৈ বেছি নাছিল। কিন্তু তিনি-চাৰি বছৰৰ ভিতৰত টিকা মণ্ডলীত ১০০ জনমান পুৰুষ-মহিলাই খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষা গ্ৰহণ কৰিছিল. জনসংখ্যা বৃদ্ধি হৈ যোৱাৰ লগে লগে টিকাৰ কেয়োফালে থকা টাইকপী, ওমতিলি, হামট্ৰেম, কৰ্কা, বডিলাংচু, ওমচেৰা, লাংপাই, বৰথয়, ওমৰো আদি ঠাইতো গীৰ্জা গঢ় লৈ উঠে।

কাৰবেল চাহাবৰ কবৰৰ ওপৰত লিখা আছে — "মানুহক প্ৰেম বিলালে ঈশ্বৰক প্ৰেম কৰা হয়।" বাইবেলৰ এই বাণীৰ সত্যতা পাদুৰী চাহাব দুজনে কাৰ্যেৰে প্ৰমাণ কৰি গ'ল।[১]

১ শ্ৰী যজ্ঞোৰাম গগৈয়ে পঠোৱা বিৱৰণৰ সাৰাংশ

# নগাঁও

### দুইমুনি শিল

কলিয়াবৰত ব্ৰহ্মপুত্ৰৰ বক্ষত জিলিকি আছে দুই-মুনি শিল — অসংখ্য ক্ষুদ্ৰ শিলা বুকুত লৈ দুটা বৃহৎ পাষাণ। প্ৰবাদ আছে ইয়াৰ পূব-দক্ষিণাঞ্চল তীৰ-ভূমিত আছিল একালত কুমুদ আৰু কৌস্তুভ নামৰ দুজনা মুনিৰ আশ্ৰম। একালত মুনিৰ কাষত অসংখ্য ছাত্ৰৰ সমাবেশ হয় জ্ঞান-লাভৰ উদ্দেশ্যত। ছাত্ৰ সমন্বিতে মুনিদ্বয় শিলৰ শাপত হেনো শিলা হৈ ৰ'ল। ইয়াৰ দক্ষিণে ব্ৰহ্মপুত্ৰই গতি সলালে বোলে সপ্ত ম্লেচ্ছৰ যুদ্ধ হ'ব; ৰক্ত-স্ৰোত শিলাত পৰিলে মুনিদ্বয়ৰ আত্মা বৈকুণ্ঠগামী হ'ব। শিলঘাটতে বকাসুৰৰ ঘৰ, কালিদাসৰ জন্ম-স্থান আদি নানা কথা লোক-মুখে শুনা যায়।[১]

### বাসুদেৱবাৰী দেৱালয়

একে অঞ্চলতে পুষ্কৰিণী সহ এখন বাসুদেৱ নামৰ পাষাণ মূৰ্তিত পূজা অৰ্চা চলি আছে।

### সৌভাগ্যমাধৱ, গোপালমাধৱৰ দেৱালয়

এই নামৰ তিনিখন দেৱালয় কলিয়াবৰত আছে। কলং নৈৰ পাৰত সৌভাগ্যমাধৱ, উত্তৰ পাৰত দুলালমাধৱ। দুয়োখনতে স্বৰ্গদেৱ শিৱসিংহই বহুত মাটি দান কৰিছে। দুলালমাধৱত বছৰি বিষ্ণু-যজ্ঞ মহাসমাৰোহেৰে সম্পাদন হয়। পদ্মসৰোবৰৰ পাৰত গোপালমাধৱ। তিনিওখনতে নামঘৰ মন্দিৰে শোভা কৰি আছে।[২]

### বামন গোসাঁইৰ থান

দুৰ্জয় বলিক ধৰ্ম-নীতিৰে পৰাজয় কৰি দেৱৰাজ্য উদ্ধাৰ কৰোঁতা বটু, ভগৱন্তৰ পাষাণ মূৰ্তি এখনে কলিয়াবৰৰ বালি-সত্ৰত সেৱা-পূজা চলাই আছে।

---

১ তেজপুৰ 'বিশ্বনাথ' চাওক।

২ সৌভাগ্যমাধৱদেৱালয় বৰভগীয়া মৌজাত; প্ৰতিষ্ঠাতা কন্দৰ্প শৰ্মা, স্থাপনৰ তাৰিখ আনুমানিক ১৭৩০ চন; নিষ্পিখেৰাজ জমি ৫৩১ বিঘা। পূৰথৰীয়া মৌজাৰ দুলাল-মাধৱ মন্দিৰৰ প্ৰতিষ্ঠাতা কলীয়া ঠাকুৰ, স্থাপন আনুমানিক ১৭৩০ চনত, নিষ্পিখেৰাজ জমি ৩৩৪ বিঘা (*Assam District Gazetteers*, VI : Nowgong,1905)। গোপাল-মাধৱ পদ্মসৰোবৰ বা টিলাবন্ধা বিলৰ পাৰত। ম.নে.

**শিৱ-দেৱালয়সমূহ**

কলিয়াবৰত আঠখন শিৱ স্থান আছে —

বাণেশ্বৰ বৰঘোপ পৰ্বত-কক্ষত;

চিত্ৰশঙ্কৰ বামুণী অঞ্চলত;

শিৱ-থান বুঢ়া-বুঢ়ী গড়ৰ ওপৰত;

নন্দকেশ্বৰ পদ্ম সৰোবৰ বা চিলাবন্ধা বিলৰ পাৰত; এই দেৱৰ নামত কিছু মাটি দান দিয়া আছে;[১]

বুঢ়াগোসাঁইৰ থান হাতীৰ গাঁৱত; এই দেৱৰ নামত শিৱসিংহ ৰজাৰ দিনত দান দিয়া বহুত মাটি-বাৰী আছে;

নাগশঙ্কৰ কলং নৈৰ উত্তৰ তীৰত;

ৰুদ্ৰপদ শিৱৰ পদচিহ্ন পাষাণত খোদিত আছে ভোমোৰুগুৰি পৰ্বতকক্ষত; সেই নামে দক্ষিণ পাৰে চামধৰাতো এখন দেৱালয় আছিল; আজি তাৰ চিন নাই;

ত্ৰিশূলধাৰী সামন্তগিৰি আৰু ব্ৰহ্মপুত্ৰই সাবটি ৰাখিছে। এই বৃহৎ শিলত শিৱ-হস্ত, অস্ত্ৰ, ত্ৰিশূল খোদিত আছে। শৈৱসকলে ইয়াতে আশ্ৰম এখনি পাতিছে।

**বৰলা শিল**

শিৱানুচৰ বীৰভদ্ৰ সমাধি-ক্ষেত্ৰ বুলি খ্যাত এক বৃহৎ শিলাখণ্ড।

**কামাখ্যা দেৱালয়**

কলিয়াবৰৰ সামন্তগিৰিয়ে কামাখ্যা নাম পালে স্বৰ্গদেৱ প্ৰমত্তসিংহৰ সৌজন্যত স্থাপন হোৱা কামাখ্যা দেৱালয়ৰ নাম অনুসাৰে। ১৭৪৬ খ্ৰীষ্টাব্দৰপৰা দুৰ্গা-কালীৰ পাষাণ মূৰ্তিয়ে দৈনন্দিন পূজা পাই আছে। দেৱতাৰ নামত বহুত মাটি আছে। কাষেদিয়েই ব্ৰহ্মপুত্ৰ বৈ আছে। অশোকাষ্টমী মেলাত অগণন তীৰ্থযাত্ৰীৰ সমাগম হয়। মন্দিৰ-প্ৰাঙ্গণত এখনি শিলালিপি আছে।[২]

বা. হা.

**হাতীমূৰীয়া মন্দিৰ**

হাতীমূৰীয়া মহিষ-মৰ্দিনী দুৰ্গাৰ মন্দিৰ ১৬৬৭ (তুৰগ-ৰস-ৰস-ইন্দু) শকত

---

১ বৰভগীয়া মৌজাৰ নন্দকেশ্বৰ (নন্দিকেশ্বৰ? 'Nandikisore'?) দেৱালয়ৰ প্ৰতিষ্ঠাতাৰনাম আৰু স্থাপনৰ তাৰিখ জনা নাযায়। ৫৮৩ বিঘা নিষ্পিখেৰাজ জমি আছে (*Assam District Gazetteers*, VI : Nowgong, p. 105)। মন্দিৰটি আহোম যুগৰ স্থাপত্যশৈলীত শিল আৰু ইটাৰে গঢ়া হৈছিল (p. 59)। ম.নে.

২ পূৰথৰীয়া মৌজাৰ শিলঘাটৰ কামাখ্যা দেৱালয় কেন্দুকলাই বৰঠাকুৰে ১৭৪৫ চনত স্থাপন কৰিছিল বুলি জিলা গেজেটিয়াৰত আছে। নিষ্পিখেৰাজ জমি ৬৩১ বিঘা। ম.নে.

প্রমত্তসিংহৰ আদেশমতে গদাধৰ তৰুণ-দুৱৰা বৰফুকনে নিৰ্মণ কৰায়। ইয়াত এতিয়াও নিখুঁত হৈ থকা দেৱীৰ মূৰ্তিৰ আকৃতি-প্ৰকৃতিৰপৰা কনকলাল বৰুৱাই অনুমান কৰিব খোজে, নৱম-দশম শতিকাৰ এটা শিলৰ মন্দিৰৰ ধ্বংসাৱশেষৰ ওপৰতহে গদাধৰ বৰফুকনে ইটাৰ মন্দিৰ নিৰ্মাণ কৰে। এই দেৱালয়ৰপৰা নৰবলিৰ কাৰ্যত ব্যৱহাৰ হোৱা এখন বৰ ডাঙৰ বলিকটা দা আনি কামৰূপ অনুসন্ধান সমিতিত ৰখা হৈছে।[১]

**অম্বিকানাথ দেৱালয়**

অসমৰ জিলা গেজেটিয়াৰত (নগাঁও) বৰভগীয়া মৌজাৰ এই মন্দিৰ জনাৰ্দন শৰ্মা ওৰফে বেহাৰীৰ দ্বাৰা আনুমানিক ১৭০৫ খ্ৰীষ্টাব্দত স্থাপিত বুলি আছে। নিষ্পিখেৰাজ ভূমি ৪৮৫ বিঘা।

**সদাশিৱৰ মন্দিৰ**

গেজেটিয়াৰমতে সদৰ তহছিলৰ সদাশিৱ মন্দিৰ উমা-মহেশ্বৰৰ (?) দ্বাৰা আনুমানিক ১৬৯০ খ্ৰীষ্টাব্দত স্থাপিত। নিষ্পিখেৰাজ ভূমি ৪২১ বিঘা।

**যোগীজানৰ শিলা-মন্দিৰ**

কপিলী উপত্যকাৰ যোগীজান নামৰ নৈৰ পাৰত এটা দুৰ্গ আৰু তিনিটা শিলা-নিৰ্মিত মন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। দুটি মন্দিৰ বৰ ডাঙৰ আছিল আৰু দুইটি শিৱমন্দিৰ আছিল। মন্দিৰকেইটি নানা চিত্ৰ-বিচিত্ৰ অলঙ্কাৰেৰে (carvings and bas-reliefs) শোভিত ডাঙৰ ডাঙৰ শিলাখণ্ডেৰে নিৰ্মিত আছিল।[২]

**যোগীজান ন নাথ থান**

হোজাইৰপৰা প্ৰায় সাত মাইল দূৰত। "কষ্টসাধ্য খনন কাৰ্যৰ দ্বাৰা এতিয়ালৈকে সাতটা শিৱলিঙ্গ উদ্ধাৰ কৰা হৈছে। ইয়াৰ প্ৰতিটো বিগ্ৰহ চাৰিওফালে থকা ইটাৰ পকা দেৱালৰ ভগ্নাৱশেষ পোৱা গৈছে। ক'লা-বগা পাথৰৰ সদ্যনিৰ্মিত যেন বিগ্ৰহসকল প্ৰায় অক্ষত অৱস্থাত উদ্ধাৰ কৰা হৈছে আৰু তাতে আশ্ৰম পাতি থকা এজন সাধুৰ তত্ত্বাৱধানত ৰখা হৈছে।" (নতুন অসমীয়া, ১৩ জানুৱাৰী ১৯৬১)।

**চাঁপানলাৰ মন্দিৰ**

চলচলি মৌজাৰ চাঁপানলা পৰ্বতত শিলৰ মন্দিৰ আৰু প্ৰাচীন দুৰ্গৰ ধ্বংসাৱশেষ পোৱা গৈছে।[৩] ইয়াতে হেনো কোনোবা হংসধ্বজ ৰজাৰ নগৰ আছিল।

---

১ The Hatimuria temple in Nowgong, *J.A R.S*, Vol. II, p 12

২ *Assam District Gazetteers,* VI : Nowgong, p. 59

২ *Assam District Gazetteers,* VI · Nowgong, p. 59

**জীয়াজুৰি মন্দিৰ**

জীয়াজুৰি চাহ-বাগিচাৰ ওচৰত ইটাৰে বন্ধা পাৰেৰে এটি ধুনীয়া পুখুৰী আছে।[১] ইয়াতো এটি শিৱ কি সূৰ্য দেৱতাৰ মন্দিৰ আছিল বুলি আৰ্কিওলজিকেল ছাৰ্ভেৰ পণ্ডিতে অনুমান কৰে। সেই মন্দিৰৰ দুৱাৰৰ এক অংশ (গণেশৰ মূৰ্তিৰে) বাগিচাৰ মেনেজাৰৰ বঙলাৰ সমুখত।[২]

**বুঢ়া-বুঢ়ীৰ থান**

কামপুৰত বুঢ়া-বুঢ়ীৰ থান এখনি আছে।

**গোসাঁইজুৰি**

ডবকাৰপৰা তিনিমাইলমান দূৰত গোসাঁইজুৰিত আটটা হাফলুৰ দৰে টিপ আছিল। তাত খনন-কাৰ্য কৰাত সপ্তমটো টিপত ছাৰে চাৰি ফুট ওখ এটি বিষ্ণুমূৰ্তি ওলায়। মূৰ্তিটি সমভঙ্গ ভঙ্গীত শিৰ কিৰীট-মুকুট, কাণত পত্ৰ-কুণ্ডল, ডিঙিত বনমালা, দুডাল হাৰ, তাৰে এডালত কৌস্তুভ, ইত্যাদি। দুফালে লক্ষ্মী আৰু সৰস্বতী। অষ্টমটি টিপতো ভগা-ছিগা অৱস্থাত এটি বিষ্ণু-মূৰ্তি আৰু বিদ্যাধৰৰ মূৰ্তি এটি পোৱা গৈছিল।

**আকাশীগঙ্গা**

ডবকাৰপৰা সাত মাইল দূৰত হাবিৰ মাজত শিলাময় ঠাইত দুটি শিলত কটা শিৱ-মন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। ইয়াৰ কাষতে আকাশীগঙ্গা নামৰ জলপ্ৰপাত। ইয়াত চালুক্য ৰীতিৰ নানা প্ৰত্নতাত্ত্বিক ধ্বংসাৱশেষ পোৱা গৈছে। তাৰ ভিতৰত দুৱাৰ-খিৰিকিৰ অংশ, আমলক আদি আছে। তদুপৰি মন্দিৰৰ গাৰ একোটুকুৰা খোদিত অংশত শিৱধ্যানী মূৰ্তি, গণ, নৰ্তকী, নৃত্যৰত গণেশ, মন্দিৰৰ সৰু সৰু চিত্ৰ আদিও আছে। গাই আৰু বলধৰ মূৰ্তি, শিৱলিঙ্গ আদিও সিঁচৰতি হৈ পৰি আছে। ইয়াৰ মাজতে দুফালে দুজনী চামৰ-ধাৰিণীৰে এক শূলপাণি শিৱৰ মূৰ্তিও পৰি আছিল। এইবোৰৰপৰা ইয়াত দুটি শিৱ-মন্দিৰ আছিল বুলি অনুমান কৰা হৈছে।[৩]

**গছতল**

ডবকাৰপৰা দুমাইলমান আঁতৰত গছতলতো অন্ততঃ দুটি গ্ৰেনাইট সিলৰ শিৱ মণ্ডপ আছিল বুলি অনুমান কৰা হৈছে। ইয়াত পোৱা ধ্বংসাৱশেষবোৰ দশম-একাদশ শতিকামানৰ বুলি অনুমান হয়।[১]

---

১ *Assam District Gazetteers,* VI : Nowgong, p. 59

২ *J.A.R.S.*, II, p. 20

৩ T. N. Ramachandran : Exploration in Assam, *A.R.A.S.I.*, 1936-37, p.p. 54-56

গছতলত ১১৪৯ শকৰ শ্ৰীমদ্বিশ্বসুন্দৰদেৱ নামৰ এজন ৰজাৰ লিপি থকা এক স্তম্ভ পোৱা গৈছে

**মিকিৰআটি**

নগাঁৱৰ ডবকা আলিৰ দাঁতিত ওচৰবে মিকিৰআটিত একে প্ৰকাৰৰ কেইবাটাও মন্দিৰৰ কিছুমান ধ্বংসাৱশেষ দেখা গৈছে।[১]

**সীতাজখলা**

গুৱাহাটীৰপৰা ৩৯ মাইলৰ খুঁটিত, ট্ৰাঙ্কৰোডৰপৰা ছবা মাইল দূৰত কিলিং নৈৰ পাৰত টান গ্ৰেনাইট শিলৰ পৰ্বত। তাতে নৈৰ দাঁতিৰপৰা ক্ৰমাৎ ওপৰলৈ উঠি যোৱা জখলাৰ দৰে খোপকটা এটি বাট। ইয়াৰে জন-প্ৰবাদে চেনেহত দিয়া নাম সীতা-জখলা, স্বয়ং যেন সীতাদেৱীৰ নামেৰে জড়িত। কিলিঙৰ এটা মেচত পৰ্বতৰ মেখলাত এটি সৰু মন্দিৰৰ সামান্য অৱশেষ-চিন দেখা পোৱা যায়।

**মহাদেওশাল**

ট্ৰাঙ্কৰোডৰ ছাৱে পঁচপন্ন মাইলত ধৰমতুল ষ্টেশ্যনৰপৰা পাঁচ মাইলমান আৰু নগাঁও চহৰৰপৰা ১৯ মাইল দূৰত মহাদেওশাল নামে সৰু গাঁওখনি। ট্ৰাঙ্কৰোডৰ বাঁওফালে গাঁওখনৰ উত্তৰ মূৰত এক ফাৰ্লংমানতে স্থাপত্যৰ সাঁচ থকা শিল কিছুমানেৰে ইয়াতে আটি এটি আছে। ইয়াতে এটি শিলৰ নিৰ্মিত শিৱ-মন্দিৰ আছিল বুলি অনুমান হয়। ধনু-কাঁড় লোৱা এক দ্বাৰপাল, এজনী পূজাৰিণী আৰু এজনী নটীৰ আৰু তিনটীয়া কেইবাশাৰীও মূৰ্তিৰ (বাসুদেৱ?) দুৱাৰৰ চৌকাঠ এডাল গাঁৱৰ নামঘৰত ৰক্ষিত হৈ আছে। নামঘৰীয়াজন নতুনকৈ হোৱা কোচ মানুহ; তেওঁক দেউৰী বোলে। গাঁৱৰ লোকসকলে মূলতে জয়ন্তীয়া ৰজাৰ অধীনত তাত বসবাস কৰা জয়ন্তীয়া লোক বুলি নিজে কয়। মহাদেওশাল গাঁৱৰপৰা ডেৰমাইলমান দূৰতে জোঙাল গড়, প্ৰবাদমতে আৰিমত্তৰ পুত্ৰ জোঙালবলহুৰ নামেৰে জড়িত।

**বসুন্ধৰী পৰ্বত**

চাপৰমুখ ৰেল ষ্টেশ্যনৰপৰা আঢ়ৈ মাইল, বৰপানী-কপিলীৰ সঙ্গমৰপৰা ডেৰমাইল দূৰত বসুন্ধৰী পৰ্বত। বৰপানী নৈৰ এটা মেচত বাঁওপাৰে প্ৰকাণ্ড গ্ৰেনাইট শিলা-খণ্ডৰ পৰ্বতৰ দুটা শিলত তিনি আৰু ছাৱে পাঁচ ফুট ওখ দুটি গণেশ আৰু আন এটি শিলত বসুন্ধৰী নামে জগদ্ধাত্ৰী দেৱীৰ চতুৰ্ভুজ মূৰ্তি খোদিত আছে।

**মঠবৰি**

বাৰপূজীয়া মৌজাত ৰহা-বাৰপূজীয়া আলিয়ে বহাৰপৰা দুমাইলমান দূৰত মঠবৰি

---

১ T. N. Ramachandran : Exploration in Assam, *A.R.A.S.I.*, 1936-37, p.p. 54-56
গছতলত ১১৪৯ শকৰ শ্ৰীমৰিশ্বসুন্দৰদেৱ নামৰ এজন ৰজাৰ লিপি থকা এক স্তম্ভ পোৱা গৈছে

গাঁও। গাঁৱৰ দক্ষিণ কাষৰত এটা বৰিত এটা শিলৰ মন্দিৰ আৰু তাৰ লগতে এটা ডাঙৰ পুখুৰীৰ চিন আছে। সেয়া বিষ্ণুমন্দিৰ আছিল বুলি অনুমান কৰা হৈছে।

**চাংচকি গৰখীয়া থান**

বাৰপূজীয়া মৌজাত বহা-বাৰপূজীয়া আলিয়ে ৰহাৰপৰা দুমাইল দূৰত কপিলীৰ বাঁও পাৰে দেউৰী গাঁও; এই গাঁৱৰ নামঘৰ কাষেদি নৈখন পাৰ হ'লেই চাংচকি গাঁও। চাংচকিৰ নামঘৰত দ্বাৰপাল, নৰ্তক আৰু পূজাৰিণীৰ তিনিটা মূৰ্তিৰে দুৱাৰৰ এডাল চৌকাঠ আৰু পদুম কটা এচটা ওপৰৰ শিল আছে। গাঁৱৰ পূৱলৈ শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী বিষ্ণুমূৰ্তি কটা এচটা শিল এখন চালিৰ তলত ৰাখি পূজা-সেৱা কৰা হয়; এয়ে গৰখীয়াথান। এইবোৰ গাঁৱৰ দক্ষিণে এমাইলমান দূৰৰ মঠবৰিৰপৰা অনা হৈছে।

**কাৰৈমাৰি**

কামপুৰৰপৰা কামপুৰ-যমুনামুখ আলিয়ে পাঁচমাইল দূৰত কাৰৈমাৰি গাঁৱত এটি মন্দিৰৰ ভগ্নাৱশেষ দেখা যায়।

**আমতল**

হোজাই ডাক্তৰখানাৰপৰা ছৰা এমাইল দক্ষিণে কাছাৰৰ মণিপুৰীসকল আহি পতা গাঁও আমতলা। ইয়াত কেইবাটিও শিৱমন্দিৰৰ ভগ্নাৱশেষ আছে বুলি অনুমান। তাৰে এঘৰ উত্তৰ ভাৰতৰপৰা অহা লোকৰ ঘৰত নৰ্তক, দ্বাপৰপাল আৰু পূজাৰিণীৰ মূৰ্তি থকা শিলৰ চৌকাঠ এডাল ৰাখি ৰাম, লক্ষ্মণ, সীতা বুলি পূজা দি থকা হৈছে।

**ডবকা**

নগাঁৱৰ ডবকা অঞ্চলেই সমগ্ৰদ্ৰগুপ্তৰ এলাহাবাদ লিপিত উল্লিখিত ডবাকৰাজ্য বুলি কনকলাল বৰুৱা আদি পণ্ডিতসকলে মত পোষণ কৰে। আজিকালিৰ যমুনাৰ পাৰৰ ডবকা বজাৰৰ ওচৰতে দুই কাষে লক্ষ্মী-সৰস্বতী থকা বাসুদেৱ-মূৰ্তি এটি পোৱা গৈছিল। ইাৰ ওচৰৰ কোনো মন্দিৰত এই মূৰ্তি আছিল বুলি অনুমান কৰিব পাৰি।

**উৰ্দ্ধগঙ্গা**

আকাশীগঙ্গা জলপ্ৰপাতৰ ডেৰ মাইল পূবে উৰ্দ্ধগঙ্গা নামে এটি জলপ্ৰপাত আৰু তাৰপৰা বৈ যোৱা সেই নামৰে এখনি নৈ আছে। ইয়াৰ আধা মাইলমান পশ্চিমলৈ পোৱা কিছুমান ধ্বংসাৱশেষে এটি প্ৰাচীন দেৱীমন্দিৰৰ যেন পৰিচয় দিয়ে।

**মহামায়া মন্দিৰ**

ডবকাৰ ডেৰ মাইলমান উত্তৰে ৭৭৯ ফুট ওখ মহামায়া পৰ্বতৰ ওপৰত এটি পুখুৰীৰে এটি সৰু শিলত কটা জীৰ্ণ মন্দিৰৰ ওপৰত ডাঙৰ গছ গজি উঠিছে।

### বুঢ়াগোসাঁইৰ থান

ডবকা অঞ্চলৰ বুঢ়াগোসাঁই পৰ্বতৰ দিখাৰু নৈৰ পাৰৰ অংশত এটি শিলৰ মন্দিৰৰ ধ্বংসাৱশেষ হাবিয়ে ঢাকি ধৰি আছে। ঠাইডোখৰক বুঢ়াগোসাঁইৰ থান বোলা হয়।

### হোজাইত মন্দিৰৰ অৱশেষ

হোজাই অঞ্চলত পুৰণি পুখুৰী, ভগা মন্দিৰ, শিৱলিঙ্গ আৰু দেৱীৰ মূৰ্তি আদি পোৱা গৈছে।

### মৌদণ্ডা

ডবকাৰ দহ মাইল পূবে মৌদণ্ডা নামে ডাঙৰ গাঁওখনিৰ পোৱা মাইল দক্ষিণলৈ যমুনা নৈৰ দক্ষিণ পাৰত মঠবাৰীত পুৰণি পুখুৰী আৰু কেইবাটাও মন্দিৰৰ ভগ্নাৱশেষ পোৱা গৈছে। ইয়াত অৰ্ধনাৰীশ্বৰ, বিষ্ণু, মহালক্ষ্মী আদি মূৰ্তি আৰু শিৱলিঙ্গ অৱস্থিত হৈছে।

### নভণ্ডাৰ চামুণ্ডা

যোগীজানৰ ধ্বংসাৱশেষৰ ঠাইৰপৰা ডেৰমাইল পশ্চিমে আৰু হোজাই ৰেলষ্টেশ্যনৰপৰা ছাৰে পাঁচ মাইল দূৰত নভণ্ডা নামে কছাৰী গাঁওখনিৰ কাষৰত চাৰি ফুট তিনি ইঞ্চি ওখ এখনি ভগা চামুণ্ডা মূৰ্তি পোৱা গৈছে। জকজককৈ ওলাই থকা লেখিব পৰা বুকুৰ হাৰ, কোটৰত সোমাই থকা চকু, দোৰোল পাতি থকা ওপৰ পেট, লাওখোলাৰ মালাৰে দেৱী শৱাসনত বহি আছে। তেওঁৰ সোঁকাষে এটা শগুণ আৰু বাঁওকাষে এটি শিয়াল। দেখাত দেৱী ষড়ভুজা। মূৰ্তিটি একাদশ কি দ্বাদশ শতিকামানৰ বুলি অনুমান হয়। ইয়াৰপৰা এমাইলমান উত্তৰ-পশ্চিমে কেন্দুগুৰি গাঁৱত কেন্দুগুৰি বিলৰ পাৰত এটা গঙ্গামূৰ্তি পোৱা গৈছে।

### ভইপৰ্বতৰ মহিষ-মৰ্দিনী দুৰ্গা

মহামায়া পৰ্বতৰ পাঁচ মাইল পূবলৈ কুৰি ফুটমান ওখ ভই পৰ্বত নামে এটা টিলাৰ এক শিলাখণ্ডত দুফুট তিনি ইঞ্চি ওখ ত্ৰিভঙ্গ ভঙ্গিৰ দশভুজা মহিষ-মৰ্দিনী দুৰ্গাৰ এটি মূৰ্তি আৱিষ্কৃত হৈছে।

### গণেশপৰ্বতৰ গণেশ

ভই পৰ্বতৰ এমাইলমান পূবলৈ মিকিৰ পৰ্বতৰ গণেশ পৰ্বত নামে টিলাৰ এটা ডাঙৰ শিলত গণেশৰ ছাৰে ছফুট ওখ এটা ডাঙৰ মূৰ্তি খোদিত আছে।

### ঢেঁকেলীপুখুৰীৰ মন্দিৰ

মহামায়া পৰ্বতৰ সাত মাইল দক্ষিণ-পূবে দুটা মাটি-গড়ৰ মাজত থকা শিলামন্দিৰৰ ধ্বংসাৱশেষ পোৱা গৈছে। তাত গণেশ আদিৰ নানা সুন্দৰভাৱে খোদিত মূৰ্তি আছে।

**ভবাবস্থা**

তেঁতেলীপুখুৰীৰ আঢ়ৈ মাইলমান পশ্চিমে ভবাবস্থাতো বাসুদেৱ, বিদ্যাধৰ আদিৰ মূৰ্তিৰ নানা ধ্বংসাৱশেষ আবিষ্কৃত হৈছে।

**বাদুলী-কুকং**

কন্দলি মৌজাৰ ভিতৰত কন্দলি চাহ-বাগিচাৰ তিনি মাইলমান উত্তৰপূবলৈ আৰু গড়কাপ্তানী আলিৰপৰা ডেৰ মাইল দূৰত পৰ্বতৰ গাত স্বাভাৱিক ডাঙৰ খোৰোং এটা আছে। ইয়াত অসংখ্য বাদুলী থাকে। এই খোৰোঙক স্থানীয় লোকে ভয়-বিস্ময়-বিমিশ্ৰিত শ্ৰদ্ধাৰে চায়।

**বামুণী গোসাঁই থান**

বাদুলী কুকঙৰপৰা এমাইলমান আৰু উত্তৰলৈ তিনিফালে আঢ়ৈকুৰিমান ফুট থিয় আৰু ওপৰলৈ উঠিব পৰা চতুৰ্থ ফালেৰে এখন প্ৰকাণ্ড শৈল আছে। সেয়ে বামুণীগোসাঁই থান। শিলাখণ্ডৰ তলত সৰু সৰু গুহাৰ দৰে কিছুমান আছে। বামুণী গোসাঁইক লোকে তেওঁৰ শিলাৰ ওপৰত সেৱা-পূজা দিয়েহি।[+]

**মায়ঙৰ গণেশ**

মায়ং মৌজাত বহা পাহাৰৰ নামনিত কপিলী নৈৰ কাষেদি যোৱা বাটৰ কাষতে দহ ফুট ওখ এক প্ৰকাণ্ড গণেশ-মূৰ্তি আছে। মায়ং, মনহা, ডিমৰুৱা আৰু গোভা মৌজাৰ বাইজে গণেশ-পূজাৰ দিনা হোম আদি কৰি গণেশৰ পূজা কৰে।[২]

**বহুলা থান**

যমুনামুখত এইখনি থান আছে বুলি জনা গৈছে।

ম.নে.

**বামনগোসাঁই থান**

নগাঁও চহৰৰপৰা আঢ়ৈ মাইল পশ্চিমত কাছমাৰি। ইয়াত নিচেই ওচৰা-উচৰিকৈ ৪ খন থান আছে। এই থানকেইখনৰ দেৱোত্তৰ মাটি ৮ বিঘা। থানৰ গোটেই ঠাই আগুৰি পলাৰ গছবিলাকে ইয়াৰ মহিমা আজিও প্ৰকাশ কৰি আছে। সেই কাৰণে এই ঠাই পলাশতল বুলিও জনাজাত। নিচেই গাতে লাগি নগাঁও-জাজৰি আলি গৈছে। এই

---

+. সীতাজখলাৰ বামুণী গোসাঁই থানলৈকে এই টোকাসমূহ *Journal of Assam Research Society*-ত প্ৰকাশিত ৰাজমোহন নাথৰ এই প্ৰবন্ধবোৰৰপৰা সঙ্কলন কৰা হৈছে : 'Antiquities of the Kapili and the Jamuna Valleys' (Vol. V, No. 1 & 2; Vol VIII, No. 3; Further antiquities,' etc. (Vol. VI, No. 2) 'Ruins of Nabhanga' (Vol. VII, No. 2), Kandali and the Kandali Kindgom' Vol. VIII, No. 1)

১ শ্ৰীমহেন্দ্ৰনাথ নেওগৰবাৰা পোৱা খবৰ।

থানসমূহৰ ভিতৰত বামন-গোসাঁই থানৰ বাহিৰে বাকী থানৰ আজি-কালি পূজা-সেৱা এৰা পৰিছে। বামন-গোসাঁই থান কেতিয়া কোনে স্থাপন কৰিছিল, বিশেষ একো জনা নেযায়। কিন্তু এই থানত আজিও পূজা-সেৱা চলি আছে। বছৰৰ প্ৰতি জেঠ মাহৰ পূৰ্ণিমাত বামুণৰ দ্বাৰা বিষ্ণু-হোম আৰু নাম-কীৰ্তন আদিৰে পূজা হয়। ইয়াত জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো মানুহে পূজাত যোগদান দিয়ে। এই থানৰ উপাস্য দেৱতা বিষ্ণু। মানুহৰ বিশ্বাস, বাঘৰ উৎপত্তি আৰু মাৰিমৰক আদিত আৰু গৰু-গাই আদি হেৰালে এই থানলৈ এথোক কল বান্ধিলে সকলো অপায় নিবাৰণ হয়। বহুত দিনৰ আগতে ইয়াৰ পূজা-পাতল আদি কৰিবলৈ এৰি দিয়াত গাঁৱৰ বহুত মানুহ বাঘৰ দৌৰাত্ম্যত আৰু অচিন বেমাৰত মৰি-হজি খান্তাং হৈছিল বুলি আজিও মানুহৰ মুখে শুনা যায়। এই থানত থকা এজাৰ গছ এডালৰ বহুত দিনৰপৰাই ঠিক একেধৰণে থকা দেখা গৈছে। বয়স অনুমান ২০০ বছৰ হ'ব। এই থানৰ বৰ্তমান দেৱোত্তৰ মাটি ৫ বিঘা।

**লাঙটা থান**

এই থান বামন গোসাঁই থানৰ নিচেই ওচৰতে, ইয়াত গাঁৱৰ লোকে ৰাতি দেৱতাৰ উদ্দেশ্যে কুকুৰা আদি চৰাই বলি দি লাঙটা গোসাঁইক পূজা দিছিল। ইয়াৰ বিশেষ কথা এয়ে যে, পূজাত উপস্থিত আটায়ে হেনো উলঙ্গ হৈ পূজা কৰিছিল। আৰু পূজাৰ শেষত থানৰ বাহিৰত নিজৰ নিজৰ কাপোৰ-কানি পিন্ধিব পাৰিছিল।[২] এই থানত আজি-কালি পূজা-সোৱা কৰা নহয়। এই থানৰ বৰ্তমান দেৱোত্তৰ মাটি আধা বিঘামান হ'ব। ইয়াৰ উপাস্য দেৱতা উলঙ্গ (দিগম্বৰ) শিৱ।

**কালিকা থান**

এই থান বামনগোসাঁই থানৰ উত্তৰ-পূবত নিচেই ওচৰতে। ইয়াত কালিকাৰ পূজা কৰা হৈছিল। শুনা যায়, এই থানত আগতে কাছ বলি দিছিল। কেইবছৰমান আগলৈকে আঢ়ৈ হাতমান দীঘল হেংদানৰ আকাৰৰ একন লোৰ বলি কটা অস্ত্ৰ ইয়াত দেখা গৈছিল। এই অস্ত্ৰ কাচিৎহে কোনো মানুহে পৰি থকা দেখা পায়। কিন্তু বস্তুটো মোহ লগা হ'লেও কোনো মানুহে ঘৰলৈ আনিব নোৱাৰে। কোনো লোকে ঘৰলৈ আনিলেও এক ৰাতিৰ পিছতে সেৱা-সৎকাৰ কৰি শোধাই থ'বলৈ দেৱতাই বাধ্য কৰায়। এই থানত পূজাৰিৰ অভাৱত আজি-কালি পূজা-সেৱা নচলে। এই থানৰ দেৱোত্তৰ মাটি বৰ্তমান এবিঘামান আছে।

---

২ এই কথিত প্ৰথা আজি শুনাত আচৰিত যেন লাগিলেও অবিশ্বাসযোগ্য নহয়। 'কালিকা য-পুৰাণ'ত বৰ্ণিত শাবৰোৎসৱ ইয়াৰ প্ৰাক্‌ৰূপ বুলিব পাৰি। আমাৰ 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি', ডক্টৰ কাকতিৰ The Mother Goddess Kamakhya আৰু "পুৰণি কামৰূপৰ ধৰ্ম ধাৰা" চাওক। ম.নে.

**ৰাইদেউ থান**

এই থান বামনগোসাঁই থানৰ উত্তৰ-পশ্চিম চুকত। এই থানক বহুতো প্ৰকাণ্ড পলাশ গছে আবৰি আছে। এই থানত ত্ৰিদশ কোটি দেৱতাৰ পূজা-সেৱা হৈছিল বুলি শুনা যায়। মুনিহ-তিৰোতা উভয়ে ব'হাগ-মহীয়া কৃষিৰ উদ্‌গতিৰ আৰু ৰোগ-ব্যাধি, মাৰি-মৰক, বানপানী, হিংস্ৰ জন্তুৰ আক্ৰমণ আদিৰ নিবাৰণৰ কাৰণে গীত গায়। এই থানত পূজাৰি নোহোৱাত ইয়াৰ পূজা-সেৱা বন্ধ আছে। ইয়াৰ দেৱোত্তৰ মাটি বৰ্তমান দুবিঘা।[৩]

**মাধৱ গোসাঁই**

তিনি শ বছৰমান আগতে এটি চতুৰ্ভুজ বিষ্ণু-মূৰ্তি গোলাঘাট মহকুমাৰ বোকাখাতত (বৰ্তমান কুৰুৱাবাবী সত্ৰৰ ওচৰত) স্থাপিত হৈছিল। মানভগনত মূৰ্তিখনি নগাঁৱৰ হাতীচোং গেদাৰবৰি গাঁৱলৈ আনি এটি সৰু ঘৰত ৰখা হৈছিল। ওচৰতে কুৰুৱাবাহী সত্ৰ। অলপতে তাত এটি মন্দিৰ সজা হৈছে।

**মাধৱ বাবাৰ থান**

কামপুৰৰপৰা আঠ মাইল নিলগত বৰপানী নৈৰ পাৰৰ মাধৱ পৰ্বতত ৩০। ৪০ বছৰ পূৰ্বে ইয়াৰ হিন্দুস্থানী পূজাৰিজনে স্বপ্ন দেখি মাটি খানি বিষ্ণু-মূৰ্তি এখনি থাপনা কৰে। তালৈকে হিন্দু-মুছলমান নানা যাত্ৰী নানা মানসেৰে আহে। নাম-কীৰ্তন আদিও হয় কেতিয়াবা।[৪]

**ভাগৱতী থান**

নগাঁও নগৰৰপৰা প্ৰায় ৫২ কিলোমিটাৰ পশ্চিমে নেলী বৰপায়ক গাঁৱত ৰাষ্ট্ৰীয় ৰাজপথৰ প্ৰায় দুই ফাৰ্লং দক্ষিণৰ এটা সৰু টিলাৰ ওপৰত। এই থানৰ ঘৰটি স্থানীয় ৰাইজে পকী ভেটিৰ ওপৰত স্থায়ীকৈ কৰাই দিছে। ইয়াত এটা ২ ফুট ওখ, প্ৰায় ৩ ফুট বেৰৰ ঘূৰণীয়া শিলত চাৰিফালে চাৰিটি ধ্যানৰত স্ত্ৰী-মূৰ্তি আছে। ওচৰৰ সকলো সম্প্ৰদায়ৰ লোকে নিজ নিজ প্ৰথামতে মাননি দি সেৱা জনায়, আৰু সময়মতে উৎসৱ আদিত নাম-কীৰ্তন কৰে। মন্দিৰৰ কৰ্তৃত্ব স্থানীয় লালুং সম্প্ৰদায়ৰ হাতত। নেলী বৰপায়ক গাঁৱৰ ৰজাই প্ৰতি বছৰ ব'হাগ বিহুৰ আগতে এই থানত ছাগলি, পাৰ, হাঁহ, কাছ, কুঁহিয়াৰ আদি দি পূজা কৰাৰ নিয়ম চলি আছে। এই পূজা সমাপন নকৰাকৈ ব'হাগ বিহু পাতিব নোৱাৰি। মূৰ্তি চাৰিওটা দেখাত একে যদিও ৰাইজে ভগৱতী, মহামায়া, কেঁচাইখাঁতী আৰু কাণী-কুঁজী বুলি বিশ্বাস কৰে। মানুহৰ মাজত প্ৰবাদ আছে যে, কেতিয়াবা পূজাত ব্যতিক্ৰ হ'লে এই ভগৱতী মূৰ্তি ওচৰৰ পিটনিত পৰি থাকে। আৰু

---

৩ কাছমাৰি প্ৰগতি পুথিভঁৰালৰ (নগাঁও) সম্পাদক শ্ৰীৰবীন্দ্ৰনাথ ডেকাৰপৰা পোৱা টোকাৰপৰা

৪ শ্ৰীচন্দ্ৰদেৱ ব্ৰহ্মচাৰীৰ টোকাৰপৰা

ৰাইজে নিয়মমতে পূজা-পাতল দি সেৱা ধৰিলে পুনৰ আবিৰ্ভাব হয় আৰু মন্দিৰলৈ আহে। এবাৰ এইদৰে পিটনিত পৰি থকা অৱস্থাত কোনো লোকে দেখা পাই, শিকলি লগাই হাতীৰে টনাইছিল; কিন্তু হাতীয়ে লৰাব নোৱাৰাত এৰি থৈ যায়।

**বৰদেও থান**

এই থানো নেলীত। বৰ্তমান নেলী-উমপানাই পথৰ কাষত আৰু ৰাষ্ট্ৰীয় ৰাজপথৰ প্ৰয়ে এক কিলোমিটাৰ দক্ষিণে। আগৰ দিনত নেলী বৰপায়কৰ ৰজাই বছৰি একোটা নৰবলি দিয়াৰ নিয়ম আছিল। এবাৰ ৰজাৰ পুতেক এই বলিৰ বাছনিত উঠাত ৰজাই মনত বৰ বেজাৰ পালে আৰু 'আজিৰপৰা তোমাক সেৱা নকৰোঁ' বুলি থানত পূজা কৰিবলৈ এৰিলে; কিন্তু লালুং সম্প্ৰদায়ৰ লোকে এই থানত বছৰি ছাগলি এটা আৰু পাৰ এযোৰ দি পূজা কৰি আছে। আগৰ নৰবলিৰ পৰিৱৰ্তে ক'লা ষাঁড় এটা থানৰ নামত উছৰ্গা কৰি দিয়াৰ নিয়ম আজিও আছে। ইয়াত এচলা ডাঙৰ শিল, আগৰ লোৰ খুটা-শিকলি আছে, আগতে এই শিকলিৰে বলি বান্ধিছিল বুলি স্থানীয় মানুহে কয়। ৰজাৰ বংশৰ কোনো মানুহ এই থানলৈ নাযায়।[৫]

**ক'লীয়া গোসাঁই**

আঢ়ৈ কুৰি বছৰমান আগতে কৰচুং সত্ৰৰ পুৰণি পুখুৰী এটাৰপৰা চতুৰ্ভুজ, লক্ষ্মী-সৰস্বতী-যুক্ত বিষ্ণু-মূৰ্তি তুলি সত্ৰত থাপনা কৰা হৈছিল। পিছত তাৰপৰা আনি নগাঁও হৰৰ সাত মাইল পশ্চিমে নগাঁও চহৰৰ সাত মাইল পশ্চিমে গজপুৰীয়া গাঁৱত থাপনা কৰা হয়।[৬]

## বৈষ্ণৱ থান-সত্ৰ

**বৰদোৱা থান**

বৰদোৱাই শ্ৰীমন্ত শঙ্কৰৰ আদ্যলীলা-স্থান। বৰদোৱাৰ পূৰ্বনাম সম্ভৱতঃ টেম্বুৱানী। শ্ৰীমন্ত শঙ্কৰ গুৰুৱে ৬৭ বছৰ বয়সত প্ৰায় ১৫১৬ খ্ৰীষ্টাব্দত কছাৰীৰ উপদ্ৰৱত এই থান এৰে। পুনৰ জয়ধ্বজসিংহৰ (১৬৫৪-৬৩) দিনত বৰদোৱা থান আবিষ্কাৰ কৰা হয়। দেখা যায়, সাত কুৰি বছৰৰো অধিক কাল বৰদোৱা অটব্য অৰণ্যৰ মাজত পৰি ৰয়। পাছত কনকলতা আয়ে বিষ্ণুপুৰ থানৰপৰা আহি থানখনি প্ৰকাশ কৰে। তেতিয়াৰপৰা কমলেশ্বৰসিংহ স্বৰ্গদেৱৰ সময়লৈকে অৰ্থাৎ বৰদোৱা থান দুভাগ কৰি তামৰ ফলি কৰি দিয়াৰ আগলৈকে বৰদোৱা থানৰ বুৰঞ্জী খেলি-মেলি অৱস্থাত।

কোচবেহাৰৰ তোৰোচা নদীৰ পাৰত কাকতকুটা নামে ঠাইত গুৰুজনে ১৫৬৯

---

*৫ নেলীৰ শ্ৰীনবীন্দ্ৰ দেৱ মহন্তৰ টোকাৰপৰা।*

*৬ বেবেজীয়া সাহিত্য সভাৰ শ্ৰীৰোহিতচন্দ্ৰ বেজবৰুৱাৰপৰা পোৱা টোকাৰপৰা*

খ্ৰীষ্টাব্দৰ ভাদ মাহৰ শুক্লা দ্বিতীয়াত নৰদেহ সম্বৰণ কৰে। শঙ্কৰ গুৰুৰ প্ৰয়াণৰ কিছু দিন পাছলৈকে তেৰাৰ ভাৰ্যা কালিন্দী আই পুত্ৰ ৰমানন্দ আৰু হৰিচৰণ ঠাকুৰে সৈতে পাটবাউসীত আছিল। ৰমানন্দৰ পুত্ৰ পুৰুষোত্তম আৰু হৰিচৰণ ঠাকুৰৰ পুত্ৰ চতুৰ্ভুজ। ৰমানন্দ আৰু হৰিচৰণৰ মৃত্যু পাটবাউসীতে হয়। পিছত পুৰুষোত্তম আৰু চতুৰ্ভুজে নিজ নিজ মাকক আৰু বুঢ়ীমাকক লৈ সুন্দৰীদিয়ালৈ উঠি যায়। আইসকলৰ পৰলোক হয় সুন্দৰীদিয়াত। কালত পুৰুষোত্তম ঠাকুৰ পাটবাউসীলৈ আহে। পাছত জনয়া নামে ঠাইলৈ গৈ ঘৰবাৰী কৰি ছবছৰ থাকে। ইয়াৰপৰা পুৰুষোত্তম ঠাকুৰ সপৰিয়ালে গৈ মধুপুৰ সত্ৰত আঢ়ৈ বছৰ থাকে। ইয়াৰপৰাই তেওঁ বাৰজন ধৰ্মাচাৰ্য পাতি উজনিত ধৰ্ম-প্ৰচাৰ কৰিবলৈ পঠাই নশ্বৰ দেহা এৰে। চতুৰ্ভুজ ঠাকুৰ সুন্দৰীদিয়াৰপৰা গৈ ঘিলাজাৰি বা ঘৰসিয়াত আছিল। চতুৰ্ভুজ ঠাকুৰে বৰ্তমান গোৱালপাৰাৰ তামৰঙা বিলৰ মাজত সত্ৰ পাতে বিষ্ণুপুৰ। তাতে তেওঁ তিনিগৰাকী ভাৰ্যা বিয়া কৰে — কনকলতা, মুকুন্দপ্ৰিয়া আৰু ৰেৱতী। ভাৰ্যা আৰু অনেক ভকত লৈ তেওঁ ভালেমান তীৰ্থ ভ্ৰমণ কৰি বিষ্ণুপুৰলৈ ঘূৰি আহে। পুনৰ মাকৰ অস্থি গঙ্গাত লগাবৰ মনেৰে তীৰ্থ কৰিবলৈ যাওঁতে ১৬৭১ শকত গঙ্গৰ পাৰত বৈকুণ্ঠগামী হয়। চতুৰ্ভুজে তেওঁৰ প্ৰধান ভাৰ্যা কনকলতা বা লক্ষ্মী আইক ধৰ্মবস্তু দি ভগ্নীপুত্ৰ দামোদৰক উত্তৰাধিকাৰ দিয়ে। কনকলতাৰ যত্নতে দামোদৰক বৰ বাৰজনীয়া আৰু সৰু বাৰজনীয়া আচাৰ্যসকলে অধিকাৰ পাতে বিষ্ণুপুৰ থানত। কনকলতা আই সপৰিয়ালে তামৰঙাৰ দক্ষিণ কূললৈ আহি বৈকুণ্ঠপুৰ সত্ৰ পাতি ৰয়। ভাগিন দামোদৰ আইৰ লগে লগে আহে। দামোদৰ আতাৰ ৰমাকান্ত নামে পুত্ৰ এটি জন্মে। এনেতে মুছলমানৰ আক্ৰমণ আৰম্ভ হয়। বৈকুণ্ঠপুৰতো লুটপাট হোৱাত আয়ে সেই ঠাই এৰিবলৈ মন কৰি আহোম ৰাজ্যৰ টঙচু ফুকনলৈ বতৰা পঠায়। জয়ধ্বজসিংহৰ আদেশত দামোদৰ আতাক ৰাজধানীলৈ নিওৱা হয়। দামোদৰ আতাৰ কথাতে ৰজা সন্তুষ্ট হৈ উপযুক্ত ঠাইত সত্ৰ পাতিবলৈ কয়। আতাই ৰজাক ক'লে, "বৰদোৱা নামে থান দিয়োক আমাক।" দামোদৰ আতাই ভটীয়াই আহি কনকলতা আইৰ ওচৰ পায়গৈ। কনকলতা আয়ে ভক্ত সহ উজাই আহি বৰদোৱাৰপৰা পাঁচমাইল দূৰত ৰয়হি আৰু এই ঠাইক আইভেটি বোলে বুলি পোৱা যায়। তেওঁ ইয়াৰপৰাই বৰদোৱা উলিয়ায়। টঙচু ফুকনৰ তদাৰকত মহাপুৰুষৰ আদ্যলীলা-স্থানত এখনি সত্ৰ হৈ উঠিল। কালিন্দী আয়ে দিয়া ধাৰণামতে কনকলতা আয়ে পুৰণি ভেটি, ঘাট-বাট উলিয়ায় বুলি চৰিতত বৰ্ণোৱা হৈছে।

চঙচু ফুকনৰ মাক বৰদোৱালৈ আহে। তেওঁক সপোনত শঙ্কৰ গুৰুৱে দেখা দি কয়, "শিলিখা গছৰ এহাত পূবে এহাত মাটিৰ তলত মই শাস্ত্ৰ লিখা পদশিলাখনি আছে।" পদশিলা উলিয়াই এটি গৃহত থাপনা কৰা হয়। কীৰ্তনঘৰৰপৰা দৌল প্ৰায় দুই ফাৰ্লং দূৰত। দৌলত শ্ৰীকৃষ্ণৰ মূৰ্তি আছে। ফাকুৱা উৎসৱত আসনৰপৰা নমোৱা হয়। দৌলৰ

চাৰিওকাষে গছ-গছনিৰে আগুৰা; বৰ গহীন। নতুনকৈ কীৰ্তন-ঘৰ নিৰ্মাণ কৰাৰ লগে লগে ইয়াৰ চৌদিশ মুকলি কৰি আধুনিক ধৰণে সুশোভিত কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। দৌলত দৈনিক চাকি-বন্তি জ্বলে; নাম-কীৰ্তন হয়। দৌল সম্পূৰ্ণ সৰু হিছাৰ বা শলগুৰিৰ তত্ত্বাৱধানত চলে।

কনকলতা আইৰ দুই কন্যা — সুভদ্ৰা আৰু ভৱপ্ৰিয়া। সুভদ্ৰাৰ এটি পুত্ৰ জগজীৱ বা অনন্তৰাম। অনন্তৰাম ডাঙৰ হৈ অহাত দামোদৰ আতাৰ মনলৈ সন্দেহৰ ভাব আহে। তেওঁ নতুন ঠাইত সত্ৰ পাতিবলৈ ধৰে। এখন পাতে বালিচাপৰিত, এইখন সত্ৰৰ নাম বালিসত্ৰ। এই সত্ৰতে দামোদৰ আতাৰ ১৫৮৪ শকত মৃত্যু হয়। কনকলতা আয়ে ৰমাকান্ত আৰু অনন্তৰাম দুইকো আচাৰ্য নিয়োগ কৰে। কিন্তু আন্তৰিক মিলা-প্ৰীতি নোহোৱাত ৰমাকান্ত আতা মাতৃসহ আঁতৰি ফুৰিবলৈ ধৰে। ইফালে মীৰজুমলাৰ আক্ৰমণত প্ৰজা ভাগি থানবান হয়। ৰমাকান্ত উজাই গৈ দিহিঙৰ পাৰত ৰয়। লক্ষ্মী আয়ো উজাই যায়। দেশ সুস্থিৰ হোৱাত ভটীয়াই আহোঁতে জখলাবন্ধাত কনকলতা আই বৈকুণ্ঠী হয়। ৰমাকান্ত আৰু অনন্তৰাম কোনো বৰদোৱালৈ নাহিল। চক্ৰধ্বজসিংহ স্বৰ্গদেৱে সবিশেষ জানি দুয়োকো মতাই ঘোঁৰাকোঁৱৰক সত্ৰ পাতি দিবলৈ আদেশ দিয়ে। তেওঁ বৰ্তমান উত্তৰ লখীমপুৰৰ ঢকুৱাখনা অঞ্চলত নৰোৱা সত্ৰ ('বাসুদেৱ-থান' চাওক) পাতি দিয়ে। ইয়াতে ৰমাকান্ত ৰ'ল। অনন্তৰামক ৰাজমাৱে বুদবাৰীখাত আৰু ৰজাই নাহৰণিখাত দিয়ে। ৰজাৰ কোবামৰা নামে এখন বাৰীত এখন সত্ৰ পাতে, সত্ৰৰ নাম হয় গোবিন্দপুৰ। কোবামৰা নামে এটা লুইতৰ সুঁতিৰ পাৰতো সত্ৰ কৰিছিল।, সেই সত্ৰৰ নাম কোবামৰা। অনন্তৰামে দিহিং নদীৰ পাৰত শলগুৰি জানৰ ওচৰত মধুপুৰ নামে আন এখন সত্ৰ পাতে। এই সত্ৰৰ নাম পাছত শলগুৰি হয়। ৰমাকান্ত আৰু অনন্ত আতা উজনিৰপৰা বৰদোৱালৈ অহা-যোৱা কৰি আছিল। ইতিমধ্যে গদাধৰসিংহে ৰাজপাটত উঠি (১৬৮১-৯৫) সত্ৰবিলাক ধ্বংস কৰি ধন-বস্তু নিবলৈ আদেশ দিয়ে। বৰদোৱা থানো পুৰি লণ্ড-ভণ্ড কৰা হয়। ৰমাকান্ত আতা বিজনীলৈ পলাই গৈ আত্মৰক্ষা কৰে। ৰজাৰ দূতে অনন্ত আতাক কোবামৰা সত্ৰতে নগুৰ-নাগতি কৰে, অনেক ধন দিহে ৰক্ষা পৰে।

দামোদৰ আৰু অনন্ত আতাৰ বংশধৰসকলে ১৭৯৯ খ্ৰীষ্টাব্দলৈকে মিলা-প্ৰীতিৰে বৰদোৱা থানখন চলাই আছিল। ৰমাকান্তৰ পুত্ৰ ৰামচন্দ্ৰ, তেওঁৰ পুত্ৰ ৰামদেৱ; আৰু অনন্তৰামৰ পুত্ৰ কেশৱৰায়, তেওঁৰ পুত্ৰ লক্ষ্মীকান্তৰ মাজত কাজিয়া হয়।। শেহত কমলেশ্বৰসিংহ স্বৰ্গদেৱে ভদৰি বৰুৱা আৰু পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ হতুৱাই এই কাজিয়া নিষ্পত্তি কৰায়। ফলত বৰদোৱা দ্বিখণ্ডিত হয়। ৰামদেৱৰ খণ্ডক নৰোৱা, বৰফাল বা *বৰহিছা (হিস্‌সা) বোলা হয়। ৰামচৰণ অংশক শলগুৰি (কোনোৱে কোবামৰা), সৰুফাল বা সৰুহিছা বোলে। এই ভাগত পুত্ৰানুক্ৰমে অধিকাৰ হোৱাৰ প্ৰথা চলে। সত্ৰৰ* নিম্পিখেৱাজ আছে। অধিকাৰৰ নামত সৰু হিছাৰ অধিকাৰ হোৱাৰ প্ৰণালী জ্যেষ্ঠানুক্ৰম।

তেতিয়াৰ বিত্তমন্ত্ৰী মতিৰাম বৰা আদৰ আশা-শুধীয়া চেষ্টাত দ্বিখণ্ড বৰদোৱা পুনৰ মিলিত হয়, দুটি কীৰ্তনঘৰ গুচি এটি হয়। এই কীৰ্তন-ঘৰৰ দুৱাৰ মুকলি কৰা হয় ৫১০ শঙ্কৰাব্দত ইংৰাজী ১৯৫৮ চনৰ ১১ অক্টোবৰত।

## দামোদৰ আতাৰপৰা বঢ়া সত্ৰ

নগাঁৱৰ নৰোৱাৰপৰা বঢ়া সত্ৰ এই কেইখন —

### কুঁজী সত্ৰ

অনন্তৰামৰ জন্মৰ পিছত দামোদৰ আতাই ভৱিষ্যতে কন্দল হোৱাৰ ভয়ত বেলেগাই কুঁজী বিলৰ কাষত সত্ৰ পাতে। পাছত দামোদৰ আতাৰ পৰিনাতি ৰামদেৱৰ দ্বিতীয় পুত্ৰ বিষ্ণুদেৱ কুঁজীলৈ গৈ অধিকাৰ হয়। সত্ৰৰ পূৰ্বৰ নাম বিষ্ণুপুৰ; পাছতহে কুঁজী হয়। সত্ৰৰ পাঁচ শ পুৰামান নিষ্পিখেৰাজ আছে। বৰ্তমান কীৰ্তনঘৰ নাই, মণিকূটটি আছে। সত্ৰত গোবিন্দ মূৰ্তি আছে; সাত-থকীয়া বৃহৎ সিংহাসন আছে।

### বালিসত্ৰ

দামোদৰ আতাই প্ৰথমতে যি বালি-চাপৰিত বাহৰ কৰিছিল, পাছত সি বালিসত্ৰ নামে প্ৰসিদ্ধ হয়। মতান্তৰে, কুঁজীত সত্ৰ পতাৰ পাছত দামোদৰ আতাই এই সত্ৰ পাতে। সত্ৰখনি দামোদৰ আতাৰ পৰিনাতিসকলে বৰদোৱাৰ পৰাই চলাই আছিল। পৰবৰ্তীকালত ৰমাকান্ত আতাৰ চতুৰ্থ বংশধৰ লক্ষ্মীকান্ত অধিকাৰৰ ছয় পুত্ৰৰ নুমলীয়া পুত্ৰ ধনেশ্বৰদেৱ বালি সত্ৰৰ অধিকাৰ হয়। তেতিয়াৰপৰা ই এখন সুকীয়া সত্ৰ হৈ পৰে। সত্ৰৰ অৱস্থা বেয়া নহয়। টঙচু ফুকনে ৰমাকান্ত আতাত শৰণ লৈ বহু সম্পত্তি দান কৰে। ফুকনে দিয়া বৃহৎ ঘণ্টা (ফুকনৰ নাম খোদিত আছে) আৰু এখন কাঁহ (মহীধৰ বুঢ়াগোহাঁইৰ নাম খোদিত আছে) আজিলৈকে এই সত্ৰত আছে।

### ভেটিয়নি ন সত্ৰ

লক্ষ্মীদেৱৰ প্ৰথম পুত্ৰ দামদেৱৰ অকাল বিয়োগ হয়। তেৰাৰ পুত্ৰ হৰেন্দ্ৰনাৰায়ণ বৰহিছাৰ অধিকাৰ হয়। এই সময়তে দামোদৰদেৱৰ ভাই ৰামদেৱে অধিকাৰ পদ দাবী কৰে। তাৰ ফলত মোকৰ্দমা প্ৰায় চাৰি বছৰ চলে। হৰেন্দ্ৰনাৰায়ণে অধিকাৰ পদ নাপালে। তেওঁ ধৰমতুল ষ্টেশ্যনৰ ওচৰতে তেলাহিত সত্ৰ পাতি ৰয়। কিছু দিন থকাৰ পাছত হৰেন্দ্ৰনাৰায়ণে তেলাহি এৰি বৰদোৱাৰ ওচৰত ভেটিয়নিত সত্ৰ পাতি ৰয়। তেতিয়াৰপৰা ই এখন নতুন সত্ৰ হয়। সত্ৰৰ অৱস্থা উন্নত নহয়।

### তুলিবল সত্ৰ

লক্ষ্মীদেৱৰ তৃতীয় পুত্ৰ নৰনাথ ঢিং অঞ্চললৈ গৈ তুলিবল নামে সত্ৰ পাতে। অৱস্থা

বিশেষ ভাল নহয়।

**ইটাখুলি সত্ৰ**

লক্ষ্মীদেৱৰ পঞ্চম পুত্ৰ যোগেন্দ্ৰদেৱৰ দ্বাৰা স্থাপিত। এই সত্ৰ মৰিগাঁও অঞ্চলৰ বৰগুাবাৰীত।

## শলগুৰীয়া সত্ৰ

**আইভেটি ন সত্ৰ**

কনকলতা বা লক্ষ্মী আয়ে বৰদোৱা থান আৱিষ্কাৰ কৰিবৰ মানসে ভকত সহ আহি যি ঠাইত বৈছিলহি সেই ঠাইক আইভেটি বা লক্ষ্মী আইৰ থান বোলে। দুজোপা বেলগছ সহ ভেটি এতিয়াও আছে। ভেটিটিত এটি কীৰ্তন-ঘৰ আছে আৰু ভকতসকলে দৈনিক নাম-প্ৰসঙ্গ কৰে। থানখন ন সত্ৰই চলায়।

অনন্ত আতাৰ পৰিনাতি হৰিচৰণ সৰুহিছাৰ অধিকাৰ হয়। তেৰাৰ পুত্ৰ শশধৰ আইভেটিত আছিল। উত্তৰ কালত শশধৰদেৱে আইভেটিত নতুনকৈ এখন সত্ৰ পাতে। এই সত্ৰকে আইভেটি ন সত্ৰ বোলে। চন্দ্ৰকান্তসিংহই বোলে শশধৰ আতাত শৰণ লৈছিল আৰু এই সূত্ৰতে ৰজাৰপৰা বাৰ কুৰি পুৰা ভূমি লাভ কৰে ইয়াৰ উপৰি শশধৰ আতাৰ ককাক, সৰু হিছাৰ অধিকাৰ লক্ষ্মীকান্তই গৌৰীনাথসিংহৰপৰা প্ৰায় চৈধ্য শ বিঘা নিষ্কৰ ভূমি পাইছিল। এই নিষ্কৰ ভূমি বৰ্তমান নিস্পিখেৰাজত পৰিণত হৈছে; আৰু ন সত্ৰৰ অধিকাৰসকলে সত্ৰৰ নামত ভোগ কৰে।

**শুকদল সত্ৰ (বৰবৰি)**

অনন্তৰামৰ দ্বিতীয় ভাৰ্যাৰ দ্বিতীয় পুত্ৰ হৰিৰায় উজনিৰপৰা বৰদোৱালৈ আহে। এওঁ পণ্ডিত আছিল, ভাগৱত ব্যাখ্যা কৰি সকলোকে মুহিছিল দেখি লোকে এওঁক ভাগৱতী আতা বুলিছিল। ৰাজেশ্বৰসিংহই এওঁৰ ভাগৱত ব্যাখ্যা শুনি পৰম পৰিতুষ্টি হৈ বৰদোৱাৰ ওচৰৰ শুগদলত বহুত মাটি দান কৰে। এৱেঁই শুকদল সত্ৰৰ প্ৰতিষ্ঠাতা। ৰাজেশ্বৰসিংহই দিয়া সমস্ত মাটি এতিয়া নাই। ইংৰাজ আমোলত ফলি দেখুৱাব নোৱাৰাত কেৱল ১০৫ বিঘা মাটি সত্ৰৰ নামত আছে।

**সৰুবৰি (শুকদল)**

হৰিৰায়ৰ তিনি পুত্ৰ : প্ৰদ্যুম্ন, সুদ্যুম্ন, ইন্দ্ৰদ্যুম্ন। প্ৰদ্যুম্ন শুকদলৰ (বৰবৰি) অধিকাৰ হয়। প্ৰদ্যুম্নই সৰুবৰিত সত্ৰ পাতে।

**ইটাকুলি সত্ৰ**

এই সত্ৰ হৰিৰায়ৰ পুত্ৰ ইন্দ্ৰদ্যুম্নই পাতে। সত্ৰৰ অৱস্থা ভাল নহয়। বৰ্তমান সত্ৰৰ

গৰাকী পেহীয়েকক মঠৰবৰীয়া গোসাঁয়ে বিয়া কৰায়। মঠৰবৰীয়া গোসাঁই আৰু ভকতসকলে সত্ৰখন চলাইছে।

## পুৰুষোত্তম ঠাকুৰৰ জীয়াৰীৰপৰা বঢ়া সত্ৰ

পুৰুষোত্তম ঠাকুৰৰ ভাৰ্যা তিনিগৰাকী। এগৰাকীৰপৰাও পুত্ৰ-সন্তান নহ'ল। প্ৰথমা ভাৰ্যা ৰেৱতীৰ এটি কন্যা হয়, নাম অনন্তপ্ৰিয়া। দ্বিতীয়া ভাৰ্যা লক্ষ্মীপ্ৰিয়াৰ তিনিটি কন্যা — কেহো বা কেশৱপ্ৰিয়া, ভৱপ্ৰিয়া আৰু দময়ন্তী। সৰুগৰাকী ৰুক্মিণীদেৱীৰ কোনো সন্তান নাই। কেশৱপ্ৰিয়াৰ বিবাহ হয় নিৰঞ্জন নামে এজনেৰে।

নিৰঞ্জন গাভৰুগিৰীৰ চাৰি পুত্ৰ — চক্ৰপাণি, শাৰঙ্গপাণি, গদাপাণি, পদ্মপাণি। ৰজাৰ অনুগ্ৰহত ইবিলাকে মাজুলীত সত্ৰ পাতে। চক্ৰপাণিয়ে চামগুৰি বিলৰ পাৰত মতান্তৰে চাম গছৰ ওচৰত সত্ৰ পাতে। সেয়েহে নাম হয় চামগুৰি সত্ৰ। শাৰঙ্গপাণিয়ে দীঘলী বিলৰ পাৰত দীঘলী সত্ৰ পাতে। পাছৰ কালত এওঁলোকৰ পুত্ৰ-পৌত্ৰাদিয়ে সেই সেই নামেৰে ভিন ভিন ঠাইত সত্ৰ পাতে। এঁওলোকৰপৰা বঢ়া সত্ৰ নগাঁৱত আছে।

### ভোগবাৰী (দীঘলী)

শাৰঙ্গপাণিৰ দ্বিতীয় পুত্ৰ বজ্ৰপাণি বৰদোৱালৈ আহে। তেওঁ বৰদোৱাৰপৰা পাঁচ মাইলমান আঁতৰত ভোগবাৰী নামে ঠাইত সত্ৰ পাতে। সত্ৰখনিৰ নাম আচলতে দীঘলী সত্ৰ; কিন্তু জনসাধাৰণে ভোগবাৰী বুলিলেহে জানে। অধিকাৰ জ্যেষ্ঠানুক্ৰমে হয়।

### চামগুৰি

চক্ৰপাণিদেৱৰ তৃতীয় নাতি বিষ্ণুদাস উজনিৰপৰা আহি কলিয়াবৰত সত্ৰ পাতে। মূল সত্ৰৰ নাম অনুসৰি সত্ৰৰ নাম ৰাখে চামগুৰি। এতিয়ালৈকে সত্ৰৰ গাম্ভীৰ্য সুন্দৰভাৱে আছে। অধিকাৰ জ্যেষ্ঠানুক্ৰমে হোৱাৰ নিয়ম।

### চৰাইখোৰোং

নিৰঞ্জন গাভৰুগিৰীৰ তৃতীয় পুত্ৰ গদাপাণি উজনিত নাথাকি নগাঁৱলৈ আহে, ৰাইডঙীয়া অঞ্চলত এখন সত্ৰ পাতে; সেই সত্ৰৰ নামেই চৰাইখোৰোং সত্ৰ।

### দীঘলী

আজি কেইবছৰমানৰ আগতে শিৱসাগৰৰপৰা দীঘলী সত্ৰৰ কোনো এজন লোক আহি বৰপথাৰ শিছগাঁৱৰ মাজত সত্ৰ পাতি আছে। মূল সত্ৰৰ নামে পৰিচয় দিয়ে। সত্ৰৰ অৱস্থা বিশেষ ভাল নহয়।

### মঠৰবৰি

মঠৰবৰি এখন উৎকৃষ্ট গাঁও। শাৰঙ্গপাণিৰ তৃতীয় পুত্ৰ মনোৰথ। এই মনোৰথৰ

বংশৰ কোনো লোক আহি বৰদোৱাত আশ্ৰয় লয়। আজি কেইবাপুৰুষৰ আগতে সিবিলাকে বৰদোৱা থান এৰে আৰু মঠৰবৰিত থিতাপি লয়; তাতে কীৰ্তন-ঘৰ সাজি নাম-কীৰ্তন কৰি থাকে। কালত সত্ৰত পৰিণত হয়। ওচৰৰ ইটাকুলি সত্ৰৰ লগত বিয়া-বাৰু লৈ সিবিলাকৰ ঘনিষ্ঠ সম্বন্ধ আছে। সিবিলাকেও ইটাকুলি (কোৱামৰা) সত্ৰ বুলি চিনাকি দিয়ে। অৱস্থা বেয়া নহয়।

### কুঢ়িমাৰি

পুৰুষোত্তম ঠাকুৰৰ প্ৰথমা ভাৰ্যা ৰেৱতীৰ কন্যা অনন্তপ্ৰিয়াক ইন্দ্ৰজিৎ গাভৰুগিৰীলৈ, মতান্তৰে মোহনগিৰীলৈ, বিয়া দিয়া হয়। এওঁলোকো বেহাৰৰপৰা আহি জনিয়া থানত বৈছিল। মুছলমানৰ উপদ্ৰৱ হোৱাত নিৰঞ্জন গাভৰুগিৰীয়ে সৈতে একেলগে উজাই আহি ৰংপুৰ নগৰৰ কাষৰৰ গজপুৰ পায়গৈ। ইন্দ্ৰজিৎ গাভৰুগিৰী পণ্ডিত আৰু ভক্ত আছিল। তেওঁ এখন "কথা গুৰু-চৰিত" লিখে। কুঢ়িমাৰি সত্ৰৰ ...সাহসকলৰ মতে ইন্দ্ৰজিৎ গাভৰুগিৰীয়ে শিৱসিংহ স্বৰ্গদেৱৰপৰা ৰাজসভাত গায়ন গোৱা সাতজন গায়ন আৰু এজন চাংমাইকো তেওঁৰ ভকতৰূপে পায়। যোৰহাটৰ হোলোঙাপাৰ মৌজাত এই চাংমাইজন আছিল; তেওঁৰ নাম অনুসৰি বোলে গাঁওখনৰ নাম চাংমাই গাঁও। এই গাঁৱত কুঢ়িমাৰি সত্ৰৰ শিষ্য এতিয়াও আছে। উজনিৰ কোনো খণ্ডৰ কুঢ়িমাৰি নামে বিলৰ পাৰত এই সত্ৰখন আছিল। সম্ভৱ মান ভগনত ভাগি আহি নগাঁও জাজৰি অঞ্চলত বসতি কৰেহি। গায়নসকল বতিছিল কাৰণে জাজৰিৰ এই অঞ্চলক গায়ন গাঁও বোলে। গায়ন গাঁৱতে এই সত্ৰখনি। সত্ৰখন স্থাপন কৰে অনন্তপ্ৰিয়াৰ অধস্তন বংশধৰ প্ৰদ্যুম্নদেৱে। প্ৰদ্যুম্নদেৱৰ নাতি বিষ্ণুদেৱে বাৰ বছৰ ভাত নাখাইছিল; সেই কাৰণে তেখেতৰ দিনৰ পৰা সত্ৰখনক "ভাত নখোৱা আতাৰ সত্ৰ" বোলে; কুঢ়িমাৰি নাম বিশেষ জনাজাত নহয়। অনন্তপ্ৰিয়াৰ শেষ বংশধৰ ঘনকান্তৰ অকাল মৃত্যু হোৱাত ঘনকান্তৰ মাকে তেখেতৰ খুড়াকৰ পুত্ৰ সৰ্বানন্দক (বৰদোৱা নৰোৱাৰ) পোষ্যপুত্ৰ লয়। এই সৰ্বানন্দৰ পুত্ৰসকলে বৰ্তমান সত্ৰ চলাই আছে। সত্ৰৰ কীৰ্তন-ঘৰ ভাল। পদশিলা ঘৰত পুৰুষোত্তম ঠাকুৰৰ পদচিহ্ন থকা শিল, পাদুকা আদি আছে বুলি সত্ৰৰ গৰাকীসকলে কয়। সত্ৰীয়া আদৰ্শ সম্পূৰ্ণ থকা দেখা যায়।

### চেপেটিমৰা

প্ৰদ্যুম্নদেৱৰ ভ্ৰাতৃ লম্বোদৰদেৱে কুঢ়িমাৰিৰপৰা ডেৰ ফাৰ্লংমান আঁতৰত এই সত্ৰখনি পাতে।

## কালশিলীয়া সত্ৰ

শ্ৰীশঙ্কৰদেৱৰ খুড়াকৰ পুতেক ৰতিকান্ত বা (?) হাথিয়দলৈ। তেওঁৰে পুতেক

ৰামচন্দ্ৰ। ৰামচন্দ্ৰৰ পুত্ৰ নাই; এটি কন্যাহে আছিল, নাম বিষ্ণুপ্ৰিয়া বা ৰুক্মিণী। ৰতিকান্তই এই কন্যাটিৰলৈকে যদুদেৱ নামে এজন লোকক বিয়া কৰাই আনি পুত্ৰ কৰি ৰাখে। এইদুকান্তই কালশিলীয়াসকলৰ আদি পুৰুষ। যদুদেৱৰ পুত্ৰ "প্ৰেমলতা" আৰু "শ্ৰীৰামকীৰ্তন"ৰ কবি অনন্ত ঠাকুৰ বা হৃদয়ানন্দ। এওঁৰ জন্ম বৰপেটাৰ ওচৰৰ বাৰাদিত। কনকলতা আই বৰদোৱালৈ অহাৰ পাছত অনন্ত আতা নগাঁৱৰ মায়ঙলৈ আহি কালশিলা নামে বিলৰ পাৰত ৰয়। অনন্ত আতাই কনকলতাৰপৰা ধৰ্মপ্ৰচাৰ কৰিবলৈ আজ্ঞা পাইছিল। এই বিলৰ পাৰতে ১৫৬৪ শকত কালশিলা সত্ৰ পাতি তেওঁ ধৰ্মপ্ৰচাৰ কৰে। এওঁ ১৫৯৪ শকত বৈকুণ্ঠ-প্ৰয়াণ কৰে।

অনন্ত ঠাকুৰৰ পুতেক ভুৱনেশ্বৰ। কালশিলা তেতিয়া দন্দুৱা ৰজাৰ অধীনত। বিলৰ পোহ্নৰ হাতমান পানীৰ তলত থকা এটা ক'ৱলা বিষাক্ত শিলৰ বাবে পানী বেয়া আৰু বিষাক্ত হোৱাত মানুহে খাব নোৱাৰে। ভুৱনেশ্বৰৰ বোলে অদ্ভুত শক্তি আৰু মহিমা আছিল। দন্দুৱা ৰজাৰ অনুৰোধমতে ভুৱনেশ্বৰে বুৰ মাৰি এই শিল তুলি আনি পাৰত থয়; তেতিয়াৰপৰা পানী ভাল হয়। মায়ঙত এতিয়া কালশিলা সত্ৰ নাই। পাছৰ কালত ভুৱনেশ্বৰে কালশিলাত সত্ৰ ৰাখিব নুখুজিলে। দন্দুৱা ৰজা থকা ঠাইখণ্ডক আজিও দন্দুৱা বোলে। দন্দৱা ৰজাৰ অনুৰোধত ভুৱনেশ্বৰদেৱে ৰজাৰ ওচৰতে এখন সত্ৰ পাতে। সত্ৰ পতা ঠাইত ৰজাৰ বিষয়া দলৈ কিছুমানে ঘৰ সাজি আছিল; সেই কাৰণে সেই ঠাইক দলৈচুবা বোলে। পাছত বেলেগ বেলেগ ঠাইত সত্ৰ পতা হয়; সকলো কেইখন সত্ৰই কালশিলা সত্ৰ।

**দলৈচুবা**

ইয়াতেই ভুৱনেশ্বৰদেৱে পতা মূল সত্ৰখন। তেওঁ ৰাজেশ্বৰসিংহৰপৰা ৭০০ পুৰা নিষ্কৰ ভূমি লাভ কৰে; ফলি নষ্ট হোৱাৰ বাবে তেওঁ বংশধৰসকলে ভোগ কৰিবলৈ নাপালে। পঞ্চম অধিকাৰ দেউৰাম আতাই বহু পুৰুষাৰ্থ কৰি ২৪২ বিঘা ১২ লোচা মাটি উদ্ধাৰ কৰে; কিন্তু, পালে নিষ্পিখেৰাজ হিচাপেহে। এওঁ ১৭৭৫ শকত বৈকুণ্ঠী হয়। সত্ৰৰ বৰ্তমান অৱস্থা বিশেষ বেয়া নহয়।

**নাওকটা**

ই দলৈচুবাৰ শাখা। ভুনেশ্বৰৰ দ্বিতীয় পুত্ৰ দৈৱকীনন্দনদেৱে স্থাপন কৰে। সত্ৰৰপৰা শিছ্-ভকত আন ঠাইলৈ গৈছে, সত্ৰখন প্ৰায় এৰাবাৰীৰ নিচিনা হৈ পৰিছে। নাওকটা দলৈচুবা একে; জ্যেষ্ঠানুক্ৰমে অধিকাৰ হোৱাৰ নিয়ম। নাওকটা বা দলৈচুবাৰ যিজন লোকেই জ্যেষ্ঠ, তেৱেঁই দুয়োখন সত্ৰৰ অধিকাৰ হয় আৰু নিষ্পিখেৰাজৰো গৰাকী হয়।

**তামোলবাৰি**

ভুৱনেশ্বৰদেৱৰ পৰিনাতি দেৱানন্দ দলৈচুবাৰ অধিকাৰ হয়। দেৱানন্দৰ ভায়েক

ব্ৰহ্মানন্দ ফাটি গৈ তামোলবাৰিত সত্ৰ পাতে।

**তৰাবৰি**

ভুবনেশ্বৰৰ দ্বিতীয় পুত্ৰ দৈৱকীনন্দনে এইখন সত্ৰও স্থাপন কৰে। কালত ই নাওকটা দলৈচুবাৰপৰা পৃথক হয়। অধিকাৰ আদিও বেলেগ।

**হাবি বৰঙাবাৰী**

ইয়াতো কালশিলা সত্ৰ এখন আছে। তামোলবৰি, তৰাবৰি, বৰঙাবাৰী আদি সত্ৰ কেইখনৰ অৱস্থা ভাল নহয়।

## মাধৱদেৱৰ আজ্ঞাপৰ সত্ৰ

## (শ্ৰীহৰি, যদুমণিদেৱ, খোৰাগোপালৰপৰা বঢ়া)

মাধৱদেৱৰ আজ্ঞাপৰ বাৰজন আচাৰ্যৰ ভিতৰৰ শ্ৰীহৰি আৰু যদুমণিদেৱৰপৰা বঢ়া সত্ৰ নগাঁও জিলাত আছে।

**লাইআটি**

শ্ৰীহৰিয়ে মাজুলীত সত্ৰ পাতে। সত্ৰৰ মূৰ্তি বংশীগোপাল। ছয় পুৰুষ মাজুলীত থকাৰ পাছত শ্ৰীহৰিৰ বংশধৰসকল মান-ভগনত মাজুলীৰপৰা ভাগি নগাঁও পায়হি। পুৰণিগুদাম অঞ্চলত লাইআটি সত্ৰ পাতে। এই সত্ৰ তিনিভাগ — বৰভাগ, মাজুভাগ, সৰুভাগ। তিনিওভাগ তিনি ঠাইত। মাজু আৰু সৰুভাগ কলং নদীৰ উত্তৰ পাৰে। শ্ৰীহৰিৰপৰা তৃতীয় পুৰুষৰ বংশধৰ ৰঘুনন্দনৰ তিনি পুত্ৰ। বৰপুত্ৰ ৰমাকান্তৰপৰা বৰভাগ, ৰমাকান্তৰ পৰিনাতি জয়চন্দ্ৰ বৰভাগৰ প্ৰথম অধিকাৰ। সত্ৰখন পুৰণিগুদাম তেলীয়া গাঁৱত, কলঙৰ দক্ষিণপাৰে। লাইআটি সত্ৰৰ পুৰণি বংশীগোপাল মূৰ্তি বৰভাগত আছে; শ্ৰীমাধৱদেৱ আৰু শ্ৰীহৰি আতাৰ খৰম সংৰক্ষিত হৈ আছে বুলি এই ভাগৰ সত্ৰাধিকাৰ গোস্বামীয়ে জনাইছে।[৭]

৭ লাইআটি সত্ৰাধিকাৰ শ্ৰীলীলাকান্ত দেৱ গোস্বামীয়ে ওপৰৰ বিৱৰণত সন্তুষ্ট নহৈ তলৰ টোকাটি পঠাইছে :

কৃষ্ণাত্ৰি গোত্ৰজ লক্ষ্মীকান্তদেৱৰ পুত্ৰ হৰিদেৱ গোসাঁইৰ দ্বাৰা লাইআটি সত্ৰ প্ৰতিষ্ঠিত হয়। কামৰূপেশ্বৰ দুৰ্লভনাৰায়ণ ৰজাই কনৌজপুৰৰপৰা অনা ব্ৰাহ্মণ ৰঘুপতিদেৱৰ পঞ্চম পুৰুষত এওঁ জন্ম হৈছিল। মহাপুৰুষ মাধৱদেৱৰ অনুজ্ঞা লভি বৈষ্ণৱ ধৰ্মাচাৰ্যৰূপে অসমত ধৰ্ম প্ৰচাৰ কৰা বাৰজন আচাৰ্যৰ ভিতৰৰে হৰিদেৱো এজন। সত্ৰৰ ইষ্টদেৱতা মাধৱৰায় মুখ্য বিগ্ৰহ ৰঘুপতিয়েহেই অসম দেশলৈ লগত লৈ আহিছিল; এই বিগ্ৰহৰ বাহিৰেও বংশীবদন, চতুৰ্ভুজনাৰায়ণ, গোপাল আদি বিগ্ৰহো সত্ৰত বিদ্যমান। হৰিদেৱ উদাসীন আছিল; ভ্ৰাতৃ নৰহৰিদেৱৰ পুত্ৰ ৰামদেৱ গোসাঁইক পোষ্যপুত্ৰ গ্ৰহণ কৰি

**মাহৰা সত্ৰ**

যদুমণিদেৱৰপৰা বঢ়া। যদুমণিদেৱে শঙ্কৰদেৱক দুবাৰ লগ পায়। পাছৰবাৰ বংশীগোপালদেৱেৰে সৈতে লগ পাই তীৰ্থ কৰিবলৈ যায়। বংশীগোপাল আৰু যদুমণিদেৱ তীৰ্থত থাকোঁতেই শ্ৰীশঙ্কৰদেৱে বৈকুণ্ঠ-প্ৰয়াণ কৰে। শঙ্কৰদেৱে মাধৱদেৱক বাক্য কৰি যায় যে গোপাল আৰু যদুমণি নামে দুজন বিপ্ৰ তীৰ্থৰপৰা ঘূৰি আহিলে ৰাজসূয় শাস্ত্ৰ, মদনগোপাল মূৰ্তি, গুণাপৰা বস্ত্ৰ এজনক আৰু প্ৰথমস্কন্ধ ভাগৱত, শ্যামৰায় মূৰ্তি, আঁচুপৰা বস্ত্ৰ আনজনক দি ধৰ্মাচাৰ্য পাতি উজানলৈ পঠাব। ৰাজসূয় শস্ত্ৰ আৰু মদন গোপাল মূৰ্তি যিজনে গ্ৰহণ কৰিব তেওঁ উদাসীন হ'ব; প্ৰথমস্কন্ধ ভাগৱত আৰু শ্যামৰায় মূৰ্তি গ্ৰহণ কৰাজন আশ্ৰমী হ'ব। গোপাল যদুমণি তীৰ্থৰ পৰা ঘূৰি আহিল; মাধৱদেৱে গুৰুজনৰ বাক্য অনুসৰি দুইকো ধৰ্মাচায পাতি উজান ৰাজ্যলৈ পঠায়। যদুমণি ধৰ্মাচাৰ্য হৈ উজাই গৈ দিচাংমুখত মথিয়াছিগা নামে ঠাইত মাহজহাআটিত সত্ৰ পাতে। কালত এই সত্ৰ মাহৰাসত্ৰ নামে প্ৰখ্যাত হয়।৮ যদুমণিদেৱৰ চাৰি পুত্ৰ —

---

ধৰ্ম-পালকৰ ভাৰ দি মৰ্ত্যধাম ত্যাগ কৰিছিল। হৰিদেৱৰ জন্মস্থান বৰ্তমান উত্তৰ লখীমপুৰ জিলাৰ নাৰায়ণপুৰ গাঁৱৰ লেটেকুপুখুৰীপাৰত আছিল। জন্ম-শক ১৪৭২, মাঘ মাহ, পূৰ্ণিমা তিথি, ৰেৱতী নক্ষত্ৰ, বৃহস্পতিবাৰ, ৰাত্ৰি দ্বিপ্ৰহৰ। মৃত্যু ১৫৯৩ শক, কাতি মাহ, কৃষ্ণা একাদশী তিথি, দিবা দুই প্ৰহৰ। পুবে পচাতিয়া, পশ্চিমত কলাকটা, উত্তৰে পুৰৈজান, দক্ষিণত ব্ৰহ্মপুত্ৰ, এই চাৰি সীমাৰে, বুদ্ধিস্বৰ্গনাৰায়ণ ৰজাৰ প্ৰদত্ত নিষ্কৰ জমিৰ ভিতৰ লাইআটি সত্ৰ স্থাপিত হৈছিল। চৰিত্ৰত আছে, বুদ্ধিস্বৰ্গনাৰায়ণ ৰজাই নাৰায়ণপুৰতো ৰাজআলিৰ দুয়ো পাৰৰ মাটি নিষ্কৰ-ৰূপে দি সত্ৰ পাতি দিছিল। পাছত মাধৱদেৱৰ আজ্ঞাক্ৰমে মাজুলীত উপৰ্যুক্ত ঠাত্তি সত্ৰ পাতিছিল, নাম-ধৰ্ম প্ৰকাশ কৰি আছিল আৰু তাতে বৈকুণ্ঠ-প্ৰয়াণ কৰে। ৰামদেধ গোসাঁই সত্ৰাধিকাৰ হোৱাৰ কিছু দিনৰ পাছতে তেখেতৰ পিতৃ নৰহৰিদেৱৰ আজ্ঞাক্ৰমে গৃহস্থী হয়। এইজন গোসাঁইকো ৰজা জয়ধ্বজসিংহই দক্ষিণৰ লাইদৈ খাত নামৰ এখন খাত নিষ্কৰ কৰি দিছিল। ছকুৰি বছৰ বয়সান্তে মাঘ মাহৰ কৃষ্ণা দ্বাদশী তিথিত এওঁৰ লোকান্তৰ ঘটে। প্ৰাণ-প্ৰয়াণৰ পূৰ্বে পুত্ৰ পৰীক্ষিতদেৱৰ শিৰত ধৰ্মাচাৰ্যৰ নিৰ্মালি দি যায়। পৰীক্ষিতদেৱে তিনিগৰাকী কন্যা বিবাহ কৰিছিল। তিনিওৰে এটিকৈ তিনিটি পুত্ৰ জাত হ'ল। বৰগৰাকী আইৰ পুত্ৰ ৰঘুনন্দনদেৱ সবাতকৈ কনিষ্ঠ আৰু সৰু আইৰ পুত্ৰ বলোৰামদেৱ জ্যেষ্ঠ। আহোমৰ নীতিমতে ৰঘুনন্দনদেৱে কনিষ্ঠ হ'লেও অধিকাৰ পায়। হিন্দু ধৰ্ম-নীতিমতে বলোৰামদেৱ পিতাধিকাৰী আৰু অধিকাৰ-পদৰো উত্তৰাধিকাৰী তৎকালীন সুধীবৃন্দৰ সম্মতিক্ৰমে আৰু নিজৰো ভৱিষ্যত বিপদ-খণ্ডনৰ অৰ্থে পৰীক্ষিতদেৱে সত্ৰ ত্ৰিধা বিভক্ত কৰি তিনিও পুত্ৰকে স্বহস্তে অধিকাৰ নিৰ্মালি শিৰত দি পৃথক সত্ৰ স্থাপন কৰি বৈকুণ্ঠ-প্ৰয়াণ কৰে। মানৰ আক্ৰমণত যথাসৰ্বস্ব ত্যাগ কৰি চন্দ্ৰকান্তসিংহ ৰজাৰ লগত পূৰ্বপুৰুষসকল ভটীয়া যোৱাৰ ফলত ৰাজপ্ৰদত্ত ভূমিদান নিদৰ্শন তাম্ৰৰ ফলি ব্ৰিটিশ-ৰাজক দেখাব নোৱাৰাৰ কাৰণত এই সত্ৰ নিষ্কৰ জমি-সম্পত্তিৰপৰা বঞ্চিত হ'ল। বৰ্তমান এখন সত্ৰ পুৰণিগুদামৰ সমীপত কলং নদীৰ উত্তৰ পাৰে আছে আৰু আনখন সত্ৰ পুৰণিগুদামৰ উত্তৰ-পূবে তেলীয়াগাঁও নামে ঠাইত আছে।

৮ শ্ৰীবিশ্বদেৱ গোস্বামীৰ সাহায্যত যদুমণিদেৱৰ চৰিত্ৰৰ কথা পোৱা গৈছে।

অচ্যুত্যানন্দ, পূর্ণানন্দ, জকতানন্দ, কমলাকান্ত। চাৰি পুত্ৰক চাৰিখন সত্ৰৰ অধিকাৰ পাতে। সৰু পুত্ৰ কমলাকান্তৰ সত্ৰক সৰু মাহৰা বোলে। কমলাকান্তৰ লগতে যদুমণিদেৱে শেষ কালছোৱা কটাই বৈকুণ্ঠী হয়। সেই বাবে শ্যামৰায় মূৰ্তি আৰু প্ৰথমস্কন্ধ ভাগৱত কমলাকান্তদেৱে পায়। কমলাকান্তদেৱৰ পৰিনাতি ভোলানাথদেৱৰ ভায়েকসকলৰ লগত মনোমালিন্য ঘটে। ভোলানাথদেৱে সত্ৰ এৰি ভাগৱত আৰু শ্যামৰায় মূৰ্তি লৈ ভটীয়াই আহে আৰু আঠগাঁৱৰ ওচৰৰ লেতেৰী জানৰ পাৰত সত্ৰ পাতে। দুই পুৰুষ তাত আছিল; পাছে পানীৰ উপদ্ৰৱত ভোলানাথদেৱৰ পৰিনাতি সোমেশ্বৰদেৱে তাৰপৰা সত্ৰ তুলি আনি ডিমৌত পাতেহি। ই এখন শিছ-ভকত থকা ভাল সত্ৰ। অধিকাৰ এজন মহাপুৰুষীয়া ধৰ্ম বিষয়ে গভীৰ জ্ঞান থকা লোক।

### ডোখৰামুখ

এই সত্ৰৰ আদিজন যদুমণিদেৱৰ তৃতীয় পুত্ৰ জগতানন্দদেৱ। কেইবাখনিও চৰিতত আই কনকলতাই পতা আচাৰ্যসকলৰ ভিতৰত আধাৰ যদুমণিৰ পুত্ৰ জগতানন্দৰ নাম পোৱা যায়। সম্ভৱ পৰৱৰ্তীকালত জগতানন্দই কনকলতাৰপৰা ধৰ্ম ধৰে আৰু আয়ে তেওঁকো ধৰ্মৰ আচাৰ্য পাতে। প্ৰথমতে জগতানন্দই সত্ৰ স্থাপন কৰে শিৱসাগৰ জিলাৰখ দিখৌমুখত। কালত দিখৌমুখেই ৰূপান্তৰিত হৈ নাম পায় ডোখৰামুখ। দিখৌ নদীৰ উৎপাতত ৰ'ব নোৱাৰি সত্ৰৰ উত্তৰ লখীমপুৰলৈ তুলি নিয়ে। যদুমণিদেৱৰ ষষ্ঠ পুৰুষ ৰামদেৱ আৰু সোমেশ্বৰদেৱ। সোমেশ্বৰদেৱ নগাঁৱলৈ আহি লেতেৰীৰ পাৰত সত্ৰ পাতে। ৰামদেৱ অপুত্ৰক; ভায়েক সোমেশ্বৰদেৱৰ বৰপুত্ৰ জলসায়দেৱক তোলনীয়া পো কৰি লয়। ৰামদেৱৰ পৰলোকৰ পাছত জলসায়দেৱে মূৰ্তি, ভাগৱত আদি ঘাৰমৰা সত্ৰত থৈ নগাঁৱলৈ আহি নিজ পিতৃৰ লগত ৰয়। ইয়াতেই তেখেতৰ মৃত্যু হয়। জলয়ায়দেৱৰ পুত্ৰ তুৰাৰামদেৱে লেতেৰীৰপৰা গৈ জাজৰি ফুকনৰ খাতত সত্ৰ পাতে। ইয়াত দুই পুৰুষ থাকে। অগ্নিয়ে সত্ৰাদি ভস্মসাৎ কৰাত দশম পুৰুষ নাবালক ভানুকান্তই ডিমৌ মাহৰা সত্ৰত আশ্ৰয় লয়। ১৯১২ খ্ৰীষ্টাব্দত ভানুকান্তদেৱ হেণ্ডলীচুকলৈ গৈ থিতাপি লয়। সিবিলাকৰ নিজ কীৰ্তন-ঘৰ নাই; ৰাইজৰ কীৰ্তন-ঘৰেই সিবিলাকৰ কীৰ্তন-ঘৰ। সিবিলাকে ডোখৰামুখ সত্ৰ বুলি চিনাকি দিয়ে। 'সত্ৰীয়া আৰ্হিৰ ৰাজহুৱা কীৰ্তন-ঘৰ' — এই শিতানত চাওক।

### বৰজহা

এইখন কেশৱচৰণ বা ভাটৌকুচি আতাৰ সত্ৰ। কেশৱচৰণ কায়স্থ আৰু উদাসীন। একালত অতি ভাল সত্ৰ আছিল; ভকতে আগুৰি ৰাখিছিল। কোনো কাৰণবশতঃ উদাসীন ভকত তাৰপৰা গুচি বৰপেটা আৰু আন আন ঠাইলৈ যায়। কেইবাপুৰুষো উদাসীন সত্ৰাধিকাৰে সত্ৰ চলাইছিল। বৰ্তমান অধিকাৰ গোস্বামীৰ খুড়াক, বৰজহা সত্ৰৰ ভাগৱত-

পাঠক আছিল। বৰজহাৰ উদাসীন অধিকাৰজন ঢুকুবাত সেই ভাগৱতী সত্ৰৰ গৰাকী হয়। ভাগৱতীও উদাসীন আছিল। ভাগৱতীৰ পাছত বৰ্তমান সত্ৰাধিকাৰ সত্ৰৰ গৰাকী গৃহস্থী। পূৰ্বৰ ডাঙৰ কীৰ্তন-ঘৰৰ ঠাইত অকণমানি কীৰ্তন-ঘৰ এটি নিৰ্মিত হয়। সত্ৰৰ শ্ৰীবৃদ্ধি নাই। এই সত্ৰত শ্ৰীমাধৱদেৱে নিজ হাতে লিখা "নাম-ঘোষা" পুথিখন আছে বুলি ৰাইজে কয়। আগেয়ে মহাসমাৰোহেৰে ব'হাগৰ ১ তাৰিখে ৰাইজৰ আগলৈ উলিয়াই পুথিখন দেখুওৱা আৰু পাঠ কৰা হৈছিল। সত্ৰখন নগাঁও চহৰৰপৰা সাত মাইলমান পশ্চিমে কলংনদীৰ দক্ষিণ পাৰে।

**দিচিয়াল**

লেখৰ বাৰজনৰ বাহিৰেও মাধৱদেৱে গোপাল নামৰ আৰু এজনক আচাৰ্য পাতে বুলি সাধুসকলৰ মুখত শুনা যায়। তেওঁ আছিল খোৰা; সেইহেতু তেওঁক খোৰাগোপাল বোলে। খোৰাগোপালে পোনপ্ৰথমে শিৱসাগৰৰ দিচৈ নদীৰ কাষত সত্ৰ পাতিছিল; সেইহেতু সত্ৰৰ নাম দিচিয়াল। মানৰ উপদ্ৰৱত তাৰপৰা ভাগি আহি কলিয়াবৰত কুঁড় এটাৰ কাষত থিতাপি লয়। সেই কুঁড়ক আজিও দিচিয়াল কুঁড় বোলে। তাৰপৰাও ভাগি আহি নগাঁও চহৰৰ পাঁচ মাইলমান উত্তৰে বৰদোৱাৰ ওচৰৰ ৰাইডঙীয়া গাঁৱত সত্ৰ পাতে। সত্ৰীয়া সকলো আদৰ্শ আজিও ভালদৰে আছে। খোৰাগোপালৰ পৰিনাতি চাৰিজন — পৰশু, মহানন্দ, কৃষ্ণচৰণ আৰু বিষ্ণুচৰণ। বিষ্ণুচৰণ মূল দিচিয়াল সত্ৰৰ সত্ৰাধিকাৰ হয়; বাকী তিনজনে তিনি ঠাইত সত্ৰ পাতে। পৰশুৱে সোণাইপাৰত; মহানন্দই বাৰপূজীয়াত আৰু কৃষ্ণচৰণে বেবেজিয়াত সত্ৰ পাতে। পৰশুৰ সৰু কালৰপৰাই চুলি পকা, সেইহেতু লোকে সাধাৰণতঃ পকামূৰা বুলিছিল; পাছলৈ সোণাইপৰীয়া দিচিয়াল সত্ৰক পকামূৰা সত্ৰও বোলে। পৰশুৰামৰ তৃতীয় পুত্ৰ দেৱেশ্বৰৰ প্ৰথম পুত্ৰ নৰনাথে মৰিগাঁও অঞ্চলৰ চকাবহা নামে ঠাইত আন এখন দিচিয়াল সত্ৰ পাতে। মুঠ দিচিয়াল সত্ৰ নগাঁৱত পাঁচখন। তাৰ ভিতৰত শিষ্যো-প্ৰশিষ্যে ধনে-জনে ৰাইডঙীয়াৰখন চহকী।

**কুৰুৱাবাহী আৰু ডিফলু**

উজনিত হৰিবৰ নামে এজন আচাৰ্য আছিল। তেওঁ আদিতে বৰদোৱাৰ লোক। হৰিবৰৰ পুত্ৰ বলদেৱ; বলদেৱৰ পুত্ৰই বংশীগোপাল। এওঁ সৰুতে মাউৰা হয়; অৰ্থ-উপাৰ্জনৰ কাৰণে উজানৰ বেপাৰীসকলৰ লগে লগে ফুৰে। সৰুকালৰপৰা বাঁহী বজাই আনন্দ কৰি ফুৰিছিল; সেইকাৰণে বংশীগোপাল বোলে। এওঁ পাটবাউসীত শঙ্কৰদেৱক লগ পাই তেৰাৰ ওচৰতে ৰ'ব খুজিছিল; কিন্তু লগৰ মানুহে নেৰাত যাবলৈ বাধ্য হয়। পৰৱৰ্তী কালত বংশীগোপালে দামোদৰদেৱত শৰণ লয়। দামোদৰদেৱে গোপালক শৰণ-ভজন ভক্তি "শঙ্কৰৰ মত প্ৰমাণি কহিলা" দেৱ যদুমণিৰে সৈতে সঙ্গী হৈ মাধৱদেৱৰ ওচৰত বহুকাল থাকি ধৰ্ম-তত্ত্ব গ্ৰহণ কৰে। মাধৱদেৱে বংশীগোপালদেৱক আচাৰ্য পাতি

উজনিত ধৰ্মপ্ৰচাৰ কৰিবলৈ পঠায়। শঙ্কৰদেৱে কোৰোলা বাঢ়েৰ হতুৱাই কটোৱা কাঠৰ মদন-গোপাল মূৰ্তিখন বংশীগোপাদেৱে পায়। এই মূৰ্তিখন এতিয়াও কুৰুৱাবাহী সত্ৰত আছে।

বংশীগোপাল ক্ৰমে কাঁহীকুছি, কলাবাৰী আৰু ডেবেৰাপাৰত সত্ৰ স্থাপন কৰে। কাঁহীকুছি উত্তৰ লখীমপুৰত। পাছত কাঁহীকুছি, ডেবেৰাপাৰ সত্ৰ এৰি ধনশিৰি নৈৰ ওচৰৰ লুইতৰ চাপৰিত কুৰুৱাবাহী নামে ঠাইত সত্ৰ পাতে। ইয়াতেই বংশীগোপালদেৱৰ বৈকুণ্ঠপ্ৰয়াণ হয়। তেৰা আছিল উদাসীন। ভতিজাক লৰিমিশ্ৰ বা জয়হৰিদেৱক পোষ্য পুত্ৰ লয়। ৰাজ-ৰোষত পৰি কুৰুৱাবাহী সত্ৰ ধ্বংস হয় (প্ৰতাপসিংহ স্বৰ্গদেৱৰ দিনত), চুৰম্‌ফা স্বৰ্গদেৱৰ দিনত পুনৰ প্ৰতিষ্ঠা হয় আৰু ৰজাৰপৰা বাৰশ পুৰা নিষ্কৰ ভূমি লাভ কৰে। নগাঁও জিলাতো কুৰুৱাবাহীৰ ডেৰশ পুৰামান নিষ্কৰ ভূমি আছে। লৰিদেৱৰ দুই পুত্ৰ — ৰামচন্দ্ৰ আৰু কৃষ্ণচন্দ্ৰ। ৰানচন্দ্ৰ কুৰুৱাবাহী সত্ৰত থাকে। কৃষ্ণচন্দ্ৰৰপৰা ডিফলু সত্ৰ হয়। মানৰ উপদ্ৰৱৰ সময়ত ৰামচন্দ্ৰ আৰু কৃষ্ণচন্দ্ৰৰ বংশধৰ ভটীয়াই আহি নগাঁৱত ৰয়। ৰামচন্দ্ৰৰ বংশধৰ জগন্নাথদেৱে নগাঁও চহৰৰ ছমাইল পশ্চিমে জাগীৰোডৰ কাষত কুৰুৱাবাহী নামে আন এখন সত্ৰ পাতে। আন এজনে নগাঁৱৰ আঢ়ৈ মাইল উত্তৰপূবে ডিফলু সত্ৰ পাতে। ডিফলুত সুকীয়া অধিকাৰ আছে। বৰ্তমান এই সত্ৰৰ অৱস্থা ভাল নহয়।

ধনশিৰিপাৰৰ কুৰুৱাবাহী, নগাঁৱৰ কুৰুৱাবাহী দুয়োখন এগোট। জ্যেষ্ঠানুক্ৰমে অধিকাৰ হয়।

শিছ্-ভকত আৰু কৰ-বৰঙণি ডিফলু আৰু কুৰুৱাবাহীৰ উমৈহতীয়া হৈ আছে। কৰ-বৰঙণিৰ দহ অনা কুৰুৱাবাহীয়ে পায়, ছঅনা ডিফলুৱে পায়। নগাঁৱৰ কুৰুৱাবাহী সত্ৰখন গহীন-গম্ভীৰ।

**জখলাবন্ধা**

এই সত্ৰৰ আদিজনৰ নাম দামোদৰ, ঘৰ কনৌজপুৰত। তেওঁ দৌলগোবিন্দ আৰু জয়গোবিন্দ নামে দুখনি মূৰ্তি লগত লৈ তীৰ্থে তীৰ্থে ঘূৰি ফুৰে। স্বপ্নত গোবিন্দৰপৰা কামাখ্যালৈ অহাৰ আদেশ পাই কামাখ্যা অভিমুখে আহে। কামাখ্যা-দৰ্শনৰ পাছত অসমতে থাকি বিয়া-বাৰু কৰায়। তেওঁৰ পুত্ৰ নাই, কমলেশ্বৰী ওৰফে লীলাৱতী নামে এটি মাত্ৰ কন্যা আছিল। কন্যাটি বপনসগোত্ৰীয় কোনোবা এজন পণ্ডিতলৈ বিয়া দিলে। *জখলাবন্ধীয়া গোসাঁইসকলৰ গোত্ৰ বপনস।* কমলেশ্বৰীৰপুৰা বনমালী, পৰমানন্দ আৰু বলদেৱ এই তিনি পুত্ৰ জন্মে। পৰমানন্দৰ পুত্ৰ ৰামানন্দ, ৰামানন্দৰ পুত্ৰ কৃষ্ণানন্দ। কৃষ্ণানন্দই জখলাবন্ধা সত্ৰ পাতে। কলিয়াবৰৰ কোনো এখণ্ডত বোলে দুটা ডাঙৰ সাপ আছিল। সাপ দুটাৰ উৎপাতত ৰাইজৰ হাহাকাৰ লাগে। কৃষ্ণানন্দই চিলট, জয়ন্তীয়া,

মণিপুৰ আদিতো ধৰ্ম প্ৰচাৰ কৰি ফুৰি কলিয়াবৰৰ পাই সেই প্ৰচণ্ড সাপহাল বশ কৰি ৰাইজৰ পৰম কল্যাণ সাধে। ইয়াতে ৰজা সন্তুষ্ট হৈ কলং নদীৰ কাষত সত্ৰ পাত দিয়ে আৰু পাঁচশ পুৰা নিষ্কৰ ভূমি দান দিয়ে। তেওঁৰ আলধৰা ল'ৰাটি কলং নদীৰ পানীত পৰি মৰে, শাসনকৰ্তাক দুৰ্ঘটনাৰ কথা জনোৱাত, তেওঁ নদীলৈ যোৱা বাটটো শিলেৰে বন্ধাই খটখটি বা জখলা কটাই দিয়ে। তেতিয়াৰপৰা নাম হয় জখলা বন্ধা। এই ঘাটৰ চিন এতিয়া নাই। মানৰ দিনত কোনো এজন অধিকাৰ কলয়াবৰৰপৰা জয়গোবিন্দ মূৰ্তি লৈ আহি নতুনকৈ জখলাবন্ধা সত্ৰ পাতে। এই সত্ৰ নগাঁও চহৰৰ ভিতৰতে আমোলাপট্টিত। দৌলগোবিন্দ মূৰ্তি কলিয়াবৰৰ কীৰ্তন-ঘৰত আজিও আছে; পূজাৰিয়ে পূজা অৰ্চনা কৰে। ব্ৰিটিংশ আমোলত নিষ্কৰ মাটি হেৰায়; কলিয়াবৰত মাত্ৰ খেৰাজী মাটি এঘাৰ বিঘা আছে।

জয়গোবিন্দ মূৰ্তি নগৰৰ জখলাবন্ধাত ৰখা হয়ষ। দুয়োভাগি মূৰ্তি কল দি পূজিলে আচিনাই ভাল হয় বুলি এটা প্ৰবাদ চলি আছে। আজিও যাত্ৰীৰ সমাগম গুচা নাই। যাত্ৰীয়ে দিয়া বস্তুৰেই দৈনিক পূজা-সেৱা চলে। জখলাবন্ধা সত্ৰৰ কেইবাহাজাৰো শিষ্য গোটেই অসমত সিঁচৰতি হৈ আছে। কীৰ্তন-ঘৰটি ডাঙৰ আৰু টিনৰ যদিও জৰাজীৰ্ণ অৱস্থাত পৰিছে। এই সত্ৰত থকা বিতোপন ডালিমগুটয়া আখৰেৰে শ্ৰীশঙ্কৰ গুৰুৰ ৰচিত ভক্তিৰত্নাকৰ পুথিখন তেৰাৰ নিজৰ হাতৰ পুথি বুলি কয়।

**জখলাবন্ধা (জামুগুৰি)**

কলিয়াবৰত সত্ৰ থাকোঁতেই কোনো এগৰাকী অধিকাৰৰ ভাই বিষ্ণুদেৱ অধ্যয়নৰ অৰ্থে জামুগুৰিলৈ আহে, তেতিয়া বোলে জামুগুৰিত সংস্কৃত টোল এখন আছিল। বিষ্ণুদেৱ কলিয়াবৰলৈ ঘুৰি নগৈ সংসাৰ পাতি তাতেই সত্ৰ স্থাপন কৰে। মূল জখলাবন্ধাৰপৰা বৰ্তমান ন পুৰুষ আঁতৰ। সত্ৰীয়া অৱস্থা ভাল নহয়।

**চেংলাই**

বংশীগোপালদেৱৰ আজ্ঞাপৰ সত্ৰ। আদিজনৰ নাম কৃষ্ণদেৱ; তেওঁ মাজুলীত আছিল। কোনো কাৰণবশতঃ মাজুলীৰপৰা আহি কলিয়াবৰত শিলপুখুৰী নামে সত্ৰ পাতে। সত্ৰৰ নামত নিষ্পিখেৰাজ আছিল। মানৰ ভয়ত সত্ৰৰ শ্যামবৰণীয়া মূৰ্তি, তামৰ ফলি আদি পুতি থৈ কেইজনমান শিষ্য সহ তাৰপৰা ভাগি আহি নগাঁৱৰ পশ্চিমে শালমৰাত থিতাপি লয়। শালমৰাত চেং নামে কোনোবা এজন গোসাঁই আছিল; তেওঁৰ সহায়ত কৃষ্ণদেৱে সত্ৰ পাতিবলৈ সুবিধা পায়। চেং গোসাঁইৰ অনুৰোধমতে আৰু কৃতজ্ঞতাৰ চিনস্বৰূপে সত্ৰৰ নাম ৰখা হয় চেংলাই। জয়ন্তীয়া, মঙ্গলদৈ, তেজপুৰ, লখীমপুৰ আদিত বাৰশ ঘৰমান শিষ্য আছে। ব্ৰিটিংশৰ আমোলত তামৰ ফলি আদি দেখুৱাব নোৱাৰাত নিষ্পিখেৰাজ হেৰায়।

**শ্ৰৱণী (কলিয়াবৰঃ**

নগাঁৱৰ শ্ৰৱণী সত্ৰ কেইখনৰ মূল কৃষ্ণচৰণ। কৃষ্ণচৰণক বংশীগোপালে কলিয়াবৰত পাতে। কৃষ্ণচৰণৰ নাতি জগন্নাথদেৱৰ চৈধ্যজন পুত্ৰ। প্ৰথম, দ্বিতীয় আৰু সপ্তম পুত্ৰ কলিয়াবৰতে থাকে। বাকী পুত্ৰসকল ভিন ভিন ঠাইলৈ যায়। দশম পুত্ৰ ভগৱন্তই জুৰিয়া দ গাঁৱৰ শিষ্যৰ মাজত সত্ৰ পাতে। তৃতীয়, পঞ্চম পুত্ৰ কামৰূপ জিলাৰ টকৌবাৰীত থাকেগৈ। তাৰপৰা কোনোবা এজন আহি নগাঁও কামপুৰত টকৌবাৰী সত্ৰ পাতে।

গোসাঁই কেইবাঘৰো। শিষ্য-প্ৰশিষ্য ভালেখিনি আছে।

**শ্ৰৱণী (দ গাঁও)**

দগাঁও ৰেলষ্টেশ্যনৰপৰা দুইফাৰ্লংমান দূৰত। কেইঘৰমান শিছ্‌-ভকতে আগুৰি আছে।

**শ্ৰৱণী (টকৌবাৰী)**

কামপুৰ দেউৰী গাঁৱত। সত্ৰ বিশেষ উন্নত নহয়।

সংহতি হিচাপে শ্ৰৱণী ব্ৰহ্মসংহতিৰ ভিতৰুৱা হ'লেও নীতি-নিয়মমতে পুৰুষ-সংহতিৰ ভিতৰত। নগাঁৱৰ এই শ্ৰৱণী সত্ৰ কেইখনৰ নাম-প্ৰসঙ্গ আৰু আন আন নীতি-নিয়ম সম্পূৰ্ণ পুৰুষ-সংহতিৰ আৰ্হিত; সামান্যও অমিল নাই।[১]

---

১ কলিয়াবৰৰ শ্ৰৱণী সত্ৰৰ শ্ৰীগিৰিকান্ত মহন্তই তলত দিয়া টোকাটি পঠাইছে :
কান্যকুব্জৰপৰা অহা ছজন ব্ৰাহ্মণ ছজন কায়স্থক লৈ বংশীগোপালদেৱৰ আজ্ঞাত (১) জয়মিশ্ৰ, (২) হৰিমিশ্ৰ, (৩) মধুমিশ্ৰ, (৪) মুকুন্দ, (৫) ভবানন্দ, (১) গোপাল, (৭) ভাৰতী, (৮) অৰ্জুন, (৯) শ্ৰীপতি শ্ৰৱণী বা কৃষ্ণচৰণ, (১০) মুৰাৰি, (১১) কামদেৱ, (১২) ৰঘুপতি; — এই বাৰজন মহন্ত পাতে। শ্ৰীপতি শ্ৰৱণী বা কৃষ্ণচৰণদেৱেই শ্ৰৱণী সত্ৰৰ আদি ধৰ্মাচাৰ্য। শ্ৰীপতি শ্ৰৱণীৰ নাম অনুসৰি সত্ৰৰ নাম হয় শ্ৰৱণী সত্ৰ। ১৬২৭ শকত ৰুদ্ৰসিংহ স্বৰ্গদেৱে বাগীশ ভট্টাচাৰ্যৰে সৈতে একে সময়ত ব্ৰাহ্মণক ব্ৰহ্মোত্তৰ আৰু মহন্ত ধৰ্মোত্তৰ দি পশ্চিমে নাওশালিত বাগীশ ভট্টাচাৰ্যক আৰু পূবে ভোগবাৰীত কৃষ্ণচৰণক স্থাপিত কৰে। শ্ৰৱণী সত্ৰৰ তেলিয়াখাত, আক্ৰোহিখাত আদি খ'ত খ'ত দি পাতিছিল, সেই সকলো আজিকোপতি ভট্টাচাৰ্যৰে সৈতে একে সীমাতে আছে। কৃষ্ণচৰণদেউক দৌলগোবিন্দ মূৰ্তি ভাগৱত, পূজাৰি, ভাগৱতী-পাঠক, কন্দলি, কমাৰ, কুমাৰ আদি ৫০ ঘৰ ভকতেৰে সৈতে ৰজাৰ ভোগবাৰীত সত্ৰ স্থাপন কৰি মাণিকপেতাৰিত ২৫ পুৰা, খগাওৰিত ২৫ পুৰা আৰু ভেদেলীউবাল তেলীয়াত ১২ পুৰা মাটি খাত-স্বৰূপে দি ৰুদ্ৰসিংহ ৰজাই পাতে। এই নামৰ সত্ৰ শিৱসাগৰ জিলাৰ দিখৌৰ পাৰত নাজিৰাৰ ওচৰত, যোৰহাট মহকুমাৰ ভোগদৈৰ পাৰত, টিলিকিআমত, বাঁহবাৰীত, দৰং জিলাৰ পাভকন পাৰত হাতীবৰ্জাত, নগাঁও জিলাৰ কলিয়াবৰত, জুৰীয়া দগাঁৱত, কামপুৰ আদি ঠাইত একোখন আছে। শিষ্য-প্ৰশিষ্য দৰং আৰু নগাঁও জিলাতে বহি আছে। সত্ৰখন ব্ৰহ্ম-সংহতিৰ যদিও ৰৱদেৱৰ আৰ্হিমতে সত্ৰত চাৰি প্ৰসঙ্গ চলে। সত্ৰৰ অধিকাৰ আৰু ডেকাঅধিকাৰ জ্যেষ্ঠানুমতে সত্ৰৰ সমূহ ভকত শিষ্যাদিৰ

## মুৰাৰি

মুৰাৰি নামে প্ৰসিদ্ধ ব্ৰাহ্মণ লোক এজনৰ নাম অনুসৰি হোৱা সত্ৰ। ইও বাৰ শ্ৰৱণীৰ এক শ্ৰৱণী। এই নামৰ সত্ৰ নগাঁৱৰ দুঠাইত আছে। এখন কলিয়াবৰত আনখন নৈনে পানীগাঁৱত। সংহতি হিচাপে মুৰাৰি সত্ৰও ব্ৰহ্মসংহতিৰ ভিতৰত পৰে। কিন্তু কলিয়াবৰ মুৰাৰি সত্ৰৰ আগৰজন অধিকাৰ ঈশদেৱ গোস্বামীয়ে পুৰুষ সংহতিৰ আৰ্হিমতে চলিছিল। ঘোষাশাস্ত্ৰ তেওঁৰ কণ্ঠস্থ আছিল, আৰু সুন্দৰ ব্যাখ্যা কৰিছিল। সত্ৰৰ চাৰি মাইলমান পশ্চিমে চিলাবন্ধা গাঁৱৰ কাটনীসকল কলিয়াবৰৰ মুৰাৰি সত্ৰৰ সেৱক আছিল; তেওঁলোকেই সত্ৰ-সভা চলাইছিল। পাছে, কাৰণবশতঃ সত্ৰলৈ চাহ এৰা দিয়াত সত্ৰৰ পতন ঘটে বুলিব পাৰি।

## সতানন্দী সত্ৰ

দৰং জিলাৰ অন্তৰ্গত ভৈৰৱীপীঠত প্ৰতাপপুৰ নামে এখন সৰু নগৰৰ ৰজাৰ প্ৰধান কাকতী সৰ্বানন্দ বিশ্বনাথৰ ওচৰৰ সাঁকোমথাৰ পতিগণ্ড নামে গাঁৱত আছিল। সৰ্বানন্দৰ পুত্ৰ সত্যানন্দৰ নাম কেইবাটাও। তেওঁ ঘোৰ শাক্ত আছিল; দিনে-ৰাতিয়ে ভগৱতীৰ পূজা কৰে। পূজা কৰাৰ জলে আঙুলিত ধৰিছিল কাৰণে পেনপেনি কাথ; অহৰ্নিশে দেৱীক পূজা কৰাৰ কাৰণে দেৱী-দাস দাড়ি-চুলিৰে ভোবোৰা হৈ থাকে বাবে জপৰা কাথ, পিতৃ-মাতৃৰ প্ৰতি ভক্তিপৰায়ণ বাবে ভকত-বৎসল।

সতানন্দৰ চাৰি পুত্ৰ — জয়কৃষ্ণ, মহাকৃষ্ণ, ত্ৰাহিকৃষ্ণ আৰু শ্ৰীকৃষ্ণ। এই চাৰি কৃষ্ণ জন্ম হোৱা আৰু থকা ঠাই কালত চাৰি কৃষ্ণৰ থান বুলি প্ৰখ্যাত হয়। এই থান এতিয়াও আছে। ইয়াৰ পূবে বুঢ়াগাং, উত্তৰে গলয়া নদী, পশ্চিমে সাধাৰুজান আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ। এই থানৰ বৰ্তমান গৰাকী কাকৰিকটা। কাকৰিকটাৰ ভকতে থানখনি পালি আছে। সতানন্দ তীৰ্থ কৰিবলৈ বুলি ভটীয়াই যাওঁতে বৰদোৱাত শ্ৰীশঙ্কৰ গুৰুক লগ পায়। তেতিয়াৰপৰা সতানন্দ বৰভকত নামেৰে জনাজাত হৈ পৰে। গুৰুজনৰ উপদেশ

---

অনুমোদনক্ৰমে হয়। শ্ৰীধৰস্বামী-কৃত (দশম, একাদশ, দ্বাদশ) টীকাৰে ভাগৱত শাস্ত্ৰ সত্ৰৰ অমূল্য সম্পদ। পুথিখন সাঁচিপতীয়া, ফুলকটা। পাতবোৰ বহলে ৭ ইঞ্চি আৰু দীঘলে ২২ ইঞ্চি। চন, তাৰিখ লিখা বকলা পাত দুটাৰ বাহিৰে মাজৰ মুঠ ২২৮ টা পাত আছে। পুথিখন লিখাৰ সময় ১৬০৯ শকৰপৰা আৰম্ভ কৰি ১৬৭২ শক। আখৰবোৰ ধুনীয়া; আজিও নতুন যেন হৈ আছে। শ্ৰৱণী সত্ৰৰ আদি ধৰ্মাচাৰ্য কৃষ্ণচৰণৰ পৰিনাতি জগন্নাথদেউৰ চৈধ্যজন পুত্ৰৰ ভিতৰত ১ম ২য় আৰু ৭ম পুত্ৰৰ নাতি-পুতিসকল কলিয়াবৰতে বৰ্তমান আছে; ৩য় আৰু ৫ম পুত্ৰক টকৌবাৰীলৈ আৰু ৪ৰ্থ পুত্ৰক জনীয়াসত্ৰলৈ পঠায়। ১০ম পুত্ৰ ভগৱন্তই দগাঁৱত সত্ৰ চলায়। কনিষ্ঠ দামোদৰ উদাসীন। বাকী কেইজনে আন আন ঠাইত সত্ৰ পাতি ধৰ্ম প্ৰচাৰ কৰে।

শুনি তেওঁ তীৰ্থলৈ নগৈ উভতি আহি নিজ পৰিয়ালৰ আগত সকলো কথা বিবৰি কয়; চৰি পুত্ৰক শৰণ দিয়ে আৰু ধৰ্মৰ প্ৰধান গুৰিয়াল হৈ সেই অঞ্চলত গুৰুজনৰ ধৰ্মপ্ৰচাৰ কৰে। কালৰ প্ৰমাণে তাতেই সতানন্দৰ মৃত্যু ঘটে। পাছত চাৰি কৃষ্ণৰ ভিতৰত মনোমালিন্য ঘটে। শ্ৰীকৃষ্ণই কাকো একো গম নিদিয়াকৈ পুৰুষোত্তম ঠাকুৰৰ ওচৰ পায়গৈ। শ্ৰীকৃষ্ণ পুৰুষোত্তম ঠাকুৰৰ ওচৰত এঘৰ বছৰ থাকে; মহাকৃষ্ণই বিচাৰি আনেগৈ। শ্ৰীকৃষ্ণ আগৰ ঠাইলৈ নগৈ বুঢ়ীগঙ্গাৰ পূবফালে বাংশবাৰী নামে এখন সত্ৰ পাতে। আন তিনি কৃষ্ণও সেই ঠাইলৈকে উঠি যায়। পাছত ডফলা আদিৰ উপদ্ৰৱত উত্তৰ দেশৰ ৰাইজ ভাগে। চাৰি কৃষ্ণ কলিয়াবৰলৈ আহি বেলেগ বেলেগ ঠাই ৰয়। শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণই উজনিত এলেঙি বিলৰ পাৰত দ্বিতীয়খন সত্ৰ পাতে; তেতিয়াৰপৰাহে এলেঙি হয় বুলি বহুতে কয়। বাকী তিনি কৃষ্ণৰপৰা বঢ়া সত্ৰবলাকেও এলেঙি বুলি পৰিচয় দিয়ে। বৰ বাৰজনীয়া আচাৰ্যসকলৰ গুৰি ধৰোঁতা আছিল শ্ৰীকৃষ্ণ। জয়কৃষ্ণ, মহাকৃষ্ণ, ত্ৰাহিকৃষ্ণ — এই তিনি কৃষ্ণৰপৰা বঢ়া সত্ৰবিলাক বৰ বাৰজনীয়াৰ তালিকাভুক্ত নহয়।

শ্ৰীকৃষ্ণৰ ঠালৰ সত্ৰবিলাকৰ বিষয়ে পাছত কোৱা হ'ব। বাকী তিনি কৃষ্ণৰপৰা হোৱা সত্ৰবিলাকৰ বিৱৰণ — এই তিনি কৃষ্ণৰপৰা বঢ়া সত্ৰবিলাকৰ শিষ্য-প্ৰশিষ্য নিচেই তাকৰ। উত্তৰ কালত ইবিলাকৰ নাতি-পৰিনাতিৰ ভিতৰত কোনো কোনোজনে আহোম ৰজাসকলৰ প্ৰিয়ভাজন আৰু ভক্তিভাজন হৈ নিষ্পিখেৰাজ আদি লাভ কৰে আৰু ৰজাঘৰে সত্ৰৰ পদূলি-মূৰত শিলৰ খুঁটা পোতাই দিয়াইছিল; তাৰ চিন এতিয়াও আছে।

## [জয়কৃষ্ণৰ ঠাল]

### পুৰণিঘৰ

জয়কৃষ্ণ কলিয়াবৰলৈ আহি এখন দলনিৰ মূৰত চাৰি খুঁটা মাৰি ৰয়, সেই ঠাইক আজিও খুঁটামৰা আৰু তেওঁৰ নাম অনুসৰি দলনিখনৰ নাম হয় জয়সাগৰ। সেই খুঁটামৰাৰ মাটি আজিও জয়কৃষ্ণৰ পৰিনাতিসকলৰ এটা ভাগে ভোগ-দখল কৰি আছে। কিছু দিনৰ পাছত তাৰপৰা এমাইল দক্ষিণলৈ উঠি যায়, সেই ঠায়েই পুৰণিঘৰ; পাছত পুৰণিঘৰ সত্ৰ হয়। ইয়াতেই জয়কৃষ্ণৰ মৃত্যু হয়।

### বৰভকতি

জয়কৃষ্ণৰ তিনি পুত্ৰ — পদ্ম আতা, পুনাই আতা, বলাই আতা। বলাই আতাৰ বৰপুত্ৰ ভূষণ। এই ভূষণেই বৰভকত সতানন্দৰ নাম অনুসৰি বৰভকতি সত্ৰ পাতে। সত্ৰত অধিকাৰ জ্যেষ্ঠানুক্ৰমে হয়।

### মাধাজাৰি (মাধনাৰায়ণ)

পুনাই আতাৰ দুই ভাৰ্যা। প্ৰথমা ভাৰ্যাৰ একমাত্ৰ পুত্ৰ মাধনাৰায়ণ। আনগৰাকী

ভাৰ্যাৰ পাঁচ পুত্ৰ। মাধনাৰায়ণ সবাতকৈ ডাঙৰ। ভায়েকহঁতক মাটি-বাৰী এৰি দি তাৰপৰা ডেৰ ফাৰ্লংমান উজাই নিজ নামে মাধনাৰায়ণ সত্ৰ স্থাপন কৰে। পাছলৈ সত্ৰৰ মাধতাৰিসত্ৰ নাম হয়। এওঁক আহোম ৰজাই ৫০। ৬০ পুৰামান মাটি দিছিল নিস্পিখেৰাজ হিচাপে। এই সত্ৰৰ ভাই-ককাই ওঠৰ ঘৰ। মাটিৰ বাবে কাজিয়া হোৱাত গুণাভিৰাম বৰুৱা হাকিম (ছোট চাহাবে) থাকোঁতে গবৰ্ণমেণ্টক শোধাই দিয়ে। পদূলিৰ মূৰত ৰজাই এটা শিলৰ খুঁটা পোতাই দিয়াইছিল, সেই খুঁটা আজিও আছে। সত্ৰৰ পূজা-সেৱা চলাবলৈ এঘৰ ব্ৰাহ্মণ সত্ৰৰ মাটিত ৰজাই বহুৱাইছিল। এই পৰিয়ালৰ শেষ বংশধৰ মোহনচন্দ্ৰ শৰ্মা ১৯৩০ চনত সত্ৰ এৰি বিশ্বনাথলৈ গুচি যায়। সত্ৰত থকা মূৰ্তিৰ নাম বাসুদেৱ মূৰ্তি। বিৰাট কীৰ্তন-ঘৰ, প্ৰকাণ্ড সাতথকীয়া সিংহাসন ১৯১২ চনত জুয়ে ধ্বংস কৰে। পুনৰ সেই বিৰাট কীৰ্তন-ঘৰ নিৰ্মাণ কৰা হয়, আকৌ ১৯৩০ কি ১৯৩১ চনত পোৰে। তেতিয়াৰপৰা সত্ৰৰ উদ্‌গতি নোহোৱা হয়। সত্ৰ-প্ৰতিষ্ঠাপক মাধৱ আতাৰ তিৰোভাৱ তিথি হয় ফাগুন মাহৰ শুক্লা প্ৰতিপদত। এই তিথি মাধতাৰি সত্ৰৰ এটা ডাঙৰ উৎসৱ আছিল। সত্ৰৰ আহোম ৰজাই দিয়া এখনি "কীৰ্তন-ঘোষা" পুথি আছে। পুথিখনিক "ৰাঙলী কীৰ্তন" বোলে। সত্ৰৰ দুৱাৰ জুয়ে পোৰাতো পুথিখন ৰক্ষা পৰিছে। চাৰিওফালে আৰু প্ৰত্যেক পিঠিৰ নাভিত চিত্ৰ-বিচিত্ৰ কৰি লতা আঁকা আছে। পুথিখনত হৰমোহনৰ কীৰ্তনকেইটি নাই। পুথিখনি লিখাৰ পাছত বোলে আহোম ৰাজসভাত পঢ়া হৈছিল। মাদৈসকলে হৰমোহনৰ কাহিনী শুনি লাজ পালে আৰু ৰজাই লেখকক হৰমোহনৰ কীৰ্তন বাদ দিবলৈ আদেশ দিলে। এই সত্ৰৰ শাখা সত্ৰ এখন বিশ্বনাথৰ শিছুৰ গাঁৱত (লেছুগাঁৱত) আছে।

**ৰূপনাৰায়ণ (পোৰাভেটি)**

মাধনাৰায়ণৰ মাহীমাকৰ বৰ পুত্ৰ ৰূপনাৰায়ণে পুৰণি ঘৰৰপৰা আঁতৰি আহি মাধনাৰায়ণৰ পুবে সত্ৰ পাতে, নিজ নাম অনুসৰি সত্ৰৰ নাম ৰূপনাৰায়ণ ৰাখে। এওঁ প্ৰতিভাশালী লোক আছিল। ৰজাই নিস্পিখেৰাজ মাটি দিছিল। কোনো কাৰণবশতঃ সি এসময়ত নোহোৱা হৈছিল; ৰূপনাৰায়ণৰ পৰিনাতি লক্ষ্মীকান্তই দিহিং সত্ৰৰ কন্যা বিয়া কৰায়, দিহিং সত্ৰৰ সহায়ত পুনৰ এশ বিঘামান নিস্পিখেৰাজ উদ্ধাৰ কৰে। ৰূপনাৰায়ণৰ চাৰি পুত্ৰৰ ভিতৰত কনিষ্ঠ পুত্ৰ পদ্মনাৰায়ণ অধিকাৰ হয়। পদ্মনাৰায়ণৰ নাতি লক্ষ্মীকান্ত। লক্ষ্মীকান্ত অপুত্ৰক। পদ্মনাৰায়ণৰ পাছত তেওঁৰ তৃতীয় পুত্ৰ চক্ৰপাণি অধিকাৰ হয়। চক্ৰপাণিৰ পুত্ৰ বিকাৰাম। এওঁৰ দিনত মানৰ উৎপাত হয়। মানৰ ভয়ত এওঁ পলাই যায়; মানে কীৰ্তন-ঘৰ জুই দি পোৰে। উপদ্ৰৱ শাম কটাত বিকাৰামদেৱে পুনৰ সত্ৰ প্ৰতিষ্ঠা কৰে। তেতিয়াৰেপৰা সত্ৰৰ নাম পোৰাভেটি সত্ৰ হয়।

**গোনামৰা**

মানৰ ভয়ত বিকাৰামদেৱ পলাই গৈ ধৰমতুলৰ তেলাহি অঞ্চলৰ হাবিৰ মাজত থকা গোনামৰা নামে বিল এখনৰ পাৰত কিছু দিন থাকে, তাৰপৰা আহি পুনৰ সত্ৰ নিৰ্মাণ

কৰায়। বিকাৰামৰ শ্ৰীৰাম, হৰি, কেশকান্ত আৰু শ্ৰীকান্ত নামে চাৰিটি ল'ৰা; চাৰিও চাৰিখন সত্ৰ পাতে। পিতৃ বিকাৰামদেৱ গোনামৰা বিলৰ পাৰত থকাৰ স্মৃতি-স্বৰূপে সত্ৰৰ নাম ৰাখে গোনামৰা। বৰপুত্ৰই মূল সত্ৰৰ অলপ আঁতৰতে কলঙৰ পাৰত সত্ৰ পাতে। বৰ বৰ খুঁটাৰে বৰ কীৰ্তন-ঘৰ। শ্ৰীৰামৰ পৰিনাতি সখিকান্ত অধিকাৰে ঘৰটি টিনৰ কৰায়। ঘৰটিৰ অনুপাতে আশে-পাশে থকা মানুহৰ সংখ্যা কম। দ্বিতীয় পুত্ৰ হৰিদেৱে চামগুৰিৰ এমাইল পশ্চিমে ভেলেউগুৰিত সত্ৰ পাতে; সেই সত্ৰ এতিয়া নাই। লক্ষ্মীকান্ত অধিকাৰ অপুত্ৰক হোৱাত এই হৰিদেৱ মূল ৰূপনাৰায়ণ সত্ৰৰ অধিকাৰ হয়। হৰিদেৱৰ পাছত পুত্ৰ কৃষ্ণকান্ত অধিকাৰ হয়, এজন পৰম সাধু আছিল।

**চতিয়াল গোনামৰা**

তৃতীয় পুত্ৰ কেশকান্তই মূল সত্ৰৰপৰা দুমাইল ভটীয়াই গৈ কলঙৰ দক্ষিণ পাৰে সত্ৰ পাতে। এই সত্ৰ বৰ্তমান উন্নত নহয়। চতুৰ্থ পুত্ৰ শ্ৰীকান্তই ব্ৰহ্মপুত্ৰ পাৰ হৈ তেজপুৰ চতিয়াৰ সলাল গাঁৱত সত্ৰ পাতে।

**খামুচিয়া**

এইখনো ৰূপনাৰায়ণ সত্ৰ। ওপৰত উল্লেখ কৰি অহা পদ্মনাৰায়ণৰ পাঁচ পুত্ৰৰ কনিষ্ঠ পুত্ৰ ৰামচন্দ্ৰ ফাটি গৈ মূল সত্ৰৰ পাঁচ মাইল পশ্চিমে বৰভগীয়া মৌজাত সত্ৰ পাতে। ৰামচন্দ্ৰ বৰ ধুনীয়া পুৰুষ আছিল; ককালটি খামোচে পোৱা। সেই কাৰণে সৰ্বসাধাৰণে তেওঁক খামুচিয়া বুলিছিল, কালত সত্ৰখনৰ নামো খামুচিয়া হয়।

**পুৰণিঘৰ**

ৰূপনাৰায়ণৰ দুই ভাই জয়নাৰায়ণ আৰু প্ৰাণনাৰায়ণ জয়কৃষ্ণৰ আদি ভেটি পুৰণিঘৰতে ৰয়; পাছলৈ সেয়ে পুৰণিঘৰ সত্ৰ হয়।

**খুন্দামৰা**

নগাঁৱত এই নামৰ সত্ৰ চাৰিখন। জয়কৃষ্ণৰ প্ৰথম পুত্ৰ পদ্ম আতাৰ বৰপুত্ৰ নৰোত্তমৰপৰা এই সত্ৰকেইখন বাঢ়িছে। সিবিলাকে কয়, খুঁটামৰাহে, খুন্দামৰা নহয়, ৰজাই খুঁটা মাৰি বোলে সত্ৰ পতাই দিয়াইছিল। কলিয়াবৰ, পোতনি হাটিয়নি ভেটি, নৈনৈ চকৰিগাঁও আৰু নৈনৈ পোতনিত খুন্দামৰা সত্ৰ আছে। কলিয়াবৰৰখন মাধতাৰি সত্ৰৰ নিচেই গাতে লগাকৈ আছে। খুন্দামৰা সত্ৰ বুলি মানুহে নাজানে; চেলেং বুলিহে জানে।

**এলেঙি (বেবেজিয়া)**

আগত কৈ অহা ৰূপনাৰায়ণৰ আন এজন পুত্ৰ ব্ৰহ্মানন্দ। তেওঁ কলিয়াবৰৰপৰা গৈ বেবেজিয়াত মোৰামৰা (মায়ামৰা) বিলৰ ওচৰত সত্ৰ পাতে। সত্ৰৰ নাম দিয়ে এলেঙি। সত্ৰখন মৰা-জীয়া অৱস্থাত আছে। কালত ব্ৰহ্মানন্দৰ বংশধৰসকলৰ দুজন দুঠাইলৈ যায়। এজন যায় জাজৰিলৈ, আনজন যায় ভেৰভেৰি অঞ্চললৈ। দুয়ো এলেঙি নাম দি দুখন

নামমাত্ৰ সত্ৰ পাতি থাকে।

## [মহাকৃষ্ণৰ ঠাল]

**শ্যামকানু**

মহাকৃষ্ণ উত্তৰ পাৰৰপৰা কলিয়াবৰলৈ আহি চিলাবন্ধা বিলৰ উত্তৰৰ সৰুবিলৰ কাষত বসতি কৰে। মহাকৃষ্ণৰ পুত্ৰ ৰামচৰণ। ৰামচৰণৰ পুত্ৰ শ্যামকানুৰ নাম অনুসৰি শ্যামকানু সত্ৰ হয়, আৰু মহাকৃষ্ণ থকা ঠাইতে সত্ৰ স্থাপিত হয়। শ্যামকানু এজন পৰম জ্ঞানী আৰু শাস্ত্ৰজ্ঞ পুৰুষ আছিল। তেওঁ নগাঁও-দৰঙৰ বহু ঠাইত মহাপুৰুষৰ ধৰ্ম প্ৰচাৰ কৰি ফুৰিছিল। সত্ৰৰ অৱস্থা ভালেই আছিল; সত্ৰীয়া আদৰ্শ ৰক্ষা পৰি আছিল। নাথ সম্প্ৰদায়ৰ শিষ্যৰ সংখ্যা সৰহ আছিল; নাথ সম্প্ৰদায়ে এৰা দিয়াত অৱস্থা বেয়ালৈ ঢাল লৈছে। কলিয়াবৰৰ মূল সত্ৰৰ ভকতৰামদেউ কলিয়াবৰৰপৰা আহি পাথৰি টাঙোনধৰাত শ্যামকানু নামেৰে আন এখন সত্ৰ পাতে।

## [ব্ৰাহিকৃষ্ণৰ ঠাল]

**মাউৰাগোবিন্দ**

ব্ৰাহিকৃষ্ণৰ চাৰি পুত্ৰ; কনিষ্ঠ হৰিৰ জ্যেষ্ঠ পুত্ৰ গোবিন্দই কুঁৱৰীটোলৰ দুমাইল পশ্চিমে কলঙৰ উত্তৰ পাৰে সত্ৰ পাতি ৰয়। তেওঁ সৰুতে মাউৰা হয়, সেই কাৰণে তেওঁ পতা সত্ৰক মাউৰাগোবিন্দ সত্ৰ বোলে।

মাউৰাগোবিন্দৰ পৰিনাতি শ্ৰীবাপাদেৱ গোস্বামীয়ে কলিয়াবৰৰ সত্ৰ এৰি গহপুৰত গোবিন্দ এলেঙি নামে সত্ৰ পাতিছে।

## বৰ বাৰজনীয়া সত্ৰ

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ মহন্তসকলৰ নাম লৈ মতভেদ আছে; এই বৰ বাৰজনীয়া বাৰ মহন্তৰ ভিতৰৰ পাঁচ মহন্তৰ সত্ৰ নগাঁৱত আছে। সেইবিলাকৰ তালিকা এই —

## [শ্ৰীকৃষ্ণ বা বাপুকৃষ্ণৰপৰা বঢ়া]

বাপুকৃষ্ণৰপৰা বঢ়া সত্ৰ উজনি-নামনি জুৰি আছে। নগাঁৱত চৈধ্যখন আছে। সকলো কেইখন সত্ৰৰে কম-বেছি পৰিমাণে শিষ্য-প্ৰশিষ্য আছে। প্ৰত্যেকখনেই সুকীয়া, প্ৰত্যেকখনৰে অধিকাৰ বেলেগ। সৰহভাগতে সত্ৰীয়া আদৰ্শ আজিলৈকে ৰক্ষা পৰি আছে।

### লেটুগ্ৰাম

শ্ৰীকৃষ্ণৰ প্ৰথম সত্ৰ বাংশবাৰী। এই সত্ৰ বুঢ়ীগাং নদীৰ পাৰত আছিল, ডফলাৰ উপদ্ৰৱত সেই সত্ৰ এৰি কলিয়াবৰৰ কলং নদীৰ পাৰত ৰয়হি। সেই ঠাইত লেটুৰ ভুঞা নামে এজন প্ৰখ্যাত লোক আছিল। তেওঁৰ নামেৰেই গাঁওখনৰো নাম। শ্ৰীকৃষ্ণৰ গুণত মুগ্ধ হৈ তেওঁক উক্ত ভুঞাই ভালেখিনি মাটি দান দিয়ে আৰু তেওঁৰপৰা শৰণ-ভজন লয়। সেই ঠাইত শ্ৰীকৃষ্ণই বাহুল্যকৈ সত্ৰ পাতে; নাম ৰাখে লেটুগ্ৰাম। শ্ৰীকৃষ্ণৰ পুত্ৰ বাপুৰামদেউ।[১] বাপুৰামদেৱৰ চাৰিগৰাকী ভাৰ্যাৰপৰা এঘাৰজন ল'ৰা হয়। ৪ৰ্থ ভাৰ্যা দনাৰজীৰ পাঁচ পুত্ৰ। এই পাঁচ পুত্ৰৰ প্ৰথম পুত্ৰ কৃষ্ণচৰণ বা দ্যুতিৰামদেৱক, মাক আৰু চাৰি ভায়েকৰ সৈতে এই লেটুগ্ৰাম সত্ৰত এৰি থৈ বাপুৰামদেৱ বাকী ছয় পুত্ৰ আৰু তিনি ভাৰ্যাসহ উজনিলৈ গৈ এলেঙি বিলৰ পাৰত সত্ৰ পাতে। ছয়ো পুত্ৰক লেটুগ্ৰামলৈ নাযাবলৈ উপদেশ দি বৰপুত্ৰ পুৰ্তমচৰণক ধৰ্মৰ ভাৰ দিয়ে। বাপুৰামদেৱৰ পৰলোক হয় এলেঙি সত্ৰতে। শ্ৰাদ্ধাদি উৎসৱলৈ দ্যুতিৰামদেউ বা কৃষ্ণচৰণ যায়। পাছত উভতি আহি লেটুগ্ৰামসত্ৰৰ অধিকাৰ হয়।

চৰিতত নাথাকিলেও কোনো কোনোৱে কয়, মাজুলীত বাপুৰামদেৱে লেটুগ্ৰাম বা কোঁদোবাহী সত্ৰ স্থাপন কৰে। এই কোঁদোবাহী সত্ৰ আউনীআটি আৰু বেঙেনাআটিৰ মাজত; ই সত্ৰৰে অধিকাৰ দ্যুতিৰামদেউ বা কৃষ্ণচৰণ।

### লেটুগ্ৰাম (কলিয়াবৰ)

কলিয়াবৰখনেই শ্ৰীকৃষ্ণই পাছত পুত্ৰ বাপুৰামদেৱে পতা মূল সত্ৰ বুলি অনুমান হয়। সত্ৰখন কলঙৰ উত্তৰ পাৰে কলিয়াবৰ থানা আৰু চাৰিআলিৰ ওচৰত। এই সত্ৰত বংশীবাদন মূৰ্তি আছে। সত্ৰখনক ন সত্ৰও বোলে।

দ্যুতিৰামদেউৰ সপ্তম বংশধৰ লম্বোদৰ আৰু হৰিহৰ; দুয়ো সহোদৰ। দুয়োৰে কোঁদোবাহীত পৰলোক হয়। তেতিয়া মানৰ উপদ্ৰৱ আৰম্ভ হয়, লোক ভাগিবলৈ ধৰে। হৰিহৰৰ ভাৰ্যা অম্বাই পুত্ৰ বিৰোচন আৰু ভতিজা দেউধৰেৰে সৈতে মূৰ্তি ভাগৱত লৈ পুনৰ কলিয়াবৰলৈ আহি পূৰ্বৰ লেটুগ্ৰাম সত্ৰ নতুনকৈ উজ্জ্বল কৰে। গতিকে কলিয়াবৰ লেটুগ্ৰাম সত্ৰক ন সত্ৰও বোলে। অধিকাৰ জ্যেষ্ঠানুক্ৰমে হয়।[২]

### লেটুগ্ৰাম (পুৰণিগুদাম পানীগাঁও)

দ্যুতিৰামদেৱৰ পুত্ৰ লক্ষ্মণদেৱ। লক্ষ্মণদেৱৰ ছয় পুত্ৰৰ ভিতৰত বৰপুত্ৰ সৰ্বানন্দই পুৰণিগুদাম পানীগাঁৱত লেটুগ্ৰাম নামে সত্ৰ পাতে। সৰ্বানন্দৰ চতুৰ্থ বংশধৰ শশিচন্দ্ৰ আৰু হৰিশ্চন্দ্ৰৰ দিনত দুখন সত্ৰ হয়। এখন হয় বৰভাগ, আনখন হয় সৰুভাগ। বৰভাগৰ শিষ্য এহেজাৰ ঘৰমান আছে। সৰুভাগৰ শিষ্য-প্ৰশিষ্য দুহেজাৰ ঘৰ বুলি অধিকাৰে

১ কলিয়াবৰ লেটুগ্ৰাম-সত্ৰাধিকাৰ শ্ৰীগোপীকান্ত দেৱৰপৰা পোৱা খবৰ।

২ অধিকাৰ শ্ৰীগোপীকান্ত দেৱৰপৰা পোৱা।

জানিবলৈ দিছে। কৃষ্ণচৰণ আৰু তেওঁৰ সহোদৰ ভাই কেইজন লেটুগ্ৰামত আছিল। বাকী ছয় ভাই পিতা বাপুৰামদেৱৰ লগত এলেঙি সত্ৰত আছিল। বাপুৰামদেৱৰ পৰলোকৰ পাছত ভাই ভাইৰ কন্দল হয়; ৰজাৰ ঘৰেহে কন্দল ভাঙি দিব লগাত পৰে। ৰজাৰ খং উঠি সত্ৰকে পুৰি পেলোৱায় আৰু পাছত সত্ৰ পাতি দিয়ায়। পূৰ্বৰ ভেটিতে পুনৰ কীৰ্তন-ঘৰ নিৰ্মাণ কৰা হয়। আগৰ সত্ৰৰ নাম এলেঙি। বাপুৰামদেৱৰ প্ৰথমা ভাৰ্যাৰ পুত্ৰ পুৰ্তমচৰণেই সবাতকৈ ডাঙৰ; তেৱেঁই এলেঙি সত্ৰৰ অধিকাৰ হয়। সত্ৰখনিৰ আন নাম হয় পোৰাভেটি।

### নিকামূল

বাপুৰামদেৱৰ তৃতীয় ভাৰ্যাৰপৰা কৃষ্ণানন্দ, মাধৱানন্দ আৰু স্বৰূপানন্দ নামে তিনি পুত্ৰ হয়। কৃষ্ণানন্দই বৰএলেঙি বিলৰ পাৰত সত্ৰ পাতে। মাধৱানন্দই নিকামূল সত্ৰ পাতে। মাধৱানন্দ অপুত্ৰক। স্বৰূপানন্দৰ পুত্ৰ লক্ষ্মণদেৱক পোষ্য পুত্ৰ লয়; মাধৱানন্দৰ পাছত লক্ষ্মণদেৱ নিকামূল সত্ৰৰ গৰাকী হয়। নিকামূল এখন ডাঙৰ সত্ৰ। অসম জুৰি অলেখ শিষ্য-প্ৰশিষ্য আছে। সত্ৰখন তেজপুৰত। নিকামূল শাখা সত্ৰ নগাঁৱত দুখন আছে। এখন কলিয়াবৰত, আনখন নগাঁও নিকামূলত। দুয়োকন সত্ৰৰ দৈনিক পাঠ-প্ৰসঙ্গ ভকতসকলে চলায়। অধিকাৰে সময়ে সময়ে শিষ্যবৰ্গক উপদেশ দি যায়হি।

### মদাৰগুৰি

বাপুৰামদেৱৰ দ্বিতীয়া ভাৰ্যাৰপৰা মহানন্দ আৰু ৰমানন্দ নামে দুই পুত্ৰ হয়। এওঁলোকে মাজুলীত মদাৰগুৰি সত্ৰ পাতে। মান-ভগনত সহজানন্দৰ বংশধৰ নগাঁৱলৈ আহে। সহজানন্দৰ পৰিনাতি চন্দ্ৰনাৰায়ণ। চন্দ্ৰনাৰায়ণৰ তিনি পুত্ৰ — হৰিকান্ত, শশীকান্ত, শিৱকান্ত। শশীকান্ত শিৱকান্ত দুয়ো জাজৰিত মদাৰগুৰি সত্ৰ পাতি ৰয়। পাছত শশীকান্তৰ পুত্ৰ সূৰ্যকান্ত নৈনৈলৈ গৈ শিষ্যৰ মাজত বেলেগ এখনজ মদাৰগুৰি সত্ৰ পাতে।

### বালিসত্ৰ

এই নামৰ সত্ৰ কেইখনৰ আদি বাপুকৃষ্ণৰ অন্যতম পুত্ৰ মাধৱানন্দ। মাধৱানন্দৰ আন এখন সত্ৰ নিকামূল। মাধৱানন্দৰ পুত্ৰ নাই; মনত বৈৰাগ্য জন্মাত তীৰ্থ কৰিবৰ মানসে ভটীয়াই আহি কলিয়াবৰত কলং পাৰৰ বালিচাপৰিত কিছু কাল বসতি কৰিছিল। তাৰপৰাই কালত নাম হয় বালিসত্ৰ। সংসাৰৰ প্ৰতি বিৰকতি জন্মাত তীৰ্থলৈ গৈ পুনৰ ঘূৰি আহি তেজপুৰ বালিপাৰাত থাকে। ইয়াৰ নামো বালি-সত্ৰ হয়। ইয়াতেই মাধৱানন্দই দেহত্যাগ কৰে। পোষ্যপুত্ৰ লক্ষ্মণদেৱ নিকামূল সত্ৰত থকা কাৰণেই হ'বলা তেওঁৰ সহোদৰ ভাই চাৰুচন্দ্ৰ বালি-সত্ৰত থাকে। পাছত লক্ষ্মণদেৱ বালিসত্ৰৰো অধিকাৰ হয়। এতিয়া বালিপাৰাত বালি সত্ৰ নাই। লক্ষ্মণদেৱৰ ছজন পুতেক। তেওঁলোকে আৰু তেওঁলোকৰ দুজন নাতিয়ে ভিন ভিন ঠাইত বালিসত্ৰ পাতে।

**বালিসত্ৰ (গধৰীয়া)**

কলংনদীৰ উত্তৰ পাৰে গধৰীয়া গাঁৱত এই সত্ৰ। সত্ৰ পাতে লক্ষ্মণদেৱৰ দ্বিতীয় পুত্ৰ ৰামচৰণে। অৱস্থা সন্তোষজনক নহয়।

**বালিসত্ৰ (যমুনামুখ)**

লক্ষ্মণদেউৰ চতুৰ্থ পুত্ৰ উত্তমচৰণে এই সত্ৰ পাতে। সত্ৰখন কপিলীৰ দক্ষিণ পাৰে।

**বালিসত্ৰ (নগাঁও)**

লক্ষ্মণদেৱৰ পঞ্চম পুত্ৰ বৈষ্ণৱচৰণৰপৰা এই সত্ৰ হয়। সত্ৰখন উন্নতিৰ পথত। নতুনকৈ মণিকূট সজা হৈছে; কীৰ্তন-ঘৰ সুন্দৰকৈ নিৰ্মাণ কৰাৰ যো-জা চলিছে। অধিকাৰ হয় জ্যেষ্ঠানুক্ৰমে। নগাঁও চহৰৰপৰা তিনি মাইল পূবে ট্ৰাঙ্ক ৰোডৰ কাষত সত্ৰখন।

**বালিসত্ৰ (কলিয়াবৰ)**

লক্ষ্মণদেউৰ তৃতীয় পুত্ৰ বিষ্ণুচৰণৰ সত্ৰ। কলিয়াবৰ থানাৰপৰা প্ৰায় এমাইলমান দূৰত কলংনদীৰ উত্তৰ কাষে। সত্ৰখন পুৰণি ধৰণে চলি আছে। এই বিষ্ণুচৰণৰ দ্বিতীয় পুত্ৰ কৃষ্ণকান্তই তেজপুৰ বালিসত্ৰ আৰু চতুৰ্থ পুত্ৰ লক্ষ্মীকান্তই জামুগুৰি কোচৰ-গাঁও বালিসত্ৰ পাতে।

**বৰএলেঙি**

ওপৰত কৈ অহা কৃষ্ণানন্দক ৰজাই বৰ এলেঙি বিলৰ পাৰত সত্ৰ-সভা পতাই দিয়ে। তেওঁৰ পুত্ৰ নাছিল; ভাগিন পদ্মপাণিদেৱক পো লয় আৰু সত্ৰৰ অধিকাৰ পাতে। কৃষ্ণানন্দৰ মৃত্যুৰ পাছত তেওঁৰ ভায়েকসকলে পদ্মপাণিক "জীয়াৰীৰ পুত্ৰ বুলি অৱজ্ঞা কৰায়।" পাছত ৰজাৰ আদেশত পদ্মপাণিও বংশৰ এজন বুলি পৰিগণিত হয়। সকলো কথা ৰজাই কাকত কৰি দিয়াইছিল, তেতিয়াৰপৰা নাম হয় কাকৰিকটা বৰএলেঙি। কাকৰিকটাৰ শিষ্য-প্ৰশিষ্য অনেক। পদ্মপাণিদেৱৰপৰা বঢ়া সত্ৰ নগাঁৱত আছে। পদ্মপাণিদেৱৰ সাত জন পুত্ৰ।

**বৰএলেঙি (বালিভূঁই)**

বৰভগীয়া মৌজাৰ কলঙৰ কাষত এই সত্ৰ।

**বৰএলেঙি (দ গাঁও)**

আগতে মূল বালিভূঁই সত্ৰৰপৰা আধা ফাৰ্লংমান আঁতৰত আৰু পিছত কোটোহা দ গাঁৱত এইখনি সত্ৰ।

**বৰএলেঙি (মাজপোতনি)**

কলিয়াবৰৰ বৰসত্ৰৰ অপুত্ৰক বাঞ্ছিৰামদেৱে সিবিলাক বংশৰে ৰুদ্ৰকান্তদেৱক

পোষ্য পুত্ৰ লয়। কন্দ্ৰকান্তই কলিয়াবৰৰপৰা আহি মাজপোতনিত সত্ৰ পাতে।+

**ৰাদ্ধনি (বৰএলেঙি)**

শিষ্য-ভকত থকা নগাঁৱৰ এইখনি ভাল সত্ৰ।[১]

---

+ বালিভূঁই, দ গাঁও আৰু মাজপোতনি বৰএলেঙি সত্ৰ সম্বন্ধে প্ৰথম সংস্কৰণত শ্ৰীনাৰায়ণচন্দ্ৰ মহন্তদেৱে লেখা বিৰণ মনঃপূত নোহোৱাত মাজপোতনি বৰএলেঙি সত্ৰৰ (উৰিয়া গাঁও) শ্ৰীতিলকচন্দ্ৰ অধিকাৰী, বালিভূঁই বৰএলেঙি সত্ৰৰ (দ গাঁও) শ্ৰীবাসুদেৱ মহন্ত আৰু শ্ৰী খৰ্গদেৱ (খগেন্দ্ৰদেৱ) মহন্তই বৰএলেঙিৰ চমু বিৱৰণ দি লেখে ঃ

সকলো প্ৰকাশিত আৰু অপ্ৰকাশিত চৰিত্ৰ-সমূহত পদ্মপাণিদেৱলৈকেহে প্ৰকাশ হৈছে। তেওঁৰ সাতজন পুত্ৰৰপৰা বড়া সত্ৰৰ সমূহীয়া বুৰঞ্জীলেখকৰো অভাৱ হৈছে। কিন্তু প্ৰতিজনৰ স্থাপিত সত্ৰৰ নিজ নিজ বুৰঞ্জী বংশানুক্ৰমে বৰ্তমানলৈকে চলি আহিছে। .....

'বৰএলেঙি বৰসত্ৰ (মাজপোতনি) ঃ বৰএলেঙিৰ পদ্মপাণিদেৱৰ তৃতীয় পুত্ৰ (?) পৰশুৰামদেৱে কন্দ্ৰসিংহ স্বৰ্গদেৱৰ শুভ ইচ্ছাত কলিয়াবৰত বৰসত্ৰ স্থাপন কৰে। তেওঁৰ পুত্ৰ ঋতম্ভৰদেৱ বৰসত্ৰৰ অধিকাৰ হয়। দ্বিতীয় পুত্ৰ লক্ষ্মীকান্তদেৱ; তৎপুত্ৰ বাঞ্ছিৰামদেৱৰ এগৰাকী কন্যা হয়। পুত্ৰ নোহোৱাৰ বাবে বালিভূঁই মাধৱদেৱৰ নাতি কন্দ্ৰকান্তদেৱক বৰসত্ৰত পোষ্য পুত্ৰ লৈ অধিকাৰ পতা হয়। নগাঁও অঞ্চলৰ শিষ্য-সমূহৰ ইচ্ছাত তেৱেঁ মাজপোতনিত বৰএলেঙি বৰসত্ৰ স্থাপন কৰে ...'

'বালিভূঁই বৰএলেঙি সত্ৰ (দ গাঁও) ঃ পৰশাৰামদেৱৰ দ্বিতীয় পুত্ৰ মাধৱামদেৱক স্বৰ্গদেৱ গৌৰীনাথসিংহই দহঘৰ ভকত দি ইংৰাজী ১৭৯৫ চনত বালিভূঁই সত্ৰ পাতি দিয়ে। মাধৱামদেৱৰ পুত্ৰ পূৰ্ণকান্তদেৱে কোটোহাত (দ গাঁও) সত্ৰ পাতে।' ম.নে.

১ এইখনি সত্ৰৰ বিষয়ে শ্ৰীনাৰায়ণ মহন্তদেৱে প্ৰথম তাঙৰণত দিয়া বিৱৰণত ত'ৰ অধিকাৰ শ্ৰীমহীকান্ত গোস্বামীদেৱে আপত্তি জনায়। প্ৰথম কথা, এইখনিক ৰাদ্ধনি সত্ৰ বুলি সিসকলে দৃঢ়ভাৱে দাবী কৰে। অধিকাৰৰ উক্তমতে 'পদ্মপাণিদেৱৰ প্ৰথম ভাৰ্যাৰ পাঁচজন পুত্ৰৰ কনিষ্ঠ পুত্ৰ গঙ্গাৰামদেৱৰপৰা এইখন সত্ৰ বাঢ়িছে।' পুৰণি চৰিতত এইখিনি কথা নাই আৰু বোধ হয় থাকিবও পাৰে; কাৰণ দ্বিজ নাৰায়ণৰ বৰভকতৰ চৰিত্ৰত 'বৰভকতৰ পুত্ৰ চাৰি কৃষ্ণৰ বিশেষকৈ এলেঙি-বাপুকৃষ্ণৰ বিৱৰণ, তৎপুত্ৰ বাপুৰামদেৱ, তৎপুত্ৰ কৃষ্ণানন্দ (যাৰপৰা বৰএলেঙি সত্ৰ) প্ৰমুখ্যে ১১ জন পুত্ৰৰ বিৱৰণ আছে', আৰু দ্বিজ নাৰায়ণৰ পুত্ৰ নৰোত্তম সন্ত-মুক্তাৱলীত 'অন্যান্য কথাৰ উপৰিও কৃষ্ণানন্দৰ পিছৰ অধিকাৰ পদ্মপাণিদেৱৰ (যাৰপৰা বৰএলেঙিয়েই কাকৰিকটা নাম পাইছে) কিছু বিৱৰণ আছে। ..... ইয়াৰ পিছৰ যুগৰ সমূহীয়াভাৱে সত্ৰৰ বিৱৰণ থকা চৰিত্ৰ পোৱা টান। ... উক্ত পদ্মপাণিদেৱৰ প্ৰথম পুত্ৰ হৰিৰামদেৱ (পুত্ৰানুক্ৰমত) কাকৰিকটাতে ৰ'ল। সেই কণই অদ্যাপি আছে। দ্বিতী পুত্ৰ গঙ্গাৰামদেৱ অবিবাহি অৱস্থাতে তীৰ্থ ভ্ৰমণৰপৰা আহি ১৫৩৮ শকত সোণাপুৰৰ এৰাবাৰীত সত্ৰ পাতে। সেই সত্ৰৰ ভেটি, মূৰ্তি, নামঘৰ এতিয়াও আছে। গঙ্গাৰামদেৱৰ পুত্ৰ ৰামকৃষ্ণদেৱে মহামাৰি হোৱাত সশিষ্যে উজাই আহি নগাঁও অঞ্চলৰ এটা বৰিত সত্ৰ পাতে; সেই বৰিৰ নাম গোসাঁইবৰি হয়।' বৰ্তমান নগাঁও চহৰৰ ভিতৰত তাৰে এটি শাখা হৈছে।

*এই প্ৰসঙ্গত শ্ৰীনাৰায়ণচন্দ্ৰ মহন্তই নানা অনুসন্ধান কৰি আমাক অনেক কথা জনায়।*

## [কৃষ্ণচৰণৰপৰা বঢ়া]

### চিপহা

চিপহা সত্ৰৰ মূল কৃষ্ণচৰণ। চিপহা কিয় বোলে বুজা টান। সিবিলাকে কয়, — কৃষ্ণচৰণৰ মূল সত্ৰ আছিল তেজপুৰ কলাবাৰী অঞ্চলত; সেই সত্ৰক খুটাৰগুৰি থান বোলে। তেওঁ নিৰ্মাণ কৰা কীৰ্তন-ঘৰৰ খুটাৰপৰা বোলে শিপা ওলাইছিল, সেইগুণে নাম হয় শিপহা বা চিপহা। নগাঁৱত চিপহা সত্ৰ পাঁচখন কৃষ্ণচৰণৰ পুত্ৰ চাৰিজন — বলোৰাম, ৰামধন, মুকুন্দ আৰু কমলাকান্ত।

### চিপহা (নৰ্গে কুমাৰ গাঁও)

ৰামধন খুটাৰগুৰি থানত আছিল। কালত তেওঁৰ নাতি অম্বৰীষ নগাঁও নৰ্গে অঞ্চললৈ আহি কুমাৰ গাঁৱত চিপহা নামে এখন সত্ৰ পাতে।

### চিপহা (কলিয়াবৰ সৰুভগীয়া)

উপৰোক্ত অম্বৰীষৰ ভাই অনন্তৰামে কলিয়াবৰ সৰুভগীয়াত সত্ৰ পাতে। সত্ৰ যেনে তেনে চলি আছে।

### চিপহা (কলিয়াবৰ, হাটবৰ)

কৃষ্ণচৰণৰ নুমলীয়া পুত্ৰ কমলাকান্তদেৱৰপৰা এইখন সত্ৰ বাঢ়ে। অকণমানি নিষ্পিখেৰাজ, ভাই-ককাই কেইবাঘৰো; আটাইকেইঘৰেই ভোগ কৰে।

### চিপহা (কলিয়াবৰ বৰভগীয়া)

কমলাকান্তৰ পৰিনাতি তিনিজন। বৰ হ'ল বিষ্ণুৰাম; এওঁৰ সত্ৰ কমলাকান্তৰ তেজপুৰ কেতেকীবাৰীত আছে। এই কেতেকীবাৰী ঠালৰে এজনৰ নাম ৰঙাচৰণ। এই ৰঙাচৰণ আহি বৰভগীয়াত সত্ৰ পাতে। সত্ৰখনিৰ বৰ্তমান অৱস্থা বেয়া।

### চিপহা (মৰিগাঁও)

এইখন চিপহাও কমলাকান্তৰপৰাই বঢ়া।

---

শ্ৰীমহন্তই শেহত লিখিছে, 'মাজুলী কাকৰিকটা সত্ৰৰ অধিকাৰে জনাইছে যে পদ্মপাণিদেউৰ তৃতীয় পুত্ৰ গঙ্গাৰামদেউ অপুত্ৰক। ... বাৰুনি সত্ৰৰপৰা প্ৰায় ষোল মাইল দূৰত থকা আন এখন বৰএলেঙি সত্ৰ বালিভূঁই। এই বৰএলেঙিৰ সত্ৰাধিকাৰে জনাইছে যে তেখেতৰ ককাদেউতাকে বাৰুনি সত্ৰৰপৰা বিয়া কৰাইছিল। তেতিয়াৰপৰা বাৰুনি সত্ৰৰ লগত মাতুলবংশীয় ভাই-ককাই সম্বন্ধ।' মাজুলী কাকৰিকটা সত্ৰৰপৰা পোৱা বংশলতাত হৰিৰামদেৱৰ এজন অগ্ৰজ দেখুওৱা হৈছে — বলোৰামদেৱ; এওঁ ক'তো সত্ৰাধিকাৰ হোৱা নাছিল। এইমতে হৰিৰামদেৱ আৰু গঙ্গাৰামদেৱ পদ্মপাণিদেৱৰ ক্ৰমে দ্বিতীয় আৰু তৃতীয় পুত্ৰ। শ্ৰীমহীকান্ত গোস্বামীয়ে গঙ্গাৰামদেৱক এঠাইত 'পদ্মপাণিদেৱৰ প্ৰথম ভাৰ্যাৰ পাঁচজন পুত্ৰৰ কনিষ্ঠ' আৰু আন ঠাইত 'দ্বিতীয় পুত্ৰ' বুলিছে। ম.নে.

## [পৰশুৰামৰপৰা ৰঢ়া]

**ফুলবাৰী**

এইকনি ভাল সত্র ননৈ অঞ্চলত। সত্ৰৰ আদিজন পৰশুৰাম। ছশ ঘৰমান শিষ্য আছে। এওঁলোকৰ কোনো এজন বংশধৰ বেবেজিয়ালৈ গৈ আন এখন সত্ৰ পাতে। এইখন সত্ৰৰ অবস্থা উন্নত নহয়। পূৰ্বে "ফুলবাৰী" নামে কোনো গাঁৱত সত্ৰ আছিল বুলি অনুমান। পুনিয়া বৰ বাৰজনীয়া সত্ৰৰো আদি এই পৰশুৰাম। ফুলবাৰীৰ বৰ্তমান সত্ৰাধিকাৰে পুনিয়াৰ লগত গোত্ৰ সম্বন্ধ নাই বুলি কয়।

## [চমতাৰ বাসুদেৱৰপৰা বঢ়া]

কনৌজপুৰৰ দ্বিজবৰৰ পুত্ৰ দামোদৰ, তৎপুত্ৰ অতিকায় অসমলৈ আহে। তৎপুত্ৰ শুভনয়। তৎপুত্ৰ ৰত্নেশ্বৰ। তৎপুত্ৰ বাসুদেৱক পুৰুষোত্তম ঠাকুৰে মহন্ত পতাত তেওঁ উজানলৈ গৈ সত্ৰ পাতে। তেওঁ পোনতে চমতা গাঁৱত (?) আছিল। তেওঁৰ পুত্ৰসকল মান-ভগনত উজনিৰপৰা আহি নগাঁৱৰ ভিন ভিন ঠাইত সত্ৰ পাতে। সেই সত্ৰসমূহ ঃ

**লতাবোৰা**

সত্ৰখনক ভাগৱতী-সত্ৰও বোলে। এই সত্ৰখন বাসুদেৱ মিশ্ৰৰ বৰপুত্ৰ গতিদেৱৰপৰা বঢ়া। কীৰ্তন-ঘৰ টিনৰ। কলঙৰ উত্তৰ পাৰে।

**ধৰলি**

দ্বিতীয় পুত্ৰ কমলাকান্তৰপৰা বঢ়া। কলঙৰ উত্তৰ পাৰে খাটোৱাল মৌজাত। কীৰ্তন-ঘৰ টিনৰ।

**ৰত্নপুৰ**

তৃতীয় পুত্ৰ ৰামদেৱৰপৰা বঢ়া। কলং নদীৰ উত্তৰ পাৰে। কীৰ্তন ঘৰ টিনৰ।

**তামোলবাৰী**

কলঙৰ দক্ষিণ পাৰে। নগাঁও চহৰৰ পৰা দহ মাইল পূবে।

**বাকৰিয়াল**

গতিদেৱৰ কনিষ্ঠ পুত্ৰ অনন্তদেৱৰপৰা এই সত্ৰ হয়। সত্ৰখন পূৰ্বে তেজপুৰ অঞ্চলৰ পুঠিখাতী গাঁৱত আছিল। এতিয়াও সেই ঠাইতে সত্ৰ আছে। তাৰপৰা উঠি আহি কলিয়াবৰৰ বৰভগীয়া মৌজাৰ বহল বাকৰি এখনত সত্ৰ পাতে, নাম হয় বাকৰি বা বাকৰিয়াল। বৰভগীয়াত সত্ৰ পতা এশ বছৰৰো অধিক হৈছে।

**ব্ৰহ্মচাৰী**

গতিদেৱৰ নাতি ৰামচন্দ্ৰৰ পুত্ৰ চাৰুচন্দ্ৰ, চাৰুচন্দ্ৰৰ পুত্ৰ বিশ্বন্তৰৰপৰা ব্ৰহ্মচাৰী সত্ৰ

হয়। সত্ৰখন কলঙৰ উত্তৰ পাৰে। নিম্পিখেৰাজ আছে।

**ব্ৰহ্মচাৰী**

মূল ব্ৰহ্মাচাৰীৰপৰা কাটি আনি পছকটা গাঁৱত এই সত্ৰ পতা হয়।

## সৰু বাৰজনীয়া সত্ৰ

প্ৰায় চৰিত্ৰ চতুৰ্ভুজ ঠাকুৰ আৰু কনকলতাৰ আজ্ঞাপৰ মহন্তসকলৰ সানমিহলি হৈ একেখন তালিকাতে আছে। কোনো কোনোখনত নামবিলাক অমিল। কনকলতাই কোন ঠাইত বাৰজন আচাৰ্য পাতিছিল তাৰো সবিশেষ বিৱৰণ পাবলৈ নাই। খুব সম্ভৱ বিষ্ণুপুৰ থানতে সেইসকলক আচাৰ্য পতা হয়। কোনোখনত কনকলতাৰ নাম উল্লেখ নকৰি ২৪খন সত্ৰ চতুৰ্ভুজে পতা বুলি লিখিছে। সেয়েহে কনকলতা আয়ে পতাসকলেও সৰু বাৰজনীয়া বুলি চিনাকি দিয়ে। ভদ্ৰাৰু-ৰচিত অনন্তৰাম-চৰিতত আছে,

কুঁৱৰীচুঙীয়া বাপু কেশৱ (১) সম্প্ৰতি।
খাতপাৰে বৰভক্ত-নাতি শঙ্কৰ্গতি (২)।।
সনাতন (৩) নাম জানা পুত্ৰ কায়স্থৰ।
বিহমপুৰীয়া মাধ (৪) জানিবা আৰৰ।।
পাতকিয়াৰ আৰো জানাহ শ্ৰীৰাম (৫)।
খেৰকনীয়াৰ জয়কৃষ্ণ (৬) তান নাম।।
কাৱৈমৰীয়া আৰো গোবিন্দ (৭) নামত।
থাৰগএগ্ৰা ৰত্নাকৰ (৮) জানিবা সাম্প্ৰত।।
চেকেৰাতলিৰ দ্বিজ গোপীনাথ (৯) পুনু।
আউৰ একজনা উজনীয়া কানু (১০)।।
আধাৰ-যদুমণি-পুত্ৰ জগতানন্দ (১১)।
নখেতিৰ বাপু তান নাম হৰিচৰ্ণ (১২)।।
নেপালিৰ ৰতিকান্ত আৰো ৰায় নাতি। (১৩)
বনগএগ্ৰা মাধ (১৪) কন্টৰীৰ ৰঘুপতি (১৫)।।
নাচনিপৰীয়া ৰামভদ্ৰ (১৬) হেন নাম।
শলগুৰীয়া তাঙ্ক বোলয় শ্ৰীৰাম (১৭)।।
জানা ধধুলিৰ ৰামচৰণ (১৮) নামত।
দিগচোঙে সাধু দ্বিজ (১৯) বোলয় সমস্ত।।
লেতেৰীৰ জানিবাহা হৰিৰ-চৰণ (২০)।
কৌপতীয়া গ্ৰামে আছে জানা নাৰায়ণ (২১)।।

নামত অনন্ত (২২) কালশিলীয়া গ্ৰামৰ।
বোলয় নাৰদ (২৩) নাম জানা দৰঙৰ।।
জয়হৰি (২৪) নামে আছে মিচিমি-নন্দন।
এহি চাৰিবিধক কুৰিজন মহাজন।। ৭০[১]

"সন্তমালা" আৰু "লক্ষ্মীআইৰ চৰিত্ৰ"তো প্ৰায় এইদৰেই আছে। দ্বিতীয়খনত মাত্ৰ কাৰৈমৰীয়াৰ গোপীনাথ বুলিছে। নগাঁৱত সৰু বাৰজনীয়া সত্ৰ কেইখনমানহে আছে।

**কুৰুচুং**[২]

কুৰুচুঙৰ আদিজনৰ নাম কেশৱ। এওঁ বৰ-বাৰজনীয়া সৰু-বাৰজনীয়াও। চতুৰ্ভুজ ঠাকুৰৰ ওপৰত ধৰ্মৰ ভাৰ দি পুৰুষোত্তম ঠাকুৰে বৈকুণ্ঠপ্ৰয়াণ কৰে। চতুৰ্ভুজে বৰঠাকুৰে পতা মহন্তসকলক এদিন একত্ৰিত কৰিবলৈ মন কৰি সকলোকে জনায়। নাৱেৰে সকলোজন যায়। কনকলতা আয়ে কেইবাবিধৰো অন্ন-ব্যঞ্জনৰ দিহা কৰিছে। এই বাৰ মহন্তৰ মুখিয়াল আছিল চিপহাৰ কৃষ্ণচৰণ। তেওঁ চতুৰ্ভুজ ঠাকুৰে পুনৰ শৰণ-ভোজন দিব বুলি সন্দেহ কৰে; আৰু তিৰোতাই ৰন্ধা অন্ন খোৱা নহ'ব বুলি নাও মেলি গুচি আহে, তেওঁলৈ পাচ লয় বাকী দহজনে; থাকিল মাত্ৰ কেশৱ বা কোহো গুৰু। তেতিয়া চতুৰ্ভুজ ঠাকুৰ নাছিল, কোনোবা ফালে গৈছিল। আহি সকলো বৃত্তান্ত জানি মৰ্মান্তিক বেজাৰ পায় আৰু কৃষ্ণচৰণে ভুল বুজিছে বুলি ভাবি দুখ কৰি থাকে। কনকলতাই "চিপহাক ধনে-ধানে নাটিব" বুলি শাপ দিয়ে। চতুৰ্ভুজ ঠাকুৰেও বৰঠাকুৰৰ আৰ্হিমতে বাৰজন আচাৰ্য পাতিবলৈ মন কৰে। আচাৰ্য হ'ব পৰা উপযুক্ত লোক বিচাৰি অনাৰ ভাৰ পৰে কেশৱদেৱৰ ওপৰত। কেশৱদেৱে উপযুক্ত পাঁচজন ব্ৰাহ্মণ আৰু ছজন অব্ৰাহ্মণ বিচাৰি আনে। তেৱেঁ সৈতে ১২ জন আচাৰ্য হয়। এইসকলৰ ভিতৰত কেশৱদেৱেই প্ৰধান; সেই কাৰণে কেশৱদেৱৰপৰা হোৱা কুৰুচুং সত্ৰক সাধুসকলে সৰু বাৰজনীয়াৰ লেখত ধৰে। সত্ৰখন ৰাইডঙীয়া অঞ্চলত। যথানিয়মে সত্ৰীয়া কাৰ্য চলি আছে। কেশৱদেৱৰপৰা বঢ়া আন তিনিখন সত্ৰ তিনি ঠাইত আছে। এখন সত্ৰ কলঙৰ উত্তৰপাৰে নগাঁৱৰপৰা চাৰিমাইল আঁতৰত পছকটা গাঁৱত। এখন নিকামূলৰ ওচৰত, আনখন মৰিগাঁও অঞ্চলৰ ঔগুৰি। এই কেইখনতো সত্ৰ-সভা চলি আছে; অৱস্থা বিশেষ ভাল বুলিব নোৱাৰি।

**নাচনীপাৰ**

সত্ৰখন জাগিয়াল মৌজাৰ বালিগাঁৱত। প্ৰতিষ্ঠাপক চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ ৰামভদ্ৰ। এখন ভাল সত্ৰ। সত্ৰীয়াসকলৰ এজনে ভকতেৰে সৈতে সত্ৰখন চলাই আছে। কীৰ্তন-ঘৰ বিশেষ আকৰ্ষণীয় নহয়।

---

২ কাওচোং, কৈচুঙিয়া, কৈচোং — এনেভাৱেও নামটি উল্লেখ পোৱা যায়। স্ব.নে.

### নেপালি

ৰতিকান্তৰপৰা বঢ়া। কনকলতাৰ আজ্ঞাপৰ বুলি সাধুসকলে কয়। মূল সত্ৰ শিৱসাগৰ জিলাত আৰু যোৰহাট টিয়কত। মানৰ দিনত ৰতিকান্তৰ কোনো বংশৰ উজনিৰপৰা আহি নগাঁও জাজৰিত সত্ৰ পাতে। সত্ৰৰ অৱস্থা বিশেষ ভাল নহয়। কনকলতা আয়ে এঘাৰজনক আচাৰ্য পাতে, আৰু এজন হ'লে বাৰজন পূৰ হয়; কিয়নো বাৰজনকে আচাৰ্য পতাৰ নিয়ম চলি আহিছে। কনকলতাই ব্ৰাহ্মণ ৰতিকান্তদেৱক এজন উপযুক্ত লোক বিচাৰি আনিবলৈ পঠায়। ৰতিকান্তদেৱে তেনে উপযুক্ত লোক বিচাৰি নেপালে। আইক জনোৱাত আয়ে তেকেতকেই আচাৰ্য পাতে আৰু সত্ৰৰ নাম "নেপালো" হ'ব বুলি কয়। উত্তৰ কালত "নেপালো" নাম ৰূপান্তৰিত হৈ "নেপালি" হয়। শুনামতে এয়ে নেপালি নামৰ আঁতিগুৰি।[৩]

### বিহমপুৰ

এই সত্ৰৰ প্ৰতিষ্ঠাপক মাধ (মতান্তৰে গোবিন্দ)। নগাঁও কলিয়াবৰত কুঁৱৰীটোলৰ ওচৰত ওচৰা-উচৰিকৈ দুখন বিহমপুৰ সত্ৰ আছে। এই সত্ৰ দুখনৰ আদি পুৰুষ দুজন উজনিৰপৰা অহা। সত্ৰ দুখনৰ অৱস্থা অলপ দিনলৈকে ভাল আছিল; বুঢ়াসকল ঢুকুৱাত অৱস্থা বেয়া হয়; কীৰ্তন-ঘৰো ভাগি-ছিগি যায়। যি দুই-এঘৰ শিছ্-ভকত আছে, তেওঁলোকৰো আস্থা নোহোৱা হয়। এখন ধ্বংস হৈছে বুলিব পাৰি। আনখন যেনে তেনে চলি আছে।

### শালমৰা

কৰৈয়ণিত। নগাঁৱৰপৰা পাঁচ মাইলমান উত্তৰ-পূবে। কনকলতাৰ আজ্ঞাপৰ সত্ৰ।

## কাল-সংহতিৰ সত্ৰ

১৪৬৩ শকত আহোম ৰাজধানী ৰংপুৰ নাজিৰাহাটত গোপালদেৱৰ জন্ম। তেওঁ মাকেৰে সৈতে গৈ বেহাৰ ৰাজ্যৰ কামৰূপত ভৱানীপুৰ নামে গ্ৰামত উঠি বসতি কৰি ৰ'লগৈ। তেওঁ মাধৱদেৱৰপৰা ভক্তি-ধৰ্ম লৈ কালজাৰত থান পাতে। কালজাৰৰ বাহিৰেও ভৱানীপুৰ, পোৱাভঁৰাল আৰু লোৱাচুৰ এই তিনিখনি সত্ৰ পাতে। কালজাৰেই প্ৰধান সত্ৰ। ১৫৩৩ শকৰ বহাগৰ শুক্লা ষষ্ঠীত আতা বৈকুণ্ঠী হয়।

### গোপাল আতাৰ নাতি-পৰিনাতিৰ সত্ৰ

গোপাল আতাৰ তিনি ভাৰ্যা। দ্বিতীয়গৰাকী প্ৰহ্বীজী। আইৰ পুত্ৰ কমলদেৱ।

---

৩ মূল নেপালি সত্ৰৰ অধিকাৰে সিখিনি চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাপৰ বুলিহে কয়। এনে মতভেদৰ দফল ওপৰত দিয়া হৈছিল। ম.নে.

কমলদেৱৰ পুত্ৰ ৰামকৃষ্ণদেৱ। ৰামকৃষ্ণদেৱৰ পাঁচ পুত্ৰ — দৈৱকীনন্দন, স্বৰূপানন্দ, যাদৱানন্দ, মাধৱানন্দ আৰু ৰামানন্দ।

**কলাকটা**

আদি সত্ৰ মাজুলীৰ কলাকটা জুৰিৰ পাৰত। পাতে দৈৱকীনন্দনদেৱে। মানৰ দিনত দৈৱকীনন্দনৰ কোনোবা এজন বংশধৰ ভাগি আহি নগাঁও চহৰৰপৰা দুমাইল পশ্চিমে কলঙৰ কাষত সেই নামেৰে সত্ৰ পাতে। গোপাল আতাৰ চৰিত্ৰ-সংগ্ৰাহক যোগেশ্বৰ অধিকাৰৰ দিনলৈকে সত্ৰখন গপগপীয়া আছিল। এতিয়া অৱস্থা ভাল নহয়। কলাকটাৰ আন এটা ঠাল এমাইলমান আঁতৰত আছে ই টুপৰ কলাকটা বুলি জনাজাত।

**ডৌকাচাপৰি (শেনচোৱা)**

যাদৱানন্দদেৱে মাজুলীত এই নামে সত্ৰ পাতে। সত্ৰখনি এতিয়া নাই, ব্ৰহ্মপুত্ৰই খহাই নিলে। ব্ৰহ্মপুত্ৰৰ পাৰৰ এটা চাপৰিত অগণন ডাউক চৰাই পৰি চৰে। কালত সেই চাপৰিত পতা সত্ৰৰ নাম হয় ডৌকাচাপৰি। যাদৱানন্দৰ পুত্ৰ ঘনশ্যাম। ঘনশ্যামৰ যদুনন্দন, কঞ্জয়ন, চক্ৰপাণি আৰু দয়াময় এই চাৰি পুত্ৰ। মানৰ দিনত তাৰপৰা ভাগি ঠায়ে ঠায়ে সত্ৰ স্থাপন কৰে। যাদৱানন্দদেৱৰ সৰু পৰিনাতি দয়াময়ৰপৰা হোৱা এই সত্ৰ। কলাকটা সত্ৰৰ এক ফাৰ্লংমান উজাই কলঙৰ কাষতে।

**ডৌকাচাপৰি (কঁহুৱাতলি হুজগাঁও)**

যাদৱানন্দদেৱৰ দ্বিতীয় পৰিনাতি কঞ্জয়দেৱে তেজপুৰ জামুগুৰিত সত্ৰ পাতে। এই সত্ৰৰ শিষ্য ধুৰিয়াগাঁৱত আছে। কঞ্জয়দেৱৰ চতুৰ্থ বংশধৰ মহীধৰ অধিকাৰ অপুত্ৰক হোৱাত ভায়েক চক্ৰপাণিৰ নাতি ৰুদ্ৰকান্ত এই সত্ৰৰ অধিকাৰ হয়। এওঁৰেই বংশধৰ ত্ৰিবিক্ৰম। তেজপুৰ জামুগুৰিৰপৰা এই ত্ৰিবিক্ৰমচন্দ্ৰ অলপতে আহি ধুৰিয়াগাঁৱত নতুনকৈ সত্ৰ পাতিছে।

**হেমাৰবৰি**

গোপাল আতাৰ নাতি ৰামকৃষ্ণই মাজুলীত ধৰ্ম প্ৰচাৰ কৰে। মাজুলীৰ এটা বৰিত হেমৰাম নামে এজন বিখ্যাত বৰুৱা আছিল। সেই বৰুৱাই তেওঁৰ ওচৰতে সত্ৰ স্থাপন কৰিবলৈ ৰামকৃষ্ণদেৱক সকলো প্ৰকাৰ সুবিধা দিয়ে। হেমৰাম বৰুৱাৰ বৰিত বহাৰ কাৰণে সত্ৰখনিৰ নাম থয় হেমাৰবৰি। ৰামানন্দৰ চৰি পুত্ৰ শাৰঙ্গপাণি, পদ্মনাভ, চতুৰ্ভুজ আৰু ভগবান। এওঁলোকৰপৰা সত্ৰ বাঢ়ে। উজনিৰপৰা ভাগি আহি বেলেগ বেলেগ ঠাইত সত্ৰ পাতে।

**নাচনীপাৰ**

ৰামানন্দদেৱৰ বৰ মাজিউ পুত্ৰ পদ্মনাভদেৱে পিতা এই সত্ৰ কলং নদীৰ উত্তৰ পাৰে

পুৰণিগুদামৰ ওচৰত। অৱস্থা ভাল।

**হেমাৰবৰি (বগবীগুৰি, জাজৰি)**

ৰামানন্দৰ মাজিউ পুত্ৰ চতুৰ্ভুজে স্থাপন কৰে। অৱস্থা উন্নত নহয়।

**হেমাৰবৰি (ভেলেউগুৰি, হাঁহচৰা)**

ৰামানন্দৰ কনিষ্ঠ পুত্ৰ ভগৱান মাজুলীৰ হেমাৰবৰি সত্ৰতে থাকে। মানৰ দিনতহে ভগৱানদেৱৰ পৰিনাতি বাসুদেৱ নগাঁৱলৈ আহি ভেলেউগুৰি মৌজাত হেমাৰবৰি সত্ৰ স্থাপন কৰে। চাৰি হাটী আছিল; এতিয়া সম্পূৰ্ণ আছে বুলিব নোৱাৰি। সত্ৰৰ আশে-পাশে কুৰিঘৰমান ভকত আছে। সত্ৰত বংশীবদন আৰু চতুৰ্ভুজ নামে দুভাগি মূৰ্তি আছে।

**হেমাৰবৰি (বৰভেটি)**

বাসুদেৱ আতাৰ পুত্ৰ দুজন — বাপুৰামদেৱ আৰু ভৱদেৱ। বাপুৰামদেৱ ভেলেউগুৰি হেমাৰবৰি সত্ৰত অধিকাৰ হয়। ভৱদেৱ কলংনদীৰ উত্তৰ পাৰলৈ গৈ খাটোৱাল মৌজাত নতুন এখন হেমাৰবৰি সত্ৰ পাতে। এইখনক বৰভেটি হেমাৰবৰি বোলে। বৰ্তমান গতানুগতিকভাৱে সত্ৰ চলি আছে।

**চৰিপোতা**

গোপাল আতাৰ তৃতীয়া ভাৰ্যা প্ৰহৰীজী বা দুখুনী আইৰ দুখীয়া সন্তান কেহো। গোপাল আতাৰ আজ্ঞাপৰ সত্ৰসমূহে গোপাল আতাৰ দ্বিতীয়া ভাৰ্যাৰপৰা বঢ়া পৰিনাতিসকলক যি স্থান দিয়ে কেহো আতাৰ বংশধৰসকলক সেই স্থান নিদিয়ে। গোপাল আতাই বোলে কেহো আতাক বাৰ আতাৰ শাৰীত ঠাই দিয়া নাই, শিৰৰ খুটাৰ ওপৰে এখন আসন (কঠ) দি গৈছে মাত্ৰ। কেহো আতাই কোনোবা বালি-চাপৰিত চৰি পুতি সত্ৰ পাতে; সেয়েহে নাম হয় চৰিপোতা। কেহো আতাৰ বংশৰপৰা বঢ়া চৰিপোতা সত্ৰ এখন জাজৰিত এখন এফলীয়াবৰিত, এখন বেবেজিয়াত আছে। কোনোখনৰে অৱস্থা সন্তোষজনক নহয়। গোপাল আতাৰ জীয়েক, কেহো আতাৰ ভনীয়েক যোগমায়াৰ পৰাও এখনি চৰিপোতা সত্ৰ হয়। উলুবাৰী চৰিপোতাখন যোগমায়াৰপৰা বঢ়া সত্ৰ। মতান্তৰে কেহো (কেশৱদেৱ) আৰু যোগমায়া দুয়ো লখীমপুৰ জিলাৰ অন্তৰ্গত চৰবিপোতা বিলৰ পাৰত থান-সত্ৰ পাতি নামধৰ্ম প্ৰচাৰ কৰে। সেইদেখি সত্ৰৰ নাম হয় চৰবিপোতা বা চাৰিপোতা। পিছত ডফলাৰ উপদ্ৰৱত তিষ্ঠিব নোৱাৰি নগাঁৱলৈ আহে আৰু সেই নামেৰেই সত্ৰ পাতে।

**গোপাল আতাৰ আজ্ঞাপৰ সত্ৰ**

ভৱানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ বাৰজন মহন্তৰ ছজন ব্ৰাহ্মণ (১) শ্ৰীৰামদেৱ — এওঁ আতাৰ সত্ৰ কালজাৰতে থাপিত হয়, (২) ৰামচন্দ্ৰ — খৌৰামোচৰ, (৩) পৰমানন্দ — হাবুং, (৪) পুৰুষোত্তম — কাথপাৰ, (৫) সন্ন্যাসী গুৰু ৰামচৰণ —

ইকৰাজান, আৰু (৬) পূৰ্ণানন্দ বৰগুৰু। কায়স্থ ছজন — (৭) সৰু যদুমণি — গজলা, (৮) নাৰায়ণ — দহঘৰীয়া, (৯) সনাতন — নগৰীয়া, (১০) মুৰাৰি — চৰাইবাহী, (১১) বৰ যদুমণি — বাঁহবাৰী আৰু (১২) অনিৰুদ্ধ — মায়ামৰা।

ৰঘুনাথ চৰিতমতে গোপাল আতাৰ পাছত শ্ৰীৰামক কালজাৰ সত্ৰৰ ভাৰ দিয়া হয়। কিন্তু বৰিবল্লভে ৰচা গোপালদেৱৰ চৰিত্ৰত ভকতসকলে গোপাল আতাৰ পুত্ৰ কমলদেৱক কালজাৰত পতা বুলি লিখিছে। পাছত দেশত বিভ্ৰাট হোৱাত কমলদেৱ মাকেৰে সৈতে উজাই আহি বাঁহবাৰীত বৰ যদুমণিৰ আশ্ৰমত থাকে। কালজাৰ সত্ৰ এৰা পৰে।

## [শ্ৰীৰাম আতাৰপৰা বঢ়া]

শ্ৰীৰামদেৱৰ উপৰিপুৰুষজন কনৌজপুৰৰ পীতাম্বৰ চক্ৰবৰ্তী। পীতাম্বৰ চক্ৰবৰ্তীৰ ষষ্ঠ পুৰুষ গোবিন্দ মিশ্ৰ। গোবিন্দ মিশ্ৰৰ পুত্ৰ শ্ৰীৰাম। শ্ৰীৰাম এজন সুপণ্ডিত। তেওঁ গোপাল আতাৰপৰা ধৰ্ম গ্ৰহণ কৰি উজনি-নামনিত ধৰ্ম প্ৰচাৰ কৰে। শ্ৰীৰামদেৱৰ প্ৰথমা ভাৰ্যাৰ পুত্ৰ ৰামানন্দ, দ্বিতীয় ভাৰ্যাৰ পৰমানন্দ। পৰমানন্দ ডাঙৰ, ৰামানন্দ সৰু।

### কৰতিপাৰ (পুৰণি সত্ৰ)

পৰমানন্দদেৱে কলিয়াবৰত আমগুৰি সত্ৰ স্থাপন কৰে। আমগুৰিৰ পাছত নাম হয় কৰতিপাৰ। পুত্ৰ-পৰিবাৰ সত্ৰত এৰি থৈ উজনিত ধৰ্মপ্ৰচাৰ কৰিবলৈ যায় আৰু মাজুলীৰ কৰতীয়া বিলৰ পাৰত কৰতিপাৰ সত্ৰ স্থাপন কৰে। উলটি আহোঁতে হাতীমূৰা পৰ্বতৰ ওপৰত তেখেতৰ পৰলোক হয়। মৃত্যুকালত আমগুৰি সত্ৰৰপৰা পুত্ৰসকলক মতাই নিয়ে আৰু সৰু পুত্ৰ যদুদেৱক সত্ৰৰ অধিকাৰ পাতে। একেলেথাৰিয়ে চাৰিপুৰুষ উজনিৰ কৰতিপাৰ আৰু কলিবায়ৰৰ আমগুৰি (কৰতিপাৰ), দুয়োখন সত্ৰ সুনিয়ন্ত্ৰিতভাৱে পৰিচালিত হৈ আছিল। যদুদেৱৰ তৃতীয় বংশধৰ প্ৰাণনাথদেৱৰ দুই পুত্ৰ — বাসুদেৱ আৰু মহেশ্বৰ। এওঁলোকৰ দিনত সত্ৰ-সভা লৈ বিবাদ হয়। মহেশ্বৰদেৱে সত্ৰৰ অধিকাৰৰ বাব পায়। মহেশ্বৰদেৱৰ পুত্ৰ যোগেশ্বৰ এজন সুবুদ্ধিমান পুৰুষ। তেওঁৰ দুই পুত্ৰৰ ভিতৰত সত্ৰ-সভা লৈ বিবাদ হোৱাৰ আশঙ্কাত তেজপুৰ জামুগুৰিত নতুনকৈ এখন কৰতিপাৰ সত্ৰ পাতে; আৰু বৰপুত্ৰ শুভেশ্বৰক সেই সত্ৰৰ ভাৰ দিয়ে; সৰু পুত্ৰ অনন্ত কলিয়াবৰ সত্ৰতে থাকে।

### কৰতিপাৰ (ন সত্ৰ)

বাসুদেৱ আৰু মহেশ্বৰদেৱৰ ভিতৰত সত্ৰ-সভা সম্পৰ্কে কাজিয়া হোৱাৰ তথা ওপৰত কৈ অহা হৈছে। বাসুদেৱে পুৰণি সত্ৰৰপৰা প্ৰায় এমাইলমান উজাই আহি পয়োভৰেৰে এখন নতুনকৈ সত্ৰ পাতে। নকৈ পতাৰ কাৰণে ইয়াক ন-সত্ৰ বোলে। সত্ৰৰ

কীৰ্তন-ঘৰ টিনৰ আৰু দৃঢ়ভেটিত প্ৰতিষ্ঠিত। শিছ্-ভকতে সত্ৰখন আগুৰি আছে। কলিয়াবৰৰ ভিতৰত ই এখন খ্যাতি থকা সত্ৰ। ন-পুৰণি দুয়োখন সত্ৰৰে ভালেখিনি শিষ্য-প্ৰশিষ্য আছে।

**বগাজন**

ইও কৰতিপাৰ সত্ৰ। পৰমানন্দৰ তৃতীয় পুত্ৰ যাদৱানন্দদেৱে এই সত্ৰখন পাতে। তেখেত এজন সভাগুৱনী থুলন্তৰ বগা লোক আছিল। সেই হেতু লোকে বগাজন বুলিছিল আৰু কালত সত্ৰখনৰ নাম হয় বগাজন সত্ৰ। সত্ৰখন কলিয়াবৰ থানৰ ওচৰত, কলঙৰ দক্ষিণপাৰে। গতানুগতিকভাৱে চলি আছে।

**ম'হখৰা**

এই সত্ৰখন নগাঁৱৰ ছমাইলমান পূবে ট্ৰাঙ্কৰোডৰ কাষত। সত্ৰখন পাতে পৰমানন্দদেৱৰ বৰপুত্ৰ মুকুন্দদেৱে। যেনে তেনে চলি আছে।

**আঁহতগুৰি (কলিয়াবৰ)**

শ্ৰীৰামদেৱৰ পুত্ৰ ৰামানন্দ দ্বিজে শঙ্কৰদেৱৰ আৰু গোপাল আতাৰ চৰিত্ৰ লিখে। এওঁ ধৰ্ম প্ৰচাৰ কৰিবৰ মানসে উজানলৈ যায়। নাৱেৰে গৈছিল আৰু নাৱতেই আছিল। সত্ৰ পাতিবৰ কোন ঠাই উপযুক্ত, কেইদিনমান তাৰে চিন্তাত আছে; এদিন ৰাতি সপোনত দেখামতে ৰাতিপুৱা নাৱৰপৰা নামি কিছু দূৰ গৈ ঠাল-ঠেঙুলি আৰু পাতেৰে সুশোভিত এটি আঁহতপুলি দেখা পাই তাতেই সত্ৰ স্থাপন কৰে আৰু সত্ৰৰ নাম ৰাখে আঁহতগুৰি। মানৰ উপদ্ৰৱত সত্ৰৰ লোকসকল ভটীয়াই আহে আৰু ঠায়ে ঠায়ে মূল সত্ৰৰ নাম অনুসৰি সত্ৰ পাতে।

ৰামানন্দদেৱৰ নাতি চাৰুচন্দ্ৰই জামুগুৰি মূঢ়াদলত সত্ৰ পাতে; সত্ৰখনক বগাকুঢ়া সত্ৰ বোলে। চাৰুচন্দ্ৰৰ নাতি কুসুম্বৰ বা ব'ৰাগী আতা। তেওঁ কলিয়াবৰলৈ আহি আঁহতগুৰি সত্ৰ স্থাপন কৰে। তেওঁ অপুত্ৰক। গতিকে জাজৰি আঁহতগুৰিৰ পদ্মেশ্বৰক পো লয় ১৮০৪ শকত। এই সত্ৰখন গোহ্মামৰা নামেও জনাজাত। পকা বেৰেৰে সুদৃঢ় ভেটিত প্ৰতিষ্ঠিত কীৰ্তন-ঘৰে সত্ৰৰ গাম্ভীৰ্য আৰু সত্ৰীয়া আদৰ্শ হানি নোহোৱাকৈ ৰাখিছে।

**আঁহতগুৰি (জাজৰি)**

ৰামানন্দদেৱৰ পুত্ৰ ৰামগোপাল। তেওঁৰ দ্বিতীয় ভাৰ্যাৰ পাঁচজন ল'ৰা। নুমলীয়া জগতপতিদেৱৰ সত্ৰ আছিল শিৱসাগৰ জিলাৰ কাকডোঙাৰ পাৰত। এওঁৰ পুত্ৰ ব্ৰজমোহন আৰু শ্ৰীমোহনে জাজৰি ফুকন-খাতৰ ওচৰত ওচৰা-উচৰিকৈ দুয়ো দুখনি সত্ৰ পাতে। এই শ্ৰীমোহনৰ পৰিনাতি পদ্মেশ্বৰ কলিয়াবৰ আঁহতগুৰিৰ অধিকাৰ হয়।

**আঁহতগুৰি (হুজগাঁও)**

ই প্ৰকৃততে সুকীয়া সত্ৰ নহয়, জাজৰিৰ সত্ৰৰ শাখা। জাজৰি আঁহতগুৰিৰ হুজগাঁৱত

মাটিবাৰী লৈ কীৰ্তন-ঘৰ নিৰ্মাণ কৰি দৈনিক চাৰিপ্ৰসঙ্গ চলায়।

**আঁহতগুৰি কপাহ এৰা**

জগতপতি বা নুমলীয়া আতাৰ দ্বিতীয় ভাৰ্যাৰ বৰপুত্ৰ কমলনয়নদেৱ এই সত্ৰৰ প্ৰতিষ্ঠাতা। তেওঁ কাকডোঙা চুঙিবাটৰপৰা আহি কপাহএৰাত সত্ৰ পাতে। কমলনয়নদেৱৰ বংশ উবাৰ হয়, তেওঁ জাজৰি মাজগাঁওনিবাসী পিয়াল গোস্বামীৰ পুত্ৰ জয়দেৱ গোস্বামীক পোষ্য পুত্ৰ কৰি লয়। তেৰেঁই সত্ৰৰ গৰাকী হয়; তেওঁৰ বৰপুত্ৰ সত্ৰৰ বৰ্তমান অধিকাৰ।

**ভোলাগুৰি**

এই নামৰ এখন মাত্ৰ সত্ৰ। কলিয়াবৰত। ৰামগোপালৰ চৰিতমতে শ্ৰীৰাম আতাৰ কনিষ্ঠ পুত্ৰ ৰামানন্দই খাকৰুডুবিত ধৰ্মপ্ৰচাৰ কৰি আছিল। তেওঁতে লাচিত বৰফুকনে আৰু আন আন বৰুৱা শইকীয়া আদিয়ে শৰণ লয়। সত্ৰ পাতিবৰ উপযুক্ত ঠাই দেখিলে কলিয়াবৰৰ ৰজাঘৰীয়া ভঁৰাল থকা আৰু ভঁৰাল-ৰখীয়া ভেদেলি থকা ঠাইখণ্ড। লাচিত ফুকনে ভঁৰাল আৰু ভেদেলিক স্থানান্তৰ কৰি সেই ঠাইতে নানা স্থাবৰ-অস্থাবৰ সম্পত্তি সহ সত্ৰ পাতি দিয়ে, ৰজাৰপৰা তামৰ ফলি কৰাই নিষ্পিখেৰাজ ভূমি দান দিয়ায়। মানৰ আক্ৰমণত এই তামৰ ফলি সত্ৰৰপৰা পাঁচমাইল দূৰৰ লখনাবন্ধা বিলত পেলাই লুকুৱাই থোৱা হয়; পাচত সেই তামৰ ফলি বিচাৰি পোৱা নগ'ল। ফলত সত্ৰৰ ভূ-সম্পত্তি খেৰাজী হয়। সত্ৰৰ নাম প্ৰথমতে ভেদেলিভগুৰ ৰখা হৈছিল পাছত ওচৰত থকা এজোপা ডাঙৰ ভোলা গছৰ নাম অনুসৰি সত্ৰৰ নাম ৰখা হয় ভোলাগুৰি। ভেদেলি ভঁৰালীয়ে হেনো ৰামানন্দক ঈৰ্ষাৰ চকুৰেহে চাইছিল। সত্ৰ স্থাপিত হয় ১৬৭১ খ্ৰীষ্টাব্দত। ৰামানন্দদেৱে তেৰাৰ মধ্যম পুত্ৰ শ্ৰীৰামগোবিন্দদেৱক সত্ৰৰ ভাৰ দি আন ঠাইত ধৰ্মপ্ৰচাৰ কৰিবলৈ যায়। ৰামানন্দদেৱে সত্ৰ স্থাপন কৰিলে হয়, কিন্তু ৰামগোবিন্দইহে সত্ৰ বৈছিকৈ উজ্জ্বল কৰে আৰু তেৰেঁই সত্ৰৰ প্ৰথম অধিকাৰ। সেয়েহে তেৰাক ভোলাগুৰি সত্ৰৰ আদি বুলি ধৰা হয়। সত্ৰৰ বংশীবদন কলীয়া দাৰুমূৰ্তি এখন আছে। ৰামানন্দই স্থাপন কৰে। শ্ৰীৰামগোবিন্দদেৱৰ তিনিপুত্ৰ। প্ৰাণপ্ৰয়াণৰ সময়ত তেওঁ তিনিওকো ধৰ্মাচাৰ্য পাতি মিলা-প্ৰীতিৰে সত্ৰ চলাবলৈ নিৰ্দেশ দি যায়। বিভিন্ন ঠাইত সত্ৰ পাতি সত্ৰশক্তি দুৰ্বল নকৰিবলৈ পুনঃ পুনঃ উপদেশ দিয়ে। তিনিও পুত্ৰৰ নাতি-পৰিনাতিসকল তিনিভাগি হৈ আজিলৈকে তেওঁৰ উপদেশ পালি মিলা-প্ৰীতিৰে এগোট হৈ আছে। তেওঁৰ শিষ্যৰপৰা কৰ-বৰঙণি লোৱা নিয়মো নিষেধ কৰি যায়। জ্যেষ্ঠানুক্ৰমতো বিশেষত্ব জ্যেষ্ঠানুক্ৰ অধিকাৰ হোৱাৰ নিয়ম ক্ৰমান্বয়ে বৰভাগ, মাজুভাগ, সৰুভাগ অধিকাৰ হয়। যি ভাগৰ পাল পৰে সেই ভাগৰ জ্যেষ্ঠজন আন দুভাগত, তেওঁতকৈ বয়সত ডাঙৰ লোক থাকিলেও অধিকাৰ হোৱাৰ নিয়ম। বাকী দুভাগৰ জ্যেষ্ঠ দুজন ডেকা অধিকাৰ হয়। সত্ৰৰ শিষ্য-ভগত এহেজাৰবো অধিক। ভোলাগুৰি সত্ৰখন গোসাঁই আৰু ভকতৰে পূৰ

গপগপীয়া সত্ৰ। নগাঁও জিলাৰ সত্ৰসমূহৰ ভিতৰত এই সত্ৰৰ নামঘৰেই সবাতকৈ ভাল। নতুন ধৰেণেৰে সজা। সত্ৰৰ চাৰি হাঁটী অদ্যাপিও আছে। সত্ৰৰ গোসাঁই সকলৰ সৰহভাগেই আধুনিক শিক্ষাত উন্নত, সত্ৰ-প্ৰতিষ্ঠাতা শ্ৰীৰামগোবিন্দদেৱৰ আহিনৰ কৃষ্ণা চতুৰ্দশীৰ এই তিথি দুদিনীয়াকৈ মহা সমাৰোহেৰে পালন কৰা হয়। দূৰ-দূৰণিত থকা সকলোটি গোট খায়, জীয়ৰী-বোৱাৰীৰ সমাগম হয়; লোকে লোকাৰণ্য হৈ পৰে। এই মহোৎসৱৰ সৌন্দৰ্য আজিলৈকে মোলান পৰা নাই।

## [পুৰুষোত্তম আতাৰপৰা বঢ়া]

কাথপাৰ নামৰ সত্ৰ গোপাল আতাৰ আজ্ঞাপৰ পুৰুষোত্তম আতাৰপৰা হৈছে। পুৰুষোত্তম আতাই উত্তৰ লখীমপুৰ মহকুমাৰ অন্তৰ্গত নাৰায়ণপুৰত পোন প্ৰথমে কাঠনিহাবি কটাই সত্ৰ স্থাপন কৰে। জয়ধ্বজসিংহৰ দিনতে সত্ৰ স্থাপন হয়। ৰজাৰ ঘৰেও সত্ৰবিলাকৰ তালিকা ৰাখিছিল; কিন্তু ৰজাৰ কাকতীৰ কাকতত কোনো কাৰণবশতঃ এই সত্ৰৰ নাম ভুক্ত হোৱা নাছিল। কাকতীয়ে সত্ৰ থকা গম পাই ৰজাৰ ওচৰত গোচৰ দিয়ে; ৰজাৰ ওচৰত হাজৰি হ'বলৈ তলব পৰিল। ৰাজআজ্ঞা পালন কৰি যথাসময়ত ধুনীয়া ধুনীয়া ভকতসকলেৰে সৈতে ৰাজধানীলৈ গ'ল। তেতিয়া ৰাজচ'ৰাত ৰজা বহি আছিল। দূৰৰপৰা হৃষ্ট-পুষ্ট লোকসকলক দেখি ৰজাই সুধিলে, "এনে মক্‌মক্ কৰে ধুনীয়া মানুহবিলাক ক'ৰপৰা আহিছে?" "স্বৰ্গদেৱে তলব দিয়া গোসাঁই-ভকতসকল" বুলি কোৱাত ৰজাই আকৌ মন্তব্য কৰিলে "এনে মক্‌মক্ কৰে সত্ৰৰ নাম এতিয়াও মোৰ কাকতত নাই; সত্ৰৰ নাম যিয়েই হওক, মই মকোৱাৰী নাম দিছোঁ।" ৰজাৰ কাকতত নাম লিখা হ'ল, আৰু তেতিয়াৰপৰা মকোৱাৰী কাথপাৰ সত্ৰ নাম হয়। ৰজা সন্তুষ্ট হৈ সত্ৰৰ নামে মাটি-বৃত্তি দান কৰি তামৰ ফলি দিয়ে। মানৰ আক্ৰমণত তামৰ ফলি হেৰায়। এই সত্ৰৰ পূৰ্বৰ স্মৃতি নাৰায়ণপুৰৰ ওচৰত থকা মকোৱাৰী দলনিয়ে ৰক্ষা কৰিছে।

**কাথপাৰ (বৰভাগ)**

**পাঁচ পুৰুষৰ লখীমপুৰত থকাৰ অনন্ত ষষ্ঠ পুৰুষ প্ৰেমভূষণৰ দিনত মানৰ আক্ৰমণ হয় তেতিয়া প্ৰেমভূষণ কোমল বয়সীয়া ল'ৰা। তেওঁ সা-সম্পত্তি তামৰ ফলি আদি এৰি থৈ সশিষ্যে ব্ৰহ্মপুত্ৰ পাৰ হৈ দেৰগাঁৱৰ চাৰে চাৰি মাইল দক্ষিণ-পশ্চিমে তেলীয়াসোণাৰিত সত্ৰ পাতে। জ্ঞাতি-কুটুম্বৰ অসুবিধা পাই প্ৰেমভূষণদেৱৰ নাতি ধৰ্মনাথদেৱে কেইঘৰমান শিষ্য সহ ১৭৭৫ শকত কলিয়াবৰলৈ আহি কাথপাৰ সত্ৰ স্থাপন কৰে (নিজ-কলিয়াবৰৰ ওচৰত)। তেওঁ প্ৰেমভূষণদেৱৰ বৰ নাতি; সেই কাৰণে তেওঁ পতাখন সত্ৰ বৰভাগ।**

**কাথপাৰ (সৰুভাগ)**

ধৰ্মনাথদেৱৰ লগে লগে পুৰুষোত্তমদেৱৰ সৰুনাতি চিদানন্দদেৱৰ ঠালৰ বিশ্বনাথদেৱো কলিয়াবৰলৈ আহি সত্ৰ পাতে। এইখনক সৰুভাগ বোলে। দুয়োখন সত্ৰ ওচৰা-উচৰি; অধিকাৰ বেলেগ; পুত্ৰানুক্ৰমে অধিকাৰ হয়। সত্ৰ গতানুগতিকভাৱে চলি আছে।

## [বুঢ়া শ্ৰীৰামৰপৰা বঢ়া]

**খৌৰামোচৰ**

এই সত্ৰ স্থাপন কৰোঁতাজনৰ উপৰি পুৰুষজন ১৪৭৪ শকত কনৌজৰপৰা অসমলৈ আহে। এই সত্ৰ স্থাপন কৰে ৰামচন্দ্ৰদেৱে। এওঁকোই বুঢ়াগুৰু বোলে; বয়সত বুঢ়া বাবে নহয়; জ্ঞানত বুঢ়া বাবে। জন্মঠাই লখীমপুৰ জিলাৰ বিহপুৰীয়াত কিছুদিন থকাৰ পাছত ডিক্ৰিং নদীৰ মোচৰ বা ভাজৰ ওচৰত থকা খৌৰা নামে পথাৰত খৌৰামোচৰ সত্ৰ পাতে। তেওঁৰ জন্মঠাইডোখৰক আজিও গোসাঁইথান আৰু সত্ৰ পতা ঠাইখণ্ডক খৌৰা থান বা খৌৰাপথাৰ বোলে।

ৰামচন্দ্ৰদেৱৰ বংশধৰ যশোধৰদেৱ মান-ভগনত ভাগি আহি নগাঁৱৰ লেতেৰীৰ পাৰত সত্ৰ স্থাপন কৰে। তেওঁৰ পুত্ৰ বাপুৰামদেৱে লেতেৰীৰপৰাও হাতীচোং মৌজাৰ চকলাঘাটৰ ওচৰলৈ সত্ৰ তুলি আনে। বাপুৰামদেৱৰ পুত্ৰ কৃষ্ণদেৱ। এওঁৰ কোনো পুত্ৰ নাই।

খৌৰামোচৰ সত্ৰৰ প্ৰতিষ্ঠাতা ৰামচন্দ্ৰদেৱৰ নুমলীয়া পুত্ৰ নাৰায়ণদেৱে বাঘমৰা নামে সত্ৰ স্থাপন কৰে। নাৰায়ণদেৱৰ অধস্তন বংশধৰো মান-ভগনত ভাগি আহি নগাঁৱৰ মাজ-জাজৰিত বসতি কৰে। এই ঠালৰে পুৰুষ শিৱদেৱ। শিৱদেৱৰ দুই পুত্ৰ — কনকচন্দ্ৰ আৰু কমলচন্দ্ৰ।

খৌৰামোচৰ সত্ৰৰ অপুত্ৰ কৃষ্ণদেৱে শিৱদেৱৰ দ্বিতীয় পুত্ৰ কমলচন্দ্ৰক পোষ্য পুত্ৰ লয়। কমলদেৱৰ পুত্ৰ শ্ৰী হেমচন্দ্ৰ গোস্বামী খৌৰামোচৰ সত্ৰৰ বৰ্তমান অধিকাৰ। কনকচন্দ্ৰদেৱ মাজ-জাজৰি বাঘমৰা সত্ৰতে থাকে। কনকচন্দ্ৰদেৱৰ পুত্ৰ শ্ৰী মোহনচন্দ্ৰ গোস্বামী বাঘমৰা সত্ৰৰ অধিকাৰ। কিন্তু সি সকলে বাঘমৰা সত্ৰৰ পৰিবৰ্তে পূৰ্বৰ সত্ৰ খৌৰামোচৰৰ অধিকাৰ বুলি চিনাকি দিয়ে। প্ৰকৃততে খৌৰামোচৰ সত্ৰৰ বৰভাগ সৰুভাগ বুলি কোনো ভাগ নাই।

খৌৰামোচৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীহেমচন্দ্ৰ গোস্বামীয়ে দিয়া এই বিৱৰণ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰে সমৰ্থন কৰিছে।

## [নাৰায়ণ আতাৰপৰা বঢ়া]

**দহঘৰ বা হালধিআটি**

ভৱানীপুৰীয়া গোপাল আতাই পতা ধৰ্মাচাৰ্য নাৰায়ণ আতা। তেওঁৰ পৰা দহঘৰ আৰু হালধিআটি সত্ৰসমূহ বাঢ়ে। নাৰায়ণ আতাই পোন প্ৰথমে দিকৰাই নদীৰ কাষত এটা আটিত সত্ৰ পাতে। সত্ৰৰ ওচৰত দিকৰাই নদীৰ দহোটা ভাঁজ বা চুক আছিল. সেই দহটা ভাঁজত দহজন ভকতৰ গৃহ আছিল; তাৰপৰা দহঘৰ নাম হয় বুলি তেলাহি দহঘৰ সত্ৰৰ অধিকাৰে কয়। সত্ৰ পতা আটিটোৰ নাম হালধিআটি। সেই কাৰণে সত্ৰৰ আন নাম হালধিআটি। হালধিআটি, দহঘৰ একে। মানৰ আক্ৰমণৰ কালত নাৰায়ণ আতাৰ বংশধৰসকল নগাঁৱলৈ আহি ভিন ভিন ঠাইত সত্ৰ পাতে। কোনজন কেতিয়া উজনিৰপৰা আহিল, কোনখন কোনজনৰপৰা বঢ়া, হালধিআটিত প্ৰথমে কোনে সত্ৰ পাতিছিল ইত্যাদি কথা ঠাৱৰাব নোৱাৰি, আঁত হেৰাইছে। সত্ৰীয়া বুৰঞ্জীবিজ্ঞ আঁহতগুৰি-সত্ৰাধিকাৰে কয় — জাজৰিৰ উত্তৰফালে থকা সোণাই নদীৰ পৰৰ হালধিআটি বাৰীত নাৰায়ণ আতাৰ কোনোবা এজন বংশধৰে সত্ৰ পাতে; নাম হয় হালধিআটি। এই আটি এতিয়া ৰিজাৰ্ভ। নাৰায়ণ আতাৰ পুত্ৰ গোপীনাথ। গোপীনাথৰ চাৰি ভাৰ্যাৰপৰা কেইবাজনো পুত্ৰ হয়। এজনৰ নাম সহদেৱ। সহদেৱৰ দুগৰাকী ভাৰ্যা। প্ৰথম গৰাকীৰ এজন আৰু দ্বিতীয় গৰাকীৰ নজন পুত্ৰৰ ভিতৰত ডাঙৰ ভগীৰথ।

**হালধিআটি (এফলীয়াবৰি)**

ভগীৰথৰ তিনি ভাৰ্যা। প্ৰথমা ভাৰ্যাৰ পুত্ৰ ৰঙ্গীনাথ। সম্ভৱ এওঁৱেই কলিয়াবৰ পানীগাঁৱত হালধিআটি সত্ৰ পাতে। এওঁৰে কোনোবা এজন বংশধৰে সত্ৰখন এফলীয়াবৰিলৈ তুলি আনে। কলিয়াবৰ পানীগাঁৱত সত্ৰ নাথাকিলেও সত্ৰৰ মাটি ইবিলাকৰ নামত আছে। এফলীয়াবৰিৰ হালধিআটিক সৰুঠাই বোলে।

**হালধিআটি (শেনচোৱা)**

ভগীৰথৰ দ্বিতীয়া ভাৰ্যাৰ পুত্ৰ দশৰথ। এওঁ শেনচোৱাত সত্ৰ পাতে। শেনচোৱাৰ হালধিআটিক বৰঠাই বোলে।

**হালধিআটি (মৰিকলং)**

নাৰায়ণ আতাৰ অধস্তন বংশধৰ কবিচন্দ্ৰই এই সত্ৰ পাতে। সত্ৰ ওচৰা-উচৰিকৈ দুভাগ হৈছে।

**হালধিআটি (মৰিকলং শিয়ালচুক)**

কবিচন্দ্ৰৰ ভায়েক ৰবিচন্দ্ৰই এই সত্ৰ পাতে। হালধিআটি সত্ৰৰ শিষ্য-প্ৰশিষ্য বহুত। আটাইকেইখন সত্ৰৰ ভিতৰত শিষ্য-প্ৰশিষ্যৰ ভাগ হৈছে। আটাইকেইখন সত্ৰ গতানুগতিকভাৱে চলি আছে।

**দহঘৰ (তেলাহি)**

ওপৰত কৈ অহা গোপীনাথদেৱৰ পুত্ৰ সদানন্দদেৱে তেলাহিত দহঘৰ সত্ৰ পাতে। এই সত্ৰৰ বৰ্তমান অধিকাৰ সত্ৰীয়া বুৰঞ্জীবিদ আৰু আতচ্‌বাজী আদি তৈয়াৰ কৰাত বিখ্যাত, সুনিপুণ।

**দহঘৰ (হাতীচোং কঠালকুচি)**

**দহঘৰ (উলুৰবাৰী)**

**দহঘৰ (ভালুকমাৰি)**

এই আটাইকেইখন নাৰায়ণ আতাৰপৰা বঢ়া। হালধিআটি, দহঘৰ সকলো কেইখন সত্ৰতে যথানিয়মে সত্ৰীয়া প্ৰসঙ্গাদি চলি আছে।

**[সৰু যদুমণিদেৱৰপৰা বঢ়া]**

**গজলা (আমতলা)**

সৰু যদুমণিদেৱৰপৰা বঢ়া। পূৰ্বে মাজুলীৰ গজলা সুঁতিৰ কাষত সত্ৰ পাতিছিল, সেই কাৰণে সত্ৰৰ নাম গজলা। মানৰ উপদ্ৰৱত যদুমণিদেৱৰ কোনো বংশধৰ নগাঁৱৰ জাজৰিলৈ আহি আমগছ এজোপাৰ ওচৰত সত্ৰ পাতে; নাম হয় আমতলা গজলা। সময়ত এই গড়লা সত্ৰ দুভাগ হয়।

গজলা সত্ৰৰ মহন্তৰ ঘৰত আপুৰুগীয়া সাঁচিপতীয়া কীৰ্তন-ঘোষা পুথি এখন আছে। পুথিখনৰ লিখকৰ নাম আৰু লিখাৰ সময় আদিৰ উল্লেখ নাই। পুথিখন কোনোবা এজন বিশিষ্ট লোকৰ ঘৰত আছিল। হাতীচোঙৰ মৌজাদাৰে খাজনাৰ ক্ৰোকত আনে। আগৰজন মহন্তই মৌজাদাৰৰপৰা কিনি লয়। পুথিখনৰ ১০৪ টা পাত। পাতৰ তলে-ওপৰে লতা, দুই মূৰে আৰু নাভিত বিভিন্ন চিত্ৰ। পদৰ লগে লগে অৰ্থ অনুসৰি কৃষ্ণ, নাৰদ, ব্ৰহ্মা, জয়-বিজয়, হিৰণ্যকশিপু, যশোদা, ইন্দ্ৰ, চন্দ্ৰ, মহাদেৱ, দেৱতা, সিদ্ধসকল, প্ৰহ্লাদ, দৈত্য-দানৱ, শণ্ডামাৰ্ক আদিৰ বিতোপন চিত্ৰ আছে। কোনো কোনো পাতৰ ওপৰত হাতীৰ চিত্ৰ আছে; চিত্ৰবিলাকৰপৰাই গজেন্দ্ৰ-উপাখ্যানটি সুন্দৰকৈ জানিব পাৰি। ক্ৰমিক ২৪ টা পাততহে দেৱ-দেৱীৰ চিত্ৰ, তাৰ পাছৰপৰা দেৱ-দেৱীৰ নাই। ৬২ টা পাতলৈকে বিবিধ ধৰণৰ লতা আৰু মাজে মাজে একোটাকৈ বৃত্ত আছে। ইয়াৰ পাছৰপৰা লতা বা আন কোনো চিত্ৰ নাই। কীৰ্তনৰ পদ কোনো কোনো পাতত চাৰিটা আৰু কোনো কোনো পাতত ছটা স্তম্ভত লিখা। আখৰবিলাকো চকুত লগা।

**মৰিকলং গজলা**

মৰিকলঙতো নামমাত্ৰ এখন গজলা সত্ৰ আছে।

**ভোটাইগাঁও গজলা**

জাজৰি গজলাৰ শাখা-সত্ৰ এখন ভোটাইগাঁৱত পতা হৈছে।

**সৌকাজান গজলা**

এই সত্ৰখন কলিয়াবৰত, শিলঘাটলৈ যোৱা আলিৰ কাষত। সত্ৰখনত বহুত পুৰণি বস্তু আছিল। এতিয়া সত্ৰখনৰ অস্তিত্ব লোপ পাইছে বুলিব পাৰি; যদিও ওচৰত শিষ্য-ভকত আছে।

## [বৰ যদুমণিদেৱৰপৰা বঢ়া]

**বাঁহবাৰী (বাংশপাৰী)**

মূল বাঁহবাৰী সত্ৰ বৰ যদুমণিৰপৰা বঢ়া। এইখনো সম্ভৱ বৰযদুমণিৰ পৰা বঢ়া। বিশেষ জানিব পৰা নগ'ল। সত্ৰখন নগৰৰপৰা দুমাইলমান পশ্চিমে কলঙৰ পাৰত।

**কাংসপাৰ (কঁহাৰপাৰ)**

শিষ্য-প্ৰশিষ্য থকা ৰহাত বৰযদুমণিদেৱৰ আজ্ঞাপৰ সত্ৰ। ইতিবৃত্তৰ বাবে শিৱসাগৰৰ 'কাংসপাৰ (কঁহাৰপাৰ) সত্ৰ' চাওক।

**চেঁচা**

দিহিঙৰ আজ্ঞাপৰ সত্ৰ। নগাঁও চহৰৰ চাৰি মাইলমান পূবে কলঙৰ উত্তৰ পাৰে।

**মদাৰগুৰি**

আগতে মদাৰগুৰি সত্ৰৰ বিবৰণ দি অহা হৈছে। সেইখন পুৰুষসংহতিৰ বৰ বাৰজনীয়া মদাৰগুৰি। এই মদাৰগুৰি সত্ৰখন কাল-সংহতি। গজলাৰ (সৰু যদুমণিৰ) আজ্ঞাপৰ, চামগুৰি খাটোৱাল মৌজাত কলঙৰ উত্তৰ পাৰে।

## [দামোদৰদেৱৰ আদিৰপৰা বঢ়া সত্ৰ]

**চাৰিসত্ৰীয়া খাত**

নগাঁৱত আউনীআটি, দক্ষিণপাট, গড়মূৰ সত্ৰ নাই, এই সত্ৰ কেইখন মাজুলীত। এই সত্ৰ কেইখনৰ খাতহে নগাঁৱত আছে। সেই সেই খাতত কীৰ্তন-ঘৰ আছে। ভকতসকলে সত্ৰীয়া আৰ্হিৰে কীৰ্তন-ঘৰৰ দৈনিক পাঠ-প্ৰসঙ্গ চলায়।

**গোবিন্দমিশ্ৰ (হোবোসা)**

এই সত্ৰখন কলিয়াবৰ বৰভগীয়া মৌজাৰ পানীগাঁৱত। গোবিন্দ মিশ্ৰই কেতিয়া আৰু কাৰপৰা আজ্ঞা পাই সত্ৰ পাতিছিল তাৰ উৱাদিহ পোৱা টান; আঁত হেৰাইছে।

সত্ৰখন পুৰণি। অনুমান হয় আউনীআটি বা দক্ষিণপাটৰ আজ্ঞাপৰ সত্ৰ। সত্ৰৰ গুৰিয়ালজনে কয় ৰুদ্ৰসিংহৰ দিনতে পতা সত্ৰ; ৰুদ্ৰসিংহই ডেৰশ পুৰা নিষ্পিখেৰাজ দিছিল; মানৰ আক্ৰমণৰ সময়ত বোলে ফলি হেৰাল। সত্ৰখনৰ হোৰোসা নামটোহে সৰ্বসাধাৰণৰ বিদিত।

**হৰিমিশ্ৰ**

পুৰণিগুদাম ভেৰভেৰি অঞ্চলত আউনীআটিৰ আজ্ঞাপৰ সত্ৰ। ডাঙৰ লাখেৰাজ আছে। ইয়াৰ ঠাল নৗৈ পানীগাঁৱত আছে।

**ফৰিংমিশ্ৰ**

পুৰণিগুদাম অঞ্চলত লাখেৰাজ আছে; সত্ৰীয়া বৈশিষ্ট্য নাই।

**কছাৰীপাৰ**

সত্ৰখন চকলাঘাটত। দক্ষিণপাটৰ আজ্ঞাপৰ যোৰহাটৰ কাছাৰীলৈ যোৱা বাটৰ কাষত পোন প্ৰথমে সত্ৰ আছিল; তৰপৰাই এই নাম হয়। কালত তাৰে এটা ঠাল নগাঁৱলৈ আহি চকলাঘাটত সত্ৰ পাতে।

**কামপুৰ**

কামপুৰতেই এই সত্ৰ। গড়মূৰ সত্ৰৰ আজ্ঞাপৰ। সত্ৰৰ আৰ্থিক অৱস্থা ভাল। সু-সাহিত্যিক বুৰঞ্জীবিদ ৰত্নেশ্বৰ মহন্তই সত্ৰৰ মূল।

**ভাগৱতী**

মৰিগাঁও ছাবৃডিভিজনৰ ঔগুৰিত ভাগৱতী সত্ৰ। কোনে পতা জানিব পৰা নগ'ল। আউনীআটি বা দক্ষিণপাটে পতা বুলি অনুমান হয়।

**শিলডুবি**

দামোদৰদেৱৰ আজ্ঞাপৰ শিৰোমণিদেৱে পতা সত্ৰ। সিবিলাকে কয়, শিৰোমণিদেৱ দামোদৰদেৱৰ জীয়াৰী-নাতি। সত্ৰখন মনহা মৌজাৰ চতাবৰি নামে ঠাইত। পূৰ্বে সত্ৰখন পতা হৈছিল মায়ঙৰ শিলডুবি বিলৰ পাৰত, সেয়েহে সত্ৰৰ নাম হয় শিলডুবি। সত্ৰৰ শিষ্য-প্ৰশিষ্য দুহেজাৰ ঘৰমান। সত্ৰত বকত কুৰি-পঁচিশ ঘৰ। সত্ৰখন চতাবৰিলৈ তুলি অনা একুৰি বাৰ বছৰ হৈছে। সত্ৰ পাতে ১৬৬৩ শকত। ইয়াত চক্ৰশিল, পদ্মশিল নামে দুচটা শিল আছে। এচটাত এটা চক্ৰ আনচটাত এপাহ পদুমফুল আছে। শিৱসিংহ ৰজাই বোলে কৰাই দিয়াইছিল। মানে চক্ৰশিল, পদ্মশিল দুচটা আৰু কীৰ্তন-ঘৰ ভাঙি পেলায়। ভগ্ন দুয়োচটা শিল ভগ্ন অৱস্থাত আছে। বৰকাঁহ, বৰশৰাই মানে লৈ যায়। সত্ৰত দামোদৰদেৱ, ভট্টদেৱ, শঙ্কৰদেৱ, মাধৱদেৱৰ তিথি; দৌলযাত্ৰা, ৰাসযাত্ৰা আদি উৎসৱ সমূহীয়াকৈ পতা হয়।

**বঘৰা**

মৰিগাঁৱৰ পাঁচ মাইল পশ্চিমে বঘৰা গাঁৱত এই সত্ৰখন। কামৰূপৰ খুটিয়ামাৰিৰপৰা ভাগি আহি ইয়াত সত্ৰ পাতে। দামোদৰীয়া সত্ৰ।

**বৰ্হমপুৰ**

ইও এখন দামোদৰীয়া সত্ৰ। মনহাৰ দুমাইল পশ্চিমে।

## [অন্যান্য সত্ৰ]

**ৰামানন্দী বা ৰামআতা সত্ৰ**

এই সত্ৰখন মৰিগাঁৱৰ তেতেলীয়া বৰগুাবাৰীত। প্ৰতিষ্ঠাপক ৰামানন্দী। সত্ৰখনৰ আঁতিগুৰি উলিওবা টান। অনুসন্ধানৰপৰা জানিব পাৰি ৰামানন্দী চেতন্য-পন্থী লোক, [illegible] বঙ্গদেশৰপৰা অহা। কালত ৰামানন্দীয়ে মহাপুৰুষীয়া পন্থ লয়; ৰামানন্দীৰ প্ৰভাৱো যথেষ্ট আছিল; শিষ্যাদিও বহুত কৰিছিল। "প্ৰায় শিষ্য ৰাহ্মনি সত্ৰৰ ফালে গ'ল" বুলি সত্ৰৰ অধিকাৰে কয়। এই সত্ৰত বাৰজনীয়া ধৰ্ম বুলি এটি বছৰেকীয়া অনুষ্ঠান হয় সচৰাচৰ মাঘ বা ফাগুন মাহতে। বাৰজনীয়া ধৰ্ম বাৰজন ভক্তৰ পূজা। সেই বাৰজন ভক্ত — কীৰ্তনৰ প্ৰহ্লাদ-চৰিত্ৰত উল্লেখ কৰা ভক্ত কেইজনেই বুলি কয়। সেৱাভাগিৰ বিশেষ বিৱৰণ জানিবৰ উপায় নাই; গুপুতে হয়। সেৱাধৰা লোকসকলো বছা বছা লোক; যি কোনো লোক বোলে সেৱা পতা ঠাইলৈ যাব নোৱাৰে। সত্ৰখনিৰ অৱস্থা উন্নত নহ'লেও শিষ-ভকত নোহোৱা নহয়। চৰাইবাহী অঞ্চলত ভালেখিনি শিষ্য আছে। শিষ্যসকলে সিবিলাকৰপৰা শৰণহে লয়, ঘনিষ্ঠতা ৰাখে বৰদোৱাৰ লগত। সত্ৰত গোবিন্দ মূৰ্তি আছে।

**কাছুলিমাৰি**

ই কাৰোপৰা বঢ়া সত্ৰ নহয়; নিজে নিজে হোৱা সত্ৰ। মধুৰাম আৰু গোবিন্দৰাম নামে দুজন ভাই-ককাই কাননগো আছিল। তেওঁলোক দুয়ো কামৰূপৰ বামুন্দিৰপৰা অহা লোক। নগাঁও জিলাত চাকৰি কৰি টিগুৰ কাছুলিমাৰিত চিৰস্থায়ীকৈ থিতাপি লয়। তেওঁলোক টিগুত থকা দুই পুৰুষ হৈছে। পূৰ্বৰ বোলে দামোদৰী পন্থৰ লোক আছিল; বৰদোৱা-শলগুৰিৰ লগত বিয়া-বাৰুৰ আদান-প্ৰদান কৰি হয় মহাপুৰুষীয়া; মহাপুৰুষীয়া নীতি-নিয়ম শিকে শলগুৰিৰপৰাই, সত্ৰ-সভা পাতি চাৰি প্ৰসঙ্গ চলাই আছে।

**বৰ্ণ সত্ৰ**

এই সত্ৰখন মৰিগাঁৱৰ দুমাইলমান পশ্চিমে। ই মৰিগাঁও অঞ্চলৰ এখন প্ৰধান সত্ৰ। বৰ্ণসত্ৰৰ অৰ্থ বিশেষ এটা জাতিৰ অৰ্থাৎ হীৰা সম্প্ৰদায়ৰ সত্ৰ। শিষ্য ভালেখিনি, সেই

অঞ্চলৰ হীৰা সম্প্ৰদায় এই সত্ৰৰ শিষ্য। কীৰ্তন-ঘৰ ডাঙৰ, কিন্তু বিশেষ ভাল কৰিব পৰা নাই। কোনে কেতিয়া এই সত্ৰ পাতিলে, নাম-প্ৰসঙ্গ কোন আৰ্হিত চলে জানিব পৰা নাই। ইয়াৰ এখন শাখা-সত্ৰ চৰাইবাহীত আৰু সৰুকৈ এখন জাজৰিৰ হীৰা সম্প্ৰদায়ৰ মাজত আছে।

**বাঘৰগাঁও (কঁহুৱাতলি)**

বঙ্গদেশীয় চৈতন্যদেৱৰপৰা ধৰ্মপ্ৰচাৰৰ ভাৰ লৈ চাৰিজন লোক অসমলৈ আহে। এই চাৰিজনৰ এজনৰ নাম পুৰুষোত্তম। এওঁ মাজুলীৰ বাঘৰগাঁৱত সত্ৰ পাতে। মানৰ উপদ্ৰৱত মাজুলীৰপৰা কলিয়াবৰ পায়হি। কলিয়াবৰৰ কঁহুৱাতলি নামে ঠাইত সত্ৰ প্ৰতিষ্ঠা কৰে। পুৰুষোত্তমৰপৰা পাঁচ পুৰুষ যোৱাৰ পাছত ষষ্ঠ পুৰুষ হেমকান্তদেৱে মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰে। হেমকান্তদেৱ বৰদোৱা থান থাকি মহাপুৰুষীয়া ধৰ্মৰ সকলো প্ৰকাৰ তত্ত্ব লৈ নিভাঁজ মহাপুৰুষীয়া হৈ পৰে আৰু মহাপুৰুষীয়া আৰ্হিমতে সত্ৰ-সভা চলায়। হেমকান্তদেৱৰ পুত্ৰ বৰ্তমান অধিকাৰ। এতিয়া ১০৩ বছৰত ভৰি দিছে; মহাপুৰুষীয়া ধৰ্ম সম্বন্ধে তেখেতৰ গভীৰ জ্ঞান।

## চৈতন্যীয়া সত্ৰ

নগাঁও জিলাত চৈতন্য-পন্থী সত্ৰ তিনিখন — খোলাগাঁও, দৈপৰা আৰু বৰঙাবাৰী (মিছামাৰি)।

**খোলাগাঁও**

এইখন মূল সত্ৰ; বাকী কেইখন ইয়াৰপৰা বঢ়া। ঘগুৱা মৌজাৰ দিবিকা নদীৰ পাৰত সত্ৰখন। আদিজন নবদ্বীপৰপৰা আহি পানবাৰী ষ্টেশ্যনৰ ওচৰত মিছামাৰি নামে গাঁৱত জিৰণি লৈছিল। পাছত খোলাগাঁৱত সত্ৰ পাতে। খোলাগাঁও মৰিগাঁৱৰপৰা ন মাইল পশ্চিমে। সত্ৰ আগতকৈ নীৰস হোৱা যেন লাগে। শিষ্য যথেষ্ট আছে।

**দৈপৰা**

দৈপৰা বিলৰ পাৰত এই সত্ৰখন মনহ গাঁৱৰ দুমাইলমান পশ্চিমে। এতিয়া সত্ৰৰ অৱস্থা ভাল নহয়; যদিও শিছ-সেৱকীয়া ভালেখিনি আছে। দৈপৰাৰ এটা ঠাল ক্ষেত্ৰি বাঁহতলা পাহাৰৰ কাষত আছে। অৱস্থা ভাল নহয়।

**মিছামাৰি**

সত্ৰখন বৰঙাবাৰীৰ ভিতৰত। দেখা-শুনায় ভাল সত্ৰ। মহাপুৰুষীয়া আৰ্হিত কীৰ্তন-ঘৰ আৰু মণিকূট। কীৰ্তন-ঘৰ ডাঙৰ। কীৰ্তন-ঘৰৰ ওপৰফালে একাষত দ'ল আছে। ফভুৎসৱ বিপুল আয়োজনেৰে হয়। কীৰ্তন-ঘৰত দবা আছে, গধূলা কোবায়, চাৰিপ্ৰসঙ্গ কৰে। বৰ্তমান সত্ৰৰ মালিকৰ পিতাক প্ৰসন্নদেৱ সত্ৰাধিকাৰে ৰাতিপুৱা, দুপৰীয়া, গধূলা

মহাপুৰুষীয়াসকলৰ দৰেই তালেৰে প্ৰসঙ্গ কৰিছিল। আজি-কালি ভকতে ৰাতিপুৱাহে তালেৰে প্ৰসঙ্গ কৰে। মণিকূটত গৰুড়াসন আছে। আসনৰ সোঁমাজত গোবিন্দ মূৰ্তি (দেখাত বংশীবদন), সোঁফালে ৰাধা-কৃষ্ণৰ যুগল-মূৰ্তি আৰু বাঁওফালে এজন পাৰ্ষদ। শ্ৰীচৈতন্য-পন্থী সত্ৰকেইখনৰ ভিতৰত এইখনেই কীৰ্তন-ঘৰ আৰু লোকজন সহ বৃজন। ছহেজাৰ ঘৰমান শিষ্য অসমৰ আটাইকেইখন জিলাতে সিঁচৰতি হৈ আছে, মৰিগাঁও অঞ্চলত বেছি।

শ্ৰীচৈতন্য-সত্ৰ কেইখনত মাঘমাহত এটি বছেৰেকীয়া উৎসৱ হয়। উৎসৱটিক "অষ্টপ্ৰহৰ সঙ্কীৰ্তন" বোলে। অৱস্থা-ভেদে উৎসৱটি একেৰাহে সাতদিন সাতৰাতি, নাইবা তিনিদিন তিনিৰাতি, বা এদিন এৰাতি হয়। গায়ন-বায়নেৰে অকুমাৰী ছোৱালীহঁতে সাতঘাটৰ পানী তোলে; সেই পানীৰে প্ৰধান আচাৰ্যই চাৰিটি ঘট স্থাপন কৰে। অদ্বৈত, শ্ৰীনিবাস, গদাধৰ, নিত্যানন্দ, এই চাৰিজন পৰম ভক্তৰ নামত এই চাৰিটি ঘট। চাৰিজন জীৱন্ত উত্তম ভক্তক প্ৰতিটো ঘটৰ কাষে কাষে ৰখা হয়। তেওঁলোক ওৰেদিন ওৰেৰাতি উজাগৰে থাকিব লাগে কীৰ্তনৰ সমীক্ষকৰূপে। আটাইকেইজন একেলগে শুব বা ঠাই এৰি যাব নোৱাৰে। অতি প্ৰাতসৰপৰা বোলনাম বা বত্ৰিশ-অক্ষৰ কীৰ্তন হৈ থাকে।

## সত্ৰীয়া আৰ্হিৰ ৰাজহুৱা কীৰ্তন-ঘৰ[8]

### হেণ্ডুলীচুক

এই গাঁও পুৰণিগুদামৰ ভিতৰত পৰে কলং নতীৰ উত্তৰ পাৰে। এই গাঁৱে আজি বহু কালৰপৰা সত্ৰীয়া আৰ্হিৰে কীৰ্তন-ঘৰ চলাই আছে। এই গাঁৱত মাহৰা সত্ৰৰ শিষ্য সৰহ। আধাৰ যদুমণিৰ পুত্ৰ জগতানন্দৰপৰা ডোখৰামুখ সত্ৰ বাঢ়ে। আজি দুই পুৰুষমান হ'ল ডোখৰামুখ সত্ৰৰ ভানুচন্দ্ৰদেৱক হেণ্ডুলীয়াচুকীয়া ৰাইজে মাহৰাৰপৰা তুলি নি পাতে। এই গোসাঁই আৰু তেখেতৰ বংশধৰসকলে আজিলৈকে নামঘৰৰ যাৱতীয়া ধৰ্মকৃত্য কৰি আছে। গোসাঁইৰ সুকীয়া নামঘৰ নাই, ৰাইজৰ নামঘৰেই নামঘৰ। এই নামঘৰত ইসকলেই সত্ৰীয়া আৰ্হিৰে নাম-পাঠ-প্ৰসঙ্গ চলায়। ইসকলে ডোখৰামুখ সত্ৰ বুলি চিনাকি দিয়ে।

### চলপুৰীয়া গাঁও

এই গাঁও মাজ-জাজৰিৰ কিচাম হাতীচোং মৌজাৰ ভিতৰত। ৰাইজ এশঘৰ।

---

৪ নগাঁৱৰ সত্ৰৰ এই বিৱৰণত এইবোৰ চৰিত্ৰৰ সহায় লোৱা হৈছে — সত্ৰমালা, শঙ্কৰচৰিত (ভূষণ দ্বিজ), ঠাকুৰ-চৰিত, সত্ৰাৱলী, সত্ৰ-মুক্তাৱলী (ৰামনাথ আৰু দ্বিজ নৰোত্তম) আৰু কনকলতাৰ চৰিত (শ্ৰীৰামকান্ত মুক্তিয়াৰ সংগৃহীত), অনন্তৰাম আতাৰ চৰিত, কালশিচাৰিত, আই লক্ষ্মীৰ চৰিত (হৰিদাস), বংশীগোপালদেৱৰ চৰিত (ডক্টৰ মহেশ্বৰ নেওগ সম্পাদিত), জখলাবন্ধাৰ সত্ৰীয়া কীৰ্তন-ঘোষা, সত্যানন্দৰ চৰিত (দ্বিজ নাৰায়ণ), শ্ৰীৰাম-ৰামানন্দচৰিত, গোপালদেৱৰ চৰিত (হৰিবল্লভ), ইত্যাদি।

এফালে মদাৰগুৰি সত্ৰ আনফালে কুড়িমাৰি বা ভাতনখোৱা আতাৰ সত্ৰ। মাজতে ৰাইজৰ যুৰীয়া নামঘৰ। দুয়োটা ঘৰেই টিনৰ। এটা ভাওনা বা ৰভাঘৰ; ইয়াত সভা-সমিতি হয়। আনটি কীৰ্তন-ঘৰ। কীৰ্তন-ঘৰটো গহীন-গম্ভীৰ, জয়াৰ বুলিও কয়। যি কোনো লোক সোমাবলৈ সাহ নকৰে। মণিকূট নাই। কীৰ্তন-ঘৰত থকা আসনখন পাঁচথকীয়া; আসনৰ দুয়োকাষে দুখন মূৰ্তি। এফালে অনন্তমূৰ্তি, আনফালে চতুৰ্ভুজ মূৰ্তি আৰু এভাগি দৌলগোবিন্দৰ মূৰ্তি আছে। দৈনিক পাঠ-প্ৰসঙ্গ চলি থাকে; দিনে চাৰিগছিকৈ শলা-বন্তি জলে। নাঘৰৰ কাৰ্য চলে গণতন্ত্ৰ পদ্ধতিত। নিৰ্ধাৰিত নাম লগোৱা আৰু আন আন বিষয়-ববীয়া ৰাইজে নিৰ্বাচন কৰে। দিনে পোন্ধৰ-যোলজন লোকে নাম ধৰে। সত্ৰ নাম নাপালেও ই ভালেমান সত্ৰতকৈ বহুগুণে ওপৰ খাপৰ।

**গছবাৰী (১)**

এই গাঁও মৰিগাঁও অঞ্চলত। কীৰ্তন-ঘৰটি টিনৰ; বৰ ডাঙৰো নহয়, বৰ সৰুও নহয়। মণিকূট সদ্যহতে নাই। কীৰ্তন-ঘৰৰ ওপৰে দৌলৰ ভেটি আছে। এই ভেটিটিয়ে, কাষত বেল, বকুল আদি কেইজোপামান গছ লৈ কীৰ্তন-ঘৰৰ গাম্ভীৰ্য বঢ়াইছে। গছবাৰী কীৰ্তন-ঘৰত পুৱা-গধূলা চাৰি প্ৰসঙ্গ হয়। প্ৰসঙ্গ চলায় এঘৰ মহন্তই। মহন্তঘৰে গছৰবাৰী সত্ৰ বুলি পৰিচয় দিয়ে; আচলতে গছবাৰীৰ কৰ্তৃত্ব সম্পূৰ্ণ ৰাইজৰ। অধিকাৰ হোৱা প্ৰথা সিবিলাকৰ নাই। কামৰূপ জিলাৰপৰা কোনোবা এজন কায়স্থ লোক আহি দলৈচুবা কালশিলীয়া অধিকাৰ জীউৰামদেৱৰ আশ্ৰয় লয়। লোকজন দেখনিয়াৰ আৰু নাম-গুণ পাঠ-প্ৰসঙ্গ কৰাত পাকৈত আছিল। জীউৰামদেৱৰ কন্যাক বিয়া কৰোৱাৰ পাছত গছৰবাৰীলৈ যায়। তেওঁৰেই বংশধৰ গছবাৰীত থকা মহন্ত।

**গছবাৰী (২)**

গছবাৰী নামে আৰু এটি খেল আছে। এই খেলেও সত্ৰীয়া আৰ্হিৰে কীৰ্তন-ঘৰ পৰিচালনা কৰে। সিটিতকৈ এইটি কীৰ্তন-ঘৰ অলপ নীৰস। আন এজন মহন্তই এই কীৰ্তন-ঘৰত চাৰি প্ৰসঙ্গ চলায়। বৰ্তমান পাঠ-প্ৰসঙ্গ চলোৱা মহন্তই কয়, সিবিলাকে সুন্দৰীৰ ৰামচৰণ ঠাকুৰৰ বংশধৰ; মানৰ দিনত সিবিলাকৰ উপৰিপুৰুষ ৰূপৰাম আৰু পৰশুৰাম নামে দুজন ভাই-ককাই আহি বৰদোৱাত আশ্ৰয় লয়। ৰূপৰাম গছবাৰীলৈ যায়। তেওৰ বংশধৰসকলেই গছবাৰী এটা খেলৰ নাম-কীৰ্তন চলাই আছে। পৰশুৰামে সম্ভব বেবেজিয়াৰ এলেঙি সত্ৰৰ আশ্ৰয় লৈ সেই সত্ৰৰ ওচৰতে থাকে। তেওঁৰ বংশধৰসকলে অকণমানি কীৰ্তন-ঘৰ এটি সাজি নিত্য প্ৰসঙ্গ কৰি আছে। সত্ৰ বুলি কোনো নাম নাই।

**সোণাৰিগাঁও (মৰিগাঁও)**

এই গাঁৱৰ কীৰ্তন-ঘৰ টিনৰ আৰু ওখ-ডাঙৰ। ৰাইজৰ সৰহভাগ কেওটাকুলীয়া মানুহ। গছবাৰী আৰু সোণাৰি গাঁৱৰ ব্যৱধান ডেৰ কাৰ্ক্কমান। ইয়াতো এঘৰ গোসাঁয়ে

বহুকালৰপৰা চাৰি প্ৰসঙ্গ চলাই আছে। এই মহন্তঘৰৰ আদিজন ঘিমক বাপু এজন কায়স্থ। তেওঁ বৰদোৱাত আছিল; বৰদোৱাৰ শিক্ষা-দীক্ষা লৈ প্ৰায় এশ বছৰৰ আগতে এই সোণাৰি গাঁৱলৈ যায়। তেতিয়াৰপৰা তেওঁৰ বংশধৰসকলে সত্ৰৰ দৰে কীৰ্তন-ঘৰ পালি আছে। এখন সত্ৰৰ অধিকাৰৰ যি কৰ্তৃত্ব, সেই কৰ্তৃত্ব গছবাৰী বা সোণাৰিগাঁৱৰ কোনো এঘৰ মহন্তৰে নাই। এই গাঁৱৰ এটি বৈশিষ্ট্য এই যে নাম-কীৰ্তন হোৱা সময়ত কোনো লোককে আন কি সৰু সৰু ল'ৰা-ছোৱালীকো চোলা বা ঠেঙা-জাঙিয়া পিন্ধি কীৰ্তন-ঘৰত সোমাবলৈ দিয়া নহয়, চুৰীয়া পিন্ধি গাত চাদৰ লৈ সোমোৱাৰ নীতি ৰক্ষা আছে।

## শঙ্কৰ-মন্দিৰ আদি

### শ্ৰীশ্ৰীশঙ্কৰ-মন্দিৰ (নগাঁও)

এই মন্দিৰ কাছাৰী-ঘৰৰপৰা ডেৰ ফাৰ্লংমান পূবে। এই মন্দিৰ যোৰহাট চাৰিগাঁৱৰ ৰামেশ্বৰ বৰুৱাৰ অকৃত্ৰিম যত্নত হোৱা বুলি ক'লে মিছা কোৱা নহয়। নগাঁও গৱৰ্ণমেণ্ট হাইস্কুলৰ হেডমাষ্টৰ থকাতে তেখেতৰ আশা-শুধীয়া চেষ্টাত ১৯১১ চনত মন্দিৰটি হৈ উঠে। বৰ্তমান সুদৃঢ় ভেটিত এটি বিৰাট সভাঘৰ নিৰ্মিত হৈছে। দৈনিক নাম-কীৰ্তন, পাঠ-প্ৰসঙ্গ যথানিয়মে হৈ আছে; দৈনিক আবেলি আইসকলেও নিয়মিতৰূপে নাম ধৰে।

### শ্ৰীশ্ৰীশঙ্কৰ-মন্দিৰ (জমখলা)

জমখলাত এইটি শঙ্কৰ-মন্দিৰ আছে।

### শ্ৰীশ্ৰীশঙ্কৰ-মন্দিৰ (দেওধৰ চাৰিআলি)

পাথৰি দেওধৰ চাৰিআলিত নিৰ্মাণ কৰা এই মন্দিৰটি সৰু।

### শ্ৰীশ্ৰী শঙ্কৰ-মন্দিৰ (ৰহা)

ৰহাৰ শ্ৰীশঙ্কৰদেৱ মন্দিৰটি কলংনদীৰ পাৰত। নিয়মিত নাম-প্ৰসঙ্গ চলে।

### শ্ৰীশ্ৰীগোপাল-মন্দিৰ

ভৱানীপুৰীয়া গোপাল আতাৰ নাম অনুসৰি এই মন্দিৰ মাজ-আজৰিত নিয়মিত পাঠ-প্ৰসঙ্গ আদি চলি আছে।

### শ্ৰীশ্ৰীশঙ্কৰ-সংঘ (পলাশনি)

অসমত বহুত শঙ্কৰ-সংঘ গঠিত হৈছে। কিন্তু দৈনিক পাঠ-প্ৰসঙ্গ চলোৱা শঙ্কৰ-সংঘ বোধ হয় নগাঁৱত একমাত্ৰ পলাশনি শঙ্কৰ সংঘ। ৪৮৪ শঙ্কৰাব্দৰ বহাগ মাহত এই সংঘ স্থাপিত হয়। সংঘৰ এটি কীৰ্তন-ঘৰ আছে। কীৰ্তন-ঘৰত দৈনিক মহাপুৰুষীয়া ৰীতি-নীতিৰে চাৰি প্ৰসঙ্গ চলি আহিছে। সংঘই বাৎসৰিক পৰ্ব, গুৰুসকলৰ তিথি-মহোৎসৱ পালন কৰে; আৰু বেজবৰুৱা আদি বিশিষ্ট জাতীয় নেতাসকলৰ সোঁৱৰণী সভা পাতে। সংঘৰ কনকলতা নামে সুনিয়ন্ত্ৰিত এটা পুথিভঁৰাল আছে। উঁৰালত ন-পুৰণি

পুথিও যথেষ্ট। সুকীয়া সুকীয়া সমিতিৰ তত্ত্বাৱধানত ভাওনাঘৰ, ধান-ভঁৰাল আৰু আলহীঘৰ আছে। ইয়াৰ উপৰিও সংঘই এটা স্থায়ী নাট্য-মঞ্চ নিৰ্মাণ কৰি লৈছে।

না.ম.

**শ্ৰীশ্ৰীশঙ্কৰদেৱ-মন্দিৰ (চতিয়াল)**

১৯৩৭ চনত চতিয়াল শাখা হেজাৰে স্থাপন কৰে।

**শ্ৰীশ্ৰীশঙ্কৰদেৱ-মন্দিৰ (পূবথৰীয়া)**

দুশ পূবথৰীয়া নামে এই অঞ্চলৰ কলং নৈৰ উত্তৰ পাৰৰ লোকসকল সমৱেত হৈ এই ধৰ্ম-মন্দিৰ প্ৰতিষ্ঠা কৰিলে ১৯৪৯ চনত।

**শ্ৰীশ্ৰীশঙ্কৰদেৱ-মন্দিৰ (হাটবড়)**

১৯৩২ চনত শাকমথি হেজাৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰৰ নামত এই মন্দিৰ স্থাপন কৰে। এই ধৰ্মানুষ্ঠানত এদিনীয়া, দুদিনীয়া, তিনিদিনীয়াকৈ মহাসমাৰোহেৰে ধৰ্মোৎসৱ পালন কৰা হয়।

**কলিয়াবৰ হেজাৰ**

সুবিস্তীৰ্ণ মুক্ত ক্ষেত্ৰত সুসজ্জিত বৃহৎ মণ্ডপত সম্মিলিত বিৰাট জনতাই বিভিন্ন কেন্দ্ৰত বাৎসৰিক ধৰ্মোৎসৱ পালন কৰে। এখনীয়া, দুখনীয়া, চাৰিখনীয়া, ষোলখনীয়া ৰভাত মহাসমাৰোহেৰে সুমহান পবিত্ৰ তীৰ্থ-ক্ষেত্ৰ নিৰ্মাণ কৰা হয়। তাল, খোল, ডবা, বৰকাঁহ, মৃদঙ্গৰ ধ্বনিত হৰিগুণ-কীৰ্তন প্ৰতিধ্বনিত হৈ আকাশ-পাতাল ভেদি অগণন নৰ-নাৰীৰ মন-প্ৰাণ হৰি লৈ যায় বৈকুণ্ঠধামলৈ।

বা. হা.

**দেৱৰ সত্ৰ বা নৃসিংহ-স্থান**

কলিয়াবৰ অঞ্চলৰ এই সত্ৰখনিৰ নাম ওপৰৰ বিৱৰণৰপৰা বাদ পৰি গৈছে। সত্ৰখনি দক্ষিণপাট সত্ৰৰ লগত সম্পৰ্কিত। এই সত্ৰতে নৃসিংহ-দেৱালয়ো আছে বাবে নাম নৃসিংহ-স্থান।[৫]

**পাটেকিবৰি থান (শঙ্কৰদেৱৰ জন্মস্থান আলিপুখুৰী?)**

মৈৰাবাৰী ৰেলৰে টাৰ্মিনাছৰপৰা ডেৰ মাইলমান আঁতৰত পাটেকিবৰি নামে এটি সৰু আটি শঙ্কৰদেৱৰ জন্মস্থান আলিপুখুৰী বুলি নিৰূপণ কৰিবৰ কাৰণে চাৰে তিনি দশক কাল যত্ন কৰি অহা হৈছে আৰু অনে লোকে সেই নিৰূপণ সঠিক বুলিয়ে গ্ৰহণ কৰিছে। আলিপুখুৰী আৰু বৰদোৱা দুইখনি ঠায়েই শঙ্কৰদেৱৰ জন্ম আৰু শিশুজীৱনৰ লগত জড়িত বাবে অসমীয়া জাতিৰ জেৰুজালেম বা ষ্ট্ৰাট্‌ফোৰ্ডৰ দৰে পবিত্ৰ আৰু স্নেহৰ।

৫ দেৱৰ সত্ৰ শ্ৰীকাৰ্তিকচন্দ্ৰ ভাগৱতীৰপৰা পোৱা পত্ৰৰপৰা।

কিন্তু দুইখনিতেই মহাপুৰুষৰ জন্মকালৰেপৰা ধাৰাসাৰে লোকবসতি নোহোৱা বাবে নকৈ চিনাক্ত কৰাৰ সময়ত বিশ্বাস আৰু প্ৰশ্ন উভয়েই বাট বিচাৰিব পাৰে। শঙ্কৰদেৱে প্ৰায় ৬৭ বছৰ বয়সত ১৪৩৮ শকত বৰদোৱা এৰি উত্তৰকোলৰ আহোম ৰাজ্যত প্ৰৱেশ কৰে আৰু বৰদোৱাক লাহে লাহে অটব্য অৰণ্যই আগুৰি ধৰে। ইয়াৰ পিছত শঙ্কৰদেৱৰ 'বাণী মেঘ-গম্ভীৰে' বা কোনো তাল-খোলৰ মাতেই বৰদোৱাক এশ বছৰো ওপৰ কাল উৰুলীকৃত কৰিবলৈ নাপায়। ১৪৯০ শকত কোচবেহাৰত মহাপুৰুষ স্বৰূপত ব্যৱস্থান কৰিলে। তেওঁৰ পৰিয়ালক নিজৰ আপোন মানুহ, ৰজাঘৰ, বঙ্গদেশৰপৰা অহা আধাসন্ন্যাসী বৈষ্ণৱ, ৰোগ আৰু দৈন্যই পীড়ন কৰিবলৈ আৰম্ভ কৰিলে। গুৰুজনৰ নাতি-বোৱাৰীবো লাঞ্ছনা ঘটিল। মাধৱ, দামোদৰদেৱ আদিয়ে সময়ত সহায় কৰিলেও গুৰুৰ পৰিয়ালে আগৰ বহল জগতৰ সমাদৰ নোপোৱা হ'ল। পুৰুষোত্তম-চতুৰ্ভুজ ঠাকুৰৰ মৃত্যুৰ পিছত দ্বিথীয়জনৰ দূৰদৰ্শিনী পত্নী কনকলতা আয়ে পুনৰ প্ৰতিষ্ঠা লাভৰ আশাৰে আহোম ৰাজ্যলৈ ঘূৰি গুৰুজনৰ মূল থানত বহিবৰ অভিপ্ৰায়ে কামৰূপ ৰাজ্য এৰে। দুইজনা ঠাকুৰৰ জীয়ৰী আৰু গাভৰুগিৰিসকলেৰে আই আহি বৰদোৱাৰ ওচৰত কিছু দিন ৰৈ লখীমপুৰ অঞ্চলৰ চিনাতলিত চাৰি বছৰ ৰৈ পুনৰ কলিয়াবৰ পাওঁতেই বৈকুণ্ঠী হয়। চতুৰ্ভুজ ঠাকুৰে পুত্ৰৰূপে গ্ৰহণ কৰা দামোদৰ আতাই জয়ধ্বজসিংহ ৰজাৰপৰা তিনিকুৰি পাইক লগত লৈ মিকিৰ ৰজা চেতুৰাক শৰণ দি তেওঁৰ সহায়ত বৰদোৱা উলিয়াবৰ যত্ন কৰে। প্ৰথম যত্নত তেওঁ কৃতকাৰ্য নহৈ বাৰপূজীয়া পালেগৈ। তাৰ পিছত ভাগ্যে বৰদোৱাৰ ওচৰত বাস কৰি থকা জয়ৰাম নামে ভকতৰ সহায়তহে (জোৰধৰা বাটেদি) বৰদোৱা আৱিষ্কাৰ কৰে আৰু লোকমুখে শুনা তাৰ বিভিন্ন থান নিৰূপণ কৰে। কিন্তু এই সময়ত বা তাৰ পিছতো আলিপুখুৰী নামে শঙ্কৰদেৱৰ জন্ম-থান থিৰাং কৰিবৰ কোনো যত্ন কোনেও কৰা জনা নাযায়।

বৰদোৱা থান আৰু আলিপুখুৰীৰ বৰ ডাঙৰ দূৰত্ব বা ব্যৱধান হ'ব নালাগে। যদিও চৰিতত পোৱা যায় দুৰ্লভনাৰায়ণে চণ্ডীবৰক পোনতে "বৰ-নদীৰ নামে হাজোৰ উপৰে" লেঙা-মাগুৰিত বহিবলৈ দিয়ে আৰু পিছত চণ্ডীবৰ আদি ভূঞাসকল কেইবাঠাইতো ৰৈ আলিপুখুৰীত ৰয়হি। ইফালে, শঙ্কৰদেৱৰ ৰচনাৰ অন্তৰঙ্গ প্ৰণামতে দুৰ্লভনাৰায়ণে চণ্ডীবৰক টেমুনিয়াবন্ধ (বুৰঞ্জীমতে টেমনি) বৰদবাত (বৰদোৱা) বহুৱায়। স্থানান্তৰত মহাপুৰুষে 'শস্যে মস্যে অনুপম' 'লৌহিত্যৰ অতি অনুকূল' "বৰদবা গ্ৰাম"ৰ কথাও কৈছে। ইয়াৰপৰা এটা কথা অনুমান কৰিব পাৰি এই 'বৰদবা গ্ৰাম' এখনি সৰু থান নহৈ এক বৃহৎ জনপদ আছিল, আলিপুখুৰী সেই জনপদৰ অংশমাত্ৰ। ৰামচৰণৰ চৰিত আৰু প্ৰকাশিত কথা গুৰুচৰিত দুইখনিৰ মতে ভোটৰ উপদ্ৰৱৰ কাৰণে লেঙামাগুৰি এৰি চণ্ডীবৰ আদি উজাৱলগীয়া হয়। ৰামচৰণৰ চৰিতমতে শিঙৰি আৰু কালশিলাইদি টেম্বুৱানি জানৰ কাষত ঘৰ কৰি ২৫ বছৰ বয়, তাতে চণ্ডীবৰৰ মৃত্যু হয়। ৰাজধৰ ৬২

বছৰ বয়সত পানীৰ কাৰণে খেতি নষ্ট হোৱা দেখি আলিপুখুৰী গ্ৰামত মহা আড়ম্বৰ কৰি ঘৰ-বাৰী কৰি ৰয়। ইয়াত সূৰ্যবৰৰ পুত্ৰ কুসুম্বৰৰ জন্ম, বিবাহ আৰু শিঙ্গৰিত শিৱপূজা কৰি শঙ্কৰদেৱ-ৰূপ পুত্ৰ লাভ হয়। কথাচৰিমতে, চণ্ডীবৰ আদি মাগুৰি এৰি উজাই কাজলিমুখে সোমাই ভলুকাগুৰিত ছমাহ থাকি, পুনৰ উত্তৰপাৰে কুঠাৰডুবি ফটাশিমলুত এবছৰ ৰৈ, শিঙ্গৰিৰ পোনে ৰটাত (ৰৌটা) ৰওঁতে আকৌ ভোটৰ আক্ৰমণ হয়। ৰটাতে চণ্ডীবৰৰ মৃত্যু হয়; "পাছে ব্ৰহ্মপুত্ৰ স্নান কৰোঁতে দেখিলে কেইবাদিনো এটা কপিলীধেনু পাৰ হয়, ৰাজধৰে চোট নৌকা লৈ চায়গৈ, দেখে, দক্ষিণে অটব্য এচলা লধবা শিলতে সুতি আছেগৈ, দুগ্ধ স্ৰৱি মখা বান্ধি ৰৈছে। খাই চাই দেখে মাটি, পানী, বিল, মাছ, খৰি, ছল-বল ঠাই।" তেওঁলোক তালৈ উঠি আহি "চাৰি হদকৈ আলি বান্ধি, পুখুৰী খান্দি ৰহিল, আলিপুখুৰী গ্ৰাম বোলে।" ইয়াতে কছাৰীৰ লগত সংঘৰ্ষ, সূৰ্যবৰৰ জন্ম, ৰাজধৰৰ মৃত্যু, কুসুম্বৰৰ জন্ম, শঙ্কৰদেৱৰ জন্ম আদি হয়। ৰামচৰণৰ মতে ইয়াতে কুসুম্বৰৰ ভাৰ্যা-বিয়োগ হোৱাত লৌহিত্যৰ তীৰত যজ্ঞভূমি কৰি কাৰ্য সমাপন কৰা হৈছিল। দুইখন চৰিতমতে শঙ্কৰৰ জন্মৰ কেইবছৰমান পিছত কপিলীমুখীয়া কছাৰীয়ে আক্ৰমণ কৰাত ভূঞাসকল "বৰ জংঘলত পাম ধৰি" থকাত বনগঞাগিৰীৰ জন্ম হয়। আলিপুখুৰীত "কুসুমদেৱৰ আছে নাদ তিনিগোট। তাতে পুতি থৈলা কিছু তাম কাস লোটা।" ইয়াৰ পিছত ভূঞাসকল পুনৰ আলিপুখুৰীলৈ আহিল। চৰিতৰ বৰ্ণনাৰপৰা যি বুজিব পাৰি, শঙ্কৰদেৱৰ "২০ বছৰ বা তেনে বয়সত কছাৰীৰ উপদ্ৰৱ সহিব নোৱাৰি বৰদোৱালৈ কিছুদিন উঠি যায়, কিন্তু আকৌ আলিপুখুৰীলৈ ঘূৰি আহে" (শ্ৰশ্ৰীশঙ্কৰদেৱ, ৪০ পৃ.)। প্ৰথম "তীৰ্থলৈ যাত্ৰা কৰোঁতে শঙ্কৰদেৱ বৰদোৱাৰপৰাহে ওলাই গৈছিল; কিন্তু ঘূৰি আহি সোমাল আলিপুখুৰীত" (পৃ. ৫৩)। শেষত ৬৮ বছৰ বয়সত শঙ্কৰদেৱে বৰদোৱা-আলিপুখুৰী অঞ্চল সমূলে পৰিহাৰ কৰে, পুনৰ তাক 'অটব্য'ই বেৰি ধৰে।

পাটেকিবৰিৰ কথা। পাটেকিবৰি নামটি তাত বহুত পুৰণি পাটকূৱা বা পাটুকা থকা বাবেই বোলে হৈছে। এতিয়াও কেইবাটিৰো চিন দেখা পোৱা যায়। তাৰ ভিতৰত "কুসুমদেৱৰ নাদ তিনিগোট" আছেনেকি? এই ঠাইত মহিমা থকা 'লম্বা শিল' এচলাও এতিয়া কোনোবাখিনিত আছে। পুৰণি আলি, মাজে মাজে বৰপুখুৰীৰ চিন এতিয়াও ধৰি পৰা। প্ৰবাদ আছে, বৰিৰ ওপৰলৈ খেদি নিও গাহৰি তুলিব নোৱাৰি, বনৰীয়া হাতীয়েও বোলে থোক কলৰ মাননি আগবঢ়ায়, গৰু-গাই হেৰোৱা লোকে তাত কাকুতি কৰিলে গৰু-গাই পায়, ৰাতি ওচৰৰ লোকে তাল-খোলৰ মাত, গৰুৰ হেম্বেলনিও বোলে শুনে। ওচৰৰ হাতীমূৰীয়া কোচসকলে তাত মাজে মাজে ভোগ চৰায়। কছাৰী গাঁৱো ইয়াৰ কাষতে। ১৯২৪ চনত লোকমুখে সেয়ে মহাপুৰুষৰ থান বুলি শুনি মৌজাদাৰ ৰায় চাহাব ভূধৰ বৰকাকতীয়ে পাৰখোৱাৰ কালীসাধক দেৱ বাবাজীক নগাঁৱৰ শ্মশানৰপৰা আনি পদূলিমুখৰ বেলৰ গুৰিতে সহায় বিচাৰি থয়হি। বাবাজীয়ে বৰিৰ নিৰ্জন ঠাইত পোষ্কৰ

দিন অনাহাৰে অকলশৰে থাকি, মৌজাদাৰৰ লগত চাৰি-পাঁচশ মানুহ নি দুৰাবন্দি বিলৰ দ পিটনিৰপৰা এক ৰক্তপাষাণৰ এহাত ওখ শিৱলিঙ্গ উলিয়াই আনে, তেওঁৰ মতে সেয়ে কুসুমবৰৰ পূজিত শিৱ। তেওঁ বৰিৰ ওপৰতে সততে বন নগজা এটুকুৰা ঠাইকে মহাপুৰুষ, ভূমিষ্ঠ হোৱা ঠাই বুলি নির্দেশ কৰে। তাৰ কাষতে শিৱলিঙ্গ থাপনা কৰি নিজে ডবকাৰ মহামায়াৰ আশ্ৰলৈ গ'ল, কিছুদিন পিছতে সেইটি ত'লৈকে লৈ গ'লহি। বৰকাকতী ডাঙৰীয়াই বৰিৰ ওপৰত নামঘৰ-মণিকূট কৰাই হাতীমূৰীয়া ৰাইজৰ ভাওনা-সবাহ আদি কৰায়। মাটিহাকিম শ্ৰীকমলনাৰায়ণ মজুমদাৰে চৰকাৰৰপৰা ৫০ বিঘা মাটি থানৰ নামত নিষ্কৰ কৰি দিয়ায়। ১৯৩৩ চনত বৰকাকতী ঢুকায়, ১৯৩৯লৈকে দেব বাবাজীৰ কছাৰী শিষ্য ভোগসিঙে আম-কঠাল আদি গছ কই থান প্ৰতিপালন কৰি আছিল, তাতে তেওঁৰো মৃত্যু হোৱাত আৰু এজন বাবাজী কিছুদিন তাত বৈছিল। তাৰ পাছত অপ্ৰতিপালত ঘৰ-দুৱাৰ ভাগি-ছিগি গ'ল, বাৰী উছন হ'ল, মাটি-লোভী মৈমনচিঙীয়াই কেয়োফালৰপৰা হেচি ধৰিলে। দুবছৰমানৰপৰা পুনৰ উদ্যোগী লোকসকলে ঠিঙৰ মাটিহাকিমৰ সহযোগত থানৰ সংস্কাৰ কৰিছে। এই কাম কৰোঁতে মাটিৰ তলৰপৰা মাটিৰ বস্তু আদিও ওলাইছে। পাটকূৱাৰ ঠাইবোৰ খানিলে আৰু 'লম্বা শিল'চটা ভালকৈ উলিয়ালে হয়তো প্ৰত্যয়জনক কোনো প্ৰাত্নতাত্ত্বিক সামগ্ৰী ওলাব পাৰে। ১৯৬০ চনৰ ১৬ এপ্ৰিল তাৰিখে থানৰ নতুন মণিকূটৰ আধাৰশিলা স্থাপন উৎসৱ হয়। আমিয়ে গায়ন-বায়নৰ বাদ্যৰ বোলৰ মাজত আধাৰশিলাটি স্থাপন কৰোঁ। এতিয়া তাত মণিকূট নামঘৰ হৈছে।

**নাৰিকলী বা ৰত্নাৱলী থান**

কামপুৰ ৰেল ষ্টেশ্যনৰপৰা চাৰি মাইলমান দূৰত এইখনি দিহিঙৰ থান। মায়ামৰীয়া বিদ্ৰোহৰ সময়ত দিহিং-সত্ৰাধিকাৰ ব্ৰজৰঞ্জনদেৱ নাৱেৰে ভটীয়াই পলাই আহোঁতে তেওঁৰ পত্নী আৰু পুত্ৰ বৃন্দাবনচন্দ্ৰদেৱ এই নাৰিকলী বোলা ঠাইতে আত্মগোপন কৰি ভক্তি-ৰত্নাৱলী পুথি থাপনা কৰি ৰয়। আইগৰাকীৰ পৰলোক হোৱাত বৃন্দাবনচন্দ্ৰদেৱে কুৰুৱাৰ সত্ৰত (মঙ্গলদৈৰ 'দিহিং' সত্ৰ চাওক) অধিকাৰ হয়। সিসকল থকা ঠাইৰ ওচৰত শিষ্য-ভক্তসকলে থানখনি আপডাল কৰি তাতে নাম-সেৱা আদি কৰি থাকে।[৬]

ম.নে.

## আশ্ৰম

**গীতা-আশ্ৰম**

এই আশ্ৰমখন মৰিগাঁৱত। আশ্ৰম পতা বেছি দিন হোৱা নাই। আশ্ৰমৰ টোলৰ ভিতৰতে জনজাতীয় ছাত্ৰৰ কাৰণে সৰু ছাত্ৰাবাস এটি হৈছে।

---

৬ গুৰুেশ্বৰ বৰাৰপৰা পোৱা কথাৰপৰা নাৰিকলী থানৰ টোকা দিয়া হ'ল।

**সন্ত-আশ্ৰম (চৰিত্ৰবৰি)**

এই আশ্ৰমখন মিকিৰভেটা মৌজাৰ ভিতৰত। আশ্ৰম পতা ঠাইখন হাবি-বননিৰে ভৰা আছিল। সেই ঠাইত এজোপা আঁহত গছৰ গুৰিত দীঘে দহহাতমান আৰু পথালিয়ে পাঁচ হাতমান এখন মাটিৰ আসন আছিল। আসনখন আঁহতৰ ডাঙৰ শিপা এডালে আগুৰি ৰাখিছিল। ইয়াক ক'লীয়া গোসাঁইৰ থান বোলে। ওচৰৰ গাঁৱত বেমাৰ-আজাৰ হ'লে ৰাইজে এই থানত নৈবেদ্যাদি অৰ্পণ কৰি নাম-কীৰ্তন কৰে; বেমাৰ-আজাৰ ভাল হয়। তদুপৰি বছৰৰ মূৰত এভাগি নাম-কীৰ্তন কৰাৰ প্ৰথা চলি আছিল। ইয়াতেই ১৯২১ চনত এখন আশ্ৰম পাতি আশ্ৰমৰ নাম দিয়া হয় সন্ত-আশ্ৰম। আশ্ৰমত মন্দিৰ আৰু কীৰ্তন-ঘৰ আছে। আশ্ৰমৰ উত্তৰে ৰঙা-নীলা পদুমেৰে এটা পুখুৰী। ১৯৪৬ চনত কীৰ্তন-ঘৰ নিৰ্মাণৰ কাম শেষ হয়। কীৰ্তন-ঘৰৰ দেৱাল পকা। দেৱালত দশাৱতাৰ, হাদেৱ, গৰুড়, নাৰদ আদিৰ বিবিধ চিত্ৰ অঁকা হৈছে।

আশ্ৰমৰ মন্দিৰ সজা হয় বঙলা ১৩৪৮ চনত। মন্দিৰৰ ভিতৰত ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি, বিশ্বনাথৰ মূৰ্তি, চতুৰ্ভুজ নাৰায়ণৰ মূৰ্তি আছে। মন্দিৰত তিনি সন্ধ্যা মহাপুৰুষীয়া আৰ্হিৰে নাম-কীৰ্তন, আৰু চৈতন্য পন্থীয়মতে সঙ্কীৰ্তন হয়। মন্দিৰৰ বৰ্তমান পূজাৰিগৰাকী তিৰোতা।

আশ্ৰমৰ আশে-পাশে মূৰ্তি আৰু তিনিখন তামৰ ফলি পোৱা গৈছে। ফলিকেইখনৰ দীঘ ১৩ ইঞ্চি আৰু প্ৰস্থ ৬ ইঞ্চি। ফলিকেইখন অনুসন্ধিৎসাৰ বিষয় হৈ ৰৈছে। ইয়াত যাত্ৰা মহাসমাৰোহেৰে হয়। গাঁৱত বসন্তই দেখা দিলে মুছলমানসকলেও পূজাৰ নৈবেদ্য আদি দি "আইৰ জুৰণি" লৈ আহে। কাশী, হৰিদ্বাৰ, আবু আদি ঠাইৰ আশ্ৰমৰ লগত বোলে ইয়াৰ যোগাযোগ আছে।[৭]

না.ম.

## ভাস্কৰ্যত বড়ো পূজা-পদ্ধতিৰ নিদৰ্শন

শিলঘাটৰ ওচৰত থকা শিলত কটা প্ৰাচীন ভাস্কৰ্যত প্ৰাচীন বড়ো পূজা-পদ্ধতিৰ আভাস পোৱা যায় আৰু সেই নিদৰ্শনৰ লগত কেঁচাইখাঁতী গোসানীৰ সম্পৰ্ক বুলি জিলা গেজেটিয়াৰত কোৱা হৈছে।

## ভাস্কৰ্যত বড়ো পূজা-পদ্ধতিৰ নিদৰ্শন

**গৰুকটা পৰ্বত**

উৰ্ধ্বগঙ্গাৰ পশ্চিমৰ উধাগাঁৱৰ ঠিক উত্তৰত উধাগাঁও হাটৰ ওচৰত অকলশৰীয়া গৰুকটা পৰ্বত মুছলমানসকলৰ পবিত্ৰ ঠাই। ইয়াত কোনো মছজিদ দৰগাহ আদিৰ চিন

৭ বৰঙাবাৰী মজলীয়া স্কুলৰ হেড পণ্ডিত শ্ৰীসুৰেন্দ্ৰনাথ হাজৰিকাৰপৰা পোৱা।

নাথাকিলেও মুছলমানসকলে ইয়াৰ ওপৰত গৈ নমাজ আদি পঢ়ে।[৮]

**কলিয়াবৰ মছজিত**

নগাঁৱৰ পুৰণি দৰগাহ বা মছজিদৰ অনুসন্ধান পোৱা নগৈছে। ইয়াৰ মছজিতসমূহৰ ভিতৰত কলিয়াবৰৰ মছজিদ প্ৰায় ডেৰশ কি দুশ বছৰ আগৰ। সি এতিয়া উৱলি যোৱা অৱস্থাত।[৯]

## গীৰ্জা

**বেপ্টিষ্ট মিশ্যন গীৰ্জা**

এইটি পুৰণি গীৰ্জা বৰ্তমান নগাঁও কলেজৰ কাষত।

ম.নে.

৮ *J.A.R.S.*, Vol. V, Nos. 1 & 2, p. 40

৯ চৈয়দ আব্দুল মালিকৰপৰা পোৱা খবৰ।

# তেজপুৰ

**তেজপুৰ**

বৰ্তমান তেজপুৰ নগৰেই পুৰাণত উল্লিখিত শোণিতপুৰ নগৰ আছিল বুলি কোৱা হয়। “কালিকাপুৰাণ”ৰ মতে প্ৰাগজ্যোতিষত নৰক ৰজাই ৰাজত্ব কৰাৰ সময়ত শোণিতপুৰত বাণ ৰজাই ৰাজত্ব কৰিছিল। বাণৰজাৰ উল্লেখ মহাভাৰতৰ শান্তি-পৰ্বতো আছে। তেজপুৰৰ নাম পুৰণি কালত শোণিতপুৰৰ উপৰিও দেৱীকূট, উষাবন, কোটিবৰ্ষ আৰু বাণপুৰ আছিল বুলি কোৱা হৈছে। ব্ৰিটিংশে ইয়াত দৰং জিলাৰ সদৰ ঠাই পতাৰ সময়ত এই অঞ্চলৰ নাম পুৰাপুৰ আছিল বুলিও বহুতে কয়।

বাণ প্ৰকৃততে ঐতিহাসিক ব্যক্তি হয় নে নহয় সেই বিষয়ে মতভেদ আছে। নৰক ৰজাৰ সমসাময়িক হিচাপে আৰু কৃষ্ণ-বাণৰ বিৰোধ-কাহিনীৰ ওপৰত ভেটি কৰি কোনো কোনো ঐতিহাসিকে বাণক দ্ৰাবিড়-সুমেৰীয় বা আলপাইন গোষ্ঠীৰ অনাৰ্য ৰজা বুলি ক'ব খেজে। ডক্টৰ কাকতিয়ে কালিকা-পুৰাণৰ নৰকাসুৰক দ্বিতীয় শতিকামানত স্থাপন কৰিব খোজে। সি যি কি নহওক, জনশ্ৰুতিয়ে তেজপুৰ নগৰ আৰু তাৰ আশে-পাশে থকা পুৰণি কীৰ্তিচিনসমূহক বাণৰ আৰু উষাৰে সৈতে জড়িত কৰে। প্ৰবাদমতে তেজপুৰৰ উত্তৰে ভালুকপুঙৰ ওচৰতে বাণৰ ৰাজধানী আছিল আৰু তেজপুৰত উষাকহে ৰাখিছিল। সেইমতে বৰ্তমান তেজপুৰ কাছাৰীঘৰৰ চৌহদত উষাৰ ঘৰ আছিল। কোনো কোনোৰ মতে তেজপুৰৰ এমাইল পূবে থকা বামুণী পৰ্বততহে উষাৰ ঘৰ আছিল। তাত থকা কিছুমান ভগা শিলক উষাৰ তাঁত-শাল, টোলোঠা, দোৰ্পতি আদি বুলিও দেখুৱায়। যুৱতী উষাক সুৰক্ষিত কৰি ৰাখিবৰ বাবে বাণে নগৰৰ চাৰিওপিনে এটা অগ্নি-গড় মাৰিছিল। তেজপুৰ নগৰৰ ভিতৰৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ এটা সৰু টিলাক এতিয়াও অগ্নিগড় বোলা হয়। আগেয়ে এই টিলাৰপৰা হেনো জুই ওলাইছিল। এতিয়া তাত পানীকল আছে। নগৰৰ পশ্চিমে বাণৰ প্ৰধানমন্ত্ৰী কুম্ভাণ্ডৰ নামানুসৰি এটা পুৰণিকলীয়া পুখুৰী আছে। ইয়াৰ অলপ আঁতৰত থকা কিছুমান শিলকো মানুহে উষাৰ গাধোৱা পীৰা, তাঁতৰ শাল আদি বুলি দেখুৱায়। কিন্তু প্ৰাত্নতাত্ত্বিকসকলে তেজপুৰ নগৰৰ নানা কাৰুকাৰ্যশোভিত শিলবোৰ খ্ৰীষ্টীয় ৮ম-১০ম শতিকাৰ বুলিহে ঠাবৰ কৰিছে। এই ভগ্নাবশেষবোৰ ঘাইকৈ তিনি ঠাইত আছে। বৰ্তমান কাছাৰীঘৰৰ চৌহদ আৰু তাৰ আশে-পাশে, বামুণীপাহাৰ আৰু দ পৰ্বতীয়া গাঁৱত। এই তিনিও ঠাইতে এসময়ত ডাঙৰ শিলৰ মন্দিৰ আছিল। মন্দিৰবোৰ

বিভিন্ন সময়ত বিভিন্ন দেৱ-দেৱীৰ উদ্দেশ্যে সজা যেন অনুমান হয়।

১৯৬০ চনত ডেপুটি কমিশ্যনাৰৰ অফিচঘৰ বহলাবলৈ মাটি খান্দোতে তলত প্ৰকাণ্ড শিলৰ ঘৰৰ ভগ্নাৱশেষ আৱিষ্কৃত হয়। ওচৰৰ খ্ৰীষ্টিয়ান মিশ্যনৰ চৌহদতো নানা ধৰণৰ শিল পোৱা গৈছিল। ইয়াৰ কিচুমান শিল বৰ্তমান ওচৰৰ ক'ল্ পাৰ্কত সজাই থোৱা আছে। প্ৰাত্নতাত্ত্বিক আৰ. ডি. বেনাৰ্জীয়ে এই শিলবোৰক তিনি ভাগত ভগাইছে। তেওঁৰ মতে ভিন ভিন সময়ত ভিন ভিন ঘৰত এইবোৰ ব্যৱহাৰ কৰা হৈছিল।

**শিৱমন্দিৰ**

প্ৰথম ভাগত দুটা স্তম্ভৰ মাজভাগ আৰু এখন বিৰাট শিলৰ দুৱাৰৰ ওপৰত পথালিকৈ দিয়া এচটা দীঘলীয়া শিল পৰে। এটা স্তম্ভৰ মাজভাগ ষোলসিৰীয়া আৰু আনটো বাৰসিৰীয়া। ইয়াৰপৰা এই দুটা শিৱমন্দিৰৰ শিল যেন অনুমান হয়। এনে ধৰণৰ স্তম্ভ শিৱমন্দিৰত ব্যৱহৃত হৈছিল। দুয়োটা স্তম্ভতে ফুল আৰু অন্যান্য নক্সা কটা আছে। আৰু দুয়োটা একেটা মন্দিৰৰ স্তম্ভ আছিল। দুৱাৰৰ ওপৰত চটা শিলৰ ওপৰ ভাগত সৰু সৰু পাঁচোটা মন্দিৰৰ ছবি কটা আৰু তাৰ প্ৰত্যেকটোত শিৱলিঙ্গ আছে। তলৰ ভাগৰ মাজত এটি সৰু গণেশৰ মূৰ্তি আৰু লতা আদি অন্য নক্সা খোদিত। এই মন্দিৰ আনুমানিক দশম শতিকাত নিৰ্মাণ কৰা হৈছিল।

**সূৰ্যমন্দিৰ**

দ্বিতীয় ভাগৰ শিলৰ ভাস্কৰ্যই একালত তাত এটা বৰ ডাঙৰ আৰু ওখ মন্দিৰ থকা সম্ভেদ দিয়ে। এই মন্দিৰলৈ সোমোৱা প্ৰধান দুৱাৰৰ ওপৰফালৰ আৰু দুকাষৰ শিলৰ আয়তনৰপৰাই এই মন্দিৰযে প্ৰকাণ্ড আছিল তাক বুজিব পাৰি। এই সিলবোৰ দৰং ক্লাবৰ সম্মুখত আছে। ওপৰৰ শিলচটা দীঘলে ১০ ফুট ৩ ইঞ্চি। শিলচটাৰ তিনিটা ভাগ আৰু প্ৰত্যেক ভাগতে তিনিটাকৈ কুলঙ্গি আছে। বাঁওফালে মাজত থিয় হৈ থকা ব্ৰহ্মাৰ মূৰ্তি; মাজভাগত সূৰ্যৰ মূৰ্তি আৰু সোঁফালে থিয় হৈ থকা শিৱৰ মূৰ্তি আছে। ব্ৰহ্মাৰ মুখত দীঘল দাড়ি আৰু মূৰত টুপী আৰু দুয়ো কাষে দুটা নাৰীমূৰ্তি (সম্ভৱতঃ সৰস্বতী আৰু সাবিত্ৰী)। সূৰ্যৰ দুয়োকাষে দুটা নৰমূৰ্তি থিয় দি থকা অৱস্থাত আছে। এই শিলচটা আনুমানিক খ্ৰীষ্টাব্দৰ অষ্টম শতিকাত বা তাৰ আগেয়ে কটা। ওপৰৰ শিলচটাৰ মাজত সূৰ্যৰ মূৰ্তি থকাৰ বাবে অনুমান হয় যে এই মন্দিৰ সূৰ্যমন্দিৰ আছিল। দুৱাৰৰ তলফালৰ শিলচটা ডাঙৰ। ইয়াৰ মাজভাগত এটা প্ৰকাণ্ড পাত্ৰ আৰু তাৰ দুকাষে বহি থকা সিংহৰ মূৰ্তি আছে। ইয়াৰ দুয়োমূৰে নৰ-নাৰীৰ মূৰ্তি কটা আছে। আৰ্. ডি. বেনাৰ্জীয়ে এই মন্দিৰৰ শিখৰ অন্ততঃ ১০০ ফুট ওখ আছিল বুলি অনুমান কৰে।

ক'ল পাৰ্কত বৰ্তমান সজাই থোৱা বেছিভাগ শিলেই মন্দিৰৰ ভেটি আৰু চাৰিওকাষৰ প্ৰাচীৰ অংশ। এই শিলবোৰত নানা লতা আৰু ফুল কটা আছে। কিছুমানৰ মাজভাগ আগলৈ ওলোৱা আৰু তাত দেৱতাৰ মূৰ্তি আছে। শিলৰ স্তম্ভৰ ওপৰভাগৰ

কিছুমান অংশও পোৱা যায়। ইয়াতো বিভিন্ন মূৰ্তি কটা আছে। ইয়াৰ ভিতৰত বীণাবাদিনী সৰস্বতী, গজলক্ষ্মী বা কমলেকামিনী আৰু বহি থকা শিৱ-দুৰ্গাৰ মূৰ্তি উল্লেখযোগ্য। ভেটিৰ ওপৰৰ অংশৰ এচাটা শিলত বিভিন্ন বাদ্যযন্ত্ৰ বজাই থকা আৰু নৃত্যৰত নৰ-নাৰীৰ মূৰ্তি আছে। বাদ্যৰ ভিতৰত বাঁহী, ঢোল, শঙ্খ আৰু বীণ আছে। কিছুমান শিলত জ্যামিতিক নক্সা কটা। কিছুমান চাৰিচুকীয়া শিলত পদুম ফুল কটা আছে। এচটা দীঘল শিলত বিষ্ণুৰ বিভিন্ন অৱতাৰ মৎস্য, কূৰ্ম, বৰাহ, পৰশুৰাম আদিৰ মূৰ্তিৰ নক্সাও আছে। এই শিলবোৰ দ্বাদশ শতিকাৰ।

ওপৰত উল্লেখ কৰা মন্দিৰতকৈ পাছত নিৰ্মাণ কৰা আন এটা মন্দিৰৰ ভগ্নাৱশেষো ইয়াত পোৱা গৈছে। এই মন্দিৰৰ মাথোন দুচটা শিলহে পোৱা গৈছে। দুয়োচটা শিল দুৱাৰৰ কাষৰ স্তম্ভ। ইয়াৰ বাহিৰেও অন্যান্য শিলৰ ভিতৰত এচটা গোলাকাৰ শিলত হাতীৰ পিঠিত উঠি থকা সিংহৰ মূৰ্তি উল্লেখযোগ্য।

গতিকে দেখা যায় যে ৮ম শতিকাৰপৰা ১২ শতিকাৰ ভিতৰত ইয়াত অন্ততঃ তিনিটা প্ৰধান মন্দিৰ নিৰ্মাণ কৰা হৈছিল।

কনকলাল বৰুৱাৰ মতে কাছাৰীঘৰৰ চৌহদৰ শিলবোৰ সম্ভৱতঃ ৯ম শতিকাত বনমালদেৱবৰ্মাদেৱে (আঃ ৮৩৫-৮৬৫) সজোৱা ৰাজঅট্টালিকাৰ ভগ্নাৱশেষ। বনমালদেৱৰ তামৰ ফলিত উল্লেখ আছে যে তেওঁ হাৰুপ্পেশ্বৰৰ (হাটপ্পেশ্বৰ) ভাগি যোৱা হিমালয়সদৃশ হাটকশূলী শিৱৰ মন্দিৰ পুনৰ্নিৰ্মাণ কৰাইছিল। আৰু মন্দিৰৰ বাবে গাঁও, হাতী আৰু দেৱদাসী দিছিল। ওপৰত উল্লেখ কৰা সূৰ্যমন্দিৰেই সেই মন্দিৰ হ'ব পাৰে বুলি বৰুৱাই অনুমান কৰে। হাৰুপ্পেশ্বৰ বা হাটপ্পেশ্বৰ নগৰ বৰ্তমান তেজপুৰ নগৰতেই আছিল বুলি কোৱা হয়।

**বামুণীপাহাৰ**

বামুণীপাহাৰ তেজপুৰৰ প্ৰায় এমাইল পূবে ব্ৰহ্মপুত্ৰৰ দাঁতিৰ এটা সৰু টিলা। গোটেই টিলাটো শিলেৰে ভৰা। প্ৰাত্নতাত্ত্বিকসকলৰ মতে ইয়াত থকা মন্দিৰৰ ভগ্নাৱশেষ আৰু আন আন ভাস্কৰ্যসমূহ ৮ম-৯ম শতিকাৰ। আৰ্. ডি. বেনাৰ্জীৰমতে ইয়াত সাতোটা মন্দিৰ আছিল। তেওঁৰ মতে আয়তাকাৰ চাৰিসীমাৰ ভিতৰত ছটা মন্দিৰ আছিল আৰু আনটো আছিল পূবফালে। ভিতৰপিনে চাৰিওকোণে চাৰিটা আৰু মাজত দুটা ডাঙৰ মন্দিৰ আছিল। ডাঙৰ মন্দিৰ দুটাৰ গৰ্ভগৃহৰ ভিতৰৰ বাট এতিয়াও একেদৰেই আছে। ডাঙৰ মন্দিৰটো উত্তৰ পিনে মুখ কৰি আছিল। মন্দিৰবোৰ বিষ্ণু, শিৱ আদি বেলেগ বেলেগ দেৱতাৰ আছিল। ইয়াত মন্দিৰলৈ উঠি যোৱা গোলাকাৰ ছিৰি, দুৱাৰ খিৰিকিৰ খুটা আৰু ওপৰফালৰ পথালি শিল আৰু ঘৰৰ আন আন অংশৰ শিলৰ টুকুৰা আছে। জীৱ-জন্তুৰ মূৰো কেইটামান দেখিবলৈ পোৱা যায়। ডেৰফুট ডাঠ আৰু ২০ৰপৰা ৩০ ফুটলৈকে চাৰিকুৰীয়া কিছুমান শিলৰ চটা আছে। এইবোৰ সম্ভৱতঃ বেদী আছিল আৰু

মাজত শিৱলিঙ্গ স্থাপন কৰা হৈছিল। ইয়াৰপৰা ইয়াৰ মন্দিৰসমূহ শিৱমন্দিৰ আছিল যেন বুলি ধৰিব পাৰি।

ইয়াৰ শিলৰ ভিতৰত উল্লেখযোগ্য হ'ল শৃঙ্গযুক্ত কীৰ্তিমুখেৰে দুৱাৰৰ ওপৰৰ শিলচটা, ফুলকটা আৰু সৰু সৰু মন্দিৰৰ নক্সাৰে দুৱাৰৰ খুটা, মানুহৰ মূৰ্তি আৰু অন্য নক্সাকটা দুৱাৰ-খিৰিকি আৰু আন আন অংশ। এচটা দীঘলীয়া শিলত নৰসিংহ, পৰশুৰাম, বলৰাম, বৰাহ আৰু ৰামৰ মূৰ্তি কটা আছে। ইয়াৰ বাহিৰেও বহুত শিলত নানা ফুল-লতা আৰু নৰমূৰ্তি কটা। জন্তুৰ ভিতৰত হাতীৰ ওপৰত উঠি থকা সিংহ, বাঘ আৰু ঘৰিয়ালৰ মূৰ্তি উল্লেখযোগ্য। ঘৰিয়ালৰ মুখেদি সম্ভৱতঃ পানী ওলোৱাৰ ব্যৱস্থা আছিল। শিলৰ মাজত দুফুট এক ইঞ্চি ওখ ছখন হাতেৰে নটৰাজৰ মূৰ্তি আৰু ক'লা শিলত কটা দুৰ্গাৰ মূৰ্তি পোৱা গৈছিল। সৰু গণেশৰ মূৰ্তি, ষড়্ভূজা নৃমুণ্ডমালিনী, চতুৰ্ভুজ নৃসিংহ আৰু আন আন মূৰ্তিও এতিয়া দেখিবলৈ পোৱা যায়। এই টিলাৰ মন্দিৰবোৰ ভূমিকম্প বা না কোনো কাৰণত হঠাতে ভাগি যোৱা যেন অনুমান হয়।

*দ পৰ্বতীয়া*

তেজপুৰ নগৰৰ তিনি মাইল পশ্চিমে দ পৰ্বতীয়াত অসমৰ আটাইতকৈ পুৰণি স্থাপত্য আৰু ভাস্কৰ্যৰ নিদৰ্শন পোৱা যায়। ইয়াৰ ভগ্নাৱশেষৰ ভিতৰত এটা আহোম যুগৰ শিল আৰু ইটাৰে নিৰ্মিত শিৱমন্দিৰ আৰু প্ৰাচীন কালৰ এটা শিলৰ মন্দিৰ পোৱা যায়। ইটাৰ শিৱমন্দিৰ ১৮৯৭ চনৰ বৰভুঁইকঁপত ভাগি পৰে আৰু তেতিয়াই পুৰণি শিলৰ মন্দিৰৰ ভগ্নাৱশেষ পোৱা যায়। আগৰ মন্দিৰৰ ভগ্নাৱশেষৰ ভিতৰত শিলৰ দুৱাৰ এখনেই প্ৰধান। প্ৰাত্নতাত্ত্বিকসকলৰ মতে এই শিলৰ দুৱাৰৰ ভাস্কৰ্য পঞ্চম-ষষ্ঠ শতিকাৰ আৰু সেই কালৰ এয়েই একমাত্ৰ নিদৰ্শন। ভগ্নাৱশেষৰপৰা ইয়াত শিৱ আৰু বিষ্ণুৰ মন্দিৰ আছিল বুলি অনুমান কৰা হয়।

শিলৰ দুৱাৰখন মাজত কুণ্ড থকা এচটা ডাঙৰ শিলৰ সম্মুখত অৱস্থিত। সম্ভৱতঃ ইয়াত এটা শিলচটা শিৱমন্দিৰৰ বেদী আছিল। কুণ্ডৰপৰা পানী ওলাই যোৱা এটা শিলৰ নলাও আছে। মন্দিৰৰ ভিতৰফালে দীগে প্ৰায় ১১ ফুট আৰু বহলে প্ৰায় ১০ ফুট আছিল। পুৰণি শিলৰ মন্দিৰৰ ঠাইতে পাছৰ যুগৰ ইটাৰে সজা হৈছিল।

এই শিলৰ দুৱাৰৰ আদিগুপ্ত যুগৰ ভাস্কৰ্যৰ নিদৰ্শন। দুৱাৰৰ স্তম্ভ দুটা আৰু ওপৰত পথালিকৈ দিয়া শিলচটা মূৰ্তি আৰু ফুল কটা আছে। ইয়াৰ মূৰ্তিবোৰ খোদাই কৰা নহয়, বাহিৰলৈ ওলোৱা। স্তম্ভ দুটা দীঘলে ৫ ফুট ৩ ইঞ্চি আৰু বহলে ১ ফুট ৪ ইঞ্চি। ওপৰৰ শিলচটা দীঘলৈ ৫ ফুট ৯ ইঞ্চি আৰু বহলে ১ ফুট ৩ ইঞ্চি। স্তম্ভ দুটাৰ তলৰ পিনে হাতত মালা লৈ গঙ্গা আৰু যমুনাৰ মূৰ্তি আছে। যমুনাৰ সোঁহাতে তলত দুটা নাৰীমূৰ্তি, এজনী নাৰী থিয় হৈ থকা চামৰধাৰিণী, আৰু আনজনী ফুলৰ পাত্ৰ পাত্ৰ লৈ আঁঠু কাঢ়ি থকা অৱস্থাৰ। আনহাতে চামৰধাৰিণী আন এটা নাৰীমূৰ্তি। যমুনাৰ জ্যোতিৰ্মণ্ডলৰ বাঁওপিনে

দুটা উৰি যোৱা হাঁহ আৰু সোঁফালে আঁঠু কাঢ়ি থকা নাগৰী মূৰ্তি আছে। গঙ্গাৰ কাষতো দুয়োপিনে দুটা নাৰীমূৰ্তি, বাঁওপিনে নাগী আৰু সোঁপিনে দুটা হাঁহৰ মূৰ্তি আছে। স্তম্ভ দুটাৰ ওপৰৰ অংস দীঘলীয়াকৈ চাৰি ভাগত ভগোৱা। নাগীৰ শিৰৰপৰা আৰম্ভ হোৱা প্ৰথম ভাগটোত বগাই যোৱা ধুনীয়া পাতেৰে সৈতে লতা কটা, দ্বিতীয় ভাগত পদুমৰ পাত আৰু আন আন ফুল কটা, তৃতীয় ভাগত চাৰিটা নৰমূৰ্তি আৰু চতুৰ্থ ভাগত অকল ফুল কটা আছে। ওপৰৰ পথালি শিলচটা দুয়োমূৰে স্তম্ভতকৈ কিছু বাহিৰলৈ ওলোৱা। ইয়াৰ মাজভাগত হাতত মালা লৈ উৰি যোৱা এটা গৰুড়ৰ মূৰ্তি আৰু দুয়োমূৰে দুটা আন মূৰ্তি আছে। ওপৰ ভাগত লানিকৈ পাঁচোটা ভাগত পাঁচোটা মূৰ্তি। সেইবোৰ ক্ৰম (১) চাৰিখন হাতৰ আৰু বাঁওহাতে ডম্বৰু লৈ থকা নৰমূৰ্তি (শিৱ), (২) ঘোঁৰাৰ দৰে মুখৰ আঁঠু কাঢ়ি থকা নৰমূৰ্তি, (৩) ভৰিত ৰচিৰে বন্ধা অৱস্থাত বহি থকা লকুশীল শিৱ। শিৱৰ কাষত এটি নাৰীমূৰ্তিয়ে এটা পাত্ৰ আগবঢ়াই দিছে আৰু সোঁফালে থিয় হৈ থকা আন এটি নাৰীমূৰ্তি আছে। (৪) বাঁহী বজাই থকা নৰমূৰ্তি (কৃষ্ণ) আৰু (৫) দুহাতে পদুম লৈ বহি থকা সূৰ্যৰ মূৰ্তি। সূৰ্যৰ এফালে হাতত কাপ-মৈলাম লৈ থকা এটা নৰমূৰ্তি আৰু আনফালে আন এটা নৰমূৰ্তি।

দ পৰ্বতীয়াৰ কেইবাঠাইতো আন আন শিলৰ মূৰ্তি আছে। ইয়াৰ ভিতৰত বিষ্ণু, ভৈৰব আৰু হৰ-গৌৰীৰ মূৰ্তিয়েই প্ৰধান।

### মহাভৈৰৱ মন্দিৰ

তেজপুৰ নগৰৰ উত্তৰে নগৰৰ সীমাতে মহাভৈৰৱ মন্দিৰ অৱস্থিত। প্ৰৱাদমতে ইয়াৰ লিঙ্গ বাণ ৰজাই স্থাপন কৰিছিল। অসমত হেনো বাণ ৰজায়েই প্ৰথমে লিঙ্গ-পূজাৰ প্ৰচলন কৰিছিল। বাণ ৰজাই ৰাজধানীৰপৰা অগ্নিগড়লৈ অহাৰ বাটত প্ৰত্যেক দুমাইল আঁতৰে আঁতৰে একোটাকৈ শিৱ-মন্দিৰ নিৰ্মাণ কৰাইছিল। এতিয়াও তেজপুৰ অঞ্চলত শিৱমন্দিৰৰ সংখ্যাই সৰহ। মহাভৈৰৱত অতীজতে শিলৰ মন্দিৰ আছিল। বৰ্তমানৰ মন্দিৰ পুৰণি মন্দিৰৰ ঠাইতে সজা। কেইবছৰমান আগতে মন্দিৰৰ সোঁফালে আৰু এটি শিৱলিঙ্গ পোৱা গৈছিল। মন্দিৰৰ চাৰিওপিনে বহুতো ভগা শিল পৰি আছে। সম্ভৱতঃ এই মন্দিৰক কেন্দ্ৰ কৰি ইয়াত আন আৰু কেইবাটাও মন্দিৰ আছিল। মহাভৈৰৱত নিতৌজি পূজা হয় আৰু আজিকালি শিৱৰাত্ৰিত ইয়াত মেলা বহে। এই দেৱালয়ৰ নিষ্পিখেৰাজ মাটিৰ পৰিমাণ ১৫৯/৩ লোচা।

### ভৈৰবী মন্দিৰ

বামুণীপাহাৰৰ কিছু পূবে ব্ৰহ্মপুত্ৰৰ পাৰত এটা সৰু টিলাৰ ওপৰত ভৈৰবী মন্দিৰ অৱস্থিত। প্ৰৱাদমতে ইয়াত উষাই দেৱী-আৰাধনা কৰিছিল। এই মন্দিৰ কোনে কেতিয়া সজাইছিল জনা নাযায়। বৰ্তমান ইয়াত টিন-পাতেৰে সজা মন্দিৰহে আছে। পাহাৰৰ ওপৰত পুৰণিকলীয়া ইটা আৰু ভগা শিল কেতবোৰ আছে। ইয়াৰ লগৰে পশ্চিম ফালৰ

টিলাটোতো বহুত শিল আছে। এসময়ত ইয়াতো মন্দিৰ আছিল যেন অনুমান হয়। মন্দিৰৰপৰা দক্ষিণপিনে ব্ৰহ্মপুত্ৰলৈ নামি যোৱা শিলৰ খটখটি আছে। ভৈৰবীৰপৰা বামুণীপাহাৰলৈকে ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এলানি টিলা আছে। এই সকলোবোৰতে কম-বেছি পৰিমাণে ভগা ইটা আৰু শিল পোৱা যায়।

এই মন্দিৰৰ পূবেদি এসময়ত ভৈৰবী বা ভৰলী নদী বৈ গৈছিল। ভৰলী নদীৰ উৎপত্তিৰ বিষয়ে এটি আখ্যান আছে। এইমতে ভৈৰবীৰ চাৰি মাইল পূবে থকা ভোমোৰাগুৰি পৰ্বতৰ ওপৰত চ্যৱন মুনিৰ আশ্ৰম আছিল। এদিন মুনিয়ে আশ্ৰমৰ ওচৰতে কেঁচুৱাৰ কান্দোন শুনি গৈ অকণমান ছোৱালী এজনী পায়। তেওঁ ছোৱালীজনীৰ নাম কন্যকা ৰাখিলে আৰু আশ্ৰমৰ নামো তেতিয়াৰপৰা কন্যকাশ্ৰম হ'ল। কন্যকা ডাঙৰ হ'লত মুনিৰ কথামতে মহাদেৱক পতি হিচাপে পাবলৈ হিমালয়ৰ নন্দী পৰ্বতত কঠোৰ তপস্যা কৰিলেগৈ। তপস্যাত সন্তুষ্ট হৈ মহাদেৱে কি লাগে বুলি সুধিলত না ই মনৰ কথা ক'লে। মহাদেৱে তেতিয়া ক'লে যে তেওঁৰ অৰ্ধশৰীৰ গৌৰীয়ে অধিকাৰ কৰি আছে। দুয়োজন লগ লাগিহে এক। মহাদেৱে কন্যকাক গৌৰীৰ ওচৰলৈ পঠালে। কন্যকাৰ কথা শুনি গৌৰী বিমোৰত পৰিল আৰু শেষত ক'লে যে অগ্যতাই যদি কন্যকাই মহাদেৱক পতি হিচাপে পাবলৈ বিচাৰে তেন্তে কন্যকাই পোনতে ভৈৰবী হৈ কান্দি কান্দি দেহ গলাই পানী কৰি মহাদেৱৰ চৰণ চুই যদি গৌৰীত লীন হ'ব পাৰে তেনেহ'লে গৌৰীৰ যোগেদি মহাদেৱক পাব পাৰিব। সেইমতে কন্যকা ভৈৰবী হ'ল আৰু কান্দি কান্দি দেহ গলাই পানী হৈ পৰ্বতৰপৰা নামি আহিল। ভৈৰবী বা ভৰলী নৈ এতিয়াও সুঁতি সলাই তেজপুৰৰপৰা ক্ৰমে পূবলৈ গৈ আছে। আনন্দচন্দ্ৰ আগৰৱালাৰ মতে "কালিকাপুৰাণ"ত উল্লিখিত হিমালয়ৰপৰা ওলোৱা ভট্টাৰিকা নৈ এই ভৈৰবী বা ভৰলী নৈয়েই। ভৈৰবীটিলাও উক্ত পুৰাণত উল্লিখিত দেৱীকূট পৰিছিল। ভৈৰবীৰ নাম মহাভাগা আৰু এই দেবালয় এখন মহাপীঠ। দুৰ্গাপূজাৰ সময়ত ভৈৰবীত দৈনিক পূজা হয় আৰু যথেষ্ট যাত্ৰীৰ সমাগম হয়। ইয়াত বলি দিয়া প্ৰথম ছাগলিৰ মূৰ ভৰলীত উটাই দিয়া হয়। বৰ্তমানে ভৰলীৰ পূবলৈ প্ৰায় আঠ মাইলমান আঁতৰেদি ব্ৰহ্মপুত্ৰত পৰিছে যদিও ভৈৰবীৰ কাষেদি যোৱা ব্ৰহ্মপুত্ৰৰ পানীধাৰাক ভৰলীৰ পানী বুলি জ্ঞান কৰা হয়। এই দেবালয়ৰ আহোম ৰজাই দিয়া নিষ্পিখেৰাজ মাটিৰ পৰিমাণ ৮৬৪ বিঘা।[১]

**নৰবলি আৰু বান্দৰদোৱা পৰ্বত**

ভৈৰবীৰ অলপ পূবলৈ ব্ৰহ্মপুত্ৰৰ পাৰত থকা এটা সৰু টিলাৰ নাম নৰবলি বা মানুহকটা পাহাৰ। এই টিলাৰ ওপৰতো পুৰণি শিলৰ মন্দিৰৰ ধ্বংসাৱশেষ আছে।

---

১ এই দেবালয়ত আগেয়ে ভৈৰবী দেৱীৰ অৰ্থে নৰবলি দিছিল। আহোম ৰজাই দান কৰা ৯৮০ বিঘা মাটি এই দেবালয়ৰ নামত আছে। স.ৰা.

প্ৰবাদমতে ইয়াত এসময়ত মানুহ বলি দিয়া হৈছিল। ইয়াৰপৰা কিছু পূবত বান্দৰদোৱা নামৰ আন এটা সৰু টিলা আছে। ইয়াত হেনো বান্দৰ বলি দিয়া হৈছিল। বৰ্তমান ব্ৰহ্মপুত্ৰই এই টিলাৰ কিছু খহাইছে।

**কন্যাকাশ্ৰম বা কন্যাশ্ৰম**

কন্যাকাশ্ৰমৰ কথা আগতে কৈ অহা হৈছে। ভোমোৰাগুৰি পৰ্বতৰপৰা দুইমুনি শিলালৈকে (শিলঘাটৰ ওচৰত) এই অঞ্চলক কন্যাশ্ৰম বোলা হৈছিল, ইয়াতে চ্যৱন মুনিৰ আশ্ৰম আছিল আৰু তেওঁ এই আশ্ৰমতে জন্ম হোৱা সোম আৰু পুলোমাৰ জীয়েকক চ্যৱন মুনিয়ে তুলিতালি ডাঙৰ কৰিছিল। ভোমোৰাগুৰিৰ পূবে কন্যকা নামেৰে এখন প্ৰসিদ্ধ গাঁও আছিল, কিন্তু ভৰলী নদীয়ে সেই গাঁও ভাঙে। কন্যাশ্ৰম মহাক্ষেত্ৰ আৰু ৰুদ্ৰপদ তীৰ্থ ইয়াৰ ভিতৰতে। ব্ৰহ্মপুত্ৰৰ ওপৰত কাঠৰ দলং দিবলৈ কলীয়াভোমোৰা বৰফুকনে (১৭৯৫-১৮১০) ভোমোৰুগুৰিত বহুতো কাঠ গোটাইছিল। এই শালৰ খুটা ৫০ বছৰৰ আগলৈকে দেখা বুলি মানুহে কয়। ভোমোৰাগুৰিৰপৰা ব্ৰহ্মপুত্ৰৰ পাৰদি তেজপুৰৰ পিনে এটা উত্তৰৰ পিনে আন এটা গড় দেখা যায়। পাছৰটো গড়ক চামধৰা গড় বোলে আৰু সম্ভৱতঃ স্বৰ্গদেৱ প্ৰতাপসিংহৰ দিনৰ (১৬০৩-৪১)।

**ৰুদ্ৰপদ দেৱালয়**

ভোমোৰাগুৰি পৰ্বতত ৰুদ্ৰপদ দেৱালয় অৱস্থিত। পৰ্বতৰ পূবকোণত ব্ৰহ্মপুত্ৰৰ মাজত বহুতো শিল আছে। বাৰিষা ইয়ালৈ যাব নোৱাৰি। ইয়াৰ মাজৰ এচটা শিলত ৰুদ্ৰৰ বাঁওভৰিৰ খোজৰ চিন আছে। ই কন্যাশ্ৰমৰ অন্তৰ্গত আৰু ৰুদ্ৰৰ ভৰিৰ চিন থকাৰ বাবে ই মহাক্ষেত্ৰ। ইয়াতেই হেনো মহাদেৱে বাণক দেখা দিছিল। খৰালি নাৱেৰে গৈ পূজাৰিয়ে পূজা দিয়ে। ই এসময়ত ভৰলীৰ পূব পাৰে আছিল, এতিয়া পশ্চিম পাৰত। শিৱসিংহই জিলাৰ গেজেটিয়াৰমতে ১৭৩০ চনত ৰুদ্ৰপদ মন্দিৰ সজাইছিল। এতিয়া সেই মন্দিৰ নাই, নৈয়ে খহাই নিলে। পৰ্বতৰ ওপৰতো মন্দিৰ থকাৰ চিন আছে। এই দেৱালয়ৰ নাম বৰভগীয়া মৌজাত ৰজাদিনীয়া ৩০১ বিঘা (৩০৬৯?) নিষ্পিখেৰাজ মাটি আছে।[২]

**গণেশঘাট**

তেজপুৰ নগৰত ব্ৰহ্মপুত্ৰৰ পাৰত শিলত কটা এটি গণেশ-মূৰ্তি আছে। মূৰ্তিৰ ওপৰত মিউনিচিপেলিটিয়ে এটা টিনৰ ঘৰ সাজি দিছে। গণেশ নাম অনুসৰি ব্ৰহ্মপুত্ৰৰ এই ঘাটৰ নাম গণেশঘাট হৈছে। মূৰ্তি ওখই তিনিফুট মান, ৯ম-১০ম শতিকাৰ।

২ ভোমোৰাগুৰি পৰ্বতৰ উত্তৰ-পূব কোণত ১৯৪৫ চনত ৩ ফুট ৯ ইঞ্চি ওখ, ১৪ ইঞ্চি বহল আৰু ৯ ইঞ্চি ডাঠ এচটা শিল পুতি থোৱা অৱস্থাত পাওঁ। এই শিলচটাৰ সন্মুখৰফালে তেৰশাৰী আৰু সোঁফালে কাৰত ছশাৰী অসমীয়া আখৰ লিখা আছে আৰু পাছফালৰ মূৰত এটা পদ্ম কটা আছে। আখৰবিলাক প্ৰায় ১।। ইঞ্চিমান ডাঙৰ হ'ব। দুখৰ বিষয় আখৰবিলাক পঢ়িব পৰা নগ'ল। স.বা.

### ভৈৰৱপদ দেৱালয়

নগৰৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ পাৰত ভৈৰৱপুৰ মৌজাৰ হাজাৰপাৰ ডেকাৰ গাঁৱৰ ঔগুৰি পৰ্বতত ভৈৰৱপদ দেৱালয় অৱস্থিত। ইয়াত শিলৰ কুণ্ডৰ ভিতৰত শিৱৰ সোঁ ভৰিৰ খোজৰ চিন আছে। এই খোজকে ভৈৰৱপদ বোলা হয়। এসময়ত ইয়াত শিল আৰু ইটাৰ মন্দিৰ আছিল যেন অনুমান হয়। ভগা ইটা আৰু শিল পৰি আছে। বৰ্তমান টিনপাতৰ মন্দিৰ আছে। দেৱালয়ৰ নামত আহোম ৰজাই দিয়া নিষ্পিখেৰাজ মাটি আছে।

### তিঙ্গেশ্বৰ দেৱালয়

এই দেৱালয়ো ঔগুৰি পৰ্বততে। ভগদত্ত বংশীয় তিঙ্গ্যদেৱ ৰজাই তিঙ্গেশ্বৰ শিৱৰ মন্দিৰ সজাইছিল বুলি কোৱা হয়। মন্দিৰৰ বেৰ আৰু তলভাগ শিলৰ আহোম ৰজাই দান দিয়া ৩৩।৪ নিষ্পিখেৰাজ মাটি এই দেৱালয়ৰ নামত আছে। ঔগুৰিৰ কিছু উত্তৰলৈ নামনিত এটি শিৱলিঙ্গ আছে। ইয়াত থকা ভঙা ইটা আৰু শিলৰপৰা এসময়ত ইয়াতো মন্দিৰ আছিল যেন অনুমান হয়।

### ধেনুখনা পৰ্বত

ঔগুৰিৰ ওচৰৰে আন এটা টিলাৰ নাম ধেনুখনা। ইয়াত শিলত কটা গণেশৰ মূৰ্তি আছে। পৰ্বতৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ পাৰত হৰ্জ্জৰবৰ্মাৰ (আনুমানিক ৮১৫-৮৩৫) বিখ্যাত নশৰীয়া শিলালিপি আছে। এই শিলালিপি ৫১০ গুপ্তাব্দ বা ৮২০-৩০ খ্ৰীষ্টাব্দৰ। হৰ্জৰবৰ্মাই খন্দোৱা হৰ্জৰা বা হজৰাপুখুৰী তেজপুৰ নগৰৰ উত্তৰ-পশ্চিম সীমাত। নৱম শতিকাৰ এই পুখুৰীৰ মাজত বৰ্তমানে চৰকাৰী মীনক্ষেত্ৰ আৰু খেল-পথাৰ হ'বলৈ ধৰিছে। পুখুৰীৰ অলপ আঁতৰতে কিছুমান শিল, শিলৰ স্তম্ভ আদিয়ে ইয়াত এসময়ত শিলৰ মন্দিৰ থকাৰ সম্ভেদ দিয়ে।

### হেন্দুলেশ্বৰ-দেৱালয়

ভৈৰৱপদ মৌজাত। এই দেৱালয় কোনে নিৰ্মাণ কৰিছিল জনা নাযায়। প্ৰাচীন মন্দিৰ নাই। এই দেৱালয়ৰ নামত ১০২৯/১২ নিষ্পিখেৰাজ মাটি আছে।

### কেতেকীবাৰী

নগৰৰপৰা তিনি মাইল উত্তৰে কেতেকীবাৰী গাঁৱত প্ৰায় ১২ ফুট দীঘল আৰু ছফুট বেৰৰ পঞ্চমুখী শিৱলিঙ্গ আছে। যোনি-পীঠৰপৰা শিৱলিঙ্গ আঁতৰত পৰি আছে। এই ঠাইত পূৰ্বতে শিলৰ মন্দিৰ আছিল যেন অনুমান হয়। ইয়াত বনমালবৰ্মাদেৱে নতুনকৈ সজা হাটপেশ্বৰ মন্দিৰৰ ধ্বংসাৱশেষ বুলিও বহুতে কয়।[১]

---

১ বনমালীদেৱৰ চৰিতত আছে বনমালীদেৱক স্বপ্নত অনুৰোধ কৰামতে তেওঁ এটা পুখুৰীত থকা হলেশ্বৰক দেখা পায়গৈ, কিন্তু শিৱমূৰ্তি দেখি 'হৰি-বুদ্ধি কৰি' "নমো নমো লক্ষ্মীপতি ভগৱন্ত দেৱ" বুলি নমস্কাৰ জনাই ঘূৰি আহিল। ম.নে.
এই মন্দিৰত আহোম ৰজাই দিয়া ৮৫৪/৭ লোচা নিষ্পিখেৰাজ মাটি আছে। স.বা.

**হলেশ্বৰ-দেৱালয়**

নগৰৰপৰা ছমাইলমান উত্তৰে ট্ৰাঙ্ক ৰোডৰ কাষতে এই দেৱালয় অৱস্থিত। ইয়াৰ মন্দিৰ ১৭০৫ চনত স্বৰ্গদেৱ ৰুদ্ৰসিংহই সজাইছিল। মন্দিৰ এতিয়া নাই। মন্দিৰ থকা ঠাইত হাল বাওঁতে হালত লাগি এজনা শিৱলিঙ্গ ওলাইছিল আৰু লিঙ্গ ওলোৱা ঠাইতে মন্দিৰ সজোৱা হৈছিল। হলকৰ্ষণত ওলোৱা বাবে ইয়াৰ নাম হলেশ্বৰ হয় বুলি কয়। ইয়াত শিলত কটা গনেশৰ মূৰ্তি এটি আছে। এই দেৱালয়ৰ নিষ্পিখেৰাজ ভূমিৰ পৰিমাণ ৯০২ বিঘা আছিল। ইয়াত নিতৌ পূজা হয় আৰু শিৱৰাত্ৰিৰ সময়ত যথেষ্ট যাত্ৰীৰ সমাগম হয়।

**শুক্ৰেশ্বৰ দেৱালয়**

হলেশ্বৰ মৌজাত শুক্ৰেশ্বৰ দেৱালয়। এই দেৱালয় কোনে স্থাপন কৰিছিল জনা নাযায়। এই দেৱালয়ৰ নামত আহোম ৰজাই দান দিয়া ৭১৯/১৯ নিষ্পিখেৰাজ মাটি আছে। হলেশ্বৰৰ পূবে বৰ্তমান শালনি এৰোড্ৰোমৰ কাষত এটি দেৱীমন্দিৰো আছে। হলেশ্বৰৰ পশ্চিমে বৰপুখুৰী নামে এটা পুখুৰী আছে। এই পুখুৰীৰ দক্ষিণ পাৰে শিলত কটা ডাণ্ডৱ নৃত্যৰত গণেশৰ মূৰ্তি এটি আছে। উত্তৰ পাৰতো এটি ব্ৰহ্মাৰ মূৰ্তি দেখিবলৈ পোৱা যায়। নৃত্যৰত গণেশৰ ওচৰতে দুটা বাদ্যযন্ত্ৰ হাতত লৈ থকা নৰমূৰ্তি আছে। ব্ৰহ্মামূৰ্তিৰ দুয়োকাষে বহি থকা দুটা নৰ-মূৰ্তি আৰু হাঁহ কটা আছে।[২]

**চাৰিদুৱাৰ**

চাৰিদুৱাৰত প্ৰাচীন কালৰ শিলৰ মন্দিৰৰ ধ্বংসাৱশেষ আছে। ইয়াত কোনে কেতিয়া মন্দিৰ সজাইছিল জনা নাযায়। ইয়াত শিলত কটা বিষ্ণুৰ মৎস্য আদি অৱতাৰ, দুৰ্গা, মহালক্ষ্মী, সৰস্বতী, বহি থকা গণেশৰ মূৰ্তি আৰু বংশীবাদন শ্ৰীকৃষ্ণৰ মূৰ্তি আছে। এইবোৰ ১২শ শতিকাৰ বা তাৰ আগৰ যেন অনুমান হয়। চাৰিদুৱাৰত বৰ্তমানে বুঢ়াগোসাঁইথান এখনি আছে।

**নন্দিকেশ্বৰ দেৱালয়**

চিলাবন্ধা মৌজাত জামুগুৰিৰপৰা প্ৰায় দুমাইল উত্তৰ-পশ্চিমে নন্দিকেশ্বৰ দেৱালয়। এই পীঠৰ দেৱী নন্দিনী, ভৈৰৱ নন্দিকেশ্বৰ। ১৬৯৭ চনত স্বৰ্গদেৱ ৰুদ্ৰসিংহই এই মন্দিৰ নিৰ্মাণ কৰাইছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনৰ ১৬২১ শকৰ মাঘত শ্ৰীবাগীশ

২ হলেশ্বৰ দেৱালয়ৰ অলপ পশ্চিমে গৰৈমাৰি বৰপুখুৰী গাঁৱত ৫৫৩ নং দাগত ৩৫.৫ লোচাৰ (পানী) বৰপুখুৰী নামে এটা পুখুৰী আৰু ৫৯৫ দাগত ৫.১৪ লোচাৰ (পানী) তামূলীপুখুৰী নামে এটা পুখুৰী আছে। তামূলীপুখুৰীৰ পাৰৰ কালি ৩/৭ লোচা (দাগ নং ৫৯৭)। ১৯৪৪ চনত বৰপুখুৰীৰ দক্ষিণ পাৰত শিলত কটা চতুৰ্ভুজ নৃত্যৰত থিয় হৈ থকা এখন ডাঙৰ গণেশ-মূৰ্তি আৰু উত্তৰ পাৰত শিলত কটা দ্বিভুজ বহি থকা এখন ব্ৰহ্মাৰ মূৰ্তি দেখা পাওঁ। দুয়োখন মূৰ্তিৰ কিছু অংশ ভগা। গণেশৰ মূৰ্তিৰ শুঁড়ৰ আগভাগ আৰু এখন বাঁও হাত আৰু ব্ৰহ্মা-মূৰ্তিৰ দুয়ো হাতৰ আগ নাই। স.বা.

ভট্টাচাৰ্যক মাটি আদি দান দিয়া তামৰ ফলি এখনো আছে। পূৰ্বৰ মন্দিৰ এতিয়া নাই। ভেটি আৰু তলখন শিলৰ। ইয়াত সদায় পূজা হয়। এই দেৱালয়ৰ নিস্পিখেৰাজ মাটিৰ পৰিমাণ ১০৯২ বিঘা। আদিতে এই মন্দিৰ প্ৰতাপপুৰৰ ৰজাই সজাইছিল বুলি কোৱা হয়।[৩]

## সৌভাগ্য মন্দিৰ

স্বৰ্গদেৱ ৰুদ্ৰসিংহই ১৭০৭ চনত এই মন্দিৰ নিৰ্মাণ কৰাইছিল। ইয়াত আগৰ এতিয়া মন্দিৰ নাই। ইয়াত মাধৱৰ মূৰ্তি আছে আৰু সদায় পূজা-সেৱা চলে। জামুগুৰিৰ কিছু উত্তৰে ট্ৰাঙ্ক ৰোডৰ কাযতে বৰভগীয়া মৌজাৰ মাধৱ গাঁৱত এই মন্দিৰ অৱস্থিত। এই দেৱালয়ৰ নিস্পিখেৰাজ মাটিৰ পৰিমাণ ৬৫৬/২।[৪]

## শুক্ৰেশ্বৰ

বৰভগীয়া মৌজাত, পূৰ্বৰ মন্দিৰ নাই আৰু ইয়াত কোনে স্থাপন কৰিছিল জনা নাযায়। ডিষ্ট্ৰিক্ট গেজেটিয়াৰৰ মতে এই দেৱালয়ৰ ৭ বিঘা নিস্পিখেৰাজ মাটি আছিল।

---

৩ চাউৰং ফুকনৰ হাতত থকা সাঁচিপতীয়া পুথি এখনিৰ মতে দ'লৰ জোখ "নন্দিকেশ্বৰ দৌলৰ জোখা — মেৰে ২১ হাত, গহ্বৰ ৪ হাত, বাৰ ডাছে ২ হাত, ওখকে দৌল মূধলৈ ৫ হাত, তাৰেপৰা চুলালৈ ১২ হাত। জগমোহন ঘৰটি দীৰ্ঘে ১০ হাত, পথালি ৮ হাত, বাৰ ডাঠে মূদে ৩ হাত, পাছেদি বাৰ ডাঠে ২ হাতকৈ।" ইয়াত সদায় পূজা সেৱা চলে। আহোম ৰজাই দান দিয়া মাটিৰ ভিতৰত বৰ্তমান এই দেৱালয়ৰ ১০৬৪ কঠা নিস্পিখেৰাজ মাটি আছে। ১৯৩৯ চনৰ আগতে নিজচিলাবন্ধা গাঁৱত বাস কৰা নন্দিকেশ্বৰ দেৱালয়ৰ বৰঠাকুৰৰ হাতত স্বৰ্গদেৱ ৰুদ্ৰসিংহই দিয়া তামৰ ফলিৰ নকল থকা কাগজ, শিৱসিংহৰ দিনত দেৱালয়ত দিয়া বস্তুৰ নাম থকা দুয়ো পিঠিয়ে অসমীয়া ভাষাত লিখা ৯১/৮x২১/৮ বৰ্গইঞ্চিৰ এখন তামৰ ফলি আৰু দুয়ো পিঠিয়ে আহোম ভাষাত লিখা ১১৫/৮ x ৭ বৰ্গইঞ্চিৰ এখন তামৰ ফলি পোৱা যায়। আহোম ভাষাৰ তামৰ ফলিখনত মূঠী লগোৱা আছে। আখৰবিলাক পঢ়িব পৰা হৈ আছে, যদিও আহোম ভাষা পঢ়িব নজনাৰ বাবে তাত কি আছে জানিব নোৱাৰিলো। স.ৰা.

প্ৰত্যেক বছৰে শিৱৰাত্ৰি, ফম্মুৎসৱ আদি সমাৰোহেৰে হয়। যোৱা দহ বছৰমানৰপৰা গোসাঁই বিহুৰ দিনা এখন মেলাও হ'বলৈ ধৰিছে (নতুন অসমীয়া কাকতত প্ৰকাশ।) ম.নে.

৪ সৌভাগ্যক্ৰমে দেৱালয়ৰ বৰঠাকুৰে জনাইছে, ৰুদ্ৰসিংহই দিয়া ১১৫২ বিঘা নিস্পিখেৰাজ আছে, পাইকন সূত্ৰে বায়তে খায়; বৰ্তমান ৩০০ ঘৰ পাইক আছে। দেৱালয়ৰ প্ৰতিষ্ঠাতা সৌভাগ্য কন্দলিয়ে স্বপ্ন দেখি ব্ৰহ্মপুত্ৰৰপৰা লাওখোলা এটাত উটি অহা মহাপ্ৰভুৰ চতুৰ্ভুজ মূৰ্তি পোনতে জামুগুৰিৰ প্ৰায় পোন্ধৰ মাইল দূৰত টুপীয়াত স্থাপন কৰে। ডফলাৰ উপদ্ৰৱত তাৰপৰা দহ মাইল উজাই মূঢ়াদলত, তাৰ পিছত বৰ্তমান ঠাই দেৱস্থানে পতা হয়। ডফলাৰ গামে বছৰি এখনি শৰাই দিয়া নিয়ম আছে। ইয়াত কৃষ্ণ বলৰাম সুভদ্ৰাৰ পূজা হয়। দৌল, ঝুলুচা-যাত্ৰা, জন্মাষ্টমী আদি পতা হয়। ম.নে.

**নাগশঙ্কৰ মন্দিৰ**

নাগশঙ্কৰ মৌজাত ট্ৰাঙ্ক ৰোডৰ ডেৰ ফাৰ্লংমান দক্ষিণে নাগশঙ্কৰ মন্দিৰ অৱস্থিত। নাগশঙ্কৰকে নাগাক্ষশঙ্কৰ বোলা হৈছিল। যোগিনীতন্ত্ৰৰ মতে নাগশঙ্কৰ থকা পৰম ক্ষেত্ৰৰ নাম একাম্ৰক। চতুৰ্থ শতিকাৰ শেষভাগত নৰশঙ্কৰ বা নাগাক্ষ ৰজাই এই মন্দিৰ স্থাপন কৰিছিল। এই ৰজাৰ ৰাজধানী আছিল ইয়াৰপৰা ছমাইল পূবৰ প্ৰতাপগড়ত। প্ৰতাপগড়ত এতিয়াও পুৰণি গড় এটা আছে। নাগাক্ষ লৌহিত্য বংশী ব্ৰাহ্মণ ৰজা আছিল। জিলাৰ গেজেটিয়াৰত এই দেৱালয় নাগমত্ত ৰজাই স্থাপন কৰিছিল। আৰিমত্তৰ নামেই নাগমত্ত আছিল বুলি কোৱা হয়। বিশ্বনাথত নতুনকৈ পতা কাশী বিচাৰি আহি এজনা লিঙ্গ কম পাই (বিশ্বনাথত ঊনকোটি শিৱলিঙ্গ থকাৰ বাবে দ্বিতীয় কাশী হ'ব নোৱাৰিলে) মনৰ বেজাৰত শুই পৰোঁতে শিৱৰ নাভিয়ে এই ঠাই (নাগশঙ্কৰ) চুইছিল। আগৰ মন্দিৰ ভাগি যোৱাত স্বৰ্গদেৱ চুচেনফাই ১৪৮০ চনত ইয়াত নতুনকৈ মন্দিৰ নিৰ্মাণ কৰাইছিল। ইয়াত আগৰ মন্দিৰ নাই। পুৰণি মন্দিৰৰ ইটা আৰু শিল কিছুমান এই ঠাইত আছে। মন্দিৰৰ কাষতে এটা পুখুৰী আছে। পুখুৰীৰ তলেদি মন্দিৰৰ গহ্বৰৰ লগত সংযোগ আছে। শিলৰ গহ্বৰৰ ভিতৰত পানীৰ তলত লিঙ্গ স্থাপিত আছে। ইয়াত দৈনিক পূজা হয় আৰু শিৱৰাত্ৰিৰ সময়তো যাত্ৰীৰ সমাগম হয়। অলপতে এই দেৱালয়ৰ ঘৰ-দুৱাৰ নতুনকৈ উন্নত ধৰণেৰে হৈছে। এই দেৱালয়ৰ নামত ৮৩৩ বিঘা লাখেৰাজ মাটি আছে।

**দুলালমাধৱ দেৱালয়**

এই দেৱালয় নাগশঙ্কৰ (আগতে চতিয়া) মৌজাত। এই মন্দিৰ কোনে কেতিয়া স্থাপন কৰিছিল জনা নাযায়। পূৰ্বৰ মন্দিৰো এতিয়া ইয়াত নাই। আহোম ৰজাই দান দিয়া এই দেৱালয় নামত ৭৯৯৬ নিষ্পিখেৰাজ মাটি আছে।

**বিশ্বনাথ-ক্ষেত্ৰ**

বিশ্বনাথক দ্বিতীয় কাশী বা গুপ্তকাশীও বোলা হয়। এই ক্ষেত্ৰত ঊনকোটি শিৱলিঙ্গ আছে। বিশ্বনাথৰ কাশী বাণৰজাই স্থাপন কৰিছিল বুলি কোৱা হয়। এই বিষয়ে যি আখ্যান আছে, সেইমতে শিৱভক্ত বাণৰ তপস্যাত সন্তুষ্ট হৈ ভক্তৰ আগত সদাশিৱই দেখা দিলে আৰু কি বৰ লাগে সুধিলে। বাণে পূবত এখন কাশীক্ষেত্ৰ নিৰ্মাণ কৰি শিৱক থাপিবলৈ বিচাৰিলে। "তথাস্তু" বুলি সদাশিৱ অন্তৰ্ধান হ'ল। বাণে এককোটি স্বয়ম্ভু শিৱলিঙ্গ আনি কন্যাশ্ৰমৰ কাষত স্থাপন কৰিলে। কিন্তু বাৰাণসীৰ বাহিৰে অন্য ঠাইত কাশীক্ষেত্ৰ হ'ব নোৱাৰে; সেই বাবে গণেশে তাৰো এজনা শিৱলিঙ্গ চুৰ কৰি লুকুৱাই থ'লে। বাণে এজনা লিঙ্গ নেদেখি গোটেইখন বিচাৰি নাপাই আকৌ সদাশিৱক আৰাধনা কৰিলে। এইবাৰ সদাশিৱই সাৰঙ্গগিৰিত থকা কুমুদ-কৌস্তুভ মুনিক সুধিবলৈ ক'লে। সেইমতে বাণ কুমুদ-কৌস্তুভ মুনিৰ ওচৰলৈ গৈ চিঞৰি চিঞৰি "কাশী ক'ত" বুলি

চিঞৰিলে চিঞৰি সুধিলেগৈ। দুই মুনি তপস্যাত আছিল। বাণৰ চিঞৰত তপস্যা ভাগিলত আমনি পাই উত্তৰ দিলে, "ইয়াত ক'ৰ কাশী আছে? পশ্চিমত বিচাৰাগৈ।" সদাশিৱয়ো চলনা কৰিছে হেন ভাবি খং আৰু বেজাৰত বাণে জুইত জাপ দি মৃত্যুবৰণ কৰিব খোজাত মহাদেৱে আকৌ দেখা দিলে আৰু বাণক জুইত জাপ দিয়াৰ কাৰণ সুধিলে। বাণে সকলো কথা বিবৰি কোৱাত মহাদেৱে ক'লে যে সেই মুনি দুজন সংযতচিত্ত নহয়। তেওঁলোক ব্ৰাহ্মণ নহয়, শিলহে। অভিশপ্ত কুমুদ-কৌস্তুভে গমি চাই পালে যে কথা সঁচা। ওচৰতে উনকোটি শিৱলিঙ্গ থকা এখন কাশী আছে। বেচেৰা মুনি দুজনে এইদৰে গুপ্তভাৱে আন এখন কাশী পাতিছে বুলি গমকে পোৱা নাছিল। মিছাতে অভিশপ্ত হোৱাৰ বাবে তেওঁলোকেও মহাদেৱক ক'লে, "গুপ্তভাৱে পাতিছিলা যেতিয়া তোমাৰ কাশীও গুপ্তভাৱেই থাকক।" মুনি দুজন তেতিয়াৰপৰা শিল হ'ল। শিলঘাটৰ ওচৰত ব্ৰহ্মপুত্ৰৰ মাজত থকা দুচটা থিয় শিলক মানুহে দুই মুনি শিলা বোলে। (নগাঁও চাওক।) সাত ম্লেচ্ছৰ যুদ্ধ হ'লে হেনো মুনি দুজনে মুক্তি পাব। আন এটি আখ্যানমতে ব্যাসদেৱেহে ইয়াত কাশী কৰিছিল। ব্যাসদেৱে বাৰাণসী কাশীৰ উত্তৰে ব্যাস-কাশী পাতিছিল। কিন্তু অন্নপূৰ্ণাৰ চলনাত তেওঁৰ কাশী পতাৰ উদ্দেশ্য সফল নহ'ল। ব্যাস-কাশীত মৰিলে মানুহৰ আত্মা বোলে গাধ হয়।[১] সেই কাৰণে ব্যাসে তাৰপৰা আহি পূবত আন এখন কাশী পাতি বিশ্বনাথক স্থাপন কৰিবলৈ বিচাৰিলে। যথাসময়ত তেওঁ এককোটি শিৱলিঙ্গ আনিলে। কিন্তু নাৰদে তাৰে এজন লিঙ্গ চুৰ কৰিলে আৰু মহাদেৱক ক'লেগৈ যে নতুন কাশীক্ষেত্ৰ নিৰ্মাণ হৈছে। পূৰ্বকাশী বিচাৰি মহাদেৱ পূবলৈ আহিল আৰু (শিলঘাটৰ ঘাটৰ ওপৰত) কুমুদ আৰু কৌস্তুভ মুনিক দেখি পূৰ্বকাশী ক'ত সুধিলে। সেই সময়ত কুমুদ-কৌস্তুভে ছাত্ৰসকলক শিক্ষা দি আছিল — মহাদেৱৰ কথালৈ তেওঁলোকৰ কাণেই নগ'ল। কেইবাবাৰো সুধি উত্তৰ নাপাই মহাদেৱৰ খং উঠিল আৰু ক'লে "শৈলো ভৱতাম্।" মুনি দুজন তেতিয়াই শিলত পৰিণত হ'ল। কিন্তু নতুন কাশী পায়ো মহাদেৱে দেখে যে শিৱলিঙ্গ উনকোটিহে।

বিশ্বনাথ ক্ষেত্ৰৰ পুৰণি সীমা হ'ল পূবে লাঙ্গলভৈৰৱ, পশ্চিমে কালভৈৰৱ, উত্তৰে বীৰভৈৰৱ (বৰলাশিলা), দক্ষিণে ব্ৰহ্মপুত্ৰ। বিশ্বনাথ আহোম স্বৰ্গদেৱসকলৰ দিনতো ধৰ্মৰ কেন্দ্ৰস্থল আছিল। স্বৰ্গদেৱসকলে ইয়াত বহুত মঠ-মন্দিৰ নিৰ্মাণ কৰাইছিল। তাৰ বহুতো এতিয়া ভাগি-ছিগি গৈছে। মানবিলাকে ইয়াত সাতবাৰ লুটপাত কৰিছিল বুলি কোৱা হয়।

### ১ বিশ্বনাথ শিৱলিঙ্গ

বুঢ়গঙ্গা আহি ব্ৰহ্মপুত্ৰত পৰা ঠাইতে বিশ্বনাথ শিৱলিঙ্গ আছে। বুঢ়গঙ্গাক এতিয়া বুঢ়ীগাং বোলে। এই নদীক গঙ্গাৰ দৰে পবিত্ৰ বুলি মনা হয় আৰু ই কালিকা-পুৰাণত

১ মাৰ্গকাশীৰ (মগহৰ) বিষয়েও এই কথা কোৱা হয়। ইয়াতে গৈ কবীৰ সমাধিস্থ হয়। ম.মে.

উল্লিখিত নাটক-পৰ্বতৰপৰা ওলাইছে বুলি কয়। বিশ্বনাথ মন্দিৰ ১৬৮৫ চনত স্বৰ্গদেৱ গদাধৰসিংহই সজাইছিল আৰু এখন তামৰ ফলিত ৪ ব্ৰাহ্মণ, ৪০ শূদ্ৰ পাইক, ৮ নটী, ২০ পুৰা মাটি আৰু অলঙ্কাৰ দিয়াৰ কথা লিখা আছে। ১৮১৫ চনত স্বৰ্গদেৱ শিৱসিংহই মাটি দিয়াৰ কথাও পোৱা যায়। বিশ্বনাথৰ মন্দিৰ নৈয়ে খহাই নিলে। ওচৰত থকা শিলৰ খুটা, চতি আৰু অন্যান্য শিলৰপৰা এসময়ত ইয়াত শিলৰ মন্দিৰ আছিল বুলি অনুমান কৰিব পাৰি। এতিয়া বিশ্বনথৰ কোনো স্থায়ী মন্দিৰ নাই। বিশ্বনাথ বাৰিষা ছমাহ পানীৰ তলতহে থাকে খৰালি পানী শুকালে বালিৰপৰা খান্দি উলিয়াব লাগে। তেতিয়া তাত অস্থায়ী ঘৰ সাজি পূজা-সেৱা কৰা হয়। বুঢ়ীগাং নদীৰ পূব পাৰে বিশ্বনাথ শিৱলিঙ্গ অৱস্থিত। ইয়াৰ গহ্বৰত তিনিটা ফাট আছে আৰু তাত সদায় পানী ওলাই থাকে। বাৰিষা বামত মূৰ্তি স্থাপন কৰি পূজা দিয়া হয়। ইয়াক বাম বিশ্বনাথ বোলা হয়। বাম বিশ্বনাথৰ মূৰ্তি পিতলৰ। ছমাহ পানীত আৰু ছমাহ বামত থকা বাবে কোৱা হয় — 'বিশ্বনাথ গোসাঁই লৰক-ফৰক। ছমাহ পানীত ছমাহ তৰত।।' বুঢ়ীগাং নদীৰ মাজত বহুতো শিল আছে। ইয়াৰ প্ৰত্যেক শিলকে শিৱলিঙ্গ জ্ঞান কৰা হয়। সাতবিহুৰ তৃতীয় দিনা বিশ্বনাথ গোসাইক তিনি মাইল উত্তৰৰ ভিৰ গাঁৱলৈ নিয়া হয়। সেই সময়ত তাত বহুতো মানুহৰ সমাগম হয় আৰু সৰু মেলা বহে। গধূলি আকৌ বিশ্বনাথলৈ অনা হয়। কিন্তু পোনে পোনে গোসাঁইক ঘৰলৈ সোমাব নিদিয়ে। ইয়াত মানুহবোৰ দুভাগ হয়, এভাগ গোসাঁইৰ ফলীয়া আৰু আনভাগ গোসানীৰ ফলীয়া। গোসানীৰ ফলীয়াবোৰে বাট ভেটি ধৰি কয় — "গোসাঁই ক'লৈ বিহু গাবলৈ গৈছিল? গোসানীয়ে সোমাবলৈ নিদিয়ে।" আন পক্ষই উত্তৰ দিয়ে — "বিহু গাবলৈ যোৱা নাই, খং কৰিব নালাগে।" সোমাব নোৱাৰি গোসাঁই-ঘৰৰ চাৰিওপিনে এপাক ঘূৰাই আনি আকৌ সোমাবলৈ চেষ্টা কৰে। এইদৰে সাত পাক ঘূৰাৰ পাছত বল কৰি সোমাই যায়। বাম বিশ্বনাথৰ পূবে এটা আধাসজা মন্দিৰ আছে। জনশ্ৰুতিমতে এই মন্দিৰৰ কাম শেষ নহওঁতেই মান আহি সোমাই থান, মন্দিৰ অপৱিত্ৰ কৰে, তাৰ পাছত আৰু সজা নহ'ল। এই মন্দিৰৰ নামত ৯০৮ বিঘা লাখেৰাজ মাটি আছে।

**২ উমাবন বা উমাটুমনি**

উমাটুমনি বুঢ়ীগাং আৰু ব্ৰহ্মপুত্ৰৰ মাজৰ এটা মাজুলী। হৰক পতিৰূপে পাবলৈ উমাই ইয়াতে তপস্যা কৰিছিল বাবে ইয়াৰ নাম উমাবন হয়। এই তপস্যাৰ শেষত পাৰ্বতীয়ে গৌৰীৰূপে পাইছিল। উমাই তপস্যা কৰা ঠাইতে ব্ৰহ্মপুত্ৰৰ দাঁতিত দেৱালয় আছে। ইয়াক সলালটুমনিও বোলে। ইয়াতে উমা-ভগৱতী আৰু মহেশ্বৰ-শিৱৰ দেৱালয় আছে। গেজেটিয়াৰমতে উমা মন্দিৰ স্বৰ্গদেৱ শিৱসিংহই ১৮৪১ চনত সজাইছিল। উমা এটি শিলৰ গহ্বৰ। উমাবনৰ উত্তৰ পূব কোণত নাঙ্গলেশ্বৰ দেৱালয় আছে। উমাৰ ওচৰতে সিদ্ধেশ্বৰ দেৱালয়। বিশ্বনাথৰ পূবে ব্ৰহ্মপুত্ৰৰ মাজত পূৰ্বশঙ্কৰ দেৱালয়। পূৰ্বশঙ্কৰ ১৭৩০ চনত স্বৰ্গদেৱ শিৱসিংহই দ'ল সজাইছিল। হৰিহৰ কৰ্মদেশ্বৰ, মহাভৈৰৱ,

সোমনাথ, বৃষধ্বজ, কাশীনাথ, উড্ৰেশ্বৰ গৌৰীবল্লভ, সোমেশ্বৰ শিৱপীঠ আৰু মাধৱ, বিষ্ণু, বাসুদেৱ দেৱালয় আৰু দুৰ্গাপীঠ আছে। বাসুদেৱ দ'ল স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই ১৭৫৮ চনত সজাইছিল।

উমাৰপৰা প্ৰায় ১৫০ গজ আঁতৰত চক্ৰেশ্বৰ। ইয়াত এঢলীয়া এটা শিল আছে। ইয়াত চক্ৰবেহ আৰু পাশাখেলৰ ঢাল কটা আছে। ইয়াতেই প্ৰতাপপুৰৰ ৰজা প্ৰতাপসিংহৰ শিলালিপি আছে। ইয়াৰ ওচৰতে এটা শিলৰ গহ্বৰত কৰ্দমেশ্বৰ আছে। কৰ্দমেশ্বৰৰ ওচৰতে আন এটা গহ্বৰ আছে। এই অঞ্চলতে দুই চাৰিটা সৰু আন গহ্বৰ দেখিবলৈ পোৱা যায়। বাসুদেৱৰ মূৰ্তিও বৰ্তমান উমাত আছে। গণেশৰ মূৰ্তি এটিও ইয়াত আছে। উমাত সতীৰ বাম বাহু আৰু বাম স্তন পৰিছিল বুলি প্ৰবাদ আছে।

**৩ বীৰভদ্ৰ বা বৰলাশিল**

বীৰভদ্ৰ বিশ্বনাথ ক্ষেত্ৰৰ উত্তৰ সীমা। বৰলাশি বুঢ়ীগাঙৰ পাৰৰ অকলশৰীয়া শিল। অকলশৰীয়া বাবেই ইয়াৰ নাম বৰলাশিল হৈছে। প্ৰবাদ আছে যে এই শিলত তাহানি এখন দুৱাৰ আছিল, কিন্তু মানৱ অস্পৃশ্য হাত লাগি সি চিৰদিনৰ বাবে বন্ধ হ'ল।

**৪ কালভৈৰৱ**

উমাৰ দক্ষিণে আৰু পীঠৰ পশ্চিমে। ইয়াত বহুতো শিল আছে আৰু ই প্ৰায়ে পানীৰ তলত থাকে। প্ৰবাদমতে যি বছৰ কালভৈৰৱ পানীৰপৰা ওলায়, সেই বছৰ ৰাইজৰ মাজত নানা অপায়-অমঙ্গল আৰু বেমাৰ-আজাৰ দেখা দিয়ে।

**৫ চণ্ডী-মন্দিৰ**

ইয়াত সতীৰ সোঁ বাহু আৰু সোঁ স্তন পৰিছিল বুলি কোনা হয়। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে পানীৰ কাষতে এই মন্দিৰ অৱস্থিত। ইয়াত দুটা শিলৰ গহ্বৰ আছে। ১৬৯০ চনত স্বৰ্গদেৱ গদাধৰসিংহই ইয়াত মন্দিৰ সজাইছিল। আগৰ মন্দিৰ এতিয়া নাই। ইয়াত দৈনিক পূজা হয়।

**৬ সূৰ্যমাধৱ দেৱালয়**

চণ্ডীৰ ওচৰতে সূৰ্যমাধৱ দেৱালয়। স্বৰ্গদেৱ গদাধৰসিংহই ১৬৮৫ চনত সূৰ্যমাধৱ দ'ল সজাইছিল। ইয়াৰ অলপ আঁতৰতে মুক্তিনাথ দেৱালয়।

**৭ বাণেশ্বৰ আৰু মুক্তিনাথ**

স্থাপনকৰ্তাৰ নাম আৰু স্থাপনৰ সময় জনা নাযায়। গেজেটিয়াৰমতে বাণেশ্বৰৰ ৩৩ বিঘা আৰু মুক্তিনাথৰ ৬৮ বিঘা নিষ্পিখেৰাজ মাটি আছে। 'বাণেশ্বৰ দেৱালয় (ৰূপৰ দেৱালয়)' চাওক।

**৮ কমলেশ্বৰ দেৱালয়**

মুক্তিনাথৰ পশ্চিমে কমলেশ্বৰ দেৱালয়। স্বৰ্গদেৱ কমলেশ্বৰসিংহই ১৮০০ চনত

ইয়াত দ'ল সজাইছিল। এই দ'লক ন-দ'ল বোলা হৈছিল। আগৰ দ'ল এতিয়া নাই। দ'ল থকা ঠাইত এটা টিনৰ ঘৰ সাজি থোৱা আছে। ইয়াৰ শিৱলিঙ্গ আছে।

**৯ বৰদ'ল**

ইয়াতো বাণেশ্বৰ শিৱ আছে। চণ্ডীৰপৰা প্ৰায় তিনিশ গজ উত্তৰ-পশ্চিমে এই দ'ল অৱস্থিত। এই অঞ্চলৰ আন দ'লতকৈ এই দ'ল ডাঙৰ বাবেই ইয়াক বৰদ'ল বোলা হয়। ১৭৯০ চনত স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই এই দ'ল সজাইছিল। ইয়ালৈ সোমোৱা শিলৰ দুচলীয়া এটা বাটচ'ৰা আছে। ইয়াৰ লিঙ্গ বাণ ৰজাই স্থাপন কৰিছিল বুলি কোৱা হয়।

বৰদ'ল, কমলেশ্বৰ আদি দেৱালয় থকা উমাৰ পশ্চিমৰ ঠাইখণ্ডৰ নাম ৰামগিৰি আছিল। ইয়াতে মঙ্গলচণ্ডিকা, সূৰ্যমাধৱ আৰু মুক্তিনাথ দেৱালয় আছে। সূৰ্যমাধৱৰ মন্দিৰ স্বৰ্গদেৱ গদাধৰসিংহই ১৬৮৫ চনত সজাইছিল। বুঢ়ামাধৱৰ দ'ল স্বৰ্গদেৱ শিৱসিংহই ১৭৩০ চনত সজাইছিল। আহোম স্বৰ্গদেৱসকলে বিশ্বনাথত দ'ল সজাই মাটিবৃত্তি দান দিয়া তামৰ ফলি কেইবাখনো এতিয়া পোৱা যায়। কেইবাখনো দেৱালয়ৰ স্বৰ্গদেওসকলে দান দিয়া লাখেৰাজ মাটি আছে।[১]

---

১ বিশ্বনাথ ঃ বিশ্বনাথ দ'লৰ বৰঠাকুৰে কয় পৃথমালা-তন্ত্ৰমতে তেজপুৰ মহকুমাৰ উত্তৰৰ হিমালয় পৰ্বতৰ অংশকে নাটক পৰ্বত বোলে। তাত হৰ-পাৰ্বতী বাস কৰে। তাৰ মানস ক্ষেত্ৰৰপৰা (১) স্বৰ্ণবাহা — যাক বৰ্তমান বৰগাং বোলে, (২) বৃদ্ধগঙ্গা — যাক বৰ্তমান বুঢ়ীগাং বোলে আৰু (৩) দিক্কৰিকা বা দিকৰা — এই নদী তেজপুৰ মহকুমাৰ উত্তৰ ভাগতে জীয়া ভৰলীয়ে ছিঙি পেলোৱাত জীয়াভৰলীৰ সৈতে এখন নদীত পৰিণত হৈ ওলাই আহি ব্ৰহ্মপুত্ৰত পৰিছে। বিশ্বনাথ ক্ষেত্ৰৰ পূবে নাঙ্গলেশ্বৰ, পশ্চিমে কালভৈৰৱ, উত্তৰে বৰশালি আৰু দক্ষিণে জোঙাশিল। বুঢ়ীগাং নদীৰ মুখত ব্ৰহ্মপুত্ৰত উমাটুমনি নামে এটি চাপৰি আছে। এই উমাটুমনি বিশ্বনাথ ক্ষেত্ৰৰ অন্তভূৰ্ক্ত। উমাটুমনিত (১) মা, (২) চক্ৰেশ্বৰ, (৩) হৰিহৰ কৰ্দমেশ্বৰ, (৪) বাসুদেৱ, (৫) নাঙ্গলেশ্বৰ, (৬) ভৈৰৱেশ্বৰ, (৭) বাঘেশ্বৰী, আৰু (৮) সিদ্ধেশ্বৰ দেৱালয় আছে। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে বুঢ়ীগাং নদী আৰু নদীৰ পশ্চিমে (১) বিশ্বনাথ, (২) চণ্ডী, (৩) কমলেশ্বৰ, (৪) শিৱনাথ, (৫) মুক্তিনাথ, (৬) বাণেশ্বৰ বৰদ'ল, (৭) জাগ্ৰা, (৮) বুঢ়ামাধৱ, (৯) কালভৈৰৱ, (১০) বীৰভদ্ৰ (বৰলাশিল), (১১) জোঙাশিল, (১২) পূৰ্বশঙ্কৰ, (১৩) সূৰ্যমাধৱ, (১৪) অন্নপূৰ্ণা, (১৫) গণেশ, (১৬) বৃষধ্বজ, (১৭) কাশীনাথ, (১৮) উদ্ৰেশ্বৰ, (১৯) গৌৰীবল্লভ, (২০) বিষ্ণু, (২১) দুৰ্গাশক্তি আৰু (২২) মঙ্গলচণ্ডিকা দেৱালয় আছে। গেজেটিয়াৰমতে স্বৰ্গদেৱ প্ৰমত্তসিংহ ওৰফে চুচেনফাই ১৭৫০ খ্ৰীষ্টাব্দত বিশ্বনাথ এটি দ'ল নিৰ্মাণ কৰায়। চৰাইদেওৰ চাউকং ফুকনৰ হাতত থকা সাঁচিপতীয়া পুথিত লিখিছে "১৬৭২ শকত (১৭৫০ খ্ৰীষ্টাব্দত) বিশ্বনাথ দৌলৰ জোখা ঃ দৌল মেৰে ৮৪ হাত, ওখকে ৪৫ হাত, বাৰ ডাঠে ৯ হাত, গহ্বৰ বলে ১৫ হাত, ওখকে খুৰাপাটৰ মুখলৈ ২২ হাত, তাকেপৰা চুলাৰ ওপৰলৈ ৯ হাত মুঠৰ ৪৫ হাত ওখকৈ শূন্য ২৮ হাত। জগমোহন ঘৰটি দীৰ্ঘে ১৭ হাত মুখে বাৰ ডাঠে ৩ হাত, পথালি ১৪ হাত বাৰ ডাঠে ২ হাত ১ বেগেতকৈ ভিতৰে শূন্য দীৰ্ঘে ১৪ হাত, পথালি শূন্য ৯ হাত।" বিশ্বনাথ থকা দ'লকেইটা কোন ৰজাই কোনটো কৰোৱা কোনেও ক'ব

## বুঢ়াগোসাঁইৰ থান

বুঢ়াগোসাঁইৰ থান বিশ্বনাথৰ উত্তৰ-পশ্চিমৰ প্ৰায় এঘাৰ মাইল আঁতৰত প্ৰতাপগড় বাগিচাৰ কাষত। জনশ্ৰুতিমতে ধৰ্মৰাজ যমে তপস্যা কৰা ধৰ্মাৰণ্য এই ঠাইতে আছিল। ইয়াত হেলিমেলি বুঢ়াগোহাঁয়ে দেৱালয় স্থাপন কৰিছিল বুলি কোৱা হয়। এই থান বৰ্তমান হাবিৰ মাজত আৰু অহা-যোৱা কৰা ভাল বাট-পথ নাই। আগতে ইয়াত বিষ্ণুমূৰ্তি স্থাপিত আছিল। ইয়াত শিলৰ খুটা, ভগা ইটা আদি পৰি আছে। তাৰ ভিতৰত দুটা শিলৰ কলচিও আছে। ইয়াত শিলত কটা ভগ্ন অৱস্থাৰ কৃষ্ণমূৰ্তি এটা আছে। থানৰ সোঁফালে এটা পোত যোৱা ডাঙৰ পুখুৰী আছে। ইয়াত নিত্য পূজা-সেৱাৰ ব্যৱস্থা নাই। কিন্তু পৰ্ববিশেষে পূজাৰিয়ে পূজা দিয়েহি। ইয়াত থকা শিলবোৰৰপৰা এসময়ত ইয়াত শিলৰ মন্দিৰ আছিল যেন অনুমান হয়।

## বিহালীৰ মন্দিৰ

বিহালী মৌজাৰ বিহালী নৈৰ পাৰত এটি শিৱমন্দিৰ আছে। এই মন্দিৰ কোনে সজাইছিল জনা নাযায়। স্থানীয় মানুহৰ মতে ইয়াত গৌৰীনাথসিংহই দ'ল সজাইছিল।

নোৱাৰে। বিশ্বনাথ দ'লৰ বৰঠাকুৰ কুমুদেশ্বৰদেৱৰ হাতত, ১৯৩৯ চনত সেই দ'লত স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহই ১৭৩৭ শকত মাটি দান দিয়া চাৰিখন তামৰ ফলি দেখা পাইছিলোঁ। গেজেটিয়াৰমতে স্বৰ্গদেৱ গদাধৰসিংহই ১৬৮৫ খ্ৰীষ্টাব্দত চণ্ডী আৰু সূৰ্যমাধৱ, স্বৰ্গদেৱ শিৱসিংহ ওৰফে চুতানফাই (১৭১৪-৪৪ খ্ৰীষ্টাব্দত) বুঢ়ামাধৱ, পূৰ্বশঙ্কৰ আৰু উমাদৌল, স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ ওৰফে চুৰামফাই ১৭৫৮ খ্ৰীষ্টাব্দত বাসুদেৱ দৌল আৰু স্বৰ্গদেৱ কমলেশ্বৰসিংহ ওৰফে চুক্লিংফাই (১৭৯৫ ১৮১০) কমলেশ্বৰ দৌল নিৰ্মাণ কৰায়। এই প্ৰত্যেক দেৱালয়তে স্বৰ্গদেৱসকলে দান দিয়া মাটিবৃত্তি আছিল। বৰ্তমান (১) বিশ্বনাথ দ'লৰ ৯০৮/১৫ লোচা লাখেৰাজ, (২) বৰদ'লৰ ২২৯১৬ লোচা লাখেৰাজ, (৩) পূৰ্বশঙ্কৰৰ ১০২/৯ লোচা লাখেৰাজ, (৪) কমলেশ্বৰৰ ১৪৪/১৫ লাখেৰাজ, (৫) উমাৰ ৯৭৯১৮ লোচা লাখেৰাজ, (৬) বুঢ়ামাধৱৰ ৩২৯১০ লোচা লাখেৰাজ, (৭) সূৰ্যমাধৱৰ ১১৭/১০ লোচা লাখেৰাজ, (৮) বাসুদেৱৰ ১৩/৬ লোচা লাখেৰাজ, (৯) চণ্ডীৰ ২/৪ লোচা লাখেৰাজ, (১০) বাণেশ্বৰৰ ৩৬/৮ লোচা নিস্ফিখেৰাজ আৰু (১১) মুক্তিনাথৰ ৬৬৯৭ লোচা লাখেৰাজ মাটি আছে। গেজেটিয়াৰত পোৱা যায় যে যজ্ঞেশ্বৰ দ'ল স্বৰ্গদেৱ ৰুদ্ৰসিংহই ১৭০৫ চনত নিৰ্মাণ কৰায়। এই দ'ল বিশ্বনাথৰ প্ৰায় চাৰিমাইল উত্তৰে থকা ভিৰ বাগানত আছিল। বৰ্তমান তাত দ'ল নাই কিন্তু প্ৰায় দুবিঘামান মাটিৰ পুখুৰীটো আছে। আগেয়ে তাৰপৰা বিশ্বনাথলৈ আলি আছিল। সেই আলিয়ে পূৰ্বে ব'হাগৰ চেৰা বিহুৰ দিনা বিশ্বনাথ গোসাঁইক ফুৰাবলৈ আনিছিল। আজিকালি সেই প্ৰথা অনুসৰি ভিৰৰ ওচৰৰ পানীউবাল গাঁৱলৈ চেৰা বিহুৰ দিনা বিশ্বনাথ গোসাঁইক ফুৰাবলৈ আনে। স্বৰ্গদেৱ ৰাজেশ্বৰসিংহই সদাশিৱৰ পূজাৰ বাবে দেৱোত্তৰ আৰু ব্ৰহ্মোত্তৰ মাটি দান দিয়া তামৰ ফলিৰ এফালে আহোম আখৰ আৰু আনফালে অসমীয়া আখৰ। তাৰিখ ১৬৮১ শক। স.ৰা.

ইয়াত পুৰণি মন্দিৰ নাই, স্থানীয় মানুহে সজা টিনৰ মন্দিৰহে আছে। মন্দিৰৰ ভিতৰত গহ্বৰত শিৱলিঙ্গ আছে আৰু নামি যাবলৈ শিলৰ খটখটি আছে।

### ফুলবাৰী দেৱালয় (বৰকালিকা-থান)

কলাবাৰীৰ দিফলু সত্ৰৰ ওচৰত। ইয়াৰ আন নাম বৰকালিকা থান। গেজেটিয়াৰমতে ফুলবাৰী দ'ল স্বৰ্গদেৱ ৰুদ্ৰসিংহই ১৭০৫ চনত সজাইছিল। ইয়াৰ নিত্য পূজা-সেৱা চলে। এই দেৱালয়ৰ নামত আহোম ৰজাই দান দিয়া ৫২৩৯/১৮ লোচা নিষ্পিখেৰাজ মাটি আছে।[1]

### কল্যাণী দেৱালয়

এই দেৱালয় কলংপুৰ মৌজাত গমিৰিঘাটৰপৰা প্ৰায় তিনি মাইল উত্তৰপূবে। জনশ্ৰুতিমতে আৰিমত্ত ৰজাই কল্যাণী নামৰ ধুনীয়া ছোৱালী এজনী তাঁত বৈ থকা অৱস্থাত দেখি ধৰিবলৈ খেদি গৈছিল। কল্যাণীয়ে আৰিমত্তৰ হাতৰপৰা সাৰিবলৈ ভূগৰ্ভত প্ৰৱেশ কৰে। সেই ঠাইতে কল্যাণীৰ থান স্থাপিত হ'ল। কল্যাণীৰপৰাই এই অঞ্চলৰ নাম কলংপুৰ (কল্যাণীপুৰ) হ'ব বুলি কোৱা হয়। আহোম ৰজাই দিয়া এই দেৱালয়ৰ নামত ৭২ বিঘা নিষ্পিখেৰাজ মাটি আছে।[2]

### শিঙৰি পৰ্বত

তেজপুৰৰ পশ্চিমে ঢেকীয়াজুলিৰপৰা সাত মাইল দক্ষিণে ব্ৰহ্মপুত্ৰৰ পাৰত শিঙৰি পৰ্বত। এই পৰ্বতক কালিকা-পুৰাণত উল্লিখিত শৃঙ্গাট(ক) পৰ্বত কোৱা হয়। পুৰাণৰ মতে এই পৰ্বতত শিৱলিঙ্গ স্থাপিত আছে আৰু এই পৰ্বতৰ দক্ষিণেদি বৈ যোৱা ত্ৰিস্ৰোতা নৈত স্নান কৰি শিৱ-পূজা কৰিলে মুক্তিলাভ হয়। পৰ্বতৰ ওপৰত এতিয়া শিৱলিঙ্গ নাই। কথিত আছে যে এই শিঙৰি পৰ্বততে ঋষ্যশৃঙ্গ মুনিয়ে তপস্যা কৰিছিল আৰু তেওঁৰ আশ্ৰম ইয়াতেই আছিল।

১ গুপ্তেশ্বৰ (গোপেশ্বৰ) ঃ বৰ্তমান শিঙৰি টিলাৰ দক্ষিণে-পশ্চিমে ব্ৰহ্মপুত্ৰৰ পাৰত শিৱমন্দিৰ আছে। এই মন্দিৰৰ নাম গোপেশ্বৰ বা গুপ্তেশ্বৰ। মন্দিৰৰ ভিতৰৰ গহ্বৰ বৰ দ আৰু গহ্বৰৰ লগত ব্ৰহ্মপুত্ৰৰ সংযোগ আছে বুলি কয়। ব্ৰহ্মপুত্ৰৰ পানী বাঢ়িলে গহ্বৰৰ পানীও বাঢ়ে আৰু খৰালি সেইদৰে শুকায়। ইয়াৰ লিঙ্গ পানীৰ তলতথকা বাবে

---

১ উত্তৰ লখীমপুৰ ঃ "মাঘনোৱা দ'ল" চাওক। থান কেইখনমান বলিকটা দা, এটা গঁথীয়াডিমৰু (হিলৈ) আৰু শিলত কটা মগৰৰ ওপৰত বৰুণৰ মূৰ্তি আছে। ঠাকুৰসকলৰ মতে গৌৰীনাথসিংহই (১৭০৮-১৪) মাঘনোৱা দ'ল কৰে। স.ৰা.

২ তাত এটি সৰু মঠৰ ভিতৰত এটি গহ্বৰত দেৱীৰ পূজা হৈছিল। এই ঠাই এতিয়া ব্ৰহ্মপুত্ৰই খহাই নিলে। স.ৰ.

এই দেৱালয়ত আহোম ৰজাই দান দিয়া ৭২৯/১ নিষ্পিখেৰাজ মাটি আছে। স.ৰা.

ইয়াৰ নাম গুপ্তেশ্বৰ। এই মন্দিৰ কেতিয়া কোনে স্থাপন কৰিছিল জনা নাযায়। প্ৰৱাদমতে শিঙৰি বা ঋষ্যশৃঙ্গ মুনিয়ে সজাইছিল।[১]

২ বৌদ্ধ মন্দিৰ ঃ ইয়াক ভুটীয়াবিলাকে বৌদ্ধ মন্দিৰ হিচাপে মানে। খৰালি ইয়ালৈ বহুত ভুটীয়া আহে। ভুটীয়াবিলাকে ইয়াত পূজা দি শিঙৰি পৰ্বতৰ ওপৰত মূৰ খুৰায়।

৩ বিশ্বকৰ্মা মন্দিৰ ঃ ইয়াৰপৰা অলপ আঁতৰত শিঙৰি বাগিচাৰ ভিতৰত এটা হেলনীয়া ভগা মন্দিৰ আছে। মন্দিৰৰ সম্মুখত এটা পোত যোৱা পুখুৰীও পোৱা যায়। গুপ্তেশ্বৰ আৰু হেলনীয়া মন্দিৰ সম্পৰ্কে জনশ্ৰুতি আছে যে ঋষ্যশৃঙ্গ মুনিয়ে লোকালয় এৰি গুপ্তভাৱে থাকি মহাদেৱক আৰাধনা কৰিবলৈ ইচ্ছা কৰিছিল। সেই কথা মহাদেৱক জনোৱাত মহাদেৱে বিশ্বকৰ্মাক মাতি আনি এটা মন্দিৰ সাজিবলৈ নিৰ্দেশ দিলে। মন্দিৰ হ'লত মদাদেৱ তাত গুপ্তভাৱে থাকি গুপ্তেশ্বৰ হ'ল। 'গুপ্তেশ্বৰ'ৰপৰা বৰ্তমান 'গোপেশ্বৰ' হৈছে। কিছু দিনৰ পাছত মহাদেৱে বিশ্বকৰ্মাকো তাতে এটা মন্দিৰ সাজি থাকিবলৈ ক'লে। বিশ্বকৰ্মাই পাঁচদিন খাটি এটা ধুনীয়া মন্দিৰ নিজলৈ বুলি নিৰ্মাণ কৰিলে। মহাদেৱে মন্দিৰ দেখি ক'লে বোলে, "মোৰটো বিশ্বকৰ্মাই এদিনতে সাজিলে আৰু নিজৰ সাজিবলৈ পাঁচদিন ল'লে আৰু সাজিলেও ধুনীয়াকৈ।" এই কথাতে বেজাৰ পাই, অঘৰী বিশ্বকৰ্মাই ঘৰ সাজি নাথাকোঁ বুলি মন্দিৰটো হেঁচা মাৰি একতীয়া কৰি সেই ঠাই এৰি গ'ল। গেজেটিয়াৰমতে, উল্লেখ কৰা প্ৰবাদমতে কোনো এজন বিষ্ণুপুৰী স্বামীৰ স্মৃতিৰক্ষাৰ্থে শিঙৰিত মন্দিৰ সজা হৈছিল। মন্দিৰৰ এচটা শিল এটা ভুটীয়াই চুৰ কৰি নিয়া অপৰাধৰ বাবে এতিয়াও হেনো ভুটীয়াবিলাকে ইয়াত কৰ দিব লাগে। গুপ্তেশ্বৰ শিৱক আৰাধনা কৰিয়েই কুসুম্বৰ ভূঞাই পুত্ৰ শঙ্কৰদেৱক লাভ কৰিছিল বুলি চৰিত পুথিত পোৱা যায়।

১ গোপেশ্বৰ ঃ "কালিকাপুৰাণ"ত লিখিছে যে মণিকুট পৰ্বতৰ পূবে মৎস্যধ্বজ পৰ্বত, তাৰ পূবে শাশ্বতি নদী, তাৰ পূবে দীপৱতী নদী, তাৰ পূবে শৃঙ্গাট পৰ্বত, তাৰ পূবে গৃহদেৱী বা নিমগ্না দেৱী আৰু তাৰ কিছুপূৰ্বে ভট্টাৰিকা নদী। শৃঙ্গাট পৰ্বতৰ ওপৰত শিৱলিঙ্গ আছে আৰু কাষেদি ত্ৰিস্ৰোতা নদী বৈ গৈছে। সম্ভৱ দীপৱতী নদীয়েই পাঁচনদী, ত্ৰিস্ৰোতা নদীয়েয়ে ধীৰাই নদী, গৃহদেৱী বা নিমগ্না নদীয়েই বেলশিৰি নদী আৰু ভট্টাৰিকা নদীয়েই বৰ্তমানৰ ভৰলী নদী। শিঙৰি পৰ্বততে অতীজত ঋষ্যশৃঙ্গ মুনিৰ আশ্ৰম আছিল বুলি কয়। ঢেকীয়াজুলিৰ মাজেদি যোৱা ট্ৰাঙ্ক ৰোডৰপৰা লোকেল বোৰ্ডৰ আলিয়েদি সাত মাইল দক্ষিণলৈ গ'লে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত শিঙৰি পৰ্বত। ইয়াত আহোম ৰজাই দান দিয়া ৬৯১৮ লোচা নিষ্পিখেৰাজ মাটি আছে। ভোমোৰাগুৰি পৰ্বতত থকা এনে ধৰণৰ বাঁওভৰি খোজক "ৰুদ্ৰপদ" বোলে। ভৈৰৱপদৰ পশ্চিমে তাতকৈ অলপ ওখত এই শিৱলিঙ্গ আছে। ওচৰৰ শিলৰ টুকুৰা আৰু প্ৰাক্ব্ৰিটিংশ যুগৰ ইটাৰ টুকুৰা দেখিবলৈ পোৱা যায়। ইয়াৰউত্তৰে টিলা যেন ওখ ঠাইত প্ৰাক্ব্ৰিটিংশ যুগৰ ইটা দ'ম খাই মাটিত পোত খাই আছে। ভৈৰৱপদলৈ যাওঁতে লোকেল বোৰ্ড আলিৰপৰা প্ৰায় দুই ফাৰ্লংমান দক্ষিণে এটি শিৱলিঙ্গ পোৱা যায়। এই শিৱলিঙ্গৰ কেউফালে প্ৰাক্ব্ৰিটিংশ যুগৰ ভগা ইটা দ'ম বান্ধি মাটিত পোত খাই আছে। স.ৰা.

প্ৰবাদ আছে যে কুসুম্বৰ ভূঞাৰ গাই এজনী নিশা ব্ৰহ্মপুত্ৰ পাৰ হৈ আহি শিঙৰি পৰ্বতৰ নামনিৰ এঠাইত গাখীৰ দি যায়হি। কুসুম্বৰ ভূঞাই সেই কথাৰ গম পাই তালৈ গৈ শিব থকাৰ গম পাই তাত পুত্ৰ পাবলৈ আৰাধনা কৰে। শঙ্কৰৰ আৰাধনাত পোৱাৰ বাবে কুসুম্বৰে পুত্ৰৰ নাম শঙ্কৰবৰ ৰাখিছিল। গোপেশ্বৰত নিতৌ পূজা-সেৱা হয় আৰু শিৱৰাত্ৰিৰ সময়ত ইয়াত কেইবাদিনো জুৰি মেলা বহে। দেৱালয়ৰ নামত আহোম ৰজাই দান দিয়া ১০৬ বিঘা নিষ্পিখেৰাজ মাটি আছে। শিঙৰি অঞ্চলৰ পৰি থকা শিলৰপৰা ইয়াত এসময়ত ডাঙৰ শিলৰ মন্দিৰ আছিল যেন অনুমান হয়। সম্ভৱতঃ ইয়াত বুদ্ধ, শিব আৰু দুৰ্গাৰ মন্দিৰ আছিল। ইয়াৰ ভাস্কৰ্যসমূহ নৱম শতিকাৰ। ইয়াত দুৱাৰত লগোৱা খুঁটা, স্তম্ভ, পদ্ম কটা ডাঙৰ শিলৰ চটা আৰু আন নক্সা থকা শিল আছে। কিছুমান শিলৰ কটা মূৰ্তিৰপৰা ইয়াৰ ভাস্কৰ্যত তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰভাৱ ধৰিব পাৰি। ডেল্টন চাহাবৰ মতে ইয়াত বৌদ্ধ মন্দিৰ আছিল আৰু সেই মন্দিৰৰ শিল আদিৰেই পাছৰ যুগত হিন্দু মন্দিৰ সজা হৈছিল।

**কিৰাং আৰু ওৰাং**

মিছামাৰি মৌজাৰ বান্দৰমাৰি গাঁৱত কিৰাং আৰু ঢেকীয়াজুলি চপাই ৰৌমাৰি গাঁৱত ওৰাং দেৱালয় আছে। এই দুয়োখন দেৱালয় কেতিয়া কোনো সজাইছিল জনা নাযায়। কিৰাং হাজাৰীখোৱা অঁকাৰ আৰু ওৰাং ভুটীয়াৰ দৰ্জি ৰজাৰ দেৱালয় বুলি কোৱা হয়।[২]

প্ৰ.ৰ.

**সূৰ্য দেৱালয়**

গহপুৰ মৌজাৰ সুতাৰৰ দলনিত কোনোবা প্ৰাচীন কালত সূৰ্য দেৱতাৰ মূৰ্তি স্থাপিত

---

২ কিৰাং — জিলাৰ গেজেটিয়াৰমতে এই দেৱালয়ৰ ১৪৪ বিঘা লাখেৰাজ মাটি আছিল। সেই মাটি ক'ত আছিল জনা নাযায়। আমি জমাবন্দীৰপৰা জানিব পাৰিছো যে কপাহচোৰ অঁকাৰ বালিপাৰা মৌজাত মোলানীপুখুৰী গাঁৱত আহোম ৰজাই দিয়া ১৪৪ বিঘা লাখেৰাজ মাটি আছে।

ওৰাং — ওৰাং নামে দেৱালয়ত আহোম ৰজাই দান দিয়া ৩৬৭/১৫½ লোচা লাখেৰাজ মাটি আছে। স.বা.

এই টোকাবোৰ যুগুত কৰোঁতে তলৰ পুথিসমূহৰো সহায় লোৱা হৈছে — *Assam District Gazetteers* : Darrang, 1950; K. L. Barua, *Early History of Kamrupa*; P. C. Choudhury, *History of the Civilisation of the People of Assam*; "আৱাহনত" প্ৰকাশিত আনন্দচন্দ্ৰ আগৰৱালা আৰু সোণাৰাম শইকীয়াৰ প্ৰবন্ধ; কুমুদচন্দ্ৰ বৰঠাকুৰৰ "তেজপুৰ" নামৰ পুস্তিকা। প্ৰ.ৰ.

K.L. Baruah : Notes on some ancient ruins (*J.A.R.S.*, Vol. II. pp. 104-05), S. Kataki : Ancient remains at Singri (*J.A.R.S.*, Vol. II, pp. 93-95) প্ৰবন্ধ চাবলগীয়া।

আছিল। সেই মন্দিৰ কালৰ গতিত নষ্ট হয়। সূৰ্যদেৱতাৰ এটি আপুৰুগীয়া শিলৰ মূৰ্তি তাতে পৰি আছিল। এতিয়া সেই মূৰ্তি তেজপুৰতে অসম ৰাজ্যিক সংগ্ৰহালয়ত ৰখা হৈছে।

স.ৰ.

**ৰাসুদেৱ দ'ল**

গহপুৰ মৌজাৰ কলাবাৰী অঞ্চলৰ কামদেৱাল গাঁৱত খাৰৈবান্ধৰ উত্তৰ পাৰত বাসুদেৱ দ'ল আৰু পুখুৰী আছে। বাসুদেৱ দ'লটি দক্ষিণপাট সত্ৰাধিকাৰৰ আছিল। এই দ'লৰ জঁকাটোহে থিয় হৈ আছে। এই দ'ল শিৱসাগৰৰ শিৱদ'লৰ দৰে কৰ্দৈসিৰীয়া। সম্ভৱতঃ এই দ'ল সিৱসাগৰৰ শিৱদ'লৰ সমান ওখ আছিল। দৰং গেজেটিয়াৰৰ মতে দ'লৰ ভেটিৰ ব্যাস ২৬ ফুট, ওখ ৬২ ফুট, গহ্বৰ ২৮ X ১৫ বৰ্গফুট বেৰৰ ডাঠ ৪ ফুট। আজি ৫৫ বছৰমানৰ আগেয়ে দেখা মানুহে কয় যে এই দ'লৰ দেৱালয়ত লগোৱা শিলৰ মূৰ্তিবিলাক মানুহে হাতেৰে চুকি পোৱাত আছিল। দ'লটো তললৈ সোমাই যোৱাত ...িবিলাক মাটিত লাগিলগৈ আৰু প্ৰায়বিলাক মূৰ্তিকে মানুহে নিজ অভীষ্ট সিদ্ধিৰ অৰ্থে লৈ গ'ল। দ'লৰ কলচি মানে নিলে বুলি কয়। ১৯৩৬ চনত দ'লৰ বেৰত লাগি থকা বাৰখন মূৰ্তিৰ ভিতৰত চিনিব পৰা গ'ল ধ্যানমগ্ন বুদ্ধ, ৰাজহাঁহত উঠি থকা ব্ৰহ্মা, মানুহৰ কান্ধত উঠি থকা কুবেৰ, বৰাহ, সৰ্পশয্যাত অনন্ত আৰু নৰসিংহ। অযত্নত দ'লৰ ওপৰত গজা জৰীগছে দ'লটো চিৰাচিৰকৈ ফলাত তাত থকা পিতলৰ বাসুদেৱ মূৰ্তিক (প্ৰায় এফুটমান হ'ব) এটি খেৰৰ পঁজাত আশ্ৰয় দিয়া হয়। ১৯৩৯ খ্ৰীষ্টাব্দত মূৰ্তিটি নিৰুদ্দেশ হয়। দ'লৰ কাষতে যোৰহাট নগৰৰ ৰাজমাও পুখুৰীৰ সমান এটি পুখুৰী আছে। শ শ বছৰ ধৰি তাৰ পানী বন্ধ হৈ থকাত তাত শেলুৱৈ বিৰাজ কৰি আপোন মনে বাঢ়িব লাগিছে। দ'ল আৰু পুখুৰীৰ কেয়োফালে মাটিৰ গড় আছে। গড়ৰ বাহিৰ আৰু ভিতৰ দুয়োফালে খাৰৈ আছে। গড়টো ভাল অৱস্থাত আছে। গড়ৰ ওপৰত আৰু ভিতৰত বাঁহ-কাঠ, হাবি-জংঘল, চোৰাত আদি ভৰি পৰিছে। দক্ষিণপাট সত্ৰাধিকাৰে ভগ্ন দ'লৰ যত্ন ব্ৰিটিশ গৱৰ্ণমেণ্টক শোধাই দিয়াত ১৯৩৬ চনত দ'ল মনুমেণ্ট প্ৰিজাৰ্ভেছন এক্টৰ তললৈ গ'ল। যদিও বুৰঞ্জীত পাবলৈ নাই, তত্ৰাচ এই অঞ্চলৰ মানুহে কয় যে এই দ'ল আৰু পুখুৰী ল'ৰাৰজা ওৰফে চুলিকফাই (১৬৭৯-৮১) ৰৰাই তেওঁৰ ধৰ্মগুৰু দক্ষিণপাট সত্ৰাধিকাৰক উছৰ্গা কৰে। বুৰঞ্জীয়ে কয় যে স্বৰ্গদেৱ ল'ৰাৰজা দক্ষিণপাটৰ শিষ্য আছিল আৰু কলাবাৰীত দক্ষিণপাটৰ এখন সত্ৰ আছিল। স্বৰ্গদেৱসকলে দ'লৰ ৰক্ষণাবেক্ষণৰ বাবে দিয়া ১২৯৯৯৭ লাখেৰাজ মাটি খাতৰ গাঁৱত (দ'লৰ কাষতে) দক্ষিণপাট সত্ৰাধিকাৰে এতিয়াও ভোগ কৰি আছে। এই দ'লৰ সমুখৰপৰা মাজুলীলৈ যোৱা এটি পুৰণি আলি আছে।

**ধৰান্দি বা খেন্দাই দ'ল**

এই দ'ল গহপুৰ মৌজাৰ ধৰান্দি জাৱণিত অৱস্থিত আছিল। আজি প্ৰায় ৫৫ বছৰৰ

আগতে এই দ'ল দেখা মানুহে শিৱসাগৰৰ শিৱদ'লৰ সমান আছিল বুলি কয়। (১৮৯৭ চনৰ ভূমিকম্পত) দ'ল ভাগি ইটাবিলাক স্তূপীকৃত হৈ আছে আৰু দ'ল থকা ঠাই জাৰণিত পৰিণত হৈছে। এই দ'ল কোনে কৰিছিল বুৰঞ্জীত পাবলৈ নাই, কিন্তু কলাবাৰী অঞ্চলৰ মানুহে এই দ'ল ল'ৰাৰজাই (১৬৭৯-৮১) কৰাইছিল বুলি কয়। ১৯০৫ চনৰ দৰং গেজেটিয়াৰমতে এই দ'ল স্বৰ্গদেৱ ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪) এই দ'লৰ বিগ্ৰহ ক'লা শিলৰ চতুৰ্ভুজ শিৱমূৰ্তি ধৱান্দি জাৰণিৰপৰা গৈ গহপুৰ মৌজাৰ কলাবাৰী দিফলু সত্ৰৰ সমুখত অসম নৰ্থ ট্ৰাঙ্ক ৰোডৰ কাষত থকা ঠাকুৰসকলৰ এৰাবাৰীৰ এচুকত বড় নে জৰী গছৰ তলত এটি পঁজাত আশ্ৰয় লৈছে। শিৱৰ চাৰি হাতত শঙ্খ, গদা, ত্ৰিশূল আৰু কুঠাৰ আছে। তিনিখলপীয়া খাটোলাৰ ওপৰত মূৰ্তি ৰখা হৈছে। এই খাটোলা পুৰণি। তলৰ খাপৰ খুটাত হাতীৰ ওপৰত সিংহ, মাজৰ খাপৰ খুটাত কেঙ্কেৰুৱ নিচিনা জন্তুৰ ওপৰত সিংহ আৰু ওপৰখাপৰ খুটাত কেৱল সিংহ আছে। শিৱদ'লৰ কলচিৰ ওপৰত ত্ৰিশূল থাকে, কিন্তু এই দ'লৰ কলচিৰ ওপৰত এডাল পঞ্চশূল আছিল। এই পঞ্চশূলডাল কলচিৰ ফোপোলা খোলাটোৰ (সম্ভৱ তামৰ) সৈতে বিগ্ৰহ থকা পঁজা ঘৰতে আছে। শিৱমূৰ্তিৰ লগতে ভালেইখন শালগ্ৰাম আৰু শিলৰ পঞ্চানন শিৱ, হাতীৰ ওপৰত ইন্দ্ৰ, আৰু গাধৰ ওপৰত বিশ্বকৰ্মা আৰু পিতলৰ দুখন ৰাধা-কৃষ্ণৰ যুগল মূৰ্তি দেখিবলৈ পাইছিলো। পিছত বাসুদেৱ মূৰ্তিৰ লগতে ৰাধা-কৃষ্ণৰ যুগল-মূৰ্তি দুখন আৰু ভালেকেইখন শালগ্ৰাম তাৰপৰাই নোহোৱা হয়। বস্তুৰ ভিতৰত কাঁহ দুখন, এটা ডবা, শিলৰ খুটি তিনিটা আৰু অলপ পূজাৰ সঁজুলি মাত্ৰ দেখা পাইছিলো। দৰং গেজেটিয়াৰমতে এই দ'লত আহোম ৰজাই দিয়া ২৩২ বিঘা নিষ্পিখেৰাজ মাটি আছে। এই দ'লৰ স্বত্ব বিহালী মৌজাৰ মৌজাদাৰ দেবেশ্বৰ বৰুৱা আৰু উত্তৰ লখীমপুৰৰ শ্ৰী সৰ্বেশ্বৰ বৰুৱাৰ উপৰিপুৰুষে পূৰ্বৰ ঠাকুৰৰপৰা পায়। ধৱান্দি জাৰণিৰ মাটি ঠাকুৰসকলে ব্ৰিটিশ গৱৰ্ণমেণ্টক শোধাই দি তাৰ পৰিৱৰ্তে গহপুৰ ডাকবঙলাৰ পাছফালে থকা ২০৫৯৭ লোচা নিষ্পিখেৰাজ মাটি ভোগ দখল কৰি আছে। গেজেটিয়াৰমতে এই দ'ল ১৭০৫ চনত স্বৰ্গদেৱ ৰুদ্ৰসিংহই নিৰ্মাণ কৰাইছিল।

**নিজবৰচলা মন্দিৰ**

বৰচলা মৌজাৰ নিজবৰচলাক গাঁৱত লোকেল বোৰ্ডৰ আলিৰ প্ৰায় দুই ফাৰ্লং পূবে অতীজৰ ব্ৰহ্মপুত্ৰৰ ঠিক পাৰতে দুকঠামান মাটিৰ এডোখৰ ওখ ঠাই আছে। তাত এটা গাঁতত কেয়োকাষে ভগা ইটা আৰু দুই এচটা টুকুৰা শিল পোত খাই আছে। তাতে কেইচটামান শিলৰ ওপৰত মন্দিৰৰ দুৱাৰৰ ওপৰত লগোৱা দীঘল ৬ ফুট ২ ইঞ্চি, পুতলে ১ ফুট ১০ ইঞ্চি আৰু ডাঠে এফুট শিল আছে। শিলচটাত ফুল কটা আছে আৰু মাজত কঁকালৰপৰা ওপৰছোৱা থকা ৬ X ৪ ইঞ্চিৰ এটি গণেশ মূৰ্তি আছে। শিঙৰি গোপেশ্বৰ মন্দিৰৰ দুৱাৰৰ ওপৰত থকা শিলচটাৰ মাজতো এটি গণেশ মূৰ্তি আছে আৰু

সেই মূৰ্তিৰ ইফালে তিনিটা আৰু সিফালে তিনিটা মূৰ্তি আছে। যি দুটা শিলৰ স্তম্ভৰ ওপৰত গোপেশ্বৰৰ মন্দিৰৰ এই শিলটো আছে তাৰ প্ৰত্যেকটোৰ তলত এজনী নাৰী আৰু এজন নৰমূৰ্তি আছে। নিজবৰচলা গাঁৱত পোৱা ধ্বংসাৱশেষৰ মাজতো মন্দিৰৰ দুৱাৰ মুখত থকা দুটা স্তম্ভৰ ভগ্নাৱশেষ আছে। এটা স্তম্ভ দীঘলে ৫ ফুট, পুতলে ২ ফুট আৰু ডাঠে ১ ফুট আৰু আনটো স্তম্ভৰ ওপৰছোৱা ভগা। স্তম্ভ দুটাৰ তল ভাগত এজনী নাৰী আৰু দুজনকৈ নৰমূৰ্তি আছে। এটা নৰমূৰ্তিৰ এহাতে কাঁড় আৰু আনহাতে ধেনু আৰু আনটো নৰমূৰ্তিৰ হাতত বোধহয় মুৰুলি। ৰাজমোহন নাথে কয়, এই তিনটা মূৰ্তি হৈছে পুজাৰিণী, দ্বাৰপাল আৰু পৰিচাৰকৰ। নাৰীমূৰ্তিৰ ওপৰৰপৰা ওপৰ ফালে দুডাল লতা পাক খাই যোৱা অৱস্থাত কটা আছে। নাথৰ মতে সেই দুডাল লতা নহয়, দুটা সাপহে। মাজৰ মূৰ্তিটোৰ ওপৰফালে ওপৰলৈ শাৰী পাতি কটা চাৰিপহীয়া ফুল আৰু ইটো মূৰ্তিৰ ওপৰফালে হাতীৰ মূৰৰ আকৃতিৰ নালে সৈতে চুৰিৰ (ডেগাৰ) দৰে নক্সা। নৰমূৰ্তিকেইটাৰ কংকাল বৰ সৰু, বুকু আৰু তপিনা বহল আৰু মূৰত আৱৰণ আছে। শিলত কটা মূৰ্তি, ফুল আদিৰপৰা অনুমান হয় যে নিজবৰচলা গাঁৱৰ এই মন্দিৰ শিঙৰিৰ গোপেশ্বৰ মন্দিৰৰ সৈতে (নিজবৰচলা গাঁৱৰপৰা গোপেশ্বৰলৈ পোনাই সাত মাইলমান হ'ব) একে যুগতে নিৰ্মাণ কৰা।

**গৰীয়াপথাৰ**

নিজবৰচলা গাঁৱৰপৰা এমাইলমান পশ্চিমে গৰীয়াপথাৰ নামে গাঁৱতো কোনো এক মন্দিৰৰ চিন-স্বৰূপে মাটিৰ তলত পোত খাই থকা ভগা ইটাৰ এটা দ'ম আছে।

**শিয়ালমাৰি কছাৰি গাঁও**

তেজপুৰ মহকুমাৰ বৰচলা মৌজাত শিয়ালমাৰি কছাৰী গাঁও অৱস্থিত। তেজপুৰ চহৰৰপৰা নৰ্থ ট্ৰাঙ্ক ৰোডে ২৭ মাইল পশ্চিমলৈ গৈ লোকেল বোৰ্ডৰ আলিৰে ৪ মাইল দক্ষিণলৈ গৈ পুনৰ এমাইলমান পূবলৈ গ'লে শিয়ালমাৰি কছাৰী গাঁও পোৱা যায়। এই গাঁৱত পদো পুখুৰী নামে ২২৯/০ কঠা মাটিৰ (পাৰে সৈতে ৩৩/১১ লোচা) এটি পুৰণি পোতা পুখুৰী আছে। এই পুখুৰীত পদুম ফুল হোৱাৰ কাৰণেই সেই গাঁৱৰ বাসিন্দা, বাগিচাৰ অৱসৰী বনুৱা আৰু কছাৰীসকলে পুখুৰীটোৰ নাম পদো পুখুৰী থৈছে। পুখুৰীটোৰ উত্তৰ পাৰৰ ভগা ইটাৰ টুকুৰা পোৱা যায়। তাতে মন্দিৰৰ ভেটি আছিল যেন অনুমান হয়। তাৰ অলপ দূৰতে এজোপা গছৰ তলত দীঘলে এচটা ডাঙৰ শিল আছে। এই শিল মন্দিৰৰ স্তম্ভৰ তল অংশ যেন অনুমান হয়। ইয়াৰ তল অংশত তিনিটা নৰমূৰ্তি আছে। এই নৰমূৰ্তিৰ বাঁওহাতে এখন ধেনু আৰু সোঁহাতে এডাল কাঁড় আছে। এই মূৰ্তিৰ সোঁহাতে খোজ কাঢ়ি যোৱা নাৰীমূৰ্তি আৰু বাঁওহাতে ওপৰলৈ দুই হাত তুলি বৈ থকা নৰমূৰ্তি। মূৰ্তি তিনিটাৰ ওপৰফালে শিটো থিয়কৈ খাজ কাটি তিনি ভাগ কৰা। নাৰী-মূৰ্তিৰ পোনে পোনে থকা ভাগত এডাল পাতফুল থকা লতা, মাজৰ মূৰ্তিৰ পোনে

পোনে থকা ভাগত পাত নোহোৱা দুডাল লতা (সাপ?) কেৰেতা-কেৰেতিকৈ মেৰ খাই যোৱা আৰু ইটো মূৰ্তিৰ পোনে পোনে থকা ভাগত লতা নাই, কিন্তু দুটা চাৰিকোণীয়া ক্ষেত্ৰৰ মাজত দুটা দীঘলীয়া ছয়কোণীয়া ক্ষেত্ৰ আছে। এই পুখুৰীৰ উত্তৰ পাৰত এটা গাঁৱত ৬ ফুট দীঘল আৰু এচটা শিল পোৱা যায়। শিলচটাৰ এফালে সোঁমাজৰ পৰা দুই ফালে তললৈ বহল হৈ যোৱা বৃত্তাংশৰ আকাৰে কেইটামান খাজ কটা আছে। আৰু মাজ ভাগত কিছুমান গুটি আঁকা আছে। শিলচটা ঘূৰাব নোৱাৰাত সুবিধা ৰকমে চাব পৰা নগ'ল। ইয়াত ডেৰ আৰু দুই ইঞ্চি ডাঠ দুই ধৰণৰ ভগা ইটা পোৱা হয়। ইটা দীগলে কিমান আছিল ঠাৱৰ কৰিব পৰা নগ'ল; কিন্তু ৫ ইঞ্চি বহলৰ এচটা ইটা পাওঁ।

**শিলপোতা গাঁও**

এই পুখুৰীৰপৰা আধা মাইলমান দূৰত শিলপোতা গাঁৱত আৰু দুচটা নক্সা থকা সিল পোৱা হয়। এচটা শিল ওপৰত উল্লেখ কৰা স্তম্ভৰ লগৰ একে নক্সা থকা অন্য এটা স্তম্ভ। ইছটা শিলৰ সম্মুখৰ ফালৰ ওপৰ অংশত সৰু সৰু আঠ ভাগ আঠটি নৰমূৰ্তি। এই আঠটি মূৰ্তিৰ দুকাষে তল খাপত আৰু দুটি আৰু তলৰ শাৰীৰ মাজত এটি নৰমূৰ্তি। মূৰ্তিবিলাকৰ তলত শিলচটাত দুটা খলপা কটা। সম্ভৱ এই শিলচটা কোনো দুৱাৰৰ ওপৰৰ হ'ব।

**ভঙামন্দিৰ গাঁও**

বৰচলা মৌজাৰ শিয়ালমাৰি কাছমাৰী গাঁৱৰ ওচৰতে থকা ভঙামন্দিৰ গাঁৱত আংশিকভাৱে পোত খোৱা আনুমানিক ১০ বিঘামান মাটি জোৰা এটি পুৰণি পুখুৰী আছে। পুখুৰীৰ পানী গাঁৱৰ মানুহে ব্যৱহাৰ কৰে। পুখুৰীৰ পশ্চিম পাৰত পশ্চিমলৈ মুখ কৰি এটি ইটা আৰু শিলৰ মন্দিৰ আছিল। যি ইটাৰ গহ্বৰত মন্দিৰৰ বিগ্ৰহ আছিল সেই গহ্বৰ আজিও আছে; কিন্তু বিগ্ৰহ নাই। গহ্বৰৰ ভিতৰ ফালৰ জোখ পুবা-পশ্চিমাকৈ ৭ ফুট, উত্তৰা-দক্ষিণাকৈ ৬ ফুট ১০ ইঞ্চি আৰু দ ৬ ফুট। গহ্বৰৰ তলখন বিশাল। এই গহ্বৰৰ মুখতে এজন সাধুৱে এটি ঘৰৰ ভিতৰত মূৰ্তি থকা তিনিচটা শিল ৰাখিছে আৰু তাতে পূজা কৰে।

স.ৰা.

**বাণেশ্বৰ দেৱালয়**

এই দেৱালয় ৰৰভগীয়া মৌজাৰ বাঁহবাৰী গাঁৱত উত্তৰ ট্ৰাঙ্ক ৰোডৰ নিচেই কাষতে। বৰ্তমানৰ অৱস্থা অতি শোক-লগা। টিনৰ এটি হালি পৰিব খোজা সৰু ঘৰৰ ভিতৰত যোনিদেশ আৰু শিৱলিঙ্গ আছে। নিত্য পূজাৰ ব্যৱস্থা নাই। ১৭০৫ চনতে স্বৰ্গদেৱ ৰুদ্ৰসিংহই এই দেৱালয়ৰ মন্দিৰ নিৰ্মাণ কৰাই দিয়ে। দেৱালয়ৰ নামত তামৰ ফলি কৰি ৩৪ বিঘা ৩ কঠা ১১ লোচা মাটি দেৱোত্তৰ হিচাপে দিয়া হৈছিল বুলিও কোৱা হয়।

বৰ্তমান আগৰ মন্দিৰ নাই। উত্তৰাধিকাৰীৰ হাতত তামৰ ফলিও নাই। মাজে সময়ে দুই-এক যাত্ৰী গ'লেও ইয়াত কোনো পয়োভৰ হোৱা দেখা নাযায়। মাটি-বাৰীও বৰ্তমান উত্তৰাধিকাৰীৰ হাতত নাই। বৰ্তমান দেৱালয় থকা ভূমিখণ্ডও নিচেই সংকীৰ্ণ। এই দেৱালয়ক লোকে ৰূপৰ দেৱালয় বোলে।

### যোগেশ্বৰ দেৱালয় (শিলৰ দেৱালয়)

বৰভগীয়া মৌজাৰ কেৰাৰী-চুক গাঁৱৰ পাছফালৰ পথাৰৰ মাজৰ এই দেৱালয়ো বাণেশ্বৰ দেৱালয় সমসাময়িক বুলি কোৱা হয়। দেৱালয়ৰ বৰ্তমান উত্তৰাধিকাৰী চিলাবন্ধা মৌজাৰ নন্দিকেশ্বৰত থাকে। এই দেৱালয়তো নিত্য পূজা-আৰতিৰ ব্যৱস্থা নাই। বেৰা নোহোৱা এখন টিনৰ চালিৰ তলত শিৱলিঙ্গ আছে। পূৰ্বৰ মাটি-বাৰী আন লোকৰ পট্টাৰ ভিতৰত কিবাকৈ সোমাই গ'ল বুলি কোৱা হয়। শিলাখণ্ডত মাজে-সময়ে কোনোবা যাত্ৰীয়ে সেৱা জনোৱাৰ চিন দেখা যায়। বিশেষ পয়োভৰেৰে ইয়াত শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন কৰা হয়। ভুলবশতঃ কোনো কোনো লোকে এই দেৱালয়ক বাণেশ্বৰ আৰু বাণেশ্বৰ দেৱালয় বোলা শুনা যায়। যোগেশ্বৰ দেৱালয়ক স্থানীয় লোকে শিলৰ দেৱালয়ো বোলে।

### শুক্লেশ্বৰ দেৱালয় (ফেঁচকুৰীয়া দেৱালয়)

চিলাবন্ধা মৌজাৰ কোচগাঁৱত এই দেৱালয়। বৰ্তমান ইয়াত নিত্য পূজা-উপাসনাৰ ব্যৱস্থা নাই। ইয়াতো শিৱলিঙ্গ আছে। কেঁচা ভেটিৰ এটি টিনৰ সৰু ঘৰৰ ভিতৰত থকা শিৱলিঙ্গৰ কাষতে বংশীবদন মূৰ্তিও আছে। এই বংশীবদন মূৰ্তি সম্ভৱতঃ পৰৱৰ্তী কালত স্থাপিত। ৭ বিঘা মান দেৱোত্তৰ ভূমি আছে। দেৱালয় থকা ঠাইৰ চাৰিওফালে নাহৰ গছ ভৰি আছে। সাধাৰণতে এই দেৱালয়ক 'ফেচকুৰীয়া দেৱালয়' বুলি জনা হয়। চকুৰ অসুখত এই দেৱালয়ত নৈবেদ্য উছৰ্গা কৰিলে হেনো বিশেষ ফল পোৱা যায়। ইয়াৰ ঐতিহ্য সম্বন্ধে বিশেষ জানিব নোৱাৰি যদিও এই দেৱালয় হলেশ্বৰ মৌজাৰ শুক্লেশ্বৰৰ অংশ বিশেষ বুলি ভাবিবৰ থল আছে।

### ৰুদ্ৰপদ দেৱালয় (চামধৰা)

ভৰলী নদীৰ গতি সলনি হোৱাত তেজপুৰৰ ওচৰৰ ভোমোৰাগুৰি পৰ্বতত ৰুদ্ৰপদ দেৱালয়ৰ ঠাকুৰ পৰিয়াল বিচ্ছিন্ন হৈ পৰে। সেয়ে ভৰলীৰ পূব পাৰে থকা সেই বংশৰ জনৈক ব্ৰাহ্মণ মূল পীঠৰ এভাগ মূৰ্তি আনি জামুগুৰি অঞ্চলৰ নন্দিকেশ্বৰ দেৱালয়ৰ ওচৰৰ টঙনাজাৰত স্থাপন কৰে। নদীৰ অত্যাচাৰত তাৰপৰাও মূৰ্তিভাগ নি মুঢ়াদ'ল মৌজাৰ চামধৰা গাঁৱত স্থাপন কৰে। এই দেৱালয়ৰ সুকীয়া ঐতিহ্য নাই। মূল ৰুদ্ৰপদৰ লগতে ই জড়িত হৈ আছে। ভৰলীৰ গতি পৰিৱৰ্তনৰ হেতু এই নতুন দেৱালয়ৰ উৎপত্তি।

**গৰখীয়া বাবৰ থান**

এই থান চিলাবন্ধা মৌজাৰ নন্দিকেশ্বৰ গাঁৱত অৱস্থিত। নিত্য পূজা-পাৰ্বণ ইয়াত চলি আছে। বহুদিনৰপৰা এই ঠাইত গৰখীয়া বাবাৰ থান আছিল বুলি কোৱা হয়। পম খেদি জনা গৈছে যে এই থানৰো কোনো ৰজাঘৰীয়া প্ৰাচীনতা নাই। পূৰ্বতে ইয়াত গৰু-মহৰ ব্যাধিৰ উপশম বিচাৰিহে প্ৰাৰ্থনা জনোৱা হৈছিল। বৰ্তমান গৰখীয়া বাবাৰ থানত শিৱলিঙ্গ আছে। জনশ্ৰুতিমতে উজাৰাচুকৰ ভাগৱতী পুখুৰীৰ পাৰত থকা বৃহৎ শিলাখণ্ডখৰপৰা এই থানৰ উপাস্য বিগ্ৰহৰ উৎপত্তি। উল্লিখিত শিলাখণ্ডত বোলে বুঢ়ী গোসানী (দুৰ্গা), কালী আৰু গৰখীয়া বাবাৰ (শিৱ) মূৰ্তি অঙ্কন কৰি স্থানীয় লোকে বহুত আগৰেপৰাই বিবিধ উপলক্ষ্যত সেই ঠাতি মণ্ডপ আদি সাজি পূজা-সেৱা কৰিছিল। কালক্ৰমত এজন বঙালী শিলাকুটিয়ে এই শিলাখণ্ড তিনিখন মূৰ্তিলৈ ৰূপান্তৰ কৰে। তাৰপৰাই গৰখীয়াবাবাৰ মূৰ্তি আনি বৰ্তমান ঠাইত পূজা-সেৱা কৰা হয়। সময়ত ইয়াৰ ঘৰ-দুৱাৰ ভাগি যোৱাত বহুকাল বিগ্ৰহ পূজাৰিৰ ঘৰত ৰখা হয়। বৰ্তমান ভাল ঘৰ-দুৱাৰত পূৰ্বৰ ঠাইতে নিত্য সেৱা-পূজাৰ গাম্ভীৰ্যৰে গৰখীয়া বাবাৰ সেৱা-পূজা চলি আছে।

**বুঢ়ী গোসানীৰ থান**

ওপৰত উল্লেখ কৰা শিলাখণ্ডৰ পৰাই বুঢ়ী গোসানী বিগ্ৰহৰ উৎপত্তি। পূৰ্বতে নন্দিকেশ্বৰ দেৱালয়ৰ কাষতে এই মূৰ্তি স্থাপন কৰি সেৱা-পূজা কৰা হৈছিল। শেষত ঘৰ-দুৱাৰ ভাগি যোৱাত বিগ্ৰহ পূজাৰিৰ ঘৰলৈ নিয়া হয়। পূজাৰিৰ ঘৰতো সাময়িকভাৱে সেৱা-পূজা চলোৱা হৈছিল। সৰ্বশেষত এই মূৰ্তিভাগ নন্দিকেশ্বৰ দেৱালয়ত ৰখা ব্যৱসথা কৰা হয়। বুঢ়ী গোসানী এটিয়াও নন্দিকেশ্বৰ দেৱালয়ত আছে। পূৰ্বৰ থকা ঠাইক বুঢ়ী গোসানীৰ থান বুলি বৰ্তমানো শ্ৰদ্ধা-ভক্তি জনোৱা হয়। উল্লিখিত শিলাখণ্ডৰ আনভাগ মূৰ্তিৰ বিষয়ে অনুসন্ধান কৰিও একো জনা নগ'ল।

**কঠালগুৰিৰ থান**

কৰ্চনতলা (কুসুমতলা) বৰিৰ কাষতে ভালেমান কঠাল গছেৰে কঠালগুৰিৰ থান। গৰখীয়াসকলৰ এই থান বৰ প্ৰিয়। ইয়াত কোনো মূৰ্তি আদি নাই। বহুত দিনৰেপৰা ইয়াত শৰাই-শলিতা দি অহা হৈছে। এই থানৰ উপাসনাৰ প্ৰচলনকৰ্তাৰ নামো অজ্ঞাত। গৰু-ম'হ ব্যাধিত পৰিলে বা হেৰালে এই থানত কৰা পূজা-সেৱাই কাম দিয়ে বুলি বিশ্বাস কৰা হয়।

**মাধৱ দেৱালয় (মুঢ়াদ'ল)**

সৌভাগ্যমাধৱ দেৱালয় বিগ্ৰহে ঘনাই থান সলোৱা কালতে বৰ্তমান ঠাইৰ পূৰ্বতে মুঢ়াদ'ল গাঁৱত মাধৱৰ মূৰ্তি স্থাপন কৰা হয়। এতিয়াও এই ঠাইত বিবিধ সময়ত নাম-

প্ৰসঙ্গ কৰা হয়। স্থানীয় ৰাইজৰ চেষ্টাত এটি টিনৰ মন্দিৰ আকৃতিৰ ঘৰ ইয়াত হৈ উঠিছে। কোনো মূৰ্তি-বিগ্ৰহ বৰ্তমান নাই। এই থান উত্তৰ ট্ৰাঙ্ক ৰোডৰ নিচেই দাঁতিতে। সাধাৰণতে এই থানক মাধৱ গোসাঁইৰ থান বুলিহে জনা যায়।

**কলীয়াজাৰৰ থান**

মুঢ়াদ'ল মৌজাৰ অৰণ্য অংশত এই থান আছে বুলি কোৱা হয়। সৌভাগ্য কন্দলিয়ে পোৱা মাধৱৰ মূৰ্তি স্থাপন কৰা লৈ হোৱা খেলি-মেলিৰ কোনোবা এটা পৰ্যতে ইয়াতো সাময়িকভাৱে মাধৱৰ মূৰ্তি স্থাপন কৰা হৈছিল বুলি অঞ্চলৰ কোনো কোনো লোকে বিশ্বাস কৰে। এই বিশ্বাসতে নিৰ্ভৰ কৰি অৰণ্যৰ থানতো যাত্ৰীয়ে পূজা-সেৱা কৰে। পশু-হিংসা বৃত্তি লৈ যোৱা পথিকে থানৰ দৰ্শন নেপায় বুলি কোৱা হয়। মাধৱৰ মূতিৰ সেই কালত ঘনাই হোৱা স্থানান্তৰৰ কাৰণে এই অৰণ্য অঞ্চলতো থান থকাৰ বিশ্বাস ঘনীভূত কৰিছে। হয়তো সেই কালত উত্তৰ কূলত হোৱা ডফলাৰ অত্যাচাৰতে এই মূৰ্তি সঘনে লৰাবলগীয়া হৈছিল। তেনে ক্ষণতে ইয়াত মাধৱৰ মূৰ্তিয়ে জিৰাবলগীয়া হোৱাটো আচৰিত কথা নহয়। শুনামতে কলীয়াজাৰৰ থানত ঘৰ-দুৱাৰ মূৰ্তি-ভাগৱত একো নাই। দুই-এক শিলাখণ্ড আৰু সুপ্ৰাচীন পৰিবেশে ঠাইখন গহীন কৰি ৰাখিছে বুলি শুনা যায়।

**বাসুদেৱ থান (বটিয়ামাৰি)**

এই থান চিলাবন্ধা মৌজাৰ বটিয়ামাৰি অঞ্চলত অৱস্থিত। বৰ্তমান স্থানীয় নেপালী আৰু অন্যান্য লোকৰ চেষ্টাত এই ঠাইত সাময়িকভাৱে বিবিধ উৎসৱ হয়। এই থানৰ বিগ্ৰহ আদি পাঁচি গাঁৱৰ একে নামৰ থানলৈ লৈ যোৱাৰ পাছত বহু কাল ইয়াত একো অনুষ্ঠান নহৈছিল। উত্তৰ পাৰৰ এই ঠাইতে পোনপ্ৰথমে বাসুদেৱ মূৰ্তি স্থাপন কৰা হৈছিল। বৰ্তমান এই ঠাইত মূৰ্তি আদি একো নাই। থানত থকা মাটিৰ বেদীত পূজাৰ সময়ত বিবিধ উপলক্ষ্যত বিবিধ দেৱতা স্থাপন কৰা হয়। এই থানৰ এটি প্ৰাচীন পুখুৰীত চৰকাৰী মীনমহল খোলা হৈছিল। বৰ্তমান উঠি গৈছে। এতিয়া ইয়াত দক্ষিণ চিলাবন্ধা গাঁও পঞ্চায়তৰ কাৰ্যালয় বহিছে।

**বাসুদেৱ থান (পাঁচিগাঁও)**

জামুগুৰিৰপৰা দুমাইল দক্ষিণত পাণপুৰলৈ যোৱা আলিৰ কাষতে এই থান অৱস্থিত। জনশ্ৰুতিমতে ইয়াত থকা ভগ্নপ্ৰায় চতুৰ্ভুজ মূৰ্তি দক্ষিণ কূলৰপৰা আনি পোনতে ওপৰত উল্লেখ কৰি অহা বাসুদেৱ থানতে স্থাপন কৰা হয়। ৰাইজৰ বিশ্বাস, এই মূৰ্তিয়ে হেনো জনহীন ঠাইত থাকিবলৈ ভাল পায়। তেতিয়াৰ জনপূৰ্ণ বটিয়ামাৰি গাঁৱত বিবিধ উপসৰ্গত জনহীন হোৱাত বহুপৰিয়ালৰ পূজাৰিৰ ঘৰো উজাৰ হয়। শেহত পূজাৰিৰ একমাত্ৰ ল'ৰাকো সাপে দংশন কৰি মৃত্যু ঘটায়। খণ্ডত একো নাই হৈ পূজাৰিয়ে পুত্ৰ-শোকত টাঙোনেৰে চতুৰ্ভুজ মূৰ্তিক প্ৰহাৰ কৰে। এই প্ৰহাৰৰ ফলতে মূৰ্তিৰ কিছুৰ

ক্ষতি হয়। পূজাৰি ভগ্নপ্ৰায় বাসুদেৱ মূৰ্তি তাতে এৰি বহু কাল প্ৰবাসী হয়। পূজাৰি আঁতৰি যোৱাৰ পিছত ৰাম অৱতাৰ নামৰ বিৰাট বপুৰ এজন কোচবিহাৰী লোকে এই মূৰ্তি অৰণ্য-সদৃশ বাটিয়ামাৰিৰপৰা আনি আলোচ্য ঠাইত স্থাপন কৰে। তেওঁ ইয়াত ৰীতিমতে পূজা-সেৱা চলাইছিল। ৰামঅৱতাৰ এসময়ত চিপাহী আছিল। সেয়ে স্থানীয় ৰাইজে তেওঁক পল্টনীয়া বাবাও বুলিছিল। বাসুদেৱ মূৰ্তি ইয়াত প্ৰতিষ্ঠা কৰি তেওঁ ঠাইখন ফলে-ফুলে জাতিষ্কাৰ কৰি ৰাখিছিল আৰু স্থানীয় লোকৰ চেষ্টাত ইয়াত ঘৰ-দুৱাৰো সজা হৈছিল। পাছত বহু ফালৰপৰা চলা নানা চক্ৰান্তেৰে ৰামঅৱতাৰক এই ঠাই এৰিবলৈ বাধ্য কৰা হয়। তেতিয়াৰপৰা পূৰ্বৰ পূজাৰিৰ বংশৰ এজনে ইয়াত পূজা-সেৱা চলাইছিল।

**বাসুদেৱ থান (থেকেৰাগুৰি)**

এই থানৰ পুৰণি কথা অনেক চেষ্টা কৰিও জনা নগ'ল। থানৰ নামত থকা মাটিৰ পৰিমাণ আৰু প্ৰাচীন পৰিৱেশৰপৰাই এই থানৰ অতীত গুৰুত্ব উপলব্ধি কৰিব পাৰি। বৰ্তমান জনহীন ঠাই নাহৰ, পলাশ আদিৰে সুশোভিত বাসুদেৱ থানত এটি সৰু টিনৰ ঘৰৰ বাহিৰে আন একো নাই। জনশ্ৰুতিমতে, বৰ্তমান ঘৰ থকাৰ দুনলমান আগলৈহে বোলে পূৰ্বৰ থানৰ ভেঁটি আছিল। সেই দিনৰ বিগ্ৰহ আদি উক্ত ঠাইতে পোত খাই থকা বুলি ৰাইজে বিশ্বাস কৰে। একালত এই ঠাইতো পয়োভৰেৰে পূজা-সেৱা কৰা হৈছিল আৰু ইয়াত এখন জনপূৰ্ণ গাঁৱো আছিল। মাৰি-মৰকে পূৰ্বতে এই গাঁও উছন কৰে। বাসুদেৱ থান সদায় অৰণ্যময় আৰু জনহীন বুলি স্থানীয়ভাৱে এটি বিশ্বাস চলি আছে। বৰ্তমান মূৰ্তি আদি ইয়াত নাই। মহাপুৰুষীয়া আৰ্হিৰে স্থাপন কৰা থাপনাহে দেখিবলৈ পোৱা যায়। পাঁচি গাঁৱৰ বাসুদেৱ থানৰপৰা আহি ৰাম অৱতাৰ ইয়াতো কিছু দিন আছিল। এই ঠাইত স্থাপন কৰা প্ৰাচীন বাসুদেৱ মূৰ্তি দক্ষিণ কূলৰপৰা অনা বুলি ভাবিৰ থল আছে। বৰ্তমান ইয়াত নিত্য পূজা-উপাসনা নচলে। আজি-কালি স্থানীয় ৰাইজৰ চেষ্টাত বিশেষ পয়োভৰেৰে ৰাসোৎসৱ পালন কৰা হয়।

**বৰগুৰি থান**

ভৰলী নৈৰ পাৰত এই থান আছিল। পূৰ্বৰ থান বৰ্তমান নদীৰ গৰ্ভত। এজোপা বিৰাট বকুল গছৰ কাষতে থান স্থাপিত হৈছিল বাবেই এই থানক বকুলগুৰি থান বোলা হয়। বাটিয়ামাৰিৰ থান জাকজমককৈ চলি থকাৰ দিনতে তাৰেপৰা অনা বংশীবদন মূৰ্তিভাগ থাপনা কৰি বহু কাল ইয়াত উৎসৱ-পাৰ্বণ পতা হৈছিল। এই অঞ্চলতে পূৰ্বে এলেঙি আদি কেইখনিমান সত্ৰও আছিল, নদীৰ উপদ্ৰৱত স্থানান্তৰিত হয়। বকুলগুৰি থানত এসময়ত বৰ পয়োভৰেৰে গোসাঁই বিহুৰ দিনা এখন মেলাও অনুষ্ঠিত হৈছিল। বৰ্তমানো নদীৰ অনতিদূৰত বকুলগুৰি থানৰ ক্ষীণ স্মৃতি জলাই ৰাখিবলৈ চেষ্টা কৰা হৈছে। থানৰ স্থাপনকৰ্তাৰ নাম আৰু সময় জনা নগ'ল। এতিয়াও কোনো কোনো যাত্ৰীয়ে তালৈ গৈ আপোন পদ্ধতিৰে সেৱা জনায়গৈ।

### চামধৰা দেওৰ থান

এই থান ভৰলী নৈৰ মথাউৰিৰ কাষৰ জীউনাথৰ চুকত অৱস্থিত। আগতে এই থান ভৰলীৰ পশ্চিম কূলত আছিল বুলি শুনা যায়। ইয়াত কেইপাহিমান পুৰণি ধাতুনির্মিত ফুল আৰু এখন প্ৰাচীন দা আছে। দাখন দেও উঠা আৰু মঙল চোৱা কামত ব্যৱহৃত হৈছিল বুলি কোৱা হয়। শুনা যায়, চামধৰা দেও লম্ভা লোকজনে এই দা হাতত লৈ ভাদমহীয়া খোজ কাঢ়ি ভৰলী ইপাৰ-সিপাৰ হ'ব পাৰিছিল। এনেকৈয়ে দেওৰ লগে লগে এজন অনুচৰেও খোজ কাঢ়ি যাব পাৰিছিল বুলি বিশ্বাস কৰা হয়। চামধৰা দেওৰ থান আদিতে কেৱল জনজাতীয় সকলৰহে উপাসনাৰ থলি বুলি ভাবিবৰ হেতু আছে। থানৰ লগত জড়িত কিংবদন্তীয়ে ইয়াকে সূচায়। চামধৰা দেওৰ থান অঞ্চলটোৰ ভিতৰতে দুৰ্ঘোৰ তান্ত্ৰিকপন্থী আছিল। চামধৰা দেওৰ লগত চোমদেউ দেৱতাৰ কিবা সম্পৰ্ক থাকিব পাৰে, সিও অনুসন্ধানৰ বিষয়। ইয়াত দেও উঠি ৰাইজৰ আগত ৰাইজৰ কুশল-মঙ্গল দেওৰ মুখেদি প্ৰকাশ কৰা হৈছিল। ৰাইজো সেইমতে চলিছিল। বহুকাল পাছত বোলে কোনোবা মাইকী মানুহে বিগ্ৰহৰ শুচিতা নষ্ট কৰে। ফলত দেওধাই নুঠা হ'ল। ভৰলীৰ পাৰৰপৰা পূব পাৰলৈ থানৰ স্থানান্তৰৰ কাহিনীৰ কাৰণ জনা নেযায়। ইয়াত কোনো নিৰ্দিষ্ট পূজাৰি বা উত্তৰাধিকাৰীও নাই। এতিয়া সেৱা-পূজা বা অন্য কোনো অনুষ্ঠান ইয়াত নহয়। জনশ্ৰুতিয়ে এই চামধৰা দেওৰ থানৰ নাম অনুসৰিয়েই মুঢ়াদ'ল মৌজাৰ চামধৰা নামৰ গাঁও হৈছে বুলি কয়।[১]

## থান-সত্ৰ

### অন্ন নোখোৱা আতাৰ থান

বৰভগীয়া মৌজাৰ ডেকাসুন্দৰ গাঁৱৰ এই থানৰ গুৰি চেঁচাডিমৰুগুৰি সত্ৰৰপৰা অহা অন্ন নোখোৱা আতা। থাপনাত ভাগৱত আৰু দুযোৰ কাঠৰ খৰম সংৰক্ষিত হৈছে। নিতৌ সন্ধিয়া নাম-প্ৰসঙ্গ হয়।

### আঁহতগুৰি বগাকুঢ়া সত্ৰ

ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য শ্ৰীৰাম দ্বিজৰ পুত্ৰ ৰমানন্দ, তেওঁৰ নাতি চাৰুচন্দ্ৰই জামুগুৰি মুঢ়াদলত এই সত্ৰ পাতে। বৰ্তমান অধিকাৰে হাতিঙা গাঁৱলৈ সত্ৰ তুলি দিয়ে।

### এঙাৰপাৰ থান

বৰভগীয়া মজলীয়া স্কুলৰ দাঁতিৰে এই থান কৰত্তিপৰীয়া কোনো এজনৰপৰা হয়।

---

১ বাণেশ্বৰ দেৱালয়ৰপৰা চামধৰা দেওৰ থানলৈকে এই অংশ জামুগুৰিহাটৰ ভৰলীপৰীয়া সাহিত্য চ'ৰাৰ হৈ শ্ৰীকনকান্ত শইকীয়া আৰু শ্ৰীপ্ৰভাদ বৰঠাকুৰে সংগ্ৰহ কৰা 'জামুগুৰি অঞ্চলৰ থান-সত্ৰ আদিৰ চমু বিৱৰণ' পুথিৰপৰা সন্নিবিষ্ট কৰা হ'ল।

থানৰ নামত মাটি-বাৰীও আছিল, কিন্তু আগৰ থাপনাৰ ঠায়ো এতিয়া লোকৰ পট্টাত। ইয়াৰ বংশীবাদন মূৰ্তিটিও নি মাধৱ দেৱালয়তহে ৰখা হৈছে।

**কৰতিপাৰ সত্ৰ**

মাজুলীৰ মূল কৰতিপাৰ সত্ৰৰপৰা এভাগি আনি জামুগুৰিত এই সত্ৰ পতা হৈছিল। মাজুলীত কৰতিপাৰ সত্ৰ পাতোঁতে যদুদেৱৰ তলৰ পঞ্চম পুৰুষৰ যোগেশ্বৰদেৱে চন্দ্ৰকান্তসিংহ ৰজাৰ দিনত এই সত্ৰ পাতে ১৮১০ চনত। সত্ৰখনি পোনতে ভৰলীগুৰিত আছিল, বৰ্তমান জামুগুৰিৰ এমাইলমান পূবত।

**কলাবাৰী সত্ৰ**

ইয়াতে বংশীগোপালদেৱে বৰদলৈ, তামূলীদলৈ আদি ভূঞাসকলেৰে আড়ম্বৰেৰে সত্ৰ পাতিছিল। পিছত ইয়াৰপৰা সত্ৰ তুলি নিয়ে। গোলাঘাট 'কুৰুৱাবাহী সত্ৰ' চাওক। কলাবাৰীতে বনমালীদেৱে অচ্যুতানন্দৰায় নামে মূৰ্তিৰে অচ্যুতপুৰ সত্ৰ পাতিছিল বুলি চৰিতত আছে।

**ক'লীয়া গোসাঁই সত্ৰ**

বালিপাৰাত। বাপুৰামদেৱৰ দ্বিতীয় ভাৰ্যাৰ পুত্ৰ মাধবানন্দ আৰু স্বৰূপানন্দই বাঁহজেঙনিত সত্ৰ কৰোঁতে ব্ৰহ্মপুত্ৰই খহোৱাত কলিয়াবৰত থান পাতে। প্ৰমত্তসিংহ ৰজাই স্বৰূপানন্দৰ পুত্ৰ চাৰুচন্দ্ৰক কলিয়াবৰৰ বামন গোসাঁইৰ থান (চাওক), বালিপাৰাত ক'লীয়া গোসাঁই থান আৰু দিকৰাই গুৰিত মাধৱৰ থান পাতি দিয়ে। ইবোৰ থানত প্ৰাচীন কালৰে শঙ্খ, তাম্ৰফলি, বৰডবা, বৰকাঁহ আদি আছে। তিনিওখনি বালিসত্ৰৰ পৰিচালনাত।

**কামদেৱাল সত্ৰ**

বংশীগোপালদেৱৰ এগৰাকী মেধিৰ সত্ৰ এইখনি। কলাবাৰী অঞ্চলত।

**কাবৈমাৰি সত্ৰ**

গহপুৰত। শিৱসাগৰৰপৰা অহা। শিৱসাগৰৰ 'কাবৈমাৰি সত্ৰ' চাওক।

**কুণ্ডাৰবাৰী থান**

মাজুলীৰ আউনীআটি সত্ৰৰ এটি শাখা। হলেশ্বৰ মৌজাৰ ডেকাপুখুৰীত।

**কোৱামৰা সত্ৰ**

নিৰঞ্জন গাভৰুগিৰীৰ পুত্ৰ সাৰঙ্গপাণিৰপৰা পতা সত্ৰ। আগতে শলগুৰি নামে গাঁৱত আছিল, এতিয়া মুঢ়াদ'ল মৌজাৰ দিক্ৰাইলৈ উঠি গৈছে।

**খুটাৰগুৰি থান**

কলংপুৰত এইখনি চুপহা সত্ৰৰ শাখা আছিল। ব্ৰহ্মজান নৈৰ পাৰত কৃষ্ণচৰণদেৱে

খুটাৰগুৰি সত্ৰ প্ৰতিষ্ঠা কৰে। এই সত্ৰৰ শাখা-প্ৰশাখা যোৰহাট, গোলাঘাট, তেজপুৰ, শিৱসাগৰ আদিত আছে।

**গটঙা সত্ৰ**

হলেশ্বৰ মৌজাৰ গটঙাত। বৰভকতৰ ঘৰৰ চাৰি কৃষ্ণৰ এক কৃষ্ণ ত্ৰাহিকৃষ্ণৰ বংশৰ সত্ৰ। ত্ৰাহি কৃষ্ণৰ দ্বিতীয় পুত্ৰ সুনন্দৰ দ্বিতীয় পুত্ৰ গৌৰাঙ্গ চৰণে গটঙাত সত্ৰ পাতে।

**গাংমৌ থান**

বৰগাং নৈৰ পূবপাৰে ব্ৰহ্মপুত্ৰৰ পাৰত মহাপুৰুষ শঙ্কৰদেৱৰ গাংমৌ থান আছিল। এই থান ব্ৰহ্মপুত্ৰ আৰু বৰগাং দুই নৈয়ে খহাই নিয়ে।

**গুৱাধৰা থান**

বৰঙাবাৰীৰ কলংপুৰ মৌজাৰ গোবাঘৰীয়া গাঁৱত। ইয়াত হেনো মহাপুৰুষ গুৰুজনে গাংমৌৰপৰা আহি গুৱা ধৰিছিল আৰু সাতদিনমান আছিল। নামঘৰ-মণিকূট আছে।[১]

**গোনামৰা সত্ৰ**

চাৰিকৃষ্ণৰ ভিতৰৰ মহাকৃষ্ণৰ বংশৰ সত্ৰ চতিয়াৰ সলাল গাঁৱত আছে। নগাঁৱৰ 'সতানন্দী সত্ৰসমূহ' (চতিয়াল গোনামৰা) চাওক।

**গোবিন্দ এলেঙি সত্ৰ**

বৰ্তমান শতিকাত বৰভকতৰ বংশৰ শ্ৰীবাপাদেৱ গোস্বামীয়ে গহপুৰত এই সত্ৰ পাতে।

**চাৰিকৃষ্ণৰ থান**

বিশ্বনাথ চাৰিআলিৰ ওচৰত। ইয়াৰ পূবে বুঢ়ীগাং, উত্তৰে গলয়া নদী, পশ্চিমে সাধাৰুজান আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ। ইয়াতে বৰভকত সতানন্দৰ চাৰিপুত্ৰ জয়কৃষ্ণ, মহাকৃষ্ণ, ত্ৰাহিকৃষ্ণ আৰু শ্ৰীকৃষ্ণ জন্মে। কাকৰিকটাৰ ভকতে এই সত্ৰ প্ৰতিপালন কৰি থাকে। নগাঁৱৰ 'সতানন্দী সত্ৰ' চাওক।

**চিপহা সত্ৰ**

তেজপুৰৰ কেতেকীবাৰীত। পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ কৃষ্ণচৰণদেৱৰ পৰা চিপহা বা চুপহা সত্ৰ হয়। মূলতে এই সত্ৰ মাজুলীত আছিল; পিছত কলিয়াবৰ, গোলাঘাট, শিৱসাগৰ, তেজপুৰ, কলংপুৰ আদিত সত্ৰৰ নানা ভাগ স্থাপিত হয়। কৃষ্ণচৰণদেৱৰ বংশৰ বিষ্ণুৰামদেৱে গৌৰীনাথসিংহ ৰজাৰ দিনত ১৭০২ শকত তেজপুৰ কেতেকীবাৰীত শিলৰ খুটা পুতি চৌহদৰ চিন বান্ধি সত্ৰ প্ৰতিষ্ঠা কৰে।

---

১ শ্ৰী তিলক কাকতীৰ টোকাৰপৰা।

**চুপহা সত্ৰ**

ৰঙাগড়াত, সত্ৰৰ বিগ্ৰহ গোপাল, গতিকে এইখনি ৰঙাগড়া গোপাল চুপহা সত্ৰ নামে জনাজাত। 'চিপহা সত্ৰ' চাওক। এইখনি সত্ৰ কৃষ্ণচৰণদেৱৰ পুত্ৰ হৰিনাৰায়ণদেৱে প্ৰতিষ্ঠা কৰে।

**চেউনী বৰদোৱা সত্ৰ**

বৰদোৱা থানৰ লগত কোনোপ্ৰকাৰে সংশ্লিষ্ট এই থান চিলাবন্ধা মৌজাত, ট্ৰাঙ্ক ৰোডৰ ওচৰত, শলগুৰি সত্ৰৰ নিচেই কাষৰতে। শলগুৰি সত্ৰৰ দৰে এই থানো শুভানু আতাই পতা অসম্ভৱ নহয়। ইয়াত অষ্টমীয়া ভিন্ন আন ভাৱনা নহয়।

**চেঁচা সত্ৰ**

জামুগুৰি অঞ্চলৰ বৰভগীয়া মৌজাত উজনি বৰঠাই চেঁচাসত্ৰৰ এভাগ আছে। আন ভাগ যোৰহাটৰ টিয়কত। দৌলেশ্বৰদেৱ নামৰ সত্ৰাধিকাৰৰ দিনতে (জগতমোহনৰপৰা ধৰি একাদশ সত্ৰাধিকাৰ) বৰঠাই চেঁচাসত্ৰ দুভাগ হয়, যদিও শিষ্যৰ ভাগ হোৱা নাই। জামুগুৰিহাট সত্ৰৰ মিৰি শিষ্য অনেক আছে। সত্ৰই নতুনকৈ বঙালী লোককো ধৰ্ম প্ৰদান কৰিছে।

**টেঙাবৰীয়া সত্ৰ**

নাদুৱাৰ অঞ্চলত মুঢ়াদ'লত। লোকমুখত নাম 'টেঙাভৰোৱা'। বৰভকতৰ বংশৰ, ব্ৰাহ্মিকৃষ্ণৰ পুত্ৰ গোপালচৰণদেৱে বিশ্বনাথ চাৰিআলিৰ ওচৰত চাৰি কৃষ্ণৰ থানৰ এমাইলমান বৰ্তমানে থকা টেঙাবাৰীত সত্ৰ স্থাপন কৰে। গোপালচৰণৰ নাতি কমলদেৱৰ দিনত সত্ৰ ভটীয়াই গৈ চিৰাজুলিত ৰয়; তাতো এতিয়া এখনি থান আছে। কমলদেৱৰ পুত্ৰ নিত্যানন্দই ভৈৰৱী নদীৰ পূব পাৰলৈ সত্ৰ তুলি নিয়ে; সেই ঠাই এতিয়া সেই নদীৰ গৰ্ভত। চাৰি পুৰুষৰ পিছত বৰ্তমান ঠাইতে সত্ৰ হয়।

**ডিফলু সত্ৰ**

কলাবাৰী মৌজাত ফুলবাৰী বা বৰকালিকা থানৰ ওচৰত। বংশীগোপালৰপৰা বঢ়া সত্ৰ। চাৰিসত্ৰীয়াৰে প্ৰায় সমান থান। চাৰিসত্ৰীয়ালৈ ইয়াৰপৰা ডেকা নিয়াৰ নিয়ম আছে।

**কৌকাচাপৰি সত্ৰ**

জামুগুৰিত। ভবানীপুৰীয়া গোপাল আতাৰ নাতি যাদৱানন্দদেৱৰ পৰিনাতি কণ্ঠায়নদেৱে জামুগুৰিত এই সত্ৰ পাতিছিল। নগাঁৱৰ 'কালসংহতি সত্ৰ' চাওক।

**ঢেঁতেলিগুৰি সত্ৰ**

বৰভগীয়া মৌজাৰ বৰভগীয়া গাঁৱত। সত্যানন্দ বৰভকতৰ বৰপুত্ৰ জয়কৃষ্ণৰ পুত্ৰ ৰূপনাৰায়ণৰপৰা বঢ়া বুলি কোৱা হয়।

**দিচিয়াল সত্ৰ**

মহকুমাৰ পূব অঞ্চলৰ কলংপুৰত। বংশীগোপালৰ আজ্ঞাপৰ।

**খোপাৰৰ সত্ৰ**

মুঢ়াদ'ল মৌজাৰ পানীগাঁৱৰ এই সত্ৰ কালসংহতিৰ।

**নমাটি সত্ৰ**

দিহিং থুলৰ এই সত্ৰ বৰভগীয়া মৌজাৰ বাহদোহা গাঁৱত হোৱা তিনি পুৰুষমান হৈছে।

**নদুৱাৰ সত্ৰ**

নদুৱাৰত। এইখনি সত্ৰ গটডিয়াল গোসাঁইসকলেৰে সম্পৰ্কিত।

**নৰোৱা থান**

নদুৱাৰ অঞ্চলত দিকৰাই নৈৰ পশ্চিম পাৰে (বৰভগীয়া মৌজাত) উত্তৰ ট্ৰাঙ্ক ৰোডৰপৰা দিকৰাই বাগিচালৈ যোৱাৰ বাটত। এসময়ত নৰোৱাৰ গোসাঁইৰ দ্বাৰা পৰিচালিত আছিল, এতিয়া সমূহে পৰিচালনা কৰে।

**নাহৰখাত সত্ৰ**

বৰভগীয়া মৌজাৰ বৰভনীয়া গাঁৱৰ কালসংহতিৰ সত্ৰখনি পুৰুষ সংহতিৰ নিয়মতহে চলে।

**নিকামূল সত্ৰ**

তেজপুৰৰ কেতেকীবাৰী গাঁৱত বৰবৰজনীয়া সত্ৰসমূৰ অন্যতম এইখনি সত্ৰ। চাৰি কৃষ্ণৰ এক কৃষ্ণৰ পুত্ৰ বাপুৰামদেৱৰ পুত্ৰ স্বৰূপানন্দদেৱে ৰুদ্ৰসিংহ ৰজাৰ দিনত মাজুলীৰ বৰ্তমান পোহাদিয়া নামে ঠাইত নিকা নামে এজন ভকতৰ বাৰীত নিকামূল সত্ৰ স্থাপন কৰে। মানৰ দিনত সত্ৰখনি তুলি আনি কলং নৈৰ মুখত কিছু দিন বাহৰ কৰি থকা হয়। তাত কিছু দিন থাকি কলঙেদি ভটীয়াই নগাঁও চহৰৰ চাৰি মাইল পূবে শিঙিয়াপোতনি মৌজাৰ উৰিয়া গাঁৱত পুনৰ নিয়মেৰে সত্ৰ পতা হয়। শেহত উত্তৰ পাৰলৈ আহি তেজপুৰ নগৰৰ দুমাইল উত্তৰে বৰ্তমান স্থানত পূৰ্বৰ আৰ্হিৰে সত্ৰ পতা হয়। কলিয়াবৰ আৰু নগাঁৱৰ সত্ৰ দুখনি তেজপুৰৰ সত্ৰাধিকাৰৰ তলে ভকত-বৈষ্ণৱসকলে পৰিচালনা কৰে।

**পুখিখাঁতী সত্ৰ**

'বাকৰি সত্ৰ' চাওক।

**বৰএলেঙি সত্ৰ**

মাজুলীৰ কাকৰিকটা এলেঙিৰপৰা বঢ়া এই সত্ৰ জামুগুৰি অঞ্চলৰ মুঢ়াদ'লত। চাৰি

কৃষ্ণৰ কনিষ্ঠ শ্ৰীকৃষ্ণৰ পুত্ৰ বাপুৰামদেৱৰ কন্যাৰ চাৰিজন সন্তানৰ দ্বিতীয় দয়াৰামৰ বংশৰ সত্ৰ। পূৰ্বে এই সত্ৰ মাজুলীৰ কাকৰিকটাৰপৰা ফাটি কলিয়াবৰত বালিভূঁইত ৰয়। তাৰপৰা দয়াৰামৰ পৰিনাতি দুজন পৃথক হৈ পোনতে ভৰলী নৈৰ ওচৰত, আৰু ষাঠি বছৰমান আগতে সত্ৰ কৰে।

**বৰগাঁও সত্ৰ**

বৰগাঁও মৌজাত।

**ব'ৰাগীৰ থান বা মাধৱানন্দৰ থান**

চতিয়া দিকৰাইগুৰিত মাধৱৰ থান, মাধৱানন্দৰ থান বা ব'ৰাগীৰ থান। "কলীয়া গোসাঁই থান" চাওক।

**বৰালিমৰা সত্ৰ**

তেজপুৰৰ দআটি গাঁৱত। সতানন্দ বৰভকতৰ পুত্ৰ চাৰি কৃষ্ণৰ এক কৃষ্ণ ত্ৰাহিকৃষ্ণৰ বংশৰ সত্ৰ। ত্ৰাহিকৃষ্ণই কলং নৈৰ পাৰত সত্ৰ কৰে। তেওঁৰ পিছত দ্বিতীয় পুত্ৰ সুনন্দদেৱ, তেওঁৰ দ্বিতীয় পুত্ৰ অনন্তচৰণদেৱ সত্ৰাধিকাৰ হয়। তেওঁৰ পুত্ৰ মধুসুদন অধিকাৰ আৰু সৰু পুত্ৰ জনাৰ্দন ডেকা হৈ কলিয়াবৰৰপৰা উঠি আহি বৰগাং নৈৰ পশ্চিমে (বৰ্তমান জিঞ্জিয়া বাগানৰ মাজত) বৰালিমৰা বিলৰ উত্তৰত সত্ৰ পাতি ৰয়। এই বৰালিমৰা সত্ৰত আশ্ৰয় পাই সত্ৰৰ নামত গদাধৰসিংহই ১৬০৪ শকত নিষ্কৰ মাটি দান কৰিছিল। মধুসূদনদেৱৰ নাতি লম্বোদৰদেৱে বিনন্দকুৰিত ৰাধাগোসাঁই পুখুৰীৰ পাৰত সত্ৰ পাতে। এই সময়তে মানৰ আক্ৰমণ হয়। লম্বোদৰদেৱৰ পুত্ৰ বিভুৰামদেৱে দ পৰ্বতীয়াত বৰালিমৰা সত্ৰ পাতে। তেওঁৰ নাতি ভোলানাথ বা বিষ্ণুকান্তদেৱে দ পৰ্বতীয়াৰপৰা দআটি গাঁৱলৈ সত্ৰ তুলি নিয়ে।

**বাকৰি (পুঠিখাঁতী) সত্ৰ**

পুৰুষোত্তম ঠাকুৰৰ আজ্ঞাপৰ ব্ৰাহ্মণ-মহন্তই বাসুদেৱৰ বৰপুত্ৰ গতিদেৱৰ সৰু পুত্ৰ অনন্তদেৱৰপৰা বঢ়া এইখনি হলেশ্বৰ মৌজাত পুঠিখাঁতী গাঁৱত। নগাঁৱৰ 'বৰবাৰজনীয়া সত্ৰ' (বাকৰিয়াল) চাওক।

**বালিপুখুৰী সত্ৰ**

তেজপুৰৰ ডেকাৰগাঁৱত। সতানন্দ বৰভকতৰ পুত্ৰ চাৰি কৃষ্ণৰ এক কৃষ্ণ মহাকৃষ্ণই প্ৰমত্তসিংহ ৰজাৰ দিনত কলিয়াবৰৰ চিলাবন্ধা বিলৰ কাষত সত্ৰ পাতি ৰয়। তেওঁৰ পুত্ৰ ৰামচৰণে শিঙৰিত ৰজাৰ বৰবৰুৱাক টোকাৰী বাই সন্তোষ লগাই বৰকলা নামে ঠাইত (বৰ্তমান বৰগাঁৱত) তিনিশ বিঘা মাটি, সোণৰ খাৰু, উত্তি, হেঙুলীয়া কাঠৰ শৰাই পাইছিল। ৰামচৰণৰ তিনিপুত্ৰ — শ্যামকানু (নগাঁৱৰ "শ্যামকানু সত্ৰ" চাওক) হৰিচৰণ, দামোদৰ। দামোদৰৰ তৃতীয় পুত্ৰ জীৱনধনে বালিপুখুৰী নামে ঠাইত সত্ৰ পাতে।

**বালিসত্ৰ**

তেজপুৰৰ মহাভৈৰৱ মৌজাত আৰু জামুগুৰিহাট (চিলাবন্ধা মৌজা) কোচগাঁৱত। পুৰুষোত্তম আতাপৰ বাপুৰামদেৱৰ পুত্ৰ মাধৱানন্দ কিছুদিন বালিপাৰাত থকাত তাত এক বালিসত্ৰ হয়। মাধৱানন্দৰ পোষ্যপুত্ৰ লক্ষ্মণদেৱৰ পুত্ৰ বিষ্ণুচৰণৰপৰা জামুগুৰিহাট কোচৰ-গাঁও বালিসত্ৰ হয়। পিছৰখনি সত্ৰত গুৰুজনৰ আজ্ঞায়ে দিয়া লাৰুৱা গোপাল মূৰ্তি, বাসুদেৱ মূৰ্তি, ছাৰে আঠ সেৰ ওজনৰ কাঁহৰ শৰাই আদি আছে।

**বাঁহবাৰী সত্ৰ**

বিহালীত এখনি বাঁহবাৰী সত্ৰ আছে। জামুগুৰিত দ্বিতীয় এখনি বাঁহবাৰী সত্ৰ আছে। এইখন বৰযদুমণিদেৱে পাতিছিল। ই বুঢ়াগঙ্গাৰ পূব পাৰে।

**মদাৰগুৰি সত্ৰ**

তেজপুৰৰ বেচেৰীয়াত এইখনি বৰ বাৰজনীয়া সত্ৰ। চাৰি কৃষ্ণৰ এক কৃষ্ণ শ্ৰীকৃষ্ণৰ পুত্ৰ বাপুৰামদেৱৰ এঘাৰজন পুত্ৰৰ মাজত ভায়ে ভায়ে কন্দল লগাত ৰুদ্ৰসিংহ ৰজাই কন্দল ভাঙিব নোৱাৰি তেওঁলোকৰ ঘৰ-দুৱাৰ পুৰি ঠায়ে ঠায়ে সত্ৰ কৰি দিলে। দ্বিতীয় আৰু তৃতীয় সহজানন্দ আৰু ৰমানন্দই মদাৰগুৰিত (ক'ত?) সত্ৰ কৰে। সহজানন্দদেৱৰপৰা পুত্ৰানুক্ৰমে তেজপুৰৰ সত্ৰত সত্ৰাধিকাৰ হৈ আহিছে। এই সত্ৰত বগা শিলৰ চতুৰ্ভুজ লক্ষ্মীনাৰায়ণৰ মূৰ্তি এখনি আছে, ৰুদ্ৰসিংহ ৰজাই দিয়া বুলি জনা যায়। কলাবাৰীৰ খুটিকটীয়া গাঁৱত এখনি কালসংহতিৰ মদাৰগুৰি সত্ৰও আছে বুলি জনা গৈছে।

**মাউৰাগোবিন্দ সত্ৰ**

বৰভকতৰ বংশৰ ব্ৰাহ্মিকৃষ্ণৰ একপুত্ৰ হৰি, হৰিৰ পুত্ৰ গোবিন্দই (সৰুতে এওঁ মাউৰা হয়) নগাঁৱৰ কুঁৱৰীটোলৰ ওচৰত সত্ৰ পাতে। ইয়াৰ এটি শাখা নদুৱাৰ অঞ্চলত হয়।

**মাধৱআতা সত্ৰ**

বৰভকতৰ বংশৰ জয়কৃষ্ণৰ পুত্ৰ পুনাই আতাৰ প্ৰথমা ভাৰ্যাৰ পুত্ৰ মাধৱনাৰায়ণে কলিয়াবৰত সত্ৰ পাতে, সেয়ে মাধতাৰি বা মাধৱআতা সত্ৰ। তাৰে এটি শাখা বিশ্বনাথ-চাৰিআলিৰ লেহগাঁৱত বহে।

**মুৰাৰি সত্ৰ**

মহাভৈৰৱ মৌজাত[1] ব্ৰাহ্মণীয়া সত্ৰ। সম্ভৱতঃ বংশীগোপালদেৱৰ আতাপৰ শ্ৰৱণী সত্ৰসমূহেৰে সম্পৰ্কিত।

---

১ চিলাবন্ধা মৌজাৰ উজবাচুক গাঁৱত ('জামুগুৰি অঞ্চলৰ থান-সত্ৰ আদিৰ চমু বিৱৰণি')।

### ৰাঙ্গনি সত্ৰ

বৰভগীয়া মৌজাৰ খনাপাৰ গাঁৱত নগাঁৱৰ সত্ৰৰ এটি শাখা অলপতে হৈছে।

### শলগুৰি সত্ৰ

জামুগুৰি অঞ্চলত কনকলতা আইৰ বংশৰ অনন্তৰাম আতাৰ এজন পুত্ৰ শুভানুৱে জামুগুৰিৰ ওচৰত চেউনী-বৰদোৱাত বৰ্তমান শলগুৰি গাঁৱত সত্ৰ পাতে।[২]

### সাউদকুছি সত্ৰ

তেজপুৰ দআটি গাঁৱত, বিহালী ৰংঢালীত আৰু কলংপুৰৰ বৰাগীপথাৰত বৰ বাৰজনীয়া হৰিচৰণদেৱৰপৰা বঢ়া সাউদকুছি সত্ৰৰ শাখা আছে।

### সুন্দৰীদিয়া সত্ৰ

ৰামচৰণ ঠাকুৰৰ দ্বিতীয় পুত্ৰ সুন্দৰীদিয়াৰ অধিকাৰী ত্ৰিপুৰাৰি বংশৰ হৰিচৰণ ঠাকুৰে অলপতে তেজপুৰ চহৰৰ তিনি মাইল দূৰৰ পৰ্বতীয়া নলেশ্বৰ টাঙনিত সত্ৰ কৰি সুন্দৰীদিয়া নাম দিয়ে।[৩]

### সোণাৰিপাৰ সত্ৰ

গজলা আতাৰপৰা হোৱা এই সত্ৰ বৰভগীয়া মৌজাৰ টকলাবাৰী গাঁৱত।

## গীৰ্জা

### চাৰ্চ্ অব্ এপিফেনি

তেজপুৰ এপিফেনি গীৰ্জাৰ আধাৰ-শিলা স্থাপন কৰে তেজপুৰ জিলাৰ ভাৰপ্ৰাপ্ত প্ৰিঞ্চিপেল এছিষ্টেণ্ট কমিছনাৰ কেপ্টেইন জেমছ্. টি. গৰ্ডনে ১৮৪৭ চনৰ ১৬ মে তাৰিখে। এপিফেনি (epiphany) শব্দটো গ্ৰীক ভাষাৰ, অৰ্থ প্ৰকাশ, অৰ্থাৎ প্ৰাচ্যৰ জ্ঞানী লোকৰ আগত যীশুখ্ৰীষ্টৰ আত্মপ্ৰকাশ; ইয়াক প্ৰতি বছৰে ৬ জানুৱাৰীত উৎসৱেৰে

২ স্থানীয় জনশ্ৰুতিমতে বৌটাৰপৰা গাংমৌলৈ যোৱাৰ বাটত মহাপুৰুষ গুৰু ইয়াত জিৰাইছিল। ইয়াত দুজনা গুৰুৰ বাহিৰে আনৰ নাট নচলে। অনেক কথাতে বৰদোৱাৰ আহিঁ ৰখা হয়। (শ্ৰীঘন শইকীয়া পঠোৱা টোকাত সত্ৰখনি অনন্তৰাম আতাই পতা বুলি কোৱা হৈছে।) ম.নে.

৩ সত্ৰৰ বিৱৰণটি সম্পূৰ্ণ বুলিব নোৱাৰি। শ্ৰীগহনচন্দ্ৰ গোস্বামীদেৱে কেইখনিমান সত্ৰৰ বিবৃত্তি পঠাইছিল। বাকীখিনিৰ কথা শ্ৰীকেশৱ মহন্ত আৰু অন্য লোক আৰু পুথিৰপৰা গ্ৰহণ কৰা হৈছে। ভৱলীপৰীয়া সাহিত্য চ'ৰাৰ 'জামুগুৰি অঞ্চলৰ থান-সত্ৰ আদিৰ চমু বিৱৰণী' পুথিও চোৱা হৈছে। এই পুস্তিকাখনি 'পৱিত্ৰ-অসম' ওলোৱাৰ পিছত ১৯৬২ চনত প্ৰকাশিত। 'পৱিত্ৰ অসম'ৰ ঋণ স্বীকাৰ কৰা নহ'লেও তাৰ প্ৰভাৱ ইয়াত দেখা পোৱা যায়। কিন্তু 'পৱিত্ৰ অসম'ৰ কিমানখনি কথা সত্ৰৰ বিৱৰণত গ্ৰহণ কৰা হৈছে বুজা নগ'ল।

পালন কৰা হয়। তিনিজন বিশিষ্ট লোকৰ স্মৃতি তিনিখন স্মৃতিফলক গীৰ্জাটিয়ে বহন কৰিছে — কেপ্টইন গৰ্ডনৰ (এওঁ ১৮৪৯ চনত হেম্পষ্টেডত গৈ ঢুকায়); দ্বিতীয়তে সপৰিবাৰে চাৰ্লছ্ আলেকজেণ্ডাৰ ব্ৰুচৰ (জন্ম ১৭৯৫, মৃত্যু ২৫ এপ্ৰিল ১৮৭১; এওঁ অসমৰ চাহৰ এলেকাৰ প্ৰথম অনুসন্ধানকাৰী, অসমত স্বাভাৱিকতে গজা চাহগছৰ আৱিষ্কাৰক, চাহখেতি অচৰকাৰী উদ্যোগ হোৱাৰ আগলৈকে ভাৰত চৰকাৰৰ ছুপাৰিণ্টেণ্ডেণ্ট অব্ টি কাল্‌চাৰ, আৰু অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ প্ৰথম প্ৰচেষ্টাৰ এজন পৃষ্ঠপোষক); তৃতীয়তে দুকুৰি বছৰৰো অধিক এই গীৰ্জাৰ চেপলেইন বা নামঘৰীয়া পাদ্ৰী ছিড়্নি এণ্ডালৰ। ১৯৪৩ চনৰ ২৩ অক্টোবৰৰ মাজনিশা হোৱা ভূঁইকঁপত গীৰ্জাৰ কিছু ক্ষতি হয়, কিন্তু এটা কথা ওলাই পৰে যে গীৰ্জাটোৰ ভেটিটো সম্ভৱতঃ পুৰণি কোনো ভগা মন্দিৰৰ গ্ৰেনাইট শিলাখণ্ড কিছুমান আছিল। ১৯৫০ চনৰ ১৫ আগষ্টৰ ভূঁইকঁপেও কিছু হানি কৰে। তেজপুৰত আৰু এটি পুৰণি গীৰ্জা আছে।

ম.নে.

# মঙলদৈ

**ৰুদ্ৰেশ্বৰ দেৱালয়**

দিপিলা মৌজাৰ মাহৰিপৰা গাঁৱত ৰুদ্ৰেশ্বৰ দেৱালয়। দেৱালয়ৰ কোনো লিকিত বুৰঞ্জী নাই। এখনি তামৰ ফলি পোৱা গৈছে যদিও এই দেৱালয় কেনেকৈ প্ৰতিষ্ঠা হ'ল, তাৰ উল্লেখ পোৱা নাযায়। জনপ্ৰবাদত ১৭৪ বছৰমান আগেয়ে এই ঠাইৰ অৰণ্যত শিৱলিঙ্গৰূপে আপোনা-আপুনি আবিৰ্ভাব হয়। সিদিনাৰপৰাই এজনী গাই গৰু এই ঠাইলৈ যায় আৰু তাই ওহাৰৰপৰা আপোনা-আপুনি গাখীৰ ওলাই এই শিৱলিঙ্গ ধৌত কৰে। এজন সন্ন্যাসীয়ে এৰাতি স্বপ্নাদেশ পাই গাঁৱৰ মানুহক জনাই সেই ঠাই পৰিষ্কাৰ কৰিত তাত এটি মন্দিৰ নিৰ্মাণ কৰি দিয়ে। এই কথা দৰঙী ৰজা স্বৰ্গনাৰায়ণদেৱক জনোৱাত তেওঁ আহোমৰজা গৌৰীসিংহৰ আদেশানুক্ৰমে ১৭০৮ শকত উক্ত দেৱতাৰ সেৱা-পূজাৰ নিমিত্তে ১৬০ পুৰা মাটি তামৰ ফলি কৰি দিয়ে। দেৱালয়ৰ নিষ্কৰ মাটি এতিয়া নিস্পিখেৰাজত পৰিণত হৈছে। গতিকে দেৱালয়ৰ অৱস্থা বৰ শোচনীয় হৈ পৰিছে। ইয়াৰ বহুতো ক্ৰিয়া-কাণ্ড লোপ পাই আহিবলৈ ধৰিছে। বৰ্তমানেও মন্দিৰত দুই সন্ধ্যা চাকি-বন্তি জলোৱা হয়, আৰু দিনৰ আগবেলা নিতৌ ভোগ হয়। ইয়াত বহুতো যাত্ৰীৰ সমাগম হয়। দুৰ্গাপূজা, শিৱৰাত্ৰি আৰু দৌল-পূজা হয়।

**তাম্ৰেশ্বৰ দেৱালয়**

ৰুদ্ৰেশ্বৰ দেৱালয়ৰপৰা প্ৰায় ১১ মাইল উত্তৰে খৈৰাবাৰীৰ ওচৰত তাম্ৰেশ্বৰ দেৱালয়। দুয়োখনি দেৱালয় সমসাময়িক। দুইখনিৰে একে ফলি-মোহৰ। আগেয়ে একেজন দলৈয়ে দুয়োখন দেৱালয় পৰিচালনা কৰিছিল। বৰ্তমানে দুখন দেৱালয়ৰ কাৰণে দুজন দলৈ নিযুক্ত হৈছে। জন-প্ৰবাদমতে মাটিৰ তলেদি এটি নলাৰ ভিতৰেদি দুয়োখন ঠাইৰ সংযোগ আছিল। কিছু বছৰলৈকে এখন দেৱালয়ৰ মন্দিৰত গোসাঁই ধুৱালে তাৰ জল-ফুল আনখন মন্দিৰত দেখা দিছিল। এতিয়া অৱশ্যে সেই বাট সম্পূৰ্ণ বন্ধ হৈ গৈছে। তাম্ৰেশ্বৰৰ ইতিবৃত্ত পোৱা নাযায়।

**মঠাঝাৰৰ মঠ**

চিপাঝাৰ মৌজাৰ মঠাঝাৰ গাঁৱত এটি শিলৰ মঠ আছিল। ইয়াৰ ইতিবৃত্ত পোৱা নাযায়। গাঁৱৰ মানুহে চলিত প্ৰথা অনুযায়ী প্ৰতি বছৰে ভগ্নাৱশেষ থকা ঠাই বিষ্ণুপূজা (গন্ধচৌপৰী) পাতে।

**উমানন্দৰ থান**

কালাইগাঁও থানৰ চিনাকোনা মৌজাৰ অন্তৰ্গত তাম্ৰেশ্বৰ দেবালয়ৰ নিকটৰ পশ্চিম অংশত চাৰিওফালে পানীয়ে বেৰা তিনি কঠা মাটিৰ এই থান। কিম্বদন্তীমতে সদাশিৱই উমাৰে সৈতে এই ঠাইতে কিছু দিনৰ বাবে আনন্দত বাস কৰা বাবেই থানৰ নাম উমানন্দ হৈছে। ইয়াত এজোপা প্ৰকাণ্ড আঁহত গছৰ ওচৰতেই এটি মন্দিৰ আছিল। ১৮৯৭ চনৰ বৰ ভূঁইকঁপত এই মন্দিৰ চূৰ্ণাকৃত হৈ গৈছে। শুনা যায় এই গছৰ গুৰিত ত্ৰিশূল আৰু এটি পিতলৰ গছা আছিল। কালক্ৰমত সেইবোৰ গছৰ ভিতৰলৈ সোমাই গ'ল। সম্প্ৰতি আধা মোন ওজনৰ ৰাজঘণ্টা এটি আছে।

**পদ্মাৰ থান**

বনমাঝা মৌজাত। পদ্মাপুখুৰী নামে এটি পুখুৰী আছে। ইয়াত বলি-বিধান নোহোৱাকৈ দুৰ্গা আৰু মনসাৰ পূজা হয়।

দূ.সা.স.

**ভৈৰৱকুণ্ড (ভ্ৰমৰাকুণ্ড) আৰু নলখামাৰ-মন্দিৰ**

মঙলতৈ মহকুমাৰ বৰচিলাঝাৰ মৌজাৰ ওদালগুৰি ৰেল ষ্টেশ্যনৰপৰা ন মাইল উত্তৰত গোহাঁইকমল আলিৰ কাষত আমগিৰিৰি ওচৰত ভৈৰৱকুণ্ড বা ভ্ৰমৰাকুণ্ড অৱস্থিত। পাণ্ডৱসকলে স্বৰ্গযাত্ৰা কৰাৰ সময়ত এই কুণ্ডত গা ধোৱা বুলি প্ৰবাদ আছে। ইয়াৰ প্ৰাকৃতিক দৃশ্য বৰ মনোৰম। জাৰকালি এই কুণ্ডলৈ আহ-যাহ কৰিবলৈ সুবিধা হয় গতিকে সেই সময়ত ইয়াত যাত্ৰীৰ ভিৰ বাঢ়ে। নৰনাৰায়ণ আৰু চিলাৰায়ে এই কুণ্ডৰ ওচৰতে ধনশ্ৰী নদীৰ পাৰত নলখামাৰ বুলি ত্ৰিশূল-দেৱীৰ মঠ সাজিছিল। ইয়াৰ পূজাৰি অব্ৰাহ্মণ।

**মুক্তেশ্বৰী-মন্দিৰ**

মঙলদৈৰ অম্বাগাঁও মৌজাৰ অন্তৰ্গত থকা ওদোলাগাঁৱত বেউলা সতীৰ পিতৃ শাহে ৰজাৰ নগৰ আছিল বুলি সেই অঞ্চলৰ লোকৰ দৃঢ় বিশ্বাস। এই ঠাইখন উজনি চহৰ বা ৰাজ্য বুলিও জনাজাত। এই উজনিতে থকা এডোখৰ ঠাইৰ নাম বেউলাৰ বিয়া-খলা। এই বিয়া-খলাৰ ওচৰতে কালিন্দী নদীৰ পাৰতে এডোখৰ ওখ ঠাই আছে। এইখিনিতে চান্দ সদাগৰে নাও বান্ধিছিল বুলি প্ৰবাদ আছে। বিয়া-খলাৰ অলপ ওচৰতে থকা মুক্তেশ্বৰী মন্দিৰত পদ্মাৱতী বেউলাক বিধবা হ'বলৈ শাও দিছিল। এই মন্দিৰতেই প্ৰতি বছৰে সেই অঞ্চলৰ ৰাইজে পদ্মাৱতীৰ পূজা পাতে। এই পূজা সাত দিনলৈ চলে।

**পদ্মাৱাৰৰ থান**

মঙলদৈৰ ১৪ মাইল দূৰত দিপিলা মৌজাত। ইয়াত পদ্মাৱতীৰ মন্দিৰ আছে।

**কুকুৰাকটা থান**

চোখাৰ মৌজাত। নৰকাসুৰে কামাখ্যাক পত্নীৰূপে পাবলৈ যতন কৰি সফলকাম হ'ব নোৱাৰি কুকুৰাৰূপী ভৈৰৱীক এই ঠাইত কটা বুলি জনশ্ৰুতি আছে। ইয়াত দেৱী-পূজা চলি আহিছে।

**নাৰিকলীৰ ভগা শিলৰ মন্দিৰ**

মণ্ডলদৈ নগৰৰপৰা প্ৰায় ১২ মাইল পশ্চিমে গুৱাহাটীলৈ অহাৰ বাটত এটি ভগা শিলৰ মন্দিৰ আছে। বৰ্তমান সেই অঞ্চলৰ ৰাইজে এই ঠাইতে এটি সৰুকৈ গোসাঁইঘৰ সজাইছে।

ভ.ৰা.

**মুৰাদেওৰ মন্দিৰ**

কলাইগাঁও মৌজাৰ ভিতৰত থকা মুৰাদেওৰ নামৰ মন্দিৰ। প্ৰবাদ আছে যে দেৱী কামাখ্যাই কোপিত হৈ মহাৰাজ নৰনাৰায়ণৰ পূজাৰি কেন্দুকলাইৰ চৰ মাৰি মূৰটো ছিঙে। কেন্দুকলাইৰ মূৰ তেওঁৰ জন্মস্থান মুৰাদেৱৰৰ মন্দিৰৰ মাটিত পৰেহি। মহাৰাজে তেওঁৰ পুৰোহিতৰ স্মৃতি-ৰক্ষাৰ্থে তাত সেই দেৱালয় প্ৰতিষ্ঠা কৰে। কোনো কোনো প্ৰাত্নতাত্ত্বিকে এই মন্দিৰৰ ভাস্কৰ্য আৰু আকৃতি দেখি ইয়াক বৌদ্ধযুগৰ মন্দিৰ বুলি বিবেচনা কৰে।

**দেৱালখণ্ড**

মাজবাট ষ্টেশ্যনৰপৰা অলপ দূৰত দেৱালখণ্ড নামে ঠাইত কিছুমান হিন্দুৰ দেৱ-দেৱীৰ শিলৰ মূৰ্তি কিছুদিন পূৰ্বে তাত মাটিৰ তলৰপৰা আবিষ্কাৰ কৰা হৈছে। তাত বৰ্তমান পূজা-সেৱা চলে।

**মাধগোসাঁইৰ থান**

পূবদলগাঁও মৌজাৰ ভিতৰত বৌটা ৰেল ষ্টেশ্যনৰপৰা ৭ মাইলমান দক্ষিণে মাধগোসাঁই দ'ল। এই মঠ ১৮৯৭ চনৰ ভূমিকম্পত ধ্বংস হয়। দ'লৰ ভগ্নাবশেষৰ ইটাবোৰৰ আকৃতি দেখিলে দ'ল চতুৰ্দশ-পঞ্চদশ শতিকামানৰ বুলি অনুমান কৰিব পাৰি। এই দ'লৰ ভিতৰৰ বিগ্ৰহ শিৱলিঙ্গ, নাম মাধগোসাঁই। বুৰঞ্জী আৰু চৰিতত উল্লিখিত ৰটা (বৌটা) এই ঠাইৰপৰা বহুত দূৰত নহয়। বৰ্তমান এই মন্দিৰত প্ৰতি বছৰে শিৱ চতুৰ্দশীত এখনি ডাঙৰ মেলা হয়। পূজাৰি হিন্দু-চুতীয়া সম্প্ৰদায়ৰ।

**লখীমপুৰৰ কামাখ্যাৰ থান**

কলাইগাঁও মৌজাৰ লখীমপুৰ গাঁৱত থকা লখীমপুৰ পুখুৰীৰ পাৰত কামাখ্যাৰ থান নামে এখনি দেৱালয় আছে। তাত থকা মঠ ভূমিকম্পত ভাগি গৈছে। ভগ্নাবশেষ মাত্ৰ বৰ্তমান। মন্দিৰৰ ভিতৰত বৰ্তমান কোনো বিগ্ৰহ নাই; কিন্তু তান্ত্ৰিক পূজাৰ মণ্ডলৰ

নিচিনা কিছু যন্ত্র শিলৰ বেদীত অঙ্কিত আছে। বৰ্তমানো তাৰ ওচৰৰ অধিবাসীসকলে তাত পূজা-সেৱা চলায়।

**শিঙিমাৰিৰ মঠ**

লোক্ৰাই মৌজাৰ ভিতৰত চিপাঝাৰ গুৱাহাটী ট্ৰাঙ্ক ৰোডৰ কিচেই ওচৰতে শিঙিমাৰি গাঁৱৰ কালীদ'লৰ এই শিলৰ ঘৰ আছে। এই কালীদ'লৰ মঠটো শিলৰ নিৰ্মিত আছিল। ভূমিকম্পত ই চূৰ্ণাকৃত হয়। শিলবোৰ তাৰ ওচৰৰ পুখুৰীত পৰি বহুতো পোত গ'ল। বাকীখিনি সম্প্ৰতি গএঞ্জ ৰাইজে নতুনকৈ বন্ধা মন্দিৰৰ বেৰৰ কাষত দ'মাই ৰাখিছে।

**পাৰিজাত মন্দিৰ**

দৰঙী ৰজা ধৰ্মনাৰায়ণৰ দিনত পাৰিজাতী নামে এগৰাকী সাধ্বী ব্যাস-ব্ৰাহ্মণৰ কন্যাই নানা অলৌকিক শক্তি প্ৰদৰ্শন কৰি ৰজাৰপৰা সম্মান আৰু দেৱোত্তৰাদি লাভ কৰিছিল। তেওঁৰ দ্বাৰা প্ৰতিষ্ঠিত দেৱী-মন্দিৰত ব্যাসসকলৰ দেৱী-বিগ্ৰহৰ প্ৰতিৰূপ মুদ্ৰা আজিও পূজিত হৈ আছে। দৰঙী ৰাজকুমাৰসকলৰ ঘৰত হোৱা দুৰ্গাপূজাৰ সেই মুদ্ৰা-বিগ্ৰহ ব্যাসসকলে পূজাৰ কাৰণে আনে।

**শানপাৰা দেৱালয়**

চিপাঝাৰৰ তিনি মাইল পশ্চিমে লোক্ৰাই মৌজাৰ ভিতৰত এই দেৱালয় পালবংশী ৰজাসকলৰ ৰাজত্ব-কালত প্ৰতিষ্ঠিত বুলি দেৱালয়ৰ স্বত্বাধিকাৰীসকলে কয়। অতীজতে এই দেৱালয় পৰিচালনাৰ বাবে বহুতো দেৱোত্তৰ-ব্ৰহ্মোত্তৰ আছিল; সম্প্ৰতি নাই। প্ৰতি বছৰে জেঠ মাহত এই দেৱালয়ৰ ওচৰত থকা পুখুৰীত পানীতোলা নামে এটি উৎসৱ হয়। তাত সেই অঞ্চলৰ হাজাৰ হাজাৰ মতা-মাইকী মানুহে নানা বাদ্য-বাজনাৰ উৎসৱাদি কৰি পুখুৰীৰপৰা পানী তুলি বসন্তৰ পূজা কৰে। তেওঁলোকৰ বিশ্বাস যে সেই পানী ব্যৱহাৰ কৰিলে বসন্ত ৰোগ নহয়; হ'লেও আৰোগ্য হয়।[১]

---

১ শ্ৰীবাসুদেৱ শৰ্মা বৰুৱাই পুৰণি পয়াৰ-দুলড়ি ছন্দত ৰচিত 'শ্ৰীশানপাৰা দেৱালয়ৰ ইতিহাস' এখনি (১৯৫২ চন) লিখি ছপাই উলিয়াইছে। ইয়াৰ পাতনিত আছে, দেৱালয়ৰ পুখুৰীৰ ঘাট শান শিলেৰে বন্ধোৱা বাবে দেৱালয়ৰ এই নাম হয়। প্ৰবাদ আছে, পালবংশী কোনো এজন ৰজাই পশ্চিমৰপৰা যাদবানন্দ আচাৰ্যক আনি শিৱ-দুৰ্গাৰ বিগ্ৰহ থাপনা কৰি মন্দিৰটি সাজে। যাদবানন্দই মন্দিৰত বসন্তোৎসৱ প্ৰচলন কৰে। যাদবৰ নাতিপুত্ৰ(?) লক্ষ্মীনাথৰ দিনত দৰঙী ৰজা ধৰ্মনাৰায়ণে দেৱালয়ৰ নামত আঠ শ বিঘা মাটি দিয়ে, আহোম ৰজা প্ৰতাপসিংহই বাৰ শ বিঘা দেৱোত্তৰ দিবলৈ নিৰ্দেশ দিয়ে। লক্ষ্মীনাথৰপৰাই কামাখ্যাৰ থান থকা লখীমপুৰৰ সেই নাম হয় বুলি কিম্বদন্তী আছে। লক্ষ্মীনাথৰ নাতি কন্দ্ৰেশ্বৰক দৰঙী ৰজাই 'খৰি' উপাধি দিছিল। কন্দ্ৰেশ্বৰৰ পত্ৰ ধনেশ্বৰৰ দিনত মানৰ আক্ৰমণ হয়, ৰজাঘৰীয়া ফলি আৰু লগতে দেৱোত্তৰ-ব্ৰহ্মোত্তৰো হেৰায়। তেতিয়াৰপৰাই শানপাৰা দেৱালয় আৰু লখীমপুৰৰ কামাখ্যাৰ থানৰ অৱস্থা শোচনীয় হয়। ম.দে.

**দেউৰাজ দেৱালয়**

দৰঙী ফৈদং দৰং ৰাজ্য প্ৰতিষ্ঠা কৰাৰ বহু কালৰ পূৰ্বে দেউৰাজ ভূএগ্ৰাই ব্যাসপাৰত এই দেৱালয় প্ৰতিষ্ঠা কৰিছিল। দেউৰাজ বা দেউৰায় বা দেউৰায় ভূএগ্ৰাৰ পূৰ্বপুৰুষ লোকৰায়ে ৰাজত্ব কৰা ঠাই বা তেওঁৰ শাসনৰ ভিতৰত ঠাইৰ নাম অনুসৰি এই অঞ্চলৰ নাম আজিকালিলৈ লোক্ৰাই হৈ আছে। তেওঁ দৈৱজ্ঞ ভূএগ্ৰা নামে জনাজাত আছিল। তেওঁ সঙ্গীত-বিদ্যাত বৰ পাৰদৰ্শী আছিল বুলি প্ৰৱাদ আছে। তেওঁ তেওঁৰ ইষ্টদেৱতা শিৱ-দুৰ্গাৰ বিগ্ৰহ প্ৰতিষ্ঠা কৰে। মন্দিৰৰ পূজা-সেৱা চলিবৰ কাৰণে দেৱালয়ৰ ওচৰতে বহুত দেৱোত্তৰ আৰু ব্ৰহ্মোত্তৰ দান কৰে। কালত কোচ ৰজাৰ পৰাক্ৰমত ভূএগ্ৰাসকল যেতিয়া পৰাভূত হ'ল, তেতিয়া সেই সময়ত হোৱা ভূমিকম্পত মন্দিৰাদি সকলো নষ্ট হৈ যায়। সেই মন্দিৰৰ ভগ্নাৱশেষ-ৰূপে এডোখৰ মাত্ৰ বিৰাট শিল পৰি আছে। বাকী শিল গাঁৱৰ লোকৰ বহুতৰ ঘৰে ঘৰে এতিয়াও আছে। মন্দিৰৰ দেৱোত্তৰো হস্তান্তৰিত হয়। মাথোন সামান্য দুবিঘামান মাটি ১৯০০ চন পৰ্যন্ত আছিল। পিছত অসমত হোৱা প্ৰৱল কালজ্বৰত যেতিয়া দেশ উছন্ন হয়, সেই জ্বৰত মন্দিৰৰ দলৈৰ বংশ একেবাৰে ধ্বংস একেবাৰে ধ্বংস হয়; মাত্ৰ এজন নাবালক ল'ৰা থাকে। ১৯০০ চনৰ দৰং ৰাজ্যৰ মাটি-পিয়লৰ সময়ত তাৰ খাজনা পৰিশোধ কৰোঁতা নোহোৱা হোৱাৰ কাৰণে সেই সময়ৰ লাট-মণ্ডলে চৰকাৰী খাজনা পৰিশোধ ক'ৰি মাটি পট্টা কৰি লয়। এতিয়া সেই মন্দিৰৰ স্থানত সেই ঠাইৰ লোকসকলে পূজা-সেৱা কৰে।

**বৈশাখী দৌলৰ স্থান**

অতীজৰপৰা দৰং ৰাজ্য তথা মঙলদৈ মহকুমাত বৈশাখী দৌলৰ প্ৰথা প্ৰচলিত হৈ আহিছে। দৰঙীয়া ৰজাসকলৰ দিনত ইয়াৰ উত্তৰোত্তৰ প্ৰতিপত্তি হয়। ৰজা আৰু ৰজাৰ বিষয়াসকলে মঙলদৈৰ ঠায়ে ঠায়ে এই দৌল প্ৰতিষ্ঠা কৰিছিল। চ'ত-ব'হাগৰ সংক্ৰান্তিৰ দিনাৰপৰা ব'হাগৰ শেষদিন পৰ্যন্ত সদৌ মঙলদৈত মহাপয়োভৰেৰে এই উৎসৱ চলে। গছ-গছনিৰে পৰিপূৰ্ণ ঠাইত মাটিৰে ওখকৈ বন্ধা মণ্ডপত বিষ্ণুমূৰ্তি প্ৰতিষ্ঠা কৰি শাস্ত্ৰীয় নিয়মে পূজা কৰা হয়। সকলো ধৰ্মৰ মানুহে মেলা চাবলৈ যায়। নৃত্য গীত ভাওনা আদি হয়। গোটেই ব'হাগ মাহ ব্যাপি মহকুমাৰ সকলো গাঁও ব্যাপি হোৱা এই উৎসৱে মঙলদৈবাসীৰ মনত নতুন উৎসাহ-উদ্দীপনাৰ সঞ্চাৰ কৰে। এমাহ ব্যাপি হোৱা এই উৎসৱ অতীজৰ বসন্তোৎসৱৰ ধ্বংসাৱশেষ।

দী.শ.

**বুঢ়ীনগৰ পুখুৰী**

প্ৰবাদমতে এই পুখুৰী আবিমন্ত ৰজাই খন্দায়। কথিত আছে যে ৰজা ৰামচন্দ্ৰই তেওঁৰ মহিষীক চৰিত্ৰত সন্দেহ কৰি এৰি দিয়ে। বহুত দিনৰ মূৰত ব্ৰহ্মপুত্ৰইদি ভেলাত

উঠি আহি মঙলদৈৰ এঘৰ বামুণৰ ঘৰত থাকে। ৰাণী সেই সময়ত গৰ্ভৱতী আছিল। কিছু দিনৰ মূৰত বামুণৰ ঘৰত আৰিমত্তৰ জন্ম হ'ল। আৰিমত্ত সাবালক হৈ বামুণৰ সহায়ত এই ঠাইত ৰজা হয়। ৰজা হৈ তেওঁ ওচৰৰ ৰাজ্যবিলাক মাৰিছিল। এনে সময়ত অচিনাকি অৱস্থাত আৰিমত্তই পিতৃ ৰামচন্দ্ৰক বধ কৰে। ৰামচন্দ্ৰৰ মৃত্যুৰ পিছত আৰিমত্ত পুব দৰঙত ৰজা হয়; কিন্তু মাক তালৈ নগ'ল। সেই কাৰণে তেওঁ মাকৰ বাবে এই ঠাইত এখন নগৰ পাতে আৰু নগৰৰ কাষতে এটি বহঢলা পুখুৰী খনায়। আজিকালি এই পুখুৰীকে বুঢ়ীনগৰ পুখুৰী বোলে। ইয়াৰ পানী বৰ নিৰ্মল। মঙলদৈ মহকুমাৰ পুৰণা পুখুৰীবিলাকৰ ভিতৰত এইটোৱেই একমাত্ৰ নিৰ্মল পানীৰ পুখুৰী। এই পুখুৰীৰ পশ্চিম পাৰত ব'হাগ মাহত বৰ ডাঙৰ দৌল-উৎসৱ হয়। বহু হাজাৰ মানুহৰ সমাগম হয়। এই পুখুৰী সৰাবাৰী মৌজাৰ সেনাপতিপাৰা গাঁৱত। কিন্তু, শুনি আচৰিত হ'বলগীয়া কথা যে ৰজস্বলা তিৰুতাই অশুচি অৱস্থাতে এই পুখুৰীত গা নুধুলে হেনো পানী বেয়া হয়।

## শাক্ত সত্ৰ

### বিশ্ব সত্ৰ

হিন্দুঘোপা মৌজাৰ অন্তৰ্গত বিশ্বসত্ৰ এখন গাঁও। চিলাৰায়ে গৌড়দেশ আক্ৰমণ কৰিবলৈ গৈ তাত বন্দী হয়, আৰু কামাখ্যা আইৰ কৃপাত পুনৰ মুক্ত হৈ ঘূৰি আহোঁতে কেইবাজনো শাস্ত্ৰজ্ঞ ব্ৰাহ্মণ গৌড়ৰ নবাবৰ ৰাজসভাৰপৰা লৈ আহে। সেই পণ্ডিতসকলৰ ভিতৰত এজন বেদবিসৰ্গ ভট্টাচাৰ্য দেৱ-দেৱী-পূজাত পাৰ্গত আছিল আৰু ৰাজধানী কোচবেহাৰত কিছু কাল পূজাৰি হৈ বাস কৰিছিল। ৰঘুদেৱনাৰায়ণে যেতিয়া কোচবেহাৰ পৰিত্যাগ কৰি উজাই আহে, ভট্টাচাৰ্য বেদবিসৰ্গ তেওঁৰ লগতে বাস কৰেহি। আদি দৰঙী ৰজা ধৰ্মনাৰায়ণে মঙলদৈৰ মোহনপুৰত ৰাজধানী পাতি ৰাজত্ব কৰাৰ লগে লগে বেদবিসৰ্গ পুত্ৰসকলেও ৰজাৰ লগে লগে থাকি পূজাৰি হিচাপে বসবাস কৰিবলৈ লয়। বেদবিসৰ্গৰ পুত্ৰ গদাধৰ, গদাধৰৰ পুত্ৰ শ্ৰীহৰি, শ্ৰীহৰিৰ পুত্ৰ চন্দ্ৰশেখৰ। এই চন্দ্ৰশেখৰৰ পুত্ৰ বিশ্বৰূপ ভট্টাচাৰ্য দেৱী-সাধক। তেওঁ যোগঐশ্বৰ্যৰ প্ৰভাৱত সেই সময়ৰ ৰজা-প্ৰজা সকলোকে চমক লগাইছিল। সেই সময়তে দৰঙী ৰজা কীৰ্তিনাৰায়ণৰ পুত্ৰ বিষ্ণুনাৰায়ণ মোহনপুৰত আছিল। দৰঙৰ অষ্টম ৰজা বিষ্ণুনাৰায়ণে ভট্টাচাৰ্যৰ প্ৰভাৱ দেখি ধৰ্মোত্তৰ ভূমি, দাস-দাসী আৰু পূজাৰ বহুতো সামগ্ৰী দি সেই সময়ৰ খেতমদাৰত (বৰ্তমান হিন্দুঘোপা মৌজা) এখন সত্ৰ পাতি দি দীক্ষাদানৰ অধিকাৰ প্ৰদান কৰে। সেই কালত বিশ্বৰূপেহে মাত্ৰ মঙলদৈত দেৱ-দেৱীৰ মন্ত্ৰ দীক্ষা দান কৰিছিল। দেৱ-দেৱীৰ বিগ্ৰহ খকাটোও

বিশ্বসত্ৰৰ এটা বৈশিষ্ট্য। বিষ্ণুনাৰায়ণে বিশ্বৰূপৰ শিষ্যত্ব গ্ৰহণ কৰি দেৱীমন্ত্ৰত দীক্ষিত হৈ সত্ৰত ধৰ্ম-বন্তি জ্বলালে। সত্ৰৰ নাম অনুসৰি গাঁওখনৰ নামো বিশ্বসত্ৰ হয়গৈ। বিশ্বৰূপৰ পুত্ৰ ৰূপনাৰায়ণৰ দিনত সত্ৰৰ মাটিবাৰীৰ দুৰৱস্থা হয়। তাৰ পাছত ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ ৰাজত্বত পুনৰ ৰূপনাৰায়ণৰ পুত্ৰ দৈত্যাৰিক ধৰ্মোত্তৰ ভূমি দান কৰা হয়। দেশ পৰাধীন হোৱাৰ লগে লগে ভট্টাচাৰ্য-বংশৰ শিক্ষা-দীক্ষাৰ বহুতো অৱনতি হয়। নানা বিপৰ্যয়ত পৰি তেওঁলোকৰ সেই ধৰ্মোত্তৰ ভূমি হস্তান্তৰিত হয়। সত্ৰৰ আৰু তাৰ বিগ্ৰহৰ পূজা-পাৰ্বণ ইত্যাদি চলি আছে। দুৰ্গাপূজা, লক্ষ্মীপূজা, সৰস্বতীপূজা, শিৱৰাত্ৰি ইত্যাদি কৰা হয়।

## বৈষ্ণৱ থান-সত্ৰ

### খটৰা সত্ৰ

দিপিলা মৌজাত খটৰা সত্ৰ আৰু ৰঘুনাথ মন্দিৰ। মাধৱদেৱ সুন্দৰীদিয়াত থকাতে তেওঁৰ শিষ্য লেচাকণীয়া গোবিন্দ আতৈয়ে গুৰুৰ আজ্ঞামতে এই সত্ৰ স্থাপন কৰে। তেতিয়া এই ঠাই ভীষণ অৰণ্যময় আছিল আৰু খট নামৰ এটা অতি দুৰ্দান্ত জাতি ইয়াত বাস কৰিছিল। কৌশলেৰে এই খটসকলৰ দৰ্প হৰণ কৰি পতা কাৰণে এই ঠাই খট-হৰা বা খটৰা হয়। প্ৰবাদ আছে যে এই ঠায়েই দ্বাপৰ যুগৰ অসুৰবংশী ৰজা খটাসুৰৰ ৰাজ্য আছিল। সত্ৰৰ ৰঘুনাথ মন্দিৰত ৰাম, লক্ষ্মণ, সীতা আৰু হনুমানৰ মূৰ্তি আছে।[১] মন্দিৰৰ এটা বিশেষ তাৎপৰ্য এই যে, মন্দিৰ গৃহত মুঠতে ছকুৰি নাহৰৰ খুটা আছিল। সেয়েহে, আয়তীসকলে গায় — "খটৰাৰ গোসাঁইঘৰ দেখোঁতেই ভয়ঙ্কৰ, ছকুৰি নাহৰৰখুটা হৰি এ।" এই মন্দিৰত প্ৰতিদিনেই দূৰ-দূৰণিৰপৰা অসংখ্য যাত্ৰীৰ সমাগম হয় আৰু ভাদ আৰু আহিনৰ সংক্ৰান্তিত পচতি মেলা হয়। বৰ্তমান সমূহ ৰাইজৰ দ্বাৰা নিৰ্বাচিত এখন পৰিচালনা সমিতিয়ে এই সত্ৰ চলায়।

### শলগুৰি সত্ৰ

এই সত্ৰ খটৰা সত্ৰৰ এমাইল উত্তৰে। কনকলতা আইৰ বংশধৰ ৰঘুনাথদেৱে মানৰ তৃতীয় আক্ৰমণৰ পিছত এটা মান-ভগনত আহি এই সত্ৰ স্থাপন কৰে। এখেতৰ বংশধৰসকল এতিয়াও ইয়াত আছে। পূৰ্বে এই সত্ৰ তেওঁলোকৰ এদনীয়া আছিল। কিন্তু সত্ৰৰ অৱস্থা বেয়া হোৱাত ৰাইজৰ হাতত সকলো স্বত্ব অৰ্পণ কৰা হৈছে, আৰু বৰ্তমান পৰিচালক সমিতিয়ে মন্দিৰ পুনৰ্নিৰ্মাণৰ কাম হাতত লৈছে।

---

১ কথাগুৰু চৰিতত আছে এই মূৰ্তিবিলাক মাধৱদেৱৰ ৰামযাত্ৰাৰ উপলক্ষে সজোৱা হৈছিল।
ম.নে.

**কপিলী সত্র**

চপাই মৌজাৰ কপিলী গাঁৱত। কপিলীগিৰী নামে এজন সন্ন্যাসীৰ দ্বাৰা দুশ বছৰমান আগতে স্থাপিত বুলি শুনা যায়।

**কেৱলীয়াহাটি**

এই ঠাই খটৰা সত্ৰৰপৰা ডেৰ মাইল পূৱত। ইয়াত আগেয়ে খটৰা সত্ৰৰ বহুত কেৱলীয়া ভকত বাস কৰিছিল। তেওঁলোকে দৈনিক গুৰু-সেৱা কৰা গোসাঁই ঘৰটোক 'কেৱলীয়া বাপাৰ থান' বোলে। মানুহৰ গৰু-ম'হ হেৰালে ইয়াত ঠগি দিলে অতি সোনকালে বিচাৰি পায় বুলি সৰ্বসাধাৰণে বিশ্বাস কৰে।

**দেৱানন্দ সত্র**

মঙলদৈ চহৰৰপৰা দহ মাইল, উত্তৰ ট্ৰাঙ্ক ৰোডৰ বৰদৌলগুৰি ষ্টেশ্যনৰপৰা আঢ়ৈ মাইল দূৰত, হিন্দুঘোপা মৌজাত সংস্থাপিত দেৱানন্দ সত্ৰখন দামোদৰী সত্র। কিন্তু এই সত্ৰখন কোনে কেতিয়া প্ৰতিষ্ঠা কৰে তাৰ কোনো প্ৰমাণ নাই। এই সত্ৰৰ বংশাৱলীমতে জনা যায় কান্যকুব্জৰ ফালৰপৰা অহা ৰমানন্দ ব্ৰহ্মচাৰীয়ে পোন প্ৰথমে সত্র আৰম্ভ কৰে। উক্ত ৰমানন্দ ব্ৰহ্মচাৰীয়ে ভৱিষ্যতে সত্ৰৰ পৰিচালনাৰ ভাৰ ল'ব পৰা উপযুক্ত সদব্ৰাহ্মণৰ ল'ৰা বিচাৰি বৰ্তমান সৰাবাৰী পাটিদৰং গাঁৱৰ কমলাকান্ত শৰ্মাক আনি সত্ৰৰ অধিকাৰ পাতে। কমলাকান্ত শৰ্মাই ৰজাঘৰৰপৰা মাটিবাৰী আৰু শিষ্য আদিক শৰণ-ভজন দিবলৈ অধিকাৰ পাই গোস্বামী উপাধি লিখি সত্ৰাধিকাৰ হয়। কমলাকান্তৰ পিছত তেওঁৰ জ্যেষ্ঠপুত্ৰ সতানন্দ অধিকাৰ হয়। বৰ্তমান সত্ৰীয়াসকলে তিনিদিন ব্যাপি পালন কৰি অহা কাতিবিহু সংক্ৰান্তিত দধি-মন্থন বা সাগৰ-মন্থন উৎসৱটো প্ৰতিষ্ঠা কৰে। এই দধি-মথনি বা সাগৰ-মথনি উৎসৱ সদৌ মঙলদৈ ৰাইজৰ প্ৰধান পৰ্ব। সতানন্দৰ পুত্ৰ দেৱানন্দৰ দিনতে আহোম ৰজা শিৱসিংহই সত্ৰৰ নামত তাম্ৰফলি দি বহুত ধৰ্মোত্তৰ-দেৱোত্তৰ ভূমি দান কৰে। তেওঁৰ দিনৰপৰাই তেওঁৰ নামানুসাৰে এই সত্ৰৰ নাম দেৱানন্দ সত্ৰ নামে জনাজাত হয়। ইংৰাজ চৰকাৰে এই সত্ৰৰ বহুত মাটি-বাৰী বাজেয়াপ্ত কৰে, লগতে আহোম ৰজাৰ প্ৰদত্ত তাম্ৰফলিখনো নিয়ে। সত্ৰত জন্মাষ্টমী, পাঁচতি, বিহু, ৰাসপূৰ্ণিমা আদি প্ৰধান পৰ্ববিলাক পালন কৰা হয়। পূৰ্বৰপৰাই হিন্দু ধৰ্মৰ সকলো সম্প্ৰদায়ৰ লোককে মণিকূটত বিগ্ৰহ-দৰ্শন আৰু কীৰ্তন-ঘৰত একেলগে বহি নাম-প্ৰসঙ্গ কৰা, প্ৰসাদ আদি গ্ৰহণ কৰা নিয়ম চলি আহিছে। সত্ৰাধিকাৰসকলে জনজাতীয় লোক আৰু বাগিচাৰ বনুৱা আদিকো নামধৰ্ম দিবলৈ আগবাঢ়ি অহা দেখা গৈছে।

দু.সা.স.[১]

---

১ দুনি সাহিত্য সভাৰ হৈ শ্ৰীপুৰাৰাম দাস, শ্ৰীতাৰিণীচৰণ শৰ্মা, শ্ৰীহেমচন্দ্ৰ শৰ্মা দলৈ, শ্ৰীঅন্নদানন্দ গোস্বামী আদিয়ে টোকা আদিয়ে টোকা পঠাইছে।

**ৰামুণদি সত্ৰ**

মঙলদৈ মহকুমাৰ লোক্ৰাই মৌজাৰ মিশ্ৰপাৰা বা দুৱৰীপাৰা গাঁৱত বামুণদি সত্ৰ। এই সত্ৰৰ ঠাল এটা ভঁাহী মৌজাত, আন এটা কামৰূপৰ পাটিদৰং শালমৰাত আছে। বামুণদি সত্ৰ গৃহস্থী সত্ৰ আৰু গোস্বামীসকল মহাপুৰুষীয়া বৈষ্ণৱ আৰু মঙলদৈৰ সূৰ্য-বিপ্ৰসকলৰ শৰণীয়া গুৰু। হৰিবৰ আতা এই সত্ৰৰ প্ৰতিষ্ঠাতা।[২] দৰঙী ফৈদৰ ৰজা মহেন্দ্ৰনাৰায়ণৰ ৰাজত্বকালত কবিৰাজ মিশ্ৰই বৈষ্ণৱ হৰিবৰৰ বংশাৱলী ৰচনা কৰে।

**বৈৰাগী সত্ৰ**

এজন ত্যাগী পুৰুষে কোচ ৰজাৰ ৰাজত্বকালত এই সত্ৰ প্ৰতিষ্ঠা কৰে। তেওঁ এজন উদাসীন পুৰুষ আছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ বংশৰ লোকসকলে এই সত্ৰৰ কাৰ্য পৰিচালনা কৰিছিল।

**হৰিপুৰ সত্ৰ**

দিপিলা মৌজাৰ ভিতৰত এইখন দামোদৰীয়া সত্ৰ। এই সত্ৰ পৰিচালনা কৰিবৰ বাবে আহোম ৰজাৰ সন্মতিৰে দৰঙী ৰজাই ব্ৰহ্মোত্তৰ-দেৱোত্তৰ দান কৰি সত্ৰ পৰিচালনাৰ সুবিধা কৰি দিছিল। সত্ৰাধিকাৰ গৃহী। তেওঁৰ বংশৰ লোকসকলে বৰ্তমান সত্ৰ পৰিচালনা কৰি আছে। বৰ্তমান সত্ৰৰ অৱস্থা শোচনীয়।

**ভগদেৱ সত্ৰ**

লোক্ৰাই মৌজাৰ ভিতৰত এইখনি দামোদৰীয়া সত্ৰ। সত্ৰৰ আগৰ সম্পত্তি নষ্ট পোৱাত সম্প্ৰতি সত্ৰাধিকাৰে সত্ৰৰ উন্নতিৰ কল্পে বিগ্ৰহৰ মঠাদি প্ৰতিষ্ঠা কৰি উন্নতিৰ চেষ্টা কৰিছে।

দী.শ.

**হাতীমৰা সত্ৰ**

পুৰুষোত্তম ঠাকুৰৰ প্ৰথমা পত্নী ৰেৱতীৰ কন্যা অনন্তপ্ৰিয়াৰ (স্বামী ইন্দ্ৰজিত গাভৰুগিৰী) নাতিৰ প্ৰথম নাতি নৰোত্তমৰপৰা মঙলদৈৰ হাতীমৰা (ঘৰিয়ালখোৱা) গোসাঁই বংশ হয়। দ্বিতীয়, তৃতীয়জনৰপৰা নগাঁৱৰ জাজৰিৰ কুঢ়িমাৰি আৰু চেপেটিমৰা সত্ৰ হয়।

**মাজবাট**

খটৰা সত্ৰৰ লেচাকণীয়া গোবিন্দ আতৈৰ পৰিনাতি বাসুদেৱ ঠাকুৰ সত্ৰীয়াৰ ভ্ৰাতৃৰ

---

২ মাধৱদেৱৰ পৰম শিষ্য জীৱন্মুক্ত বুলি জ্ঞাত হৰিহৰ আতাৰ কনিষ্ঠ ভ্ৰাতৃ হৰিচৰণ। "তাৰে এটি দুহিতৃ হ'ল, অন্নতে পত্নী চলিল; তানে পুত্ৰ হৰিবৰ; তানে হন্তে বামুণদি, হাতীমূৰা চিলা, ধনাইকুছি, খেতৃ, সোৰ, এই হখন সত্ৰ হ'ল।" (কথা-গুৰুচৰিত, পৃ. ২৫৮-৬২)। ম.নে.

আৰু ডেকা সত্ৰীয়া ৰামদেৱ ঠাকুৰে দৰঙৰ মাজবাটত এই সত্ৰ প্ৰতিষ্ঠা কৰে। ৰামদেৱ ঠাকুৰে উজনিত ঔগুৰি সত্ৰ প্ৰতিষ্ঠা কৰেগৈ। ডিব্ৰুগড়ৰ 'ঔগুৰি সত্ৰ ...', শিৱসাগৰৰ 'ঔগুৰি সত্ৰ', 'খটৱা সত্ৰ' চাওক।

**খাটিকুছি সত্ৰ**

কনকলতা আইৰ বংশৰ অনন্তৰাম আতাৰ দ্বিতীয় পুত্ৰ খটৰাত সত্ৰ পাতি ৰয়। সেয়ে খাটিকুছি সত্ৰ।

**দিহিং সত্ৰ**

দিহিং বৰভাগ সত্ৰ মঙলদৈৰ দক্ষিণ-পশ্চিম কোণত কুৰুৱাত বৃন্দাবন-চন্দ্ৰদেৱ (১৬৯৪-১৭৬১ শক) প্ৰতিষ্ঠা কৰে। তেওঁৰ পুত্ৰ বল্লভচন্দ্ৰদেৱ পিছত উত্তৰ গুৱাহাটীত সত্ৰ পাতেগৈ। লক্ষ্মণচন্দ্ৰদেৱৰ পুত্ৰ দুৰ্লভচন্দ্ৰদেৱে নোগোৰাত সত্ৰ পাতেগৈ।

**চিন্তামণি সত্ৰ**

মঙলদৈৰ আন এখনি দামোদৰী সত্ৰ।

**চুপহা সত্ৰ**

জিলাৰ গেজেটিয়াৰত এই সত্ৰ চিনাকোণা মৌজাত।

**বৈনাৰা সত্ৰ**

চিনাকোণা মৌজাত এই সত্ৰ আছিল।

**ঔতলা সত্ৰ**

চপাই মৌজাৰ ঔতলা গাঁৱত।

**ভাগৱতী সত্ৰ**

হিন্দুঘোপা মৌজাত। জিলা গেজেটিয়াৰৰ মতে বৈনাৰা ঔতলা আৰু ভাগৱতী, এই তিনিওখনি সত্ৰ মঙলদৈ মৌজাত।[১]

**খৈৰাবাৰী সত্ৰ**

খৈৰাবাৰী এইটি অনুষ্ঠান কেইবছৰমান আগতেহে স্থাপিত হৈছে যদিও বহুতোখিনি সৎকাৰ্য হাতত লৈছে। বিশেষতে জনজাতীয় লোকসকলৰ মাজত মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰাৰ যত্ন প্ৰশংসনীয়। বৰপেটা সত্ৰৰ পৰিচালিত।

ম.নে.

**বগ্লাৰুনী সত্ৰ**

খটৱা সত্ৰৰ পিছৰ। কিম্বদন্তীমতে ধংপুৰা বা ধনতোলা গাঁৱৰ গাঁঠীয়া নামে মানুহ

---

১ *Assam District Gazeteers* : Darrang, 'কায়স্থ সমাজৰ ইতিবৃত্তি'ৰ উপৰিও শ্ৰীভিক্ষেশ্বৰ মহন্ত (পুকুৰিল সত্ৰ, সোণাৰি), শ্ৰীগুৰ্জেশ্বৰ শৰ্মা আদিৰ সহায়ত সত্ৰৰ বিৱৰণৰ এই অংশ দিয়া হৈছে।

এজনে ঘৰথ থকা ৰত্নাৱলী পুথিখন পালিব নোৱাৰি দ্বিগজ নৈত উটুৱাই দিয়ে। এক বুঢ়ীয়ে নৈত মাছ মাৰোঁতে পুথিখনি পাই পুনৰ উটুৱাই দিয়াতো উটি নোযোৱাত বুঢ়ীয়ে স্বপ্ন দেখি ঘাটত লাগি থকা পুথিখন আনি পোনতে ভঁৰালৰ চ'তিত, তাৰ পিছত ৰান্ধনিঘৰত, তাৰ পিছত এই নামঘৰ সাজি তাতে থাপনা পাতি থ'লে। থাপনা হোৱাৰ পিছত মণিকূটৰ দেউৰী হ'ল বুঢ়ী আৰু তেওঁৰ পুতেক শ্যামৰায় বৰুৱা। ৰত্নাৱলী সত্ৰৰ দেউৰীক ভকতহে বোলে। তেওঁ উদাসীন হ'ব লাগে আৰু তেওঁক পাতে ৰাইজে। জনশ্ৰুতিমতে সত্ৰৰ আগতে ঘটা 'সাক্ষ্য'বোৰ ঃ ভকতৰ গাত দেও লম্ভিছিল; সত্ৰৰ এলেকাত হাইজা নহৈছিল; সত্ৰত চুৰি হ'লে ভকতে 'ঝকি' ধৰিছিল; ভকতে জল-ফুল দিলে বসন্ত নোলাইছিল; ঝকনিৰ সময়ত ভকতে বহুত ভৱিষ্যদ্বাণী কৰিছিল; ভকতে অন্য দেৱ-দেৱী পূজা কৰিলে বিমঙ্গল ঘটিছিল। সত্ৰৰ আসনত ৰত্নাৱলী পুথিখনি এতিয়াও আছে। ঘৰ তিনিটা; মণিকূটত টিন লগোৱা; বাকী দুটা খেৰী। আগতে মানুহবিলাক শাক্ত, দামোদৰীয়া আছিল যদিও সত্ৰখনি মহাপুৰুষীয়া। মহাপুৰুষৰ তিথি হয়। তিনি বিহু, আঘোণত নাগেৰা-নাম, জেঠত সভা হয়। পৰিচালনা সমিতিয়ে সত্ৰৰ অলপীয়া মাটি-বাৰী চলায়।

**পালাভিঠা**

খটৰা সত্ৰৰ কেইবছৰমান পিছৰ। খটৰাত থকা গোবিন্দ আতাৰ চৰিতমতে লেচাকণীয়া আতাৰ প্ৰিয় শিষ্য কৃষ্ণদেৱক আতাই পূব দৰঙত নামধৰ্ম প্ৰচাৰ কৰিবলৈ পাচে। তেওঁ বহুত দিনৰ মূৰত চাৰিদুৱাৰ পায়গৈ। তাতে তেওঁ পাগ কৰি থকা অৱস্থাতে তিনি কুৰি খটে বেৰি-কুৰি ধৰাত কৃষ্ণদেৱে পোনতে তেওঁলোকক চাউল সিজোৱা ধৰাৰ সময়খিনি ৰ'বলৈ কয়। অন্ন লোৱাৰ পিছত তেওঁ খটইতৰ আগত ধৰ্ম ব্যাখ্যা কৰিবলৈ ধৰে। ফলস্বৰূপে তিনিও কুৰি খটে নামধৰ্মত শৰণ লয়। তাতে চাৰিদুৱাৰ সত্ৰ স্থাপিত হ'ল। কৃষ্ণদেৱ তাৰপৰা ঘূৰি আহি সৰাবাৰী মৌজাৰ বৰেৰী গাঁৱত ৰওঁতে লেচাকণীয়া আতাই তেওঁৰ বতৰা ল'বলৈ পঠিওৱা এজন ভকতে তাতে লগ পাই এক ভিঠাৰ ওপৰত কথাত বহে। এনেতে চকা বুৰে। দুয়ো নিশাটো ক'লৈকো নগৈ কথা-সুখত ৰ'ল। পিছদিনা গাঁৱৰ লোকসকলে আহি আলোচনাত যোগ দিয়ে আৰু কৃষ্ণদেৱত শৰণ লয়। সেই ঠাইতে পালাভিঠা নামে সত্ৰখনি হ'ল। বৰ্তমান যোগী আৰু আন লোকৰ মাজত বিভেদ হৈ সত্ৰখনি দুভাগ হৈছে।

**শিয়ালা বৈষ্ণৱৰ থান**

প্ৰায় ৩৯ বছৰমান আগতে ৰতিৰাম দত্ত আৰু তপোৰাম দাসে 'শিয়ালা বৈষ্ণৱ চৰিত্ৰ' এখন প্ৰকাশ কৰিছিল। তাৰ মূল ঘটনা এই ঃ এজন বৈষ্ণৱ ভূঞাৰ গুণত মুগ্ধ হৈ সেই অঞ্চলৰ ৰজাই দিনটোৰ ভিতৰত এটা হাতীৰে যিমান খণ্ড ঠাই বৃত্তাকাৰে গৈ ঘূৰি আহিব পাৰি সিমান মাটি নিষ্কৰকৈ দান কৰিছিল। তেওঁ তাতে সুখেৰে ধৰ্মচৰ্চা

কৰি আছিল। তেওঁ দুগৰাকী ভাৰ্যা — চান্দতাৰা আৰু কুন্দতৰা। এবাৰ তেওঁ বণিজলৈ যাবৰ সময়ত সৰু ভাৰ্যা কুন্দতৰা গৰ্ভৱতী অৱস্থাত থকাত চান্দতৰা আৰু ঘৰৰ আনসকলক যতন ল'বলৈ কৈ থৈ গ'ল। কিন্তু ল'ৰা-ছোৱালী নোহোৱা বৰঘৈণীয়ে তাতে চল পাই কুন্দতৰাৰ ল'ৰা সন্তান হ'লে মাৰি পেলাবলৈ ধাইৰ লগত ষড়যন্ত্ৰ কৰিলে। সময়ত প্ৰসৱ-বেদনা আৰম্ভ হোৱাত ন পোৱাঁতীয়ে ভয় খাব বুলি চকুত কেইবাতৰপো কাপোৰ বন্ধোৱা হ'ল আৰু ল'ৰা এটি জন্ম হোৱাত ধাইয়ে নি বাৰী চুকৰ হাবিত পেলাই দিলেগৈ। কুন্দতৰাক বুজাই দিয়া হ'ল যে ল'ৰা হোৱা নাছিল, মাংসপিণ্ড এটাহে ওলাইছিল। আনফালে ওচৰতে গাঁত থকা শিয়ালীয়ে কেঁচুৱাটি দেখি আলফুলকৈ গাঁতলৈ নিলে আৰু নিজৰ পোৱালিৰ লগত ৰাখিলে। এইদৰে এবছৰৰ মূৰত ভূঞা বণিজৰপৰা আহিলত তেওঁকো চক্ৰান্তমতে মিছা কথাকে কোৱা হ'ল। পিছে এদিন তেওঁ বাহিৰ ফুৰিবলৈ বাৰীৰ পাছফাললৈ যাওঁতে শিয়ালৰ গাঁতৰ মুখত ল'ৰাটি দেখি ভিতৰলৈ আহি প্ৰসৱৰ সময়ত থকা ধাই আৰু বেজিনী কেইজনীক মাতি আনি আচল কথাটো উলিয়ালে। বিচাৰ হ'ল। ল'ৰাটি শিয়ালৰ গাঁতৰপৰা অনা হ'ল। বৰঘৈণীক শূলত দিয়া হ'ল। ল'ৰাটি ডাঙৰ হ'লত শিয়ালীয়ে তোলা নিমিত্তে তেওঁক সকলোৱে শিয়ালা বৈষ্ণৱ নামে জনা হ'ল। সৰাবাৰী মৌজাৰ খাৰখোৱাপাৰা গাঁৱৰ উত্তৰে থকা দেওমৰনৈ-ঝাৰত তেওঁৰ ঘৰ-বাৰী আছিল। কিন্তু এতিয়া সকলোৱে সেই ঠাই শিয়ালা বৈষ্ণৱৰ থান নামে জানিলেও, তাৰ স্মৃতি-চিন ৰাখিবৰ কোনো যত্ন হোৱা নাই। ঠাইডোখৰ পমুৱাইহে আগুৰি ধৰিছে।

**বনমাজা সত্ৰ**

বনমাজা মৌজাৰ হেঙালপাৰা গাঁৱত ১৯৪৩ চনত মুক্তাৰাম মহন্ত, কৃষ্ণকান্ত মহন্ত আদিয়ে এই সত্ৰ পাতে। আগেয়ে এই ঠাই বনৰীয়া হাতী-ম'হ, হেঙাল কুকুৰা গুলোৱা অটব্য অৰণ্য আছিল। মঙলদৈ মহকুমাৰ ভিতৰত ইয়াতেই পোন প্ৰথমে মহাপুৰুষ শঙ্কৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছিল।

**পথৰুঘাট (পাথৰিঘাট) সত্ৰ**

সদৌ মঙলদৈৰ বাৰনাটিৰ বৈষ্ণৱ গুৰু মুক্তাৰাম মহন্ত আৰু তেওঁৰ ভকতসকলে ১৯৫৫ চনত এই সত্ৰ পাতে। আগতে হিন্দুঘোপাত বাৰনাটিৰ সভা বহিছিল আৰু তাৰপৰা বৰ্তমান ঠাইলৈ আনি ধৰ্মৰ খুটি পোতা হয়। নামধৰ্ম প্ৰচাৰ কৰা এই শঙ্কৰী সত্ৰৰ ভকতক কোনোৱে পুথিমেচীয়া আৰু বাৰনেটীয়াও বোলে। ব'হাগৰ সাদিনৰ দিনা সমস্ত মঙলদৈৰ পুথিমেচীয়া ভকতসকলৰ সভা বহে। শঙ্কৰদেৱ মাধৱদেৱৰ তিথি আদি পালন কৰা হয়।

**কায়কুৰা নামঘৰ (ক'লীয়া গোসাঁইৰ থান)**

লেচাকণীয়া গোবিন্দ আতাৰ মৃত্যুৎ এই ঠাইতে কাঠ-সংস্কাৰ কৰা হৈছিল।

বৰ্তমানে ইয়াত এটি কীৰ্তন-ঘৰ সজা হৈছে; তিথিত নাম-কীৰ্তন আদি হয়।

**বৰগুজুলি সত্ৰ**

খৈৰাবাৰীত সত্ৰ স্থাপন হোৱাৰ পিছত এইখনি স্থাপন কৰা হয়। মণিকূট এটি হৈছে।

**পদুমপুখুৰী সত্ৰ**

১৯৫৮ চনত এইখনি হৈছে সৰাবাৰী মৌজাৰ মহলীয়াপাৰা গাঁৱত।

পু.দা.

## মছজিদ

**পুৰণি মছজিদ**

মঙলদৈ অঞ্চলত দৰগাহ বা পুৰণি মছজিদ নাই। মুছলমানৰ আক্ৰমণৰ সময়ত ইয়াত মুছলমান জনসংখ্যা লাহে লাহে বাঢ়ি যায়। পাথৰিঘাট অঞ্চলত বিশেষকৈ পাটিদৰঙৰ দৰে মুছলমানৰ বসতি ঘন। কিন্তু অনেক মুছলমানেই ইছলামৰ নীতি পাহৰি স্থানীয় লোকৰ লগত মিল গৈছিল। গোমাংসও পৰিত্যাগ কৰিছিল। বহুতে মন্ত্ৰ-তন্ত্ৰ শিকিছিল আৰু বিশ্বাস কৰিছিল, আৰু মনসা-পূজা আদিত দেখা-দেখিকৈ ভাগ লৈছিল। সুকনান্নী গোৱা মুছলমান ওজা-পালি বৰ্তমান সময়লৈকে পোৱা গৈছে। ওজা-বৰা চুক এজন মুছলমান ওজাৰ নামে বিখ্যাত। নামাজ পঢ়িবৰ বাবে মুছলমানসকলৰ পকা বা কেঁচা ঘৰো বহুত কাললৈকে নাছিল। ১৮৮০ চনমানত জলকাদ আলি বা ছুফী চাহাব নামে গুৱাহাটীৰ ফালৰপৰা এজন মৌলানা আহি ইছলামৰ মূল-নীতি প্ৰচাৰ কৰাৰ ফলত মুছলমানসকলে ডাঁৰি ৰখা, গোস্ত খোৱা, খেৰ-বাঁহৰ মছজিদ সাজি নামাজ পঢ়া আদি পুনৰ আৰম্ভ কৰে।[২]

## গীৰ্জা

**ছেইণ্ট পল গীৰ্জা**

মঙলদৈৰ এইটি এঙ্গলিকান সম্প্ৰদায়ৰ মন্দিৰ

**হৰিশিঙা গীৰ্জা**

এই গীৰ্জা বেপ্টিষ্টসকলৰ। অঞ্চলটোত লুথেৰানসকলৰ কাম চলে।

১ *Assam District Gazetteers,* Vol. V Darrang, pp. 100-01

# কামৰূপ

**বশিষ্ঠাশ্ৰম**

গুৱাহাটী চহৰৰপৰা প্ৰায় সাত মাইল দক্ষিণে সন্ধ্যাচল পৰ্বতত তিনিটা সুঁতিৰ সঙ্গম দেখা যায়। কালিকাপুৰাণৰ একোনাশীতি অধ্যায়ত পোৱা যায় যে ব্ৰহ্মাৰ মানস পুত্ৰ বশিষ্ঠ মুনি নিমি ৰজাৰ শাপত দেহহীন হয়। আনহাতে নিমিও বশিষ্ঠৰ শাপত দেহহীন হয়। বশিষ্ঠ মুনিয়ে তেতিয়া নিৰুপায় হৈ ব্ৰহ্মাৰ শৰণাপন্ন হয় আৰু ব্ৰহ্মাৰ উপদেশমতে, এই সন্ধ্যাচলত ভগবান বিষ্ণুক তপস্যা কৰিবলৈ ধৰে। ভগবান বিষ্ণু সন্তুষ্ট হৈ বৰ দিয়ে। মহৰ্ষিয়ে তপোবলত সন্ধ্যা, ললিতা আৰু কান্তা এই ত্ৰিধাৰাৰে প্ৰবাহিতা কৰি গঙ্গাক নমাই আনে। এই ত্ৰিধাৰাৰ সঙ্গমস্থল বশিষ্ঠ-গঙ্গা নামে জনা যায়। এই সঙ্গমস্থলত গা ধুই আৰু ইয়াৰ পানী খাই বশিষ্ঠ মুনিয়ে নিজৰ শৰীৰ বা পূৰ্বৰূপ লাভ কৰে। বশিষ্ঠ মুনিয়ে এই সঙ্গমস্থলত নিতৌ ত্ৰিসন্ধ্যা কৰিছিল। গতিকে এই পুণ্য ঠাইত স্নান কৰিলে সন্ধ্যা পতিত হোৱা পাপৰপৰা মুক্ত হয় বুলি হিন্দুসকলৰ বিশ্বাস।

এই ঠাইত এটি বশিষ্ঠদেৱৰ মন্দিৰ আছে। এই মন্দিৰ আহোম ৰজা স্বৰ্গদেও ৰাজেশ্বৰসিংহৰ দিন (১৭৫১-১৭৬৯) নিৰ্মিত। মন্দিৰৰ ভিতৰত বশিষ্ঠ মুনিৰ পদচিহ্ন আছে। সূৰ্য আৰু চন্দ্ৰ-গ্ৰহণৰ সময়ত এই পবিত্ৰ সলিল-ধাৰাত স্নান কৰিবৰ উদ্দেশ্যে ইয়াত অনেক যাত্ৰীৰ সমাগম হয়।

মন্দিৰ গাত এখনি শিলালিপি আছে। এই শিলালিপি ৰাজেশ্বৰসিংহৰ দিনৰ। ইয়াৰ সময় ১৬৮৬ শক।[১]

**অৰুন্ধতী শিল**

বশিষ্ঠাশ্ৰমৰ পশ্চিমফালে কিছু দূৰৈত বশিষ্ঠ মুনিৰ ভাৰ্যা অৰুন্ধতীৰ শিলাচিহ্ন আছে। এই ঠাই এতিয়াও অতি দুৰ্গম।

১ "বেলতলা মৌজাৰ ভিতৰত বশিষ্ঠ ঋষিৰ আশ্ৰম। তাতে যোগেশ্বৰ শিৱৰ বশিষ্ঠ নামেৰে শিৱৰ দেৱালয় আছে। তাৰ ওৰিত বশিষ্ঠ গঙ্গা — সন্ধ্যা, ললিতা, কান্তা এই তিনি ধাৰ। তিনিও বিখনিত লগ হৈছে সেইটি কুণ্ড। তাত লোকসকলে স্নান-তৰ্পণ কৰে। আৰু সেঁৱে বশিষ্ঠ গঙ্গাকে ভৰলু নদী বোলে। তেওঁ উত্তৰবাহিনী হৈ লুইতত পৰিছে।" (কামৰূপ বুৰঞ্জী পৃ. ১১৮)। কালিকাপুৰাণত বৰ্ণিত বশিষ্ঠাশ্ৰমৰ সম্পৰ্কে মতভেদ দেখা যায়। ১৭৫১ চনত নিৰ্মিত এই দেৱালয়ৰ লাখেৰাজ ১৯৩ বিঘা আৰু নিস্পিখেৰাজ ৬৩৪ বিঘা জমি আছে। ম.চে.

**নৱগ্ৰহ দেৱালয়**

গুৱাহাটীৰ পূৰ্বাঞ্চলত চিত্ৰাচল পাহাৰৰ ওপৰত নৱগ্ৰহৰ মন্দিৰ বিদ্যমান। এই মন্দিৰৰ ভিতৰত মাজত আদিত্যেৰে সৈতে নটা গ্ৰহৰ শিলাচিহ্ন আছে। কালিকাপুৰাণত (৩৮।১১৯) আছে, সৃষ্টিকৰ্তা ব্ৰহ্মাই পোনতে এই ঠাইতে গ্ৰহ, নক্ষত্ৰ সৃষ্টি কৰিছিল আৰু সেই কাৰণে দেশখনৰে নাম প্ৰাগ্‌জ্যোতিষ হয়। বৰ্তমান নৱগ্ৰহ মন্দিৰ জ্যোতিষ-চৰ্চাৰ এটি কেন্দ্ৰ। বৰ্তমান ভগ্ন মন্দিৰটো ৰাজেশ্বৰসিংহই নিৰ্মাণ কৰাইছিল। ১৮৯৭ চনৰ ভূমিকম্পত ই ভাগি যায়। মন্দিৰৰ গাত এখনি ৰাজেশ্বৰসিংহৰ শিলালিপি আছে। এই লিপিৰ সময় ১৬৭৪ শক (১৭৫২ খ্ৰীঃ)। মন্দিৰৰপৰা কিছু দূৰৈত দক্ষিণফালে সমতলত নৱগ্ৰহৰ লগত সংলগ্ন থকা এটি নচুকীয়া পুখুৰী আছে। এই পুখুৰীৰ নাম শিলপুখুৰী। এই পুখুৰীৰ পাৰত ৰাজেশ্বৰসিংহৰ এখনি শিলালিপি আছে।[২]

**উগ্ৰতাৰা দেৱালয়**

গুৱাহাটী নগৰৰ ভিতৰৰ উজানবজাৰৰ জোৰপুখুৰীৰ পাৰত। ইয়াত এটি আহোম যুগৰ মন্দিৰ আছে। আৰু মন্দিৰৰ ভিতৰত দেৱী উগ্ৰতাৰাৰ পুণ্য-বাৰি-পূৰ্ণ নাভিমণ্ডলৰূপে পীঠস্থান আছে। এই ঠাইত দেৱীৰ নাভিমণ্ডল পৰিছিল বুলি কথিত আছে। মন্দিৰৰ পাৰত দুটি পুখুৰী আছে। এই পুখুৰী দুটি জোৰপুখুৰী নামে জনাজাত। এই পুখুৰীৰ পাৰত এখনি শিলালিপিত লিখা আছে যে স্বৰ্গদেৱ শিৱসিংহৰ মহিষী ৰাণী ফুলেশ্বৰী দেৱীয়ে এই পুখুৰী পুনৰ খনোৱাইছিল। শিলালিপিৰ সময় ১৬৬০ শক (১৭৩৮ খ্ৰীঃ)। ইয়াৰপৰা বুজিব পাৰি যে এই মন্দিৰ শিৱসিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল।[৩]

**শুক্ৰেশ্বৰ মন্দিৰ**

গুৱাহাটী নগৰৰ পাণবজাৰৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰত এটি টিলাৰ ওপৰত অৱস্থিত। এই ঠাইত আহোম ৰজা প্ৰমত্তসিংহৰ দিনত সজোৱা এটি মন্দিৰ আছে। মন্দিৰৰ ভিতৰত এটি প্ৰকাণ্ড শিৱলিঙ্গ আছে। শুক্ৰাচাৰ্যই এই শিৱলিঙ্গ থাপনা কৰিছিল বুলি হেনো এই শিৱৰ নাম শুক্ৰেশ্বৰ। এই দেৱালয়ত এখনি সংস্কৃত টোল আছে। মন্দিৰৰ গাত ৰাজেশ্বৰসিংহৰ শিলালিপি আছে।[৪]

**জনাৰ্দন দেৱালয়**

শুক্ৰেশ্বৰ পাহাৰত, শুক্ৰেশ্বৰ মন্দিৰৰ পশ্চিমে জনাৰ্দন মন্দিৰ। মন্দিৰৰ ভিতৰত

---

২ নৱগ্ৰহ দেৱালয়ৰ নামত লাখেৰাজ জমি ২১০ বিঘা। ম.নে.

৩ উগ্ৰতাৰা দেৱালয়ৰ নামত লাখেৰাজ ৪৫১, নিষ্পিখেৰাজ ৩৫৭ বিঘা জমি আছে। ম.নে.

৪ শুক্ৰেশ্বৰ — কামৰূপৰ বুৰঞ্জীত শুক্ৰেশ্বৰ পৰ্বতক হস্তী পৰ্বত বোলা হৈছে। সেয়ে বোধহয় যোগিনীতন্ত্ৰৰ (২.৫.৪৯) হস্তাচল। শুক্ৰেশ্বৰ মন্দিৰৰ ১,২৮৪ বিঘা লাখেৰাজ, ৪,১৭৬ বিঘা নিষ্পিখেৰাজ জমি আছে। নিৰ্মাণৰ তাৰিখ আনুমানিক ১৭২০ চন। ম.নে.

বিষ্ণু-জনার্দনৰ এখনি সুন্দৰ শিলৰ মূৰ্তি আছে। এই মন্দিৰ আহোম ৰজা প্ৰমত্তসিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল। ভালেমান ধুনীয়া শিলৰ মূৰ্তি মন্দিৰৰ গাত খটোৱা আছে। মন্দিৰৰ ভিতৰত প্ৰমত্তসিংহৰ এখনি শিলালিপি বিদ্যমান। এই মন্দিৰৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ ফালে মুখ কৰি গণেশ, বিষ্ণু-জনাৰ্দন, শিৱ-দুৰ্গা আৰু সূৰ্যৰ পৰ্বতৰ গাত কটা মূৰ্তি আছে।[৫]

**বাণেশ্বৰ লিঙ্গ**

জনাৰ্দন মন্দিৰৰ ওচৰতে বাণেশ্বৰ শিৱৰ মন্দিৰ। এই মন্দিৰৰ ভিতৰ বাণেশ্বৰ নামেৰে শিৱলিঙ্গ আছে।[৬]

**কামাখ্যা মন্দিৰ**

এই তীৰ্থস্থান গুৱাহাটী নগৰৰ পশ্চিমে নীলাচল পৰ্বতৰ ওপৰত অৱস্থিত। কামাখ্যা মন্দিৰৰ ভিতৰত যোনিপীঠ বিদ্যমান। এই ঠাইত সতীৰ মুখ্য অঙ্গ যোনি পৰিছিল কাৰণে পীঠশ্ৰেষ্ঠ। বৰ্তমান কামাখ্যা মন্দিৰটো কোচ ৰজা নৰনাৰায়ণে ১৫৬৫ খ্ৰীষ্টাব্দত পুনৰ্নিৰ্মাণ কৰে। মন্দিৰৰ ভিতৰত কোচ ৰজা নৰনাৰায়ণৰ এখনি শিলালিপি আৰু নৰনাৰায়ণ আৰু চিলাৰায়ৰ শিলৰ মূৰ্তি আছে। কামাখ্যা পাহাৰত মন্দিৰৰ আশে-পাশে কিছুমান মূৰ্তি, ভাস্কৰ্য (যেনে — ভৈৰৱ মূৰ্তি, পদুম ফুল, সিংহ ইত্যাদিৰ নক্সা কটা শিলৰ দুৱাৰমুখ, গণেশমূৰ্তি, ইত্যাদি) কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগৰ দ্বাৰা বৰ্তমানে সংৰক্ষিত। এই পাহাৰৰ বিভিন্ন মূৰ্তি ভাস্কৰ্যৰ সময় প্ৰায় ৮ম শতিকাৰপৰা ১৭ শ শতিকালৈকে হ'ব বুলি নিৰূপণ কৰা হয়। কামাখ্যা মন্দিৰৰ ওচৰত কালী, তাৰা, ছিন্নমস্তা, বগলা, ভৈৰৱী, ধূমাৱতী, কামেশ্বৰ, সিদ্ধেশ্বৰ, কোটিলিঙ্গ, মাতঙ্গী আৰু কমলা আদিৰ মন্দিৰ আছে।

দেৱীৰ নাট মন্দিৰত আহোম ৰজা ৰাজেশ্বৰসিংহৰ আৰু গৌৰীনাথসিংহৰ তামৰ ফলি আছে। কামাখ্যা পাহাৰৰ কেদাৰক্ষেত্ৰ মন্দিৰত আহোম ৰজা ৰাজেশ্বৰসিংহ আৰু আম্ৰাতকেশ্বৰ মন্দিৰত প্ৰমত্তসিংহৰ শিলালিপি আছে।

মন্দিৰলৈ উঠি যোৱা এটি অতি প্ৰাচীন খটখটি আছে। অলপতে মটৰ চলাচল কৰিব পৰাকৈ অসম চৰকাৰে এটি পকী আলিবাট নিৰ্মাণ কৰিছে।[৭]

৫ জনাৰ্দন — "বিষ্ণুৰ নাভিচক্ৰ জনাৰ্দন দেৱালয়" (কামৰূপ বুৰঞ্জী, পৃ. ১১৯)। শুক্ৰেশ্বৰ-জনাৰ্দনৰ লাখেৰাজ ১,৭৮৪ বিঘা আৰু নিস্পিখেৰাজ ৪,১৭৬ বিঘা। ম.নে.

৬ বাণেশ্বৰ দেৱালয়ৰ লাখেৰাজ জমি ২৫২ বিঘা, নিস্পিখেৰাজ ১,২৬৩ বিঘা। গেজেটিয়াৰমতে ১৮২০ চনত চন্দ্ৰকান্তসিংহই এই মন্দিৰ নিৰ্মাণ কৰায়। ম.নে.

৭ নীলাচল — "আৰু সেই পৰ্বততে কেদাৰক্ষেত্ৰ অৰ্থাৎ কাশীক্ষেত্ৰ আছে। তাতে মানুহ মৰিলে দক্ষিণ কাণ ওপৰলৈ কৰি মৰে। আৰু সৌভাগ্য নামে এটি মহাতীৰ্থ আছে। আৰু বিষ্ণুপদ আছে। তাত শ্ৰাদ্ধ কৰিলে গয়াৰ শ্ৰাদ্ধ হয়।" (কামৰূপ বুৰঞ্জী, পৃ. ১১৯)। নীলাচলৰ অম্বুবাচী মেলা বৰ সমাৰোহেৰে হয়। দেৱালয়ৰ লাখেৰাজ ২৩,৬৩৫ বিঘা। "শুনা যায় প্ৰতি বৎসরে আষাঢ় মাসের প্রারম্ভে অম্বুবাচীর কয়দিন কামাখ্যা দেবী রজস্বলা হন। তৎকালে যে পাণ্ডার পালা থাকে তিনি উৎকৃষ্ট সিল্কের রক্তবস্ত্রে তাহাকে পরিধান

### ভুৱনেশ্বৰী মন্দিৰ

নীলাচলৰ সৰ্বোচ্চ শিখৰত এই তীৰ্থস্থান অৱস্থিত। এই শৃঙ্গ ব্ৰহ্মাপৰ্বত নামে প্ৰসিদ্ধ। এই পৰ্বতৰ অধিষ্ঠাত্ৰী দেৱী মহাগৌৰীয়েই ভুৱনেশ্বৰী নামে খ্যাত। এই ঠাইৰপৰা গুৱাহাটীৰ দৃশ্য অতি মনোৰম।

### উমানন্দ দ'ল

গুৱাহাটী নগৰৰ কাছাৰী ঘাটৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ মাজত এটি শিলাময় দ্বীপত অৱস্থিত। এই দ্বীপটো কালিকাপুৰাণ আৰু যোগিনী তন্ত্ৰত ভস্মাচল, ভস্মকূট আৰু ভস্মশৈল নামে আখ্যায়িত হৈছে। মহাদেৱে তেওঁৰ কপালত থকা চকুৰপৰা ওলোৱা বহ্নিৰে কামদেৱক এই ঠাইতে হেনো ভস্ম কৰিছিল, আৰু সেই কাৰণে এই ঠাইৰ নাম ভস্মশৈল। উমাক আনন্দ দিবৰ কাৰণে মহাদেৱ এই ঠাইত চিৰবিদ্যমান কাৰণে এই ঠাইৰ নাম উমানন্দ অথবা উমানাথ। এই দ্বীপটো হেনো দেখিবলৈ ম'ৰা চৰাইৰ নিচিনা। সেই কাৰণে ইংৰাজসকলে ইয়াক Peacock Island অৰ্থাৎ ময়ূৰ-দ্বীপ বুলিছিল। এই ঠাইত বৰ্তমানে এটি মন্দিৰ আছে। এই মন্দিৰটো গদাধৰসিংহৰ নিৰ্দেশমতে গড়গঞা সন্দিকৈ বৰফুকনে নিৰ্মাণ কৰোৱাইছিল (১৬১৬ শক)। মন্দিৰৰ ভিতৰত অনাদি শিৱলিঙ্গ আৰু এটি ৰূপৰ নিৰ্মিত বৃষভবাহন দশভূজ-বিশিষ্ট উমানন্দ চলন্ত প্ৰতিমূৰ্তি আছে। শিৱৰাত্ৰিৰ দিনা এই ঠাইত ডাঙৰকৈ উৎসৱ হয়। উমানন্দ কামাখ্যা দেৱীৰ ভৈৰৱ, সেই কাৰণে তীৰ্থযাত্ৰীসকলে প্ৰথমে উমানন্দ দৰ্শন-পূজা কৰি পাণ্ডুৰ পঞ্চপাণ্ডৱ দৰ্শন কৰিব লাগে আৰু তাৰ পিছতহে নীলাচল পৰ্বতত উঠিব লাগে। উমানন্দ মন্দিৰত স্বৰ্গদেৱ শিৱসিংহই উপহাৰ স্বৰূপে দিয়া ৰূপৰ বৃষভবাহন চলন্ত মূৰ্তিৰ সিংহাসনৰ চাৰিওফালে এখনি লিপি আছে।[৮]

---

কৰাইয়া থাকেন। অন্যান্য পাণ্ডাগণ ইহার সম্মুখে এই কয়দিন রক্তবস্ত্র রাখিয়া দেন। তাহারা ইহার কিয়দংশ যাত্রীদিগকে প্রদানপূর্বক বলিয়া থাকেন মায়ের এই রক্তবস্ত্র অতি শুভফলপ্রদ। কেহ ভক্তি সহকারে ইহাকে রাখিলে মামলা-মকর্দমায় জয়লাভ, মনস্কামনা পূর্ণ ও নানাবিধ দুর্দৈব খণ্ডন হইয়া থাকে।" (বিজয়ভূষণ ঘোষ চৌধুৰী, "অসম প্ৰসঙ্গ", পৃ. ২৫।) ম.নে.

৮ উমানন্দ— যোগিনী তন্ত্ৰ, ১.৫.৫০,১৮১-ইত্যাদি চাওক। মোগল বাদশ্বাহ আউৰাংজেবে দক্ষিণকোলৰ পাণ্ডু চৰকাৰ বঙ্গেশ্বৰ পৰগণাত উমানন্দৰ পূজাৰি সাদামন আৰু তৎপুত্ৰ কামদেৱক (বৰ্তমান দলৈৰ পূৰ্বপুৰুষ) আগৰ ৰজাসকলে দিয়া জমি পুনৰ দান কৰা ফাৰ্চী ভাষাৰ দুখন লেখা (১৬৬৭ চন) পোৱা গৈছে। (S. C. Goswami : Land grant to the temple of Umananda at Gauhati by Bahshah Ghaji Aurangzeb Salar Khan, *J.A.R.S.*, Vol. IX, pp. 1-12; চান্দ মোহম্মদ চৌধুৰী, "খাদেম", ১২ মে ১৯৪০)। আউৰংজেবৰ শাসনৰ নৱম বছৰত পূৰ্বতে কামাখ্যাৰ নামত আল্লাহয়াৰ খাঁ আৰু হাছন কান্দাহাৰী খাঁ গুৱাহাটীৰ ফৌজদাৰ থাকোঁতে তুৰুকপাৰা মৌজাত দুজন পূজাৰিক দিয়া ভূমিদান পুনঃসংস্থাপন কৰা হয় (*Annals of The Delhi Badshahate*, p. 17), এই দেৱালয়ৰ লাখেৰাজ ৯,৬৬৪ বিঘা নিস্পিখেৰাজ ৬,৩১৭ বিঘা। ম.নে.

## উৰ্বশী-কুণ্ড

উমানন্দৰ দক্ষিণে ব্ৰহ্মপুত্ৰৰ মাজত এটি সৰু শিলাময় দ্বীপত উৰ্বশীকুণ্ড অৱস্থিত। এই ঠাইত শিলৰ গাত বিষ্ণুৰ দশাৱতাৰৰ মূৰ্তি আৰু সূৰ্যমূৰ্তি কটা আছে। পাহাৰৰ গাত প্ৰাচীন লিপিও (ব্ৰাহ্মী) দেখা যায়। এই লিপি বৰ্তমান পঢ়া অসম্ভৱ। এই ঠাই বাৰিষা একেবাৰে পানীত তল যায়। গতিকে নাৱৰীয়াসকলক এই বিপদসংকুল ঠাইৰ সঙ্কেত দিবলৈ কিছু দিনৰ আগতে এটি ওখ স্তম্ভ সজাই দিয়া হৈছে।[১]

## ছয়গাঁৱৰ মেৰঘৰ

গুৱাহাটীৰপৰা প্ৰায় ৬ মাইল পশ্চিমে বৰ্তমান ছয়গাঁৱত চান্দ সদাগৰে সজোৱা শিলৰ মেৰঘৰৰ অৱশিষ্ট বিদ্যমান। সেই ঠাইত শিৱ-মন্দিৰত ভগ্নাৱশেষ দেখা যায়। এই ঠাই পুনৰ সংস্কাৰ কৰিবৰ কাৰণে অসম চৰকাৰে কিছু অৰ্থদান কৰিছে। ছয়গাঁৱৰ ওচৰত এটি চণ্ডিকাৰ মন্দিৰ আছে।

## গণেশগুৰি

গুৱাহাটীৰপৰা প্ৰায় চাৰি মাইল দক্ষিণে বশিষ্ঠাশ্ৰমলৈ যোৱা বাটৰ ওপৰত গণেশগুৰিৰ থান। এই ঠাইত এটি প্ৰকাণ্ড গণেশৰ মূৰ্তি আছে আৰু তাত সদায় পূজা-পাতল চলি থাকে।

## পাণ্ডুনাথ-দেৱালয়

বৰ্তমান পাণ্ডুঘাটৰ ওচৰত, কামাখ্যা পাহাৰৰ পশ্চিমফালে বিষ্ণুৰ বৰাহ পৰ্বতৰ নিম্নভাগত ব্ৰহ্মপুত্ৰৰ পাৰত এই দেৱালয়। এই ঠাইত বিষ্ণুৰ উৰু শিলাৰূপে আছে। ভগবান বিষ্ণুৱে নিজৰ উৰুৰ ওপৰত ৰাখি মধু আৰু কৈভট নামৰ দুজন অসুৰৰ শিৰশ্ছেদ কৰিছিল। সেই উৰুৰ চিহ্নই শিলাৰূপে পাণ্ডুনাথ নামে জনা যায়। এই ঠাইত পঞ্চ-পাণ্ডৱৰ মূৰ্তি আছে। এই ঠাইত কোচ ৰজা ৰঘুদেৱৰ এখন শিলালিপি আছে। ১৭০৭ শকৰ (১৭৮৫ খ্ৰীষ্টাব্দ) আহোম ৰজা গৌৰীনাথসিংহই দিয়া তামৰ ফলি এখনত পাণ্ডুনাথৰ কাৰণে ভূমিদান কৰা কথা লিখা আছে।[১]

---

৯ উৰ্বশী—"কৰ্মনাশাৰ উত্তৰে উৰ্বশী পৰ্বত। তাত জল্লেশ্বৰ শিৱ আছে। বিষ্ণুপদ গয়াতীৰ্থ আছে আৰু অনেক তীৰ্থ আৰু মোক্ষস্থান আছে। উৰ্বশীৰ উত্তৰে অগস্তি তীৰ্থ।" (কামৰূপ বুৰঞ্জী) যোগিনীতন্ত্ৰ, ২.৮.৪১-৪২ চাওক। উৰ্বশী দ্বীপৰ মূৰ্তিসমূহৰ ভিতৰত যোগাসনস্থ ভূমিস্পৰ্শ-মুদ্ৰাযুক্ত এটি মূৰ্তি আছে; সেইটি কনকলাল বৰুৱাৰ মতে সম্ভৱত বুদ্ধমূৰ্তি। মূৰ্তিটিৰ লগত এজন উপাসকৰ মূৰ্তিও সৰু আকৃতিত আছে। দুফালে লক্ষ্মী-সৰস্বতীৰে বিষ্ণুমূৰ্তি বিশিষ্ট বস্তু। উৰ্বশী শিলৰ কিছু লিপি অৰ্বাচীন (Notes on some ancient ruins, *J.A.R.S.*, Vol. II, p. 105)।

১ পাণ্ডুনাথ—কামৰূপ বুৰঞ্জীমতে (পৃ. ১১৯) পাণ্ডুনাথ পৰ্বতত পাণ্ডুনাথ শিৱৰ দেৱালয়হে; "সেই পৰ্বতৰ বায়ু কোণে ১৬ হাত অন্তৰত এটি ব্ৰহ্মকুণ্ড আছে। তাৰ মহাত্ম্য ক'ব নোৱাৰি। কিন্তু শাস্ত্ৰে কৈছে তাত কাঠৰ পৰিলে স্বৰ্ণ হয়। কিন্তু সেই তীৰ্থটি এতিয়া লুইতৰ

**ছত্ৰাকাৰ মন্দিৰ**

গুৱাহাটীৰ উজানবজাৰত ব্ৰহ্মপুত্ৰৰ পাৰত এটি সৰু টিলাৰ ওপৰত এই দেৱালয়। টিলাটো ছত্ৰ অৰ্থাৎ ছাতিৰ আকাৰৰ, গতিকে এই টিলাটোৰ নাম ছত্ৰাকাৰ আৰু দেৱালয়খনৰ নাম ছত্ৰাকাৰ দেৱালয়। ইয়াৰ ঘাই মন্দিৰটোৰ ভিতৰত মঙ্গলচণ্ডীৰ পিতলৰ মূৰ্তি আছে। মন্দিৰৰ গাতো দুই-চাৰিটা মূৰ্তি আছে। ঘাই মন্দিৰৰ ওচৰতে এটি পুৰণি ইটাৰ ভগ্ন মন্দিৰ আছে। এই মন্দিৰৰ ভিতৰত শিৱলিঙ্গৰ পূজা হয়। এই মন্দিৰৰ ভিতৰত এখনি ধুনীয়া বংশীগোপালৰ মূৰ্তি আছে।[২]

প্ৰে. চৌ.; মু.দা.

**উমাচল**

১৯৫৫ চনত নীলাচলৰ নামনিত উমাচলত 'মহাধিৰাজ শ্ৰীসুৰেন্দ্ৰবৰ্মা'ৰ এখন শিলালিপি আবিষ্কৃত হয়। এই ফলিত তাৰিখ নাই, আৰু এতিয়ালৈকে পোৱা তালিকাত সুৰেন্দ্ৰবৰ্মা নামে এজন ৰজাৰ উল্লেখো নাই। গতিকে মহাভূতিবৰ্মাৰ পূৰ্বৰ ৰজা মহেন্দ্ৰবৰ্মা (৫ম শতিকা) লগত এই সুৰেন্দ্ৰবৰ্মাক একেজন বুলি ভবা হৈছে। (*D. C. Sircar and P. D. Chaudhury* : Umachal Rock Inscription of Surendravarma, *Epigraphia Indica*, Vol. XXXI, pp. 67-69)।

**চন্দ্ৰশেখৰ মন্দিৰ**

গুৱাহাটী মৌজাত আনুমানিক ১৮০২ চনত চন্দ্ৰকান্তসিংহৰ দ্বাৰা স্থাপিত ৪৬২ বিঘা নিষ্পিখেৰাজ জমিৰে এই মন্দিৰৰ উল্লেখ জিলাৰ গেজেটিয়াৰত পোৱা যায়।

**বেলতলাৰ গণেশ**

"আৰু বেলতলা মৌজাখনিৰ চাৰিও দুৱাৰে গণেশ আছে। গণেশৰ গুৰিয়ে গুৰিয়ে একোটি নিৰ্জৰা অৰ্থাৎ নদী। সি সকলো তীৰ্থ।" (কামৰূপৰ বুৰঞ্জী।)

**কৰ্মনাশা**

"শুক্ৰেশ্বৰৰ পূৰ্বফালে যি থলত হপকিন্সন্ কমিচনৰ চাহাবৰ বঙ্গলা আছে সেই স্থানটি ভগদত্ত ৰজাৰ মেলকৰা ঘৰৰ ভেটী। তাৰ আৰু শুক্ৰেশ্বৰৰ ঈশান কোণে লুইতৰ ভিতৰত কৰ্মনাশা পৰ্বত। স্নান বা আন পুণ্য কৰ্ম কৰি তাৰ ফালে চালেই কৰ্মৰ ফল নষ্ট

---

ভিতৰত হৈছে। চিনি পোৱা টান।" যোগিনীতন্ত্ৰত পাণ্ডুশৈল (২.৪.১৯) আৰু পাণ্ডুনাথৰ কথা (১.৬.২) আছে। পাণ্ডুনাথ দ'লৰ লাখেৰাজ ৬৯৯ বিঘা আৰু নিষ্পিখেৰাজ ৭৮৯ বিঘা। ম.নে.

২ ছত্ৰাকাৰ—কামৰূপ বুৰঞ্জীমতে (পৃ. ১১৯) উগ্ৰতাৰাৰ উত্তৰে দ্বিতীয় মদনাচলত মঙ্গলাচণ্ডীৰ স্থান ছত্ৰাকাৰ দেৱালয়। যোগিনীতন্ত্ৰত (২.৯.৮১) ছত্ৰাকাৰগিৰিৰ উল্লেখ আছে। ছত্ৰাকাৰৰ লাখেৰাজ ২,২,৮৮ বিঘা আৰু নিষ্পিখেৰাজ ৪,৯৫৯ বিঘা। গেজেটিয়াৰমতে আনুমানিক ১৭৯৫ চনত কমলেশ্বৰসিংহই এই মন্দিৰ প্ৰতিষ্ঠা কৰে। ম.নে.

হয়" (কামৰূপৰ বুৰঞ্জী, ১১৯ পৃ.) "অগস্তি ক্ষেত্ৰৰ ঐশান্য কলি পৰ্বত আছে। তাতে কলিৰ মূৰ্তি আছে। সেইখনিলৈ গ'লে সকলো পুণ্য নষ্ট হয়। এতেকে তাক কৰ্মনাশা বোলে।" (পৃ. ১১৩-পৰিশিষ্ট খ)।

**আম্ৰাতকেশ্বৰ থান**

ৰামছা মৌজাৰ ভিতৰতে কামাখ্যা-দেবালয়ৰ উত্তৰত আম্ৰাতকেশ্বৰ শিৱৰ থান। দেবোত্তৰ-বহ্মোত্তৰ একো নাই গেজেটিয়াৰমতে। ওপৰত 'কামাখ্যা মন্দিৰ' চাওক।

**বুঢ়াগোসাঁইৰ থান**

ছয়গাঁও মৌজাত। দেবোত্তৰ-বহ্মোত্তৰ নাই।

**লক্ষেশ্বৰ থান**

জালুকবাৰীত থকা আসাম ফৰেষ্ট্ স্কুলৰ পূব দক্ষিণে ট্ৰাঙ্ক ৰোডৰ গাতে লাগি থকা জালুকবাৰী পাহাৰৰ ওপৰত লক্ষেশ্বৰ শিৱৰ থান। প্ৰবাদ আছে মহাদেৱে ইয়াত নিজ বেশে ৰাতি বিচৰণ কৰি চুৰি আদি অপকাৰ্যৰপৰা অঞ্চলটো ৰক্ষা কৰি আছিল। তাতে দুষ্ট লোকৰ ব্যাঘাত হোৱাত তেওঁৰ গাত মদ ঢালি দিয়াত তেওঁ শিলা-ৰূপ লয়। লক্ষেশ্বৰ শিল আঢ়ৈ কুৰি হাতমান বেৰৰ কুৰি হাতমান ওখ। ওচৰতে নাৱৰ আকৃতিত এটা ডাঙৰ শিল আৰু শিৱৰ ভাং খুন্দা খুবলি বুলি কথিত আন এটা শিল। পশ্চিম গুৱাহাটী, পাণ্ডু, পলাশবাৰী, ছয়ানী আদি ঠাইৰ লোকে ইয়াত পূজা দি নাম-প্ৰসঙ্গ কৰিবলৈ আহে।

**বৰমামীৰ থান**

দক্ষিণপাৰৰ ছয়গাঁৱৰ ওচৰত ৰতনপুৰত থকা এই মনসাৰ থানত পূজা হৈ থাকে।

**ৰঙামাটিৰ থান**

পলাশবাৰীৰ পশ্চিমে ৰঙামাটি পৰ্বতৰ মাজত গুহাৰ নিচিনা ঠাইত বছৰি মাঁৰৈপূজা হয়, দেওধনি বা জঁকী উঠে।[৩]

ম.নে.

**মণিকৰ্ণেশ্বৰ-শিৱলিঙ্গ**

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, উত্তৰ গুৱাহাটীৰ (ৰজাদুৱাৰ) মণিশৈল পৰ্বতত মণিকেশ্বৰ নামেৰে শিৱলিঙ্গ আছে। এই ঠাইত মণিকৰ্ণ নামেৰে এটি পুখুৰী আছিল। এই পুখুৰী ব্ৰহ্মপুত্ৰত বিলীন হৈ গৈছে। বৰ্তমান মণিকৰ্ণেশ্বৰৰ মন্দিৰটো ৰাজেশ্বৰসিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল। এই মন্দিৰৰ গাত ৰাজেশ্বৰসিংহৰ (১৬৭৭ শক) এখনি শিলালিপি

৩ লক্ষেশ্বৰ থানৰ সম্বন্ধে শ্ৰীমহেন্দ্ৰনাথ নেওগৰপৰা পোৱা হৈছে। পলাশবাৰীৰ থান কেইখনিৰ কথা শ্ৰীভাৰতচন্দ্ৰ কলিতা আৰু শ্ৰীঅমৰেন্দ্ৰনাথ বৰুৱাৰপৰা পোৱা।

আছে। মন্দিৰৰ ওচৰেদি ব্ৰহ্মপুত্ৰ বৈ গৈছে। বাৰিষা এই ঠাই অতি মনোৰম হয়।[৪]

### দীৰ্ঘেশ্বৰী মন্দিৰ

উত্তৰ গুৱাহাটীৰ ৰংমহল অঞ্চলত। এই ঠাইত এটি আহোম ৰজাদিনীয়া মন্দিৰ আছে। ইয়াত দুৰ্গাদেৱীৰ পূজা চলিত।[৫]

### অশ্বক্ৰান্ত মন্দিৰ

উত্তৰ গুৱাহাটীৰ মাজগাঁও অঞ্চলত। এই ঠাইত দুটি মন্দিৰ আছে। এটি ব্ৰহ্মপুত্ৰৰ পাৰত পাহাৰৰ তলভাগত। ই কূৰ্মৰূপী ভগবান জনাৰ্দন বিষ্ণুৰ মন্দিৰ বুলি জনা যায়। এই মন্দিৰ সম্বন্ধে কামাখ্যা-মাহাত্ম্যত এই বুলি লিখা আছে — জনাৰ্দনগিৰৌ বিষ্ণুঃ স্বয়ং কূৰ্মস্বৰূপধৃক্। শিলাং ভিত্ত্বা স্থিতস্তত্ৰ দেৱ-গন্ধৰ্ব-সেৱিতঃ।। আনটো পৰ্বতৰ উপৰিভাগত অৱস্থিত। মন্দিৰৰ ভিতৰত এখনি অতি ধুনীয়া অনন্তশায়ী বিষ্ণুৰ শিলৰ মূৰ্তি আছে। এতিয়ালৈকে জনাৰ ভিতৰত অসমত এইখনেই অনন্তশায়ী বিষ্ণুৰ-মূৰ্তি। মন্দিৰৰ গাত বিষ্ণুৰ দশাৱতাৰৰ মূৰ্তি আছে। এই পৰ্বতৰ তলত অশ্বক্ৰান্ত নামে এটি কুণ্ডও আছিল। বৰ্তমানে এই কুণ্ড ব্ৰহ্মপুত্ৰত বিলীন হোৱাত যাত্ৰীসকলে ব্ৰহ্মপুত্ৰ নদীতে স্নান কৰে। ইয়াৰ বাহিৰেও ব্ৰহ্মপুত্ৰৰ পাৰত ভগবান বিষ্ণুৰ পাদপদ্ম আছে। গতিকে এই ঠাই বিষ্ণুপদ বুলি খ্যাত। এই বিষ্ণুপাদ-পদ্মত পিতৃলোকৰ আত্মাৰ সদগতিৰ কাৰণে পিণ্ডদান কৰা হয়।

চ'ত মাহৰ অশোকাষ্টমী তিথিত এই ঠাইত স্নান কৰিবৰ উদ্দেশ্যে বহু যাত্ৰীৰ সমাগম হয়। এই মন্দিৰ স্বৰ্গদেৱ শিৱসিংহৰ দিনত নিৰ্মাণ কৰা হৈছিল। মন্দিৰৰ গাত এইজনা স্বৰ্গদেওৰ এখনি শিলালিপি আছে, ইয়াৰ সময় ১৬৪২ শক (১৭২০ খ্ৰী.)।[৬]

### ৰুদ্ৰেশ্বৰ দেৱালয়

উত্তৰ গুৱাহাটীৰ শিলসাঁকোৰপৰা প্ৰায় এমাইলমান উত্তৰে। ১৬৩৬ শকত ৰুদ্ৰসিংহ কামৰূপলৈ ভটীয়াই আহি বৰ্তমান ৰজাদুৱাৰত নামেহি। দুৰ্ভাগ্যক্ৰমে বৰ্তমান ৰুদ্ৰেশ্বৰ

---

৪ মণিকৰ্ণেশ্বৰ—মণিকৰ্ণেশ্বৰ পৰ্বতৰ নামেই বুৰঞ্জীত চাহবুৰুজ (কামৰূপৰ বুৰঞ্জী, পৃ. ১২৯)। ইয়াৰ ঐশান্যকোণত মঙ্গলা নামে নদী, আজিকালি ৰবনদী বোলে (যোগিনীতন্ত্ৰ, ২.৫.১১-১৬, কামৰূপ বুৰঞ্জী, পৃ. ১২০)। যোগিনীতন্ত্ৰমতে মণিকৰ্ণিকা নামে দ্বাবিংশতি ধনু পৰিমাণৰ এক কুণ্ড আছে। মন্দিৰৰ লাখেৰাজ ১৯২ বিঘা, নিস্ফিখেৰাজ ৮৪৮ বিঘা। মণিকৰ্ণেশ্বৰ, ৰুদ্ৰেশ্বৰ আৰু দীৰ্ঘেশ্বৰী চিলা সেন্দুৰীযোপা মৌজাত পৰে। ম.নে.

৫ দীৰ্ঘেশ্বৰী— (যোগিনীতন্ত্ৰ, ২৭.৭.১১৭।) ৰবৰণৰ মৌজাৰ দীৰ্ঘেশ্বৰী পৰ্বতক সীতা পৰ্বতো বোলে। (কামৰূপ বুৰঞ্জী, পৃ. ১২৮)। "অশ্বক্ৰান্তৰ আৰু এই তীৰ্থৰ সেই ডোখৰৰ ভিতৰতে বৃন্দাবনক্ষেত্ৰ আছে" (পৃ. ১২০)। মন্দিৰৰ লাখেৰাজ জমি ৬,৮২১ বিঘা। মন্দিৰটি গেজেটিয়াৰমতে ৰাজেশ্বৰসিংহৰ দিনত আনুমানিক ১৭৫১ চনত নিৰ্মিত। ম.নে.

৬ অশ্বক্ৰান্ত— যোগিনীতন্ত্ৰ, ২.৩.৬, ২.৩.২৯-৩০, ২.৪.২৫-৫৩। 'তাৰ উত্তৰে দ্বাদশ তীৰ্থ আৰু গয়াতীৰ্থ, বিষ্ণুপদ আছে।' (কামৰূপ বুৰঞ্জী, পৃ. ১২০)। অশ্বক্ৰান্ত দেৱালয়ৰ লাখেৰাজ ১,১৪১ বিঘা নিস্ফিখেৰাজ ৪,২৮৩ বিঘা। ম.নে.

দেৱালয়ত থকা ঠাইডোকৰত তেওঁৰ হঠাৎ মৃত্যু হয়। ১৬৭১ শকত তেওঁৰ পুত্ৰ প্ৰমত্তসিংহই সেই ঠাইৰ ওপৰত এটি শিৱলিঙ্গ স্থাপন কৰি এটি মন্দিৰ সজাই দিয়ে। মন্দিৰটো বৰ্তমানে ভাগি গৈছে। ৰজাৰ নাম অনুসাৰে এই শিৱলিঙ্গৰনাম ৰুদ্ৰেশ্বৰ শিৱ দিয়া হয়। মনিদৰৰ গাত স্বৰ্গদেও প্ৰমত্তসিংহৰ এখনি শিলালিপি (১৬৭১ শক) আছে।[৭]

**হয়গ্ৰীৱমাধৱ-দেৱালয়**

হাজোৰ মণিপৰ্বত নামে এটি চাপৰ টিলাৰ ওপৰত এই দেৱালয় অৱস্থিত। এটি শিলৰ দীঘল খট্‌খটিয়ে দেৱালয়লৈ উঠি যাব লাগে। কালিকাপুৰাণমতে এই তীৰ্থস্থানৰ প্ৰতিষ্ঠাতা ঔৰ্বঋষি। ভগৱান বিষ্ণুৱে ঔৰ্বঋষিৰ তপস্যা ভঙ্গকাৰী জ্বৰাসুৰ, হয়াসুৰ আদি পাঁচজন অসুৰক বধ কৰি হয়গ্ৰীৱমাধৱ নামে এই পৰ্বতত অৱস্থান কৰি আছে। মাধৱ মন্দিৰৰ ভিতৰত হয়গ্ৰীৱ-মাধৱৰ লগত তেওঁৰ বাঁওপিনে দ্বিতীয় মাধৱ, গৰুড়পক্ষী আৰু দক্ষিণপিনে গোবিন্দ মাধৱ আৰু বাসুদেৱৰ মূৰ্তি বিদ্যমান। লামা সম্প্ৰদায়ৰ বৌদ্ধসকলে হয়গ্ৰীৱ মাধৱৰ মূৰ্তিটো মহামুনি অৰ্থাৎ বুদ্ধৰ মূৰ্তি বুলি পূজা কৰে। আজিকালিও জাৰকালি তিব্বত আৰু ভুটানৰপৰা বৌদ্ধ-ধৰ্মাৱলম্বী লোকসকল এই মূৰ্তি দৰ্শন কৰিবলৈ আহে। কালাপাহাৰে এই ঠাইত থকা প্ৰাচীন মন্দিৰটো ভাগি যোৱাৰ পিছত কোচ ৰজা ৰঘুদেৱে ১৫৪৩ খ্ৰীষ্টাব্দত এই মন্দিৰ পুনঃসংস্কাৰ কৰে। মন্দিৰৰ গাত হিন্দুৰ দেৱ-দেৱীৰ মূৰ্তি খোদিত কৰা আছে। মন্দিৰৰ তল ভাগত হাতীৰ প্ৰতিকৃতিসমূহ এই মন্দিৰৰ এটি বিশেষত্ব। এই মন্দিৰৰ ভিতৰত কোচ ৰজা ৰঘুদেৱ, আৰু আহোম ৰজা প্ৰমত্ত সিংহ আৰু কমলেশ্বৰসিংহৰ শিলালিপি আছে। মন্দিৰৰ ওচৰতে আহোম ৰজা প্ৰমত্তসিংহৰ দ্বাৰা নিৰ্মিত এটি দ'ল আছে। এই ঠাইত দৌল-উৎসৱ হয়।[৮]

**কেদাৰ-মন্দিৰ**

হাজোৰ কেদাৰ পাহাৰৰ ওপৰত এই মন্দিৰ। এই মন্দিৰ শিলেৰে নিৰ্মিত। মন্দিৰৰ

---

৭ ৰুদ্ৰেশ্বৰ— লাখেৰাজ ৩৩১ বিহ', নিষ্পিখেৰাজ ২,৫৯৩ বিঘা। ম.নে.

৮ হয়গ্ৰীৱমাধৱ—যোগিনীতন্ত্ৰ, ২.৫.২৬, ২.৯ অধ্যায়। এই তন্ত্ৰত ব্ৰহ্ম-পুৰাণোক্ত (কীৰ্তন-ঘোষা'ৰ উৰেষা-বৰ্ণনা চাওক) শ্ৰীক্ষেত্ৰ জগন্নাথ মন্দিৰৰ মূৰ্তি-বিষয়ক কাহিনীৰ অনুৰূপ এটি আখ্যান হয়গ্ৰীৱমাধৱৰ বিষয়ত সন্নিবিষ্ট কৰা আছে। কামৰূপ বুৰঞ্জীত সেইদে আছে, ই 'শ্ৰীক্ষেত্ৰ শ্ৰীজগন্নাথৰে একে বস্তুৰপৰা হৈছে। সেই মণিকূটচলক দ্বিতীয় বৈকুণ্ঠ ব্যাখ্যা আছে।' মাধৱৰ মন্দিৰৰ লগত বৌদ্ধধৰ্ম সম্পৰ্কৰ বিষয়তে ডক্টৰ বাৰেভৰ *Buddhism in Tibet*, অনুসন্ধান সমিতিৰ পত্ৰিকাত 'Was there a Buddhist temple at Hajo প্ৰবন্ধ (Vol. II, pp. 39-44), 'The temple of Madhab at Hajo' প্ৰবন্ধ (Vol. II, pp. 2-93) আৰু *Indian Historical Quarterly* ত (Vol. XXVII, pp. 144ff.) ডক্টৰ মহেশ্বৰ নেওগৰ Buddhism in Kamrupa প্ৰবন্ধ, *Pragjyotisa* (১৯৬৫) পুথিত একেজনৰে Crypto-Buddhism in Kamrupa প্ৰবন্ধ আদি চাওক। মাধৱৰ মন্দিৰৰ ৰজা-বাদশাহৰ প্ৰদত্ত ৩৮,০৯৮ বিঘা নিষ্পিখেৰাজ জমি আছে। মন্দিৰৰ দক্ষিণত ৰবাহকুণ্ড (যো.ত., ২.৫.৩৭)। ম.নে.

ভিতৰত এটি শিৱলিঙ্গ আছে। শিৱৰাত্ৰিৰ দিনাখন ইয়াত ডাঙৰকৈ উৎসৱ হয়। মন্দিৰৰ ভিতৰত এখনি শিলালিপিত লিখা আছে, আহোম ৰজা ৰাজেশ্বৰসিংহৰ নিৰ্দেশমতে এই মন্দিৰ পুনৰ্নিৰ্মাণ কৰা হয়।

মু. দা.

**কমলেশ্বৰ-মন্দিৰ**

কেদাৰনাথ মন্দিৰৰ পৰ্বতটিৰ নাম মদনাচল। কেদাৰ মণ্ডপৰ পূবফালে কমলেশ্বৰ শিৱৰ দেৱালয়। "কেদাৰ মণ্ডপৰ অগ্নিকোণে শিলৰ ওপৰতে এটি সৰোবৰ আছে। তাৰ জলেৰে কেদাৰনাথৰ স্নান-পূজা হয়। সি মহাতীৰ্থ। তাৰে পানী বাৰিষা-খৰালি একেদৰে থাকে।" (কামৰূপ বুৰঞ্জী, পৃ. ১২১; যোগিনী-তন্ত্ৰ, ২.৫.২৭, ২.৯.৭৮)।

**গণেশ্বৰ-দেৱালয়**

মাধৱ মন্দিৰৰ পূবফালে কেদাৰনাথৰ মন্দিৰলৈ যোৱা বাটত।

**কামেশ্বৰ-দেৱালয়**

গণেশ্বৰৰ অগ্নিকোণত গোকৰ্ণ পৰ্বত (যোগিনী-তন্ত্ৰ, ২.৯.৪৩), তাতে কামেশ্বৰ শিৱলিঙ্গেৰে শিৱমন্দিৰ (যো.ত., ২.৯.১১৮-১৯)।

**অনুনৰ্ভৱ আৰু স্বৰ্গদ্বাৰ**

গোকৰ্ণৰ ওচৰতে পৰ্বতৰ নামত অপুনৰ্ভৱ নামে তীৰ্থ। ইয়াত পৃথিৱীৰ যি কিছু তীৰ্থ, সৰিৎ, পুষ্কৰিণী, কুণ্ড আদি আছে, তাৰপৰা পৃথকে পৃথকে জল আহৰণ কৰি ৰুদ্ৰ আৰু সোম অৱস্থান কৰে। তাত স্নান-দান কৰিলে পুনৰ্জন্ম নহয় কাৰণে নাম অপুনৰ্ভৱ। (যো. ত., ২.৯.৩২-৩৯, ২.৯.১১৫)। 'সেই পৰ্বততে স্বৰ্গদ্বাৰ নামে এটি বিবৰ আছে। সেই বিবৰেৰে পূৰ্বে আহোম ৰজাৰ আমোলত দুইজন ভোট সোমাই গৈছিল। পুনৰায় বাহিৰ নহ'ল' (কামৰূপৰ বুৰঞ্জী, পৃ. ১১২)।

**হাজোৰ আন আন পবিত্ৰ বস্তু**

হাজোৰ মাধৱ, কেদাৰ আদি মন্দিৰৰ অঞ্চলত ভীমৰ পঁইতা খোৱা চৰিয়া, মহাদেৱৰ বৃষভ, নেতাই ধুবুনীৰ কাপোৰ-ধোৱা পাট, মহামুনিৰ নিৰ্বাণৰ সময়ত হাতৰপৰা সৰি পৰি মাখনৰ শিলাভূত টুকুৰা আদি নানা প্ৰবাদসংযুক্ত কৌতূহলোদ্দীপক বস্তু আছে।

**শ্যামৰায়ৰ মন্দিৰ**

হাজো তহছিলৰ উপৰ বৰভাগ মৌজাত ৭৮৯ বিঘা নিষ্পিখেৰাজ জমিৰে এটি মন্দিৰ।

**জয়দুৰ্গা-মন্দিৰ**

হাজো অঞ্চলৰে এই মন্দিৰে ১৭৭৪ চনত লক্ষ্মীসিংহৰ দ্বাৰা স্থাপিত হয়। ইয়াৰ

নামত ৫৬৭ বিঘা লাখেৰাজ জমি আছে। কিন্তু পিছত ইয়াত বাঁহ-কাঠ-ইকৰাৰ এটি ঘৰহে ৰয়।

**বিল্বেশ্বৰ-মন্দিৰ**

ধৰ্মপুৰ মৌজাৰ বেলশৰ গাঁৱৰ (নলবাৰীৰ দক্ষিণ-পশ্চিমে) এই মন্দিৰ কেতিয়া স্থাপিত জনা নাযায়। যোগিনী-তন্ত্ৰত 'বিল্বশ্ৰী' নামে এক পৰ্বতৰ কথা আছে। কামৰূপৰ বুৰঞ্জীত আছে, "পূৰ্বে ১৪৪৩ শকত ইং ১৫২৯ চনত নাগাক্ষ নামে ৰজাই তাৰ মঠ বান্ধি দিছে।" শিৱসিংহই মন্দিৰৰ নামত ভূ-সম্পত্তি আদি দিয়ে। গেজেটিয়াৰমতে ইয়াৰ লাখেৰাজ ১,৪২০ বিঘা আৰু নিষ্পিখেৰাজ ২,৮০১ বিঘা। শিৱৰাত্ৰি, দুৰ্গাপূজা আদিত সমাৰোহ হয়।

**ধাৰেশ্বৰ শিৱৰ স্থান**

গুৱাহাটীৰপৰা কুৰি মাইলমান দূৰৰ হাতীমুৰা পৰ্বতত। 'তাত আকাশীগঙ্গা আছে। মানুহ দেৱালয়লৈ যাওঁতে তিতি যায়, আহোঁতে একো নাই।' (কা.বু.।) ইয়াৰ লাখেৰাজ ১,৭৩২ বিঘা। গেজেটিয়াৰমতে আনুমানিক ১৭৩০ চনত শিৱসিংহৰদিনত স্থাপিত।

**দীপ্তেশ্বৰী পীঠ**

নাহেশ্বৰীৰ পূবে দীপ্তেশ্বৰী ভগৱতীৰ পীঠ। সেই পীঠত সদায় পানী থাকে (কা.বু.)। ই ৰঙিয়াৰ ওচৰত, পূব কছাৰীমহল মৌজাত। ইয়াৰ পুৰণি মন্দিৰ নাই। লাখেৰাজ ১,২৮৬ বিঘা, নিষ্পিখেৰাজ ১,০৩০ বিঘা। ১৭৬৪ চনৰ এখন ফলি আছে।

**কূৰ্মমাধৱৰ দেৱালয়**

পিঙ্গলেশ্বৰৰ বায়ু দিশত, দীপ্তেশ্বৰীৰ পূবে একে মৌজাৰে কুলৈ গাঁৱত কূৰ্মমাধৱৰ দেৱালয়। এতিয়া মন্দিৰ নাই। শিৱসিংহ ৰজাই ভূসম্পত্তি আদি দিছিল। দেৱালয়ৰ নামত লাখেৰাজ ৩৫১ বিঘা।

**পিঙ্গলেশ্বৰ মন্দিৰ**

মদন-কামদেৱৰ উত্তৰ-পূবত, পাটিদৰং (এতিয়া কৰৰা) মৌজাত হস্তাচলৰ পিঙ্গলেশ্বৰ শিৱমন্দিৰ কেতিয়া স্থাপিত জনা নাযায়। এতিয়া কেঁচা ঘৰ মাত্ৰ আছে। লাখেৰাজ ৩৭৬ বিঘা, নিষ্পিখেৰাজ ৯৬৫ বিঘা। ১৬৬৯ শকৰ শিৱসিংহ ৰজাৰ ফলি আছে বুলি শুনা যায়।

**দেওবাঁহৰ-গুৰি দেৱালয়**

পিঙ্গলেশ্বৰৰ উত্তৰে এখন দেওবাঁহৰ-গুৰি দেৱালয়, আৰু উত্তৰ বৰক্ষেত্ৰি মৌজাতো আন এখন আছে। পিছৰখন মন্দিৰ এতিয়া কেঁচা যদিও লাখেৰাজ ২৬৭ বিঘা, আনুমানিক ১৭৯৫ চনত কমলেশ্বৰসিংহৰ দিনত স্থাপিত।

### মদন-কামদেৱৰ থান

গোপেশ্বৰৰ পূবে, পিঙ্গলেশ্বৰৰ দক্ষিণ-পশ্চিমে নৰ্থ ট্ৰাঙ্ক ৰোডৰপৰা ৩ মাইল দূৰত বৰবংশৰ মৌজাত মদনাচল বা মদন-কামদেৱ বা দিবানগিৰি পৰ্বত — গুৱাহাটীৰ পৰা ১৪ মাইল দূৰ হ'ব। ইয়াতে মদন-কামদেৱ নাম বৃহৎ বৰ্গক্ষেত্ৰৰ ওপৰত প্ৰতিষ্ঠিত দেৱালয় এটিৰ ধ্বংসাৱশেষ দেখা পোৱা যায়। ই কেতিয়া প্ৰতিষ্ঠিত ক'ব নোৱাৰি। কামৰূপৰ বুৰঞ্জীত ইয়াৰ উল্লেখ আছে। পৰ্বতৰ গাতে লাগি পূবফালে মদনগুৰি বা মদনকুৰি নামে মৰানৈৰ চিন, আৰু সেইখিনিতে মদনকুৰ (মদন কুণ্ড) নামে নৈৰ কুড় এটি পৰাৰ চিনো আছে। যোগিনী-তন্ত্ৰত কেদাৰ-মন্দিৰ থকা মদনাচলৰ কথা আছে (২.৯.৬৫-৭০) আৰু চ'তমহীয়া কামত্ৰয়োদশী পালনৰ কথাও আছে (২.৯.৫১); কিন্তু ধ্বংসপ্ৰাপ্ত এই মন্দিৰৰ ইঙ্গিত থকা যেন নালাগে। ইয়াত মন্দিৰৰ গাৰ চটাচট শিল আৰু ইটা, তাৰ মাজে মাজে সিংহ, নৰ-নাৰী মূৰ্তি (দুটা-এটা ৰতিসূচক), শিৱলিঙ্গ, মুণ্ডমালী এক দেৱমূৰ্তি আদি পৰি আছে। টিনৰচালি এখনৰ তলত আলিঙ্গনবদ্ধ দুটি দেৱ-দেৱীৰ এক মূৰ্তিক মদন-ৰতি বুলি পূজা কৰা হয় (যদিও এজন পণ্ডিতৰ মতে ই উমালিঙ্গন মূৰ্তি অৰ্থাৎ উমা-মহেশ্বৰ)। মদন-কামদেৱৰ নামত লাখেৰাজ জমি ১১৮ বিঘা। এই দেৱালয়ৰ খাজনা লৈ কিছু অসুবিধা হোৱাত ১৯০২ চনৰপৰা চাৰি বছৰমান ব্ৰহ্মোত্তৰৰ খাজনা মদাৰতলা মৌজাৰ টেঙাবাৰী গাঁৱৰ নিয়ামত আলি চৌধুৰীয়ে আদায় কৰি তাত তত্ত্বাৱধান লৈছিল। তাৰপৰা এই অঞ্চলৰ ধৰ্মমূলক সহনশীলতা কেনে প্ৰীতিকৰ আছিল বুজা যায়। জনা যায় শিৱসিংহ ৰজাৰ দিনত মাটি দিয়া তামৰ ফলি হেৰোৱাত ব্ৰিটিংশৰ আমোলত পেৰাকাকত কৰি মাটি ৰখোৱা হয়।[১]

### গোপেশ্বৰ দেৱালয়

মদন-কামদেৱৰ পশ্চিমে মদাৰতলা মৌজাত দেৱদুৱাৰ পৰ্বতত (দেৱদুৱাৰ গাঁও) গোপেশ্বৰ শিৱৰ দেৱালয়। গেজেটিয়াৰমতে শিৱসিংহ ৰজাৰ দিনত আনুমানিক ১৭২৫ চনত স্থাপিত, লাখেৰাজ ৭০ বিঘা, নিষ্পিখেৰাজ ৫৩২ বিঘা। দলৈৰ হাতত থকা ১৬৬১ শক বা ১৭৩৯ চনত (শশধৰ-ৰস-তৰ্ক-হুণ্ডিণাঙ্ক শাকে) সেই ৰজাৰ প্ৰধান সেনাপতি তৰুণদুৱৰা বৰফুকনে দেৱোত্তৰ নিবন্ধ কৰি দিয়া তাম্ৰপত্ৰিকাত 'দেৱদুৱাৰত মাটি ১ বি.' এনেকৈ আছে। দলৈৰ মতে মন্দিৰৰ লাখেৰা ১৮ পুৰাৰ দুপুৰা ৰেললাইনত গৈছে, নিষ্পিখেৰাজ ২৫০ আৰু খেৰাজ ১৫০ পুৰা আছে। মন্দিৰ ভাগি গৈছে। ইয়াত এটি আচৰিত ধৰণৰ গুহা আছে।

---

১ Capt. E. Tuite Dalton . Notes on Assam temple ruins, *Journal of the Asiatic Society*, 1855, No. 1; T. K. Sarmah : Ruins of a Hindu temple in Kamrupa district. *J.A.R.S.*, X, 3 & , pp. 82-83.

### লক্ষ্মীশিল

গুৱাহাটীৰপৰা পাঁচ মাইলমানত নিজশিলা গাঁৱত ঘাই আলিৰ তেনেই কাষতে এটি লক্ষ্মীশিল আছে। "আই মহালক্ষ্মীৰ থান। সেই শিলতে আহুধানৰ বতৰত এজোপা, শালিধানৰ বতৰত এজোপা ধান হয়। যি বৎসৰত তাত ধান কম হয় সেই বৎসৰত দেশতো ধানৰ খেতি কম হয়। আৰু তেনেকুৱা এটি লক্ষ্মীশিল বেলতলাৰ ফটাশিলৰ পৰ্বতৰ দক্ষিণফালে আছে। "শিলৰ উপৰত ধান হোৱা ইটি কি আচৰ্য, ইয়াত বুজিবা" (কা. বু.)। ইয়াত নৈবেদ্য-দান আৰু নাম-প্ৰসঙ্গ হয়।

### ভৃঙ্গেশ্বৰ দেৱালয়

মণিকূট পৰ্বতৰ দক্ষিণে উত্তৰ সৰুবংশৰ মৌজাত শিৱসিংহ ৰজাৰ দিনত আনুমানিক ১৭৩০ চনত স্থাপিত ভৃগেশ্বৰৰ শিৱৰ দেৱালয়। তাৰে কাষত অন্তৰাৰ কুণ্ড বুলি এটি তীৰ্থ আছে (কা.বু.)। লাখেৰাজ ৫০০ বিঘা, নিস্পিখেৰাজ ১,৭২৭ বিঘা। কোনো ঘৰ নাই (গেজেটিয়াৰ)।

### সিদ্ধেশ্বৰ দেৱালয়

উত্তৰ সৰুবংশৰ মৌজাত শোৱালকুছি গাঁৱত সিদ্ধেশ্বৰ শিৱৰ মন্দিৰ যি পৰ্বতত অৱস্থিত সিয়ে যোগিনী-তন্ত্ৰৰ (২.৯.১২৯) বিন্ধ্যাচল (সিদ্ধ্যাচল(?) কা.বু.) তাৰ দেৱতা সিদ্ধেশ্বৰ (যো.ত., ২.৮.২৯)। গেজেটিয়াৰমতে মন্দিৰটি শিৱসিংহৰ দিনত ১৭২৯ চনত স্থাপিত, লাখেৰা আছে ৪৭৪ বিঘা।

### অগ্নিবাণেশ্বৰ থান

উত্তৰ সৰুবংশৰ মৌজাৰ অগ্নিবাণেশ্বৰ পৰ্বতৰ ওপৰত অগ্নিবাণেশ্বৰ শিৱৰ থান। আগৰ মন্দিৰ নাই। গেজেটিয়াৰমতে এই স্থান শিৱসিংহৰ দিনত আনুমানিক ১৭৩০ চনত স্থাপিত, লাখেৰাজ ৯৯ বিঘা।

### বাঘেশ্বৰী পীঠ

সিদ্ধেশ্বৰৰ পশ্চিমে বাৰন্তি মৌজাত বাঘেশ্বৰী দেৱীৰ পীঠ। তাত হোনো সদায় এই বাঘ থাকে।[১]

### বৰপেটা মহকুমাৰ থান

পবিহৰেশ্বৰ দেৱালয়ৰ বাহিৰে পুৰণি দেৱস্থান নাই বুলিব পাৰি। গেজেটিয়াৰত

১ তলত 'বাঘেশ্বৰী বা বাঘাশ্বৰী থান' (পলাশবাৰী) আৰু 'বাঘেশ্বৰী থান' (নলবাৰীৰ ওচৰৰ আদাবাৰী গাঁও) চাওক। বৰপেটা মহকুমাৰ বাঘবৰ পাহাৰৰ বাঘেশ্বৰীৰ প্ৰতীক ৰৰণুটাৰ নিচিনা আঢ়ে ফুটমান দীঘল এটা শিল। শিলটোৰ ওপৰত এটা সৰু বিন্ধা আছে। সাধাৰণতে মানুহে তাতে সেন্দুৰ দি পূজা কৰে। থানৰ পূজা চলোৱা পকাকীসকল কছাৰী। (তিলক দাস, "অঙ্কুৰ" ১ম বছৰ, ৪ৰ্থ সংখ্যা।)

ৰঘুনন্দন চক্ৰৱৰ্তীৰ স্থাপিত কেঁচা ঘৰেৰে, ১,০২৪ বিঘা লাখেৰাজ আৰু ৫৮ বিঘা নিস্পিখেৰাজেৰে বাসুদেৱ-দেৱালয়, আৰু মাধৱৰাম কলিতা ঠাকুৰীয়াৰ স্থাপিত ৫৩ বিঘা লাখেৰাজ, ৩৭৮ বিঘা নিস্পিখেৰাজেৰে কেঁচা ঘৰেৰে ডক্ৰেশ্বৰ দেৱালয়ৰ নাম দিয়া হৈছে।

### ঈশ্বৰ পাটেশ্বৰী

ৰূপসী মৌজাৰ এই মন্দিৰৰ দেৱোত্তৰ-ব্ৰহ্মোত্তৰ নাই।

### মঠৰগুৰি

বৰপেটা মহকুমাৰ একেবাৰেই উত্তৰ সীমাত বেঁকী নৈৰ পাৰত। আন নাম মানস-মৃগয়াবন। এই মনোৰম ঠাইলৈ দূৰ-বিদূৰৰ ভ্ৰমণকাৰী আহে।[২]

কামৰূপৰ বুৰঞ্জীত তলত দিয়া ক্ষেত্ৰপৰ্বত আদি নিৰ্দিষ্ট হৈছে

### দশাশ্বমেধ

ক্ৰৌঞ্চ বা কুৰুৱা পৰ্বতৰ অগ্নিদিশে মাছ-পুৰি-খোৱা পৰ্বতৰ নামেই দশাশ্বমেধ। ই মণিকৰ্ণেশ্বৰৰ পূবে।

### আমুনি-এমুনি

মণিকৰ্ণেশ্বৰৰ পূৰ্বে আমুনি আৰু এমুনি নামে দুই পৰ্বত।

### গিৰিকাচল

আমুনি-এমুনিৰ পশ্চিমে গিৰিকাচল নামে তিনিটি পৰ্বত; তাতে গদাধৰ-মাধৱ আৰু তাৰ নৈঋত কোণত জগন্নাথ নাৰদৰ দ'ল।

### চন্দ্ৰপৰ্বত

গিৰিকাচলৰ দক্ষিণে চন্দ্ৰপৰ্বতত মাধৱেশ্বৰ গোসাঁই আছে। যোগিনীতন্ত্ৰত চন্দ্ৰকূটৰ মাধৱৰ উল্লেখ (২.৩.৫, ২.৪.৬) আছে। "উমানন্দৰ উত্তৰে সিন্দুৰীঘোপা মৌজাৰ ভিতৰত চন্দ্ৰশৈল আছে, চন্দ্ৰমাধৱৰ স্থান। এতিয়া তেওঁ অদৃশ্য হৈ আছে, কাল পালে ওলাব। মণিকূটতকৈ এগুণ বেছি মহিমা।" (কা.বু. ১২০)

### ইন্দ্ৰপৰ্বত

চন্দ্ৰপৰ্বতৰ পূবে ব্ৰহ্মপুত্ৰৰ মাজত ইন্দ্ৰপৰ্বতত সহস্ৰাক্ষ নামে মহাদেউ আছে।

### গোদন্ত

অশ্বক্ৰান্তৰ উত্তৰে সৰু সৰু চাৰিটি পৰ্বতৰে এটি গোদন্ত। 'তাৰ তিনিখনি পৰ্বত এৰি সীতাকুণ্ডৰ ওচৰত যি পৰ্বতখনি আছে তাতে জটাধৰ গোসাঁই আছে। অশ্বক্ৰান্ত আৰু

২ মঠৰগুৰিৰ বতৰা দিছে শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসে। মানস অভয়াৰণ্যৰ কালি-পৰিমাণ ২৬০ বৰ্গমাইল। ভূটানৰ সীমাৰপৰা তাৰ পূতল গড়ে ১০ মাইল।

সীতাকুণ্ড দুইৰ মধ্যত এক নিজৰা আছে। তাৰ নাম সন্তানজৰা। তাত স্নান কৰিলে নিসন্তানৰো সন্তান হয়।' (কা.বু. পৃ. ১২৯।) যোগিনীতন্ত্র, ২.৩.৫, ২.৪.১২ চাওক।

### ইন্দ্ৰাচল বা আঁৰপৰ্বত

অশ্বক্রান্তৰ পূবে কৰ্মনাশক আঁৰ কৰি থকা আঁৰ পৰ্বতেই ইন্দ্ৰশৈল (যো.ত., ২.৩.১০)। "দেৱতাৰ কোপত সেই ইন্দ্ৰাচলৰ দক্ষিণৰ ফালে আদখন ব্ৰহ্মপুত্ৰে পূৰ্বেই খহাই নিছে। এতেকে অশ্বক্রান্ত তীৰ্থত স্নান কৰিলে কৰ্মনাশা পৰ্বত দেখা পায়। বৰলোকসকলে ক্ষেত্ৰ আৰু তীৰ্থৰ পূৰ্বফালে আৰণ দি কৰ্ম কৰে।" (কা.বু. ১২০)

### ৰাৰাদি

বহৰি সত্ৰৰ ওচৰৰ এই বাৰাদি বা দেৱৰ বাৰাদিত মাটিৰ তলত এটি বিষ্ণুমূৰ্তি আছে আছে। মাঘৰ বিহুৰ সময়ত ইয়াত ডাঙৰ মেলা হয়।

ম.নে.

### বুঢ়াগোহাঁই আৰু গোবৰ্ধন আদি ক্ষেত্ৰ-পৰ্বত

চমৰিয়া মৌজাত আৰু ছয়গাঁৱত শিৱৰ নামত পবিত্ৰ বুঢ়াগোহাঁই পৰ্বত দণ্ডায়মান। বকোৰ বুঢ়াগোহাঁই পৰ্বতত দেবীৰো থান আছে। ছয়গাঁৱত বিষ্ণুৰ অধিষ্ঠান গোবৰ্ধন পৰ্বতত। লুকি আৰু বেকেলীত ঠাকুৰপাৰা, তিনিবৈনী, বুঢ়াগোহাঁই, বৰুৱা, চমুৱা আদি ক্ষেত্ৰ-পৰ্বতবোৰ আছে। (গেজেটিয়াৰ।)

### ৰাজাটিপ

ৰাজাটিপ প্ৰাচীন বৰনগৰৰ প্ৰায় সোঁমাজত মৰাভাগ ৰেল ষ্টেশ্যনৰপৰা প্ৰায় দুমাইলমান দক্ষিণে আৰু চকচকাৰপৰা প্ৰায় আধা মাইল পূবপিনে গোহাঁই কমল আলিৰ (এতিয়া উত্তৰ ট্ৰাঙ্কৰোড) ঠিক সোঁমাজত অৱস্থিত। সেই ঠাইখিনি বৰনগৰ চাৰ্কেলৰ দক্ষিণে গণকগাৰী নামৰ গাঁৱৰ ওজাপাৰা নামৰ চুবা এটিৰ ভিতৰত। ৰাজাটিপ ওখই প্ৰায় সাত আঠ ফুটমান হ'ব, বেৰটো আঠ-দহজন মানুহে আঁকোৱালি নোপোৱা। চাৰিওপিনে পকা দেবাল সাজি দিয়া হৈছে। কিন্তু টিপৰ মাটি দুই এচপৰাকৈ খহি আহিব ধৰিছে। প্ৰবাদ আছে, ৰুক্মিণীক হৰণ কৰি নিওঁতে এই ৰাজাটিপৰ কাষতে হেনো শ্ৰীকৃষ্ণই ঘোঁৰাৰ লেকাম টানি ৰথ ৰাখি অলপ জিৰাইছিল। সেয়েহে আজিও ৰাজাটিপৰ কাষেৰে দৰা-কইনা যাব লগা হ'লে অলপ জিৰাই সেৱা কৰি যোৱা প্ৰথা চলি আছে।

নৰনাৰায়ণৰ ভতিজা ৰঘুৰায়ে এই বৰনগৰত ৰাজত্ব কৰিছিল। কোঠৰবৰি (বৰ্তমান ভেৰভেৰী গাঁৱৰ অন্তৰ্গত) নামৰ ঠাই ডোখৰত ৰঘুৰায়ৰ এটি কোঠ আছিল। নৰনাৰায়ণ ৰজাই যুক্তিৰে এই বিবাদ মীমাংসা কৰিবলৈ চেষ্টা কৰি কৃতকাৰ্যতাৰ কোনো আগন্তুক নেদেখি, "ৰঘুৰায়, লক্ষ্মীনাৰায়ণ, আজিৰপৰা এই টিপে তোমালোকৰ ৰাজ্যৰ সীমা। ইয়াৰ পূবে ৰঘুৰায় আৰু পশ্চিমে লক্ষ্মীনাৰায়ণে ৰাজ্য ভোগ কৰিবা" বুলি হাতত থকা

শেলপাত ৰাজাটিপৰ কাষত মাৰি দিলে। তেতিয়াৰপৰা ৰাজাটিপৰ প্ৰাধান্য বাঢ়ি আহিল। নৰনাৰায়ণৰ আদেশত গোহাঁইকমলে কোচবেহাৰৰপৰা আলি বন্ধা কাম আৰম্ভ কৰি বৰনগৰ পালেহি। তেওঁৰ বনুৱাবিলাক দিনটোৰ পৰিশ্ৰমৰ অন্তত এই ৰাজাটিপত নাম-প্ৰসঙ্গ কৰিবলৈ ঠিক কৰিলে। বনুৱাবিলাকে লগ হৈ একে আঁজলি মাটি আনি আনি এই প্ৰকাণ্ড টিপটো সজালে। তাৰপৰাই সদায় ইয়াত হৰিনাম-কীৰ্তন হ'বলৈ ধৰিলে। গোহাঁইকমলে হেনো নিজে ইয়াত গুৰু-সেৱা কৰিছিল। তাকে দেখি আন আন বহুতেই ইয়াত গুৰু-সেৱা কৰিলে। এনেকৈয়ে গোহাঁইকমলৰ উদ্যোগত ৰাজাটিপৰ কাষৰৰ এটি সৰু টিপ কাটিব খোজা লগুৱা-লিকচৌৱে সৈতে দাৰা চাহাবক টিপৰপৰা এটি সৰু ৰঙা সাপ ওলাই খেদা ধৰে। ৰাজাটিপৰ কাষত কোনো দ'ল-দেৱালয় নাই। পূজা-পাতলৰ কোনো নিৰ্ধাৰিত সূচী নাই। জেঠমাহত গৰখীয়া গোসাঁই হেনো এবাৰ ৰাজাটিপলৈ ওলাই আহে। এইটোৱেই ৰাজাটিপৰ ডাঙৰ উৎসৱ। তেতিয়া ৰাইজ মিলি নাম-প্ৰসঙ্গ কৰে। কোনো নিৰ্ধাৰিতত পুৰোহিত নাই। বলি-বিধানৰো ব্যৱস্থা নাই।

**বৰনগৰ গৰখীয়া গোসাঁইৰ থান**

মৰাভাগ ৰেল ষ্টেশ্যনৰপৰা প্ৰায় এমাইল দক্ষিণ-পশ্চিমে থকা গৰখীয়া গোসাঁইৰ থান বৰনগৰ অঞ্চলৰ এখনি অতি প্ৰাচীন আৰু প্ৰধান ধৰ্মানুষ্ঠান। থানখন সম্বন্ধে বহুতো জনশ্ৰুতি আছে। আগেয়ে এই ঠাইডোখৰ হেনো অটব্য হাবিৰে ভৰপুৰ আছিল। শ্ৰীকৃষ্ণই প্ৰতিযোদ্ধাসকলক পৰাভৱ কৰি ৰুক্মিণীক লাভ কৰি দ্বাৰকা বুলি ৰথ চলাই উভতি যাওঁতে এই বৰনগৰৰে ৰাজটিপৰ ওচৰত অকণমান জিৰাই লৈ এই গৰখীয়া গোসাঁইৰ থানৰ হাবিৰ ওপৰেৰে ৰথ চলাইছিল। হাবিখনৰ নানা তৰহৰ গছ-বিৰিখ চৰাই-চিৰিকতি আৰু পকা ফল-মূল দেখি ৰুক্মিণী আইদেউ মোহিত হৈছিল। ৰুক্মিণীৰ অনুৰোধত শ্ৰকৃষ্ণই হেনো ৰথখন ঘূৰাই এনেয়ে ওপৰতে এটা পাক দি গৈছিল। থানৰ উৎপত্তি সম্বন্ধে আৰু বহুতো জনশ্ৰুতি আছে। সময়ত আগৰ হাবিয়নিৰ আশে পাশে মানুহৰ বসতি হ'বলৈ ধৰিলে। গৰখীয়াবিলাকে ইয়াৰ কাষতে গৰু চৰায়, দুপৰীয়া হ'লে হাবিৰ মাজলৈ গৈ এডাল গছৰ তলত এডোখৰ ঠাইত বহি লগত নিয়া কোমল চাউল চিৰা আদি খায়। খোৱাৰ পূৰ্বেই খোৱা বস্তু অলপ অলপ শ্ৰীকৃষ্ণৰ উদ্দেশ্যে আগবঢ়াই আৰু গৰু গৰখীয়াৰ একো অপায় অমঙ্গল নহ'বলৈ কাকূতি জনায়। সেই গৰখীয়াৰ গৰুপালতে জাকুৱা বংশৰ ৰবকোচৰ এজনী কপিলী গাই আছিল। এই গাইজনী নিতৌ গৰখীয়াইঁতে প্ৰসাদ আগবঢ়োৱা ঠাইডোখৰলৈ আহি পোৱালিক গাখীৰ খুৱায়। গাখীৰ খুউৱা পিছত ফেনে সৈতে কিছু গাখীৰ তাত পৰি ৰয়। পিছত গাইজনী গৈ আকৌ পালৰ লগ লয়। তেনেদৰে কিছুদিন যোৱাৰ পিছত এই কথা গৰখীয়াইঁতৰ দৃষ্টিগোচৰ হ'ল। তেতিয়া গৰখীয়াইঁতে প্ৰমাণ চাবৰ বাবে এদিন গৰুৰ পাল কিছু দূৰলৈ লৈ গ'ল। পিছত নিৰ্দিষ্ট সময়ত সেই ঠাইলৈ আহি প্ৰসাদ আগবঢ়াই খোৱা-লোৱা কৰিলে। সেইদিনাও সেই

কপিলী গাইজনী পালৰপৰা আহি সেই ঠাইত পোৱালিক গাখীৰ খুৱাই আকৌ পালৰ লগ লাগিল। পিছদিনা আৰু দূৰলৈ নি চালে। গৰখীয়াইঁতৰ একে কথাই দৃষ্টিগোচৰ হ'ল। তেতিয়া গৰখীয়াইঁতে প্ৰমাণ চাবৰ বাবে এদিন গৰুৰ পাল আৰু কিছু দূৰলৈ লৈ গ'ল। পিছত নিৰ্দিষ্ট সময়ত সেই ঠাইলৈ আহি প্ৰসাদ আগবঢ়াই খোৱা-লোৱা কৰিলে। সেইদিনাও সেই কপিলী গাইজনী পালৰপৰা আহি সেই ঠাইত পোৱালিক গাখীৰ খুৱাই আকৌ পালৰ লগ লাগিল। পিছদিনা আৰু দূৰলৈ নি চালে। সেইদিনাও একেদৰে আহি আগৰ ঠাইতে পোৱালিক গাখীৰ খুৱাই গৈ পালৰ লগ লাগিল। এই কথাই গৰখীয়াৰ মনত কৌতুকৰ সৃষ্টি কৰিলে। আটাইবিলাক লগ হৈ সেই ঠাইডোখৰতনো কি আছে তাক চাবৰ উদ্দেশ্যে সাৱধানে কিছু দকৈ খান্দি পেলালে। কিছু তলত ছাগলী-খুটিৰ দৰে এটা পদাৰ্থ পালে। ই অতি চিকুণ আৰু মিহি ধৰণৰ বস্তু। গৰখীয়াইঁতে ইয়াকে কিবা ঐশ্বৰিক শক্তি-সম্পন্ন বুলি ধাৰণা কৰি নিতৌ পূজা-অৰ্চনা কৰিবলৈ ধৰিলে। তাৰ পিছত গৰখীয়াইঁতে সেই ঠাইত এটি সৰুকৈ মন্দিৰ সাজি পূজা-অৰ্চনা কৰিবলৈ ধৰিলে। প্ৰকাশ যে গৰখীয়াইঁতে এইদৰে পূজা-অৰ্চনা কৰা দিনৰেপৰা কোনো গৰখীয়া বা গৰুৰ হানি-বিঘিনি হোৱা দেখা নগৈছিল। কেতিয়াবা একোটি দামুৰি হেৰায়। ওচৰতে থাকিলেও বিচাৰি পোৱা নেযায়। কিন্তু গৰখীয়া গোসাঁইক প্ৰসাদ ভাগ বঢ়াম বুলি সেৱা এটি জনালে থিতাতে দামুৰি পোৱালি পোৱা যায়। এনে বিশ্বাস এতিয়াও আছে। এই গৰখীয়া গোসাঁইৰ থানৰ উৎপত্তি হয় শ্ৰীমন্ত শঙ্কৰদেৱৰ দিনতে। প্ৰকাশ যে নাৰায়ণ দাস ঠাকুৰ আতাই হেনো এই থানলৈ আহি ইয়াৰ পূজা-অৰ্চনাত যোগদান কৰিছিল। পোনতে এই ঠাইত এটি খেৰী ঘৰ সাজি পূজা-অৰ্চনা কৰা হৈছিল। এজন পূজাৰিয়ে ইয়াত সদায় চাকি জ্বলাই পূজা আদি চলাইছিল। এই থানৰ পশ্চিমপিনে নিচেই কাষৰেদি এখনি নদী বৈ আছিল। এই থানৰ উৎপত্তিৰ লগে লগে নৈখন মৰি গৈ মৰাসুঁতিত পৰিণত হয়। সেই সময়ত সেই ঠাইত মাছ-পছুৰ লগতে হিংস্ৰ জন্তুৰো উপদ্ৰৱ আছিল। পূজাৰিয়ে ইয়ালৈ আহোঁতে বাঘ-ভালুক আদি হিংস্ৰ জন্তুৰ সন্মুখীন হ'ব লগা হৈছিল। পিছত গৰখীয়া গোসাঁইক স্মৰণ কৰিলে সেই হিংস্ৰ জন্তুবোৰো আঁতৰি গৈ বাট এৰি দিছিল। লাহে লাহে মৰাসুঁতিও ধাননি পথাৰ হ'ল। গৰাখৰীয়া গোসাঁইৰ থানৰ আশে-পাশে মানুহৰ বসতি হ'বলৈ ধৰিলে।

**তেলনীয়া গোসাঁইৰ থান**

গৰখীয়া গোসাঁইৰ থানৰ নিচেই কাষতে তেলনীয়া গোসাঁইৰ থান। তেলনীয়া গোসাঁই গৰখীয়া গোসাঁইৰ অংশ-স্বৰূপ। প্ৰবাদ আছে, এই ঠাইডোখৰত হেনো এটি খোৱা তেলৰ (মিঠাতেল) চাকি আপোনা-আপুনি জ্বলি উঠিছিল। সি কোনোদিনেই নুনুমায়। পিছত সেই ঠাইত এটি টিপ সাজি মাহ-প্ৰসাদ দিয়া হয়। কথিত আছে, পূজা-পাৰ্বণত কিবা ত্ৰুটি দেখিলে গৰখীয়া গোসাঁই হেনো গৈ তেলনীয়া গোসাঁইৰ তাত থাকে আৰু নিশা গাঁৱৰ মুখিয়ালজনক স্বপ্নত সেই কথা কৈ তাৰ প্ৰতিবিধান বিচাৰে। পিছত

সেইমতে কৰিলে আকৌ আহে। সেইবাবে মানুহে তেলনীয়া গোসাঁই গৰখীয়া গোসাঁইৰ মাক বুলি আৰু কিছুমানে জীয়ৰী বুলি কয়। গৰখীয়া গোসাঁই বছৰত জেঠ মাহত যেতিয়া ফুৰিবলৈ ওলায়, তেতিয়া তেলনীয়া গোসাঁইৰ আগ কৰি দিয়া হয়। গোসাঁই ফুৰি ফুৰি ৰাজাটিপলৈও যায়। নির্দিষ্ট কিছুমান ঠাইক গোসাঁইক ৰাখি নাম-প্রসঙ্গ কৰা হয়। ৰাজাটিপতো এনেদৰে নাম-প্রসঙ্গ কৰি প্রসাদ-পানী দিয়া হয়। বর্তমান এটি বৰ আহল-বহল টিনৰ ঘৰ আৰু তাৰ মূৰত মণিকূটেৰে সৈতে মন্দিৰটো। পূবপিনে নিচেই কাষতে দ'ল। গোসাঁইথানৰ পূবপিনে এটি ডাঙৰ পুখুৰী আছে। ঠিক বৰপেটাৰ কীর্তন-ঘৰৰ আৰ্হিৰে গৰখীয়া গোসাঁইৰ থানৰ কীর্তন-ঘৰ আৰু পুখুৰী সজা দেখা যায়। ইয়ে শ্রীমন্ত শঙ্কৰৰ প্ৰভাৱৰ কথা সোঁৱৰাই দিয়ে। কীর্তন-ঘৰৰ মাটিকালি প্রায় ২৫ বিঘামান হ'ব। এই মন্দিৰত কোনো বলি-বিধানৰ ব্যৱস্থা নাই। শ্রীকৃষ্ণৰ দৌল-উৎসৱেই ইয়াৰ ঘাই উৎসৱ। ইয়াৰ উপৰিও জন্মাষ্টমী, ব'হাগ মাহত তিথি ভঙা নাম, জেঠ মাহত সাত বা ন দিনীয়া জাগৰ, কাতি-আঘোণত গোপিনী আইসকলৰ ৰতি-ৰাসৰ কীর্তন আদি প্রধান পৰব। বছৰেকত একোখনি ধর্মালোচনা সভাও এই কীর্তন-ঘৰতে অনুষ্ঠিত হয়।

ন.তা.

**জয়পাল থান**

নলবাৰীৰপৰা চাৰি মালি দক্ষিণে বাঁহজানি মৌজাৰ অন্তর্গত অৰৰা গাঁৱত এই জয়পাল থান। এই থানখনৰ নাম অনুসৰি আগেয়ে এটি গোসাঁইঘৰ আছিল। ১৮৯৭ চনৰ ভূমিকম্পৰ সময়ত গোসাঁই-ঘৰটোৰ চিন-চাব নোহোৱা হৈ যায়। কথিত আছে, জয়পাল নামৰ এজন ৰজাই আহোম ৰাজত্বৰ আগতে এই থান প্রতিষ্ঠা কৰিছিল। জয়পাল ৰজাৰ কেইশমান বছৰ পিছতে ইয়াত ফেহুৱা নামৰ এজন গৰখীয়া ৰজাই জয়পাল থানৰপৰা ডেৰ মাইলমান দক্ষিণে সোণকুৰিহা নামে গাঁৱত ৰাজধানী পাতিছিল। আজিও তাৰ স্মৃতি আছে ৰজাদিনীয়া গড়ৰ-কোণা নামৰ এখন পথাৰ। কিছুদিন আগতে পথাৰখনত এটি ৰজাদিনীয়া গড়ৰ চিন আৰু লোহাৰ বাকচ এজন মানুহে খান্দোতে দেখা পাইছিল বুলি শুনা যায়। বুঢ়াসকলে আজিও কয়, জয়পাল ৰজাই এদিন সপোনত ভগৱন্তক দেখা পায়। ভগৱন্তৰ মুখত শুনিবলৈ পালে, "মই ৰাতি ৰাতি বৰষুণত তিতি থাকোঁ। তই ৰজা। মহাসুখত ৰাজকাৰেঙত থাক। মোক যদি সাত দিনৰ ভিতৰত এই ঘৰ সাজি নিদিয় তেনেহ'লে তোৰ ৰাজ্যত অমঙ্গল ঘটিব।" ৰজাই সাত দিনৰ ভিতৰতে এটি গোসাঁই-ঘৰ সাজিলে। ৰাজ্যৰ ডাঙৰ ডাঙৰ পণ্ডিতসকলক মাতি আনি গোসাঁই-ঘৰ প্রতিষ্ঠা কৰে। শুনিবলৈ পোৱা যায়, এই থানত কোনো লোকে যদি কিবা মানস কৰে, তেওঁ তাৰ সুফল পায়। গতিকে থানত নাম-প্রসঙ্গ আৰু বাঁহৰ ছাত আদি দি আজিও বহুলোকে তাত পূজা কৰে। কিছুমানে গাখীৰ, লাৰু, নৈবেদ্য আৰু ওজা আদি মাতি তাত আজিও মানস কৰি ফল পোৱা বুলি কয়। বর্তমান তাত নামঘৰ আদি নাই। এজোপাৰ প্ৰকাণ্ড বৰগছ আৰু এডাল আঁহত গছ আছে। তাত শই শই বাঁহৰ ছাত; ৰঙা-বগা বিবিধ ৰঙৰ কাপোৰ ছাতৰ

আগত গাঁথি দিয়ে। কিছুদিনৰ আগতে অৰবাৰ মান্দাতোলা চোপাত এটি এই নামৰ গোসাই-ঘৰো ৰাইজে বান্ধিছে। তাত নাম-প্ৰসঙ্গ আদি চলে। জয়পাল থানৰপৰা গোসাঁই-ঘৰ ২ ফাৰ্লংমান দক্ষিণত। থানখন ৰাইজৰ দ্বাৰা পৰিচালিত হয়। থানত প্ৰতি বছৰে মাঘ মাহৰ ৫ তাৰিখৰ পৰা এখন সভা হয়। এই সভা তিনি দিন একেৰাহে থাকে। প্ৰথম দিনটোক সভাৰ গোন্ধ বুলি কয়। সেইদিনাখন ৰাতি যাত্ৰা, ঢুলীয়া আদি থাকে। গধূলি গোসাঁই আনে আৰু নাম-প্ৰসঙ্গ কৰে। দ্বিতীয় দিনাখন মূল সভা হয়। সেইদিনাখন ওজাপালী নাইবা ভাউৰীয়া দিনত থাকে। আবেলি মেলা হয়। ওচৰৰ গাঁৱৰ মানুহে মেলা চায়হি। মেলাত দোকান-পোহাৰ আদি ভৰি পৰে। তৃতীয় দিনাখন যাত্ৰা, ৰাজহুৱা সভা আৰু গধূলি নাম-প্ৰসঙ্গ কৰি সভাৰ সামৰণি মাৰে। ইয়াৰ বাহিৰেও এই জয়পাল-থানত নানা উৎসৱ আদি হয়। বিশেষকৈ ইয়াত আপী-ওজা আৰু নাগাৰা-নাম মহাপয়োভৰেৰে হয়।

জয়পাল থানৰপৰা তিনি মাইল পশ্চিমে অৰবাৰ বিখ্যাত বৰপুখুৰী। এই পুখুৰীপাৰত প্ৰত্যেক বছৰে ব'হাগ মাহৰ ১৫ তাৰিখে ভঠেলি-উৎসৱ পতা হয়। এই উৎসৱত হেজাৰ-বিজাৰ লোকৰ সমাগম হয়। এই অঞ্চলৰ মানুহে অৰবাৰ ভঠেলিক যোলদিনীয়া ভঠেলি বোলে।

কথিত আছে, জয়পাল গোসাঁইৰ বোলে এটি বগা ঘোঁৰা আছে। গাঁৱৰ মানুহ-দুনুহ যেতিয়া ভৰ টোপনিত পৰে গোসাঁয়ে ঘোঁৰাটোত উঠি ওচৰৰ ৰাধাকানু, বুঢ়াগোসাঁই আদিৰ থানলৈ যায়। আৰু ৰাতিপুৱাৰ আগতে নিজৰ থানলৈ ঘূৰি আহে। অৰবাত এখন বিখ্যাত ভকতীয়া পন্থৰ সচং আছে। তাৰ সিংহাসন আজিও মহন্ত-চোপাত ৰাখিছে। সচঙৰ প্ৰধান ভকতৰ নাম শান্তিৰাম কলিতা আছিল। তাত ৰাতিৰ-সেৱা, পূৰ্ণ-সেৱা, কানীয়া-সেৱা, ভকত-সেৱা, গৰখীয়া-সেৱা আদি চলিছিল। আগতে বাৰনগৰীয়া সেৱাও এই অঞ্চলত কৰিছিল। আজি কেইবছৰমানৰপৰা এইবোৰ নোহোৱা হৈ পৰিছে। জয়পাল-থানত অতি পুৰণি কালৰ এটি শিলৰ মূৰ্তিও সংৰক্ষিত হৈছে।

**বালিলেচাৰ কালীমন্দিৰ**

নলবাৰী চাৰ্কেলৰ অন্তৰ্গত বালিলেচা গাঁৱত আহোমৰ দিনত কালীচৰণ চৌধাৰী নামৰ এজন লোকে নলবাৰী চহৰৰপৰা তিনি মাইল দক্ষিণে উক্ত গাঁৱত এই কালীমন্দিৰ প্ৰতিষ্ঠা কৰিছিল। মন্দিৰত বৰ্তমান যিটো মূৰ্তি আছে ব্ৰহ্মপুত্ৰ নাইবা আন কোনো ঠাইত পোৱা বুলি শুনা যায়। চৌধাৰীয়ে তাৰপৰা এই মূৰ্তিটো আনি কালী-মন্দিৰ প্ৰতিষ্ঠা কৰে আম্ৰবা নামৰ এখন গাঁৱত। তাত কিবা অসুবিধা হোৱা বালিলেচাত মন্দিৰ নিৰ্মাণ কৰে। বৰ্তমান বালিলেচাৰ পুখুৰীটো সেই সময়ত খন্দাইছিল। পুখুৰীটোৰ মাটি-কালি ৮ পুৰা। ইয়াৰ বাহিৰেও ৪ পুৰা মন্দিৰৰ মাটি আছে। চৌধাৰী কামৰূপৰ বাৰ চৌধাৰীৰ এজন আছিল। আহোম ৰজাই মন্দিৰৰ নামত বহুত মাটি-বাৰীও দান দিছিল। কিন্তু মন্দিৰৰ দলৈ পৰ্বতীয়া গোসাঁয়ে সকলো বিক্ৰী কৰি গুচি যায় বুলি শুনা যায়। প্ৰায় ৩০০ পুৰা ভূসম্পত্তি দেৱালয়ৰ আছিল। বৰ্তমান বছৰে ব'হাগৰ ৭ দিন যোৱাত ইয়াত এখনি ভঠেলি

মেলা হয়। মাঘ মাহত সভা-উৎসৱ হয়। এই উৎসৱত নাম-প্ৰসঙ্গ, আধুনিক অভিনয়, ওজা-পালী আদি থাকে। দুৰ্গাপূজা আগেয়ে হৈছিল, লক্ষ্মী, কালী, সৰস্বতী আৰু শ্যামা পূজা বৰ্তমানো হয়। শনি আৰু মঙ্গলবাৰে প্ৰায় দুই-তিনি শ যাত্ৰী কালী-মন্দিৰ দৰ্শনৰ নিমিত্তে আহে। ইয়াৰ কালী-মূৰ্তি চতুৰ্ভুজ। আগেয়ে ইয়াত শিৱ আৰু বিষ্ণু দ'ল আছিল। ১৮৯৭ চনৰ ভূমিকম্পৰ সময়ত ভাগি-ছিগি যায়। বৰ্তমানো তাৰ স্মৃতিচিহ্ন আছে। কেইবাটাও শিলত কটা সিংহ, হাতী আৰু পদুম ফুল আছে। ইয়াৰ সভা-ঘৰটো দীঘলে ৬০ ফুট আৰু বহলে ৩০ ফুট। মন্দিৰটো ধুনীয়া। লগতে যাত্ৰী আৰু ভোগঘৰ আছে। যাত্ৰীয়ে পাৰ, পঠা, ম'হ, হাঁহ আদি আনে।

**বৰবৰি থান**

নলবাৰীৰ অন্তৰ্গত পাজিপৰ গাঁৱৰ ওচৰত বুঢ়াগোসাঁইৰ থানৰপৰা পূবে বৰবৰি থান। ইয়াত প্ৰত্যেক বছৰে মাঙ্গলিক কাৰ্যৰ ভিতৰত বসন্ত-উৎসৱত বাসন্তী-পূজা হয়। তাৰ উপৰি শিৱ-পূজাও হয়। অন্য ঠাইৰপৰা যাত্ৰীসকল আহে। থানত কেইবাডালো আঁহত গছ আছে। প্ৰায়ে নাম-প্ৰসঙ্গ চলে। বৰ্তমান ইয়াত এটি গোসাঁইঘৰ নিৰ্মাণ কৰিছে। উপৰ বৰভাগ খাতা মৌজাৰ সীমাত এই থান অৱস্থিত।

**বাঘেশ্বৰী থান**

হাজোৰ উত্তৰে নলবাৰীৰপৰা দহ মাইলমান দক্ষিণে বাঘেশ্বৰী থান। কোনো কোনোৱে এই থানক দেওবাঁহগুৰি আৰু কোনো লোকে বাঘেশ্বৰী থান বুলি কয়। এই থান আদাবাৰী গাঁৱত অৱস্থিত। কথিত আছে এজন গৰখীয়াই তাত সদায় ফৰিং কাটি পূজা কৰিছিল। এদিন এজন ল'ৰাই পালমতে ফৰিং দিব নোৱৰাত আটাইবোৰে ল'ৰাজনক ধৰি বিৰিণাৰ পাতেৰে বলি দিবলৈ লৈ গ'ল। বিৰিণাৰ পাতেৰে কাটোঁতে ল'ৰাজন কটা গ'ল। তেতিয়াৰপৰা তাত পূজা-পাতল আৰু বলি-বিধান চলে।[1]

---

১ ওপৰত (পিঙ্গলেশ্বৰৰ উত্তৰৰ আৰু উত্তৰ বৰক্ষেত্ৰিৰ) 'দেওলাহৰগুৰি দেৱালয়; (সিদ্ধেশ্বৰৰ পশ্চিমৰ) 'বাঘেশ্বৰী পীঠ' আৰু (পলাশবাৰীৰ ওচৰৰ) 'বাঘেশ্বৰী থান' চাওক। শ্ৰীদ্বিজেন শৰ্মাই (ককয়া, নলবাৰী) আদাবাৰী গাঁৱৰ ব্যাঘেশ্বৰী দেৱালয়ৰ বিষয়ে জনাইছে, ই জয়দুৰ্গা দেৱীৰ থান, দুৰ্গা-পূজা ইয়াৰ বিশেষ উছৱ। জনশ্ৰুতিমতে এজন ব্ৰাহ্মণে তেওঁৰ হেৰোৱা বোৱাৰীয়েকক বিচাৰি বিচাৰি তেওঁৰ বোৱাৰীয়েকৰ আঁচলৰ আগ এটা তেওঁ পূজা কৰা শিল-গোসানীৰ মুখত পালেগৈ। তাত তেওঁ গোসানীক নানা লটিঘটি কৰি বাহিৰত পেলাই দি নতুন প্ৰতিমা থাপন কৰিলে। শিল-গোসানী য'ত পৰিল ত'তে গৰখীয়া ল'ৰাই খেমালি কৰা টিপটো হ'ল। ল'ৰাইতে যি গৰু চৰোৱা এচাৰি ওভতাই পুতি বলিশাল সাজিছিল, সিয়ে ওভতমূৰীয়া বাঁহগছ হৈ গজি উঠিল। সেয়ে দেওবাঁহ; তাৰ সঁচ ১৮৯৭ৰ বৰভুঁইকঁপৰ পিছতহে নোহোৱা হৈছে। দেৱালয়ৰ নামত হেনো আহোম ৰজাই ভূমিদান কৰিছিল; তাৰে একাংশ এৰা পুৰামান এতিয়াও আছে। ম.নে.

### ভাণ্ডৰা গোসাঁইৰ থান

নলবাৰী চাৰ্কেলৰ উপৰ বৰভাগ মৌজাৰ সোণকুৰিহা গাঁৱত ভাণ্ডৰা গোসাঁইৰ থান। এই থানৰ বিষয়ে কেইবাটাও তথ্য পোৱা যায়। এই থান কেতিয়া প্ৰতিষ্ঠা হয় সঠিককৈ কোনোৱে ক'ব নোৱাৰে। আজি-কালি ইয়াত শিৱ-পূজাৰ দিনা উৎসৱ হয়। বাৰমাহে নাম-প্ৰসঙ্গ, পূজা-পাতল চলে। বৰ্তমান ইয়াত এটি গোসাঁই-ঘৰ আছে। পাগলাদিয়া নদীৰ পূব পাৰে প্ৰায় দুই ফাৰ্লংমান দূৰত। ইয়াৰ ওচৰতে বিখ্যাত গঙ্গাপুখুৰী। গোসাঁই-ঘৰ সজা হৈছিল কমলাকান্ত শৰ্মাৰ দিনত ৫ পুৰুষ আগতে। বৰ্তমান এওঁৰ বংশধৰসকলে পূজা আদি পালি আছে।

### জয়পাল মন্দিৰ

নলবাৰী অঞ্চলৰ উপৰ বৰভাগ মৌজাৰ ডিংডিঙি গাঁৱত এই মন্দিৰ। ইয়াত এটি আগৰদিনীয়া বিতোপন মন্দিৰ আছে। মন্দিৰৰপৰা পাগলাদিয়া নদী এক ফাৰ্লংমান পশ্চিমে। ইয়াত পূজা-পাতল আদি নিয়মিতভাৱে চলে। এই মন্দিৰলৈ বহু দূৰৰপৰা যাত্ৰী আহে। মন্দিৰৰ পূজাৰী দেউৰীসকলে নিয়মিতভাৱে পূজাৰ কাৰ্যাদি সমাপন কৰে। যোৱা বছৰৰ উত্তৰ কামৰূপৰ প্ৰবল বানপানীত এই মন্দিৰ প্ৰায় বুৰ গৈছিল। কেতিয়াবা এই জয়পাল-মন্দিৰ কোনে সজাইছিল সঠিককৈ জানিব পৰা নেযায়। অনুমান, অৰ্বাৰ জয়পাল থানৰ লগত ইয়াৰ কিবা সম্বন্ধ আছে। প্ৰতি বছৰে শিৱৰাত্ৰি উৎসৱ হয়।[২]

### বুঢ়াগোসাঁই থান

এই থান কৰ্দৈতোলা গাঁৱত। থানৰ মূল ঠাইত এডাল ভেহগছ আৰু এটি ওখ মাটিৰ দ'ল আছে। ইয়াত মাজে সময়ে মাঙ্গলিক উৎসৱ আদি হৈ থাকে। পাৰ, পঠা, হাঁহ আদি ইয়াত উছৰ্গা কৰি এৰি দিয়া হয়। কিম্বদন্তী আছে, বিয়া-সবাহ হ'লে ওচৰৰ মানুহে নৈবেদ্য আদি দিব লাগে। নহ'লে শুভ কাৰ্যত বিঘিনি ঘটে। থানখন এটি পুৰণিকলীয়া বস্তিৰ ভিতৰত। ইয়ালৈ ৰঙা কাপোৰ পিনিধ আজিলৈকোনো লোক যাব নোৱাৰে। গ'লে অমঙ্গল ঘটে। আজিও কোনো লোক অকলে থানলৈ যাবলৈ সাহ নকৰে। কথিত আছে, ৰাতি বুঢ়াগোসাঁই এটি বগা ঘোঁৰাত উঠি ওচৰৰ কেইখনমান থানলৈ সদায় অহা-যোৱা কৰে। এইটো আজিও বহুলোকে দেখা বুলি কয়। ইয়াত দুটা প্ৰকাণ্ড সাপ আজিও আছে। সিহঁতে কোনো লোকক অন্যায় নকৰে। বুঢ়াগোসাঁইৰ থানত মানস কৰিলে হেনো ফল পোৱা যায়।[৩]

---

২ পুৰণি লোকৰ মতে শিৱসিংহ ৰজাৰ দিনৰ এই থান আবিষ্কৃত হয়। এজন ব্ৰাহ্মণৰ কপিলা গায়েই সেই আবিষ্কাৰৰ মূল। আধা ভূগৰ্ভত লীন হোৱা মন্দিৰৰ ইটাবোৰ বহল, পাতল আৰু টান। মঠৰ সমুখত নামঘৰ আৰু চাৰিফালে এমূৰমান ওখ ইটাৰ দেৱাল। (শ্ৰীৰজনীকান্ত শাস্ত্ৰীৰপৰা পোৱা টোকাৰপৰা।) য.নে.

৩ নলবাৰী কলেজৰ শ্ৰীসুৰেন্দ্ৰনাথ তালুকদাৰৰপৰা শুনামতে লিখা। ক.ক.

**জগন্নাথ দেৱালয়**

নলবাৰীৰ দক্ষিণে কোটালকুছি গাঁৱত জগন্নাথদেৱৰ দেৱালয় প্ৰতিষ্ঠিত। এই দেৱালয় প্ৰায় ১৫০ বছৰ আগতে স্থাপিত হৈছিল। শুনিবলৈ পোৱা যায়, এজন ব্ৰাহ্মণে প্ৰথমে স্থাপন কৰিছিল। শান্তিৰাম তালুকদাৰক প্ৰথম নতুন গোসাঁই বুলি জানিছিল। বৰ্তমান দেৱালয়ৰ ৫ বিঘা মাটি আছে। এই মাটি শিৱসিংহই দান দিছিল। দেৱালয়ৰ মন্দিৰ, গোসাঁই-ঘৰ আছে। তাত জগন্নাথ বাসুদেৱ আৰু গোপাল শালগ্ৰাম আদি আছে। পূজা-পাতল দৈনিক চলে। ব'হাগী নাম, মাঘী সভা, লক্ষ্মী পূজা, জন্মাষ্টমী, শিৱৰাত্ৰি আদি উৎসৱ ধুমধামেৰে হয়। ইয়ালৈ অনেক ঠাইৰপৰা যাত্ৰী আহে। দেৱালয়ৰ নাম-ঘৰটো অতি বিতোপন। নলবাৰীৰ পশ্চিমে আধামাইলমান দূৰত বালিকৰিয়া গাঁৱত বাসুদেৱৰ থান। এই থান এই অঞ্চলৰ ভিতৰত প্ৰখ্যাত। তাত এটি গোসাঁই-ঘৰ আছে। সদায় নাম-প্ৰসঙ্গ আৰু বৰমাহে হোৱা তিথি-পৰ্ব নিয়াৰিকৈ পালন কৰা হয়। বহু ঠাইৰপৰা অহা যাত্ৰীয়ে তেওঁলোকে নাম-প্ৰসঙ্গ আদি ধৰে। গাঁৱৰ লোকে পূজা আদি নিয়মিতভাৱে কৰে।

**ক্ষেত্ৰিৰ কামাখ্যা মন্দিৰ**

কামৰূপ ক্ষেত্ৰিৰপৰা ৩ ফাৰ্লং দক্ষিণে এই কামাখ্যা মন্দিৰ। ডিমৰীয়া ৰাজ্যৰ ৰজাই গুৱাহাটীৰ নীলাচলৰ মন্দিৰ হোৱাৰ পিছত এই কামাখ্যা দেৱালয় প্ৰতিষ্ঠা কৰা বুলি শুনা যায়। দেৱালয়ৰ ভূ-সম্পত্তি আদি আছে। পাৰ, পঠা, ম'হ আদিৰ বলি-বিধান দিয়া হয়। সদায় দেৱালয়ত পূজা হয়। কালীপূজা ৰাজহুৱাভাৱে হয়। বহু ঠাইৰপৰা বাৰমাহে যাত্ৰী আহি থাকে। মন্দিৰত কালীমূৰ্তি আছে।

**ধোপগুৰিৰ কালীথান**

ক্ষেত্ৰিৰপৰা তিনি মাইল পূবে ধোপগুৰি গাঁৱৰপৰা ৪ ফাৰ্লং দক্ষিণে পাহাৰৰপৰা বৈ অহা এটি জুৰিৰ পাৰত এই কালীথান আছিল। সম্ভৱ ডিমৰীয়া ৰজায়ে এই থানখনো প্ৰতিষ্ঠা কৰিছিল। আজিও নৰবলি দিয়া শিলৰ চেপত স্মৃতি আছে। মন্দিৰ থকাৰো অনুমান কৰিব পাৰি। কিছু দিন আগতে কিছুমান পুৰণি সম্পদ পোৱা হৈছিল।

**সদাশিৱৰ থান**

ধোপগুৰি গাঁৱৰে দক্ষিণে পাহাৰৰ কাষতে এই থানখনো আছে। পূজা-পাতল চলে। সময়ে সময়ে গাঁৱৰ লোকে তিথি-উৎসৱ পাতে, বিশেষকৈ শিৱৰাত্ৰি।

**গণেশ মন্দিৰ**

ক্ষেত্ৰিৰ উত্তৰে এখন পাহাৰৰ ওপৰত এই মন্দিৰ। সম্ভৱতঃ ডিমৰীয়া ৰজাৰ দিনতে সজোৱা হৈছিল। বহু যাত্ৰী হয়। পূজা-পাতল চলে।

ক.ক.

**গঙ্গাপুখুৰী**

নলবাৰীৰপৰা পাঁচ মাইল দক্ষিণে বৰকুৰিহা গাঁৱত গঙ্গাপুখুৰী। এই পুখুৰীৰ পাৰত যজ্ঞবেদী, সন্ন্যাসীৰ আশ্ৰম, পঢ়াশালি, ঔষধালয় আদি স্থাপিত হৈছে। ইয়াৰ পাৰত বাসন্তী-পূজা আৰু অশোকাষ্টমীত ডাঙৰ মেলা হয়। লগে লগে মহাবিষ্ণুযজ্ঞ উৎসৱো হয়। ভঠেলি উৎসৱ বৰ সমাৰোহেৰে হয়। এই পুখুৰীৰ দৰে আৰু আন চাৰিটা পুখুৰী, চান্দকুছি, কালাগ, অৰৰা, বালিলেচা গাঁৱত আছে।

**ভঠেলিৰ কেন্দ্ৰ**

প্ৰবাদ আছে যে আৰিমত্ত ৰজাৰ দিনৰেপৰা আঁৰিকুছি গাঁৱত ভঠেলি উৎসৱ প্ৰতি বছৰে বহাগৰ ৭ তাৰিখে হৈ আছে। তেনেদৰে বৰনদী, বেলশৰ, জাগাৰা, খাজঝৰা, অৰৰা, বালিলেচা, বৰকুৰিহা, কালাগ, ৰামদিয়া, মৌৰা, অময়াপুৰ, চান্দকুছি ইত্যাদি গাঁওসমূহত ভঠেলি চলি আছে।[৪]

**দৌল পূজাৰ স্থান**

এই পূজা নলবাৰী অঞ্চলৰ খাতাবাৰী, কমাৰকুছি, কালাগ, কঁহাৰঝাৰ, অগ্নিশালা, লহকৰপাৰা, হাজো, বৰপেটা আদি ঠাইত বিশেষ সমাৰোহেৰে হয়। বৰপেটাৰ দৌল উৎসৱ লেখত ল'বলগীয়া। সত্ৰীয়া নৃত্য-গীত চলে।

**কদমতলিৰ**

এই থান উপৰভাগ মৌজাৰ কমাৰকুছি গাঁৱৰ ওচৰত। ইয়াত সপ্তাহে-পযেকে যাত্ৰীৰ নাম-কীৰ্তন চলি থাকে।

**বৰকুৰিহা সৰু বুঢ়া আতা সচং**

নদীয়া-শান্তিপুৰৰ বৰবুঢ়া আৰু সৰুবুঢ়া আতা নামে দুজন ককাই-ভাই বৰপেটালৈ আহি দামোদৰদেৱৰ শৰণ লয়। সৰুবুঢ়াই নলবাৰী অঞ্চলৰ উপৰ বৰভাগ মৌজাৰ বৰকুৰিহা গাঁৱত আৰু বৰবুঢ়াই অৰৰা গাঁৱত ভকতীয়া সচং পাতে। ইয়াত প্ৰায়ে ভকত-সেৱা, পূৰ্ণ-সেৱা, কৰণি-সেৱা, মেৰু-সেৱা, গৰখীয়া-সেৱা আদি কৈ থাকে। সচঙত পুৰণি এখনি সিংহাসন আছে।

**সৎসঙ্গী আলগা সত্ৰ**

নলবাৰী অঞ্চলৰ বৰকুৰিহা গাঁৱৰ দক্ষিণ চুকত। দামোদৰদেৱে তিলাৰাই পাটগিৰিক

---

৪ ভঠেলিৰ আন আন কেইটিমান প্ৰসিদ্ধ কেন্দ্ৰৰ নাম — কালাকুছি, চৈৰা, বৌমাৰি, সৰিয়হতলী, বৰকুৰা, বালিকৰিয়া, পকোৱা, দালচিঙা, কুলহাটী, ৰামদিয়া, আৰংমৌ, জয়পাল মন্দিৰ, বণাকুছি, মৰোৱা, বামুণণি, মুগাকুছি, নলবাৰীৰ ওচৰৰ সন্ন্যাসীৰ থান, দেউলপুখুৰী, মোমাইতোলা, লহকৰপাৰা, ক্ষুদ্ৰ কুলহাটী, ৰবখলা, কমাৰকুছি, খাতাবাৰী, গঙ্গাপুখুৰী, পাগলাদিয়াৰ গজাঘাট, উলাবৰি, ভদ্ৰা। ক.ৰ.

সত্ৰ পাতি নামধৰ্ম প্ৰচাৰ কৰিবলৈ দিছিল। আহোম ৰজা শিৱসিংহই আলগা সত্ৰ কৃষ্ণৰায় মেধিক ১১৩৫ বঙলা চনত ৪০০ পুৰা ধৰ্মোত্তৰ মাটি, নিপাইক তিনি পোৱা, সৎসঙ্গী পাইক ন পোৱা, ভকত দহগিৰি দিছিল। বৰ্তমানে তিলাৰাইৰ বংশধৰ ৰায়মেধিসকলে গোপীনাথ বিগ্ৰহ ৰাখি সত্ৰ চলাই আছে।

**ধমধমা থান**

নলবাৰী অঞ্চলৰ খাতা মৌজাৰ ধমধমা (জুৰিকোণা) গাঁৱত। বছৰি ৰঙালী বিহুত বহুত দিনৰেপৰা ইয়াত শ্ৰীকৃষ্ণ আৰু গো-মূৰ্তিৰ পূজা হয়।[৫]

**বুদ্ৰকুছি গোপাল গোসাঁইৰ থান**

নলবাৰী অঞ্চলৰ বাঁজানি মৌজাৰ বুদ্ৰকুছি গাঁৱত আয়তীসকলে জেঠ মাহৰ দোমাহীত জেঠুৱা নামৰ উছৱ পাতে।

**গোপাল থান**

এই থান বাঁহজানি মৌজাৰ চান্দকুছি গাঁৱত। বছৰি মাঘ মাহত পাঁচ দিনীয়া মেলা বহে। সেই কেইদিন দিনে যাত্ৰী নাম-কীৰ্তন ধৰে।

**খাৰুঝাৰাৰ থান**

নলবাৰীৰ ওচৰত এই থানৰ বৰ মাহাত্ম্য আছিল বুলি শুনা যায়। ইয়াত এজন সন্ন্যাসীয়ে আশ্ৰম পাতি আছিল। এতিয়া থানৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। ইয়াত সুন্দৰ কাৰুকাৰ্য খটোৱা অতিথিশালা নিৰ্মাণ কৰা হৈছিল। বৰ্তমান চৰকাৰে ইয়াত এটি গো-শালা নিৰ্মাণ কৰিছে। ইয়াত বছৰি ভঠেলি হয়।

ব্ৰ.ম.

**ৰজালীৰ ভুটীয়া ৰজাদিনীয়া থান**

এসময়ত এই অঞ্চলত হোৱা ভুটীয়া ৰজাৰ ৰাজত্বৰ সময়ত কুঁজীদেওৰ,[৬] শ্ৰীপুৰদেওৰ (বাঞ্চা মৌজা), লাওখাতা, ভূতপোৱা, জালাহ আৰু ককলাবাৰী মন্দিৰ স্থাপিত হৈছিল বুলি জনা যায়। লাওখাতা আৰু ককলাবাৰীত মন্দিৰত কৃষ্ণমূৰ্তি, ভূতেপোৱাত নৰসিংহৰ মূৰ্তি (নৰসিং গোসাঁই) আৰু জালাহৰ মন্দিৰত চতুৰ্ভুজ মূৰ্তি দেখিবলৈ পোৱা যায়। ভুটীয়াসকলে এই ধৰ্ম-মন্দিৰবোৰত প্ৰজাৰ অভিৰুচি অনুসাৰে

৫ শ্ৰীব্ৰজপতি মহন্তৰ টোকাৰপৰা

৬ কুঁজীদেওৰ দেৱালয়ৰ চাপাগুৰি মৌজাৰ কুঁজীদেওৰ গাঁৱত। ইয়াত আগতে ভুটীয়াসকলৰ ধৰ্মৰ পূজাৰ চলতি আছিল বুলি শুনা যায়। তেওঁলোকে এই ঠাই এৰি যোৱাৰ পিছত তেওঁলোকেই দিয়া এখন সোণৰ গোসানী-মূৰ্তি চেনা উজীৰ নামৰ মৌজাদাৰে ইয়াত প্ৰতিষ্ঠা কৰে। প্ৰায় এশ হাত দীঘল এটা ঘৰেই দেবালয়খন। ইয়াত দুৰ্গা-পূজা সমাৰোহেৰে হয়। (শ্ৰীলোহিতচন্দ্ৰ দাসৰপৰা পোৱা টোকাৰপৰা।) ম.নে.

শিৱপূজা, কালীপূজা আদিৰ প্ৰচলন কৰিছিল। আজিও আগৰ দৰে পূজা-পাতল আদি চলি অহাৰ উপৰিও ভূতেপোৱাৰ নৰসিং গোসাঁইৰ থানত দৌল আদি উৎসৱ পালন কৰা দেখা যায়।

**পৰিহৰেশ্বৰ দেৱালয়[৭]**

বজালী পৰগণাৰ দক্ষিণ অংশত অৱস্থিত পৰিহৰেশ্বৰ দেৱালয় আহোম ৰজা শিৱসিংহৰ দিনত স্থাপন কৰা হয়। আহোম ৰজাই মাটি-বাৰী দান কৰা তামৰ ফলি আদি পোৱা নাযায়। ইংৰাজ শাসনৰ দিনত সত্ৰ-দেৱালয় আদি পৰিদৰ্শনকাৰী ইংৰাজ কৰ্মচাৰীৰ মন্তব্য এটি এখন পেৰাকাগজত দলৈৰপৰা পোৱা গৈছে — "বিশ্বেশ্বৰ, পিঙ্গলেশ্বৰ, পৰিহৰেশ্বৰ এতদ্দেশে মান আক্ৰমণ কালিনে ফলি হাৰাইবাৰ দৰুণে ৭৭৪ পুৰা মাটি ও ৫৪ গোট পাইক দেওয়া গেল।" দেৱালয়ৰ দলৈৰপৰা দেৱালয়ৰ এটি বৃত্তান্ত পোৱা গৈছে। — গনা গাঁৱৰ ধৰ্মবৰ শৰ্মাই ১৬৬২ শকত মাটি খান্দোতে ডুবি গাঁৱত এটি বিগ্ৰহ (শিৱলিঙ্গ) পাইছিল। বিগ্ৰহটোৰ গাত এতিয়াও কোৰৰ চিন আছে। ধৰ্মবৰ শৰ্মাই সেই ঠাইত গৰু চৰাইছিল। তেওঁৰ এজনী খীৰতী গাইৰ গাখীৰ সদায় তাত এটি বিৰিণাৰ জোপাত পৰিছিল। ঘৰত খীৰালে কিন্তু গাইজনীৰ গাখীৰ নোলায়। তাকে দেখি তেওঁ বিৰিণাৰ জোপাটো খান্দোতে এদিন বিগ্ৰহটো পায়। ৰাতি বিগ্ৰহটোৱে ধৰ্মবৰক স্বপ্নাদেশ কৰিলে গোসাঁই ইমান দিনে দুৰ্বলগিৰিক আশ্ৰয় কৰি তাত বৈ আছিল; এতিয়া খান্দি তেওঁক বাহিৰ কৰাত এটি দেৱালয় স্থাপন কৰি দিলেহে ধৰ্মবৰৰ মঙ্গল হ'ব। এই কতা আহোম ৰজা শিৱসিংহক জনোৱাত ৰজাই পৰিহৰেশ্বৰ নাম দি ইয়াক ভালকৈ স্থাপন কৰে। কথিত আছে দুৰ্বলগিৰি তাত ডুব খোৱাৰ কাৰণে সেই গাঁৱৰ নাম ডুবি ৰখা হৈছিল। তাৰ প্ৰমাণ হিচাপে এতিয়া দেৱালয়ৰ বন্ধা মূলঘৰৰ খুঁটাবোৰ শিলৰ ওপৰত ৰাখি ঘৰ বন্ধা কাম শেষ কৰা হৈছে। দেৱালয় সুচাৰুৰূপে চলাবৰ কাৰণে ৰজাই ব্ৰহ্মোত্তৰ নিষ্কৰ ভূমি দান কৰিছিল। ৰাণী ফুলেশ্বৰীয়ে দেৱালয়ত দুৰ্গাপূজা প্ৰচলন কৰিবলৈ এটি পিতলৰ দুৰ্গা মূৰ্তি দান কৰিছিল আৰু তেতিয়াৰপৰাই দেৱালয়ত বলি-বিধান সহ দুৰ্গাপূজা চলি আহিছে। দেৱালয়ত প্ৰচলিত নটীৰ নাচৰ এতিয়াও অলপ পাব পাৰি।

**ভোগেশ্বৰ গোসাঁইৰ মন্দিৰ**

বজালীৰ উলুবা গাঁৱৰ ওচৰত কালদিয়া নদীৰ পাৰত থকা ভোগেশ্বৰ গোসাঁই

---

৭ জিলাৰ গেজেটিয়াৰমতে দেৱালয়ৰ লাখেৰাজ ১,২৮০ বিঘা, নিস্পিখেৰাজ ১,৭৬০ বিঘা, আৰু মন্দিৰটি লক্ষ্মীসিংহৰ দিনত আনুমানিক ১৭৭০ চনত স্থাপিত; পিছত কেঁচা ঘৰ সাজি ৰখা হয়। এই দেৱালয়ৰ নটীৰ নৃত্য সম্পৰ্কে আমাৰ এটি প্ৰবন্ধ : The Dancing Maids of Pariharesvara Siva, *Souvenir, Sixth Session of Assam Sangit Natak Academy*, Gauhati, 1858-59. পাঠশালাৰ শ্ৰীসতীশচন্দ্ৰ চৌধুৰীয়ে 'নৱযুগ' আৰু 'নীলাচল'ত বৰ্তমানে দুটি প্ৰবন্ধত ডুবিৰ বিষয়ে নানা প্ৰবাদ সন্নিবিষ্ট কৰিছে। ম.চে.

মন্দিৰ। এই মন্দিৰ কেতিয়া স্থাপন কৰা হৈছিল তাৰ শুংসূত্ৰ বিচাৰি পোৱা নাযায়। সেই মন্দিৰৰ বিষয়ে এটি জনশ্ৰুতি আছে। কোনো কোনো অবিবাহিতা ছোৱালীয়ে ভাল দৰা পাবলৈ ঠগি-ঠুগা দি বৰ মাগিলে ভোগেশ্বৰ গোসাঁয়ে তেওঁলোকৰ মানৰ কামনা পূৰ্ণ কৰে। প্ৰতি বছৰে গোটেই মাঘ মাহতে দূৰ-দূৰণিৰ অসংখ্য মহিলা যাত্ৰীৰ সমাগম বিশেষভাৱে উল্লেখ কৰিবলগীয়া। গাঁৱত এটি প্ৰবাদ আছে যে যদি দেউৰীসকলে গোসাঁইক দান কৰা বস্তুৰ হৰণ-ভগণ কৰে বা বিলোৱাত আপোন-পৰ কৰে তেনেহ'লে দেউৰীৰ বংশধৰ নাথাকে।

ন. দা.

**পিতা-মাতা থান**

এই থান মিৰ্জা পাহাৰৰ দক্ষিণ-পশ্চিমফালে ৰাজপথৰ দাঁতিত। ইয়াত ৰাধা-কৃষ্ণ(?) আৰু হৰ-পাৰ্বতীৰ ৰমণ-ক্ৰিয়া ৰত শিলৰ মূৰ্তি আছে। শ্ৰীহাটী সত্ৰৰ অধিকাৰী কোনোবা গৰাকী গোসাঁয়েত (অনুমান ১৬৮০। ৯০ চনত) এই মূৰ্তি আনি এই থানৰ ওচৰৰ বতিয়াপাৰা গাঁৱত থাপনা কৰিছিল। পিছত গৰখীয়াবোৰে তাৰপৰা এই মূৰ্তি নি বৰ্তমানৰ ঠাইত ৰাখে। বৰ্তমান স্থানত স্ত্ৰী-পুৰুষ সকলোৱে পিতা-মাতাৰ চৰণত পূজা সেৱা কৰে। লোকপ্ৰবাদমতে সতি-সন্ততিহীন তিৰোতাই সোণ-ৰূপৰ ফুল আদি দি ইয়াত পূজা কৰিলে সতি-সন্ততি হয়।

**বৰকএৱা**

পিতা-মাতা থানৰ তিনি ফাৰ্লং দক্ষিণত বৰকএৱা। গছ এজোপাৰ গুৰিত কেইটিমান ডাঙৰ শিলেই এই থান। তাত দৰা-কইনাৰ বিয়াৰ সাজ-পোছাক পোৱাৰ কিম্বদন্তী আছে। বহুদিন আগতে হেনো দৰা-কইনাবোৰে বিয়াৰ সাজ-পোছাক পাবলৈ আগদিনাখনে তামোল-পাণ দি পূজা-সেৱা কৰিছিল আৰু পিছদিনা সেইমতে পাইছিল। বিয়াৰ পিছত সেইবোৰ ঘূৰাই দিব লাগিছিল। কোনো দৰাই ঘূৰাই নিদিয়াত হেনো পিছলৈ থানত কাপোৰ নোপোৱা হ'ল। তাত কোনো বিগ্ৰহাদি নাই। তথাপি আজিও বাটৰুৱা আৰু স্থানীয় লোকৰ বাবে ই এখন থান হৈ আছে।

**দুধকুঁৱৰী**

সতীৰ মৃতদেহ কান্ধত লৈ মহাদেৱে অনাই-বনাই ঘূৰি ফুৰোঁতে সতীৰ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবোৰ বাৱন্ন ঠাইত পৰাত বাৱন্নখন পীঠ হোৱাৰ বৃত্তান্ত আছে। সতীৰ স্তন-যুগল হেনো বৰ্তমান নতুন পলাশবাৰী চহৰৰপৰা দুমাইল দক্ষিণ-পশ্চিমে অৱস্থিত ৰঙামাটি পাহাৰত পৰিছিল। সেই বাবেই ইয়াত এখন থান হয়। এই থানৰ নাম দুধকুঁৱৰী। ৰঙামাটি পাহাৰৰ মাজৰ অতি মনোৰম ঠাই এডোখৰত এই পীঠ। দুধকুঁৱৰীৰ আদি বৃত্তান্ত সম্বন্ধে এটা কিম্বদন্তী চলি আহিছে। এজন নৈষ্ঠিক ব্ৰাহ্মণ (কোনোৰ মতে পূৰ্ব্ব দলৈ) এজনী

কপিলী গাই আছিল। গাইজনী নিতৌ প্ৰায় শেষ ৰাতি গোহালিৰপৰা ওলাই গৈ বৰ্তমান পীঠ থকা ঠাইলৈ গৈ বগা দামুৰি এটাক পিহায় খুৱাইছিল। পিছে গৃহস্থৰ তদন্তৰ ফলত এই ঘটনাটো প্ৰকাশ হয়। তেতিয়াৰপৰা আৰু গাইজনী তালৈ নোযোৱা হয়। কথিত আছে এই দামুৰিটোৰ গাত হেনো দিব্য জ্যোতি বিৰিঙিচিল; সেইবাবেই স্থানীয় ৰাইজে দা-কোৰ লৈ হাবি-বননিয়ে আৱৰি থকা ঠাইখন খন্দাত শিলৰ খোদিত স্তন-যুগল আৰু এটি শক্তিশালী নিজৰা দেখিবলৈ পায়। কপিলী গাই আৰু বগা দামুৰিৰ কাহিনী স্মৰি ইয়াক দুধকুঁৱৰী বোলা হয়। প্ৰতি বছৰে ইয়াত কামাখ্যাৰ নিচিনা 'মাৰে বৰা' অৰ্থাৎ মনসা-পূজা হয়। তাত জঁকীবোৰে (দেউধাই) নৃত্যৰে দেৱকী অৰ্চনা কৰে।

### লাহেশ্বৰী আৰু ধাৰেশ্বৰীৰ থান

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বামুন্দিৰ ওচৰত নৰ কাষতে লাহেশ্বৰী থান। এজোপা ডাঙৰ গছৰ তলত থকা ডাঙৰ শিল এটিয়েই লাহেশ্বৰীৰ আসন। ইয়াত আন কোনো মূৰ্তি আদি নাই। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে শুৱালকুছিৰ ওচৰত ধাৰেশ্বৰীৰো থান আছে। ধাৰেশ্বৰী আৰু লাহেশ্বৰী দুয়ো বাই-ভনী। ধাৰেশ্বৰী শান্ত-সৌম্য; লাহেশ্বৰী ৰৌদ্ৰ আৰু উগ্ৰ। প্ৰায় এশ বচৰ আগত কুকুৰীয়া-নিবাসী ৰূপৰাম কলিতাই লাহেশ্বৰীৰ ওচৰৰ পথাৰত পাম পাতিছিল। তাতেই তেওঁক লাহেশ্বৰীয়ে পূজা-পাতল দিবলৈ ইঙ্গিত দিয়ে। সেইমতে ৰূপৰামে কুকুৰীয়াত লাহেশ্বৰী থান পাতি পূজা-পাতল কৰে। শেষত দেৱীয়ে ৰূপাক ভালকৈ লম্ভাত তেওঁ জঁকী হৈ বহুত দিন দেওধা-নৃত্য কৰি থাকে। আজিলৈকে তেওঁৰ বংশৰে লোকে জঁকী হৈ মনসা-পূজাৰ সময়ত এই থানত দেওধা-নৃত্য কৰি আহিছে। কুকুৰীয়া নদীয়ে খহোৱাত ইয়াৰ বৰ্তমান থান হুদুমপুৰ গোসাঁই-ঘৰত পতা হৈছে। লাহেশ্বৰীয়ে জঁকীৰ শৰীৰত লম্ভিলে ৰক্তবস্ত্ৰ পৰিধান কৰি সেন্দুৰ-তিলক লৈ ৰক্ত পুষ্পেৰে পূজা কৰে আৰু শক্তি-ৰূপ ধাৰণ কৰিলে বলি গ্ৰহণ কৰে। আকৌ ধাৰেশ্বৰীয়ে লম্ভিলে শুভ্ৰবস্ত্ৰ পৰিধান কৰি চন্দনৰ ফোঁট লৈ শুভ্ৰ পুষ্পেৰে পূজা কৰে। লাহেশ্বৰীৰ বিষয়ে এটা প্ৰবাদ আছে — যিসকল ছোৱালীয়ে বয়ন-শিল্পৰ বিষয়ে নেজানে, তেওঁলোকে তালৈ গৈ তাঁত-বাতি কাঢ়ি পূজা-সেৱা কৰিলে হেনে ভাল শিপিনী হয়।

### ফলা-মূৰাৰ থান

জন্মৰেপৰা মূৰৰ সোঁ মাজেৰে ফলা চিহ্ন থকা এজন ৰাতিখোৱা সম্প্ৰদায়ৰ ভকতে প্ৰায় দুশ বছৰ আগতে মিৰ্জাৰ সমীপৱৰ্তী সৰপাৰা গাঁৱত এই থান পাতে। এই ভকতজনে প্ৰথমতে যেতিয়া ঘৰৰা কাম বন এৰি গোসাঁই-ঘৰ নিৰ্মাণৰ বাবে উঠি পৰি লাগিল ককায়েকে খঙত তেওঁৰ মূৰত প্ৰস্ৰাৱ কৰিবলৈ ওলাইছিল। ভকতে বোলে, "যাৰ প্ৰস্ৰাৱেই নাই তেওঁ মোৰ মূৰত প্ৰস্ৰাৱ কৰে কেনেকৈ?" তেতিয়াৰপৰা ককায়েকৰ শৌচ-প্ৰস্ৰাৱ বন্ধ। পিছে ভকতেহে ককায়েকক ভাল কৰিব পাৰিছিল। এওঁ আৰু অলেখ অলৌকিক শক্তি দেখুৱাইছিল। তেওঁলোকৰ ভকত-সেৱাৰ কাৰণে কছুৱী গাঁৱৰপৰা মদ

অনাত এজন বিশিষ্ট ব্যক্তিয়ে চাই দেখিলে যে ভকতৰ প্ৰভাৱত মদ গুচি গাখীৰ হৈ আছে। ভকত পূৰা ছকুৰি বছৰ ভোগ কৰি স্বৰ্গগামী হয়। তেওঁৰ মূৰটো ফলা আছিল কাৰণে মানুহে ফালা-মূৰা বুলিছিল আৰু সেই অনুসাৰে তেওঁ থাপনা কৰা থানক ফালা-মূৰা থান বুলি কোৱা হয়।

**দখলা বুঢ়া গোসাঁইৰ থান**

নতুন পলাশবৰী চহৰৰপৰা দুমাইল উত্তৰ-পশ্চিমত থকা দখলা পাহাৰৰ ওপৰত বুঢ়া গোসাঁইৰ দেৱালয় আছে। এই থানখন শিৱসিংহ ৰজাৰ (১৭১৪-১৭৪৪) দিনত পতা হয় আৰু ৰজাই মাটি-বৃত্তি দি পৃষ্ঠপোষকতা কৰে। এই থানত এখন পুৰণি শিলৰ সুন্দৰ আসন আছে আৰু তাত শিৱলিঙ্গৰ প্ৰতিকৃতি স্থাপন কৰা আছে। এই সম্বন্ধে এটি পুৰণি আখ্যানো আছে। এই থানৰ প্ৰথমদৰে মাজুবাপু শৰ্মাৰ ভায়েক পূৰ্ণানন্দ মেধিৰ কলী গাই এজনীয়ে হেনো ৰাতি গোহালিৰপৰা ওলাই আহি দেৱালয় স্থাপন কৰা ঠাইত গাখীৰ দিছিল। পিছে এই ঠাই খন্দাত আসনখনি ওলায়। সপোনৰ মৰ্মে বাঘমাৰা বিলত জাল পেলাই এটা শিৱলিঙ্গ উদ্ধাৰ কৰি এই আসনত ৰজা-প্ৰজা মিলি মহাপয়োভৰেৰে থাপনা কৰে।

**নাক-কাটী বা নিজেশ্বৰীৰ থান**

মিৰ্জা পাহাৰৰ উত্তৰ দাঁতিত নিজবাৰ পাৰত এই থান অৱস্থিত। এই থানক নিজেশ্বৰী, মীৰ্জেশ্বৰী, নিজেহেৰী আৰু নাককাটী আদি কেইবাটাও নামেৰে জনা যায়। স্থাপনৰ কাল, প্ৰতিষ্ঠাতা আদিখ কোনো বিবৰণ পোৱা নাযায়। প্ৰবাদ আছে বহু বছৰ আগতে বাহমেৰীয়া নামৰ এজন লোকে তাত থাকি গৰু পুহিছিল। এদিন চোৰে গাই কেইজনী চুৰ কৰি নিব খোজাত গোসানীয়ে গিৰিহঁতক জগাই দিয়াত চোৰে গোসানীৰ নাকটো কাটে আৰু চোৰ তাতেই মৰি থাকে। নাকটো কটা বাবে গোসানীৰ নাম নাককাটী হয়। কামাখ্যা আৰু দুধকুঁৱৰীৰ দৰে ইয়াতো মনসা পূজা আদি হোৱাৰ কথা শুনা যায়।

**বাঘেশ্বৰী বা বাগেশ্বৰী থান**

মিৰ্জা পাহাৰৰ পূবফালে সন্তোলা গাঁৱৰ ওচৰত থকা ঘূৰি এটিত বাঘেশ্বৰী দেৱালয়। প্ৰাকৃতিক সৌন্দৰ্যৰ পৰিপূৰ্ণ এখনি ঠাই। এই দেৱালয়ৰ কাৰুকাৰ্য মন কৰিবলগীয়া। গণেশৰ মূৰ্তি মন্দিৰৰ বাহিৰত শিলত খোদিত আছে আৰু মন্দিৰৰ ঠাইত বয়ন-শিল্পৰ সৰ্জুলিবোৰ আছে। ছোৱালীবোৰে তাত গৈ শিপিনী হ'বলৈ বাঞ্ছা কৰি পূজা-পাতল কৰে। ওচৰত থকা কছাৰীসকলে এই থানত কাছ বলি দি পূজা-পাতল কৰা নিয়ম এতিয়াও আছে।

**সতীৰ থান বা বলদেৱ গোসাঁইৰ থান**

ৰাজাপুখুৰী পাৰত (ৰাজাপুখুৰী সত্ৰৰ ভিতৰত) সতী-পীঠ বা বলদেৱ গোসাঁইৰ

থান। শ্ৰীহাটী সত্ৰৰ গোস্বামী বংশৰ পূৰ্ব-পুৰুষ বলদেৱ গোসাঁই ৰাজপুখুৰী সত্ৰলৈ শিছ ফুৰিবলৈ আহোঁতে হঠাতে ইয়াত স্বৰ্গী হয়। তেওঁৰ সতী-সাধ্বী পত্নী বিষ্ণুপ্ৰিয়াই পতিবিয়োগৰ বাতৰি পাই বিশাল ব্ৰহ্মপুত্ৰ নদী আগলি কলপাতেৰে পাৰ হৈ আহি ৰাজাপুখুৰীত উপস্থিত হয় আৰু পতিৰ লগত সহমৰণৰ ইচ্ছা শিষ্যসকলক জনায়। শিষ্যসকল অমান্তি হোৱাত সতীয়ে নানা প্ৰকাৰ অলৌকিক কাৰ্য দেখুৱাই সকলোকে স্তম্ভিত কৰে আৰু পিছত একেখন চিতাতে সতী যায়। তেতিয়াৰপৰাই এই সতীপীঠ আঞ্চলিক ৰাইজৰ সেৱা-পূজাৰে অৰ্চিত হৈ আছে। দূৰ-দূৰণিৰ বহুতো সন্তান-কামী নৰ-নাৰীয়ে এই পীঠত সেৱা-পূজা কৰি সন্তান লাভ কৰা প্ৰৱাদ আছে।

সু.ম.

### মহাৰুদ্ৰ বুঢ়াগোসাঁই দেৱালয়

নলবাৰীৰ দক্ষিণে ১৬ কিলোমিটাৰমান দূৰত অৱস্থিত আৰংমৌ গাঁৱত এই দেৱালয়। ১৮০৪ খ্ৰীষ্টাব্দত দেৱালয়টি ময়ূৰ ভকত নামে এজনে প্ৰথমে কৰে বুলি জনা গৈছে। ইয়াৰ চাৰি বিঘা মাটি আৰু এটা ডাঙৰ পুখুৰী আছে। আজিও ইয়াত নিত্য-নৈমিত্তিক পূজা-সেৱা চলি আছে আৰু দূৰ-দূৰণিৰপৰা যাত্ৰী আহি ইয়াত সেৱা জনায়।

দেৱালয়খনৰ আবিৰ্ভাৱৰ এটি কিংবদন্তী আছে। ময়ূৰ ভকতে স্বপ্নাদিষ্ট হৈ ঠাইখিনি পৰিষ্কাৰ কৰে আৰু শিলৰ মূৰ্তিৰে চক্ৰশিলা পায়। গাঁৱৰ মানুহে তাতে নতুৱৈক দেৱালয়খন স্থাপন কৰে আৰু স্থানীয় ব্ৰাহ্মণ এঘৰে পূজা-সেৱা কৰিবলৈ লয়। শিৱৰাত্ৰি ইয়াত মহাসমাৰোহেৰে পালন কৰা হয়।[৮]

### ভালুকী গৰখীয়া গোসাঁইৰ ঘৰ

বজালী অঞ্চলৰ ভালুকী গাঁৱৰ সোঁ মাজতে এই নামঘৰটি। এশমান বছৰ আগতে ইয়াত গোপাল কৃষ্ণৰ মূৰ্তি থাপনা কৰা হৈছিল। মূৰ্তিটি এফুটমান ওখ। কথিত আছে, গাঁৱৰ পূবফালে পথাৰত এজনী কপিলী গায়ে দামুৰি পিয়াই গাখীৰৰ ফেন দিয়া ঠাই এডোখৰৰপৰা স্বপ্নাদেশক্ৰমে বিগ্ৰহটি উদ্ধাৰ কৰি বৰ্তমান ঠাইলৈ অনা হয়। নানা লোকে নানা মানস কৰি বিগ্ৰহলৈ নানা নৈবেদ্য আগবঢ়ায়হি। বিশেষকৈ নতুন পোৱালি হোৱা গাইৰ পোনৰ গাখীৰটোপা গোসাঁইলৈ আগ কৰা অঞ্চলটোৰ ৰাইজৰ চলিত ৰীতি।[১]

## কছাৰীসকলৰ পূজা-সেৱাৰ থলী

কামৰূপ জিলাৰ দক্ষিণ পাৰে বকোত আৰু শিঙৰাৰ ওচৰত বেকেলী গাঁৱতো বুঢ়া-বুঢ়ীৰ থান আছে। বুঢ়া মহাদেৱ (বাথোৱাই) আৰু বুঢ়ী গোসানীৰ (থাম্ মাইখা বা

৮ শ্ৰীহেমৰথ বৰ্মনৰ টোকাৰপৰা।

১ শ্ৰীসৰ্বেশ্বৰ তালুকদাৰৰ টোকাৰপৰা।

কামাখ্যা) দুইৰো পূজা ইয়াত হয়। য'তে কামাখ্যা বা বুঢ়ী গোসানীৰ থান আছে, তাতে মহাদেৱৰ (উমানন্দ, বিশ্বনাথ আদি নামত) থানো আছে। আৰু লগতে বুলীব্ৰীও (ভৰলী বুঢ়ী) থাকে। বড়ো-কছাৰীসকলে কামাখ্যা আৰু ভৰলী (নৈৰূপী দেৱী) দুয়োকে বাথৌব্ৰাইৰ (মহাদেৱ বা শিব্ৰায়) লগতে পূজে। কামৰূপৰ কামাখ্যা, নগাঁৱৰ কামাখ্যা, সদিয়াৰ কেঁচাইখাঁতী, কামাখ্যাৰ থানৰ কাষে কাষে নৈৰূপী ভৰলী বুঢ়ী আৰু বাথৌদেৱতাৰ থান আছে। মাইনাওব্ৰীৰ (লক্ষ্মী দেৱী) পূজাও বন্ধা কোঠাৰ বেদীত আৰু খেৰাই-পূজাত বাথৌৰ লগতে হয়। খেৰাই-পূজা উৎসৱৰ উপৰিও উত্তৰ কামৰূপৰ বড়ো ৰাইজৰ মাজত পুতুলি-বিয়া (ফুচলি হাবা), মাইৰ পূজা, মাঘী-পূৰ্ণিমা, ভেকুলী বিয়া আদিও নিৰ্দিষ্ট ৰাজহুৱা থানত হোৱা দেখা যায়। কামৰূপৰ উত্তৰ পাৰে নলবাৰীৰপৰা চাৰি মাইলমান দূৰত নতুনদেহৰ মৌজাৰ কাছিমপুৰ গাঁৱত খেৰাই-পূজা-উৎসৱৰ থান আছে। প্ৰতি বছৰে ফাগুনৰ পূৰ্ণিমাত এই খেৰাই-পূজা হয়। উত্তৰ কামৰূপৰ ৰঙ্গিয়া অঞ্চলৰ গুৰমৌ, খাতপাৰা, ঢোলকুছি, খাটালপাৰা, বনগাঁও, খৈৰাবাৰী আদি গাঁৱত খেৰাই আৰু অনন্যান্য পূজা-সেৱাৰ থান আছে। গুৰমৌ গাঁৱত খেৰাইৰ থানৰ উপৰিও খান্দাৰজাৰ থান আৰু শ্ৰীশ্ৰীজগন্নাথৰ থান আছে; তদুপৰি ভৈৰাঈশ্বৰী নামৰ বিখ্যাত মন্দিৰ এটিও আছে।

প্ৰ.ভ.

## থান-সত্ৰ
## বৰপেটা-বজালী অঞ্চল

### বৰপেটা সত্ৰ

অসমৰ দুই মহাপুৰুষৰ চৰণৰ ধূলিৰে বৰপেটা পবিত্ৰ। ই মহাপুৰুষ দুজনাৰ লীলা-ভূমি। বৰপেটাৰ কীৰ্তন-ঘৰ প্ৰসিদ্ধ। এই কীৰ্তন-ঘৰ লৈয়ে বৰ্তমানৰ বৰপেটা নগৰ। মহাপুৰুষ মাধৱদেৱে বৰপেটাত (পোৱাভিঠা) এটি বগুিয়াল ঘৰ সজাইছিল। চৰিতপুথিত পোৱা যায় যে এই ঘৰত মাধৱদেৱে ল'ৰাবিলাকক এনে নিখুঁতভাৱে গাভৰু সজাই ভাওনা কৰিছিল যে তেওঁৰ বিপক্ষ দলে কোচ ৰজা ৰঘুদেৱক মাধৱদেৱে গাভৰুৰ লগত বীভৎসলীলা কৰিছে বুলি লগায়। সেই অপৰাধত ৰঘুদেৱে মাধৱদেৱক ধৰাই নিয়ে, কিন্তু বিচাৰ কৰি মুক্তি দিয়ে। মাধৱদেৱে মথুৰাদাস আতাক তাত অধিকাৰ পাতি কোচবেহাৰলৈ যায়। বগুিয়াল ঘৰ জুয়ে পোৰে। সেই কাৰণে সেই ঠাইৰ নাম পোৱাভিঠা হয়। মথুৰাদাস আতাই তাতে সত্ৰ পাতি, কীৰ্তন-ঘৰ আৰু কেৱলীয়া ভকতৰ হাটী স্থাপন কৰে আৰু সত্ৰ চলোৱা আৰু নাম-প্ৰসঙ্গ কৰা নিয়ম আদি প্ৰচলন কৰে। এই কীৰ্তন-ঘৰ শ্ৰীমন্ত শঙ্কৰদেৱে বৰপেটাৰ তাঁতীকুছিত ৰজা নৰনাৰায়ণৰ কাৰণে বোৱা বৃন্দাবনীয়া কাপোৰৰ সমান কৰি ১২০ হাত X ৬০ হাত কৰা হৈছিল বুলি কয়। এই কীৰ্তন-ঘৰ

অসমত সকলোতকৈ ডাঙৰ বুলি জনাজাত। কীৰ্তন-ঘৰৰ পূব মূধৰ এটা খোটালি বা পুলি এৰি তিনিখন গুৰু আসন পতা আছে। শ্ৰীমন্ত শঙ্কৰ, মাধৱদেৱ আৰু বদুলা আতাৰ নাম এই তিনিখন আসন পতা হৈছে। গুৰুৰ আসনৰ পাছফালে অধিকাৰ আৰু ডেকা অধিকাৰ বহে আৰু সম্মুখত নাম-প্ৰসঙ্গ হয়। কীৰ্তন-ঘৰৰ পূব মূগত এটা ভঁাজঘৰ আছে। তাত কোচ ৰজা ৰঘুদেৱে দিয়া শিলৰ কৃষ্ণমূৰ্তি। এই মূৰ্তি ক'লীয়া ঠাকুৰ বুলি জনাজাত (এইমূৰ্তিক ব্ৰাহ্মণ পূজাৰিয়ে সদায় পূজা কৰে।)। কীৰ্তন-ঘৰৰ পূবফালে থকা খটখটিৰ কাষত মাটি খান্দোতে পোৱা আৰু এখন শিলৰ কৃষ্ণমূৰ্তি আছে। ভঁাজঘৰৰ উত্তৰ অংশত মিঠাতেল সংৰক্ষণ কৰা এটি তেলৰ মঠিয়া আছে। মানুহে কয় যে তাত আপোনা-আপুনি ওলায়। কীৰ্তন-ঘৰৰ কাষতে উত্তৰ-পূব অংশত এটি ইটাৰ মঠ আছে। এই মঠত "নাম-ঘোষা" পুথি স্থাপন কৰা আছে। মঠৰ সম্মুখৰ চটীয়া শিলৰ পকা চোতালত দৌলোৎসত দৌল উৎসৱ আৰু অন্যান্য সময়ত অন্যান্য কাম কৰা হয়। এই সত্ৰত মহাপুৰুষসকলৰ তিথিৰ উপৰিও দৌলোৎসৱ আৰু ব'হাগ বিহুত কীৰ্তন সমাৰোহেৰে পতা হয়। দৌলোৎসৱ চাবলৈ অসমৰ বিভিন্ন ঠাইৰ মানুহ আহে। এই অতিথিসকলক সত্ৰৰপৰা সিধা দিয়ে আৰু সত্ৰৰ ভিতৰত থকা অতিথিশালাত স্থান দিয়ে। যিসকল অতিতিক সত্ৰত স্থান দিব নোৱাৰে সেইসকলক হাটীত বাস কৰা বাসিন্দাসকলে স্থান দিয়ে। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিথিত নাওখেলৰ প্ৰতিযোগিতা হয়। এই প্ৰতিযোগিতা চাবলৈ হেজাৰ হেজাৰ মানুহৰ সমাগম হয়। মঠৰ সম্মুখৰ চোতালৰ পশ্চিম মূৰত এটা নাদ আছে। এই নাদৰ ওপৰত ছত্ৰাকাৰ এটি ঘৰ আছে আৰু ইয়াৰ পানী উৎসৱতহে ব্যৱহাৰ কৰে। এই নাদ থকা ঠাইতে মাধৱদেৱ ছমাহ বাস কৰিছিল বুলি কয়। মঠৰ উত্তৰ-পূব কোণত শ্ৰীৰাম আতাৰ ঘৰৰ ভেটি আছিল।সেই ঠাইতে এটি টিনৰ সৰু ঘৰ আছে। ভঁাজঘৰৰ দক্ষিণ-পূব কোণত বদুলা আতাৰ ঘৰৰ ভেটি আছিল। সেই ঠাইতো টিনৰএটি সৰু ঘৰ আছে। কীৰ্তন-ঘৰৰ উত্তৰ-পশ্চিমফালে পকা দেউল ঘৰ আছে আৰু তাৰ সম্মুখত খোলা টিনৰ ঘৰ এটা আছে। এই টিনৰ ঘৰত বা মঠ আৰু দেউল ঘৰৰ মাজৰ খোপৰ ঠাইত মাজে সময়ে সভা-সমিতি বহে। কীৰ্তন-ঘৰৰ সম্মুখৰ মুকলি ঠাইত যাত্ৰা, ভাওনা আদি হয়। কীৰ্তন-ঘৰৰ দক্ষিণ-পশ্চিম ফালে থকা মুকলি ঠাইত দৌলোৎসৱ চাবলৈ অহা যাত্ৰীক সিধা দিয়া হয়। মঠৰ উত্তৰে টিনৰ গুদাম ঘৰ আছে। সত্ৰৰ ভিতৰলৈ সোমোৱা দক্ষিণ-পশ্চিম দুৱাৰৰ কাষত মথুৰাদাস পুস্তকাগাৰ। দহ বছৰমান আগতে ভঁাজঘৰৰ পূবত কাঠ চাং থকা টিনৰ ঘৰ নিৰ্মাণ হৈছে। সত্ৰৰ চাৰিবেৰৰ ভিতৰৰ উত্তৰ আৰু দক্ষিণ ভাগত কেৱলীয়া ভকত আৰু অতিথি থকা ঘৰ। কেৱলীয়া ভকতৰ ঘৰত তিৰোতা, আন কি কেঁচুৱা ছোৱালীৰো প্ৰৱেশাধিকাৰ নাই। বুঢ়াভকতৰ মৃত্যু হ'লে তেওঁৰ আলধৰা তেওঁৰ পৰিবৰ্তে বুঢ়াভকত হয় আৰু সম্পত্তিৰ উত্তৰাধিকাৰ পায়। আলধৰা নাথাকিলে বুঢ়া ভকতৰ সম্পত্তি সত্ৰই পায়; কিন্তু তেওঁৰ বংশপৰিয়ালে নাপায়। সত্ৰাধিকাৰে যিসকলক

শৰণ দিয়ে সেইসকলক বুঢ়াভকতসকলে ভজন দিয়ে। বৰ্তমান বুঢ়াভকতসকলে বৰপেটাৰ জনজাতি আৰু বাহিৰৰ পমুৱাসকলৰ মাজত ধৰ্ম প্ৰচাৰ কৰিছে। সত্ৰত থকা ভকত উদাসীন যদিও অধিকাৰজন গৃহী আৰু সত্ৰৰ বাহিৰত বাস কৰে। উত্তৰাধিকাৰী-সূত্ৰে সত্ৰৰ অধিকাৰ হ'ব নোৱাৰে। সত্ৰৰ সমূহ ভকতে সত্ৰাধিকাৰ বাছি লোৱা প্ৰথা মথুৰাদাস আতাই প্ৰচলন কৰি যায়। সেই নিয়ম সংশোধিতভাৱে আজিও প্ৰচলিত। মথুৰাদাস আতাৰ পাছৰ গোবৰ্ধন আতাৰ পাছৰপৰা এই সত্ৰৰ অধিকাৰ ৰামৰাম গুৰুৰ বংশই ভোগ কৰি আহিছে। কুৰি শতিকাত কেইজনমান শূদিৰ ডেকা-অধিকাৰ পদলৈ নিৰ্বাচিত হৈছিল; কিন্তু তেওঁলোকে অধিকাৰ পদ ভোগ কৰাৰ আগতে সংসাৰৰপৰা বিদায় লয়। ১৯৪৮ খ্ৰীষ্টাব্দত এজন কেৱলীয়া ভকত ডেকা-অধিকাৰ পদত নিৰ্বাচিত হৈছে। এই সম্পৰ্কে হাটকোৰ্টত মোকৰ্দমা হৈছিল। এতিয়া সেই বিচাৰ উঠি গৈছে আৰু হৰিজনক কীৰ্তন-ঘৰত প্ৰৱেশাধিকাৰ দিয়া হৈছে; কিন্তু তিৰোতাই সেই অধিকাৰ পোৱা নাই। কীৰ্তন-ঘৰৰ কাঠীত তিৰোতা উঠিব বা বহিব পাৰে আৰু তাৰপৰাই তেওঁলোকে জালিকটা বেৰেদি ভিতৰত হোৱা ধৰ্মকাৰ্য নিৰীক্ষণ কৰি সন্তুষ্ট হ'ব লাগে। ভাঁজঘৰত থকা ক'লীয়া ঠাকুৰক তিৰোতাসকলে দেখিবলৈ নাপায় আৰু ভাঁজঘৰৰ পাছফালে থকা পূব দুৱাৰৰপৰাই পশ্চিমলৈ মুৰ কৰি ভক্তিসহকাৰে সেৱা জনায়। কথিত আছে, মথুৰাদাস আতাৰ পৰিবাৰে আতাৰ অনুপস্থিতিত কীৰ্তন-ঘৰত বন্তি জ্বলাইছিল। কীৰ্তন-ঘৰৰ ভিতৰত থাকোঁতে হঠাৎ ৰজস্বলা হৈ কীৰ্তন-ঘৰ অপবিত্ৰ কৰাৰ ভয়তে তিৰোতাক ভিতৰলৈ সোমাবলৈ দিয়া নহয় বুলি সাধাৰণতে কয়। কীৰ্তন-ঘৰ আৰু কেৱলীয়া হাটীৰ কেয়োফালে পকা দেৱাল আছে। এই চাৰিবেৰৰ ভিতৰত জোতা পিন্ধা নিষেধ। ১৯৩৪-৩৫ খ্ৰীষ্টাব্দত সেই সময়ৰ অসমৰ গৱৰ্ণৰ ছাৰ মাইকেল কিনক মাত্ৰ জোতা পিন্ধি চাৰিবেৰৰ ভিতৰত সোমাবলৈ দিয়া হৈছিল। টোলৰ ভিতৰত সোমাবলৈ পশ্চিম দেৱাললয়ৰ মাজ ভাগত প্ৰধান দুৱাৰ। পশ্চিম দেৱালয়ৰ উত্তৰ আৰু দক্ষিণ কোণত দুখন দুৱাৰ আছে। এই দুই দুৱাৰেদি প্ৰধানকৈ তিৰোতাসকল ওলোৱা-সোমোৱা কৰে। কীৰ্তন-ঘৰৰ প্ৰতি সন্মান জনাই দেৱালৰ বাহিৰে থকা আলিবাটত উত্তৰ দুৱাৰৰপৰা দক্ষিণ দুৱাৰলৈকে কোনেও যান-বাহনত উঠি যাতায়ত নকৰে। ১৯৪৮ খ্ৰীষ্টাব্দত অসমৰ গৱৰ্ণৰ ছাৰ আকবৰ হায়দৰীয়ে এই বাটছোৱা খোজ কাঢ়ি গৈছিল। পূব দেৱালৰ মাজভাগত পাছফালে ওলাব পৰাকৈ এখন দুৱাৰ আছে। সেইফালে বাট নাই, এটা জানহে আছে। বৰপেটা সত্ৰৰ বৰপেটা নগৰ আৰু বাহিৰত নিষ্পিখেৰাজ মাটি আছে। এই মাটিবিলাক স্বৰ্গদেৱ শিৱসিংহই (১৭১৪-৪৪ খ্ৰীঃ) দিয়া বুলি কয়। সত্ৰৰ নামত বৰপেটা নগৰত থকা নিষ্পিখেৰাজ মাটি সত্ৰৰ উপৰিও বাইশটা হাটী আছে। পূৰ্বে শ্ৰীমন্ত শঙ্কৰদেৱে বৰপেটাৰ চাৰি কোণত চাৰিটা খুটি মাৰি দিছিল বুলি কয়। সেই চাৰি খুটিৰ ভিতৰ সীমাই বৰপেটা নগৰত থকা সত্ৰৰ নিষ্পিখেৰাজ মাটিৰো সীমা। এই চাৰি সীমাৰ ভিতৰত মৃত্যু হ'লে

মানুহ বৈকুণ্ঠলৈ যায় বুলি বিশ্বাস। সেই কাৰণে এই ঠাই কোনেও এৰি নোযোৱাত মানুহৰ বসতি অতি ঘন। প্ৰত্যেক হাটীৰে একোটি হাটীয়াৰ ঘৰ আছে। তাত হাটীৰ মেল-দেৱান, সভা-উৎসৱাদি পতা হয়। প্ৰত্যেক হাটীৰে একোটি পুঁজি আছে। এনে পুঁজি মথুৰাদাস আতাই প্ৰচলন কৰে বুলি কয়। এই সত্ৰ প্ৰাক্‌ব্ৰিটিচ্‌ যুগৰপৰা সম্পূৰ্ণ গণতান্ত্ৰিক ভেটিত চলিত হৈ আহিছে।[২]

## গণককুছি সত্ৰ

বৰপেটা সত্ৰৰ প্ৰায় এমাইলমান দক্ষিণে গণককুছি সত্ৰ। মাধৱদেৱে এই সত্ৰ স্থাপন কৰে। ইয়াৰ কীৰ্তন-ঘৰ বৰপেটাৰ কীৰ্তন-ঘৰতকৈ বহুত সৰু। এই কীৰ্তন-ঘৰতো শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু বদুলা আতাৰ নামত তিনিখন গুৰুৰ আসন পতা আছে। কীৰ্তন-ঘৰৰ পূব মূধত এটি ভঁজঘৰ আছে। সেই ঘৰত চান্দী, পিতলৰ দ্বিভুজ মদনমোহন মূৰ্তি আছে। এই মূৰ্তি কোচ ৰজা ৰঘুদেৱে দিয়া বুলি কয়। কীৰ্তন-ঘৰৰ উত্তৰফালে মাধৱদেৱে ৰোৱা এজোপা ৰাহল বা ৰঙিয়াল ফুল আছে। ফুলজোপাৰ কেয়োফালে ইটাৰ দেৱল আছে আৰু তাৰ সম্মুখত টিনৰ এখনি সৰু চালি আছে। সেই ঠাইতে শঙ্কৰদেৱ আৰু মাধৱদেৱে কথা বতৰা হৈছিল। ইয়াৰ ওচৰতে মাধৱদেৱে খন্দোৱা এটি পাটনাদ ঢাকি থয় আৰু ইয়াৰ পানী উৎসৱাদিতহে ব্যৱহৃত হয়। কীৰ্তন-ঘৰৰ উত্তৰ-পূব আৰু উত্তৰ-পশ্চিম কোণত শ্ৰীৰাম আতা আৰু ৰাম আতাৰ ভেটি আছিল। ওপৰত বৰ্তমান টিনৰ দুটা সৰু ঘৰ আছে। সত্ৰত বৰ্তমান অধিকাৰ নাই; কিন্তু ভকতসকলে নিতৌ নাম-প্ৰসঙ্গ কৰে। ইয়াত আহোম ৰজাই দিয়া বোলবিঘা মাত্ৰ নিষ্পিখেৰাজ মাটি আছে। মাধৱদেৱ এই সত্ৰত ১৮ বছৰ ৬ মাহ আছিল বুলি কয়। কীৰ্তন-ঘৰত তিৰোতাক সোমাবলৈ দিয়া নহয়।

## সুন্দৰীদিয়া সত্ৰ

বৰপেটা সত্ৰৰ ডেৰ মাইলমান উত্তৰে সুন্দৰীদিয়া গাঁৱত সুন্দৰীদিয়া সত্ৰ আছে। এই

---

২ বৰপেটাৰ পুৰণি নাম দহটি — বৰপেটা, তাঁতীকুছি, ইচ্ছাকুছি, পোৰাভিঠা, চৌখুটিস্থান, পুষ্পকবিমান, বৃন্দাবন, মথুৰা, কামপুৰ আৰু নৱৰত্ন স্থান। সত্ৰৰ কীৰ্তন-ঘৰটিয়ে জৰা-জীৰ্ণ অৱস্থা পোৱাত বৰপেটীয়া বাপুসকলে তাক নতুনকৈ সাজিবলৈ স্থিৰ কৰে। এই কামৰ সাধনাৰ অৰ্থে ১৯৭৩ শকৰ ২ কাতি তাৰিখে এখন সত্ৰ পুনৰ্নিৰ্মাণ সমিতি গঠিত হয়। আৰু উক্ত সমিতিৰ চেষ্টাৰ ফলত ৫টা খুঁটি তৈয়াৰ হৈ উঠে। এনেতে বেমেজালিৰ সৃষ্টি হোৱাত নিৰ্মাণ-কাৰ্য স্থগিত থাকিব লগাত পৰে।

বৰপেটাৰ সত্ৰীয়াসকল — ক্ৰমে মথুৰাদাস বুঢ়া আতা, কলিতা গোবৰ্দ্ধন আতৈ, গোপাল মিশ্ৰ, কৃষ্ণ মিশ্ৰ, ৰামাচাৰ্য, বিনাৰাম, সন্তোষভূষণ, গোপীনাথ, জীউৰাম, সভাৰাম, ৰামদেৱ, ভৱদেৱ, বিষ্ণুৰাম, ভুবনমোহন, কৃষ্ণকান্ত, অনাদৰ, মহেশ্বৰদেৱ মিশ্ৰ, গোবিন্দদেৱ মিশ্ৰ, চতুৰ্ভুজ দেৱ মিশ্ৰ, দানপতিদেৱ মিশ্ৰ, বৰ্তমান শ্ৰীশ্ৰীচন্দ্ৰকান্তদেৱ মিশ্ৰ। (শ্ৰীঅৰ্জুনচন্দ্ৰ দাস)

সত্র মাধৱদেৱে স্থাপন কৰে। ইয়াৰ কীৰ্তন-ঘৰতো বৰপেটাৰ কীৰ্তন-ঘৰৰ দৰে শঙ্কৰদেৱ, মাধৱদেৱ আৰু বদুলা আতাৰ নামত তিনিখন গুৰুৰ আসন স্থাপন কৰা আছে। কীৰ্তন-ঘৰৰ পূব মূধত এটি ভাঁজঘৰ আছে। তাত ৰঘুদেৱনাৰায়ণে (১৫৮১-১৬০০) দিয়া শিলৰ কৃষ্ণ-মূৰ্তি আছে। কীৰ্তন-ঘৰৰ কাষতে উত্তৰ ফালে এটি পকী মঠ আছে। এই মিঠ স্বৰ্গদেৱ প্ৰমত্তসিংহই ১৭৭১ শকত নিৰ্মাণ কৰায়। মঠটো শিৱসাগৰৰ শিৱদ'লৰ আকৃতিত কৰ্দৈশিৰীয়াকৈ কৰা। মঠটোৰ গাত মাটিৰ নিৰ্মিত পোৰা মূৰ্তি লগোৱা আছে। ভূমিকম্প আৰু অন্যান্য কাৰণত মঠটো তললৈ বহি যোৱাত মূৰ্তিবিলাক মাটিৰ তলত পোত খালে। মাত্ৰ ওপৰ অংশৰ অলপ অচৰপ ওলাই আছে। মানুহে কয় যে মঠটো প্ৰায় ১০ ফুটমান বহিল। মঠটো মেৰে ৬৬ হাত। মঠটোৰ সম্মুখত থকা পকা বুলনিঘৰটো ১৪ x ৮ বৰ্গহাত আৰু তাৰ মূধ ৭ হাত ওখ। মঠটো আৰু বুলনি ঘৰটো ভাল অৱস্থাতে আছে। মঠৰ ভিতৰত 'নামঘোষা' স্থাপন কৰা আছে। কীৰ্তন-ঘৰৰ দক্ষিণ কাষে মাধৱদেৱে সজোৱা এটি পাটনাদ আছে। নাদৰ ওপৰত অটি ঘৰ আছে। ইয়াৰ পানী বগা বুলি কয় আৰু উৎসৱ আদিতহে ব্যৱহাৰ হয়। নাদৰ পাছফালে শঙ্কৰদেৱৰ দ্বিতীয়া পত্নী থকা ঘৰৰ ভেটিৰ ওপৰত এটি (এতিটা টিনৰ) সৰু ঘৰ আছে। এই ঘৰটোক আই গোসানীৰ ঘৰ বোলে। মাধৱদেৱ আৰু ৰামচৰণ ঠাকুৰ বাস কৰা ঘৰৰ ভেটিৰ চিন আছে; কিন্তু তাৰ ওপৰত কোনো স্মৃতি-চিহ্ন নাই। মাধৱদেৱ সুন্দৰীদিয়াত ১৪ বছৰ ৬ মাহ আছিল বুলি কয়। তেওঁ সুন্দৰীদিয়া এৰি কোচবেহাৰলৈ যোৱাত ভাগিনিয়েক ৰামচৰণ ঠাকুৰক সুন্দৰীদিয়া সত্ৰৰ অধিকাৰ পাতি থৈ যায়। বৰ্তমান এই সত্ৰৰ অধিকাৰ ৰামচৰণ ঠাকুৰৰ বংশধৰ; কিন্তু সত্ৰত অধিকাৰ দুজন। ইয়াতো কেৱলীয়া ভকত আছে। কিন্তু সত্ৰাদিকাৰ গৃহী। বৰপেটাৰ অন্য সত্ৰৰ বন্তি পশ্চিমমুৱা, কিন্তু এই সত্ৰৰ বন্তি পূবমুৱা। তিৰোতাক কীৰ্তন-গৰত সোমাবলৈ দিয়া নহয়, কিন্তু শৰণ দিওঁতে সোমাবলৈ দিয়ে। স্বৰ্গদেৱ শিৱসিংহই এই সত্ৰত মাটি দান দিয়া তামৰ ফলি এতিয়াও আছে।[৩]

এই সত্ৰত বৰ্তমান ১০৩ বিঘা নিস্পিখেৰাজ মাটি আছে। বছৰি এবাৰ এই সত্ৰত পালনাম হয়। তামৰ ফলিত লিখা অনুসৰি পালনামৰ অনন্তত স্বৰ্গদেৱ শিৱসিংহক পুত্ৰ-

৩ সুন্দৰীদিয়া আগতে লুইতৰ এটি ধুনীয়া দিয়া (দ্বীপ) বা চাপৰি আছিল। সত্ৰৰ চাৰিসীমা — উত্তৰে চাউলখোৱা নদী, পূবে বৰলিয়া বিল, দক্ষিণে নখন্দা নৈ, পশ্চিমে গুহাকুৰ বিল। সত্ৰৰ উত্তৰপিনে কয়লা বিল আছে; ইয়াতে মাধৱদেৱে সাদিন সাতৰাতি তত্ত্বকত্ত্ব বিচাৰ কৰাৰ স্মৃতিত মাঘৰ বৰবিহুৰ দিনা আইসকলে চৰিত চৰ্চা কৰেগৈ। সুন্দৰীদিয়াতে মাধৱদেৱ "নামৰ শাৰী" পাতে। মঠৰ বৰ্তমান চৈ-ঘৰ ১৯২০ চনত নিৰ্মিত। সুন্দৰীদিয়াতে সাত কুৰি বছৰ বয়সত কালিন্দী আই গোসানী বৈকুণ্ঠী হয়। তেওঁৰ কাণৰ সোণা, কপাহী পাজী, কাপোৰ, পীৰা আদি এতিয়াও আছে। ৰামচৰণ ঠাকুৰৰ ভিঠিতে মাধৱদেৱে যোৱা পুথি কৰে, সেই ভেটিকে আদিভিঠি বোলে। (শ্ৰীউদ্ধৱচন্দ্ৰ অধিকাৰীৰ টোকাৰপৰা।) ম.নে.

পৌত্ৰাদিক্ৰমে আশীৰ্বাদ দিয়া প্ৰথা আজিও প্ৰচলিত।

**ন সত্ৰ (বাসুদেৱ থান)**

বৰপেটা সত্ৰৰপৰা প্ৰায় দুমাইলমান দক্ষিণ-পূবে, গণককুচি আৰু পাটবাউসী সত্ৰৰ মাজত ন সত্ৰ বুলি এখনি সত্ৰ আছে। তাত এটা কীৰ্তন-ঘৰ আছে। সেই ঘৰ বৰপেটাৰ কীৰ্তন ঘৰতকৈ সৰু। তাত এখন গুৰু আসন পতা আছে। কীৰ্তন-ঘৰৰ পূব মূধত থকা ভঁজঘৰত এখন ক'লা শিলৰ ডাঙৰ চতুৰ্ভুজ বাসুদেৱ মূৰ্তি আছে। মূৰ্তিখনৰ চকু আৰু নাক সোণেৰে বন্ধোৱা। মূৰ্তিখন দেখিবলৈ বৰ ধুনীয়া। পূৰ্বৰ শিলৰ বাসুদেৱ মূৰ্তি কোনো কাৰণত ভাগি যোৱাত এই মূৰ্তিখন বজালীৰ ৰায়পুৰৰপৰা কিনি অনা হয়। পূৰ্বৰ মূৰ্তিৰ ভগ্ন অংশবিলাক ভঁজঘৰৰ এচুকত এটা ঘৰৰ ভিতৰত আৰু চৰণ-চাৰ বাসুদেৱ-মূৰ্তিৰ কাষত থোৱা আছে। সত্ৰৰ বৰ্তমান মালিক মেধিয়নীৰ হাতত পূৰ্বৰ পেৰাকাকতৰ এটা নকল পোৱা যায়। তাৰপৰা তলত লিখা কথাবিলাক জানিব পাৰি — যুধিষ্ঠিৰে ৰাজসূয় যজ্ঞ কৰিবৰ কাৰণে শ্ৰীকৃষ্ণই বিশ্বকৰ্মাৰ হতুৱাই এখনি বাসুদেৱ মূৰ্তি কৰোৱাই দিয়ে। নৰনাৰায়ণৰ দিনত কামৰূপৰ বৰভাগ পৰগণাৰ ৰত্নপুৰৰ এটা পুখুৰীত সপোনত এই মূৰ্তি এজন বামুণে পায়। ৰজাই সেই বামুণক মূৰ্তিৰ পূজাৰি পাতি মূৰ্তিখন পুখুৰীৰ পাৰত প্ৰথমে স্থাপন কৰে। পাছত ৰজাই মূৰ্তিখন কোচবেহাৰলৈ নিবলৈ দিয়ে। মূৰ্তি নিয়া নাও বৰপেটাৰ গয়জানেদি নোযোৱা হ'লত, ৰজাই তাঁতীকুচি গাঁৱৰ ডেৰ পুৰা মাটিত ঘৰ সজাই মূৰ্তি স্থাপন কৰায় আৰু মাটি-বৃত্তি দান দিয়ে। আহোম ৰাজত্বত এজন ৰাজখোৱাই শৰাইঘাটৰ বৰফুকন হ'লে সেই সত্ৰ ডাঙৰকৈ পাতি দিবলৈ মনস্থ কৰে। তেওঁ বৰফুকন হৈ সঙ্কল্পৰ কথা পাহৰিলে; কিন্তু অন্তিম সময়ত সেই কথা বংশৰ অন্যান্যৰ আগত কৈ যায়। স্বৰ্গদেৱ শিৱসিংহৰ দিনত সৰুজনা দুৱৰা বৰফুকনে ৰঘুনন্দন চক্ৰবৰ্তীক সেই সত্ৰৰ মেধি পাতি নামধৰ্ম প্ৰবৰ্তাই থাকিবলৈ দিয়ে। উত্তৰ লখীমপুৰৰ নৰোৱাৰ মহন্তই সেই মূৰ্তি সেৱা কৰিবলৈ আহি স্বৰ্গদেৱক জনাই নৰোৱালৈ নিয়ে; কিন্তু নাওবৈচা ফুকন বৰফুকন হৈ স্বৰ্গদেৱক জনাই মূৰ্তি পাগুত আৰু পাছত পূৰ্বৰ ঠাইত স্থাপন কৰি ৰঘুনন্দন চক্ৰবৰ্তীৰ পুত্ৰনাতিক্ৰমে নাম-কীৰ্তন পূজা-সেৱা কৰি থাকিবলৈ দিয়ে। মেধিয়নীৰ হাতত সৰুজনা দুৱৰা বৰফুকনে ১৬৩৯ শকত বাসুদেৱ গোসাঁইৰ সেৱা-পূজা চলাবৰ কাৰণে দিয়া ব্ৰাহ্মণ, কলিতা, কৈৱৰ্ত, কোচ, বৈশ্য, কায়স্থ, সাও, চণ্ডাল, হাৰি পাইকৰ নাম থকা (১০৬ গোট) ৮°/৪ x ১৮'/৪ বৰ্গ ইঞ্চিৰ এখন তামৰ ফলি আছে। সেই ফলিত ৰঘুনন্দন চক্ৰবৰ্তীক দলৈ আৰু বনমালী জয়াক (কলিতা) ভণ্ডাৰী বুলি লিখিছে। স্বৰ্গদেৱ শিৱসিংহেই দান কৰা বহুত মাটি এই সত্ৰত আছে। এই সত্ৰৰ পকা ভোগ চৰোৱা নিয়ম আছে আৰু ভঁজঘৰৰ উত্তৰ ফালৰ কোঠাত ভোগ বান্ধে।

**পাটবাউসী**

নৰনাৰায়ণে শ্ৰীমন্ত শঙ্কৰদেৱক বৰপেটাৰ বাউসী পৰগণাত ভূঞা পাতে বুলি

কোৱা হয়। তেওঁ যি ঠাইত বাস কৰি অৰ্থাৎ পাটত বহি ভূএগাৰ কাম চলাইছিল সেই ঠাই পাটবাউসী নামে জনাজাত হয়। নসত্ৰৰপৰা ডেৰ মাইলমান দক্ষিণ-পূবে পাটবাউসী। তাত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু দামোদৰদেৱে ওচৰা-উচৰিকৈ স্থাপন কৰা দুখন পৃথক সত্ৰ আছে। পাটবাউসীত শঙ্কৰদেৱে ১৮ বছৰ ৬ মাহ আছিল বুলি কয় আৰু তাতে দামোদৰদেৱে তেওঁৰ সঙ্গ লাভ কৰে। দুয়োখন সত্ৰতে দুটি কীৰ্তন-ঘৰ আৰু ভঁাজঘৰত কৃষ্ণমূৰ্তি আছে। দুয়োখন সত্ৰৰে আৰ্থিক অৱস্থা ভাল নহয়। দামোদৰদেৱৰ সত্ৰৰ কীৰ্তন-ঘৰত তিৰোতাক সোমাবলৈ দিয়া হয়, কিন্তু শঙ্কৰদেৱৰ কীৰ্তনঘৰত দিয়া নহয়। দামোদৰদেৱৰ সত্ৰত জয়দ'লৰ আকৃতিত কৰোৱা এটি ইটাৰ মঠ আছে। মঠৰ সম্মুখত পৰি থকা এখন শিলৰ ফলিত ১৬৬৯ শক লিখা আছে। তাৰপৰা অনুমান হয় যে এই মঠ প্ৰমত্তসিংহই নিৰ্মাণ কৰাইছিল, কিন্তু তাৰ মানুহে এই মঠ শিৱসিংহই কৰোৱা বুলি কয়। মঠটোৰ তল অংশ বাহিৰফালে চাৰিকোণীয়া, কিন্তু ভিতৰফালে আঠকোণীয়া আৰু তাত দামোদৰদেৱৰ পদশিলা আছে। মঠটোৰ বাহিৰ ফালৰ বেৰৰ পৰিমাণ ৫৫ ফুট আৰু ওখই ৪০ ফুট। মঠটো ৫ ফুটমান মাটিৰ তললৈ সোমাই গ'ল। তাৰ সম্মুখৰ বুলনি ঘৰ ১৪x১৩ বৰ্গফুট। তাৰ ইটাবিলাক ৯x৬x১ ঘন ইঞ্চি। ইয়াৰ বাহিৰৰ বেৰত দশ অৱতাৰৰ মূৰ্তি কটা আছে। এই মঠ পাটবাউসী গাঁৱৰ ১ নং নিস্পিখেৰাজ পট্টাৰ ১২৯ নং দাগত অৱস্থিত আৰু এই দাগৰ কালি ১৯৬ লোচা। মঠটোৰ জঁকাটো মাত্ৰ থিয় হৈ আছে। ইটাক পুৰণি কীৰ্তি-সংৰক্ষণ আইনৰ অধীনলৈ অনা হোৱা নাই। সত্ৰাধিকাৰ গোস্বামীৰপৰা জনা যায় যে গৌৰীনাথসিংহই ১৭০৬ শকত সত্ৰাধিকাৰ সন্তদেৱক ১৫৬ বিঘা দেৱোত্তৰ জমি দিছিল। এইখনিয়েই দামোদৰ গুৰুৰ মূল সত্ৰ।

স. ৰা.

**জনিয়া সত্ৰ**

বৰপেটা চহৰৰ পাঁচ মাইল পশ্চিমে জনিয়া গাঁৱত জনিয়া সত্ৰ "মহাপুৰুষীয়া ধৰ্মৰ খুটি" নাৰায়ণদাস ঠাকুৰ আতা আৰু পুৰুষোত্তম ঠাকুৰে স্থাপন কৰা দুখনি আছিল। প্ৰথমখনিয়ে ভূমিকম্প-বিধ্বস্ত হৈ চিন-চাবকে হেৰুৱালে। কথা-গুৰুচৰিতত আছে পুৰুষোত্তম ঠাকুৰে যোল বছৰত ভৰি দিয়াত ক'লীয়া দলৈৰ ঘৰৰ সভাত ঠাকুৰ আতাৰ পৰামৰ্শক্ৰমে মাধৱদেৱে গুৰুজনৰপৰা পোৱা ধৰ্মভাৰ শোধায়। ঠাকুৰদেৱে সেই ভাৰ পায়ে পোনতে জনিয়াত সত্ৰ স্থাপন কৰে। জনিয়াই সেই দেখি পুৰুষসংহতিৰ আৰু বৰবাৰজনীয়া-সৰুবাৰজনীয়াৰ মূল সত্ৰ বুলিব পাৰি। কথিত আছে, ঠাকুৰ আতা জনিয়াত থকা কালত মাধৱদেৱ এবাৰ ত'লৈ গৈছিল। বৰ্তমান সত্ৰত সেৱাইত বস্তুৰূপে শঙ্কৰদেৱৰ খৰম আৰু পদশিলা আছে। সত্ৰৰ এটি বিশিষ্ট ৰীতি ঃ অন্য সত্ৰৰ দৰে দৈনিক নাম-প্ৰসঙ্গৰ পিছত ভাগৱত-পাঠ নকৰি পুৰুষোত্তম ঠাকুৰৰ "ন ঘোষা"হে পাঠ কৰা হয়। বৰ্তমান সত্ৰৰ অৱস্থা ভাল নহয়। গাঁওখনত পয়চল্লিশ ঘৰমান মহাপুৰুষীয়া মানুহ আছে।

মান-ভগনত, হাজিাৰ প্ৰকোপত, আধুনিক যুগৰ হিন্দু-মুছলমানৰ সংঘৰ্ষত অনেক লোকে ইয়াৰপৰা আঁতৰি গৈছে। বৰ্তমান গঞাসকল দুখীয়া, সত্ৰৰ নাম থকা মাটি-বাৰিও পমুৱাৰ দখলত। বহৰাম পাঠক নামে গায়নে-বায়নে নিপুণ এজন লোকে সত্ৰখনিৰ গুৰি ধৰি আছিল, বাৰ বছৰমান আগতে তেওঁৰ মৃত্যু হোৱাত তেওঁৰ বংশৰে এজন ভকতে দৈনিক প্ৰসঙ্গ চলাই অক্ষয়বন্তিগছি নুনুমোৱাকৈ ৰাখিছে।[8]

## চুণপোৰা ভিঠি (পালেংদি হাটী)

চুণপোৰা ভিঠা বা পালেংদি হাটী বৰপেটা সত্ৰৰ একাংশ। শঙ্কৰদেৱে কামৰূপ ৰাজ্যত প্ৰবেশ কৰি ব্ৰহ্মপুত্ৰৰপৰা গয় জানেদি সোমাই বৰপেটা অঞ্চলত পোনতে এই ঠাইতে হাবি-খাগৰি কাটি গৃহ-বাৰী কৰি ৰয়। ইয়াত গুৰুজনৰ হাতে ৰোৱা কেতেকী গছ বাঢ়ি এডৰা হৈ আছে। এটি সুকীয়া ডাঙৰ কীৰ্তন-ঘৰো আছে। ভিঠিৰ উত্তৰে ঘোঁৰামৰা হাটী, পুবে শ-কঠাৰ জান।

## কুমাৰকুছি থান

চুণপোৰাৰ "ভাটীয়ে চমাৰ, ৰাজশাল, শামুক পোৰা দুৰ্গন্ধ; পুবে কুমাৰ. দখিণে হীৰা; সন্ধ্যা হ'লে হাই-হিনিনি লাগে" দেখি তাত ছমাহ বৈ শঙ্কৰদেৱ কুমাৰকুছিলৈ গ'ল; তাৰপৰা ছমাহৰ মূৰত কমাৰকুছিলৈ গ'ল। তাত এবছৰ থকাৰ পিছত বৰলজাৰলৈ (পিছত বাটবাউসী) উঠি যায়। কুমাৰকুছি বৰ্তমানৰ নখন্দাৰ পাৰত পাটবাউসীৰ অলপ ভাটীত। তাত এটি অকলশৰীয়া কীৰ্তনঘৰ আছে। কুমাৰকুছি বনগঞাগিৰীৰ উত্তৰাধিকাৰীসকলৰ তত্ত্বাবধানত।

## বাৰাদি সত্ৰ

শঙ্কৰদেৱ ভক্তসকলেৰে ৰাজ্যত প্ৰবেশ কৰাৰ সময়ত কপলা বিলৰ পাৰত মাধৱদেৱৰ মাতৃ মনোৰমা আইৰ মৃত্যু ঘটে। শঙ্কৰদেৱ আহি চুণপোৰত থিত দিওঁতে মাধুদেৱে কিছু দূৰৰ বাৰাদিত বৈ মাতৃশ্ৰাদ্ধ আদি কৰে। তেওঁৰ লগতে ভনীয়েক উৰ্বশী আৰু উৰ্বশীৰ স্বামী ৰামদাস আতাও আছিল; বাৰাদিতে তেওঁলোকৰ পুত্ৰ ৰামচৰণৰ জন্ম হয়। পিছত মাধৱদেৱক গুৰুজনে গণককুছিত মাটি লৈ থকাৰ দিহা দিয়াত তেওঁ বাৰাদিৰপৰা তালৈকে গ'ল। বাৰাদিত এখনি সত্ৰৰ সূত্ৰপাত হ'ল। গৌড়ৰপৰা অহা চৈধ্যঘৰ ব্ৰাহ্মণৰ ভিতৰৰ কাহাপাণি ভট্টাচাৰ্যৰ বংশৰ লোকসকলে সত্ৰৰ তত্ত্বাৱধান কৰে। ইয়াত মাধৱদেৱৰ হাতে ৰোৱা এজোপা কুল আছে। মানুহে পাত-ফুলৰ গছ বুলি কয়। পাতবোৰ ভাঠ আৰু ফুলবোৰ ৰঙা। এই সত্ৰ বৰপেটাৰ এমাইলমান পুবলৈ।

## গুৱাগাছা সত্ৰ

গুৱাকচা, গুৱাগছা বা গুৱাগছা সত্ৰ বৰপেটা মহকুমাৰ বৰপেটাৰোডৰপৰা

8 শ্ৰীৰামকৃষ্ণ ভজাৰ টোকাৰপৰা।

ডেৰমাইল পূবে বৰটাৰিৰ ওচৰত। মাধৱদেৱ থকাতে ৰামচৰণ ঠাকুৰ ইয়াত বাস কৰিছিল। ইয়াতে ঠাকুৰে এখনি সত্ৰ কৰে আৰু বৈকুণ্ঠপ্ৰয়াণ কৰে। তেওঁৰ পদশিলা সত্ৰত আছে। শিৱসিংহই দিয়া মাটি-সম্পত্তি ১৮৯৭ ভূমিকম্পই নষ্ট কৰাত এৰা পৰে।

**বামুণা সত্ৰ**

বৰপেটাৰ ওচৰৰ এই সত্ৰ দৈত্যাৰি ঠাকুৰৰপৰা হোৱা।

**মালচা সত্ৰ**

পাঠশালাৰ ষ্টেশ্যনৰ দক্ষিণৰ এই সত্ৰ দৈত্যাৰি ঠাকুৰৰ বংশৰ।

**কেওটকুছি সত্ৰ**

বৰপেটা মৌজাত বাৰাদিৰ পূবফালে দামোদৰ-পন্থী ভট্টদেৱৰ ককায়েকৰ নাতিয়েক মুকুন্দদেৱৰ দ্বাৰা স্থাপিত। গৃহস্থী ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ। নিষ্পিখেৰাজ আছে।

**আনন্দপুৰ সত্ৰ**

পূব বজালী মৌজাত গৃহস্থী ব্ৰাহ্মণ মহন্তৰ সত্ৰ। নিষ্পিখেৰাজ আছে।

**কনৰাপাৰা**

'কনৰা সত্ৰ' চাওক।

**ভৱানীপুৰ সত্ৰ**

নৰনাৰায়ণ-চিলাৰায়ে অসম ৰাজ্য আক্ৰমণ কৰোঁতে আহোম ৰজা ৰাজধানী এৰি পলাই যোৱা বাৰতে সি ৰাজ্যৰ বহুতো বৃত্তিয়াল লোক আনি কামৰূপত পতা হয়। সেঁ সময়তে কামেশ্বৰ ভূএগৰ পুত্ৰ গোপালৰ বৃত্তিয়াল লোকে সৈতে বৰপেটা-সুন্দৰীদিয়াৰ উত্তৰৰ সৰুপেটাৰ দক্ষিণৰ ভৱানীপুৰত বহে। তাৰপৰাই গৈ তেওঁ শঙ্কৰদেৱক দেখা পাইছিল। মাধৱদেৱৰ দিনতে ধৰ্ম গ্ৰহণ কৰে। মাধৱদেৱৰ মৃত্যুৰ সময়তো তেওঁ ভৱানীপুৰতে আছিল আৰু অসমৰ বৈষ্ণৱ ধৰ্মৰ এটি কেন্দ্ৰ-স্বৰূপ হৈ ভৱানীপুৰীয়া গোপাল আতা নামে খ্যাত হৈছিল। ইয়াতে থকাতে হেঙুলাপুৰৰ বৰযদুমণি, শ্ৰীৰাম বিপ্ৰ (আঁহতগুৰি), সৰুযদুমণি (গজলা), সনাতন (নগৰীয়া), পুৰুষোত্তম (কাথপাৰ), নাৰায়ণ আতা (দহঘৰ) আদিয়ে গোপাল আতাত শৰণ লয়হি। ইয়াতে অমৃতকৰ, মধুকৰ, বণিককৰ আৰু পুষ্কৰ বৰুৱায়ো আতাক নানাভাবে সহায় কৰি আছিল। এই বৰুৱাসকল আৰু আন ভকতসকল ঢুকোৱাত গোপাল আতাই ভকতসকলেৰে আলোচনা কৰি দক্ষিণ-পশ্চিমৰ কালজাৰ নামে ঠাইলৈ উঠি যায়। ভৱানীপুৰত তেতিয়া আতাৰ পুত্ৰ-কন্যা আৰু ভকতসকলক থৈ অহা হয়।

**কালজাৰ সত্ৰ**

কালজাৰ পোৰোলা (পোয়া, আজিকালি পৰ্লা, বা-পোয়া) নৈৰ পূব পাৰে। ইয়াত

ৰৰমৰ, সৰুমৰ নামে দুখন অন্ধকাৰময় জাবণি আছিল দেখি নৰনাৰায়ণ ৰজাই কালজাৰ নাম দিছিল। ইয়াতে ভৱানীপুৰীয়া গোপাল আতাই ভৱানীপুৰ এৰি আহি সত্ৰ পাতে। সন্ন্যাসী ৰামচন্দ্ৰ আতা (ইকৰাজান), ৰৰগুৰু কৃষ্ণ আতা, অনিৰুদ্ধ আতা (মায়ামৰা), ৰামচন্দ্ৰ আতা (খৌৰামোচৰ), মুৰাৰি আতা (চৰাইবাহী), সনাতন (দলৈপো) আদিয়ে শৰণ লয়হি। উজনিৰ অনেক লোক কালজাৰলৈ আহে, কামৰূপৰ ভকতসকলেও আতাক নানা পৰমাৰ্থৰ বাবে ভৰসা কৰে। তেন্তিয়া কালজাৰ দ্বিতীয় বৈকুণ্ঠ যেন হয়। ইয়াতে সত্তৰি বছৰ বয়সত আতা বৈকুণ্ঠী হয়। ভৱানীপুৰীয়া আতাৰপৰা আজ্ঞা লৈ যিসকল সত্ৰ হ'ল সিসকলক 'কালজৰীয়া' বোলা হয়, আৰু সংহতি বা সংঘটিৰৰ বিভাগ হ'লত সি সত্ৰসমূহক কাল-সংহতি বোলা হয়। নিজভৱানীপুৰ, কালজাৰ, পোৰাডঙৰাল আৰু জোৰাৰদি এই কেইখনিকে ভৱানীপুৰীয়া গোপাল আতাৰ চাৰি সত্ৰ বুলি কামৰূপত কোৰা হয়। কালজাৰৰপৰা যোৱা ভকতৰপৰা কালজিৰাপাৰ সত্ৰ হয়।

**কাৰসাম্না সত্ৰ**

বজালী অঞ্চলত দামোদৰদেৱৰ আচাৰ্য ভগবানদেৱৰপৰা এই নামৰ এখনি সত্ৰ হোৱাৰ উল্লেখ এম্. এন্. ঘোষৰ লেখাত পোৱা গৈছে।

ম.নে.

**বামখাতা সত্ৰ**

কথিত আছে, মাধৱদেৱে বৰপেটাৰ ওচৰৰ সুন্দৰীদিয়া সত্ৰ স্থাপন কৰোঁতে বামখাতা গাঁৱৰ কেইজনমান ভকতে গৈ শৰণ লৈ বামখাতাত এখন সত্ৰ স্থাপন কৰিবলৈ তেওঁক আহ্বান জনোৱাত তেওঁ নিজে নাহি এগছি বন্তি ভকতসকলৰ হাতত পঠাই দিয়ে। সেই ভকতসকলে বন্তিগছি স্থাপন কৰি বামখাতাত মহাপুৰুষীয়া সত্ৰ স্থাপন কৰে।

বামখাতা সত্ৰৰ শ্ৰীপদ্মপাণি ঠাকুৰ দেৱ অধিকাৰীয়ে জনাইছে, শ্ৰীমন্ত শঙ্কৰদেৱ লুইতে উজাই পছমাৰা নৈয়ে আহি বামখাতাৰ ওচৰ পাইছিল; কিন্তু ঠাইডোখৰ হাবিৰে ভৰা আছিল বাবে ওচৰৰ মুকলি ঠাইত চাৰি পোণ কড়ি পেলাই আগলৈ তাতে থান হ'ব বুলি ঘূৰি যায়। এই ঠায়েই এতিয়া চাৰিপোণীয়া পথাৰ। শিৱসিংহ ৰজাৰ দিনত বামুণা সত্ৰৰ পূৰ্ণানন্দ ঠাকুৰে (ৰামচৰণ ঠাকুৰৰ নাতি) বামখাতা সত্ৰ স্থাপন কৰি এই ঠাইৰে পূৰ্ণানন্দ ঠাকুৰীয়াক তাত স্থাপন কৰে। ৰজায়ো ভূমি আদি দান কৰে। এই সত্ৰত পূৰ্ণানন্দ ঠাকুৰীয়া অধিকাৰৰ দিনৰপৰা তেওঁৰ বংশৰ লোকসকলেই শৰণ-ভজন চলাই আহিছে। ১৮৭১ শক অৰ্জুননাৰায়ণদেৱৰ দিনৰ দুই ফাৰ্লংমান পূবলৈ এটি শাখাও আছে।

**জকয়া সত্ৰ**

এখন মহাপুৰুষীয়া ডাঙৰ সত্ৰ। শঙ্কৰদেৱৰ আগতে ই বামাচাৰ মাৰ্গৰ কেন্দ্ৰ থকা বুলি শুনা যায়। তাৰ পিছত আউনীআটিৰ সত্ৰাধিকাৰ এই সত্ৰ হৰিদেৱী হিচাপে স্থাপন

কৰে। অকয়াৰ মাটিবোৰো প্ৰথমে আউনীআটি সত্ৰাধিকাৰৰ আছিল। পিছত হাউলিৰায়পুৰ গাঁৱৰ জয়বল্লভ চৌধুৰীয়ে আউনীআটি সত্ৰাধিকাৰৰ মাটিবোৰ পোনতে নিজ নামলৈ আনি পিছত তেওঁৰ গুৰু লোচিমা হৰিদেৱী সত্ৰৰ সত্ৰাধিকাৰ জয়দেৱ গোস্বামীক নি ১৬০২ শকত অকয়া সত্ৰ ভালদৰে স্থাপন কৰে। জয়বল্লভ চৌধুৰীৰ অৱস্থা বেয়া হোৱাত অকয়াৰ সমুদায় মাটি-বাৰী বৰপেটা সত্ৰৰ অধীনলৈ যায় আৰু তাৰ পিছত অকয়া সত্ৰৰ ভকতসকলৰ অভিৰুচি অনুসাৰে অকয়াসত্ৰ মহাপুৰুষীয়া পন্থৰ হয়। অকয়া সত্ৰত থকা এখন পেৰাকাকতত পেৱা গৈছে "চৈৰী বনামে অকয়া তেঘৰীয়া সচঙ্গী সত্ৰ" আৰু মহাৰাজ শিৱসিংহই ১৬৬০ শকত ৭৫০ বিঘা মাটি অকয়া সত্ৰক দান কৰে।

**কালজিৰাপাৰা সত্ৰ**

ভৱানীপুৰীয়া গোপালদেৱৰ প্ৰধান সত্ৰ। গোপালদেৱৰ কালজাৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱ মিশ্ৰৰ নাতি নৰনাথ মিশ্ৰ অধিকাৰীয়ে আম্বকন্দল লগাত প্ৰায় ছপুৰুষ আগতে তিনিকুৰি ভকত লগত লৈ আহি বজালীৰ ৰতনপুৰ গাঁৱৰ পূব অঞ্চলত বাস কৰি সত্ৰ স্থাপন কৰে। এই সত্ৰৰ নাম কালজাৰৰপৰা অহাৰ কাৰণে কালজিৰাপাৰা সত্ৰ হয়। নৰনাথ মিশ্ৰ অধিকাৰীৰ বংশধৰসকলে আজিও কালজিৰাৰপৰা সত্ৰৰ সত্ৰাধিকাৰ হৈ সত্ৰৰ কাম কৰি আহিছে।

**গোবিন্দপুৰ সত্ৰ**

গোবিন্দপুৰ সত্ৰই বজালীত দামোদৰদেৱৰ প্ৰধান সত্ৰ। দামোদৰদেৱে ভগৱানদেৱক উত্তৰফালে ধৰ্মপ্ৰচাৰ কৰিবৰ আদেশ দিয়ে। গুৰুৰ আজ্ঞা অনুসৰি তেওঁ গোবিন্দপুৰত সত্ৰ স্থাপন কৰে। আহোম ৰজাৰ ৰাজত্বকালত মহাৰাজ শিৱসিংহই সত্ৰ সুচাৰুৰূপে চলাবৰ কাৰণে বহুত মাটি-বাৰী সত্ৰক দান কৰে।

**পাটাসত্ৰ, হৰিপুৰ সত্ৰ**

পাটাসত্ৰ আৰু হৰিপুৰ সত্ৰ বজালীত হৰিদেৱ প্ৰধান সত্ৰ। আহোম ৰজা শিৱসিংহৰ দিনত জাগৰাৰপৰা এখনি শাখাসত্ৰ আনি পাটাছাৰকুছিত স্থাপন কৰা হয়। এই সত্ৰ প্ৰথমতে পাটাছাৰকুছিৰ কালদিয়া নদীৰ পশ্চিমপাৰে এতিয়া যি ঠাইত ডাকবঙলা আৰু থানা আছে সেই ঠাইতে আছিল। কালদিয়া নদীৰপৰা বিপথ হোৱাত সত্ৰখন নদীখ পূব-পাৰে নি পুনৰ স্থাপন কৰা হয়। বৰ্তমানেও সত্ৰখন কালদিয়া নদীৰ গৰাখহনীয়াৰ কবলত পৰিছে। এই সত্ৰৰ বিগ্ৰহ বাসুদেৱ।

ন.দা.

**ভালুকীৰ সত্ৰ আৰু নামঘৰ**

বজালী অঞ্চলৰ ভালুকী গাঁৱত আঢ়ৈ কুৰিমান বছৰৰ আগতে এটি ধুনীয়া মঠ

সাজি সত্ৰ কৰা হয়। তাত দৌল উৎসৱ জাকজমকেৰে হয়। ভালুকীত তিনিটি নামঘৰ আছে; ভঁৰালীপাৰাৰ নামঘৰটি দামোদৰীয়।[৫]

**পলাশৰ তল সত্ৰ**

পাটিদৰং মৌজাৰ মহাজনৰপৰা গাঁৱত। আগতে এই ঠাইৰ মানুহে মণ্ডলদৈৰ বনমাজা সত্ৰৰ লগত আছিল। ১৯৫৭ চনত এওঁলোক তাৰপৰা আহি বৰ্তমান ঠাইত সত্ৰ পাতে।[৬]

**শ্যামৰায় গোসাঁই সত্ৰ**

নলবাৰীৰপৰা ৮ মাইল দক্ষিণে কালাগ গাঁৱত আঢ়ৈ কুৰি বছৰমান আগেয়ে সমূহ ৰাইজে এটি প্ৰকাণ্ড খেৰৰ গোসাঁই-ঘৰ সাজে। ইয়াৰ নক্সা কৰা খুটাবোৰ দুই হাতে টুকি নোপোৱা। পাঁচ থাকৰ এখন সিংহাসন আছে ক'লা শিলৰ মদনমোহন মূৰ্তিৰে। ওচৰতে সাত থাকৰ মাটিৰ প্ৰকাণ্ড দৌল-ঘৰ। মাঘৰ দুই তাৰিখে ডাঙৰকৈ মেজি-পোৰা সভা হয়। তাত গএগাই আঁৰিয়া আৰু প্ৰসাদৰ ঠগি আগবঢ়ায়। জন্মাষ্টমীও বৰ আড়ম্বৰেৰে হয়; এটা ঘৰ ভৰা নাৰিকল কটা নিয়ম আছে। ডেৰ মোনমান ওজনৰ পিতলৰ এটি দবা আছে। শ্যামৰায় গোসাঁই-ঘৰৰ পশ্চিমে ডেৰ ফাৰ্লংমান দূৰত ৩৭ বিঘা মাটি আগুৰি বৰপুখুৰী নামৰ এটি পুৰণি পুখুৰী আছে।[৭]

**কোটালকুছি বৰকীৰ্তন-ঘৰ**

বাৰ ঘৰমান মেধি-মহন্তই এই কীৰ্তন-ঘৰটি আজি ডেৰশ বছৰমানৰপৰা মহাপুৰুষীয়া আৰ্হিৰে চলাই আহিছে। কাষতে এটি অতি পুৰণি পকা কুঁৱা। মান-ভগনৰ সময়ত কোনো সত্ৰৰ মেধিয়ে ইয়াতে এই কীৰ্তন-ঘৰটি প্ৰতিষ্ঠা কৰা বুলি শুনা যায়।[৭]

## শাক্ত গোসাঁই

পৰ্বতীয়া গোসাঁই : স্বৰ্গদে ৰুদ্ৰসিংহৰ দিনত আহি নদিয়াৰ মালীপোতা গাঁৱৰ কৃষ্ণৰাম ন্যায়বাগীশ ভট্টাচাৰ্য গোসাঁই-ৰূপে জনাজাত হয় শিৱসিংহৰ গুৰু হৈ। ৰজাক শৰণীয়া কৰা গুৱাহাটীৰ টিলাটোৰ নাম শৰণীয়া হয়। গোসাঁইক কামাখ্যা মন্দিৰৰ অধিকাৰ দি নীলাচলত পতা বাবে পৰ্বতীয়া গোসাঁই বুলি খ্যাত হয়। শিৱসিংহ, তেওঁৰ ৰাণীসকল, প্ৰমত্তসিংহ আৰু কোনোৰ মতে ৰাজেশ্বৰসিংহও পৰ্বতীয়া গোসাঁইৰ শিষ্য। শ্ৰীসৰ্বানন্দ ৰাজকুমাৰদেৱে লিখিছে, "পৰ্বতীয়া গোসাঁইৰ বৰপেটা মহকুমাত থকা ঘটিত মৈমনছিঙীয়া বহুৱাইছে। পৰ্বতীয়া গোসাঁই আজিও বঙালী হৈ থাকিল, আৰু তেওঁৰ বংশধৰসকল অসমৰ ব্ৰাহ্মণৰ লগত বৈবাহিক সম্বন্ধত আবদ্ধ হোৱাও নাই।" আহোম

---

৫ শ্ৰীসৰ্বেশ্বৰ তালুকদাৰৰ টোকাৰপৰা।

৬ শ্ৰীপুৱাৰাম দাসৰ টোকাৰপৰা

৭ শ্ৰীহেমৰথ বৰ্মনৰ টোকাৰপৰা।

ৰজাই দিয়া অজস্ৰ মাটি-সম্পত্তি তেওঁলোকৰ পো-জীয়াৰীসকলৰ মাজত ভগাই লৈছে।

নাতি গোসাঁই ঃ মণিৰাম দেৱানে লিখিছে যে ৰাজেশ্বৰসিংহ "স্বৰ্গদেও পৰ্যন্তহে পৰ্বতীয়া গোসাঁইৰ শিষ্য আছিল; এইজনাৰ দিনতে পৰ্বতীয়া গোসাঁইৰ বঙ্গহ নাতি গোসাঁই বুলি এঘৰ বৃত্তি-বিধান সহিতে পৃথক হৈ পাণ্ডুনাথত ঘৰ লয়।" এই গোসাঁইজনৰ নাম ঠাকুৰদাস ভট্টাচাৰ্য। এওঁৰ বংশ বৰ্তমান নাই।

ম.নে.

## অন্যান্য সত্ৰ

### অগ্নিশালা সত্ৰ

বাঁহজানী মৌজাৰ নিজ বাঁহজানী গাঁৱত। সত্ৰৰ ইতিবৃত্ত সম্পৰ্কে দুটা মত। একমতে, বিদ্যাবাগীশ নামে মধ্যকল্য গোত্ৰৰ এজন ব্ৰহ্মচাৰী নানা ঠাইত ফুৰি বাঁহজানী মাজৰ সতীৰ কুৰত উপস্থিত হয় আৰু সেই ঠাইতে তেওঁৰ উপাস্য শ্যামৰায় বিগ্ৰহ প্ৰতিষ্ঠা কৰে। তাত অসুবিধা হোৱাত তেওঁ পোৰাবাৰীত থাকিবলৈ লয়। তাতো পাগলাদিয়া নৈয়ে আহুকাল কৰাত বৰ্তমান ঠাইত তেওঁ সত্ৰ কৰি বহে। ফটিক চাহাবৰ পিয়লৰ প্ৰতিবেদনৰপৰা জনা যায় বিদ্যাবাগশক ছবাগোট ভকত সহ ৩৩ পুৰা মাটি নিষ্পিখেৰাজ কৰি দিয়া আছিল। সেই ছবাগোট ভকতৰ অগ্নিৰাম শালৈৰে নাম অনুসৰি সত্ৰৰ নাম হয়। সন্ন্যাসীৰ লগত থকা ব্ৰাহ্মণৰ ল'ৰা এটি তেওঁৰ পিছত সত্ৰৰ অধিকাৰ হয়, বৰ্তমান অগ্নিশালাৰ গোসাঁইসকল তেওঁৰে বংশধৰ বুলি জনা যায। দ্বিতীয়মতে, ছান্দকুছি বুজৰবৰুৱা বংশৰ পূৰ্বপুৰুষ ৰত্নমল্লই ৰাজেশ্বৰসিংহৰ দিনত তেওঁৰ পদবী পোৱাৰ পিছত এনিশা সপোনত দেখিলে, কলীয়া গোসাঁই বাঁহজানীৰ পশ্চিমৰ বোকাত পোত খাই আছে। তেওঁ বিগ্ৰহটি অনাই বৰ্তমান সত্ৰৰ ঠাইত প্ৰতিষ্ঠা কৰাই বজালীৰপৰা বিদ্যাবাগীশক আনি সেৱা-পূজাৰ ভাৰ দিয়ে আৰু ন ঘৰ ভকতো লগত দিয়ে। ৰত্নমল্ল বৰুৱাই ৰাজেশ্বৰসিংহক কৈ-মেলি সত্ৰৰ নামত ৩৩ পুৰা জমি নিষ্পিখেৰাজ কৰাই দিয়ে। তেৱেঁ বিদ্যাবাগীশৰ মৃত্যুত নৰ্দীৰপৰা লক্ষ্মীদেৱ শৰ্মা নামৰ এজনক অনাই গোসাঁই পাব দি সত্ৰ পৰিচালনাৰ ভাৰ দিয়ে। এই সত্ৰৰ দৌল উৎসৱ আদি বৰ আৰম্বৰেৰে হয়।

### অনন্ত গোসাঁইৰ সত্ৰ

নলবাৰীৰপৰা চাৰি মাইল দক্ষিণে অৰৰা গাঁৱত। ইয়াতে তুলসী কাঠেৰে কৰা অনন্ত গোসাঁইৰ বিগ্ৰহ আছে। সত্ৰৰ নামত আহোম ৰজাই দিয়া ভূ-সম্পত্তি আছিল যদিও এতিয়া হস্তান্তৰ ঘটিছে।

### অভয়পুৰীয়া সত্ৰ

১৫৬০ শকমানত লক্ষ্মীকান্ত আতৈৰ প্ৰথম পুত্ৰ পুৰুষোত্তম আতৈয়ে হাজোৰপৰা দুমাইলমান পূৱে অভয়পুৰত প্ৰতিষ্ঠা কৰিছিল। পিছত সত্ৰখন বৰদধিলৈ তুলি নিয়া হয়

১৮৯৭ চনৰ ভূঁইকঁপৰ ফলত। পূৰ্বৰ ভেটি এনেয়ে পৰি আছে। আহোম ৰজাই ন-পুৰা জমি সত্ৰক দান কৰিছিল।

**আউনীআটি সত্ৰ**

উত্তৰ গুৱাহাটীত মাজুলীৰ আউনীআটি সত্ৰৰ এটি শাখা কামদেৱ অধিকাৰৰ দিনত ১৮৩৬ শকত পতা হয়। মৰাণৰ বিদ্ৰোহ আৰু মানৰ আক্ৰমণৰ সময়ত (সম্ভৱতঃ পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ জীৱিতকালতে) ছজনামান সত্ৰাধিকাৰৰ পূৰ্বতে আমনিত (গুৱাহাটীৰ ভৰলুমুখ) পোনতে সত্ৰ পতা হৈছিল।

**আগতলা সত্ৰ**

ছয়ানী মৌজাত গৃহস্থী ব্ৰাহ্মণ মহন্তৰ সত্ৰ। নিষ্পিখেৰাজ নাই। (গেজেটিয়াৰ)

**আমৰাঙা সত্ৰ**

পলাশবাৰীৰপৰা ছমাইলমান দক্ষিণ-পশ্চিমে এইখনি সত্ৰ। ছয়ানী মৌজাত, নিষ্পিখেৰাজ জমি আছে। (গেজেটিয়াৰ)

**আম্ৰিখোৱা সত্ৰ**

সৰ্থেবাৰীৰ পুব-দক্ষিণ আৰু কাপলা বিলৰ ঠিক উত্তৰত চেঙাৰ ওচৰত এইখনি হৰিদেৱী সত্ৰ।

**উল্লাবৰি সত্ৰ**

উলাবৰি সত্ৰৰ ওচৰতে এই সত্ৰ।

**উপৰাপু সত্ৰ**

দক্ষিণপাৰৰ এই সত্ৰৰ নাম পুথিত মাথোন পোৱা যায়।

**উৰপোত সত্ৰ**

দক্ষিণ পাৰত হেৰেমদত পলাশবাৰীৰপৰা ছমাইলমান দূৰত বৰদুৱাৰ লোহাৰঘাটৰ বাটত উৰপোত এখনি মহাপুৰুষীয়া সত্ৰ। গোবিন্দ নামৰ এজনৰ প্ৰতিষ্ঠাপিত। উৰপোতত পঢ়িয়া আতৈৰ নিবাস আছিল।[৮]

---

৮ মহাপুৰুষ মাধৱদেৱে বৰ হেৰেমদৰপৰা চতুৰ্ভুজ ঠাকুৰক এই ফালে শলা-বত্তি জলাবৰ সুবিধা চাবলৈ পঠায়। ঠাকুৰে এইখিনি বিশিষ্ট ঠাই বুলি জনোৱাত জনশ্ৰুতি আছে। কিন্তু অলপ দূৰৰে মাটীয়া পাহাৰ এখনৰপৰা লক্ষ্য কৰি দেখিলে যে এখনি নৈ বৈ আছে আৰু নৈয়েদি মদৰ জগলি উটি আহিছে। সেই বাবে গুৰুজনা নগৈ ঠাকুৰক তাত গৈ কীৰ্তন-ঘৰ সাজি শলা-বত্তি জলাই ধৰ্ম প্ৰচাৰ কৰিবলৈ কয়। ঠাকুৰক বুজাই-বঢ়াই গুৰুজনা বৰহেৰেমদলৈ ঘূৰি যোৱাত তেওঁ অসন্তোষেৰে স্তম্ভিত হৈ চাই দেখে যে বিচো শিলত থিয় দি মহাপুৰুষে ঠাকুৰক সান্ত্বনা দিছিল তাত দুটি পদচিহ্ন ৰহিছে। ঠাকুৰে পদচিহ্ন-যুক্ত শিলাটি আনি ইয়াত ৰাখে। সেই অঞ্চলৰ মানুহে ঠাকুৰৰ নাম-কীৰ্তন শুনিবলৈ আহে আৰু বস্তু-বাহানি যথেষ্ট পৰিমাণে আনে। সু.ম.

**উলাবৰি সত্ৰ**

নলবাৰীৰ দক্ষিণে উপৰ বৰভাগ মৌজাত কমাৰকুছিৰ ওচৰত উলাবৰি গাঁৱত। বছৰি এখন ডাঙৰ মেলা হয়। চামতাৰ ওচৰতো এখন উলাবৰি সত্ৰ আছে। গেজেটিয়াৰমতে উপৰ বৰভাগ মৌজাৰ এই নামৰ গৃহস্থী ব্ৰাহ্মণ গোসাঁইৰ সত্ৰৰ নিষ্পিখেৰাজ আছিল। নাৰদ নামে এজন অসমীয়া সন্ন্যাসীৰ স্থাপিত এইখনি দামোদৰী সত্ৰ। কোনোৰ মতে দামোদৰীয়া 'বাৰসত্ৰ'ৰ ভিতৰত। ইয়াতে এবিঘামান মাটিৰ মাজত এজোপা বড়গছৰ তলত এচটা ডাঙৰ শিলেৰে নাৰদৰ থানত বিহু আৰু ব'হাগৰ অমাবস্যাত নাৰদৰ তিথিত নাম-কীৰ্তন হয়।

**এৰা সত্ৰ**

এইখনি হৰিদেৰী সত্ৰ জাগৰাৰ ওচৰত।

**কচুৰা সত্ৰ**

দক্ষিণ বৰভাগ মৌজাৰ ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ, নিষ্পিখেৰাজ আছে (গেজেটিয়াৰ)। এইখনি হৰিদেৰী সত্ৰ সৰ্থেবাৰীৰ পাঁচ-ছমাইল আঁতৰত।

**কটাৰা সত্ৰ**

নলবাৰীৰ নিচেই ওচৰৰ সত্ৰ। নিষ্পিখেৰাজ আছে (গেজেটিয়াৰ)।

**কনৰা সত্ৰ**

বৰপেটাৰপৰা দক্ষিণ-পশ্চিম ফালে। ১৮৯৭ বৰভূঁইকঁপত নষ্ট হৈছে। তাৰ লোক বৰপেটাৰ কনৰাপাৰত। নাৰায়ণ ঠাকুৰ আতাৰপৰা বঢ়া সত্ৰ। বৰপেটাৰ কনৰাপাৰাক কোনোৱে কনৰাপাৰা সত্ৰ বুলিও কয়।

**কপলা (কাপলা) সত্ৰ**

'বৰকাপলা সত্ৰ' চাওক।

**কমলা থান**

'শিঙৰা সত্ৰ' চাওক। ই নৈহাটীৰ ওচৰত।

**কলাখোৱা সত্ৰ**

"কথা-গুৰুচৰিতত" উল্লিখিত এইখনি দক্ষিণ পাৰৰ সত্ৰ। সম্ভৱতঃ চমৰিয়াৰ ওচৰত আছিল।

**কহৰা সত্ৰ**

পূব কামৰূপ অঞ্চলত। মাজবাটৰপৰা ইয়ালৈ ডাঙৰ বাট আছে।

**কহিনা সত্ৰ**

নাম মাত্ৰ পোৱা গৈছে।

**কান্দুপুৰ সত্ৰ**

দক্ষিণপাৰৰ এই সত্ৰৰ উল্লেখ "কথা-গুৰুচৰিত"ত পোৱা যায়।

**কাপলা সত্ৰ**

'বৰকাপলা সত্ৰ' চাওক।

**কাৰাকুছি সত্ৰ**

সৰ্থেবৰীৰ ওচৰত। মাধৱদেৱৰপৰা হোৱা মহাপুৰুষীয়া সত্ৰ।

**কাঁহীকুছি সত্ৰ**

'কৈমাৰি (কাৰৈমাৰি) সত্ৰ' চাওক।

**কুঢ়িমাৰি সত্ৰ**

সৰ্থেবাৰী অঞ্চলৰ মহাপুৰুষীয়া সত্ৰ।

**কুমটিবাৰী সত্ৰ**

'গোপালপুৰ সত্ৰ' চাওক।

**কুৰোবাহা সত্ৰ**

নিৰঞ্জন গাভৰুগিৰীৰ দ্বিতীয় পুত্ৰ সাৰঙ্গপাণিৰ তৃতীয় পুত্ৰ মনোৰথৰ বংশধৰসকল কামৰূপৰ কুৰোবাহাত থাকিবলৈ লয়। তাতে (সৰুপেটাৰ ওচৰত) কুৰোবাহা সত্ৰ হয়।

**কুলবিল সত্ৰ**

নলবাৰী চামতাৰ ওচৰৰ কুলবিল গাঁৱত এইখনি হৰিদেৱী সত্ৰ। নিম্পিখেৰাজ আছে (গেজেটিয়াৰ)।

**কেন্দুকুছি সত্ৰ**

ৰঙিয়া-ঘগ্ৰাপাৰৰ ওচৰৰ কাছিমপুৰৰ এইখনি খুদিয়া সত্ৰৰ শাখা। 'খুদিয়া সত্ৰ' চাওক।

**কৈমাৰি (কাৰৈমাৰি) সত্ৰ**

গেজেটিয়াৰমতে ছয়গাঁও-পাতান মৌজাত ছয়গাঁৱৰ দুমাইল পশ্চিমে এইখনি বলোৰাম বা বুঢ়াবলাই আতাৰ স্থাপিত। চমৰিয়াৰ চতুৰ্থ সত্ৰীয়া ৰামনাৰায়ণৰ দিনত বদুলা পদ্ম আতাৰ ভাগিন কৃষ্ণ আতৈ দক্ষিণকোললৈ ধৰ্ম-প্ৰকাশ কেনে হৈছে চাবলৈ আহি চমৰিয়াত ৰয়, কিন্তু সত্ৰৰ কিছু লোকৰ দুৰ্ব্যৱহাৰত ৰ'ব নোৱাৰি কৈমাৰিত ৰয়হি। প্ৰবাদ আছে, তেওঁ ওচৰৰ গোবৰ্ধন পাহাৰত কৃষ্ণলীলা কওঁতে গৰু-গোপাল সমন্বিতে শ্ৰীকৃষ্ণই দেখা দিয়ে। কথিত আছে, কৈমাৰিত পোন প্ৰথম ভজন ধৰ্ম প্ৰকাশিত হয়। কৃষ্ণ আতৈয়ে কাঁহীকুছি গাঁৱত বৈ বলোৰাম আতৈক সত্ৰ পাতি দিয়ে বাবে সত্ৰৰ আন নাম কাঁহীকুছি আছিল। কীৰ্তন-ঘৰৰ দুই ফাৰ্লংমান পশ্চিমে এজোপা কেন্দুগছ আছে, তাতে

আতৈয়ে নাও বান্ধিছিল বুলি তাক পৱিত্ৰ জ্ঞান কৰা হয়। সত্ৰত কৃষ্ণ আতৈৰ পদশিলা আছে।

**কৈৰাবা সত্ৰ**

নলবাৰীৰপৰা তেৰ মাইলমান উত্তৰ-পূবে পাগলাদিয়াৰ পাৰত।

**কৈহাটী সত্ৰ**

সৰ্থেবাৰীৰপৰা পাঁচ মাইলমান পুব-দক্ষিণে বৰ-চোট দুখনি হৰিদেৱী সত্ৰ। গেজেটিয়াৰমতে গৃহস্থী ব্ৰাহ্মণ গোসাঁৰি সত্ৰ, নিষ্পিখেৰাজ আছে।

**খকৰা সত্ৰ**

ৰঙিয়াৰ ওচৰত।

**খটিয়ামাৰি সত্ৰ**

'মণিয়ৰি সত্ৰ' চাওক। দক্ষিণপাৰৰ এই দামোদৰী সত্ৰ দামোদৰদেৱৰ ককায়েক ৰত্ন পাঠকৰ গাঁৱত।

**খনা সত্ৰ**

টিহুৰ ওচৰত। হৰিদেৱী সত্ৰ।

**খিদিৰপুখুৰী সত্ৰ**

দক্ষিণপাৰৰ ছয়ানী মৌজাৰ ব্ৰাহ্মণ গৃহস্থী গোসাঁইৰ সত্ৰ। নিষ্পিখেৰাজ আছে (গেজেটিয়াৰ)। ৰামপুৰৰ ওচৰত এয়া দামোদৰী সত্ৰ। গৰৈমাৰিৰপৰা বঢ়া বুলি শুনা যায়।[১]

**খুটাবাৰী সত্ৰ**

চমৰিয়াৰ অপ্ৰধান শাখা সত্ৰ। গোৱালপাৰাৰ সীমাত।

**খুদিয়া সত্ৰ**

নলবাৰীৰপৰা এমাইলমান উত্তৰে খুদিয়া গাঁৱত দামোদৰদেৱৰ আজ্ঞাপৰ কবিৰত্ন বা গোপাল মিশ্ৰৰ দ্বাৰা ১৪৩৪ শকত স্থাপিত খুদিয়া সত্ৰ। সত্ৰৰ বিগ্ৰহ শ্যামৰায়। সত্ৰৰ নামত ১৫৬২/১০ লোচা মাটি মহীনাৰায়ণ মেধিয়ে দান কৰিছিল। ইয়াৰ বাহিৰেও গোপালপুৰ, ননৰা, কাছিমপুৰ আৰু কেন্দুকুছি গাঁৱত শ্যামৰায় বিগ্ৰহৰ নামত প্ৰায় ৪০০ বিঘা মাটি আছে। সিবোৰ ঠাইত শাখা সত্ৰও আছে। কামৰূপ, নগাঁও,দৰং আৰু গোৱালপাৰাত খুদিয়াৰ প্ৰায় তিনি-চাৰি হাজাৰ ঘৰ শিষ্য আছে। শিৱসিংহই সত্ৰৰ নামত ভোগধনি মাটি আৰু ভকত দিছিল। পকী মঠ আৰু ৮০ ফুট দীঘল, ৪০ ফুট বহল কীৰ্তন-

১ ৰাজাপুখুৰী-সত্ৰৰ লগা-লগিকে আছে। ছয়গাঁৱৰ অধুনা-বিলুপ্ত গৰৈমাৰি সত্ৰৰ এইখন আৰু আম্ৰৱতা সত্ৰ শাখা। সত্তদেৱৰ স্থাপিত বুলি জনা যায়। সু.ম.

ঘৰ আছে। বিহু, দামোদৰদেৱৰ তিথি, পঁচতি, ফাগুনৰ চতুৰ্থীত সভা আদি আড়ম্বৰেৰে হয়।

**খেহেনিপাৰা সত্ৰ**

কেজেটিয়াৰমতে বৰবংশৰ মৌজাৰ গৃহস্থী ব্ৰাহ্মণ মহন্তৰ নিষ্পিখেৰাজ থকা সত্ৰ।

**গজিয়া সত্ৰ**

বৰপেটা মহকুমাত এই সত্ৰ।

**গৰৈমাৰি সত্ৰ**

দামোদৰভক্ত সন্তভূষণ গুৰুৰ সত্ৰ। ঠাইডোখৰক পলাশগুৰিও বুলিছিল (কথা-গুৰুচৰিতমতে)। গুমি পৰ্বতৰ ওচৰত, চমৰিয়াৰ অনতিদূৰত।

**গাৰোভিঠি**

গোৱালপাৰা 'নাওকাটা সত্ৰ' চাওক।

**গুইমাৰা সত্ৰ**

গেজেটিয়াৰমতে দক্ষিণ সৰুবংশৰ মৌজাৰ গৃহস্থী ব্ৰাহ্মণ গোসাঁইৰ নিষ্পিখেৰাজ থকা সত্ৰ। এইখনি দামোদৰী সত্ৰ পলাশবাৰীৰপৰা ছয় মাইলমান পশ্চিমে।[১]

**গুইয়া সত্ৰ**

কমলপুৰ থানাৰ অন্তৰ্গত, গৰুড়ধ্বজ মেধিৰ দ্বাৰা স্থাপিত।

**গুৱালহাটী সত্ৰ**

এইখনি দক্ষিণ পাৰৰ গুৱালহাটী সত্ৰ (কথা-গুৰুচৰিত), বৰদুৱাৰৰ ওচৰত। মাধৱদেৱৰ পদূৰ সত্ৰ।

**গোপালপুৰ সত্ৰ**

ৰঙিয়াৰ ওচৰত খুদিয়া সত্ৰৰ এটি শাখা, কুমটিবাৰীৰ সত্ৰ বুলি জনাজাত।

**গোমূৰা সত্ৰ**

সৰুক্ষেত্ৰি মৌজাত সৰ্থেবাৰীৰ ওচৰত মহাপুৰুষীয়া সত্ৰ। গোবিন্দৰ দ্বাৰা স্থাপিত। কমলাবাৰীৰপৰা বঢ়া বুলি কয়।

**ঘিলাজালি সত্ৰ**

এই সত্ৰ আদিতে মহাপুৰুষৰ নাতি চতুৰ্ভুজ ঠাকুৰে গোৱালপাৰা জিলাৰ ঘৰসিয়া

---

১ প্ৰতিষ্ঠাতা কৃষ্ণগিৰি সন্ন্যাসী ক'ৰ মানুহ জনা নাযায়। তেওঁ ইয়াতে আহি বিয়া-বাৰু কৰায়। শিবসিংহ ৰজাই এওঁৰ বংশৰ সপ্তমজন দেৱনাথক ১৪ গোট ভকত আৰু তেওঁৰ পুতেক জয়নাৰায়ণক ৬৬ পুৰা ধৰ্মোত্তৰ দিছিল। ব'হাগত মাধৱদেৱ পুৰুষৰ ৰচিত গীত-মাতেৰে গোষ্ঠ-লীলা হয়। সূ.ম.

নামে ঠাইত ঘিলা নামৰ জাৰণিৰ কাষত পাতিছিল। ইয়াতে হেনো বঙনগৰ বাহৰত থকা নৰনাৰায়ণ ৰজাক দেখা কৰিবলৈ আহি শঙ্কৰদেৱ কিছু দিন আছিল। পৰীক্ষিতনাৰায়ণ ৰজাই সত্ৰৰ নামত নিষ্কৰ ভূমি দান কৰিছিল। মানভগনৰ সময়ত গোৱালপাৰাৰ ঘিলাজাৰি সত্ৰ ভাগি যায় আৰু বৰপেটা মহকুমাৰ অন্তৰ্গত বেঁকী নৈৰ পূব পাৰৰ ৰূপসী মৌজাত হাউলীৰ ওচৰত নকৈ সত্ৰ প্ৰতিষ্ঠিত হয়। ১৮৯৭ চনৰ ভুঁইকঁপত এই ঘিলাজাৰি পানীৰ তল যোৱাত একে মৌজাৰ ৰহা গাঁৱত পুনৰ সত্ৰ বহে। গোসাঁই বিষ্ণুপুৰৰ অধিকাৰী একে বংশৰ অৰ্থাৎ ৰেৱতী আইৰ বংশৰ। সুমিত্ৰা আই (মনোহৰ গাভৰুগিৰীৰ পত্নী) নাতি মাধৱচৰণদেৱৰ বংশধৰসকলে ঘিলাজাৰিৰ অধিকাৰ হৈ আহিছে। ইয়াত সেৱাৰ বস্তুৰূপে চতুৰ্ভুজ ঠাকুৰৰ হাতত থকা মহাপুৰুষৰ জপমালা, ঠাকুৰৰ পদশিলা আছে।

### চাঁপতল সত্ৰ

উত্তৰ কামৰূপৰ তামুলপুৰ চাৰ্কেলৰ অন্তৰ্গত ধমধমা আৰু তামুলপুৰৰ মাজত দৰঙৰ খটৰাৰ লেচাকনীয়া গোবিন্দ আতৈৰ বংসৰ কমললোচন মহন্তৰ দ্বাৰা স্থাপিত। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ দিনত তৰুণ দুৱৰা বৰফুকনে ৭০০ পুৰা মাটি দিছিল। ইয়াৰ ফাকুৱা উৎসৱ বিশেষ।

### চমৰিয়া সত্ৰ

চমৰিয়া সত্ৰ দক্ষিণকোলৰ বৰবিষ্ণু আতাৰ প্ৰতিষ্ঠাপিত। আঠ মাইল উত্তৰে পশ্চিম চমৰিয়া মৌজাত বকোৰ কলহী (কুশলী) নদীৰ পাৰত। বৰবিষ্ণু আতাই মাধৱদেৱৰপৰা আজ্ঞা লৈ মালচাত সত্ৰ কৰি আছিল। মাধৱদেৱৰ মৃত্যু আগতে মালচা নৈয়ে খহোৱাত আতাই কলহীৰ পাৰৰ চাম গছৰ তলত চমৰিয়া সত্ৰ পাতে। চমৰিয়া সত্ৰৰে ব্ৰাহ্মণ ভাগৱতী সৰুৰাম গৈ নহিৰা সত্ৰ (চাওক) পাতে। চমৰিয়াৰ নামত ৮০০ বিঘামান নিষ্পিখেৰাজ আছে। চমৰিয়াৰ আগৰ নাম গোবিন্দপুৰ আছিল। ইয়াত মাধৱদেৱৰ দিনৰে অক্ষয় বন্তি আৰু মহাপুৰুষৰ হাতে-কটা কাঠৰ আসন আছে। ১৬৯৩ শকৰ জেঠত লক্ষ্মীসিংহ ৰজাই এটি মঠ কৰাই দিয়ে। সত্ৰৰ ভকত এতিয়াও তিনিশ ঘৰ, শিষ্য প্ৰায় ৭০০। কৈমাৰি, দামালচোঁচ, দীঘলকুছি, মালীবাৰী, হৰিপুৰ, শ্যামৰায়, ত্ৰিলোচন, খুটাবাৰী আদি চমৰিয়াৰ শাখা-স্বৰূপ।

### চমাৰকুছি বা বটাকুছি সত্ৰ

কালাগৰ ওচৰত, ঘগ্ৰাপাৰ ৰেলষ্টেশ্যনৰ ১০½ কিলোমিটাৰ দক্ষিণে। দামোদৰদেৱৰ আচাৰ্য ভগৱানদেৱৰ স্থাপিত।

### চাঁপাখুৰি সত্ৰ

গেজেটিয়াৰমতে দক্ষিণসৰুবংশৰ মৌজাৰ গৃহস্থী ব্ৰাহ্মণৰ নিষ্পিখেৰাজযুক্ত সত্ৰ।

ব্ৰহ্মপুত্ৰৰ পাৰত পলাশবাৰীৰপৰা চাৰি মাইল দূৰত। এইখনি দামোদৰী সত্ৰ মুৰাৰি মিশ্ৰদেৱৰ স্থাপিত।

**চাৰাবাৰি সত্ৰ**

টিহুৰ ওচৰত মাখিবাহাৰ মাকৰিপাৰাত। মাধৱদেৱৰ আজ্ঞাৰে গঙ্গাধায় ভূঞাৰ বংশৰ মায়াৰামদেৱে এই সত্ৰ পাতে।

**চিলা সত্ৰ**

হৰিহৰ আতাৰ ভ্ৰাতৃ হৰিচৰণৰ পুত্ৰ হৰিবৰৰপৰা হয়। (কথা-গুৰুচৰিত মতে)। আন এখনি ব্যাসকুছিৰ ওচৰত দামোদৰী সত্ৰ আছে।

**ছবুৰীয়া সত্ৰ**

দক্ষিণপাৰৰ সত্ৰখনিৰ নাম কথা-গুৰুচৰিতত মাত্ৰ পোৱা যায়।

**জটি সত্ৰ**

বৰপেটাৰ ওচৰতে এইখনি সত্ৰ আছিল।

**জঁটীয়াজজি সত্ৰ**

এই দক্ষিণপাৰৰ সত্ৰখনি বৰদুৱাৰৰ ওচৰত মাধৱদেৱৰ পন্থৰ।

**জঁজি সত্ৰ**

দক্ষিণপাৰৰ বৰদুৱাৰ অঞ্চলৰ মহাপুৰুষীয়া সত্ৰ।

**জাগৰা (জাগাৰা) সত্ৰ**

নলবাৰী চাৰ্কেলৰ অন্তৰ্গত জাগৰা গাঁৱৰ এইখনি সত্ৰ হৰিদেৱৰ আজ্ঞাপৰ হৰিচৰণদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত। নিষ্পিখেৰাজ আছে। কথিত আছে, সত্ৰৰ অধিকাৰ বলদেৱ গোস্বামীয়ে বেণ্টিঙ্ক চাহাবৰপৰা ৫০০ পুৰা ভূ-সম্পত্তি পায়। সত্ৰৰ বছৰি এখন ডাঙৰ সভা হয়।

**জামলাই সত্ৰ**

গোৱালপাৰা জিলাৰ সীমাত কামৰূপৰ ভিতৰত দৈত্যাৰি ঠাকুৰৰ থাপিত এই সত্ৰ আছিল। ক'লাপাহাৰে সত্ৰ আৰু সত্ৰৰ গাঁও উচ্ছন্ন কৰে; গোৱালপাৰাৰ নাওকটা সত্ৰৰ অধিকাৰে সেৱাৰ বস্তু নিজ ঠাইলৈ লৈ যায়; সত্ৰৰ মাটি-বাৰী খাচ হয়। গোৱালপাৰাৰ 'নাওকাটা সত্ৰ' আৰু 'জামলাই সত্ৰ' চাওক।

**জাৰবাৰাদি সত্ৰ**

গেজেটিয়াৰমতে চেঙা মৌজাৰ এই গৃহী ব্ৰাহ্মণ মহন্তৰ সত্ৰৰ নিষ্পিখেৰাজ আছে।

**জাবাবাৰী সত্ৰ**

সুন্দৰীদিয়াৰ ওচৰত এইখনি সত্ৰ আছিল। এই জবাবাৰী আৰু জাৰবাৰাদি সত্ৰ

একেখনিয়েইনেকি, পোৱা নগ'ল।

**জোৱাবাদি সত্ৰ**

গেজেটিয়াৰমতে ধৰ্মপুৰ মৌজাত এইখনি গৃহী ব্ৰাহ্মণৰ সত্ৰ। দামোদৰী, আনমতে, ভৱানীপুৰীয়া গোপাল আতাৰ ঠালৰ।

**ঝাৰবাৰী সত্ৰ**

হাউলী অঞ্চলত কালজাৰ সত্ৰৰ দক্ষিণ-পূব কোণত ঝাৰবাৰী গাঁৱৰ এই সত্ৰৰ ভেটিৰ চিন মাথো আছে।

**টকৌবাৰী সত্ৰ**

গেজেটিয়াৰমতে গুৱাহাটী মৌজাতে বৰটকৌবাৰী আৰু সৰুটকৌবাৰী দুখনি কেৱলীয়া মহন্তৰ সত্ৰ। বৰদোৱাৰপৰা বস্তি আনি উজনিৰ বিপ্ৰ আতৈয়ে ক'লীয়াভোমোৰা বৰফুকনৰ দিনত আদিতে গুৱাহাটীৰ পুলিচ ৰিজাৰ্ভৰ ঠাইতে সত্ৰ পাতে। পিছত শ্ৰীমন্ত মিলছ্ হোৱা ঠাইতে এখনি সৰু টকৌবাৰী সত্ৰ হয়।

**টঙৰা সত্ৰ**

গেজেটিয়াৰমতে এইখনি বেলতলা মৌজাৰ কেৱলীয়া মহন্তৰ সত্ৰ। মহাপুৰুষীয়া সত্ৰ। দৈত্যাৰি ঠাকুৰৰপৰা বঢ়া।

**ঠাকুৰপাৰা সত্ৰ**

ছয়গাঁৱৰ ওচৰৰ এই সত্ৰ ৰামচৰণ ঠাকুৰৰ বংশৰপৰা বঢ়া।

**তামূলপুৰ সত্ৰ**

এই নামৰ এখনি সত্ৰ আছে।

**ত্ৰিলোচন সত্ৰ**

চমৰিয়াৰ অপ্ৰধান শাখা সত্ৰ। চমৰিয়াৰপৰা ডেৰমাইলমান দূৰত।

**দধি সত্ৰ**

হাজোত হাজো-গুৱাহাটী বাটৰ ওচৰত ধোপৰগুৰি লক্ষ্মীকান্ত আতৈয়ে এই অঞ্চলৰ ৰাইজৰ অনুৰোধক্ৰমে তেওঁৰ দ্বিতীয় পুত্ৰ সনাতনক থাপনা কৰি দধি বা বৰদধি এই সত্ৰ পাতে। ই সনাতন সত্ৰ নামেও জনাজাত। ইয়াত মাধৱদেৱে লক্ষ্মীকান্ত আতৈক দিয়া শঙ্কৰদেৱৰ আঙঠি "গুৰু-সৰ্বহ" ৰূপে আছে। ১৪ পুৰা ধৰ্মোত্তৰ আৰু আন মাটি আছে।

**দমদমা সত্ৰ**

গেজেটিয়াৰমতে দক্ষিণবৰক্ষেত্ৰি মৌজাৰ এইখনি গৃহী ব্ৰাহ্মণৰ সত্ৰ, নিষ্পিখেৰাজ আছে।

**দক্ষিণ শিঙৰা সত্ৰ**

দধি সত্ৰৰ (চাওক) সনাতন আতৈয়ে দক্ষিণ শিঙৰাত এখনি শাখা সত্ৰ পাতে।

**দামোদৰধাম সত্ৰ**

নলবাৰী থানৰ অন্তৰ্গত উপৰবৰভাগ মৌজাৰ পাগুলা গাঁৱত এই সত্ৰ হোৱা চল্লিশ বছৰমান মাথোন হৈছে। হৃদয়চন্দ্ৰ পাটোৱাৰী, চেনিৰাম বৰুৱা, শিৱনাথ শৰ্মাবৰুৱা আদিৰ উদ্যোগত এই সত্ৰ ১৯১৬ চনত হয়। ই এখনি ন্যাসৰক্ষী সমিতিৰ দ্বাৰা পৰিচালিত। ইয়াতে মহামহোপাধ্যায় ধীৰেশ্বৰাচাৰ্যৰ পাণিনি-টৌল অৱস্থিত। দামোদৰদেৱৰ তিথি, ৰাস আদি আড়ম্বৰেৰে প্ৰতিপালিত হয়। ইয়াত কোচবেহাৰৰ বৈকুণ্ঠপুৰ সত্ৰৰপৰা দামোদৰদেৱৰ পাদুকা এপাতি আনি ৰখা হৈছে।

**দামালচোচ সত্ৰ**

দক্ষিণ পাৰত। জীৱন আতৈয়ে চমৰিয়াৰপৰা বস্তি নি পাতে। কথাগুৰুচৰিততো এই ...নৰ উল্লেখ আছে।

**দাৰি সত্ৰ**

চমৰিয়াৰপৰা বঢ়া সত্ৰ, চমৰিয়াৰ ওচৰত।

**দিহিং সত্ৰ**

উত্তৰ গুৱাহাটীত বৰযদুমণিদেৱৰ বৰপুত্ৰ সনাতনদেৱৰপৰা বঢ়া দিহিঙৰ বৰভাগৰ দুখনি সত্ৰ আলি, বৰ্তমানে এখনি হৈছে।

**দীঘলকুছি সত্ৰ**

দক্ষিণপাৰৰ বৰদুৱাৰ অঞ্চলত গুৱালহাটৰ ওচৰত। চমৰিয়াৰ ষষ্ঠ সত্ৰীয়া ৰূপৰামে দীঘলকুছিলৈ গৈ মুহিৰাম আতৈক ভজন-ধৰ্ম দি সত্ৰ অৰ্পণ কৰি আহে।

**ধুপৰগুৰি (ধোপগুৰি) সত্ৰ**

হাজোৰ ওচৰত লক্ষ্মীকান্ত আতৈৰ সত্ৰ আছিল। ১৫০৬ শকত ১৯ বছৰ বয়সত লক্ষ্মীকান্তই ধৰ্ম গ্ৰহণ কৰে। ১৫০৯ শকত মাধৱদেৱৰ আজ্ঞাৰে আতৈৰ দ্বাৰা এই সত্ৰ স্থাপিত হয়। মাধৱদেৱৰ পদশিলা আৰু শঙ্কৰদেৱৰ আঙঠি এটি সেৱাৰ বস্তুৰূপে ইয়াত স্থাপিত হয়। আঙঠিটি এতিয়া দধি সত্ৰত। ধৰ্মাচাৰ্য পতাৰ সময়ত মাধৱদেৱে আতৈকে ৰত্নাৱলী শাস্ত্ৰ আৰু মঞ্জৰী তাল এযুৰিও দি পঠাইছিল। আতৈৰ পুত্ৰ নৰোত্তম বংশৰপৰাই সত্ৰীয়া হৈ আছে।

**ন সত্ৰ**

দামোদৰদেৱৰ আজ্ঞাপৰ মনোহৰ কায়স্থই বাউসী পৰগণাৰ চেঙা গাঁৱৰপৰা মাধৱদত্তদেৱক আনি সৰুক্ষেত্ৰি মৌজাৰ নসত্ৰত থাপনা কৰে। আনমতে চক্ৰপাণি নামে এজন পিতৃ-মাতৃহীন ল'ৰাক সেইদৰে থাপে।

**ননবা সত্ৰ**

এইখনি খুদিয়া সত্ৰৰ শাখা পাটিদৰং অঞ্চলৰ কমলপুৰৰ ওচৰত।

**নপৰা সত্ৰ**

কথা-গুৰুচৰিতত এই সত্ৰৰ উল্লেখ পোৱা যায়। সত্ৰখনিৰ সম্ভেদ পোৱা নগ'ল। ছয়গাঁৱৰ ওচৰত ন-পাৰা গাঁও এখন আছে।

**নপ্তিপাৰা সত্ৰ**

নলবাৰী চাৰ্কেলৰ অন্তৰ্গত উত্তৰবৰক্ষেত্ৰি মৌজাত নিষ্পিখেৰাজ থকা গৃহী ব্ৰাহ্মণ সত্ৰ। এইখনি হৰিদেৱী সত্ৰ নাৰায়ণদেৱৰপৰা হোৱা।

**নবাৰী সত্ৰ**

কথা-গুৰুচৰিতত দক্ষিণপাৰৰ এইখনি সত্ৰৰ নাম মাত্ৰ পোৱা যায়। উপৰ বৰভাগ মৌজাত জয়পাল থানৰপৰা ডেৰমাইল দক্ষিণতো এখন নবাৰী আছে।

**নমাটি সত্ৰ**

হাউলী মৈৰামাৰা গাঁৱত। মুকুন্দদেৱৰ স্থাপিত সত্ৰ। আগতে পৰলা নৈৰ পূব পাৰে আছিল; ভূমিকম্পৰ পাছত তুলি আনি বৰ্তমান মৰা মানাহৰ পাৰত হেলনাৰ পাম গাঁৱত পাতিছিল। সেই সত্ৰৰ ভেটিৰ চিন এতিয়াও আছে। তেতিয়া বৰগোলা সত্ৰ নামে খ্যাত আছিল। তাৰ পিছত বৰ্তমান ঠাইত সত্ৰ হয়।

**নহাটী**

দক্ষিণ পাৰৰ এই নামৰ সত্ৰৰ উল্লেখ কথা-গুৰুচৰিতত পোৱা যায়। নহাটী বৰদুৱাৰৰ ওচৰত। এতিয়া সত্ৰ নাই।

**নহিৰা সত্ৰ**

ৰামপুৰৰ ওচৰত, দক্ষিণ ট্ৰাঙ্কৰোডৰ বাটৰহাট অংশৰপৰা দুমাইল উত্তৰ-পশ্চিমে। দামোদৰদেৱৰ আজ্ঞাপৰ সন্তদেৱৰ বংশৰ মনাই ওৰফে বিষ্ণুদেৱৰপৰা বঢ়া সত্ৰ। পিছত চমৰিয়াৰপৰা সৰুৰাম ভাগৱতী (এওঁ তাত ডেকাসত্ৰীয়া হৈছিল।) আহি এই সত্ৰত ৰোৱাত সত্ৰখনি মহাপুৰুষীয়া হয়। নিষ্পিখেৰাজ জমি আছে।[২]

**নাৰদৰ থান**

'উলাবৰি সত্ৰ' চাওক।

**নীলপুৰ সত্ৰ**

গেজেটিয়াৰমতে এইখনি উপৰবনভাগ মৌজাৰ নিষ্পিখেৰাজ থকা ব্ৰাহ্মণ গৃহী সত্ৰ। কটৰা সত্ৰৰ ওচৰত খদিয়া সত্ৰেৰে সম্পৰ্কিত এই সত্ৰৰ নলবাৰী-বৰিয়াৰ মাজত।

২ থিৰিৰপুখুৰী সত্ৰৰ ঠেঙুলি। সূ.ম.

**পাল্লা সত্ৰ**

সৰ্থেবাৰীৰ ওচৰত। গেজেটিয়াৰমতে সৰুক্ষেত্ৰি মৌজাৰ গৃহী ব্ৰাহ্মণৰ গোসাঁইৰ এই সত্ৰৰ নিষ্পিখেৰাজ জমি আছে। মহাপুৰুষীয়া সত্ৰ বুলি জনা গৈছে।

**পলাশগুৰি সত্ৰ**

'গঁৰৈমাৰি সত্ৰ' চাওক।

**পলাশবাৰী সত্ৰ**

গেজেটিয়াৰমতে ছয়ানী মৌজাত এইখনি গৃহী ব্ৰাহ্মণৰ সত্ৰ, নিষ্পিখেৰাজ আছে। দামোদৰী, মনপুৰীয়া গোসাঁইৰ সত্ৰ। নৈয়ে খহোৱাত আগৰ ঠাইৰপৰা উঠি গৈছে। শ্ৰীহাটী সত্ৰৰ শাখা বুলি জনা যায়। সত্ৰৰ বিগ্ৰহ শ্যামৰায়।

**পাইকানকুছিৰ থান**

নলবাৰী-সন্ধাৰ ওচৰত এই মহাপুৰুষীয়া থানত নাম-কীৰ্তনাদি হৈ থাকে।

**পালোৱা সত্ৰ**

ক্ষেত্ৰিৰ এই দামোদৰী সত্ৰ মনোহৰ কায়স্থৰ স্থাপিত।

**পীৰলা সত্ৰ**

চেঙাৰ বহৰি সত্ৰৰ ওচৰতে এইখনি হৰিদেৱী সত্ৰ আছিল।

**পুখুৰীপাৰ সত্ৰ**

ব্ৰহ্মপুত্ৰৰ পাৰত আছিল শিলপোতাত; তাৰপৰা আহি পাল্লিত আছে। হৰিহৰ আতাৰপৰা বঢ়া সত্ৰ।

**পোতনি সত্ৰ**

লক্ষ্মীকান্ত আতৈৰ পুত্ৰ নৰোত্তমৰ পুত্ৰ সৰ্বানন্দৰপৰা হোৱা এই সত্ৰ হাজোৰ শিলাদাৰ আৰু কেদাৰ পৰ্বতৰ মাজত।

**পোমৰা সত্ৰ**

দামোদৰদেৱে তেওঁৰ সত্ৰ পাটবাউসীত ভট্টদেৱক অধিকাৰ পতাত ভতিজাক কৃষ্ণদেৱে অসন্তোষ কৰি পোমৰা সত্ৰ (পোমাৰি) পাতে। মোগলে কামৰূপ আক্ৰমণৰ সময়ত পাণ্ডৱভাঙ্গাত সত্ৰ স্থাপিত হয়।

**পোৱাভৰাল সত্ৰ**

হাউলীৰ ওচৰত ভৱানীপুৰীয়া গোপালদেৱৰপৰা বঢ়া সত্ৰ।

**বংশৰ সত্ৰ**

গেজেটিয়াৰমতে উত্তৰবংশৰ মৌজাত নিষ্পিখেৰাজ জমি থকা এইখনি গৃহী ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ। দক্ষিণপাটৰপৰা বঢ়া দামোদৰী সত্ৰ।

**বটাকুছি সত্ৰ**

'চমাৰকুছি সত্ৰ' চাওক।

**বনিয়াকুছি সত্ৰ**

গেজেটিয়াৰমতে সৰুক্ষেত্ৰি মৌজাৰ গৃহী ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ, নিষ্পিখেৰাজ আছে। 'বৈনাকুছি সত্ৰ' এনেকৈয়ে কয় আৰু লিখে। সৰ্থেবাৰীৰ ওচৰত এইখনি হৰিদেৱী সত্ৰ জগন্নাথদেৱৰপৰা হয়। কথা-গুৰুচৰিত হৰিহৰ আতাৰ বংশৰপৰা হোৱা এখনি বনিয়াকুছি সত্ৰৰ কথা আছে।

**বৰকাপলা সত্ৰ**

দামোদৰদেৱৰ আজ্ঞাপৰ দেৱমনোহৰ কায়স্থৰ স্থাপিত কাপলা বা বৰকাপলা সৰুক্ষেত্ৰি মৌজাত। মনোহৰদেৱে বাউসী পৰগণাৰ চেঙা গাঁৱৰপৰা জয়হৰিদেৱক আনি প্ৰতিষ্ঠা কৰে; তেওঁৰ বংশধৰসকলেই ইয়াত অধিকাৰী।

**বৰগোমূৰা সত্ৰ**

সৰুক্ষেত্ৰি মৌজাত সৰ্থেবাৰীৰ ওচৰত এইখনি মহাপুৰুষীয়া সত্ৰ। ঘাগৰি মাজিৰ ঘৰ ইয়াত আছিল। চতুৰ্ভুজ ঠাকুৰৰপৰা সত্ৰখনি বাঢ়িছে।

**বৰটকৌবাৰী সত্ৰ**

'টকৌবাৰী সত্ৰ' চাওক।

**বৰদধি সত্ৰ**

'দধি সত্ৰ' চাওক।

**বৰকুলগুৰি সত্ৰ**

দক্ষিণপাৰৰ সত্ৰ বৰদুৱাৰৰ ওচৰত। মাধৱদেৱৰপৰা বঢ়া।[৩]

**বৰবৰি সত্ৰ**

গেজেটিয়াৰমতে বৰিগোগ মৌজাত গৃহী ব্ৰাহ্মণৰ নিষ্পিখেৰাজ থকা সত্ৰ। দামোদৰী সত্ৰ।

**বৰভিঠা সত্ৰ**

বুঢ়া-খাঁ ৰূ-খাঁ কেতেৰখাঁৰ বংশৰ গদাধৰে মাধৱদেৱৰ আজ্ঞাৰে এই সত্ৰ পাতে বুলি জনা যা।

---

৩ চতুৰ্ভুজ ঠাকুৰে উৰপোটাত বহি জলোৱাৰ পিছত ভোলাগাঁৱৰ বাৰণসিং বজাই ঠাকুৰক নিজ বাজ্যলৈ নিয়াত এই ঠাইত সত্ৰ পাতে। বৰ হেৰেমদৰ ওচৰত, নতুন পলাশবাৰীৰপৰা হুমাইলমান।

**বৰহেৰেমদ সত্ৰ**

'হেৰেমদ সত্ৰ' চাওক।

**বলাকুছি সত্ৰ**

নলবাৰীৰ ওচৰৰ এই সত্ৰ বৰদোৱাৰপৰা আহি জয়ৰাম বা জয়নাৰায়ণে (চতুৰ্থ স্কন্ধ ভাগৱতৰ পদকাৰ) পাতে বুলি জনা যায়।

**বহৰি সত্ৰ**

চেঙা অঞ্চলত চেঙৰ দুমাইল দক্ষিণে হৰিদেৱৰ মূল সত্ৰ। ইয়াত হৰিদেৱৰ শিষ্য আৰু জোঁৱাই জগন্নাথৰ বংশধৰসকল অধিকাৰ।

**বাদেশিলা সত্ৰ**

নলবাৰী অঞ্চলৰ হৰিদেৰী সত্ৰ। নিষ্পিখেৰাজ আছে (গেজেটিয়াৰ)।

**বান্দেৰী সত্ৰ**

চেঙাৰ ওচৰত এখনি হৰিদেৰী সত্ৰ নৈয়ে খহালে। একমতে সত্ৰৰ নাম বান্দালি।

**বামুণদি সত্ৰ**

হৰিহৰ আতাৰ ভতিজা হৰিবৰৰপৰা বঢ়া এই সত্ৰ মঙ্গলদৈৰ লোক্ৰাই মৌজাৰ মিশ্ৰপাৰা গাঁৱত আছে। (চাওক)। দুটা ঠাল মঙ্গলদৈৰ ডাঁহী মৌজা আৰু কামৰূপৰ পাটিদৰং শালমৰাত আছে।

**বাৰাংহাটী সত্ৰ**

পশ্চিম বৰিগোগ মৌজাত বৰলিয়া নৈৰ পূবপাৰে আঠঘৰীয়াৰপৰা তিনি মাইলমান দূৰত এইখনি দামোদৰী সত্ৰ।

**বালিকৰীয়া সত্ৰ**

নলবাৰী অঞ্চলত। গেজেটিয়াৰমতে বতাহগিলা মৌজাত এইখনি গৃহী ব্ৰাহ্মণৰ সত্ৰ।

**বালিলেচা সত্ৰ**

ভোলানাথ নামে এজনে বৰপেটা সত্ৰীয়াৰপৰা আচাৰ্য পদ লৈ নলবাৰীৰ বালিলেচা গাঁৱত সত্ৰখনি (তন্ত্ৰশঙ্কৰা সত্ৰ?) পাতে। আহোম ৰজাৰ নিষ্কৰ ভূমি আছিল। শ্ৰীৰাম আতাৰ সত্ৰ বুলি কোৱা হয়।

**বালি সত্ৰ**

গেজেটিয়াৰমতে বৰিগোগ মৌজাৰ গৃহী ব্ৰাহ্মণৰ মহন্তৰ নিষ্পিখেৰাজ থকা সত্ৰ. বৰ্ত্তিয়াৰ দক্ষিণে মহাপুৰুষীয়া সত্ৰ। মহাপুৰুষৰ তিথিত ডাঙৰ সভা হয়।

**বাঁহবাৰী সত্ৰ**

পশ্চিম বৰিগোগত, হৰিদেৰী সত্ৰ।

**বিয়াহকুছি সত্ৰ**

সৰুক্ষেত্ৰি মৌজাত বুঢ়ী লুইতৰ দাঁতিত দামোদৰদেৱৰ আজ্ঞাপৰ কথা-সাহিত্যিক ভট্টদেৱৰ স্থাপিত সত্ৰ। নিম্পিখেৰাজ আছে।

**বিহামপুৰ সত্ৰ**

নলবৰীৰপৰা আঠ মাইলমান পশ্চিমে। গৃহী ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ। দামোদৰদেৱৰ আজ্ঞাপৰ ৰাম সৰস্বতী নামে কনৌজৰপৰা অহা ব্ৰাহ্মণৰ বংশৰ সন্তদেৱৰ দ্বাৰা স্থাপিত বুলি জনা গৈছে।

**বুনা সত্ৰ**

ৰঙিয়া চহৰৰ ছমাইল উত্তৰলৈ তৰণী গাঁৱত। লেচাকণীয়া গোবিন্দ আতৈৰ বংশৰ বনমালীদেৱৰ জৰিয়তে স্থাপিত।

**বুৰ্কা সত্ৰ**

ডিমু-চেঁচামুখৰ ওচৰত শঙ্কৰদেৱৰ বংশৰ ৰতিকান্ত দলৈৰপৰা হোৱা সত্ৰ।

**বুৰকীয়া সত্ৰ**

ধোপগুৰিৰ লক্ষ্মীকান্ত আতৈৰ তৃতীয় পুত্ৰ নৰোত্তম, তেওঁৰ পুত্ৰ ভৱকণ্ঠৰ পুত্ৰ বিষ্ণুনাৰায়ণ আৰু মুকুন্দনাৰায়ণে বুৰকীয়াত সত্ৰ পাতে।

**বেজকুছি সত্ৰ**

টিহুৰ ওচৰত। দামোদৰী নে হৰিদেৰী সত্ৰ।

**বেতবাৰী সত্ৰ**

হাউলী অঞ্চলত কালজাৰ সত্ৰৰ দক্ষিণলৈ।

**বেলতলা সত্ৰ**

দক্ষিণপাৰৰ এইখনি সত্ৰ ৰুক্মিণী গাঁৱত।

**বেলগুৰি সত্ৰ**

আমৰাঙাৰ ওচৰত। এতিয়া সত্ৰ নাই।

**বৈনাকুছি সত্ৰ**

'বনিয়াকুছি সত্ৰ' চাওক।

**ব্যাসকুছি সত্ৰ**

'বিয়াহকুছি সত্ৰ' চাওক।

**ভালুকঘাটা সত্ৰ**

১৮৯৭ চনৰ ভূমিকম্পৰ পিছত চমৰিয়াৰ বহুত ভকত বকো-চমৰিয়াৰ মাজত ভালুকঘাটালৈ উঠি আহে। তেওঁলোকে বৰপেটাৰপৰা বন্তি আনি সত্ৰ পাতে।

**মনপুৰ সত্ৰ**

গেজেটিয়াৰমতে ছয়ানী মৌজাত গৃহী ব্ৰাহ্মণ মহন্তৰ সত্ৰ। নিষ্পিখেৰাজ আছে। পলাশবাৰীৰ তিনি মাইলমান দূৰত এইখনি দামোদৰী সত্ৰ আছিল।

**মণিয়ৰি সত্ৰ**

পুৰণি বৰ্ণনাত এই সত্ৰৰ নাম পোৱা যায়। 'খটিয়ামাৰি'ও বোলে। গেজেটিয়াৰমতে ছয়ানী মৌজাৰ এই গৃহী গোসাঁইৰ সত্ৰৰ নিষ্পিখেৰাজ আছে। দক্ষিণ ট্ৰাঙ্কৰোডৰ বাৰহাট আৰু আমৰঙ্গা সত্ৰৰ মাজঠাই।

**মনোহৰৰ থান**

শিংৰাত দামোদৰদেৱৰ আজ্ঞাপৰ মনোহৰদেৱ থকা স্থানক দেৱমনোহৰৰ থান বুলি জনা যায়।

**মৰহটা সত্ৰ**

দক্ষিণপাৰৰ এইখনি সত্ৰৰ উল্লেখ আছে কথা-গুৰুচৰিতত। বৰ্তমান সত্ৰৰ সম্ভেদ পোৱা নাই।

**মালচা সত্ৰ**

নগৰবেৰাৰপৰা ছমাইলমান পশ্চিমে ব্ৰহ্মপুত্ৰৰ পাৰত বৰবিষ্ণু আতাৰ সত্ৰ আছিল, তাৰপৰা তেওঁ চমৰিয়ালৈ উঠি যায়।

**মানেৰি সত্ৰ**

চেঙাৰ বহৰি সত্ৰৰ ওচৰত এইখনি হৰিদেৱৰ সত্ৰ আছিল।

**মালীবাৰী সত্ৰ**

চমৰিয়াৰ ওচৰত দক্ষিণফালে ফৰেষ্ট বিজাৰ্ভৰ ওচৰত। বাসুদেৱ "মালীবৰীয়া আতৈ"য়ে চমৰিয়া সত্ৰৰপৰা বন্তি নি স্থাপন কৰে।

**মুইহাতি সত্ৰ**

ধোপগুৰিৰ লক্ষ্মীকান্ত আতৈৰ পুত্ৰ সনাতনৰ দ্বাৰা স্থাপিত।

**মেথিপাৰা সত্ৰ**

দক্ষিণ ট্ৰাঙ্কৰোডৰ ওপৰৰ বাটৰহাটাৰ ওচৰত।

**মৌৰা সত্ৰ**

নলবাৰীৰ চাৰ্কেলৰ উপৰবৰভাগ মৌজাত নলবাৰী চহৰৰ চাৰি মাইলমান দক্ষিণে মৌৰা গাঁৱত। ৰজাদিনীয়া ভূসম্পত্তি আছে তামৰ ফলিত দিয়া। ব'হাগমহীয়া ভঠেলি হয়। দেৱগোপালৰ সত্ৰ বুলি কয়।

**ৰঙিয়া সত্ৰ**

ৰঙিয়া চহৰৰ সোঁমাজত ১৯৫৪ চনত সীতাৰা সত্ৰৰ শ্ৰীকমলাকান্ত মহন্তৰ দ্বাৰা স্থাপিত।

**ৰাজাপুখুৰী সত্ৰ**

গেজেটিয়াৰমতে ছয়ানী মৌজাত গৃহী ব্ৰাহ্মণ মহন্তৰ নিষ্পিখেৰাজ লগা সত্ৰ। নহিৰা আৰু ৰামপুৰৰ মাজত। এইখনি বলদেৱৰ (সন্তভূষণৰ ভায়েক) স্থাপিত সত্ৰ। ইয়াতে তেওঁৰ পত্নী ব্ৰহ্মপুত্ৰত পৰি সতী যায়। ৰাজাপুখুৰীৰ পাৰত 'সতীৰ ভিঠা' আছে। তাত পূজা-পাতল হয়।[৪]

**ৰৌমাৰি সত্ৰ**

দক্ষিণ পাৰৰ এই সত্ৰৰ উল্লেখ মাত্ৰ চৰিতত পোৱা যায়।

**লাচিমা সত্ৰ**

সৰ্থেবাৰীৰ ওচৰত হৰিদেৱী সত্ৰ।

**লাচি বিষ্ণুপুৰ সত্ৰ**

গেজেটিয়াৰমতে বৰিগোপ মৌজাত গৃহস্থী ব্ৰাহ্মণ মহন্তৰ নিষ্পিখেৰাজ থকা সত্ৰ।

---

৪ নতুন পলাশবাৰীৰ প্ৰায় ৪ মাইল উত্তৰ-পশ্চিমত। শ্ৰীহাটী সত্ৰৰ প্ৰতিষ্ঠাতা ৰূপনাৰায়ণ গোস্বামীয়েই এই সত্ৰৰ প্ৰতিষ্ঠাতা আৰু প্ৰথম গ্ৰহীতা। সত্ৰ বাজেয়াপ্ত কৰা আপিলৰ ৰেভিনিউ কমিছনাৰ জেন্‌কিনছ চাহাবৰ ১৮৪০ চনৰ ৪ জুলাইৰ নিষ্পতি ফয়চলামতে এই সত্ৰৰ ১৬০ পুৰা জমি আৰু ৪৬ ঘৰ ভকত ধৰ্মোত্তৰ কৰি বঙ্গদেশৰ কোনোবা বাদশ্বাহে প্ৰথমে ৰূপনাৰায়ণ গোস্বামীক দিছিল। শ্ৰীহাটীৰ সত্ৰৰ ফয়চলাতো উক্ত বাদশ্বাহৰ কথা উল্লেক আছে। অসমৰ সৰহ সত্ৰ আৰু দেৱালয় আহোম ৰজাসকলৰ দান যদিও ৰাজাপুখুৰী আৰু শ্ৰীহাটী সত্ৰৰ দাতা বঙ্গদেশৰ বাদশাহ হোৱাটো বিশেষ মনকৰিবলগীয়া। উক্ত ফয়চলাতে উল্লেখ আছে — 'বাদশাহৰ দত্ত দানপত্ৰ (মহজৰ) নষ্ট হোৱাত ৰূপনাৰায়ণ গোস্বামীৰ বংশৰ ৰামদেৱ গোস্বামীক বাৰীৰ ৰজা ললিত সিংহৰ পূৰ্বপুৰুষ ধ্বজসিংহ ৰজাই ১০৯৫ শকত জীৰ্ণোদ্ধাৰ পত্ৰ দান কৰে।" এই সত্ৰ দামোদৰ-পন্থী। কামৰূপৰ আন আন সত্ৰতকৈ এই সত্ৰ বহুতো আচুতীয়া নিয়মেৰে এতিয়াও চলি আছে। বহাগ মাহত এতিয়াও 'ৰজা দৌল' হয়। শ্ৰীমাধৱৰাম নাথ মেধিৰ "যোগী বা কাটনী জাতৰ ইতিহাস"ত উল্লেখ আছে, "এই সত্ৰৰ প্ৰতিষ্ঠাতা ৰূপনাৰায়ণ গোসাঁইৰ দিনত অসমৰ নাথ সম্প্ৰদায়ক প্ৰথম শৰণ দিয়ে। ইয়াৰ আগতে কোনো গোসাঁয়ে নাথ সম্প্ৰদায়ক শৰণ-ভজন দিয়া নাছিল।" ইয়াৰ কাল ১৬৮০।৯০ চন বুলি লেখকে উল্লেখ কৰিছে। শ্ৰীস্বৰ্গনাৰায়ণদেৱৰ মন্ত্ৰী তৰুণ দুৱৰা বৰফুকনে ১৬৬০ শকৰ ২০ চৈত্ৰত শোলাৰী গাঁৱত এই সত্ৰৰ দেৱহৰি গোস্বামীক ব্ৰহ্মোত্তৰ মাটি দান কৰিছিল। সেই তামৰ ফলি এতিয়াও আছে। সু.ম.

দামোৰী সত্ৰ।

**লেংটা সত্ৰ**

এই সত্ৰ নতুন পলাশবাৰীৰ প্ৰায় ১০ মাইল দক্ষিণত বৰদুৱাৰ মৌজাৰ অন্তৰ্গত। বৰদুৱাৰৰ গাৰো ৰজা আৰু এই ৰজাৰ কছাৰী মন্ত্ৰীজনৰ সমুখত গোপাল আতৈ আৰু উদ্ধৱ আতৈ নামে দুজন ভক্তক বন্দী কৰি কটোৱালে হাজিৰ কৰালে। পিছে ৰজা-মন্ত্ৰী দুয়ো আতৈ দুজনৰ মহিমাত অভিভূত হৈ এৰি দিয়ে আৰু পিছত তেওঁলোকে মহাপুৰুষীয়া ধৰ্মত দীক্ষিত হয়। বৃদ্ধ অবস্থা হোৱাত এদিন মন্ত্ৰীয়ে গোপাল আতাৰ ওচৰলৈ গৈ ক'লে, "বাপ, আমাক জীৱনৰ প্ৰায় শেষ অৱস্থা। গতিকে আপোনাৰ তিনিটি ল'ৰাৰ এটি আমাক দিয়ক।" গোপাল আতাই তেতিয়া দিন-বাৰ ঠিক কৰি তেওঁৰ দ্বিতীয় পুত্ৰ হৰিকৃষ্ণক ৰজা-মন্ত্ৰীৰ হাতত দিলে। ৰজাই হৰিকৃষ্ণ আতৈক অনেক সমাদৰ কৰি নিজ ৰাজ্যত নিষ্কৰ মাটি-বৃত্তি দি পাতিলে। হৰিকৃষ্ণই প্ৰথমতে পুৰাণ টেটুবাত সত্ৰ স্থাপন কৰিলে। কালক্ৰমত এই সত্ৰৰ চিন-চাব নাইকিয়া হয়। ইয়াৰ ওচৰতে জাঁজিবনৰ মাজত এজন সন্ন্যাসী অন্তৰ্ধান হোৱাত টেটুবা সত্ৰ এই আশ্ৰমলৈ তুলি অনা হয়। সন্ন্যাসীজন লেংটা (উলঙ্গ) হৈ আছিল বাবে এই সত্ৰৰ নাম লেংটা ৰখা হয়।

সু.ম.

**লোচ সত্ৰ**

দামোদৰদেৱৰ আজ্ঞাপৰ অৰ্জুনদেৱৰ স্থাপিত সত্ৰ। পাটিদৰং অঞ্চলত। ৰঘুদেৱনাৰায়ণ বিষয়া বিশ্বৰূপ উজীৰৰ পুত্ৰ অৰ্জুনদেৱে বিজয়নগৰত দামোদৰদেৱৰ শৰণ লৈ উদাসীন হৈ কিছু কাল ফুৰাৰ পিছত তেওঁৰ মামাক কৃষ্ণানন্দৰ বাৰভূঞাই দণ্ডঙ্গৰ মধ্যৰ মণিয়ৰি গ্ৰামত সত্ৰ কৰি তেওঁক মেধি পাতে।

**শিকাৰহাটী সত্ৰ**

দক্ষিণপাৰত। গেজেটিয়াৰমতে বৰদুৱাৰ মৌজাৰ কেৱলীয়া ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ। মহাপুৰুষীয়া সত্ৰ। চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাৰে হোৱা। ৫০০ পুৰা মাটি আছে। অক্ষয়বত্তি আছে।

**শিঙৰা সত্ৰ বা কমলা থান**

দামোদৰদেৱৰ আজ্ঞাপৰ মনোহৰদেৱৰ স্থাপিত টিহুৰ ওচৰৰ কুৰ্মমাখিবাহাৰ শিঙৰা সত্ৰ বা কমলা-থান সৰুক্ষেত্ৰি মৌজাত। মনোহৰদেৱৰ বংশৰ লোক ইয়াৰ অধিকাৰী হয়। সত্ৰৰ নামত ৰজাদিনীয়া ধৰ্মোত্তৰ মাটি আছে। ১৮৯৭ চনৰ ভূমিকম্পত মূল সত্ৰ উঠি যোৱাতহে হাৰিভাঙ্গা আৰু মাখিবাহাত সত্ৰ পতা হয়।

**শিলপোতা সত্ৰ**

কানু আতাৰ থাপিত পাল্লিৰ এই সত্ৰ নাৰায়ণ ঠাকুৰ আতাৰ বংশৰ।

**শিশুৰ সত্ৰ**

ৰামদিয়াৰ এই সত্ৰ বৰপেটাৰ ভকতে ত'ৰপৰা বন্তি আনি পতা।

**শুভা সত্ৰ**

চেঙাৰ ওচৰত হৰিদেৱৰ আজ্ঞাপৰ নাৰায়ণদেৱৰ স্থাপিত।

**শুৱালকুছি সত্ৰ**

দীঘলকুছি সত্ৰৰ (চাওক) কানু ঠানৰপৰা হোৱা সত্ৰ। আনমতে, দধি সত্ৰৰ সনাতন আতৈয়ে (চাওক) ইয়াত এখনি শাখা সত্ৰ স্থাপন কৰে কাছিমা আমৰগুৰিত। ই ডেকা বাপুৰ সত্ৰ বুলি খ্যাত।

**শুৱালকুছি বৰসত্ৰ**

শুৱালকুছিত বৰহেৰেমদৰ পঢ়িয়া মাধৱ আতৈৰ প্ৰথম পুত্ৰ মুৰাৰি আতাৰ সত্ৰ।

**শ্ৰীহাটী সত্ৰ**

নলন্দা গাঁৱৰ কানু বুঢ়া ঠাকুৰে শুৱাচুঙিত পতা সত্ৰ। তেওঁৰ পিছত ক্ৰমে মন্মথ আতৈ, গোকুল আতৈ, নকুল আতৈ, কলা কানু ঠাকুৰ আতৈ, ৰামনিধি মহন্ত, হৰিজয় মহন্ত, বদুৰাম মহন্ত আদি সত্ৰীয়া হয়।

**শ্যামৰায় সত্ৰ**

দক্ষিণপাৰৰ বকোৰ ৰায়পাৰাত চমৰিয়াৰপৰা বঢ়া সত্ৰ। পুৰণি পলাশবাৰীত শ্ৰীহাটীৰপৰা বঢ়া আন এখনি শ্যামৰায় সত্ৰ আছে, শ্ৰীহাটীৰ আদি ৰূপনাৰায়ণৰ ভ্ৰাতৃ শিৱানন্দই থাপনা কৰে। শিৱসিংহ ৰজাৰ দিনৰ মাটি-বৃত্তি। ইয়াৰ শ্যামৰায় বিগ্ৰহ বৰতলালৈ নিয়া হৈছে।

**শ্ৰীহাটী সত্ৰ**

শুৱালকুছিৰ উত্তৰে দামোদৰী সত্ৰ। প্ৰতিষ্ঠাতাজন হ'ল ৰূপনাৰায়ণ।

**সনাতন সত্ৰ**

'দধি সত্ৰ' চাওক।

**সৰুটকৌবাৰী সত্ৰ**

'টকৌবাৰী সত্ৰ' চাওক।

**সৰুফুলগুৰি সত্ৰ**

দক্ষিণকুলীয়া কৃষ্ণ আতৈয়ে বৰহেৰেমদৰ ওচৰত পতা এই সত্ৰ।

**সৰুহেৰেমদ সত্ৰ**

বৰহেৰেমদ সত্ৰৰ ওচৰতে ইখনি সত্ৰ। দক্ষিণকুলীয়া কৃষ্ণ আতৈ ছয়গাঁৱৰ ওচৰৰ গোবৰ্ধন পৰ্বতৰপৰা উজাই আহি ইয়াতে শলা-বন্তি জ্বলাইছিল। পিছত তাতে সত্ৰ হয়।

শিৱসিংহ ৰজাই দিয়া ১৯২ বিঘা নিষ্পিখেৰাজ আছে।

## সিধপুৰ সত্ৰ

গেজেটিয়াৰমতে সৰিহা মৌজাত গৃহী ব্ৰাহ্মণ মহন্তৰ নিষ্পিখেৰাজ লগা সত্ৰ। হৰিদেৱী সত্ৰ।

## সীতাৰা সত্ৰ

দৰঙৰ খটৰাৰ লেচাকনীয়া গোবিন্দ আতৈৰ পৰিনাতি বাসুদেৱ ঠাকুৰ সত্ৰীয়া ভ্ৰাতৃ বনমালীদেৱৰ জৰিয়তে বৰ্তমান ৰঙিয়া ষ্টেশ্যনৰ এমাইলমান উত্তৰে সীতাৰা (প্ৰথম তাগুৰণত লিখামতে চিত্ৰা নহয়) সত্ৰ প্ৰতিষ্ঠিত হয়।

## সোণতলি সত্ৰ

পূব চমৰিয়া মৌজাৰ গবৈমাৰাৰ ওচৰত সোণতলি গাঁৱত। এতিয়া ব্ৰহ্মপুত্ৰই খহালে। দামোদৰী সত্ৰ।

## সোৰ সত্ৰ

হৰিহৰ আতাৰ বংশৰ হৰিবৰদেৱৰপৰা বঢ়া সত্ৰৰ উল্লেখ মাত্ৰ কথা গুৰুচৰিতত আছে।

## হৰিদেৱ সত্ৰ

গেজেটিয়াৰমতে চেঙা মৌজাত এই হৰিদেৱী সত্ৰ।

## হৰিপুৰ সত্ৰ

দক্ষিণ পাৰত। কেইবা পীৰিবো পাছত ছমৰিয়াৰপৰা বস্তি নি পতা হয়।

## হাতীমূৰা সত্ৰ

হাজোৰ ওচৰত পঢ়িয়া আতৈৰ বংশৰ সত্ৰ। কথা-গুৰুচৰিতমতে হৰিহৰ আতাৰ ভতিজা হৰিবৰৰপৰা এক হাতীমূৰা সত্ৰ হয়।

ৰঙিয়া চহৰৰ পাঁচ মাইল উত্তৰে বৰলীয়া নৈৰ পাৰত খটৰাৰ লেচাকনীয়া গোবিন্দ আতৈৰ বংশৰ বনমালীদেৱৰ দ্বাৰা স্থাপিত এখনি হাতীমূৰা সত্ৰ আছে, ৰাজেশ্বৰসিংহৰ দিনৰ ফলি আছে। ৩৬ পুৰা নিষ্পিখেৰাজ আছে। বছৰি দৌল হয়।

## হাবিলা সত্ৰ

এইখনি দামোদৰী সত্ৰ বকোৰ আঠ মাইলমান উত্তৰে।

## হালধিবাৰী সত্ৰ

সৰ্থেবাৰীৰপৰা অলপমান দূৰত সৰুক্ষেত্ৰি মৌজাত। হৰিদেৱী সত্ৰ। হৰিদেৱৰ শিষ্য কলিপদেৱৰ স্থাপিত।

**হুলিগাঁও**

মণিয়ৰিৰ ওচৰত।

**হাঁহদিয়া সত্ৰ**

দামোদৰী সত্ৰ ৰামদিয়াৰ ভিতৰত।

**হালধা সত্ৰ**

বৰপেটাৰ ওচৰত।

**হেৰেমদ সত্ৰ**

ই কথা-গুৰুচৰিতমতে হেড়ম্বেশ্বৰৰ ৰাজ্য, বোধহয় কোনোবা 'ৰজা-পোৱালি'ৰ ঠাই। ইয়াত মাধবদেৱ আছিল। নিজ-হেৰেমদৰ অলপ উত্তৰলৈ সৰু হেৰেমদ। দুইখন ঠাই দক্ষিণ পাৰত পলাশবাৰীৰপৰা আঠ মাইলমান দূৰত। কামৰূপৰ বোন্দা গাঁৱৰ পড়িয়া মাধব আতৈৰ ঘৰ দক্ষিণাপথত আছিল বুলি কি ভিত্তিত কোনোৱে কয়, নাজানি। মাধবদেৱে হেৰেমদত কিছু দিন আছিল আৰু তাত তেওঁৰ পদশিলা আছে বুলি জনা গৈছে। পড়িয়া মাধব আতৈৰ যি চৰিত পোৱা যায় সেইমতে তেওঁ বেলতলার ওচৰৰ বোদা (বোন্দা) গাঁৱৰ কায়স্থ ভূঞা মধুলমৰ পুত্ৰ। তেওঁ কিছুকাল সন্ন্যাসীৰূপে নানা তীৰ্থ ভ্ৰমণ কৰি মহেশ্বৰ চক্ৰবৰ্তী পৰ্বতৰপৰা পৰি মৰিবৰ যত্ন কৰাৰ পিছত হাতীমূৰা পৰ্বতে গৈ সুন্দৰীত মাধবদেৱৰ ওচৰত শৰণ লয়। মাধবদেৱৰ আজ্ঞামতে তেওঁ 'হেৰমেশ্বৰ'ৰ ঠাই হেরেমদত সত্ৰ পাতে। 'ব্ৰহ্মপুত্ৰ খোৱা দি কলহী নদী সোমাই কালদিয়া নদীয়েদি অনুক্ৰমে উজাই আহি হেৰামদ পাই।'

**ক্ষেত্ৰি সত্ৰ**

কথা-গুৰুচৰিতমতে হৰিহৰ আতাৰ ভতিজা হৰিবৰৰপৰা বড়া এক সত্ৰ।[৫]

---

৫ "কথা-গুৰুচৰি", *Assam District Gazetteers*, Vol. IV : Kamrup, 1905, *Brief Sketch of the Religious Beliefs of the Assamese People*, "কায়স্থ সমাজৰ ইতিবৃত্ত", বিবিধ চৰিতপুথিৰ উপৰিও এইসকলৰ সহায় পোৱা হৈছে : শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস (সুন্দৰীদিয়া), শ্ৰীকৃষ্ণপুৰী সন্ন্যাসী, শ্ৰীকণীন্দ্ৰনাথ কলিতা, কণাকুছিৰ শ্ৰীকুমুদচন্দ্ৰ বৰুৱা, শ্ৰীনৰনাৰায়ণ গোস্বামী, জাগাৰাৰ শ্ৰীউত্তমচন্দ্ৰ ডেকা, খুদিয়াৰ শ্ৰীগোবিন্দকৃষ্ণ গোস্বামী, শ্ৰীগণেশচন্দ্ৰ অধিকাৰী (বিহাৰাৰী, গুৱাহাটী)স, ডক্টৰ প্ৰফুল্লদত্ত গোস্বামী, শ্ৰীভগিৰী চৌধুৰী, শ্ৰীসুৰেন্দ্ৰনাথ ভাগৱতী, চেনিকুঠিৰ শ্ৰীপ্ৰতাপ তালুকদাৰ, শ্ৰীযাদৱ চন্দ্ৰ দাস (হাজীৰ ইতিবৃত্ত, "দীপিকা"), শ্ৰীমহেন্দ্ৰনাথ মহন্ত, চমৰিয়াৰ শ্ৰীঅচ্যুতকান্ত অধিকাৰী আৰু শ্ৰীখগেন বায়ন, শ্ৰীযোগেন্দ্ৰচন্দ্ৰ সৰকাৰ, দখিৰ শ্ৰীচিত্ৰ মহন্ত, শ্ৰীনন্দ তালুকদাৰ, শ্ৰীডিম্বেশ্বৰ মহন্ত (থুকুবিল, সোণাৰি), শ্ৰীমাধৱচন্দ্ৰ মহন্ত (কোকৰাবাৰ), শ্ৰীনীলকান্ত মহন্ত (বজিয়া), শ্ৰীহৰমোহন দাস ('সাধু কুৰৰাম মহন্ত'), শ্ৰীসূৰ্য মজুমদাৰ (পবিত্ৰ দখিণকুল, 'দখিণকোল')।

## চৈতন্য-পন্থী সত্ৰ

**উলুবাৰী সত্ৰ**

গেজেটিয়াৰমতে ধৰ্মপুৰ মৌজাৰ গৃহী ব্ৰাহ্মণ গোসাঁইৰ সত্ৰ, নিষ্পিখেৰাজ আছে। চমতাৰ ওচৰত বুলি জনা গৈছে।

**আল্লিবাৰী সত্ৰ**

এই সত্ৰ দক্ষিণ পাৰত। ইয়াত ৰাণীৰ ৰাজ্যেশ্বৰ ধৰ্মসিংহই পূবে কপাহঠেৰিয়া, পশ্চিমে খৰা আঁহত, উত্তৰে কায়স্থপাৰাৰ পুষ্কৰিণী দক্ষিণে পাৰ, দক্ষিণে কাণীখহনি, এই চাৰি হদৰ মাজত ধৰ্মোত্তৰ ভূমি দান কৰিছিল ১৫৮৩ শকৰ ১৪ ব'হাগত চৈতন্য-পন্থী নিত্যানন্দ আৰু চিন্তামণি গোস্বামীৰ নামত। চিন্তামণিদেৱৰে উত্তৰ পাৰৰ বৌমাৰিতো আশ্ৰম পাতে। পিছত আল্লিবাৰী সত্ৰ ধৰ্মপুৰ মৌজাৰ বেলশৰ আৰু গন্ধীয়া গাঁৱত বহে।

**মাজদিয়া সত্ৰ**

চৈত্যনীয়া নিত্যানন্দৰ বংশধৰ ৰামদেৱে হাজোৰ পশ্চিমে দৰিকাজানৰ পাৰত ৰামদিয়া গাঁৱত পঞ্চানন দ্বিজক মেধি পাতি সত্ৰ কৰি যায়।

**ৰামপুৰ সত্ৰ**

চৈতন্যীয়া নিত্যানন্দৰ বংশধৰ ৰামদেৱে বৰনগৰত এটি দ'ল সজাই সত্ৰ পাতি ভ্ৰাতৃপুত্ৰ বাসুদেৱক থাপি থৈ যায়। ৰামদেৱ ইয়াতে সমাহিত হয়।

**নলবাৰী সত্ৰ**

মাজৰদিয়া সত্ৰৰ পঞ্চানন দ্বিজৰ কন্যাৰ লগত বঙ্গৰ নিত্যানন্দৰ বংশধৰ ৰামদেৱৰ ভ্ৰাতৃপুত্ৰ বাসুদেৱৰ বিয়া হয়। এওঁলোকৰ বংশৰ মাধৱ কন্দলিয়ে নলবাৰীত সত্ৰ স্থাপন কৰে। গেজেটিয়াৰমতে খাতা মৌজাৰ এই সত্ৰৰ নিষ্পিখেৰাজ আছে।

**আনন্দপুৰ**

নিত্যানন্দৰ বংশধৰ বাসুদেৱৰপৰা কামৰূপত বঢ়া বংশৰ ভৱনাথে এই সত্ৰ পাতে।

**চামৰাৰাৰ সত্ৰ**

আনন্দপুৰৰ ভৱনাথৰ ভ্ৰাতৃ মহীধৰে মেচ আৰু কছাৰীসকলৰ মাজত এই সত্ৰ পাতে। এওঁ তিখাৰৰ নামে ভোটৰ উজীৰকো শিষ্য কৰিছিল, আৰু ভোটৰ মাজত লামা গুৰু বুলি খ্যাত হৈছিল। এওঁ বাৰাণসীৰপৰা আনি শ্যামৰায় নামে শ্ৰীমূৰ্তি স্থাপন কৰে।

৬ ৰজনাথ আৰু ৰেবানাথৰ "গুৰু-বংশাৱলী"ৰপৰা উলুবাৰীৰ বাহিৰে বাকী কেইখনি সত্ৰৰ নাম দিয়া হৈছে। আল্লিবাৰী সত্ৰৰ কথা এজন গোস্বামীৰপৰা পোৱা হৈছে। নলবাৰী সত্ৰৰ শ্ৰীপ্ৰতাপচন্দ্ৰ গোস্বামীয়ে দেৰগাঁৱৰ (গোলাঘাটৰ 'দেৰগাঁও সত্ৰ' চাওক) গোঁসাইৰ নামে চৈতন্যীয়া সত্ৰৰ কথা শুনিছিল বুলি জনাইছে।

**সাহান সত্ৰ**

আনন্দপুৰৰ ভৱনাথ আদিৰ ভগ্নী লক্ষ্মীপ্ৰিয়াৰ সন্ততিসকলে এই সত্ৰ পাতে।

**সন্ধেলীগাঁও সত্ৰ**

নলবাৰী সত্ৰৰ মাধৱ কন্দলিৰ তৃতীয় পুত্ৰ সন্তদেৱে এই সত্ৰ পাতে। ই মাখিবাহাৰ শিঙৰা সত্ৰৰ এমাইলমান পুবে।

**নাৰায়ণপুৰ সত্ৰ**

নলবাৰী সত্ৰৰ মাধৱ কন্দলিৰ চতুৰ্থ পুত্ৰ নাৰায়ণে লক্ষ্মীসিংহ স্বৰ্গদেৱৰপৰা চৈতন্যীয়া সৎসঙ্গী সত্ৰ পাতিবৰ কাৰণে পুবৰ দৰিকাজান আৰু পশ্চিমত নলঘুগ্ৰী, ইয়াৰ মাজত লেখা কৰাই মাটি লৈ এই সত্ৰ পাতে।

## সৎসঙ্গী মঠ বা সচং

**নন্দগাঁও মঠ**

হলিৰাম কাকতী নামে প্ৰাচীন কায়স্থ বংশৰ লোক এজনে ৰাজেশ্বৰসিংহৰপৰা ফলিকৰি "স্বৰ্গদেৱৰ পুণ্যাৰ্থে মঠঘৰ বান্ধি তেল-বন্তি জলাই অতিথি শুশ্ৰূষা কৰি থাকিবৰ নিমিত্তে" ৯৯।। পুৰা মাটি (কালাকুছি, দিপলেঙ্গে আৰু ওৰাৰা গ্ৰামত) ধৰ্মোত্তৰ কৰি পায় ১৬৮১ শকত।

**কাৰাকুছি (কালাকুছি) সৎসঙ্গী মঠ**

নন্দগাঁও মঠ প্ৰতিষ্ঠা কৰা হলিৰাম কাকতীৰ পুত্ৰ শ্যামনাৰায়ণে কালাকুছিত (আজি-কালিৰ, পুব কালাকুছিত) এই সৎসঙ্গী মঠ প্ৰতিষ্ঠা কৰে আৰু তেওঁৰ বংশৰ লোক তাৰে মেধি হোৱাৰ প্ৰথা হয়।

**খাতাবাৰী গোবিন্দপুৰ সৎসঙ্গী সত্ৰ**

শিৱসিংহ ৰজাই ১৬৬৪ শকত খাতা পৰগণাৰ খাতাবাৰী গোবিন্দপুৰ গাঁও ধৰ্মোত্তৰ কৰি ধ্বজনাৰায়ণ চৌধাৰীক দিয়ে। চৌধাৰীয়ে পদ্মনাভ নামে বিগ্ৰহ স্থাপন কৰি সত্ৰৰ মেধি হয়। মেজৰ জেনকিন্‌ছৰ দিনত খাতাবাৰী সত্ৰৰ ধৰ্মোত্তৰ লৈ আফিল হোৱাত চৰকাৰে কুৰি পুৰা মাটিৰ মাত্ৰ ধৰ্মোত্তৰ বাহাল ৰাখে নলবাৰীৰ ওচৰৰ বলাকুছিলৈ খাতাবাৰীৰপৰা যোৱা পথত খাতাবাৰী দৌলঘৰ আছে।

**চেঙা সৎসঙ্গী সত্ৰ**

১৬৬১ শকত শিৱসিংহ ৰজাই মধুৰাম পাটোৱাৰীক নানকৰ স্বত্ব কৰি চেঙাগাঁৱত ৩০ পুৰা মাটি এখন সৎসঙ্গী সত্ৰ পাতিবৰ বাবে দিয়ে। মধুৰাম তাৰ প্ৰথম মেধি।

### জালিমূৰা সৎসঙ্গী মঠ

শিৱসিংহ ৰজাই বৰুণ গাঁৱত (বৰ্তমান কালিমূৰা) ১৪০ পুৰা ধৰ্মোত্তৰ কৰি সৎসঙ্গী মঠৰ বাবে দিছিল। এতিয়াও এই জমি সিসকলৰ বংশৰ আছে।

### পকোৱাৰ সৎসঙ্গী সত্ৰ

নলবাৰীৰ ওচৰৰ পকোৱাৰ বিদ্যাপতি বৰুৱাই শিৱসিংহ ৰজাৰ দিনত সৎসঙ্গী মঠ পাতে, তেওঁৰ ভ্ৰাতুষ্পুত্ৰ জনাৰ্দনে মেঘনাৰায়ণৰ দিনত পকোৱাত চতুৰ্ভুজ শ্যামৰায় ঠাকুৰে প্ৰতিষ্ঠা কৰে।

### শুকাইকুছি সৎসঙ্গী মঠ

বৰক্ষেত্ৰি-পৰগণাৰ দয়াৰাম মেধিয়ে বাসুদেৱ মূৰ্তি প্ৰতিষ্ঠা কৰে। সত্ৰই আহোম ৰজাৰ নিষ্কৰ ভূমি লাভ কৰে, পিছত নিষ্পিখেৰাজ হয়।[৭]

### ভদ্ৰা ৰামকানু সৎসঙ্গী সত্ৰ

আগৰ খাতা মৌজা আৰু বৰ্তমান ভদ্ৰা গাঁৱত ৰাধাকানু সৎসঙ্গী সত্ৰ। সত্ৰৰ বুৰঞ্জী হেৰাইছে। শিৱসিংহ ৰজাৰ দিনতে সত্ৰৰ নামে ধৰ্মোত্তৰ পোৱা বুলি শুনা যায়। ১৮৩৫ চনৰ ৪ মাৰ্চ তাৰিখে জেন্‌কিন্‌ছ্ চাহাবৰ ওচৰত সত্ৰৰ মেধি সোমনাথ কোচে দিয়া মোকৰ্দমানৰ বিচাৰৰপৰা জনা যায় সত্ৰৰ নামে তেওঁৰ বংশই তেইশ পুৰা ধৰ্মোত্তৰ আৰু চাৰে চাৰিগোট পাইক পাই আহিছে, আৰু দয়াৰাম সত্তৰীয়া বৰুৱাই অবাবতে উক্ত মাটিৰ বাবে ২৪ আদায় কৰি নিয়ে। ১৮৩৭ চনৰ ২১ ছেপ্টেম্বৰত (১৭৫৯ শক ৬ আহিন) জেম্‌ছ্ মেথি চাহাবে ১০ পুৰা ধৰ্মোত্তৰ মাটি মানি বাকী মাটি খেৰাজ কৰি গোচৰ নিষ্পত্তি কৰে। ১৮৮২ চনৰ ৪ জুনৰ ফটিক চাহাবৰ পিয়লত সত্ৰৰ ৩৮৯১৪ লেচাৰ ঠাইত ৩৮৯১৮ লোচা পোৱা যায়। এতিয়া সামান্য মাটি মাত্ৰ আছে। ইয়াত দৌলপূজা সমাৰোহেৰে হয়।

### মৰোৱা সৎসঙ্গী সত্ৰ

নলবাৰী চহৰৰ পাঁচ মাইল দক্ষিণে মহন্তীয়া পথুৰ এই সত্ৰৰ সচং ঘৰ আৰু সুন্দৰ নামঘৰ আছে। শঙ্কৰদেৱৰ তিথি আড়ম্বৰেৰে পালন কৰা হয়। শিৱসিংহ ৰজাৰ দিনত নিষ্পিখেৰাজ লাভ কৰি বাসুদেৱ বিগ্ৰহ স্থাপন কৰি এই সৎসঙ্গী সত্ৰ পতা হয়। সত্ৰাধিকাৰৰ পূৰ্বপুৰুষ শ্ৰীহৰিদেৱ বংশীগোপালদেৱৰ শিষ্য। এওঁ বৰপেটাত থাকি তৃতীয় স্কন্ধ ভাগৱতৰ ১২২৮ সংখ্যক পদ কৰিছে। এই পুথিত দামোদৰদেৱৰ ভক্তিজীৱনৰ প্ৰধানমান আভাস দিয়া হৈছে আৰু শ্ৰীমন্ত শঙ্কৰক প্ৰশংসা কৰি তেওঁৰ যশস্যাৰ প্ৰতি অসহনশীলসকলক নিন্দা কৰা হৈছে।

---

৭ কায়স্থ সমাজৰ ইতিবৃত্ত, ৮০৬-৮০৮, ৩১৪-১৭, ৫৭৩-৭৪, ৬১৮, ৪৫২, ৪১৪ পিঠিকেইটা এই কেইখনি সৎসঙ্গী অনুষ্ঠানৰ কথা লেখা হৈছে।

### মাধাপুৰ সৎসঙ্গী সত্ৰ

বাঁহজানী মৌজাৰ মাধাপুৰ গাঁৱত ৰাজেশ্বৰসিংহৰ দিনত ভাস্কৰ পাটগিৰিৰ বংশৰ বণ্ডিয়াৰ ওচৰৰ খৰ্কটাৰ বক্তল্ল (ছান্দকুছীয়া) বুজৰবৰুৱা ('অগ্নিশালা সত্ৰ' চাওক) হৈ মাধুপুৰ গাঁৱত থাকিবলৈ লয় আৰু সৎসঙ্গী সত্ৰ পাতি তাৰ বাবদ ৰজাৰপৰা ২৪০ পুৰা ধৰ্মোত্তৰ লৈছিল।[৮]

### ক্ষুদ্ৰমাখিবাহা সৎসঙ্গী সত্ৰ

ক্ষুদ্ৰমাখিবাহাৰ বাসুদেৱ গোসাঁইঘৰত চতুৰ্ভুজ বাসুদেৱ বিগ্ৰহ আৰু গৰুড় পূজা হয়। লগতে বংশীগোপাল মূৰ্তি আদি আৰু শালগ্ৰামো আছে। কথিত আছে, লণ্ডাবৰগিৰীৰ পঞ্চম বংশধৰ, শঙ্কৰদেৱৰ সমসাময়িক বাসুদেৱ ৰায়চৌধাৰীয়ে বাসুদেৱ বিগ্ৰহ প্ৰতিষ্ঠা কৰে আহোম ৰজাৰ সহায়ত। নৰনাৰাণ ৰজাই ১৯৫ পুৰামান মাটি আৰু পাইক দিয়ে। শিৱসিংহ ৰজাৰ দিনত পেৰাকাকতত ই ভুক্ত হয় আৰু ব্ৰিটিংশৰ যুগত নিষ্পিখেৰাজ ধৰ্মোত্তৰ সাব্যস্ত হয়। লক্ষ্মীসিংহ ৰজায়ো কিছু ভোগধনি নিষ্কৰ মাটি দিছিল। সত্ৰৰ অধিকাৰ পদ নাই আৰু শিষ্য ভজোৱা নহয়। দৌল, জন্মাষ্টমী, পাচতি আদি বিশেষ উৎসৱ অনুষ্ঠিত হয়। শঙ্কৰ-মাধব-দামোদৰৰ তিথি পালন কৰা হয়। বাসুদেৱ ৰায়চৌধুৰীৰ শৰণীয়া সন্ত গুৰু দামোদৰদেৱ আৰু ভজনীয়া ভক্ত গুৰু শঙ্কৰদেৱ আছিল।

### বৰমাখিবাহা সৎসঙ্গী সত্ৰ

মাখিবাহাৰ ভট্টাচাৰ্য বংশ বা 'ডেকাথেৰ ঘৰ'ৰো এখনি সচঙ্গ আছে। এই বংশৰ ভৱকণ্ঠ ভট্টাচাৰ্যই ফুলেশ্বৰী কুঁৱৰীক সূতিকাৰোগত চিকিৎসা কৰি ভাল কৰা কাৰণে শিৱসিংহ স্বৰ্গদেৱে তেওঁক কবিৰাজ চক্ৰবৰ্তী উপাধি দি তামৰ ফলি কৰি সৎসঙ্গী ভকত পাইকে সৈতে নিষ্কৰ ভূমি দান কৰে। এওঁৰ পুতেক ৰামাচাৰ্য উপাধ্যায়ে প্ৰমত্তসিংহৰ ৰাণীক একে ৰোগৰ চিকিৎসা কৰা বাবে ৰজায়ো ১৬৭১ ফাগুনত নিষ্কৰ মাটি আৰু পাইক দান কৰে। এইখনি সত্ৰৰ শিষ্য আছে।[৯]

ম.নে.

### লাউপাৰাৰ সচং

হাজো অঞ্চলৰ লাউপাৰা গাঁৱত এই ভকতীয়া সচং। কামৰূপৰ ভকতৰ ভিতৰত লাউপাৰাৰ ভকত প্ৰধান আছিল। তাৰ পিছত অৰৰাৰ মূল ভকত তেওঁলোকৰ নাম

---

৮ শ্ৰীকবিচন্দ্ৰ মহন্তৰপৰা, শ্ৰীকণীন্দ্ৰ কলিতাৰ যোগে ডম্ৰাৰ শ্ৰীমোহনচন্দ্ৰ তালুকদাৰ, শ্ৰীউত্তম ডেকা (জাগৰা) আৰু শ্ৰীকুমুদচন্দ্ৰ বৰুবাৰপৰা পোৱা টোকা ব্যৱহাৰ কৰা হৈছে এই কেইখনি সৎসঙ্গী অনুষ্ঠানৰ বিৱৰণত। ম.নে.

৯ মাখিবাহাৰ সচং দুখনিৰ বিষয়ে শ্ৰীপ্ৰসন্ননাৰায়ণ চৌধুৰীয়ে (গুৱাহাটী) এটি দীঘলীয়া টোকা পঠাইছিল। ম.নে.

ভকতসকলৰ মাজত জনাজাত। সচঙত প্ৰত্যেক বছৰে বিভিন্ন সেবা হয়। নামঘৰ প্ৰসিদ্ধ; সিংহাসনখনি বিতোপন।

**নোৱাপাৰাৰ সচং**

হাজো অঞ্চলৰ এই সচং নোৱাপাৰা গাঁৱত। তাত সদায় ভকতসেৱা. পূৰ্ণসেৱা আদি হয়। সময়ে সময়ে তাত বহু ভকত গোট খায়হি। সচংবোৰত আগেই কৰ্ণিসেৱা আদিও চলিছিল। আজি-কালি ৰাতিৰ সেবা প্ৰায়ে উঠি গৈছে।

**ৰামদিয়াৰ সচং**

হাজোৰ উত্তৰে ৰামদিয়া গাঁৱত ভকতসকলৰ এখন সচং আছে। সচঙৰ সিংহাসন বিতোপন। ভকতসেৱা. পূৰ্ণসেৱা আদি আগেয়ে চলিছিল। আজিকালি নাম-প্ৰসঙ্গ আৰু তিথি আদিত নানা সমাৰোহ হয়। এই গাঁৱত ব'হাগ মাহত ভাঠেলি উৎসৱ হয়। বহু সংইৰপৰা মানুহ আহে।

**ভেৰভেৰী সচং**

ছয়গাঁৱৰপৰা ছমাইলমান উত্তৰে আৰু পলাশবাৰীৰপৰা দহ-এঘাৰ মাইলমান পশ্চিমে ইয়াৰ মূল ঘৰৰ ভেটি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত নাইকিয়া হোৱাত বৰ্তমানে ইয়াৰ চিন-চাব নোহোৱাৰ দৰেই হৈছে।[১]

**অৰৰা সচং**

অৰৰা গাঁৱৰ মহন্ত-চোপাত অৰৰাৰ ভকতীয়া সচং আছে। তাত সিংহাসন আছে। ভকতসেৱা, পূৰ্ণসেৱা, গৰখীয়াসেৱা আজিও হয়। সচংখনৰ এজন প্ৰধান ভকত আছিল নৰেশ্বৰ মহন্ত। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ বিধৱা মাকে সচং চলাই আছিল। তিথি-পৰ্ব নিয়মিতভাৱে পালন কৰে।

**সৰিহাতলী থান**

নলবাৰীৰ ওচৰতে এই থান সৰিহাতলী গাঁৱত। থানৰ প্ৰত্যেক বছৰে সভা হয়। নানা পৰ্বত নাম-প্ৰসঙ্গ আৰু যাত্ৰা, ওজাপালি আদি হয়। তালৈ অসংখ্য যাত্ৰী আহে। থানৰ যাৱতীয় কাম ৰাইজৰ দ্বাৰায় পৰিচালিত হয়।

ক.ক.

**বামুণদি সচং**

বামুণদিৰ সৎসঙ্গ স্থাপন হ'বৰ এশ বছৰ হ'ল। ভেৰভেৰী সৎসঙ্গৰ লগত ইয়াৰ বিশেষ সম্বন্ধ আছে। ই (হাতীমুৰা) বামুণদি গাঁৱত আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰে নিচেই পাৰতে লগা।

---

১ শ্ৰীহৰিনাথ শৰ্মাৰ টোকাৰপৰা।

**টিয়ামৰা**

দক্ষিণপাৰৰ লোহাৰঘাটৰ তিনি মাইলমান ওচৰত। ই সত্ৰৰ আৰ্হিৰ হ'লেও বলি-বিধান আদি হয়।

## নতুন সত্ৰ আৰু আশ্ৰম

গুৱালকুছিত জন্ম লাভ কৰি কাঞ্চননগৰত (কাটুৱা) হৃষীকেসৰ ভাৰতমঠৰ ভোলানাথ পুৰী পৰমহংসৰপৰা সন্ন্যাস গ্ৰহণ কৰা শ্ৰীকৃষ্ণৰূপী সন্ন্যাসীয়ে ঘাইকৈ মহাপুৰুষৰ মাতেৰে বৈষ্ণৱ ধৰ্ম প্ৰচাৰত প্ৰবৃত্ত হয় ১৯১৬ চনৰপৰা, আৰু এই কেইখনি থান প্ৰতিষ্ঠা কৰে — ৰামপুৰ সত্ৰ, কৃষ্ণপুৰী সত্ৰ (পলাশবাৰীৰ ওচৰৰ শৰপাৰাত), বংশীবাদন সত্ৰ (ৰামদিয়াত), মাধৱ আশ্ৰম (কালাগত), কল্যাণ আশ্ৰম (নগৰাপাৰৰ ওচৰত নৈনৈত), দলপাৰ সত্ৰ (নলবাৰীৰ ওচৰত), প্ৰবোধ আশ্ৰম (টিহুত)।

ৰণাকুছি সত্ৰ নামৰ উপৰবৰভাগৰ মৌজাত থকা দুখন সত্ৰৰ সম্ভেদ পোৱা গৈছে। এখনি অপতিবালা ডেকা নামে বিধৱা এগৰাকীয়ে ভিক্ষা কৰি আৰু নিজৰ সম্পত্তি দি হৰিদেৱৰ নামে পাতে। আনখনি কথিতমতে ভট্টদেৱৰ আজ্ঞাৰে কৈলাসদলৰ মাধৱ হুজুৰী নামে এজন খেতিয়কে পাতে।

## বৌদ্ধৰ স্থান

১৮৪৬ চনত ভুটীয়াৰ লগত ৰণ হোৱাত ৰণত ভুটীয়াক খেদি কৰ্ণেল কেম্বেল চাহাবে দেৱানগিৰি দখল কৰি ৪০০ চিপাহীৰ কোঠ মাৰ থাকে আৰু এই অঞ্চল ব্ৰিটিংশৰ কামৰূপ জিলাৰ অধীন হয়। ইয়াত এখন ভুটীয়া বৌদ্ধ গাঁও আছে। ইয়াৰ অধিষ্ঠান সমুদ্ৰপৃষ্ঠৰ ১৮০০ ফুট ওপৰত ভোট পাহাৰৰ এটা দাঁতিকাষৰীয়া পৰ্বতশাৰীত। আগৰ দিনত খোজ কাঢ়ি গ'লে দৰঙাৰপৰা তিনি বা চাৰে তিনিঘণ্টা লাগিছিল। পৰ্বতৰ কাষৰে কাষৰে কুৰিটা ৪০ ফুটমান ওখ স্তম্ভ। প্ৰত্যেক স্তম্ভৰ আগৰপৰা গুৰিলৈ বৌদ্ধ প্ৰাৰ্থনা লিখা কাপোৰ এচিটা বন্ধা থাকে। এই কাপোৰবোৰে পৰ্বতৰপৰা হো-হোকৈ নাম অহা বতাহত চটপ্ চটপ্ শব্দ কৰে। স্তম্ভশাৰীৰ মাজতে কলহৰ আকৃতিৰ প্ৰায় কুৰি ফুট ওখ এক শিলাস্তূপ কিছু কালৰ আগতে বুদ্ধদেৱৰ সম্মানাৰ্থে স্থাপিত হৈছে।[২]

## গুৰুদ্বাৰ

গুৱাহাটীৰ ফাঁচীবজাৰত চকুত লগা ঠাইত শিখ সম্প্ৰদায়ৰ মন্দিৰটি কিছু দিনৰ আগতে স্থাপিত হয়।

---

২ *Assam District Gazetteers*, Vol. IV : Kamrup, pp. 103-4

## দৰগাহ-মছজিদ

### পোৱামক্কা

হাজোৰ আটাইতকৈ ওখ টিলা গৰুড়াচলৰ ওপৰত মুছলিম জগতৰ পৱিত্ৰতম মক্কাৰ পৱিত্ৰতাৰ পোৱা ভাগ লৈ পোৱামক্কা অবস্থিত। এই ঠাইত এটি প্ৰাচীন মছজিদ আছে; তাৰ বেৰত ফাৰ্চী ভাষাত লিখা এখন লিপি বিদ্যমান। লিপিখনিমতে শ্ৰীশ্ৰীৰ শ্বাহনশ্‌্হাহ শ্বাহজাহানৰ ৰাজত্বকালত মীৰ লুট্‌ফুল্লা-ই-চিৰাজে ১০৫৭ হিজৰী অৰ্থাৎ ১৬৫৭ খ্ৰীষ্টাব্দত মছজিদটি নিৰ্মাণ কৰিছিল। লুট্‌ফুল্লা চিৰাজী হাজোৰ থানাদাৰ আছিল. মছজিদৰ সম্মুখত এটি প্ৰাচীন কবৰ আছে; সেইটি ষোড়শ শতিকাৰ ইছলাম-প্ৰচাৰক গিয়াছুদ্দিন আউলিয়াৰ কবৰ। এৱেঁই পোনতে হাজোত মুছলমান উপনিৱেশ আৰু পোৱামক্কাৰ মছজিদ স্থাপন কৰে; মীৰ লুট্‌ফুল্লাই তাক পুনৰ্নিৰ্মাণ মাত্ৰ কৰে। কথিত আছে, মছজিদৰ ভেটিৰ কাৰণে মক্কা ছৰিফৰপৰা অলপ মাটি অনা হৈছিল। চুজাবাদ খা [illegible] নতুন মছজিদৰ আধাৰশিলা আবুল ঘাজী চুজাউদ্দিন মহম্মদ শ্বাহ হাজোৰ শাসক থকা কালত লুট্‌ফুল্লাই স্থাপন কৰিলেও তেওঁৰ পুতেক নিয়ামতুলাইহে নিৰ্মাণ সম্পূৰ্ণ কৰে। আৰু কথিত আছে, গিয়াছুদ্দিনে কেদাৰনাথ মঠ ভাঙিবলৈ যাওঁতে খট্‌খটিতে তেজ বতিয়াই মৰে। হিন্দু-মুছলমান উভয়েই গিয়াছুদ্দিনৰ কবৰত সেৱা দি নানা মানসেৰে ওচৰৰ গছ বা খুটাত ডোল-ফহাটি বান্ধিছিল। (কামৰূপ বুৰঞ্জী, ১২১ পিঠি; *Assam District Gazetteers* : Kamrup, ১০১-০২ পিঠি; কোচবিহাৰেৰ ইতিহাস, ৪৮, ৬৮ পিঠি; সূৰ্যকুমাৰ ভূঞা, *The Annals of the Delhi Badshahate*, ১৭ পিঠি।)

### সিজুবাৰী দৰগাহ

বেলতলাহাটৰ ওচৰতে গনেশগুৰিৰপৰা আধামাইলমান ভিতৰতে এই দৰগাহ।

### গাড়ীগাঁও দৰগাহ

জালুকবাৰী অঞ্চলৰ গাড়ীগাঁৱত এটি দৰগাহ আছে। ইয়াত হজৰত জালালুদ্দিন তব্‌ৰেজিৰ সমাধি হয় বুলি কোৱা হয়।

### দুৰ্গাপুৰ দৰগাহ

বৰপেটাত দুৰ্গাপুৰ দৰগাহ

### ভেল্লা দৰগাহ

বৰপেটাৰ ওচৰৰ ভেল্লাৰ খোন্দকাৰপাৰা গাঁৱত আহোম ৰজাদিনীয়া চৈয়দ চাহনুৰ দেৱান ফকীৰৰ দৰগাহ।[৩]

৩ নলবাৰী কলেজৰ মঃ নিজাম আলিয়ে জনাইছে, গুৱাহাটীৰ ৰঙ্গকুকনে ফকীৰৰ কেৰামতি দেখি তেওঁক শ্ৰদ্ধাৰ চকুৰে চাইছিল। চন্দ্ৰকান্তসিংহৰ আমোলত ৰঙ্গকুকনে ফকীৰৰ নামত প্ৰায় এস বিঘা লাখেৰাজ মাটি দান কৰে। ফকীৰৰ বংশৰ লোক এতিয়া ওচৰৰ দৰ্গাহপুৰ (দুৰ্গাপুৰ) গাঁৱত আছে, সেই গাঁৱত কিন্তু সুকীয়া দৰগাহ নাই।

**ধমধমা দৰগাহ**

ধমধমাতো এটি দৰগাহ্ আছে বুলি জনা যায়। মোগল আক্ৰমণৰ সময়ত ইয়াত মোগলৰ সৈন্যদলৰ ছাউনি আছিল।[৪]

**পীৰপাল মছজিদ**

কামৰূপ ৰাজ্যত বহুত দিন মোগল বাদশ্বাহসকল থকা কাৰণে বিশেষকৈ পাটিদৰং আৰু মঙ্গলদৈৰ পাথৰিঘাট মৌজাত মুছলমানসকলৰ ঘন বসতি আজিলৈকে আছে। কমলপুৰ চাৰ্কেলৰ ভিতৰত মদাৰতলা মৌজাৰ টেঙাবাৰী পিয়ালীখাতা, পিয়ালীখাতা অঞ্চলৰে মীৰতলা আৰু ঢাকপাৰা, আৰু কৰৰা মৌজাৰ বাথান গাঁৱৰ পুৰণি মছজিদবিলাকে পীৰপাল জমি বহুত দিনৰপৰা ভোগ কৰি আহিছে। ইয়াৰ ভিতৰত বাথানৰ পীৰপাল আদালতৰ সহায়ত এবাৰ উদ্ধাৰ কৰিবলগীয়া হৈছিল।[৫]

**পাত্ৰপুৰ মছজিদ**

পাটিদৰং (এতিয়া কৰৰা) মৌজাৰ পিঙ্গলেশ্বৰ শিৱমন্দিৰৰ ওচৰৰ পাত্ৰপুৰ গাঁৱত মছজিদত এখনি পুৰণি কোৰাণ পুথি সংৰক্ষিত হৈছে। কথিত আছে, উক্ত মন্দিৰৰ কাষৰতে মাটিৰ তলত এটি পিতলৰ মূৰ্তি আৰু কোৰাণখনি পোৱা হয়। মূৰ্তিটি মন্দিৰত আৰু চামৰাৰ আৱৰণ লগোৱা কোৰাণখনি মছজিদত ৰখা হ'ল।[৬]

**পীৰপাৰা**

মিৰ্জা পাহাৰৰ পূবলৈ পীৰপাৰা নামে এখনি থান আছে। ওচৰত এতিয়া মুছলমান লোক নাই।

---

৪ মঃ নিজাম আলিৰ টোকা ঃ ধমধমাত পীৰ মীনাউদ্দিনৰ পকী মাজাৰ এটি আছে। এইজনা পীৰ স্থানীয় লোক বুলি জনা যায়। এওঁ ধমধমাত সজা মছজিদটোৱেই কামৰূপ জিলাৰ প্ৰথম মছজিদ বুলি অঞ্চলটোৰ লোকৰ বিশ্বাস। বৰ্তমান দৰগাহৰ নামত কোনো পীৰপাল মাটি নাই।

৫ ১৭০২ শকৰ ১০ আহিন তাৰিখে স্বৰ্গদেৱ লক্ষ্মীসিংহই এখনি তামৰ ফলি কৰি ৰজাৰ ফাৰ্চী-পঢ়ীয়া খেলৰ আনোৱাৰ হাজী ফকীৰ কামৰূপত খাতোৱাল মানুহে সমৰিতে মাটি-বৃত্তি দি চাৰিটি মকাম বা দৰগাহ্ ভোগ দখল স্বত্ব দিয়ে। মকাম চাৰিটি হ'ল — বাউসী পৰগণাৰ শ্বাহ মাদাৰ বৰমকাম, বৰনগৰ পৰগণাৰ শ্বাহ ফকীৰৰ মকাম, খেত্ৰি পৰগণাৰ পাঁচ পীৰৰ মকাম আৰু এক-চতুৰ্থাংশ হিচাপত হাজোৰ বৰমকাম (S.K. Bhyuan, *The Annals of the Delhi Badshahate*, p.151)

চান্দ মোহম্মদ চৌধুৰীৰপৰা (কামৰূপীয়া) পোৱা খবৰৰপৰা দৰগাহৰ টোকা যুক্ত কৰা হৈছে। ভেল্লা দৰগাহৰ কথা শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসৰপৰা পোৱা হৈছিল। ম.নে.

৬ মঃ নিজাম আলিৰ টোকাৰপৰা।

# গীৰ্জা

## ক্ৰাইষ্ট চাৰ্চ্

গুৱাহাটীত নানা মুকলি সভা-সমিতি বহা ঠাই চাৰ্চ্ ফিল্ডৰ এই গীৰ্জা স্থাপনৰ কোনো পুৰণি ইতিবৃত্ত পোৱা হোৱা নাই। কিন্তু গীৰ্জাত থকা যীশুৰ প্ৰেমৰ বাণী জ্ঞাপন কৰা (administration of the Sacrament) পবিত্ৰ ৰূপসমূহৰ পাত্ৰ (chalice) এই কথাআষাৰ খোদিত আছে — Presented to Chirst's Church, Gowhattty, Assam/by/Major James Matthie/A.D. 1845. গতিকে ১৮৪৪-৪৫ চনমানত গীৰ্জাটো প্ৰতিষ্ঠিত হোৱা সম্ভৱ। ১৮৯৭ চনৰ বৰভুঁইকঁপত পুৰণি গীৰ্জা বৰ বেছিকৈ ক্ষতিগ্ৰস্ত হয় আৰু তাক পুনৰ্নিৰ্মাণ কৰিবলগীয়া হয়। ভুঁইকঁপৰ পূৰ্বৰ মন্দিৰৰ আলোকছবি গীৰ্জাৰ সাজ-ঘৰত ৰখা হৈছে।[৭]

## এমেৰিকান্ বেপ্টিষ্ট্ মিছন্ গীৰ্জা

গুৱাহাটীৰ পাণবজাৰত এইটি অতি পুৰণি গীৰ্জাৰ নতুন ডাঙৰ ৰূপ দেখা যায়।

ম.নে.

৭ তেজপুৰৰ পাদ্ৰী এফ্. ৱাইল্ড আৰু ক্ৰাইষ্ট্ চাৰ্চৰ ৱাৰ্ডেন কে. ই. মেথুজাৰ পত্ৰৰপৰা সংগৃহীত।

# গোৱালপাৰা

**অভয়াদেৱীৰ দেৱালয়**

অভয়াদেৱীৰ দেৱালয় বিজনীৰ ৰাজধানী অভয়াপুৰীত। বিজনী ৰাকুলৰ অধিষ্ঠাত্ৰী অভয়াদেৱীৰ প্ৰতীক অষ্টধাতুৰে নিৰ্মিত বিগ্ৰহ। ৰাজকুল-পুৰোহিত ব্ৰাহ্মণ পূজাৰিয়ে দেৱীৰ পঞ্চোপচাৰে নিত্যপূজা চলায়। দুৰ্গাপূজা বা বাসন্তী পূজাৰ সময়ত কিন্তু ষোড়শোপচাৰে পূজা হয়। ইয়াৰ বাহিৰেও ৰাজধানীত থকা আন আন দেৱালয়বোৰ হ'ল — মদনমোহন-লক্ষ্মী-নাৰায়ণ, দুৰ্গাবাৰী, মনসাবাৰী, কালীমঙ্গলচণ্ডীবাৰী, বুঢ়ীঠাকুৰাণী, বাৰীঠাকুৰাণী আৰু চেংকাল মহাকালৰ মন্দিৰ। চেংকাল মহাকাল মন্দিৰৰ বিৱৰণ আন ঠাইত দিয়া হৈছে।

**আইথান**

দুধনৈৰ দক্ষিণ-পশ্চিমফালে পাঁচ মাইলমান দূৰৈত দেউৰীপাৰা নামৰ গাঁও এখনত আইথান আছে। আই বোলোঁতে কালী গোসানীকে বুজায়। দেৱী জাগ্ৰতা। মানুহ অনিয়মত চলিলে হেনো দেৱী কোপিতা হয় আৰু গোটেই অঞ্চলবাসীৰ অমঙ্গল ঘটায়।

**আইশাঁখাতীৰ থান**

সাপটগ্ৰাম ৰেলষ্টেশ্যনৰপৰা দুমাইলমান পূবে আইশাঁখাতী নামৰ টিলা এটাৰ ওপৰত আইশাঁখাতীৰ থান অৱস্থিত। এই দেৱী কালী গোসানীৰ ৰূপান্তৰ। ব'হাগৰ ৬ তাৰিখে ইয়াত পূজা হয় আৰু মেলা-উৎব বহে। সতীৰ শাঁখা ইয়াত পৰিছে বুলি লোক-প্ৰবাদ আছে। আগেয়ে এই দেৱীৰ মাহাত্ম্য সম্বন্ধে কিম্বদন্তী এটি আছে। পুৰণি কালত বিয়া আৰু পূজা আদিত অলঙ্কাৰ বা কাঁহী-বাটি আদি লৈ কোনো মানুহৰ টান হ'লে তেওঁ গধূলিতে দেৱীৰ থানলৈ গৈ প্ৰাৰ্থনা জনাই পিছদিনা পুৱা উঠি থানলৈ গৈ সেইবোৰ বস্তু পাব পাৰিছিল। মানুহজনে কিন্তু লেঠা মৰাৰ পিছত সেইবোৰ বস্তু ঠিক-ঠাকভাৱে আকৌ ওভতাই দিব লাগিছিল। এসময়ত এজন বামুণে সেইদৰে দেৱীত প্ৰাৰ্থনা জনাই বস্তু অনাৰ পিছত ওভতাই নিদিলে। বামুণে আৰু তেওঁৰ বহতীয়াই দুয়ো বস্তুখিনি ভাগ কৰি ৰাখিব বুলি ভবিলে। দুই এদিন পিছত যেতিয়া বামুণ আৰু বাসুৱা (বহতীয়া) ঠিক সেইফালেদিয়ে কোনোবা যজমানৰ ঘৰলৈ খোজ লৈছে, দেৱীয়ে ভয়ঙ্কৰ ৰূপ ধৰি দুইকো থানৰ কাষতে হেঁচা মাৰি ধৰি জীৱন শেষ কৰি দিলে। সিইতক বধ কৰা

ঠাইখিনিতে দুটা দ কুঁড় বা কুণ্ডৰ সৃষ্টি হ'ল। এয়ে থানৰ কাষত থকা আজিৰ বামুণকুঢ়া আৰু বাসুকুঢ়া। এই কুণ্ড দুটাৰ পানী বৰ দ। তেতিয়াৰপৰা আৰু দেৱীয়ে কাকো তেনেকুৱা কোনো বস্তু দি সহায় নকৰা হ'ল।

### আলোকঝাৰীৰ থান

মঠৰঝাৰ ৰেল ষ্টেশ্যনৰপৰা আঠ মাইলমান উত্তৰে আলোকঝাৰি নামৰ ঠাই এখনত আলোকজাৰি কালী গোসানীৰ থান আছে। ইয়াত সতীৰ পাদুকা পৰিছিল বুলি বুলি প্ৰসিদ্ধি আছে। ব'হাগৰ ৬ তাৰিখে ইয়াত পূজা আৰু মেলা-উৎসৱ হয়।

### কামাখ্যা থান

গোৱালপাৰাৰ দক্ষিণফালে থকা মাণিকাচৰত কামাখ্যা নামৰ এখন থান আছে. এই থান ক'লা নৈৰ পাৰৰ টিলা এটাৰ ওপৰত আছে। প্ৰবাদ আছে ইয়াত সতীৰ ভগাংশ পৰিছে। অম্বুবাচী আৰু দুৰ্গাপূজাৰ সময়ত দূৰ-বিদূৰৰ যাত্ৰী আহে।

### কালিকাপাটৰ কালীৰ থান

বঙাইগাঁৱৰপৰা চাৰি মাইলমান পূবে কালিকাপাটৰ পাহাৰৰ ওচৰত কালী গোসানীৰ থান। দুশাৰী পাহাৰৰ মাজৰ নিৰ্জন ঠাইত পাথৰৰ বিগ্ৰহ স্থাপিত। ব'হাগৰ ৬ তাৰিখে দেৱীৰ পূজা উৎসৱ হয় আৰু মেলা বহে। এই দেৱীৰ ওচৰত কামনা জনোৱা মানুহেই হেনো ফল নোপোৱাকৈ থকা নাই। দেৱীৰ পূজাৰি ছিপনছিলা গাঁৱৰ ৰাজবংশী মানুহ।

### কালী গোসানীৰ আন আন থান

গোৱালপাৰা জিলাৰ ইফালে সিফালে বহুতো কালী গোসানীৰ থান আছে। সেইবোৰৰ ভিতৰত তলত উল্লেখ কৰা কেইখন লেখত ল'বলগীয়া। কিছুমান ঠাইত দেৱী বেলেগ বেলেগ নামে অভিহিতা।

(১) কালী মঙ্গলচণ্ডীৰ এখন থান বৰ্বণগাঁৱত (বঙাইগাঁৱৰ ওচৰত) আছে। এই থানলৈ বিজনী ৰজাই দিয়া দেৱোত্তৰ মাটি আছে। দেৱীৰপূজা দুৰ্গাপূজাৰ সময়ত হয়।

(২) লেংটীয়া পাহাৰৰ কৈঁচাইখাতীৰ থান — ব্ৰহ্মপুত্ৰৰ সোঁপাৰে পাঁচনীয়া গাঁৱৰ ওচৰত লেংটীয়া পাহাৰ আৰু এই পাহাৰৰ ওপৰতে কৈঁচাইখাতী কালী গোসানীৰ থান। বহাগ বিহুৰ সময়ত পূজা আৰু মেলা বহে।

(৩) শালকোছাৰ নিয়োগীপাৰাৰ কালী থান — শালকোছা অঞ্চলত ইও এখন ডাঙৰ কালীৰ থান। কালীপূজাৰ সময়ত তিনিদিনীয়াকৈ ডাঙৰ মেলা উৎসৱ হয়। ব্ৰাহ্মণ পূজাৰিয়ে পূজা কৰে।

(৪) সৃজনগাঁও-খামাৰপাৰাৰ কালীৰ থান — এই থানখন খামাৰপাৰাত অনুমান দুশ বছৰীয়া পুৰণি ডাঙৰ বটগছ এজোপাৰ তলত আছে। দেৱীৰ মাহাত্ম্যতে হেনো এই গছডাল ইমান দিন জীয়াই থাকিব পাৰিছে। ১৮৯৭ চনৰ ডাঙৰ ভুঁইকঁপৰ সময়ত বিপন্ন

হোৱা পাঁচ-ছখন গাঁৱৰ মানুহ এই গছডালৰ তলত বহি আশ্ৰয় লৈছিল। যোৱা ১৯৫৪ চনৰ প্ৰবল ধুমুহাতহে এই গছডাল বাগৰি পৰিছে আৰু এতিয়া ই থানৰ ওচৰত পাহৰ-সদৃশ হৈ ৰৈ আছে। কালীপূজাৰ সময়ত এই থানত মেলা হয়।

(৫) উপৰতলাৰ কালী-মন্দিৰ — দুধনৈৰ উত্তৰে ছমাইলমান আঁতৰত উপৰতলা গাঁৱত এই কালী-মন্দিৰ। কালী গোসানীৰ প্ৰস্তৰ-নিৰ্মিত বিৰাট আকাৰৰ বিগ্ৰহ বেদীত বুকুৰপৰা ওপৰৰ অংশ দেখা যায়। শ্যামাপূজাৰ সময়ত ইয়াত সমাৰোহ হয় আৰু ডাঙৰ মেলা বহে।

(৬) কৃষ্ণাই-ভোজমালাৰ কালীৰ থান — কৃষ্ণাইৰপৰা চাৰি মাইলমান উত্তৰ-পূবে ভোজমালা (ভুজমলা?) নামক ঠাইত এই থান। বিজনী ৰজাই দিয়া দেৱোত্তৰ মাটি আছিল। সেৱায়েতে পূজা চলায়। দুৰ্গাপূজাৰ সময়ত বলি আদিৰে পূজা হয়।

(৭) বঙাইগাঁও-বৰপাৰাত কালীঠাকুৰাণীৰ থান। এসময়ত ইয়াৰ গোসানীৰো বৰ প্ৰভাৱ আছিল। কোনো মানুহ হেনো কেতিয়াও ইয়ালৈ অপবিত্ৰভাৱে যাব নোৱাৰিছিল। তেনে মানুহ তৎক্ষণাৎ তেজকে শৌচ-বমি কৰি তেতিয়াই আধ্যা পৰিব লগা হৈছিল।

(৮) বাঘেশ্বৰী পাহাৰৰ ওপৰত সিদ্ধেশ্বৰী কালী গোসানীৰ থান আছে। শ্যামাপূজা, শিৱৰাত্ৰি আৰু ব'হাগৰ ৯ তাৰিখৰ দিনা দহবিহু উপলক্ষে ইয়াত পূজা-অৰ্চনা মহাসমাৰোহেৰে হয় আৰু মেলা-উৎসৱ বহে।

**গণেশ-মন্দিৰ**

অভয়াপুৰীৰপৰা তিনি মাইলমান পূব-দক্ষিণে লালমাটি গাঁৱত এটি সৰু টিলাৰ ওপৰত প্ৰসিদ্ধ গণেশ দেৱতাৰ থান আছে। পুৰণিকালত গণেশ-বিগ্ৰহেৰে সৈতে ইয়াত এটা ডাঙৰ সুদৃশ্য মন্দিৰ আছিল। সুনিৰ্মিত প্ৰস্তৰ বিগ্ৰহ বিৰাটকায় গণেশ দেৱতা; আন আন বিগ্ৰহ, পাথৰৰ ওপৰত ধুনীয়াকৈ কটা পদুমৰ চকা আৰু সুদৃশ্য মন্দিৰৰ ধ্বংসাৱশেষ ইফালে-সিফালে সিঁচৰতি হৈ আছে। লালমাটি গাঁৱৰ মানুহে এই থানৰ পূজা চলায়; সেৱায়েত আছে। বিজনী ৰজাই দিয়া দেৱোত্তৰ মাটিও আছিল। বৰদা চতুৰ্থীত ইয়াত সমাৰোহেৰে পূজা হয় আৰু মেলা বহে।

**গৰমপানী শিৱাশ্ৰম**

গোৱালপাৰা জিলাৰ সৰ্ব উত্তৰে থকা হাতীজাৰৰপৰা সাত মাইলমান উত্তৰত ভোটান পাহাৰৰ ওপৰত গৰমপানী শিৱাশ্ৰম। হাতীজাৰ বজাৰৰপৰা উত্তৰৰ এই অঞ্চলটো ভোটান ৰাজ্যৰ অন্তৰ্গত। হাতীজাৰৰপৰা চাৰিমাইল উত্তৰলৈ গৈ পৰ্বতৰ মাজেদি নানা ভঙ্গিৰে বৈ অহা সুদৃশ্য আই নৈখন দেখিবলৈ পোৱা যায়। ইয়াতে নৈখন সাঁকোৰে পাৰ হৈ তিনিশাৰীমান চাপৰ পাহাৰ বগাই গৈ এই গৰমপানী শিৱাশ্ৰম পায়। গৰমপানী হ'ল গৰমপানীৰ কুণ্ড বা উঁহ আৰু ইয়াৰ পাৰত থকা শিৱ-প্ৰতিষ্ঠানেৰে সৈতে আশ্ৰমখন শিৱাশ্ৰম। ওচৰা-উচৰিকৈ তিনিটা গৰমপানীৰ কুণ্ড আছে। ওচৰতে চেঁচা

পানীবো কুণ্ড আছে। গৰমপানীৰ কুণ্ডবোৰৰ পানী ভালেমান গৰম। হঠাৎ পানীত নামোতে চোকাকৈয়ে গৰম অনুভব হয়; পিছতহে লাহে লাহে সহিব পৰা হৈ আছে। মানুহে ইয়াত গা ধুলে সাধাৰণ চৰ্মৰোগকে ধৰি দুৰাৰোগ্য কঠিন ৰোগৰপৰা পৰ্যন্ত মুক্তি পায় বুলি লোকে কয়। সেয়ে খৰালিকালত বহুতো যাত্ৰীয়ে ইয়াত গা ধুবলৈ আহে। ওচৰতে শিৱ-প্ৰতিষ্ঠানেৰে সৈতে আশ্ৰমখন। আশ্ৰমত সুমথিৰাৰ বাগিচা এখনিও আছে। আশ্ৰমত স্থায়ীভাৱে কোনো নাথাকে। কেতিয়াবা কেতিয়াবাহে দূৰ-বিদূৰৰ নেপালী সাধু আহি ইয়াত থাকে। জাৰকালি ভুটীয়াসকল এই বাটে পৰ্বতৰপৰা ভৈয়ামলৈ অহা-যোৱা কৰে।

### চক্ৰশিলা

গোৱালপাৰা জিলাত চক্ৰশিলা নামৰ দুটা পাহাৰ আছে। এটা যোগীঘোপাৰ এমাইলমান পশ্চিমে, আৰু আনটো শালকোছাৰ নিয়োগীপাৰাৰপৰা আঢ়ৈ মাইলমান দক্ষিণে। দুই পাহাৰতে ব'হাগ বিহুত অৰ্থাৎ ব'হাগৰ ৬ তাৰিখে পূজা-উৎসৱ হয়।

### চান্দ-ডিঙা

বিলাসীপাৰাৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পাৰতে চান্দডিঙা পাহাৰ। ইয়াত অশোকাষ্টমীৰ সময়ত বহুতো যাত্ৰীৰ সমাগম হয় আৰু মেলা বহে। পদ্মাপুৰাণৰ চান্দ সদাগৰৰ সাগৰত বুৰ যোৱা চৌদ্ধ ডিঙাৰ ভিতৰত ইও এখন বুলি কিম্বদন্তী চলি আহিছে। পাহাৰখন সঁচাকৈয়ে ডিঙাৰ আকৃতিৰ।

### চেংকোল মহাকালৰ মন্দিৰ

অভয়াপুৰীত চেংকোল মহাকাল মন্দিৰ অৱস্থিত। চেংকোল মহাকাল হ'ল মহাদেৱ। দেৱতাৰ প্ৰতীক হ'ল দুপাট বৰ্শা। বৰ্শাৰ ফলক আৰু নলাৰ মাজত একোছাকৈ জঁটা মেৰোৱা আছে। এই চেংকোল মহাকাল দেৱতাক লগত নোলোৱাকৈ বিজনী ৰজাই কেতিয়াও কোনো শোভাযাত্ৰাতে বাহিৰ নহয়। এই দেৱতাৰ প্ৰতীক থাকে শোভাযাত্ৰাৰ সকলোৰে আগত আৰু এই দেৱতাই পূজাও পায় সকলো দেৱতাৰ আগত। কথিত আছে, পূৰ্বে এই দেৱতা ভোট ৰজাৰহে আছিল। পিছত বিজনী ৰজা আৰু ভোট ৰজাৰ মাজত যুদ্ধ অৱসান হোৱাৰ পিছত পৰস্পৰৰ মাজত যি সন্ধি হয়, সেইমতে বিজনী ৰজাই ভোট ৰজাৰপৰা পৰম কুশলময় আৰু সৰ্বসিদ্ধ এই দেৱতা পায় আৰু ইয়াৰ বিনিময়ত বিজনী ৰজাই ভোট ৰজাক বছৰি শুকান মাছ দিব লাগে।

### টুক্ৰেশ্বৰী দেৱালয়

কৃষ্ণাইৰপৰা দুমাইল পশ্চিমে ট্ৰাংকৰোডৰ অলপ দক্ষিণত টুক্ৰেশ্বৰী পাহাৰত টুক্ৰেশ্বৰী দেৱীৰ দেৱালয় অৱস্থিত। টুক্ৰেশ্বৰী জগজ্জননী শক্তিদেৱীৰ ৰূপান্তৰ। পাহাৰৰ নামনিত দেৱীৰ পাদুকা-বাৰী, ভোগঘৰ আৰু নাটমন্দিৰ আছে। ওচৰতে এটা পুখুৰী আৰু সুদৃশ্য নিজৰা এটিও আছে। কিছু ওপৰত ক্ৰমে তিৰোতা দুৱৰী জয়া-বিজয়া আৰু

শিৱবাৰী পায়। শিৱবাৰীত শিৱলিঙ্গ আছে। ইয়াত ওপৰত চাল আৰু তলত চোতাল-সদৃশ হৈ থকা দুডোখৰ বহল পাথৰ আছে। তাত যাত্ৰীসকলে ভাল আশ্ৰয় পায়। গুহাৰ ভিতৰত শিৱলিঙ্গ। ইয়াৰ পিছত পঞ্চপাণ্ডৱ আৰু কাঙ্গলীৰ (কাঙ্গলী নামৰ দেৱীৰ) থান এৰি গৈ পাহাৰৰ ওপৰ ভাগত মন্দিৰেৰে সৈতে টুক্ৰেশ্বৰী দেৱীৰ সিদ্ধপীঠ পাই। সতীৰ ভগাংশ ইয়াতো পৰিছে। বাহিৰত বহল পাথৰ এচটাৰ ওপৰত মহাদেৱৰ সোঁ ভৰিৰ খোজ এটা পৰি আছে। যাত্ৰীৰ কাৰণে জিৰণিঘৰ আছে। দুৰ্গাপূজা আৰু বাসন্তীপূজাৰ সময়ত ইয়াত মহাসমাৰোহেৰে পূজা হয় আৰু বিৰাট মেলা বহে। দেৱালয়ৰ পূজাৰি ব্ৰাহ্মণ। এই দেৱালয় পৰিচালনাৰ্থে সেবায়েৎ, পুৰোহিত আৰু দেউৰী আদিলৈ বিজনী ৰজাই বহুতো দেৱোত্তৰ মাটি দিছে। জমিদাৰী অধিগ্ৰহণৰ পিছত বৰ্তমানে দেৱালয়ৰ পৰিচালনাৰ সমিতিৰ তত্ত্বাৱধানত চলিছে। এই পাহাৰত অসংখ্য বান্দৰ আছে। এসময়ত বান্দৰবোৰক ভোগ-প্ৰসাদ খাব দিয়াৰ সময়ত ভালদৰেই লক্ষিত হৈছিল যে সিহঁতে সঁচাকৈয়ে ৰজা-ৰাণীক মানি চলিছিল। ৰজা-ৰাণীয়ে আগেয়ে নোখোৱাকৈ আনবোৰে নাখাইছিল। বিজনী ৰাজ্যৰ ৰজাৰ ৰাজত্ব লোপ পোৱাৰ লগে লগে বান্দৰবোৰৰ মাজতো আজি কিছু বেমেজালি দেখা দিছে।[১]

১ এখন ক্ষুদ্ৰ নীলা পাহাৰৰ ওপৰত অৱস্থিত। গোৱালপাৰা চহৰৰপৰা ১৩ মাইল দক্ষিণ-পূবে। ওপৰলৈকে উঠাৰ কাৰণে অসুবিধাজনক ঠাইবিলাকত লোৰ জখলা দিয়া আছে। বৰ্তমানৰ মন্দিৰবিলাক বিজনী ৰজাই দিছিল। বৰ্তমানৰ মন্দিৰ প্ৰতিষ্ঠাৰ এটি ইতিবৃত্ত শুনিবলৈ পোৱা যায়। এসময়ত হেনো টুকুৰা নামে এজন মানুহে এই পাহাৰৰ ওচৰতে গৰু ৰাখিছিল। কেইদিনমানৰপৰা সি মন কৰিলে যে তাৰ পালৰপৰা এজনী দুগ্ধৱতী গাই দুপৰীয়া নাইকিয়া হৈ যায়, আকৌ সন্ধিয়া সময়ত পালত হাজিৰ হয়। টুকুৰাই গাইজনীলৈ লক্ষ্য ৰাখোঁতে দেখিবলৈ পালে যে গাইজনী পালৰপৰা গুচি পোনেই পাহাৰৰ ওপৰলৈ উঠি যায়। সি এদিনাখন গাইজনীৰ পিছে পিছে গ'ল। গাই একেবাৰেপাহাৰৰ চূড়া পালেগৈ। সি গৈ গছৰ আঁৰত লুকাই চাই দেখিলে যে গাইজনীয়ে একেবাৰে ওপৰৰ এখন চোতাল যেন বৃহৎ শিলৰ পূবকোণত গৈ থিয় হৈছে আৰু তাইৰ ওহাৰৰপৰা বাটিৰপৰা সৰসৰকৈ গাখীৰ ওলাই পৰিছে। গাইজনী এইদৰে গাখীৰ দিয়া হ'লত তাৰপৰা নামি আহিল আৰু টুকুৰাও পিছে পিছে নামি আহিল। এই ঘটনাৰ পিছৰপৰাই টুকুৰাৰ মনত উথল-পুথল লাগিল আৰু অৱশেষত এই সকলো কথা বিজনী ৰজাৰ ওচৰত ক'লে। ৰজাই এজন গৰখীয়াৰ কথা বিশ্বাস কৰিবলৈ টান পালে। টুকুৰা বিফলমনোৰথ হৈ ঘূৰি আহিল। ইয়াৰ পিছতে বিজনী ৰজালৈ স্বপ্নাদেশ হ'ল, এই পাহাৰত মন্দিৰ সাজি পূজা কৰিব লাগে। গতিকে ৰজাই অৱশেষত মন্দিৰ সজাই, দেৱোত্তৰ, ব্ৰহ্মোত্তৰ মাটি দান কৰি পূজা-সেৱাৰ ব্যৱস্থা কৰিলে। টুকুৰাৰ নাম অনুসৰি এই মন্দিৰৰ নাম ৰখা হয় টুক্ৰেশ্বৰী। আন এটা প্ৰবাদমতে জনা যায় যে এই পাহাৰৰ ওপৰত সতীৰ অঙ্গৰ কোনো এটুকুৰা পতিত হৈছিল। সেয়েহে পীঠস্থানৰ নামকৰণ টুকুৰা শব্দৰ পৰা হয় টুক্ৰেশ্বৰী। শব্দটোৰ এইটো জনশ্ৰুৎপত্তি। দুৰ্গা-পূজাৰ সময়ত ম'হ-বলি হয়। স্থানৰ বিষয়ে ইয়াতকৈ প্ৰাচীন ইতিবৃত্ত পোৱা নাযায়। এই মন্দিৰৰ অসংখ্য বান্দৰৰ ভিতৰত এটা দলপতি আছে। সি সৰাতকৈ ডাঙৰ। সি প্ৰসাদ গ্ৰহণ নকৰাকৈ আনবিলাকে একো নেখায়। দলপতিক বৰ সন্মান কৰি কণৰ বাটিত প্ৰসাদ দিয়া হয়। ইয়াক বান্দৰৰ ৰজা বোলা হয়। শ্যা.মা.

**দুধনাথ-দেৱালয়**

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে দুধনাথ নামে দুখন দেৱালয় আছে। এখন দেৱালয় বিলাসীপাৰাত আৰু আনখন যোগীঘোপাত। দুয়োখনেই শিৱমন্দিৰ (১) বিলাসীপাৰাৰপৰা আঢ়ৈ মাইলমান পূবে ব্ৰহ্মপুত্ৰৰ পাৰত দুধনাথ পাহাৰৰ নামনিত দুধনাথ মন্দিৰ আছে। ব্ৰাহ্মণ পূজাৰিয়ে দুধনাথ শিৱৰ নিত্যপূজা চলায়। বিজনী ৰজাই দিয়া দেৱোত্তৰ মাটি আছে। শিৱৰাত্ৰি আৰু অশোকাষ্টমীৰ সময়ত মহাসমাৰোহেৰে পূজা উৎসৱ হয় আৰু ডাঙৰ মেলা বহে। (২) যোগীঘোপাত ঠিক ব্ৰহ্মপুত্ৰৰ পাৰৰ পাহাৰৰ কষতে দুধনাথ দেৱালয়। মন্দিৰ-ঘৰ আছে আৰু ইয়াৰ ভিতৰত মহাদেৱ আৰু পাৰ্বতীৰ প্ৰকাণ্ড শিলত কটা মূৰ্তি আছে। শিৱৰাত্ৰি আৰু অশোকাষ্টমীৰ সময়ত যাত্ৰীৰ বিপুল সমাগম হয়। ব্ৰাহ্মণ পূজাৰিয়ে দেৱালয়ৰ পূজা চলায়। বিজনী ৰজাই দিয়া দেৱোত্তৰ মাটি আছে। বিজনী ইষ্টেটৰ বোবালিমাৰি মৌজাত আছে। ৰোবকাৰী নং ১৫৯ আৰু ১৬।১০।১২৬৭ মতে দেখা যায় এই দেৱালয়ৰ ২৮৪৩ বিঘা ধুৰ মাটি আগেয়ে দেৱোত্তৰ হিচাপে আছিল। দেৱালয়ৰ লগতে এখনি কালীৰ থানো আছে।

**নন্দেশ্বৰ-দেৱালয়**

নন্দেশ্বৰ-দেৱালয় নন্দেশ্বৰ পাহাৰৰ ওপৰত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে। ইয়াৰ পশ্চিম কাষেদি দুধনৈ নৈ গৈছে। নন্দেশ্বৰ পাহাৰৰপৰা এমাইল আঁতৰত বামুণপাৰা গাঁও। নন্দেশ্বৰ মহাদেৱৰে নামান্তৰ। এই দেৱতা অৰ্ধনাৰীশ্বৰ নামেও জনাজাত। ব্ৰাহ্মণ পূজাৰিয়ে নিত্য পূজা কৰে। শিৱৰাত্ৰি, দুৰ্গাপূজা আৰু দোলযাত্ৰাৰ সময়ত ইয়াত মহাসমাৰোহেৰে পূজা হয় আৰু বিৰাট মেলা বহে। মেলা উৎসৱ পাহাৰৰ নামনিত থকা ঘাঁহনি পথাৰখনত বহে। বহু ঠাইৰপৰা মানুহে আহি ভৰি পৰে। দৌল উৎসৱত দেওধানাচ হয়। মহাদেৱৰ দেওধাই আটাইতকৈ আগভাগ পায়। সমজুৱাৰ অনুৰোধত দেওধাই অহা বছৰৰ আগবতৰা জনায়। বিজনী ৰজাই দান কৰা দেৱোত্তৰ মাটি আছে। গোৱালপাৰা জিলাৰ ডেপুটী কলেক্টৰৰ ১৩।৩।১৮৫৫ তাৰিখে ৯নং ৰোবকাৰীমতে জনা যা যে এই দেৱালয়ৰ তলত বিঘা ৯১৯/৩/১৫ গণ্ডা জমি এতিয়াও আছে। এই দেৱালয় সম্বন্ধে এটি কাহিনী আছে। এসময়ত বামুণপাৰা গাঁৱত এজন দুখীয়া বামুণ আছিল। যজনাদি কাম কৰি তেওঁ কোনোমতে পেট প্ৰৱৰ্তাইছিল। তেওঁৰ এজনী গাঁৱতী গাই আছিল। গাইজনীক ঘৰৰপৰা নিতৌ চৰিবলৈ এৰি দিলে তাই ঘৰলৈ নাহে। সকু পোৱালিটো চেৰেলা পৰিল। এই কথাত গৃহস্থৰ মনত বেজাৰ লাগিল। ঘৰলৈ যেতিয়া গাইজনী আহে তেতিয়া তাইৰ সৰ্বশৰীৰ তিতা থাকে আৰু ওহাৰত গাখীৰ ভৰ হৈ নাথাকে। এদিনাখন বামুণজনে খং কৰি গাইজনীক ঘৰতেই এৰাল দি বান্ধি থাকিলে। সিদিনা পোৱালিটোৱে পেট ভৰাই গাখীৰ খাবলৈ পালে। ৰাতি বামুণে সপোনত দেখিবলৈ পালে, জ্যোতিৰ্ময় পুৰুষ এজনে তেওঁক ক'লে, "তুমি গাইজনীক আজি কিয়

বান্ধি ৰাখিছা? যদি তুমি কাইলৈ গাইজনীক এৰি নিদিয়া তেন্তে তোমাৰ নিশ্চয় অমঙ্গল হ'ব। তুমি মোক পূজিবলৈ ধৰাঁ, তোমাৰ মঙ্গল হ'ব।" পিছদিনাখন গাইজনীক অনিচ্ছাসত্ত্বেও পুৱাই এৰি দিলে আৰু মৰোঁ-জীওঁ-সোঁ-আধিকৈ সেই দুখীয়া বামুণ গাইজনীৰ পিছে পিছে যাবলৈ ধৰিলে। গাইজনী পোনেই নন্দেশ্বৰ পাহাৰমুৱা হ'ল আৰু নৈ পাৰ হ'ল। গাইজনীয়ে পাহাৰ বগাবলৈ ধৰিলে; পাহাৰৰ ওপৰত এঠাইত তাই য'ত থিয় হ'ল তাতে এজোপা বিৰিণা আছিল। সেই বিৰিণাজোপাত তাই গাখীৰ এৰি দিবলৈ ধৰিলে। সম্পূৰ্ণ গাখীৰ এৰি দিয়াৰ পাছত গাইজনী তাৰপৰা গুচি গ'ল। বামুণেও সকলো দেখি-শুনি ঘৰমুৱা হ'ল। তেওঁ ঘৰলৈ আহি ঘৈণীয়েকক অদ্যোপান্ত সকলো ক'লে। দুয়ো বহি আলোচনা কৰি স্থিৰ কৰিলে যে দেৱতাক পূজা কৰা অন্যায় কথা নহয়। তদুপৰি যদি সেই পূজা কৰোঁতে নিজৰ লাভ হয় তেন্তে স্বপ্নাদেশমতে চলিলে মঙ্গলৰ বাহিৰে অমঙ্গল নিশ্চয় নহ'ব। এই কথাকে সাৰোগত কৰি বামুণে গাইজনীয়ে গাখীৰ এৰি দিয়া ঠাইডোখৰ চাফ-চিকুণ কৰি নিত্যপূজা চলাবলৈ ধৰিলে। খৰালিকালত নৈত পানী নেথাকে। সেই কাৰণে নৈ পৰ হৈ পূজা কৰিবলৈ যোৱাত বামুণৰ কষ্ট নহয়। কিন্তু বাৰিষা যেতিয়া নৈত ঢল আহে আৰু ফেনেফোটোকাৰে নৈ উপচি পৰে তেতিয়া পাৰ হোৱা কঠিন হৈ পৰে। গতিকে নিত্যপূজা বন্ধ কৰিব লগা পৰে। পূজা বন্ধ হ'লে বামুণক মহাদেৱে সোধেহি — কিয় পূজা বন্ধ কৰা হৈছে। বামুণে জনালে, যদি তুমি নৈখন পাহাৰৰ পশ্চিম পিনেদি কৰি দিব পাৰা, তেন্তে মই বন্ধ নকৰাকৈ নিতৌ তোমাৰ পূজা চলাই থাকিব পাৰিম; নতুবা নোৱাৰিম।" কি আচৰিত কথা আহাৰ মাহত সোঁতা ধৰিলে। নৈখন উপচি পৰিল। মানুহ-গৰু পাৰ হৈ অহা-যোৱা কৰা বন্ধ হ'ল। পাহাৰৰ উনিৰ পিনে গৰাখহনীয়া আৰম্ভ হ'ল। এৰাতিৰ ভিতৰতে ডাঙৰ পৰিৱৰ্তন দেখা দিলে। পাহাৰৰ পশ্চিম পিনেদি নৈখনৰ গতি ঢাল খালে। পুবপিনে বালিৰে পোত খাই নৈ বন্ধ হ'ল। নৈ থকা নিদৰ্শনস্বৰূপে মাজত এডোখৰ ঠাইত এদা দ কুঁড় পৰি ৰ'ল। এতিয়া সেই কুঁড়ৰ পানী বিল এখনত পৰিণত হৈছে। ইয়াক শুকুৰাশাক বিল বোলে। বামুণৰ মনোবাঞ্ছা পূৰ্ণ হ'ল। দেৱতাৰ শক্তি আৰু মাহাত্ম্য চাৰিওফালে জনাজাত হৈ পৰিল। পাহাৰখনৰ ওচৰে-কাষৰে থকা গাঁওবিলাকৰ পৰা তিথিয়ে-পৰবে পূজা চলিবলৈ ধৰিলে। পাহৰখন মহাদেৱ বা নন্দেশ্বৰ নামে প্ৰখ্যাত হৈ পৰিল।

**নৰসিংহবাৰী**

গোৱালপাৰা নগৰীৰ পাহাৰখনৰ পশ্চিমফালে কিছু ওপৰত নৰসিংহবাৰী অৱস্থিত। এই মন্দিৰৰ ভিতৰত বিষ্ণু নৃসিংহ মূৰ্তি স্থাপিত। মন্দিৰত নিত্য পূজা চলে। বিহু আদি পৰবত নাম-কীৰ্তন আৰু উৎসৱ হয়। দেৱালয়ৰ খৰচ নিৰ্বাহ কৰিবৰ বাবে দেৱোত্তৰ মাটি আছে। প্ৰায়ে ইয়াত সাধু সন্ন্যাসীসকল আহি থাকে। আগেয়ে ইয়াত এজনা ভাল শাস্ত্ৰজ্ঞ মহন্ত বহুকাল ধৰি আছিল।

## নেতাই ধুবুনীৰ ঘাট

ধুবুৰীৰ উত্তৰ-পূব কোণে ব্ৰহ্মপুত্ৰ-গদাধৰৰ সঙ্গম-স্থলত 'নেতাই ধুবুনীৰ ঘাট' অৱস্থিত। নৈৰ পাৰত এখন প্ৰকাণ্ড আহল-বহল শিলৰ পাট। প্ৰবাদ আছে ধুবুৰী নেতায়ে ইয়াত কাপোৰ ধুইছিল আৰু ইয়াতেই তাই নিতৌ লগত অহা ল'ৰাটিৰ অতপালি সহিব নোৱাৰি তাক মাৰি থৈছিল আৰু নিজগুণে ওৰে দিনটো কাপোৰ ধুইছিল। গধূলিপৰত ঘৰলৈ উভতি যোৱা সময়তহে ল'ৰাটোক আকৌ জীয়াই তুলিছিল। এই ঘটনা দেখিয়ে সতী বেহুলাই মৃত স্বামী লখীন্দৰক জীয়াই তুলিব পাৰিব বুলি আশান্বিতা হ'ব পাৰিছিল। এই ঘাটৰপৰা উত্তৰ-পশ্চিম কোণে কিছু দূৰত গুঞ্জৰী (লোহিত) সাগৰৰ বুকুত সতী বেহুলাৰ কলৰ ভুৰখন হেনো আজিও দেখিবলৈ পায়। অৱশ্যে আজি সেই কলৰ ভুৰ গৌৰীপুৰ নগৰীৰ মাটিয়াবহ টিলা আৰু গুঞ্জৰী সাগৰ গদাধৰ নৈৰ বুকুহে। গদাধৰ নৈও বাম পৰি সেই ঠাইত আৰু নৈ হৈ থাকিব পৰা নাই। শোকাতুৰসকলে অশোকাষ্টমীৰ সময়ত ইয়াত গা ধুই প্ৰাণত শান্তি লাভ কৰে।

## পাগলাবাবা আৰু বুঢ়া-বুঢ়ীৰ থান

গোৱালপাৰা জিলাৰ বহুতো ঠাইত 'পাগলাবাবা', 'বুঢ়া-বুঢ়ী' আৰু 'বুঢ়ী ঠাকুৰাণী'ৰ থান আছে। পাগলাবাবা নামৰ থানবোৰৰ ভিতৰত পঞ্চৰত্নপাগলাটোক, লক্ষীগঞ্জ-গোপীগাঁও, কোকৰাঝাৰ আৰু বঙাইগাঁৱৰ পাগলাবাবাৰ থানেই উল্লেখযোগ্য। শিৱৰাত্ৰি আৰু ব'হাগ বিহুৰ সময়ত এইবোৰ থানত সমাৰোহেৰে পূজা আৰু মেল হয়। দক্ষিণ শালমৰা আৰু শালকোছা হাপাপাৰাৰ বুঢ়া-বুঢ়ীৰ থান আৰু বঙাইগাঁও ভাকাৰীভিটাৰ বুঢ়ী ঠাকুৰাণীৰ থানবোৰো পাগলাবাবাৰ থানৰ লেখীয়া। পঞ্চৰত্ন-পাগলাৰ-টেক পাহাৰত পাগলাবাবাৰ থানৰ বাহিৰেও ইফালে সিফালে এতিয়াও নানা প্ৰকাৰৰ মূৰ্তি বিগ্ৰহাদি সিঁচৰতি হৈ পৰি আছে। বঙাইগাঁৱৰ আনখন লেংটা পাগলাবাবাৰ থান নামে জনাজাত।[১]

## বৰুটবাৰী

গোৱালপাৰা নগৰৰ বজাৰৰ মাজত বৰুটদেৱৰ মন্দিৰ অৱস্থিত। বৰুটদেৱতা হ'ল মদাদেৱ। ৰাজহুৱাভাৱে এই দেৱতাৰ পূজা চলে। মাৰোৱাৰীসকলে এই মন্দিৰৰ পূজা-অৰ্চানত ভাগ লয়।

১ বুঢ়া-বুঢ়ীৰ থান : বজুলিৰপৰা চাৰি-পাঁচ মাইল উত্তৰ-পূবে। ওচৰৰ মানুহে ইয়াত শিৱ-গৌৰীক পূজা-সেৱা কৰে। শ্যা.না.
বুঢ়া ঠাকুৰৰ থান : সৃজনগ্ৰাম উন্নয়ন খণ্ডৰ অন্তৰ্গত কাজকজানা শলমাৰি পৰ্বত। ব'হাগত সাত তিথিৰ উৎসৱ হয়। ইয়াতে বুঢ়া-বুঢ়ীৰ থান।
মহাদেৱৰ থান : সৃজনগ্ৰামৰ নাৰিকলা পৰ্বতৰ দাঁতিত। কাতিমাহৰ শেষত মহাদেৱপূজা হয়।
ঠাকুৰাণীৰ থান : সৃজনগ্ৰামৰ নাৰিকলা গাঁৱত খানে বৈ যোৱা চেকপাতী নৈৰ পাৰত। দুৰ্গা পূজাৰ অষ্টমীত পূজা হয়। (শ্ৰীৰজনীকান্ত পাঠকৰ টোকাৰপৰা।)

**বাঘেশ্বৰী দেৱালয়**

বঙাইগাঁও নগৰীৰ পূব-দক্ষিণ কোণে বাঘেশ্বৰী দেৱালয় অৱস্থিত। দেৱালয়ৰ পূব-উত্তৰফালে অলপ আঁতৰত বাঘেশ্বৰী পাহাৰ আৰু পূবে নিচেই ওচৰতে বাঘেশ্বৰী ডোবা। এই দেৱালয়ত ব্যাঘ্ৰবাহিনী বাঘেশ্বৰী প্ৰতিষ্ঠিতা। দেৱীৰ প্ৰতীক এখন তৰোৱাল। ই সিংহাসন এখনৰ ওপৰত ৰক্ষিত। দেৱীৰ নিত্যপূজা আৰু সন্ধ্যা-আৰতি হয়। ইয়াৰউপৰি অম্বুবাচী, দুৰ্গাপূজা আৰু মাঘ বিহুৰ সময়ত হোমযজ্ঞেৰে, ষোড়শোপচাৰে পূজা হয়। দেৱালয়ৰ পূজাৰিক দেউৰী বোলে। দেউৰীসকলে পুৰুষানুক্ৰমে দেৱালয়ৰ পূজা চলাই আহিছে। এওঁলোক ৰাজবংশী মানুহ। এওঁলোকৰে এজন দেউৰী গৌৰী চৌধুৰী (সকলোৱে জানে গাৰিয়া চৌধুৰী বুলি) সময়ত দেৱালয়ৰ ঘৰ নতুনকৈ মেৰামত কৰা হয়। বিশেষ পূজাৰ সময়ত ব্ৰাহ্মণপূজাৰিয়ে হোম-যজ্ঞাদি কৰে। বিজনী ৰজাই দেৱোত্তৰ মাটি দান কৰিছে। ৰোবকাৰী ৩৩।।২ বিঘা ধুৰ দেৱোত্তৰ মাটি আছে। জমিদাৰী অধিগ্ৰহণ নোহোৱাৰ আগত বিশেষ পৰ্ববিলাকত বিজনী ৰজাৰপৰা এই দেৱালয়লৈ পূজাৰ যাবতীয় উপকৰণাদিৰ উপৰিও দুৰ্গাপূজালৈ তিনিটা পঠা, এটা খাহী ছাগলী আৰু মহানৱমীত বলি দিবলৈ এটাকৈ ম'হ আহিছিল। সম্প্ৰতি ইয়াত স্থানীয় ৰাইজে দেৱালয় কাৰ্যকৰী সমিতি পাতি দেউৰীৰ সহযোগিতাত সকলো কাৰ্য চলাইছে। বিজনীৰ ৰাণী অভয়েশ্বৰীদেৱীয়ে ১৯০৪ চনত এই মন্দিৰলৈ দিয়া তামৰ নাগৰা আৰু কাঁহৰ ঘণ্টা দেখিবলৈ পোৱা যায়। মানুহে দেৱীৰ ওচৰত কামনা কৰা অনুসাৰে ফল পায়। দূৰ-বিদূৰৰ যাত্ৰী ইয়ালৈ সকলো সময়তে আহি আছে। বিশেষকৈ দুৰ্গাপূজাৰ সময়ত ইয়াত বিপুল জনসমাগম হয়। ওচৰৰ বাঘেশ্বৰী পাহাৰত উত্তৰবাহিনী আৰু দক্ষিণবাহিনী দুটা প্ৰসিদ্ধ নিজৰা আছে। দেৱালয়ৰ সম্মুখত এটি উত্তৰবাহিনী জুৰি আছে। ই হেনো উত্তৰগঙ্গা। এই উত্তৰগঙ্গাৰ পানীৰে পূজিলেহে দেৱী প্ৰীতা হয়।[১]

---

১ বাঘেশ্বৰী দেৱী সম্বন্ধে এই অঞ্চলত তিনিটা আখ্যান শুনা যায় : (১) এজন খেতিয়কে এদিন কান্ধত ধানৰ ভাৰ এখন লৈ বীৰঝৰা জানটো পাৰ হ'বলৈ ধৰিছিল। তেওঁৰ ভাৰখন এপিনে পাতল হোৱাত জানৰ বুকুৰপৰা উধান হেন শিল এটি তুলি দি জান পাৰ হৈ ঘৰ পালে। তেওঁৰ ঘৈণীয়েকে সেই শিলটোকেই তিনিটা উধানৰ এটি উধান কৰি ধান সিজালে। ৰাতি মানুহজনে সপোনত দেখিলে বুকুত মেখনী মৰা ফুলাম খোপাৰে এজনী হৃষ্টপুষ্ট গাভৰুৱে মূৰশিতানত থিয় হৈ কৈছে, "তই মোক নিজৰাৰপৰা লৈ আহিলি, আকৌ মোক পুৰি কষ্ট দিলি। তই কালিয়েই ৰাতি পুৱালেই মোক নিজৰাৰ পানীত থৈ আহিবি। তোক মই যি ৰূপেৰেই দেখা দিওঁ, তই ভয় নকৰিবি। মোক তুলি আনি তই পূজা কৰি থাকিবি।" পিছদিনা পুৱা তেওঁ সপোনাৰ কথামতে জানটোত শিলটো পেলাই দি গা-পা ধুই থিয় হৈ দেখিলে যে এখন তৰোৱাল চিকমিককৈ পানীৰ তলে তলে উটি আহিছে। সি সেই তৰোৱালখন খাপ মাৰি ধৰি তুলি লৈ ঘৰ পালেহি আৰু হাঁহ-কুকুৰা-পাৰ কাটি বলি দি পূজা কৰিলে। সেই সময়ত হেনো এই অঞ্চলত বাঘৰ উপদ্ৰৱ আছিল। তৰোৱাল-ৰূপী দেৱীক বলি-বিধানেৰে পূজা দিয়াৰ পিছত তাত হেনো বাঘৰ উপদ্ৰৱ নোহোৱা হৈ

এই দেৱালয়ৰ ওচৰতে বাঘেশ্বৰী পাহাৰৰ ওপৰত সিদ্ধেশ্বৰী নামৰ আন এটি কালী গোসানীৰ থান আছে। শিৱৰাত্ৰি, বহাগৰ ৯ তাৰিখ (দহবিহু) আৰু শ্যামাপূজাত ডাঙৰ মেলা হয়।

**ভূমীশ্বৰ শিৱ-মন্দিৰ**

গোৱালপাৰা জিলাত ভৈৰৱৰ পিছতে ভূমীশ্বৰৰ দ্বিতীয় উচ্চতম পাহাৰ। বঙাইগাঁৱৰপৰা পাঁচ মাইলমান পশ্চিম-দক্ষিণ কোণে এই পাহাৰ উত্তৰা-দক্ষিণকৈ আছে। ইয়াৰ পূব দাঁতিত প্ৰস্তৰৰ শিৱমন্দিৰৰ ধ্বংসাৱশেষ আৰু আজিৰ ৰাজা ঠাকুৰ দেৱতাৰ থান আছে। ওচৰৰ আটুগাঁৱৰ মানুহে ব'হাগৰ ৬ তাৰিখে মহাসমাৰোহেৰে এই দেৱতাৰ পূজা-উৎসৱ পাতে। এই অঞ্চলত ৰাজা ঠাকুৰৰ পূজা এটা ডাঙৰ উৎসৱ। তেতিয়া এই দেৱতাৰ ওচৰত কামান কৰামতে কলপাত সহুনি দিব অহা আৰু নতুনকৈ বৰ খুজিব অহা দূৰ-দূৰণিৰ যাত্ৰী আৰু নানা দোকান-পোহাৰেৰে উৎসৱস্থলী ভৰি পৰে। ৰাজাঠাকুৰৰ কিম্বদন্তী এই — এসময়ত ইয়াত ৰাজাঠাকুৰ নামে এজন পৰম শিৱভক্ত ৰজা আছিল। তেওঁৰ সৰু ভায়েক আৰু ঘৈণীয়েক আছিল যথাক্ৰমে ভাওৰীয়া আৰু নিগমা বা নাককাটী। ওচৰতে ভাওৰীয়া আৰু নাককাটী নামৰ পাহাৰ দুটা আছে। নিগমা আছিল ভৈৰৱৰ জীয়েক আৰু নাককটা যোৱা বাবে নাককাটী নাম পায়। ৰাজাঠাকুৰে কিছুদিনৰ বাবে ভায়েক আৰু ঘৈণীয়েকৰ হাতত ৰাজ্য আৰু সংসাৰৰ সকলো ভাৰ অৰ্পণ কৰি কাশীলৈ যাত্ৰা কৰে। এই সুযোগতে দেওৰ আৰু বৌৱেকৰ মাজত অবৈধ প্ৰণয় ঘটি উঠে। ৰাজাঠাকুৰ যেতিয়া ঘৰলৈ ঘূৰি আহি সকলো কথাৰ গম পালে, তেওঁ খণ্ডতে ঘৈণীয়েকৰ নাক কাটি দিলে আৰু ভাওৰীয়াকো পূৱফালে কিছু দূৰলৈ খেদি নি কাটি দুডোখৰ কৰিলে। তেজেৰে ৰাঙলী পৰা হাত আৰু তৰোৱালখন ধুলে বুলিয়ে হেনো আজিও ওচৰৰ টুনীয়া নৈৰ পানী স্বাভাৱিকতে ৰঙা। পাহাৰৰ দাঁতিৰ মন্দিৰৰ ভগ্নাৱশেষ সম্ভৱ ৰাজাঠাকুৰৰে শিৱমন্দিৰ আছিল। কিন্তু কালক্ৰমত ৰজাৰ কীৰ্তিকাহিনীলৈ তেওঁক লোকে দেৱতা আখ্যান দি তেওঁৰ পূজা কৰিবলৈ ধৰিলে।

---

পৰিল। (২) সতীৰ দেহত্যাগৰ পিছত নাৰায়ণে চক্ৰেৰে সতীৰ দেহ ৫১ খণ্ড কৰি কাটি দিয়ে আৰু সেইমতে ৫১টি পীঠ হয়। গ্ৰন্থভেদে ৫০ আৰু ৫২টা পীঠ পোৱা কথাও পোৱা যায়। ইয়াত সতীৰ হাতৰ খৰ্গখন খহি পৰিলত বাঘেশ্বৰী দেৱী ৰূপে পূজিত হৈ আছে। (৩) মূলা গাভৰুৱে এটি নাৰী-বাহিনী লৈ মোগলৰ লগত ৰণ দিবলৈ আহোঁতে এক বীৰাঙ্গনা যুদ্ধত নিপাত হয়। তেতিয়া তেওঁৰ হাতত থকা তৰোৱালখন সৈন্যবাহিনীয়ে আদৰ-শ্ৰদ্ধা কৰি স্থাপনা কৰে। তিৰোতাজনীৰ নাম কি আছিল জনা নাযায়, কিন্তু বাঘৰ নিচিনা গাত বল-শক্তি থকাৰ কাৰণে মানুহে তেওঁক বাঘেশ্বৰী আখ্যা দিয়ে। (তিলক দাস, "অঙ্কুৰ", ১ম বছৰ, ৪ৰ্থ সংখ্যা)।

**ভৈৰৱ থান**

ভৈৰৱ গোৱালপাৰা জিলাৰ উচ্চতম আৰু বৃহত্তম পাহাৰ। ই বইটামাৰি ডিহিৰ পূবফালে। এই পাহাৰৰে টিঙত ভৈৰৱৰ থান। ভৈৰৱ মহাদেৱকে বুজায়। ভৈৰৱৰ লগত ভৈৰৱী, ৰাধা-কৃষ্ণ আৰু আন আন দেৱ-দেৱীৰো মূৰ্তি আছে। পাথৰৰ ওপৰত অঙ্কিত তাঁতশালৰ চিত্ৰ আৰু শিলৰ বাটি আদিও চাবলগীয়া বস্তু। আটাইবোৰেই পুৰণি কালৰ সুনিপূণ ভাস্কৰ্যৰ নিদৰ্শন।

ব'হাগৰ ৬ তাৰিখে ইয়াত মহাসমাৰোহেৰে পূজা হয় আৰু লগতে ডাঙৰ মেলা উৎসব বহে। দেৱতাত কামনা জনাবলৈ অহা যাত্ৰী আৰু দৰ্শকসকলেৰে তেতিয়া গোটেই থান ভৰি পৰে। এই থানৰ তত্ত্বাৱধানকাৰী সেৱায়েত ৰাজবংশী মানুহ; পুৰুষানুক্ৰমে ওচৰৰে ঢাকানবাৰি গাঁৱত বাস কৰি আহিছে। বিজনী ৰজাই সেৱায়েতক দিয়া দেৱোত্তৰ মাটি আছে। নানা গোলমালৰ কাৰণে এই মাটিৰ পৰিমাণ বৰ্তমানে মাথোঁ আঠ বিঘাতহে পৰিছে।

নৰনাৰায়ণ আৰু চিলাৰায়ৰ সময়ত হিন্দুধৰ্ম-বিদ্বেষী কালাপাহাৰে এই ভৈৰৱ থানো ধ্বংস কৰে। পিছত ৰাজভ্ৰাতৃযুগলে আকৌ কিছু পৰিমাণে ইয়াৰ সংস্কাৰ সাধন কৰে। তেওঁলোকেই হেনো বৰ্তমানৰ দেউৰী বংশৰ গুৰিপুৰুষ আন্ধল ৰাজবংশীক এই দেৱালয়ৰ দেউৰী পাতে। কালক্ৰমত দেৱোত্তৰ মাটিৰ দাবী লৈ আন্ধল দেউৰীৰ বংশধৰসকলে পিছত বহুত দীঘলীয়া মোকৰ্দমা কৰিব লগা হৈছিল। পিছত ১৮৬২ চনতহে দেউৰীৰ মাটিৰ দাবী প্ৰতিপন্ন হয় আৰু শেষত মুঠে আঠ বিঘাহে জমি কোনোমতে পায়।

**মহাদেৱৰ মঠ**

উত্তৰ শালমাৰা গাঁৱৰ দক্ষিণফালে মহাদেৱ পাহাৰৰ ওপৰত মহাদেৱৰ মঠ অৱস্থিত। ই শিৱমন্দিৰ নামেও জনাজাত। ই এটা গুহামন্দিৰ। মন্দিৰৰ ভিতৰত এটা শিলত শিৱৰ বিচিত্ৰ ভঙ্গিত এখাৰটা মূৰ্তি আছে। আন এটা শিলত পাৰ্বতী, লক্ষ্মী, সৰস্বতী আদি দেৱী আৰু মূৰ্তি আছে। বাহিৰত গণেশৰ এক অজৰীৰ শিলৰ মূৰ্তি আছে। ইয়াত ঘূৰণীয়া শিলত চক্ৰৰ নিচিনাকৈ খাপ খাপকৈ কটা শিৱৰ ধৰ্মাচক্ৰ বহা ধৰ্মপাট আৰু চাৰি-চুকীয়া আয়তাকাৰ পাথৰ (যজ্ঞপাট) আদি আছে। হোমযজ্ঞাদি মানুহে এই যজ্ঞপাটৰ ওপৰত কৰিব লাগে। পূৰ্বে ইয়াত থকা শিৱলিঙ্গটো সম্প্ৰতি দেউৰীৰ ঘৰৰ ওচৰত থকা মন্দিৰ এটালৈ অনা হৈছে। ইয়াতে ইয়াৰ পূজা হয়। এই প্ৰতিষ্ঠান অতি পুৰণিকলীয়া। বিজনীৰ ৰাণী অভয়েশ্বৰী দেৱীয়ে দেৱমন্দিৰ আৰু নাটমন্দিৰ সজাই দিয়ে, আৰু ১৯১৭ চনত বিগ্ৰহ স্থাপনৰ বাবে বহু কাৰুকাৰ্য খটোৱা সিংহাসন এখন কাশীৰপৰা আনি দিয়ে। ৰজাই দিয়া দেৱোত্তৰ মাটি আছে। এই মাটি দেউৰীৰ হাতত থাকে। দেউৰীসকল পুৰুষানুক্ৰমে দেৱালয়ৰ কাম চলাই আহিছে। এওঁলোক ৰাজবংশী মানুহ। চ'তৰ সংক্ৰান্তিৰপৰা ব'হাগৰ

৬ তাৰিখলৈ বিহু বা বিষমা লাগি ৬ তাৰিখত যেতিয়া ভাগে, সেই সময়ত ইয়াত ভাওৰ পূজা উৎসৱ হয় আৰু মেলা বহে। শিৱৰাত্ৰিৰ সময়তো পূজা হয়। মানুহ মাত্ৰেই এই থানত বাসনা কৰামতে ফল পায় বুলি এটা স্থিৰ বিশ্বাস দীৰ্ঘকালৰপৰা চলি আহিছে।

**মহমায়া পীঠ**

অসমৰ অন্যতম শক্তিপীঠ মহামায়া পীঠ পৰ্বতজোৱাৰ ইষ্টেটৰ বগৰীবাৰী নগৰীৰ উত্তৰ-পশ্চিমে আঢ়ৈ মাইলমান দূৰত অৱস্থিত। আজিৰ মনুষ্য-সমাগম-বহুল দিনতো দেৱীপীঠৰ অৱস্থান-ভূমিলৈ চাই সহজতে কল্পনা কৰিব পাৰি যে এসময়ত টিপকাই নৈৰ পশ্চিমফালে ডাঠ বননি আৰু ভয়ানক জন্তুৰে ভৰা নিৰ্জন বনভূমিৰ মাজত এই দেৱীপ্ৰতিষ্ঠান কিদৰে আছিল। পীঠস্থানত দেৱীৰ প্ৰস্তৰ বিগ্ৰহ মহামায়া নামেৰে প্ৰখ্যাত। দেৱীবিগ্ৰহ মৃৎভূমিৰপৰা উদ্ভূতা। লোকৰ বিশ্বাস, বিগ্ৰহ ক্ৰমেই মাটিৰ ভিতৰলৈ সোমাই যাব ধৰিছে। আগেয়ে যি পৰিমাণে দেখা গৈছিল, এতিয়া তাতকৈ কমি গৈ বুকু-...ৰপৰা ওপৰ অংশহে দেখা হৈ আছে। যি অংশ দেখা যায় ই ওখয় অন্ততঃ আঢ়ৈ ফুটমান হ'ব। ব্ৰাহ্মণ পূজাৰিয়ে প্ৰতিষ্ঠানৰ নিত্য পূজা চলায়। পূজা দিনত দশোপচাৰে হয় আৰু ভোগ দিয়া হয়। নিশাও আৰতিৰ সময়ত পঞ্চোপচাৰে পূজা হয়। চ'ত-ব'হাগৰ সাত বিহুত আৰু দুৰ্গা-পূজাত ষোড়শোপচাৰে পূজা-অৰ্চনা হয়। ইয়াত প্ৰায় প্ৰতিদিনেই পঠাছাগলি বলি পৰে। এই মহাপীঠৰ কামনা জনাই দুৰাৰোগ্য ৰোগীয়ে ৰোগৰপৰা মুক্তি পায় আৰু সন্তান-বিহীনসকলে সন্তান লাভ কৰে, আৰু যি কোনো লোকে বিপদৰপৰা হাত সাৰে বুলি সদায় স্থিৰ কৰে, আৰু যি কোনো লোকে বিপদৰপৰা হাত সাৰে বুলি সদায় স্থিৰ বিশ্বাস চলি আহিছে। সেয়ে দূৰ-বিদূৰৰ যাত্ৰী সদায় ইয়ালৈ আহে। দেৱ-পীঠৰ ওচৰতে 'বাঘভাওাৰ' বুলি এটা দ গুহা আছে। তাত সদায় বাঘ থাকে। অলপ আঁতৰত মহাদেৱৰো থান আছে। জগজ্জানী মহামায়া পৰ্বতজোৱাৰ জমিদাৰ বংশৰো কুলদেৱী। সুপ্ৰসিদ্ধ প্ৰজাৰঞ্জক জমিদাৰ হৰেন্দ্ৰনাৰায়ণ সিংহ চৌধুৰী, সুৰেন্দ্ৰনাৰায়ণ সিংহ চৌধুৰী আৰু জ্যোতিৰিন্দ্ৰনাৰায়ণসিংহ চৌধুৰীয়ে এই দেৱী-পীঠৰ অশেষ উন্নতি সাধে। কামৰূপৰ নলবাৰী অঞ্চলৰ নৱনাথ ব্ৰহ্মচাৰীৰ বংশৰ ব্ৰাহ্মণসকলেই এই পীঠৰ পূজাৰ কাম চলাই আহিছে। সাপটগ্ৰাম ৰেলষ্টেশ্যনৰপৰা ১০ মাইলমান দক্ষিণে এই পীঠ আছে।

**মাধৱ গোসাঁইৰ থান**

কোকৰাঝাৰৰপৰা চাৰি মাইল দক্ষিণে ভোটগাঁৱত মাধৱ গোসাঁইৰ (বিষ্ণু) থান। স্থানীয় লোকে এই দেৱতাৰ পূজা সদায় কৰে। 'থান-সত্ৰ' চাওক।

**যোগীঘোপা-পাহৰৰ গুহা-মন্দিৰ**

যোগীঘোপা পাহৰ ব্ৰহ্মপুত্ৰৰ সোঁপাৰে আৰু নৈখনৰ নিচেই ওচৰতে। পাহাৰখনৰ নাম অনুসৰি ইয়াৰ ওচৰত থকা গাঁওখনৰো নাম যোগীঘোপা হৈছে। ই বঙাইগাঁৱৰপৰা

২২ মাইল দক্ষিণে আৰু গোৱালপাৰালৈ যোৱা বাটৰ কাষতে পৰে। গোটেই পাহাৰখনতে নৈৰ কাষেদি পুৰণি কালৰ যোগী-ঋষিসকলে নিজঞ্চালে যোগ-তপস্যা কৰি থকা সুদৃশ্য গুহা-মন্দিৰবোৰ আছে। এনেকুৱা মন্দিৰ ছটা দৃষ্ট হয়। মানুহে কয় ইয়াত ১৮ টা ঘোপা আছে। বহুতো ঠাই এতিয়াও অগম্য। পূবফালে সুবাসনী নামৰ এটা ঘোপা আছে। ইয়াত এখন আহল-বহল শিলৰ চোতাল আছে। ইয়াত হেনো শিব-পাৰ্বতীৰ বিয়া হৈছিল। বিয়া-মণ্ডপত চাৰিওফালে কলপুলি পোতা গাঁতৰ চিন এতিয়াও শিলৰ ওপৰত ৰৈ আছে। পাহাৰৰ ওপৰত শিলত কটা এটা চাৰিচুকীয়া পুখুৰী আকৃতিৰ খাল আছে। ই দীঘে ডেৰ হাত আৰু পুতলে এহাত। ইয়াত পানী থাকে। দূৰ-দূৰণিৰ লোক এই গুহামন্দিৰ দৰ্শন কৰিবলৈ সদায় আহে আৰু দুধনাথ শিৱমন্দিৰত সেৱা জনাই যায়। ব্ৰহ্মপুত্ৰৰ বিপৰীত পাৰে থকা পঞ্চৰত্ন পাহাৰতো ঠিক এই লেখীয়া গুহামন্দিৰ আছে। পঞ্চৰত্ন ঘাটৰপৰা গোৱালপাৰালৈ যাওঁতে পাহাৰৰ পূবফালে এটা তেনে গুহামন্দিৰ ভালকৈ লক্ষ্য কৰিব পাৰি।

**ৰাজা সাৰাং (উগ্ৰভৈৰব)**

বাসুগাঁও ৰেলষ্টেশ্যনৰ এক ফাৰ্লংমান উত্তৰে। বিজয়া দশমীৰ দিনা সমাৰোহেৰে উৎসৱ হয়।

**লেংটিয়ানী ঠাকুৰাণীৰ (উগ্ৰভৈৰবী) থান**

বাসুগাঁও ষ্টেশ্যনৰপৰা পাঁচ মাইল আঁতৰত সিদলীৰ ৰাজধানী বিদ্যাপুৰ লেংটিয়ানী ঠাকুৰণী বা উগ্ৰভৈৰবীৰ থান। ব'হাগৰ ছদিনৰ দিনা সাতবিহু ভঙাৰ লগে লগে ইয়াত সমাৰোহেৰে পূজা হয়।

**ৰঘুনাথ আৰু জগন্নাথ দেৱতাৰ থান**

গোৱালপাৰা জিলাৰ বহুতো ঠাইত ৰঘুনাথ আৰু জগন্নাথ দেৱতাৰ থান আছে। ৰঘুনাথ দেৱতা ৰামচন্দ্ৰই। ৰঘুনাথৰ লগত লক্ষ্মণ আৰু সীতা। দেৱীও আছে। এই তিনি দেৱতাৰ বিগ্ৰহ পিতল ধাতু বা মাটিৰে নিৰ্মিত। প্ৰায় মন্দিৰতে দেৱতাৰ নিত্যপূজা হয়। দোলযাত্ৰাৰ সময়ত কিন্তু মহাসমাৰোহেৰে পূজা হয় আৰু সুৱলীৰ দিনা বিগ্ৰহবোৰক মেলা উৎসৱলৈ বাহিৰলৈ উলিওৱা হয়। সৃজনগ্ৰাম, বঙাইগাঁও আৰু টেঙাইগাঁৱৰ ৰঘুনাথ মন্দিৰ লেখত ল'বলগীয়া। সকলো ডাঙৰ পৰ্বদিনতে জগন্নাথ, বিষ্ণু দেৱতাৰ পূজা হয়। এইবোৰৰ ভিতৰত গোৱালপাৰা নগৰীৰ জগন্নাথবাৰী, মাজগাঁও আৰু ধনাগাঁৱৰ জগন্নাথ থান উল্লেখ কৰিবলগীয়া।

**শনি দেৱতাৰ মন্দিৰ**

বঙাইগাঁও বজাৰৰ মাজত শনি দেৱতাৰ মন্দিৰ। মন্দিৰৰ ভিতৰত শনিদেৱতাৰ বিগ্ৰহ স্থাপিত। মাৰোৱাৰী ব্ৰাহ্মণ পূজাৰিয়ে নিত্য পূজা_কৰে। প্ৰত্যেক শনিবাৰে

বিশেষভাৱেই পূজা হয়। ইয়াৰ এনেকুৱা নিয়ম যে পূজাত কাকো মতা বা নিমন্ত্ৰণ কৰা নহয়। ভক্ত বা অভিলাষী মানুহ মাত্ৰেই ইয়াত যোগাদান কৰে। মাৰোৱাৰী আৰু পশ্চিমীয়া মানুহক এই মন্দিৰত সেৱা জনোৱা দেখা যায়।

### শিৱলিঙ্গ আৰু শিৱমন্দিৰ

গোৱালপাৰা জিলাৰ বহুতো ঠাইত শিৱলিঙ্গ আৰু শিৱমন্দিৰ আছে। এই স্থানবোৰত যাইকৈ শিৱৰাত্ৰি আৰু ব'হাগবিহু উপলক্ষে ব'হাগৰ ৬ তাৰিখে সমাৰোহেৰে পূজা আৰু মেলা হ। এই পবিত্ৰানুষ্ঠানবোৰৰ ভিতৰত এইবোৰ প্ৰধান — অভয়াপুৰী শিৱপুৰ, অভয়াপুৰীৰ ওচৰৰ লুণ্ডাই পাহাৰ, আৰু পাগলাৰ-টেক পাহাৰৰ পাগলাবাবাৰ থানৰ ডেৰ মাইলমান আঁতৰত থকা বৰভিটা। এইবোৰ ঠাইত শিৱলিঙ্গ আছে। লুণ্ডাই পাহাৰত কালী গোসানীৰ বিগ্ৰহো আছে।

বঙাইগাঁও নগৰী, বঙাইগাঁৱৰ সন্ন্যাসী পাহাৰ, বাসুগাঁও, কাকৈজানাশলমাৰি, নহটামাৰি মালীগাঁৱৰ যোগাশ্ৰম, গোৱালপাৰা জিলাৰ সৰ্ব উত্তৰে থকা সৰভাং, লক্ষীপুৰ আৰু লক্ষীপুৰৰ ৪ মাইল উত্তৰে থকা জলেশ্বৰত একোটাকৈ শিৱ মন্দিৰ আছে। জলেশ্বৰৰ শিৱ-মন্দিৰ জল্পেশ্বৰৰ মন্দিৰ বুলি জনাজাত।

### শ্ৰীসূৰ্যপাহাৰ-শস্তবীশ্বৰ[১]

গোৱালপাৰা নগৰীৰ আঠমাইলমান দক্ষিণ-পূবে শ্ৰীসূৰ্যপাহাৰ। ওচৰতে ডুবাপাৰা গাঁও। এই পাহাৰখন চাৰিওফালে অসংখ্য বিগ্ৰহ আৰু মূৰ্তিৰে ভৰা। অনুমান হয় আৰু বহুতো তেনে বিগ্ৰহ হয়তো পাহাৰ তলত অনাবিষ্কৃত অৱস্থাতে এতিয়াও আছে। ইয়াত থকা অসংখ্য শিৱলিঙ্গবোৰৰ উপৰিও দ্বাদশভূজা দুৰ্গামূৰ্তি, গণেশ, সূৰ্য আৰু চন্দ্ৰাদি

১ শ্ৰীসূৰ্য : কথিত আছে যে ইয়াত হেনো এটা কম এক লাখ শিৱলিঙ্গ আছে। ব্যাসদেৱে হেনো ইয়াত কাশী ৰচনা কৰিবৰ মানসে ইমানবিলাক মূৰ্তি কটাইছিল। সেই কাৰণে এই পাহাৰক এতিয়াও ব্যাসকাশী বুলি জনা যায়। ইয়াত বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি আছে। হিন্দু দেৱ-দেৱীৰ মূৰ্তিৰ উপৰিও বুদ্ধদেৱৰ মূৰ্তিও দেখিবলৈ পোৱা যায়। এই পাহাৰত সাতটা চূড়া আছে। সেই কাৰণে ইয়াৰ আন এটা নাম সাতালী পৰ্বত। যিখিনি ঠাইত বৰ্তমানে বেছিকৈ মূৰ্তি দেখিবলৈ পোৱা যায় তাৰ চাৰিওপিনে এটা সুদৃঢ় গড়খাৱৈৰ স্পষ্ট চিন দেখিবলৈ পোৱা যায়। বুজিব পাৰি যে এই বিগ্ৰহবিলাক সুৰক্ষিত আছিল। গড়খাৱৈৰ ভিতৰতে এটা প্ৰকাণ্ড ইটাৰে পকী কৰা পুখুৰীৰ চিনো আছে। প্ৰত্যেক বছৰে মাঘী পূৰ্ণিমাত ইয়াত ডাঙৰ মেলা হয়। এই তীৰ্থস্থানৰ দায়িত্ব বৰ্তমানে এখন সমিতিৰ হাতত আছে। এই তীৰ্থস্থানৰ নিকটতে থকা কোদালধোৱা আৰু মৰনৈ গাঁৱত অনেক প্ৰাচীন পুখুৰী আৰু পকী ঘৰৰ ভগ্নাৱশেষ দেখিবলৈ পোৱা যায়। এই সকলোবিলাক স্মৃতি-চিন লক্ষ্য কৰিলে অনুমান হয় যেন একালত ইয়াত কোনোবা মহান ৰাজবংশৰ ৰাজধানী আছিল আৰু ৰাজপৰিয়ালেসকলেই ইয়াত নিত্যৌ পূজা-সেৱা চলাইছিল। শ্ৰীসূৰ্যপাহাৰ সম্পৰ্কে "ৰামধেনু"ৰ ৮ম বছৰ ৩য় সংখ্যাত এটি বৰ্ণনামূলক প্ৰবন্ধ প্ৰকাশ হৈছিল। সম্পা.স.

দেৱতাৰ বিগ্ৰহ আৰু মূৰ্তি আছে। সুদৃশ্য নিজবায়ো পাহাৰৰ দৃশ্য মনোৰম কৰি তুলিছে। মাঘী পূৰ্ণিমাত ইয়াত মহাসমাৰোহেৰে পূজা হয় আৰু ডাঙৰ মেলা উৎসৱ বহে। সেই সময়ত দূৰ-বিদূৰৰ যাত্ৰীৰে এই ঠাই ভৰি পৰে। পঞ্জিকাত আঁকা গণনা সম্বন্ধীয় চক্ৰাকাৰ চিত্ৰৰ নিচিনা ইয়াৰ নামনিত নানা ৰেখাদি অঙ্কিত যি এডোখৰ শিল আছে, ইয়াক চাই ধাৰণা হয়, ইয়াত এসময়ত জ্যোতিষবিদ্যাৰ চৰ্চা ভালদৰেই হৈছিল। বহুতে ইয়াক শ্ৰীসূৰ্য দেৱতাৰ প্ৰতীক বুলিও কয়; সেয়ে ইয়াৰ নাম শ্ৰীসূৰ্যপাহাৰ। শ্ৰীসূৰ্যপাহাৰৰ উত্তৰে ব্ৰহ্মপুত্ৰৰ পাৰতে দেৱালয় থকা আন এখন পাহাৰ হ'ল মহাদেৱ। ইয়াত শম্ভেকশ্বৰ (শম্ভবীশ্বৰ) শিৱৰ দেৱালয় আছে। শিৱৰাত্ৰিত পূজা আৰু মেলা হয়। ইয়াৰ পূজাৰি ব্ৰাহ্মণ। বিজনী ৰজাই দেৱোত্তৰ মাটি দিছে।

**হৰি-হৰ-মন্দিৰ**

বঙাইগাঁও নগৰীত হৰি-হৰ-মন্দিৰ অৱস্থিত। ইয়াত হৰি (বিষ্ণু) আৰু হৰ (মহাদেৱ)ক নিচেই ওচৰা-উচৰিকৈ প্ৰতিষ্ঠা কৰা হৈছে। সদৌ বঙাইগাঁও নগৰীৰ ৰাইজে ৰাজহুৱাভাৱে দুয়ো অনুষ্ঠানৰ পূজা চলায়। সদায় দূৰ-বিদূৰৰ যাত্ৰী আহি দেৱতা দৰ্শন কৰে। ব্ৰাহ্মণ পূজাৰিয়ে নিতৌ পূজা চলায়। শ্ৰীকৃষ্ণৰ ঝুলনযাত্ৰাৰ সময়ত ইয়াত সমাৰোহ হয়। শিৱৰাত্ৰি উপলক্ষেও উৎসৱ হয়।

**ষো.স.**

**মামা-ভাগিন শিল**

গোৱালপাৰা চহৰৰপৰা ৪ মাইল দক্ষিণ-পূৰে ৰাক্ষসিনী নামে শিলাময় পাহাৰৰ নামনিৰ দুটা প্ৰকাণ্ড শিলকেই মামা-ভাগিন শিল বোলা হয়। কিছু দিনৰ আগলৈকে ইয়াত এখন আশ্ৰম আছিল, এতিয়া নাই। তথাপি ওচৰৰ মানুহে ইয়াক পবিত্ৰ থান বুলি পূজা-সেবা কৰে।

**দুধ কৌৱৰৰ থান**

ধুপধৰাৰ ওচৰৰ আমবাৰী গাঁৱৰ ওচৰত এই থান। এই থানত দুধেৰে পূজা কৰিলে হেনো বাঞ্ছিত ফল লাভ কৰিব পৰা যায়। এটা শিলৰ ওপৰত গাখীৰ ঢালি দিয়া হয়। সেই কাৰণে ইয়াক দুধকৌৱৰৰ থান বোলা হয়। হিন্দু-মুছলমান উভয়ে এই থানৰ মাহাত্ম্যত বিশ্বাস কৰে।

**গোৰক্ষ পাহাৰ**

বংজুলিৰপৰা দুই-তিনি মাইল দক্ষিণে গাৰো পাহাৰৰ সংলগ্ন কিছুমান পাহাৰৰ ভিতৰৰ এটা গোৰক্ষ পাহাৰ বোলা হয়। ইয়াত কোনো মূৰ্তি নাই। কিংবদন্তীমতে জনা যায় ইয়াতো হেনো গুৰু গোৰক্ষনাথে আশ্ৰয় লৈছিল। সেই কাৰণে আজিও ইয়াক গোৰক্ষ পাহাৰ বুলি জনা যায়।

**শ্ৰীৰামচন্দ্ৰৰ থান**

ৰংজুলিত শ্ৰীৰামচন্দ্ৰৰ থান বোলা এটা মন্দিৰ আছে। ভিতৰত শ্ৰীৰামচন্দ্ৰৰ পাথৰৰ মূৰ্তিৰ অলপ দেখা যায়। এই থানৰ পূজা ৰাজহুৱাভাৱে কৰা হয়। এই অঞ্চলৰ হিন্দুৰ ভিতৰত সকলো সম্প্ৰদায়ৰ মানুহে ইয়াত পূজা কৰে। ইয়াত হোৱা হোলি উৎসৱ বিশিষ্ট ধৰণৰ। গোৱালপাৰা মহকুমাৰ দক্ষিণ পাৰৰ ভিতৰত ইয়াতেই হোলিৰ সময়ত মানুহৰ ভিৰ বেছি। কথিত আছে, শ্ৰীৰামচন্দ্ৰই ইয়াতে হোলি খেলিছিল ৰঙৰ জুলি কান্ধত লৈ। সেই কাৰণেই শ্ৰীৰামচন্দ্ৰৰ থান আৰু ৰংজুলি নামৰ উদ্ভৱ হয়।

**কিল্লা থান**

কৃষ্ণাইৰপৰা দুমাইল উত্তৰে কৃষ্ণাই নদীৰ কাষত থকা এখন ভগৱতীৰ থান। এসময়ত হেনো বিজনীৰ ৰজাই গোৱালপাৰা মহকুমাৰ এই অঞ্চলটো প্ৰতিৰক্ষাৰ হেতুকে এই ঠাইতে কিল্লা বা দুৰ্গ পাতিছিল। এতিয়াও অজস্ৰ ইটাৰ ভগ্নাৱশেষ ইয়াত দেখিবলৈ পোৱা যায়। বৰ্তমানে ঠাইখণ্ড জাৰ-জংঘলেৰে ৰখি পৰিছে। সেয়েহে এইখিনি ঠাইক কিল্লাঝাৰ বোলা হয়। জয়লাভৰ চিন স্বৰূপে শাক্তধৰ্মী বিজনী ৰজাই ভগৱতীৰ পূজা কৰিবৰ কাৰণে ইয়াতে এই থান পতাৰ কথা শুনা যায়। টুক্ৰেশ্বৰী পূজাৰ লগে লগে ইয়াতো পূজা কৰা নিয়ম। সকলো ধৰ্মালম্বীলোকে এই থানক বৰ শ্ৰদ্ধাৰে চায়।

**মহাদেৱ পাহাৰ**

শ্ৰীসূৰ্যপাহাৰৰ অতি নিকটতে অৱস্থিত এই মহাদেৱ পাহাৰত অলেখ শিলত কটা শিৱলিঙ্গ আছে। প্ৰত্যেক শিৱৰাত্ৰিতেই ইয়াত ডাঙৰ মেলা হয়।

**চিতলমাৰি**

ৰংজুলিৰ ছমাইলমান উত্তৰ-পূবে অৱস্থিত এখন সৰু পাহাৰ। ইয়াত এটা খুব প্ৰকাণ্ড শিল আছে। মানুহে ইয়াক জপোৱা শিল বোলে। কিংবদন্তীমতে জনা যায় ইয়াত হেনো এজনী দেৱকন্যা আছিল। বিবাহৰ সময়ত আকাঙ্ক্ষীজনে ইয়াত প্ৰাৰ্থনা কৰিলে বাঞ্ছিত বস্তু-বাহানি অলৌকিকভাৱে লাভ কৰিছিল। কালৰ গতিত মানুহ ভ্ৰষ্টাচাৰী হোৱাত এতিয়া একো নাপায়। তথাপি এই অঞ্চলৰ মানুহে এতিয়াও এই থানক শ্ৰদ্ধা-ভক্তি কৰে। এই পাহাৰৰ নিজৰাৰ শিলৰ চেপাত হেনো এটা চিতল মাছ আৰু এটা মেকুৰী আছে। সেই কাৰণে এই পাহাৰৰ নাম চিতলমাৰি পাহাৰ।

**ভোজমালা শিৱমন্দিৰ**

কৃষ্ণাইৰপৰা তিনি মাইল উত্তৰে ভোজমালা গাঁৱৰ ওচৰতে এটি শিৱমন্দিৰ আছে। এই মন্দিৰটিৰ প্ৰতিষ্ঠাতা আৰু পৰিচালক হাবৰাঘাট যোগী (নাথ) সমাজ। নাথসকলে শিৱক আৰাধ্য দেৱতা হিচাপে পূজা কৰে। নাথ সম্প্ৰদায়ৰ সমাজ শৃঙ্খলা ৰক্ষাৰ ই এটি অনুষ্ঠান। বছৰি শিৱৰাত্ৰিৰ সময়ত ইয়াত দুদিনীয়াকৈ ডাঙৰ মেলা হয়।

**বগুৱান জগন্নাথ-মন্দিৰ**

লক্ষীপুৰৰপৰা ছমাইলমান উত্তৰ-পূবে থকা বগুৱান গাঁৱত এটি জগন্নাথ মন্দিৰ আছে। বগুৱান অঞ্চলৰ নাথ সমাজ ইয়াৰ প্ৰতিষ্ঠাতা আৰু পৰিচালক। বছৰি মাঘ মাহত হোৱা পূৰ্ণিমা তিথিত ইয়াত দুদিনীয়াকৈ ডাঙৰ মেলা হয়।

শ্যা.না.

**চিলা ঠাকুৰণীৰ মন্দিৰ**

অভয়পুৰী চহৰৰপৰা আঢ়ৈ মাইলমান পশ্চিমে চৌকাটী গাঁৱত এই মন্দিৰ অৱস্থিত। এই মন্দিৰত শিলৰ নিৰ্মিত এটা ডাঙৰ আৰু এটা সৰু দেৱীমূৰ্তি আছে। মূৰ্তি দুটাৰ কপালত সোণ আৰু ৰূপৰ ফোঁট আছে। ইয়াৰ কাষতে এটা শিলত কটা পদুমৰ চকা আছে। প্ৰবাদ আছে যে, এই মন্দিৰত গৈ যি কোনো লোকে বৰ প্ৰাৰ্থনা কৰিলে অতি কম সময়ৰ ভিতৰতে ফল পাইছিল। গাঁৱতে কেইঘৰমান মুছলমান লোক আছে। তেওঁলোকে যদি কেতিয়াবা গো-মাংস ভক্ষণ কৰিছিল তেতিয়া দুই-এদিনৰ ভিতৰতে তেওঁলোকৰ মাজত মহামাৰি দেখা দিছিল। শেষত তেওঁলোকে মন্দিৰৰ দেউৰীৰ হতুৱাই পূজা দিয়াতহে মহামাৰি শাম কাটে। প্ৰতি বছৰে মাঘৰ সংক্ৰান্তি, ব'হাগৰ সংক্ৰান্তি, অম্বুবাচী আৰু দুৰ্গাপূজা নৱমী তিথিত পূজা হয়। এই পূজাৰ সকলো খৰচ আগতে বিজনী ৰজাই বহন কৰিছিল। বৰ্তমান ৰাইজে চলায়। উক্ত মন্দিৰটো আজি বহুত বছৰ আগতে বিজনী ৰাজ্যৰ ৰজাই নিৰ্মাণ কৰিছিল।[১]

## কছাৰীসকলৰ পূজা-সেৱাৰ থলী

**মাৰৈ-থান**

গোৱালপাৰাৰ দুধনৈক কেন্দ্ৰ কৰি কেইবাখনো গাঁৱৰ থানত বছৰত প্ৰায় দুবাৰকৈ মাৰৈ-পূজা হয়। সচৰাচৰ বাৰিষাৰ আৰম্ভণিতে এবাৰ পূজা হয়। শাৰদীয় দুৰ্গাপূজাৰ সময়তো কিছুমানে মাৰৈ পূজা কৰা দেখা যায়। পূজাৰ কোনো নিৰ্দিষ্ট তাৰিখে ধৰা-বন্ধাকৈ নাই। দুধনৈৰ আশে-পাশে থকা মণ্ডলগ্ৰাম, বগুলামাৰি, খাৰা আদি গাঁৱৰ থানত মাৰৈ পূজা প্ৰতিবছৰে হয়। পূজাৰ লগতে মেলা বা সভা বহে। বগুলামাৰিৰ মাৰৈ-পূজা অঞ্চলটোৰ ভিতৰতে উল্লেখযোগ্য সমাৰোহেৰে পতা হয়। মাৰৈ-পূজাৰ লগতে ওজাপালি গীত অনুষ্ঠানৰ অপৰিহাৰ্য সম্বন্ধ আছে। মাৰৈ-পূজাত মঞ্চ বা মজু সজা হয়। বলি-বিধানৰ ব্যৱস্থা আছে।

**বুঢ়ী ঠাকুৰাণীৰ থান**

শিৱপ্ৰিয়া পাৰ্বতী দেৱীৰ থানৰেৰ 'আই-থান' নাইবা বুঢ়ী ঠাকুৰাণীৰ থান নামে জনা

১ চৌকাটীৰ শ্ৰীৰুনীভূষণ ৰায়ৰ টোকা।

যায়। প্ৰায়বোৰ থানতে বছৰৰ তিনি বাৰকৈ পূজা হয়। এবাৰ বাৰিষাৰ আগে আগে, দ্বিতীয়বাৰ শাৰদীয় দুৰ্গাপূজাৰ নৱমী তিথিত আৰু তৃতীয়বাৰ দৌলযাত্ৰাৰ দিনা পূজা হয়। দুধনৈ অঞ্চলৰ দহেলা, পাহিদল, পাহাৰতলী আৰু দেউৰীপাৰা আদি গাঁওসমূহৰ থানবোৰত পূজা সমাৰোহেৰে চলে। দেউৰীপাৰাৰ আই-থানৰ পূজা এই অঞ্চলতে খ্যাত। কোনো মূৰ্তি থাপনা কৰা নহয়। বলি-বিধানৰ ব্যৱস্থা আছে।

**কালী-থান**

কালীথানবোৰত কালী-মূৰ্তি স্থাপন কৰা হয়; পাৰ্থক্য এইখিনিয়েই যে এই পূজাও বছৰত দুবাৰকৈ অনুষ্ঠিত হয়। দহেলা, জনাইমাৰি, উপৰতোলা আদি গাঁৱত কালীৰ থান আছে। জনাইমাৰি গাঁৱৰ কালী পূজা দৌলযাত্ৰাৰ সময়তো হয়। এই পূজাতো বলি-বিধান হয়।

**মহাদেৱৰ থান**

মহাদেৱৰ থানবোৰত সাধাৰণতে দৌলযাত্ৰাৰ সময়তহে পূজা-উছৰ্গা কৰা হয়। আন সময়ত হোৱা পূজা সিমান উল্লেখযোগ্য নহয়। দহেলা, মাটিয়া (মহাদেৱৰ পাহাৰ), থেকাছু আদি গাঁৱত এনে ধৰণৰ থান আছে। ইয়াতো বলি-বিধান দিয়ে।

দৰংগিৰি, আমজোঙা আদি অন্যান্য গাঁৱতো কিছুমান দেৱ-দেৱীৰ থান আছে। লক্ষীপুৰত বুঢ়া-বুঢ়ীৰ থান আছে; তাত পূজা আৰু মেলা হয়; ইয়াত মহাদেৱ আৰু তেওঁৰ ভাৰ্যা দুয়োজনকে পূজা কৰে।

**দাওখা ৰজাৰ বান্ধ**

গোৱালপাৰাৰ উত্তৰপাৰে বাসুগাঁৱৰ দক্ষিণে ঢলপুৰ গাঁৱত ভুবনেশ্বৰী পাহাৰত দাওখা ৰজাৰ বান্ধ (জান) আছে; এই বান্ধৰ পানী আনি বেমাৰী ল'ৰা-ছোৱালীক খুৱায় আৰু তেতিয়া আৰোগ্য হয় বুলি সেই অঞ্চলৰ বড়ো-কছাৰী বাইজে বিশ্বাস কৰে। সেই দাওখা ৰজাৰ বান্ধত গাহৰি, কুকুৰা আদি বলি-বিধানেৰে পূজা কৰে।

**ফাৰোগুৰা খোৰোং**

কোকৰাঝাৰৰ তিনি মাইল আঁতৰত ফাৰোগুৰা (পাৰঘূৰা) নামে ঠাইত শিলৰ খোৰোঙত জাক পাতি কিছুমান পাৰ চৰাই থাকে; এইবোৰক দেও-পাৰ বুলি স্থানীয় বাইজে ভাবে। অপায়-অমঙ্গল আঁতাৰবলৈ এই পাৰৰ উপলক্ষে পূজা-পাতল দিয়ে।

**ন নগৰ**

কোকৰাঝাৰৰ উত্তৰে থকা হলটুগাঁৱৰপৰা আঠ-ন মাইল আঁতৰত থকা কোচ ৰজা বিশ্বসিংহৰ স্মৃতি-বিজড়িত চিকলাঝাৰৰ (ছিখ্লাঝাৰ) ওচৰত ন নগৰ নামে এখন ঠাই আছে। ইয়াত চিকাৰীসকলে পূজা-পাতল দিয়ে আৰু তেতিয়া তেওঁলোকে বেছি

পৰিমাণে চিকাৰ পায় বুলি বিশ্বাস চলি আহিছে।[১]

প্ৰ.ভ.

## থান-সত্ৰ

### ছত্ৰশাল সত্ৰ

শঙ্কৰদেৱ পাটবাউসীত থকা সময়ত তেৰাৰ ভায়েক ৰামৰায় তেতিয়াৰ ধুবুৰীৰপৰা কোচবিহাৰলৈ যোৱা বাটৰ কাষৰ আৰু সোণকোষ নৈৰ পাৰৰ এখন নিজগুলীয়া ঠাইত থাকিবলৈ লৈছিল আৰু তাত এখন সত্ৰ স্থাপন কৰিছিল। এয়ে মহাপুৰুষীয়া ছত্ৰশাল সত্ৰ। ইয়াতেই চিলাৰায়ে ৰামৰায়ৰ জীয়েক কমলপ্ৰিয়া বা ভুবনেশ্বৰীক বিয়া কৰাইছিল। মহাৰাজ নৰনাৰায়ণে এই সত্ৰলৈও নিষ্কৰ মাটি দান কৰিছিল। দানৰ মাটি লৈ মৌজাখনৰ নাম আজিলৈও 'ৰামৰায়ৰ কুঠি' বুলি জনাজাত হৈ আছে। এই সত্ৰ ঘুল্লা পৰগণাত আৰু গোলোকগঞ্জ ৰেল ষ্টেশ্যনৰপৰা সাত মাইলমান পশ্চিমে ভাৰত-পাকিস্তান সীমান্তত।[২]

### বিষ্ণুপুৰ সত্ৰ

অভয়াপুৰীৰপৰা সাত মাইলমান পশ্চিমে আৰু যোগীঘোপাৰপৰা আঠ মাইলমান উত্তৰে তামৰঙা আৰু কলৰা বিলৰ মাজত বিষ্ণুপুৰ সত্ৰ। শ্ৰীমন্ত শঙ্কৰৰ নাতি চতুৰ্ভুজ ঠাকুৰে এই সত্ৰ স্থাপন কৰে। আহোম ৰজা চুখামফা বা খোৰাৰজাৰ সময়ত, ১৫৩৯ খ্ৰীষ্টাব্দ আৰু ১৬৩০ খ্ৰীষ্টাব্দৰ মাজৰ কালডোখৰৰ ভিতৰত এই সত্ৰ স্থাপিত হয়। বহুতো উদাসীন আৰু গৃহস্থ ভকত লগত লৈ প্ৰথমে ঘৰচিয়াত (ঘৰসিয়া) আহি বাস কৰে আৰু শেষত পৰম ধাৰ্মিক বিজনী ৰজাৰ সাদৰ আহ্বানমতে ঘৰচিয়াৰে ওচৰত বিষ্ণুপুৰ সত্ৰ স্থাপন কৰে। ইয়াতে তেওঁৰ বিয়া হয়। সত্ৰৰ মন্দিৰ ঘৰৰ ভিতৰত মদন-মোহন বিগ্ৰহ স্থাপিত আছে। ইয়াৰ বাহিৰে চতুৰ্ভুজ ঠাকুৰৰ দুটি পদশিলা, তেৰাৰ শোৱা পালেং, ব্যৱহাৰ কৰা কাপোৰ, দুযোৰ খৰম, দুডাল লাখুটি আৰু এখন বহা পীৰা আছে। ভঁাজঘৰৰ

---

১ গোৱালপাৰাৰ দক্ষিণ পাৰৰ থান সম্পৰ্কে দুধনৈৰ শ্ৰীতৰুণ খাখলাৰীৰপৰা তথ্য পোৱা গৈছে। শ্ৰীধুপাৰাম বসুমতাৰীৰ 'বড়ো সংস্কৃতিৰ কিঞ্চিত আভাস', অসম সাহিত্য সভা পত্ৰিকাৰ ত্ৰয়োদশ বছৰৰ দ্বিতীয় সংখ্যাত ওলোৱা ৰূপনাথ ব্ৰহ্মৰ প্ৰবন্ধ, বি. বৰুৱা কলেজ আলোচনীৰ ১৯৫৯ চনৰ সংখ্যাত ওলোৱা শ্ৰীখাখলাৰীৰে 'গোৱালপাৰাৰ মাৰৈ-পূজা আৰু ভাৰীগান' প্ৰবন্ধ চাবলগীয়া। প্ৰ.ভ.

২ জগতানন্দ দলপতি শঙ্কৰদেৱৰ খুড়াকৰ পুতেক। তেওঁক আহোম ৰজাই ৰামৰায় উপাধি দিছিল বাবে তেওঁৰ বংশক ৰায় বা ৰায়কৰ্তাৰ বংশ বোলে। ৰামৰায় যদিও 'সুজান ভকত' আছিল তেওঁ ধৰ্মাধিকাৰ হ'বলৈ ইচ্ছা নকৰি "মোক কণ্ঠ নালাগে কৰণীহে লাগে" বুলি কৈছিল। কোচ ৰজাই দান দিয়া মাটিতে ৰামৰায়-কুঠী, সত্ৰশাল বা ছত্ৰশাল সত্ৰ। এই সত্ৰৰ নামে গৌৰীপুৰৰ ৰজাও মাটি দিছিল। পিছলৈ ইয়াত ৰামচৰণ ঠাকুৰৰ বংশৰ লোক অধিকাৰ হয়। ম.নে.

ভিতৰত দুখন নাৱৰ ওপৰত পতা এখনি বৃহৎ গুৰু-আসন আছে। কীৰ্তন-ঘৰৰ ভিতৰত থকা গুৰু আসনখনো দেখিবলৈ ধুনীয়া। গুৰু-আসনৰ কাষতে দুশমান চাকিধৰা এটা লোৰ গছা আৰু এশ পঞ্চাশটামান চাকি ধৰা আন এটা কাঠৰ গছা আছে। ইয়াৰ পিতলৰ বিগ্ৰহবোৰ বিজনী ৰজাই দিয়া। সত্ৰত পালন কৰা মহোৎসৱবোৰৰ ভিতৰত ভাদৰ শুক্লা দ্বিতীয়াত অনুষ্ঠিত হোৱা শঙ্কৰদেৱৰ তিৰোভাৱ মহোৎসৱটোৱেই ঘাই। তা্ৰ আন মহোৎসৱৰ দিনবোৰ হ'ল — মাধৱদেৱৰ আৱিৰ্ভাৱ আৰু তিৰোভাৱ তিথি, শঙ্কৰদেৱৰ আৱিৰ্ভাৱ তিথি, আহিনৰ শুক্লা ত্ৰয়োদশী, পুৰুষোত্তম ঠাকুৰৰ তিৰোভাৱ তিথি পুহৰ কৃষ্ণা চতুৰ্দশী আৰু চতুৰ্ভুজ ঠাকুৰৰ তিৰোভাৱ তিথি পুহৰ শুক্লা চতুৰ্থী। জন্মাষ্টমী আৰু দৌলযাত্ৰাও মহাসমাৰোহেৰে পালন কৰা হয়। এই সত্ৰ আশ্ৰমী সত্ৰ। সত্ৰাধিকাৰ গুৰুৱেই সত্ৰ একমাথোঁ গৰাকী। এই সত্ৰৰ অধিকাৰসকল চতুৰ্ভুজ ঠাকুৰৰ জীয়েক সুমিত্ৰ আইৰ বংশধৰ। উৎসৱবোৰত বিশেষকৈ, শঙ্কৰদেৱৰ তিৰোভাৱ মহোৎসৱত ইয়াত দূৰ-বিদূৰৰ যাত্ৰীৰ বিপুল সমাগম হয়। এই সত্ৰ পৰিচালনাৰ্থে ধাৰ্মিকপ্ৰবৰ বিজনীৰাজ মুকুন্দনাৰায়ণ ভূপবাহাদুৰেকিছু মাটি দেৱোত্তৰ হিচাপে দান কৰিছিল। যোৱা বঙলা ১৩৫৭ চনৰ ১ ব'হাগৰপৰা এই দেৱোত্তৰ সম্পত্তি চৰকাৰৰ দ্বাৰা অধিগ্ৰহণ হোৱাৰ ফলত সত্ৰ চলোৱা অধিকাৰৰ বাবে সমস্যাৰ কথা হৈ পৰিছে।

**দলগোমা সত্ৰ**

মহাপুৰুষ মাধৱদেৱে প্ৰয়াণ কৰাৰ আগতে বৰজনা আচাৰ্য পাতি যায়। এওঁলোকৰে অন্যতম আচাৰ্য ৰামচৰণ ঠাকুৰদেৱৰপৰা দলগোমা সত্ৰ বাঢ়ে। ৰামচৰম ঠাকুৰৰ পৰিচালিত আৰু আন আন সত্ৰবোৰ হৈছে খেকাপাৰা আৰু ছত্ৰশাল (চাওক)।

**ৰঙাপানী সত্ৰ**

শঙ্কৰী যুগৰ নামা নগৰত বাস কৰা নাৰায়ণ দাস ঠাকুৰ আতাই কামৰূপৰ বগৰীবাৰী পৰগণাৰ হালধীয়া গাঁৱলৈ আহি সত্ৰ স্থাপন কৰে আৰু ইয়াত থাকিবলৈ লয়। তেওঁৰ চাৰি পুত্ৰ — পৰমানন্দ, শিৱানন্দ, যোগানন্দ আৰু ৰমানন্দ ঠাকুৰ। ঠাকুৰ আতাৰ বৈকুণ্ঠ-প্ৰয়াণৰ পিছত তেওঁৰ বংশধৰসকলে তেওঁৰ স্থাপিত সত্ৰৰ সেৱাৰ বস্তুবিলাক আনি সেই পৰগণাৰে ময়নবৰি নামে ঠাইত স্থাপন কৰে। যোৱা ১৮৯৭ চনৰ ভূমিকম্পৰ পিছত ময়নবৰি গাঁওখন তেনেই নানা খাল-ডোবাত পৰিণত হোৱা তাৰ মানুহ আন আন ঠাইলৈ গুচি যায়। আতাৰ সৰহভাগ বংশধৰ আহি মানাহ নৈৰ পাৰৰ ৰঙাপানীত বসতি স্থাপন কৰে। তেওঁলোকেই ময়নবৰি সত্ৰৰ সেৱাৰ বস্তুবিলাক আনি কীৰ্তন-ঘৰ বান্ধি তাত স্থাপন কৰে। এই অনুষ্ঠানেই আজি ৰঙাপানী সত্ৰ নামে জনাজাত হৈছে। ডিঙা নগৰৰ ৰজাই হালধীয়া সত্ৰক এখন তামৰ ফলি দিছিল। তামৰ ফলিত উল্লেখ কৰা বিৱৰণমতে ৰজাই ঠাকুৰ আতাক চোৰ, চিনলা, ধুমচি, মাৰছি আদি দায়বিলাকৰপৰা মুক্তি দিয়াৰ উপৰিও সত্ৰৰ তলত সেই সময়ৰ সাত হালৰ মাটি নিষ্পিখেৰাজ স্বৰূপে দান

কৰিছিল। ১৮৯৭ চনৰ ভূমিকম্পই ধ্বংস সাধন কৰাত ৰঙাপানী সত্ৰই আজি সেই নিষ্পিখেৰাজ মাটি ভোগদখল কৰাৰ বঞ্চিত হৈছে। উল্লিখিত তামৰ ফলিখন হোনো বৰ্তমান শ্বিলং নগৰীত চৰকাৰৰ হাতত আছে।

**নাওকাটা সত্ৰ**

গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ বাঁওপাৰে বিজনী ইষ্টেটৰ বিকালী ডিহিৰ অন্তৰ্গত হাগজান মৌজাৰ নাওকাটা গাঁৱত নাওকাটা সত্ৰ স্থাপিত। এই সত্ৰ ৰামচৰণ ঠাকুৰৰ জ্যেষ্ঠ পুত্ৰ দৈত্যাৰি ঠাকুৰে স্থাপন কৰে। সত্ৰ পালন কৰাৰ উপৰিও দৌলযাত্ৰা মহাসমাৰোহেৰে হয়। নিত্যপূজা আৰু নাম-প্ৰসঙ্গাদি নিয়মীয়াকৈ হয়। বিজনীৰ ৰজা স্বৰ্গীয় বলিতনাৰায়ণ ভূপবাহাদুৰে চৌদ্ধ পাচি শালিজমি আৰু দুহালৰ ভেটি মাটি বছৰত আঢ়ৈ টকা নাৰায়ণী দিয়া বন্দোবস্তত দান কৰে। এই দান-পত্ৰৰ নকল এতিয়াও ধুবুৰীৰ সদৰত আছে। সত্ৰত থকাখন ঘৰপোৰা জুইত দগ্ধ হৈ গৈছে। দৈত্যাৰি ঠাকুৰৰ বংশধৰসকলেই সত্ৰাধিকাৰ হৈ আহিছে।

মহাপুৰুষ মাধৱদেৱে মালচাত সত্ৰ পাতি ধৰ্মপ্ৰচাৰ কৰি থকা সময়ত ৰংজুলি-গাৰোপাৰাৰ ৰূপাবৰ লস্কৰ নামে গাৰো এজনো মহাপুৰুষীয়া ধৰ্মত দীক্ষিত হ'বলৈ মন কৰে। এনেতে মাধৱদেৱে সত্ৰৰ ভাৰ আন এজনৰ ওপৰত অৰ্পণ কৰি বৰপেটালৈ উভতি যায়। ৰূপাবৰো তালৈ তেৰাকে অনুসৰণ কৰি যায়। মাধৱদেৱে তেওঁৰ অভিপ্ৰায় বুজি ৰূপাবৰক সপৰিয়ালে আৰু সম্ভৱ হ'লে গোটেই গাৰো অঞ্চলতে মহাপুৰুষীয়া ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে দৈত্যাৰি ঠাকুৰক পঠিয়াই দিয়ে। লগতে দেউৰী গুৰুৰ বংশৰ কৰ্ণপুৰ ব্ৰাহ্মণ আৰু কায়স্থ বংশৰ চন্দ্ৰ ভূঞাও আহে। এতিয়াও বৰপেটাত গাৰো-ভিটি নামে থকা ঠাইখিনিয়েই সেই ৰূপাবৰ লস্কৰে কৃপালাভ কৰিবৰ বাবে বাট চাই থকা সময়খিনিৰ কথা সূচায়। দৈত্যাৰি ঠাকুৰে সদলবলে দক্ষিণপাৰলৈ আহি প্ৰথমতে ৰংজুলিত সত্ৰ পাতে আৰু ৰূপাবৰ লস্কৰক সপৰিয়ালে মহাপুৰুষীয়া ধৰ্মত দীক্ষিত কৰে। ঠাকুৰে ৰংজুলিকে কেন্দ্ৰ কৰি সেই অঞ্চলৰ গাৰো, ৰাভা আৰু কছাৰী আদি জাতিৰ মানুহসকলৰ মাজত ক্ৰমে ধৰ্মপ্ৰচাৰ কৰিব ধৰে। ইয়াৰ পিছত তেখেতে নাওকাটা সত্ৰ স্থাপন কৰে। দৈত্যাৰি ঠাকুৰৰ পৰিনাতি দানপতি ঠাকুৰে নাওকাটা সত্ৰৰ বহুল উন্নতিৰ বাবে ঐকান্তিক চেষ্টা কৰে। তেওঁৰ সময়তে এই সত্ৰলৈ বিজনী ৰজাই মাটি দিয়ে। কালক্ৰমত জামলাই গাঁৱৰ ভীষণ কলাজ্বৰ হোৱাত নাওকাটা সত্ৰৰ বৰ্তমান সত্ৰাধিকাৰসকলৰ পূৰ্বপুৰুষৰ এজনা বলভদ্ৰ অধিকাৰীয়ে জামলাই সত্ৰৰ বিগ্ৰহকো তুলি আনি নাওকাটা সত্ৰতে ৰাখে। সেই কাৰণে জামলাই সত্ৰৰ মাটি-বাৰী ডিপুটী কালেক্টৰৰ জৰিপমতে খাছ হৈ যায়। নাওকাটা সত্ৰৰ সত্ৰাধিকাৰ হৰিকান্ত অধিকাৰীদেৱে বিজনী ৰজাৰ ওচৰত কিবা কাৰণত বহু টকাৰ ঋণী হোৱাত আৰু এই ঋণ পৰিশোধ কৰিব নোৱৰা হোৱাত সত্ৰৰ মুঠ নিষ্পিখেৰাজ

মাটিৰপৰা এশ ষাঠি বিঘা মাটি ৰজাক এৰি দিবলগীয়া হয়। বৰ্তমানে সত্ৰত মাথোঁ বিঘা ৬১।।১।। মাটিহে আছে।

### গোপীনাথ থান

বইটামাৰিৰ (বটিয়ামাৰি) আমগুৰি গাঁৱত গোপীনাথ দেৱালয়। মন্দিৰৰ ভিতৰত গোপীনাথ বিগ্ৰহ, পদশিলা আৰু মাধৱদেৱৰ মাহাত্ম্য প্ৰকটিত হোৱা ডাঙৰ শিলপাটডোখৰ আছে।[১] শিলপাটডোখৰৰ মাজভাগত এটা খাল আছে; তাত সদায় পানী নিজৰি ওলাই থাকে। ই কেতিয়াও নুশুকায়। ইয়াকে কথা-গুৰুচৰিতত 'শিলৰ পখলি' বুলি কোৱা হৈছে। মহাপুৰুষীয়া সকলোবোৰ তিথি-উৎসৱ আদিত বিশেষকৈ মাধৱদেৱৰ আৱিৰ্ভাব আৰু তিৰোভাৱ তিথিত ইয়াত নাম-কীৰ্তন কৰি মহোৎসৱ পালন কৰা হয়। এই দেৱালয়ৰ সেৱায়েতলৈ বিজনী ৰজাই দিয়া দেৱোত্তৰ মাটি আছিল। জমিদাৰী অধিগ্ৰহণৰ পিছত সেই সুবিধা নাইকিয়া হৈ পৰিছে। বইটামাৰিৰ সুবিখ্যাত লোক পদ্মলোচন দাস ডিহিদাৰদেৱৰ পৰিয়ালেই এই দেৱালয়ৰ সেৱায়েতৰ কাম কৰি আহিছে। এই দেৱালয়টি কিদৰে স্থাপিত হ'বলৈ পালে তাৰ কাহিনীটি তলত দিয়া হ'ল। কথিত আছে, এসময়ত মাধৱদেৱে শ্ৰীমন্ত শঙ্কৰগুৰুক লগ ধৰোঁ বুলি গণককুছিৰপৰা কোচবেহাৰলৈ যাত্ৰা কৰিছিল। বটিয়ামাৰি পাওঁতে গধুলি হোৱাত সেই ঠাইৰ শূদ্ৰা পাটগিৰিৰ ঘৰতে তেওঁ নিশাটো ৰ'ল। অচিনাকি সাধু-মহন্ত মানুহ যেতিয়া আলহী ৰ'ল তেওঁক আদাৰ-সাদৰকৈ থাকিবলৈ দিয়া হ'ল। চোতালত কোনোবা কালতে আনি থোৱা এখন ডাঙৰ শিলপাট আছিল। তাতে উঠি গা ধুবৰ বাবে পানীৰ বন্দোবস্ত কৰি দিয়া হ'ল। ৰাতি পাটগিৰিয়ে সপোনত দেখা পালে আলহী সাধাৰণ-জন নহয়। ৰাতিপুৱা উঠি গা ধোৱা শিলপাটডোখৰলৈ চালেই সকলো গম ধৰিব পাৰিব। ৰাতি পুৱালত পাটগিৰি উঠি গৈ দেখে যে কথা সঁচা। আলহীৰ ভৰিৰ খোজ শিলপাটডোখৰৰ ওপৰত সাঁচ বহি ৰৈছে আৰু গা ধোওঁতে তেওঁৰ পিন্ধা কাপোৰৰ কোঁচটোৰ আগেৰে যি পানীৰ ধাৰ পৰিছিল, ই শিলপাটছটাৰ ওপৰত খাল কৰিছে আৰু তাত তেতিয়াও পানী ৰৈ আছে। পাটগিৰিয়ে বুজিলে যে তেওঁৰ ভাগ্য সুপ্ৰসন্ন। গুৰুজনা নিজে আহি ধৰা দিছে। শিলৰ খালৰ পানীখিনি মূৰে-গায়ে দি এঢোক খালে; তথাপি পানী শেষ নহ'ল। অলপ পিছতে আলহী সাৰ পাই উঠাত পাটগিৰি সপৰিয়ালে তেওঁৰ ভৰিত পৰিল আৰু গুৰু বুলি বৰণ কৰিলে। পিছত আনুষ্ঠানিকভাৱে ওচৰ-চুবুৰীয়াৰে সৈতে মাধৱদেৱত শৰণ ল'লে। গুৰুজনা তাতে তিনিদিন ৰোৱাৰ পিছতহে কোচবেহাৰলৈ আকৌ যাত্ৰা কৰিলে। শূদ্ৰা পাটগিৰি আৰু আন আন ভকতসকলে মিলি কীৰ্তন-ঘৰ বান্ধিলে আৰু তাত গোপীনাথৰ বিগ্ৰহ স্থাপন কৰিলে আৰু সেই শিলপাটডোখৰ তাত গুৰু-মাহাত্ম্যৰ চিহ্ন-স্বৰূপে ৰাখি থ'লে। এই শিলৰ

---

১ কথা-গুৰু-চৰিতত আছে মাধৱদেৱে বটিয়ামাৰিৰ শূদ্ৰা পাটগিৰিৰ ঘৰত থাকোঁতে গা ধোৱা শিলৰ পখালি ভাগি পানী ওলাইছিল।

পথলিৰ আৰু দুটি মাহাত্ম্য জানিব পৰা যায়। সেবায়েতৰ ফালৰ কোনোবা এজনৰ বোলে মাছ-প্ৰিয় আছিল। এদিনাখন তেওঁলৈ স্বপ্নাদেশ হ'ল, তেওঁ যেন বজাৰৰ মাছ নেখায়। শিলৰ পথলিতে সদায় তিনিটাকৈ কৰতি মাছ পাব আৰু তাকে খাব। আৰু এই কথাকো যেন ক'তো নকয়। কিছু দিন যোৱাৰ পিছত এই আচৰিত ঘটনাটো জানিবৰ বাবে এদিনাখন ঘৈণীয়েকে বৰকৈ ধৰাত গিৰিয়েকে সকলো কথা কৈ পেলালে। সিদিনাৰপৰা আৰু মাছ নোলোধা হ'ল। এসময়ত বিজনীৰ ৰজা বহুতো লোকজনেৰে এই ফালে আহিছিল। বৰকৈ পিয়াহ আৰু ভাগৰ লগাত তেওঁলোকে এই থানত আশ্ৰয় ল'লে। তেওঁলোকে পানী খাব খোজাত সেবায়েতে হেনো সেই শিলৰ পথলিৰ পানীৰেই সকলোৰে পিয়াহ পলুৱাব পাৰিলে। ৰজাই মাহাত্ম্য ভালদৰে অনুভৱ কৰি তেতিয়াৰপৰা এই দেৱালয়লৈ দেৱোত্তৰ মাটি দান কৰিলে।

**ধৰ্মপুৰ সত্ৰ**

অভয়াপুৰীৰ ওচৰৰ ধৰ্মপুৰত এই মহাপুৰুষীয়া সত্ৰ। সত্ৰৰ আসনত ভাগৱত স্থাপিত আছে। ভাঁজঘৰত শ্যামৰায় বিগ্ৰহ আৰু শালগ্ৰাম আছে। নিত্যপূজা আৰু নাম-প্ৰসঙ্গাদি হয়। মহাপুৰুষে প্ৰবৰ্তন কৰা নিয়ম অনুযায়ী ইয়াত দৈনিক চৈধ্যটি প্ৰসঙ্গ হয়। মহাপুৰুষ দুজনা আৰু মথুৰাদাস বুঢ়া আতাৰ তিৰোভাৱ তিথি সমাৰোহে পালন কৰাৰ উপৰিও দৌলযাত্ৰা আৰু জন্মাষ্টমী কৰা হয়। মথুৰাদাস বুঢ়া আতাৰ তিৰোভাৱ তিথিত কৰভাৰ উপলক্ষে সত্ৰবাসী আৰু ভকতসকলক সিধা বিতৰণ কৰা হয়। এই সত্ৰখন বৰপেটা সত্ৰৰে অংশ। ১৮২২ ৰপৰা ১৮২৬ চনৰ ভিতৰত ঘটা মানৰ আক্ৰমণৰ উৎপাতত বৰপেটা-সত্ৰবাসী বৰপেটাত থাকিব নোৱাৰি উঠি আহে আৰু বিজনীৰ ৰজা অমৃতনাৰায়ণদেৱৰ অনুমতিমতে মেৰেচৰ মৌজাৰ ভিতৰত মেৰগাঁৱত বহে আৰু তাতে বিজাপুৰ সত্ৰ স্থাপন কৰে। সত্ৰত স্থাপিত বিগ্ৰহ হ'ল শ্যামৰায়। বিজনী ৰজাই গোটেই মেৰেচৰ মৌজাক বিগ্ৰহৰ নামে দেৱোত্তৰ হিচাপে দান কৰে আৰু সেই মৰ্মে চনদ দিয়ে। এই চনদখন কিবা কাৰণত নষ্ট হৈ যোৱাত সত্ৰবাসীয়ে ৰজাক জনালত ৰজাই ৰজাই ১২৪৯ বঙলা চনৰ ফাগুন মাহত আকৌ নতুনকৈ এখন চনদ দিয়ে। এই চনদখন পিছত ইংৰাজী ১৮৬০ চনত য়াণ্ডাবু সন্ধিমতে অসমলৈ মান অহা বন্ধ হ'লত, মেৰেচৰ সত্ৰৰ বাইজে তেতিয়া আকৌ বৰপেটালৈ উভতি যাবৰ বাবে ইচ্ছা কৰে আৰু এই কথা ৰজাক জনায়। ৰজাই এই কথাত দুখ প্ৰকাশ কৰাত কিছু লোক সত্ৰৰ বিগ্ৰহ আৰু গুৰু-আসনাদিৰে সৈতে মেৰেচতে ৰ'ল। বেছিভাগ মানুহেই কিন্তু উঠি গ'ল। ১৮৯৭ চনৰ প্ৰলয়ঙ্কৰী ভূমিকম্পত মেৰেচৰ বাইজৰ আকৌ থান-থিতি নোহোৱা হ'ল। ইবেলি তেওঁলোকে বিজনীৰ ৰাণী অভয়েশ্বৰী দেবীৰ অনুগ্ৰহত আকৌ বড়িগ্ৰাম মৌজাৰ ধৰ্মপুৰত বহিবলৈ পালে। সেয়ে তেওঁলোক এই ধৰ্মপুৰত শ্যামৰায় বিগ্ৰহ স্থাপন কৰি

সত্ৰখন পাতিবৰ সুযোগ পালে। বৰপেটা সত্ৰৰপৰা বঙলা ১৩৩৪ চনৰ ২১ মাঘত এই সত্ৰলৈ দিয়া চনদমতে ধৰ্মপুৰ সত্ৰক বৰপেটা সত্ৰৰে অংশ বুলি ধৰি লোৱা হৈছে।[১]

---

১ ধৰ্মপুৰ-সত্ৰ সম্পৰ্কে অভয়াপুৰীৰ শ্ৰীধৰণীকান্ত চৌধুৰীয়ে জনায়, "অভয়াপুৰীৰ ওচৰৰ ধৰ্মপুৰ গাঁৱত দুখন মহাপুৰুষীয়াত আৰু এখন দামোদৰীয়া পন্থৰ কীৰ্তন-ঘৰ আছে। এই তিনিখন কীৰ্তনঘৰ বা নামঘৰ কোনোখনেই সত্ৰৰ শ্ৰেণীত নপৰে। মহাপুৰুষীয়া নামঘৰ দুখনৰ নাম শ্ৰীশ্ৰীবাসুদেৱ কীৰ্তনঘৰ আৰু শ্ৰীশ্ৰীশ্যামৰায় কীৰ্তনঘৰ, স্থানীয়মতে যথাক্ৰমে লেংটিছিঙা আৰু ন-সত্ৰ বা নয়াসত্ৰ কীৰ্তনঘৰ। একে গাঁৱতে নামঘৰ দুয়োখন স্থাপিত হ'লেও আদি স্থানৰ মাহাত্ম্য অটুত ৰাখিবৰ বাবে মহাপুৰুষীয়া নামঘৰ দুখনৰ নাম বেলেগেই ৰাখে। ... তিনিওখন নামঘৰৰ গুৰু আসনত ভাগৱত গ্ৰন্থ স্থাপিত আছে।" শ্ৰী চৌধুৰীৰ বিশেষ আপত্তি সৰকাৰে (প্ৰথম সংস্কৰণ ওলোৱাৰ পিছতে এওঁৰ মৃত্যু ঘটে) "আন দুখন নামঘৰ কথা উল্লেখ নকৰি অকল শ্যামৰায় বিগ্ৰহৰহে উল্লেখ কৰিছে।" শ্ৰীচৌধুৰীয়ে আমাৰ অনুৰোধক্ৰমে "গোয়ালপাড়া জিলাৰ বিজনীৰাজ ষ্টেটৰ অন্তৰ্গত ধৰ্মপুৰ গ্ৰাম নিবাসী ..... লেংটীছিঙা সত্ৰৰ ভকতসকলৰ প্ৰতি" ১১৩৫ বঙলা চনৰ ৩১ ভাদত পঠিওৱা "আজ্ঞাৰ" নকল আমালৈ পঠিয়াইছে। তাৰ প্ৰথম ছেদটিয়ে সৰকাৰৰ বিবৰণ বহুতখিনি সমৰ্থন কৰিব : "বৰ্তমানে ধৰ্মপুৰ গাঁৱৰ লেংটিছিঙা সত্ৰৰ শ্ৰীশ্ৰী বাসুদেৱ বিগ্ৰহৰ ভকতসকলে বহু কালৰপৰা শ্ৰীশ্ৰী শঙ্কৰমাধৱদেৱে প্ৰবৰ্ত্তিত মহাপুৰুষিয়া বৈষ্ণৱ ধৰ্ম্ম আচৰণ কৰি আহিছে। আসামত মানৰ উপদ্ৰৱৰ আগৰেপৰা এই সত্ৰ মেৰত আছিল। পিছত নদী ভাঙ্গনীত উক্ত মেৰত তিষ্ঠিব নোৱাৰী তত্ৰস্থ সমূহ ভকতে মেৰৰপৰা আহি লেংটীছিঙা নামক ঠাইত উক্ত বিগ্ৰহ স্থাপিত কৰি মহাপুৰুষিয়া নিয়ম অনুসাৰ ধৰ্মকাৰ্য্য চলাই আহিছিল। এই বিগ্ৰহ স্থাপিত কৰাৰ পাছত আসামত মানৰ উপদ্ৰৱ আৰম্ভ হোৱাত স্থান বড়পেটা সত্ৰৰ সমূহ ভকত আৰু সতৰিয়া সমন্বিতে গৈ লেংটীছিঙাৰ নিকটবৰ্ত্তী বিজয়পুৰ নামক ঠাইত বসত কৰি নতুন সত্ৰ স্থাপন কৰি ন সত্ৰ নাম দিয়ে। সেই সময়ত লেংটীছিঙা সত্ৰৰ শ্ৰীশ্ৰী বাসুদেৱ বিগ্ৰহৰ সমূহ ভকতেও উক্ত ন সত্ৰতে কৰ পটন আদি দিছিল, আৰু দায়ও ভাঙিছিল। কিন্তু মানৰ উপদ্ৰৱ নোহোৱা হোৱাত যেতিয়া স্থান বড়পেটা সত্ৰৰ সমূহ ভকত আৰু সতৰিয়া পুনৰ বড়পেটালৈ উভতি আহে তেতিয়া উক্ত ন সত্ৰক সেই অঞ্চলৰ মহাপুৰুষিয়া লোক সকলোৱে কৰ-পটন লব আৰু দায় বাদ ভাঙিব দিছিল। সেইমতে তোমালোকে ন সত্ৰত অৰ্থি অহা শ্যামৰায় বিগ্ৰহক কৰ-পটন দি আহিছিলা না স্থান বড়পেটা সত্ৰত দি আহিছা তাৰ কোনও লিখিত প্ৰমাণ নথকাত তোমালোকে উক্ত ন সত্ৰত কৰ পটন দি থকা কথাটো সংশয়জনক বিবেচনায় আৰু যোৱা ২১।১০।৩৪ তাৰিখে ধৰ্মপুৰ সত্ৰৰ ভকতসকলক দিয়া নিৰ্দ্দেশ পত্ৰৰ এবং দফাত লিখিত নিয়ম অনুসৰে তোমালোকে চলিবৰ অমান্তি হোৱাত আৰু তোমালোকৰ সত্ৰখনৰ প্ৰকৃত ইতিবৃত্ত জানিব পাৰাত তেওঁলোকক দিয়া নিয়মাৱলিৰ সংশোধন কৰা আৱশ্যক বিবেচনা কৰি তোমালোকক নিম্নলিখিত নিয়মে চলি থাকিবৰ আদেশ দিয়া হ'ল।" তলৰ নিয়মতো "লেংটীছিঙা সত্ৰখন স্থান বড়পেটা সত্ৰৰ শাখা সত্ৰ, সেই বাবে তোমালোকৰ বাৎসৰিক কৰ প্ৰতি বছৰে বড়পেটা সত্ৰত দি থাকিবে" বুলি সাব্যস্ত কৰা হৈছে। ধৰ্মপুৰ সত্ৰ সম্পৰ্কে যোগেন্দ্ৰচন্দ্ৰ সৰকাৰে বিবৰণ এই "আজ্ঞা"ৰ পটভূমিত বিচাৰ কৰি দি সত্ৰ নে কীৰ্তনঘৰ বিচাৰ কৰিব পৰা যাব। আজিও বৰপেটা সত্ৰলৈ যোৱাসকলে 'বৰপেটা কীৰ্তনঘৰলৈ যাওঁ

**কঠালমুৰী সত্ৰ**

গোৱালপাৰা মহকুমাৰ ব্ৰহ্মপুত্ৰ নৈৰ বাঁওপাৰে হাবৰাঘাট পৰগণাৰ ভিতৰত ট্ৰাঙ্কৰোডৰ কাষৰ ধনুভঙা নামে ঠাইৰপৰা তিনি মাইলমান উত্তৰে কঠালমুৰী সত্ৰ দামোদৰদেৱৰ বংশৰ বসুদেৱ গোস্বামীদেৱে স্থাপন কৰে। দামোদৰদেৱৰ আগতে পিতৃ সদানন্দৰ আন দুজনা পুত্ৰ ওপজে। তেওঁলোকৰ এজনা হ'ল বাসুদেৱ। তেওঁ এই সত্ৰৰ যোগে গোৱালপাৰা জিলাৰ সকলোপিনে আৰু কামৰূপ জিলাৰ কিছু অংশলৈ বৈষ্ণৱ ধৰ্মপ্ৰচাৰ কৰিছিল। বিজনী ৰাজ্যৰ মুকুন্দনাৰায়ণদেৱে এই সত্ৰ পৰিচালনা কৰিবলৈ বসুদেৱ গোস্বামীৰ নামত ১১৯২ বঙলা চনৰ ১৯ ফাগুন তাৰিখে পানছা নামে এখন গাঁও দেৱোত্তৰ কৰি দিয়ে।

**সৃজনগাঁৱৰ ৰঘুনাথ প্ৰভুৰ সত্ৰ**

অভয়াপুৰীৰপৰা সাত মাইল উত্তৰ-পূবে আৰু বিজনীৰপৰা পাঁচ মালি দক্ষিণে সৃজনগাঁৱত ৰঘুনাথ প্ৰভুৰ সত্ৰ স্থাপিত। ইয়াৰ ওচৰতে মনাহ আৰু আইনৈৰ সঙ্গমস্থল। ই অতি পুৰণি সত্ৰ; হেনো কোচ ৰজা নৰনাৰায়ণ প্ৰভৃতিৰ সময়ৰপৰাই এই সত্ৰ বা থান চলি আহিছে। কালক্ৰমত ই বিজনী ৰজাৰ হাতলৈ আহে আৰু শেষত গৌৰীপুৰৰ জমিদাৰে বিজনী ৰজাৰপৰা দান হিচাপে এই অঞ্চল পোৱাত এই সত্ৰখনো গৌৰীপুৰৰ জমিদাৰৰ হাতলৈ আহে। সত্ৰৰ কাৰ্য-নিৰ্বাহাৰ্থে ৰজাই ইয়ালৈ দিয়া ৩৪৮ বিঘা দেৱোত্তৰ মাটি আছিল। এই সত্ৰত পালন কৰা উৎসৱবোৰৰ ভিতৰ জন্মাষ্টমী, দৌল আৰু ৰাম-

---

বুলিহে কয়। ম.নে.

অভয়াপুৰীৰ শ্ৰীহেম পাঠকে লিখিছে :

অভয়াপুৰী চহৰৰ গাতে লাগি থকা ধৰ্মপুৰ গাঁৱত পদশিলা থান নামে থানখনি অৱস্থিত। মূলত এই থানখন নাৰায়ণদাস ঠাকুৰ আতাই স্থাপন কৰা। এই থানৰ জন্ম-কাহিনী অতি ৰহস্যময়। কথিত আছে, নাৰায়ণদাস ঠাকুৰ আতাই এবাৰ পিতৃ-মাতৃৰ বছৰেকীয়া তিথিৰ কাৰণে ভকত-সেৱা পাতিছিল। সেয়ে দুদিন আগৰেপৰা বস্তু-বেহানি সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিলে। বস্তু সংগ্ৰহ হ'ল। পিছদিনা একাদশী তিথি। আতাই দিনটোৰ কাৰণে বাট চাই আছে। হঠাৎ এটা ঘটনা ঘটিল। আতাই আৰু বাট চাব লগা নহ'ল। বাৰজন ভকত আৰু চেধ্যজন সেৱকৰ সঙ্গত মহাপুৰুষ মাধৱদেৱ আহি উপস্থিত হ'ল। আতাই আৰু পিছদিনালৈ বাট নেচালে। ভকত-সেৱকসকলৰ মান-সংকাৰ কৰিলে, মহাপুৰুষ গুৰুক আদৰিলে। গুৰুজনাক নি এডোখৰ শিলৰ ওপৰত গা ধুৱালে। কি আচৰিত! সিডোখৰ শিলৰ ওপৰত গুৰুজনৰ দুখনি চৰণৰ চাব পৰি ৰ'ল। আতায়ো একো নুবুধিলে, গুৰুজনেও একো ন'কলে। শিলডোখৰ থকা ঠাইতে ঘৰ এটা সাজি ঠাকুৰ আতাই নিতৌ চাকি-বন্তি দি প্ৰসঙ্গ কৰিবলৈ ধৰে। কালক্ৰমত ইয়ে গৈ এখন থানত পৰিণত হয় আৰু পদশিলা থান নামেৰে জনাজাত হ'ল। এই পদশিলা আজিও আছে। আৰু লগতে নাৰায়ণ দাস ঠাকুৰ আতাৰ খৰম এযোৰো সংগ্ৰহ কৰি থোৱা হৈছে। অইন থান-সত্ৰৰ নিচিনা ইয়াতো আটাইকেইটা মূল তিথিকেই পালন কৰা হয়, নিতৌ চাকি-বন্তি জলোৱা হয়।

নৱমী তিথি ঘাই। উৎসৱৰ সময়ত পূজা, হোম-যজ্ঞ আৰু নাম-কীৰ্তন হয়। তেতিয়া দূৰ-বিদূৰৰ যাত্ৰী আহি সত্ৰ ভৰি পৰে। সত্ৰৰ মন্দিৰৰ ভিতৰত ৰামচন্দ্ৰ, সীতা আৰু লক্ষ্মণৰ বিগ্ৰহ স্থাপিত আছে। প্ৰবাদ আছে যে অতীতৰ কোনো এটা সময়ত ভূমিকম্পৰ প্ৰবল জোকাৰণিত এই বিগ্ৰহ তিনিয়া ভূগৰ্ভৰপৰা ওলায়। ইয়াৰ পিছতে সেই ঠাইৰে নীলকান্তমণি নামৰ সাত্ত্বিক লোক এজনা স্বপ্নাদিষ্ট হৈ সেই বিগ্ৰহ তিনিটাৰ পূজা কৰিবৰ বাবে ভাৰ পায়। কালক্ৰমত বৰহৰি আতৈ আহি এই সত্ৰৰ থাপনা ভালকৈ দিয়ে। সত্ৰৰ দেৱতাৰ মাহাত্ম্য সম্বন্ধে বহুতো কিম্বদন্তী আছে। মন্দিৰ চুৰ কৰা আৰু ইয়াৰ বস্তু নষ্ট কৰা অপৰাধত বনৰীয়া শিয়াল আৰু হাতী প্ৰভুৰ কাঁড়েৰে বিন্ধ খাই মৰি যোৱা ঘটনা এই অঞ্চলৰ জনপ্ৰিয় কাহিনী। এসময়ত ইয়াৰ পূজাৰিজনক ভুলতে বিনা অপৰাধত গোৱালপাৰা কাছাৰীলৈ বন্দী কৰি লৈ যোৱা হ'লত দেৱতা অসন্তুষ্ট হয় আৰু তেওঁ সপোনত বিচৰাজনক কয় যে লোকজন নিৰপৰাধী, গতিকে তাক মুকলি কৰি দিব লাগে। পিছদিনা বিচাৰঘৰতে তেওঁ ইয়াৰ প্ৰমাণ পাব। পিছদিনা দুপৰীয়া বিচাৰকজন আদালত ঘৰলৈ আহি দেখে যে সম্মুখতে এপাত কাঁড় মাটিত হান খাই থিয় হৈ আছে। অশেষ শক্তি প্ৰয়োগ কৰিও কোনেও ইয়াক টানি বাহিৰ কৰিব নোৱাৰিলে। বিচাৰকজনে তেতিয়া বহুত ভাবি-চিন্তি চাই যেন মাথোঁ বন্দী কৰি থোৱা পূজাৰিজনক মুকলি কৰি দিলে তেতিয়াই কাঁড়পাত তাৰপৰা অদৃশ্য হৈ পৰিল। সকলোৱে এই ঘটনা দেখি অবাক হ'ল। এদিৰে দেৱতাৰ মাহাত্ম্য আৰু বেছিকৈ বিয়পি পৰিল। ইয়াৰ স্থানীয় মানুহে সত্ৰখনক 'সম্ভৰ' বোলে।

**ঘিলাজাৰি সত্ৰ**

এই সত্ৰ ঘৰসিয়াত ঘিলা নামৰ ঠাইৰ জাৰণিৰ ওচৰত আছিল। পিছত কামৰূপলৈ উঠি যায়। কামৰূপৰ 'ঘিলাজাৰি সত্ৰ' চাওক। চতুৰ্ভুজ ঠাকুৰে এই সত্ৰ পাতিছিল। 'বিষ্ণুপুৰ সত্ৰ' চাওক।

**খেকাপাৰা সত্ৰ**

গোৱালপাৰা জিলাৰ দক্ষিণ-পূব কোণত, ধূপধৰাৰপৰা চাৰি মাইলমান উত্তৰ-পশ্চিমে দলগোমা সত্ৰৰ ওচৰত। মাধৱদেৱৰ ভাগিন উৰ্বশী আই আৰু গয়াপাণিৰ পুত্ৰ ৰামচৰণ ঠাকুৰৰপৰা বঢ়া সত্ৰ। 'দলগোমা সত্ৰ' চাওক।

**চৌতাৰা সত্ৰ**

ফকিৰাগ্ৰামৰপৰা উত্তৰ-পশ্চিমলৈ যোৱা ৰেল লাইনৰ চৌতাৰা ষ্টেচন বা

১ সৃজনগ্ৰামৰ সত্ৰৰ গাঁৱৰ এই থান আগতে আই-নদীৰ নৈৰ সমথ-ফুলত আছিল যদিও যোৱা ১৯৫৪ চনৰপৰা আই নদী এই অঞ্চলেদি গতি কৰাত থানখনি আই নৈৰ এতিয়া একেবাৰেই কাষৰত পৰিছে। ২৫ বছৰমান আগত গোসাঁইৰ চাপ পৰিষ্কাৰ কৰোঁতে এটি শালগ্ৰাম ওলায়। সেই শালগ্ৰামটোনিও সত্ৰতে ৰখা হৈছে। (শ্ৰীকমলাকান্ত পাঠকৰ চৌকাৰপৰা)

ধুপধৰাৰ আঠ মাইলমান উত্তৰ-পশ্চিমে থকা চৌতাৰা বিল বা আন ক'ত এই নামৰ সত্ৰ আছে বা আছিল পাব পৰা নাই।

**জামলাই সত্ৰ**

মাধবদেবৰ ভাগিন ৰামচৰণ ঠাকুৰৰ পুত্ৰ চৰিতকাৰ দৈত্যাৰি ঠাকুৰে কামৰূপৰ বামুণা, গোৱালপাৰাৰ সীমাত জামলাই আৰু নাওকাটা সত্ৰ পাতে। 'নাওকাটা সত্ৰ' আৰু কামৰূপৰ 'জামলাই সত্ৰ' চাওক।

**টিপলাই সত্ৰ**

এইখনি সত্ৰৰ স্থান নিৰূপণ কৰিব পৰা নাই। ধুপধৰাৰ দহ মাইলমান উত্তৰ-পশ্চিমে টিপলাই নামে ঠাই আছে।

**ফুলগুৰি সত্ৰ**

হাকামাৰপৰা দহ মাইলমান দূৰত মানাহ নৈৰ ওচৰত। দামোদৰদেৱৰ আজ্ঞাপৰ মনোহৰ কায়স্থৰ সত্ৰ। মনোহৰদেব ফুলগুৰি বিজনীৰ উজীৰ আছিল নৰনাৰায়ণৰ তলে। ফুলগুৰিত দামোদৰদেৱৰ আজ্ঞাপৰ ভগবানদেৱে সত্ৰ কৰিছিল। মনোহৰ-ভগবান "সঙ্গী" হয়। পিছত মনোহৰদেৱে ফুলগুৰিত এখনি সত্ৰ পাতে।

**শ্ৰীৰামপুৰ সত্ৰ**

মাধৱদেৱৰ নামৰ লগত সংশ্লিষ্ট এই সত্ৰ আছে নে নাই ক'ব পৰা নাই। জিলাৰ পশ্চিমে শেষ প্ৰান্তত এই নামৰ ঠাই আৰু ৰেল-ষ্টেশ্যন আছে।

**বিজাপুৰ সত্ৰ**

'ধৰ্মপুৰ সত্ৰ' চাওক।

**শ্যামৰায়হাটী**

গোৱালপাৰা নগৰৰ ভিতৰতে এই মহাপুৰুষীয়া থানখনি।

**শ্যামসুন্দৰহাটী**

গোৱালপাৰা নগৰৰ ভিতৰতে এইখনিও মহাপুৰুষীয়া থান।

**বালিজানা সত্ৰ**

লক্ষ্মীপুৰৰ জমিদাৰীৰ ভিতৰত এই সত্ৰ। মেচপাৰাৰ জমিদাৰসকলেও তিনি হেজাৰ বিঘা নিষ্কৰ ভূমি সত্ৰৰ নামত দিয়ে। ৰামচৰণ ঠাকুৰৰ তৃতীয় পুত্ৰ নৰহৰিৰ বংশৰ লোক এই সত্ৰৰ বৰ্তমান অধিকাৰ। আগতে সত্ৰ লক্ষ্মীপুৰৰ সদৰ ঠাইতে আছিলচ তাৰপৰা আগিয়াৰপৰা এমাইলমান ভিতৰত পশ্চিমফালে বালিজানা গাঁৱলৈ উঠি যায়।

**বগুৱান সত্ৰ**

**বৈকুণ্ঠপুৰ সত্ৰ**

**নাৰায়ণপুৰ সত্ৰ**

**নলনা সত্ৰ**

মেচপাৰাৰ জমিদাৰসকলে মহাপুৰুষীয়া ধৰ্ম গ্ৰহণ কৰাৰ লগে লগে এইকেইখনি সত্ৰ স্থাপিত হয়।

**বেতমাৰি সত্ৰ**

দামোদৰদেৱৰ আজ্ঞাপৰ মনোহৰদেৱৰ স্থাপিত সত্ৰ। 'ফুলগুৰি' চাওক।[১]

**ডোবাপাৰা থান**

এইখনি দিহিং সত্ৰৰ থান। দিহিং সত্ৰাধিকাৰ বৃন্দাবনচন্দ্ৰদেৱ মান-ভগনৰ সময়ত ভাটীলৈ পলাই যাওঁতে গোৱালপাৰাৰ ডোবাপাৰা নামে ঠাইত ৰয় আৰু ডেভিড্ স্কট্ মায়ামৰীয়া দমনৰ বাবে অহাত তেওঁ তাৰপৰা আহি গুৱাহাটীৰ কেতেকীবাৰীত (দীঘলীপুখুৰীৰ পশ্চিমপাৰে এতিয়া কটন কলেজৰ নতুন ছাত্ৰাবাস থকা ঠাইত) বহেহি। ডোবাপাৰাত শিষ্য-ভকতসকলে থান কৰি নাম-সেৱা আদি কৰি থাকে।[২]

**শঙ্কৰ-ঘোলা**

ভৈৰৱৰ চুড়া নামৰ ওখ পৰ্বতৰ কাষৰত দলানী নামে বিলত বহুত ঘোলা বা ঘুলি আছে। কথিত আছে, শঙ্কৰদেৱ ঘৰচিয়াঁলৈ আহোঁতে এই বিলত নাৱেৰে ফুৰোঁতে প্ৰতি ঘোলাত এটাকৈ কড়ি পেলাই যোৱাত এপোণ কড়িয়ে নুজুৰিলে। এই ঘোলাবোৰ আৰু কাষৰ গাওঁখনৰ নাম শঙ্কৰ-ঘোলা।[৩]

**ত্ৰিবেণীঘাট থান**

মাধৱদেৱ পুৰুষৰ নামেৰে জড়িত এই থানখনি কোকৰাঝাৰ ৰেল ষ্টেশ্যনৰপৰা ছাৰে চাৰি মাইল উত্তৰৰ তিতাগুৰি গাঁৱৰপৰা আধা মাইল দূৰৰ মৌজাবাৰী গাঁৱৰ ত্ৰিবেণীঘাটৰ কাষত। এই ঘাটতে শামুখা আৰু সৰলভাঙা নৈ আহি গৌৰাং নদীত মিলিছে। স্থানীয় বিশ্বাসমতে মাধৱদেৱে ইয়াতে সত্ৰ পাতি থকাত ভুটীয়া ৰজাই তেওঁক নাও-নাৱৰীয়া দি সৰলভাঙা নৈয়েদি সৰলপাৰাইদি ভোট পৰ্বতৰ নামনিৰ সৰভাঙলৈ নিয়ে। মহাপুৰুষে ভুটীয়া ৰজাক শৰণ নিদি তেওঁৰ প্ৰজাক শৰণ দিয়ে। ৰজাই সৰল কাঠৰ এখন নাৱৰ টিং দুটা সোণেৰে বন্ধাই গুৰুজনক সৰলপাৰালৈ পঠিয়াই দিয়ে; তাতো তেওঁ অনেক নেপালী লোকক ভক্তি দিয়ে। তাৰ পিছত চিকণ ৰজাৰ চিকণঝাৰলৈ আহি তেওঁ নেপালী আৰু ভুটীয়া লোকক শৰণ কৰায়। তাৰপৰা পাটগাঁও, ৰামফল বিলেদি আহি ত্ৰিবেণীঘাটত কিছু দিন ৰৈ মাধৱদেৱ গৌৰাং নৈয়ে ভটীয়াই ভোটগাঁৱলৈ যায়। কথিত আছে ত্ৰিবেণীঘাটতে থকাত এজন দৰ্জীয়ে

১ "কায়স্থ সমাজৰ ইতিবৃত্ত"ৰ পৰা আৰু যোগেন্দ্ৰ সৰকাৰৰ চিঠিৰপৰা সাহায্য লোৱা হৈছে।

২ শ্ৰী গুৰুপ্ৰেৰ কথাৰপৰা পোৱা খবৰ।

৩ শ্ৰীপদ্মলোচন ডিহিদাৰ, "গোৱালপাৰাৰ ইতিহাস", অসম সাহিত্য সভা পত্ৰিকা, ২য় বছৰ, পৃ. ১৩৪।

মাধৱদেৱক চতুৰ্ভুজৰূপে দেখা পাইছিল। সিঠাইতে তেওঁ এৰি যোৱা সোণৰ টিঙৰ নাওখন আপোনা-আপুনি থিয় হৈ পোত খাই ৰয়। কিছুদিন আগতে এজন লোকে নাওখন পেলাওঁতে হেনো তেজ বতিয়াই মৰে। থানৰ মহাত্ম্যৰ আন কথাও চলি আছে। ১৮৯৭ চনত বৰভূঁইকঁপত সত্ৰ উছন যায়, তাৰ মেধিজন নিৰুদ্দেশ হয়। মাটি বহুতোখিনি নৈয়ে খহাই নিয়ে। কীৰ্তন-ঘৰ আৰু দৌলৰ মন্দিৰৰ ভেটিৰ চিন মাত্ৰ আছে। ওচৰৰ ৰাইজে থানত ঘৰ এটি সাজি থানখনি ৰাজহুৱাকৈ চলায়; দৌলোৎসৱ, জন্মাষ্টমী পালন কৰে। অশোকাষ্টমীত এখনি মেলা হয়।

**ভোটগাঁও মেধিপাৰা থান**

মাধৱদেৱ ত্ৰিবেণীঘাটৰপৰা আহি ভোটগাঁৱত থকাত অনেক লোকে শৰণ লয়, আৰু তাতে এজন মেধিৰে এখনি সত্ৰ হয়। এতিয়া মাধৱ গোসাঁইৰ থান বুলি লোকে কয়। বিজনীৰ ৰজাই থানৰ নামত ১৯ বিঘা মাটি দান কৰে। 'মাধৱ গোসাঁইৰ থান' চাওক।

**যোগীঘোপা থান**

মাধৱদেৱ ভোটগাঁৱৰপৰা গৌৰাং নৈয়ে ভটীয়াই হাকামা, শালকোছা, বিলাসীপাৰাত ধৰ্ম প্ৰচাৰ কৰি যোগীঘোপাত ৰয়হিচ তাৰপৰা পাটবাউসী-সুন্দৰীলৈ যায়গৈ। কথিত আছে, তেওঁ যোগীঘোপাতো এখনি সত্ৰ পাতে।[১]

ম.নে.

**বৰঘোলাৰ মদনমোহন মন্দিৰ**

সৃজনগ্ৰাম বৰঘোলা গৌৰীপুৰৰ পুৰণি ৰাজকাছাৰীৰ ওচৰত এই মন্দিৰ গৌৰীপুৰৰ জমিদাৰে সজাইছিল। আগতে জমিদাৰে দৌলৰ সময়ত ইয়াত পূজা দিছিল। জমিদাৰি-উচ্ছেদৰ পিছত এই পূজা দিয়া বন্ধ হৈছে।

**বঙাইগাঁও চৈতন্যধাম**

বঙাইগাঁও নগৰীৰ দুমাইলমান দক্ষিণ-পশ্চিমে বইটামাৰিলৈ যোৱা বাটত বঙাইগাঁৱৰ চৈতন্যধাম। এই চৈতন্যপন্থী ধামৰ অধিষ্ঠিত দেৱতা মহাপ্ৰভু কালাচাঁদৰ প্ৰস্তৰ বিগ্ৰহ সিংহাসনৰ ওপৰত স্থাপিত। ধামৰ অধিকাৰ বা গুৰুৱে শিষ্যভক্ত পাতি লয়। বিজনী ৰজাই দিয়া বহুতো দেৱোত্তৰ মাটি আছে। জমিদাৰী অধিগ্ৰহণৰ পিছত ধাম-পৰিচালনাৰ সুবিধাত কিছু ব্যাঘাত ঘটাৰ সম্ভাৱনা দেখা গৈছে। কথিত আছে, বহুদিন আগেয়ে চৈতন্যদেৱৰ পৰিবাৰৰ পিতৃ-পৰিয়ালৰ মাধৱদেৱ নামৰ গুৰু এজনাই কোচবেহাৰৰ মাজেদি আহি কোকৰাঝাৰৰ ওচৰত থকা ভোটগাঁৱত কিছুদিন বাস কৰিছিল। পিছত তেওঁ ভোটসীমান্তৰ ওচৰেদি আহি সিদলী ৰজাৰ ওচৰ চাপে। তেতিয়া সেইদিনৰ সিদলী ৰজাই তেওঁক গুৰু মানি লয়। ওচৰ-চুবুৰীয়া

---

১ শ্ৰীমাধৱচন্দ্ৰ মহন্তৰপৰা (কোকৰাঝাৰ) ত্ৰিবেণী, ভোটগাঁও আৰু যোগীঘোপাৰ থানৰ সম্বেদ পোৱা গৈছে।

২ শ্ৰীধৰণীকান্ত পাঠকৰপৰা (সৃজনগ্ৰাম) পোৱা টোকাবহুৱা।

বিজনী ৰজায়ো গুৰুজনাৰ গুণত মুগ্ধ হৈ তেওঁক বঙাইগাঁৱত ধাম পাতি লোকৰ মাজত ধৰ্মপ্ৰচাৰ কৰি থাকিবলৈ উৎসাহিত কৰে আৰু ধাম সুকলমে চলাবলৈ বঙাইগাঁৱতে প্ৰায় ৩৫০ বিঘা মান লাখেৰাজ মাটি এই ধামলৈ দিয়ে। সত্ৰৰ মন্দিৰত মাধৱদেৱৰ পাদুকা (এযোৰ কাঠৰ খৰম), লাখুটি আৰু সাম্প্ৰদায়িক ধ্বজা এখন সযত্নে ৰক্ষিত হৈছে। সত্ৰাধিকাৰ কোনো ঠাইৰ শিষ্যৰ ঘৰলৈ যাব লগা হ'লে, লগৰীয়াসকলে সেই ধ্বজাকো পৰম যতনেৰে লগত লৈ যায়। ধামত নিত্যপূজা আৰু আন আন ঘাই তিথি-পৰ্বাদি পালন কৰাৰ উপৰিও শ্ৰীপঞ্চমী, দোলযাত্ৰা মহাসমাৰোহেৰে উদ্‌যাপন কৰা হয়। ডাঙৰ মেলা-উৎসৱ হয়। শিষ্য-ভক্ত আৰু আন আন দৰ্শকসকলেৰে গোটেই উৎসৱস্থলী ভৰি পৰে। ইয়াৰ সুৰুলী চাব লগীয়া। এই ধামৰ নিচেই কাষেদি পৱিত্ৰ টুনীয়া নৈ বৈ গৈছে। টুনীয়া নৈ সৰু হ'লেও প্ৰবাদ আছে যে ই গঙ্গাদেৱীৰ সৰু ভনীয়েক। ঘাটত অশোকাষ্টমীৰ সময়ত গা ধোৱা যাত্ৰীৰ বিপুল সমাগম হয়।

## নতুন আশ্ৰম

বঙাইগাঁৱৰ তিনি মাইলমান উত্তৰে বৌমাৰি নৈৰ পাৰত বৌমাৰি গাঁৱত বৌমাৰি জ্যোতি আশ্ৰম। ই শ্ৰীমৎ নেপাল ব্ৰহ্মচাৰীৰ স্থাপিত। ইয়াত যোগ, তপসাধন আৰু উপাসনাদি, সূৰ্য আৰু অগ্নি দেৱতাৰো পূজা-অৰ্চনা হয়। প্ৰত্যেক মাহৰ অমাৱস্যা আৰু পূৰ্ণিমা তিথিত পূজা-অৰ্চনাদি বিশেষভাৱে কৰাৰ উপৰিও অম্বুবাচী, মহালয়া আৰু ব্ৰহ্মচাৰীদেৱৰ নিৰ্বাণ-দিৱস ইয়াত মহাসমাৰোহেৰে পালন কৰা হয়।

হল্টুগাঁওৰ তিনিমাইলমান পূবে তৰাং নৈৰ পাৰত থকা জয়গুৰু শিৱশ্ৰমখনিও এই লেখীয়া। শিৱৰাত্ৰিৰ সময়ত সমাৰোহেৰে পূজা উৎসৱ হয়। চিকিণাঝাৰতো উল্টাপানী নৈৰ ওচৰত এখনি আশ্ৰম আছে।

সাপটিগ্ৰাম ৰেলষ্টেশ্যনৰপৰা উত্তৰফালে কেইফাৰ্লংমান আঁতৰত লীলানন্দ আশ্ৰম। সদায় সাধু-সন্ন্যাসীসকল আহি ইয়াত আথৰা লগাই ধৰ্মচৰ্চা কৰি থাকে। এই আশ্ৰম লীলানন্দ সাধুৰ স্থাপিত।

পাতিলাদাহা ৰেলষ্টেশ্যনৰ আঢ়ৈ মাইলমান দক্ষিণে গোবিন্দভৱন গীতাশ্ৰম, স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰীৰ দ্বাৰা স্থাপিত।

### জৈন মন্দিৰ

গোৱালপাৰা নগৰৰ জৈন মন্দিৰ শনি-মন্দিৰৰ নিচিনাই বিখ্যাত। জৈন ধৰ্মাৱলম্বী লোকেৰে এই মন্দিৰ সদায় ভৰি থাকে। ইয়াত নিত্য পূজা-অৰ্চনা হয়।

### শিখ গুৰুদ্বাৰ

ধুবুৰী নগৰীৰ পূব-দক্ষিণ কোণে ব্ৰহ্মপুত্ৰ নৈৰ পাৰত শিখ গুৰুদ্বাৰ। ই শিখ ধৰ্মী

লোকসকলৰ মহান তীৰ্থক্ষেত্ৰ। ইয়াত শিখ ধৰ্মৰ পদ্ধতিমতে গ্ৰন্থছাহেব, খড়্গ আৰু চক্ৰ স্থাপিত আছে। গুৰুনানক আৰু আন ধৰ্মগুৰু টেগ বাহাদুৰ প্ৰভৃতিৰ জন্ম আৰু মৃত্যু দিৱসবিলাক মহাসমাৰোহেৰে পালন কৰা হয়। মোগল বাদশ্বাহ আউৰংজেবৰ সেনাপতিৰ ৰজা মানসিংহৰ অসম-অভিযানৰ সময়ত লগত নৱম শিখ গুৰু আৰু সেনাপতি টেগ বাহাদুৰো শিখ সৈন্য লৈ এই দেশলৈ আহিছিল। তেওঁলোক ধুবুৰীত ছাউনী কৰি আছিল। ধুবুৰীৰ এই ঠাইডোখৰৰ দৃশ্য অতি মনোৰম পাই টেগ বাহাদুৰে প্ৰতিজন শিখ সৈন্যৰ হতুৱাই এচাবকৈ মাটি তুলি টিলা এটাৰ সৃষ্টি কৰিলে আৰু তাতে এই শিখ মন্দিৰ স্থাপন কৰিলে।

বঙাইগাঁওতো এটি শিখ ধৰ্মৰ মন্দিৰ আছে। ইয়াতো উৎসৱৰ দিনবোৰ সমাৰোহেৰে পালন কৰা হয়।

## মছজিদ-দৰগাহ

### পাঞ্জাতনৰ বা ডাকাইদলৰ দৰগাহ

গোৱালপাৰা চহৰৰ দহ মাইলমান দক্ষিণ-পূবে আৰু শ্ৰীসূৰ্য পাহাৰৰ দুমাইলমান পূবে ডাকাইদল গাঁও। এই গাঁৱৰ উত্তৰে ব্ৰহ্মপুত্ৰ নৈৰ পাৰত আছিল পাঞ্জাতনৰ দৰ্গাহ। এই দৰ্গাহখনকে ডাকাইদলৰ দৰ্গাহো বোলে। ১৮৯৭ চনৰ ডাঙৰ ভুঁইকঁপৰ আগতে এই দৰ্গাহখনৰ বঢ়া-টুটা হোৱা নাছিল। ডাকাইদল গাঁওখনো সমৃদ্ধিশালী হৈ আছিল। কেতিয়াৰপৰা এই দৰ্গাহখন স্থাপিত হৈছে তাৰ সন্ধান পোৱা নাযায়। গোৱালপাৰা জিলাৰ ডেপুটী কলেক্তৰৰ ১৮/১১/১৮৫৭ তাৰিখৰ ১৯ নং ৰোবকাৰীমতে জনা যায় এই দৰ্গাহৰ তলত ১০০২।৭।। কঠা জমি আছিল। এই পীৰপাল জমি এতিয়া বিজনী ৰাজ্যত ভুক্ত হৈছে। আদিতে ইয়াৰ মতৱাল্লিজন (সেৱায়েত) দিল্লীৰ শ্বাহ আলম বাদশ্বাহৰ তৰফৰপৰা নিযুক্ত হয়। পীৰৰ মাজাৰ থকা কাৰণে এই দৰ্গাহৰ সৃষ্টি। এই দৰ্গাহৰ তদাৰক কৰা, চাকি-বন্তি জলোৱা আৰু আলহী-অতিথিক অভ্যৰ্থনা কৰাৰ বাবে এই পীৰপাল জমি দিয়া হৈছিল। ই এখনিয়ে অতি পুৰণি দৰ্গাহ ইয়াৰ কোনো সন্দেহ নাই। দৰ্গাহখন অতি বিতোপন আছিল। দৰ্গাহৰ চাৰিওফাল ইটাৰ দেৱালেৰে বেটি থকা বুলি জনা যায়। নানাপ্ৰকাৰৰ ফল-ফুলৰ গছেৰে দৰ্গাহখন জকমকাই আছিল। মহৰম পৰ্বৰ উপলক্ষে ইয়াত অনেক যাত্ৰীৰ সমাগম হৈছিল। বহু ঠাইৰপৰা মহৰমৰ দহ দিন যাত্ৰীয়ে আহি ঠাইখন ভৰি জাৰী-মাতম গাই দিনে-ৰাতিয়ে ঠাইডোখৰত খলক লগাই আছিল। মহাসমাৰোহে এই পৰ্ব উদ্‌যাপন কৰা হৈছিল। এই দৰ্গাহ আজি ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। পুৰণি দৰ্গাহৰ চিন-চাব মুঠেই নাই। ডাকাইদল গাঁওখন আছে কিন্তু, শ্ৰীহীন। সেৱায়েতৰ বংশধৰ আজিও সেই গাঁৱতেই জীৱিত আছে চ কিন্তু থানৰ জমি তেওঁৰ হাতত নাই। দৰ্গাহখন নকৈ পতা হৈছে। আজিও দৰ্গাহ চলি আছে।[১]

---

১ বহুকাল আগেয়ে মুছলমান আক্ৰমণকাৰীসকলৰ লগত অহা কোনোবা এজন দৰবেশ ইয়াতে দেহত্যাগ কৰে। তেওঁৰ কবৰ ভূমিয়েই এই পবিত্ৰ দৰগাহ। বো.স.

**ডেগধোৱা পাহাৰৰ দৰগাহ**

গোৱালপাৰা চহৰৰপৰা চাৰি মাইলমান দক্ষিণ-পূবে ব্ৰহ্মপুত্ৰৰ পাৰত ডেগধোৱা পাহাৰ। নিৰ্জন ঠাই চ উত্তৰ-পশ্চিমে গোৱালপাৰা নগৰ আৰু দক্ষিণ-পূবে ডুবাপাৰা গাঁৱৰ বাহিৰে মানুহৰ বসবাস নাছিল। আগৰ দিনত বেহা-বেপাৰ চলিছিল নাৱেৰে। ব্ৰহ্মপুত্ৰই আছিল একমাত্ৰ জলপথ। বিদেশী আৰু দেশৰ মানুহে অসমলৈ আহিছিল আৰু ভটীলৈ গৈছিল নাৱেৰে এই ব্ৰহ্মপুত্ৰ নৈয়েদি। নাৱেৰে উজাই আহোঁতে নাৱৰীয়াবিলাকে গোৱালপাৰা চহৰৰ পশ্চিমপিনে ভাটীত থকা পাগলাটেক আৰু পূবপিনে উজনিত থকা ডেগধোৱা দৰ্গাহত নাও বান্ধি থান দুখনত সেৱা-সৎকাৰ জনাইহে নাও মেলি দিছিল। এই কথা বুঢ়া-মেথা সকলোৱে আজিলৈকে কয়। ডেগধোৱা পাহাৰত আছিল এজন দৰবেশ। ভাটীৰ ফালৰ মানুহে কামৰূপ বুলিলে ভয় কৰিছিল যাদুৰ দেশ বুলি। আগন্তুক বিপদৰ উমান ল'বৰ কাৰণে আক্ৰমণকাৰী মুছলমান সেনাপতিসকলে ফৌজৰ লগত আনিছিল সাধক পুৰুষসকলক। ডেগধোৱা পাহাৰত যিজনা দৰবেশ আছিল তেৰোঁ ফৌজৰ লগত অহা। আস্তানা পাতি তেওঁ এই পাহাৰতে ৰৈ গৈছিল। তেওঁৰ মাহাত্ম্যৰ বাবে ৰজাঘৰৰপৰা পীৰপাল মাটিও পাইছিল। এই সাধক পুৰুষজন কিমান দিন জীয়াই আছিল তাৰ সঠিক খবৰ এতিয়া অজ্ঞাত। তেওঁৰ এটি মইনা চৰাই আছিল। দৰ্গাহত অহা তেওঁৰ প্ৰত্যেক শিষ্যকে চৰাইটোৱে ভালকৈ চিনি পাইছিল। চৰাইটোৰ অদ্ভুত শক্তি আছিল। হজৰত পীৰ শ্বাহ জালালৰ দৰ্গাহত থকা কবুতৰৰ (পাৰ চৰাই) নিচিনা কিছুমান পাৰ চৰাই আছিল। সেইবিলাকে ডেগধোৱা পাহাৰ আৰু ডুবাপাৰা গাঁৱৰ মাজত ব্ৰহ্মপুত্ৰৰ পাৰত থকা এটা ডাঙৰ শিলৰ (কৈতৰৰ শিল) খোৰোংবিলাকত আশ্ৰয় লৈ আছিল। দৰ্গাহৰ চৰাই বুলি কোনেও সিবিলাকক নামাৰিছিল। এদিন হঠাৎ দৰ্গাহ জনশূন্য হৈ থকাত এজন কপটীয়া শিষ্যই আহি দৰবেশজনক হত্যা কৰে। এই ঘটনাত মইনা চৰাইটোৱে শোকত একোকে নোখোৱা হৈ প্ৰাণ ত্যাগ কৰে। পাৰ চৰাইবিলাক কোনপিনে গুচি গ'ল কোনেও ক'ব নোৱাৰে। দৰবেশজনৰ হত্যাৰপৰাই দৰ্গাহখন ক্ৰমে জহি পৰি ধ্বংসস্তূপত পৰিণত হৈছে। পীৰপাল মাটিও মেচপাৰা জমিদাৰৰ অন্তৰ্ভুক্ত হৈছে বুলি জনাজাত আছে। পাহাৰৰ গাত সিঁচৰিত হৈ থকা ইটা-চপৰাবিলাকে দৰ্গাহৰ চিন সোঁৱৰাই দিছে। তালগছে থিয় হৈ আজিও দৰ্গাহৰ স্মৃতি পাহৰিবলৈ দিয়া নাই। মহৰম পৰ্বৰ সময়ত ইয়াত উছৱ পতা হৈছিল। দৰ্গাহৰ পুনঃসংস্কাৰ হ'ব ধৰিছে। এই থানখন ডাকাইদল দৰ্গাহৰ সমসাময়িক বুলি জনাজাত।

**পাটপাৰা গাঁৱৰ পাগলপীৰৰ দৰগাহ**

ধুপধৰা গাঁৱৰ চাৰি মাইলমান পশ্চিমে পাটপাৰা গাঁও। ই এখনি পুৰণি ঠাই। এই গাঁৱতেই পাগলপীৰৰ দৰ্গাহ আছিল। এই দৰ্গাহখনকে আশ্ৰয় কৰি মুছলমানৰ বসতি আছিল। এই থানৰ তলত পীৰপাল মাটি ৬২৯।।২ কঠা থকা বুলি গোৱালপাৰা জিলাৰ ডেপুটী কলেক্টৰৰ ৩১/১/১৮৫৯ তাৰিখৰ ২৪৬ নং ৰোবকাৰীমতে জনা যায়। ভোজন শ্বা আৰু

বকস্ আলি শ্বা ফকীৰ দুজনৰ পূৰ্বপুৰুষসকলে এই থানৰ সেবায়েত আছিল। থানখনৰ যাৱতীয়া কাম চলাবলৈ আৰু অথিত-অভ্যাগতাদিক খুৱাবৰ বাবে এই জমি দিয়া হৈছিল। এই দৰ্গাহৰ আৰু ডাকাইদলৰ দৰ্গাহৰ সেবায়েত একে বংশৰে আছিল। এই পীৰপাল জমি ৰাণী ভাগ্যেশ্বৰীৰ আমোলত বিজনী ৰাজ্যভুক্ত হৈছে। কি কাৰণে থানৰ জমি লুপ্ত হ'ল তাক জনা নাযায়। ভীষণ কলাজ্বৰত মুছলমান বসতি উছন্ন হোৱাত থানৰ পতন ঘটিছে।

**ধুবুৰীৰ পাঁচ পীৰৰ দৰগাহ**[১]

প্ৰায় তিনি শ বছৰ আগতে ধুবুৰী ছহৰ হাবি-জংঘলে ভৰা আছিল। মানুহৰ বসতি নিচেই কম আছিল। ধুবুৰীৰ পূবপিনে ব্ৰহ্মপুত্ৰৰ পাৰ তেতিয়া বনৰীয়া জন্তুৰ কাৰণে অগম্য আছিল। মোগল সম্ৰাট আউৰংজীবে ভ্ৰাতৃবিৰোধ অন্ত পেলাই দিল্লীৰ সিংহাসনত আৰোহণ কৰি কোচ আৰু আহোম ৰাজ্য জয় কৰিবৰ বাবে মন মেলিলে। সেই সময়ত মহাৰাজা প্ৰাণনাৰায়ণ কোচবেহাৰৰ ৰজা আছিল। আউৰংজীবে ১৬৬১ খ্ৰীষ্টাব্দত প্ৰতাপশালী সেনাপতি মীৰজুমলাক বহু সৈন্যেৰে সৈতে অসম জয়ৰ কাৰণে পঠিয়ালে। অসম যাদু-মন্ত্ৰৰ দেশ বুলি মীৰজুমলাই পাঁচজনা পীৰ লগত আনিছিল। তেওঁ ধুবুৰীৰ যুঁজত মহাৰাজা প্ৰাণনাৰায়ণক হৰুৱায়। তাৰ পাছত ক্ৰমে যোগীঘোপা, পাণ্ডু, গুৱাহাটী, সৰশেষত গড়গাঁও অধিকাৰ কৰিলে। মোগল আৰু আহোমৰ ভিতৰত সন্ধি স্থাপিত হ'ল। বাৰিষা পৰিলত মীৰজুমলাৰ সৈন্য-বাহিনীত নানা সংক্ৰামক বেমাৰে দেখা দিলে। তেওঁৰ নিজৰো টান বেমাৰ হোৱাত ভটীয়াই ঢাকালৈ ৰাওনা হ'ল। বাটতে ধুবুৰীত উক্ত পাঁচ পীৰ থাকি গ'ল। তেওঁলোকৰ মুখিয়ালজনৰ নাম আছিল হজৰত গাজী শ্বাহ আকবৰ। ধুবুৰীতে এওঁলোকে ইহলীলা সম্বৰণ কৰে। এই পাঁচজনা পীৰৰ মাজাৰ-শ্বৰিফক পাঁচ পীৰৰ দৰ্গাহ বোলে।[২] এই দৰ্গাহ পৰিচালনাৰ বাবে ৰজাঘৰীয়া কোনো মাটি-বাৰী নাই। দৰ্গাহৰ খেদ-মতগাৰসকলে নিজ খৰচত এই দৰ্গাহ চলাই আছে। জাতি-ধৰ্ম-নিৰ্বিশেষে এই দৰ্গাহলৈ যাব পাৰে আৰু নিজৰ নিজৰ মাননি দিব পাৰে।[৩] সাধাৰণতে মমবাতিকে ভক্তসকলে আগ বঢ়ায়। শুকুৰবাৰে ৰাতি দৰ্গাহখন অধিক আলোকিত কৰে। আজিলৈকে এই দৰ্গাহ চলি আছে।

---

১ বি. চি. এলেন চাহাবৰ *Assam District Gazetteers* : Goalpara পুথিত এই দৰ্গাহৰ ভাল বৰ্ণনা দিয়া হৈছে। পীৰ পাঁচজনৰ নাম শ্বাহ আহবৰ, শ্বাহ বগমাৰ, শ্বাহ শৰণ, শ্বাহ সূফী আৰু শ্বাহ কামাল (S. K. Bhuyan, *Annals of The Delhi Badhsahate*, p.101) গাৰো পাহাৰ : শ্বাহ কামালৰ দৰগাহ' চাওক। মফিজুদ্দিন আহমদ চাহাবে যদিও ইয়াত পাঁচজনা পীৰ মীৰজুমলাৰ লগত অহা বুলি ধৰিছে আৰু জিলা গেজেটিয়াৰেও তাকেই সমৰ্থন কৰে, পীৰকেইজনৰ লগত অহা শিখ গুৰু তেগ বাহাদুৰৰ দ্বাৰা স্থাপিত ধুবুৰীৰ দমদমা গুৰুদ্বাৰৰ মহন্তৰ হাতত থকা পুৰণি কাকত-পত্ৰমতে ৰামসিংহইহে তেওঁলোকক লগত লৈ আহিছিল কামৰূপৰ অদ্ভুত মন্ত্ৰ-তন্ত্ৰ ব্যৰ্থ কৰাৰ উদ্দেশ্যে। ম.বে.

২ একমতে অকল হজৰত গাজী শ্বাহ আকবৰেহে ইয়াত দেহত্যাগ কৰে। যো.স.

৩ সকলো ধৰ্মৰ মানুহেই ইয়াত কামনা জনাই ফল লাভ কৰি আছে। সেয়েহে ই কেৱল মুছলমানৰ তীৰ্থস্থান নহয়, আন লোকসকলেও ইয়ালৈ শ্ৰদ্ধা ৰাখে। যো.স.

**খোৰাছানী পীৰৰ মাজাৰ**

ভাৰত-ইৰাণী আৰ্যবিলাকৰ আদিম বাস-ভূমি খোৰাছান দেশ আজিকালি ৰুছিয়া, ইৰাণ আৰু আফগানিস্থানৰ ভিতৰত পৰিছে। অষ্টাদশ শতাব্দীৰ মাজ ভাগত খোৰাছান দেশত নিয়জী খেলত হজৰত আবুল কাছেম খোৰাছানীৰ জন্ম হয়। শিক্ষা শেষ কৰি তেওঁ কান্দাহাৰৰ চৈয়দ মহম্মদ আতাজান ছাহাবৰ শিষ্যত্ব গ্ৰহণ কৰে। বহুত ঠাই ঘূৰি ফুৰি ভাৰতলৈ আহে। অৱশেষত তেওঁ গোৱালপাৰালৈ আহি মৃত্যুলৈকে ইয়াতে বাকী জীৱন কটায়। তেওঁ আধ্যাত্মিক গুণ-সম্পন্ন প্ৰবল ক্ষমতাশালী সিদ্ধপুৰুষ আছিল। তেওঁ ওখ, তেজগোৰা, সুশ্ৰী সুপুৰুষ আছিল। তেওঁ নকশ্বন্দীয়া ছুফী পন্থৰ এজন গুৰু আছিল। তেওঁ নিজ কথা-বতৰা, আচাৰ-ব্যৱহাৰৰ দ্বাৰায় মানুহক সত্যবাদিতা, মৰম, সহিষ্ণুতা, আধ্যাত্মিক জীৱনৰ প্ৰতি আস্থাবান হ'বলৈ উদগনি দিছিল। জাতি-ধৰ্ম-নিৰ্বিশেষে সকলোৱে তেওঁক সন্মান কৰিছিল। ইতৰ প্ৰাণীৰ প্ৰতি তেওঁ মৰমিয়াল আছিল। হজৰত খোৰাছানী পীৰ ছাহাব ১৮৯৬ চনত স্বৰ্গবাসী হয়। তেখেতৰ মাজাৰ (কবৰ) গোৱালপাৰা মটৰ ট্ৰেল্‌পোৰ্ট ষ্টেশ্যনৰ পশ্চিমপিনে থকা টিলা এটিৰ ওপৰত আছে। হিন্দু-মুছলমান সকলো তালৈ যায় আৰু নিজৰ নিজৰ মনস্কামনা পূৰ্ণ হ'বৰ বাবে প্ৰাৰ্থনা জনায়। আচৰিতভাৱে ডাঙৰ বিপদ আৰু ৰোগ-শোকৰপৰা বহুতে মানুহে ৰক্ষা পাই আহিছে। মাজাৰটো জাগ্ৰত। প্ৰতি বছৰ আৰবী চফৰ মাহৰ ২১ তাৰিখে তেওঁৰ মৃত্যুবাৰ্ষিকী পালন কৰা হয়। পবিত্ৰ কোৰাণ-পাঠ, মিঠাই-বিতৰণ, ধৰ্মসভা, তেওঁৰ পবিত্ৰ কবৰ-দৰ্শন ইত্যাদি অনুষ্ঠিত হয়। তেওঁৰ ল'ৰা-ছোৱালী, নাতি-নাতিনীৰ কবৰ মাজাৰটোৰ চাৰিওপিনে আছে। তেওঁৰ ডাঙৰ ল'ৰাৰ সন্তান মাজাৰৰ সেৱক। ছোৱালীৰ পক্ষৰ নাতি পুতি গোৱালপাৰাত আছে।

ম.আ.

**মীৰজুমলাৰ মছজিদ**

মাণিকাচৰত ক'লা নৈৰ পাৰত এটা টিলাত মীৰজুমলাৰ মছজিদ অৱস্থিত। আউৰংজেবৰ সেনাপতি আৰু বঙ্গৰ চুবাদাৰ মীৰজুমলাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে মাণিকাচৰত কিছুদিন ছাউনী কৰি আছিল, আৰু তেতিয়াই তেওঁ এই মছজিদ সজায়।

**ৰঙামাটিৰ মছজিদ**

গৌৰীপুৰ নগৰৰ উত্তৰে গোৱালপাৰা ৰঙাইগাঁৱলৈ যোৱা বাটত আৰণিৰ কাষত বুৰঞ্জীখ্যাত পুৰণি ৰঙামাটি নগৰ আছিল। গৌড়ৰ নবাব হুছেন শাহে কামৰূপ-কমতা জয় কৰি ইয়াতে স্থায়ীভাৱে শাসনকৰ্তা পাতিছিল আৰু ৰঙামাটিৰ সুন্দৰ মছজিদটি কৰাইছিল।

## গীৰ্জা আৰু মিশ্যন

গোৱালপাৰা জিলাত ভালেকেইখন খ্ৰীষ্টিয়ান মিশ্যন আৰু গীৰ্জা অনুষ্ঠান আছে। এইবোৰ আটায়ে লুথাৰিয়ান বেপ্টিষ্ট মিশ্যনৰ অন্তৰ্গত। এইবোৰ মিশ্যনত নৰওৱেজিয়ান,

ডেনিঃশ, অষ্ট্ৰেলিয়ান আৰু এমেৰিকান ধৰ্মযাজকসকলক থাকি সদায় নিয়মমতে খ্ৰীষ্ট-ধৰ্মমতে ঈশ্বৰলৈ আৰু যীশুলৈ আৰতি-প্ৰাৰ্থনা আদি জনায়, সুযোগ-সুবিধামতে লোকৰ মাজত খ্ৰীষ্টধৰ্ম প্ৰচাৰ আৰু দীক্ষাদি কাৰ্যো সাধন কৰে। অবশ্যে পূৰ্বে গাঁৱলীয়া মানুহসকল, ঘাইকৈ, জনজাতিৰ মানুহসকল যিদৰে প্ৰবলভাবে এই ধৰ্মলৈ আকৃষ্ট হৈছিল, আজি আৰু কোনো মানুহকে তেনেদৰে খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত হোৱা দেখা নেযায়। এই অনুষ্ঠানবোৰৰ সংখ্যাও এতিয়া বঢ়া নাই চ আগতে স্থাপিত হোৱা কেইখনেইহে মাথোঁ আছে। আমি দেখিছো, এই অনুষ্ঠানসমূহে কেৱল খ্ৰীষ্টধৰ্মকে প্ৰচাৰ কৰা নাই, কিন্তু সৰ্বসাধাৰণ ৰাইজৰ মাজত শিক্ষা-বিস্তাৰ আৰু চিকিৎসা-দান কৰা কামতো সহায় হৈছে। এনেকুৱা বহুতো অনুষ্ঠানবোৰত সৰ্ব-সাধাৰণলৈ দুৱাৰ মুকলি কৰি ৰখা অৱস্থাও প্ৰাথমিক, মাইনৰ আৰু হাই স্কুল স্থাপিত হৈছে। মিশ্যনৰ পৰিচালিত ডাক্তৰখানা আৰু হস্পিটালবোৰতো জাতি-বৰ্ণ-নিৰ্বিশেষে ৰাইজে উপকাৰ পাই আহিছে। সঁচাকৈয়ে এই অনুষ্ঠানবোৰে ধৰ্মপ্ৰীতি বিস্তাৰ কৰাৰ লগে লগে মানুহৰ মাজত এটি বিশ্বভ্ৰাতৃত্বৰ ভাব বিয়পোৱাৰো চেষ্টা কৰিছে। গোৱালপাৰা জিলাত থকা এই খ্ৰীষ্টিয়ান মিশ্যন আৰু গীৰ্জানুষ্ঠানসমূহৰ এটিকৈ চমু টোকা দাঙি ধৰা হ'ল।

**গৌৰাঙ্গ মিশ্যন**

ই কোকৰাঝাৰৰপৰা সাত মাইল উত্তৰে। এখন হাই স্কুল আৰু ডাঙৰ ছাত্ৰাবাসো আছে।

**গ্ৰেহামপুৰ মিশ্যন**

গোসাঁইগাঁও ৰেল ষ্টেশ্যনৰপৰা ই দহ মাইলমান দক্ষিণ-পশ্চিমে। এই অঞ্চলটো সাঁওতাল জাতিৰে ভৰা। এই মিশ্যনৰ তলত দীক্ষিত হোৱা আটাইবোৰ মানুহে সাঁওতাল। এখন ডাঙৰ হাই স্কুল আৰু এখন ডাক্তৰখানাও আছে।

**জয়মা মিশ্যন**

এই মিশ্যনখন গোসাঁইগাঁও ৰেল ষ্টেশ্যনৰ ১মাইল উত্তৰে। পুৰণি অনুষ্ঠান।

**টুক্ৰাঝাৰ মিশ্যন**

ই বঙাইগাঁৱৰপৰা ১৪ মাইল উত্তৰে। ই আগেয়ে আমেৰিকান বেপ্টিষ্ট মিশ্যনৰ তলত আছিল। এতিয়া ই অষ্ট্ৰেলিয়ান বেপ্টিষ্টৰ তললৈ আহিছে। এখন মাইনৰ স্কুল আৰু সৰু হস্পিটালেৰে সৈতে এখন ডাক্তৰখানাও আছে।

**তিংতিব্ৰ গীৰ্জা**

ই মৰনৈ টী ইষ্টেট মিশ্যনৰ সংলগ্ন আৰু ইয়াৰ এমাইল দক্ষিণে। মাথোঁ এটা গীৰ্জা-ঘৰ আছে।

**দেৱী তোলা মিশ্যন**

ই গৌৰীপুৰৰপৰা ছমাইলমান পূবে অৱস্থিত। এই অঞ্চলটো বাভা জাতিৰ মানুহেৰে ভৰা। বাভা মানুহসকলেই ইয়াত ঘাইকৈ খ্ৰীষ্টীয় ধৰ্মত দীক্ষিত হৈছে।

**ধুবুৰী ইউনিয়ন গীৰ্জা**

এই গীৰ্জাটো নতুনকৈ ধুবুৰী নগৰীত স্থাপিত হৈছে। এই অনুষ্ঠানটিত জিলাৰ সকলোবোৰ মিশ্যনৰ মানুহেই আহি যোগদান কৰে।

**বঙাইগাঁও মিশ্যন**

বঙাইগাঁৱত লুথাৰিয়ান চাৰ্চ আৰু মিশ্যন অৱস্থিত। ইয়াত এখন প্ৰাইমেৰী স্কুল আছে আৰু ছাত্ৰাবাস আছে।

**ৰৰপথাৰ শাখা মিশ্যন**

টুক্ৰাঝাৰ মিশ্যনৰে এটা শাখা বঙাইগাঁৱৰপৰা ১৮ মাইল উত্তৰে ৰবপথাৰত ৰহিছে। ইয়াত ডাক্তৰখানাও স্থাপিত হৈছে।

**বাঘপাৰা মিশ্যন**

বঙাইগাঁৱৰ প্ৰায় ১০ মাইলমান দক্ষিণে নিগম অঞ্চলত বাঘপাৰাত এই মিশ্যনখন আছে। ই অষ্ট্ৰেলিয়ান মিশ্যন। এই অঞ্চলটো গাৰো জাতিৰ মানুহেৰে ভৰা। দীক্ষিত হোৱা আটাইবোৰ মানুহে গাৰো। এখন মাইনৰ স্কুল আছে।

**মৰনৈ গীৰ্জা**

ই গোসাঁইগাঁৱৰপৰা ৯ মাইলমান দক্ষিণ-পশ্চিমে এখন চাহবাগিচাত। ইয়াত ৩ টা গীৰ্জা আছে চ সেইবোৰ হ'ল ক্ৰমে মুণ্ডা, সাঁওতাল আৰু আন জাতিৰ মানুহৰ (যিসকল দীক্ষিত হৈছে) কাৰণে। ইয়াত ডাক্তৰখানা আৰু হস্পিটাল আছে।

**লাডাংগুৰি মিশ্যন**

ই বঙাইগাঁও মিশ্যনৰ শাখা আৰু ই বঙাইগাঁৱৰপৰা ১২ মাইল উত্তৰ-পূবে। এখন ডাক্তৰখানা খোলা হৈছে।

**শান্তিপাৰা মিশ্যন**

ই বঙাইগাঁৱৰপৰা ৫ মাইল উত্তৰ-পশ্চিমে। ইয়াত গীৰ্জানুষ্ঠান থকাৰ উপৰিও, সাধাৰণ ডাক্তৰখানাৰ লগত এখন কুষ্ঠাশ্ৰম আছে। ইয়াত সদায় জাতি-বৰ্ণ-নিৰ্বিশেষে কুষ্ঠৰোগীসকল আহি চিকিৎসা পাব ধৰিছে। সাধাৰণ বেমাৰীৰ কাৰণেও এখন সৰু হস্পিটাল আছে। এই অনুষ্ঠানখন চৰকাৰী সাহায্যপ্ৰাপ্ত।

**সেৰাপুৰ মিশ্যন**

ই গোসাঁইগাঁও ৰেল ষ্টেশ্যনৰপৰা ৯ মাইল দক্ষিণ-পশ্চিমে। ইয়াত গীৰ্জানুষ্ঠানৰ উপৰিও এখন ডাঙৰ ডাক্তৰখানা আৰু হস্পিটাল আছে। বহুতো মানুহ ইয়াত চিকিৎসা লৈ উপকৃত হৈছে।

**হাড়াফুটা মিশ্যন**

ই শ্ৰীৰামপুৰ ৰেল ষ্টেশ্যনৰ এমাইল উত্তৰে। ছোৱালীৰ কাৰণে এখন মাইনৰ স্কুল আছে, ডাক্তৰখানা আছে। যো.স.

# গাৰোপাহাৰ

**জনজাতীয় পবিত্ৰ থান**

গাৰোপাহাৰ জিলাত গাৰোসকলৰ মঠ-মন্দিৰ বুলিবৰ বিশেষ একো নাই বুলিলেই হয়। যিসকল গাৰো লোকে খ্ৰীষ্টিয়ান ধৰ্ম গ্ৰহণ কৰা নাই তেওঁবিলাকে ভূত-প্ৰেত বিশ্বাস কৰে। ভূত-প্ৰেতৰ লগত জড়িত বুলি বিশ্বাস কৰা অসংখ্য ঠাই আছে। এনেকুৱা কেইখনমান গোটেই জিলাতে বিখ্যাত ঠাইৰ বিৱৰণ দিয়া হ'ল।

**বালফাক্ৰাম্**

ই এটা পাহাৰৰ টিং, গাৰোপাহাৰ জিলাৰ পূব সীমাত অবস্থিত। গাৰোসকলৰ বিশ্বাসমতে মানুহ মৰিলে প্ৰেতাত্মাবিলাক বালফাক্ৰামলৈ যায়। ইয়াত বসবাস কৰা সকলোতকৈ পুৰণি প্ৰেতাত্মা হৈছে দিখী আৰু বান্দী। তেওঁবিলাকে বসবাস কৰাৰ চিন এতিয়াও তাত আছে বুলি গাৰোসকলে বিশ্বাস কৰে। ইয়াত দিখীনী ৰিং বোলা এডোখৰ প্ৰকাণ্ড শিল আছে। দিখীয়ে হেনো ৰাতিটোৰ ভিতৰতে নাও এখন সাজিবৰ চেষ্টা কৰিছিল, কিন্তু ৰাতিয়েই কুকুৰাই ডাক দিয়া কাৰণে অসম্পূৰ্ণ হৈ থাকিল। নাও আকাৰৰ দিখিনী ৰিং হেনো তাৰেই চিন। বান্দীনী দলং বোলা এডোখৰ প্ৰকাণ্ড শিলক বান্দীয়ে সাজি থৈ যোৱা বুলি বিশ্বাস কৰা হয়। এই দলঙৰ ওপৰেদি হেনো প্ৰেতাত্মাবিলাক বালফাক্ৰামলৈ যায়। ইয়াৰ উপৰি মিবিট্ বোলা এডোখৰ ঠাইৰপৰা হেনো আগৰ দিনত আপোনা-আপুনি ধান আদি শস্য ওলাইছিল। এতিয়াও হেনো সেই ঠাইৰ যি দিশত বালি বেছিকৈ ওলায় সেই দিশত খেতি-বাতি ভাল হয়। প্ৰেতাত্মাবিলাক বালফাক্ৰামলৈ উঠাৰ আগেয়ে হাত-মুখ ধুইহে উঠিব পায়। এনেকৈ হাত-মুখ ধুবৰ কাৰণে এটা প্ৰকাণ্ড পুখুৰী আছে। এই পুখুৰী বালফাক্ৰাম পাহাৰৰ নামনিত। ইয়াক চি-দিমাক, বা চি-আঙ্গাল বোলে। এই পুখুৰীৰ গভীৰতা কিমান তাক কোনেও নেজানে। ইয়াৰ পানীৰ গোন্ধ খাৰ-বাকলৰ গোন্ধৰ নিচিনা আৰু বৰণ ঘন নীলা। প্ৰেতাত্মাবিলাকে গাৰ এঙাৰ আৰু ছাইবোৰ ইয়াত ধোৱেহি কাৰণে হেনো ইয়াৰ পানী ঘন নীলা। বালফাক্ৰাম পাহাৰ বৰ দুৰ্গম ঠাইত অবস্থিত। ইয়ালৈ পাকিস্তানৰ শ্ৰীহট্ট জিলাৰ সীমাৰ মহেশখোলা বোলা গাঁওখনৰপৰা তিনিদিনমান দুৰ্গম বাটেদি খোজ কাঢ়ি যাব লাগে।

**চিত্তমাং বা ৰাইমুং**

বালফাক্ৰামৰ নিচিনা ইও এটা পাহাৰৰ টিং। ই গাৰোপাহাৰ জিলাৰ দক্ষিণে সোমেশ্বৰী

নদীৰ পাৰত। ই হেনো ডাঙৰ দেৱতাৰ গাঁও। বাইমুং শব্দৰ অৰ্থ ডাঙৰ দেৱতা। এই পাহাৰৰ ওপৰত এটা প্ৰকাণ্ড পুখুৰী আছে।

**দোবাক্-খোল**

ই এটা গভীৰ গুহা। সোমেশ্বৰী নদীৰ পাৰত শিজু গাঁৱৰ ওচৰত। এই গুহাৰ ভিতৰত শিলৰ (চূণশিল) প্ৰকাণ্ড প্ৰকাণ্ড কাৰুকাৰ্য কৰা স্তম্ভৰ নিচিনা আছে। এই গুহা ইমান গভীৰ যে আজিলৈকে হেনো কোনেও তাৰ শেষ দেখা নাই। মানুহ বেছি ভিতৰলৈ সোমালে উভতি আহিবলৈ বাট বিচাৰি নেপায়। ইয়াত হেনো বগা ৰঙৰ প্ৰকাণ্ড মাছ আৰু সাপ আছে।

এই গুহাত অসংখ্য প্ৰকাণ্ড প্ৰকাণ্ড বাদুলী আছে আৰু মানুহ ভিতৰলৈ সোমালেই এই বাদুলীবিলাকে আগুৰি ধৰে।

## বৌদ্ধ বিহাৰ

**হলদিবাৰী আৰু শ্যামনগৰৰ বৌদ্ধ বিহাৰ**

গাৰোপাহাৰৰ ফুলবাৰী অঞ্চলত কেইখনমান ব্ৰহ্মদেশীয় মানুহৰ গাঁও আছে। এওঁবিলাক মানৰ আক্ৰমণৰ সময়ত অসমত বৈ যোৱা ব্ৰহ্মদেশীয় মানুহ। এওঁবিলাকে বৰ্তমান অসমীয়া ভাষা ব্যৱহাৰ কৰে। হলদিবাৰী আৰু শ্যামনগৰ গাঁৱত তেওঁবিলাকৰ দুটা বৌদ্ধ বিহাৰ আছে। এই বিহাৰ দুটালৈ ব্ৰহ্মদেশৰপৰা বছৰি বৌদ্ধ ভিক্ষুসকল আহে আৰু ধৰ্মপ্ৰচাৰ কৰে। বিহাৰ স্থাপন কৰা আজি প্ৰায় ৫০ বছৰমান হৈছে।

হী.ম.

## দৰগাহ

**শ্বাহ কামালৰ দৰগাহ**

গাৰোপাহাৰ জিলাৰ ৮ নং ৰেভিনিউ মৌজাত শ্বাহ কামালৰ দৰগাহ নামে এটি পুৰণি দৰগাহ আছে। দৰগাহৰ দাঁতিতে থকা পুখুৰীটোক 'দৰগা দীঘি' বোলে। বছৰি ৩,০০০ টকাৰ খাজনাৰ পীৰপাল জমি দৰগাহৰ নামত এতিয়াও আছে। চিলটত কবৰ থকা শ্বাহ জালালৰ সময়তে শ্বাহ কামালো অসমলৈ আহে বুলি জনা যায়। মহেন্দ্ৰনাৰায়ণ বজাই দৰগাহটিৰ নামত কিছু মাটি দিয়ে, দৰগাহৰপৰা ৮ মাইলমান দূৰত বজাই নিজৰ নামেৰে মহেন্দ্ৰগঞ্জ নাম দি এখন নগৰ (অসম-মৈমনসিংহৰ মাজসীমাত) পাতিছিল।[১] বিশ্বাস হয়, এই শ্বাহ কামাল বাজা বামসিংহই অসম আক্ৰমণৰ সময়ত অনা পাঁচ পীৰৰ এজন।[২]

ম.মে.

---

১ S. C. Goswami & P. D. Chaudhury · 'Antiquarian Notes', *J.A.R.S*, Vol. X, pp. 34-35.

২ গোৱালপাৰাৰ 'পাঁচ পীৰৰ দৰগাহ' চাওক। চান্দ মোহম্মদ চৌধুৰী (কানুনগো) ডাঙৰীয়াই এই মত সমৰ্থন কৰে।

# খাছিয়া-জয়ন্তীয়া পৰ্বত

**ফালজোৰৰ শক্তিপীঠ**

জয়ন্তীয়াৰ বাউৰভাগ পৰগণাত শাক্তসকলৰ কাৰণে পৰম পবিত্ৰ এখনি পীঠ আছিল। ইয়াৰ এটি শিলৰ স্তম্ভক বিষ্ণু-চক্ৰ -ছিন্ন সতীৰ বাম চৰণ বোলা হয়। ইয়াত শাৰদীয় পূজাৰ সময়ত নৱমীৰ দিনা নৰবলি দিয়া হৈছিল। এই পীঠ বৰগোসাঁইৰ দিনতহে (১৫৪৮-৬৪ চন) আবিষ্কাৰ হয়।[১]

ম.নে.

**চেলাৰ চণ্ডিকা আৰু জয়ন্তেশ্বৰী**

খাছিয়া পৰ্বতৰ দক্ষিণ সীমান্তত চেলা গাঁও। পৰ্বতীয়া সৰু চেলা নদী গাঁৱৰ দাঁতিয়েদি বৈ গৈছে। চেৰাপুঞ্জীৰপৰা মামলুলৈ তিনি মাইল বাছেৰে গৈ তাৰপৰা পৰ্বতীয়া বাটে সৰু সৰু পৰ্বতৰ চাল পাৰ হৈ ১৩ মাইল খোজ কাঢ়ি যাব লাগে। চেলাৰ নামনি অঞ্চলৰপৰা পাকিস্তানৰ অন্তৰ্গত শ্ৰীহট্ট জিলাৰ সমতলভূমি। চেলা গাঁৱৰপৰা চেলা বজাৰ এমাইলমান পূবে, চেলা নদীৰ পাৰৰ সমতল ঠাইত চেলাবজাৰৰ ওচৰতে এখনি মুকলি ঠাইত চণ্ডিকা স্থান। ইয়াত কোনো চণ্ডিকাৰ মূৰ্তি নাই। এজোপা বৰগছৰ তলত এটি ক'লা ঘূৰণীয়া ধুনীয়া শিলকে অঞ্চলৰ লোকসকলে চণ্ডিকা বুলি পূজা দিয়ে। ওচৰতে এডোখৰ ঘূৰণীয়া চেপেটা শিল। এয়েই জয়ন্তেশ্বৰী। খাইজে বৰ্তমানে সেই ঠাইডোখৰত এটি গৃহ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছে।

মু.দা.

**পলাতীৰ্থ**

শ্বিলং চহৰৰপৰা প্ৰায় ৮১ মাইলত নলিঘাট অৱস্থিত। ৭০ মাইলত বালাট। ইয়াৰপৰা বৰচ'ৰা কয়লা আৰু চুণ-শিলৰ উঁহলৈ যোৱাৰ পথত এই নলিঘাট। আজি-কালি গোমাঘাট বুলিলেহে সচৰাচৰ লোকে বুজে। গোমাঘাট এখন নৈ, আচল নাম যাদুকটা। খাছিয়া ভাষাত নাম বেংলেং। এই নৈখন খাছিয়া-জয়ন্তীয়া পাহাৰৰপৰা ওলাই পাকিস্তানেদি গৈ সুৰমা নদীৰে লগ লাগিছে। নৈখনৰ পানী প্ৰায় নীলা, গভীৰ, সোঁত অপ্ৰবল। কিন্তু মাছ পোৱা হয়। এই নৈৰ দুয়ো পাৰে পবিত্ৰ স্থানসমূহ বিস্তৃত হৈ আছে। ঠাইখণ্ড ভাৰত আৰু পাকিস্তানৰ সীমান্তৱৰ্তী।

---

১ *Assam District Gazetteers*, Vol. II, ch. III, p. 86; *Gait, History of Assam*, p. 68, শ্ৰীহট্টের ইতিবৃত্ত, cited by R. M. Nath, *J.A.R.S.*, V, 1 & 2, p. 53.

এই স্থানৰ লগত চৈতন্য সম্প্ৰদায়ৰ অদ্বৈতৰ (১৩৫৫-১৪৮০ শক) নাম জড়িত আছে। এওঁৰ জন্ম হৈছিল বৰ্তমান পাকিস্তানৰ সুনামগঞ্জ মহকুমাৰ লাউড়গ্ৰাম বা ল'কাড়ত, পাকিস্তান সীমান্ত চকিৰ ওচৰত যাদুকটা নৈৰ পাৰত। এই ঠাই বৰ্তমানো পাকিস্তান চৰকাৰে সংৰক্ষণ কৰিছে বুলি মুখে মুখে শুনিবলৈ পোৱা গৈছে। কোনোৱে কয় ইয়াৰ কাষতে শিৱ-মন্দিৰ এটাও আছে। ইয়ালৈকে হেনো লখীন্দৰক জীয়াবলৈ বেউলাই ভেল লৈ আহিছিল। তাৰে চিহ্ন এতিয়াও গোমাঘাটৰ কাষতে বাৰিষা-খৰালি একেদৰে ভাহি থকা ভেলখন একেঠাইতে আছে। অদ্বৈত মহাপ্ৰভুৰ বৃদ্ধা মাকে কাশী-যাত্ৰাৰ কথা তেওঁক কৈছিল। কিন্তু অত্যন্ত অভাৱৰ ফলত কাশী-যাত্ৰা হৈ নুঠিল। তাৰ সলনি এই যাদুকটা নৈত ঐকান্তিকতাৰে স্নান কৰি নিৰ্বাণ-প্ৰাপ্তি হ'ব খুজিলে পূত সলিলৰ ফল পোৱা হ'ব আৰু ভগৱান পৰম সন্তুষ্ট হ'ব বুলি মহাপ্ৰভুৱে মাকক কৈছিল। ইয়াতে অটল বিশ্বাসেৰে বৃদ্ধা মাকে পণ ৰাখি স্নান কৰিছিল। তেতিয়াৰপৰাই এই ঠাই পণাতীৰ্থ নামে জনাজাত হয়। আজিকালি তাকে বাৰুণীস্নান বোলা হয়। খেনোৱে 'বাণী' বুলিও উচ্চাৰণ কৰে। এই বাৰুণীৰ স্নান প্ৰত্যেক বছৰৰ দৌল-পূৰ্ণিমাৰ পিছৰ ত্ৰয়োদশী তিথিত পৰে। এই স্নানৰ সুযোগ লৈয়েই যাত্ৰীৰ সমাৰোহেৰে এখন মেলাও পতা হয়। দেশ-বিভাজনৰ ফলত মোলাৰ স্থান -বৰ্তমান নলিঘাটত- যাদুকটা নৈৰ পাৰত কৰা হৈছে। পাকিস্তানতো একে সময়তে অদ্বৈত মহাপ্ৰভুৰ স্থানত মেলা আদি অনুষ্ঠিত হয়। নলিঘাট বৰ্তমান গোমাঘাটৰ অংশবিশেষ। ইয়াতে স্নান কৰা হয়। স্নান কৰাৰ পাছত যাদুকটা নৈয়ে এমাইলমান অধিক উজাই গৈ পোৱা দেউলিচ'ৰা দৰ্শন নকৰিলে পূণ্যাৰ্থ পূৰ্ণাঙ্গ নহয় বুলি সৰ্বসাধাৰণৰ বিশ্বাস। এই দেউলিচ'ৰা যাদুকটা নৈৰ পাৰত অংখলাবৃত্ত। থিয়ৈ বহু ফুট ওখ পাথৰৰ সমষ্টি। বছৰৰ সকলো সময়তে হেনো কম-বেছি পৰিমাণে জিৰজিৰকৈ ওপৰৰপৰা পানী পৰি থাকে। দৰ্শনৰ সময়ত সৰহসংখ্যক মহিলা যাত্ৰীয়ে জাউৰিয়ে জাউৰিয়ে উৰুলি দিলে বোলে পানী খৰকৈ কাৰণে বেগেৰে পৰে। স্নানৰ দুই-এদিনৰ কাৰণে তাত এজন পূজাৰি থাকি পূজা-অৰ্চনা কৰে। যাত্ৰীয়ে কৰা উৎসৰ্গৰ সমল আৰু অৰিহণা আদি এই পূজাৰিয়েই গ্ৰহণ কৰে। খেনোৱে আকৌ কাষতে থকা যাদুকটা নৈত আধা বুৰ গৈ থকা আন এটা পাথৰৰ প্ৰতি ভক্তি প্ৰদৰ্শন কৰি অৰিহণা আদি জলত দি মূৰ দোঁৱায়। দেউলিচ'ৰাক খেনোৱে দিপ্ৰী বা জিপ্ৰিচ'ৰাও বোলে।

**অন্যান্য স্থান**

ইয়াৰ বাহিৰে এই অঞ্চলটো জুৰি আন বহুতোৰ উল্লেখযোগ্য স্থান আছে। যথা - নলিঘাট, গোমাঘাট, গোমাবীৰ আৰু উমাবীৰ, মুইতালাবা, ধুকুনীৰ ঘাট (যাক 'ধুপৰ খোলা' বোলা হয়), দঁতাল হাতীৰ পাতাললৈ যোৱাৰ পথ (পথটো 'খীল' বোলা হয়), চাপ সদাগৰৰ ডিঙা, বিশ্বকৰ্মাৰ ঘাট, বেউলাৰ ভেল, গঙ্গা-গৌৰীৰ ঢাল-তৰোৱাল, হুগলীৰ উঁৱাল, নবী ছাহেবৰ কান্দা, চাউল উঁৱাল, চাউল উঁৱাল-জিপ্ৰি চ'ৰা, সতী কন্যাৰ সঠ, বাণীঘাট, ফকীৰ গাম, ডাঙৰ বাম্নন, সৰু বাম্নন, ইত্যাদি অ'ত-ত'ত সিঁচৰিত হৈ আছে। ইয়াৰ প্ৰত্যেকটোৰ

পিছত একোটিকৈ আখ্যান আছে। সকলোবোৰ উদ্ধাৰ কৰা সম্ভৱ নহয়। ওচৰৰ লোকসকল গাৰো আৰু হাজং প্ৰধানকৈ।[১]

**মহাদেউ-খোলা**

শ্বিলং ছহৰৰপৰা প্ৰায় দুমাইল দক্ষিণ-পশ্চিমত পৰ্বতৰ শিলৰ মাজত এই তীৰ্থস্থান। এই মহাদেউ-খোলা সম্পৰ্কে খাছিয়া-জয়ন্তীয়া পাহাৰৰ জনসাধাৰণৰ মাজত কিংবদন্তী আছে। কিছুমানে কয় যে ইয়াতে হেনো স্বয়ং মহাদেৱে গুহাৰ মাজত বহি ধ্যান কৰিছিল। এই তীৰ্থস্থানত বহুতো শিৱলিঙ্গ আৰু গণেশ, কাৰ্তিক আদিৰ মূৰ্তি দেখা যায়। যোৱা কেইবছৰমানৰ ভিতৰত মাৰোৱাৰী আদি ধনী লোকে এই ঠাইত টিনৰ ঘৰদুৱাৰ আদি সাজি বৰ জাকজমক কৰি তুলিছে। প্ৰত্যেক বছৰে শিৱৰাত্ৰিৰ দিনাখন ইয়াত এখন ডাঙৰ মেলা হয়। এই তীৰ্থস্থানত এটি ডাঙৰ ক'লা সাপ সদায় ওলায় বুলিও প্ৰবাদ আছে। কথিত আছে হেনো বছৰত এবাৰ অৰ্থাৎ শিৱৰাত্ৰিৰ দিনাখনহে এই সাপটোৱে যাত্ৰীক দেখা দি যাত্ৰীৰ পাপ-তাপ মোচন কৰে।

## দৰগাহ

**শ্বাহ-সাৰ্পিন্ ছাহেবৰ মকাম**

ইয়াকে চমুকৈ মকাম বোলা হয়। মুছলমান ধৰ্মৰ ৩৬০ জন ভাৰতীয় আউলিয়াৰ ভিতৰত শ্বাহ-সাৰ্পিন্ ছাহেব অন্যতম। ঘটনাক্ৰমে এওঁ শিষ্যবৰ্গেৰে ফুৰি ফুৰি জপৰ উপযোগী স্থান স্বৰূপে বৰ্তমানৰ এই ঠাইকে লৈছিল। এই ঠাই গোৱালপাৰাৰপৰা বালাটমুখী পথৰ প্ৰায় এক ফাৰ্লংৰ দূৰত্ব পাহাৰৰ ওপৰত অৱস্থিত। উপৰি অংশ পাথৰৰ সমষ্টি। ইয়াত তেওঁ এখন ভৰিত ভৰ দি জপ কৰা, নামাজ কৰাত ভৰিৰ, আঁঠুৰ, হাতৰ আঙুলিৰ আৰু শিৰৰ ঘঁহনি খাই হোৱা চিন এতিয়াও যাত্ৰীক তদাৰক কৰাজনে দেখুৱায়। ছাহেবক দৰ্শক কৰিবলৈ অহা অজগৰ সাপ এটা আৰু উদণ্ড হাতী এটাক শাপ দি পাথৰ কৰাৰ চিন দেখুওৱা যায়।

পানীৰ অভাৱত শ্বাহ সাৰ্পিন্ ছাহেবে ধ্যানৰ বলেৰে সৃষ্টি কৰা সাতোটাকৈ ক্ষুদ্ৰাকৃতিৰ একে গোটতে থকা কুঁৱা এতিয়াও আছে। ইয়াৰে তিনিটামানত খৰালিও পানী থাকে। কিন্তু খোৱাৰ উপযোগী নহয়। বিশ্বাসেৰে ইয়াৰ পানী কোনো বেমাৰত ব্যৱহাৰ কৰিলে সুফল পোৱা হয় বুলি কয়। সেই সময়ত শ্বাহ সাৰ্পিন্ ছাহেবজনা মক্কালৈ গোপনে আহ-যাহ কৰা সুৰঙ্গৰ চিহ্ন মাত্ৰ আছে। আহৰি সময়ত চয়ন কৰা ঠাইখন পাথৰময়। কোনোৰ মতে এওঁ অমৰণ। কোনো কোনো সময়ত এওঁৰ আৱজ শুনিবলৈ পোৱা হয় বোলে। বছৰৰ বাৰুণী-স্নানৰ লগতে ইয়াতো যাত্ৰীৰ সমাৰোহ ঘটে। যাত্ৰীয়ে ফল-মূল, মিঠাই সহ মমবাতি জলোৱাৰ নিয়ম চলি আছে। মকাম থকা পাহাৰটোক লাউড় পাহাৰ বোলা হয়। ভূমিকম্পৰ ফলত

১ কণিকা হাজৰিকাৰ (কবৈপড়া, বালাট) টোকা।

প্ৰত্যক্ষ চিহ্ন কিছুমান লোপ পাইছে বুলি কয়।[১]

**জনজাতীয় পবিত্ৰ থান**

**পবিত্ৰ শ্বিলং পৰ্বত**

অসমৰ ৰাজধানী শ্বিলং এখন প্ৰাকৃতিক দৃশ্যেৰে মনোমোহা চহৰ। গছে-বনে, ফলে-ফুলে, পৰ্বতে-পাহাৰে সুশোভিত এই শ্বিলং চহৰখনৰ নাম সম্পৰ্কে এটি প্ৰবাদ আছে। খাছিয়াসকলে কয় যে কা শ্বিলং নামেৰে দেৱী এগৰাকী নামানুসাৰে এই চহৰখনৰ শ্বিলং নামকৰণ কৰা হয়। এই দেৱীগৰাকী হেনো আপাৰ্ শ্বিলঙৰ ওক্ গছৰ জাৰণিৰ মাজত এতিয়াও বিৰাজমান। এয়ে তেওঁলোকৰ মাজত বিশ্বাস আৰু সেই কাৰণেই খাছিয়াসকলে ওক্ গছক অতি পবিত্ৰ বুলি বিবেচনা কৰে আৰু হিন্দুসকলে আঁহত গছ নকটাৰ দৰে এওঁলোকেও ওক্ গছ কেতিয়াও নাকাটে। শ্বিলং চহৰত কা শ্বিলং দেৱী অৱস্থান কৰা বাবে খাছিয়াসকলৰ মানত শ্বিলং এখন পবিত্ৰ ঠাই।

**নংক্ৰেম**

খাইৰিম ৰাজ্যত (বুৰঞ্জীৰ খৈৰামী ৰাজ্য) নংক্ৰেম বোলা ঠাইখন খাছিয়াসকলৰ তীৰ্থস্থান। ইয়াত বছৰি পালন কৰা ৰাজকীয় পূজাক নংক্ৰেম-পূজা বুলি জনা যায়। এই পূজা আজিকোপতি বৰ আড়ম্বৰেৰে পালন কৰি অহা হৈছে। এই উৎসৱৰ ঘাই কামবিলাক ইং-ছাদত (ধৰ্মবিষয়ক কাৰ্য সম্পন্ন কৰাৰ উদ্দেশ্যত ৰখা ঘৰ) অনুষ্ঠিত হয়। ছিয়েম বংশৰ নুমলীয়া জীক কা ছিয়েম ছাদ বোলা হয়। তেওঁৰ তত্ত্বাৱধানতে এই ঘৰটো থাকে আৰু তাৰ প্ৰতিপালনৰ সকলো দায়িত্ব তেৰেঁই গ্ৰহণ কৰে। এই পূজা সম্পৰ্কত অনুষ্ঠিত হোৱা ধৰ্ম-বিষয়ক সকলোখিনি কামেই ছিয়েম ছাদৰ উপস্থিতিত সাধাৰণতে মুখ্য পুৰোহিতৰ দ্বাৰা এই ঘৰটোত অনুষ্ঠিত হয়, যিহেতু কা ছিয়েম ছাদকেই ধৰ্মবিষয়ক সকলোবিলাক কামৰ মুৰব্বি বুলি মনা হয়। খাইৰিম ৰাজ্যৰ নংক্ৰেমত এই ইং-ছাদ অৱস্থিত। খাছিয়াসকলে তেওঁলোকৰ ৰাজ্য ৰক্ষা কৰাৰ বাবে দেৱতাৰ অনুগ্ৰহ লাভ কৰিবলৈ পূজা-পাতল আৰু বলি-বিধানৰ দ্বাৰা দেৱতাসকলক সন্তুষ্ট কৰাৰ বাবে বছৰেকত এবাৰকৈ নংক্ৰেমত সমবেত হয়। এই বাৰ্ষিক উৎসৱ উপলক্ষে অনুষ্ঠিত উৰ্হ্গো-নাচত "দেৱতাসকলৰ ল'ৰা-ছোৱালী" অথবা ছিয়েম বংশৰ লোকসকলে নানা ধৰণৰ জাকজমক সোণৰ অলঙ্কাৰ আৰু দামী সাজপাৰ পৰিধান কৰি নাচত সক্ৰিয় অংশ গ্ৰহণ কৰে।

**মৌলাইৰ ছাদচুক মিনছিয়াম**

ছাদচুক মিনছিয়াম বা মৌলাই পূজা অনা-খ্ৰীষ্টিয়ান খাছিয়া লোকসকলৰ মাজত প্ৰচলিত এটা পূজা। এই পূজা সাধাৰণতে খেতি চপোৱাৰ সময়ত অৰ্থাৎ এপ্ৰিল মাহত হয়।

১ কণিকা হাজৰিকাৰ (কৰৈসেড়া, বাজালি) টোকা।

আমাৰ ভৈয়ামৰ কছাৰীসকলৰ পূজাৰ লগত এই পূজাৰ সামঞ্জস্য থকা যেন লাগে। এই পূজা উৎসৱত সমূহ ৰাইজ গোট খাই ভগৱানক ধন্যবাদ জনায় আৰু ভাল শস্য দিবলৈ প্ৰাৰ্থনা কৰে। মিলিয়াম ৰাজ্যত অনুষ্ঠিত এই উৎসৱ হৈছে বছৰেকীয়া ধন্যবাদ-জ্ঞাপক উৎসৱ। এই উৎসৱৰ সময়ত গোটেই মৌলাই ঠাইখনেই উৎসৱমুখৰ হৈ পৰে। এই মৌলাই ঠাইখন অনা-খ্ৰীষ্টিয়ান খাছিয়া লোকসকলে তীৰ্থস্থান বুলি গণ্য কৰে।

### জোৱাইৰ নাৰ্টিয়াং

আগতে কৈ অহা হৈছে যে ছিনটেংসকলৰ আচাৰ-ব্যৱহাৰৰ হিন্দুৰ আচাৰ-ব্যৱহাৰৰ লগত সামঞ্জস্য আছে। ইংৰাজসকল ইয়ালৈ আহি খ্ৰীষ্ট-ধৰ্ম প্ৰচাৰ কৰাৰ আগতে এওঁলোক হিন্দু আছিল বুলি বহুতৰ ধাৰণা। বহু বছৰৰ আগতে জয়ন্তীয়া ৰজাই এই নাৰ্টিয়াঙত দুৰ্গা-মন্দিৰ নিৰ্মাণ কৰি হিন্দুৰ দৰে দুৰ্গ-পূজা কৰিছিল বুলিও জনশ্ৰুতি আছে। এই নাৰ্টিয়াঙত এতিয়াও কিছুমান মঠ-মন্দিৰ দেখিবলৈ পোৱা যায়। অনা-খ্ৰীষ্টিয়ান জয়ন্তীয়াসকলে তাত এতিয়াও পূজা-পাতল আদিৰ জৰিয়তে উৎসৱ আদি কৰে। এই উৎসৱৰ লগত হিন্দুসকলৰ দুৰ্গাপূজাৰ বহুখিনি মিল আছে বুলি এতিয়াও মানুহৰ বিশ্বাস। এই পূজা বছৰেকত এবাৰহে হয়।

### জোৱাইৰ বেহ্‌দিন খলাম

জোৱাই খাছিয়া-জয়ন্তীয়া জিলাৰ আন এটি মহকুমা ছহৰ। এই জোৱাই নগৰত অনা-খ্ৰীষ্টিয়ান জয়ন্তীয়াসকলে প্ৰত্যেক বছৰতে জুলাই মাহত বেহ্‌দিন খলাম নামৰ ধৰ্মমূলক পূজাৰ অনুষ্ঠান কৰে। এই পূজা তিনিদিন ধৰি চলে। জয়ন্তীয়াসকলৰ মাজত এটা বিশ্বাস আছে যে ঈশ্বৰক পূজা-পাতল, বলি-বিধান নিদিলে ৰাইজে ভাল শস্য চপাব নোৱাৰে। সেই কাৰণেই প্ৰতি বছৰেই ভাল শস্য পাবলৈ এই পূজাৰ আয়োজন কৰা হয়। বেহ্‌দিন খলামৰ আচল অৰ্থ হ'ল - বেমাৰ-আজাৰ, দায়-দোষ নিবাৰণ কৰি ৰাইজক সুস্থ জীৱন আৰু সুখী সংসাৰৰ বাবে সুবিধা দিয়া। জয়ন্তীয়াসকলে ইয়াক পূজা বুলিও অভিহিত কৰে। জোৱাইৰ প্ৰথম অধিবাসীসকলে চান্দা তুলি এই পূজাৰ আয়োজন কৰিছিল। পুৰোহিতৰ ঘৰত এই পূজা আৰম্ভ হয়। গোটেই জোৱাই মহকুমা এই সময়ত উৎসৱ মুখৰ হৈ পৰে। উৎসৱৰ তৃতীয়া দিনাখন তেওঁলোকে সু-সজ্জিত ৰথ লৈ শোভাযাত্ৰা কৰে আৰু এটনাৰ নামৰ ঠাইত এই সুসজ্জিত ৰথবোৰ বিসৰ্জন দিয়ে। হিন্দুসকলৰ দৰে তেওঁলোকৰো এইটো বিশ্বাস যে বিসৰ্জনৰ সময়ত এই ৰথ চুলে পাপমুক্তি হয় আৰু ভগৱানৰ কৃপা-দৃষ্টি লাভ হয়। সেয়েহে জোৱাই নগৰ বেহ্‌দিন খলামৰ বাবে অনা-খ্ৰীষ্টিয়ান ছিনটেং লোকসকলৰ মানত পবিত্ৰ স্থান।

জ.পা.

**উম্‌ঙট্‌**

শ্বিলং শৃঙ্গক শ্বিলং দেৱতাৰ বাসস্থান বুলি খাছিয়াসকলৰ বিশ্বাস। এই দেৱতাৰ দুগৰাকী জীয়েক আছিল - কা ঙটা আৰু কা ইআম। এদিন দুয়ো নামনিৰ চিলটলৈ লৰ মৰা প্ৰতিযোগিতা পাতিলে। দুজনেই দুখন নৈৰ ৰূপ লৈ যাত্ৰা আৰম্ভ কৰিলে তীব্ৰবেগে। কা ইআম আছিল উগ্ৰ আৰু সাহসী চ কা ঙট্‌ নিৰ্জু আৰু আৰামপ্ৰিয়। কা ঙটে লাহে ধীৰে সুপথেৰে গৈ যথাসময়ে চিলট্‌ পায়। গৰী কা ইআমে পোনপটীয়া বাটেৰে খোজ লওঁতে শিলৰ বাধাৰ লগত যুঁজি শ্ৰান্ত হৈ চিলট পাই দেখে ভনীয়েকে আগতে সেই ঠাই পাইছে। লাজে-দুখে-অপমানে কা ইআমে নিজকে লুকুৱাই ৰাখিবলৈ পাঁচোটা সুঁতিত পৰিণত হৈ চিলটত ভনীয়েকৰ লগ ললে। শ্বিলং পাহাৰৰপৰা ফাঁট মেলি চিলটলৈ যোৱা এই নদী দুখনেই হ'ল উম্‌ ঙট্‌ আৰু উম্‌ ইআম্‌। কা ঙট্‌ প্ৰতিযোগিতাত জিকিছিল কাৰণে অ-খ্ৰীষ্টিয়ান খাছিয়াসকলে আজিকোপতি উম্‌ ঙট্‌ নৈ পাৰ হোৱাৰ আগতে পানীত নানা বস্তু নৈ ... ৰ আৰু যাত্ৰা-পথত নৈখন চকুত পৰিলেই অভিবাদন জনাই কয়, "খুবলেই"।[১]

**গীৰ্জা**

**বেল্‌ছ্‌ কেল্‌ভিনিষ্টিক্‌ আৰু অন্যান্য গীৰ্জা**

বেলছ্‌ কেল্‌ভিনিষ্টক্‌ ধৰ্মপ্ৰচাৰক দলটোৱে প্ৰথমতে খাছিয়া-জয়ন্তীয়া পাহাৰ অঞ্চলটোক খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ বাবে সুবিধাজনক বুলি মনোনীত কৰে আৰু ৰেভাৰেণ্ড তমাছ্‌ জনছনক প্ৰথম ধৰ্মপ্ৰচাৰক হিছাপে ইয়ালৈ পঠিয়ায়। ১৮৪১ চনৰ ২২ জুন তাৰিখে ৰেভাৰেণ্ড তমাছ্‌ জনছন চেৰাপুঞ্জী পায়হি। ওবেলছ্‌ মিছন অহাৰ আগেয়ে খাছিয়াসকলৰ নিজ ভাষাত কোনো কিতাপ-পত্ৰ বা আন কোনো প্ৰকাৰৰ লিখিত বিৱৰণ আদি নাছিল। পুৰণিকলীয়া যিবিলাক শিলৰ স্তম্ভ (monolith) আজি-কালিও এই অঞ্চলৰ বিভিন্ন অঞ্চলত দেখা যায়, সেইবিলাকতো আখৰৰ কোনো চিন-মোকাম পোৱা নাযায়। সেই স্তম্ভবিলাক বিশেষ যত্ন নোলোৱাকৈ বেঁকা কৰি কটা মাত্ৰ কিছুমান শিলহে। কিন্তু ৰেভাৰেণ্ড তমাছ্‌ জনছনৰ চেষ্টাৰ ফলতহে আচলতে ইয়াক লিখিত ভাষাত ৰূপ দিয়া হয়। ডাঃ উইলিয়াম কাৰেই খাছিয়া ভাষাৰ উন্নতিৰ হকে বিশেষভাৱে মনোযোগ দিয়ে। চেৰাপুঞ্জীত থকা এজন ইংৰাজ বিষয়াৰ অধীনত নাৰ্ছ হিচাপে কাম কৰি থকা এগৰাকী মহিলাৰ সহায়ত তেওঁ বাইবেলখন খাছিয়া ভাষালৈ অনুবাদ কৰে। সেই অনূদিত বাইবেলখনৰ প্ৰতিলিপি এটা বৰ্তমানেও শ্ৰীৰামপুৰৰ ধৰ্মতত্ত্ববিষয়ক কলেজ লাইব্ৰেৰীত আছে। উইলিয়াম কাৰে খ্ৰীষ্টধৰ্মত দীক্ষিত কৰা কৃষ্ণচন্দ্ৰ পালে পাহাৰৰ নামনিৰ পাণ্ডুত প্ৰথমতে দুজন খাছিয়ালোকক খ্ৰীষ্ট ধৰ্মৰ দীক্ষা দিয়ে আৰু চেৰাপুঞ্জীৰ নং ছাওলিয়াত পোন প্ৰথমতে খ্ৰীষ্টিয়ান গীৰ্জা স্থাপন কৰি খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত কৰা লোক দুজনক এই গীৰ্জাৰ সভ্য হিছাপে ভৰ্তি কৰে। এই পুৰণি গীৰ্জাটো

১ শ্ৰীৰুদ্ৰেন্দ্ৰনাথ ভালুকদাৰৰ এটি আকাশবাণী প্ৰয়োগৰপৰা।

বৰ্তমানো আছে। খাছিয়া আৰু জয়ন্তীয়া পাহাৰত ৱেল্‌ছ্‌ প্ৰেছ্‌বিটেৰিয়ান্‌ গীৰ্জাৰ সভ্য হিছাপে বৰ্তমান এক লাখৰো অধিক খ্ৰীষ্টিয়ান লোক আছে। প্ৰেছ্‌বিটেৰিয়ান্‌ গীৰ্জাৰ বাহিৰেও কেথলিক গীৰ্জাও গোটেই জিলাতে সিঁচৰিত হৈ আছে।

ভা.পা.

**অল্‌ ছেইন্ট্‌ছ্‌ প্ৰোকেথেড্ৰেল্‌**

এঙ্গ্‌লিকান্‌ সম্প্ৰদায়ৰ প্ৰচাৰকসকলে পোনতে খাছিয়া পৰ্বতৰ চেৰাপুঞ্জীত কাম আৰম্ভ কৰে, কাৰণ তেতিয়া গৱৰ্ণৰ-জেনাৰেলৰ এজেণ্ট আৰু আসামৰ কমিচনাৰৰ সদৰ শ্বিলঙত নাছিল, চেৰাপুঞ্জীতহে আছিল। এওঁলোকৰ আগতে ৱেল্‌ছ্‌ প্ৰেছ্‌বিটেৰিয়ান সম্প্ৰদায়ে খাছিয়াসকলৰ মাজত সুন্দৰ কাম আৰম্ভ কৰিছিল। ১৮৬৯ চনৰপৰা শ্বিলঙত এঙ্গ্‌লিকান্‌ সম্প্ৰদায়ৰ গীৰ্জা এটিৰ কাৰণে অৰ্থসংগ্ৰহৰ কাম আৰম্ভ হয়। ১৮৭৪ চনৰ ২২ আগষ্টত লৰ্ড নৰ্থব্ৰুকে (ভাইচ্‌ৰয়) গীৰ্জাৰ আধাৰশিলা স্থাপন কৰে। ১৮৭৬ চনত এই গীৰ্জাত পোনতে নাম-প্ৰসঙ্গ হয়। ১৮৭৭ চনত গীৰ্জাটি সৰ্ব সন্তৰ (All Saints) নামে উছৰ্গিবলৈ সিদ্ধান্ত গৃহীত হয়। ১৮৯৭ চনৰ ১২ জুন শনিবাৰে ভূমিকম্পত গীৰ্জাটি সম্পূৰ্ণ বিধ্বস্ত হয়। নতুনকৈ গীৰ্জা সাজিবলৈ ভাৰত চৰকাৰে পোন্ধৰ হেজাৰ, কলিকতাৰ বিশ্বপে তিনি হেজাৰ টকা দিয়ে। বৰঙণি আদি তুলিও অসম বেঙ্গল ৰেল্‌ৱেৰ আৰ্কিটেক্ট্‌ ডব্লিউ. অৰুণ্ডলেৰ নকচামতে গীৰ্জা সাজি ১৯০২ চনৰ ২৬ জুনত ঘৰ-লোৱা পতা হয়।

ম.নে.

# কাছাৰ

কাছাৰ জিলাৰ পবিত্ৰ পুৰণি কীৰ্ত্তি-চিন আৰু ৰজাৰ নগৰ, পুখুৰী, দ'ল-দেৱালয়, দৰগাহ, গড় আদি অনেক আছে যদিও বুৰঞ্জীত প্ৰায়বিলাকৰে উল্লেখ নাই। মানুহে অনুমান কৰি কোৱা বা জনশ্ৰুতিক আশ্ৰয় কৰি কোৱা কথাৰ কিমান ঐতিহাসিক মূল্য আছে তাক কোৱাটো কঠিন। সম্প্ৰতি গঠন হোৱা সংযুক্ত উত্তৰ কাছাৰ মিকিৰ পাহাৰ জিলাৰো কথা তলৰ বিৱৰণত কিছু পৰিব পাৰে।

· মাইবং

কছাৰী ৰজাৰ নগৰ ডিমাপুৰ আহোম ৰজাৰ দখললৈ যোৱাত ইয়াক উত্তৰ কাছাৰৰ মাহুৰ নৈৰ কাষত কছাৰীসকলে মাইবঙত ৰাজধানী স্থাপন কৰে। তাম্ৰধ্বজৰ দিনতে মাইবঙত কছাৰী ৰাজ্যৰ দৃঢ়ভাবে প্ৰতিষ্ঠা হয়। এই ৰাজনগৰৰ নাম কীৰ্ত্তিনগৰো আছিল। আহোম সেনাপতি সোন্দৰ গোহাঁইক ৰণত ঘটুৱাই বধ কৰি কাছাৰৰ ৰজাই মাইবঙৰ নাম কীৰ্ত্তিপুৰ ৰাখিছিল। মাইবঙৰ পুৰণি ৰাজধানীৰ ভগ্নাৱশেষ অ'ত-ত'ত পৰি আছে। ইয়াৰ সিংহদুৱাৰৰ ভগ্নাৱশেষৰ শিলালিপিত ৰজা মেঘনাৰায়ণৰ নাম আছে। মাইবং বজাৰৰ সন্মুখত সিংহদুৱাৰৰ শিলৰ খুঁটা এতিয়াও আছে। ইয়াৰ ৰণচণ্ডী ঠাকুৰাণীৰ মন্দিৰৰ আশে-পাশে সৰু-বৰ পুখুৰী, ইটাৰ গড় আদিও আছে।

**মাইবং নৈত শিলত কটা মন্দিৰ**

মাইবঙৰ ওচৰতে মাইবং নৈত এটা শিলত কটা সৰু মন্দিৰ আছে। এই মন্দিৰটি দেৱীৰ, আৰু ইয়াৰ চাৰিখন দুৱাৰৰ চিন আছে। ভুবনেশ্বৰ বাচস্পতিয়ে লিখিছে যে সুৰদৰ্পনাৰায়ণৰ ৰাজত্বৰ কালত তেওঁৰ মাক চন্দ্ৰপ্ৰভাৰ (তাম্ৰধ্বজৰ স্ত্ৰী) আদেশত এই মন্দিৰ নিৰ্মাণ হয়। অনেকে এই মন্দিৰ ৰজা হৰিশ্চন্দ্ৰই কৰোৱা বুলি কয়। বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ পুৰণি কীৰ্ত্তিসংৰক্ষণ বিভাগৰ দ্বাৰা ইয়াৰ মেৰামতি হয়।

**খাচপুৰ নগৰৰ মঠ-মন্দিৰ**

শিলচৰৰপৰা উত্তৰ-পূবে উদাৰবন্দ অঞ্চলত কছাৰী ৰজাৰ শেষ ৰাজধানী খাচপুৰ। আহোম সেনাই মাইবং দখল কৰাত তাম্ৰধ্বজে ৰাজধানী খাচপুৰলৈ তুলি নিয়ে। এই ৰাজধানী বেৰি পকা দেৱালৰ গড় আছে। ইয়াৰ পকী ৰবদুৱাৰ, সিংহদুৱাৰ আদি দুৱাৰবিলাক, স্নান-মন্দিৰ, ৰণচণ্ডী-মন্দিৰকে ধৰি কেইবাটিও মন্দিৰ আছে। ইয়াৰ ভগা মন্দিৰ এটিত এখন শিলত কটা ফলিত আছে - "...শ্ৰীশ্ৰীহেড়ম্বেশ্বৰক্ষিতিপতিহৰিশ্চন্দ্ৰনাৰায়ণস্য ৰাণী

শ্ৰীলক্ষ্মীদেৱী...শিৱ..." ইত্যাদি। ফলিত অসমীয়া 'ৰ' আৰু 'ৱ' স্পষ্টকৈ দেখা যায়। এই ফলিত মুঠতে সাতশাৰী আখৰ কটা আছে। শকাব্দ স্পষ্ট নহয়। মন্দিৰবিলাকৰ গঠন-প্ৰণালী উজনী অসমৰ মন্দিৰবিলাকৰ লগত কিছু অমিল। খাচপুৰৰ এই কীৰ্তিচিহ্নবিলাক কেন্দ্ৰীয় চৰকাৰৰ পুৰণি কীৰ্তি-সংৰক্ষণ বিভাগৰ দ্বাৰা ৰক্ষিত।[১]

**ভুবন পাহাৰৰ শিৱ-ভুৱনেশ্বৰী-বিগ্ৰহ**

শিলচৰ নগৰৰপৰা প্ৰায় ৪১ মাইলমান উত্তৰ-পূবে ভুবন পাহাৰৰ ওপৰত ভুৱনেশ্বৰ শিৱ আৰু ভুৱনেশ্বৰী দেৱীৰ বিগ্ৰহ আছে। ইয়াৰ পুৰণি মন্দিৰ কোনোবা ভূমিকম্পত ভাগিল। বহু কাল এই পবিত্ৰ স্থানৰ সম্পৰ্কে কোনেও জনা নাছিল। অৱশেষত কেইজনমান ধৰ্মপ্ৰাণ লোকে বহু কষ্ট কৰি এই দুৰ্গম পাহাৰৰ ওপৰত মন্দিৰ আৰু বিগ্ৰহ আবিষ্কাৰ কৰে। বুৰঞ্জীত এই মন্দিৰৰ উল্লেখ নাই। কিন্তু বহুতে এই মন্দিৰ কছাৰী ৰজাৰ আমোলৰ বুলি কয়। প্ৰতি বছৰে এই মন্দিৰত শিৱৰাত্ৰি, দৌলযাত্ৰা, আৰু বাৰুণী আদিত ডাঙৰ মেলা হয়। অসম চৰকাৰে মন্দিৰটি সংস্কাৰ কৰিবৰ কাৰণে কিছু আৰ্থিক সাহায্য দিছিল বুলি শুনা যায়।[২]

**মণিহৰণ সুৰঙ্গ আৰু ত্ৰিবেণী গঙ্গা**

ভুবন পাহাৰৰ অলপ নিলগতে আৰু দুখনি পবিত্ৰ ঠাই আছে। এখনি হৈছে মণিহৰণ সুৰঙ্গ। পৰ্বতৰ গাত কটা এটি আহল-বহল আৰু বহু দূৰলৈকে থকা সুৰঙ্গ আছে। এই সুৰঙ্গ সম্পৰ্কে বুৰঞ্জীমূলক তথ্য-পাতি নাই। এই সুৰঙ্গ পবিত্ৰ বুলি ইয়ালৈ দৰ্শকৰ আগমন হয়।

পাহাৰৰ নামনিত ত্ৰিবেণী-গঙ্গা বুলিও পবিত্ৰ স্থান আছে। তাত মানুহে স্নান আদি কৰে।

**কুমিগ্ৰামৰ কাঁচাখাত্তী পীঠ**

শিলচৰৰপৰা ৭ মাইলমান উত্তৰলৈ কুমিগ্ৰামত এখনি তান্ত্ৰিক পীঠ আছে। বহুতে ইয়াত কছাৰী ৰজাৰ উপাস্য দেৱী কাঁচাখাত্তী দেৱীৰ পীঠ বুলি কয়।[৩]

**মতিনগৰৰ মন্দিৰ**

শিলচৰৰপৰা ১১ মাইল পূবে মতিনগৰ পাহাৰৰ টিলাৰ ওপৰত কছাৰী ৰজাসকলৰ দিনৰ এটি শিৱ-মন্দিৰ আছে। ইয়াত নিত্য পূজা-সেৱা চলে। ইয়াৰ সবিশেষ জনা নাযায়।

**বিহাৰাৰ মন্দিৰ**

বিহাৰা অঞ্চলত কেইবাটিও দেৱ-দেৱীৰ মন্দিৰ আছে। ইয়াৰে এটি শিৱ-মন্দিৰ আৰু এটি দেৱীৰ মন্দিৰ জাগ্ৰত বুলি লোকে বিশ্বাস কৰে। এই মন্দিৰসমূহ পাছৰ কছাৰী

---

১ খাচপুৰৰ চাৰিটা মন্দিৰ আৰু আন দুটা শিলৰ ঘৰৰ কাৰুকাৰ্য অৰ্বাচীন আৰু বৰ ওখ খাপৰ নহয় বুলি এলেন্ চাহাবে জিলাৰ গেজেটিয়াৰত লিখিছে। ম.নে.

২ যাত্ৰীসকলে শিৱ আৰু দেৱীৰ বিগ্ৰহত পূজা দিয়ে, তলৰে এক কুণ্ডত স্নান কৰে, তাৰ পিছত গুহাত প্ৰৱেশ কৰে। (গেজেটিয়াৰ) ম.নে.

৩ কাঁচাখাত্তী — কেঁচাইখাতী।

ৰজাসকলৰ বুলি বিশ্বাস হয়। ইয়াৰ ওচৰতে পদ্মপুখুৰী, ৰজাৰ মা পুখুৰী আৰু নাতনাৰ পুখুৰী নামে কেইবাটিও পুখুৰী আছে। এসময়ত এই অঞ্চলত কছাৰী ৰজাই নগৰ কৰিছিল।

**সোণাপুৰৰ মন্দিৰ**

সোণাপুৰ অঞ্চলত দুটি মন্দিৰ আছে। তাৰ বিশেষ ইতিবৃত্ত পোৱা নাই।

**অন্যান্য**

বিক্ৰমপুৰ, লক্ষ্মীপুৰ (লক্ষীপুৰ), চন্দ্ৰনাথপুৰ আদি ঠাইতো পুৰণি মঠ-মন্দিৰ আদিৰ চিন আছে। ইয়াৰ মন্দিৰবিলাক দেৱীৰ। পাৰ্বত্য অঞ্চলতো পুৰণি থান থকাৰ কথা বুৰঞ্জীত পোৱা যায়, যেনে - দেউৰী গাঁৱৰ শিৱ-মন্দিৰ, বুঢ়া-বুঢ়ীৰ থান।

**সিদ্ধেশ্বৰৰ মন্দিৰ**

শিলচৰ আৰু হাইলাকান্দি মহকুমাৰ সীমাত সিদ্ধেশ্বৰত দশভুজা দেৱীৰ এটি মন্দিৰ আছে। কথিত আছে যে এই স্থানত পুৰণি কালত মুনিৰ আশ্ৰম আছিল। এই মন্দিৰটি প্ৰখ্যাত আৰু ইয়াত বাৰুণীৰ সময়ত ডাঙৰ মেলা হয়। এই মন্দিৰ হাইলাকান্দি মহকুমাৰ ভিতৰত পৰে। কছাৰী ৰজাসকলৰ দ্বাৰা এই মন্দিৰ নিৰ্মাণ হৈছিল।

**দৰগাহ**

**মিৰাৰ শৃঙ্গাৰ দৰগাহ**

হাইলাকান্দিৰপৰা ১২ মাইল উত্তৰে মুছলমানসকলৰ এখন পবিত্ৰ স্থান আছে। পূৰ্বে শ্বাহ জালাল পীৰৰ এজন অনুগামীয়ে এই টিলাৰ ওপৰত বহি আৰাধনা কৰিছিল। এচটা শিলত পীৰৰ হাতৰ চাব এতিয়াও আছে বুলি মানুহৰ বিশ্বাস।

**পাঁচ পীৰৰ দৰগাহ**

হাইলাকান্দিৰপৰা আঢ়ৈ কুৰি মাইলমান দক্ষিণত এই দৰগাহ। ওচৰতে এটি হিন্দু মন্দিৰো আছে।

ভু.স.

**গীৰ্জা**

**শিলচৰ গীৰ্জা**

অসমৰ এঙ্গলিকান্ সম্প্ৰদায়ৰ এইটিয়েই বোলে আটাইতকৈ মনোৰম গীৰ্জা।

# অসমৰ বাহিৰত পবিত্ৰ অসম

**কোচবেহাৰ**

অসমীয়া জাতিৰ কাৰণে কোচবেহাৰ ত্ৰিগুণ-পূণ্য জেৰুজালেম। অসম, কামৰূপ, কোচবেহাৰ, এই তিনিখন অসমীয়া ৰাজ্যৰ স্মৃতি আজিকোপতি জতুৱা বাক্যৰ 'তিনিও ৰাজ্য' কথাটোত সোমাই আছে। শঙ্কৰ, মাধৱ, দামোদৰ, তিনিজনা গুৰুৰ সমাধিস্থল কোচবেহাৰ আজিৰ ইতিহাসৰ যুক্তিৰ বলত অসমৰ চাৰি সীমাৰ বাহিৰত। নৰনাৰায়ণ, লক্ষ্মীনাৰায়ণক এৰা পেলাই অসমৰ সাংস্কৃতিক বুৰঞ্জী সম্পূৰ্ণ নহয় চ কিন্তু তেওঁলোকৰ প্ৰতাপদৃপ্ত কোচবেহাৰ পশ্চিম বঙ্গৰ এটা চুবা হৈ থাকিল ৰাজ্যপুনৰ্গঠন আয়োগৰ সিদ্ধান্ততো। তথাপি, সেই কোচবেহাৰ আমাৰ মনৰপৰা আঁতৰ হ'ব নোৱাৰে।

**কাকতকুটা-ভেলা-মধুপুৰ**

নৰনাৰায়ণৰ সভাত আচাৰী হৈ থিয় হ'ব লগীয়া হওঁতে শঙ্কৰদেৱ গৈ চিলাৰায় দেৱানৰ অভ্যন্তৰত নবীন গৃহ কৰি আছিল। কিছুদিন পিছে চিলাৰায়ৰ অভ্যন্তৰে আচল পাই তোৰোচাৰ দক্ষিণ পাৰ হৈ ডোবা এটিৰ পাৰতে ৰ'ল। দেৱানে মানুহ পঠাই দি ঘৰ কৰাই দিলে। ডোবাত অনেক ভেৰা চৰাই পৰি মাছ খাই থাকে দেখি নাম হ'ল ভেলা বা ভেলাডোবা বা ভেলাদোবাৰ।

শঙ্কৰদেৱৰ বিচিত্ৰ বৃন্দাবনী বস্ত্ৰ নি নৰনাৰায়ণক দেখুওৱাত ৰজা সন্তুষ্ট হৈ ঈশ্বৰ মানি মোৱামাৰি পছিমে, মানচৈ দক্ষিণে, তোৰোচা উত্তৰে, ভেলা পূবে, এই চাৰি হদকৈ মাটি দুশ নানকাৰ ব্ৰহ্মোত্তৰকৈ দিলে বিলে সৈতে গৃহ-বাৰী ঢাপ কৰাই শস্যে সমে। তাতে গৈ ভেলাৰপৰা আছে। মোৱামাৰি পাৰ হৈ ব্ৰাহ্মণ পণ্ডিতসকলে শঙ্কৰদেৱৰ লগত তৰ্কযুদ্ধ কৰিবলৈ আহোঁতে গুৰুৰ মাহাত্ম্যত অভিভূত হৈ সিপাৰতে লগৰ শাস্ত্ৰ কাটি উটুৱাই দিলে। তাৰপৰা কাকতকুটা নাম হ'ল নদীৰ থানে সৈতে। (কথাগুৰুচৰিত।) এই থানতে গুৰুজনৰ বৈকুণ্ঠপ্ৰয়াণ ঘটে। তোৰোচা নৈয়ে এই থান খহাই নিয়ে।

শঙ্কৰদেৱ দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে বেহাৰত এজোপা পাৰিল গছৰ তলত বহি কৃষ্ণকথা কৈছে, গছত মৌ এবাহ দেখি ভকতসকলে পাৰি খাইছে। মাধৱদেৱে ক'লে, "হৰি-কথা, মধু-পান, গুৰু-ভকতৰ ধূলা পৰা এইখিনি কি পুণ্যভূমি!" মহাপুৰুষে ক'লে বোলে,

“বৰা-পো, তোমাৰ আমাৰ পাছত আতে মধুপুৰ নামে এখনি থান হ'ব।” মাধৱদেৱে জীৱনৰ শেষ দুবছৰ ভেলাত সত্ৰ কৰি কটায় যদিও চৰিতত তাকে ভেলা-মধুপুৰ বুলি উল্লেখ কৰিছে। তেওঁৰ বৈকুণ্ঠ-প্ৰয়াণৰ পিছতো ভেলা সত্ৰ আছিল। বুঢ়ীৰ-পো গোবিন্দ আতৈ ভেলাত অধিকাৰ হোৱাৰ পিছত থানখনি তোৰোচাই খহাবলৈ ধৰে। আতৈয়ে বীৰনাৰায়ণ ৰজাৰ সহায়ত তেতিয়া মধুপুৰত সত্ৰ পাতে। “ৰজাই আগত থাকি ভেলা থানৰ ভেটিৰ মাটি কোৰেৰে চপৰা-চপৰে খনাই ভৰোৱাই লৈ গৈ মধুপুৰ থানৰ ভেটিত দিওৱাই ভেলা থানৰ ধূলাৰ চিন ৰখাইছিল। ভেলাত মাথোন এচুকত একণ মাটি আছিল, আৰু খহোৱা ঠাইত বালি পৰিছিল। পাছে তাতে পুৰুষোত্তম ঠাকুৰে ঠাই উলিয়াই আকৌ ভেলাৰ থান পাতি সেই থানতে অনেক দিন থাকি কালক্ৰমত বৈকুণ্ঠ প্ৰয়াণ কৰে।” (বেজবৰুৱা।) ভেলাতে সেৱাৰ বস্তু-ৰূপে শঙ্কৰ গুৰুৰ খৰম, কাপ-মৈলাম, কটাৰী, লোটা, চুলি, অস্থি-ভস্ম আছে বুলি শুনা যায়। চিলাৰায় দেৱানৰ ফুলবাৰীতে গঢ় লৈ উঠা “দহ মুকুতৰ থান” মধুপুৰ কোচবিহাৰ চহৰৰপৰা তিনি মাইল পশ্চিমে।

অসমৰ মুখ্য মন্ত্ৰী শ্ৰীবিমলাপ্ৰসাদ চলিহাক সভাপতি লৈ গঠিত মধুপুৰ সত্ৰ নিৰ্মাণ সমিতিয়ে সত্ৰখনিৰ পুনৰ্নিৰ্মাণৰ কাম হাতত লয়। অসম চৰকাৰেও এই উদ্দেশ্যে ডেৰ লাখ টকাৰ দান আগ বঢ়ায়। ১৯৬৪ চনৰ ২৬ জানুৱাৰীত কোচবেহাৰৰ মহাৰজাৰ উপস্থিতিত অসমৰপৰা উবুৰি খাই পৰা হেজাৰ-বিজাৰ ধৰ্মপ্ৰাণ লোকৰ সমাবেশৰ মাজত থানৰ চাৰি কুৰি ছবছৰীয়া বুঢ়াভকত শ্ৰীলক্ষ্মীকান্ত আতৈয়ে বৰবহাৰপৰা শিৰতকৈ আনি শ্ৰীমন্ত শঙ্কৰ গুৰুৰ নপদ আৰু মাধৱদেৱৰ ছপদ সেৱাৰ বস্তু ১০৫ ফুট ওখকৈ নিৰ্মিত গুৰুগৃহত (মঠ) থাপনা কৰে।

**বৈকুণ্ঠপুৰ**

দামোদৰদেৱে পৰীক্ষিতনাৰায়ণৰ কামৰূপ ৰাজ্যত থাকিব নোৱাৰি লক্ষ্মীনাৰায়ণৰ কোচবেহাৰত প্ৰৱেশ কৰিলে। ৰজাই কাৰেঙৰ ওচৰতে ভিতৰ ঢাপৰ ভিতৰতে সত্ৰ পাতি দিলে। সেয়ে বৈকুণ্ঠপুৰ সত্ৰ। সেই থানতে দামোদৰদেৱ বৈকুণ্ঠী হয় বলদেৱক সত্ৰৰ অধিকাৰ দি।

**মাধপুৰ, জিকাপুলি, মৰিচবাৰী আদি**

মধুপুৰ সত্ৰৰ অধীনে গোৱালপাৰাত সত্ৰশাল, শ্ৰীৰামপুৰ আদি, কোচবেহাৰৰ ভিতৰতো হৰিপুৰ, জিতাপুনি, মৰিচাবাৰী আদি সত্ৰ সিদিনালৈকে প্ৰকল্পভাৱে জীয়াই আছিল। কোচবেহাৰৰ এনে অনেকখনি থান 'জীৱন-মুকুত' দৈৱজ্ঞ হৰিহৰ আতাৰ জীৱনেৰে সংশ্লিষ্ট। এওঁক মাধৱদেৱে আনৰ আপত্তি শুনি ভেলা-মধুপুৰ এৰিবলৈ কোৰাত কোচবেহাৰৰ ভিতৰতে ঘূৰি ফুৰে। একাচেকা ভকত, জনবোকাক ৰাজিৰ নিচিনাকৈ একে কথাত লাগি তাৰ্থক পৰিহাৰ কৰে, থিয়ে-পোতা যোগীৰ দৰে জীয়াই জীয়াই গাঁত খানি সমাধি লাভ কৰে। তেওঁ য'তে বৈছিল ত'তে এখনি থান হ'ল পিছলৈ। চেপেটিমৰা বিলৰ পাৰত সৰিহতলি (এতিয়াও

সৰিয়হতলি), বেহেৰুৱা কৃষ্ণ সতৰীয়াৰ জিকাপুলি ভিটা (এতিয়া, জিঙাপুনি), ৰঘুপতি সতৰীয়াৰ মৰিচবাৰী (এতিয়া, মৰিচাবাৰী), লক্ষ্মীপতি সতৰীয়াৰ জালুকবাৰী ভিটা, পদ্মপাণিৰ চটাৰি ভিটা, সুখবৰ দলৈৰ বাৰী নাগৰখলা ভিটা (এতিয়া নাকৰখলা), বেতনাৰ হৈনাথ চৌধাৰীৰ মাধপুৰ ভিটা (এতিয়া হৰিপুৰ), ৰামৰাম আতৈৰ মইনাবাৰি ভিটা, হাইঠাবাৰী, থুৰুহাবাৰী, ধুৰিয়নিবাৰী, মৰলবাৰী, হীৰাবাৰী, খলামবাৰী, হৰিহৰ আতা ৰোৱা এইবোৰ ঠাইত একোখনি সত্ৰৰ দৰে হয়। ইয়াৰ ভিতৰত জিঙাপুনি, মৰিচাবাৰী আদি লুপ্ত হৈছে। মাধপুৰ আদি সত্ৰৰ নাম মাত্ৰ আছে। মাধপুৰত আতাৰ পদ-বস্তু আৰু কীৰ্তন-ঘৰ এটি কোনোমতে আছিল। এতিয়া সন্ত ভক্ত লগ লাগি তাৰ উন্নয়ন কৰিছে।

**বনমালী ঠাকুৰৰ সত্ৰ**

মণ্ডলদৈৰ খটৰাৰ লেচাকণীয়া গোবিন্দ আতৈৰ পৰিনাতি বাসুদেৱ ঠাকুৰ সত্ৰীয়া থাকোঁতে তেওঁৰ ভ্ৰাতৃ বনমালীদেৱে কামৰূপ-কোচবেহাৰত চঁপাতলা বা চিত্ৰা, কোচপৰা, বনুৱা, সোল্লা, হাতীমূৰা আদি সত্ৰ স্থাপন কৰে বুলি জনা গৈছে।[1] ইয়াৰে কোনখনিহঁত কোচবেহাৰৰ অন্তৰ্গত জনা নাযায়।

## মুৰ্ছিদাবাদ

**বনমালীদেৱৰ সত্ৰ**

বনমালীদেৱে কোচবেহাৰৰ বৈকুণ্ঠপুৰত থাকোঁতে প্ৰাণনাৰায়ণ ৰজাৰ অনুমতিৰে শ্ৰীক্ষেত্ৰলৈ যায়। বাটতে তেওঁ মুছিদাবাদ জিলাত গঙ্গাৰ পাৰত এখন সত্ৰ থাপন কৰে। সত্ৰখনি এতিয়াও আছে। (বনমালীদেৱৰ চৰিত্ৰ।)

**ৰামচন্দ্ৰ আখৰা**

কুৰুৱাবাহীৰ মিশ্ৰদেৱ বা মিছিৰ গোসাঁইৰ পুতেক ৰামচন্দ্ৰই ঘৰৰপৰা বিৰাগ ওপজাত ওলাই গৈ ভাটীৰ গঙ্গাৰ পাৰত থাকেগৈ। তাতে তেওঁৰ মহিমা দেখি মুৰ্ছিদাবাদৰ নবাবে পকী ঘৰ সাজি মাটি-বাৰী সম্পত্তি দি এখনি আশ্ৰম কৰি দিয়ে। এয়ে ৰামচন্দ্ৰ আখৰা নামে জনাজাত হয়। কুৰুৱাবাহী সত্ৰৰ শাখা-স্বৰূপে ইয়াৰ লগত সত্ৰৰ অহা-যোৱা চলি আছিল কিছু দিন আগলৈকে। (গড়মূৰ সত্ৰৰ বুৰঞ্জী।) ম.নে.

## কৰতোয়াৰ পাৰ

**কনচেং বৰপাত্ৰৰ দ'ল-পুখুৰী**

১৪৫৪ শকত দিহিঙীয়া ৰজাৰ দিনত সেনাপতি কনচেং বৰপাত্ৰই তুৰ্বকক পৰাজয় কৰি সেনাপতি গড়গঞা ৰজা আৰু চান্‌খাম ঘৰ-সন্দিকৈৰে কৰতোয়ালৈ অসম ৰাজ্যৰ সীমা উদ্ধাৰ কৰিছিল। কনচেং বৰপাত্ৰগোহাঁয়ে কৰতিয়া গঙ্গাত (কৰতোয়া নৈ) খাণ্ডা পখালিভাবে ওচৰতে পুখুৰী খানি এটি দ'ল বান্ধিছিল।


---

১ শ্ৰীডিম্বেশ্বৰ মহন্তৰপৰা (থুকুবিল, সোণাৰি) পোৱা টোকা।


২ টোকাটি শ্ৰীহেমন্তৰ বৰ্মনৰ দ্বাৰা সংগৃহীত।

# চিত্রফলক

হাজোৰ হয়গ্ৰীৱ-মাধৱ দেৱালয়
বৰপেটা-সত্ৰৰ কীৰ্তন-ঘৰৰ গুৰু-আসন
বৰপেটা-সত্ৰৰ মঠ
বৰনগৰৰ গৰখীয়া গোসাঁইৰ দ'ল
জয়সাগৰৰ পাৰৰ শ্ৰীকেশৰায়-বিষ্ণু-দ'ল
শিৱসাগৰৰ পাৰৰ মুক্তিনাথ-শিৱ-দ'ল
জয়সাগৰৰ পাৰৰ বৈদ্যনাথ-শিৱ-দ'ল
নেঘেৰীটিঙৰ শিৱ-দ'ল
ছয়গাঁৱৰ মন্দিৰ
বশিষ্ঠাশ্ৰমৰ মন্দিৰ, সমুখত নতুনকৈ সজোৱা ঘৰ
উমালিঙ্গন শিৱ-মূৰ্তি, ডবকা
নীলাচলৰ কামাখ্যা-মন্দিৰ
নীলাচলৰ তাৰা-মন্দিৰ আৰু তোৰণ
ভূমি-স্পৰ্শ মুদ্ৰাত ভগৱান বুদ্ধ
মহিষ-মৰ্দিনী, পিতলৰ মূৰ্তি, তিনিচুকীয়া
দ-পৰ্বতীয়াৰ মন্দিৰৰ শিলৰ দুৱাৰ
সদিয়াৰ সৰ্প-স্তম্ভ
ৰঙামাটিৰ মছজিদ




হাজোৰ হয়গ্ৰীৱ -মাধৱ দেৱালয়




বৰপেটা-সত্ৰৰ কীৰ্তন-ঘৰৰ গুৰু-আসন




বরপেটা-সত্রর মঠ




বৰনগৰৰ গৰখীয়া গোসাঁইৰ দ'ল




জয়সাগৰৰ পাৰৰ শ্ৰীকেশৱায়-বিষ্ণু-দ'ল




শিৱসাগৰৰ পাৰৰ মুক্তিনাথ-শিৱ-দ'ল




জয়সাগৰৰ পাৰৰ বৈদ্যনাথ-শিব-দ'ল




নেঘেৰীটিঙৰ শিব-দ'ল




হয়গ্ৰীৱৰ মন্দিৰ




বশিষ্ঠাশ্ৰমৰ মন্দিৰ, সন্মুখত নতুনকৈ সজোৱা ঘৰ




উমালিঙ্গন শিব-মূর্তি, ডবকা




নীলাচলৰ কামাখ্যা-মন্দিৰ



নীলাচলৰ তাৰা-মন্দিৰ আৰু তোৰণ




ভূমি-স্পৰ্শ মুদ্ৰাত ভগৱান বুদ্ধ



মহষি-মৰ্দিনী, পিতলৰ মূৰ্তি, তিনিচুকীয়া



দ-পৰ্বতীয়াৰ মন্দিৰৰ শিলৰ দুৱাৰ



সদিয়ার সর্প-স্তম্ভ



রাঙামাটির মছজিদ